৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ : ২০২৫ খ্রীষ্টাব্দ
স্থাপিত: ১৮৯৮ শকাব্দ : ১৯৭৬ খ্রীষ্টাব্দ

Bhawani ভৱানী

ত্রয়োবিংশতম প্রকাশ



স্থান ঃ গীতানগৰ হাইস্কুল খেল পথাৰ

গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজা সমিতি ● সোণালী জয়ন্তী বৰ্ষ ● GEETANAGAR SARBAJANIN DURGAPUJA SAMITI ● GOLDEN JUBILEE YEAR

ASSAM POWER GENERATION CORPORATION LIMITED
অসম শক্তি উৎপাদন নিগম লিমিটেড

Vision

To achieve generation expansion to 2000 MW by 2030 with maximum augmentation from renewable energy sources and to develop Energy Storage Systems to ensure round the clock (RTC) RE power.

Mission

- ❑ Adequate availability of power at competitive cost.
- ❑ Effective management to avoid project over run at all level.
- ❑ Deploy best practices of power house maintenance, predictive maintenance to reduce down time for all systems, plants.

Rated as A+ by REC and PFC

Profit making for last 3 (three) consecutive Financial Year

Running Power Stations (Total: 419.8 MW)

- 41MW Namrup Thermal Power Station (NTPS)
- 97.2 MW Lakwa Thermal Power Station (LTPS)
- 69.70 MW Lakwa Replacement Power Project (LRPP)
- 98.4 MW Namrup Replacement Power Project (NRPP)
- 100 MW Karbi Langpi Hydro Electric Project (KLHEP)
- 13.5 MW Myntriang Small Hydro Electric Project (MSHEP –I&II)

On-going Power Project (Total: 169 MW)

- 120 MW Lower Kopili Hydro Electric Project (LKHEP)
- 25 MW Namrup Solar Power Project (JV with OIL)
- 24 MW Karbi Langpi Middle-II Hydro Power Project

Upcoming Power Projects (Total: 1442.5 MW)

- 620 MW Renewable Energy Power Project (JV with OIL)
- 22.5 MW Karbi Langpi Middle-I Hydro Power Project
- Pump Storage Project











Registered Office: 3rd Floor, Bijulee Bhawan, Paltan Bazar, Guwahati-781001, Assam

Telephone: 0361-2739502 Telefax: 0361-2739522/546 Email: info@apgcl.org

(CIN No: U40101AS2003SGC007239) Website: www.apgcl.org



ঔৰানী

ত্রয়োবিংশতম প্রকাশ

তাৰিখ ঃ

১০, ১১, ১২, ১৩, ১৪, ১৫ আৰু

১৯ আহিন, ১৯৪৭ শক

মূখ্য সম্পাদক
দিলীপ কুমাৰ শর্মা

সাহিত্য সম্পাদক
বিৰাজ মোহন তালুকদাৰ

কাৰিকৰী সম্পাদক
মুনীন মিশ্র

কলা সম্পাদক
হৰকুমাৰ ডেকা

সহযোগী সম্পাদক
ৰাজীৱ কলিতা

পূজাৰ স্থান ঃ
গীতানগৰ হাইস্কুল খেলপথাৰ, গুৱাহাটী - ৭৮১০২১

৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিতঃ ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ

23rd Issue
Bhawani
'BHAWANI'
ভৱানী
ত্রয়োবিংশতম প্রকাশ

A souvenir of 50th Geetanagar Sarbajanin Durga Puja Samity
Geetanagar, Guwahati - 781021
Edited by:
Chief Editor : Dilip Kumar Sharma
Literary Editor : Biraj Mohan Talukdar
Technical Editor : Munin Mishra
Art Editor : Harkumar Deka
Associate Editor : Rajib Kalita

Published by : Ritu Moni Kalita, General Secretary
50th Geetanagar Sarbajanin Durga Puja Samity

ভৱানী

সম্পাদনা সমিতি

উপদেষ্টা ঃ
ড° পূর্ণ ভট্টাচার্য্য
অৰিন্দম তালুকদাৰ
যাদৱানন্দ চহৰীয়া
সভাপতি ঃ
প্রদীপ কুমাৰ গোস্বামী
মূখ্য সম্পাদক ঃ
দিলীপ কুমাৰ শর্মা
সাহিত্য সম্পাদক ঃ
বিৰাজ মোহন তালুকদাৰ
কলা সম্পাদক
হৰকুমাৰ ডেকা
কাৰিকৰী সম্পাদক ঃ
মুনীন মিশ্র
সহযোগী সম্পাদক ঃ
ৰাজীৰ কলিতা
সদস্য ঃ দিলীপ চন্দ্র কলিতা, ৰিতু মনি কলিতা, ভূপেন শর্মা,
ডাঃ মনোৰঞ্জন শর্মা পাঠক, বিনীতা নাথ।
স্থিৰ চিত্র গ্রহণ ঃ অৰিন্দম তালুকদাৰ, সুদীপ গোস্বামী আৰু ৰাজীৰ কলিতা।
প্রচ্ছদপট পৰিকল্পনা আৰু অংকণ ঃ হৰকুমাৰ ডেকা, ধীৰাজ বৰুৱা আৰু ৰাজীৰ কলিতা
অলংকৰণ আৰু অংগসজ্জা ঃ দীপুল ৰামছিয়াৰী, আকাশ দাস(কিশোৰ), ৰূপম লহকৰ

স্থান ঃ গীতানগৰ হাইস্কুল খেল পথাৰ

GOLDEN JUBILEE YEAR • সোণালী জয়ন্তী বর্ষ • ২০২৫ • GEETANAGAR SARBAJANIN DURGAPUJA SAMITI • গীতানগৰ সার্বজনীন দুর্গাপূজা সমিতি

প্ৰতি অসমীয়াৰ হিয়াৰ আমঠু, অসমৰ জাতীয় জীৱনৰ অতুল্য বৈভৱ,
আমাৰ প্ৰাণৰো প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ অশ্ৰুসজল

শ্ৰদ্ধাঞ্জলি



জন্ম ঃ ১৮-১১-১৯৭২ মৃত্যু ঃ ১৯-০৯-২০২৫

৫০ সংখ্যক গীতানগৰ সাৰ্ব্বজনীন দুৰ্গা পূজা সমিতি

অসমৰ বিশ্রুত মধুকণ্ঠী গায়িকা
আমাৰ মনৰো মনৰ শিল্পী গায়ত্রী হাজৰিকালৈ অশ্রুসজল

শ্রদ্ধাঞ্জলি



জন্ম ঃ ২২-১২-১৯৮০ মৃত্যু ঃ ১৬-০৫-২০২৫

৫০ সংখ্যক গীতানগৰ সাৰ্ব্বজনীন দুৰ্গা পূজা সমিতি

অশ্রুসিক্ত শ্রদ্ধাঞ্জলি



প্রয়াত ডাঃ দেৰী প্রসাদ গোস্বামী

জন্ম ঃ ০১-০১-১৯৩৭

মৃত্যু ঃ ০৪-০৬-২০২৫



প্রয়াত প্রফুল্ল বালা দাস

জন্ম ঃ ১৯৩৯

মৃত্যু ঃ ০২-০৩-২০২৫



প্রয়াত মদন চন্দ্র তালুকদাৰ

জন্ম ঃ ০২-০৮-১৯৩৫

মৃত্যু ঃ ০১-০৩-২০২৫



প্রয়াত প্রভা দেৰী

জন্ম ঃ ১৯৪১

মৃত্যু ঃ ১৫-১২-২০২৪





প্রয়াত প্রসন্ন ডেকা

জন্ম ঃ ০১-০১-১৯৩৪

মৃত্যু ঃ ০৫-০৪-২০২৫

৫০ সংখ্যক গীতানগৰ সাৰ্ব্বজনীন দুর্গা পূজা সমিতি

RAJ BHAVAN
GUWAHATI

Shri Lakshman Prasad Acharya



MESSAGE

It gives me immense pleasure to learn that 50th Geetanagar Sarbajaneen Durga Puja Samiti is celebrating the golden jubilee year reverberating the spirit of divinity and piousness. A commemorative souvenir named *'Bhawani'* is being published synchronizing with the occasion.

As the divine Mother descends to bless us, Durga Puja reminds us of the eternal triumph of good over evil, light over darkness, and hope over despair. Maa Durga symbolizes Shakti, the inner strength that guides us to face life's challenges with courage, compassion, and faith.

This sacred festival is not only a time of devotion and prayer but also an opportunity of unity, harmony, and the celebration of cultural heritage. May Maa Durga's divine grace removes obstacles from our path, fill our hearts with peace, and inspire us to live with kindness and righteousness.

Let this festival be celebrated on the meditation of divine and spiritual power of Maa Durga. I hope the joyous celebrations enable us to strengthen the bond of friendship and universal brotherhood.

I convey my best wishes to all the devotees on the occasion. Hope the souvenir spreads, promotes and strengthens the spirit and essence of the festival.

Dated: September 25, 2025

(Lakshman Prasad Acharya)

শ্রী বিশ্বজীৎ দৈমাৰী
অধ্যক্ষ
অসম বিধান সভা
Shri Biswajit Daimary
Speaker
Assam Legislative Assembly

সত্যমেব জয়তে

ASSAM LEGISLATIVE ASSEMBLY
Dispur, Guwahati-781006, Assam, India
Phone: +91 361-2261371/2230064 (O)
+91 361- 2260106 (R)
+91 361-2260565 (Fax)
+91 9868181224 (M)
E-mail: speakerassamassembly@gmail.com



শুভেচ্ছাবাণী

সমাজ এখন সুশৃঙ্খলিত, সুস্থিৰ আৰু শান্তিময় কৰি ধৰি ৰাখিবলৈ আধ্যাত্মিক চিন্তা-চৰ্চ্চাৰ অতিকৈ প্ৰয়োজন। সেই উদ্দেশ্যে বৃহত্তৰ গীতানগৰ বাসী ৰাইজে আয়োজন কৰি অহা 'গীতানগৰ সার্বজনীন দুর্গাপূজা'ই এইবেলি গৌৰবোজ্জ্বল সোণালী জয়ন্তী বর্ষ উদ্‌যাপন কৰিব বুলি জানি অনন্দিত হোৱাৰ লগতে শক্তিৰ অধিষ্ঠাত্রী দেবী শ্রীশ্রীদুর্গা পূজাৰ পবিত্রতাই সমাজৰ সকলো বর্গৰ দুখ-দুর্দশা নির্মূল কৰিব বুলি কামনা কৰিলো।

উদ্‌যাপন সমিতিয়ে সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি **'ভৱানী'** নামৰ এখন স্মৃতিগ্রন্থ প্রকাশৰ যো-জা কৰাটো প্রশংসনীয় পদক্ষেপ। স্মৃতিগ্রন্থখনৰ জৰিয়তে শ্রীশ্রীদুর্গাপূজা উদ্‌যাপনৰ ঐতিহ্য আৰু পৰম্পৰাসমূহৰ পূর্ণ প্রতিফলন ঘটিব বুলি আশা ৰাখিলো।

সোণালী জয়ন্তীৰ সমূহ কার্যসূচীৰ সফলতা কামনা কৰিলো। সমূহ ৰাইজ, আয়োজক সমিতিৰ প্রতিজন সদস্য আৰু বিষয়ববীয়ালৈ শাৰদীয় শুভেচ্ছা জ্ঞাপন কৰিলো।

১১.০৯.২০২৫

(বিশ্বজীৎ দৈমাৰী)

ড° হিমন্ত বিশ্ব শর্মা
Dr. Himanta Biswa Sarma

মুখ্যমন্ত্রী, অসম
Chief Minister, Assam

দিছপুৰ
চি এম এছ. ৭/২০২৩/৩১৫৩
২৫ ভাদ, ১৪৩২ ভাস্কৰাব্দ
১১ ছেপ্টেম্বৰ, ২০২৫ ইং



শুভেচ্ছাবাণী

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপন সমিতিয়ে ধাৰাবাহিকভাবে আয়োজন কৰি আহা সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰীদুৰ্গা পূজাভাগিয়ে এইবেলি সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰা বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছোঁ। এই বিশেষ উপলক্ষ্য উদ্‌যাপনৰ বাবে তেওঁলোকে এইবাৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰস্তুতি চলোৱাৰ খবৰেও মোক আহ্লাদিত কৰিছে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি 'ভৱানী' শীৰ্ষক এখনি আটকধুনীয়া স্মৃতিগ্ৰন্থও প্ৰকাশৰ ব্যৱস্থা কৰাটো অত্যন্ত প্ৰশংসনীয় পদক্ষেপ।

যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।

শৰৎকালীন দুৰ্গা পূজা হিন্দু সমাজৰ অন্যতম প্ৰধান আৰু জনপ্ৰিয় ধৰ্মীয় উৎসৱ। শক্তিৰ অধিষ্ঠাত্ৰী দেৱী তথা অসুৰৰ বিনাশ আৰু ধৰ্মৰ প্ৰতিষ্ঠাৰ প্ৰতীক হিচাপে দুৰ্গাদেৱী যুগে যুগে পূজিতা হৈ আহিছে। প্ৰাচীন ভাৰতৰ দ্ৰাবিড় সভ্যতাত মাতৃতান্ত্ৰিক সমাজৰ মাজত মাতৃদেৱীৰ পূজাৰ প্ৰচলন অতি জনপ্ৰিয় আছিল। ইয়াৰ উপৰিও সিন্ধু সভ্যতা, যাক হৰপ্পা আৰু মহেঞ্জোদাৰো সভ্যতা বুলিও জনা যায়, তাতো মাতৃদেৱীৰ পূজাৰ চিহ্ন পোৱা গৈছে। প্ৰত্নতাত্ত্বিক খননৰ পৰা উদ্ধাৰ হোৱা মূৰ্তি আৰু চীল-মোহৰত এই পূজাৰ প্ৰমাণ পোৱা যায়, য'ত দেৱীৰ প্ৰতীক হিচাপে বিভিন্ন প্ৰত্নবস্তুৰ উল্লেখ আছে।

প্ৰাচীন ধৰ্মগ্ৰন্থ যেনে কৃত্তিবাসী ৰামায়ণ, মাৰ্কণ্ডেয় পুৰাণ আৰু দেৱী ভাগৱতত দুৰ্গা পূজাৰ বিশদ বৰ্ণনা পোৱা যায়। মাৰ্কণ্ডেয় পুৰাণৰ 'দেৱীমাহাত্ম্য'ত দুৰ্গাৰ মহিষাসুৰৰ সৈতে যুদ্ধ আৰু তেওঁৰ বিজয়ৰ কাহিনীৰ উল্লেখ আছে। এই উৎসৱৰ সময়ত দেৱীৰ নৱৰাত্ৰি উৎসৱ পালন কৰা হয়, য'ত নৱৰাত্ৰিৰ ন দিন ধৰি দেৱীৰ বিভিন্ন ৰূপৰ পূজা কৰা হয় আৰু দশমী তিথিত বিসৰ্জনৰ মাধ্যমেৰে উৎসৱৰ সমাপ্তি ঘটে।

অসমত দুৰ্গা পূজা এতিয়া কেৱল ধৰ্মীয় উৎসৱৰ মাজতে সীমাবদ্ধ নহৈ এক সাৰ্বজনীন সাংস্কৃতিক উৎসৱৰূপে পৰিগণিত হৈছে। গাঁৱে-নগৰে বিভিন্ন পূজা মণ্ডপত দেৱী দুৰ্গাৰ মৃন্ময় মূৰ্তিৰ পূজা-অৰ্চনাৰ লগতে সাংস্কৃতিক অনুষ্ঠান পালনৰ মাজেৰে সামাজিক মহোৎসৱ আয়োজিত হয়। শাৰদীয় এই উৎসৱে অসমৰ সাংস্কৃতিক জীৱনৰ এক সামগ্ৰিক পৰিচয় প্ৰকাশ কৰে। দুৰ্গা পূজাৰ সময়ত মানুহে দৈনন্দিন জীৱনৰ দুখ-কষ্ট, ব্যথা-বেদনা পাহৰি, মনৰ কলুষতা আঁতৰাই, সমাজৰ সকলো স্তৰৰ লোকৰ সৈতে মিলিত হৈ একতা আৰু ভাতৃত্বৰ বাৰ্তা প্ৰচাৰ কৰে। এইদৰে, দুৰ্গা পূজাই আজি এক সামাজিক আৰু সাংস্কৃতিক মিলনৰ প্ৰতীকৰূপে অসমৰ জনজীৱনত গভীৰ প্ৰভাৱ পেলাই আহিছে।

পবিত্ৰ শাৰদীয় দুৰ্গোৎসৱৰ এই বিশেষ ক্ষণত মই ভক্তপ্ৰাণ ৰাইজক মোৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰিছোঁ। গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ সোণালী জয়ন্তী বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱভাগিয় সমূহ কাৰ্যসূচীৰ সৰ্বাংগীন সফলতা কামনা কৰাৰ লগতে প্ৰকাশ পাব লগা স্মৃতিগ্ৰন্থখনিয়ে সকলোৰে পৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব বুলি মই আন্তৰিকভাবে আশা ৰাখিলোঁ।

(ড° হিমন্ত বিশ্ব শর্মা)

Shri Pijush Hazarika
Minister, Assam

Water Resources, Information & Public Relations,
Printing and Stationery and Social Justice
& Empowerment Departments.

দিশপুৰ ১১ ডেছেম্বৰ, ২০২৫



শুভেচ্ছা-বার্তা

গীতানগৰ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱে এইবেলি সোণালী জয়ন্তী বৰ্ষ উদযাপন কৰিবলৈ ওলোৱা খুলি জানিবলৈ পাই সুখী হৈছো । এই বছৰৰ এই পূজাভাগিলৈ প্ৰথমতে মোৰ ভক্তিভৰা সেৱা জনালোঁ । এই সুযোগতে বৃহত্তৰ গীতানগৰ অঞ্চলৰ সমূহ বাইজৰ লগতে সমগ্ৰ অসমবাসীলৈ শাৰদীয় দুৰ্গোৎসৱৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ । মা দুৰ্গাই সমাজৰ অসূয়া-অপ্ৰীতি আঁতৰাই সকলোৰে জীৱন মংগলময় কৰি তোলাৰ কামনা কৰিলোঁ ।

আমাৰ সনাতন সংস্কৃতি আৰু সমাজ জীৱনত যুগে যুগে দুৰ্গা পূজাৰ মাহাত্ম্য প্ৰকাশ পাই আহিছে । আধ্যাত্মিক চেতনাৰ সমান্তৰালভাৱে দুৰ্গাপূজাই পৰস্পৰৰ মাজত ভাতৃত্ববোধৰ জন্ম দি সমাজৰ পৰা অনীতি-অনাচাৰ আঁতৰাই সুস্থ আৰু সমৃদ্ধ জীৱনৰ নিশ্চিতি প্ৰদান কৰে । ধৰ্মীয় চিন্তা-চেতনাৰ ঊৰ্দ্ধত সাৰ্বজনীন দুৰ্গাপূজা আমাৰ সকলোৰে বাবে হৈ পৰে এক আবেগস্বৰূপ । চলিত বৰ্ষত ৫০ টা বছৰত উপনীত হোৱা ঐতিহ্যমণ্ডিত গীতানগৰ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱৰ সৈতে সংগতি ৰাখি উদযাপন সমিতিয়ে 'ভবানী' নামেৰে স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা কাৰ্য নিসন্দেহে আদৰণীয় । আশা কৰো যে প্ৰস্তাৱিত স্মৃতিগ্ৰন্থখনৰ পাতত গীতানগৰ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱৰ ৫০ বছৰীয়া বৰ্ণিল যাত্ৰাই আতকধুনীয়া ৰূপত প্ৰকাশ লাভ কৰি পাঠকসমাজৰ মাজত সমাদৃত হ'বলৈ সক্ষম হ'ব । গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাৰ সমূহ কাৰ্যসূচীৰ আন্তৰিক সফলতা কামনা কৰি মোৰ শুভকামনা জ্ঞাপন কৰিলোঁ ।

পীযুষ হাজৰীকা

(পীযুষ হাজৰীকা)

E-Block, Third Floor, Janata Bhawan, Dispur, Guwahati-781006, Assam

BIJULI KALITA MEDHI
Member of Parliament, Lok Sabha
No. 05 Guwahati Constituency, Assam

Members: -
Member of Department Related Parliamentary Standing Committee on Energy
Member of Consultative Committee for Ministry of North Eastern Region.

Permanent Address -
House No. 15, Bhamunimaidam
Jyoti Nager, Guwahati, Assam-781021
Mob.: 9854115394, 9954904627

Present Address -
Room No. 212, Assam House
Chankyapuri, New Delhi-110021
Email: bijulikalita.medhi@sansad.nic.in



-------শুভেচ্ছাবাণী------

"সর্ব মংগল মংগল্যে, শিৱে সর্বার্থ সাধিকে ।
শৰণ্যে ত্র্যম্বকে গৌৰি, নাৰায়ণী নমোস্তুতে ।"

গীতানগৰ সার্বজনীন দূর্গাপূজা সমিতিয়ে পৰম্পৰাগত ভাবে বিগত বর্ষৰ দৰে এই বেলিও দূর্গা পূজা উদযাপনৰ পৰিকল্পনা কৰিছে বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ।উদযাপন সমিতিৰ দুর্গা পূজা উদযাপনৰ প্রচেষ্টাত আন্তৰিক শুভেচ্ছা জনালোঁ। মা দুর্গাই আমাৰ সকলোৰে ওপৰত আশীর্বাদ কৰক তাৰেই কামনা কৰিলোঁ লগতে এই উপলক্ষে প্রকাশ পাবলগীয়া পূজা স্মৃতি গ্রন্থ 'ভৱানী' স্মৰণিকা খনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

সর্বশেষত উদযাপন সমিতিৰ সভাপতি, সম্পাদক, সদস্য/সদস্যা সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিজুলী কলিতা মেধি
সাংসদ
৫নং গুৱাহাটী লোকসভা সমষ্টি

সিদ্ধার্থ ভট্টাচার্য্য
Siddhartha Bhattacharya

কার্য্যালয়
বিধায়ক, ৫৩ পূৱ গুৱাহাটী সমষ্টি
জি. এচ. ৰোড, উলুবাৰী, গুৱাহাটী-৭৮১০০৭
OFFICE OF
MLA, 53 EAST GUWAHATI LAC
G. S. Road, Ulubari, Guwahati-781007

Ref:.....
Date:.....



শুভেচ্ছাবাণী

পোন প্ৰথমে সমূহ ৰাইজক শাৰদীয় দুৰ্গোৎসৱৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। মই জানিবলৈ পায় আনন্দিত হৈছো যে গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজা সমিতিয়ে এইবেলিও শ্ৰীশ্ৰী দূৰ্গাপূজা বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰিবলৈ প্ৰস্তুতি চলাইছে।

দুৰ্গতি নাশিনী দেৱী দুৰ্গাই আমাৰ সমাজৰ সকলো অসূয়া অমংগল দূৰ কৰি শান্তি-সমৃদ্ধি প্ৰতিষ্ঠা কৰক। এই দূৰ্গাপূজাৰ লগত সংগতি ৰাখি বিগত বৰ্ষৰ দৰে এইবেলিও **"ভৱানী"** নামৰ এখন স্মৰণিকা প্ৰকাশৰ দিহা কৰিছে বুলি জানিবলৈ পাই মই সুখী অনুভৱ কৰিছো আৰু স্মৰণিকা খনৰ সফল প্ৰকাশ কামনা কৰাৰ লগতে এই স্মৰণিকা খনৰ মাজেৰে সমাজলৈ নতুন বাৰ্তা যাব বুলি আশা কৰিলোঁ।

স্মৰণিকা খনৰ সম্পাদনা সমিতিক তথা ইয়াৰ লগত জড়িত আটাইলৈ মোৰ আন্তৰিক শুভকামনা যাচিলোঁ লগতে শ্ৰীশ্ৰী দূৰ্গা পূজাৰ সফলতা কামনা কৰিলোঁ।।

(সিদ্ধার্থ ভট্টাচার্য্য)

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

অসম সাহিত্য সভা

কেন্দ্রীয় কার্যালয় ঃ চন্দ্রকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কার্যালয় ঃ ভগৱতীপ্রসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কার্যালয়
বাংছিগ ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কার্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্রুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কার্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কার্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙ্গলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সংসদ বিহাৰ মার্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

প্রসংগ নং ঃ .....

তাৰিখ ঃ ০৫-০৯-২০২৫



শুভেচ্ছা বার্তা

গুৱাহাটীৰ গীতানগৰ সার্বজনীন দুর্গাপূজাভাগে অর্ধশতিকা অতিক্রম কৰাৰ বতৰাত আহ্লাদিত হৈছোঁ। এই শৰতত পৰম আস্থা আৰু উছাহেৰে সোণালী জয়ন্তী বর্ষৰ পূজাৰ আয়োজন কৰা আৰু ইয়াৰ সৈতে বজিতা খুৱাই **ভৱানী** শীর্ষক মুখপত্রখনি প্রকাশৰ দিহা কৰাটো সুখৰ খবৰ।

শাৰদীয় দুর্গাপূজা সমাজৰ কল্যাণ সাধন আৰু অপশক্তিৰ বিনাশ কামনাৰ উৎসৱ। **ভৱানী**-য়ে দুর্গাপূজাভাগৰ ঐতিহ্য আৰু পৰম্পৰাক প্রতিফলিত কৰাৰ লগতে ভক্তিপ্রাণ ৰাইজৰ হৃদয় আধ্যাত্মিক চিন্তা আৰু সম্প্রীতিৰ ভাবেৰে জীপাল কৰি তুলিব— সেই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° বসন্তকুমাৰ গোস্বামী)
সভাপতি, অসম সাহিত্য সভা

ঘৰৰ ঠিকনা ঃ পোহৰ, সুবাগপুৰ, চোলাধৰা, তকণৰাম ফুকন পথ, যোৰহাট, অসম, ভ্রাম্যভাষ ঃ ৮৪৭৩৯০৭১৯৪, ৯৪৩৫২৬৪৫০২
ই-মেইল ঃ drbkgoswami3@gmail.co



জয়ন্তী-সংগীত

(গীতানগৰ দুগাপূজাৰ সোণালী জয়ন্তী বৰ্ষৰ বাবে যুগুতোৱা গীত)

ঢোল বাজিছে, ঢাক বাজিছে
বাজে ঘন্টা, বাজে টিলিঙা
বাজিছে শঙ্খ আয়তীৰে উৰুলি
অ' আজি
উখল মাখল পূজাৰে থলী
গীতানগৰ সার্বজনীন দুর্গা পূজাৰ
এয়াযে সোণালী জয়ন্তী
হে ঢোল বাজিছে.....
ওঠৰশ আঠান্নবৈ শকৰ
আহিনৰে ষষ্ঠী তিথিত
ভক্তগণে এই পুণ্য ভূমিত
সাজেহি আইৰে পূজাৰ বেদী
বোধন কৰি প্রাণ প্রতিষ্ঠা কৰি
কৰিছিল অর্চনা দুর্গাদেৱীক
দুর্গতি বিনাশে আহিব শান্তি
হে ঢোল বাজিছে.....

আজিও সৰে আহিছো ওলাই
দেৱীপূজাৰে হ'ল যে বেলি
ভক্তি বন্দনা বেদ মন্ত্র ধ্বনিত
মুখৰিত আজি পূজা থলী
পাদ্য অর্ঘ্যৰে সেৱাটি জনাওঁ
হিয়াৰে সুঁৰৰি নাৰায়ণী
যাচি একাঁজলি পুষ্পাঞ্জলি
হে ঢোল বাজিছে.....
জগদম্বা কৈলাশ বাসিনী
ত্রিনয়ণী জগত জননী
দশভূজা মহিশ মর্দিনী
মহাশক্তি জগত তাৰিণী
আমি যে তোমাৰ অবোধ সন্তান
নাজানো কি দৰে কৰোঁ মিনতি
আশীষ দিয়াহে আই দায় নধৰি।
হে ঢোল বাজিছে.....

গীতিকাৰ আৰু সুৰকাৰ ঃ
ধীৰাজ কুমাৰ বৰুৱা





ভৰালী ৰ দুগা সংখ্যাৰ

–ভূমিকা

(ক)

প্ৰকৃতিৰ সুবিমল স্নিগ্ধতাৰে ভৰপূৰ হৈ, মানুহৰ মনৰ দুৰন্ত-দুৰ্নিবাৰ শক্তিৰ আধাৰ হৈ আহিছে ঋতুৰাণী শৰৎ, আদিগন্ত জুৰি নিৰূপম সৌন্দৰ্য-সুষমাৰে ভৰুণ অপ্ৰতিম শৰৎ, খেতিয়কৰ কাঞ্চনবুলীয়া সপোনে দোলা দি থকা আহিনৰ শষ্যশালী ঘনশ্যাম পথাৰৰ দৌলাদৌল ধাননীৰ ওপৰৰ বিৰ্‌বিৰ্‌ মৃদু বতাহত সমধুৰ সুঘ্ৰাণ ভৰা ৰূপহী শৰৎ।

(খ)

সুদীপ্তিমন্ত শাৰদীয় দীপ্তিৰ লাৱণ্যময় অঙ্গন গীতানগৰত এয়া ৰূপান্তৰৰ সোণসেৰীয়া বাটেদি আগবাঢ়ি পূৰ্ণাঙ্গ পৰিপুষ্টিৰে ঠন ধৰি উঠা দুৰ্গা পূজাভাগৰ পঞ্চাশ বছৰীয়া স্বৰ্ণাভ দ্যুতিময় সোণালী জয়ন্তীৰ মহা আয়োজন। চহকী ঐতিহ্যৰ গৰিমাৰে ঋদ্ধ, সাম্য-মৈত্ৰী-মিলন-সমন্বয়ৰ মঙ্গলময় মিলনক্ষেত্ৰ গীতানগৰৰ সদৌটি ভক্তপ্ৰাণ ৰাইজে সৰ্বমঙ্গলা আই দেৱীদুৰ্গাৰ শ্ৰীচৰণত কৰপুটে ভক্তিৰ পুষ্পাঞ্জলি যাচি প্ৰাৰ্থনা জনাইছে—

"সৃষ্টি স্থিতি বিনাশানাং শক্তিভূতে সনাতনি।
গুণাশ্ৰয়ে গুণময়ে নাৰায়ণি নমোহস্তুতে।।
সৰ্বমঙ্গল মঙ্গল্যে শিবে সৰ্বাৰ্থ সাধিকে।
শৰণ্যে ত্ৰাম্বকে গৌৰি নাৰায়ণি নমোহস্তুতে।।"

(গ)

সদৌটি প্ৰাণ প্ৰতিম ধৰ্মশীল ৰাইজৰ আশীষধন্যহৈ প্ৰকাশ হৈ ওলাল—পঞ্চাশ সংখ্যক গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজাৰ স্বৰ্ণাভ-দ্যুতিময় মুখপত্ৰ 'ভৰালী'। 'ভৰালী'খন বিগত পঞ্চাশ বছৰীয়া সোণ-চিকুণ ইতিহাস গাথাৰ সুসংহত চানেকিৰে সৰ্বাংগসুন্দৰভাৱে প্ৰকাশ কৰি উলিয়াব পাৰিছোঁ বুলি কোৱাৰ ধৃষ্টতা আমি কৰা নাই— নিতান্তই সৰল অন্তঃকৰণেৰে এয়া প্ৰগুণ পাঠক সমাজৰ ওচৰত আমাৰ বিনম্ৰ অৱগতকৰণ.....।

(ঘ)

পৰিশেষত আমি আমাৰ হিয়াৰ এফাল হেন আদৰণীয় ৰাইজলৈ, 'ভৰালী'ৰ প্ৰাজ্ঞ, জ্ঞানঅৰ্ণৱ লেখক-লেখিকাসকললৈ, উদাৰপ্ৰাণা মহানুভৱ বিজ্ঞাপন দাতা সকললৈ, পবিত্ৰ চিত্তৰ সূচিতাৰে সুচিব্ৰত আইৰ পূজাৰ পূজাৰীগণ, অ'ৰোৱা ফাইন আৰ্টছৰ নিকটাত্মীয়প্ৰতিম কৰ্মচাৰীবৃন্দলৈ আমি হিয়া উজাৰি আমাৰ কৃতজ্ঞতাৰ মহাৰ্ঘ যাচিছোঁ।

—দিলীপ কুমাৰ শৰ্মা

ভৱানী স্মৃতিগ্ৰন্থৰ প্ৰকাশ উপলক্ষে



মোৰ প্ৰিয় ঋতু শৰৎ। প্ৰকৃতিৰ বুকুলৈ ঋতুৰাণী শৰৎ চিৰাচৰিত ৰূপত আকৌ আহিছে। আকাশে বৰণ সলায়, শুকুলা ডাৱৰ, সাগৰৰ দৰে নিৰ্মল আকাশ, ৰিব্ ৰিব্ মলয়া বতাহ আদি ন ন সৌন্দৰ্যৰ উপহাৰ দিয়ে। সন্ধিয়াৰ লগে লগে তিৰবিৰাই থকা জোনাকী পৰুৱাৰ নাচোনে আৰু জোনাক নিশাৰ দোভাগ ৰাতিৰ জিলিৰ মাতৰ শান্ত পৰিৱেশ জীপাল হৈ উঠে। আবেলি পৰত বতাহৰ গতিত হালি-জালি থকা আলফুলীয়া কঁহুৱা বনে মন অশান্ত কৰি তোলে।

শৰতে যেন লৈ আহে সমাজৰ শান্তি, ঐক্য, সংস্কৃতি, সংহতি আৰু হৃদয়ৰ বাবে অনাবিল প্ৰশান্তি। শৰতে কঢ়িয়াই অনা উৎসৱৰ বতৰাত আমাৰ দেহ-মন উন্মনা কৰে। শৰৎ আহি পদূলিমুখ পোৱা মানেই দুৰ্গোৎসৱৰ সময়। তেতিয়াই আকাশৰ ক'লীয়া ডাৱৰ, বোকাময় ৰাস্তা, ওফন্দি থকা নদ-নদী, জান-জুৰি, গ্ৰীষ্মৰ উৎকট গৰম আদি পৰিৱেশ শাম কাটে।

শৰৎ ঋতুৱে ধৰণী শস্য-শ্যামলা কৰি তোলে। এই ঋতুতে খেতিয়কে সপোন ৰচে। এই সময়তে ধানৰ লেচেৰীবোৰ উজ্জ্বল শ্যামলী বৰণেৰে জাতিষ্কাৰ হয়, ফলৰ সম্ভাৰনাৰে পৰিপূৰ্ণ হয়। ধানৰ পাতত নিয়ৰে মুকুতা গাঁথে, অসমীয়াই পথাৰত চাকি-বন্তি জ্বলাই আই লখিমীলৈ ভক্তিৰ অঞ্জলি যাচে, ভঁৰাললৈ প্ৰাচুৰ্য অনাৰ বাবে প্ৰাৰ্থনা জনায়।

পৰম মঙ্গলময়ী, পৰম স্নেহশীলা, পৰম দয়াশীলা হে আই মা দুৰ্গা, জগৎজননী মাতা, আমি আমাৰ অন্তৰ ভৰা মিনতিৰে আশীষ মাগিছোঁ— আমাৰ হৃদয়ে হৃদয়ে প্ৰেম-প্ৰীতি, হিংসাদ্বেশী, অসূয়া-অপ্ৰীতি, উচ্চ-নীচ, ভেদাভেদ পৰিহাৰ কৰি আমাক উদাৰতাৰে ভৰপূৰ একোখন সঁচা অন্তৰ দিয়া, সঁচা মানুহেৰে ভৰা এখন সমাজ দিয়া। হে আই মাতৃ, তোমাৰ চৰণত আশ্ৰয় লোৱা দৰিদ্ৰ নিপীড়িত লোকসকলক সকলো বিপদৰপৰা মুক্ত কৰি তেওঁলোকক সুখ দিয়া, শান্তি দিয়া।

"সৰ্বমাঙ্গল্য মাঙ্গল্যে চৰণে সবাৰ্থ সাধিকে।
চৰণে ত্ৰম্বকে দেৱী নাৰায়ণী নমস্তুতে।।"

বৃহত্তৰ গীতানগৰ বাসী ৰাইজৰ প্ৰাণধিক দুৰ্গা পূজা ভাগৰ সোণালী জয়ন্তী বৰ্ষৰ অন্যতম প্ৰধান আকৰ্ষণেই হৈছে স্মৃতিগ্ৰন্থ 'ভৱানী'। 'ভৱানী'ৰ নান্দনিক সৌন্দৰ্য্য তথা সৌষ্ঠৱ উৎকৃষ্ট মানৰ কৰিবলৈ প্ৰয়াস কৰা হৈছে। বিশিষ্ট লেখক-লেখিকাসকলৰ মূল্যবান লেখা আৰু সোণসেৰীয়া অতীতৰ স্মৃতি গাঁথাৰে 'ভৱানী'ক সমৃদ্ধ কৰি যথাসাধ্য ইয়াক উন্নত কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। আমি এই ক্ষেত্ৰত কিমানখিনি সফল হ'ব পাৰিছো তাক প্ৰাণ-প্ৰতীম পাঠক সমাজৰ একান্ত বিচাৰ্য্য বিষয়।

পৰিশেষত, আই দুৰ্গাদেৱীৰ শ্ৰীচৰণত ভক্তিৰ অৰ্ঘ্য যচা পৰিত্ৰ প্ৰাণ পূজাৰীবৃন্দ, "ভৱানী"ৰ প্ৰাজ্ঞ লেখক-লেখিকা তথা উদাৰমনা বিজ্ঞাপন দাঁতাসকল, ধৰ্মপ্ৰাণ সুজন তথা শুভাকাঙ্খী সকলৰ লগতে ছপাকাৰ্যৰ লগত জড়িত 'আৱোৱা ফাইন আৰ্টছ'ৰ সুহৃদ-প্ৰতিম সদস্যসকল অবিমিশ্ৰ তথা আত্যন্তিক বিনম্ৰতাৰে কৃতজ্ঞতাৰ অঞ্জলি যাচিলোঁ।

— বিৰাজ মোহন তালুকদাৰ

ভৱানী, ৰ কাৰিকৰী সহযোগত

শাৰদীয় সম্ভাষণ...



আহিনৰ আকাশত শুকুলা মেঘৰ ধেমালি, নিশা জোনৰ পোহৰত নদীৰ পাৰত জিকমিকাই থকা ৰূপালী বালি, আমোলমোলাই থকা শেৱালিৰ সুবাস আৰু নিশা দুৱৰি বনৰ ওপৰত সৰি পৰা মুকুতাযেন নিয়ৰৰ টোপালবোৰে আকৌ যেন শৰতক আতৰণি জনালে। শৰৎ কালৰ এনে মধুৰক্ষণতে ধৰালৈ আগমন ঘটে দুর্গতিনাশিনী,, ব্রহ্মাশক্তি স্বৰূপিনী দেৱী দুর্গাৰ। সর্বসাধাৰণ ৰাইজৰ লগতে গীতানগৰবাসী ৰাইজেও আশাৰে বাট চাই থাকে দুর্গতিনাশিনী দেৱী দুর্গাৰ আগমনলৈ।

এইবাৰ গীতানগৰ সার্বজনীন দুর্গা পূজাৰ সোণালী জয়ন্তী বর্ষ হিচাবে বিস্তৃত কার্যসূচীৰে দুর্গোৎসৱৰ আয়োজন কৰা হৈছে। গীতানগৰ দুর্গা পূজাৰ অন্যতম অবিচ্ছেদ্য অঙ্গ হ'ল স্মৃতিগ্রন্থ 'ভৱানী'। ১৯৭৬ চনৰ পৰা ধাৰাবাহিক ভাৱে আয়োজিত হৈ থকা গীতানগৰ দুর্গা পূজাৰ প্রতিটো দিশৰে প্রতিবিম্ব বা ইতিহাস হৈছে এই 'ভৱানী' স্মৃতিগ্রন্থখন। সুদীর্ঘ পঞ্চাশ বছৰৰ স্মৃতিবোৰ আমাৰ মাজত চিৰ যুগমীয়া হৈ থাকক, এই আশাৰে দুর্গা দেৱীৰ আশীষ শিৰত লৈ সোণালী জয়ন্তী বর্ষৰ 'ভৱানী' শীর্ষক স্মৃতিগ্রন্থখন নিখুঁত আৰু সর্বাঙ্গসুন্দৰ ভাৱে প্রকাশ কৰিবলৈ আমি যত্নৰ ত্রুটি কৰা নাই বুলি আমি সৰল অন্তঃকৰণেৰে বিশ্বাস কৰো। তথাপিও অজানিতে ৰৈ যাব পৰা ভুল-ভ্রান্তিৰ বাবে মা দুর্গাৰ লগতে বিজ্ঞ জন আৰু ভক্তবৃন্দৰ ওচৰত ক্ষমা মাগিছোঁ।

শেষত পৃথিৱীৰ সমস্ত মানৱজাতিৰ কল্যাণ সাধনৰ অর্থে প্রত্যেকৰে মনত সৎ চিন্তা, সৎ বুদ্ধি, সৎ জ্ঞান উদয় হওঁক, যাতে অনাগত ভৱিষ্যত সকলোৰে বাবে কল্যাণময় হয়, এই আশাৰে মা দুর্গাৰ শ্রীচৰণত প্রণিপাতজনাই সদৌটি ৰাইজলৈ শাৰদীয় সম্ভাষণ যাচিছোঁ।

— মুনীন মিশ্র

সভাপতিৰ কলমেৰে



শৰতৰ এই নিৰ্মল সময়ৰ সকলোলৈকে শাৰদীয় শুভেচ্ছা জনালো, লগতে গীতানগৰ সাৰ্ব্বজনীন দুৰ্গাপূজা সমিতিৰ প্ৰাতস্মৰণীয় পিতৃপুৰুষ সকলোলৈ জনালো সোণালী জয়ন্তী বৰ্ষৰ হিয়াভৰা শ্ৰদ্ধা আৰু শ্ৰদ্ধাঞ্জলি।

এই অঞ্চলৰ সৰ্ব্বজনবিদিত গীতানগৰৰ এই মহৎ অনুষ্ঠানটোৰ লগত জন্ম লগ্নৰ পৰা জড়িত নাছিলো যদিও আজি একচল্লিশ বছৰৰ পৰা আমি ইয়াৰ লগত সনা-পিতিকা হৈ আছোঁ। চকুৰ আগতে অনুষ্ঠানটোৱে মোট সলাই অন্যৰূপ এটাত জিলিকি উঠিল। চল্লিছ বছৰৰ আগৰ সেই পূজাভাগ আমাৰ অঞ্চলটোৰ স্থানীয় পূজা আছিল। বৰ্তমান ই বৃহত্তৰ ৰূপ ধৰি গোটেই গুৱাহাটী বাসীৰে শ্ৰদ্ধাৰ আৰু চেনেহৰ পূজাস্থলী হ'ল। গছ নহোৱা অঞ্চলত এৰাই বিৰিখ হোৱাৰ দৰে আমিও এদিন ইয়াত গছ হ'লো। পূজাৰ মণ্ডপ সজোৱাৰ পাল আমাৰ ওপৰত পৰিল। সা-সুবিধা বুলি দুটামান বাঁহ অলপ, চুটি কাপোৰ, চূণ, নীল আৰু পাহাৰৰ ৰঙা মাটি এইখিনিকে লৈ আমি ওৰে ৰাতি ধীৰাজ বৰুৱা ৰাজিৰ কলিতা আদিৰ সৈতে লগ লাগি মণ্ডপ সাজো, ৰাতিৰ ভিতৰতে সাজি উঠে লাচিতৰ গড়। ৰাতি পুৱা ঘৰলৈ ওভতাৰ সময়ত প্ৰাতঃভ্ৰমণলৈ অহা মানুহবোৰে ঘূৰি ঘূৰি চায়, তলমূৰকৈ কোনো মতে আহি ঘৰ সোমাও। গোটেই শৰীৰ কানি-কাপোৰ, ৰঙামাটি, চূণ, নীল আদিৰে অলংকৃত।

সেই গীতানগৰ পূজাৰ কাম এতিয়া এমাহ আগৰ পৰা আৰম্ভ হয়, সুন্দৰ মনোকাৰ্শক মণ্ডপ জিলিকি থাকে বক্তৃৰঙী বিজুলি বাতিৰ পোহৰত, মানুহৰ বিৰ দি বাট নপোৱা অৱস্থা ষষ্ঠিৰ দিনাৰ পৰাই হয় মানুহৰ ভিৰ। এই পৰিৱৰ্তলৈ আনন্দৰ জোৱাৰ আনে আমাৰ সকলোলৈকে।

— হৰকুমাৰ ডেকা



ভৱানী'ৰ সম্পাদকৰ কলমৰ পৰা

প্রকৃতিৰ চিৰন্তন ৰীতি মতেই পুনৰ শৰৎ আহিল। নৈৰ পাৰত কহুৱা ফুলে পোহাৰ মেলিলে। নিয়ৰসনা শেৱালীৰ মাদকতা ভৰা সুবাসে প্রকৃতিৰ ৰূপ দুগুণে চৰালে। শুকুলা ডাৱৰে নীল আকাশত শোভা বঢ়ালে। এইবাৰ শৰতৰ ব্যতিক্রম হৈ অসমীয়া হিয়াৰ আমঠু, শিল্পী জুবিন গার্গৰ মহাপ্রয়ান হ'ল।

ঐতিহ্যমণ্ডিত গীতানগৰ সার্বজনীন দুর্গাপূজাই সোণালী জয়ন্তী বর্ষ গৰকিছে। পূর্বৰ দৰেই এইবাৰো পূজাৰ লগত সঙ্গতি ৰাখি আমাৰ স্মৃতিগ্রন্থ "ভৱানী"ক সজাই পৰাই ৰাইজৰ বাবে আগবঢ়োৱাৰ দিহা কৰা হৈছে। স্মৃতিগ্রন্থ ভৱানী, সেউজ পৃষ্ঠাৰ মেটমৰা সম্ভাৰসহ ত্রয়োবিংশ প্রকাশ। উত্তৰ পুৰুষৰ সুবিধার্থে আপুৰুগীয়া সোঁৱৰণবোৰ সংৰক্ষিত কৰাৰ উদ্দেশ্যে ভৱানীত প্রকাশৰ প্রয়াস কৰা হৈছে। ভৱানীত বিগত পাঁচটা দশকৰ দীপ্তিমান যাত্রাৰ মধুৰ স্মৃতি, কাহিনী, আলোকচিত্র, অতীত উজ্বল সোঁৱৰণ বর্তমানৰ কণ্ঠস্বৰ আৰু ভৱিষ্যতৰ সপোন লিপিবদ্ধ কৰাৰ চেষ্টা কৰা হৈছে।

সর্বাঙ্গ সুন্দৰভাৱে স্মৃতিগ্রন্থ প্রকাশ এক অতি দুৰূহ কাম। এই সংখ্যাটি সর্বজনগ্রাহ্য আৰু আকর্ষনীয় ৰূপত প্রকাশ কৰিবলৈ সম্পাদনা সমিতিয়ে চেষ্টাৰ ত্রুটি কৰা নাই।

গীতানগৰ দুর্গাপূজাই পৰম্পৰা অটুট ৰাখিয়েই আধুনিকতাৰ অৱগাহন কৰিছে। বিগত পাঁচটা দশকৰ অসাধাৰণ যাত্রাত অংশ গ্রহনেৰে পূজা ভাগক মহীয়ান কৰা পূর্বসুৰী সকল, উত্তৰাধিকাৰ ৰূপে পৰম্পৰাক আগু�ৰাই নিয়া নৱপ্রজন্ম, সদাশয় দাতা, পৃষ্ঠপোষক, সদস্য উপদেষ্টা, স্বেচ্ছাসেৱক সহ সমূহ শুভাকাংক্ষীকে আমি গভীৰ কৃতজ্ঞতা জনাইছো।

'ভৱানী'ৰ সম্পাদনা সমিতিৰ আব্দাৰ নেওচিব নোৱাৰি, বহুমূলীয়া লেখাৰে সমৃদ্ধকৰা স্বনামধন্য লেখক লেখিকাৰ লগতে, স্থানীয় লব্ধপ্রতিস্থ লেখক উদীয়মান চেমনীয়া ছাত্র-ছাত্রীৰ লেখাবোৰৰ বাবে শলাগ লৈছো।

বিজ্ঞাপনৰ যোগে আমাক সহায়ৰ হাত আগবঢ়োৱা অনুস্থান-প্রতিস্থান সমূহক ধন্যবাদ জনালো।

ভৱানী প্রকাশৰ ক্ষেত্রত সম্পাদনা সমিতি কিমান সফল হৈছে, সেয়া ৰাইজে বিচাৰ কৰিব। ছপা অলংকৰণৰ ক্ষেত্রত ৰৈ যোৱা ভুলত্রুটিৰ বাবে সদৌটিৰে ওচৰত মার্জনা বিচাৰিলো। পৰিশেষত সমাজৰ দুস্কৃতিৰ বিনাশ আৰু সংস্কৃতিৰ বিকাশ হওক তাকেই কামনা কৰিলো।

সৃষ্টি স্থিতি বিনাশনাং
শক্তি ভূতে সনাতনী
গুণশ্রয়ে গুণময়ে।।
নাৰায়ণী নমস্তুতে।।

— ৰাজীৰ কলিতা

সম্পাদকীয়



শৰৎ কাল হৈছে গ্ৰীষ্ম আৰু শীতৰ মাজত অহা এক সুন্দৰ ঋতু, যিটো উত্তৰ গোলার্ধত ছেপ্টেম্বৰ মাহত আৰু দক্ষিণ গোলার্ধত মার্চ মাহত আহে। এনেদৰে শৰতৰ আগমনৰ লগে লগে ৰূপহী হৈ উঠা ধৰাখনে সকলোকে মোহিত কৰে। সেয়ে প্ৰকৃতিৰ অপৰূপ ৰূপৰ বাবেই শৰতক ঋতুৰাণী বুলি অভিহিত কৰা হয়। শৰৎ কেৱল এটা ঋতুৰেই নহয়, ই প্ৰকৃতিৰ বুকুত সৌন্দৰ্যৰ এটি আকৰ। এই সময়ত দিন চমু হয় আৰু বতৰ ঠাণ্ডা হ'বলৈ ধৰে। শৰতৰ লগত শেৱালিৰ দৰে আহিনৰো নিবিড় সম্পৰ্ক। শৰৎ কালৰ আৰম্ভণিৰ লগে লগে পথাৰবোৰ শ্যামলীমা হৈ উঠে। ধানবোৰে গেঁৰ মেলি ফুলিবলৈ আৰম্ভ কৰে আৰু লাহে লাহে পথাৰবোৰ শইচেৰে ভৰি পৰে। নিয়ৰ সনা দূৰবিৰ দলিচাত শেৱালি সৰে। ই এক কাব্যিক অনুভৱ। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ মহা মিলনৰ ক্ষণত আলোচনা মুকলি কৰি মাধৱদেৱে কৈছিল—

শৰৎ কালত পূজা সমস্তে কৰয় ।
পূর্ব হন্তে ইটো বিধি নিয়ম আছয় ।।
বেদ আজ্ঞা লংঘিলেও মহাপাপ হয়।
অৱশেষে মৰি ঘোৰ নৰকে পৰয়।।
বেদৰ বিহিত কর্ম লাগে কৰিবাক।
নকৰিলে শাস্ত্রে দুৰাচাৰ বোলে তাক।।২২১২
এতেকতে আমি দেৱী পূজা কৰো জানি
ঈশ্বৰৰ আজ্ঞা ইটো আছে বেদ-বাণী।২২১৪

শৰৎ ঋতুত বিভিন্ন উৎসৱ-পার্বণ, পূজা-বিহু অনুষ্ঠিত হয়। অসমত এই সময়ত কৃষকসকলে কাতি বিহু পালন কৰে, যিটো খেতিয়কসকলৰ বাবে এক গুৰুত্বপূর্ণ সময়। শৰৎ কাল, যাৰ আৰম্ভণি হয় মধ্য আগষ্ট মাহত (অসমীয়া পঞ্জিকা অনুসৰি আহিন-কাতি মাহ), গ্ৰীষ্ম আৰু শীতৰ মাজৰ এক সুন্দৰ ঋতু শৰৎ-হেমন্ত। এই সময়ত বতৰ নাতিশীতোষ্ণ হয়, আকাশ পৰিষ্কাৰ হয়, আৰু পথাৰত সোণালী শইচৰ খেতি লহপহীয়া হয়। নদীৰ বালিচৰত কঁহুৱা ফুলৰ লয়লাস নাচোনে শৰৎ অহাৰ বতৰা দিয়ে। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ ভাষাৰে— 'কঁহুৱা বন মোৰ অশান্ত মন, আলফুল হাতেৰে লোৱা সাৱটি'। শৰৎ কালতেই গণেশ পূজা, বিশ্বকর্মা পূজা, দুর্গা পূজা, লক্ষ্মী পূজা, কালী পূজা আদি উৎসৱ-পার্বণ অনুষ্ঠিত হয়, যাৰ বাবে এই ঋতুক উৎসৱৰ বতৰ বুলিও কোৱা হয়। তাৰ পৰৱর্তী সময়ত শ্ৰীকৃষ্ণৰ ৰাস উৎসৱ অনুষ্ঠিত হয়। এই সন্দর্ভত ভাগৱতত উল্লেখ আছে যে শ্ৰীকৃষ্ণক পতি ৰূপে পাবলৈ কাত্যায়নী ব্ৰত পালন কৰি (দুর্গা) পূজা কৰোতা গোপীসকলক উদ্দেশ্যি শ্ৰীকৃষ্ণই প্ৰতিশ্ৰুতি দিয়া অনুসৰি শৰৎ প্ৰকৃতিৰ অনুকূল সময় বা কাল—

সেয়েহে
শৰৎ কালৰ ৰাত্রি অতি বিতোপন।
ৰাসক্রীড়া কৰিতে কৃষ্ণৰ ভৈল মন।। বুলি কোৱা হৈছে। এই শৰৎ কালতেই ৰাস মহোৎসৱ নামনি অসমত বৈদিক পূজা আৰু উজনি অসমৰ লগতে মধ্য অসমত ভাওনা সবাহেৰে পালন কৰা হয়।

চিৰাচৰিতভাৱে এইবছৰো শাৰদী ৰাণীৰ কোলাত উঠি ধৰালৈ শ্ৰীশ্ৰী দুর্গা দেৱীৰ আগমন হৈছে। শ্ৰী ৰামচন্দ্রই ৰাৱণ বধৰ মানসেৰে আয়োজন কৰা অকালবোধন শ্ৰীশ্ৰী দুর্গা পূজাভাগ গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিয়ে এইবাৰ অতি আড়ম্বৰপূর্ণ বর্ণাঢ্য কার্যসূচীৰে সোণালী জয়ন্তী হিচাপে উদযাপন কৰিবলৈ ওলাইছে। শাৰদীয় দুর্গাপূজাৰ শুভক্ষণত আমিও দুষ্কৃতিৰ বিনাশেৰে সমস্বৰে সংস্কৃতিৰ জয়গান গাওঁ আহক।

জয় মা 'ভৱানী'।

— প্ৰদীপ কুমাৰ গোস্বামী

৫০ সংখ্যক গীতানগৰ সাৰ্ব্বজনীন দুৰ্গাপূজা সমিতিৰ সভাপতি-দুগতিনাশিনী



জয় জয়তে সমূহ ধৰ্মপ্ৰাণ ৰাইজলৈ মোৰ ফালৰ পৰা শাৰদীয় দুৰ্গাপূজাৰ বাবে একাজলী শুভাষীশ যাচিলোঁ। গীতানগৰ সাৰ্ব্বজনীন দুৰ্গাপূজাৰ এইবেলি সোণালী জয়ন্তী বৰ্ষ। তাৰ বাবে মোটামুটি আমি যোৱা বছৰৰ পৰাই প্ৰস্তুতি চলাইছিলো। প্ৰধানকৈ মণ্ডপৰ কামৰ বাবে সুদূৰ কোচবিহাৰলৈ গৈ মণ্ডপ নিৰ্মাতাৰ লগত যোগাযোগ কৰাৰ পৰা পুজি সংগ্ৰহলৈকে আদি কৰি দায়িত্ব বিলাক সম্পন্ন কৰিবলৈ পূজা সমিতিৰ লগত আলোচনা বিলোচনা মাজৰ পৰাই আৰম্ভ হৈছিল। সেই সূত্ৰে পূজা কমিটিৰ বিষয়ববীয়াৰ লগত দুবাৰকৈ কোচবিহাৰলৈ গৈ মণ্ডপ নিৰ্মাতাৰ লগত কথা পাতি এক প্ৰকাৰ ঠিক-ঠাক কৰি থৈ আহিছিল। আৰু যোৱা জুনমাহত আমাৰ মণ্ডপৰ লাইখুঁটা স্থাপন কৰাৰ পিছত মণ্ডপ নিৰ্মাতাৰ কাম দ্ৰুতগতিত আৰম্ভ কৰা হৈছিল। এইবেলি দুৰ্গাপূজাৰ মণ্ডপটো বেংককৰ অৰুণ ৰাট মন্দিৰত আৰ্জিত নিৰ্মাণ কৰা হৈছে। এইবাৰ সোণালী জয়ন্তী উপলক্ষে ৯ দিনীয়াকৈ পূজাৰ অনুষ্ঠান আয়োজন কৰা হৈছিল। যিহেতুকে সোণালী জয়ন্তী, মনত বহু আশাৰে ভক্তপ্ৰায় ৰাইজক মনোৰঞ্জনৰ কাৰণে দুদিনীয়াকৈ সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছিল। আয়োজন কৰা হৈছিল ষষ্ঠীৰ দিনাখন এটা বিশাল শোভাযাত্ৰাৰ। ধৰ্মীয় ৰীতি-নীতিৰে লগতে বাকী আনুষ্ঠানসমূহ নিয়াৰিকৈ চলাৰ বাবে বিভিন্ন উপ-সমিতিক দায়িত্ব দিয়া হৈছিল। সকলো ঠিকেই চলি আছিল।

হঠাতে সকলো কলীয়া মেঘে আহি অসমৰ আকাশত ঢাকি ধৰিলে। জুবিন গাৰ্গ নামৰ শিল্পী, শিল্পী নহয় এক সত্বাৰ যেন এটা নক্ষত্ৰ অসম আকাশৰ পৰা খহি পৰিল। সকলো ওলট-পালট হৈ পৰিল। আবাল, বৃদ্ধ, বনিতা সকলোৰে কান্দিলে, জুবিনৰ অকাল মৃত্যুত। শোকৰ বন্যা নামি আহিল অসম মুলুকলৈ। সকলোৱে একেমুখে প্ৰতিবাদ কৰিলে জুবিন হত্যাৰ বিচাৰ লাগে। বিশাল জনসমুদ্ৰই প্ৰমাণ কৰি দিলে জুবিনক অসমৰ মানুহে কিমান ভাল পায়।

ইফালে দুৰ্গাপূজাৰ সময়ো সমাগত। অসমৰ এই পৰিস্থিতিত কোনো আড়ম্বৰপূৰ্ণ অনুষ্ঠান কৰা সম্ভৱেই নহয়। আলোচনাৰ অন্তত সিদ্ধান্ত লোৱা হ'ল যে আড়ম্বৰপূৰ্ণ সকলো অনুষ্ঠান পৰিহাৰ কৰি কেৱল সৰ্বত্ৰ ধৰ্মীয় ৰীতি-নীতিখিনি বজাই ৰাখিহে পূজাখন কৰা হ'ব। ঠিক তেনেদৰে আগবাঢ়ি সেইখিনি পৰ্য্যায় পাইছেহি। আৰু এটা কথা জুবিন গাৰ্গৰ মৃত্যুত অসমে যি শোক পালে এই ক্ষন্তেকীয়া নহয়, এই জুইকুৰা উমি উমি জ্বলিয়েই থাকিব। কিন্তু দুখ কৰি বহি থাকিলেইতো নহ'ব। নিজৰ নিজৰ কৰ্ম কৰিও যাব লাগিব। এইবেলি দুৰ্গামাক সকলোৱে প্ৰাৰ্থনা জনাওঁ আহক, অতি সোনকালে যেন জুবিনৰ মৃত্যুৰ ন্যায় বিচাৰ হয় আৰু দোষীয়ে যেন উচিত শাস্তি পায়। পৃথিৱীৰ পৰা দুষ্টচক্ৰ উৎখাত হৈ সকলোকে শান্তিত জীয়াই থাকিবলৈ মা দুৰ্গাই যাতে আশীৰ্বাদ কৰে, তাৰ বাবে আমি মাক ভালকৈ পূজা কৰো আহক।

সদৌ শেষত পুনৰ সকলোকে আহ্বান জনাওঁ এই পবিত্ৰ ক্ষণত শান্তি-সম্প্ৰীতিৰ সূতাডাল চিঙিবলৈ নিদি সকলোৱে যেন সমাজত মিলাপ্ৰীতিৰে আগবাঢ়ি যাব পাৰো।

তাৰেই কামনাৰে—

— দিলীপ চন্দ্ৰ কলিতা

সভাপতিৰ দ্ব-কথাষাৰ

৫০ সংখ্যক গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজা স্মৃতিগ্ৰন্থ



কঁহুৱা ফুলাৰ বতৰত শেৱালীৰ সুবাসেৰে আকৌ আগমন ঘটিল শৰতৰ। শেৱালীৰ সুগন্ধীয়েও কঢ়িয়াই আনে শৰতৰ বতৰা। শৰৎকাল মানেই শাৰদীয় দুৰ্গাপূজা। শৰতৰ সেমেকা বতৰত দুৰ্গাদেৱীৰ হৈছে আগমন। প্ৰকৃতিয়ে মোহময়ী ৰূপ ধাৰণ কৰি আহিনৰ এই দিনবোৰত ধৰাধামত যেন কঁহুৱাই নাচি-বাগি বিপদ নাশিনী মা-দুৰ্গাক সমাজৰ অপায়-অমংগল দূৰ কৰিবলৈ মৰ্ত্যলৈ আমন্ত্ৰণ জনাইছে। দুৰ্গা মানেই দৈত্য, কু-কৰ্ম, শোক-দুখ, মহাভয়, অতিৰোগ আদিক বুজায়। আ-কাৰৰ অৰ্থ নাশক। অৰ্থাৎ যি দেৱীয়ে এই সকলোবোৰ নাশ কৰিব পাৰে তেৱেই 'মা দুৰ্গা'। ৯ দিনত ভগৱতী দুৰ্গাদেৱীৰ ৯টা অৱতাৰৰ পূজা কৰা হয় আৰু চণ্ডীপাঠ কৰা হয়। মহালয়াত ধৰালৈ আগমন ঘটা মা দুৰ্গা কৈলাসৰ পৰা নামি আহি ষষ্ঠীৰ দিনা বেলগছৰ তলত জিৰণি ল'বলগীয়া হয়। বোধনৰ পিছত বেলগছৰ তলত দুটা বেলেৰে দেৱীক পূজা অৰ্চনা কৰা হয়। বেল দুটা বৰণ কৰি অনাৰ পিছত দেৱী পূজা আৰম্ভ হয়। সমাজৰ পৰা অশান্তি, অস্থিৰতা, উশৃংখলতা নাশ হৈ ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বও হৈ পৰক আমাৰ চিৰকাম্য 'ৰামৰাজ্য' মা দুৰ্গাৰ ওচৰত এয়াই মোৰ প্ৰাৰ্থনা।

এইবাৰ গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজাৰ ৫০ সংখ্যক বছৰ সোণালী জয়ন্তী বৰ্ষ।

গীতানগৰ স্কুল খেলপথাৰত বৰ্ণাঢ্য কাৰ্য্যসূচীৰ অহা ২৭ চেপ্তেম্বৰৰ পৰা ২ অক্টোবৰলৈ দেৱীদুৰ্গাৰ পূজাৰ আয়োজন কৰা হৈছে। 'অৰুণ টেমাল' (সূৰ্য্যদয়ৰ মন্দিৰ) থাইলেণ্ডৰ বিখ্যাত বুদ্ধিষ্ট টেমালৰ আৰ্হিত মূল পূজা মণ্ডপ সজোৱাৰ উপৰিও উন্নত মানৰ আলোক সজ্জা তথা কা�ৰুকাৰ্য্যৰে ব্যৱস্থা কৰা হৈছে আৰু মূল পূজাভাগ সম্পূৰ্ণ বৈদিক প্ৰথাৰে পালন কৰিবলৈ যৎপৰোণাষ্টি চেষ্টা কৰা হৈছে। সেয়েহে সমূহ ভক্তপ্ৰাণ ৰাইজক শৃংখলাবদ্ধ হৈ পূজাভাগ উপভোগ কৰিবলৈ বিনম্ৰভাবে অনুৰোধ জনাইছো।

বৃহত্তৰ গীতানগৰ অঞ্চলৰ ভক্তপ্ৰাণ ৰাইজ এই বছৰো পূজাৰ সম্পাদকৰ গুৰুদায়িত্ব এই অভাজনৰ ওপৰত অৰ্পণ কৰিছে। ইয়াৰ বাবে মই ভক্তপ্ৰাণ ৰাইজক মোৰ আন্তৰিক শলাগ আৰু কৃতজ্ঞতা জনাইছো। এখন ৰাজহুৱা পূজাৰ 'সোণালী জয়ন্তী' বৰ্ষৰ সম্পাদকৰ গুৰুদায়িত্ব পালন কৰিব পাই মই নিজকে ধন্য মানিছোঁ। আৰু মোৰ সম্যক জ্ঞানেৰে যথাসাধ্য পূজাভাগ সুচাৰু ৰূপে পালন কৰিব পৰাকৈ বিপদ নাশিনী মা-দুৰ্গাৰ শ্ৰীচৰণত আশিস বিচাৰিছো আৰু ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা শ্ৰদ্ধাৰে কামনা কৰিছোঁ।

শেষত গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজাৰ লগত জড়িত মহাপ্ৰয়াণ ঘটা ব্যক্তিসকলৰ প্ৰতি মই মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জনাইছোঁ। লগতে পূজা সমিতিৰ সমূহ সদস্য, সদস্যা, দাতা তথা ভক্তপ্ৰাণ ৰাইজলৈ মোক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আৰু সকলোলৈকে বিনম্ৰতা তথা সুবিমল অন্তঃকৰণেৰে শ্ৰদ্ধা জনাই অজানিতে হ'ব পৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত প্ৰতিজন অসমীয়াৰ অন্তৰত ৰেখাপাত কৰি থৈ যোৱা সেই মহান শিল্পী, মহানায়কৰ মহাপ্ৰস্থানত প্ৰতিজনকে কন্দুৱাই থৈ যোৱা আমাৰ অতি মৰমৰ, অতি আপোন, শ্ৰদ্ধাৰ কণ্ঠশিল্পী 'জুবিন গাৰ্গ' দেৱলৈ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

— ৰিতুমণি কলিতা

অনুক্রমণিকা



প্রবন্ধ

অথ বিল্ৱমাহাত্ম্যম্
ড॰ ৰুণিমা শর্মা // ১
দক্ষৰ যজ্ঞত সতীৰ দেহত্যাগ
ড॰ থানেশ্বৰ শর্মা// ৪
দেৱী পূজাত বিল্ৱফল আৰু বিল্ৱপত্ৰৰ মাহাত্ম্য
ড॰ ৰশ্মি দেৱী// ৭
শক্তিতত্ত্ব আৰু শক্তি আৰাধনাৰ তাৎপর্য্য
ড॰ খগেন্দ্র নাথ দেৱ শর্মা// ১০
মহিষমর্দিনী দুর্গতিনাশিনী দুর্গা
শম্ভু দত্ত শর্মা// ১৪
পুৰণি অসমত দেৱী পূজাৰ পৰম্পৰা
ড॰ কনক চন্দ্র চহৰীয়া// ১৭
মহাশক্তি আৰু দেৱ-দেৱীৰ উৎপত্তি
যাদৱানন্দ চহৰীয়া// ২১
প্রাচীন কামৰূপত দুর্গা পূজা পালন
ড॰ নবীন গগৈ// ২৪
ধর্ম, উৎসৱ আৰু সমাজ দুর্গা পূজাৰ প্রসংগত
ড॰ বিনীতা বৰা দেৱচৌধুৰী// ২৭
মহিষাসুৰ-বিমর্দ্দিনী দেৱী দুর্গা আৰু অসমীয়া লোকগীত
ড॰ সত্যজিৎ কলিতা// ৩০
দুর্গা মাতাৰ এক অনন্য ৰূপ দেৱী কুষ্মাণ্ডা
মুকুল চন্দ্র গোস্বামী// ৩৩
দেৱী দুর্গাৰ নাম— নাৰী হৃদয়ৰ অন্য এক আকুলতা
মামণি ডেকা// ৩৫
আদ্যাশক্তি মহামায়াৰ মাহাত্ম্য
বীৰেন্দ্র নাথ চক্রৱর্ত্তী// ৩৭
মহামায়া চণ্ডী দেৱীৰ গুপ্ত ৰহস্য
ইন্দ্র প্রসাদ মিশ্র// ৪০
আদ্যাশক্তি দেৱী দুর্গাৰ ১০৮টা নাম আৰু ইয়াৰ অর্থ
কৱৰী কলিতা// ৪৩
দ্বাদশ জ্যোতির্লিংগৰ বিষয়ে চমু কথা
কল্পনা কলিতা// ৪৬
শাৰদীয় শ্রীশ্রী দুর্গা পূজাৰ ক্রমবিকাশ
দণ্ডি ৰাম কাকতী// ৫২
দুর্গতিনাশিনী দুর্গে জয় জয়
নীলিমা পাটগিৰি// ৫৪
নৱৰাত্রি পূজা, নৱ দুর্গা আৰু নৱ পত্রিকা
সুপ্রভা দেৱী// ৫৬
নলবাৰী জিলাৰ ঐতিহাসিক বিল্ৱেশ্বৰ দেৱালয়
হিমাশ্রী বর্মন// ৫৮



মার্কণ্ডেয় পুৰাণত শ্ৰীশ্ৰীচণ্ডী

তুলিকা দেৱী// ৫৯

অসমত শক্তি বা দেৱী উপাসনা

জিতুৰাজ শইকীয়া// ৬২

কেদাৰনাথ মন্দিৰৰ বিস্ময়কৰ স্থাপত্য কলা

ধ্বনিতা তালুকদাৰ// ৬৪

কুমাৰী পূজা

গৌতম মিশ্ৰ// ৬৬

শাৰদীয় শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ মৰতলৈ আগমন-গমন আৰু মৰতত ইয়াৰ প্ৰভাৱ

উপেন্দ্ৰ নাথ বৰদলৈ// ৬৯

শাৰদীয় দুৰ্গোৎসৱ, দশহৰা আৰু পৰিৱেশ সজাগতা

ৰুমী শৰ্মা বৰঠাকুৰ// ৭১

শৰৎ সম্ভাৰ

শৰৎ, সৌন্দৰ্যবোধ আৰু উত্তৰণৰ দায়বদ্ধতা

ড° অমৰজ্যোতি চৌধুৰী// ৭৩

শৰতত প্ৰকৃতিৰ সৌন্দৰ্য

বিৰাজ মোহন তালুকদাৰ// ৭৫

কি যে অনুপম শৰৎ ঋতুৰ সৌন্দৰ্য্য

ৰাণু বালা দেৱী// ৭৭

শাৰদীয় স্মৃতি

কুন্তলা শইকীয়া চৌধুৰী// ৭৯

বিবিধা

বালিকা শিক্ষাৰ বৈদিক পটভূমি

ড° নৃপেন্দ্ৰ নাথ শৰ্মা// ৮১

অভিধানত অন্তৰ্ভুক্ত নামবাচক শব্দ আৰু ইয়াৰ অৰ্থ

ড° উপেন ৰাভা হাকাচাম// ৮৩

বৈদিক যুগৰ শিক্ষা পদ্ধতি

ড° সুমতি শৰ্মা// ৯১

সাম্প্ৰতিক প্ৰেক্ষাপটত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰাসঙ্গিকতা

ড° নমিতা ডেকা// ৯৩

দুৰ্গা পূজা আৰু ইয়াৰ অৰ্থনৈতিক দিশ— এটি বিশ্লেষণাত্মক আলোচনা

মুনীন মিশ্ৰ // ৯৬

জগৎ-সেৱাই ঈশ্বৰ-সেৱা

ড° পৰশমণি দাস // ৯৮

সাম্প্ৰতিক অসমত ব্যয়বহুল উৎসৱৰ প্ৰাসংগিকতা

বিভাৰাণী দাস // ১০০

শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱৰ বৰগীত এটি আলোচনা

ড° মীনা কলিতা // ১০১


অসম ঃ দুঃখৰ দুৰ্দিনৰ পৰা স্বাধীনতাৰ কাঁচিয়লি ৰ'দলৈ

ডাঃ দুলাল চন্দ্ৰ মেধি // ১০৫

ধূপকাঠী প্ৰস্তুতকৰণত ব্যৱহৃত উদ্ভিদ সম্পৰ্কে কিছু কথা

ড° অপৰ্ণা বুজৰবৰুৱা // ১০৮





অলপ আধ্যাত্মিক

ফণীন্দ্র কুমাৰ দেৱ চৌধুৰী// ১১১

অসমৰ ভাওনা সংস্কৃতি— এক চমু পৰ্যালোচনা

ডাঃ মনোৰঞ্জন শৰ্মা পাঠক// ১১২

মানসিক উৎকৰ্ষ সাধনত যোগ সাধনাৰ ভূমিকা আৰু সাহিত্যত ইয়াৰ প্ৰভাৱ

বিনীতা গগৈ // ১১৪

নাৰ্ছিং পাঠ্যক্ৰমৰ অধ্যয়ন আৰু ভৱিষ্যৎ

ড° ইনু বড়ো // ১১৬

স্বাধীনতা আন্দোলনৰ বিভিন্ন পৰ্যায়

অনুবাদ ঃ দুৰ্গেশ্বৰ পাঠক, মূল ঃ দেবব্ৰত বসু // ১১৮

শীতকালীন আমেজৰ আন এক নাম বনভোজ

অৰিন্দম তালুকদাৰ // ১২১

বিদ্যালয়ৰ শ্ৰেণীত অনুশাসন

নিৰদা কলিতা // ১২৩

নাগাৰা নাম জদো-ভদো হ'ল

ধীৰেন শৰ্মা // ১২৫

স্মৃতিৰ জলঙাৰে গল্ডী

লনি কলিতা // ১২৮



গল্প

সকাহ

বকুলী বৈশ্য // ১২৯

আলোকৰ আৱৰ্তত কেইটামান চৰিত্ৰ আৰু এটা ভাটৌ চৰাই

দিলীপ কুমাৰ শৰ্মা // ১৩২

ডেউকা মেলি

ৰুমী তালুকদাৰ // ১৩৬

বেদনাশ্ৰু

ৰীণা ভৰালী বৰা // ১৩৯

নাৰী অৱহেলিত নহয়

বিনীতা নাথ // ১৪১

কইনা

অপৰ্ণা চহৰীয়া ডেকা // ১৪৩

মা

মনমোহন বৈশ্য // ১৪৫

ফেঁচাৰ কুৰুলি

বিনয় কুমাৰ শৰ্মা // ১৪৭

সাম্প্ৰতিক

হৰ্ষিতা কলিতা // ১৪৯

অভিমান

জ্যোতি কলিতা ডেকা // ১৫১

শেষ ঠিকনা

জয়শঙ্কৰ পাটৰ // ১৫৪

তলসৰা শেৱালিৰ সুবাস...

ৰুমা গোস্বামী শৰ্মা // ১৫৬



এক নতুন দিগন্তলৈ

বিভা ডেকা তালুকদাৰ // ১৫৯

ৰতনপুৰৰ ৰতন

কমলেশ্বৰ কলিতা // ১৬১

নৈপৰীয়া সপোন...

ৰেখা মহন্ত ডেকা // ১৬৩

ভোক

অনামিকা মজুমদাৰ // ১৬৬

ভকত সেৱা

ভাৰতী দাস মোদক // ১৬৯

ব্যঙ্গ লেখা

কাও পপুলেছন

ড॰ৰতিকান্ত পাঠক // ১৭১

এক আছিল বুঢ়া-বুঢ়ী

ডাঃ ভৃংগেশ্বৰ শর্মা // ১৭৩

বেজীৰ কথা

মূল ঃ শংকৰ পুণতাম্বেকৰ, **অনুবাদ ঃ** ড॰ ভূষণ চন্দ্র পাঠক // ১৭৯

BজনেS

বাণীকান্ত মেধি // ১৮০

স্মৃতিচাৰণ

গীতানগৰ সার্বজনীন দুর্গা পূজাৰ ইতিবৃত্ত (মোৰ স্মৃতিৰ পটৰ পৰা)

হলিৰাম ডেকা // ১৮৩

ইতিহাসৰ জলঙাৰে গীতানগৰ সার্ব্বজনীন দুর্গা পূজা

নাৰায়ণ চন্দ্র গোস্বামী // ১৮৭

গীতানগৰ সার্বজনীন দুর্গা পূজা— এটি ৰোমন্থন

অভিনাথ শর্মা // ১৯৪

গীতানগৰ সার্বজনীন দুর্গা পূজাৰ অতীত ৰোমন্থন

প্রভাত চন্দ্র বর্মন // ১৯৬

গীতানগৰ দুর্গা পূজাভাগৰ পাঁচ দশকজোৰা পৰিক্রমা— এক অৱলোকন

ৰাজীৰ কলিতা // ১৯৮

আপুৰুগীয়া স্মৃতিৰ পূজা, নাটক ইত্যাদি

নাৰায়ণ চন্দ্র কলিতা // ২০৪

গীতানগৰৰ দুর্গা পূজা আৰু সৰুকালিৰ সেই দিনবোৰ

ডাঃ বর্ণালী শর্মা // ২০৭

স্মৃতিৰ পাপৰি

মেঘালী শর্মা অধিকাৰী // ২০৯

মনলৈ উভতি আহে...

স্মৃতি ৰাণী বৰুৱা // ২১০

শৈশৰৰ দুর্গা পূজা আৰু বর্ত্তমানৰ দুর্গা পূজাৰ এটি মিঠা অনুভৱ

বর্ণালী তালুকদাৰ // ২১২

গীতানগৰ দুর্গা পূজা ঃ ঐতিহ্যৰ পথৰ পৰা সোণালী বর্ষলৈ

হীৰেণ কুমাৰ ভট্টাচার্য্য // ২১৪





স্মৃতিচাৰণ

(ক) শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱৰ সাক্ষাৎকাৰৰ সময়ত আমাৰ প্ৰশ্ন আৰু তেখেতৰ উত্তৰ // ২১৫
(খ) শ্ৰীযুত প্ৰভাত চন্দ্ৰ বৰ্মনদেৱৰ সাক্ষাৎকাৰৰ সময়ত আমাৰ প্ৰশ্ন আৰু তেখেতৰ উত্তৰ // ২১৭
(গ) শ্ৰীযুত অৱনী কুমাৰ ডেকাদেৱৰ সাক্ষাৎকাৰৰ সময়ত আমাৰ প্ৰশ্ন আৰু তেখেতৰ উত্তৰ // ২১৯

দূৰণিবতীয়া কান্তি

শুকুলা বৰফৰ দেশত
জয়শ্ৰী দাস // ২২১
কেউলাদেৱ ৰাষ্ট্ৰীয় উদ্যান দৰ্শন
ইন্দ্ৰজিৎ দত্ত // ২২৮
ছিংগাপুৰত এখন্তেক
জোনা শৰ্মা // ২৩১

কবিতা

প্ৰেমৰ নিয়ৰত
ড॰ পূৰ্ণ ভট্টাচাৰ্য // ২৩৩
পোহৰ বাটেৰে
যোগেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী // ২৩৪
শৰতৰ প্ৰত্যুষকাল
অচ্যুত তালুকদাৰ // ২৩৫
গৈ থাকা, ৰৈ নাথাকিবা
পুলকেশ ৰায় বৰুৱা // ২৩৬
নমো দেৱী নাৰায়ণী
বৰ্ণালী বৰা বৈশ্য // ২৩৬
থোৰ মেলা পথাৰৰ গান
মদন চন্দ্ৰ মেধি // ২৩৭
শাৰদী নিশা
বন্দনা গোস্বামী // ২৩৭
মন বিৰিণাৰ কঁহুৱা
ৰমাকান্ত দাস // ২৩৮
বৰষা
মৃদুল গোস্বামী // ২৩৮
দুৰ্গা পূজা
উত্তম কাকতি // ২৩৯
সিপাৰলৈ আৰু ৰ'ব নোৱাৰো
গীতিকা দাস হালৈ // ২৩৯
মা ভৱানী
ৰূপশ্ৰী শৰ্মা ডেকা // ২৪০
শৰৎ
ৰিবি হাজৰিকা // ২৪০
তমসোঃ মাঃ জ্যোতিৰ্গময়ঃ
মিনু পাটগিৰী // ২৪১
শৰতৰ আগমণত...
বিপুল গগৈ // ২৪১





জগদম্বা

দীপাঙ্কৰ শর্মা // ২৪২

শৰতৰ আগমন

ৰুমী ভূঞা // ২৪২

দেৱী দুর্গা

নগেন চন্দ্র শর্মা // ২৪৩

সতীৰ দেহ ত্যাগ

প্রণতি বৰুৱা // ২৪৪

শাৰদী ৰাণীহ্লু ৰৈ আছো তোমালৈ

দীপালী চক্রৱর্তী // ২৪৫

মনোহাৰিণী শাৰদী

ডেনিচ হাজৰিকা // ২৪৬

শূন্যতা

চন্দনা কাকতি // ২৪৬

শাৰদী মন

দীপামণি কলিতা // ২৪৬

জগত জননী মাতা ভৱানী

আনন্দ ৰহাং // ২৪৭

শূন্যতা কঢ়িয়াই ফুৰা মানুহবোৰ

নীলোৎপল বকতিয়াল // ২৪৭

সোণোৱালী সপোনৰ মা দুর্গা

কবিতা কলিতা // ২৪৮

সোঁৱৰণি

দীপালি তালুকদাৰ // ২৪৮

অনুভূতি

ভূপেন শর্মা // ২৪৯

শব্দ

পলাশ কুমাৰ ডেকা // ২৪৯

হে মা

শিখা দাস // ২৪৯

গুণ গুণ এটি সুৰ বাজিছে

চন্দন কুমাৰ বর্মন // ২৫০

কবিতা

কবিতা ভাগৱতী // ২৫০

মিনতি

বুলু মিশ্র ২৫১

প্রার্থনা

পংকজ মেধি // ২৫১

জুবিন নিজেই আছিল এক শিল্প


হেমন্ত কুমাৰ দেৱ চৌধুৰী // ২৫২

ইংৰাজী বিভাগ

The Divine Power of Durga : A Journey through Mythology, Symbolism and Tradition

Guptajit Pathak // ২৫৩





Gayatri Mantra : The Light of Wisdom
Sarmistha Mahanta // ২৫৬
Durga Puja :
The Divine Feminine and the Path to Spiritual Awakening
Aditi Deka Pathak // ২৫৯
Revisit the Vedic Era :
Women as Custodians of Traditional Knowledge
Dr. Namita Barman // ২৬১
Echoes of existence :
Nature as a mirror of the self in Robert Frost's poetry
Dr. Maniruz Zaman // ২৬৩
The two shaktipeeth at Nalbari :
It's historical and cultural heritage– A glance
Barnali Choudhury // ২৬৫
Navadurga
Harshita Saikia // ২৬৭
Durga Puja : The eternal dance of devotion and time
Nikita Talukdar // ২৬৮
Assamese Sadhu-Katha and the Character of the Merchant
in Lakshminath Bezbaroa's Burhi Air Sadhu
Ankur Goswami // ২৭০
The Sunset
Hiyasmita Sarma // ২৭২



हिन्दी विभाग

असम में शक्ति ओपासना : एक विहंगम दृष्टि
डॉ. नव कांत शर्मा // २७३
लोक-संस्कृति का परिचय और उसकी अवधारणा
डॉ. जाकिर हुसैन // २७४
दुर्गा पूजा की परंपरा
सुरेन्द्र नाथ शर्मा // २७७

শিশু আৰু চেমনীয়া শিতান ঃ ৰহঘৰা

দুর্গা পূজা আৰু আমাৰ সমাজ
মৌচম তালুকদাৰ // ২৭৯
স্মৰণীয় দুর্গা পূজা
দ্বিজৰাজ ঠাকুৰীয়া // ২৮০
শেৱালি কোমল শৰতৰ কথাৰে
অভিৰূপ আকাশ শাণ্ডিল্য // ২৮১
শাৰদী ৰাণী তোমাৰ হেনো নাম
চতুর্থী শিৰম // ২৮২
অয়নৰ আনন্দ
প্রতীচী পূর্বা ডেকা // ২৮৩
বাঘ আৰু বাটৰুৱা
শিৰম দে // ২৮৪
চাহ খেতিৰ আৰম্ভণি
উদ্দীপনা তালুকদাৰ // ২৮৫




আহোমৰ ঐতিহ্য আৰু সংস্কৃতি ঃ এক আলোকপাত
বৃষ্টি দাস // ২৮৬
Durga Puja : A Celebration of Divinity and Joy
Tanmay Jyoti Pathak // ২৮৭
অ' ধৰিত্রী আই
বনশ্বিতা তালুকদাৰ //২৮৭
আকাশ
শর্মিষ্ঠা ধৰ // ২৮৮
সূর্য ককা
মনিষা ৰহমান //২৮৮
মা
ছয়নিকা কলিতা //২৮৯
আইৰ সমান হ'বনো কোন ?
দিশা ভূঞা //২৮৯
মই সৰু ছোৱালী
জয়প্রিয়া বেজবৰুৱা //২৯০
ফুল নে ভুল
গহনা চক্রৱর্তী // ২৯০
নীলাভ শৰৎ
কাব্যম শর্মা // ২৯১
মোৰ মাতৃভূমি
জিন্তী মুৰাৰী // ২৯১
শিশু-চেমনীয়াৰ চিত্র-শিল্পৰ বর্ণিল ক'লাজ // ২৯২



দুর্গাপূজা সমিতিৰ ভিতৰচ'ৰা

সাধাৰণ সম্পাদকৰ প্রতিবেদন ঃ ৪৯ সংখ্যক গীতানগৰ
সার্বজনীন দুর্গাপূজা সমিতি ২০২৪-২৫ বর্ষ
৪৯ সংখ্যক গীতানগৰ সার্ব্বজনীন দুর্গাপূজা সমিতি ২০২৪ চন
জমা-খৰছৰ হিচাপ পৰীক্ষকৰ প্রতিবেদন
গীতানগৰ সার্বজনীন দুর্গা পূজা, অতীতৰ সেউজ স্মৃতি
গীতানগৰ সার্বজনীন দুর্গা পূজা, সমিতিৰ ৰূপালী জয়ন্তী বর্ষৰ পূর্বৱর্তী,
পৰৱর্তী তথা অদ্যপি প্রস্তাৱিত প্রতিমা দাতাসকল
ৰূপালী জয়ন্তী বর্ষৰ পৰৱর্তী প্রতিমা দাতাসকল
আগন্তুক বর্ষৰ প্রস্তাৱিত প্রতিমা দাতাসকল
৫০ সংখ্যক গীতানগৰ সার্বজনীন দূর্গাপূজাৰ দাতাসকল
শ্রীশ্রীলক্ষ্মী পূজাৰ দাতাসকল
৫০ সংখ্যক গীতানগৰ সার্বজনীন দূর্গাপূজা সমিতিৰ পৃষ্ঠপোষকসকল
৫০ সংখ্যক গীতানগৰ সার্বজনীন দুর্গাপূজা সমিতি, ২০২৫
৫০ সংখ্যক গীতানগৰ সার্বজনীন দুর্গাপূজা সমিতিৰ উপ-সমিতি
স্মৃতিগ্রন্থ 'ভৱানী' প্রকাশন সমিতিৰ চমু ইতিহাস
৫০তম্ গীতানগৰ সার্বজনীন দুর্গাপূজাৰ কার্য্যক্রমণিকা

শারদ


GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার



অথ বিল্বমাহাত্ম্যম্

ড° ৰুণিমা শর্মা

ওঁ মহাদেৱপ্রিয়কৰো ৱাসুদেৱপ্রিয়ঃ সদা।
উমা প্রীতিকৰো বৃক্ষো বিল্বৰূপ নমোহস্তুতে।।

(হে, মহাদেৱ প্রিয়, বাসুদেৱৰ নিত্য প্রিয়, উমাৰ প্রীতিকাৰক বৃক্ষ বিল্বৰূপ। তোমাক প্রণাম জনাইছো)

সনাতন হিন্দু ধর্মীয় পৰম্পৰা তথা জনজীৱনত দেৱ-দেৱীসকলৰ লগতে সেইসকল দেৱ-দেৱীৰ প্রিয় গছ-গছনি তথা ফুল ফলসমূহক অতি শ্রদ্ধা-ভক্তিৰে সমাদৰ কৰা দেখা যায়। সেয়েহে বিভিন্ন দেৱ-দেৱীৰ সৈতে বিভিন্ন গছ-গছনি ফুল-ফল-পত্রাদিৰ সংযোগ মন কৰিবলগীয়া। ভক্তসকলৰ হৃদয়ত তেওঁলোকৰ অভীষ্ট দেৱ-দেৱীৰ প্রিয় গছ-গছনি, ফুল-ফলাদিৰ প্রতি বিশেষ সমাদৰ পৰিলক্ষিত হয়। পৰম্পৰাগতভাৱে শিৱৰ সৈতে বিল্ববৃক্ষ, দেৱী পার্বতী, উমা বা দেৱী দুর্গাৰ সৈতে বিল্ববৃক্ষ তথা ফলৰ, কদলী, ধান্যাদিৰ, বিষ্ণুৰ সৈতে অশ্বত্থৰ, তুলসীৰ, বটগছৰ সৈতে ব্রহ্মা, বিষ্ণু, মহেশ্বৰৰ, কদম্বৰ সৈতে শ্রীকৃষ্ণৰ অতি নিকট সম্বন্ধ বর্ণিত হোৱা দেখা যায়।

আমাৰ ধর্মীয় জীৱনত বিল্ব বা বেল গছৰ অতি গুৰুত্বপূর্ণ ভূমিকা দেখা যায়। যাগ-যজ্ঞ, পূজা-পাতলত বিশেষকৈ শিৱ পূজাত বিল্ব পত্র বা বিল্ব ফল অপৰিহার্য্য। অসমীয়া ভাষাত বেলগছ বা বেল নামেৰে প্রসিদ্ধ এইবিধ গছ, প্রায় সর্বত্র উপলব্ধ হয়।

ভাৰতীয় জনজীৱনৰ সৈতে সুপৰিচিত বিল্ব বৃক্ষৰ বিষয়ে বৈদিক সাহিত্যতো বর্ণনা উপলব্ধ হয়। বিশেষকৈ যজ্ঞীয় কার্য্যত বিল্ব বৃক্ষৰ ব্যৱহাৰ হৈছিল। অথর্ববেদত উদুম্বৰ, খদিৰ, বিল্ব, পলাশ আদি বৃক্ষৰ ঔষধি গুণৰ বিস্তৃত বর্ণনা পোৱা যায়। 'আপস্তম্ব শ্রৌতি সূত্র' নামৰ গ্রন্থত উল্লেখ আছে যে যজ্ঞৰ বাবে সমর্পিত পশু বন্ধা যূপ অর্থাৎ খুঁটাটো বিল্ব; পলাশ অথবা খদিৰ বৃক্ষৰ হ'ব লাগে। উপনয়ন সংস্কাৰত উপনীত ব্রাহ্মণগৰাকী যে বিল্ব, অশ্বত্থ বা পলাশৰ দণ্ড হাতত লয়। গৌতম ধর্ম সূত্র আৰু আশ্বলায়ন গৃহ্যসূত্রত এই প্রসঙ্গত বিস্তৃত বর্ণনা উপলব্ধ হয়।

দেৱী দুর্গাৰ পূজাত বেলগছৰ অতি গুৰুত্বপূর্ণ ভূমিকা দেখা যায়। দেৱীৰ 'অকালবোধন'ত বেল গছক যথানিয়মেৰে পূজা কৰা হয়। ৰাৱণ বধ কৰিবলৈ ৰামে কৰা দেৱীৰ 'অকালবোধন' প্রসঙ্গত বিল্ব বৃক্ষৰ বর্ণনা প্রসঙ্গত বৃহদ্ধর্মপুৰাণত উল্লেখ আছে যে ব্রহ্মাদি দেৱগণে দেৱীক স্তুতি কৰাৰ পাছত দুর্গম নির্জন স্থানত এজোপা বিল্ব বৃক্ষৰ তলত কন্যা শিশুৰূপত দেৱী শয়ন কৰি আছিল। তাৰ পাছত দেৱগণৰ স্তুতিত সন্তুষ্ট হৈ দেৱীয়ে দেৱতাসকলৰ উদ্দেশ্য পূৰণ কৰিছিল। ষষ্ঠীৰ দিনাখন বেল বোধন কৰি দুর্গা পূজাৰ আৰম্ভণি কৰা হয়।

ষষ্ঠীৰ দিনাখন যুৰীয়া বেল সংস্থাপিত কৰা হয় পূজাস্থলীত। সপ্তমীৰ দিনাখন দেৱীক আহ্বান কৰি নৱ পত্রিকাত দেৱীক স্থাপন কৰা হয়। নৱ পত্রিকা প্রসঙ্গত কোৱা হৈছে যে এজোপা পাতেৰে সৈতে কলগছৰ পুলি বাকী আঠবিধ সমূল সপত্র উদ্ভিদ এজোৱা বেলৰ সৈতে অপৰাজিতা ফুলৰ লতাৰে বান্ধি ৰঙা পাৰি থকা শাড়ীৰে মেৰিয়াই বধূৰ দৰে সজাই সিন্দূৰৰ ফোঁট দি দেৱীৰ সোঁহাতে গণেশ দেৱতাৰ

ওচৰত থিয় কৰি থব লাগে। নৱপত্রিকাৰ গছকেইবিধ হ'ল—

কদলী দাড়িমী, ধান্যং হৰিদ্রা মানকং কচু।
বিল্বাশোকৌ জয়ন্তী চ বিজ্ঞেয়া নৱপত্রিকা।।

অর্থাৎ কদলী, দাড়িম বা ডালিম, ধান্য বা ধান, হৰিদ্রা বা হালধি, মানকম্ বা মানকচু, কচু, বিল্ব বা বেল, অশোক আৰু জয়ন্তী— এইকেইবিধক নৱপত্রিকা বুলি কোৱা হয়। নৱপত্রিকাৰ প্রত্যেকবিধ গছৰে অধিষ্ঠাত্রী দেৱী আছে আৰু প্রত্যেকবিধকে নির্দিষ্ট মন্ত্রেৰে আহ্বান কৰা হয়। কদলীৰ অধিষ্ঠাত্রী দেৱী ব্রহ্মাণী, ডালিমৰ অধিষ্ঠাত্রী দেৱী ৰক্ত দন্তিকা, ধান্যৰ অধিষ্ঠাত্রী দেৱী লক্ষ্মী, হৰিদ্রাৰ অধিষ্ঠাত্রী দেৱী দুর্গা, মানকচুৰ দেৱী চামুণ্ডা, কচু বা কচ্চিৰ দেৱী হৈছে কালিকা, বিল্বৰ অধিষ্ঠাত্রী দেৱী শিৱানী, অশোকৰ অধিষ্ঠাত্রী দেৱী শোকৰহিতা আৰু জয়ন্তীৰ অধিষ্ঠাত্রী দেৱী কার্তিকী বা কার্তিকা। প্রত্যেকগৰাকী দেৱীক নির্দিষ্ট মন্ত্রেৰে আহ্বান কৰা হয়। এই প্রসঙ্গত বিল্ব গছলৈ প্রণাম জনাই গোৱা হয়—

ওঁ মহাদেৱ প্রিয়কৰো বাসুদেৱপ্রিয়ঃ সদা।
উমা প্রীতি কৰো বৃক্ষো বিল্ব বৃক্ষ নমোহস্তুতে।।

ঋগ্বেদোক্ত 'শ্রীসূক্ত'ত বিল্বক লক্ষ্মীৰ পৰা উৎপত্তি হোৱা বুলি বর্ণনা কৰা হৈছে— 'বনস্পতিস্তুৱ বৃক্ষোহথ বিল্বঃ।।' বামন পুৰাণত লক্ষ্মীৰ হাতৰ পৰা বিল্বৰ জন্ম বুলি কোৱা হৈছে— 'বিল্বে লক্ষ্যাঃ কৱেহভব্য। ভৱিষ্য পুৰাণত কোৱা হৈছে যে দেৱাসুৰ সংগ্রামত দেৱী লক্ষ্মী কিছু সময়ৰ বাবে বিল্ব বৃক্ষত আশ্রয় লৈছিল সেয়েহে ইয়াক শ্রীবৃক্ষ বুলি কোৱা হয়। এইখন পুৰাণতে আকৌ গোময় অর্থাৎ গোবৰৰ পৰা বিল্বৰ উৎপত্তি হোৱা বুলি কোৱা হৈছে আৰু গোময়ত লক্ষ্মীৰ নিবাস বুলি কোৱা হৈছে। আমাৰ জনজীৱনতো গোবৰক পৰম পৱিত্র আৰু লক্ষ্মীৰ বাসস্থান বুলি ভৱা দেখা যায়। বেলগছৰ ৰোপণ এক পুণ্য কর্ম বুলি বিভিন্ন গ্রন্থত উল্লেখ পোৱা যায়। এই সন্দর্ভত সুৰপালকৃত 'বৃক্ষায়ুর্বেদ' নামৰ গ্রন্থত উপলব্ধ হয়—

য়স্তু সংৰোপয়েদ্বিল্বং শঙ্কৰ প্রীতিকাৰকম্।
তৎকুলেহপি সদা লক্ষ্মীঃ সংতিষ্ঠ্যে পুত্রপৌত্রিকী।।

যি ব্যক্তিয়ে শঙ্কৰৰ প্রীতিকাৰক বিল্ব বৃক্ষ ৰোপণ কৰে, তেওঁৰ বংশত সর্বদা লক্ষ্মী নিবাস কৰে আৰু পুত্র, নাতি আদিৰ বৃদ্ধি হয়।

পুৰাণসমূহত বিভিন্ন গছ-গছনি, ফল-মূলৰ সৈতে দেৱ-দেৱীসকলৰ ঘনিষ্ঠ সম্বন্ধ বর্ণিত হৈছে। এই প্রসঙ্গত কিছুমান ৰমণীয় আখ্যানো উপলব্ধ হয়। লক্ষ্মীৰ স্তনযুগলৰ সৈতে শ্রীফলৰ উৎপত্তিৰ এটি আখ্যান 'বৃহদ্ধর্মপুৰাণত' উপলব্ধ হয়। এবাৰ দেৱী লক্ষ্মীয়ে নাৰায়ণৰ মুখৰ পৰা শুনিলে যে ভগৱান শিৱৰ প্রিয় হৈছে পদ্মপুৰাণ। তগৰ, ধঁতুৰা আদি পুষ্প প্রদান কৰাৰ ফল বর্ণিত হোৱাৰ পাছত কোৱা হৈছে যে সংকল্পপূর্বক পদ্মপুৰণ প্রদান কৰিলে মহাদেৱ সবাতোকৈ অধিক তুষ্ট হয়—

পদ্মপুষ্পাৎ পৱং নান্যচ্ছিৱপ্রীতিকৱং সদা।
তস্মাৎ পদ্মপ্রসূনানি দেহি সংকল্প্য শম্ভৱে।।

(বৃহদ্ধর্মপুৰাণম্)

তাৰ পাছত লক্ষ্মীদেৱীয়ে সহস্র পদ্ম মহাদেৱক অর্পণ কৰিবলৈ গৈ দেখে দুটা পদ্ম কমি আছে। উপায়বিহীন দেৱীয়ে পদ্মতুল্য তেওঁৰ স্তনযুগলকে কাটি শিৱলিঙ্গত অর্পণ কৰিবলৈ উদ্যত হৈ বামস্তন অর্পণ কৰি পুনৰ দক্ষিণ স্তন অর্পণ কৰিব খোজোতে ভগৱান মহাদেৱে দর্শন দিয়ে আৰু সেই সময়ৰ পৰা শ্রীফল নামে এক পৰম পৱিত্র বৃক্ষ দেৱীৰ ছিন্ন স্তনৰ পৰা উদ্ভৱ হ'ব বুলি আশীর্বাদ দিয়ে। ইয়াৰ পাছতে শ্রীফলৰ মাহাত্ম্য প্রকাশক এলানি বর্ণনা পোৱা যায়। ভগৱান শিৱৰ মুখনিঃসৃত বচন উপলব্ধ হয় যে শ্রীবৃক্ষ পৰম প্রীতিকাৰক, আৰু ইয়াৰ দ্বাৰাই ভগৱান শিৱৰ পূজা হ'ব—

স তৰুর্মম বৈ লক্ষ্মি পৰমঃ সুপ্রিয়ো ভৱেৎ।
তৎ পত্রেণৈৰ মে পূজা ভৱিষ্যতি ন চান্যথা।।

(বৃহদ্ধর্মপুৰাণম্)

এইখন পুৰাণতে কোৱা হৈছে যে শ্রীফল ব'হাগ মাহৰ শুক্লপক্ষত উৎপত্তি হৈছিল। জগতত এই বৃক্ষৰ সমাদৰ বর্তি থাকক এই মানসৰে ভগৱান বিষ্ণুৱে এই তৰুবৰৰ একবিংশতি সংখ্যক নাম ব্যক্ত কৰিছিল— বিল্ব, মালুৰ, শ্রীফল, শাণ্ডিল্য, শৈলুষ, শিৱ, পুণ্য, শিৱপ্রিয়, দেৱাৱাস তীর্থপদ, পাপঘ্ন, কমলচ্ছদ, জয়, বিজয়, বিষ্ণু, ত্রিনয়ন, ৰৰ, ধুম্রাক্ষ, শুক্লবর্ণ, সংযমী আৰু শ্রাদ্ধদেৱক। এই বিল্ববৃক্ষৰ ঊর্দ্ধ, অধঃ তথা চাৰিওদিশৰ শত ধনু পর্য্যন্ত স্থান তীর্থস্থান বুলি গণ্য কৰা হয়। বেলপাতৰ ঊর্দ্ধ পত্রত শঙ্কৰ, বামপত্রত ব্রহ্মা আৰু দক্ষিণ পত্রত বিষ্ণু বিদ্যমান—

ঊর্দ্ধপত্রং হৰো জ্ঞেয়ঃ পত্রং ৱামং ৱিধিঃ স্বয়ম্।
অহং দক্ষিণপত্রঞ্চ ত্রিপত্রদলমিত্যতঃ।।

(বৃহদ্ধর্মপুৰাণম্)

বেলগছৰ ছায়া যিগৰাকী ব্যক্তিয়ে লঙঘন কৰি যায় তেওঁৰ আয়ুস বিনষ্ঠ হয়, যি ব্যক্তিয়ে ভৰিৰে স্পর্শ কৰে তেওঁৰ শ্রীভষ্ট হ'ব বুলি কোৱা হৈছে। বেলগছৰ এটি মাত্র পত্র অর্পণ কৰিলে সহস্রপদ্ম দানৰ ফল লাভ কৰে। বিল্ববৃক্ষৰ দর্শন, স্পর্শন, স্থানমার্জন, পূজন, পত্রচয়ন আৰু দানত নিম্নোক্ত মন্ত্র পাঠ কৰিব লাগে—

বিল্ববৃক্ষ মহাভাগ মহেশস্য সদা প্রিয়।
শিৱদর্শনকজ্যোতিঃ প্রসীদাদ্ধিসুতাস্তন।।

(বৃহদ্ধর্মপুৰাণম্)

প্রাতঃকালত শুভ বিল্ববৃক্ষ দর্শন কৰোতে নিম্নোক্ত মন্ত্র পাঠ কৰিব লাগে—

ওঁ নমো বিল্বতৰৱে সদা শঙ্কৰৰূপিনে।
সফলানি মমাঙ্গানি কুৰুস্ব শিৱহর্ষদ।।
(বৃহদ্ধর্মপুৰাণম্)

প্রাতঃকালত গোবৰ মিশ্রিত পানীৰে বেলগছৰ তল মচিব লাগে। "ওঁ দ্রুমায় শ্রীফলায় নমঃ"— এই দশাক্ষৰ মন্ত্রৰ দ্বাৰা বিল্বচয়নৰ সময়ত নিম্নোক্ত মন্ত্র পাঠ কৰিব লাগে—

পুণ্যবৃক্ষ মহাভাগ মালুৰ শ্রীফল প্রভো।
মহেশ পূজনার্থায় ত্বৎ পত্রানি চিনোম্যহম্।।
(বৃহদ্ধর্মপুৰাণম্)

সন্ধিয়া, দুপৰীয়া, দ্বাদশী, অমাৱস্যা আৰু পূর্ণিমা তিথিৰ বাহিৰে অন্য সময়ত এই মন্ত্র পাঠ কৰি বিল্ব পত্র চয়ন কৰিব লাগে। বেলপাত ছিন্ন বা অছিন্ন বুলি কোনো কথা নাই। সকলো ৰূপতে শিৱ পূজাত ব্যৱহাৰ কৰিব পাৰি। ছয়মাহ পর্য্যন্ত বেলপাত পর্য্যুষিত নহয়। সূর্য্য আৰু গণেশ দেৱতাৰ পূজাৰ বাহিৰে সকলো পূজাতে বেলপাত দিয়া হয়। যি ঠাইত বেল গছ বহু পৰিমাণে থাকে সেই ঠাই কাশীতুল্য। পাঁচডাল বেলগছ থকা ঠাইত মহাদেৱ আৰু সাতডাল বেলগছ থকা ঠাইত মহাদেৱ দেৱী পার্বতীৰ সৈতে নিবাস কৰে। যি স্থানত এডাল বেলগছ থাকিব তাত শম্ভুৰ সৈতে বিষ্ণু নিবাস কৰিব আৰু সেই দহডাল বেলগছ থকা ঠাইত অনুচৰ গণৰ সৈতে শঙ্কৰ ভগৱান অৱস্থান কৰিব। যি গৃহস্থৰ ঘৰৰ ঈশান কোণত বেলগছ থাকে সেই গৃহস্থৰ কোনো বিপদ-বিঘিনি নঘটে। গৃহ উদ্যানৰ পূব দিশত থাকিলে নিত্য সুখ হয়। দক্ষিণ দিশত ভয়নাশক আৰু পশ্চিম দিশত থাকিলে সতি-সন্ততিৰ শ্রীবৃদ্ধি হয়। বেলগছ, শ্মশান, নদীৰ পাৰ বা বনৰ মাজত থাকিলেও সেই ঠাই সিদ্ধপীঠস্থান হয়। প্রাঙ্গন মদ্যভাগত বেলগছ ৰোপণ কৰিব নালাগে। দৈৱাৎ উৎপন্ন হ'লেও শঙ্কৰৰ দৰে অর্চনা কৰিব লাগে। চ'ত মাহৰ পৰা আৰম্ভ কৰি পৰৱর্তী চাৰিমাহ এটি মাত্র বেলপাত ভগৱান শিৱক অর্পণ কৰিলে লক্ষ-ধেনুদানৰ ফলপ্রাপ্তি হ'ব। যি ব্যক্তিয়ে বিল্বকাষ্ঠ মর্দিত মাটি কপালত ধাৰণ কৰে সেই ব্যক্তি মহা পাতকী বা পুণ্যাত্মা যিয়েই নহওক যম দেৱতাৰ দৃষ্টি তেওঁৰ ওপৰত নপৰে। চৈত্রাদি মাহ চতুষ্টয়ত বিল্ববৃক্ষত জলসিঞ্চন কৰিলে পিতৃগণ এই বৃক্ষৰ দৰে অভিষিক্ত হয়। এই মাহকেইটাত ভগৱান শঙ্কৰ নৱবিল্ব পত্র প্রার্থী হৈ সর্বদা ভ্রমণ কৰে। হৰিদ্রা নগৰত যি স্থানত ভগৱান মহেশ্বৰ বৈদ্যনাথ বিৰাজমান হৈ আছে তাত এই বিল্ব বৃক্ষ স্বর্ণবৃক্ষ নামেৰে প্রসিদ্ধ হ'ব আৰু কামৰূপস্থ এই বৃক্ষ কামতৰুৰূপে প্রসিদ্ধ হ'ব, কাশী ধামত মুক্ত আদিম আৰু কাঞ্চীপুৰত অক্ষয় পুণ্যদ বুলি প্রসিদ্ধ হ'ব। পুৰাণসমূহত কিছুমান পৰিত্র গছৰ সৈতে যথানির্দিষ্ট কিছুমান ব্রত পালনৰ কথা পোৱা যায়। এই সন্দর্ভত অশোকাষ্টমী, অশ্বত্থব্রত, চম্পকষষ্ঠী, তাম্বুলসংক্রান্তি, দুর্বাষ্টমী, ধাত্রীব্রত ইত্যাদি উপলব্ধ হয়। বিল্ববৃক্ষৰ আশ্রয় কৰিও 'বিল্বত্রিৰাত্রব্রত, বিল্বলক্ষব্রত, বিল্বশাখাপূজা' আদি পৰিত্র লোকবিশ্বাস তথা ধর্মীয় আচাৰ উপলব্ধ হয়। সনাতন হিন্দু ধর্মত অতি ক্ষুদ্র দূৰৰিৰ পৰা আৰম্ভ কৰি সুবৃহদাকাৰ বট বৃক্ষলৈকে সকলো উদ্ভিদে দেৱ-দেৱীসকলৰ পূজাৰ অংশ হিচাবে জনমানসত মান্যতা পাই আহিছে। মন কৰিবলগীয়া যে প্রত্যক্ষ অথবা পৰোক্ষভাৱে এই গছ-গছনিসমূহে আমাৰ বাসস্থান 'আই ধৰিত্রীৰ' পর্য্যাবৰণৰ ভাৰসাম্য ৰক্ষা কৰি আহিছে। গতিকে উত্তৰ প্রজন্মই ধর্মীয় দিশৰ লগতে পূজা-পাতল আদিৰ বৈজ্ঞানিক তথা বাস্তৰিক গুৰুত্বও উপলব্ধি কৰা উচিত। আয়ুর্বেদৰ দিশৰ পৰা বেলগছৰ পাত, ফল-মূল আদিৰ বিশেষ উপকাৰিতা দেখা যায়। পুৰণি কালত আয়ুবর্দ্ধক ফল হিচাপে বেল খাইছিল। পেটৰ যিকোনো ৰোগত বেল সেৱন উপকাৰী। সেইদৰে বিল্ব পত্র সিজাই খালেও উপকাৰ পাব পৰা যায়। ৰোগ-প্রতিৰোধ ক্ষমতা বৃদ্ধিৰ বাবে বিল্ব পত্রৰ ৰস সেৱন কৰিব লাগে। মধুমেহ ৰোগ নিয়ন্ত্রণৰ ক্ষেত্রতো বিল্ব পত্র উপকাৰী। আমাৰ সমাজত পৰম্পৰাগতভাৱে বেলৰ ৰস আৰু কুমলীয়া বেল শুকাই চাহ কৰি খোৱা হয়। বেলৰ বৈজ্ঞানিক নাম হৈছে 'Aegle marmelos' তেনেদৰে ইংৰাজী নাম 'Bengal Quinee'। চৰকসংহিতা আৰু সুশ্রুত সংহিতা গ্রন্থদ্বয়ত বিল্বৰ উপাদেয়তা বর্ণিত হৈছে। পক্ক আৰু অপক্ক দুয়োবিধ বিল্বফলৰ উপকাৰিতা আয়ুর্বেদৰ গ্রন্থসমূহত উপলব্ধ হয়।

শেষত সহৃদয় পাঠকসকললৈ সুপ্রসিদ্ধ 'শিৱ বিল্বাষ্টকং স্তোত্রম্' আগবঢ়াই সকলোৰে মঙ্গল কামনা কৰিলোঁ—

ত্রিদলং ত্রিগুণাকাৰং ত্রিনেত্রং চ ত্রয়ায়ুধম্।
ত্রিজন্মপাপসংহাৰং একবিল্বং শিৱাপর্ণম্।। ১।।
অখণ্ড বিল্বপত্রেণ পূজিতে নন্দিকেশ্বৰে।
শুদ্ধ্যন্তি সর্বপাপেভ্যো একবিল্বং শিৱাপর্ণম্।। ২।।
শালিগ্রাম শিলামেকাং ৱিপ্রাণাং জাতু চার্পয়েৎ।
সোমযজ্ঞ মহাপুণ্যং একবিল্বং শিৱাপর্ণম্।। ৩।।
দন্তিকোটি সহস্রাণি ৱাজপেয়শতানি চ।
কোটি কন্যা মহাদানং একবিল্বং শিৱাপর্ণম্।। ৪।।
লক্ষ্ম্যাঃ স্তনত উৎপন্নং মহাদেৱস্য চ প্রিয়ম্।
বিল্ববৃক্ষং প্রয়চ্ছামি একবিল্বং শিৱার্পণম্।। ৫।।
দর্শনং বিল্ববৃক্ষস্য স্পর্শনং পাপনাশনম্।
অঘোৰ পাপসংহাৰং এক বিল্বং শিৱাপর্ণম্।। ৬।।
কাশীক্ষেত্রনিৱাসং চ কালভৈৰৱদর্শনম্।
প্রয়াগে মাধৱং দৃষ্ট্বা একবিল্বং শিৱাপর্ণম্।। ৭।।
মূলতো ব্রহ্মৰূপায় মধ্যতো বিষ্ণুৰূপিনে।
অগ্রতঃ শিৱৰূপায় একবিল্বং শিৱাপর্ণম্।। ৮।।

লেখক পৰিচিতি ঃ সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, ভট্টদেৱ বিশ্ববিদ্যালয়



দক্ষৰ যজ্ঞত সতীৰ দেহত্যাগ

ড° থানেশ্বৰ শর্মা

অচিৰে দেৱী সতীয়ে গৈ দক্ষৰ প্রসাদত উপস্থিত হ'ল। 'সতী আহিছে, সতী আহিছে' বুলি সকলোৱে কোলাহল কৰিবলৈ ধৰিলে। পুৰবাসী আবাল বৃদ্ধ-বনিতা সকলোৱে শ্যামবর্ণা সতীক চাবলৈ তেওঁৰ চাৰিওফালে গোট খালে। সেইসকলক এৰাই গৈ দেৱীয়ে লাহে লাহে অন্তঃপুৰত প্রৱেশ কৰি মাক প্রসূতিৰ ওচৰত উপস্থিত হ'ল। মাতৃ প্রসূতিয়ে বহুদিনৰ মূৰত অহা কনিষ্ঠা কন্যা সতীক দেখা পাই থাপমাৰি কোলাত তুলি লৈ কান্দিবলৈ ধৰিলে। তেওঁৰ চকুৰ পানীয়ে সতীৰ শৰীৰ তিয়াই পেলালে। তাৰ পাছত মাতৃ প্রসূতিয়ে জীয়েক সতীক সম্বোধন ধৰি ক'লে, 'বাচা সতী! তই সকলো দেৱতাৰ অধীশ্বৰ মহেশ্বৰক পতিৰূপে পাইছ। তেওঁৰ প্রিয় পত্নী হৈ আমাৰ কথা একেবাৰে পাহৰি গৈছ। হে শুচিস্মিতা! মই তোৰ কথা ভাবি সদায় শোক সাগৰত উটি-ভাঁহি আছো। যি হওক, আজি বহুত দিনৰ পাছত তোৰ মুখখন দেখি সেই শোক অৱশ্যে আঁতৰিছে। আই! তোৰ দেউতাৰ দুর্বুদ্ধিৰ কথানো আৰু কি ক'ম? কি শুনিবি? তেওঁ জোঁৱাই শিৱৰ বিদ্বেষ কৰি তোমালোকক নেমাতি-নুবুলি পাতিছে এক নোহোৱা-নোপোজা শিৱহীন মহাযজ্ঞ। বাচা! আজি যি ধৰণৰ ভয়ংকৰ সপোন দেখিছো তাক কওঁ শুন। তোৰ পিতা প্রজাপতি স্কন্ধহীন হৈ যেন মূত্রকুণ্ডত পৰি আছে আৰু বিকৃতাকাৰ ৰাক্ষসীসকলে তেওঁৰ শৰীৰ ভক্ষণ কৰিবৰ কাৰণে ওচৰত ওলাইছেহি। সিহঁতে বীভৎস নৃত্য কৰিছে। কিছুমানে আট্টহাস্য কৰিছে, কোনোৱেবা শোণিত বর্ষণ কৰিছে, তাৰে কিছুমানে দক্ষৰ মূৰাটো লৈ ঢোপ খেলিছে।

এনেদৰে ভূত, প্রেত, পিশাচ, কুমাণ্ড আৰু কটপুতনাসকলে দক্ষৰ দেহৰ চাৰিওফালে বেঢ়ি-কুঢ়ি হাঁহি মাৰি নৃত্য কৰিছে। নগৰৰ প্রজাসকল আৰু আমি অন্তঃপুৰৰ লোকসকলে এনেবোৰ কাণ্ড-কাৰখানা দেখি শোকত ভাঙি পৰিছো। কিন্তু এনে দুর্যোগত কিংকর্তব্যবিমোৰ হৈ পৰিছো।

তাৰ পাছত দেখিলো, মহামেঘৰ প্রভাৰ দৰে শ্যাম বৰণৰ দিগম্বৰী ত্রিনেত্রা আৰু চতুর্ভুজা কোনো মহেশ্বৰী মূর্তিয়ে কোটি সূর্যৰ দৰে প্রভাৱতী হৈ অট্টহাস্য কৰিছে আৰু বৰ শব্দেৰে দিগন্তলৈ ব্যাপ্ত কৰিছে। গৰুড়ৰ ভয়ত সাপসকলে পলোৱাৰ দৰে সেই দেৱীক দেখা মাত্রকে ৰাক্ষসসকলে ভয় খাই চাৰিওফালে পলাল। তাকে দেখি আৰু নগৰতে থকা একাদশ ৰুদ্রই তাত উপস্থিত হৈ দেৱীৰ পৰিচয় সুধিলে। 'আপুনিনো কোন? কাৰ কন্যা? কি কাৰণে আয়োজিত দক্ষৰ যজ্ঞলৈ আহিছে?' উত্তৰত সেই দিগম্বৰীয়ে ক'লে, 'মই দক্ষৰেই কন্যা। মোৰ নাম সতী। মোৰ পিতৃৰ যজ্ঞ ৰাক্ষসবিলাকে ধ্বংস কৰিছে আৰু মোৰ পিতা মুণ্ড হৈছে, সেইবাবে মই ব্যাকুল হৈ সকলো বিপদ-বিঘিনি নষ্ট কৰিবলৈ ইয়ালৈ আহিছো।' তেতিয়া সতীয়ে ক'লে, 'ভীমৰূপী আপোনালোক কোন? নিজৰ পৰিচয় দিয়কচোন।' ৰুদ্রই ক'লে, 'মই এজন ৰুদ্র, দক্ষৰ ভৱনত আৰু দহজন মোৰ দৰে ৰুদ্রৰ লগত বাস কৰো। সঁচাকৈ যদি আপুনি দক্ষৰ কন্যাই হয়, তেনেহ'লে স্বপিতৃৰ জীৱন দান কৰক।' এনেদৰে ৰুদ্রৰ বাক্য শুনাৰ পাছত সেই দেৱীয়ে নিজৰ পতি মহাদেৱক অনাই দক্ষৰ জীৱন দান কৰিলে। (দক্ষৰ আচল মুণ্ডৰ ঠাইত ছাগলীৰ মুণ্ড সংযুক্ত কৰিলে।)। তাতে তেওঁ

আনন্দিত হৈ শিৱৰ স্তৱ কৰিবলৈ ধৰিলে। তেওঁৰ মনৰ পৰা দুর্বুদ্ধি আঁতৰি গ'ল, সুবুদ্ধিৰ উদয় হ'ল। তেতিয়া ইন্দ্ৰ, ব্ৰহ্মা আৰু বিষ্ণু প্ৰভৃতি দেৱতাসকলে যজ্ঞত উপস্থিত হৈ দক্ষৰ দ্বাৰা আয়োজিত যজ্ঞ সম্পূৰ্ণ কৰিলে। হে বাচা! যোৱা নিশা মই এনে এটা সপোন দেখিছো। এতিয়া মোৰ এনে বোধ হৈছে, তুমিয়েই সেই কালৰূপিণী মহেশ্বৰী হ'বা, নহ'লে শ্যামাংগী হৈ তুমি মোৰ ওচৰলৈ কিয় আহিবা? আৰু ভাবিছো যে শিৱ নিন্দাকাৰী দক্ষই শিৱ নিন্দাৰ প্ৰতিফল পাই তোমালোকৰ প্ৰকৃত স্বৰূপ বুজি পাব; কাৰণ মই দেখা সপোন কেতিয়াও মিছা হ'ব নোৱাৰে। বাচা তুমি চিৰজীৱিনী হোৱা। মই তোমাৰ মা। মোক কেতিয়াও পৰিত্যাগ নকৰিবা। তোমাৰ মুখলৈ চায়েই মই কৃতকৃত্য হৈ সকলো দুখ-শোক পাহৰি থাকিম।' মাকৰ কথা শুনি সতীয়ে ক'লে— 'মা, আপুনি সঁচা কথাকে কৈছে। এতিয়া যজ্ঞশালাত পিতাক দেখা কৰিব খোজো। আপুনি মোক অনুমতি দিয়ক।' এইদৰে কৈ সতীয়ে মাকৰ চৰণ চুই সেৱা কৰিলে। মাকৰ সন্মতি পাই দেৱীয়ে আন ভনীয়েকসকলৰ লগত যজ্ঞশালাত উপস্থিত হ'ল। তাত তেওঁ দেখিলে, পুৰোহিতসকলে যজ্ঞত নানান কাৰ্যত ব্যস্ত হৈ আছে। তাত অধ্বর্য্যু, উদ্‌গতো, হোতা প্ৰভৃতিৰ কোনোবাই স্বাহা, কোনোবাই স্বধা, কোনোবাই বৌষ্ট ইত্যাদি মন্ত্ৰ উচ্চাৰণ কৰিছে আৰু প্ৰজাপতি দক্ষই তেওঁলোকৰ সৈতে শিৱ নিন্দাৰ পৰা সম্ভূত আনন্দত মগ্ন হৈছে। তাৰ পাছত দক্ষই নক্ষত্ৰ (তৰা)বোৰৰ মাজত থকা ৰোহিণীৰ দৰে ভনীয়েকসকলৰ মাজত সুলোচনা সতীক দেখা পাই সুধিলে, 'তুমি কোন? কাৰ কন্যা? তুমি শ্যাম বৰণীয়া হ'লেও মোৰ কন্যা সতীৰ আকৃতিৰ দৰে লাগিছে। অথবা তুমি মোৰেই কন্যা স্বয়ং সতী, স্বেচ্ছাই যক্ষস্থলত উপস্থিত হৈছা।' পিতৃৰ কথা শুনি সতীয়ে ক'লে, 'পিতৃ, আপুনি চিনি পোৱা নাই। মই আপোনাৰে স্নেহৰ কন্যা সতী। আপুনি প্ৰজাপতি আৰু মোৰ জন্মদাতা পিতৃ। আপোনাক সশ্ৰদ্ধ প্ৰণাম কৰিছো, গ্ৰহণ কৰক।'

তেতিয়া প্ৰজাপতি দক্ষই সতীক চিনিব পাৰি ক'লে, 'এৰা আই, প্ৰাণ প্ৰতিমা মোৰ। তই ভূতাধিপতি শিৱৰ হাতত পৰি এনে অৱস্থাপ্ৰাপ্ত হৈছ। একেবাৰে ক'লা ৰং প্ৰাপ্ত হোৱা কাৰণে তোক মই চিনিব পৰাই নাছিলো। বাচা, তই যাৰ লগত থাকি গুপ্ত কাঞ্চনৰ দৰে গৌৰ বৰণৰ হৈও আজি এনে মলা (শ্যামাংগী) হৈ পৰিছ, সেই দুষ্ট স্বভাৱ ৰুদ্ৰৰ চৰিত্ৰ মই ভালদৰে নাজানো। তেওঁৰ কাৰণে মই তোক যজ্ঞলৈ আমন্ত্ৰণ কৰাৰ পৰা বিৰত আছো। যি হ'ল লগা আছিল হৈ গ'ল। এতিয়া তই আৰু সেই শিৱৰ ওচৰলৈ দুনাই যাব নালাগে। কাৰণ কন্যাই পতিৰ ঘৰত সুখৰ পৰা বঞ্চিত হ'লে তাত নাথাকি পিতৃৰ ঘৰত থকাই ভাল। গতিকে তই আমাৰ ঘৰতে থাক। দুৰাচাৰ শিৱৰ ওচৰলৈ যোৱাৰ কোনো প্ৰয়োজন নাই।

দেউতাকৰ মুখত অশ্ৰাব্য কথা শুনি ক্ৰোধত চকুহাল ৰঙা কৰি ক'লে— 'হে পিতা, হে প্ৰজাপতি দক্ষ, যদি নিজৰ কল্যাণ কামনা কৰে তেনেহ'লে অধিক কথা কোৱাৰ কোনো প্ৰয়োজন নাই। যদি আপোনাৰ ধৰ্মলিপ্সা থাকে তেনেহ'লে শিৱনিন্দাকাৰী জিভাখন ইমানতে ছেদন কৰক। ভগৱান শিৱ সমস্ত ভূতৰ আত্মা আৰু মোৰো প্ৰভু। বিবেচনা কৰি চালে দেখা যায় নিন্দা সকলোৰে পক্ষে মৃত্যুতুল্য। গতিকে সকলো প্ৰাণীৰে আত্মাস্বৰূপ শিৱৰ নিন্দা কৰি আত্মঘাতী হোৱাৰ কি প্ৰয়োজন। লোকে কয়, 'যত জীৱঃ তত শিৱঃ' কোনেও নকয় যে যত দক্ষঃ তত জীৱঃ। আপোনাৰ এই যজ্ঞলৈ আহি সভাত ভাগ লোৱা সকলো লোক মহা মূৰ্খ। এই লোকসকলে আপোনাৰ দ্বাৰা আৰব্ধ এই শিৱহীন যজ্ঞত তেওঁলোকে ভাগ লৈছেহি। শিৱক অৱমাননা কৰি যজ্ঞ কৰাটো যেনে দোষণীয়, তাত অংশ লোৱাটোও অপৰাধ আৰু দণ্ডাই (দণ্ডনীয়)। গতিকে শিৱনিন্দাৰ প্ৰতিফল সকলোৱে অচিৰে ভোগ কৰিব। ইয়াত অকণো সন্দেহ নাই।'

সতীৰ মুখত কাঢ়া জৱাব শুনি প্ৰজাপতি দক্ষই ক'লে, 'হেৰ' বালিকা। তোৰ বুদ্ধিৰ অল্পতা হেতুকে শিৱৰ দৰে দুষ্টজনক পতি বৰণ কৰিছ। সেইবাবে তাৰ লগত থাকি সুখী বুলি জহাই ফুৰিছ। কিন্তু সিজনৰ মান-সন্মান সমাজত কি আছে নাই তাক মোৰ জনা আছে। তই আমাৰ আগত সিজনৰ প্ৰশংসা কৰি একো লাভ নাই। মই প্ৰজাপতি দক্ষ। মই সকলো দেৱ-দেৱীৰ ওচৰত পৰিচিত। মোৰ অন্যান্য কন্যাৰ সতি-সন্ততিসকলে দেৱ-দানৱ, অসুৰ-দৈত্য, উৰগ-পক্ষী, গন্ধৰ্ব-অপ্সৰা হৈ জগত ব্যাপি আছে। তো�ৰহে কোলাত ল'ৰলৈ পুত্ৰ বা কন্যা দেখা নাই। সেই তই কৰা শিৱৰ প্ৰশংসা মোৰ ওচৰত দুঃসহ হৈ পৰিছে। মহেশ্বৰ তোৰ মনোনীত পতি হ'ল পাৰে, কিন্তু আন কাৰো মনোনীত তেওঁ নহয়।'

পিতৃৰ কথাৰ সুৰ শুনি সতীয়ে ক'লে, 'হে দক্ষ। আপুনি ক্ষান্ত হওক। নিয়ন্তা নাথাকিলে কোনেও ধৰ্মৰ আচৰণ কৰিব নোৱাৰে। সেইকাৰণে আকৌ কওঁ শুনক, ক্ষান্ত হওক, পাপ বুদ্ধি ত্যাগ কৰি মোৰ হিতোপদেশ কাণপাতি শুনক। শীঘ্ৰে দেৱ মহাৰুদ্ৰৰ চৰণত প্ৰণাম কৰক। মই আপোনাৰ কনিষ্ঠা কন্যা, সেয়ে মই সজ কথা কৈছো। মোৰ কথা অৱজ্ঞা নকৰিব। সাধুসকলে কনিষ্ঠৰ সদবাক্যও গ্ৰহণ কৰে (কনিষ্ঠস্য চ সদ বাক্যং গৃহন্তি খলু সাধৱঃ) যিজনে সৎ কি অসৎ কি জানে তেনে লোককে জ্ঞানবান বোলা হয় (স এবখলু সাধুঃ স্যাং সদসজ্জ্ঞানবান হিয়ঃ) তেৱেঁ সাধুজন। যিটো দেখিছো আপুনি পাপমতি, আপোনাত সাধুত্বগুণৰ লেশমানো নাই। আপুনি জন্মৰে পৰা পাপবুদ্ধি, সেয়ে দণ্ডনীয় হ'ল কিয়? এতিয়া মহেশ্বৰৰ নিন্দা কৰি আৰু অনাহকতে সময় কটোৱাৰ আৱশ্যক নাই। আচৰিত কথা এয়ে যে সকলোৰে আনন্দভাজন আৰু

পূজনীয় শিৱশম্ভু আপোনাৰ ওচৰত নিন্দিত আৰু অপূজ্য হ'ল কেনেকৈ?

সতীৰ কথাৰ চোক সহ্য কৰিব নোৱাৰি এইবাৰ দক্ষই ক্রুদ্ধ হৈ সভাসদসকলক উদ্দেশ্য কৰি ক'বলৈ ধৰিলে, 'হে সভাসদসকল! মই প্রজাপতি আৰু এই বালিকাৰ পিতা। মোৰ আগত এই সতীয়ে যিবোৰ কথা সমাজ বিদ্যমানে কৈছে আপোনালোকে সেই সকলোবোৰ শুনিছে নিশ্চয়। এই মুহূর্তে এই ছোৱালীজনীক সান্ত্বনা দি বুজাই-বঢ়াই হয় প্রকৃতিস্থ কৰক অথবা ইয়াৰ পৰা খেদি পঠাওক। আজি শিৱৰ দৰে মোৰ এই সৰু ছোৱালীজনীও দুঃসহনীয় হৈ পৰিছে।' তাৰ পাছত সতীলৈ চাই দক্ষই ক'বলৈ ধৰিলে, 'দে দুশ্চৰিত্রা! হে শিৱাপ্রিয়া! তই মোৰ চকুৰ আগৰ পৰা আঁতৰ হ। যিদিনাখন তই নিজ ইচ্ছামতে শিৱক পতি বৰণ কৰিছ, সিদিনাখনৰ পৰা মই তোকে মৃত কন্যা বুলি ধৰি লৈছো। তই মোৰ কন্যা হৈও এইটো জানিব পৰা নাই যে তই যি মুহূর্ততে ৰুদ্রৰ হাতত নিজকে সমর্পণ কৰিছ, তাকে দেখিও দক্ষ প্রজাপতি জীৱন্ততে মৰি আছে। নহ'লে নিজৰ পতি ৰুদ্রক বাৰে বাৰে স্মৰণ কৰাই দি তুঁহৰ জুইৰ দৰে মোৰ ক্রোধবহ্নিক বঢ়াই আছা বা থাকিবি কিয় ক? মোৰ ঘৰত জঁটাজুঁটধাৰী শূলধাৰী একাদশ ৰুদ্র সদায় বাস কৰি আছে। সেই একাদশ ৰুদ্রৰ বাহিৰে যে আৰু কোনোবা ৰুদ্র থাকিব পাৰে তাক মই স্বীকাৰ নকৰো। তেনেজনক মই ৰুদ্র বা মহাৰুদ্র বুলিও নাভাবো। হেৰ' দুর্মতি ছোৱালী! শিৱ নামধাৰী আন কোনো মহাৰুদ্র আছে, যাক তই মোৰ কথাকো নেওচি পতিৰূপে বৰণ কৰিছ।' (৭/৪৮-৫৪)

পিতৃৰ বাক্যৰ প্রতিবাদ কৰি সতীয়ে ক'লে, পিতা, মাতা, গুৰু, বন্ধু, পিতামহ, পত্নী, ভাই, পুত্র সকলো ধর্মস্বৰূপ, ইয়াত সন্দেহ নাই। কিন্তু আপুনি অধর্মমতি হৈ কেনেকৈ মোৰ পিতৃ হোৱাৰ যোগ্য হ'ল বা হ'ব খোজে? আৰু ধর্মমতি হৈ ময়েইবা কেনেদৰে আপোনাৰ কন্যা হৈ থাকো? যিসকলক আপোনাৰ নিজৰ কন্যা বুলি ভাবে তেওঁলোককে আপুনি ৰক্ষা কৰি থাকক। আজিৰ পৰা মই আপোনাৰ কন্যা নহয় বুলি ভাৱক; কাৰণ মই ভগৱান ত্রিলোচনৰ শৰণাপন্ন হৈছো; সেই শান্ত, সৌম্য, বন্ধু, কৃপাকৰ মহাদেৱেই মোৰ ভর্তা; তেওঁ অদ্বেষী, সর্বভূতাত্মা, কূণ্টস্থ আৰু জগদীশ্বৰ; কিন্তু আপুনি আপোনাৰ মূঢ়তাযুক্ত অজ্ঞানতাৰ বশীভূত গৈ সেই পৰমেশ্বৰৰ প্রতি বিদ্বেষ ভাব পোষণ কৰি আছে। যদি দুই আখৰযুক্ত 'শিৱ' নামে সকলো অমংগল নাশ কৰে, যাৰ নাম স্মৰণ মাত্রকে সকলো পাপ নষ্ট হয়, যাৰ নামে এনেবোৰ উপকাৰ কৰে, তেওঁৰ সাক্ষাৎ ভজনা কৰিলে আন উপকাৰৰ কথা আৰু কিনো ক'ম? অথবা আপোনাৰেই কি দোষ? বিধাতাই আপোনাক শিৱভক্তি সুখৰ পৰা হয়তো বঞ্চিত কৰি ৰাখিছে। আপুনি শিবদ্বেষৰ প্রতিফল অন্তৰত অনুভৱ কৰা নাইনে? শিৱদ্বেষী লোকৰ কল্যাণ হ'ল ক'ৰপৰা? তেওঁ মংগলশূন্য হয়। গতিকে হে প্রজাপতি! এতিয়াও মই আপোনাৰ মংগলৰ কাৰণে, উপকাৰৰ বাবে কৈছো, আপুনি পৰম যত্ন কৰি ৰুদ্র মহেশ্বৰৰ উপাসনা কৰক। স্তৱ-স্তুতিৰে তেওঁক সন্তুষ্ট কৰক। মোৰ নিবেদনৰ অন্যথা নকৰিব। আপোনাৰ এই শিৱদ্বেষে বিৰূপ প্রতিক্রিয়া হ'লে সকলোৰে মনোকষ্ট হ'ব। আপোনাৰ অনিষ্ট হোৱাটো মই কাহানিও নিবিচাৰো। (৭/৫৫ - ৬৩)

কিন্তু সতীৰ সজ উপদেশৰ বিৰূপ প্রতিক্রিয়া হ'ল দক্ষৰ মনত। তেওঁ ক্রোধত জ্বলি উঠিল। তেওঁ ক'লে, 'তই যি স্তৱ শব্দ কৈছ, মই সেই শব্দ লুটিয়াই পাঠ কৰিম, সেয়ে শিৱৰোধক হ'ব (স্তৱ শব্দ লুটিয়াই উচ্চাৰণ কৰিলে হয় 'বস্ত', যাৰ অর্থ হয় অজ বা ছাগলী; দক্ষই শিৱৰ স্তৱ নকৰি 'বস্ত' বুলি গালি পাৰিলে)। তই বাৰে বাৰে কিয় একে কথাকে কৈ আছ? সকলোৰে ৰুচিবোধ একে নহয়। মোৰো নিজৰ ইচ্ছা-অনিচ্ছাৰ কথা আছে। তোকে এতিয়াও মই কওঁ, তই মোৰ সমুখৰ পৰা আঁতৰি যা। তোক আগত দেখিলে মোৰ মনত খণ্ডৰ জুইকুৰা দাউ-দাউকে জ্বলি উঠে।

সতীয়ে দক্ষৰ কথা সহ্য কৰিব নোৱাৰি জ্বলন্ত অগ্নিপিণ্ড যেন হৈ পৰিল। তেওঁ ক'লে, 'আৰে মূর্খ ক'ৰবাৰ, অধর্মাচাৰ দক্ষ। এতিয়া শিৱনিন্দাৰ প্রতিফল ভোগ কৰ। আপুনি যেনেকৈ 'স্তৱ' শব্দ লুটিয়াই 'বস্ত' শব্দেৰে মোৰ পতি শিৱক গালি পাৰিলে, আপোনাৰ ইচ্ছা সার্থক হওক; আপুনি এতিয়াই 'বস্ত' মূখ হওক। আজিৰ পৰা আপোনাৰ মুখখন ছাগলীৰ দৰে আৰু মাত-কথাও তদ্রূপ হ'ল। আৰু যেন কোনেও শিৱনিন্দা নুশুনে। আৰু মই কেৱল আপোনাৰ চকুৰ আঁৰেই হ'ম এনে নহয়, অচিৰে আপোনাৰ পৰা উৎপন্ন হোৱা দেহৰ পৰা বহির্ভূত হ'ম— মই দক্ষোৎপন্ন দেহ ত্যাগ কৰিম।'

এইদৰে সতীৰ কথা শেষ হোৱা মাত্রকে প্রজাপতি দক্ষ ছাগমুখ হৈ পৰিল আৰু তেওঁ ছাগলীৰ দৰে বেবাবলৈ ধৰিলে। তেওঁৰ মুখত মানুহৰ বা দেৱতাৰ মাত নুফুটা হ'ল। তাত থকা দেৱতা আৰু ঋষি-মুনিসকলে দক্ষৰ অৱস্থান্তৰ দেখি বিস্ময়ত হতবাক হৈ পৰিল (৭/৬৪ - ৬৯)।❑

লেখক পৰিচিতি ঃ অৱসৰী মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়



দেৱী পূজাত বিল্বফল আৰু বিল্বপত্ৰৰ মাহাত্ম্য

ড° ৰশ্মি দেৱী

প্রাক্ ঐতিহাসিক যুগৰ পৰাই মানৱ জাতিৰ লগত জড়িত হৈ আছে এক শক্তিৰ ধাৰণা, যি শক্তিৰেই অভিব্যক্তি বিশ্বব্রহ্মাণ্ড। এক নৈসর্গিক নিয়মেৰে গতি কৰি থকা জগতখনত সৃষ্টি, স্থিতি আৰু লয়ৰ অন্তৰালত থকা দৃষ্টিগোচৰ নোহোৱা, বিজ্ঞানে ঢুকি নোপোৱা শক্তিটোৱে বিভিন্ন অভিধাৰে ব্যক্ত হয়। সেই মূল শক্তিটোকে মাতৃশক্তি বা নাৰীশক্তি বা দেৱী শক্তি ৰূপত উপাসনা কৰাৰ পৰম্পৰা অতি প্রাচীন কালৰে পৰাই চলি আহিছে। সকলো সৃষ্টিৰ মূল প্রকৃতি যেনেদৰে প্রাণদায়িনী তেনেদৰে ৰহস্যময়ী আৰু সংহাৰৰূপিণীও। শৌর্য-বীর্যৰ প্রতীক অকল পুৰুষেই নহয়। বৰঞ্চ নাৰী শক্তিৰ প্রাধান্যই বেছি। দেশৰ আৰু দহৰ কল্যাণৰ বাবে প্রয়োজন সাপেক্ষে কোমল হৃদয়ৰ মাতৃয়েও উগ্র ৰণচণ্ডী মূর্ত্তি ধাৰণ কৰে। তাৰেই প্রমাণ মহিষমর্দিনী, চণ্ডী, দুর্গা ইত্যাদি। দেৱী দুর্গাৰ নাম স্মৰণ কৰা মাত্রকেই মানুহৰ দুর্গতি নাশ হয় বুলি ব্রহ্মবৈৱর্ত্ত পুৰাণত উল্লেখ আছে—

নাৰায়ণি মহাভাগে দুর্গে দুর্গতি নাশিনি।
দুর্গেতি স্মৃতি মাত্রেণ য়াতি দুর্গং নৃণামিহ।।

(ব্রহ্মবৈৱর্ত পুৰাণ, প্রকৃতিখণ্ড)

দুর্জ্ঞেয়া কাৰণে দেৱীৰ আন এটা নাম দুর্গা। দুর্গা নামৰ ব্যুৎপত্তিগত অর্থ অনুসৰি যি দেৱীয়ে মহাবিঘ্নি, ভৱবন্ধন, কুকর্ম, শোক, দুখ, নৰক, যম, দণ্ড, জন্ম, মহাভয়, অতিৰোগ আদি নাশ কৰে তেওঁকেই দুর্গা বুলি কোৱা হয়। আকৌ শব্দকল্পদ্রুম মতে, দ্ + উ + ৰ্ + গ্ + আ = দুর্গা। 'দ্' আখৰ দৈত্যনাশ, 'উ' ই বিঘ্ননাশ, 'ৰ' ই ৰোগ নাশ, 'গ' ই পাপনাশ আৰু 'আ' ই ভয়-শত্রু নাশৰ কথা বুজায়।

দৈত্যনাশার্থৰচনো দকাৰঃ পৰিকীর্ত্তিতঃ।
উকাৰো বিঘ্ননাশস্য ৰাচকো বেদসম্মতঃ।।

ৰেফোৰোগঘ্নৱচনো গশ্চ পাপঘ্নবাচকঃ।
ভয়শত্রু ঘ্নৱচনশ্চাকাৰঃ পৰিকীর্ত্তিতঃ।।
(শব্দকল্পদ্রুম, দ্বিতীয় খণ্ড, ৭২৮ পৃঃ)

দুর্গাদেৱীক পূজা কৰাৰ সময় হ'ল শৰৎ আৰু বসন্তকাল। শৰৎ আৰু বসন্তকালত দুর্গা পূজা কৰাৰ তাৎপর্য্য নথকা নহয়। গীতাৰ অষ্টম অধ্যায়ত উল্লেখ আছে যে মাঘ মাহৰ পৰা আহাৰ মাহ পর্যন্ত এই ছয় মাহ উত্তৰায়ণৰ সময়। এই সময়ছোৱা দেৱ-দেৱীৰ দিন। আনহাতে, শাওণ মাহৰ পৰা পুহ মাহ পর্যন্ত এই ছয় মাহ দক্ষিণায়নৰ সময়। এই সময়খিনি দেৱ-দেৱীৰ ৰাতি। উত্তৰায়ণত দেৱ-দেৱী জাগ্রত থাকে আৰু দক্ষিণায়নৰ সময়ত নিদ্রাত থাকে। শৰৎ কাল আহিন-কাতি মাহত হোৱা হেতুকে দেৱী দুর্গা নিদ্রিত অৱস্থাত থাকে। সেয়েহে দেৱীক জাগৰণ কৰিবলৈ বোধন কৰা হয়। আকৌ উত্তৰায়ণৰ মাজত বসন্তকাল হোৱা হেতুকে দেৱী দুর্গা জাগ্রত অৱস্থাত থাকে। সেয়েহে বসন্তকালৰ দুর্গা পূজাত দেৱীৰ বোধনৰ প্রয়োজন নহয়। বসন্তকালত হোৱা দুর্গা পুজাক বাসন্তী পূজা বুলি কোৱা হয়। বাসন্তী পূজা যথা কালত হয়। আনহাতে শৰৎকালত হোৱা শাৰদীয় দুর্গা পূজা অকালত হয়। শাৰদীয় পূজা অকালত হ'লেও কিন্তু মহাপূজা বুলিয়ে ধৰা হয়। ৰাৱণক বধ কৰাৰ বাবে শক্তি বিচাৰি ৰামচন্দ্রই শৰৎকালত দেৱীৰ অকালবোধন কৰে বুলি কৃত্তিবাসী ৰামায়ণত উল্লেখ আছে। 'বোধন' শব্দৰ অর্থ হ'ল জাগৰণ কৰা। দুর্গাদেৱীৰ বোধনৰ লগত সম্পর্কিত হৈ আছে বিল্ব। দেৱী পূজাত বিল্বফল, বিল্বপত্রৰ স্থান সুকীয়া। দেৱী পূজাৰ অবিচ্ছেদ্য ফল হৈছে বিল্ব। বেল ফলত নৱদুর্গাৰ এটি শক্তি নিহিত হৈ থাকে। সেই শক্তিৰ উল্লেখ দুর্গা পূজাৰ বিধিত পোৱা যায়—

ৰম্ভা কচ্চী হৰিদ্রা চ জয়ন্তী বিল্ব-দাড়িমৌ।
অশোকং মানকং চৈৱ ধান্যঞ্চ নৱপত্রিকা।।
(দুর্গা পূজা বিধি)

দেৱী পূজাৰ মণ্ডপত থকা বৃহৎ আকাৰৰ মা দুর্গাৰ প্রতিমা স্থাপন কৰা হয়। সিংহবাহিনী মহিষমর্দিনী দুর্গাৰ সোঁফালে গণেশ, লক্ষ্মী আৰু বাওঁফালে কার্ত্তিক, সৰস্বতীৰ লগতে গণেশৰ দক্ষিণে শাড়ীৰে ওৰণি দি ৰখা এটি প্রতীকী মূর্ত্তি দেখা যায়। শক্তিৰ প্রতীকী মূর্ত্তিটোৱে হ'ল নৱপত্রিকাবাসিনী নৱদুর্গা। দুর্গা পূজাৰ বিশেষ অংগ এই নৱপত্রিকাত দুর্গাৰ নৱশক্তি আৰোপ কৰি পূজা কৰা হয়। নৱপত্রিকা হ'ল ন বিধ উদ্ভিদৰ সমষ্টি। এই ন বিধ উদ্ভিদৰ দুর্গা পূজাৰ লগত বিশেষ সম্পর্ক আছে।

নৱপত্রিকাত জড়িত ন বিধ উদ্ভিদৰ ভিতৰত এবিধ হ'ল বেল। বিল্ব বা বেলত আৰোপিত শক্তিৰ অধিষ্ঠাত্রী দেৱী হ'ল শিৱা।

দুর্গা পূজাৰ সূচনাৰ দিনটো বেলবৰণ বা বিল্ববোধন। বেলবৰণৰ দিনা সন্ধিয়া বেলফল এযোৰক অর্চনা কৰি মন্ত্র পাঠৰ দ্বাৰা পৰম শ্রদ্ধাৰে পূজাৰ বেদীৰ ওচৰলৈ দেৱীৰ আমন্ত্রণ অধিবাস কার্য্য কৰা হয়। সপ্তমীৰ দিনা নৱপত্রিকাৰ বিধি অনুসৰি স্নানাদি অর্চনাৰে বিল্বযুগলৰ সৈতে নৱপত্রিকাৰ সকলো একলগ কৰি অপৰাজিতা লতাদিৰে মেৰিয়াই ৰঙাপাৰিৰ শাড়ীৰে শোভিতা কৰি মৃন্ময় প্রতিমাৰ দক্ষিণফালে থয়। এই যুগ্মবিল্বফল নৱপত্রিকাত আৰোপিত দেৱীক নিম্নোক্ত ধৰণে প্রার্থনা কৰা হয় বুলি দুর্গা পূজা বিধি তথা দেৱী পু�ৰাণতো উল্লেখ আছে—

'ওঁ উত্তিষ্ঠ পত্রিকে দেৱি সর্ৱকল্যাণহেতৱে।
পূজাং গৃহান্ সকলানস্মাকং ৱৰদা ভৱ।।'

(হে দেৱী! আমাৰ সকলোৰে কল্যাণৰ কাৰণে এই পত্রিকাত আৰোহণ কৰি পূজা গ্রহণ কৰক।)

দেৱী পুৰাণানুসৰি

"ওঁ পত্রিকে নৱদুর্গে ত্ৱং মহাদেৱ মনোৱমে।
পূজাং সমস্তাং সংগৃহ্য ৰক্ষ মাং ত্রিদশেশ্ৱৰি।।'

(হে নৱপত্রিকাৰাসিনী মহাদেৱৰ মন ৰমণকাৰিণী তিনি লোকৰ অধীশ্ৱৰী দেৱী নৱদুর্গা, সমস্ত পূজা কৰি মোক ৰক্ষা কৰা।)

নৱপত্রিকা তথা দেৱী পূজাৰ অবিচ্ছেদ্য উপাদান বেলপাতৰ জন্ম ৰহস্যৰ বর্ণনা মৎস্যপুৰাণ তথা অসমীয়া মৌখিক সাহিত্যৰ অন্তর্গত দিহানামৰ মাজত পোৱা যায়। বর্ণনানুসৰি লক্ষ্মী আৰু নাৰায়ণৰ মাজত হোৱা কথোপকথনৰ মাজতে নাৰায়ণৰ কোন বেছি প্রিয় বুলি লক্ষ্মীয়ে প্রশ্ন কৰিছিল। লক্ষ্মীৰ প্রশ্নোত্তৰত নাৰায়ণে শিৱ লক্ষ্মীতকৈও প্রিয় বুলি কৈছিল। পুনৰ শিৱক কেনেদৰে পূজা কৰিব সেই বিষয়ে জিজ্ঞাসা কৰাত নাৰায়ণৰ সৰোৱৰৰ পদুম ফুলেৰে পূজা কৰিবলৈ উপদেশ দিছিল। নাৰায়ণৰ উপদেশ শিৰোগত কৰি লক্ষ্মীদেৱীয়ে সৰোৱৰৰ পৰা ১০৮ টা ফুল আনি গন্ধ, পুষ্প, চন্দনেৰে শিৱ পূজা আৰম্ভ কৰিলে আৰু পূজাত বহি লক্ষ্মীদেৱীয়ে এটা এটাকৈ ফুল গণনা কৰি শিৱলৈ অর্পণ কৰিলে। কিন্তু লক্ষ্মীদেৱীৰ শিৱভক্তিৰ পৰীক্ষা কৰিবলৈ নাৰায়ণে এটা ফুল লুকুৱাই ৰাখিলে। লক্ষ্মীদেৱী চিন্তিত হৈ পৰিল। নিৰুপায় হৈ লক্ষ্মীদেৱীয়ে নিজৰ স্তন এটা কাটি শিৱক অর্পণ কৰিবলৈ খড়্গ তুলি লোৱাত মহাদেৱে লক্ষ্মীৰ আগত দেখা দি লক্ষ্মীৰ পূজাত সন্তুষ্ট হৈ ৱৰ দিবলৈ ইচ্ছা প্রকাশ কৰাত লক্ষ্মীয়ে শিৱৰ পৰা ৱৰ স্ৱৰূপে বেলবৃক্ষৰ জন্ম বিচাৰিছিল। শিৱৰ পৰা ৱৰ লাভ কৰাৰ পিছত ত্রিপত্রৰ সৈতে বেলবৃক্ষৰ জন্ম হ'ল। বিল্বৰ ত্রিপত্রক ব্রহ্মা, বিষ্ণু আৰু মহেশ্ৱৰ জ্ঞান কৰা হয়। দেৱীৰ বোধনৰ বেলবৃক্ষৰ সম্পর্কৰ কথা দিহানামত এনেদৰে উল্লেখ আছে—

"আমন্ত্রণ অধিবাস বিল্বতে বোধন।
সন্ধ্যা সময়ত সৱে কৰে আয়োজন।।
সন্ধ্যা কালে বেলবৃক্ষে দেৱীৰ আমন্ত্রণ।

ভক্তিভাৱে পূজে বিপ্রে কৰয় বোধন।।
বোধন কৰিয়া দেৱীক কৰে অধিবাস।
বান্ধিলে পত্রিকা নৱ-বৃক্ষৰ শাখাত।।"

আকৌ "দুর্গাক সম্বোধি বিপ্রে কৰে আৱাহন।
কৈলাশৰ পৰা বিল্বে হোৱা অধিষ্ঠান।।
অধিষ্ঠান হুইয়া পূজা কৰাহি গ্রহণ।
বিল্ববৃক্ষ তলে দিছো ৰত্নসিংহাসন।।"

দেৱী পূজাৰ অবিচ্ছেদ্য উপাদান বিল্বপত্র হৈছে ভগৱান শিৱৰ প্রতীক। বিল্বপত্রক অৱলম্বন কৰি শঙ্কৰাচার্য্যই বিল্বাষ্টকম্ ৰচনা কৰিছিল। এই বিল্বাষ্টকমত বিল্ব পত্রৰ গুণ আৰু বিল্বপত্রৰ পত্রৰ প্রতি ভগৱান শিৱৰ প্রেমৰ প্রশংসা কৰা হৈছে। বিল্বাষ্টকম্ হৈছে এক শক্তিশালী স্তুতি য'ত ভগৱান শিৱৰ প্রতি বিল্বপত্র আগবঢ়োৱাৰ শক্তি আৰু গৌৰৱৰ বর্ণনা কৰা হৈছে।

বেলৰ পাত তিনিটা পত্রৰ সমষ্টি। প্রতিটো পত্রৰে শিৱৰ লগত বিশেষ তাৎপর্য্য আছে। শঙ্কৰাচার্য্যই ৰচনা কৰা শিৱ বিল্বাষ্টক স্তোত্রমটো হ'ল—

ত্রিদলং ত্রিগুণাকাৰং ত্রিনেত্রং চ ত্রিয়াযুধং।
ত্রিজন্মপাপসংহাৰং একবিল্বং শিৱার্পণম্।। ১।।
ত্রিশাখৈর্বিল্বপত্রৈশ্চ হৎচ্ছিদ্রৈঃ কোমলৈঃ শুভৈঃ।
শিৱপূজাং কৰিষ্যামি একবিল্বং শিৱার্পণম্।। ২।।
অখণ্ডবিল্বপত্রেণ পূজিতে নন্দিকেশ্বৰে।
শুদ্ধ্যন্তি সর্বপাপেভ্যঃ একৱিল্বং শিৱার্পণম্।। ৩।।
শালগ্রামশিলামেকাং জাতু বিপ্রায় যোদুর্পয়েৎ।
সোমযজ্ঞমহাপুণ্যং একবিল্বং শিৱার্পণম্।। ৪।।
দন্তিকোটিসহস্রাণি বাজপেয়শতানি চ।
কোটি কন্যামহাদানাং একবিল্বং শিৱার্পণম্।। ৫।।
লক্ষ্মাঃ স্তনতোৎপন্নং মহাদেৱস্য চ প্রিয়ম্।
বিল্ববৃক্ষং প্রয়চ্ছামি একবিল্বং শিৱার্পণম্।। ৬।।
দর্শনং বিল্ববৃক্ষস্য স্পর্শনং পাপনাশনম্।
অঘোৰপাপসংহাৰং একবিল্বং শিৱার্পণম্।। ৭।।
মূলতো ব্রহ্মৰূপায় মধ্যতো ৱিষ্ণুৰূপিণে।
অগ্রতঃ শিৱৰূপায় বিল্বপত্রং শিৱার্পণম্।। ৮।।
বিল্বাষ্টকমিদং পুণ্যং যঃ পঠেচ্ছিৱসন্নিধৌ।
সর্বপাপবিনির্মুক্তঃ শিৱলোকমবাপ্নুচয়াত্।। ৯।।

ত্রিদল অর্থাৎ ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ তিনিটা ৰূপ হ'ল বিল্বপত্রত সংযুক্ত তিনিটা পাত। ত্রিগুণাকৰ শব্দৰ অর্থ হ'ল বিল্বপত্রত থকা তিনিটা পাত সত্ত্ব, ৰজ আৰু তম গুণৰ প্রতীক। শিৱৰ ত্রিনেত্র সূর্য, চন্দ্র আৰু অগ্নি তিনি অস্ত্র অর্থাৎ ত্রিশূল আৰু তিনিলোক অর্থাৎ স্বর্গ, মর্ত্য আৰু পাতালৰ পাপসংহাৰক ৰূপৰ প্রতিনিধিত্ব কৰে বিল্বপত্রত সংযুক্ত তিনিটা পত্রই। আকৌ ত্রিশাখাযুক্ত, ক্ষতিক্ষুণ নথকা কোমল তথা শোভনীয় অখণ্ড বিল্বপত্রেৰে নন্দিকেশ্বৰক পূজা কৰি সর্বপাপৰ পৰা মুক্ত হ'ব পাৰি। বিল্বপত্রৰ ইমানেই মাহাত্ম্য যে এটি বিল্বপত্র শিৱলৈ অর্পণ কৰিয়েই সোমযজ্ঞ কৰি লাভ কৰা মহাপুণ্যৰ সমান পুণ্যৰ অর্জন কৰিব পাৰে ভক্তই। শালগ্রামশিলা এটা বিপ্রলৈ অর্পণ কৰি প্রাপ্ত পুণ্যৰ সমান পুণ্য লাভ কৰিব পাৰি এটা বিল্বপত্র শিৱলৈ অর্পণ কৰি। গতিকে দেখা যায় যে বিল্বপত্রত বহুতো তাৎপর্য নিহিত হৈ আছে।

পুনৰ, লক্ষ্মীৰ স্তনৰ পৰা উৎপন্ন হোৱা মহাদেৱ আৰু লক্ষ্মীৰ প্রিয় বিল্ববৃক্ষক নমস্কাৰ কৰিলেও পুণ্য অর্জন কৰিব পাৰি। বিল্ববৃক্ষৰ দর্শন, স্পর্শনৰ জৰিয়তে ঘোৰ পাপৰ পৰা মুক্ত হ'ব পাৰি। শিৱাষ্টকম স্তোত্রত শঙ্কৰাচার্য্যই আকৌ কৈছে যে হাজাৰ হাতী, শতবাজপেয় যজ্ঞ বা লাখ লাখ কন্যাক বিবাহত উপহাৰ দিয়া মহান ত্যাগৰ লগত তুলনা কৰিব নোৱাৰা বিল্বপত্র লক্ষ্মীয়ে শিৱলৈ পূজাত অর্পণ কৰিছিল। পুনৰ এই শিৱাষ্টকম স্তোত্রত উল্লেখ আছে যে বিল্বৰ মূল অংশটো ব্রহ্ম, মধ্যাংশত বিষ্ণু আৰু অগ্রাংশত শিৱই প্রতিনিধিত্ব কৰে। কাশী, কলাভৈৰৱ, প্রয়াগ তথা মাধৱক দর্শন কৰি অর্জন কৰা পুণ্যৰ তুলনাত শিৱলৈ এটা বেলপাত অর্পণ কৰি বেছি পুণ্য লাভ কৰিব পাৰি। সোমবাৰে আধ্যাত্মিক উপবাস কৰি, শিৱ পূজা কৰি শিৱলৈ বেলপাত অর্পণ কৰি ৰাতি আহা�ৰ গ্রহণ কৰাৰ বিধানো আছে।

বিষ্ণুপুৰাণ মতেও বিল্ব হৈছে ভগৱান শিৱৰ প্রতীক। পুৰাণতো বিল্বপত্র আৰু বিল্বফলৰ মাহাত্ম্যৰ বর্ণনা পোৱা যায়। দেৱী পূজাত ব্যৱহৃত যুগ্ম বেলফলক দেৱীৰ স্তনসদৃশ আৰু পত্রক ত্রিশূল সদৃশ জ্ঞান কৰা হয়। সেয়ে নৱপত্রিকাবাসিনী দেৱীক সমগ্র বিশ্বৰ কল্যাণৰ কাৰণে আৱাহন কৰা হয়।

দেৱীয়ে যেন সকলোৰে কল্যাণ সাধন কৰি জগতৰ কলুষ-কালিমা আঁতৰাই বিল্বফল তথা পত্রত অধিষ্ঠিত হৈ সত্য, শিৱ, সুন্দৰৰ সঞ্চাৰ সাধন কৰি জগতখনক সকলো ভয়ৰ পৰা ৰক্ষা কৰক।

দেৱী তথা বিল্বফল, বৃক্ষ আৰু পত্রত ভক্তিসহকাৰে প্রণাম জনাইছো—

সর্বস্বৰূপে সর্ৱেশে সর্বশক্তিসমন্বিতে।
ভয়েভ্যোস্ত্রাহি নো দেৱী নাৰায়ণী নমোহস্তুতে।।❑

লেখক পৰিচিতি ঃ সহযোগী অধ্যাপিকা, বিভাগীয় মুৰব্বী, সংস্কৃত বিভাগ, ভট্টদেৱ বিশ্ববিদ্যালয়



শক্তিতত্ত্ব আৰু শক্তি আৰাধনাৰ তাৎপর্য্য

ড° খগেন্দ্র নাথ দেৱ শর্মা

সর্বস্যবুদ্ধিৰূপেণ জনস্য হৃদি সংস্থিতে।
স্বর্গাপৱর্গদে দেবি নাৰায়ণি নমোহস্তুতে।।

দুর্গাসপ্তশতী

চিৰশাশ্বত চিন্ময়ী শক্তিৰ নৰত্ব আৰোপৰ পৰিণতিত দেৱী বা মাতৃদেৱীৰ উদ্ভৱ হৈছে। যি শক্তিৰ বলত এই নিখিল বিশ্ব গতিশীল হৈ আছে সেই শক্তিয়েই আদ্যাশক্তি বা মূল শক্তি। এই শক্তিৰ নাৰীময়ী ৰূপেই মহাদেৱী। পুৰুষ মাত্রেই শিৱ আৰু স্ত্রী মাত্রেই শক্তি। প্রজনন শক্তিৰ আধাৰভূতা নাৰীয়েই দেৱী বা মাতৃ।

জগতৰ সকলোতে মাতৃদেৱীৰ ধাৰণা প্রচলিত। শাক্ত দার্শনিকসকলৰ মতে পৰমব্রহ্মা চিৰ শাশ্বত শক্তিৰ প্রতিভূ মাথোন। এই শক্তিৰ পৰাই জীৱ-জঙ্গম, কীট-পতঙ্গ আদি পৰিদৃশ্যমান জগতৰ সৃষ্টি হৈছে। জীৱসমূহে জন্মলাভ কৰে মাতৃগর্ভৰ পৰা। সেয়েহে জগৎস্রষ্টা পৰমেশ্বৰৰ স্বৰূপ উপলব্ধি কৰিবলৈ হ'লে মাতৃ শব্দৰ মাধ্যমতহে সম্ভৱ হ'ব পাৰে। মানুহে যিকোনো দুখ-দুর্গতি অনুভৱ কৰিলে 'মা' বা 'আই' বুলি হঠাতে চিঞৰি উঠে। একমাত্র পৰমা মাতৃ বা জগন্মাতাইহে দুঃখ-দুর্গতি, অপায়-অমঙ্গল বিনাশ কৰিব পাৰে। এই পৰমা প্রকৃতিয়েই শক্তি। শক্তিৰ উপাসকসকল শাক্ত। জগন্মাতা পৰমা প্রকৃতিকেই, পার্বতী, দুর্গা, কালী, বিশ্বৰূপা, মহামায়া বিশ্বপ্রসবিনী ব্রহ্মৰূপিণী, মহামাতৃ আদি নানা নামেৰে বর্ণনা কৰা হয়। দেৱীগৰাকী যি নামেৰেই নামাঙ্কিত নহওক কিয় তেৱেঁই দেৱতা বা তেৱেঁই অন্য সকলোৰে শক্তিৰূপে আত্মপ্রকাশ কৰে। সেই মাতৃ বা দেৱীগৰাকীয়ে ব্রহ্মা, বিষ্ণু, শিৱৰ প্রেৰণাদায়িনী সাবিত্রী, মহামায়া আৰু কালিকাৰূপে প্রতিভাত হয়। সকলো শক্তিৰ মূল মহামায়া বা পৰাশক্তি শিৱৰেই শক্তি বিকাশৰ স্বৰূপ মাত্র। শিৱসূত্র মতে স্বাতন্ত্র্যশক্তি চৈতন্যৰূপিণী। এই স্বাতন্ত্র্যশক্তিকেই মহাশক্তি বা পৰাশক্তিৰূপে জনা যায়। পৰাশক্তি ইচ্ছাময়ী, জ্ঞানময়ী আৰু ক্রিয়াময়ী। এই শক্তিৰ অন্য নাম কামকলা বা কুণ্ডলিনী। শক্তিৰ বহির্মুখী বিকাশেই হ'ল বিশ্বসৃষ্টি। পৰাশক্তি শিৱশক্তিৰ সম্মিলিত ৰূপ। শক্তিবিহীন শিৱ অসাৰ বুলি বা শৱতুল্য বুলি শক্তিকাগম সর্বস্বত বচন নিহিত

আছে—

শক্তিংৱিনা মহেশানি! সদাহং শৱৰূপকঃ।
শক্তিযুক্তো য়দা দেবি! শিৱোৎহং সৰ্ব্বকামদঃ।।

শিৱ-দুৰ্গাৰ কথোপকথনৰ মাজত এই সত্য উদ্‌ঘাটন হয় যে শক্তিবিহীন শিৱ প্ৰাণহীন শৱস্বৰূপ। শক্তিযুক্ত হৈ থাকিলেহে তেওঁ সকলোৰে কামনাদায়ক বা মঙ্গলময় শিৱৰূপে স্থিতি ল'ব পাৰে। সেই শক্তিকাগমতেই অন্য এক তাৎপৰ্যপূৰ্ণ বচন পোৱা যায়—

সাবিত্রীসহিতো ব্রহ্মা সিদ্ধোৎ ভূন্নগনন্দিনি।
দ্বাৰৱত্যাং কৃষ্ণদেৱঃ সিদ্ধোহ ভূৎ সত্যয়াসহ।।

যেনেদৰে শক্তিযুক্ত শিৱহে মঙ্গলাদায়ক তেনেদৰে ব্রহ্মাও সাবিত্রীৰ সৈতেহে সক্রিয় বা কৰ্মসিদ্ধ হ'ব পাৰে আৰু দ্বাৰকাত কৃষ্ণদেৱো সত্যাৰ (লক্ষ্মীৰ সৈতেহে) সক্রিয় হৈ সিদ্ধি লাভ কৰিব পাৰে। এই সকলোবোৰ শক্তিৰেই মাহাত্ম্য। প্রকৃততে শক্তি আৰু শক্তিমানৰ মাজত কোনো পাৰ্থক্য নাই। যিদৰে অগ্নি আৰু অগ্নিৰ দাহিকা শক্তিৰ মাজত কোনো পাৰ্থক্য নাই, যিদৰে পানী আৰু পানীৰ শীতলতা গুণৰ মাজত কোনো পাৰ্থক্য নাই, যিদৰে গাখীৰ আৰু গাখীৰৰ শুভ্রত্বৰ মাজত কোনো পাৰ্থক্য নাই তেনেদৰে শক্তি আৰু শক্তিমানৰ মাজতো কোনো পাৰ্থক্য ঠাৱৰ কৰিব নোৱাৰি।

তন্ত্রবাদৰ মহত্তমা উপাস্যা দেৱী হ'ল পাৰ্বতী। সেই পাৰ্বতীয়েই হৈছে শক্তি আৰু শিৱ হৈছে শক্তিমান। এই শিৱ আৰু শক্তি বা শক্তিমান আৰু শক্তি অভিন্ন আৰু অবিচ্ছেদ্য। শক্তিমান শিৱক ক্রিয়াশীল কৰি তোলে শক্তি পাৰ্বতীয়ে। শক্তি অবিহনে জগত প্রপঞ্চৰ সৃষ্টিকাৰ্যত শক্তিমান নিৰৰ্থক। সাংখ্য দৰ্শনত শক্তি হৈছে প্রকৃতি আৰু শক্তিমান হৈছে পুৰুষ। পুৰুষ প্রকৃতিৰ নিবিড় সম্পৰ্কৰ বাবেহে সৃষ্টি সম্ভৱ হ'ব পাৰিছে। বৈষ্ণৱপুৰাণেই হওক বা শৈৱ পুৰাণেই হওক শক্তিৰ স্থিতি কিবা নহয় কিবা প্রকাৰে ৰক্ষা কৰিছে। শিৱ আৰু শক্তি মাথোন এটাই সত্তা। অনন্ত ব্রহ্মাই পুৰুষ আৰু প্রকৃতি স্বৰূপে অৱতীৰ্ণ হোৱাৰ নিচিনাকৈ নিৰাকাৰ সৎ চিৎ আনন্দময় ব্রহ্মাই শিৱ-শক্তি ৰূপে অভিব্যক্ত হয়। প্রকৃতি হৈছে পৰম ব্রহ্মাৰ ক্রিয়া শক্তি বা চালিকা শক্তি, তেনেদৰে শিৱৰ চালিকা শক্তি বা ক্রিয়াশীলতা হৈছে পাৰ্বতী।

পিতৃত্বৰ স্বীকৃতিৰ বাবে মাতৃত্ব অপৰিহাৰ্য। মাতৃত্বৰ প্রতিনিধি শক্তি বা পাৰ্বতী আৰু পিতৃত্বৰ প্রতিনিধি শিৱ। মহাকবি কালিদাসে তেওঁৰ 'কুমাৰ সম্ভৱ' মহাকাব্যত 'জগতঃ পিতৰৌ বন্দে পাৰ্বতী পৰমেশ্বৰৌ' বুলি শিৱ শক্তিকে একেলগে বন্দনা কৰিছে। মাতৃবিহীন পিতৃৰ দ্বাৰা জগৎ সৃষ্টি সম্ভৱ নহয় কাৰণে জগতৰ পিতৃ-মাতৃ স্বৰূপ শিৱ-পাৰ্বতীক ঐক্যভাবেৰে প্রণাম জনোৱা হৈছে।

শিৱ আৰু শক্তিৰ মাজত কিছু পাৰ্থক্যও ৰক্ষিত হৈছে। শিৱ স্থায়ী, নিশ্চল, গতিহীন, জড়, উত্তেজনাবিহীন। আনহাতে শক্তি হৈছে গতিশীলা, সচলা, উত্তেজনাময়ী। স্থানু বা নিশ্চল শিৱক শক্তিয়ে গতিশীল, সৃষ্টিশীল, সক্ষম আৰু ক্রিয়াশীল কৰি তোলে। জগতৰ সৃষ্টি, পৰিপালন আৰু বিনাশ শক্তিৰ জৰিয়তেই সম্পাদিত হয়।

তন্ত্র শাস্ত্রত দহটা ভিন্ন শক্তি বা দেৱীৰ নাম ব্যক্ত কৰা হৈছে। এই দহ প্রকাৰ অভিব্যক্তিৰ নামেই দশমহাবিদ্যা নামে প্রতিভাত হৈছে। তন্ত্রত উল্লেখ থকা এই দেৱী দহটা হ'ল— কালী, তাৰা, ষোড়শী, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূমাৱতী, বগলা, মাতঙ্গী আৰু কমলা। এই মহাবিদ্যাৰ আৰাধনাৰ দ্বাৰা জগতৰ সুশৃঙ্খল পৰিচালনা সম্ভৱ হৈছে।

শক্তিবাদ বা শক্তিতত্ত্ব এক সামাজিক পৰিক্রমা। মাতৃসমাজ বা নাৰী সমাজৰ সামাজিক মূল্যবোধৰ আধাৰতেই শক্তিবাদ বা দেৱীতত্ত্ব বা মাতৃতত্ত্বৰ উদ্ভৱ হৈছে। প্রত্যেক যুগতে পুৰুষসকলে নাৰী সমাজৰ প্রতি প্রদৰ্শন কৰা শ্রদ্ধা আৰু সন্মানেই দেৱীতত্ত্বৰ উৎস। ইয়াকেই মাতৃতত্ত্ব ৰূপে অভিহিত কৰিব পাৰি। সাধকসকলে ভূমি আৰু আকাশৰ মাজত পত্নী আৰু স্বামীৰ সম্পৰ্ক লক্ষ্য কৰি আহিছে। এয়াই হৈছে দ্যাৱা-পৃথিৱী। পুৰুষ হৈছে দ্যৌ বা আকাশ আৰু পৃথিৱী বা ভূমিয়েই হৈছে স্ত্রী বা নাৰী।

আকৌ ক'ৰবাত ক'ৰবাত সূৰ্য্য আৰু পৃথিৱীক জগতৰ পিতৃ-মাতৃ ৰূপে ধাৰণা কৰা হৈছে। সূৰ্য্যই হৈছে পিতৃৰূপ আৰু পৃথিৱী বা ভূমিয়ে মাতৃ ৰূপা। বেদ মন্ত্রতো উল্লেখ আছে 'সূৰ্য্য আত্মা জগতঃ তস্থূশশ্চ' অৰ্থাৎ স্থাবৰ জঙ্গম সকলোৰে আত্মাস্বৰূপ হৈছে সূৰ্য্য। সূৰ্য্যৰ তাপ আৰু পোহৰৰ সংযোগত ভূমিত উদ্ভৱ হয় তৰু-তৃণ, গছ-লতিকা, জীৱ-জন্তু আদি। ভূমিয়েই হৈছে সকলোৰে আধাৰ। ধাৰণ শক্তিৰ দ্বাৰা মাতৃৰূপা ভূমি সকলোৰে পূজনীয়া।

নাৰীসকল ভূমিৰ দৰে উদাৰ। সৃষ্টিশীলা আৰু ক্রিয়াশীলা ৰহস্যৰ দ্বাৰা আবৃত গুণ দুটাৰ কাৰণে তেওঁলোকক দেৱীৰ মর্যাদা প্রদান কৰা হৈছে। এই মর্যাদাৰ আধাৰতেই উদ্ভৱ হৈছে শক্তিতত্ত্ব বা মাতৃতত্ত্ব। মাতৃতত্ত্ব এক বাস্তৱ উপলব্ধি আৰু এই বাস্তৱ উপলব্ধিৰ অন্যতম উদ্দেশ্য হৈছে নাৰী সমাজক শ্রদ্ধা আৰু ভক্তি জনোৱা। সেই একে কাৰণতেই বৈষ্ণৱ পৰম্পৰাতো মাতৃতত্ত্ব বা শক্তিতত্ত্বই প্রাধান্য লাভ কৰিছে। ভাগৱত মহাপুৰাণতো স্বয়ং বিষ্ণুৰে দুৰ্গা-ভদ্রা-কালী-চণ্ডিকা-কৃষ্ণা-মাধৱী আদি দেৱীৰ বিভিন্ন ৰূপক স্বীকৃতি দিছে—

অৰ্চিষ্যন্তি মনুষ্যাস্তাং সৰ্বকৰ্মৱৱেশ্বৰীম্।

ধূপোপহাৰবালিভিঃ সর্ৱকামৱৰপ্রদাম্।।
নামধেয়ানি কুৰস্তি স্থানানি চ নৰা ভূৰি।
দুর্গেতি ভদ্রকালীতি বিজয়া বৈষ্ণৱীতি চ।।
কুমুদা চণ্ডিকা কৃষ্ণা মাধৱী কন্যকেতি চ।
মায়া নাৰায়ণীশাণী শাবদেত্যম্বিকেতি চ।।
(১০/০২/১০-১২)

শ্রীমন্ত শঙ্কৰদেৱে এই শ্লোক তিনিটাৰ অনুবাদ কৰিছে এনেদৰে—

হেন দেখি নাৰায়ণে আদেশ কৰিলা পাছে
মহামায়া গোকুলক যাহা।
দৈৱকীৰ গর্ভ হৰি ৰোহিণীত থৈয়ো নিয়া
যশোদাত তুমি উপজাহা।।
আমিও সাক্ষাতে গৈয়া দৈৱকীত উপজিবো
বসুদেৱে আনিব পলাই।
দুর্গা ভদ্রা কালী আদি হইবেক তোমাৰ নাম
থাকিবা লোকৰ পূজা খাই।।

গতিকে যোগমায়াক নির্দেশ দিয়া এই শ্লোক বা পদসমূহৰ দ্বাৰা শক্তিৰ প্রাধান্য স্বীকাৰ কৰা হৈছে।

শক্তিতত্ত্ব বা মাতৃতত্ত্ব সম্পর্কে উপনিষদ গ্রন্থতো কিছুমান আধ্যাত্মিক তত্ত্বগধুৰ বাক্য পোৱা যায় যিবোৰ প্রমাণৰ ঊর্দ্ধত। বিনা প্রমাণে সেই খণ্ডবাক্যবোৰ স্বতঃসিদ্ধ— 'মাতৃদেৱো ভৱ', 'পিতৃদেৱো ভৱ', 'আচার্য্যদেৱো ভৱ', 'অতিথিদেবো ভৱ'। এই উপনিষদ বাক্যত মাতৃ-পিতৃ-আচার্য্য, অতিথি সকলোৱে দেৱতা স্বৰূপ হওক বুলি উল্লেখ কৰা হৈছে যদিও প্রথমতে মাতৃকেই দেৱতা ৰূপে মান্যতা দিয়াৰ কথা উল্লেখ কৰিছে। আকৌ মাতা শব্দৰ ব্যুৎপত্তিগত অর্থ বা আভিধানিক অর্থইও মাতৃ বা মাতা পূজার্হা বুলিয়েই ইঙ্গিত কৰে। 'মান্যতে পূজ্যতে য়া সা মাতা।' যিগৰাকী সন্মানীয়া বা পূজাৰ যোগ্য তেৱেঁই মাতা। মাতৃক সাধাৰণতে 'মা' বুলি জনা যায়। স্থানভেদে 'আই', 'বৌটি', 'মম্মী' আদি শব্দৰেও মাতৃক সম্বোধন কৰা হয়। এই 'মাতৃ' বা 'মাতা'ৰ আভিধানিক সমার্থক শব্দবোৰ হৈছে— জনয়িত্রী, জননী, জনিত্রী, সাৱিত্রী, প্রসু জনিঃ, অক্কা, অম্বিকা, অম্বালিকা, মাতৃকা প্রভৃতি।

ব্রহ্মবৈৱর্ত্তপুৰাণৰ গণপতিখণ্ডৰ কার্ত্তিকেয় সংবাদ নামৰ পঞ্চদশ অধ্যায়ত যোল্ল প্রকাৰৰ মাতৃৰ উল্লেখ পোৱা যায়

স্তনদাত্রী গর্ভধাত্রী ভক্ষদাত্রী গুৰুপ্রিয়া।
অভীষ্টদেৱপত্নী চ পিতুঃপত্নী চ কন্যকা।।
সগর্ভজা য়া ভগিনী পুত্রপত্নী প্রিয়াপ্রসূঃ।
মাতুর্মাতা পিতুর্মাতা সোদৰস্য প্রিয়া তথা।।
মাতুঃ পিতুশ্চ ভগিনী মাতুলানী তথৈৱ চ।
জনানাং ৱেদবিহিতা মাতৰঃ ষোড়শঃ স্মৃতাঃ।।

এই যোল্লগৰাকীক বেদ বিহিতা মাতৃৰূপে জনা যায়। সেইকেইগৰাকী হ'ল— ১) যিয়ে স্তন দান কৰে। ২) যিয়ে গর্ভত ধাৰণ কৰে। ৩) অন্নদাত্রী অর্থাৎ যিগৰাকীয়ে ভোজন দিয়ে। ৪) গুৰুৰ পত্নী। ৫) নিজৰ ইষ্টদেৱতাৰ পত্নী। ৬) পিতাৰ পত্নী অর্থাৎ বিমাতা। ৭) নিজৰ কন্যা। ৮) একে গর্ভত জন্মা ভনী। ৯) পুত্রৰ পত্নী অর্থাৎ বোৱাৰী। ১০) স্বমাতৃৰ বান্ধৱী। ১১) মাতৃৰ মা অর্থাৎ মাতামহী। ১২) পিতৃৰ মা অর্থাৎ পিতামহী। ১৩) সহোদৰৰ পত্নী অর্থাৎ নবৌ বা ভাইবোৱাৰী। ১৪) মাতৃৰ ভনী অর্থাৎ মাহী বা জেঠাই। ১৫) পিতৃৰ ভনী অর্থাৎ পেহী আৰু ১৬) মাতুলপত্নী অর্থাৎ মামী।

যদিও সাধাৰণতে আমি জন্মদাত্রীকেই মা বুলি ভাবো কিন্তু সনাতন ধর্ম শাস্ত্রত উক্ত আটাইকেইগৰাকীকে মাতৃৰ মর্যাদা প্রদান কৰা হৈছে আৰু মাতৃতত্ত্বৰ ই এক বিশেষ তাৎপর্য্য।

পিতৃ-মাতৃ উভয়ৰ তৎপৰতাতেই পুত্র-পুত্রীয়ে ইহ সংসাৰত সুখ-সম্ভোগেৱে কাল অতিবাহিত কৰিব পাৱে। জন্মদাতা আৰু অন্নদাতাৰূপে মাতৃৰ সমানে পিতৃও দায়বদ্ধ আৰু দায়িত্ব পালনৰ ক্ষেত্রত উভয়েই সম্মানৰ যোগ্য। কিন্তু গর্ভধাৰণৰ ক্ষমতা সম্পন্ন মাতৃৰ তুলনাত পিতৃৰ কষ্ট নিশ্চয় লঘুতৰ। অকল ধাৰণেই নহয় গর্ভস্থিতিৰ সময়ৰ পৰা প্রসৱৰ সময় পর্যন্ত অদৃশ্যৰূপত সন্তানৰ পোষণ আৰু প্রসৱৰ পিছৰ পৰা স্বাৱলম্বী নোহোৱা পর্যন্ত সন্তানৰ পালন-পোষণ বর্দ্ধন আদিত মাতৃয়ে অশেষ নির্যাতন সহ্য কৰিবলগীয়া হয়। আনকি সুশিক্ষা গ্রহণ কৰাই সমাজত সন্তানক এক সুস্থিৰ জীৱন পৰিচালনা কৰোৱাৰ ক্ষেত্রতো পিতৃতকৈ মাতৃৰ ভূমিকা বহুগুণে বেছি। সেয়েহে শাস্ত্রত মাতৃৰ গুণানুকীর্তন কৰি কোৱা হৈছে—

তয়োঃ শতগুণে মাতা পূজ্যামান্যা চ বন্দিতা।
গর্ভধাৰণপোষাভ্যাং সা চ তাভ্যাং গৰীয়সী।।
(ব্র. বৈ. পুৰাণ/গণপথিখণ্ড)

ইয়াত 'তয়োঃ' শব্দৰ দ্বাৰা পিতৃ-মাতৃ উভয়কে বুজোৱা হৈছে। দুয়োগৰাকীৰ ভিতৰত গর্ভধাৰণ আৰু পোষণৰ দায়িত্ব পালনৰ কাৰণে মাতৃ পিতৃতকৈ শগুণে পূজনীয়া আৰু বন্দিতা বুলি কোৱা হৈছে।

আন এক বচন অনুসৰি দহজন বিপ্রতকৈও উপাধ্যায় বা শিক্ষাদাতা অধিক শ্রেয়। আকৌ তেওঁলোকতকৈও পিতৃ শ্রেয় আৰু এই সকলোৱে ওপৰত হৈছে মাতৃ। মাতৃ সদায় দেৱী সদৃশ। সেই কাৰণে পুত্রসকলে সসম্মানে মাতৃপূজা কৰা উচিত। এই বিষয়ে বহ্নিপুৰাণত এক উপাদেয় বচন পোৱা যায়—

মাতুশ্চ যৎহিতং কিঞ্চিৎ কুৰুতে ভক্তিতঃ পুমান্।
তদ্ধর্মং হি ৱিজানীয়াদেৱং ধর্মৱিদো ৱিদুঃ।।
(বহ্নিপুৰাণ)

যিসকল লোকে মাতৃৰ অলপমানো হিত সাধন কৰে সেইসকলৰ কর্মকেই ধর্মবেত্তা লোকসকলে ধর্ম বুলি অভিহিত কৰিছে। গতিকে এই ধর্মৰ ওপৰত গুৰুত্ব দি সকলোৱেই মাতৃসকলক কায়-মন-বাক্যে শ্রদ্ধা কৰিব লাগে। এয়াই হৈছে মাতৃতত্ত্ব বা শক্তি তত্ত্ব বা দেৱী তত্ত্বৰ মূল তাৎপর্য্য।

অভীষ্ট সিদ্ধিৰ কাৰণে দেৱী পূজাৰ প্রচলন পূর্বৰে পৰা ভাৰতবর্ষত প্রচলিত হৈ আছে। ব্রজাঙ্গনাসকলে নন্দপুত্র গোপালক স্বামীৰূপে লাভ কৰাৰ কাৰণে এমাহ ব্যাপী কাত্যায়নী ব্রত পালন কৰি দেৱী কাত্যায়নীৰ ওচৰত এনেদৰে প্রার্থনা কৰিছিল—

কাত্যায়নি মহামায়ে মহায়োগিন্যধীশ্বৰি।
নন্দগোপসুতং দেৱি পতিং মে কুৰুতে নমঃ।।
ইতি মন্ত্রং জপন্ত্যস্তাঃ পূজাং চক্রুঃ কুমাৰিকাঃ।। ৪।।
এৱং মাসং ব্রতং চেকঃ কুমার্য্যঃ কৃষ্ণচেতসঃ।
ভদ্রকালীং সমানচুঃ ভূয়ান্নন্দসুতঃ পতিঃ।। ৫।।

ভাগৱত/১০/২২/৪-৫//

শ্রীমদ্ভাগৱত মহাপুৰাণত উল্লেখ থকা এই শ্লোকদ্বয়ৰ পৰাও সেই সময়ৰ শক্তি আৰাধনাৰ উমান পোৱা যায়। বর্তমানেও পতি লাভৰ কাৰণে বা পুত্রলাভৰ কাৰণে কাতি মাহত কাত্যায়নী দেৱীৰ পূজা-অর্চনা প্রচলিত আছে।

আকৌ শ্রীমদ্ভগৱতগীতাৰ সপ্তম অধ্যায়ত শ্রীকৃষ্ণই নিজ মুখে ব্যক্ত কৰিছে—

য়ো য়ো য়াং য়াং তনুং ভক্তঃ শ্রদ্ধয়ার্চিতুমিচ্ছতি।
তস্য তস্যাচলাং শ্রদ্ধাং তামেৰ ৱিদধাম্যহম্।।

গীঃ/VII/২১

অর্থাৎ যি যি ভক্তই যি যি দেৱতাক শ্রদ্ধা সহকাৰে পূজা কৰিব বিচাৰে, সেই সেই দেৱতাৰ প্রতিহে মই তেওঁলোকৰ শ্রদ্ধা দৃঢ় কৰি দিওঁ।

শ্রীকৃষ্ণৰ এই বচনৰ পৰা এইটো সাব্যস্ত কৰিব পাৰি যে যি লোকে যি দেৱতাকেই পৰম শ্রদ্ধাৰে মান্যতা দিব খোজে পৰমেশ্বৰ ভগৱানে তেওঁৰ শ্রদ্ধা তাতেই দৃঢ় কৰি দিয়ে। ইয়াত ভগৱানৰ পক্ষপাতিত্ব ৰাহিত্যৰ আৰু উদাৰতাৰ প্রমাণ পোৱা যায়। গতিকে ভক্তসকলে তেওঁলোকৰ যিকোনো অভিপ্সিত দেৱতাক (দেৱই হওক বা দেৱীয়ে হওক) পূজার্চনা কৰিব পাৰে।

প্রাগজ্যোতিষপুৰ বা কামৰূপ অতি প্রাচীন কালৰে পৰাই যে শক্তি আৰাধনাৰ কাৰণে প্রসিদ্ধ আছিল ৰজা-মহাৰজাসকলৰ বৃত্তান্তৰ পৰা তাৰ উমান পোৱা যায়। এই ভৌগোলিক অঞ্চল পূর্বতে অষ্ট্রিক আৰু মঙ্গোলীয়া বা কিৰাটসকলৰ বাসস্থান আছিল। অষ্ট্রিকসকল দেৱী পূজক আছিল আৰু কিৰাটসকল দেৱী আৰু শিৱৰ উপাসক আছিল। 'কামাখ্যা' পদটো অষ্ট্রিক ভাষাৰ 'কামোচ' শব্দৰ পৰা উদ্ভূত বুলি ক'ব পাৰি। 'কামোচ' শব্দৰ অর্থ 'মৰাশ'। মৰাশৰ সৈতে 'কামাখ্যা'ৰ সম্পর্ক নোহোৱা নহয়। কাৰণ সতীৰ দেহৰ (মৰাশৰ) যোনিমণ্ডল নীলাচলত পতিত হৈ মহাদেৱী কামাখ্যাৰ উদ্ভৱ হৈছে। দেৱীৰ উদ্ভৱ কালৰ পৰা যি পূজা-অর্চনা চলি আছিল আজিও সেই অর্চনা চলিয়েই আছে আৰু থাকিব। এই পূজা-অর্চনাৰ যদি কিবা সুফল নহ'লহেঁতেন তেন্তে কামাখ্যা মন্দিৰত প্রতিদিনে হেজাৰ হেজাৰ লোকৰ সমাগম হোৱাৰ উপৰি অম্বুবাচী মহামেলাৰ সময়ত দেশ-বিদেশৰ লক্ষ্য লক্ষ্য ভক্তৰ সমাগম নহ'লহেঁতেন।

দেৱ-দেৱীৰ পূজাৰ ফল প্রত্যক্ষ নহয়। একান্ত ভক্তৰ বাবেহে ই সম্ভৱ হয় আৰু সেই ভক্তই পৰম ভক্তিৰ বলত তাক উপলব্ধি কৰিব পাৰে। এতিয়াও এনেকুৱা ভক্ত আছে যে তেওঁলোকে ভক্তিত নত হৈ সজল নয়নে দেৱীৰ কৃপা ভিক্ষা কৰে আৰু সময়ত সাফল্য লাভ কৰে।

আসুৰিক শক্তি বিনাশৰ কাৰণে শক্তিৰ আৰাধনা পূর্বৰে পৰা প্রচলিত আছে। মধুকৈটভ, মহিষাসুৰ, ৰক্তবীজ, শুম্ভ, নিশুম্ভ আদি অসুৰবিলাকক অন্য দেৱতাই পৰাভূত কৰিব নোৱাৰি দেৱীৰ আৰাধনা কৰিছিল আৰু দুর্গতি নাশিনী দেৱী দুর্গাই সেই অসুৰবোৰ নিধন কৰি স্বর্গৰাজ্যত শান্তিৰ বাতাবৰণ সৃষ্টি কৰিছিল। ৰজা সুৰথে আৰু সমাধি নামৰ বৈশ্যই তিনিবছৰ ধৰি শক্তিৰ আৰাধনা কৰি ক্রমে হৃত ৰাজ্য ঘুৰাই পাইছিল আৰু পৰম জ্ঞান লাভ কৰিছিল। এই জ্বলন্ত উদাহৰণবোৰলৈ অনুধাৱন কৰিলে বর্তমানেও কলুষ কালিমাই আৱৰি ধৰা বিশ্বব্রহ্মাণ্ডত বিশ্ববাসীৰ শান্তিৰ কাৰণে আৰু অপশক্তি দূৰীকৰণৰ কাৰণে মহামায়া মহাশক্তিৰ আৰাধনা নিতান্তই প্রয়োজনীয় বুলি ঠাৱৰ কৰিব পাৰি।

দেৱি অপন্নার্ত্তিহৰে প্রসীদ, প্রসীদ মাতর্জগতোঽখিলস্য।
প্রসীদ ৱিশ্বেশ্বৰি পাহি ৱিশ্বং, ত্বমীশ্বৰীদেৱি চৰাচৰস্য।।

দুঃসপ্তশতী/XI/৩

ওঁ তৎসৎ, ওঁ তৎসৎ, ওঁ তৎসৎ

লেখক পৰিচিতি ঃ অৱসৰী মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, ভট্টদেৱ বিশ্ববিদ্যালয়, পাঠশালা

মহিষমর্দিনী দুর্গতিনাশিনী দুর্গা

শম্ভু দত্ত শর্মা

"জয় ত্বৎ দেবি চামুণ্ডে জয় ভূতাত্তি হাৰিণি।
জয় সর্ব্বগতে দেবি কালৰাত্রি নমোহস্তুতে।।
জয়ন্তী মঙ্গলা কালী ভদ্রকালী কপালিনী
দুর্গা শিৱা ক্ষমা ধাত্রী স্বাহা স্বধা নমোহস্তুতে"
(মার্কণ্ডেয় পুৰাণ)

তোমাৰ জয় হওক, হে দেৱী তুমি জীৱগণৰ দুঃখ বিনাশিনী, তুমি সর্ব্বব্যাপিনী, সর্বজীৱত অবস্থিত, তুমি (প্রলয় কালত) সৃষ্টি সংহাৰিণী, তুমি কালৰাত্রি, তোমাক নমস্কাৰ।

হে দেৱী তুমি জয়ন্তী অর্থাৎ সর্বোৎকৃষ্টা, তুমি মঙ্গল অর্থাৎ মোক্ষ প্রদায়িনী, তুমি সর্ব সংহাৰিণী কালী, তুমি ভক্তৰ মঙ্গল দায়িনী, তুমি প্রলয়ৰ সময়ত ব্রহ্মা প্রভৃতিক নিহত কৰি তেওঁলোকৰ কপাল হাতত লৈ নৃত্য কৰি তুমি কপালিনী, বহু কষ্টত তোমাক লাভ কৰা যায় বুলি দুর্গা, তুমি শিৱা অর্থাৎ চৈতন্যময়ী, তুমি ক্ষমা অর্থাৎ দয়াময়ী, তুমি বিশ্বধাৰণ কাৰিণী, তুমি স্বাহা ও স্বধা অর্থাৎ দেবগণ আৰু পিতৃগণৰ পোষণ কাৰিণী হৈ দেৱী তোমাক প্রণাম কৰিছো।



"যা দেবি সর্বভূতেষু শক্তি ৰূপেণ সংস্থিতা"

অর্থাৎ জড় কিম্বা জীৱ আদি সকলো ভূত (প্রাণী)ৰ মাজতেই শক্তিৰূপে যি অন্তৰ নিহিত হৈ থাকে তেওঁৰে দুর্গা।

প্রকৃতিয়েই শক্তিৰ আধাৰ বুলি সৃষ্টিৰ পাতনিৰ পৰা মানুহে জ্ঞান কৰি আহিছে। পৰমা প্রকৃতিৰেই অন্য এক ৰূপ দুর্গা এই শক্তিৰ আধাৰ শক্তিময়ী প্রকৃতিকেই দুর্গাৰ প্রতিভূ স্বৰূপে যুগ যুগান্তৰৰ পৰা মানুহে আৰাধনা কৰি আহিছে। দেৱীৰ দুটা ৰূপ। এই দুয়োটা ৰূপেই সৃষ্টিৰ আদিৰ পৰা জনমানসত প্রভাৱ পৰি অহাটো দেখা যায়। কোনোবাই শক্তিৰ বাবে, কোনোবাই পৰিত্রাণৰ বাবে আৰু কোনোবাই চিৰ মঙ্গলৰ কাৰণে এই কল্যাণময়ী দেৱীক যুগ যুগান্তৰৰ পৰা সেৱা, পূজা-অর্চনা কৰি আহিছে।

"জলে স্থলে কাম্যৰূপে পূজনাচ্চ সমংফলং।
দেব তানাং যথা বিষ্ণুঃ শ্রেষ্ঠা লক্ষ্মী মহেশ্বৰী।।
কামৰূপে তথা দেৱী পূজা সর্ব্বোত্তমাস্মৃতা।
কামৰূপং দেৱীক্ষেত্রং কুত্রাপিত তৎ সমং নচ।।
অন্যত্র বিৰলা দেবি কামৰূপে গৃহে গৃহে।।
("যোগিনী তন্ত্রম")

কামৰূপৰ ক্ষেত্রত জলতে হওক বা স্থলতে হওক দেৱীৰ পূজা কৰিলে সদায় সমান ফল পায়।

হে মহেশ্বৰী দেৱতাসকলৰ ভিতৰত যেনেকৈ বিষ্ণুৱে শ্রেষ্ঠ দেৱতা আৰু লক্ষ্মীয়ে শ্রেষ্ঠা দেৱী হয় তেনেকৈ কামৰূপত দেৱীৰ পূজাও সর্বশ্রেষ্ঠ বুলি শাস্ত্রত উক্ত কৰিছে। কামৰূপত দেৱীক্ষেত্র, অন্য ক্ষেত্রত দেৱী বিৰলা হৈ থাকে কিন্তু কামৰূপত প্রতি ঘৰে ঘৰে দেৱী বিৰাজমান। সত্যযুগৰ পৰা পৃথিৱীক ৰক্ষা কৰিবলৈ ভগৱানে বিভিন্ন সময়ত বিভিন্নৰূপে দেৱতা নাইবা দেৱী ৰূপ ধাৰণ কৰি অন্যায়, অত্যাচাৰ, ব্যভিচাৰ, অনাচাৰৰ পৰা সকলো প্রাণীক ৰক্ষা কৰি আহিছে।

যদি আমি চাৰিটা যুগৰ বিশ্লেষণ কৰি চোৱা হয় দেখা পাওঁ, সত্য যুগত পাপ বোলা বস্তু নাছিল। কাতি মাহৰ কৃষ্ণ পক্ষৰ নৱমী তিথিত সত্যযুগৰ উৎপত্তি হৈছিল।

এই যুগত চাৰিজন পৰমাত্মা অৱতীর্ণ হৈছিল।

আঘোণ মাহৰ শুক্লা একাদশীত মৎস্য অৱতাৰ।

ভাদ মাহৰ শুক্ল পঞ্চমীত ৰাহ অৱতাৰ।

আহিন মাহৰ কৃষ্ণ পক্ষৰ তৃতীয়াত কুর্ম অৱতাৰ আৰু ৰ'হাগ মাহৰ শুক্ল পক্ষৰ চতুর্দশীত নৃসিংহ অৱতাৰ।

ভগৱানৰ এই চাৰিটা অৱতাৰত চাৰিটা মহান কার্য্য সম্পাদন হয়। প্রথম বেদ উদ্ধাৰ, দ্বিতীয় পৃথিৱী উদ্ধাৰ, তৃতীয় সমুদ্র মন্থন আৰু চৈধ্য ৰত্ন উদ্ধাৰ আৰু চতুর্থ অৱতাৰে নৃসিংহৰূপ ধাৰণ কৰি হিৰণ্য কশিপু নামৰ দৈত্যক বধ কৰি ভাৰ মুক্ত কৰিছিল। সত্য যুগৰ

আয়ুস আছিল ১৭,২৮,০০০ বছৰ।

ত্রেতা যুগত ভগৱানৰ তিনিটা অৱতাৰ আবিৰ্ভূত হৈছিল। 'বামন', 'পৰশুৰাম' আৰু 'শ্রীৰামচন্দ্র' ভাদ মাহৰ শুক্ল পক্ষৰ দ্বাদশী তিথিত বামন অৱতাৰ লৈ বলিবাজক ছলনা কৰিছিল।

ব'হাগ মাহৰ শুক্লপক্ষৰ তৃতীয়া তিথিত পৰশুৰাম অৱতাৰে পৃথিৱীক নিক্ষত্রিয় কৰিছিল। চ'ত মাহৰ শুক্ল পক্ষৰ নৱমী তিথিত শ্রীৰামচন্দ্র অৱতাৰে বাৱন আৰু ৰাক্ষক কুল নিধন কৰিছিল।

ত্রেতা যুগৰ আয়ুস আছিল ১২,৯৬০০০ বছৰ।

মাঘ মাহৰ কৃষ্ণ পক্ষৰ নৱমী তিথিত দ্বাপৰ যুগৰ উৎপত্তি হৈছিল, ৮,৬৪০০০ বছৰ স্থিতি কাল।

এই যুগত ভগৱানৰ দুটা অৱতাৰ হৈছিল।

প্রথম ভাদ মাহত কৃষ্ণ পক্ষৰ অষ্টমী তিথিত ভগৱান শ্রীকৃষ্ণৰূপে আবিৰ্ভূত হৈ দৈত্যৰাজ কংস আৰু শিশুপালক নিধান কৰি পৃথিৱীৰ ভাৰ লাঘৱ কৰিছিল।

পুহ মাহৰ শুক্লপক্ষৰ সপ্তমী তিথিত বুদ্ধদেৱৰ জন্ম হয়। এই সময়ত মানুহৰ মনৰ পৰা হিংসাবৃত্তি দূৰ কৰিছিল।

ভাদ মাহৰ কৃষ্ণ পক্ষৰ ত্রয়োদশী তিথিত কলিযুগৰ উৎপত্তি হৈছে। ৪,৩২০০০ এই যুগৰ স্থিতিকাল।

এই যুগৰ প্রভাৱত কোনেও নিজৰ ধৰ্মত নাথাকিব। বহুতে অধৰ্মত ৰত হ'ব আৰু অকৰ্ম কু-কৰ্ম কৰিব পৰস্পৰে পৰস্পৰৰ ধৰ্মক নিন্দা কৰিব।

"ব্রহ্মধৰ্ম নাহি আশ্রম চাৰি।
সুৰতি বিৰোধ ৰত নৰ নাৰী।।
সো কলিকাল কঠিন উৰগাৰী।
পাপ পৰায়ণ বহু নৰ নাৰী।।
সোমৰৰ্থ ৰত পৰিবাৰ বিৰোধী।
লম্পট কাম লোভে অতি ক্রোধী।।"

এই চাৰিটা যুগক একে লগে বোলা হয় দিব্যযোগ (৪৩ লক্ষ ২০ হাজাৰ)। এনেদৰে ৭১টা দিব্য যুগ ধৰি পৃথিৱীত ৰাজত্ব কৰে এক একজন মেনু।

প্রত্যেক মনু যিমান দিন ধৰি পৃথিৱীত ৰাজত্ব কৰে সেই সময়টোৰ নাম এক এক মন্বন্তৰ। এনেদৰে চৈধ্যজন মনুৰ ৰাজত্ব কৰাৰ পিছত সৃষ্টিকৰ্ত্তা ব্রহ্মাৰ মাত্র এটা দিন যায়।

সেই সময়ত সৃষ্টি লোপ পাই মহাপ্রলয় হয়। ব্রহ্মাৰ এই প্রতিদিনক এক একোটা সৃষ্টিকল্প বুলি ধৰা হয়।

এই চৈধ্যজন মনু হ'ল যথাক্রমে স্বায়ম্ভব, স্বৰোচিত্ব, ঔত্তম, তামস, ৰৈবত, চাক্ষুষবৈবস্বত, ব্রহ্মসাবর্ণি ৰুদ্র সাৰণি, ধৰ্মাসাবর্ণি, দেৱ সাৰণি আৰু ইন্ড সাবর্ণি।

সাবর্ণি, দক্ষ সাবর্ণি আমাৰ এই পৃথিৱীত এই পর্যান্ত ৰাজত্ব কৰিছে ছয়জন মনুৱে এতিয়া সপ্তম মনু অর্থাৎ বৈবশ্বত মনুৰ ৰাজত্ব চলি আছে। ইয়াৰ পিছত ৰাজত্ব চলিব সূর্য্যৰ পুত্র সাবর্ণিৰ।

দ্বিতীয় মনুৰ ৰাজত্বকালত সুৰথ নামে এজন ৰজা আছিল, দেৱী চণ্ডীক আৰাধনা আৰু তপস্যাত তুষ্ট কৰি তেওঁ দেৱীৰ ৰৰত ৭১ দিব্য যুগ ধৰি পৃথিৱী অধিকাৰ কৰি থাকিব।

"চৈত্র বংশ সমুদভূতো বাজা স্ববোচিমেহন্তবে।
সুৰথ নাম বিখ্যাত মহাবল পৰাক্রমঃ।।
গুণগ্রাহী ধনুদ্ধাৰী মান্য। শ্রেষ্ঠঃ কবি কৃতৌ।
ধন সংগ্রকর্তা চদাতা যাচ কমণ্ডলে।।"

(দেৱী ভাগৱত, ১০১২ পৃষ্ঠা)

অষ্টম মনু সাবর্ণি জন্মান্তৰে দেৱীৰ মৃন্ময়ী মূর্ত্তিত আৰাধনা কৰি থকা নাৰদে আহি ক'লে?

"এই সাবর্ণি চৈত্র বংশ সম্ভূত মহাবল পৰাক্রমশালী সুৰথ নামে বিখ্যাত ৰজা আছিল। তেওঁ গুণগ্রাহী এনু বিদ্যাত পাৰদর্শী, ধন সংগ্রহ কর্তা, বিখ্যাত দাতা আৰু শ্রেষ্ঠ কবি আছিল। তেওঁ সকলো প্রকাৰ অস্ত্র বিদ্যাত নিপুণ আৰু শত্রু দমনত অদ্বিতীয় বীৰ আছিল। এই সময়ত ৰাজাত বিদ্রোহ হৈ প্রবল প্রতাপী কিছুমান শত্রু সৈন্যই সুৰথৰ ৰাজ্য কোলা নগৰী বিধ্বংস কৰি ধন, সোণ, ঐশ্চর্য্য বিভূতিলৈ ৰজা সুৰৰ্থক নগৰৰ পৰা নিষ্কাষিত কৰিলে।

তাৰ পিছত ৰজা, দীর্ঘদশী সুমেধা নামক এক মুনিৰ আশ্রমত উপস্থিত হ'ল। তেওঁ মুনিৰ সেৱা পূজাত লাগি থাকিল। এদিনাখন মুনিৰ আগত সকলো কথা বিৱৰি কোৱাত—

"আকর্ণয় মহীপাল মহাশ্চর্য্য কৰং পৰম।
দেৱী মাহাত্মামতুল্য সর্ব কাম পদপৰম।।
জগন্ময়ী মহামায়া বিষ্ণু ব্রহ্মা হৰোস্তবা।
সা বলাদপ হ্যত্যৈৰ জন্তূনাং মানসানিহি।।
মোহায় প্রতি সংযচ্ছে দিতি জানীহি ভূমিপি"

(দেৱী ভাগৱতৰ দশম স্কন্ধ)

হে মহাপাল অতি বিস্ময়কৰ সর্বকাম পদ অতুল দেৱী মাহাত্মা তুমি শুনা, জগন্ময়ী মহামায়া ব্রহ্মা, বিষ্ণু আৰু শিৱৰ জননী। তেওঁ সর্বদা অখিল বিশ্বৰ সৃষ্টি, পালন আৰু হৰ ৰূপে সংহাৰ কৰি আহিছে।

সেই মহামায়া জীৱগণৰ কামনা পূৰণকাৰী আৰু দুৰত্যয় কালৰাত্রি নামে অভিহিত হৈ থাকে। তেওঁ বিশ্বসংহাৰিণী কালী আৰু কমল বাসিনী কমলা। এই নিখিল জগৎ তেওঁৰ হাততে লয় প্রাপ্তি হয়। হে ৰাজন যাৰ ওপৰত দেৱীৰ অনুগ্রহ হয়, সেই ব্যক্তি মোহ অতিক্রম কৰিব পাৰে নাইবা কোনেও মোহৰ পৰা মুক্ত হ'ব নোৱাৰে। পৃথিৱীত যেতিয়া অন্যায়, অত্যাচাৰ, ব্যভিচাৰ, অনাচাৰে আগুৰি ধৰে তেতিয়া যুগে যুগে আবির্ভাব হয় দেৱ-দেৱীৰ শক্তি প্রদর্শন।

"মহিষীগর্ভ সম্ভূতো মহাবল পৰাক্রম
দেৱান সর্ব্বান পৰাজিত্য মহিষোহভূজ্জগৎ প্রভুঃ
সর্ব্বেষাংলোক পালানা মত্রিকাৰণ মহাসুৰঃ

বল্লান্নিজিত্যু বুভুজে ত্রৈলোকৈশ্বৰঞ্জয্য মদ্ভুতম্”

(দেৱী ভাগৱত)

মহিষীগর্ভ সম্ভূত মহাবল প্রভাৱশালী মহিষাসুৰে সকলোবোৰ দেৱগণক পৰাজয় কৰি সমস্ত জগতৰ প্রভু হৈছিল। সেই মহাবল মহিষাসুৰে বলপূর্বক সমস্ত লোকপালকসকলৰ অধিকাৰ অপহৰণ কৰি ত্রৈলোক্যৰ ঐশ্বর্য্য ভোগ কৰিব ধৰিলে। দেৱগণসকলে পৰাজিত আৰু স্বর্গচ্যুত হৈ ব্রহ্মাক আগত লৈ য'ত শঙ্কৰ আৰু বিষ্ণু অৱস্থিত সেই মহা পুণ্য ভূমিলৈ গমন কৰিলে।

তেওঁবিলাকৰ আগত দুৰাত্মা মহিষাসুৰৰ বৃত্তান্ত ক'লে। হে ভগৱান বলবীর্য্যমছোদ্ধত এটা অসুৰে বল পূর্বক সমস্ত দেৱগণৰ স্থান অধিকাৰ কৰি ভোগ কৰি আছে।

হে অমৰেশ্বৰ যুগল সেই দুষ্ট দৈত্যৰ নাম মহিষাসুৰ। ভগৱান বিষ্ণুয়ে দেৱতাবিলাকৰ কাতৰ বাক্য শ্রৱণ কৰি অতিশয় কুপিত হ'ল। শঙ্কৰ পদ্মযোনি আৰু অন্যান্য দেৱতাসকলে কোপ প্রকাশ কৰিলে।

তেতিয়া হৰিৰ মুখ মণ্ডলৰ পৰা সহস্র সূর্য্যৰ ন্যায় কান্তিময় এক অপূর্ব তেজ নির্গত হ'ল। লগে লগে সমস্ত দেৱগণৰ শৰীৰত তেজ নির্গত হৈ জ্যোতিষ্কৰ পৰা এক ৰমণীমূর্তি উৎপন্ন হ'ল। মহাদেৱৰ শৰীৰৰ পৰা যি তেজ উৎপন্ন হৈছিল, সেই তেজৰ পৰা মুখ, যমৰ তেজৰ পৰা কেশ আৰু বিষ্ণুৰ তেজৰ পৰা বাহু উৎপন্ন হ'ল।

“সৌমোনে চন্তনৌ জাতৌ মাহেন্দ্রেণ চমাধ্যমঃ।
বাৰুনেন ততোভূপ জঙেঘাদসম্ব ভবতুঃ।।
নিতম্বো তেজসা ভূমেঃপাদৌ ব্রাহ্মোণ তেজসা
পাদাঙ্গুল্যো ভানবেন কৰাঙ্গুলী”

(দেৱী ভাগৱতৰ দশম স্কন্ধ)

চন্দ্রৰ তেজৰ পৰা স্তনদ্বয়, ইন্দ্রৰ তেজৰ পৰা মধ্যভাগ, বৰুণৰ তেজৰ পৰা জংঘা আৰু উৰু যুগল, পৃথিৱীৰ তেজৰ পৰা নিতম্ব, ব্রহ্মাৰ তেজৰ পৰা পাদদ্বয়, সূর্য্যৰ তেজৰ পৰা পাদাঙ্গুলি, বসুৰ তেজৰ পৰা কৰাঙ্গুলি, কুবেৰৰ তেজৰ পৰা নাসিকা, প্রজাপতিৰ তেজৰ পৰা দন্তপাক্তি, অগ্নিৰ তেজৰ পৰা লোচন-ত্রয়, সন্ধ্যাৰ তেজৰ পৰা হুযুগল, বায়ুৰ তেজৰ পৰা কর্ণযুগল উৎপন্ন হ'ল।

এনেদৰে সমস্ত দেৱতাৰ তেজেৰে ভাগৱতী মহিষমর্দিনী উৎপন্ন হ'ল—

“শূলং দদৌ শিবো বিষ্ণু শুক্রং শঙ্খঞ্চপাশভূৎ।
হুতাশনো দদৌ শক্তিং মাৰুত শাপযায়কো।।
ব্রজং মহেন্দ্রঃ প্রদদৌ ঘণ্টা ঋৈৰাবতাদগজাৎ।
কাল দণ্ডং যমো ব্রহ্মা চাক্ষমালা কমণ্ডলু।।
দিবাকৰে ৰশ্মিমালং বোমকূপেষু সন্দদৌ।
কালঃ খঙ্গ তথা চর্ম্ম নির্মূলং বসুধা ধিপ।।
সমুদ্রো নির্ম্মলং হাৰ মজৰে চাম্বৰে ৰূপ।
চুৰামণিং কুণ্ডলে চ কটকানি তথাঙ্গদে।।
অর্দ্ধচন্দ্রং নির্ম্মলঞ্চ নুপুৰাণি তথা দদৌ।
গ্রৈবেয়কং ভূষণঞ্চ তস্যৈ দেৱৌ মুদান্বিতা।।
বিশ্বকর্মা চেগ্নিকাসা দদৌ তসৌধৰাপতে।
হিমবান বাহনং সিংহং ৰত্নানি বিবিধানিচ।।”

এনেদৰে দেৱতাসকলে মহামায়াক বিভিন্ন অস্ত্র-শস্ত্রৰে সু-সজ্জিৎ কৰিলে। মহিষপীড়িত দেৱগণে সেই জগত জননী মহেশ্বৰী মহাদেৱীক নানাবিধ স্তোত্রৰদ্বাৰা স্তৱ কৰিলে। দেৱ পূজিতা সেই দেৱেশী দেৱতাসকলৰ স্তৱ শ্রৱণ কৰি মহিষাসুৰ বধৰ নিমিত্তে মহানন্দ কৰিব ধৰিলে।

‘গর্জ গর্জন ক্ষনং মুঞ্জ যাবৎ পিবামাহম।
ময়া ত্বয়ি হতেহত্রৈৰ গর্জিধ্যন্ত্যাশু দেবতাঃ।।’

(শ্রীশ্রীচণ্ডী)

হে মূর্খ মই যেতিয়ালৈকে মধুপান কৰি আছো সেই সময় পর্যন্ত গর্জন কৰি থাকা। তোমাক বধ কৰিলে দেৱতাবিলাক আনন্দত আত্মহাৰা হ'ব। এইদৰে কৈ দেৱীয়ে মহিষাসুৰৰ ওপৰত উঠি আক্রমণ কৰিলে। মহিষাসুৰে এই আক্রমণত চমকিত হৈ নানা ধৰণৰ অস্ত্র-শস্ত্র নিক্ষেপৰ দ্বাৰা আকাশ মণ্ডল আচ্ছন্ন কৰি দেৱীৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে। দানৰোত্তম মহিষ, বিষ্কুৰ, দুর্দ্ধৰ, দুর্মুখ, বাস্কল, তাম্রক আৰু বিড়ালাষ্য প্রভৃতি অসংখ্য যমতুল্য সেনাপতি পর্ব্বিত্ত হৈ ঘোৰতৰ যুদ্ধত লাগি গ'ল। সর্বলোক বিমোহিনী দেৱীৰ ক্রোধত মহিষ পক্ষীয় সেনাপতিসকল ক্রমে নিহত হ'ল।

মায়া বিষাৰদ সেই মহিষাসুৰ ক্রোধত মোহিত হৈ দ্রুত পদে সেই দেৱীৰ অভিমুখে ধাৱমান হ'ল। সেই দানৰেশ্বৰে মায়াৰ বলত নানা ৰূপ ধাৰণ কৰিবলৈ ধৰিলে।

ভগৱতীয়ে তেওঁৰ বিভিন্ন মায়ামূর্ত্তি বিনাশ কৰি গ'ল। শেষত দেৱদলনকাৰী সেই দৈত্যই মহিষৰূপ ধাৰণ পূর্বক যুদ্ধ কৰিব ধৰিলে।


দেৱী-দেৱতাসকলৰ অন্তৰস্বৰূপ সেই মহিষক পাশ অস্ত্রৰ দ্বাৰা সুদৃঢ়ৰূপে বন্ধ কৰি খড়্গৰ দ্বাৰা শিৰাশ্ছেদন পূর্বক নিপাত কৰিলে। ইয়াকে দেখি অবশিষ্ট সৈন্যগণে হাহাকাৰ কৰি দশদিশে পলাব ধৰিলে।

এই দৃশ্য দেখি দেৱতাবিলাকে অতিশয় আনন্দিত হৈ দেৱদেৱেশক স্তৱ কৰিব ধৰিলে।

“এবং লক্ষ্মীঃ সমুৎপন্না মহিষাসুৰ মর্দ্দিণী” এই ৰূপে লক্ষ্মী মহিষাসুৰ মর্দ্দনৰ নিমিত্তে উৎপন্ন হৈছিল।

“ওঁ অনাদ্যাং পৰামাৰাধ্যাং সর্ব্বশক্তি স্বৰূপিনীম্।
প্রত্যক্ষাং মহিমাময়ীং চিন্ময়ীং পৰমেশ্বৰীম্।।
ভক্তানাংঃ হাদি বিহাৰিণীং মুক্তি প্রদায়িণীম্।
নমামি সদা দুর্গাং সর্ব্বকামর্থ দায়িণীম্।।❑

লেখক পৰিচিতি ঃ প্রাক্তন মুখ্য পুৰোহিত, গীতানগৰ সার্বজনীন দুর্গা পূজা।



পুৰণি অসমত দেৱী পূজাৰ পৰম্পৰা

ড° কনক চন্দ্র চহৰীয়া

অসমত দেৱী পূজাৰ পৰম্পৰা যথেষ্ট প্রাচীন। পুৰণি কামৰূপ তথা আজিৰ উত্তৰ-পূর্বাঞ্চলৰ বিভিন্ন ঠাইত থকা শক্তি উপাসনাৰ কেন্দ্র আৰু শক্তিপীঠসমূহেই ইয়াৰ সাক্ষ্য বহন কৰে। পুৰণি অসম তথা কামৰূপত কামাখ্যাধামেই শক্তি উপাসনাৰ প্রধান কেন্দ্রৰূপে পৰিচিত আছিল। অতীতত এই অঞ্চলত যে দেৱী পূজাৰ ব্যাপক প্রচলন আছিল তাৰ এটা উল্লেখযোগ্য নিদর্শন হ'ল 'কালিকা পুৰাণ'। দশম-একাদশ শতিকাত ৰচিত বুলি ঠাৱৰ কৰা এই গ্রন্থখনৰ প্রায়খিনি কথাই শক্তিপূজাৰ লগত জড়িত। ইয়াত প্রায় নব্বৈটা অধ্যায়ত শক্তিমাহাত্ম্যৰ কথা বিশদভাৱে বর্ণিত হৈছে। অৱশ্যে তাৰ মাজতে শিৱ আৰু বিষ্ণু সম্পর্কীয় কথাও নথকা নহয়। গ্রন্থখনত দেৱী কামাখ্যাৰ উৎপত্তি আৰু সাধন প্রণালীৰ বিষয়েও পোৱা গৈছে। তদুপৰি মন্ত্রোপদেশ, মণ্ডল নির্মাণ, পূজাবিধি, বলিবিধান, কালীকবচ, দেৱীতন্ত্র, কাত্যায়নীৰ আবির্ভাৱ, দেৱী পূজাৰ প্রয়োজনীয়তা, কামাখ্যাৰ বিৱৰণ, কামাখ্যাৰ পূজা, ত্রিপুৰা তন্ত্র, কামেশ্বৰী তন্ত্র, শাৰদা তন্ত্র, নমস্কাৰ আৰু মুদ্রা আদি আন ভালেমান গুৰুত্বপূর্ণ দিশেও গ্রন্থখনত ধৰা দিছে। দেৱী পূজাৰ সম্পর্কত কৰণীয় প্রয়োগবিধিসমূহেও ইয়াত বিশেষভাৱে স্থান পাইছে। এইক্ষেত্রত ষোড়শভুজা মহামায়াক পূজা কৰোঁতে গীত-বাদ্য আৰু স্বৰেৰে নানাবিধ নৈবেদ্য সম্ভাৰ দিয়া, অষ্টাদশভুজা মহামায়াক নৱমীৰ দিনা গীত-বাদ্যৰে বোধন কৰা আদি কথাবোৰ এই প্রয়োগবিধিৰ বিশেষ উল্লেখযোগ্য দিশ।

কালিকা পুৰাণৰ দৰেই ষোড়শ শতিকাত ৰচিত 'যোগিনীতন্ত্র' নামৰ গ্রন্থখনতো শক্তিপূজাৰ ভালেমান দিশ উন্মোচিত হৈছে। যোগিনীতন্ত্রৰ কথাবিলাক মহাকালীৰ অনুৰোধত মহাযোগী শিৱৰ মুখেদি বর্ণিত হৈছে। শিৱই তেওঁৰ বর্ণনাত কালীৰ ভয়ংকৰ দশমহাবিদ্যাৰূপে যোগিনীসকলৰ সাধন প্রণালী, মন্ত্রোদ্ধাৰ, জাৰণ-মাৰণ, উচ্চাটন, স্তম্ভন, বিদ্বেষণ, বশীকৰণ আদি ভালেমান দিশ দাঙি ধৰিছে। পুৰণি অসমত ৰচিত এই কালিকা পুৰাণ আৰু যোগিনীতন্ত্রৰ দৰেই কামাখ্যাতন্ত্র, হৰগৌৰীসংবাদ আদি আন ভালেমান সংস্কৃত গ্রন্থৰপৰাও যে অসমত অদ্যাৱধি প্রচলিত দেৱী পূজাৰ প্রাচীনতা সম্পর্কে জানিব পৰা যায় তাত সন্দেহ নাই। নক'লেও হ'ব, কামৰূপ তথা পুৰণি অসমত দূৰ অতীতৰপৰাই দেৱী পূজা তথা দেৱীৰ সাধন প্রণালীৰ এটা শক্তিশালী ঐতিহ্য আছিল বাবেই পৰৱর্তী কালত এই গ্রন্থবোৰ ৰচিত হৈছিল।

শক্তিস্বৰূপা দেৱীৰ বিবিধ অভিব্যক্তিৰ ভিতৰত এটা প্রধান ৰূপ দেৱী দুর্গা। দুর্গাদেৱীৰ পূজা ভাৰতবর্ষৰ বিভিন্ন ঠাইৰ লগতে অসমতো অতীতৰে পৰা প্রচলন হৈ আহিছে। দেৱী ভাগৱত আৰু কালিকা পুৰাণত বিশেষভাৱে উল্লেখ থকা এই দুর্গা পূজাৰ প্রচলন অসমত কিমান প্রাচীন তাক সঠিককৈ নির্ণয় কৰা টান। অৱশ্যে খননকার্যৰ ফলত উদ্ধাৰ হোৱা দেৱীৰ বিবিধ শৈলমূর্তি আৰু ভালেমান শিলালিপিয়ে এই ক্ষেত্রত কিছু সম্ভেদ নিদিয়াকৈ নাথাকে। অসম তথা উত্তৰ-পূর্বাঞ্চলত এতিয়ালৈকে উদ্ধাৰ হোৱা দেৱীৰ আটাইতকৈ প্রাচীন মূর্তিটো হ'ল কার্বি আংলং জিলাৰ ভৈপর্বত নামৰ পাহাৰৰ 'মহিষমর্দিনী' মূর্তিটো। বৃহৎ শিলৰ খোদিত দেৱীৰ এই মূর্তিটোৰ সময় অষ্টম-নৱম খ্রীষ্টাব্দ বুলি পুৰাতত্ত্ববিদসকলে অনুমান কৰিছে। তেনেদৰে গুৱাহাটীৰ

আমবাৰীৰ খননকার্যত উদ্ধাৰ হোৱা দেৱীমূর্তিকেইটাও খ্রীষ্টীয় নৱম-দশম শতিকাৰে হ'ব বুলি ঠাৱৰ কৰা হৈছে। আমবাৰীৰ দৰেই গুৱাহাটীৰ উলুবাৰী, হাজো, শুৱালকুছি, চিৰাজুলি, উত্তৰ গুৱাহাটী আদি আন আন ঠাইতো যিবোৰ দুর্গামূর্তি উদ্ধাৰ হৈছে সেইবোৰ দশম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত খোদিত বুলি কোৱা হৈছে।

দেৱী মূর্তি বা ভাস্কর্যৰ দৰেই পুৰণি কামৰূপৰ ৰজাসকলৰ শৈললেখ বা শাসনাৱলীত দেৱী পার্বতী, গৌৰী আদি অভিব্যক্তিবোৰৰ উল্লেখ পোৱা গৈছে। এইক্ষেত্রত নৱম শতিকাৰ বনমালবর্মা আৰু একাদশ শতিকাৰ ইন্দ্রপালবর্মাৰ ফলিকেইখন বিশেষভাৱে উল্লেখযোগ্য। অৱশ্যে দেৱীৰ উল্লিখিত শৈলমূর্তিসমূহে পোনপটীয়াকৈ এই কথা প্রমাণ নকৰে যে সেই ঠাইত দেৱীৰ পূজা অনুষ্ঠিত হৈছিল। এই ধৰণৰ মূর্তি আৰু ভাস্কর্যই বহুক্ষেত্রত শিল্পকলাৰো ইংগিত বহন কৰিব পাৰে। তথাপি ক'বই লাগিব জনমানসত দেৱী পৰম্পৰা নথকাহেঁতেন ইয়াৰ কোনো মূর্তি বা ভাস্কর্য যেনেকৈ খোদিত নহ'লহেঁতেন, তেনেকৈ শিলালিপিতো দেৱীৰ ভিন ভিন অভিব্যক্তি তদানীন্তন ৰজাসকলে স্বীকাৰ নকৰিলেহেঁতেন। পুৰণি অসমত যে দেৱী পূজাৰ পৰম্পৰা আছিল সেই কথা প্রাক্‌শঙ্কৰী যুগৰ কবিসকলৰ ৰচনাৰ বিভিন্ন প্রসংগত থকা দেৱীৰ উল্লেখেও প্রমাণ কৰে। এইক্ষেত্রত মাধৱ কন্দলীৰ ৰামায়ণ বিশেষভাৱে উল্লেখযোগ্য। কন্দলীৰ ৰামায়ণত উল্লেখ থকা ভালেমান দৃষ্টান্তৰ পৰা তদানীন্তন দেৱী পূজাৰ ইংগিত পোৱা যায়। তেনে দুটামান দৃষ্টান্ত এনে ধৰণৰ—

সুহৃদ তোহোৰ গুচিল অনুৰাগ।
আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ।।
(অযোধ্যাকাণ্ড)
ধীৰে ধীৰে যায় ভৰি নবাঢ়য় আগ।
কাটিবাক নেই যেন অষ্টমীৰ ছাগ।।
(অৰণ্যকাণ্ড)
জগতৰ মাৱে ৰাখন্তোক ৰণচণ্ডী
স্বর্গ মর্ত্য পাতালে দুর্গতি যাওক খণ্ডী।।
(লংকাকাণ্ড)
দাহিন সুবর্ণ যেন শৰীৰৰ কান্তি।
শঙ্কৰৰ পাশে যেন দুর্গাদেবী যান্তি।।
(লংকাকাণ্ড)

প্রাক্‌শঙ্কৰী যুগৰ পাছত অর্থাৎ শঙ্কৰদেৱৰ সময়তো অসমত দেৱী পূজাৰ পয়োভৰ কমা নাছিল। এই ক্ষেত্রত শঙ্কৰদেৱক লগ পোৱাৰ আগে আগে মাধৱদেৱে দুর্গা গোসাঁনীলৈ পঠা ছাগলী আগবঢ়াব খোজাটোৱেই উৎকৃষ্ট প্রমাণ। তদুপৰি এই সময়তে মনকৰ, দুর্গাবৰ, পীতাম্বৰ আদি কবিয়ে ৰচনা কৰা মনসা আৰু চণ্ডীকাব্যসমূহেও ইয়াৰ সাক্ষ্য বহন কৰে। এইসকল কবিৰ পাছতো সুকবি নাৰায়ণদেৱে 'পদ্মাপুৰাণ', 'অনন্ত আচার্যই 'আনন্দলহৰী', ৰুচিনাথ কন্দলীয়ে 'মার্কণ্ডেয়চণ্ডী', ৰংগনাথ চক্রৱর্তীয়ে 'শ্রীশ্রীচণ্ডী', মধুসূদন মিশ্রই 'মার্কণ্ডেয়চণ্ডী' আদি শাক্ত গ্রন্থ ৰচনা কৰাটোৱে দেৱী পূজা অক্ষুণ্ণ থকাৰ ইংগিতকে বহন কৰে।

দেৱী পূজাৰ এই পৰম্পৰাই কোচ আৰু আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত ঠিক এইখিনি সময়তে ব্যাপকতা লাভ কৰিবলৈ সক্ষম হয়। আহোম স্বর্গদেউসকলে ৰচনা কৰোৱা বুৰঞ্জীসমূহৰ লগতে কোচৰজাৰ ইতিহাস সম্বলিত 'দৰঙ্গ ৰাজবংশাবলী' নামৰ গ্রন্থখনেই ইয়াৰ সত্যতা প্রমাণ কৰে। 'দৰঙ্গ ৰাজবংশাবলী' গ্রন্থখন যদিও অষ্টাদশ শতিকাত ৰচিত, তথাপি ই কোচৰজা বিশ্বসিংহৰপৰা আৰম্ভ কৰি দৰং ৰাজ্যৰ ৰজা ধর্মনাৰায়ণলৈকে কোচৰাজ্যৰ প্রায়বোৰ ঐতিহাসিক তথ্যকে দাঙি ধৰিছে। গোৱালপাৰাৰ খুণ্টাঘাট পৰগনাত জন্ম লাভ কৰা বিশুৰেই আছিল পৰৱর্তী কালত কোচৰাজ্যৰ প্রতিষ্ঠাপক ৰজা বিশ্বসিংহ। সৰুতে গৰখীয়া হৈ থাকোঁতেই পথাৰত দেৱীৰ উদ্দেশ্যে ফৰিং বলি দিয়া এই বিশুৰেই প্রতিজ্ঞা কৰিছিল ৰজা হ'ব পাৰিলে দেৱী পূজা কৰিব বুলি। শৈশৱতে লগৰ গৰখীয়াৰ লগত ফৰিং বলিৰে বিশুৱে পথাৰতে দুর্গাপূজা কৰা সেই মনোৰম ঘটনা 'দৰঙ্গ ৰাজবংশাবলী'ত এনেদৰে বর্ণিত হৈছে—

দুর্গাক পূজাবে প্রতি কৰিলেক মন।
গোৰখীয়া সকলক বুলিলা বচন।।
শুণ গোৰখীয়া সবে মোৰ আজ্ঞাধৰ।
ফৰিং ধৰিয়া আনি দিওক সত্ত্বৰ।।
দুর্গাক পূজিবে মোৰ লাগে ভক্তি ভাৱে।
পূজা কৰি নমস্কাৰ কৰো তান পাৱে।।
গোৰখীয়া সবে শুনি প্রচণ্ড বচন।
বচনত পশিলা সবে ফৰিঙ্গক মন।।
বিচাৰি ফৰিঙ্গ ধৰি অসংখ্যাত পাইলা।
সমস্তে ফৰিঙ্গ আনি বিশুত যোগাইলা।।
উভতাই লৰু আনি তথাতে পুতিলা।
কাকোৱা বাঁহৰ চোঁচ খড়্গ কৰিলা।।

ভক্তি ভাৱে উছর্গিলা ফৰিঙ্গ যতেক।
সমস্তকে কাটি পূজা কৰিলা প্রত্যেক।।

বৰগৰখীয়া বিশুৰে এনেদৰেই ফৰিং বলিৰে দেৱী দুর্গাক পূজা কৰাৰ লগতে তেওঁৰ মনোমোহা ৰূপ-গুণ বন্দনা কৰি স্তুতিও কৰিছিল। 'দৰঙ্গ ৰাজবংশাবলী'ত সেই স্তুতিৰো এটা দীঘলীয়া বর্ণনা আছে।

প্রচলিত জনশ্রুতিমতে বিশু ওৰফে বিশ্বসিংহ আছিল শিৱৰ ঔৰসজাত সন্তান। ঘটনাক্রমে এবাৰ তেওঁ কামাখ্যাধামত উপস্থিত হওঁতে পর্বতৰ সমীপত এটা দুর্গামূর্তি পাইছিল। সময়ত সেই মূর্তিটোক ঘৰৰ যথাস্থানত স্থাপন কৰি— কেনেকৈ দুর্গাপুজাৰ আয়োজন কৰিলে তাৰো বর্ণনা 'দৰঙ্গ ৰাজবংশাবলী'ত পোৱা গৈছে। সেই বর্ণনাৰ অংশবিশেষ এনেধৰণৰ—

অনন্তৰে বিশুবীৰে চলি যান্ত ধীৰে ধীৰে
দুর্গাৰ চৰণ মনে ধৰি।
পর্বত সমীপত ভৈলা গৈয়া উপগত
দেখে এক মূর্তি আছে পৰি।।
সাবধানে মহাৰাই হাতত তুলিয়া চাই
দেখে দশভুজা ভাগৱতী।
পৰম হৰিষ ভৈলা শিৰোগত কৰি লৈলা।
কৰিলন্ত অনেক ভকতি।।
আপোন ঘৰত গৈয়া গোসানী ঘৰত থৈয়া
বলি দিয়া কৰিলা পূজন।
বুলিলা অনেক তুতি শুনা মাও ভাগৱতী
আমাত হুয়োক সুপ্রসণ।।

'দৰঙ্গ ৰাজবংশাবলী'ৰ বর্ণনা মতে বিশুৰে এনেদৰে দেৱীক পূজা কৰাৰ পাছতে বিপুল ধন-সম্পত্তিৰ অধিকাৰী হোৱাৰ উপৰি নামনি অসমৰ তদানীন্তন সৰু-বৰ ভূঞাসকলক পৰাস্ত কৰি কোচ ৰাজ্য স্থাপন কৰিবলৈও সক্ষম হয়। কোচৰাজ্য স্থাপনৰ পাছত বিশ্বসিংহ নাম লোৱা বিশুৰে দেৱী পূজাৰ পৰম্পৰা বিস্তাৰিত কৰিলে। আনকি আহোম ৰাজ্য আক্রমণ কৰিবলৈ গৈ তেওঁ বাটত পোৱা বিভিন্ন মন্দিৰতো দেৱীৰ পূজা প্রশস্তি কৰিছিল। এই ক্ষেত্রত বিশ্বসিংহই কমতেশ্বৰী দেৱীৰ মন্দিৰত কৰা পূজা উল্লেখযোগ্য। দেৱী দুর্গাৰেই অন্য এটি অভিব্যক্তি 'মহাকালী'কো অমাৱস্যাৰ নিশা বিশ্বসিংহই কেনেদৰে পূজা কৰিছিল তাৰো আভাস ৰাজবংশাবলীত পোৱা গৈছে।

একদিনা কার্তিক মাসত নৰপতি।
মধ্য নিশাভাগে পূজা কৰি ভাগৱতী।।
অমাৱস্যা তিথি মধ্য ৰাত্রি সময়ত।
ৰণ কৰিবাক প্রতি সংকল্প মনত।।
মন্ত্র জপি ধ্যান কৰি চকু মুদি ৰৈলা।
নিজ ৰূপে মহাকালী উপস্থিত ভৈলা।।

গ্রন্থৰ উল্লেখ অনুযায়ী দেৱীৰ আহ্বানতে বিশ্বসিংহই বৈবাহিক জীৱনো আৰম্ভ কৰে। তাৰ ফলস্বৰূপেই নৰনাৰায়ণ চিলাৰায়কে ধৰি তেওঁ ওঠৰগৰাকী পুত্রৰ পিতৃত্বও লাভ কৰে। বিশ্বসিংহৰ মৃত্যুৰ পাছত নৰনাৰায়ণে কোচ ৰাজ্যৰ ৰাজপাটত অধিষ্ঠিত হৈ পিতৃৰ পৰম্পৰাৰেই কেনেদৰে দেৱী পূজা অব্যাহত ৰাখিছিল তাৰো দীঘলীয়া বর্ণনা ৰাজবংশাবলীখনত সন্নিবিষ্ট হৈছে। বিশ্বসিংহৰ দৰেই নৰনাৰায়ণেও দেৱীৰ পূজাৰ বাবে ভালেমান মন্দিৰ নির্মাণ কৰাইছিল। তাৰ ভিতৰত কামাখ্যা আৰু নলখামাৰা মন্দিৰ অন্যতম। নলখামাৰা মন্দিৰ নির্মাণ কৰি তাত দেৱীৰ প্রতিমা স্থাপন কৰাৰ লগতে বলিবিধানেৰে কেনেকৈ দেৱী চণ্ডিকাৰ পূজা কৰিছিল তাৰ বর্ণনাৰ লগতে দেৱীৰ নামত উছর্গিত বিবিধ সম্পদ আৰু দেউৰী-পূজাৰীৰো উল্লেখ গ্রন্থখনত দাঙি ধৰা হৈছে। একেদৰে কামাখ্যা মন্দিৰ পুনৰ নির্মাণ কৰাই বলিবিধানেৰে দেৱীৰ পূজা কৰাৰ বর্ণনা ৰাজবংশাবলীত এনেদৰে আছে—

বিধিমতে মঠক প্রতিষ্ঠা কৰাইলন্ত।
যতেক দক্ষিণা দিলা নাহি আদি অন্ত।।
মহিষ ছাগল হংস মৎস্য পাৰাৰত।
হৰিণ কচ্ছপ বলি উপহাৰ যত।।
পূজা কৰাইলন্ত চতুঃষষ্টি উপচাৰে।
সপ্ত দিন দুই ভাই নিৰাহাৰে আছে।।
তিনি লক্ষ হোম দিলা এক লক্ষ বলি।
সাত কুৰি পাইক দিলা কৰি তাম্রফলি।।
বোলে গোসাঁনীৰ পূজা প্রথমে কৰিব।
গোসাঁনীৰ প্রাসাদ আমাক আগে দিব।।
এহিমতে নাৰায়ণে কৰি নিবন্ধন।
দণ্ডমতে প্রণামিলা দুর্গাৰ চৰণ।।

ৰজা নৰনাৰায়ণ আৰু ভাতৃ চিলাৰায় দেৱী দুর্গাৰ ইমানেই অন্তৰংগ ভক্ত আছিল যে তেওঁলোকৰ ভক্তিত সন্তুষ্ট হৈ দেৱীয়ে দুয়োকো ভালেমান সংকটৰ পৰাও উদ্ধাৰ কৰিছিল। দেৱীৰ আশীর্বাদত নৰনাৰায়ণে লৌহ পঠা কাটি তেজ উলিওৱা, চিলাৰায়ে গৌড়ৰ নবাবৰ মাতৃক সর্পদংশনৰ পৰা বচোৱা আদি গ্রন্থখনত বর্ণিত কাহিনীবোৰ তাৰেই পৰিচায়ক। উল্লেখনীয়

যে সর্পদংশনত মৃত নবাবৰ মাতৃক দেৱীৰ আশীর্বাদত চিলাৰায়ে পুনৰ জীয়াই তোলা বাবে গৌড়ৰ ৰজাৰ বন্দিত্বৰপৰা মুক্তি পাইছিল। চিলাৰায়ে মুক্তি লাভ কৰি গৌড়ৰ ৰাজ্যৰ পৰা উভতি আহোঁতে পীতাম্বৰ সিদ্ধান্তবাগীশ আৰু পুৰুষোত্তম সিদ্ধান্তবাগীশ নামৰ দুগৰাকী পু�ৰোহিতকো কোচ ৰাজ্যলৈ লৈ আহিছিল। পৰৱর্তী কালত নৰনাৰায়ণৰ আদেশক্রমে পীতাম্বৰ সিদ্ধান্তবাগীশে ৰচনা কৰা বিধিৰেই কোচ ৰজাসকলে দুর্গাপূজা কৰিবলৈ লৈছিল। আহোম ৰজাসকলে অৱশ্যে দুর্গাপূজাৰ এই পীতাম্বৰ সিদ্ধান্তবাগীশৰ বিধি মানি চলা নাছিল। বুৰঞ্জীত উল্লেখ পোৱা মতে স্বর্গদেউ ৰুদ্রসিংহই বংগদেশৰ পৰা অনোৱা কৃষ্ণৰায় ভট্টাচার্যই কৰা বিধিমতেহে দুর্গা পূজা কৰিছিল। অৱশ্যে পীতাম্বৰ সিদ্ধান্তবাগীশ আৰু কৃষ্ণৰায় ভট্টাচার্য দুয়োৰে বিধি দুখনৰ মাজত কিছু সাদৃশ্যও নথকা নহয়; বিশেষকৈ দুয়োখন বিধিতে কালিকা পুৰাণৰ প্রভাৱ বিদ্যামান। এই বিধি দুখন প্রণয়নৰ আগতে কামৰূপ তথা পুৰণি অসমত তন্ত্রমতেহে দেৱীৰ পূজা অনুষ্ঠিত হৈছিল। এই প্রসংগতে উল্লেখনীয় যে, ৰজা নৰনাৰায়ণে পীতাম্বৰ সিদ্ধান্তবাগীশৰ বিধিমতে দেৱীপূজা আৰম্ভ কৰোঁতে কিছু অসুবিধাৰো সম্মুখীন হৈছিল। কাৰণ কোচ ৰজাসকল আছিল মেচবংশীয় জনজাতি। তেওঁলোকৰ জনজাতীয় নিয়মমতে গোষ্ঠীৰ মুৰব্বীজনেহে পূজাৰী হৈ পূজা কৰা নিয়ম; ব্রাহ্মণ পুৰোহিতৰ ব্যৱস্থা তেওঁলোকৰ মাজত নাই। কিন্তু পীতাম্বৰ সিদ্ধান্তবাগীশৰ বিধিমতে দেৱীৰ পূজা ব্রাহ্মণেহে কৰিব পাৰে। এনে পৰিস্থিতিত ৰজা নৰনাৰায়ণে সিদ্ধান্ত কৰিলে যে গোহাঁই কমল আলিৰ উত্তৰ ফালৰ জনজাতিসকলে পূর্বৰ জনজাতীয় নিয়মমতে আৰু দক্ষিণ ফালে ব্রাহ্মণসকলে পীতাম্বৰ সিদ্ধান্তবাগীশৰ বিধিমতে দেৱীৰ পূজা কৰিব। 'দৰঙ্গ বাজবংশাবলী'ত ইয়াৰ আভাস এনেদৰে আছে—

"গোহাঁই কমল আলি মধ্যে সীমা কৰি
উত্তৰ ফালে আছে যতেক কছাৰী।।
সেহি ফালে দেবালয় আছে যত যত।
কোচে মেচে পূজিবেক মোহোৰ বাক্যত।।
দক্ষিণফালে পূজা ব্রাহ্মণে কৰিব।
এহি নিৰন্ধনে সবে ধর্মে প্রবর্ত্তিব।।"

কৈ থোৱা ভাল, দেৱীৰ মৃন্ময় প্রতিমাৰ পূজাও কোচ ৰজা নৰনাৰায়ণৰ দিনতে অনুষ্ঠিত হৈছিল। পাছলৈ নৰনাৰায়ণৰ কোচ ৰাজ্যত বন্দী হৈ থকা আকচু গোহাঁইৰ মুখেৰে জানিব পাৰি আহোম স্বর্গদেউসকলেও মৰঙিয়াল খনিকৰক দেৱীৰ মৃন্ময় মূর্তি সজাৰ শিক্ষা ল'বলৈ পঠিয়াইছিল আৰু মৰঙিয়াল খনিকৰে সজোৱা মৃন্ময় মূর্তিৰেই দুর্গা পূজা কৰিবলৈ আৰম্ভ কৰে।

গতিকে পৰিষ্কাৰ কথা, পুৰণি অসমত দেৱীৰ যোনীপীঠ বা শৈল ভাস্কর্যত কৰা দেৱী পূজাৰ পৰৱর্তী কালত কোচ আৰু আহোম ৰজাৰ হাতত মৃন্ময় প্রতিমা পূজালৈ উত্তৰণ ঘটিছিল। এয়া নিঃসন্দেহে সাংস্কৃতিক সমন্বয় আৰু শৈল্পিক চেতনাবোধৰো পৰিচায়ক। উল্লেখনীয় যে দেৱী পূজাৰ পৃষ্ঠপোষকতাৰে কোচ ৰজাসকল মূলতঃ শাক্ত ধর্মাৱলম্বী হ'লেও তেওঁলোক আছিল উদাৰ আৰু প্রগতিবাদী। যাৰ বাবে এদিন বৈষ্ণৱ ধর্মৰ প্রচাৰক মহাপুৰুষ শঙ্কৰদেৱকো নৰনাৰায়ণ আৰু চিলাৰায়ে উদাৰচিত্তে আঁকোৱালি লৈ কোচৰাজ্যত বৈষ্ণৱ ধর্ম প্রচাৰ কৰিবলৈ দিয়াৰ লগতে নিজেও তেৰাৰ ওচৰত শৰণ ল'ব খুজিছিল। দেৱীৰ একান্ত সেৱক হৈও মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা প্রভাৱিত হৈ বিষ্ণু-কৃষ্ণৱ প্রতিও ভক্তিৰ পৰাকাষ্ঠা প্রকাশ কৰা এনে বিৰল আদর্শৰ বাবেই যে এওঁলোক অসমৰ ধর্মীয় ইতিহাসত সদায় একক আৰু অনন্য হৈ ৰ'ব তাত সন্দেহ নাই।❑



লেখক পৰিচিতি ঃ বিশিষ্ট লেখক-গৱেষক তথা জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়



মহাশক্তি আৰু দেৱ-দেৱীৰ উৎপত্তি

যাদৱানন্দ চহৰীয়া

বেদে ঢুকি নোপোৱা হেজাৰ হেজাৰ বছৰ আগত এক মহাশূন্যই বিৰাজ কৰিছিল। নাছিল জোন, বেলি, তৰা আদি। এনে এক মহাশূন্য ভেদ কৰি এদিন অলৌকিকভাৱে ধ্যানমগ্ন ভগৱন্তৰ ঘর্মাক্ত দেহৰ পৰা আৱির্ভাৱ হৈছিল এক মহাশক্তি। এই মহাশক্তিৰ পৰাই উদ্ভৱ হৈছিল আন তিনি শক্তি ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰ। এই তিনি শক্তিক ভগৱন্তৰ পৰিচালনাত দায়িত্ব দিয়া হ'ল। ব্রহ্মাক সৃষ্টি, বিষ্ণুক স্থিতি বা পালনকাৰী আৰু মহেশ্বৰক বিনাশ বা সংহাৰৰ দায়িত্ব দিয়া হ'ল। ব্রহ্মা, বিষ্ণু, মহেশ্বৰ এই তিনিও শক্তি আদ্যাশক্তিৰ নির্দেশতহে পৰিচালিত হয়। মহাশক্তি আদ্যাক মাতৃৰ প্রতীক, মহাপ্রকৃতি হিচাপে স্বীকৃতি দিয়া হ'ল।

'দেৱী ভাগৱত'ত সৃষ্টি সম্পর্কে বহলাই বর্ণনা দিয়া হৈছে। দেৱী শুম্ভত আদ্যাই নিজে কৈছে— 'মই সৃষ্টি কৰো, সৃষ্টিক ৰূপ দিওঁ আৰু নিজে অচিন্ত্য অনন্ত হৈ ৰওঁ।' বিশ্ব ব্রহ্মাণ্ড তথা জড় জগতত জীৱৰ সৃষ্টিৰ বাবে প্রকৃতি মহামায়াক নির্দেশ দিয়া হ'ল। একে মোহময়ী দিব্য নাৰী ৰূপ দেৱীয়ে অপৰূপ সৃষ্টিৰ পাতনি মেলিলে। লগতে স্বর্গ, মর্ত্য, পাতাল প্রভৃতি তিনিও লোকতে দেৱীৰ ভুৱন মোহিনী অলৌকিক ৰূপ বিস্তাৰিত হ'ল। এই মহাশক্তি মহাপ্রকৃতিৰ পৰাই অন্যান্য দেৱীৰো সৃষ্টি হ'ল।

দেৱী ভাগৱতত আমি পাওঁ যে নিৰাকাৰ পৰম ব্রহ্মৰ বা পৰমাত্মাৰ মাজত প্রকৃতি নিদ্রাস্বৰূপে বিলীন হৈ আছিল। নিৰাকাৰ পৰম ব্রহ্মাই জীৱ সৃষ্টিৰ প্রতি ইচ্ছা কৰি ক্ষন্তেক চিন্তা শক্তিত স্তিমিত হৈ পৰিছিল। ব্রহ্মাদেৱে বাৰম্বাৰ বুজি উঠিছিল যে প্রকৃতি অবিহনে সৃষ্টি অসম্ভৱ। প্রকৃতিৰ প্রভাৱতে জীৱৰ দেহত শক্তি বিস্তাৰ হৈছে। প্রকৃতিৰ 'শক' অংশই আমাক ঐশ্বর্য্য প্রদান কৰিছে আৰু 'তি' অংশই পৰাক্রম দান কৰিছে। প্রকৃতি দেৱীৰ পৰা লাভ কৰা ঐশ্বর্য আৰু পৰাক্রমে সকলো জীৱকে জীয়াই ৰাখিছে। আনহাতে যিগৰাকী দেৱীয়ে শক্তি প্রদান কৰিছে, সেই দেৱীক 'আদ্যাশক্তি' বোলা হয়। আদ্যাশক্তিয়েই দেৱী ভাগৱতী। ভাগৱতী 'ভাগ' ৰূপা শক্তি বিধাতা বা শক্তি প্রদাতাক 'ভগৱান' বোলা হয়।

ভগৱান কৃষ্ণই হ'ল পৰমেশ্বৰ। কৃষ্ণৰ বিচিত্র লীলাৰ কথা কৈ পাৰ পাব নোৱাৰি। সেইজনা কৃষ্ণই কেতিয়াবা 'সাকাৰ' আৰু 'নিৰাকাৰ', তেওঁৰ সমগ্র লীলাই বিচিত্র। ভক্তৰ ইচ্ছা পূৰণৰ বাবে নানা ৰূপ ধাৰণ কৰে। বিশ্ব ব্রাহ্মাণ্ডৰ স্রষ্টাজনক কোনেও দেখা নাপায়। সেই বাবে যোগীসকলে তেওঁক অর্থাৎ পৰমেশ্বৰক 'নিৰাকাৰ' বুলি কয়, বৈষ্ণৱ বা বিষ্ণুক ভক্তসকলে সেইজনা

ভগৱান কৃষ্ণক আকৌ শান্ত, সৌম্য অপৰূপ বুলি কয়। তেৱেঁই ভগৱন্ত, নাৰায়ণ অথবা পৰমেশ্বৰ কৃষ্ণ আৰু মানৱ তথা মৰ্ত্যলোকৰ কল্যাণৰ বাবে নানা অৱতাৰ ধৰে যুগে যুগে। দ্বাপৰত 'কৃষ্ণ' অৱতাৰত মানৱ ৰূপত ৰূপায়িত হৈছে চতুৰ্ভুজ বিষ্ণু, যি নেকি ভগৱতী যোগমায়াৰ লগত চমৎকাৰ নাটকীয় লীলা কৰি কংস বধৰ পথ সুচল কৰিছিল।

ভগৱান কৃষ্ণৰ বিশ্ব বিমোহন ৰূপৰ কথা কৈ শেষ কৰিব নোৱাৰি। শ্যাম বৰণীয়া গলত বনফুলৰ মালা, মাঠে ময়ূৰপাখি, ডিঙিত কৌস্তুভমণি চিৰ যৌৱনা, কিশোৰ, মনোহৰ চকুৰ চাৱনি, পীতবস্ত্রধাৰী মুখত ভুবন ভুলোৱা হাঁহি আজানুলম্বিত হাতত বাঁহী ৰূপ ধাৰণ কৰা, সেইজনা পৰমেশ্বৰ কৃষ্ণক দেৱতা, মানুহ সকলোৱে ধ্যান কৰে। পংকজলোচন, নীলা পদুমৰ দৰে শ্যামল শৰীৰৰ কল্যাণ মূৰ্তি ভগৱান শ্রীকৃষ্ণক দেখিলেই যেন মনত ভক্তি ভাব উঠলি উঠে।

জগতৰ যত মহাহৰি, চিন্তিবেক তাক যত্ন কৰি,
প্রসন্ন বদন, প্রফুল্ল যেন কমল।
অৰুণ নয়ন, প্রকাশয়, পদ্ম কুসুমৰ গর্ভ লয়,
শ্যামল শৰীৰ যেন নীল উৎপল।।

(ভাগৱত পুৰাণ তৃতীয় স্কন্ধ)

এইজনা কৃষ্ণই বিশ্ব ব্রহ্মাণ্ডৰ স্রষ্টা, নিজৰ ইচ্ছা শক্তিৰে নিজৰ দেহক দুভাগ কৰিছে। দেহৰ সোঁভাগৰ 'পুৰুষ' আৰু বাঁওভাগৰ 'নাৰী'ৰূপ ধাৰণ কৰিছিল। এই নাৰী ৰূপটোৱে আছিল প্রকৃতি বা মহাপ্রকৃতি। প্রকৃতিদেৱীৰ সমগ্র নিশ্বাসৰ পৰা বায়ুৰ জন্ম। বায়ুৰ দেহৰ বাঁওফালৰ পৰাই জন্ম হৈছে 'কামিনী'ৰ। এই কামিনীয়েই হ'ল বায়ুৰ পতিব্রতা পত্নী। বায়ু আৰু কামিনীৰ পাঁচটি পুত্র সন্তান হ'ল ক্রমে— অপান, সমান, প্রাণ, ব্যাণ আৰু উদান। প্রকৃতি দেৱীৰ দেহৰ পৰা নিগৰিত জলৰ বা ঘামৰ পৰাই জন্ম হৈছে বৰুণ দেৱতাৰ। এইদৰে আকৌ বৰুণ দেৱতাৰ দেহৰ বাঁওফালৰ পৰা জন্ম হ'ল বৰুণৰ পত্নীৰ।

কৃষ্ণৰ দেহৰ বাঁওফালৰ প্রকৃতিদেৱীয়ে কৃষ্ণৰ তেজ গর্ভত ধাৰণ কৰি গর্ভৱতী হৈছিল। ইয়াৰ ফলস্বৰূপে প্রকৃতিয়ে সোণবৰণীয়া ডিম্ব এটি প্রসৱ কৰিছিল। ডিম্ব জন্ম হোৱাত প্রকৃতি দেৱী ক্রোধান্বিতা হৈছিল আৰু সেই ডিম্বটি পানীত পেলাই দিছিল। ভগৱান কৃষ্ণই এই ঘটনাটো দেখি প্রকৃতি দেৱীৰ প্রতি খঙত জ্বলি উঠি প্রকৃতি দেৱীক অভিশাপ দি ক'লে যে দেৱীয়ে আৰু কোনোদিনে সন্তানৰ মুখ দেখা নাপাব। লগতে আৰু ক'লে যে প্রকৃতি দেৱীৰ শৰীৰৰ পৰা যিবোৰ নাৰীৰ সৃষ্টি হ'ব, সেই নাৰীসকলৰো কোনোদিনে সন্তান নহ'ব। যদিও সেইবোৰ নাৰী চিৰ যৌৱনা হ'ব, তথাপি তেওঁলোকে সন্তানৰ মুখ দেখা নাপাব।

এনেহেন কঠোৰ অভিশাপ দিয়াৰ লগে লগে নিজৰ ভুল বুজি লাজ পাই নিজৰ জিভাখনি উলিয়াওঁতেই জিভাৰ আগৰ পৰা হাতত বীণা আৰু কিতাপ লৈ বগা বস্তু পৰিহিতা এজনী দেৱীৰ আৱির্ভাৱ হ'ল। এইজনা দেৱীৰ নামেই হ'ল 'সৰস্বতী দেৱী'। ইয়াৰ পাছত বহু বছৰ পাৰ হোৱাত মহাশক্তি প্রকৃতি দেৱীয়ে নিজৰ শৰীৰটিক দুভাগত বিভক্ত কৰিছিল। দেৱীৰ বাঁওভাগত কমলা (লক্ষ্মী দেৱী) আৰু সোঁভাগত 'ৰাধা'ৰ জন্ম হ'ল।

লক্ষ্মী দেৱী আৰু ৰাধাৰ জন্মৰ পাছত ভগৱান কৃষ্ণই নিজৰ দেহক আকৌ দুভাগত বিভক্ত কৰিছিল। কৃষ্ণৰ দেহৰ সোঁভাগত দ্বিভুজ আৰু বাঁওভাগত চতুৰ্ভুজ মূৰ্তি ধাৰণ কৰিছিল। সোঁভাগত 'কৃষ্ণ' আৰু বাঁওভাগত 'নাৰায়ণ'ৰূপে পৰিচিত হ'ল। কৃষ্ণ ভগৱানে লক্ষ্মী দেৱী বা কমলা আৰু সৰস্বতী বা বীণাপাণিক নাৰায়ণৰ ওচৰত দান কৰিছিল। লক্ষ্মী আৰু সৰস্বতীক পত্নীৰূপে গ্রহণ কৰি নাৰায়ণে বৈকুণ্ঠ ধামলৈ গতি কৰিছিল। কৃষ্ণ ভগৱানে দিয়া পূর্বৰ অভিশাপ মর্মে প্রকৃতি দেৱীৰ পৰা জন্ম বা সৃষ্টি হোৱা সৰস্বতী আৰু লক্ষ্মীদেৱীয়েও কোনোদিনে সন্তানৰ মুখ দেখা নাপালে। এইদৰে দুয়োজনীয়েও সন্তানৰ জননী হ'ব নোৱাৰিলে। নাৰায়ণে নিজেই তেতিয়া চতুৰ্ভুজ পাৰিষদৰ জন্ম দিলে। তেওঁ ৰূপে-গুণে নাৰায়ণসম আৰু 'বিষ্ণু' ৰূপে পৰিচিত হ'ল। লক্ষ্মী দেৱীৰ দেহৰ বিভিন্ন অংগৰ পৰা দাসীৰ জন্ম হ'ল। শ্রীকৃষ্ণৰ নোমৰ বিন্ধাৰ পৰা গোপ কন্যাসকলৰ জন্ম হ'ল। ৰাধাৰ অংগৰ পৰা জন্ম হোৱা গোপ কুমাৰী বা গোপিনীসকলো সন্তানহীনা হ'ল।

ভগৱান শ্রীকৃষ্ণই (পৰমেশ্বৰ) সোণবৰণীয়া কোটি সূর্য্যসম জ্যোতিৰ দৰে সহস্রভুজা বিশুদ্ধ বসন পৰিহিতা, সর্বহাতে নানাবিধ অস্ত্রেৰে সজ্জিতা আৰু নানা অলংকাৰেৰে বিভূষিতা সর্বসুন্দৰী ত্রিনয়না এজনী দেৱীৰ জন্ম দিছিল আৰু এইজনা সুন্দৰী দেৱীয়ে মহাদেৱক ধ্যান কৰিছিল। এইগৰাকী দেৱীয়েই সর্বশক্তি স্বৰূপিণী, সনাতনী, জগৎজননী, দুর্গতি নাশিনী, অসুৰ বিনাসিনী, আদ্যাশক্তি মহামায়া দেৱী দুর্গা। এই মহামায়া দেৱী সর্বগুণাকৰ কৃষ্ণৰ সমান। দুর্গাৰ মায়াতেই ত্রিভুবন মুগ্ধ হৈ আছে। তেওঁ মাতৃস্বৰূপিণী শান্তিদায়িনী, তেওঁৰ কৃপাতে বিশ্ব চৰাচৰ চলি আছে। সুখ, শান্তি, সমৃদ্ধিৰে স্বর্গ, মর্ত্য, পাতাল প্রভৃতি তিনিও লোকেই বিৰাজমান হৈ আছে দেৱ-দেৱী, যক্ষ-ৰক্ষ, গন্ধর্ব কিন্নৰ তথা মর্ত্যৰ নৰ-নাৰীৰো পূজনীয় মহাদেৱী। এই দেৱীয়েই স্বর্গত

স্বর্গ লক্ষ্মী, মহালক্ষ্মী, মহাসৰস্বতী, মহামায়া, ভগৱতী, মহাকালী, মহাশক্তিৰূপিণী। ভগৱান কৃষ্ণই এই দেৱীকেই ৰত্নময় আসনত বহুৱাই ৰাখিছিল।

শ্রীকৃষ্ণ (পৰমেশ্বৰ) পুৰুষ অংশৰ নাভিৰ পৰা অলৌকিকভাৱে পত্নীসহ চতুর্মুখ ব্রাহ্মণৰ জন্ম হৈছিল। জগত সৃষ্টিৰ বা এইজনা ব্রহ্মাক সৃষ্টিকর্তা হিচাপে পৰমেশ্বৰে জন্ম দিছে। কৃষ্ণক প্রণাম জনাই কৃষ্ণৰ নির্দেশত জগত সৃষ্টিত মনোনিৱেশ কৰিছিল। এইজনা সৃষ্টিকৰে সদায় কৃষ্ণক (পৰমেশ্বৰ) চিন্তা আৰু ধ্যান কৰি থাকে। তেওঁ মহাজ্ঞানী, তপস্বী, সকলোৰে আৰাধ্য দেৱতা। ব্রহ্মাৰ পত্নী সদায় বগা বস্ত্র পৰিহিতা। কৃষ্ণক প্রণাম জনাই ব্রহ্মা আৰু ব্রহ্মাৰ পত্নীয়ে ৰত্নময় সিংহাসনত আসন গ্রহণ কৰিছিল। ভগৱান কৃষ্ণ (পৰমেশ্বৰ)ৰ নাভিৰ পৰা জন্ম লভি ব্রহ্মাই নিজকে ধন্য মানিছিল।

যাৰ নাভি দেশে, ভুবন সাম্প্রত
ময়ো ভৈলো আহি জাত।
আতি নিৰুপম, মহা মনোৰম
ই ৰূপ পাইলো সাক্ষাত।।

(ভাগৱত পুৰাণ তৃতীয় স্কন্ধ)

ইয়াৰ পাছত কৃষ্ণই নিজৰ শৰীৰক আকৌ দুভাগ কৰিছিল। বাওঁফালৰ পৰা 'দেৱ পঞ্চানন' আৰু সোঁফালৰ পৰা গোপিকা পতি কৃষ্ণ হয়। শিৱৰ পাঁচখন মুখ বাবে পঞ্চানন বোলা হয়। কৃষ্ণই ব্রহ্মাৰ সৃষ্টিক ৰক্ষা কৰাৰ বাবে দায়িত্বভাৰ গ্রহণ কৰিলে। প্রভু শিৱৰ শৰীৰৰ জ্যোতি কোটি কোটি সূর্য্যৰ উজ্জ্বল পোহৰৰ দৰে। কঁকালত বাঘৰ ছাল, মূৱত ৰঙা বৰণৰ জঁটা, দেহত ভস্মবিভূতি, হাতত ত্রিশূল, কপালত অর্ধ চন্দ্রকলা, নীলকণ্ঠ সর্বাংগত সর্প অলংকাৰ ৰূপে শৰীৰৰ জ্যোতিৰে কৃষ্ণৰ নাম জপ কৰিলে। প্রভুৰে শিৱ মহেশ্বৰক নিজ আসনত বহুৱাই সৃষ্টি সংহাৰৰ দায়িত্বভাৰ দিলে। শ্রীমদ্ভাগৱতৰ তৃতীয় স্কন্ধত শিৱ মা মহেশ্বৰৰ সংহাৰী ৰূপৰ বর্ণনা মহাপুৰুষ শঙ্কৰদেৱে এইদৰে দিছে 'মহাকাল'ৰ বর্ণনাত—

যেৱে গৈল এক শত বিৰষ ব্রহ্মাৰ।
ৰুদ্র ৰূপে কৰে হবে জগত সংহাৰ।।
অর্ধে-উর্ধে শৰীৰৰ নেদেখি প্রমাণ।
ভ্রূকুতি কুটিল মুখ দেখি হৰে মন।।
আউল-বাউল জঁটা হাতত ত্রিশূল।
ঘোৰ মূর্তি ধৰি কৰে প্রজাক নির্মূল।।
কিল্ কিল্ কৰি হাসে নৰমুণ্ড মালী।
পর্বতৰ শৃংগ যেন দন্ত দুই পাৰি।।

দেৱী ভাগৱতত উল্লেখ থকা বিশ্ব নির্ণয়ৰ কথাত এই বুলি বর্ণনা আছে যে প্রকৃতি দেৱী জলত নিক্ষেপ কৰা ডিম্বটো দুভাগত বিভক্ত হৈছিল। পৰম পিতা পৰমেশ্বৰে প্রথমবাৰ সৃষ্টি কৰা প্রথম বিশ্ব ব্রহ্মাণ্ড কালক্রমে বিনাশ হৈছিল। কিন্তু প্রথম সৃষ্টি বিনাশৰ পাছত পানীত পেলাই দিয়া প্রকৃতি দেৱীৰ গর্ভজাত ডিম্বটোৰ পৰা কোটি কোটি সূর্য্যৰ পোহৰৰ সমান উজ্জ্বল শিশু এটিৰ জন্ম হৈছিল আৰু সেই শিশুটিয়ে ভোকত কান্দিছিল। শিশুটিক চাবলৈ কোনো নাছিল। মাতৃয়ে ত্যাগ কৰা এই শিশুটিয়ে হ'ল পৰমেশ্বৰ আৰু তেওঁৰ অংশত জন্ম লাভ কৰা প্রকৃতি দেৱীৰ আন এক সন্তান। সেইজনেই পৰমেশ্বৰ বা কৃষ্ণই সৃষ্টিৰ সকলো ব্রহ্মাণ্ডৰ অধীশ্বৰ, তেৱেঁই মহাবিষ্ণু। সেই শিশুৰ দেহত কৃষ্ণৰ ষোড়শ ভাগৰ পোন্ধৰভাগ তেজ আছে। সেইজনাই বিশ্ব ব্রহ্মাণ্ডৰ জীৱনৰ সৃষ্টিকর্তা। ধ্রুৱলোকৰ প্রতিখন বিশ্ব ব্রহ্মাণ্ডতে সেইজনা শিশুৱেই একো একোজন ব্রহ্মা, বিষ্ণু, মহেশ্বৰৰ জন্ম দিছে। সেইদৰে প্রত্যেকতে একো একোখন স্বর্গ, মর্ত্য, পাতাল আছে। প্রত্যেক স্বর্গতে দেৱতাসকল আছে আৰু পাতালত নাগগণ বিচৰণ কৰি আছে। বিশ্ব ব্রহ্মাণ্ড সৃষ্টিৰ গণনা ধূলিকণাৰ দৰে গণনা কৰিব নোৱাৰি। ইয়াৰ সংখ্যাৰ আদি-অন্ত নাই।

এইদৰে সৃষ্টিৰ জন্ম হৈছে, সৃষ্টিৰ বিনাশো হৈছে। কোটি কোটি যুগ পাৰ হৈ গৈছে আৰু কোটি কোটি যুগ আহিও থাকিব। সৃষ্টি চলি আছে আৰু বিশ্ব নিয়ন্তা পৰমপিতা পৰমেশ্বৰৰ নিয়ন্ত্রণত সৃষ্টি চলিও থাকিব। কত যুগ পাৰ হৈছে, কত যুগ পাৰ হ'ব, তাৰ আদি-অন্ত নাই। সেই বাবে কোৱা হয় বিশ্বত শক্তিৰ বিনাশ নাই।❑

প্রসংগ পুথি—

১। ভাগৱত পুৰাণ
২। দেৱী ভাগৱত
৩। ব্রহ্মাণ্ড পুৰাণ

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, গীতানগৰ, গুৱাহাটী।



প্রাচীন কামৰূপত দুর্গা পূজা পালন

ড° নবীন গগৈ

পাতনি ঃ অসমৰ প্রাচীন নাম আছিল প্রাগজ্যোতিষপুৰ বা কামৰূপ। ভাৰতবর্ষৰ পব-প্রান্তত অৱস্থিত এই প্রাগজ্যোতিষপুৰ বা কামৰূপৰ সীমা আছিল পূবে শদিয়া, পশ্চিমে কৰতোৱা নদী, উত্তৰে হিমালয়ৰ নামনি অঞ্চল আৰু দক্ষিণে বাংলাদেশ। এই বিশাল ভূ-খণ্ডত প্রাক্ ঐতিহাসিক কালৰে পৰা পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা বিশেষকৈ অষ্ট্রিকসকল, আলপাইনসকল, দ্রাবিড়, আর্য্যসকলৰ লগতে দক্ষিণ-পশ্চিম চীন অঞ্চলৰ কিৰাট মঙ্গোলীয়, চীন-তীব্বতীয়, তীব্বত বর্মীয় আদি বিভিন্ন জনগোষ্ঠীয়ে বাস কৰি আহিছিল। কৃষিৰ ওপৰত নির্ভৰ কৰি জীৱন নির্বাহ কৰা এই জনগোষ্ঠীয় লোকসকলে অনাদি কালৰে পৰা নিজা নিজা লোকবিশ্বাসৰ মাজেদি ধর্মীয় নীতি-নিয়ম-আচৰণ মানি চলিছিল। এই ধর্মীয় লোকাচাৰবোৰ প্রধানকৈ কৃষিভিত্তিক আছিল। প্রধান জীৱিকা কৃষিৰ উৎপাদন যাতে ভাল হয়, তাৰ দ্বাৰা পৰিয়ালবোৰ স্বচ্ছলভাৱে চলিব পাৰে, তাৰ কাৰণে প্রতিটো জনগোষ্ঠীয়ে পৰম্পৰাগতভাৱে কিছুমান পূজা-পাতল কৰি আহিছিল।

কামৰূপৰ এই বিশাল ভূ-খণ্ডত বিভিন্ন জনগোষ্ঠীয়ে নিজা নিজাকৈ একোখন ক্ষুদ্র ৰাজ্য পাতি নিজা নিজা শাসন ব্যৱস্থাৰ মাজেদি সমাজ পাতি বাস কৰিছিল। কামৰূপ নামেৰে পৰিচিত এই বিশাল ভূখণ্ডক চাৰিটা প্রধান ভাগত ভাগ কৰা হৈছিল। এই ভাগবোৰক পীঠ নামেৰে নামকৰণ কৰা হৈছিল। কামপীঠ,

ৰত্নপীঠ, সৌমাৰপীঠ আৰু সুবর্ণপীঠ। তন্ত্র শাস্ত্রবিলাকৰ পৰা সংগ্রহ কৰা তথ্য অনুসৰি এই পীঠকেইখনৰ সীমা পশ্চিমে কৰতোৱা নদীৰ পাৰ, পূৱে ডিক্রুং নদী, উত্তৰে কনৰ পাহাৰৰ পৰা দক্ষিণে নৱলয়াৰ মাজত বিয়পি আছিল।

এই চাৰি পীঠৰ ভিতৰতে কামপীঠতে বহুতো মঠ-মন্দিৰ আছিল। যোগিনী তন্ত্রৰ মতে এই কামপীঠ ব্রহ্মপুত্রৰ দুয়োপাৰে মানস নদীৰ পৰা শিলঘাটৰ মাজত সীমাবদ্ধ আছিল। এই কামপীঠতে আছিল আধ্যাত্মিক বৌদ্ধিক জ্যোতিষ চর্চাৰ কেন্দ্র নৱগ্রহ মন্দিৰ। গুৱাহাটী আছিল কামৰূপৰ এক প্রসিদ্ধ ঠাই।

প্রাচীন কামৰূপত দুর্গা পূজা ঃ

কামৰূপ অতীজৰে পৰা তন্ত্রমন্ত্রৰ বাবে বিখ্যাত ঠাই আছিল। শক্তিপীঠ মা কামাখ্যা দেৱালয় আছিল শক্তিপূজা আৰু সাধনাৰ প্রাণকেন্দ্র। ঐতিহাসিক সময়ৰ পৰা সুউচ্চ নীলাচল পাহাৰত সাধনাসিদ্ধ পীঠৰূপে কামাখ্যা সদাজাগ্রত হৈ আছে। ইয়াৰ উপৰি এই কামৰূপত বিশেষকৈ গুৱাহাটীত আছে প্রসিদ্ধ শ্রীশ্রী উগ্রতাৰা দেৱালয়। এই উগ্রতাৰা দেৱীৰ উগ্র উপাসক আছিল বিখ্যাত সপ্তর্ষি মণ্ডলৰ অন্যতম বশিষ্ঠ মুনি। যোগিনীতন্ত্র, কালিকা পুৰাণ, গৰুড়পুৰাণত পুৰণি কামৰূপক দেৱী পূজা আৰু সাধনাৰ প্রাণকেন্দ্র স্বৰূপে ব্যাখ্যা কৰা দেখা যায়। কামৰূপত চলা এনে শক্তিৰ অধিষ্ঠাত্রী দেৱীক ব্যাপকভাৱে কৰা অর্চনাক লৈ কালিকা পুৰাণত কৈছে—

"দেৱী ক্ষেত্রং কামৰূপং বিদ্যাতেহন্যন তৎসমম্।
অন্যত্র বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।"

ইয়াৰ বাহিৰেও আজাঠুৰীৰ শ্রীশ্রী অগ্নিবানেশ্বৰ দেৱালয়, ঐতিহাসিক বিল্বেশ্বৰ দেৱালয় আদিত অতি প্রাচীন কালৰে পৰা তান্ত্রিক আৰু বৈদিক প্রথাৰে শক্তি পূজা কৰি আহিছে। এই মন্দিৰবোৰত শক্তিৰ অধিষ্ঠাত্রী দেৱী মা দুর্গাৰ পূজাও ঐতিহাসিক কালৰে পৰা তান্ত্রিক আৰু বৈদিক প্রথাৰে কৰি আহিছে। শক্তিপীঠ কামাখ্যাত শৰৎকালৰ নৱৰাত্রিত তান্ত্রিক আৰু বৈদিক ৰীতি-নীতিৰে ঐতিহাসিক কালৰে পৰা দুর্গা পূজা পালন কৰি আহিছে। আজাঠুৰীৰ বানেশ্বৰ দেৱালয়ত দুর্গা পূজাৰ অষ্টমীৰ দিনা হোম-যজ্ঞ কৰিছিল। পুৰণা কামৰূপৰ নলবাৰী জিলাত থকা ঐতিহাসিক বিল্বেশ্বৰ দেৱালয়তো অতীজৰে পৰা শক্তিৰ আৰাধ্য মা দশভুজাৰ পূজা-অর্চনা কৰি আহিছে। এই দেৱালয়ত ম'হ বলি এক প্রাচীন ধার্মিক পৰম্পৰা। প্রতি বছৰে দুর্গা পূজাৰ নৱমীৰ দিনা ইয়াত ম'হ বলি দিয়া হয়। তদুপৰি, এই কামৰূপৰে ঐতিহাসিক দেওঁবাঁহৰগুৰি বা ব্যাঘ্রেশ্বৰী দেৱালয়তো অতীজৰে পৰা পৰম্পৰাগতভাৱে দেৱী দুর্গাৰ পূজা চলি আহিছে। এই দেৱালয়ৰ বাঘ্রখোদিত মূল মন্দিৰত প্রতিষ্ঠা কৰি ৰখা হৈছে শ্রীশ্রী দেৱী দুর্গাৰ বিগ্রহ। এই দেৱালয়তে দুর্গাপূজাৰ আটাইকেইদিন মন্দিৰ চৌহদত চলি থাকে ৰাজহুৱা ভোগ-বিতৰণ।

মধ্যযুগৰ কামৰূপত দুর্গা পূজা ঃ

যোগিনী তন্ত্রৰ মতে অতি প্রাচীন কালৰে পৰা চলি থকা কামাখ্যা মন্দিৰৰ লগতে আন আন শক্তিপীঠসমূহৰ পূজা পালন পদ্ধতি মধ্যযুগত কিছু পৰিৱর্তন হয়। মধ্যযুগত আহোম ৰাজত্বৰ শাসন কালত এই শক্তিপীঠসমূহে ৰাজকীয় মর্যাদা পালে। ফলত ইয়াৰ প্রসাৰ আৰু প্রচাৰ ঘটি লাহে লাহে এই দুর্গা পূজা কেৱল শক্তিপীঠসমূহতে আৱদ্ধ নেৰাখি বিভিন্ন স্থানত এই পূজা পাতিবলৈ ধৰে। মধ্যযুগৰ আহোম স্বর্গদেউসকলে ৰাজধানী গড়গাঁৱৰ লগতে শাৰদীয় দুর্গা পূজাভাগ অতি জাকজমকতাৰ মাজেদি পালন কৰাৰ বিষয়ে বিভিন্ন ইতিহাসবিদে উল্লেখ কৰি গৈছে। স্বর্গদেউ শিৱসিংহই পিতৃ স্বর্গদেউ ৰুদ্রসিংহৰ আজ্ঞা পালি বংগদেশৰ নদীয়া জিলাৰ শান্তিপুৰৰ শোভাকৰ ভট্টাচার্য্যৰ ঘৰৰ কৃষ্ণৰাম ভট্টাচার্য্য ন্যায়বাগীশ শাক্ত নামৰ পণ্ডিত এজনৰ ওচৰত শৰণ লৈ শাক্ত ধর্ম গ্রহণ কৰে। প্রাচীনতম সময়ৰে পৰা বৈদিক ৰীতি-নীতিৰ মাজেদি পৰিচালিত মা কামাখ্যা দেৱালয়ৰ উন্নতিৰ বাবে আহোম স্বর্গদেউসকলে ২৫,৮৬০ বিঘা, ২ কঠা, ১১ লেচা নিষ্কিখেৰাজ ৮১২ বিঘা ৪ কঠা ৬ লেচা আৰু খেৰাজ ৩০০ বিঘা ৪ কঠা ৪ লেচা ভূমি মন্দিৰৰ নামত দান কৰাৰ লগতে তাম্রফলি আদি প্রদান কৰাৰ কথা জানিব পাৰি। কৃষ্ণৰাম ভট্টাচার্য্য ন্যায়বাগীশ শাক্ত পণ্ডিতজনৰ ওচৰত ৰজাই নিজে শৰণ লোৱাৰ লগতে ৰাজপৰিয়ালৰ আন আন লোক তথা সমাজৰ অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ বহুতেই তেওঁৰ ওচৰত দীক্ষা লৈ শাক্ত ধর্মাৱলম্বী হয়। শৰণ লোৱাৰ পাছত স্বর্গদেউৰে পণ্ডিতক নীলাচল পাহাৰত বহুখিনি ব্রহ্মোত্তৰ মাটি দান কৰি গুৱাহাটী নীলাচল পাহাৰত ভালকৈ ঘৰ-বাৰী কৰাই দি বসতি কৰিবলৈ দিলে। নীলাচল পাহাৰত বাস কৰিবলৈ লোৱা বাবে তেওঁক 'পর্বতীয়া গোসাঁই' বুলি জনা গৈছিল। পর্বতীয়া গোসাঁয়ে দিয়া বিধিমতে ৰজাঘৰত দুর্গোৎসৱ, চণ্ডীপাঠ, বলিদান আদি প্রথা চলিবলৈ ধৰিলে। পর্বতীয়া গোসাঁয়ে কামাখ্যা দেৱালয়ৰ বাবে 'দুর্গা বচন মঞ্জুৰী' নামৰ দুর্গা পূজাৰ এক সুকীয়া বিধি প্রৱর্তন কৰায়। এই বিধি অনুসৰি কামাখ্যা মন্দিৰত হোৱা দুর্গা পূজা অন্যান্য পূজাতকৈ পৃথকভাৱে অনুষ্ঠিত কৰা হয়। কামাখ্যা মন্দিৰৰ পূজা সম্পূর্ণ আধ্যাত্মিক ধাৰণাৰে তন্ত্র-মন্ত্রৰ দ্বাৰা পূজা পাঠ কৰা হয়। সপ্তমী, অষ্টমী আৰু নৱমী তিথিত বলি-বিধান

কৰে। পর্বতীয়া গোসাঁইৰ দিনতে কামাখ্যাত ম'হ বলি দিয়া প্রথা প্রৱর্তন হয়। স্বর্গদেউ শিৱসিংহৰ দিনতে গুৱাহাটীৰ উজান বজাৰত নির্মিত হৈছিল উগ্রতাৰা দেৱালয়। কালিকা পুৰাণত উগ্রতাৰা দেৱীৰ সন্দর্ভত কৈছে—

"চাৰু নিম্ন শুভাবর্তনং কামাখ্যা নাভিণ্ডলয়।
তত্রোগ্রতাৰাৰূপেন পূজিতব্য শুভাত্মিকা।।"

দক্ষ ৰজাৰ যজ্ঞত প্রাণত্যাগ কৰা সতী পার্বতীৰ দেহ দেৱাদিদেৱ মহাদেৱে কান্ধত লৈ যেতিয়া ৰুদ্রমূর্ত্তি ধাৰণ কৰি ত্রিভুবন ঘূৰি ফুৰিছিল তেতিয়া ভগৱান বিষ্ণুৱে সুদর্শন চক্রৰ দ্বাৰা সতীৰ দেহ খণ্ড-বিখণ্ড কৰি দিয়াত সতীৰ নাভি অংশ শ্রীশ্রী উগ্রতাৰা দেৱালয়ত পতিত হৈছিল। সেই নাভিৰূপী তাৰাই পিছত উগ্রতাৰা ৰূপে প্রতিষ্ঠিত হয়। দেৱীয়ে ভক্তক উগ্র ভয়ৰ পৰা তাড়ন কৰে কাৰণে তেওঁৰ নাম উগ্রতাৰা। উগ্রতাৰা মন্দিৰৰ কাষত থকা যোৰ-পুখুৰী দুটা ৰাণী ফুলেশ্বৰীয়ে খন্দাইছিল বুলি পুখুৰীৰ পাৰত থকা শিলালিপিত উল্লেখ আছে। স্বর্গদেউ শিৱসিংহই সুদূৰ কান্যকুব্জৰ পৰা পাঠিন্যগোত্রৰ আচার্য্য বিদ্যাবিনন্দদেৱ ব্রাহ্মণক আমন্ত্রণ কৰি আনি শ্রীশ্রী উগ্রতাৰা দেৱীৰ পূজক ৰূপে নিযুক্তি দিছিল। ইয়াৰ উপৰি তেওঁ শাণ্ডিল্য গোত্রৰ আচার্য্য কবি ভূষণদেৱ আৰু আচার্য্য ৰামমিত্রদেৱক আমন্ত্রণ কৰি শ্রীশ্রী উগ্রতাৰা দেৱীৰ পূজক ৰূপে নিযুক্ত কৰিছিল।

মধ্যযুগত কামৰূপৰ আন এক দেৱালয় পিংগলেশ্বৰ দেৱালয়। এই দেৱালয়ত অতীজৰে পৰা দুর্গা পূজাৰ প্রচলন হৈ আহিছে। স্বর্গদেউ শিৱসিংহৰ ৰাজত্বকালতে বাইহাটা চাৰিআলিৰ সমীপৱর্তী পাতিদৱং অঞ্চলৰ অন্তর্গত এই পিংগলেশ্বৰ দেৱালয় নির্মাণ কৰিছিল পুৰণি কামৰূপৰ বর্তমান বজালী জিলাৰ ডুবি গাঁৱত অৱস্থিত পৰিহৱেশ্বৰ দেৱালয়। এই দেৱালয়ো শিৱসিংহৰ দিনতে নির্মিত হৈছিল। ৰাণী ফুলেশ্বৰীয়ে এই পৰিহৱেশ্বৰ দেৱালয়ত দুর্গা পূজাৰ প্রচলন কৰোৱাৰ উদ্দেশ্যে এটি পিতলৰ মূর্ত্তি দান কৰিছিল আৰু তেতিয়াৰ পৰাই তাত বলি বিধানসহ দুর্গা পূজা চলি আছে।

কামৰূপত স্বর্গদেউ শিৱসিংহই নির্মাণ কৰা আন দেৱালয় হ'ল হাজো ৰাজহ চক্রৰ উত্তৰ সৰুবংশৰ মৌজাৰ অন্তর্গত ভৃংগেশ্বৰ দেৱালয়। এই মন্দিৰত দুর্গা পূজা পালন কৰাটো বাধ্যতামূলক বুলি এখন ফলিত লিখিত থৈ গৈছে। তাৰ বাহিৰেও স্বর্গদেউ শিৱসিংহই উত্তৰ সৰুবংশৰ মৌজাৰ অন্তর্গত শুৱালকুছি গাঁৱত অৱস্থিত সিদ্ধেশ্বৰ দেৱালয় নির্মাণ কৰিছিল। ইয়াৰ সন্মুখভাগ আৰু অন্তর্ভাগতো দুর্গা মূর্ত্তি আছে। বছৰি ইয়াত শাৰদীয় দুর্গা পূজা অনুষ্ঠিত হৈ আহিছে। দুর্গা পূজাত বলি-বিধান প্রথা যদিও আহোম স্বর্গদেউসকলৰ দিনতে প্রৱর্তন হৈছিল এই বলি প্রথা সম্পর্কত বুৰঞ্জীবিদ হলিৰাম ঢেকীয়াল ফুকনৰ মতে দুর্গোৎসৱত বলি ব্যৱস্থা কেৱল ৰজাৰ বাবে অনুমতি প্রদান কৰিছিল। সাধাৰণ প্রজাক কোনোধৰণৰ বলি-বিধানত ভাগ ল'বলৈ অনুমতি দিয়া নাছিল।

মধ্যযুগৰ গুৱাহাটীত ঘৰুৱা দুর্গা পূজা পালন ঃ

মধ্যযুগত কামৰূপত ঘৰুৱাভাৱে দুর্গা পূজা পালনৰ ক্ষেত্রত লেখক কুমুদেশ্বৰ হাজৰিকাই উল্লেখ কৰিছে যে গুৱাহাটীৰ উজান বজাৰৰ ৰাজবাৰীত আহোম স্বর্গদেউ চন্দ্রকান্ত সিংহই ১৮২১ খ্রীষ্টাব্দত ঘৰুৱা দুর্গা পূজা আৰম্ভ কৰিছিল। পিছলৈ ১৮৮৯ খ্রীঃত তেওঁৰ পুত্র ৰাজকুমাৰ ঘনকান্ত সিংহই ৰাজবাৰীত ঘৰুৱাভাৱে দুর্গা পূজা উদ্‌যাপন কৰিছিল। যি কি নহওক উজানবজাৰ ৰাজবাৰীৰ দুর্গা পূজাখনেই গুৱাহাটীৰ আটাইতকৈ পুৰণি ঘৰুৱা পূজা আছিল বুলি প্রায় সকলো একমত হৈছিল।

আন এটা ৰাজপৰিয়াল লুকি পৰিয়ালেও গুৱাহাটীৰ পাণবজাৰৰ ৰজাবাৰীত থকা নিজৰ ঘৰত মধ্যযুগত দুর্গা পূজা পাতিছিল।

শক্তিপূজাৰ কেন্দ্রস্থল এই কামৰূপত প্রাচীন কালৰে পৰা মধ্যযুগ পাৰ হৈ আধুনিক কালতো অতি জাকজমকতাৰ মাজেদি শাৰদীয় দুর্গা পূজা পালন কৰি আছে। বর্তমান অসমৰ বিভিন্ন প্রান্তত শৰৎকালত স্থায়ী দেৱালয়ৰ উপৰি অস্থায়ী পূজা মণ্ডপ আৰু পেণ্ডেল পাতি তাত বিধিমতে মা দুর্গাৰ মৃন্ময় মূর্ত্তি স্থাপন কৰি শাৰদীয় দুর্গা পূজা পালন কৰা দেখা যায়। এই পূজাস্থলীবোৰত ভক্তই পূজা-অর্চনা কৰি দেৱীৰ ওচৰত সেৱা জনাই আহিছে। অসমৰ বিভিন্ন প্রান্তত মাহ-প্রসাদ, ভোগ-বিতৰণৰ লগতে বিভিন্ন ধর্মীয় কার্যসূচীৰ মাজেদি সকলোৱে এই দুর্গা পূজাভাগ আনন্দ-উলাহৰ মাজেদি পালন কৰি আছে, সমাজত একতাৰ বান্ধোন মজবুত কৰি তুলিছে।❑

লেখক পৰিচিতি ঃ অৱসৰী অধ্যক্ষ, গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয়

ধৰ্ম, উৎসৱ আৰু সমাজ
দুৰ্গা পূজাৰ প্ৰসংগত

ড° বিনীতা বৰা দেৱচৌধুৰী

ধৰ্ম, উৎসৱ আৰু সমাজ— আপাত দৃষ্টিত তিনিটা ভিন্ন বিষয় যেন লাগিলেও ইটোৰ লগত সিটোৰ অভিন্ন সম্পৰ্ক বিদ্যমান। ধৰ্মৰ লগত জড়িত আছে সংস্কাৰ। উৎসৱৰ লগত জড়িত আছে আনন্দময় অনুভূতি, আৰু সমাজ এখন সম্পূৰ্ণ হ'বলৈ প্ৰয়োজন সংস্কাৰ আৰু আনন্দময় অনুভূতি দুয়োটাৰে পৰিশীলিত ৰূপ, যিয়ে একেলগে বাস কৰা ব্যক্তি সমষ্টিক একগোট কৰিব পাৰে।

ধৰ্মৰ প্ৰকৃত অৰ্থই হৈছে কল্যাণ সাধন। ব্যক্তি, জীৱ জগত তথা সমাজৰ কল্যাণ সাধনেই হৈছে ধৰ্মৰ মুখ্য উদ্দেশ্য। একোজন ব্যক্তিৰ নিজস্ব কিছু বিশ্বাস বা ৰীতি-নীতি থাকে, একোটা ধৰ্মবিশ্বাস থাকে। ভিন্ন ধৰ্মবিশ্বাস বা পালনৰ ৰীতি থাকিলেও উদ্দেশ্য কিন্তু একে— কল্যাণ সাধন।

গতানুগতিক জীৱনৰ অৱসাদ সামৰি নতুন উদ্দীপনাৰে জীৱনক সজাই তুলিবলৈকে প্ৰয়োজন উৎসৱৰ। সামাজিক, ব্যক্তিগত, পৰিয়ালকেন্দ্ৰিক, বিভিন্ন উৎসৱে দৈনন্দিন জীৱনযাত্ৰাত এক ব্যতিক্ৰমতা আনি দিয়ে। জন্ম, মৃত্যু, বিবাহ, ঋতুকালীন, কৰ্মকেন্দ্ৰিক, ধৰ্মকেন্দ্ৰিক বিভিন্ন উৎসৱে নিজস্ব ৰং আৰু ৰহণেৰে অৱসাদগ্ৰস্ত মনক সজীৱতা প্ৰদান কৰে। উৎসৱবোৰ আচলতে গ্ৰীষ্মৰ প্ৰখৰ ৰ'দত প্ৰশান্তি আনিব পৰা এজাক যেন ৰৱষুণ। পৰিয়ালকেন্দ্ৰিক বা ব্যক্তিগত উৎসৱসমূহতকৈ সামাজিক বা ৰাজহুৱা উৎসৱসমূহে সামাজিক বা সমূহীয়া আনন্দৰ অনুভৱ বেছিকৈ জগাই তোলে। ঋতুকালীন আৰু ধৰ্মকেন্দ্ৰিক সমূহীয়া উৎসৱ-পাৰ্বণৰ লগত সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি বহুতো দিশ জড়িত হৈ থাকে। এই উৎসৱসমূহে একতাৰ বান্ধ কটকটীয়া কৰাৰ লগতে মানুহক সমাজৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্ত্তব্য পালনৰ কথাও সোঁৱৰাই দিয়ে।



ভাৰতবর্ষত প্রাচীন কালৰ পৰা শক্তি পূজা প্রচলন থকাৰ বিভিন্ন উল্লেখ পোৱা যায়। যেতিয়াই সমাজত অমংগল হয়, অপশক্তিয়ে শুভশক্তিৰ ওপৰত অত্যাচাৰ চলায়, বিশৃংখলতাৰ সৃষ্টি হয়— তেতিয়াই সেই অপশক্তি নিধনৰ বাবে বিভিন্ন ৰূপত শক্তিৰ অধিষ্ঠাত্রী দেৱীৰ পূজা কৰা হয়। ভক্তগণৰ পূজাত সন্তুষ্ট হৈ দেৱীয়ে ৰূপ পৰিগ্রহ কৰি সেই অপশক্তিৰ বিনাশ ঘটাই সমাজত শান্তি প্রতিষ্ঠা কৰে। কেতিয়াবা আকৌ ধন-সম্পত্তি লাভৰ বাবেও লক্ষ্মী ৰূপত দেৱীৰ পূজা কৰা হয়। কেতিয়াবা জ্ঞান লাভৰ বাবে সৰস্বতী ৰূপত। প্রত্যেক পূজাৰে সুকীয়া বিধি আছে আৰু সেই বিধি-নিয়মেৰে ব্যক্তিগত আৰু সার্বজনীন, দুয়ো ধৰণে পূজাসমূহ পালন কৰা হয়। আচৰিত কথা যে অসমত বিশেষকৈ বাহুল্য ৰূপত ভিন্ন ৰূপত দেৱীকহে পূজা কৰা হয়, দেৱতাক নহয়। সেয়ে শক্তি বা মাতৃ বা আদ্যা শক্তিৰ প্রভাৱ অসমত অন্যান্য প্রভাৱতকৈ বেছি বুলি ক'ব পাৰি। ওচৰ-চুবুৰীয়া পশ্চিমবংগত দেৱীৰ দুর্গা ৰূপত পূজাৰ বহুল প্রচলনৰ প্রভাৱ অসমত পৰা বুলি বহুতে ক'ব খোজে যদিও অসমত শক্তি পূজাৰ পৰম্পৰা নতুন নহয়। ই কেইবাশ বছৰৰ আগৰ পৰা বিভিন্ন ৰূপত প্রচলিত হৈ আহি আছে।

আদি কাব্য ৰামায়ণত দেৱী দুর্গাৰ পূজাৰ কথা বর্ণনা কৰা হৈছে। ৰাৱণ বধৰ আশীর্বাদ বিচাৰি ৰামে বসন্ত কালত হোৱা দেৱী দুর্গাৰ পূজাৰ অকালবোধন কৰে। অর্থাৎ, শৰৎ কালতে দুর্গাৰ পূজা কৰে ৰাৱণ বধৰ বাবে আশীর্বাদ বিচাৰি। সেয়ে এই পূজাক অকালতে হোৱা শাৰদীয় দুর্গা পূজা বুলি নাম দিয়া হ'ল। লাহে লাহে বসন্ত কালত হোৱা দেৱী পূজাতকৈ শৰৎ কালত হোৱা দেৱী দুর্গাৰ পূজাহে মানুহৰ মনত অধিক জনপ্রিয় হৈ উঠিল আৰু শাৰদীয় দুর্গা পূজাৰ বহুল প্রচলন হ'ল। প্রাকৃতিক পৰিবেশো ইয়াৰ এটা কাৰণ বুলি অনুমান কৰিব পাৰি। বসন্ত কালতকৈ অসমত শৰৎ কালত প্রাকৃতিক পৰিৱেশ অধিক সুচল হয়। বর্ষাৰ ক্লেদাক্ত পৰিৱেশৰ পৰা আঁতৰি প্রকৃতি নির্মল, স্বচ্ছ হৈ পৰে। বাট-পথ সুচল হয়। উৎকট গৰম বা ঠাণ্ডাৰ সলনি এক আৰামদায়ক পৰিৱেশ হয়। পূজাৰ উপাচাৰৰ অন্যতম শেৱালি ফুল, পদুম ফুল আদিও এই সময়ছোৱাত উভৈনদী হৈ পৰে। সেয়ে সুচল পৰিৱেশত খেতি-বাতিৰ পৰাও আজৰি হৈ থকা সময়ত অসমত চাগে সল্ঢালনিকৈ শৰৎ কালতে দুর্গা পূজা পতাৰ প্রথা প্রচলন হ'ল। তথাপি দুই-এঠাইত আজিও 'বাসন্তী পূজা' নামেৰে বসন্ত কালত দেৱী দুর্গাৰ আৰাধনা কৰা হয়।

আহোম ৰাজত্বকালতেই অসমত দেৱী দুর্গাক পূজা কৰাৰ প্রথা প্রচলন থকাৰ কথা বুৰঞ্জীত পোৱা যায়। লাহে লাহে শাক্ত উপাসক হিন্দুসকলৰ মাজত দেৱী দুর্গাৰ পূজা বহুল ৰূপত প্রচলিত হ'বলৈ ধৰে। দশভুজা দেৱী দুর্গাৰ মাজতে দেৱীৰ ভিন্ন ৰূপ সোমাই থকা বুলি বিশ্বাস কৰা হয় আৰু সেই দেৱীক যোড়শোপচাৰেৰে বিধিসন্মতভাৱে পূজা কৰিলে সকলো অপায়-অমঙ্গল নাশ হয় বুলি কৰা বিশ্বাসেৰে ভক্তসকলে দেৱী পূজা কৰিবলৈ ধৰিলে। প্রথমে মন্দিৰ-দেৱালয়ত, তাৰ পিছত ব্যক্তিগত উদ্যোগত আৰম্ভ হোৱা এই পূজাই কালক্রমত সার্বজনীন ৰূপ পৰিগ্রহ কৰিলে আৰু অসমীয়া হিন্দু সমাজৰ এক বিশেষ উৎসৱৰূপে উদ্যাপিত হ'বলৈ ধৰিলে। জাতি-ধর্ম-বর্ণ নির্বিশেষে সকলো শ্রেণীৰ লোকে ধর্মীয় ৰীতি-নীতিখিনি নহ'লেও দুর্গা পূজাৰ আনন্দ-উল্লাসত ভাগ লৈ ইয়াক সঁচা অর্থত সার্বজনীন ৰূপ দিলে।

শৰৎ কালৰ লগে লগে অসমৰ প্রকৃতিয়ে মোহনীয় ৰূপ ধাৰণ কৰে। বৰষুণে ক্লেদাক্ত কৰা বাৰিষাৰ বাট-পথ মুকলি হয়। কবিৰ ভাষাত 'বাটে পোৱালি মেলে', অহাযোৱাৰ সুচল হয়। লহ্পহকৈ বাঢ়ি অহা সেউজীয়া ধাননি পথাৰে সোণোৱালী ভৱিষ্যতৰ সপোন ৰচে খেতিয়কৰ চকুত। মেঘমুক্ত নীলা আকাশৰ তলত হালি জালি থকা শুভ্র কঁহুৱাডৰাই মৃদু বতাহত লয়লাস ছন্দ তুলি মানুহৰ মনবোৰতো উৎসৱৰ ছন্দ জগাই তোলে। থৰ লগা বিলৰ পানীত পদুম ফুলৰ ৰঙীন শোভাই মন ৰঙাই তোলে। সন্ধিয়া ৰান্ধনী বেলিৰ পোহৰত ৰংচঙীয়া হৈ পৰা পশ্চিমৰ আকাশখনত সুৰ তুলি যেন বাজি উঠে আৱাহনী শঙ্খ। বতাহত ভাহি আহে যেন ধূপ-ধূনাৰ গোন্ধ। ঢাকৰ শব্দত ছন্দোময় হয় প্রাণ। হাজাৰ দুখ, বিশৃংখলতা, অপায়-অমঙ্গলৰ মাজতো সকলোৰে মনত হয় আশাৰ সঞ্চাৰ— মা আহিছে নাশ হ'ব সকলো দুখ, অপায়-অমঙ্গল। সুন্দৰ হ'ব পৃথিৱী দুর্গতিনাশিনী মা দুর্গাৰ আগমনৰ আনন্দত মনেৰে সকলো সাজু হয় বিধিসন্মতভাৱে তেওঁক পূজিবলৈ।

সঁচাকৈয়ে, পূজাৰ কেইদিন যেন সকলোৰে মনৰ পৰা আঁতৰি যায় সকলো শংকা। চৌদিশে আনন্দ মাথোঁ আনন্দ। কণ কণ ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধ-বনিতালৈকে সকলোৱে সাধ্যানুসাৰে নিজক সজাব বিচাৰে ন-বস্ত্রৰে। মিঠাইৰ মিঠাৰে আঁতৰাব খোজে জীৱনৰ তিক্ততা, ৰং-বিৰঙৰ খেলনা— বেলুনৰ ৰং-ৰূপেৰে নির্মাণ কৰি ল'ব বিচাৰে ৰঙীন এখন পৃথিৱী। সাধ্যানুসাৰে দেৱীৰ চৰণত গন্ধ-পুষ্পৰে নৈবেদ্য সাজি সেৱা জনাই আশীর্বাদ লয় নিজৰ বাবে, পৰিয়ালৰ বাবে, সমাজৰ বাবে। মঙ্গলময় কামনাৰ ধ্বনি সকলোৰে মনত ধ্বনিত হয় বাবেই এই দুর্গা পূজাৰ অনুভৱ আৰু মাদকতা অনন্য।

পূজাথলী হৈ পৰে মিলনৰ থলী। পূজাৰ বাবেই পৰিয়ালৰ সকলো একগোট হয়। কর্মৰ খাতিৰত ভিন্ন ঠাইত বাস কৰিবলগা সকলো সদস্য নিজৰ ঘৰলৈ বুলি আহি একেলগে উৎসৱমুখৰ পৰিবেশত দিন কটায় হেঁপাহৰ। কেনেদৰে চুবুৰিটোৰ, নিজা অঞ্চলটোৰ সকলোৱে পূজাথলীত

মিলিত হৈ শৈশৱৰ পাৰ হৈ অহা দিনবোৰৰ স্মৃতি ৰোমন্থন কৰি কৰ্মব্যস্ততাই শিথিল কৰি তুলিব খোজা আন্তৰিকতাৰ বান্ধোন দৃঢ় কৰি তোলাৰ লগতে সমাজৰ বান্ধোনো দৃঢ় কৰে। নতুন প্ৰজন্মৰ সদস্যসকলে পাৰস্পৰিক চিনা-পৰিচয়েৰে নিজৰ ভাৱ বিনিময় কৰিবলৈ সুযোগ পোৱাৰ লগতে অঞ্চলটোৰ পৰম্পৰা প্ৰত্যক্ষ কৰাৰো সুযোগ পায়। ধৰ্মীয় উৎসৱ হৈও পূজাথলী হৈ পৰে মিলনৰ থলী।

সাম্প্ৰতিক সময়ত এই দুৰ্গা পূজাৰ দৰে উৎসৱে, যিবোৰ ঠাইত সাৰ্বজনীনভাৱে পতা হয়— তাত এক সাহিত্যিক, সাংস্কৃতিক, অৰ্থনৈতিক সকলো দিশৰ যোগাত্মক পৰিৱেশ গঢ়ি তোলে। বিভিন্ন প্ৰতিযোগিতাৰ মাজেৰে নতুন প্ৰজন্মৰ প্ৰতিভা বিকাশৰ সুযোগ দিয়া হয়। আলোচনী আদিৰ প্ৰকাশেৰে সাহিত্য সৃষ্টিৰ এক পৰিৱেশ গঢ়ি তোলা হয়। আজিকালি প্ৰদৰ্শনী, বিপণন আদিৰ জৰিয়তে অঞ্চলটোৰ উদ্যোগী ব্যক্তিসকলকো নিজৰ প্ৰতিভা বা অৰ্থনৈতিক দিশেৰে নিজৰ সামগ্ৰী বিপণন কৰা সুবিধা দিয়া হয়।

ধৰ্মক এক সীমিত গণ্ডীৰ মাজত সুমুৱাই ৰাখিলে সেই ধৰ্মই সমাজৰ কল্যাণ সাধনৰ বিপৰীতে অকল্যাণ সাধনৰ বাবে উদ্দেশ্যপ্ৰণোদিতভাৱে ব্যৱহাৰ হ'ব পাৰে। কিন্তু ধৰ্মক কেন্দ্ৰ কৰি যেতিয়া সাৰ্বজনীন উৎসৱ গঢ় লৈ উঠে তেতিয়া সি মানুহৰ মনৰ মলিনতা আঁতৰ কৰি সামাজিক বান্ধোন দৃঢ় কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা ল'ব পাৰে যিটো দুৰ্গা পূজাৰ দৰে উৎসৱে কৰা দেখা যায়। বহুতে দুৰ্গা পূজা এক হুলস্থূলীয়া, জাকজমকতাপূৰ্ণ অনুষ্ঠানলৈ ৰূপান্তৰিত হোৱা বুলি ক'ব খোজে যদিও জীৱনত তেনে উৎসৱমুখৰতাৰো প্ৰয়োজন আছে। সদায় সাধাৰণ ভাত এসাঁজ খাই থকাৰ পিছত এদিন আনে ৰন্ধা বিশেষ ভাত এসাঁজে যিদৰে ৰসনাক তৃপ্তি দিব পাৰে, ঠিক একেদৰে কৰ্মব্যস্ত, নিস্তৰংগ জীৱনটোত উদ্‌যাপনৰ মাদকতা সানি গতি দিবলৈকে দুৰ্গা পূজাৰ দৰে উৎসৱৰ প্ৰয়োজন। কিন্তু অতিমাত্ৰা যিদৰে সকলো ক্ষেত্ৰতে বেয়া— সেইদৰে আধ্যাত্মিকতাৰ অনুভৱ নোহোৱাকৈ কেৱল জাক্‌জমকতাত গুৰুত্ব দিলে দুৰ্গা পূজাৰো যিটো মঙ্গলময় পৰিৱেশ, কল্যাণকামী মনোভাৱ তাত ব্যাঘাত জন্মিও সমাজখনৰ বান্ধোন অটুট ৰাখিবলৈ, মনবোৰ নিৰ্মল কৰি আনৰ মঙ্গল কামনা কৰিবলৈ শিকোৱাটোহে দুৰ্গা পূজাৰ দৰে উৎসৱৰ প্ৰধান লক্ষ্য হোৱা উচিত।

দেৱী দুৰ্গাৰ আগমনে পৃথিৱী পৱিত্ৰ কৰক, জীৱজগতৰ মঙ্গল সাধন কৰক, মানুহৰ মনবোৰ কল্যাণকামী আদৰ্শৰে ভৰাই তোলক।

"যা দেৱী সৰ্বভূতেষু শক্তিৰূপেণ সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমোঃ নমঃ।।"❑



লেখক পৰিচিতি ঃ অধ্যাপিকা, অসমীয়া বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়



মহিষাসুৰ-বিমর্দ্দিনী দেৱী দুর্গা আৰু অসমীয়া লোকগীত

ড° সত্যজিৎ কলিতা

"যা দেৱী সর্বভূতেষু শক্তি ৰূপেন সংস্থিতা
নমস্তস্যে নমস্তস্যে নমঃস্তস্যে নমোঃ নমঃ"

অসমীয়া লোক সাহিত্যৰ ইতিহাসত লোকগীতে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। বিষয়বস্তুৰ বৈবিধ্য আৰু গঠন ৰীতিৰ বিচিত্রতাৰে অসমীয়া লোকগীত সুসমৃদ্ধ। অকল আনন্দ দানৰ বাবেই নহয়, অসমীয়া কৃষিজীৱী, গঞাঁলোকৰ কর্মমুখী জীৱনৰ প্রতিফলক স্বৰূপেও ইয়াৰ মূল্য অপৰিসীম। ৰাজ্যৰ সাংস্কৃতিক, ঐতিহাসিক তথা ৰাজনৈতিক ঘটনাৱলীয়েও লোকগীতৰ সৃষ্টিত অৰিহণা যোগাই আহিছে। সেয়ে অসমীয়া লোকগীতৰ পথাৰখন সু-বিস্তৃত আৰু বাৰেবৰণীয়া। বিষয়বস্তুৰ প্রতি লক্ষ্য ৰাখি আমি এই প্রবন্ধত ধর্মমূলক বা ভক্তিমূলক লোকগীতৰ অন্তর্গত দেৱী দুর্গা বিষয়ক লোকগীতসমূহৰ সম্যক আলোচনা কৰিছো।

শক্তিৰ অধিষ্ঠাত্রী দেৱী দুর্গাৰ বিকাশ আৰু পূজা প্রচলনৰ ক্ষেত্রত ভাৰতীয় দর্শনশাস্ত্র, ধর্মশাস্ত্র, সংস্কৃতি, সাহিত্য আৰু সমাজ জীৱনত এক জটিল আৰু গুৰুত্বপূর্ণ ভাৰতীয় চিন্তাৰ ইতিহাসৰ দিশ প্রতিভাত হৈ আছে। বিভিন্ন সমলৰ পৰা জ্ঞাত হয় যে দেৱী দুর্গা এক মাতৃৰূপ। এই দেৱী মাতৃত্বৰ ধাৰণা তত্ত্ব আৰু পূজা ভাৰতীয় প্রাগ ঐতিহাসিক আৰু ঐতিহাসিক কালৰ ভাৰতীয় সৃষ্টিয়ে নহয়, ইয়াৰ ধাৰণা আৰু বিশ্বাস প্রাচীন গোষ্ঠীসমূহৰ সত্যতাৰ মাজতো পৰিব্যক্ত আছিল। বেবিলনীয়, চেমিটিক, হেলেনিক, টিউটনিক, নর্দিক আদি গোষ্ঠীৰ মাজতো মাতৃ বা নাৰীত্বৰ প্রাধান্য বিদ্যমান আছিল। ভাৰতৰ সিন্ধু উপত্যকাত মহেঞ্জেদাৰো আৰু হৰপ্পাৰ খননকার্যত উদ্ধাৰ হোৱা প্রাচীন ভাৰতীয় আৰু নগৰ সভ্যতাৰ নিদর্শনসমূহৰ মাজত প্রাপ্ত নাৰীমূর্তিসমূহত অধিকাংশই নাৰীদেৱী বা মাতৃদেৱী বুলি চিহ্নিত হৈছে। ঋক্‌বেদত দেৱতাসকলৰ মাতৃ অদিতি, দেৱী পৃথিৱী, শ্রীদেৱী, সৰস্বতী, ৰাত্রী দেৱী আদিৰ উল্লেখ পোৱা যায়। এইসকল দেৱীৰ স্তুতি আৰু প্রশংসা তাৎপর্যপূর্ণ। পৰৱর্তী কালত দেৱী দুর্গাক বেদমূল্য বুলি কৈ ইয়াৰ প্রচলন আৰু ধ্যান প্রশস্তিৰ অধিক আকর্ষণীয় ৰূপ পায়। ইয়াৰ কাৰণ হ'ল দেৱী দুর্গা এহাতে যিদৰে সর্বশক্তিমান সেইদৰে মাতৃত্বৰ দৰে দয়ালু। ভক্তৰ মংগলৰ বাবে দেৱী চিৰ বিৰাজমান। বিপদ-আপদত মানুহে দেৱীক স্তুতি কৰিলে মনত শান্তি আৰু শক্তি লাভ কৰে। দেৱী হৈছে শক্তি প্রদায়িনী।

এই পৰমশক্তিৰ অধিষ্ঠাত্রী দুর্গা-দ্বিভুজা, চতুর্ভুজা, ষড়ভুজা, অষ্টভুজা, দশভুজা, দ্বাদশভুজা, ষোড়শভুজা, অষ্টাদশভুজা, উগ্রতাৰা, উগ্রচণ্ডী, জয়ন্তী, কোষকী, কামেশ্বৰী, শিৱদূতী,

অন্নপূর্ণা, দীর্ঘেশ্বৰী, ত্রিপুৰা, দীপ্তেশ্বৰী, ব্যঘ্রেশ্বৰী দক্ষিণাকালী, ভদ্রকালী, শ্মশানকালী, তাৰা, চণ্ডী, মংগল চণ্ডী, জগদ্ধাত্রী, ভৈৰৱী, বাসন্তী, ভবমী আদি বিভিন্ন দেৱী দুর্গা আদ্যাশক্তিৰূপে অসমীয়া সমাজত আৰাধ্য দেৱী, আনহাতে, দেৱী দুর্গাৰ অন্য দহটা মহাবিদ্যাৰ অন্তর্গত ষোড়শী, মাতংগী, কমলা, কালী, তৰা, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, বগলা আৰু ধূমাৱতী ৰূপে অসমীয়া সমাজত প্রচলিত আৰু বন্দিত হৈ আহিছে। ইয়াৰ উপৰি শুভচেনী, শীতলা, আই গোসাঁনী, আইলা দেৱী, বুঢ়ী গোসাঁনী, অপেশ্বৰী আদি লৌকিক ৰূপতো দেৱী পূজিত হৈ আহিছে। উপৰিক্ত এই দেৱীসমূহৰ বন্দনা অসম প্রান্তত বিভিন্ন লোক সমাজত গীত বা পদত অৱধাৰিত হৈ আহিছে, কিন্তু এই প্রবন্ধত সেইবোৰৰ উল্লেখ নকৰি মাত্র দুর্গা সম্বন্ধীয় গীতসমূহৰহে আলোচনা আগবঢ়োৱা হ'ল। এই গীতসমূহে অসমীয়া লোকগীতৰ ভঁৰাল চহকী কৰিছে।

শৰতৰ শুভ্র আকাশৰ তলত শুক্লা ষষ্ঠীৰ বিজয়া দশমীলৈ এই সময়ছোৱা অসমীয়া সমাজৰ বাবে চিৰস্মৰণীয় সময়। বিল্ববোধনৰ পৰা বিজয়া দশমীলৈ এই পাঁচদিন যদিও বিধিসম্মত পদ্ধতিৰে দেৱীৰ পূজা-অর্চনা হয় তথাপি শুক্লা ষষ্ঠীৰ দিনাৰ পৰাই অসমীয়া দেৱী বিষয়ক লোকগীতসমূহ মুখৰিত হৈ উঠে। এই সময়ছোৱাত গোসাঁনী নাম গাই ভক্তিপূর্ণ পৰিবেশৰ সৃষ্টি কৰি সকলোৰে হৃদয় দেৱী ভক্তিত গদগদ হৈ পৰে। আয়তীসকলে ক্রম অনুসৰি ষষ্ঠীৰ দিনাৰ পৰা বিল্ববোধন অথবা সপ্তমী, মহা অষ্টমী, নৱমী আৰু বিজয়া দশমীৰ বিসর্জন পর্যন্ত গীত-পদেৰে মুখৰিত কৰে। আয়তীসকলে এই সময়ত দেৱী দুর্গাৰ নামত মূৰৰ চুলিৰে চৰণ মচি দি হৃদয়ত আসন পাৰি স্তুতি কৰে এনেদৰে—

'আহিছে দুর্গা মা এ, বহিছে বেলৰ তলে
চৰণ ধুই নির্মল জলে, বহিবো আসনে।'

ষষ্ঠীৰ দিনা দেৱীক ধূপ-ধুনা নৈবদ্যৰে আমন্ত্রণ কৰি দশভুজক সন্তুষ্ট কৰিবলৈ বিভিন্ন লোকগীত অথবা আখ্যানমূলক গীত আয়তীসকলে গায়— কিদৰে শ্রীৰামচন্দ্রই অকাল বোধনেৰে শৰৎকালত দশভুজা দুর্গাক পূজা কৰি ৰাৱণ বধেৰে সীতাক উদ্ধাৰ কৰিছিল, ৰাজ্য ভ্রষ্ট সুৰথ ৰজাই কিদৰে পৰিয়াল, সম্পদ, সমাধি, দুখ-দুর্গতিৰ পৰা ৰক্ষা পৰিছিল আদি বর্ণনা লোকগীতত প্রস্তুতিত হৈছে—

"ৰাম ৰাম আহিনৰ মাহতে
ৰাম ৰাম ৰামচন্দ্র ৰজাই
ৰাম ৰাম দুর্গাক কৰিলে পূজা,
ৰাম ৰাম দুর্গা সন্তুষ্ট হৈয়া
ৰাম ৰাম সীতা উদ্ধাৰিলা
ৰাম ৰাম দেৱী নাম ভৈলা দশভুজা
ৰাম ৰাম ষষ্ঠীত আহিলা
ৰাম ৰাম সপ্তমীত বহিলা
ৰাম ৰাম অষ্টমীত ভোগে পূজা
ৰাম ৰাম নৱমী দেৱী অ'।।
ৰাম ৰাম ধেমালি ৰচিলা
ৰাম ৰাম দশমীত বিদায়ী হৈলা'

বিজয়া দশমীৰ দিনা ৰাত্রি অথৱা সন্ধিয়া দেৱী বিসর্জনৰ সময়ত আয়তীসকলে দেৱীয়ে পূজা-অর্চনাত একো দোষ নধৰি পুনৰ পৰৱর্তী বছৰত দেৱী আইক মানুহৰ মাজলৈ আহি দুখ-দুর্গতি নাশ কৰিবলৈ চৰণত ধৰি কাকুতি-মিনতি কৰি এইদৰে গায়—

'কিমতে পুজিলো আই দুর্গে এ
আমি নাজানিলো
কি খালা, কি পালা
আই দোষ নধৰিবো
আহা বছৰ আহিবা আই
চাই থাকিম বাট
দায় দোষ নধৰিবা আই
দুখিয়াৰ কথা।'

দুর্গাপূজাৰ সময়ত বিশেষকৈ গধূলি সময়ত নামনি অসমৰ বিভিন্ন ঠাইত আয়তীসকলে দেৱী নাম গোৱা প্রথা প্রচলিত হৈ আহিছে। ইয়াত তিৰোতাসকলে চোতালত বা পূজাথলিত ঠগী দি দুর্গাদেৱীৰ নাম গায়। উদ্দেশ্য ৰাইজৰ মংগলৰ কাৰণে দেৱীৰ কৃপা ভিক্ষা—

(ক) "'অ' আই ভগৱতী এ মণ্ডপে নামিলা
সুবর্ণৰ পঞ্চঘাটে পূজা আৰম্ভিলা।।"

(খ) "অম্বিকা চণ্ডিকা দুষ্টা দুর্গা মাজে বিশ্বেশ্বৰী আই
পাঁচ ভনীয়েক একেখন আসনে বহি নানান পূজা খায়।"

(গ) "দেৱীৰ জননী মাতা কামৰ কামিনী।
বক্তবীর্য বিনাশিনী অসুৰ ঘাতিনী।।"

দুর্গাদেৱীৰ প্রতি স্বভাৱ কৰিব অংকিত এই গীতসমূহত গভীৰ শ্রদ্ধা আৰু ভক্তিৰ পৰিচয় পোৱা যায়। এই গীতসমূহৰ আকর্ষণীয়তা তাৰ কথাবস্তুৰ ওপৰত নির্ভৰশালী নহয়, নির্ভৰশীল প্রকাশ ভংগীৰ চাৰুতা আৰু গীতিময়তাৰ ওপৰতহে। দেৱীক সন্তুষ্ট কৰিবলৈ, দোষ মৰিষণ কৰিবলৈ আয়তীসকলে গায়—

"পদ্য অর্ঘ্য আচমানি কুশাসনত দিয়া।
গন্ধে পুষ্পে ধূপ-দীপে দুর্গাকে পূজিয়া।।
আছে আছে আচমানি হৰেৰ জননী।
কিবা পূজা দিব লাগে নাজানিলো আমি।"

অসমীয়া লোক সমাজত দেৱী দুর্গাৰ এইদৰে বন্দনা দেখিবলৈ পোৱা যায়—

"এ দুর্গা তাৰিণী এ দুর্গতি নাশিনী
দুর্গতিক নাশ কৰা ভেৰব ভৱানী।। (এ দুর্গা তাৰিণী এ)
এ দুর্গা তাৰিণী এ শক্তি সনাতনী।
শৰণাগতকে ৰক্ষা কৰা নাৰায়ণী।।"

লোক সমাজৰ দাপোণস্বৰূপ এই লোকগীতসমূহে লোক সমাজৰ ধ্যান-ধাৰণা, আচাৰ-অনুষ্ঠান, হাঁহি-ধেমালি, দুখ-সুখ, ভয়-উদ্বেগ, দয়া-মায়া, স্তুতি-ভক্তি, আশাহ কল্পনা সকলো দিশ সজীৱ ৰূপত প্রকাশ কৰে। প্রকৃতিৰ শক্তিসমূহৰ মূল গুণত দেৱত্ব বা দেৱীত্ব আৰোপ কৰি বৈদিক যুগত পূজা-অর্চনা, হোম-যজ্ঞেৰে স্তুতি কৰি মানুহৰ মংগল সাধনৰ আশা কৰা হৈছে। কালক্রমত এই স্তুত বন্দনা মৌখিক ৰূপত অনেক প্রকাৰ লোকগীতৰ ৰূপ ধৰি বিভিন্ন সমাজত হৈ আহিছে—

"দুর্গাদেৱী ভগবতী এ পশুপতি জায়া।
চৰণে শৰণ লৈলো ৰাখা মহামায়া।।
দুর্গতি নাশিনী দুর্গা দুঃখ বিনাশিনী।
দুর্গতিক নাশ কৰা বৈৰৰ ভৱানী।।"

অসমীয়া লোকগীতৰ এইদৰে নিজৰ দুখ-দুর্গতি নাশ কৰিবলৈ স্তুতি কৰা দেখা যায়।

দেৱী দুর্গাই তিনিবাৰ বিভিন্ন ৰূপত আবির্ভাৱ হৈছে আৰু তিনিবাৰেই মহিষাসুৰ বধ কৰিছে। এবাৰ অষ্টাদশভুজা হৈ উগ্রচণ্ডা ৰূপত এবাৰ ষোড়শভুজা হৈ ভদ্রকালী ৰূপত আৰু এবাৰ দশভুজা হৈ দুর্গা ৰূপত মহিষাসুৰ বধ কৰিছে। এই দুর্গতি নাশিনী দশভুজা অসমীয়া সমাজত বাৰুকৈয়ে বন্দিত। অসমীয়া লোকগীততো ইয়াৰ প্রভূত উল্লেখ পোৱা যায়।

"এ দুর্গা তাৰিণী এ নামে দশভুজা।
সিদ্ধ মুপি দেৱে কৰে চৰণ পূজা।।"

ভক্তিমূলক লোকগীতৰ এই দুর্গা দেৱী সম্পর্কীয় গীতৰ উপৰি গোসাঁনী নাম, দেৱী নাম, আই নাম, শুভচেনী নাম, অপেশ্বৰী নাম, কালী গোসাঁনী নাম, অন্নপূর্ণা নাম, ঠাকুৰাণী নাম, মনসা নাম আদিতো দুর্গা দেৱীৰ নাম বা গীত সোমাই থকা দেখা যায়—

"অ' মাই ভৱানী দুর্গা
যোগিও চিন্তে আই তোমাৰ পদ বিন্দে।"

এই গীতফাঁকি যদিও শুভচেনী বা সুবচনী গীত তথাপি ইয়াত দুর্গাদেৱীৰ মাহাত্ম্যই বর্ণিত হোৱা পৰিদৃষ্টি হয়।

এইদৰে আদ্যশক্তি দুর্গাদেবীয়ে অসমীয়া লোকগীতত স্থিতি লাভ কৰি অসমীয়া সমাজ জীৱনত শক্তি পূজাৰ এক সুদূৰ প্রসাৰী প্রভাৱ অনাদি কালৰ পৰাই পেলাই আহিছে। অসমীয়া ভক্তি প্রধান দুর্গাদেৱীৰ এই লোকগীতসমূহৰ পৰিসৰ বিস্তৃত আৰু বৈচিত্র্যপূর্ণ। অসমীয়া লোকমনৰ চিন্তা-চেতনাৰ প্রতিফলকস্বৰূপে এই গীতবোৰে অতীজৰে পৰা লোক সমাজত যি প্রভাৱ বিস্তাৰ কৰি আহিছে, সি অনতিক্রম্য। কিয়নো পৰমশক্তি, পৰমেশ্বৰী, জগত জননীৰূপে দেৱী আইক স্তুতি কৰা এই গীতসমূহত সাধাৰণ মনুষ্য জগতৰ মানৱীয় উপলব্ধিৰে দেৱী আই ভাগৱতীক এই লোকগীতবোৰত মানৱী ৰূপতো সজাই-পৰাই একে অনুভূতিৰে বর্ণনা কৰা হৈছে। আদ্যশক্তি ভগৱতী দুর্গা বিজয়, ঐশ্বর্য্য, জ্ঞান আৰু সিদ্ধিৰ অধিষ্ঠাত্রী। দুর্গাৰ প্রতিমাই দুর্গাৰূপে এই গীতসমূহে অন্যায়ৰ বিৰুদ্ধে সমাজত বিদ্যমান হৈ থাকক।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক তথা অধ্যক্ষ, গীতানগৰ কলেজ (কন্যা মহাবিদ্যালয়), গুৱাহাটী



দুৰ্গা মাতাৰ এক অনন্য ৰূপ

দেৱী কুষ্মাণ্ডা

মুকুল চন্দ্ৰ গোস্বামী

কুষ্মাণ্ডা হ'ল হিন্দু ধৰ্মৰ এগৰাকী অতি গুৰুত্বপূৰ্ণ দেৱী। কুষ্মাণ্ডা দেৱীক দুৰ্গা মাৰ চতুৰ্থ ৰূপ হিচাপে গণ্য কৰা হয়। নৱৰাত্ৰিৰ চতুৰ্থ দিনটোত কুষ্মাণ্ডা দেৱীক আৰাধনা কৰা হয়। কালীকুল প্ৰথাৰ অনুগামীসকলেও তেওঁক দুৰ্গাৰ চতুৰ্থ ৰূপ হিচাপে সুকীয়া আসন দি আহিছে।

কুষ্মাণ্ডা = কু + উষ্ম + অণ্ড, যাৰ অৰ্থ সামান্য গৰম অণ্ড বা কণী অৰ্থাৎ ব্ৰহ্মাণ্ড। কুষ্মাণ্ডা দেৱীৰ মিচিকীয়া হাঁহিৰ পৰাই সমগ্ৰ ব্ৰহ্মাণ্ডৰ উৎপত্তি হোৱা বুলি কোৱা হয়। কোনো কোনো শাস্ত্ৰজ্ঞ পণ্ডিতৰ মতে আকৌ কুষ্মাণ্ডা শব্দৰ ব্যুৎপত্তি এনে ধৰণৰ — কু = কুৎসিত, উষ্ম = তাপ, গতিকে কুষ্ম মানে বেয়া তাপ অৰ্থাৎ ত্ৰিপাপ বা দুখ-বেদনা। আধিদৈৱিক, আধিভৌতিক আৰু আধ্যাত্মিক— এই তিনিবিধ তাপ বা ক্লেশক ত্ৰিতাপ বোলা হয়। গতিকে যি দেৱীয়ে সমগ্ৰ জগতৰ ত্ৰিতাপ গ্ৰাস কৰি নিজৰ অণ্ড অৰ্থাৎ উদৰত ভৰাই থৈ দিয়ে তেৱেঁই কুষ্মাণ্ডা। সেয়েহে তেওঁক ত্ৰিতাপহাৰিণী বুলিও কোৱা হয়।

এই দেৱী অষ্টভুজা। তেওঁৰ আঠখন হাতত যথাক্ৰমে চক্ৰ, ত্ৰিশূল, গদা, তৰোৱাল, শূল, ধনুকাঁড়, অমৃতৰ কলহ আৰু তেজৰ কলহ থাকে। তেওঁৰ বাহন হ'ল সিংহ (কাশীত বাঘ) আৰু তেওঁৰ এখন হাত অভয় মুদ্ৰাত থকা দেখা যায়। তেওঁৰ জপমালাত সকলো সিদ্ধি আৰু মনোবাঞ্ছা পূৰণৰ শক্তি আছে বুলি কোৱা হয়। তেওঁ ভক্তৰ স্বাস্থ্য, ধন-সম্পত্তি আৰু বল-বীৰ্য বৃদ্ধি কৰে বুলি লোকবিশ্বাস চলি আহিছে। লোক পৰম্পৰা অনুসৰি এই দেৱীৰ প্ৰিয় ভোগ হ'ল কোমোৰা। সেয়েহে তেওঁৰ পূজাত কোমোৰা বলি হিচাপে প্ৰদান কৰা হয়। গাখীৰ, দৈ, হালৰা আদিও প্ৰসাদ হিচাপে আগবঢ়োৱা হয়। এই দেৱী আশুতোষ আৰু তেওঁৰ ধ্যানমন্ত্ৰ এনে ধৰণৰ—

বন্দে বাঞ্ছিতকামার্থাং চন্দ্রার্ধকৃতশেখৰাম্।
সিংহস্থাং অষ্টভুজাঞ্চ কুষ্মাণ্ডাং যশস্বিনীম্।।
ভাস্বৎভানুনিভাং অনাহতস্থাং ত্রিনেত্রাম্।
চতুর্থদুর্গাং কমণ্ডলুচাপাণং তথাপৰম্।।
পদ্মং সুধাঘটচক্রগদাং জপবটীধৰাম্।
পট্টাম্বৰপৰিধানাং কমনীয়াং সুমন্দস্মিতাম্।।
হাৰমঞ্জীৰাকেয়ূৰকিং কিণীৰত্নকুণ্ডলমণ্ডিতাম্।
প্রফুল্লবদনাং চাৰুচিবুকাং কান্তকপোলাং তুংগকুচাম্।।
কোমলাংগীং শ্রীকণ্ঠীং নিম্ননাভিং নিতম্বিনীম্।

আখ্যান মতে যেতিয়া বিশ্বব্ৰহ্মাণ্ড তিমিৰেৰে পৰিবেষ্টিত এক

মহাশূন্য আছিল, তেতিয়াই এই বিশেষ আলোকৰ কিৰণেৰে চৌদিশ উদ্ভাসিত হৈ পৰিছিল। আদিতে এই আলোক আছিল নিৰাকাৰ। কিন্তু ক্রমাৎ ই এক দিব্য নাৰীৰ ৰূপ পৰিগ্রহণ কৰে আৰু তেওঁকে কুষ্মাণ্ডা দেৱী নামেৰে জনা যায়। লোকবিশ্বাস মতে তেওঁৰ মধুৰ হাঁহিৰ পৰাই সমগ্র বিশ্বব্রহ্মাণ্ডৰ উৎপত্তি হৈছে। এই জগতত জীৱন বর্তাই ৰাখিবলৈ তেওঁ নিজেই সূর্যৰ মধ্যবিন্দুত অৱস্থান কৰি এই জগতক তাপ, পোহৰ আৰু শক্তি যোগান ধৰে। সেয়েহে তেওঁক সূর্যদেৱতাৰ শক্তিৰ মূল আধাৰ বুলি অভিহিত কৰা হয়। তেওঁৰ অবিহনে সূর্যদেৱতা হৈ পৰিব দীপ্তিহীন আৰু নিষ্প্রভ।

আন এক আখ্যানমতে— পৰম আদ্যাশক্তিয়ে দেৱী ৰূপ ধৰি শিৱৰ দেহৰ বাওঁ অংশৰ পৰা সিদ্ধিদাত্রীৰূপে আৱির্ভাৱ হয়। এই দেৱীয়ে তাৰ পিছত সূর্যৰ মধ্যস্থানত থিতাপি লৈ কুষ্মাণ্ডা দেৱী নামেৰে পৰিচিতা হয়। এই দেৱীয়ে মিঠা হাঁহিৰে সমগ্র বিশ্ব-ব্রহ্মাণ্ডখন সৃষ্টি কৰাৰ পিছত ক্রমে আন কিছুমান শক্তিশালী দেৱ-দেৱীকো সৃষ্টি কৰিবলৈ লয়। তেওঁ প্রথমতে মহাকালী, মহালক্ষ্মী আৰু মহাসৰস্বতী— এই তিনি মহাশক্তিক সৃষ্টি কৰিবলৈ লয়।

তেওঁৰ বাওঁ নেত্রৰ পৰা কৃষ্ণ বর্ণৰ এক ভয়ংকৰ নাৰীৰ আৱির্ভাৱ ঘটে, যাৰ শৰীৰ দহখন মুখ, দহটা বাহু, দহখন ভৰি আদি নানা বৈশিষ্ট্যৰে পৰিপূর্ণ। হাতত নানা অস্ত্রৰে সুসজ্জিতা এই নাৰীৰ চেহেৰাও ভয়ংকৰ। দেৱী কুষ্মাণ্ডাই তেওঁৰ নাম ৰাখে মহাকালী।

দেৱী কুষ্মাণ্ডাৰ তৃতীয় চক্ষুৰ পৰা গলিত লাভাৰ দৰে বৰণৰ এগৰাকী অতি হিংস্র নাৰীৰ আৱির্ভাৱ হয়। গেৰুৱা বসন পৰিহিতা এই নাৰীৰ হাত ১৮ খন। নানা অস্ত্রৰে সুসজ্জিতা এই নাৰীয়ে যোদ্ধাসদৃশ চেহেৰা ধাৰণ কৰে। দেৱী কুষ্মাণ্ডাই এই নাৰীৰ নাম ৰাখে মহালক্ষ্মী।

দেৱী কুষ্মাণ্ডাৰ বাওঁ চকুৰ পৰা গাখীৰৰ দৰে শ্বেত বর্ণৰ এক সুন্দৰী নাৰীৰ সৃষ্টি হয়। মুখত প্রশান্তিৰ হাঁহি বিৰিঙাই থকা এই নাৰী নানা অলংকাৰেৰে সজ্জিতা। কুষ্মাণ্ডা। শুধ বগা সাজ পৰিহিতা এই নাৰী নানা অলংকাৰেৰে সজ্জিতা। কুষ্মাণ্ডা দেৱীয়ে এই দেৱীৰ নাম ৰাখে মহাসৰস্বতী।

উক্ত তিনি মহাশক্তিয়ে ক্রমে আন দেৱ-দেৱীসকলক জন্ম দিয়ে। মহাকালীৰ পৰা শিৱ আৰু সৰস্বতীৰ জন্ম হয়। মহাসৰস্বতীয়ে ভগৱান বিষ্ণু আৰু শক্তিক জন্ম দিয়ে। মহালক্ষ্মীয়ে ব্রহ্মা আৰু লক্ষ্মীক সৃষ্টি কৰে। তাৰ পিছত দেৱী কুষ্মাণ্ডাই এই সন্তানসকলক পৰস্পৰৰ সংগীৰূপে এনেকৈ যুক্ত কৰে— শিৱ আৰু শক্তি, বিষ্ণু আৰু লক্ষ্মী আৰু ব্রহ্মা আৰু সৰস্বতী।

লোকবিশ্বাস মতে ভক্তসকলৰ সামান্য পূজা-সেৱাতে দেৱী কুষ্মাণ্ডা সন্তুষ্ট হয়। 'ওঁম দেৱী কুষ্মাণ্ডায় নমঃ' বুলি পৰম ভক্তিৰে পূজা কৰাজনক দেৱী কুষ্মাণ্ডাই ৰোগ-ব্যাধিৰ পৰা মুক্ত কৰি সুস্বাস্থ্য প্রদান কৰে। জনবিশ্বাস অনুসৰি তেওঁৰ হাঁহিয়ে ভক্তসকলক পুষ্টি যোগায় আৰু শক্তি আৰু সুস্থতা প্রদান কৰে। তেওঁ ভক্তৰ শৰীৰত বল-বীর্য বৃদ্ধি কৰি আয়ুস বঢ়ায়, বার্ধক্যৰ বিলম্ব ঘটায়। তেওঁ নিজে প্রচুৰ বল-বীর্যৰ ভাণ্ডাৰ বাবে প্রতীকী ৰূপত তেওঁৰ প্রিয় পাচলি কোমোৰা বুলি দেখুওৱা হৈছে। কাৰণ কোমোৰা এবিধ অতি পুষ্টিকৰ, মহৌষধি পাচলি।

কাশীত অৱস্থিত কুষ্মাণ্ডাৰ মন্দিৰ অতি বিখ্যাত। কুষ্মাণ্ডা দেৱী কাশীত ঘাইকৈ দুর্গা নামেৰেই পৰিচিতা। তেওঁক কাশীৰ দক্ষিণ দিশৰ ৰক্ষয়িত্রী বুলি কোৱা হয়। কাশীৰ অসি নদীৰ সংগমস্থলত কুষ্মাণ্ডাৰ অধিষ্ঠান। তাত দেৱীৰ মন্দিৰটি বেছ ডাঙৰ আৰু বহুচুড়া বিশিষ্ট। লাল পাথৰেৰে তৈয়াৰী অতি নয়নাভিৰাম এই মন্দিৰৰ কাষতে কাশীৰ বিখ্যাত দুর্গাকুণ্ড। মূল মন্দিৰৰ গর্ভগৃহত দেৱী কুষ্মাণ্ডাৰ দুই হাত ওপৰলৈ থকা পশ্চিমমুখী মূর্তিটি অৱস্থিত। কাশীত এই মন্দিৰত নিয়মিত বলি হয়। বাসন্তী আৰু শাৰদীয় নৱৰাত্রিৰ চতুর্থীৰ দিনা এই মন্দিৰত অনেক ভক্তৰ সমাগম হয়। ইয়াৰ উপৰি হিমাচলৰ কুল্লু খেগপুৰ, উত্তৰাখণ্ডৰ ৰুদ্রপ্রয়াগ, কেদাৰনাথ আদি ঠাইতো কুষ্মাণ্ডা দেৱীৰ মন্দিৰ আছে।

বর্তমানৰ পৃথিৱীত নানা মানসিক চাপ আৰু উদ্বেগে মানুহক খুলি খুলি খাবলৈ ধৰিছে, অনিশ্চয়তাৰ গহ্বৰে বিভিন্নজনক গ্রাস কৰিবলৈ লৈছে। তেনে পৰিপ্রেক্ষিতত দেৱী কুষ্মাণ্ডাৰ পূজা-সেৱাই আপোনাক দিব পাৰে গভীৰ প্রশান্তি আৰু আভ্যন্তৰীণ শক্তি, যাৰ সহায়ত আপুনি জীৱনৰ সকলো প্রত্যাহ্বান নেওচি উত্তৰণৰ পথ বহুদূৰ আগু�ৱাই যাব পাৰিব। গতিকে আহক এই শাৰদীয় বতৰত আমি সকলোৱে কুষ্মাণ্ডা দেৱীক আৰাধনা কৰি এখন সুখ-শান্তিময় পৃথিৱীক আঁকোৱালি লওঁ।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, শিক্ষক, চন্দ্রপুৰ হাইস্কুল



দেৱী দুৰ্গাৰ নাম— নাৰী হৃদয়ৰ অন্য এক আকুলতা

মামণি ডেকা

প্ৰকৃতিৰ বুকুত ছয় ঋতুৰ পৰিৱৰ্তন এক চিৰন্তৰ ৰীতি। বৰ্ষাৰ বিদায়ত নীল আকাশত শুকুলা মেঘৰ ছন্দোময় লুকা-ভাকু, শেৱালিৰ স্নিগ্ধ সুৱাস, নিয়ৰ-সিক্ত দুৰৰিৰ দলিচাৰে— এয়াই শৰৎকাল। এই শৰততে অসুৰ নিধনৰ বাবে মৰ্ত্যলৈ আগমন হয় দেৱী দুৰ্গাৰ। কঁহুৱা-বিৰিণাই গীতৰ সুহুৰি মৰাৰ পৰত মন্দিৰৰ ধূপ-ধুনা, জয়ঢোল আৰু শংখ-ঘণ্টাৰ শব্দৰ লগতে নামৰ ধ্বনিয়ে মৰ্ত্যলৈ নমাই আনে দেৱী দুৰ্গাক। প্ৰকৃতিৰ বুকুৰ অপাৰ সৌন্দৰ্যই মনত সৃষ্টি কৰে অমৃতময় গীতৰ সুৰ। যি গীতৰ সুৰে প্ৰতিজনৰ বুকুত বোৱায় চিৰ প্ৰৱাহমান সুৰৰ নিজৰা। এনেহেন গীতে-মাতে, নামে আৱৰি আছে নাৰী হৃদয়ৰ এক বিশাল অংশ। যাৰ বাবে নিচুকনি গীত, বিয়াগীত, আইনাম, ধাইনামৰ পৰা দেৱী দুৰ্গাৰ নামলৈকে জড়িত হৈ আছে নাৰী হৃদয়ৰ অন্য এক আকুলতা। জাত-জাতকৈ সুৰ লগাই গোৱা আয়তীৰ মুখেৰে নিগৰা নামৰ অমিয়া সুৰে ভক্তি ৰসৰ মূৰ্চ্ছনাৰে প্ৰতিজনৰ প্ৰাণলৈ বোৱায় আধ্যাত্মিকতাৰ আকাশী গংগা।

দেৱী বোধনৰ দিনাৰ পৰাই দুৰ্গা পূজাৰ নাম আৰম্ভ কৰে আয়তীসকলে। দেৱী পিতৃ গৃহলৈ যোৱাৰ বাবে শিৱৰ পৰা অনুমতি লোৱা, পিতৃ গৃহত থাকি অসুৰ নিধন কৰালৈকে সকলো বৰ্ণনাৰে গোৱা নামৰ সু�ৰত প্ৰকাশ পায় নাৰী হৃদয়ৰ আকুলতা। আয়তীৰ কণ্ঠত প্ৰাণ পাই উঠে আধ্যাত্মিকতা। এনেদৰেই দেৱীয়ে শিৱৰ পৰা অনুমতি বিচৰাৰ বৰ্ণনাৰে আয়তীসকলে বোধনৰ নামত গাইছে।

'হিমালয় মোৰ পিতা আহিছে আমাক নিবে
যাইবো আমি পিতাৰ আলয়
কিঞ্চিত বিলম্ব কৰ যাম পিতা তোমাৰ ঘৰ
হৰত বহিয়া আহো মই'।

দেৱীক পিতৃ গৃহলৈ পঠাবলৈ শিৱৰ মনত কষ্ট হ'লেও সোনকালে উভতি অহাৰ প্ৰতিশ্ৰুতি লৈ দেৱীক পিতৃ গৃহলৈ পঠিয়ায়। শিৱৰ মন যেন উকা উকা হয়।

দেৱী অহাৰ উমান পোৱাৰ লগে লগেই আয়তীয়ে দেৱীক স্তুতি কৰি হিয়াৰ আকূতিৰে নামত গায়—

'নমো নমো মহেশ্বৰী আনো আমি স্তুতি কৰি
শৰৎ কালে, ষষ্ঠীৰ সন্ধ্যাত হে মা।
আমৰ ডালি হাতে লৈ মহামায়াক আনোগৈ
ৰৈয়া আছে বিশ্ব বৃক্ষ তলে হে মা'।

মৰ্ত্যবাসীয়ে দেৱীৰ আগমন ঘোঁৱা, হস্তী বা দোলাত কল্পনা কৰি দেৱীৰ প্ৰাৰ্থনাত গায়—

'দোলাৰে আহিছে কৈল্যাসৰ চন্দ্ৰমা
চোঁৱৰে আনিচে বিচি'।

দেৱী বোধনৰ পিছতে আৰম্ভ হোৱা মহাস্নানৰ বৰ্ণনা কৰি আয়তীয়ে নাম গায়—

'দৈ স্নান কৰে মাৰে দুগ্ধ স্নান কৰে
অমৃতৰ স্নান কৰে দেৱ নাৰায়ণে
দৈ স্নান কৰে মাৰে দুগ্ধ স্নান কৰে
মহা স্নান কৰে মাৰে দুক্ষীতৰ ঘৰে।'

মহাস্নানৰ শেষত বিচিত্ৰ বসন, শিৱত সেন্দূৰ, কপালত চন্দন, স্বৰ্ণ অলংকাৰেৰে সজ্জিত দেৱীৰ অপূৰ্ব ৰূপৰ চমকনি দেখি আয়তীয়ে সহস্ৰ নামেৰে স্তুতি কৰি যায়—

'দুর্গা দুর্গা বুলি যিটো স্বৰে একেবাৰে
সহস্র আপদে তাক কি কৰিব পাৰে
দুর্গতি নাশিনী দুর্গা দুখ বিনাশিনী
দুর্গতিক নাশ কৰা ভৈৰৱী ভবানী'।

দুই পুত্রক লগত লৈ অহা দেৱীৰ উল্লাসিত মনৰ কথাৰে আয়তীয়ে গোৱা নামৰ সুৰে সকলোৰে মন মোহে—

'দুই পুত্র সঙ্গে লৈয়া অতি উল্লাসিত হৈয়া
ভূবন মোহিনী বেশ ধৰি
গণেশ জননী দুর্গা ত্রৈলোক্য তাৰিণী
শিৱৰ ঘৰণী দুর্গা জননী।
ৰূপং দেহি জয়ং যশোদেহি আই
তোমাৰ চৰণে ৰক্ষা কৰিবা সদায়।

শক্তিৰ আৰাধনাৰে ত্রৈলোক্য বিজয়ী দেৱী দুর্গাৰ চৰণত সকলোৱে প্রণিপাত জনাই তেওঁক সন্তুষ্ট কৰিবলৈ মর্ত্যবাসী আকুল হৈ পৰে। পূজা, প্রার্থনা, স্তুতি, বন্দনা আদি কৰাৰ উপৰি দেৱীক বলি-বিধান দিয়াৰ ব্যৱস্থা ভক্তসকলে কৰে। বলি-বিধানৰ সময়ত দেৱীয়ে যেন তুষ্ট হৈ বলি গ্রহণ কৰে, সেই কথাৰে নামত গাইছে—

'শিৱ, তুলসী বকুল ফুল শিৱ সবাৰো আদিমূল
শিৱ, সোণৰ শৰাইতে শিৱ, বলি উছর্গিছে
শিৱ চণ্ডী মন্দিৰৰ পৰাহে
মন্ত্রহীন তন্ত্রহীন বুদ্ধিহীন আমি
বলি গ্রহণ কৰা মাতৃ নমো অন্তর্যামী
ঘনে ঘনে ঘণ্টা বাজে শংখই কৰে ধ্বনি
নৱলোকে বলি দিছে জয় দুর্গা বুলি।

বোধনৰ পিছৰ পৰাই দেৱী যেন জাগ্রত হয় প্রতিদিনে। দেৱীৰ জাগ্রত ৰূপ প্রত্যক্ষ কৰি আয়তীয়ে আন্তৰিক পবিত্রতাৰে গোৱা দেৱীৰ নামত পূজা মণ্ডপ ৰজনজনাই এক বিশেষ আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। মন্দিৰৰ পৰা ভাহি অহা নামৰ ধ্বনিয়ে আকাশ-বতাহ চোৱে।

দেৱীয়ে মহিষাসুৰক বধিবলৈ কৰা যুদ্ধৰ কথাৰে আয়তীয়ে নামত গায়—

'হিমালয় পর্বতত যুদ্ধ আৰম্ভিলা
অসুৰে কৰিলে ভয়
দেৱতাসকলে আশীর্বাদ কৰিলে
দুর্গাৰ হওক জয় জয়
হংস গামিনী চন্দ্রমা বদনী
কুৰংগময়ণী মাতা হে
চণ্ডিকা মুৰুতি ধৰিলা পার্বতী
পশিলা প্রচণ্ড ৰণে হে'।

আয়তীৰ নামৰ ধ্বনিত অসুৰৰ শক্তি নাশিবলৈ দেৱীয়ে যেন মহাশক্তি লাভ কৰে। এইখিনিতে শুম্ভ-নিশুম্ভক বধ কৰি দেৱৰ কার্য সিদ্ধি কৰিবৰ বাবে দেৱীক উৎসাহিত কৰিবলৈ আয়তীয়ে নামেৰে প্রকাশিছে—

'শুম্ভ নিশুম্ভক বধি এহে শ্যামাহে
দৈৱক কার্য কৈলা সিদ্ধি'।

এইদৰে ষষ্ঠীৰ পৰা দশমীৰ দেৱী বিসর্জন দিয়ালৈকে আয়তীসকলে নামৰ মহিমাৰে সকলোৰে হৃদয় জয় কৰে। দেৱী দুর্গা মাক সন্তুষ্ট কৰে। ষষ্ঠীত প্রতিষ্ঠা কৰা দেৱীক দশমীত বিসর্জন দিবলৈ সাজু হয় মর্ত্যবাসী। দশমীৰ বিদায় ক্ষণত আয়তীয়ে নামত গায়—

'হায়ৰে নৱমী আজি গৈল অল্পকালে।
দশমী মিলিলে উমা যাবলৈ ওলালে।'

দশমীৰ দিনা সুন্দৰী কন্যা উমাক মাতৃয়ে বিদায় দিয়ে মর্ত্যৰ পৰা। মাতৃ-কন্যাৰ বিদায়ৰ দুখে যেন আয়তীৰ হৃদয়তো পীড়া কৰে। সেই দুখ-আৱেগ প্রকাশ কৰি আয়তীয়ে বিজয়া দশমীৰ নামত গায়—

'আজি প্রভু দিবাকৰ নহ'বা উদয়
ৰজনী পুৱাইলে উমা যাবগৈ নিশ্চয়'।

দেৱীৰ বিসর্জনৰ সময়ত আয়তীসকলে একান্ত চিত্তে তেওঁৰ চৰণত আঁঠু লৈ দায়-দোষ নধৰিবলৈ, তেওঁৰ কৃপা পাবলৈ কাতৰে প্রার্থনা গায়—

'কি দিয়া পূজিবো মাতৃ কি আছে আমাৰ।
কি দিয়া কৰিবো সেৱা চৰণে তোমাৰ।।'

এনেদৰেই দেৱী দুর্গাক প্রার্থনা জনাই আয়তীয়ে গোৱা নামৰ সুৰে শাৰদীয় সমাজখনলৈ বোৱাই আনে ভকতিৰ গংগা। নাৰী হৃদয়ৰ আকুলতা ভকতিৰে গোৱা এই নামে যেন একাকাৰ কৰে দেৱ-দেৱী-জনগণৰ আত্মাক। সেয়ে পৰিৱর্তনশীল সমাজত সংগীতৰ জগতখনৰ যথেষ্ট পৰিৱর্তন হৈছে যদিও আধ্যাত্মিকতাৰ জগতখন আজিও একেই আছে। যি আধ্যাত্মিকতাই মানুহৰ হৃদয় পোহৰ কৰে, সমাজলৈ শান্তি-সম্প্রীতি আনে...।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, বৰনদ্দী, নলবাৰী



আদ্যাশক্তি মহামায়াৰ মাহাত্ম্য

বীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী

ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰে পৰা আদ্যাশক্তি মহামায়াৰ পূজাৰ প্ৰচলন চলি আছে। সনাতন হিন্দু ধৰ্মৰ মূল বেদ ৪ খন। ঋকবেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ। ঋকবেদেই এই চাৰিবেদৰ ভিতৰত প্ৰাচীনতম্। আদ্যাশক্তিৰ উল্লেখ পূজা-পাৰ্বণৰ বিষয়ে ঋকবেদত পোৱাৰ উপৰিও সাম আৰু যজুৰ্বেদতো পোৱা যায়। ঋকবেদত দেৱীয়ে তেওঁৰ মহিমা অপাৰ আৰু সুদূৰ প্ৰসাৰী বুলি কৈছে। জগতজননী মা দুৰ্গা আদ্যাশক্তি। যাৰ স্তুতি-গান, প্ৰাৰ্থনা ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আদি দেৱতাসকলে নিত্য নৈমিত্তিকভাৱে কৰি থাকে। এইটো সহজে অনুমেয় যে ভাৰতীয় বৈদিক পৰম্পৰাত আদ্যাশক্তিক বিশেষ প্ৰাধান্য দিয়া হৈছে। আদ্যাশক্তি দেৱী সনাতনী। তেওঁ সৃষ্টিকাৰিণী আৰু সংহাৰকাৰিণী— এক মহাশক্তিৰ আধাৰ। মহাশক্তিৰ নাৰীময়ী ৰূপটোৱে মহাদেৱীৰূপে প্ৰতিষ্ঠিত।

অতি পুৰণি কালৰে পৰা দেৱ-দেৱীৰ পূজাৰ প্ৰচলন অসমত আছে। কামৰূপৰ কামাখ্যাধামত শক্তি পূজা প্ৰাচীনকালৰে পৰা চলি আছে। কামাখ্যা ব্ৰহ্মাৰূপী সনাতনী। শক্তিক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। জগতৰ সকলো বস্তুৰেই শক্তিৰ ভাণ্ডাৰ। শক্তিৰ এই সাৰ্বভৌমত্ব বিজ্ঞানেও মানি লৈছে আৰু প্ৰচাৰ কৰি আহিছে। জগজ্জননী মহাশক্তি মাতৃৰূপে আৰাধনা কৰাই হ'ল শাক্ত ধৰ্মৰ মূল কথা। দুৰ্গা শব্দৰ উক্তি এনেধৰণৰ— যি দেৱী শক্তিয়ে অতিশয় দুঃখ-যন্ত্ৰণাৰ দুৰ্গ নামৰ অসুৰক নিয়ন্ত্ৰণ কৰিছিল আৰু সংসাৰ কু-কৰ্মৰ পৰা বচাব পাৰে, শোক দুঃখ নৰক যন্ত্ৰণা যম অৰ্থাৎ মৃত্যুৰ অধীনৰ পৰাও মুক্ত কৰিব পাৰে সেয়ে হ'ল "দেৱী দুৰ্গা"। দুৰ্গাৰ আক্ষৰিক অৰ্থ হ'ল—

দ অকাৰ = দৈত্য নাশ
উ কাৰ = বিঘ্ন নাশক
ৰেফ্ = ৰোগ নিবৃত্তিৰ বাহক
গ অকাৰ= পাপ নাশক
আকাৰ = শত্ৰু নাশক

সমস্ত দেৱতাৰ তেজ শক্তিৰে দীপ্তিমান হৈ দুৰ্গা দেৱী অবিৰ্ভুক্তা হৈ দুৰ্গা নামৰ

মহাঅসুৰক বধ কৰি "দুর্গা" নামে খ্যাতি লাভ কৰে। সৃষ্টিৰ পাতনিতে ভগৱান শ্রীকৃষ্ণই গকুলধামৰ ৰাস মণ্ডলত দেৱী দুর্গাক অর্চনা কৰিছিল। ব্রহ্মাই মধুকৈটভৰ পৰা পৰিত্রাণ পাবলৈ দুর্গা দেৱীক দ্বিতীয় পূজা কৰে। আকৌ ত্রিপুৰা অসুৰক বধ কৰাৰ কাৰণে ত্রিপুৰাৰী মহাদেৱে দেৱী দুর্গাক তৃতীয় পূজা কৰে।

দুঃখ দৰিদ্র নাশৰ বাবে সংগ্রামত জয়লাভৰ বাবে ক্রূড়শত্রু বিনাশ আৰু উগ্রকর্মৰ সুখ লাভার্থে শ্রীশ্রী দুর্গা দেৱীৰ শ্রীচৰণত ভক্তিৰে পূজাঅর্ঘ্য কৰিলে সুফল পোৱা যায়।

মুক্তি শক্তিশ্চ মুক্তানাং মায়া
সাংসাৰিকৈস্য সা।
মদ্ভক্তানাং ভক্তি শক্তিময়ী ভক্তিপ্রদা
সদা।।
নৃপানাং ৰাজলক্ষ্মীশ্চ ৰণিজাং
লভ্যৰূপিণী।
পাৰে সংসাৰাসিন্ধুনাং ত্রয়ি
দুস্তৰতাৰিণী।।

দেৱীয়ে কৈছে— ময়েই লক্ষ্মী, ময়েই বেদমাতা সৰস্বতী, ময়েই ৰুক্মিণী, ৰাধা দক্ষকন্যা। অতীতত ময়েই দত্যসকলক বধ কৰি সময়সাপেক্ষে ভিন ভিন ৰূপ ধাৰণ কৰিছিলোঁ। কালীমূর্ত্তি ধাৰণ কৰি ৰক্তবীজক বধ কৰিছিলোঁ। গোলোকধামৰ ৰাসমণ্ডলত ময়েই ৰাধিকাৰ ৰূপ লৈছিলোঁ। নাৰায়ণৰ মায়া বুলি মোকে নাৰায়ণী আখ্যা দিয়া হয়।

"নাৰায়ণস্য মায়াহং তেন নাৰায়ণী স্মৃতা।"

দুর্গা পূজা বছৰত ২টা ঋতুত কৰা হয়। বসন্তকালত হোৱা দুর্গা পূজাক বাসন্তী পূজা বোলা হয়, আৰু শৰৎকালত হোৱা দুর্গা পূজা শাৰদীয় দুর্গা পূজা নামে জনাজাত। ৰাজ্যভ্রষ্ট আৰু পুত্র-পৰিবাৰে পৰিত্যাগ কৰা বণিক সমাধী বৈশ্যই মেধষ মুনিৰ ওচৰত গৈ জানিব পাৰিলে কিয় তেওঁলোকক অতীতৰ মায়ামোহে বিচলিত কৰে। মেধষ মুনিৰ উপদেশক্রমে সুৰথ ৰজা আৰু মেধাৰীয়ে নৈৰ বালিত মৃন্ময় মূর্ত্তি সাজি দুর্গা দেৱীক পূজা-অর্চনা কৰে। এই পূজা বসন্ত কালত কৰা হৈছিল। অতি আগ্রহেৰে মেধষ মুনিৰ উপদেশ গ্রহণ কৰি মা দশভুজাক পূজা-অর্চনা কৰাত— সুৰথ ৰজাই ৰাজ্য ঘুৰাই পালে আৰু সমাধী বৈশ্যই মোক্ষ লাভ কৰিলে। তেতিয়াৰে পৰা দুর্গা পূজা বসন্ত কালত প্রচলন হৈ আছে। বসন্ত কালত দেৱী জাগ্রত থাকে। শৰৎ কালত শ্রীশ্রী ৰামচন্দ্রই লঙ্কাৰ অধিপতি ৰাৱণক বধ কৰাৰ কাৰণে অকালবোধন কৰিবলগীয়া হৈছিল। কাৰণ দেৱ-দেৱতা শৰৎকালত নিদ্রাভিভূতা হৈ থাকে বাবে টোপনিৰ পৰা জগাই তুলিব লগা হয়— সেয়ে অকাল বোধন কৰিবলগীয়া হৈছিল। কেঁচুৰাই কান্দিলে যিদৰে টোপনিত লালকাল মাতৃয়ে যেনেকৈ খপ্‌জপাই উঠি কোলাত কেঁচুৰাক তুলি লৈ নিচুকাই মাতৃস্তন পান কৰিব দিয়ে ঠিক তেনেদৰে দেৱী ভগৱতীয়ে "মা দেৱী সর্ব্বভূতেষু মাতৃৰূপেণ সংস্থিতা"— অকালবোধনত ৰুষ্ট নহৈ ভক্তিপ্রাণ সন্তানৰ প্রতি আকৃষ্ট হৈ দুঃখমোচনৰ বাবে যত্নপৰ হোৱা দেখা যায়।

সমাজৰ বিকাশধাৰা প্রকৃততে বৈচিত্র্যপূর্ণ। এই ধাৰণাক শক্তিশালী কৰি তুলিছিল প্রজনন উৎপাদন আৰু আকাংক্ষাই। আদিম সমাজে শস্য, সন্তান, পৃথিৰী আৰু মাতৃগর্ভ অর্থাৎ যোনিক সম্মানৰূপে বিবেচনা কৰিছিল। সেইধৰণে মাতৃকেই সমাজত সর্ব্বোচ্চ স্থান দি মাতৃক দেৱীৰূপে গণ্য কৰি পূজা-সেৱা আগবঢ়াইছিল। উদাহৰণ স্বৰূপে কামৰূপৰ কামাখ্যা মা আজিও সর্ব্ববিদ্যমান।

"কামাখ্যে বৰদে দেৱী
নীল পর্ব্বত বাসিনী।
তং দেৱী জগতং মাতা
যোনিৰূপে নমোহস্তুতে।।"

এইদৰেই চিৰাচৰিত মাতৃৰূপা দেৱী পূজাৰ প্রচলন অনাদি কালৰ পৰা হৈ আছে। দুর্গা পূজাৰ প্রতিমাখনলৈ চালে পূজাত ব্যৱহৃত প্রতিমা আৰু সকলো সামগ্রীৰ এক স্বকীয় বৈশিষ্ট্য দেখা পোৱা যায়। প্রতীকবোৰৰ প্রত্যেকৰে এক নিজা নিজা অর্থ আছে। সকলোবিলাক মানুহ লগ লাগি দেৱীৰ সন্মুখত গোট খুৱাই একেলগে একেস্থানতে সেৱা-প্রার্থনা কৰা ঠাইখনেই হ'ল পূজাথলী। অতীজৰে পৰা এনেদৰে গঢ় লৈ আহিছে পূজা-সংস্কৃতি। আদ্যাশক্তি মহামায়াক সুৰথ ৰজাই কৰা পূজাত দেৱী দুর্গাৰ বাহিৰে অন্যান্য কোনো দেৱ-দেৱীৰ প্রতীক থকাৰ প্রমাণ পোৱা নাযায়। কিন্তু শাৰদীয় পূজাৰ বেদীত মহামায়া দুর্গাক বৰ ঐশ্বর্য্যশালিনীৰ ৰূপত দেখা পোৱা যায়। দেৱীৰ মূর্ত্তিৰ সোঁফালে থাকে সমৃদ্ধিশালিনী লক্ষ্মী দেৱী আৰু সর্ব্বসিদ্ধিদাতা গণেশ। দেৱীৰ বাওঁফালে বিদ্যাদায়িনী দেৱী সর্ব্বশুক্লা সৰস্বতী দেৱী আৰু দেৱতাসকলৰ সেনাপতিৰ ৰূপত কার্ত্তিকক দেখা যায়। কিছু ওপৰত ভগৱান শিৱৰ প্রতীক দেখা পোৱা যায়। তদুপৰি দেৱীৰ পাদতলত দেৱীৰ অস্ত্রাঘাতত জর্জৰিত হৈ পৰি থাকে প্রকাণ্ড মহিষাসুৰৰ শৰীৰ। মহিষাসুৰৰ বাহিৰে প্রতিগৰাকী দেৱ-দেৱীৰ এক নিজস্ব বাহন আছে। দেৱী ভগৱতীৰ বাহন সিংহ; লক্ষ্মীৰ বাহন ফেঁচা; গণেশৰ এন্দুৰ; সৰস্বতীৰ বাহন হংস আৰু কার্ত্তিকৰ ম'ৰাচৰাই। আতৰত থকা মহাপ্রভু শিৱৰ বাহন হ'ল বৃষভ অর্থাৎ ষাঁড়গৰু।

সকলো ধর্মীয় পূজা-অর্চনা ক্ষেত্রত আনন্দ-উৎসৱতকৈ আধ্যাত্মিকতাৰ বিষয়টোৱে প্রাধান্য পাব লাগে। দুর্গা দেৱীক

পূজা কৰা হয় শক্তিৰ অধিষ্ঠাত্রীৰ ৰূপত।

"যা দেৱী সৰ্ব্বভূতেষু শক্তিৰূপেণ সংস্থিতা।
নমঃস্তুস্যৈ নমঃস্তুস্যৈ নমোঃ নমঃ।।"

জগতৰ পৰা অত্যাচাৰ, অনাচাৰ, দুৰ্নীতি আদি কুশক্তিসমূহক নাশ কৰি এক শুভশক্তি গঠিত প্রাণী তথা ভাল মানুহৰে সমন্বিত সংগঠিত এক নতুন পৃথিৱী পুনৰুজ্জীৱিত কৰিবলৈ দুৰ্গা দেৱীক আৰাধনা কৰা হয়। শুভ আৰু অশুভ শক্তি প্রতিজন মানুহৰ মাজতে সৰ্ববিদ্যামান। দুৰ্গা দেৱীক আৰাধনা কৰাৰ মূল উদ্দেশ্যই হ'ল— যাতে আমাৰ অশুভ আসুৰিক শক্তিসমূহ দমন কৰি প্রতিজন মানুহৰ মাজত লুকাই থকা শুভ শক্তি উজ্জীৱীত কৰাৰ বাবে সামৰ্থ্য আহৰণ কৰা দুৰ্গা দেৱীৰ পূজা-অৰ্চনা কৰাৰ তাৎপৰ্য হ'ল নাৰীক প্রতীকী ৰূপত শ্রদ্ধা, সন্মান জনোৱা। আদ্যশক্তি ৰূপে নাৰী যিহেতু সমাজত পূজনীয়া সেইটোকে প্রতীয়মান কৰা। আগৰ তুলনাত বৰ্তমান দুৰ্গা পূজাৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। লগতে নাৰীৰ প্রতিও মানুহৰ শ্রদ্ধা-সন্মান বৃদ্ধি পাইছে। নিঃসন্দেহে মানুহৰ ই এক শুভ লক্ষণ। আজিকালি কিছুমান ব্যক্তিয়ে সনাতনীয় পূজাৰ পদ্ধতিৰ পৰা আঁতৰি ভোগ-বিলাস, জাক-জমকতা, আনন্দ-উৎসৱৰ ফালে গতি কৰা পৰিলক্ষিত হৈছে। পূজা আহিলে কিছুসংখ্যক ডেকাশক্তিয়ে পদপথ অৱৰোধ কৰি যেনিয়ে-তেনিয়ে চান্দা/ধন সংগ্রহ কৰি পূজা নকৰা চামক জোৰ-জুলুম কৰা দেখা পোৱা যায়। এনেধৰণৰ অনৈতিক প্রথাৰ পৰা আমি আঁতৰি থকা দৰকাৰ। এই ক্ষেত্রত পূজানুগামী অভিভাৱক সচেতন নহ'লে আমাৰ নৱপ্রজন্ম ক'লৈ গতি কৰে সি এক চিন্তাৰ বিষয়। কিছুমান ভক্তই আকৌ পূজা কৰি উঠি—বিশ্বকর্মা, মনসা, সৰস্বতী, লক্ষ্মী আদিৰ মূৰ্ত্তিবোৰ পথৰ দাঁতিত নাইবা অপবিত্র স্থানত পেলাই থোৱা দেখিবলৈ পোৱা যায়। এনেবোৰ গর্হিত কামৰ পৰা আমি বিৰত থাকি নদী, খাল, বিল আদিত বিসর্জ্জন দিলে নিশ্চয় পুণ্য কৰা হ'ব আৰু পূজা সার্থকত লাগিব।

শেষত অপৰাধ বিনাশিনী মাতৃ দেৱী দুৰ্গাৰ চৰণ সশ্রদ্ধ প্রণিপাত জনাই পৃথিৱীৰ সমস্ত পাপ-তাপ, অন্যায়-অবিচাৰ আদিৰ অৱসান ঘটাই এখন সুন্দৰ শান্তিৰ পৃথিৱী প্রতিষ্ঠা কৰক— এয়ে আমাৰ প্রার্থনা।

"ৰূপং দেহি জয়ং দেহি,
যশো দেহি দ্বিষো জহি।।"❑







লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, গীতানগৰ

মহামায়া চণ্ডী দেৱীৰ গুপ্ত ৰহস্য

ইন্দ্র প্রসাদ মিশ্র

কর্পূৰ গৌৰং কৰুণাৱতাৰং
সংসাৰ সাৰং ভূজগেন্দ্রহাৰং।
সদা বসন্তং হৃদয়াৰ বিন্দে
ভবং ভৱানী সহিতং নমামি।।

অতি প্রাচীন কালৰে পৰা শক্তি দেৱীয়ে বিভিন্ন ৰূপত স্বর্গ, মর্ত্ত্য আৰু পাতালত পূজা সেৱা পাই আহিছে। এই শক্তিক (শক্ + ক্তিন্) দেৱী দুর্গা, কালী, সৰস্বতী, লক্ষ্মী, ভৱানী, মহামায়া আদি বিভিন্ন গুণবাচক শব্দৰে নামকৰণ কৰা হৈছে। মূলতঃ দেৱীৰ আৱির্ভাৱ অশুভ শক্তিৰ বিনাশ, ধর্মসংস্থাপন আৰু পৃথিৱীত শান্তি স্থাপন। সেয়েহে আমি সকলোৱে মহামায়া দেৱী ভৱানীক প্রার্থনা কৰো যাতে সমগ্র জনগণৰ কল্যাণ সাধন হয়। সেই উদ্দেশ্যে আমি দেৱীক প্রার্থনা কৰোহক।

"ওঁ সর্ব্ব মঙ্গল মঙ্গল্যে
শিবে সর্ব্বার্থ সাধিকে।
শৰণ্যে ত্র্যম্বকে গৌৰি
নাৰায়ণি নমোৎস্তুতে।।"



অষ্টাদশ পুৰাণৰ অন্তর্গত, "মার্কণ্ডেয় পুৰাণত" দেৱী মাহাত্ম্য প্রকাশক ৮১তম্ অধ্যায়ৰ পৰা ৯৩তম্ অধ্যায়লৈ এই অংশভাগ দুর্গা মাহাত্ম্য সপ্তশতী স্তোত্র হিচাবে জনাজাত। সংক্ষেপে ইয়াক চণ্ডী বুলি কোৱা হয়। ইয়াৰ অপৰ নাম হৈছে "ষট্ সংবাদ কথা"। কিয়নো ইয়াৰ মূল কথাভাগ সর্ব্ব প্রথমে মেধা নামৰ মুনিয়ে ৰজা সুৰথ আৰু সমাধি বৈশ্যৰ আগত বর্ণনা কৰিছিল। তাৰ পিচত মার্কণ্ডেয় মুনিয়ে শিষ্য ভাগুৰিৰ আগত প্রকাশ কৰে। ভাগুৰিৰ পৰা দ্রোণ মুনিৰ পক্ষীৰূপী চাৰিপুত্রক আৰু তাৰপিচত জৈমিনিয়ে তেওঁলোকৰ মুখত দেৱী মাহাত্ম্য শ্রৱণ কৰে। এনেকৈ পৰম্পৰাভাৱে শ্রৱণ হোৱা বাবে ইয়াক "ষট্ সংবাদ" কথা বোলা হয়।

"মেধাস্তু কথয়ামাস সুৰথায় সমাধয়ে।
সা কথা কথিতা পশ্চাৎ মার্কণ্ডেয়েন ভাগুৰৌ।
তামেব কথয়ামায়ুঃ পক্ষিনো জৈমিনিং প্রতি।
অনেনৈব বিধানেন কথাঃ ষট্ বিধিকা মতাঃ।।"

চণ্ডীৰ প্রথম চৰিত্র ভাগ এনে ধৰণৰ— দ্বিতীয় স্বৰোচিষ মনুৰ ৰাজত্ব কালত কর্ণাটৰ চৈত্রবংশীয় ৰজা সুৰথে শত্রুৰ দ্বাৰা আক্রান্ত হৈ ৰাজ্য হেৰুৱাই মনৰ দুখত ঘোৰ অৰণ্যত প্রৱেশ কৰিছিল। আনহাতে দৈৱক্রমে সমাধি বৈশ্য নামৰ এজন লোকেও ধন-সম্পত্তি আৰু ভার্য্যাদিৰ পৰা বিতাৰিত হৈ অৰণ্যলৈ গমন কৰিছিল। ঘটনাক্রমে, দুয়োজনাই গৈ নর্ম্মদা নদীৰ ওচৰত থকা মেধা নামৰ মুনিৰ আশ্রমত উপস্থিত হয়। তাত দুয়োজনে মুনিৰ ওচৰত তেওঁলোকৰ জীৱনত ঘটা দুর্ভাগ্যৰ কথা সমস্ত বিৱৰি ক'লে। মুনিয়ে তেতিয়া তেওঁলোকৰ দুখ-যন্ত্রণা নিবাৰণৰ বাবে আদ্যাশক্তিৰ মাহাত্ম্য বর্ণনা কৰে। আদ্যাশক্তি মহামায়াৰ অলৌকিক শক্তিৰ দ্বাৰা কেনেকৈ মহাপৰাক্রমী অসুৰসকলক বধ কৰি স্বর্গৰাজ্য আৰু পৃথিৱীত শান্তি স্থাপন কৰিছিল তাকেই সুললিত ভাষাৰে বর্ণনা কৰিছিল। এই সমস্ত কাহিনীভাগ তিনিটা ভাগত বিভক্ত, প্রথম চৰিত, মধ্যম চৰিত আৰু উত্তম চৰিত। প্রথম চৰিত ভাগত মহা প্রলয়ৰ

অন্তত মহা সমুদ্রৰ বুকুত শেষ নাগৰ ওপৰত ভগৱান শ্রীবিষ্ণুৱে যোগ নিদ্রাক আশ্রয় কৰি শুই থাকোঁতে হঠাৎ তেওঁৰ কর্ণমলৰ পৰা মধু আৰু কৈটভ নামৰ দুজন মহাদৈত্যৰ জন্ম হয়। আনহাতে, বিষ্ণুৰ নাভি কমলৰ পৰা জন্ম হোৱা ব্রহ্মাক বধ কৰিবলৈ দুই দৈত্য উদ্যত হয়। একো উপায় নাপাই ভয়তে বিষ্ণুক জাগৰিত কৰাৰ বাবে ব্রহ্মাই মহামায়া নিদ্রা দেৱীক স্তুতি কৰিবলৈ ধৰিলে। ব্রহ্মোবাচ—

"ওঁ ত্বং স্বাহা ত্বং স্বধা ত্বং হি বষট্ কাৰঃ স্বৰাত্মিকা।
সুধা ত্বমক্ষৰে নিত্যে ত্রিধা মাত্রাত্মিকা স্থিতা।।" ইত্যাদি...।

ব্রহ্মাৰ স্তুতিত যোগমায়া দেৱী সুপ্রসন্ন হৈ বিষ্ণুক জাগৰিত কৰিলে। বিষ্ণুৱে সাৰ পাই উঠি অসুৰদ্বয়ৰ লগত যুদ্ধ কৰিবলৈ ল'লে। এনেকৈ পাঁচ হেজাৰ বছৰ কাল অসুৰৰ লগত ঘোৰ যুদ্ধত প্রবৃত্ত হয়। শেষত মহামায়াৰ দ্বাৰা বিমোহিত হৈ বিষ্ণুৰপৰা অসুৰদ্বয়ক বৰ মাগিবলৈ কোৱাত, বিষ্ণুৱে ক'লে যে— তোমালোক মোৰ দ্বাৰা বধ্য হোৱা। শ্লোকস্তু,

"ভবেতামদ্য মেতুষ্টৌ মম বধ্যাবুভাবপি।
কিমন্যেন বৰেনাত্র এতাবদ্ধি বৃতং মম।।"

শ্রীশ্রী চণ্ডী ১/৯৩

তেতিয়া দুয়ো অসুৰে মুক্তিৰ বাবে প্রার্থনা কৰাত বিষ্ণুৱে নিজ উৰুদেহ বিস্তাৰ কৰি তাৰ ওপৰত অসুৰদ্বয়ৰ মূৰ স্থাপন কৰি চক্রৰ দ্বাৰা শিৰশ্ছেদ কৰে। শ্লোকস্তু,

'তথেত্যুক্তা ভগৱতা শঙ্খচক্র গদাভৃতা।
কৃত্বা চক্রেণ বৈ ছিন্নে জঘনে শিৰসী তয়োঃ।।
"এবমেষা সমুৎপন্না ব্রহ্মণা সংস্তুতা স্বয়ম্।
প্রভাৱমস্যা দেব্যাস্তু ভূয়ঃ শৃণু বদামিতে।।"

শ্রীশ্রী চণ্ডী প্রথম অধ্যায়

দ্বিতীয় কাহিনীভাগ হৈছে "মহিষাসুৰ বধ"।

শ্লোকস্তু, ঋষিৰুবাচ

"দেবাসুৰমভূদ্ যুদ্ধং পূর্ণমব্দশতংপুৰা।
মহিষেহসুৰাণামধিপেদেবানাঞ্চ পুৰন্দৰে।।"

পুৰণি কালত ৰম্ভাসুৰৰ পুত্র মহিষাসুৰ বৰ পৰাক্রমী হৈ স্বর্গৰাজ্য অধিকাৰ কৰি ইন্দ্রাদি দেৱতাসকলক স্বর্গচ্যুত কৰে। তেতিয়া দেৱতা বৃন্দই ব্রহ্মাৰ সৈতে শিৱ আৰু বিষ্ণুক লগ ধৰে আৰু তেওঁলোকৰ দুর্দ্দশাৰ কথা বিৱৰি কোৱাত ব্রহ্মা আৰু বিষ্ণুৰ অত্যন্ত খং উঠে আৰু তেওঁলোকৰ মুখৰ পৰা মহাতেজ নির্গত হ'বলৈ ধৰিলে। তাৰ পিচত অন্যান্য দেৱতাসকলৰ মুখৰ পৰাও মহাতেজ নির্গত হ'বলৈ ধৰিলে। শেষত সমস্ত তেজৰাশি জ্বলন্ত পর্ব্বতৰ দৰে এঠাইত পুঞ্জীভূত হ'ল। সেই পুঞ্জীভূত তেজৰ পৰা জ্যোতির্ময়ী মহাশক্তি সম্পন্না, লাৱণ্যময়ী এগৰাকী দেৱীৰ জন্ম হ'ল। দেৱতাসকলে সেই দেৱীক পূজা-অর্চনা কৰিলে আৰু পূজাৰ শেষত দেৱীক বিবিধ অস্ত্র-শস্ত্র, ৰত্ন অলংকাৰ, বস্ত্র আভৰণ, বাহনাদি প্রদান কৰিলে। মহাদেৱে ত্রিশূল, বিষ্ণুই চক্র, বৰুণে শঙ্খ, অগ্নিয়ে শক্তি নামৰ বাণ, বায়ুৱে বাণপূর্ণ তূণ, ইন্দ্রই বস্ত্র, ঐৰাৱতে ঘণ্টা, যমে কালদণ্ড, অম্বুপতিয়ে পাশ, প্রজাপতিয়ে অক্ষমালা আৰু কমণ্ডলু, সূর্য্যই কিৰণ অর্থাৎ কান্তি, যমে খড়্গ আৰু ঢাল, ক্ষীৰ সাগৰে চিৰ নতুন বস্ত্র আৰু হাৰ, সাগৰে কিৰীটি, কুণ্ডল, হাতৰ বালা, বাজুসমূহ, চৰণৰ নূপুৰ, উত্তম গ্রীবা আভৰণ, অঙ্গুলীসমূহৰ আঙঠি, পদ্মমালা আৰু এটি সুন্দৰ পদুম দান কৰিলে। বিশ্বকর্ম্মাই পৰশু, অনেক অস্ত্র-শস্ত্র আৰু বর্ম আদি প্রদান কৰিলে। পর্ব্বতৰাজ হিমালয়ে দেৱীৰ বাহন সিংহ, বিবিধ মণি-মুকুতা আদি, কুবেৰে অশূন্য সুৰাপাত্র দান কৰিলে। নাগাধিপতি বাসুকীয়ে মহামণি শোভিত নাগহাৰ প্রদান কৰিলে আৰু অন্যান্য দেৱগণসমূহেও বিভিন্ন ভূষণ, অস্ত্র শস্ত্র আদি প্রদান কৰিলে। এনেদৰে দেৱতাসকলৰ দ্বাৰা সুসজ্জিত দেৱী মহামায়া সিংহবাহিনীয়ে মহিষাসুৰক সসৈন্যে বধ কৰি স্বর্গলোকত আৰু মর্ত্ত্যত শান্তি স্থাপন কৰে।

উত্তম চৰিতভাগত প্রৱল প্রতাপী দৈত্য ধূম্রলোচন, চণ্ড-মুণ্ড, ৰক্তবীজ আদি অসুৰসমূহক বিনাশ কৰাৰ পিচত মহাদৈত্য ভাতৃদ্বয় শুম্ভ-নিশুম্ভক বধ কৰে। তেৰেঁই দেৱী চামুণ্ডা, মহাসৰস্বতী। চণ্ডী গ্রন্থৰ শেষৰ ফালে "সপ্তশতী ৰহস্যত্রয়" বিদ্যমান। ইয়াৰ প্রথমটো প্রাধানিক ৰহস্য। ইয়াত দেৱী সত্ব গুণ সম্ভৱা। শ্লোকস্তু,

"মহালক্ষ্মী মহাৰাজঙ্গ সর্ব্ব সত্ত্ব ময়ীশ্বৰী।
নিৰাকাৰা চ সাকাৰা সৈব নানাভিধানভৃৎ।।"

বৈকৃতিক ৰহস্যত দেৱী সৃষ্টি তৎপৰ মহাপ্রকৃতি ৰূপা মাতৃমূর্ত্তি। মূর্ত্তি ৰহস্যত আকৌ দেৱী সংসাৰ ৰূপিণী মহাকালী, শাকম্ভৰী, ৰক্তদন্তিকা, ভীমা দেৱী আদি নামেৰে প্রসিদ্ধা। জগন্মাতা চণ্ডিকাৰ এই মূর্ত্তিসমূহক অতি ভক্তিভাৱে অর্চনা কৰিলে কামধেনুৰ নিচিনাকৈ ভক্তৰ সকলো মনোবাঞ্ছা পূর্ণ কৰে। মুঠতে শ্রীশ্রী চণ্ডীগ্রন্থত দেৱীক সকলো মূর্ত্তিৰ আধাৰ ভূতা আদ্যাশক্তি মহামায়াৰূপে প্রতিপন্ন কৰা হৈছে।

বিশেষ টোকা—

১।সপ্তশতী ঃ মার্কণ্ডেয় পুৰাণৰ অন্তর্গত দেৱী মাহাত্ম্য প্রকাশক "চণ্ডী" এখন ভক্তিমূলক ধর্ম্ম গ্রন্থ। তেৰটি অধ্যায়ত বিভক্ত এই গ্রন্থখনত ৭০০ (সাতশ) শ্লোক বিদ্যমান। সেয়েহে ইয়াক "সপ্তশতী" স্তোত্র বোলা হয়।

২।চাৰিটা পক্ষীৰ নাম ঃ পিঙ্গাখ্য, বিৰাধ, সুপুত্র আৰু সুমুখ। তপস্যাৰ প্রভাৱত মানুহৰ নিচিনাকৈ কথা ক'ব পাৰিছিল। এই চাৰি পক্ষীয়ে জৈমিনিৰ আগত সৃষ্টি, স্থিতি, প্রলয় আদিৰ বিশদ বিৱৰণ প্রকাশ কৰাৰ পিচত "দেৱী মাহাত্ম্য" শ্রৱণ কৰে।

৩।মনু ঃ মনু চৈধ্যজন। যথাক্রমে তেওঁলোকৰ নাম— স্বায়ম্ভুৱ, স্বৰোচিষ, উত্তম, তামস, ৰৈৱত, চাক্ষুষ, ৰৈৱস্বত বা সত্যব্রত, সাৱর্ণি, দক্ষসাৱর্ণি, ব্রহ্মসাৱর্ণি, ধর্ম সাৱর্ণি, ৰুদ্র সাৱর্ণি, দেৱ সাৱর্ণি আৰু ইন্দ্র সাৱর্ণি। তেওঁলোক আদি পুৰুষ বা পূর্ব্ব পুৰুষ। তেওঁলোকৰ পৰা মানৱজাতিৰ সৃষ্টি হৈছে। প্রত্যেকজন মনুৰ ৰাজত্ব কালক এক মন্বন্তৰ বোলা হয়।

৪।কামধেনু ঃ সকলো আশা পূৰণ কৰিব পৰা এজনী গাইগৰু। মহামুনি বশিষ্ঠৰ এজনী কামধেনু আছিল। সেই কামধেনুজনীক বিশ্বামিত্রই নিবলৈ যত্ন কৰিছিল আৰু বশিষ্ঠৰ লগত হোৱা সংঘর্ষত বিশ্বামিত্র পৰাজয় হৈছিল।

প্রজাপতি কশ্যপৰ ঔৰসত দক্ষকন্যা সুৰভিৰ গর্ভত ৰোহিণী নামৰ এজনী কন্যা ওপজে। পিচত মুনিবৰ শুণঃশেফৰ পৰা ৰোহিণীৰ গর্ভত কামধেনুৰ জন্ম হয়। কামধেনু শুক্লবর্ণ— মেঘসদৃশ, পাদচতুষ্টয় চতুর্বেদ সন্নিভ। চাৰিটা স্তন— ধর্ম্ম, অর্থ, কাম, মোক্ষ প্রদানৰ কাৰণ। যথা সময়ত বেতালৰ পৰা কামধেনুৰ গর্ভত সর্ব্ব সুলক্ষণযুক্ত এটা বৃষভ ওপজে। এই বৃষভে কৈলাস পর্ব্বতত মহাদেৱক তপস্যা কৰি সন্তুষ্ট কৰে আৰু ফলস্বৰূপে শিৱৰ বাহন হৈ থাকে। *কালিকা পুৰাণ ৯০/২-১৫*

৫।মহামায়া ঃ দেৱীৰ অন্য এক প্রসিদ্ধ নাম "মহামায়া"। গর্ভাৱস্থাত জীৱৰ তত্ত্বজ্ঞানোদয় হ'লেও, ভূমিষ্ঠ হোৱাৰ পিচত দেৱীয়ে তত্ত্বজ্ঞান ৰহিত কৰি লোভ, মোহ, মায়া-মমতাৰ মাজত নিক্ষেপ কৰে, তেৱেঁই হৈছে "মহামায়া"। তেওঁ "বিশ্বম্ভৰা" বুলিও খ্যাত। কাৰণ বিশ্বৰ সকলোকে তেওঁ ধাৰণ কৰিছে।

শেষত লেখাটোৰ ভুল-ত্রুটিৰ মার্জনা বিচাৰি দেৱীৰ চৰণত শত-সহস্র প্রণাম যাচিছোঁ। পবিত্র 'ভৱানী' স্মৃতিগ্রন্থখনিত দুকলম লিখাৰ সুযোগ দিয়াৰ বাবে পূজাৰ উদ্‌যাপন সমিতিৰ সভাপতি, সম্পাদক প্রমুখ্যে সমূহ কর্মকর্তা আৰু দেৱী ভক্তসকললৈ মোৰ হিয়াভৰা শ্রদ্ধা নিবেদন কৰিলোঁ। দুর্গা পূজাৰ জৰিয়তে মানুহৰ মাজত থকা হিংসা-দ্বেষ, ভেদাভেদ, অসূয়া মনোবৃত্তিৰ অৱসান হওক। সকলোৱে ভাতৃত্ববোধেৰে জীৱন শুদ্ধ আৰু শান্তিৰ পথেৰে আগুৱাই যাওক— এইয়ে দেৱীৰ ওচৰত সৰল প্রার্থনা।

ন জানামি পুণ্যং, ন জানামি তীর্থং
ন জানামি মুক্তিং, লয়ংবা কদাচিৎ।
ন জানামি ভক্তিং, ব্রতং বাপি মাতঃ
গতিস্তং গতিস্তং, ত্বমেকা ভৱানি।।
(ওঁ তৎ সৎ ওঁ)❑



লেখক পৰিচিতি ঃ বিশিষ্ট লেখক



আদ্যাশক্তি দেৱী দুৰ্গাৰ ১০৮টা নাম আৰু ইয়াৰ অৰ্থ

কৰবী কলিতা

"ওঁম জয়ন্তী মংগলা কালী
ভদ্রকালী কপালিনী
দুর্গা ক্ষমা শিৱা ধাত্রী
স্বাহা স্বাধা নমঃস্তোতে।"

আদিশক্তি দশভুজা দেৱী যাৰ বাহন হ'ল সিংহ— তেৱেঁই হ'ল 'দুৰ্গাদেৱী'। দেৱী দশভুজাৰ দহোখন হাততেই আছে বিভিন্ন অস্ত্র। দেৱীমাতাই কেইবাবাৰো ৰূপ সলাই পৃথিৱীৰ বহু দৈত্য-অসুৰ আদি বধ কৰি পৃথিৱীত শান্তি স্থাপন কৰিছিল। এবাৰ তেওঁ শাকম্ভৰী দেৱীৰ ৰূপ ধাৰণ কৰি দুৰ্গমাসুৰ নামৰ ভয়ংকৰ অসুৰ এটা নিধন কৰিছিল। তেতিয়াৰ পৰাই দেৱীৰ নাম দুৰ্গাদেৱী নামেৰে ব্রহ্মাণ্ডত বিখ্যাত হৈ পৰে। দেৱীদুৰ্গাই মহিষাসুৰ নামৰ এটা বহুৰূপী অসুৰক বধ কৰাৰ পাছত তেওঁ 'মহিষাসুৰ মৰ্দিনী' নামেৰে জনাজাত হয়। এইদৰে আদ্যাশক্তি দেৱীয়ে সময়ে সময়ে নানা ৰূপ ধাৰণ কৰি পৃথিৱীৰ অপশক্তিসমূহ ধ্বংস কৰি আহিছে।

মার্কণ্ডেয় পুৰাণৰ মতে, মনুষ্যজাতিৰ ৰক্ষাৰ হেতু পৰম গুপ্ত, পৰম উপযোগী আৰু মনুষ্যৰ কল্যাণকাৰী উপায় হ'ল 'দেৱীকৱচ' আৰু কোৱা হৈছে যে— যি মনুষ্যই এই উপায়সমূহ পালন কৰিব, তেওঁ এই সংসাৰত সুখভোগ কৰি আৰু অন্য সময়ত বৈকুণ্ঠত স্থান লাভ কৰিব। ঋক্‌বেদৰ মতে— মা দুৰ্গাই হ'ল আদিশক্তি। তেওঁৰ দ্বাৰাই গোটেই বিশ্বব্রহ্মাণ্ড পৰিচালিত হৈ আছে আৰু তেওঁৰ বাহিৰে অন্য কোনোৱেই অবিনাশী নহয়।

দেৱী দুৰ্গাই নৰ অৱতাৰ গ্রহণ কৰিছিল বুলি হিন্দু ধর্মত বিশ্বাস কৰা হয়। শাস্ত্রত বর্ণনা কৰা মতে দেৱী দুৰ্গাৰ এই নটা ৰূপ হ'ল— শৈলপুত্রী, ব্রহ্মচাৰিণী, চন্দ্রঘণ্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্রি, মহাগৌৰী আৰু সিদ্ধিদাত্রী। সেইবাবে নদিনত একাদিক্রমে এই নটা ৰূপৰ একোটা ৰূপক পূজা আৰু উপাসনা কৰা হয়। নটাকৈ ৰাতি এই পূজাভাগ কৰা হয় বাবে ইয়াক নৱৰাত্রি বুলি কোৱা হয়।

আদ্যাশক্তি দেৱীদুৰ্গাৰ বাবে নৱৰাত্রি পূজা পালন কৰা হয়। বছৰত নৱৰাত্রি চাৰিটাকৈ পালন কৰা হয়। তাৰে দুটা প্রকাশ্য নৱৰাত্রি আৰু দুটা গুপ্তন নৱৰাত্রি। প্রকাশ্য নৱৰাত্রিৰ প্রথমটো পূজা চ'ত-ব'হাগ মাহত কৰে। ইয়াক বাসন্তী পূজা বুলিও কয়। আকৌ দ্বিতীয়টো পূজা আহিন-কাতি মাহত পালন কৰে। ইয়াক শাৰদীয় পূজা বুলিও কয়। আনহাতে, গুপ্ত নৱৰাত্রিৰ প্রথম পূজাভাগ মাঘ মাহৰ শুক্লা প্রতিপদৰ পৰা আৰু দ্বিতীয় পূজাভাগ আহাৰ মাহৰ শুক্লা প্রতিপদৰ পৰা আৰম্ভ হয়। গুপ্ত নৱৰাত্রিৰ পূজা সাধাৰণ লোকে পালন নকৰে, কেৱল সাধকসকলেহে এই দুভাগ পূজা কৰে।

নৱৰাত্রি আৰম্ভ হোৱাৰ লগে লগে ভক্তিময় পৰিৱেশ এটাৰ সৃষ্টি হয়। এই নৱৰাত্রি পালন কৰাৰ বহুতো নিয়ম আছে। নৱৰাত্রিৰ নদিনলৈ হোৱা পূজাত ভক্তই দেৱীমাতাৰ ১০৮টা নাম জপ্ কৰে। কোৱা হয় যে পৰিত্র মনেৰে মা দুৰ্গাৰ এই ১০৮টা নাম জপ্ কৰিলে দেৱী প্রসন্ন হয় আৰু তেওঁৰ ওপৰত মায়ে কৃপাদৃষ্টি দিয়ে।



মা দুর্গাৰ ১০৮টা নাম কেনেকৈ জপ্ কৰিব

- মাৰ ১০৮ টা নাম জপ্ কৰাৰ আগতে স্নান কৰি ল'ব লাগে।
- জপ্ কৰাৰ আগতে ঘৰৰ মানুহখিনিক অথবা সন্তানসকলক সন্তুষ্ট কৰি পৰিবেশ চম্ভালি ল'ব লাগে যাতে জপ্ কৰাৰ সময়ত কোনো অসুবিধা নহয়।
- নাম জপ্ কৰাৰ আগতে কোনো পোহৰ থকা ঠাইত বহিব।
- দুর্গামাৰ ফটোৰ আগত এগছি বস্তি জ্বলাই ল'ব লাগে।
- চকু মুদি 'ওঁম' উচ্চাৰণ কৰি প্ৰথমে ভগৱান গণেশৰ স্মৰণ কৰিব লাগে।
- তাৰপাছত মা দুর্গাৰ ধ্যান কৰি তেওঁৰ স্বৰূপটো চকুৰ আগত আনিব লাগে আৰু তেওঁৰ মহিমা আৰু তেওঁৰ বিভিন্ন অৱতাৰৰ কথা ভাবিব লাগে।
- মা দুর্গাৰ ১০৮টা নাম জপ্ কৰি লগতে সকলো নামৰ অর্থ মনত ভাবিব লাগে।
- ১০৮টা নাম জপ্ কৰাৰ পাছত দেৱীমাক ধন্যবাদ দিব লাগে।
- ইয়াৰ পাছত মা দুর্গাৰ আৰতি কৰিব লাগে।

দেৱী দুর্গাৰ ১০৮টা নাম আৰু ইয়াৰ অর্থ

১। সতী— অগ্নিত জ্বলিও জীৱিত হৈ ৰোৱাগৰাকী
২। সাধ্বী— আশাবাদী
৩। ভৱপ্রীতা— ভগৱান শিৱৰ প্রতি প্রীতি ৰাখোতা
৪। ভৱানী— ব্রহ্মাণ্ডত বাস কৰোঁতা
৫। ভৱমোচনী— সংসাৰৰ বন্ধনৰ পৰা মুক্ত কৰোঁতা
৬। আর্য্যা— দেৱী
৭। দুর্গা— অপৰাজেয়
৮। জয়া— বিজয়ী
৯। আদ্যা— আৰম্ভণি
১০। ত্রিনেত্র— তিনি নেত্র ধাৰিণী
১১। শূলধাৰিণী— শূল ধাৰণ কৰোঁতা
১২। পিনাক ধাৰিণী— শিৱৰ ত্রিশূল ধাৰণ কৰোঁতা
১৩। চিত্রা— সুন্দৰ
১৪। চন্দ্রঘণ্টা— প্রচণ্ড স্বৰেৰে ঘণ্টাৰ শব্দ নির্গত কৰোঁতা
১৫। সুধা— অমৃতৰ দেৱী
১৬। মন-মনন— শক্তি
১৭। বুদ্ধি— সর্বজ্ঞাতা
১৮। অহংকাৰা— অভিমান কৰোঁতা
১৯। চিত্তৰূপা— তেওঁ যিয়ে চিন্তা অৱস্থাত আছে
২০। চিতা— মৃত্যুশয্যা
২১। চিতি— চেতনা
২২। সর্বমন্ত্রময়ী— সকলো মন্ত্রৰে জ্ঞান ৰাখোতা
২৩। সত্ত্বা— সৎস্বৰূপা
২৪। সত্যানন্দ স্বৰূপিণী— অনন্ত আনন্দৰ ৰূপ
২৫। অনন্তা— যাৰ স্বৰূপৰ কোনো শেষ নাই
২৬। ভাৱিনী— সকলোকে উৎপন্ন কৰোঁতা
২৭। ভাব্যা— ভাৱনা আৰু ধ্যান কৰাৰ যোগ্য
২৮। ভব্যা— কল্যাণৰূপা
২৯। অভব্যা— যাৰ ওপৰত ভব্য একোৱেই নহয়
৩০। সদাগতি— সদায় গতিত থকা, মোক্ষ দান কৰোঁতা
৩১। শাম্ভৱী— শিৱপ্রিয়া, শম্ভুৰ পত্নী
৩২। দেৱমাতা— দেৱগণৰ মাতা
৩৩। চিন্তা— চিন্তা
৩৪। ৰত্নপ্রিয়া— গহনাক ভালপোৱা গৰাকী
৩৫। সর্ববিদ্যা— জ্ঞানৰ নিৱাস
৩৬। দক্ষকন্যা— দক্ষৰ জী
৩৭। দক্ষযজ্ঞবিনাশিনী— দক্ষৰ যজ্ঞক বাধা দিওঁতা
৩৮। অপর্ণা— তপস্যাৰ কালত পাত এখিলাও নোখোৱা গৰাকী
৩৯। অনেকৱর্ণা— অনেক ৰঙৰ গৰাকী
৪০। পাটনা— ৰঙা ৰঙৰ গৰাকী
৪১। পাটলাৱতী— গোলাপ ফুল
৪২। পটাম্বৰ পৰিধানা— ৰেচমী বস্ত্র পৰিধান কৰোঁতা
৪৩। কলা মঞ্জিৰাৰঞ্জিনী— নুপূৰ ধাৰণ কৰি প্রসন্ন হৈ থকাগৰাকী
৪৪। অমেয়— যাৰ কোনো সীমা নাই
৪৫। বিক্রমা— অসীম পৰাক্রমী
৪৬। ক্রূৰা— দৈত্যৰ প্রতি কঠোৰ
৪৭। সুন্দৰী— সুন্দৰ ৰূপৰ গৰাকী
৪৮। সুৰসুন্দৰী— অত্যন্ত সুন্দৰ
৪৯। ৰনদুর্গা— জংঘলৰ দেৱী
৫০। মাতংগী— মাতংগৰ দেৱী
৫১। মাতংগমুনি পূজিতা— বাবা মাতংগৰ দ্বাৰা পূজনীয়
৫২। ব্রাহ্মী— ভগৱান ব্রহ্মাৰ শক্তি
৫৩। মহেশ্বৰী— প্রভু শিৱৰ শক্তি
৫৪। ইন্দ্রী— ইন্দ্রৰ শক্তি
৫৫। কৌমাৰী— কিশোৰী

৫৬। বৈষ্ণৱী— অজেয়
৫৭। চামুণ্ডা— চন্দ আৰু মুণ্ডক নাশ কৰোঁতা
৫৮। ৱাৰাহী— বৰাহ যাৰ বাহন
৪৯। লক্ষ্মী— সৌভাগ্যৰ দেৱী
৬০। পুৰুষাকৃতি— তেওঁ যিয়ে পুৰুষৰ ৰূপ ধাৰণ কৰিব পাৰে
৬১। বিমিলৌৎকর্ষিণী— আনন্দ প্রদান কৰা গৰাকী
৬২। জ্ঞানা— জ্ঞানেৰে ভৰপূৰ
৬৩। ক্রিয়া— সকলো কার্য্যতে উপলব্ধ থকা
৬৪। নিত্যা— অনন্ত
৬৫। বুদ্ধিদা— জ্ঞান দাত্রী
৬৬। বহুলা— বিভিন্ন ৰূপ ধাৰণ কৰোঁতা
৬৭। বহুলপ্রেমা— সর্বপ্রিয়া
৬৮। সর্বৱাহনৱাহনা— সকলো বাহনতে বিৰাজমান হোৱা গৰাকী
৬৯। নিশুম্ভশুম্ভহননী— শুম্ভ-নিশুম্ভক বধ কৰা গৰাকী
৭০। মহিষাসুৰমর্দিনী— মহিষাসুৰক বধ কৰা গৰাকী
৭১। মধুকেতভহন্ত্রী— 'মধু' আৰু 'কেতভ'ক নাশ কৰা গৰাকী
৭২। চন্দমুণ্ড বিনাশিনী— 'চন্দ' আৰু 'মুণ্ড'ক বিনাশ কৰা গৰাকী
৭৩। সর্বাসুৰ বিনাশা— সকলো ৰাক্ষসক নাশ কৰোঁতা
৭৪। সর্বদানৱঘাটিনী— সকলো দানৱক সংহাৰ কৰিবলৈ শক্তি থকা গৰাকী
৭৫। সর্বশাস্ত্রময়ী— সকলো শাস্ত্রৰ সিদ্ধান্ততে নিপুণ
৭৬। সত্যা— সত্য
৭৭। সর্বাস্ত্রধাৰিণী— সকলো অস্ত্র ধাৰণ কৰোঁতা
৭৮। অনেকশস্ত্রহস্তা— বহুতো অস্ত্র ধাৰণ কৰোঁতা
৭৯। অনেকাস্ত্রধাৰিণী— অনেক অস্ত্র ধাৰণ কৰোঁতা
৮০। কুমাৰী— সুন্দৰ কিশোৰী
৮১। এককন্যা— কন্যা
৮২। কৈশোৰী— যুৱতী
৮৩। যুৱতী— নাৰী
৮৪। য়তি— তপস্বী
৮৫। অপ্রৌঢ়া— যি কেতিয়াও পু�ৰণা নহয়
৮৬। প্রৌঢ়া— যি পুৰণা হয়
৮৭। বৃদ্ধমাতা— শিথিল
৮৮। বলপ্রদা— শক্তি দিয়াগৰাকী
৮৯। মহোদৰী— ব্রহ্মাণ্ডক পালন কৰাগৰাকী
৯০। মুক্তকেশী— খোলা চুলিৰ গৰাকী
৯১। ঘোৰৰূপা— এক ভয়ংকৰ দৃষ্টিকোণৰ গৰাকী
৯২। মহাবলা— অপাৰ শক্তিৰ গৰাকী
৯৩। অগ্নিজ্বালা— মার্মিক জুইৰ দৰে
৯৪। ৰৌদ্রমুখী— বিধ্বংসী ৰুদ্রৰ দৰে ভয়ংকৰ চেহেৰা
৯৫। কালৰাত্রি— ক'লা বৰণৰ
৯৬। তপস্বিনী— তপস্যাত থকা গৰাকী
৯৭। নাৰায়ণী— ভগৱান নাৰায়ণৰ বিনাশকাৰী ৰূপ
৯৮। ভদ্রকালী— কালীৰ ভয়ংকৰ ৰূপ
৯৯। বিষ্ণুমায়া— ভগৱান বিষ্ণুৰ যাদু বা মায়া
১০০। জলোদৰী— ব্রহ্মাণ্ডত নিৰাস কৰোঁতা
১০১। শিৱদূতী— ভগৱান শিৱৰ ৰাজদূত
১০২। কৰলী— হিংসক
১০৩। অনন্তা— বিনাশৰহিত
১০৪। পৰমেশ্বৰী— প্রথম দেৱী
১০৫। কাত্যায়নী— ঋষি কাত্যায়নৰ দ্বাৰা পূজিত
১০৬। সাৱিত্রী— সূর্য্যৰ কন্যা
১০৭। প্রত্যক্ষা— ৰাস্তৱিক
১০৮। ব্রহ্মবাদিনী— বর্তমান সময়ত সকলো ঠাইতে বাস কৰোঁতা

মা দুর্গতিনাশিনীয়ে সকলোৰে দুখ-দুর্গতি ৰূপী অসুৰবোৰক নাশ কৰি এক সুখী আৰু আধ্যাত্মিক মনৰ মানৱৰ সৃষ্টি কৰি, এক সুস্থ সমাজ গঠন কৰাৰ প্রার্থনাৰে—

"ওঁম জটা জুট সমাযুক্তমর্ধেন্দু কৃতি লক্ষণম্
লোচনযাত্র সংযুক্তম্ পদমেন্দু সদ্য শন লম্।"

(লেখাটোত ইণ্টাৰনেটৰ সহায় লোৱা হৈছে)

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, কল্যাণপুৰ, গণেশগুৰি

দ্বাদশ জ্যোতির্লিংগৰ বিষয়ে চমু কথা

কল্পনা কলিতা



সৌৰাষ্ট্রে সোমনাথং
শ্রীশৈলে মল্লিকার্জুনম
উজ্জয়িন্যাং মহাকালম
ওঁমকাৰম সমলেশ্বৰম।।
পৰল্যাম বৈদনাথং
ডাকিণ্যাম ভীমশঙ্কৰম
সেতুবন্দে তু ৰামেশ্বং
নাগেশং দাৰুকাবনে।।
বাৰানশীতে বিশ্বেশ্বৰম
ত্রয়ম্বকম গৌতমী ততে
হিমালয়ে তু কেডাৰম
ঘৃষমেশং চা শিবালয়ে।।

এয়া হৈছে দ্বাদশ জ্যোতির্লিংগম স্রোত্রম। শিৱপূজা অনুসৰি ভাৰতবর্ষত ৬৪টা জ্যোতির্লিংগ আছে। তাৰ ভিতৰত



১২টাক মহাজ্যোতির্লিংগ হিচাবে গণ্য কৰা হয়। ভাৰতবর্ষত থকা ১২টা মহাজ্যোতির্লিংগৰ তালিকাখন হ'ল—

১। সোমনাথ (গুজৰাট), ২। মল্লিকার্জুন (অন্ধ্রপ্রদেশ), ৩। মহাকালেশ্বৰ (মধ্যপ্রদেশ), ৪। ওঁমকাৰেশ্বৰ (মধ্যপ্রদেশ), ৫। কেডাৰনাথ (উত্তৰাখণ্ড), ৬। ভীমাশঙ্কৰ (মহাৰাষ্ট্ৰ), ৭। কাশী বিশ্বনাথ (উত্তৰ প্রদেশ), ৮। ত্রয়ম্বকেশ্বৰ (মহাৰাষ্ট্ৰ), ৯। বৈদ্যনাথ (ঝাড়খণ্ড), ১০। নাগেশ্বৰ (গুজৰাট), ১১। ৰামেশ্বৰম (তামিলনাড়ু), ১২। ঘৃষ্ণেশ্বৰ (মহাৰাষ্ট্ৰ)।

এই প্রতিটো জ্যোতির্লিংগই শিৱৰ বিভিন্ন ৰূপৰ প্রতিনিধিত্ব কৰে। এই জ্যোতির্লিংগসমূহক কেন্দ্র কৰি গঢ়ি উঠা মন্দিৰবিলাকৰ ঐতিহাসিক আৰু পৌৰাণিক গুৰুত্ব আছে। ভক্তসকলে ইয়াক মহাপ্রভু শিৱৰ ঐশ্বৰিক শক্তিস্থল হিচাবে গণ্য কৰে য'ত ভগৱান শিৱ নিজেই ইয়াতেই বিৰাজমান হৈ থকা বুলি বিশ্বাস কৰে আৰু পূজা-পাতল আগবঢ়ায়। এই জ্যোতির্লিংগসমূহ দর্শন কৰিলে ভক্তৰ সকলো পাপ বিমোচন হয় আৰু ভক্তসকলে মোক্ষ লাভ কৰিব পাৰে বুলি বিশ্বাস কৰা হয়।

এই প্রতিটো জ্যোতির্লিংগ সৃষ্টি হোৱাৰ আঁৰত কিছুমান কাহিনী আছে। শিৱপু�ৰাণ মতে বহু হেজাৰ বছৰৰ পূর্বে এবাৰ ভগৱান বিষ্ণু আৰু ভগৱান ব্রহ্মাৰ মাজত কোন শ্রেষ্ঠ, এই লৈ আলোচনা হৈ আছিল আৰু শেষত কাজিয়াৰ সৃষ্টি হৈছিল। এনেতে ভগৱান শিৱ তাত উপস্থিত হয় আৰু এটা পোহৰৰ স্তম্ভ সৃষ্টি কৰে আৰু কয়— যিয়ে ইয়াৰ অন্ত বিচাৰি উলিয়াব, তেৱেঁই শ্রেষ্ঠ হ'ব। ব্রহ্মাই ইয়াৰ অন্ত বিচাৰি উলিয়াব পাৰিছে বুলি মিছা মতাত শিৱই তেওঁক অভিশাপ দিয়ে এই বুলি যে পৃথিৱীত তেওঁ কেতিয়াও পূজিত নহ'ব। কিন্তু বিষ্ণুৱে নিজৰ পৰাজয় স্বীকাৰ কৰিলে। তেতিয়াৰ পৰা ভগৱান শিৱই ৬৪টা স্থানত লিংগৰূপে অৱস্থান কৰিলে আৰু তাৰ ভিতৰত ১২টা প্রধান জ্যোতির্লিংগ হিচাপে প্রতিষ্ঠিত হ'ল।

তলত ১২টা জ্যোতির্লিংগৰ চমু বিৱৰণী দাঙি ধৰা হ'ল।

১। সোমনাথ জ্যোতির্লিংগ ঃ গুজৰাটৰ প্রভাস তীর্থত আৰৱ সাগ�ৰৰ পাৰত অৱস্থিত সোমনাথ জ্যোতির্লিংগ হৈছে ভাৰতৰ ১২টা জ্যোতির্লিংগৰ ভিতৰত এটা আৰু পৃথিৱীৰ ভিতৰতে প্রথম। ইয়াৰ ইতিহাসিক আৰু ধর্মীয় গুৰুত্ব বহুত। সোমনাথৰ শিৱ মন্দিৰ মুছলমানসকলৰ আক্রমণত বাৰে বাৰে বিধ্বস্ত হৈছিল, কিন্তু বহুবাৰ পুনর্নির্মাণৰ পিছত অপূর্ব্ব স্থাপত্যকলাৰে ই আজিও সগর্ব্বে ভক্তিৰ প্রতীক হিচাপে মূৰ দাঙি আছে। ইয়াৰ সৌন্দর্য্যই সকলো শ্রেণীৰ পর্য্যটককে আকর্ষিত কৰে। ৰাতিপুৱা, দুপৰীয়া আৰু সন্ধিয়া— তিনিবাৰকৈ মন্দিৰত প্রার্থনা আৰু আৰতি অনুষ্ঠিত হয়। সোমনাথ মন্দিৰৰ নাম স্কন্ধপুৰাণ, শ্রীমদ্ভাগৱত গীতা আৰু শিৱপুৰাণত উল্লেখ আছে। এই মন্দিৰৰ ভিতৰভাগ সম্পূর্ণ সোণেৰে নির্মিত। অতীজৰে পৰা ই অতিকৈ চহকী মন্দিৰ হিচাবে পৰিগণিত হৈ আহিছে, যাৰ কাৰণে মুছলমানসকলে বাৰে বাৰে আক্রমণ কৰি অজস্র ধন-সম্পত্তি লুট কৰি নিছিল।

প্রাচীন কাহিনী মতে, দক্ষ ৰজাৰ ২৭ গৰাকী জীয়ৰীক সোমনাথ অর্থাৎ চন্দ্রদেৱে বিবাহ কৰিছিল, কিন্তু তাৰ ভিতৰত অকল ৰোহিণীকহে তেওঁ প্রাধান্য দিছিল। এই কথাত ৰুষ্ট হৈ দক্ষ ৰজাই সোমনাথৰ সকলো সৌন্দর্য্য বিলোপ পাবলৈ অভিশাপ দিলে। এই অভিশাপৰ পৰা মুক্ত হ'বলৈ সোমদেৱে বহু হাজাৰ বছৰ শিৱক তপস্যা কৰিলে আৰু এই তপস্যাত সন্তুষ্ট হৈ স্বয়ং দেৱাদিদেৱ শিৱ সেই স্থানত আৱির্ভাৱ হয় আৰু মাহে প্রতি অর্ধমাহ পোহৰ হ্রাস পাব বুলি সোমদেৱক আশ্বাস দিয়ে। তেতিয়াৰে পৰা সেই স্থানত শিৱ জ্যোতির্লিংগ আকাৰত বিৰাজ হৈ থকা বুলি জনশ্রুতি চলি আছে। সোমনাথ মন্দিৰৰ স্থাপত্যকলা আৰু প্রাকৃতিক পৰিৱেশ সঁচাকৈয়ে অতিকৈ সুন্দৰ।

২। মল্লিকার্জুন জ্যোতির্লিংগ ঃ মল্লিকার্জুন জ্যোতির্লিংগ অন্ধ্রপ্রদেশৰ কুর্ণুল জিলাৰ নাল্লামালা পাহাৰত শ্রীশৈলম নামৰ এখন নগৰত অৱস্থিত। প্রাচীন স্থাপত্য কলাৰে নির্মিত এই মন্দিৰত শিৱ আৰু পার্ৱতী উভয়কে পূজা কৰা হয়। ইয়াক এখন শক্তিপীঠ হিচাবেও গণ্য কৰা হয়। দক্ষিণ ভাৰতৰ এখন গুৰুত্বপূর্ণ তীর্থস্থান হিচাবে পৰিগণিত এই মন্দিৰৰ নির্মাণকার্য্য বিজয়নগৰ সাম্রাজ্যৰ ৰজা হৰিহৰ ৰায়ৰ দিনত আৰম্ভ হৈছিল আৰু পিছলৈ ইক্ষাকু, পল্লৱ আৰু চালুক্য বংশৰ ৰজাসকলে ইয়াক সম্পূর্ণ কৰিছিল।

এই জ্যোতির্লিংগৰ লগত শিৱ, পার্ৱতী, কার্ত্তিক আৰু গণেশৰ কাহিনী জড়িত হৈ আছে। কিংবদন্তী মতে মহাদেৱ শিৱ আৰু পার্বতীৰ পুত্র গণেশ আৰু কার্ত্তিকৰ বিবাহৰ বয়স হোৱাত মাক-দেউতাকে চর্ত ৰাখিলে যে যিয়ে পৃথিৱীখন প্রদক্ষিণ কৰি প্রথমতে ঘূৰি আহিব পাৰিব, তেওঁকেই প্রথম বিয়া পাতি দিয়া হ'ব। তেতিয়া কার্ত্তিকে ময়ূৰৰ পিঠিত উঠি পৃথিৱী প্রদক্ষিণ কৰিবলৈ বুলি ওলাই গ'ল। কিন্তু বুদ্ধিমান গণেশে মাক-দেউতাককেই তেওঁৰ বাবে পৃথিৱী বুলি কৈ মহাদেৱ আৰু পার্বতীৰ চাৰিওপিনে এপাক প্রদক্ষিণ কৰিলে। ইয়াতে বিতুষ্ট হৈ কার্ত্তিক দক্ষিণৰ ক্রৌঞ্চ পর্ব্বতলৈ গুচি গ'ল আৰু পিছে পিছে শিৱ আৰু পার্বতীও কার্ত্তিকৰ অভিমান ভাঙিবলৈ গতি কৰিলে আৰু পুত্রৰ লগত থাকিবলৈ মল্লিকার্জুন

জ্যোতির্লিংগ হিচাবে অৱস্থান কৰিলে। মল্লিকা মানে হ'ল পার্বতী আৰু অর্জুন মানে হ'ল দেৱাদিদেৱ শিৱ।

৩। মহাকালেশ্বৰ জ্যোতির্লিংগ ঃ মধ্যপ্রদেশৰ উজ্জয়িনীত অৱস্থিত এই জ্যোতির্লিংগক কেন্দ্র কৰি গঢ়ি উঠা মন্দিৰৰ স্থাপত্য শৈলীয়ে দেশ-বিদেশৰ পর্য্যটকক আকর্ষণ কৰে। বুৰঞ্জীয়ে ঢুকি পোৱা সময়ৰ বহু আগতেই এই মন্দিৰ নির্মাণ হৈছিল। ইয়াত মাৰাঠা, ভূমিজ আৰু চালুক্য স্থাপত্যকলাৰ নিদর্শন পোৱা যায়। এই মন্দিৰৰ বিশেষত্ব হ'ল এই যে ব্রহ্মপুৰাতে এই মন্দিৰত ভস্ম আৰতি কৰা হয় আৰু শ্মশানৰ পৰা অনা ভস্মেৰে জ্যোতির্লিংগৰ স্নান কৰোৱা হয়। লাখ লাখ দর্শনার্থীয়ে এই ভস্ম আৰতি প্রত্যক্ষ কৰিলে দেৱাদিদেৱ মহাদেৱৰ কৃপাদৃষ্টি লাভ কৰিব পাৰে বুলি বিশ্বাস কৰে।

পৌৰাণিক কাহিনী মতে, উজ্জয়িনীৰ ৰজা চন্দ্রসেন শিৱৰ এজন পৰম ভক্ত আছিল। সেই সময়তে দুশনঃ নামৰ এজন অসুৰৰ উৎপাত জনগণে থাকিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছিল। উজ্জয়িনীৰ প্রজাগণে ৰজাৰ সৈতে দেৱাদিদেৱ মহাদেৱৰ স্তুতি কৰিবলৈ ধৰিলে। ইয়াত সন্তুষ্ট হৈ মহাকালৰ ৰূপ ধৰি দুশনঃক বধ কৰে। জনগণক ৰক্ষণাবেক্ষণ দিবৰ বাবে শিৱই সয়ম্ভু জ্যোতির্লিংগ হিচাবে আত্মপ্রকাশ কৰে আৰু এনেদৰে বিৰাজমান হৈ থাকে।

কথিত আছে যে পুৰণি মহাকাল মন্দিৰ ব্রহ্মাৰ দ্বাৰা প্রতিষ্ঠা কৰা হৈছিল। এই মন্দিৰ বহুতৰ দ্বাৰা ধ্বংসপ্রাপ্ত হৈছিল, কিন্তু পিছলৈ ৰজা-মহাৰজাসকলে ইয়াৰ পুনর্নির্মাণ কৰাইছিল। ইয়াৰ আৰু এটা বিশেষত্ব এই যে এই লিংগ দক্ষিণমুৰাকৈ অৱস্থিত। মহাকাল মন্দিৰ দর্শন কৰিলে মোক্ষ লাভ কৰিব পাৰে বুলি ভক্তসকলে বিশ্বাস কৰে।

(৪) ওঁমকাৰেশ্বৰ জ্যোতির্লিংগ ঃ ওঁমকাৰেশ্বৰ দ্বাদশ জ্যোতির্লিংগৰ এটা আৰু ইয়াক স্বয়ং প্রকাশিত লিংগ বুলি কোৱা হয়। মধ্যপ্রদেশৰ নর্মদা নদীৰ মাজত থকা "ওঁ" আকৃতিৰ এটি দীপত ই অৱস্থিত। এই দীপটোৰ নাম মান্ধাতা বুলিও কোৱা হয়। ইয়ালৈ হেজাৰ হেজাৰ তীর্থযাত্রী আৰু পর্য্যটক আহে আৰু নর্মদা নদীত স্নান কৰি মন্দিৰ দর্শন কৰি আধ্যাত্মিক পৰিৱেশ অনুভৱ কৰে। এই মন্দিৰটো পোশোৱা স্থাপত্য শৈলীৰ বাবে জনাজাত, য'ত সূক্ষ্ম খোদাই কার্য্য আছে। ওঁমকাৰেশ্বৰত প্রধান মন্দিৰৰ উপৰি গৌৰী সোমনাথ মন্দিৰ, নর্মদা আৰু কাবেৰী নদীৰ সংগমস্থল আৰু গোবিন্দেশ্বৰ গুহা আদি গুৰুত্বপূর্ণ স্থানসমূহো আছে।

কিংবদন্তি অনুসৰি ইক্ষাক্ বংশৰ ৰজা মান্ধাতাই ইয়াত শিৱক পাবলৈ ঘো�ৰ তপস্যাত বহিছিল। তেওঁ ঘো�ৰ শিৱভক্ত আছিল আৰু যেতিয়ালৈকে শিৱই আত্মপ্রকাশ কৰা নাছিল তেতিয়ালৈকে তেওঁ তপস্যাত মগ্ন আছিল। তপস্যাত সন্তুষ্ট হৈ শিৱই জ্যোতির্লিংগ ৰূপত আত্মপ্রকাশ কৰিছিল। আন এক কাহিনী মতে এবাৰ নাৰদমুনি বিন্ধ্য পার্ব্বতলৈ গৈছিল। বিন্ধ্য পর্ব্বতে নিজৰ শ্রেষ্ঠত্ব প্রমাণ কৰিবলৈ নাৰদক অনুৰোধ জনাইছিল। নাৰদে তেতিয়া বিন্ধ্যক মেৰু পর্ব্বতৰ ওচৰত গৈ শ্রেষ্ঠত্ব প্রকাশ কৰিবলৈ কৈছিল। বিন্ধ্যই মেৰুক প্রদক্ষিণ কৰিবলৈ চেষ্টা কৰিলে, কিন্তু মেৰু পর্ব্বত সদায় ওখ হৈ থাকে। বিন্ধ্য পর্ব্বত আৰোহণত হতাশ হৈ শিৱৰ ওচৰত প্রার্থনা কৰে। তেতিয়া শিৱই এই বুলি বৰ দিয়ে যে দিনত তেওঁ ওখ হৈয়ে থাকিব, কিন্তু সন্ধ্যা হ'লে আকৌ চাপৰ হৈ যাব। শিৱই আৰু বৰ দিয়ে যে তেওঁ তাত ওঁমকাৰেশ্বৰ ৰূপে পূজিত হৈ থাকিব। তেতিয়াৰ পৰাই শিৱই ওঁমকাৰেশ্বৰ জ্যোতির্লিংগ হিচাবে পূজিত হৈ আছে।

লোকবিশ্বাস অনুসৰি এই মন্দিৰ সত্যযুগ, ত্রেতাযুগ, দ্বাপৰযুগ আৰু কলিযুগৰ সাক্ষী হৈ আছে।

৫। কেডাৰনাথ জ্যোতির্লিংগ ঃ উত্তৰাখণ্ডৰ গাড়ৱাল হিমালয়ত অৱস্থিত কেডাৰনাথ মন্দিৰ হিন্দুসকলৰ প্রধান তীর্থস্থান। ৩,৫৮৩ মিটাৰ উচ্চতাত অৱস্থিত এই জ্যোতির্লিংগ আটাইতকৈ ওখত থকা জ্যোতির্লিংগ বুলি বিবেচিত হৈছে। ইয়াত দেৱাদিদেৱ মহাদেৱক এটা ষাঁড়গৰুৰ কুঁজ আকৃতিত পূজা কৰা হয়। উত্তৰাখণ্ডৰ চাৰিধাম হ'ল কেডাৰ, বদ্রী, গঙ্গোত্রী আৰু যমুনোত্রী। শিৱৰ উপাসাস্থলী হিচাপে ভক্তসকলে অতি দুর্গম যদিও এই জ্যোতির্লিংগ দর্শন কৰে। গিৰিৰাজ হিমালয়ৰ বক্ষত অতি সুন্দৰ পৰিৱেশত অৱস্থিত এই মন্দিৰ দর্শন কৰি ভক্তসকল অতিশয় আনন্দ লাভ কৰে। এই মন্দিৰৰ লগত মহাভাৰতৰ কাহিনী জড়িত হৈ আছে। বর্তমানৰ যি মন্দিৰ সেয়া আদিগুৰু শঙ্কৰাচার্য্যই তৈয়াৰ কৰিছিল বুলি বিশ্বাস কৰা হয়। পুৰণি মন্দিৰটো পঞ্চপাণ্ডৱে বনাইছিল বুলি কথিত আছে। বৃহৎ বৃহৎ আয়তাকাৰ শিলৰ টুকুৰাৰে পুৰণি যুগতে সাজি থৈ যোৱা এই মন্দিৰৰ নির্মাণকার্য্য দেখিলে তবধ মানিব লাগে। এই মন্দিৰটো নৱেম্বৰ মাহৰ পৰা এপ্রিল মাহলৈ প্রচণ্ড শীতৰ বাবে বন্ধ থাকে।

পৌৰাণিক কাহিনী মতে মহাভাৰতৰ যুদ্ধৰ পিছত পাণ্ডৱসকলে অনুশোচনাত দগ্ধ হৈ পাপৰ প্রায়শ্চিত্ত কৰিবলৈ ভগৱান শিৱৰ ওচৰলৈ গৈছিল। শিৱই কথাটো গম পাই ধৰা নিদিবলৈ এটা ষাঁড়গৰুৰ আকৃতি লৈ কেডাৰনাথত লুকাই পৰিল। পাণ্ডৱসকলে বিশেষকৈ ভীমে শিৱক অনুসৰণ কৰাত

শিৱই মূৰ তল কৰি মাটিৰ তললৈ অন্তৰ্ধান হ'বলৈ চেষ্টা কৰিলে। ভীমে তেতিয়া ষাঁড়গৰুটোৰ কুঁজটো গাৰ বলেৰে ধৰি ৰাখিলে। সেই কুঁজটোৰে জ্যোতির্লিংগৰূপে আত্মপ্রকাশ কৰিলে আৰু পঞ্চপাণ্ডৱে তাত পূজা কৰিবলৈ আৰম্ভ কৰিলে। ষাঁড়গৰুটোৰ বাকী অংশবোৰ বিভিন্ন ঠাইত পঞ্চ কেডাৰ হিচাপে এতিয়াও পূজিত হৈ আছে যদিও জ্যোতির্লিংগ হিচাবে কেডাৰনাথ ধামকহে বিবেচনা কৰা হয়। ২০১৩ চনত কেডাৰনাথত হোৱা প্ৰবল ভূস্খলন আৰু বানপানীয়েও কেডাৰনাথ মন্দিৰৰ একো অনিষ্ঠ সাধন কৰিব নোৱাৰিলে। ভগৱান শিৱৰ মাহাত্ম্যৰ কাৰণেই এয়া সম্ভৱ হৈছে বুলি ভক্তসকলে বিশ্বাস কৰে।

৬। ভীমাশঙ্কৰ জ্যোতির্লিংগ ঃ ভীমাশঙ্কৰ জ্যোতির্লিংগ হ'ল ভগৱান শিৱৰ উদ্দেশ্যে উৎসৰ্গীকৃত এটা পৱিত্ৰ মন্দিৰ য'ত শিৱই জ্যোতির্লিংগ ৰূপত আত্মপ্রকাশ কৰি আহিছে। মহাৰাষ্ট্ৰৰ পুনে জিলাৰ সহ্যাদ্রি পৰ্বতৰ মাজত আৰু ভীমা নদীৰ পাৰত অৱস্থিত এই মন্দিৰ এটা গুৰুত্বপূৰ্ণ তীৰ্থস্থান। এই মন্দিৰৰ চাৰিওফালৰ প্রাকৃতিক পৱিৱেশে সকলোৰে মন মোহিত কৰে। ঐতিহাসিক দিশৰ পৰাও ই বহুত তাৎপৰ্য্যপূৰ্ণ।

কিংবদন্তী মতে এই জ্যোতির্লিংগ ত্রিপুৰা নামে এটা অসুৰৰ লগত জড়িত হৈ আছে। কাহিনী মতে, ত্রিপুৰাৰ তপস্যাত সন্তুষ্ট হৈ প্রজাপতি ব্রহ্মাই তাক তিনিটা ইচ্ছাপূৰণৰ বাবে বৰ দিছিল। ত্রিপুৰাই ইচ্ছা কৰিছিল স্বৰ্গ, মৰ্ত্য আৰু পাতাল জয় কৰিবলৈ। তাৰ ইচ্ছা পূৰণ হ'বলৈ ব্রহ্মাই বৰ দিছিল। ত্রিপুৰাৰ লগত স্বৰ্গৰ ইন্দ্র দেৱতা যেতিয়া পৰাজিত হ'ল তেতিয়া ইন্দ্রই শিৱৰ পৰা আশীৰ্বাদ ল'বলৈ তপস্যা কৰিছিল। তেতিয়া শিৱই ত্রিপুৰাক ধ্বংস কৰি সকলোতে শান্তি আনিবলৈ প্রতিজ্ঞাবদ্ধ হৈছিল। দেৱতাসকলৰ নির্দেশ অনুসৰি শিৱই সেই ঠাইত ভীমাশঙ্কৰ ৰূপ ধাৰণ কৰি অসুৰক নিধন কৰিছিল। তেতিয়াৰ পৰা তেওঁ ভীমাশঙ্কৰ জ্যোতির্লিংগ হিচাপে তাত আত্মপ্রকাশ কৰিছিল। অসুৰৰ লগত হোৱা যুদ্ধত শিৱৰ গাৰ পৰা নির্গত হোৱা ঘামেৰে ভীমা নদীৰ সৃষ্টি হৈছিল বুলি কথিত আছে।

এই ভীমাশঙ্কৰ জ্যোতির্লিংগক লৈ বিতর্কও নোহোৱা নহয়। পুৰণি অসমৰ কামৰূপতো ভীমাশঙ্কৰ জ্যোতির্লিংগ থকা বুলি বিজ্ঞসকলে মতপোষণ কৰে, যিহেতু শিৱ পুৰাণত কামৰূপৰ কথা উল্লেখ আছে। গুৱাহাটীস্থিত পামহীত ভীমাশঙ্কৰ জ্যোতির্লিংগৰ পূজা-অর্চনাও নিয়মিতভাৱে চলি থাকে।

৭। কাশী বিশ্বনাথ জ্যোতির্লিংগ ঃ কাশী বিশ্বনাথ মন্দিৰ ভাৰতবর্ষৰ এটা বিখ্যাত হিন্দু মন্দিৰ। এই মন্দিৰ উত্তৰ প্রদেশৰ বাৰাণসীত গঙ্গা নদীৰ পাৰত অৱস্থিত। মন্দিৰৰ প্রধান দেৱতা বিশ্বেশ্বৰ বা বিশ্বনাথ জ্যোতির্লিংগ হিচাবে ইয়াত পূজিত হয়। বাৰাণসী চহৰৰ অইন এটা নাম কাশী, সেই কাৰণে এই মন্দিৰক কাশী বিশ্বনাথ বুলি কোৱা হয়। এই মন্দিৰৰ ১৫.৬ মিটাৰ ওখ চূড়াটো সোণেৰে নির্মিত। হিন্দু পুৰাণত এই মন্দিৰটিৰ উল্লেখ আছে। এই মন্দিৰ শৈৱ ধর্মৰ প্রধান উপাসনাস্থলী হিচাবে পৰিগণিত হৈ আহিছে। অতীতত বহুবাৰ এই মন্দিৰৰ ধ্বংস আৰু পুনৰ নির্মাণকার্য চলি বর্তমানৰ এই অৱস্থা পাইছেহি। বর্তমানৰ মন্দিৰটো ১৭৮০ চনত ইন্দোৰৰ মহাৰাণী অহল্যাবাঈ হোলকাৰৰ তত্ত্বাৱধানত তৈয়াৰ কৰা হৈছিল। ১৯৮৩ চনৰ পৰা উত্তৰ প্রদেশ চৰকাৰে এই মন্দিৰটো পৰিচালনা কৰি আছে।

হিন্দুসকলে বিশ্বাস কৰে যে আদিযোগী শিৱই স্বয়ম্ভু পোহৰৰ লিংগ হিচাবে আত্মপ্রকাশ কৰিছিল। এবাৰ ব্রহ্মা আৰু বিষ্ণুৰ মাজত কোন শ্রেষ্ঠ এই লৈ বিতর্কৰ সৃষ্টি হৈছিল। তেতিয়া সেই স্থানত শিৱ আৱির্ভাৱ হৈ এটা অনন্ত পোহৰৰ স্তম্ভৰ সৃষ্টি কৰিছিল আৰু কৈছিল, যিজনে ইয়াৰ অন্ত বিচাৰি উলিয়াব পাৰিব তেৱেঁই শ্রেষ্ঠ হ'ব। বিষ্ণুৱে নিজৰ পৰাজয় স্বীকাৰ কৰিছিল, কিন্তু ব্রহ্মাই মিছা মাতি পোহৰৰ স্তম্ভটোৰ আদি-অন্ত বিচাৰি পোৱা বুলি মিছা মাতিছিল। তেতিয়া শিৱই খণ্ডতে ব্রহ্মাক পৃথিৱীত কেতিয়াও তেওঁ পূজিত নহ'ব বুলি অভিশাপ দিয়াৰ বিপৰীতে বিষ্ণু সদায় পূজিত হ'ব বুলি আশীৰ্বাদ দি নিজে শ্রেষ্ঠত্বৰ প্রমাণ দি শিৱই আত্মলিংগ হিচাপে বিৰাজমান হৈছিল।

(৮) ত্রয়ম্বকেশ্বৰ জ্যোতির্লিঙ্গ ঃ মহাৰাষ্ট্ৰৰ নাচিক চহৰৰ পৰা ২৮ কিঃমিঃ দূৰত ব্রহ্মাগিৰি পাহৰৰ ওচৰত ত্রয়ম্বকেশ্বৰ জ্যোতির্লিঙ্গ অৱস্থিত, য'ত গোদাবৰী নদীৰ উৎস আছে। এই জ্যোতির্লিংগৰ বিশেষত্ব হ'ল ইয়াত তিনিটা ভাগ দেখা যায়— ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰ। বাকীবিলাক জ্যোতির্লিংগ একক আকাৰে দেখা যায়। মন্দিৰ প্রাঙ্গনত অৱস্থিত কুশাবর্দ্ধ নামৰ কুণ্ডকেই গোদাবৰী নদীৰ উৎস হিচাপে ধৰা হয়। ত্রয়ম্বকেশ্বৰ মন্দিৰ বহুত প্রাচীন। ইয়াত প্রতি ১২ বছৰৰ মূৰে মূৰে কুম্ভমেলা অনুষ্ঠিত হয়। প্রতি বছৰে বহু তীৰ্থযাত্রীয়ে আহি এই মন্দিৰ দর্শন কৰে। মোগল সম্রাট ঔৰংজেৰে এই মন্দিৰ ধ্বংস কৰাৰ পিছত পেশোৱা বালাজী বাজীৰাওৱে ইয়াক পুনৰ নির্মাণ কৰিছিল। ত্রয়ম্বকেশ্বৰ ভাৰতৰ আটাইতকৈ পৱিত্ৰ চহৰ হিচাপে মানি লোৱা হয়। ভাৰতৰ অন্যতম দীর্ঘ আৰু পৱিত্ৰ নদী গোদাবৰী ইয়াতে উৎপত্তি হৈ আৰব সাগৰত মিলিত হৈছে। প্রাচীন কালৰে পৰাই ইয়াত শিৱৰ আৰাধনা চলি আছে।

প্রাচীন কালত গৌতম ঋষি আৰু তেওঁৰ পত্নী অহল্যাই

ইয়াতেই বাস কৰিছিল আৰু ব্রহ্মগিৰি পর্বতত শিৱৰ পূজা কৰিছিল। ঋষিসকলৰ পৰা পোৱা অপবাদৰ কাৰণে গৌতম ঋষিয়ে গঙ্গা নদী ইয়ালৈ বোৱাই আনিবলৈ শিৱই অনুৰোধ কৰিছিল। শিৱই তেওঁৰ ভক্তৰ প্রার্থনাত সন্তুষ্ট হৈ ত্রয়ম্বকেশ্বৰ হিচাবে বিৰাজমান হ'বলৈ ৰাজী হয় আৰু তেতিয়াৰ পৰাই গোদাবৰী নদীও ইয়াৰ পৰা প্রবাহিত হ'বলৈ আৰম্ভ কৰে। গোদাবৰী নদীক দক্ষিণৰ গঙ্গা বুলিও কোৱা হয়।

৯। বৈদ্যনাথ জ্যোতির্লিংগ ঃ বৈদ্যনাথ ধাম ঝাৰখণ্ডৰ দেওঘৰত অৱস্থিত। ইয়াক বাবা বৈদ্যনাথ মন্দিৰ বুলিও জনা যায়। কিছুমানে ইয়াক বাবা ধাম বুলিও কয়। প্রতি বছৰে শাওণ মাহত ইয়াত বিশাল মেলা অনুষ্ঠিত হয়। শিৱভক্তসকলৰ কাৰণে ই এখন গুৰুত্বপূর্ণ তীর্থস্থান। প্রতি বছৰে লাখ লাখ ভক্তই এই ধাম দর্শন কৰে। দেওঘৰক ৫১ শক্তিপীঠৰ মাজত এখন শক্তিপীঠ বুলিও কোৱা হয়। কথিত আছে যে ইয়াত সতীৰ হৃদয়খন পতিত হৈছিল। দ্বাদশ জ্যোতির্লিংগৰ অন্যতম বাবা বৈদ্যনাথৰ উপৰি পার্বতী মন্দিৰ লগতে অন্যান্য ২১টা মন্দিৰ ইয়াত আছে। প্রচলিত বিশ্বাস অনুযায়ী এই জ্যোতির্লিংগ দর্শন কৰিলে সকলো মনোকামনা পূর্ণ হয়।

পৌৰাণিক কাহিনী অনুসৰি এসময়ত ৰাক্ষসৰাজ ৰাৱণে শিৱৰ দর্শন লাভৰ উদ্দেশ্যে হিমালয় পর্বতত গৈ কঠোৰ তপস্যা আৰম্ভ কৰিলে। ৰাৱণে নিজৰ দহটা মূৰৰ নটা মূৰকেই শিৱলিংগক অর্পণ কৰিলে। দশম মূৰটো কাটিব লোৱাৰ আগতেই শিৱ সন্তুষ্ট হৈ ৰাৱণক বৰ খুজিবলৈ ক'লে। ৰাৱণে শিৱক লিংগৰূপে লংকালৈ নিব বিচাৰিলে। শিৱই ৰাৱণৰ প্রার্থনা স্বীকাৰ কৰি চর্ত্ত ৰাখিলে যে যদি বাটত ক'ৰবাত মাটিত শিৱলিংগটো ৰাখে, তেন্তে ইয়াক আৰু উঠাব নোৱাৰিব। শিৱৰ চর্ত্ত মানি ৰাৱণে শিৱলিংগটো লৈ যাত্রা কৰিলে। কিন্তু ৰাৱণক শিৱলিংগ লংকালৈ লৈ যোৱা দেখি দেৱ-দেৱীসকল চিন্তিত হৈ পৰিল। ৰাৱণে যাতে এই লিংগ লংকালৈ লৈ যাব নোৱাৰে, তাৰ বাবে বৰুণ দেৱতাক ক'লে ৰাৱণৰ পেটত সোমাবলৈ। প্রকৃতিৰ আহ্বানক উপেক্ষা কৰিব নোৱাৰি ৰাৱণেও ওচৰতে থকা এজন গোৱালাক শিৱলিংগটি ধৰি থাকিবলৈ দি আঁতৰি গ'ল। সেই গোৱালা আছিল স্বয়ং বিষ্ণু। এই সুযোগতে বিষ্ণুৰূপী গোৱালাই শিৱলিংগটি মাটিতে স্থাপন কৰিলে। শিৱলিংগ প্রতিষ্ঠা হোৱা ধামখনেই হ'ল বৈদ্যনাথ। ইয়াক আত্মলিংগ বুলিও কোৱা হয়। ৰাৱণৰ দশটা মূৰ পুনৰাই জোৰা লগাই ৰাৱণক জীৱন দান দিয়াৰ বাবেই শিৱই বৈদ্যনাথ হিচাপে ইয়াত বিৰাজমান হৈ থকা বুলি কথিত আছে।

সাধাৰণতে শিৱমন্দিৰত ত্রিশূল থাকে, কিন্তু বৈদ্যনাথ ধামত পঞ্চশূল আছে। প্রচলিত বিশ্বাস অনুযায়ী এই পঞ্চশূলৰ কাৰণে বৈদ্যনাথ মন্দিৰ এতিয়ালৈকে কোনো বিপর্য্যয়ৰ সন্মুখীন হোৱা নাই।

১০। নাগেশ্বৰ জ্যোতির্লিংগ ঃ শিৱ পু�ৰাণত উল্লিখিত নাগেশ্বৰ জ্যোতির্লিংগ দ্বাদশ জ্যোতির্লিংগৰ ভিতৰত এটা। গুজৰাটৰ দ্বাৰকাৰ ওচৰত অৱস্থিত নাগেশ্বৰ মন্দিৰ অতি পৰিত্র আৰু পূজ্য বুলি কোৱা হয়। নাগেশ্বৰ শব্দৰ অর্থ হৈছে সাপৰ অধিপতি বা সাপৰ ঈশ্বৰ। ইয়াত পূজা কৰিলে কালসর্প দোষ নাশ হয় বুলি বিশ্বাস কৰা হয়। শিৱ মহাদেৱ ইয়াত নাগৰ অধিপতি আৰু ভয়-আতংকৰ বিনাশকৰূপে পূজিত।

পৌৰাণিক কাহিনীমতে প্রাচীন কালত দাৰুক নামে এজন অসুৰ আছিল। তেওঁ আৰু তেওঁৰ পত্নী দাৰুকী ভগৱতী পার্বতীৰ উপাসক আছিল; কিন্তু দাৰুকে ভয়ংকৰ দুর্ব্যৱহাৰ কৰি ঋষি- সাধুসকলক অত্যাচাৰ কৰিছিল। এদিন তেওঁ সুপ্রিয় নামৰ এজন শিৱভক্তক আৰু বহুতো সাধুলোকক বন্দী কৰি থ'লে। বন্দী অৱস্থাতো সুপ্রিয়াই "ওঁম নমঃ শিৱায়ে" মন্ত্র জপিবলৈ সকলোকে উপদেশ দিলে। সেই ভক্তিৰ আবেদনত শিৱ মহাদেৱ জ্যোতির্লিংগ ৰূপত প্রকাশ পালে অসুৰ দাৰুকক বিনাশ কৰিলে। তেতিয়াৰ পৰা সেই স্থান নাগেশ্বৰ জ্যোতির্লিংগ হিচাবে খ্যাত হ'ল।

নাগেশ্বৰ জ্যোতির্লিংগৰ মূল বাণী হ'ল শিৱ সদায় ভক্তৰ সহায়। অন্তৰৰ পৰা ভক্তি থাকিলে তেওঁক সদায় পোৱা যায়।

১১। ৰামেশ্বৰম জ্যোতির্লিংগ ঃ ৰামেশ্বৰম তামিলনাড়ুৰ ৰামনাথপুৰমত অৱস্থিত। ই ভাৰতৰ প্রাচীন আৰু পৰিত্র তীর্থস্থানসমূহৰ ভিতৰত অন্যতম। হিন্দু ধর্মত ভগৱান শিৱৰ ১২টা জ্যোতির্লিংগ অতি পৰিত্র বুলি গণ্য কৰা হয়। এইবোৰ ঠাইত শিৱ স্বয়ং অনন্ত শক্তিৰ প্রতীক হিচাপে প্রতিষ্ঠিত হৈ আছে। ৰামেশ্বৰম সেই ১২টা জ্যোতির্লিংগৰ অন্যতম। ৰামেশ্বৰম জ্যোতির্লিংগক "মোক্ষদায়ক তীর্থ" বুলি কোৱা হয়। হিন্দু ধর্মীয় বিশ্বাস মতে যি তীর্থযাত্রীয়ে ইয়াত স্নান কৰি পূজা কৰে, তেওঁ মোক্ষ লাভ কৰে। এই মন্দিৰত দুটা শিৱলিংগক পূজা কৰা হয়। এটা ৰামলিংগ আৰু আনটো হ'ল বিশ্বলিংগ। এই মন্দিৰত ২২টা কুঁৱা আছে। ভক্তসকলে এই কুঁৱাৰ পানীৰে গা ধুই তাৰ পিছত জ্যোতির্লিংগ পূজা কৰে।

প্রাচীন কাহিনী মতে, সীতাক উদ্ধাৰ কৰিবলৈ ৰামে যেতিয়া লংকালৈ যাবলৈ ওলাইছিল, তেতিয়া শিৱক পূজা কৰিবলৈ হনুমানক কৈলাশ পর্বতৰ পৰা শিৱলিংগ আনিবলৈ

পঠাইছিল।

প্রাচীন কাহিনী অনুসৰি, ৰাৱণক বধ কৰি লংকা জয় কৰি ৰামে যেতিয়া সীতাক লৈ উভতি আহিছিল তেতিয়া ৰাৱণ হত্যাৰ পাপ খণ্ডাবৰ কাৰণে তেওঁ শিৱক আৰাধনা কৰিবলৈ হনুমানক কৈলাশ পর্বতৰ পৰা শিৱলিংগ আনিবলৈ পঠাইছিল। কিন্তু হনুমান আহি পোৱাত দেৰি হোৱা বাবে সীতাই মাটিৰে এটা লিংগ সাজি পূজা কৰিবলৈ ধৰিলে। পিছত হনুমান আহি পোৱাত দুইটা লিংগক একেলগে পূজিবলৈ ধৰিলে। তেতিয়াৰে পৰা শিৱই জ্যোতির্লিংগৰূপে আত্মপ্রকাশ কৰে আৰু এতিয়াও দুয়োটা লিংগৰ একেলগে পূজা হয়।

১২। ঘৃষ্ণেশ্বৰ জ্যোতির্লিংগ ঃ মহাৰাষ্ট্ৰৰ ইলোৰাৰ ওচৰত অৱস্থিত এই জ্যোতির্লিংগক দ্বাদশ জ্যোতির্লিংগৰ শেষৰটো বুলি কোৱা হয়। ভগৱান শিৱক আৰাধনাৰ স্থল এই মন্দিৰৰ স্থাপত্যশৈলী মন কৰিবলগীয়া। ২৪টা স্তম্ভৰ ওপৰত প্রতিষ্ঠিত পাঁচ খলপীয়া এই মন্দিৰৰ গাত হিন্দু দেৱ-দেৱীসকলৰ মূর্ত্তি খোদিত হৈ আছে। এই মন্দিৰৰ পুনৰনির্মাণ হৈছিল অহল্যা বাই হোলকাৰৰ দিনত। এই মন্দিৰৰ জ্যোতির্লিংগৰ বিশেষত্ব এয়া যে ভক্তই এই জ্যোতির্লিংগ হাতেৰে স্পর্শ কৰিব পাৰে আৰু নিজে পানীৰে অভিষেক কৰিব পাৰে। ইয়াত পূজা কৰিলে ভক্তৰ সকলো দুখ-দাৰিদ্র্য আৰু বিপদ আঁতৰ হয় বুলি বিশ্বাস কৰা হয়।

প্রচলিত কাহিনী অনুসাৰে, এসময়ত এই ঠাইত ঘুষ্ম নামেৰে এক অতিশয় শিৱ ভক্ত পৰায়ণা মহিলা আছিল। কিবা কাৰণত তেওঁৰ পুত্রক হেৰুৱাব লগা হোৱাত সেই ঠাইখিনিত তেওঁ শিৱক আৰাধনা কৰিবলৈ ধৰিলে। তেওঁৰ স্তুতিত সন্তুষ্টি লাভ কৰি স্বয়ং নিজে আহি ভক্তৰ সমুখত দেখা দিয়ে আৰু ঘুষ্মাৰ মৃত পুত্রৰ নতুন জীৱন দান দিয়ে আৰু কি বৰ লাগে সুধিলে। তেতিয়া তেওঁলোকে শিৱক সেই ঠাইত সদায় থকাটো বিচাৰিলে। তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰি দেৱাদিদেৱ মহাদেৱে জ্যোতির্লিংগ হিচাবে আত্মপ্রকাশ কৰি তাতে থাকি গ'ল।

সেই তেতিয়াৰে পৰা এই ধামত ধর্ম্মীয় ৰীতি-নীতিত পূজা চলি আহিছে। মহাশিৱৰাত্রিৰ দিনা এই মন্দিৰ ২৪ ঘণ্টাই ভক্তসকলৰ বাবে খোলা থাকে।

এয়াই হ'ল দ্বাদশ জ্যোতির্লিংগৰ বিষয়ে চমু কথা।❑



লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, বৈকুণ্ঠপুৰ, গীতানগৰ, গুৱাহাটী।



শাৰদীয় শ্রীশ্রী দুর্গা পূজাৰ ক্রমবিকাশ

দণ্ডি ৰাম কাকতী

প্রতি বছৰে শাৰদী ৰাণী শৰৎ কালত প্রাকৃতিক সৌন্দর্য্যই মানুহৰ মন-প্রাণ আনন্দত পুলকিত কৰে। নৈৰ পাৰৰ কঁহুৱা বনবোৰ নাচি-বাগি, ৰিব্ৰিব্ মলয়া বতাহৰ তালে তালে নৃত্য কৰা দৃশ্য কি যে মনোমোহা। শেৱালিৰ আমোলমোল গোন্ধ, নিয়ৰৰ টোপালৰ নৈসর্গিক দৃশ্য, স্নিগ্ধ আকাশৰ তলত এই ধৰাৰৈ শক্তিৰ অধিষ্ঠাত্রী দুর্গতি নাশিনী দুর্গা দেৱীৰ আগমন ঘটে। অতীজৰে পৰা শাৰদীয় শ্রীশ্রী দুর্গা দেৱীক পাঁচদিনীয়াকৈ অনাড়ম্বৰপূর্ণভাৱে আধ্যাত্মিকতাৰে পূজা-অর্চনা কৰা হৈছিল। দশভুজা দেৱী দুর্গাৰ প্রতিমূর্তি মন্দিৰ বা অস্থায়ী পূজা মণ্ডপত খনিকৰ (মৃৎশিল্পী)ৰ হতুৱাই আয়োজক সমিতিসমূহে সাজি উলিয়ায়। আহিন-কাতি মাহৰ শুক্লা ষষ্ঠী তিথিৰ দিনা বেলগছৰ তলত সন্ধিয়া পূজাভাগ আৰম্ভ কৰা হয়। আনহাতে, এটি কলপুলি ৰঙা বস্ত্রৰে সজায়। নীলকচু, মানকচু, হালধি, জয়ন্তী, ধান, অশোক, ডালিম, বেলৰ ডাল, দুটি বেলেৰে নৱ-পত্রিকা সজায়। দেৱী দুর্গাক পূজা-অর্চনা বেলবোধনৰ পিচৰ পৰাই মন্দিৰ, পূজা মণ্ডপতে কৰা হয়। শাস্ত্রত উল্লেখ আছে—

কদলী ডাড়িমী ধান্যং হৰিদ্রা মানকং কচুঃ।
ৱিলবাশোকৌ জয়ন্তী চ বিঞ্জেয়া নৱপত্রিকা।।

এই পূজাভাগ দুই-এটি পৰিয়ালে উদ্যাপন কৰিলেও প্রকৃততে ই ৰজাঘৰীয়া, ৰাজহুৱাহে। শাক্ত ধর্মাৱলম্বী লোকেহে মৃন্ময় মূর্তি সাজি পূজা-অর্চনা কৰিছিল। পূজাৰ সংখ্যা তেনেই নগণ্য। গাঁও অঞ্চলত ঠাই বিশেষে বহু দূৰে দূৰে পূজাভাগ উদ্যাপন কৰা হৈছিল। এই পূজা ব্যয়বহুল। পূজাৰ উপচাৰ, বাদ্য-যন্ত্র, ৰভা-মঞ্চ, পূজা মণ্ডপ, প্রতিমা, ওজাপালি, ঢুলীয়া, পূজাৰীসকলৰ মাননি, থিয়েটাৰ আদি বিভিন্ন শিতানৰ খৰচ কৰিবলগীয়া হয়। সেই সময়ত আনকি বিজুলীবাতিৰ ব্যৱস্থা নাছিল। সাধাৰণভাৱে পূজা মণ্ডপ আৰু ৰভা সাজি ৰাইজৰ দান-বৰঙণিৰে অনাড়ম্বৰপূর্ণভাৱে সম্পূর্ণ আধ্যাত্মিকতাৰে পূজা সম্পন্ন কৰিছিল। ওজাপালি আৰু ঢুলীয়া দুর্গা পূজাৰ বিধিসন্মতঃ অংশ। অতীতত ঠাই বিশেষে পূজাস্থলীত নৰবলি হৈছিল। অৱশ্যে আজিকালি নৰবলিৰ প্রথা নাই, কিন্তু দুই-এখন পূজাত ম'হ, ছাগলী, কোমোৰা, কচু, কুঁহিয়াৰ, পাৰ চৰাই আদি বলি দিয়া দেখা যায়।

দুর্গা পূজা আহিলে ল'ৰা-ছোৱালীবোৰৰ মন আনন্দত ভৰি পৰে। গৃহস্থই ল'ৰা-ছোৱালীবোৰক নতুন কাপোৰ, জোতা, চেণ্ডেল আদি ক্রয় কৰি দিয়ে। ইয়াৰ উপৰি পূজাৰ কেইদিনত বেলুন, পিষ্টল, খেলৰ সামগ্রীবোৰ, বিভিন্ন ধৰণৰ খোৱা বস্তু আদি জ্যেষ্ঠসকলে কিনি দিয়ে। জিলাপী, খুড়মা, মিঠাই আদি পৰম তৃপ্তিৰে পূজাস্থলীত উপভোগ কৰিছিল। স্থানবিশেষে অনুষ্ঠিত হোৱা পূজা চাবলৈ গৈ কণ কণ মইনাহঁতে বহুত আনন্দ পাইছিল। সেইসময়ত পূজাৰ নামত অত্যধিক জাকজমকতাৰ পয়োভৰ নাছিল। পূজা আয়োজকসকলৰ লগতে দূৰ-দূৰণিৰ পৰা অহা ভক্তসকলে ভক্তিভাৱেৰে দেৱী দুর্গাক মূৰ দোঁৱাই মঙ্গল কামনা কৰিছিল। সেই সময়তো পূজাস্থলীবোৰত সাংস্কৃতিক সন্ধিয়াৰ ব্যৱস্থাৰ লগতে থিয়েটাৰৰ নাটক মঞ্চস্থ কৰিছিল। সন্ধিয়াৰ পৰা পূজা চোৱাৰ লগতে নাটক, পুতলা নাচ, ঢুলীয়া নাচ, ওজাপালি, সাংস্কৃতিক সন্ধিয়াৰ কার্যসূচীসমূহ উপভোগ কৰি ঘৰলৈ উভতি আহিছিল। খোজকাঢ়িয়ে বেছিভাগে পূজা চাবলৈ গৈছিল। সাত্তিক পৰিৱেশৰ মাজেৰে শাৰদীয় শ্রীশ্রী দুর্গা পূজা অনুষ্ঠিত কৰিছিল। ষষ্ঠী, সপ্তমী, অষ্টমী, নৱমী আৰু দশমী পূজা সম্পূর্ণ বিধিসন্মতভাৱে পূজাৰীসকলে সম্পাদন কৰিছিল। বিজয়া দশমীৰ দিনা ভক্তসকলে বিষাদ মনেৰে দেৱী মূর্তি বিসর্জন দিয়াৰ বাবে ওচৰৰে নৈ বা পুখুৰী আদিলৈ কান্ধপাতি দাঙি লৈ গৈ ঢোল, তাল পেঁপা বজাই বিসর্জন দিবলৈ গৈছিল। ল'ৰা-ছোৱালীবোৰে সেই সময়ত বহু ফূর্তি পাইছিল। সেইদিনাই ব্রাহ্মণ (পূজাৰী)সকলক বিদায় দিয়াৰ বাবে নিয়মানুসাৰে ব্রাহ্মণ দিয়াৰ বা প্রীতিভোজৰ আয়োজন কৰিছিল। এনেদৰে অনুষ্ঠিত কৰা পূজাভাগৰ জৰিয়তে সেই অঞ্চলৰ বিভিন্ন সম্প্রদায়ৰ মাজত একে সমন্বয়ৰ ভাব প্রকট হোৱা দেখা গৈছিল। সমাজ ব্যৱস্থা সুদৃঢ় কৰাৰ লগতে আটায়ে মিলি-জুলি থকা বৈশিষ্ট্যই শাৰদীয় দুর্গোৎসৱ উদ্যাপনৰ অন্যতম কাৰণ বুলি ধাৰণা কৰিব পৰা যায়।

পশ্চিমবংগ, বিহাৰ, উড়িশা আৰু অসমতহে এই পূজা অনুষ্ঠিত হোৱাৰ দৰে আন ৰাজ্যত এই পূজাৰ পয়োভৰ নাই। অৱশ্যে আজিকালি বিদেশতো প্রবাসী ভাৰতীয়ই দুই-এখন পূজা অনুষ্ঠিত কৰা দেখা যায়। সনাতন হিন্দু ধর্মৰ লোকসকলেই বিভিন্ন পূজা-পার্বণ আদি কৰি আহিছে। বাৰ মাহত তেৰটা উৎসৱ হিন্দু সম্প্রদায়ৰ লোকৰ। জনসংখ্যা বৃদ্ধিৰ লগে লগে দুর্গা পূজা মণ্ডপৰ সংখ্যাও প্রতি বছৰে বাঢ়ি আহিছে। অতীতৰ শাৰদীয় দুর্গোৎসৱ যেনেদৰে শাস্ত্রসন্মতভাৱে অনুষ্ঠিত হৈছিল তেনেদৰে মূল পূজাভাগ সাম্প্রতিক কালতো অনুষ্ঠিত হৈ আহিছে। প্রকৃতিৰ নিয়মৰ কোনো তাৰতম্য

নাই। প্ৰতি বছৰে বিতোপন শৰৎ এই ধৰালৈ আহে। শেৱালি ফুলবোৰ মাটিত সৰি পৰি শুভ্ৰ দলিচা পাৰি থোৱা অপৰূপ দৃশ্য আজিও একেই আছে। নিয়ৰৰ টোপালবোৰ এই ফুলবোৰ দুৱৰি বন আদিৰ ওপৰত পৰি তিব্‌বিৰাই থকা দৃশ্যবো কোনোধৰণৰ পৰিবৰ্তন দেখা পোৱা নাযায়। পৰিবৰ্তন কেৱল মানুহৰ মনৰ চিন্তা-ভাৱনা, বিলাসিতা, ৰুচি-অভিৰুচিৰ। মনৰ পৰিসৰ বৃদ্ধি পাইছে। প্ৰতিযোগিতাৰ টোৰে সকলোকে বুৰাই পেলাইছে। সময় গতিশীল, সময় প্ৰৱাহমান ই সত্য। বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ ক্ৰমবৰ্দ্ধমান অগ্ৰগতিৰ লগে লগে শাৰদীয় শ্ৰীশ্ৰী দুৰ্গোৎসৱৰ বিভিন্ন কাৰ্যসূচী বিভিন্ন ক্ষেত্ৰত আমূল পৰিৱৰ্তনে পূৰ্বৰ এই পূজাৰ যি আধ্যাত্মিক চিন্তা, ধ্যান-ধাৰণা এটি নতুন দিশে গতি কৰিছে। পূজা পৰিচালনা সমিতিবোৰে ব্যয়বহুল বাজেটেৰে, প্ৰতিযোগিতাৰ দিশে আগবাঢ়িছে। ভক্তি ভাৱৰ গুৰুত্বতকৈ মৃন্ময় মূৰ্তি, সাজ-সজ্জা, সু-উচ্চ মণ্ডপ, ৰঙা, ৰংচঙীয়া বিজুলীবাতিৰ ব্যৱস্থা, ৰাজহুৱা ভোগ, সঙ্গীত সন্ধিয়াৰ আয়োজন, প্ৰতিমা বিসৰ্জন আদি সকলো ক্ষেত্ৰতে কেৱল প্ৰতিযোগিতামুখী হৈ পৰিছে আয়োজক সমিতিবোৰ। পূজাস্থলীবোৰ সেইবাবে অত্যন্ত আকৰ্ষণীয় হৈ পৰে। চহৰ অঞ্চলত বিশেষকৈ পূজা মণ্ডপৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। পূজা সমিতিসমূহে বিভিন্ন বণিক গোষ্ঠী আদিৰ পৰা ধন সংগ্ৰহ কৰি সাৰ্বজনীনভাৱে উৎসৱ হিচাবে পালন কৰিবলৈ লৈছে। পূজাৰ কেইদিনত মাইক বা চাউণ্ড ছিষ্টেমৰ পয়োভৰ, আলোকসজ্জাৰে জাকজমকপূৰ্ণ কৰা দৃশ্য, বিদেশ তথা ভাৰতৰ বিভিন্ন ঠাইৰ সু-উচ্চ অতি ধুনীয়া মঠ-মন্দিৰ, হোৱাইট হাউচ আদিৰ আৰ্হিত নিৰ্মাণ কৰা আটকধুনীয়া পূজা গুপ, মৃন্ময় মূৰ্তিৰ চমকপ্ৰদ দৃশ্যাৱলীয়ে সকলোকে আকৰ্ষিত কৰে। সেইবাবে চহৰৰ আটাইতকৈ ধুনীয়াকৈ সজাই-পৰাই তোলা পূজাস্থলীত ভক্ত, দৰ্শকৰ ভিৰ হয়। কণ কণ ল'ৰা-ছোৱালীবোৰে এই দৃশ্যবোৰ উপভোগ কৰি বৰ আমোদ পায়। আগৰ দৰে খোজকাঢ়ি গৈ দূৰদূৰণিৰ পূজা চাবলগীয়া নহয়। কাৰণ আজিকালি প্ৰায়বোৰৰে গাড়ী-মটৰ আছে। সমিতিসমূহে প্ৰতিযোগিতাৰ মানসিকতাৰে কেনেদৰে ভক্ত, দৰ্শকসকলক আকৰ্ষণ কৰিব পাৰে লগতে সমিতিখনৰ নাম প্ৰচাৰ মাধ্যমত প্ৰকাশ পায়। অৱশ্যে সাম্প্ৰতিক কালত এই দুৰ্গোৎসৱে হিন্দু-মুছলমান, জৈন-খ্ৰীষ্টিয়ান ধৰ্মীয় লোকৰ এক মিলনস্থলীলৈ ৰূপান্তৰৰ দিশে আগবঢ়াই নিয়া পৰিলক্ষিত হৈছে। এইটো শুভলক্ষণ। পূজাৰ কেইদিন পূজা-অৰ্চনা, পূজা-পদ্ধতি পূৰ্বৰ দৰে প্ৰায় একে আছে। ওজাপালি আৰু ঢুলীয়া প্ৰায়বোৰ পূজাস্থলীত দেখা পোৱা নাযায়। অৱশ্যে ঢুলীয়াৰ পৰিৱৰ্তে ঢাকীয়া থাকে।

বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ সময়তো ধৰ্মৰ প্ৰতি সনাতন হিন্দু ধৰ্মাৱলম্বী লোকৰ আসক্তি একেবাৰে নাইকিয়া হোৱা নাই। অৱশ্যে আধ্যাত্মিক চিন্তা-চৰ্চা, ভক্তি ভাৱেৰে যিদৰে ভক্তসকলে পূজা-অৰ্চনা পূৰ্বতে কৰিছিল সি আজি আধুনিকতাৰ ধামমুখীয়াত পৰি কিছু পৰিমাণে ম্লান পৰা দেখা যায়। সপ্তমী, অষ্টমী আৰু নৱমী পূজাৰ কেইদিনত ৰাজহুৱা ভোগৰ ব্যৱস্থা থাকে। ভোগৰ সময়ত ভক্তসকলৰ যথেষ্ট ভিৰ হয়। মহা অষ্টমী পূজাৰ দিনা সন্ধিয়া সন্ধি পূজাত চাকি-বন্তি জ্বলোৱাৰ বাবে যথেষ্ট সংখ্যক মহিলা ভক্তই পূজাস্থলীবোৰত ভিৰ কৰা দেখা যায়। ভক্তিভাৱেৰে বন্তি প্ৰজ্বলন কৰি মা দুৰ্গাৰ আশীৰ্বাদ বিচাৰে। পূৰ্বৰ দৰে বলি-বিধানৰ ব্যৱস্থা দুই-এখন পূজাস্থলীৰ বাহিৰে প্ৰায় নাই বুলিয়ে ক'ব পৰা যায়। প্ৰতিদিনে নিশা নৃত্য প্ৰতিযোগিতা, আ�ৰতি প্ৰতিযোগিতা, যাত্ৰা পাৰ্টি, সাংস্কৃতিক সন্ধিয়া, পুতলা নাচ আদিৰ ব্যৱস্থা কৰি ভক্ত, দৰ্শক ৰাইজক মনো�ৰঞ্জনৰ দিহা কৰা দেখা যায়। উৎসৱমুখৰ পৰিৱেশে সকলোকে আনন্দ দিয়ে। বিজয়া দশমীৰ দিনা ধুম-ধামেৰে ডাঙৰ ডাঙৰ ট্ৰাকত মূৰ্তিসমূহ উঠাই লৈ ব্ৰহ্মপুত্ৰ, নৈ আদিত বিসৰ্জনৰ বাবে যাওঁতে মাইক বা চাউণ্ড ছিষ্টেমৰ ব্যৱস্থা কৰি লৈ উৎসাহ-উদ্দীপনাৰে নাচি-বাগি ভক্তসকলে ফূৰ্ত্তি কৰে। বিসৰ্জনৰ বাবে গাড়ীৰে যোৱাৰ সময়ত ৰাস্তাৰ দাঁতিত বৈ থকা ভক্তসকলৰ গালৈ চাউল ছটিয়াই আনন্দ লভে। এই পৰিৱেশ সঁচাকৈ উৎসৱমুখৰ হৈ পৰে। চহৰত বিশেষকৈ দেৱী বিসৰ্জনৰ সমস্যাই দেখা দিছে। আনহাতে পূজা মণ্ডপৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। ব্ৰহ্মপুত্ৰৰ পানীত এই সময়ত কিছু পৰিমাণে কমি যায়। খনিকৰবিলাকে মূৰ্তি নিৰ্মাণ কৰোঁতে ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰে। সেই হেতুকে জলৰাশি প্ৰদূষিত হয়। পূজাৰ সময়ত শব্দ প্ৰদূষণ, বায়ু প্ৰদূষণ, জল প্ৰদূষণে সামগ্ৰিক পৰিৱেশ প্ৰদূষিত কৰি তোলে। পূৰ্বৰ অনাড়ম্বৰপূৰ্ণভাৱে দুৰ্গোৎসৱ উদ্‌যাপন কৰাৰ পৰিৱৰ্তে বৰ্তমানে আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰা দেখা যায়। সেইবাবে অৰ্থনীতিকো ক্ষতিগ্ৰস্ত কৰিছে। আনহাতে একাগ্ৰতাৰে দেৱী দুৰ্গা মাৰ আশিস বিচাৰি যিদৰে পূজা-অৰ্চনা কৰা হৈছিল— বৰ্তমানে প্ৰতিযোগিতা, কৃত্ৰিমতাত গুৰুত্ব আৰোপ কৰা দেখা যায়। সেইবাবে বাণিজ্যিকীকৰণৰ প্ৰভাৱো বৃদ্ধি হৈছে।

ডিজিটেলৰ ক্ষেত্ৰখনত আজি যুৱ সমাজ নিমগ্ন হোৱা হেতুকে শাৰদীয় এই দুৰ্গা পূজাৰ আধ্যাত্মিকতা নাইকিয়া হোৱাৰ উপক্ৰম হৈছে। ভৱিষ্যতৰ প্ৰজন্মই শক্তি উপাসনাৰ দৰ্শন আৰু পৰম্পৰা ৰক্ষা কৰাৰ লগতে সমন্বয়ৰ সাঁকোখন সুদৃঢ় ভাৱে নিৰ্মাণ কাৰ্যত মনোনিৱেশ কৰিব লাগিব। তেতিয়াহে সমাজত গা কৰি উঠা অন্যায়, অত্যাচাৰ, হত্যা, হিংসা, অপ্ৰীতিকৰ ঘটনাবোৰ শাম কাটিব। শৰৎ কালত উদ্‌যাপন কৰা দুৰ্গোৎসৱ সাৰ্থক হ'ব। অশুভ শক্তিবোৰক পৰাভূত কৰি আদ্যশক্তি মহামায়াই যাতে সমাজত শান্তি স্থাপন কৰাৰ বাবে আশীৰ্বাদ কৰে। ভৱিষ্যতৰ যুৱ প্ৰজন্মই আধ্যাত্মিকতাৰে যাতে এই পূজাভাগ উদ্‌যাপন কৰে। বৰ্তমানৰ যুৱ প্ৰজন্মই শিক্ষা-দীক্ষাত বহুত অগ্ৰগতি লাভ কৰিছে। সেইদৰে অনাড়ম্বৰপূৰ্ণভাৱে পূজাভাগ সম্পন্ন কৰিলেহে দেশ তথা সমাজ সুশৃঙ্খল হৈ থাকিব বুলি দৃঢ় বিশ্বাস।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক তথা গীতানগৰ শতদল সাহিত্যসভাৰ সভাপতি



দুর্গতিনাশিনী দুর্গে জয় জয়

নীলিমা পাটগিৰি

মহাতীর্থৰ মিলনভূমি ভাৰতবর্ষত অতীজৰে পৰাই শক্তিৰ উপাসনা চলি আহিছে বিভিন্ন ৰূপত। এয়া শাৰদীয় দুর্গোৎসৱৰ বতৰ। মোহনীয় এই শৰৎ কালতেই আমি মহাদেৱীৰ পূজা-অর্চনা কৰোঁ। আহিন মাহৰ শুক্লপক্ষৰ ষষ্ঠ তিথিৰ পৰা নৱমী পর্যন্ত দেৱী দুর্গাৰ পূজা যথাবিহিত বিধান মতে কৰা হয়, দশমী তিথিত বন্দনা আৰাধনাৰে পূজাভাগ সামৰণি মৰা হয়। দশমী তিথিৰ দিনা দুর্গামাৰ মূর্ত্তি বিসর্জন দিয়া হয়। দুর্গা বিসর্জনো নৈৰ পাৰাত শ শ মানুহেৰে পৰিবেস্তিত এক ডাঙৰ উৎসৱ হিচাবে পৰিগণিত হৈ আহিছে।

সর্ব্বব্যাপ্তা আৰু সর্বজ্ঞা দুর্গা দেৱীয়ে প্রয়োজনীয়তা অনুযায় নানা ৰূপ লয়। দুর্গা দেৱীয়ে বিপদতাৰিণী, জগত জননী, সৃষ্টি-স্থিতিৰ অধিকাৰিণী আদি নামেৰে বিভূষিতা। দুর্গা শব্দৰ অর্থ হ'ল— যিগৰাকীয়ে দুর্গতি হৰণ কৰে, শাস্ত্র মতে সকলো দেৱতাৰ সম্মিলিত শক্তিৰ প্রতিমূর্ত্তি দেৱী দুর্গা। দুর্গাদেৱীৰ উপাসনা প্রকৃতিৰ দুটা ৰূপৰ প্রকাশ বুলিব পাৰি, এটা কৰুণাময়ী প্রাণদায়িনী মাতৃ আনটো সংহাৰৰূপিণী বা ৰক্ষাকাৰিণী। ভক্তৰ সকলো দুখ-কষ্ট তেওঁৰ ওচৰত বিলীন হৈ যায়, দানৱ নিধনৰ বাবে সকলো দেৱতাৰ শক্তি মিলি দুর্গাৰ প্রতিষ্ঠা হ'ল। দহ দিন দহ ৰাত্রি মহিষাসুৰ দানৱৰ সৈতে যুদ্ধৰ পিচত দানৱৰ নিধন আৰু সমাজত শান্তি প্রতিষ্ঠা— এয়ে দুর্গাপূজাৰ তাৎপর্য্য। শৰৎ কালত হোৱা দুর্গা পূজাক শাৰদীয় দুর্গা পূজা আৰু ব'হাগ

মাহত সীতাক লঙ্কাৰ পৰা উদ্ধাৰ কৰি আনিবৰ বাবে ৰজা ৰামচন্দ্রই দেৱী দুর্গা মাক পূজা আগবঢ়াইছিল। ব'হাগ মাহত হোৱা পূজাভাগক বাসন্তী পূজা বোলে। মহিষাসুৰ নিধন হোৱাৰ পিচত দেৱতাসকলে স্বর্গৰাজ্য লাভ কৰিলে। মনৰ আনন্দত দেৱতাসকলে দেৱীক নানা ধৰণে স্তুতি কৰিবলৈ ধৰিলে। দেৱতাৰ স্তুতি আৰাধনাতে সন্তুষ্ট হৈ দেৱতাসকলক বৰ দিলে— তোমালোকে বিপদ কালত মোক স্মৰণ কৰিবা, মই তোমালোকক উদ্ধাৰ কৰিম। এই বুলি দেৱী অন্তর্ধান হ'ল। এয়ে ভগৱতীৰ ভক্ত বাৎসল্যৰ পৰিচয়।

বুৰঞ্জী বা ইতিহাসে শক্তি পূজা, উপাসনা, সাধনাৰ একো সমল আজি পর্যন্ত যোগাব পৰা নাই। উর্ব্বৰতাৰ প্রতীক হিচাবে যোনি পূজা প্রাগ ঐতিহাসিক যুগৰ পৰা অসমত চলি আহিছিল। খনন কার্যত উদ্ধাৰ হোৱা বিভিন্ন মুদ্রাৰ দুর্গাৰ প্রস্তৰ মূর্ত্তিবিলাকৰ পৰা প্রতিপন্ন কৰিব পাৰি নৱম-দশম শতিকাৰ পৰাই শক্তি পূজা প্রচলন হয়। অসমত নৰনাৰায়ণৰ ৰাজত্ব কালৰ পৰা দুর্গা পূজাৰ বহুল প্রচলন হয়। বিজ্ঞ পণ্ডিতসকলে মত পোষণ কৰে যে সৃষ্টি, স্থিতি আৰু প্রলয়ৰ মূল আধাৰেই হৈছে আদ্য শক্তি। সেই আদ্য শক্তিয়ে হৈছে দুর্গতি নাশিনী দুর্গা দেৱী। শাস্ত্র মতে, বিষ্ণু স্বাধীন সত্তা নহয়। দেৱীৰ আজ্ঞাহে তেওঁ পালন কৰে। ব্রহ্মা, বিষ্ণু, মহেশ্বৰ, সৃষ্টি স্থিতি আৰু প্রলয় দেৱীৰ অজ্ঞাত আৰু শক্তিত কাম কৰি যায়। ব্রহ্মা, বিষ্ণু, মহেশ্বৰ আদ্য শক্তিক ধ্যান কৰে। এই আদ্য শক্তি অনন্ত শক্তি। আদ্য শক্তি পৰম ব্রহ্ম। সৃষ্টি পালন সংহাৰ তেৱেঁ কৰে।

কিছুমানৰ মতে Fertility Theoryয়েই শক্তি ধর্মৰ উৎসৰৰ মূল কাৰণ, তেওঁলোকৰ মতে পৃথিৱীখন মাতৃ; ইয়াৰ লগতে কৃষি কার্য জড়িত হৈছে। উদ্ভিদ অবিহনে পৃথিৱীত জীয়াই থকাটো অসম্ভৱ। উদ্ভিদ আৰু প্রাণীৰ মাতৃয়ে হৈছে পৃথিৱী। দুর্গা পূজাৰ লগত সংগতি থকা নৱ পত্রিকা পূজা তাৰেই উদাহৰণ বুলি ক'লে ভুল নহ'ব। নৱ পত্রিকাত দেৱীৰ নটা শক্তি নিহিত হৈ আছে—

১। কলগছৰ অধিষ্ঠাত্রী — ৰম্ভা দেৱী।
২। কচ্চী বা কলাকচু অধিষ্ঠাত্রী — কালিকা দেৱী।
৩। হালধিৰ অধিষ্ঠাত্রী — দুর্গা দেৱী।
৪। জয়ন্তী গছৰ অধিষ্ঠাত্রী — কার্ত্তিকা দেৱী।
৫। বেলৰ গছৰ অধিষ্ঠাত্রী — শিৱা দেৱী।
৬। ডালিমৰ গছৰ অধিষ্ঠাত্রী — ৰক্ত দন্তিকা।
৭। অশোক গছৰ অধিষ্ঠাত্রী — শোকৰহিতা।
৮। মানকচুৰ অধিষ্ঠাত্রী — দেৱী চামুণ্ডা।
৯। ধানৰ অধিষ্ঠাত্রী — দেৱী লক্ষ্মী।

প্রাচীন কালৰ পৰা ঋষি-মুনিসকলে উদ্ভিদ জগতৰ মাজত মহাশক্তি তত্ত্ব উপলব্ধি কৰিছিল। এই নৱপত্রিকাই উদ্ভিদ জগতৰ প্রতিনিধি স্বৰূপ বুলি গণ্য কৰিছিল। প্রত্যেকজোপা উদ্ভিদৰে বাস্তৱ ক্ষেত্রত শক্তিশালী ভূমিকা আছে। উদ্ভিদৰ শস্যক আমি খাদ্য, ঔষধ হিচাবে ব্যৱহাৰ কৰি শৰীৰত শক্তি আহৰণ কৰোঁ। সেয়েহে মা দুর্গাক সাম্যৰ অধিষ্ঠাত্রী দেৱী বুলি ক'লেও ভুল নহ'ব। তেওঁ সৃষ্টি আৰু পালন দুয়োটাৰে মালিক। মাৰ ওচৰত ভক্তই ৰোগ নিৰাময় কৰি বল-শক্তি ভিক্ষা কৰি সেয়েহে প্রার্থনা কৰে। বিজ্ঞান প্রযুক্তিৰে আগবাঢ়ি যোৱা পৃথিৱীখনত আমি কেতিয়াও ধর্ম বিৰোধী হ'ব নোৱাৰো, "বিজ্ঞান নহ'লে ধর্ম অন্ধ। ধর্ম নহ'লে বিজ্ঞান খোৰা"— এয়া আইনষ্টাইনৰ উক্তি। এই সকলোবোৰৰ পৰা বুজাত সহজলক্ষ্য হয়, নৱপত্রিকা পূজা মা দুর্গাদেৱীৰ আন এটা ৰূপ উদ্ভিদৰ প্রতীক।

শাস্ত্রত আছে— য'ত নাৰীক পূজা কৰা হয় তাত সকলো দেৱ-দেৱী সন্তুষ্ট হয়। য'ত নাৰীয়ে পূজা নাপায় তাত যজ্ঞ ভূমিত কুলষিত হয়। আজিৰ দিনত এয়া শাস্ত্রৰ পৃষ্ঠাত বা ইতিহাসৰ পাততে লিপিৱদ্ধ হৈ আছে। বাস্তৱ জগতত প্রতিফলত হোৱা দেখা নাযায়, ইমানবোৰ পূজা-পাতলৰ পিচতো কিন্তু নাৰীৰ পথ এতিয়াও সুগম নহয়। বেদীৰ সেই আসনখন নাৰীৰ বাবে কাঁইটীয়া। উদাহৰণ স্বৰূপে পূজাৰীসকলে দিন-ৰাতি একাকাৰ কৰি উপবাসে থাকি মা দুর্গাৰ শক্তি উচ্চাৰণ কৰি বেদ পাঠ কৰি মা দুর্গাৰ নানা ধৰণৰ পূজা কৰি আছে। সকলো জানি-বুজিও তেওঁলোকৰ পত্নীক সেই শ্রদ্ধাৰ আসনখনত বিভূষিত কৰে নে? (সকলোৰে নহয়) প্রতিটো প্রভাত কঢ়িয়াই আনে নাৰীৰ ওপৰত কৰা অত্যাচাৰ। মা দুর্গা সমাজৰ প্রতিগৰাকী নাৰীৰ প্রতিনিধি। বর্তমান সমাজত ঘটি থকা অপায়-অমঙ্গল দুস্কর্মবোৰৰ মানৱ ৰূপী দানৱবোৰক নিধন কৰিবৰ বাবে দুর্গাৰূপী মাতৃ সমাজৰ, নাৰী শক্তিৰ বহুত প্রয়োজন হৈছে। ভাৰতবর্ষৰ সমাজ ব্যৱস্থাৰ মর্যাদা আৰু নাৰীৰ মর্যাদা দেৱী পূজাৰ জৰিয়তে নাৰীক সর্ব্বোচ্চ স্থানত ৰখা হৈছে। সেই স্থান প্রতিষ্ঠা কৰিব পাৰিলেহে সঁচা অর্থত দুর্গা পূজাৰ মহত্ত্ব আলোকিত হ'ব। শেষত কাব্যভাৰতী নলিনীবালা দেৱীৰ কবিতা এফাঁকিৰে মা দুর্গাক প্রণাম জনাই নাৰী সমাজৰ মঙ্গল কামনা কৰিলোঁ—

"জাগা! জ্যোতি স্বৰূপা মূৰতি
দশভুজে ধৰি আয়ুধজ্যোতি,
ত্রিদেৱ তেজে দশভুজা হোৱা জননী
বিশ্বকল্যাণ প্রতিষ্ঠা কৰা কল্যাণী।"❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক



নৱৰাত্রি পূজা, নৱ দুর্গা আৰু নৱ পত্রিকা

সুপ্রভা দেৱী

পূবে পৰশুৰামকুণ্ড, পশ্চিমে দ্বাৰকা পুৰী, উত্তৰে অমৰনাথ, দক্ষিণে ৰামেশ্বৰম। এইখন আমাৰ দেশ আধ্যাত্মিক ভাৱেৰে পৰিপূর্ণ ভাৰতবর্ষ নাম। বহু হাজাৰ বছৰ আগতে আমাৰ দেশত ঋষি, মুনিসকলে বাস কৰিছিল। সেই সময়ক বৈদিক যুগ বুলি কোৱা হৈছিল। সেই বৈদিক যুগতে ঋষি, মুনিসকলে চাৰি বেদ, চৈধ্য শাস্ত্র, ওঠৰ পুৰাণ আৰু ওঠৰখন উপ-পুৰোণা ৰচনা কৰিছিল। ভাৰতবর্ষৰ মূল ধর্ম সনাতন ধর্ম। এই সনাতন ধর্মৰ ভাগ হ'ল তিনিটা। শৈৱ, শাক্ত আৰু বৈষ্ণৱ। যিসকলে শিৱক উপাসনা কৰে সেইসকল শৈৱ, যিসকলে শক্তিক উপাসনা কৰে সেইসকল শাক্ত আৰু যি ক'লে বিষ্ণুক উপাসনা কৰে সেইসকলক বৈষ্ণৱ বুলি কোৱা হয়। যিসকল দেৱীৰ পূজাত বলি-বিধান দিয়া হয় সেই দেৱী শক্তিৰ অধিষ্ঠাত্রী, যেনে দুর্গা, কালী, মনসা ইত্যাদি। আমাৰ সমাজত দুর্গাপূজাৰ প্রচলন বেছি, বিশেষকৈ অসমত। কাৰণ কামাখ্যা মন্দিৰ হ'ল শক্তিৰ আধাৰ।

আমাৰ এই দেশত বছৰত দুবাৰ দুর্গা পূজা অনুষ্ঠিত হয়। এবাৰ বসন্ত কালত। সেই পূজাক বাসন্তী পূজা বোলা হয়। বাসন্তী পূজাৰ কইনা গত বা প্রেত পক্ষ নাই। ষষ্ঠীত বিল্ববোধন আৰু দশমীত বিদায়। তাৰ পাচত শৰৎ কালত শাৰদীয় দুর্গা পূজা হয়। ভাদ মাহৰ পূর্ণিমা তিথিৰ পৰা আহিন মাহৰ অমাৱস্যা তিথিলৈ এই পোন্ধৰ দিন প্রেত পক্ষ বা কইনা গত আৰম্ভ হয়। আহিনৰ অমাৱস্যা তিথিক মহালয়া বুলি কোৱা হয়। প্রেত পক্ষত কেৱল মাত্র মৃতকৰ শ্রাদ্ধ আদিৰ বাহিৰে অন্য কোনো মাংগলিক কর্ম কৰাৰ নিয়ম নাই। কাৰণ সেই সময়ত দক্ষিণায়ন চলি থাকে বাবে প্রেত পক্ষত অন্য শুভ কর্ম নিষেধ বুলি কোৱা হয়। মহালয়াৰ পিচদিনাৰ পৰা শুক্ল পক্ষ আৰম্ভ হয় আৰু শুক্ল প্রতিপদৰ পৰা নৱৰাত্রি পূজা আৰম্ভ হয়। যিবিলাক শক্তি পীঠ আছে তাতেহে নৱৰাত্রি পূজা অনুষ্ঠিত হয়। এই প্রতিপদৰ পৰা নৱমী তিথিলৈ নগৰাকী দেৱীৰ পূজা কৰা হয়। এই নগৰাকী দেৱীৰ প্রতিগৰাকী দেৱীৰ নাম বেলেগ বেলেগ আৰু দেৱীৰ লগতে দেৱীপূজাত ব্যৱহাৰ কৰা নৱ পত্রিকাও বেলেগ বেলেগ।

নগৰাকী দেৱীৰ নাম	নৱপত্রিকাৰ নাম
১। শৈলপুত্রী	কলপুলি

২। ব্রহ্মচাৰিণী	কচু
৩। চন্দ্রঘণ্টা	হালধি
৪। কুষ্মাণ্ডা	অশোক
৫। স্কন্দ মাতা	ডালিম
৬। কাত্যায়নী	বেল
৭। কালৰাত্রি	জয়ন্তী
৮। মহাগৌৰী	মান কচু
৯। সিদ্ধিদাত্রী	ধান গছ

এয়া হ'ল নৱ দুৰ্গা আৰু নৱপত্রিকা। তাৰ বাহিৰেও নৱমী পূজাৰ দিনা কিছুমান পূজাত নগৰাকী দেৱীৰ লগত তুলনা কৰি নগৰাকী কুমাৰী কন্যাক পূজা কৰা হয়। এই পূজাক কুমাৰী পূজা বুলি কোৱা হয়। এই কুমাৰী পূজা দেখিলে মনলৈ এনে ভাব আহে যে কৈলাশৰ পৰা নৱ দুৰ্গা নামি আহি মৰ্ত্যত পূজা গ্রহণ কৰি আছে। একে বয়সৰ নগৰাকী কুমাৰী একে শাৰিত বহি সন্মুখত নানা উপাচাৰ লৈ যিধৰণে পূজা লৈ থাকে দেখিলে মনত ভক্তি ভাবৰ সৃষ্টি হয়। পুৰোহিতে প্রতিগৰাকী কুমাৰীক দেৱীৰ লগত তুলনা কৰি মাতৃ হিচাপে মনতে ভাবি পূজা কৰা সেই পৰিৱেশ দেৱী পূজাৰ এক বিশেষ অনুভৱ। এই কুমাৰী পূজাত মানুহৰ ভিৰ বহুত, কাৰণ যেয়ে যি মানস কৰি দেৱীসকলক সেৱা কৰে সেই কামনা পূৰণ হোৱা বুলি মানুহৰ বিশ্বাস। আৰু এটা কথা— সকলো পৰিয়ালৰ কন্যা সন্তানসকল কুমাৰী পূজাত বহাৰ যোগ্য নহয়। তাৰো কিবা ভাগ আছে। পুৰোহিতেহে সেইবোৰ বিচাৰ কৰি যোগ্যজনক পূজাত বহুৱায়। এয়া হ'ল দুৰ্গা পূজাৰ নৱমী তিথিত অনুষ্ঠিত কুমাৰী পূজাৰ পদ্ধতি। এই কুমাৰী পূজা দুৰ্গা পূজাৰ এক অংশ। কিন্তু যিবিলাক শক্তিপীঠ আছে তাতেহে কুমাৰী পূজা কৰা দেখা যায়।

আজিকালি প্রায় প্রতিখন গাঁৱতে দুৰ্গা পূজা অনুষ্ঠিত কৰা দেখা যায়। ষষ্ঠীৰ পৰা দশমীলৈ এই পূজা কৰা হয়। ষষ্ঠীত বিল্ববোধন, সপ্তমী, অষ্টমী, নৱমী আৰু দশমীত বিদায়। কিন্তু বাসন্তী পূজা দুৰ্গা পূজাৰ দৰে প্রতি গাঁৱতে অনুষ্ঠিত নহয়। একোটা অঞ্চলতহে বাসন্তী পূজা কৰা হয়। বাসন্তী পূজাত বলি নাই কিন্তু শাৰদীয় দুৰ্গা পূজাত বলি দিয়া হয় বিশেষকৈ শক্তি পীঠবোৰত। এই শক্তি পীঠবোৰত নৱৰাত্রি পূজাৰ প্রথম দিনাৰ পৰা অর্থাৎ প্রতিপদৰ দিনাৰ পৰা বলি দিয়া নিয়ম। কেৱল মাত্র অষ্টমীৰ দিনা বলি নহয়। তাৰ বাহিৰেও অষ্টমী আৰু নৱমীৰ সন্ধিক্ষণত সন্ধিপূজা কৰা হয়। সেই সন্ধিপূজাত উপবাসে থাকি ১০৮ গছি দেৱীৰ আগত ঘিউৰ বন্তি জ্বলালে জ্বলোৱাজনৰ মনৰ কামনা পূৰণ হোৱা বুলি এক প্রবাদ আছে। সেই বন্তি জ্বলোৱাৰ সময় মাত্র বিয়াল্লিছ (৪২) মিনিট। সেই সময়ৰ ভিতৰতে ১০৮ গছি বন্তি জ্বলাই দেৱীৰ চৰণত সেৱা জনাব লাগে। এয়া সন্ধি পূজাৰ নিয়ম। সন্ধি পূজাৰ পিচদিনা মহা নৱমী। সেইদিনা দেৱীৰ আগত ভক্তসকলে নানা বলি বিধান আগবঢ়ায়। বিশেষকৈ কিছুমান শক্তি পীঠত দেৱীৰ আগত দেৱীৰ সন্তুষ্টিৰ বাবে মহিষো বলি আগবঢ়ায় ভক্তসকলে। আৰু সেই দিনাই নৱৰাত্রি পূজা সমাপন আৰু শুক্লা দশমীত অপৰাজিতা পূজা আৰু দেৱীৰ বিসর্জন। এয়া আমাৰ ভক্তিপ্রাণ সমাজত চলি আছিল, চলি আছে আৰু চলি থাকিব অনন্ত কাললৈ। এয়া সনাতন ধর্মৰ প্রভাৱ।

এই দেৱী সকলো প্রাণীৰে মাতৃ স্বৰূপা, সেয়ে—
যা দেৱী সর্ব্বভূতেষু মাতৃ ৰূপেন সংস্থিতা
নমঃতস্যৈ নমঃতস্যৈ নমঃতস্যৈ নমোনমঃ❑

নলবাৰী জিলাৰ ঐতিহাসিক বিল্বেশ্বৰ দেৱালয়

হিমাশ্রী বর্মন

নলবাৰী চহৰৰ পৰা প্রায় ১৪ কিলোমিটাৰ পশ্চিমত অৱস্থিত বেলশৰত শ্রীশ্রী বিল্বেশ্বৰ দেৱালয় অৱস্থিত। এই দেৱালয় নামনি অসমৰ নলবাৰী জিলাৰ অতি প্রসিদ্ধ এটি পুৰণি মন্দিৰ। এই দেৱালয়ৰ মাটিৰ পৰিমাণ ২৬ বিঘা ১৪ লেচা। বর্তমান ইয়াৰ মাটিত বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠান গঢ়ি উঠিছে।

এই অনুষ্ঠান-প্রতিষ্ঠানবোৰে সময় অনুযায়ী প্রতিবছৰে দেৱালয়ত বিভিন্ন প্রকাৰে বিভিন্ন ধৰণৰ সহায়-সহযোগিতা কৰা দেখা যায়। বিল্বেশ্বৰ দেৱালয়ৰ বিভিন্ন জনশ্রুতি জনসমাজত প্রচলিত। প্রায় ৪০০ বছৰৰো অধিক পুৰণি এই দেৱালয়ৰ সৈতে বিভিন্ন জনবিশ্বাস তথা ঐশ্বৰিক আৱিষ্কাৰ জড়িত হৈ আছে। ভাৰতৰ ইতিহাসৰ ই এক স্বীকৃত সত্য যে বহু অনার্য দেৱ-দেৱী, জাতি-উপজাতি, আখ্যান, জনশ্রুতি, আচাৰ-নীতি আৰু উপাসনাস্থলী পৰৱর্তী সময়ত আর্যীকৃত। ড° মহেশ্বৰ নেওগে "পৱিত্র অসম" নামৰ গ্রন্থত উল্লেখ কৰিছে যে সেই দেৱালয় কেতিয়া স্থাপিত হৈছিল সেয়া কোনেও নাজানে।

বিল্বেশ্বৰ দেৱালয় এক শক্তিপীঠ। ইয়াত মা কামাখ্যাৰ অৱশিষ্ট থকা বুলিও নানাজনে কয়। কিছুমানৰ মতে নীলাচল পাহাৰত থকা মা কামাখ্যাৰ অৱশিষ্ট এই বেলশৰৰ দেৱালয়ত থকা বুলি বিশ্বাস কৰে। গণেশৰ মূর্তি, শিৱ মূর্তি, কালী মূর্তি, বিষ্ণু মূর্তি পৃথকে পৃথকে এই দেৱালয়ত মন্দিৰ হিচাপে অৱস্থিত। অসমৰ ভিন্ন প্রান্তৰ পৰা এই ঠাইলৈ অগণন ভক্তৰ সমাৱেশ ঘটে। দুর্গা পূজাৰ সময়ত অগণন ভক্তই এই পূজাস্থলীত আহি ভিৰ কৰে। দুর্গা পূজাৰ সময়ত অর্থাৎ ষষ্ঠীৰ দিনাখনৰ পৰাই দশমীলৈকে এই পূজাৰ পর্বসমূহ চলি থাকে। দুর্গা পূজা উপলক্ষে ভ্রাম্যমাণ থিয়েটাৰ, যাত্রা পার্টীসমূহ ৰাইজৰ মাজত প্রচলিত হয়। দুর্গা পূজা উপলক্ষে ভোগ বিতৰণ, ৰাজহুৱা হোমযজ্ঞ আদি অনুষ্ঠিত হয়।

এই প্রসিদ্ধ অনুষ্ঠানটো ৰজা নাগেশ্বৰৰ দিনতে স্থাপিত হৈছিল বুলি প্রবাদ আছে। হিন্দু ধর্মৰ এগৰাকী মূল দেৱতা শিৱ আদিতে এক অনার্য দেৱতা আছিল। এই নাগাক্ষ ৰজাই নাগশঙ্কৰ নামেৰে জনাজাত আছিল। এই নাগাক্ষ ৰজাৰ দিনতেই এই বিল্বেশ্বৰ মন্দিৰটো নির্মাণ কৰা বুলি আমি ক'ব পাৰো। বিশেষ বিশেষ দিনসমূহত যেনে শাওণৰ প্রথমটো সোমবাৰ, গুৰু পূর্ণিমা ইত্যাদি দিনত লাখ লাখ ভক্তই ইয়াত ভিৰ কৰেহি, লগতে ৰাজহুৱা ভোগ আদিৰো ব্যৱস্থা কৰা হয়।

জনশ্রুতি আছে যে, অতি প্রাচীন কালত ৰূপ নাৰায়ণ নামৰ এজন ব্রাহ্মণৰ ঘৰত এটা কপিলী গাই আছিল। ব্রাহ্মণে ঘৰত গাইজনীৰ পৰা গাখীৰ নাপায়। কিন্তু ওচৰৰে টিলা এটাত থকা বিৰিণা এজোপাৰ ওচৰত তাইৰ ওহাৰৰ পৰা আপোনা-আপুনি গাখীৰ ওলাবলৈ ধৰে। ব্রাহ্মণে এদিন ওচৰ-চুবুৰীয়াৰ সৈতে সেই মাটিখিনি খান্দি চালে আৰু মাটিৰ তলত এটা শিৱলিংগ আৱিষ্কাৰ কৰিলে। কোৰেৰে খান্দোতে হেনো লিংগটোৰ এফাল এৰাই গৈছিল। এতিয়াও তেনে অৱস্থাতে লিংগটো থকা দেখা যায়। লৌহিত্য বংশৰ নাগাক্ষ বা নাগ শঙ্কৰ ৰজাই সেই কথা গম পাই হাতী লগাই শিৱলিংগটো উলিয়াব খুজিলে। কিন্তু বিশাল হোৱাত তেওঁ তাতে এখন দেৱালয় সাজি দিলে।

দেৱালয়ৰ চৌহদৰ দেৱাল পুখুৰীটোত বর্তমানে ভিন্নৰঙী অসংখ্য মাছ-কাছ থকা দেখা যায়। এই পুখুৰীটো কোঁচ ৰজা নৰনাৰায়ণৰ ভাতৃ চিলাৰায় দেৱানে খন্দোৱা। বলি-বিধানৰ প্রথা এই দেৱালয়ত অতি প্রাচীন। দুর্গা পূজাৰ সময়ত ম'হ বলি দিয়া, হাঁহ, পাৰ, কোমোৰা বলি দিয়া পৰম্পৰা পূজাৰ সময়ত অতি প্রাচীন। পূজাৰ সময়ত থকা মূর্তি মৃন্ময় মূর্তি নহয়। এডাল কলগছক অলংকাৰ, বস্ত্র পৰিধান কৰোৱাই দেৱীক পূজা কৰোৱা হয়। ভক্তসকলৰ দান-দক্ষিণা এই পৱিত্র দেৱালয়লৈ অপৰিসীম। সেই অঞ্চলৰ মানুহখিনিয়ে যিয়ে যেনেকৈ পাৰে তেনেকৈ দেৱালয়লৈ দক্ষিণা আগবঢ়ায়। বেলশৰ অঞ্চলৰ এই পৱিত্র শক্তিপীঠ স্থলীৰ মাহাত্ম্যৰ কথা সমগ্র অসমজুৰি চর্চিত।❑

লেখক পৰিচিতি ঃ সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, পশ্চিম গুৱাহাটী মহাবিদ্যালয়, ধাৰাপুৰ



মার্কণ্ডেয় পুৰাণত শ্রীশ্রীচণ্ডী

তুলিকা দেৱী

ইতিহাস অধ্যয়নৰ পৰা নিশ্চিতভাৱে ক'ব পাৰি যে বেদসমূহে হ'ল প্রাচীনতম গ্রন্থ। পৰৱর্তী সময়ত উপনিষদসমূহ ৰচিত হৈছিল আৰু পুৰাণ সাহিত্যও ভিন ভিন সময়ত ৰচিত হৈছিল। পণ্ডিতসকলে সেই পুৰাণসমূহৰ ভিতৰত ওঠৰখনক মহাপুৰাণ আখ্যা দিছে। মার্কণ্ডেয় পুৰাণ ওঠৰ মহাপুৰাণৰ এখন।

'ব্রাহ্মং পাদ্মং— বৈষ্ণবঞ্চ শৈবং ভাগবতং তথা।
তথা নাৰদীয়ঞ্চ মার্কণ্ডেয়ঞ্চ সপ্তমম্।।'

মার্কণ্ডেয় পুৰাণৰ ৮১তম অধ্যায়ৰ পৰা ৯৩তম অধ্যায়ৰ মাজেৰে শ্রীশ্রী চণ্ডীৰ মাহাত্ম্য সুন্দৰভাৱে বর্ণিত হৈছে। বৈদিক যুগৰ পৰা লোক সমাজত শক্তি পূজাৰ প্রচলন আছিল, ঋগবেদৰ দশম মণ্ডলত থকা দেৱী সুক্তই তাৰ প্রমাণ। এই বেদমাতাই চণ্ডী ৰূপে পূজিতা। দেৱী ভাগৱতত আছে—

'সেয়ং শক্তি মহামায়া সচ্চিদানন্দৰূপিণী।
ৰূপং বিভর্ত্যৰূপা চ ভক্তানুগ্রহহেতবে।।'

অর্থাৎ এয়ে সেই মহামায়া শক্তি সচ্চিদানন্দৰূপিণী অৰূপা হৈও ভক্তক অনুগ্রহ কৰাৰ কাৰণে বিভিন্ন ৰূপ ধাৰণ কৰে। মার্কণ্ডেয় পুৰাণত দেৱীক শক্তিৰূপে স্বীকাৰ কৰিছে যি শক্তি অকল আধ্যাত্মিক শক্তিয়ে নহয় মানসিক আৰু নৈতিক শক্তিৰো প্রতিভূ। তেৰেঁই জৈৱিক শাৰীৰিক আৰু স্থূল শক্তি। তিনিখন অসুৰ নিধন যুদ্ধৰ দ্বাৰা মার্কণ্ডেয় পুৰাণত দেৱী মাহাত্ম্য প্রকাশ পাইছে। দেৱীৰ প্রথম যুদ্ধখন হৈছিল মধু আৰু কৈটভ নামৰ দৈত্য দুগৰাকীৰ লগত। কল্পান্তত বিশ্বব্রহ্মাণ্ড যেতিয়া মহাসাগৰত পৰিণত আছিল শ্রীবিষ্ণুৱে সেই সময়ত যোগ নিদ্রাক অৱলম্বন কৰি অনন্ত শয্যাত শুই আছিল। সেই নিদ্রিত অৱস্থাতে তেওঁৰ নাভিকমলৰ পৰা ব্রহ্মাৰ জন্ম হৈছিল, দুই কাণৰ মলিৰ পৰা দুই অসুৰ মধু আৰু কৈটভৰ জন্ম হৈছিল। পদুমোপবিষ্ট ব্রহ্মাই নিজ জন্ম সম্পর্কে চিন্তা কৰি থাকোতে মধু-কৈটভে ব্রহ্মাক আক্রমণ কৰিবলৈ উদ্যত হৈছিল। ভয়ার্ত হৈ ব্রহ্মাই বিষ্ণুৰ সমীপলৈ আহি নিদ্রিত বিষ্ণুৰ নেত্রস্থিতা বিষ্ণুৰ নিদ্রাস্বৰূপা, বিশ্বেশ্বৰী জগদ্ধাত্রী, স্থিতিসংহাৰকাৰিণী যোগনিদ্রাৰ স্তৱ কৰিছিল। ব্রহ্মাই দেৱীক আকূতি কৰি কৈছিল— 'হে দেৱী, তুমি মোৰ প্রার্থনাত সন্তুষ্ট হৈ এই

ভয়ানক দৈত্যদ্বয়ক মোহিত কৰা আৰু জগদীশ্বৰ বিষ্ণুক নিদ্রাৰ পৰা জগাই তোলা।' স্তৱৰ দ্বাৰা নিদ্রা শক্তি তথা নিষ্ক্রিয়া শক্তিক জাগৃত কৰাতহে বিষ্ণুৰ যুদ্ধ প্রবৃত্তি, অসুৰ নিধন শক্তি জাগ্রত হ'ল। বিষ্ণু শক্তিস্বৰূপ এই দেৱীয়ে ত্রিগুণাত্মিকা প্রকৃতি। বিষ্ণুৱে সাৰ পাই দুই দৈত্যৰ গ্রাসৰ পৰা ব্রহ্মাক মুক্ত কৰিবলৈ নিজে বাহু যুদ্ধত লিপ্ত হৈছিল। পঞ্চসহস্র বছৰ বাহুযুদ্ধ কৰা পিছত দেৱীৰ মায়াত মোহিত হৈ দৈত্য দুগৰাকীয়ে বিষ্ণুক কৈছিল— 'তুমি অকলে আমাৰ লগত যুদ্ধ কৰিছা, তোমাৰ যুদ্ধ কৌশলত আমি মুগ্ধ হৈছো। এতিয়া তোমাক কি বৰ লাগে কোৱা।' বিষ্ণুৱে মৃদু হাঁহিৰে প্রত্যুত্তৰ দিছিল— 'বৰ যদি দিব বিচাৰিছা তোমালোক মোৰ হাতত নিধন হোৱা, তেনেকুৱা বৰ প্রদান কৰা।' দৈত্যই কৈছিল— জলেৰে পূর্ণ এই বিশ্ব ব্রহ্মাণ্ডত তেওঁলোকক বধ কৰিব নোৱাৰিব। কিন্তু য'ত পানী নাই তেনেকুৱা ঠাইতহে তেওঁলোকক বধ কৰিব পাৰিব। বিষ্ণুৱে সেয়ে হওক বুলি তেওঁৰ কোলাতে বহুৱাই লৈ চক্রৰ দ্বাৰা মধু আৰু কৈটভক বধ কৰিছিল।

দ্বিতীয়টো আখ্যানত দেৱী মহামায়াই মহিষাসুৰৰ লগত কৰা যুদ্ধৰ বর্ণনা আছে। যি সময়ত পুৰন্দৰ নামৰ দেৱৰাজ ইন্দ্রই ৰাজত্ব কৰিছিল সেই সময়ত মহিষাসুৰ অসুৰসকলৰ ৰজা আছিল। মহা পৰাক্রমী মহিষাসুৰে দেৱৰাজ ইন্দ্রৰ সৈতে যুদ্ধ কৰি ৰাজপাট নিজৰ অধীনতৈ আনিছিল। শংকিত দেৱগণ প্রথমে ব্রহ্মাৰ ওচৰলৈ আৰু পিছত ব্রহ্মাৰে সহিতে বিষ্ণু আৰু শিৱৰ কাষলৈ গৈছিল। ব্রহ্মাই সকলো ঘটনা কোৱাত বিষ্ণু আৰু শিৱ অত্যন্ত ক্রোধিত হৈ উঠিল। লগে লগে ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ কোপপূর্ণ মুখমণ্ডলৰ পৰা তেজ নির্গত হ'বলৈ ধৰিলে। উপস্থিত ইন্দ্রাদি দেৱগণৰ মুখমণ্ডলৰ পৰাও তেজৰ সোঁত ব'বলৈ ধৰিলে। এই তেজৰাশি একত্রে মিলিত হ'ল আৰু মহা তেজৰাশিৰ পৰাই ক্রমে ক্রমে এক জ্যোতির্ময়ী নাৰী আবির্ভূত হ'ল। পৰম দীপ্তিময়ী দেৱীদর্শন কৰি সকলোৱে পুলকিত হ'ল আৰু দেৱীক অস্ত্রেৰে সজ্জিত কৰিবলৈ তৎপৰ হৈ উঠিল। মহাদেৱে দেৱীৰ হাতত শূল, বিষ্ণুৱে চক্র, বৰুণে শংখ আৰু পাশ, অগ্নিয়ে শক্তি, বায়ুৱে ধনুক আৰু তূণ, ইন্দ্রই বজ্র আৰু গজঘণ্টা, যমে কালদণ্ড, ব্রহ্মাই কমণ্ডলু আৰু ৰুদ্রাক্ষৰ মালা— সূর্যই দিলে কিৰণ অর্থাৎ শোভা কাল বা মৃত্যু দেৱতাই খগড় আৰু ঢাল প্রদান কৰিলে। ক্ষীৰোদ সাগৰে সজালে দীপ্তিময়ী আভৰণেৰে, বিশ্বকর্মাই দিলে কুঠাৰ আৰু অভেদ্য বর্ম, সমুদ্রই পদ্মৰ মালা, হিমালয়ে প্রদান কৰিলে বাহনৰূপী সিংহক, কুবেৰে এটি সুৰাপাত্র আৰু বাসুকীয়ে দিলে নাগহাৰ।

অস্ত্রেৰে সুসজ্জিতা দেৱীয়ে সেইদৰে সন্মানিত হৈ অট্টহাস্য কৰি ভীষণ গর্জন কৰিছিল। সেই গর্জন শূন্যত প্রতিধ্বনিত হৈ ভূমিকম্পৰ সৃষ্টি কৰিছিল। মুনিসকলে স্তৱ কৰাৰ লগতে হিংসবাহিনী দেৱীক উদ্দেশ্যি জয়ধ্বনি দিছিল। দেৱীৰ গর্জন ত্রৈলোক্য বিয়পি পৰাত অসুৰসকলে সকলো সৈন্যক সু-সজ্জিত কৰি অস্ত্র-শস্ত্রৰে নিজেও শব্দক অনুকৰণ কৰি গমন কৰিছিল। সেই দেৱীয়ে নিজ প্রভাৰ দ্বাৰা লোকত্রয় ব্যাপ্ত কৰি অৱস্থিতা হৈছিল। দেৱীৰ পদযুগলে পৃথিৱী স্পর্শ কৰিছিল, কিৰীটিয়ে স্বর্গভেদ কৰিছিল আৰু ধনুৰ শব্দই পাতাল ভেদ কৰিছিল। সেইজনী মহাদেৱীৰ সৈতে অসুৰসকলে যুদ্ধত লিপ্ত হৈছিল। ভয়ংকৰ সেই যুদ্ধত শত-সহস্র অসুৰ নিধন হোৱাৰ পাছত দেৱীৰ মুখামুখি হয় মহিষাসুৰৰ সেনাপতি চিক্ষু। সেই সময়ত দেৱীয়ে ভদ্রকালীৰ ৰূপ ধা�ৰণ কৰে। অসুৰ সেনাপতিয়ে দেৱীৰ গালৈ সূর্যৰ কিৰণৰ দৰে শূল নিক্ষেপ কৰিছিল। ভদ্রকালীয়ে সেই শূল প্রতিহত কৰাৰ লগতে চিক্ষু সেনাপতিক বধ কৰিছিল। অসুৰবিলাক নিধন হোৱা দেখি মহিষাসুৰে ক্রোধিত হৈ মহিষ ৰূপ ধাৰণ কৰি পৃথিৱীৰ পর্বতসমূহ ভৰিৰ খুৰাৰে বিদীর্ণ কৰি দেৱীৰ গালৈ নিক্ষেপ কৰিছিল। দেৱী চণ্ডিকাই মহিষাসুৰক বধৰ ইচ্ছাৰে পাশ নিক্ষেপ কৰি বান্ধি পেলাইছিল। উত্তম মধুপান কৰি অট্টহাস্যিৰে পৃথিৱী কঁপাই অসুৰক শূল নিক্ষেপ কৰিছিল। শূলৰ দ্বাৰা আঘাতপ্রাপ্ত মহিষাসুৰৰ শক্তি ক্রমাৎ হ্রাস পাবলৈ ধৰাত দেৱীয়ে তৎক্ষণাত তাৰ শিৰশ্ছেদ কৰিছিল। মহিষাসুৰৰ মৃত্যুৰ পিছত দেৱতাসকলে আনন্দ লাভ কৰি ভক্তিভাৱে দেৱীক স্তৱ কৰিছিল। এই স্তৱত দেৱীক আদ্যা প্রকৃতি সর্বশ্রয়া আদি বুলি স্তুতি কৰাৰ লগতে বিষ্ণুৰ হৃদয়ত বিৰাজিতা লক্ষ্মী আৰু মহাদেৱৰ অর্ধাংগী গৌৰী বুলিও আৰাধনা কৰিছে।

'মেধাসি দেবি বিদিতাখিল শাস্ত্রসাৰা
দুর্গাসি দুর্গভবসাগৰনৌৰ সঙ্গা
শ্রীঃ কৈটভাৰিহৃদয়ৈককৃতাধিবাসা
গৌৰী ত্বমেব শশিমৌলিকৃত প্রতিষ্ঠা।'

শুম্ভ আৰু নিশুম্ভ বধৰ যি তৃতীয়খন যুদ্ধ দেৱী চণ্ডিকাৰ সৈতে চলিছিল তাৰ মাজেৰেও দেৱী মাহাত্ম্য প্রকাশ পাইছে। শুম্ভ আৰু নিশুম্ভ নামে প্রবল পৰাক্রমী অসুৰে ইন্দ্রপুৰী অধিকাৰ কৰাত দেৱতাসকল হিমালয়লৈ গৈ বিষ্ণুমায়াৰ স্তৱ কৰিছিল। সেই সময়ত পার্বতী দেৱীয়ে গংগাত স্নান কৰিবলৈ গৈ সেই স্থানত উপস্থিত হৈ দেৱসকলে কাৰ স্তৱ কৰিছে শুধিছিল। লগে লগে পার্বতীৰ দেহৰ পৰা শিৱা দেৱীৰ উৎপত্তি হৈ কৈছিল— শুম্ভ নিশুম্ভৰ লগত দেৱতাসকলে যুদ্ধত পৰাজিত হৈ তেওঁলোকে আমাৰে অর্থাৎ দেৱী মহামায়াৰে স্তৱ কৰিছে। দেৱী অম্বিকা পার্বতীৰ কোষৰ পৰা জন্ম লাভ

কৰা বাবে সমগ্র জগতত তেওঁ কৌষিকী বুলি পূজিতা হৈছিল। কৌষিকীৰ জন্মৰ পাছত পার্বতীৰ বৰণ ক'লা হৈ পৰিছিল। সেই কাৰণে তেওঁৰ অন্য নাম কালী। ইয়াৰ পিছত দেৱী অম্বিকাই মনোহৰ ৰূপ ধাৰণ কৰি শুম্ভ-নিশুম্ভৰ সেনাপতি চণ্ড-মুণ্ডক দর্শন দিছিল। চণ্ড-মুণ্ডই দেৱীৰ ৰূপত মোহিত হৈ শুম্ভাসুৰক সেই পৰমা সুন্দৰী নাৰীক পত্নী ৰূপে স্বীকাৰ কৰিবলৈ আহ্বান কৰে। কথাষাৰ শুনি শুম্ভাসুৰে সেনাপতি সুগ্রীৱক দেৱীৰ সৈতে বিবাহৰ প্রস্তাৱ দিবলৈ দূত হিচাপে পঠাইছিল। সুগ্রীৱে দেৱীক প্রণাম জনাই কথাষাৰ কোৱাৰ পিছত দেৱীয়ে কৈছিল যে তেওঁক যদি কোনোবাই যুদ্ধত পৰাজিত কৰিব পাৰে সেইগৰাকীকে দেৱীয়ে স্বামীৰূপে বৰণ কৰিব। যিহেতু শুম্ভ আৰু নিশুম্ভ প্রবল পৰাক্রমী গতিকে তেওঁলোক যুদ্ধলৈ আহক। শুম্ভাসুৰৰ কথা মতে সেনাপতি ধূম্রলোচন আহি প্রথমে যুদ্ধত প্রবৃত্ত হয়। ধূম্রলোচন যুদ্ধত নিহত হোৱাত পুনৰ চণ্ড আৰু মুণ্ডই দেৱীৰ সৈতে যুদ্ধত লিপ্ত হয়। দুই অসুৰক সন্মুখত দেখি দেৱীৰ মুখমণ্ডল ক্রোধত ৰঙা বৰণ লৈছিল আৰু তেওঁৰ কপালৰ পৰা খড়্গ ধাৰণকাৰিণী নৰমুণ্ডমালা বিভূষিত কালীৰ জন্ম হৈছিল। কালীয়ে উগ্রৰূপ ধৰি এফালৰ পৰা চণ্ড-মুণ্ডৰ সৈন্যক ভক্ষণ কৰি গৈছিল। চণ্ড আৰু মুণ্ডৰ মূৰ দুটি কাটি দেৱী অম্বিকাক দিছিল। তেতিয়াৰ পৰা তেওঁ চামুণ্ডা বুলি পূজিতা। চণ্ড-মুণ্ডৰ মৃত্যুৰ বাতৰি পাই শুম্ভাসুৰৰ সৈন্যই চণ্ডিকা কালী আৰু বাহন সিংহক চৌপাশে আগুৰি ধৰিলে। দেৱতাসকলৰ মঙ্গলার্থে শুম্ভ-নিশুম্ভ বধ অৱশ্য কর্তব্য বুলি ভাবি ব্রহ্মা, বিষ্ণু, মহেশ্বৰ, কার্তিক আদি দেৱতাই নিজ দৈহিক শক্তিৰ পৰা একোজনী শক্তি দেৱীৰ জন্ম দি দেৱী মহামায়াক সহায় কৰিবলৈ পঠাইছিল। দেবাদি-দেৱ মহেশে দেৱীক শুম্ভ-নিশুম্ভৰ বধৰ বাবে আহ্বান জনোৱাত দেৱীয়ে শিৱকে দূত হিচাপে শুম্ভ-নিশুম্ভৰ ওচবলৈ পঠালে। চণ্ডিকাই শিৱক দূত হিচাপে প্রেৰণ কৰা বাবে তেওঁ শিৱদূতী নামে পৰিচিত হ'ল। শিৱৰ দৌত্য কার্যৰ পিছত ৰক্তবীজ নামে এক অসুৰ যুদ্ধলৈ আহে। ৰক্তবীজৰ শৰীৰৰ পৰা এক বিন্দু তেজ ভূমিত পৰাৰ লগে লগে সেই তেজৰ পৰা একো একোজন বক্তবীজৰ জন্ম হয়। কালীয়ে লহলহ জিভাৰে সেই ৰক্তবীজসকলক ভক্ষণ কৰি গৈ আছিল। এনেদৰে ৰক্তবীজকো দেৱীয়ে পৰাজিত কৰাত শুম্ভ আৰু নিশুম্ভ নিজে নিজে যুদ্ধলৈ আহে। অসুৰে দেৱীৰ গালৈ শৰবর্ষণ কৰাত দেৱীয়ে সকলো শৰ নিজ ধনুৰ দ্বাৰা ছেদন কৰি দুই মহাৰথীক বধ কৰে। এই দুই ভাতৃক বধৰ সময়ত সকলো দেৱী শক্তি চণ্ডিকাৰ গাত বিলীন হৈ একক হৈ পৰিছিল।

এই দেৱীয়ে তেওঁৰ মাহাত্ম্য সম্পর্কত নিজ মুখে ব্যক্ত কৰিছে।

'এভিঃ স্তবৈশ মাং নিত্যং স্তোষ্যতে যঃ সমাহিতঃ
তস্যাহং সকলাং বাধাং শময়িষ্যাম্যসংশয়ম।'

অর্থাৎ যি ব্যক্তিয়ে এই স্তৱবিলাকৰ দ্বাৰা সমাহিত চিত্তেৰে মোক স্তুতি কৰে মই তেওঁলোকক ঐহিক আৰু পাৰত্রিক সকলো প্রকাৰৰ বাধাৰ পৰা নিশ্চিতভাৱে বক্ষা কৰো।

শৰৎ কালত যি দুর্গা পূজা অনুষ্ঠিত হয় সেই পূজাৰ অষ্টমী আৰু নৱমী তিথি দুদিনত দুর্গা পূজাৰ লগতে মার্কণ্ডেয় অন্তর্গত শ্রীশ্রী চণ্ডী পঠন কৰা হয়। সেই সম্পর্কে উক্ত গ্রন্থখনতে 'দেৱী মাহাত্ম্য'ত দেৱীয়ে কৈছে—

শৰৎকালে মহাপূজা ক্রিয়তে যা চ বাষিকী।
তস্যাং মমৈতন্মাহাত্ম্য শ্রুত্বা বক্তিসমন্বিতঃ।।
সর্ববাধা বিনি র্মুক্তা ধন ধান্য সুতান্বিতঃ।
মনুষ্যে মৎপ্রসাদেন ভবিষ্যতি ন সংশয়।।

অর্থাৎ 'শৰৎ কালত বার্ষিকভাৱে যি মহাপূজা অনুষ্ঠিত হয় সেই পূজাত মোৰ এই মাহাত্ম্য ভক্তি সহকাৰে শ্রৱণ কৰিলে মোৰ কৃপাত তেওঁ সর্ব প্রকাৰৰ বিপদৰ পৰা উদ্ধাৰ লাভ কৰে আৰু ধন-ধান্য পুত্রাদি লাভ কৰিবলৈ সক্ষম হয়।

যিহেতু এই দেৱী মাহাত্ম্য পবিত্র গ্রন্থৰূপে সমাদৃত সেয়ে ইয়াৰ পঠনৰ দ্বাৰা অথবা শ্রৱণৰ দ্বাৰা চতুর্বর্গ ফল প্রাপ্তি হয় বুলিব পাৰি। বর্তমান সময়তো তেনেকুৱা অসুৰৰূপী অপশক্তি নাশৰ বাবে সকলোৱে এক হোৱাটো বাঞ্ছনীয়।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, লক্ষেশ্বৰ, গুৱাহাটী

অসমত শক্তি বা দেৱী উপাসনা

জিতুৰাজ শইকীয়া

অতি প্ৰাচীন কালৰে পৰা অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ এই তিনিওটা ধৰ্ম সমান্তৰালভাৱে চলি আহিছে। এই তিনিওটা ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য, ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰ পৰা পাব পাৰি। শক্তি বা দেৱীক কেন্দ্ৰ কৰি প্ৰৱৰ্তিত ধৰ্মই শাক্ত ধৰ্ম। পণ্ডিতসকলৰ মতে চতুৰ্থ-পঞ্চম শতিকাৰ পৰা তান্ত্ৰিক সাহিত্যৰ উদ্ভৱ হয় আৰু সপ্তম শতিকাত ই প্ৰৱল হৈ উঠে। উত্তৰ পূব ভাৰতৰ অসম আৰু বঙ্গতে তন্ত্ৰ আৰু শাক্ত তন্ত্ৰৰ উৎপত্তি হৈছিল। অসমত অতি প্ৰাচীন কালৰে পৰা দেৱী পূজাৰ প্ৰচলন আছিল বুলি পৌৰাণিক সাহিত্যৰ পৰা জানিব পৰা যায়। শক্তি বা দেৱীৰ মূল বীজটো বেদতে আছিল যদিও পুৰাণৰ যুগতহে বেদৰ দেৱীয়ে মূল ৰূপটি পালে। এই সম্পৰ্কে কালিকা পুৰাণ, দেৱীপুৰাণ, মৎস্য পুৰাণ, লিঙ্গ পুৰাণ, যোগিনী তন্ত্ৰ আদিৰ নাম উল্লেখযোগ্য। এই পুৰাণসমূহৰ ভিতৰত কালিকাপুৰাণেহে দেৱী পূজাক অধিক জনপ্ৰিয় কৰি তোলে। যোগিনীতন্ত্ৰতো কামৰূপত বিবিধ প্ৰকাৰে শক্তি উপাসনা কৰাৰ কথা আছে। এই তন্ত্ৰশাস্ত্ৰসমূহেও শক্তিৰ প্ৰাধান্য বঢ়াইছিল। অতি প্ৰাচীন কালৰে পৰাই কামাখ্যা তীৰ্থৰ মাহাত্ম্যই 'কামৰূপ পীঠ'ক শক্তি সাধনৰ শ্ৰেষ্ঠ পীঠ হিচাপে স্বীকৃত হৈ আহিছে। তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাৰ বাবে প্ৰাচীন আৰু মধ্যযুগীয় কামৰূপ বিখ্যাত আছিল। আনকি ঊনবিংশ শতিকালৈকে বাহিৰৰ মানুহে অসমক তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাৰ দেশ বুলি ভাবি ভয়ৰ দৃষ্টিৰে চাইছিল। কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, কুব্জিকাতন্ত্ৰ, দেৱীভাগৱত আদি গ্ৰন্থসমূহে কামৰূপ শক্তিসাধন আৰু সিদ্ধি লাভৰ প্ৰশস্ত ক্ষেত্ৰ বুলি নিৰ্দেশ কৰিছে। 'কামৰূপ পীঠ' তান্ত্ৰিক সংস্কৃতিৰ কেন্দ্ৰ হিচাপে ভাৰতৰ ভিতৰতে অদ্বিতীয় আদৰ্শ। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত স্পষ্টভাৱে উল্লেখ আছে যে কামৰূপৰ নিচিনা আৰু কোনো ঠাই নাই, যি ঠাই দেৱীৰ আৱাসস্থলৰ কাৰণে উপযুক্ত। অন্যদেশত যি দুৰ্লভ, সেই দেৱী কামৰূপৰ ঘৰে ঘৰে বিৰাজমান।

"দেৱী ক্ষেত্ৰং কামৰূপং বিদ্যাতেহন্যন তৎসম্।
অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।"

কালিকা পুৰাণত আদ্যশক্তি মহামায়াৰ বিভিন্ন ৰূপৰ বিস্তৃত বিৱৰণ, পূজা-উপাসনাৰ পদ্ধতি, শক্তি সাধনাৰ বিভিন্ন ব্যৱস্থা আদিৰ যি সূক্ষ্ম বৰ্ণনা দিয়া হৈছে তাৰ পৰা অনুমান কৰিব পাৰি যে, কালিকা পুৰাণ ৰচনা কৰাৰ সময়ত বা তাৰ আগৰে পৰা অসমত শাক্তধৰ্মৰ প্ৰচলন আছিল। কালিকা পুৰাণে এক শক্তি বা দেৱীকে সতী, পাৰ্বতী, দুৰ্গা, কামাখ্যা, ত্ৰিপুৰা সুন্দৰী, কেঁচাইখাতী, তাম্ৰেশ্বৰী, মহামায়া, উগ্ৰতাৰা আদি অনেক ৰূপ দিলেও প্ৰধানত চাৰিটা ৰূপ হ'ল— মাতৃৰূপী কামাখ্যা, পত্নী ৰূপী পাৰ্বতী, কুমাৰী ৰূপী ত্ৰিপুৰা সুন্দৰী আৰু সংহাৰ ৰূপী কেঁচাইখাতী তাম্ৰেশ্বৰী। কালিকা পুৰাণৰ এই চাৰি ৰূপৰ প্ৰথম ভাগত পৰে মাতৃ ৰূপে কামাখ্যা, পত্নী ৰূপে পাৰ্বতী আৰু কুমাৰী ৰূপে ত্ৰিপুৰা সুন্দৰী আৰু দ্বিতীয়টো ভাগত থাকিল কেৱল সংহাৰ ৰূপিণী কেঁচাইখাতী তাম্ৰেশ্বৰী। এই ভাগ দুটাৰ পৰা স্পষ্ট হৈ পৰে যে প্ৰথমটো ভাগৰ তিনিটা ৰূপ মাতৃ, পত্নী আৰু কুমাৰী সুন্দৰৰ প্ৰতীক আৰু দ্বিতীয়ভাগৰ কেঁচাইখাতী তাম্ৰেশ্বৰী ৰূপটো ভয়াৱহতাৰ প্ৰতীক। একালত নাৰীৰ শান্তিদায়িনী ৰূপৰ প্ৰতীক ৰূপেই মাতৃ, পত্নী আৰু কুমাৰী ৰূপত শক্তিক উপাসনা কৰা হৈছিল। তাৰ বিপৰীত শান্তি ভংগ কৰিব পৰা যিকোনো অশুভ শক্তিৰ প্ৰতীক ৰূপত কেঁচাইখাতী তাম্ৰেশ্বৰীক পূজা কৰাৰ ব্যৱস্থা আছিল।

ত্ৰয়োদশ শতিকাৰ চুতীয়া ৰাজ্যৰ ৰজা ৰত্নধ্বজ শাক্ত আছিল। চুতীয়া ৰাজ্যত 'কেঁচাইখাতী'ৰ ৰূপত কালী দেৱীক পূজা-উপাসনা কৰা হৈছিল। তাম্ৰপাতৰ মন্দিৰত অধিষ্ঠাতা কাৰণে কেঁচাইখাতী দেৱী পৰৱৰ্তী কালত 'তাম্ৰেশ্বৰী' নামেৰে জনাজাত হৈছিল। কেঁচাইখাতী দেৱীৰ আগত পশু বলি দিয়াৰ উপৰি নৰ বলি পৰ্যন্ত দিয়া হৈছিল বুলি হৰিনাথ শৰ্মা দলৈৰ

'শক্তি সাধনা আৰু শাক্ত সাহিত্য'ত উল্লেখ আছে। সেইদৰে কছাৰী বুৰঞ্জীতো বহুকালৰ আগৰে পৰা কেঁচাইখাতী গোসাঁনীক কছাৰীসকলে বলি-বিধানেৰে পূজা কৰি অহাৰ প্রমাণ কছাৰী বুৰঞ্জীত পোৱা যায়।

মহাপুৰুষ শঙ্কৰদেৱৰ আৰির্ভাৱৰ কেইবাশ বছৰৰ আগৰে পৰা অসমত শাক্তধর্মৰ প্রচলন আছিল। তদুপৰি নৱবৈষ্ণৱ ধর্মৰ প্রৱর্তক মহাপুৰুষ শঙ্কৰদেৱৰ আদি পুৰুষেও শক্তিৰ উপাসনা কৰাৰ কথা গুৰু চৰিতত পোৱা যায়। ত্রয়োদশ-চতুর্দশ শতিকাৰ সৰু-বৰ শাসক বাৰভূঞাসকল প্রায়ে ঘোৰ শাক্ত আছিল। শঙ্কৰদেৱৰ আজোকা চণ্ডীবৰ নামটোৱেই শাক্তৰ নাম। দেৱীৰ প্রতি একান্ত ভক্তিৰ বাবে তেওঁক দুর্লভ নাৰায়ণ ৰজাই দেৱীদাস নাম দিছিল। শঙ্কৰদেৱক লগ পোৱাৰ আগতে মাধৱদেৱো ঘোৰ শাক্ত আছিল। মাধৱদেৱে মাকৰ আৰোগ্যৰ হেতু শাৰদীয় দুর্গা পূজাত দুটা বগা ছাগলী আগ কৰা আৰু ভনীজোঁৱাই ৰামদাসক পঠা ছাগলী আনিবলৈ কোৱা, বাণ্ডুকাত থকা মাধৱদেৱৰ ককায়েকে দহোটামান ছাগ ৰাখি দিয়াৰ বিষয়ে কথা গুৰু চৰিতত পোৱা যায়। মাধৱদেৱে ভনীজোঁৱাই ৰামদাসক দুর্গা পূজাত আগ কৰি থোৱা পঠা ছাগলী আনি নিদিয়াৰ বাবে কটূক্তি এনেদৰে শুনাইছিল।

"নামত হোঙ্কৰা বুদ্ধিত পাগল
বিহানে টকা দিলো, নানিলি ছাগল।"

শঙ্কৰদেৱৰ ৰচনা আৰু প্রাক্ শংকৰী যুগৰ সাহিত্যত উল্লেখ থকা ৰণচণ্ডী, দুর্গা আদি নাম আৰু মাধৱ কন্দলিৰ ৰামায়ণত উল্লেখিত 'অষ্টমীৰ ছাগ' আদি উপমাই প্রাক্ শঙ্কৰী যুগত শাক্তধর্ম প্রচলন থকাৰ কথা প্রমাণ কৰে। মহাপুৰুষ শঙ্কৰদেৱৰ প্রৱর্ত্তিত নৱ বৈষ্ণৱ ধর্মই প্রৱল ৰূপ লোৱাৰ সময়তো শৈৱ ধর্মৰ দৰে শাক্ত ধর্মও অসমত চলি আছিল। আহোম ৰাজত্বকালত শাক্ত ধর্মৰ প্রৱণতা বৃদ্ধি পায়। স্বর্গদেউ প্রতাপ সিংহৰ দিনৰ (১৬১১-১৬৪৯) পৰা অসমত মৃন্ময় মূর্ত্তিৰ দুর্গা পূজা কৰাৰ নীতি প্রচলিত হয়। আহোম ৰাজত্ব কালত স্বর্গদেউ শিৱ সিংহ আৰু তেওঁৰ তিনিগৰাকী ৰাণী— ফুলেশ্বৰী, অম্বিকা আৰু সর্বেশ্বৰী ঘোৰ শাক্ত আছিল। বৰৰজা ফুলেশ্বৰীয়ে শাক্ত ধর্ম প্রচাৰ কৰিবলৈ উঠি-পৰি লাগিছিল। তেৱেঁই ৰজাঘৰৰ পৰা দুর্গা পূজা পাতি শাক্তবিৰোধী মোৱামৰীয়া মহন্তসকলক বলপূর্বকভাৱে দেৱীৰ আগত আঁঠু লোৱাই, ৰঙা ফোঁট দি প্রসাদ খুৱাই অপমান কৰিছিল আৰু তাৰে ফলত মোৱামৰীয়া বিদ্রোহে গা কৰি উঠিছিল।

ইংৰাজ গেইট চাহাবৰ মতে, প্রথম কোঁচ ৰজা বিশ্বসিংহ 'শিৱ' আৰু 'দুর্গা' দুয়োৰে ভক্ত আছিল। কোঁচ ৰজা বিশ্বসিংহই কামাখ্যা মন্দিৰ নির্মাণ কৰায় আৰু ইয়াৰ যথোচিত পূজা সেৱাৰ ব্যৱস্থা কৰি দিয়ে। আনহাতে বিশ্বসিংহৰ পুত্র নৰনাৰায়ণে কালাপাহাৰে ধ্বংস কৰি থৈ যোৱা কামাখ্যা মন্দিৰ পুনৰ নির্মাণ কৰি উলিয়ায়। এইবিলাকে ৰজাৰ দেৱীৰ প্রতি আস্থা থকাৰ কথাকে সূচায়।

শক্তিৰ উপাসকসকলে, 'শাৰদেন ঋতুনা দেৱা' বুলি শৰৎ কালতে দুর্গা পূজাৰ আয়োজন কৰি আহিছে। সেয়ে শাৰদীয় দুর্গা পূজা বুলি কোৱা হয়। আহিন মাহৰ শুক্ল পক্ষৰ ষষ্ঠী তিথিৰ দিনা বেলবৰণ কৰি দেৱীক বোধন কৰি দেৱীৰ প্রতিমা প্রতিষ্ঠা কৰা হয়। এই পক্ষটোক দেৱীপক্ষ নামে�ৰেও জনা যায়। পূর্বৱর্তী অমাৱস্যাৰ দিনা এই দেৱীপক্ষ আৰম্ভ হয় আৰু ইয়াক 'মহালয়া' বুলি জনা যায়। দক্ষিণায়নত পূজা হোৱাৰ বাবে বা অকালতে পূজা হোৱাৰ হেতু দেৱীক জাগ্রত কৰি তোলা হয়। সেয়ে বিল্ববোধন বা বেলবৰণ নামে জনা যায়। দেৱীক পাটত উঠাই বেলবৰণ কৰাৰ পাছত মহাসপ্তমী আৰু মহানৱমীৰ দিনা আদ্যশক্তিৰূপিণী দেৱীয়ে ধ্বংসৰ প্রতীক স্বৰূপ মহিষাসুৰক মর্দন কৰি দশমী তিথিৰ দিনা বিদায় মাগে। বিজয়া দশমীৰ দিনা দেৱী প্রতিমাক ভক্তসকলে অতি দুখ মনেৰে জলত বিসর্জন দিয়ে। ভক্তসকলে শক্তিৰ অধিষ্ঠাত্রী দেৱী দুর্গাক মাতৃ হিচাপে প্রতিষ্ঠা কৰি ভক্তিভৰা হৃদয়েৰে সেৱা, অর্ঘ্য নিবেদন কৰি আশীষ বিচাৰে।

যা দেৱী সর্ব্বভূতেষু
মাতৃৰূপেণ সংস্থিতা।
নমস্তস্যৈ, নমস্তস্যৈ, নমস্তস্যৈ
নমো নমঃ।

সহায়ক গ্রন্থ ঃ

১) হৰিনাথ শর্মা দলৈ, শক্তি সাধনা আৰু শাক্ত সাহিত্য
২) বাণীকান্ত কাকতি, পুৰণি অসমত ধর্মৰ ধাৰা

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, বামুণীমৈদাম, গুৱাহাটী



কেদাৰনাথ মন্দিৰৰ বিস্ময়কৰ স্থাপত্য কলা

ধ্বনিতা তালুকদাৰ

কেদাৰনাথ মন্দিৰ আনুমানিক অষ্টম শতিকাত নিৰ্মিত। ক'ব পাৰি প্ৰায় ১২০০ বছৰৰ পৰা বিদ্যমান। কেদাৰনাথ যি ঠাইত অৱস্থিত, একবিংশ শতিকাৰ প্ৰতিকূল অৱস্থাতো অটল হৈয়ে আছে। ২২,০০০ ফুট উচ্চতাত কেদাৰনাথ পাহাৰ, এফালে ২১,০০০ ফুট উচ্চতাত কৰাচকুণ্ড আৰু আনফালে ২২,৭০০ ফুট উচ্চতাত ভাৰতকুণ্ড। এই তিনিওখন পাহাৰৰ মাজেদি প্ৰবাহিত পাঁচোটি নদী হ'ল মন্দাকিনী, মধুগঙ্গা, চিৰগঙ্গা, সৰস্বতী আৰু স্বৰন্দৰী। এই নদীসমূহৰ কথা পুৰাণতো উল্লেখ আছে।

এই এলেকাটো পৰে 'মন্দাকিনী নদীৰ' ৰাজ্যত। শীতৰ দিনত প্ৰচুৰ পৰিমাণে তুষাৰপাত আৰু বৰ্ষাকালত প্ৰৱল বেগত পানী প্ৰবাহিত হয়। এনে ঠাইত এটা শিল্প কৰ্ম কৰা কিমান কঠিন সেয়া সহজে অনুমেয়। আজিও আমি গাড়ী বা কোনো বাহন লৈ যাবলৈ নোৱাৰো।

কিয় বাৰু এনে ঠাইত নিৰ্মাণ হৈছিল? এনে প্ৰতিকূল পৰিস্থিতিত ১০০০ বছৰৰো আগতে এটা মন্দিৰ কেনেদৰে নিৰ্মিত হৈছিল আমি সকলোৱে অন্ততঃ এবাৰ হ'লেও ভবা উচিত।

বিজ্ঞানীসকলে অনুমান কৰে যদি ১০ শতিকাত মন্দিৰ নিৰ্মাণ হৈছিল তেন্তে সৰু সুৰা 'বৰফ যুগ'ৰ মাজতো ই থাকিব।

ওয়াদিয়া ইনষ্টিটিউট অব জিওলজি ডেহৰাদুনে কেদাৰনাথ মন্দিৰৰ পাথৰবোৰৰ ওপৰত লিগনোমেটিক ডেটিঙৰ পৰীক্ষা পৰিচালনা কৰিছিল। এটা "পাথৰৰ বয়স" নিৰ্ণয় কৰাৰ বাবে এই পৰীক্ষা কৰিছিল। পৰীক্ষাত দেখা গৈছে যে ১৪ৰ পৰা ১৭ শতিকাৰ মাজ পৰ্য্যন্ত সম্পূৰ্ণভাৱে বৰফেৰে ঢকা আছিল। তথাপি মন্দিৰৰ কোনো ক্ষতি হোৱা নাছিল।

২০১৩ চনৰ যি বিপৰ্য্যস্ত বানপানীয়ে কেদাৰনাথত আঘাত হানে সেয়া সকলোৱে দেখিছে। সেই সময়ত বৰষুণ গড়ে ৩৭৫ তকৈ বেছি আছিল। বানপানীত '৫৭৪৮ জন' (চৰকাৰী

পৰিসংখ্যা) নিহত হয় আৰু ৪২০০ খন গাঁও ক্ষতিগ্ৰস্ত হয়। ভাৰতীয় বায়ুসেনাই ১ লাখ ১০ হাজাৰতকৈও অধিক লোকক এয়াৰলিফ্ট কৰিছিল। সকলো উটুৱাই নিলেও কিন্তু এনে প্ৰলয়ংকৰী বানত কেদাৰনাথ মন্দিৰৰ বিন্দু মাত্ৰও ক্ষতি নহ'ল।

আৰ্কিওলজি চোছাইটি অব ইণ্ডিয়াৰ মতে বানৰ পাছত মন্দিৰৰ সম্পূৰ্ণ কাঠামো অক্ষত অৱস্থাত আছিল। মাদ্ৰাজ আই আই টিয়ে মন্দিৰৰ ক্ষতিৰ ওপৰত অধ্যয়ন কৰি ইয়াকে পালে যে ২০১৩ চনৰ প্ৰৱল বানপানীতো কেদাৰনাথ মন্দিৰ সম্পূৰ্ণভাৱে নিৰাপদ আৰু মজবুত। এই মন্দিৰটো দুটা ভিন্ন প্ৰতিষ্ঠানৰ দ্বাৰা "বৈজ্ঞানিকভাৱে পৰীক্ষাত উত্তীৰ্ণ" হয় আৰু প্ৰমাণিত কৰে যে স্থাপত্য শিল্পৰ উৎকৃষ্ট নিদৰ্শন। ১২০০ বছৰ পিছতো য'ত দুৰন্ত গতিত প্ৰৱহমান নদীসমূহৰ ওচৰত কোনো এটা চিহ্নও দেখা পোৱা নাযায় তাত কিন্তু এই মন্দিৰ স্থিৰ হৈ শক্তিশালী স্থাপত্য কীৰ্ত্তিৰে উজলি থকাটো কম ডাঙৰ কথা নহয়।

যি পদ্ধতিত সেই ঠাই নিৰ্বাচন কৰি মন্দিৰ নিৰ্মাণ হৈছিল আৰু ইয়াৰ অন্তৰালত যে কোনো অদ্ভুত শক্তি আছিল সেয়া মানিবলৈ বাধ্য হোৱা যায়। বিজ্ঞানীয়ে কৈছে মন্দিৰ নিৰ্মাণত ব্যৱহাৰ হোৱা পাথৰ আৰু কাঠামোৰ বাবে প্ৰৱল বানতো মন্দিৰৰ স্থিতি সম্পূৰ্ণ অক্ষুণ্ণ আছে।

কেদাৰনাথ মন্দিৰ 'উত্তৰ-দক্ষিণ' দিশত নিৰ্মিত। ভাৰতবৰ্ষৰ প্ৰায়ভাগ মন্দিৰেই পূবা-পশ্চিমাকৈ অৱস্থিত। বিশেষজ্ঞসকলৰ মতে মন্দিৰটো যদি পূবা-পশ্চিমাকৈ থাকিলেহয় তেন্তে ই ইতিমধ্যে ধ্বংস হৈ গ'লহেঁতেন। কিন্তু এই দিক নিৰ্ণয়ৰ বাবেই ই টিকি আছে। মন কৰিবলগীয়া কথা হ'ল যে ইয়াত ব্যৱহাৰ কৰা পাথৰবোৰ কিন্তু সেই ঠাইৰ নহয়। তেনেহ'লে ভাবকচোন সেই ঠাইলৈ পাথৰবোৰ কেনেদৰে অনা হৈছিল। সেই সময়ত ইমান ডাঙৰ পাথৰ কঢ়িওৱা যন্ত্ৰ পাতিৰ ব্যৱস্থাও নাছিল আৰু এই পাথৰবোৰৰ বৈশিষ্ট্য হ'ল বৰফৰ তলত ৪০০ বছৰ থাকিলেও ইয়াৰ 'বৈশিষ্ট্য'ৰ কোনো হীন ডেঢ়ি নঘটে।

সেয়েহে প্ৰকৃতিৰ আৱৰ্ততো মন্দিৰটোৱে তাৰ শক্তি বজাই ৰাখিছে। মন্দিৰৰ এই মজবুত পাথৰবোৰত কোনো চিমেণ্ট ব্যৱহাৰ নকৰাকৈয়ে "Ashler" পদ্ধতিত জোৰা দিয়া হৈছে। সেয়েহে পাথৰৰ তাপমাত্ৰা সলনি হ'লেও কোনো প্ৰভাৱ নপৰাৰ বাবে মন্দিৰৰ পাথৰৰ শক্তি দুৰ্ভেদ্য হৈ আছে।

মন কৰিবলগীয়া যে ২০১৩ চনৰ বিধ্বস্ত বানপানীত অলৌকিকভাৱে মন্দিৰৰ পিছফালে এটা বৃহৎ শিল লাগি ধৰে আৰু পানীৰ প্ৰচণ্ড ধাৰাক দুইফালে বিভক্ত কৰি দিয়ে। মন্দিৰ আৰু মন্দিৰত আশ্ৰয় লোৱা লোকসকলক সুৰক্ষিত কৰি ৰাখে। সেইসকলক পিছদিনা ভাৰতীয় বায়ুসেনাই এয়াৰলিফ্ট কৰে। এয়া যেন কোনো অজান শক্তিৰেই মাহাত্ম্য।

ইয়াত কোনো সন্দেহ নাই যে মন্দিৰ নিৰ্মাণৰ বাবে স্থান, দিক নিৰ্ণয়, নিৰ্মাণ সামগ্ৰী আনকি প্ৰকৃতিকো সতৰ্কতাৰে বিবেচনা কৰা হৈছিল। অৰ্থাৎ ভাবিব পাৰি যে আৰু ১২০০ বছৰ ধৰি ইয়াতে ভাৰতীয় সংস্কৃতি আৰু শক্তিৰ সংৰক্ষণ হৈ আছে।

টাইটানিক ডুবি যোৱাৰ পাছত পশ্চিমীয়াই বুজিব পাৰিছিল যে "এন ডি টি পৰীক্ষা" আৰু "তাপমাত্ৰা"ই সমস্ত ধাৰণা সলনি কৰি দিব পাৰে। আমি যিটো এতিয়া ভাবিছো আৰু কৰিছো সেইটো ১২০০ বছৰৰ আগতেই কৰা হৈছিল। কেদাৰনাথেই ইয়াৰ উৎকৃষ্ট নিদৰ্শন।

কিছুমাহ বৰষুণ, কিছুমাহ তুষাৰপাত, আকৌ কিছু বছৰ তুষাৰপাতৰ মাজত থাকিও সমুদ্ৰ পৃষ্ঠৰ পৰা এতিয়াও ১২,০০০ ফুট ওপৰত মাটিক সঠিকভাৱে ঢাকি ৰাখে। ৬ ফুট উচ্চতাৰ মঞ্চ নিৰ্মাণ কৰোতে যি বিপুল পৰিমাণৰ বিজ্ঞান ব্যৱহাৰ কৰা হৈছিল সেয়া ভাবিলে আচৰিত হ'বলগীয়া। বৰ্তমান যিমানেই বানপানী বা প্ৰাকৃতিক দুৰ্য্যোগ নহওক আমি মন্দিৰ নিৰ্মাণ কৰা বিজ্ঞানীসকলৰ ওচৰত শিৰ নত কৰিবই লাগিব যিসকলে ১২ জ্যোতিৰ্লিঙ্গৰ মাজত কেদাৰনাথক জাকজমকতাৰে প্ৰস্তুত কৰি সৰ্ব্বোচ্চ সন্মান দিছে।

বৈদিক হিন্দু ধৰ্ম আৰু সংস্কৃতি কিমান যে অগ্ৰসৰ আছিল তাৰেই নিদৰ্শন এয়া। সেই সময়ৰ আমাৰ ঋষি-মুনি অৰ্থাৎ বিজ্ঞানীসকল স্থাপত্য, পৰিবেশ বিজ্ঞান, মহাকাশ বিজ্ঞান, আয়ুৰ্বেদত অসাধাৰণ জ্ঞান, ব্যুৎপত্তি আৰু প্ৰয়োগ বিদ্যাত যে অত্যন্ত দক্ষ আছিল সেয়া স্বীকাৰ কৰিবই লাগিব।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

কুমাৰী পূজা

গৌতম মিশ্র

"কুমাৰী যোগিনী, সাক্ষাৎ কুমাৰী কুলদেৱতা।
অসুৰা দুষ্ট নাগাশ্চ যে যে দুষ্ট গ্রহাঃ অপি।।
ভূত-বেতালা, গন্ধর্বা ডাকিনী যক্ষ ৰাক্ষসাঃ।
যাশ্চান্যা দেৱতাঃ সর্বা ভূর্ভুবঃস্বশ্চ ভৈৰবাঃ।।
পৃথিব্যাদিনী সর্বানি ব্রহ্মাণ্ডং স চৰাচৰম্।
ব্রহ্মা-বিষ্ণুশ্চ-ৰুদ্রশ্চ সদাশিৱঃ।।
তে দুষ্টাঃ সর্বতুষ্টাশ্চ যত্র কণ্যাং প্রভূজয়েৎ।
বিধি যুক্ত কুমাৰীভির্ভোজয়েচ্চৈব ভৈৰবীম্।।"

মহাশক্তি স্বৰূপা কুমাৰী পূজা কৰিলে সমষ্ট জগৎ আৰু ব্রহ্মাদি সকলো দেৱতা সন্তুষ্ট হয়, ভক্তসকল ইহলোকত সর্ব্বসম্পত্তি লাভ কৰি শেষত পৰম শান্তি লাভ কৰে। বৈষ্ণৱ, শক্তি আদি ধর্মাবলম্বী সকলোৱে যোগিনী ৰূপা কুমাৰী পূজা কৰিব পাৰে। বাসন্তী দুর্গা নৱমী, শৰৎ কালীন দুর্গা নৱমী, জগদ্ধাত্রী, অন্নপূর্ণা পূজা আৰু সর্ব মাহৰ শুক্লা নৱমী তিথিত কুমাৰী পূজা কৰাৰ বিধি আছে।

প্রাচীন কালৰ পৰাই 'মা' দুর্গা পূজা চলি আহিছে। বিভিন্ন সময়ত, বিভিন্ন নামত আৰু বিভিন্ন ৰূপত দেৱী দুর্গাৰ পূজা-সেৱা সমগ্র ভাৰতবর্ষতে প্রচলিত হৈ আছে। লক্ষ্মী, কালী, সৰস্বতী, বৈষ্ণৱী, দুর্গা, কুমাৰী আদি নামত আৰু ৰূপত পূজা-অর্চনা কৰা হয়। 'কুমাৰী পূজা' আদ্যশক্তি মহামায়া দুর্গা পূজাৰ



এক অংগ। গতিকে কুমাৰী পূজাও দুর্গা পূজাৰে অন্য এক নাম। দেৱী কুমাৰীক মহাকালীৰ অন্য এক ৰূপে প্রাচীন ধর্ম গ্রন্থসমূহে বর্ণনা কৰিছে। যোগিনী তন্ত্রত কুমাৰী পূজাৰ এটি উপাখ্যান বর্ণিত আছে—

বিশ্ব ব্রহ্মাণ্ডৰ সৃষ্টিৰ আগতে সর্বশ্রেষ্ঠ, সর্বব্যাপী ভগৱান বিষ্ণু এবাৰ ব্রহ্মাৰ শাপত শাপিত হৈছিল। এই শাপ মোচনৰ বাবে ভগৱান বিষ্ণুৱে মহাকালীৰ পাপক্ষয়কাৰী অষ্টাক্ষৰী মহাবিদ্যা একান্তমনে জপ কৰিবলৈ লৈছিল। দশ সহস্রবর্ষ একাগ্রচিত্তে জপ কৰাৰ অন্তত দেৱী কালী সন্তুষ্ট হৈ দেখা দিছিল। দেৱীৰ দর্শন মাত্রে বিষ্ণু শাপমুক্ত হৈছিল। বিষ্ণুৰ সর্বপাপৰ প্রতীক হিচাবে তেওঁৰ বক্ষস্থলৰ পৰা 'কোলা' নামেৰে এজন অসুৰৰ আবির্ভাৱ হৈছিল। এই কোলাসুৰ মহা শক্তিশালী, অত্যাচাৰী আৰু অতীব নিষ্ঠুৰ আছিল। কোলাসুৰে অন্যান্য অসুৰৰ লগত মিলিত হৈ দেৱতাসকলক অত্যাচাৰ কৰিবলৈ লৈছিল। বিষ্ণু পাপমুক্ত হ'ল সঁচা কিন্তু দেৱতাসকল মহাবিপদত পৰিল। কোলা সহিতে অন্য অসুৰগণৰ আক্রমণত পৰাজিত হৈ ইন্দ্র আৰু দেৱতাসকলে স্বর্গ ৰাজ্যৰ পৰা পলায়ন কৰিবলৈ বাধ্য হ'ল। কোলাসুৰে 'বিষ্ণুধাম' আৰু ব্রহ্মাৰ 'কমলাসনো' অধিকাৰ কৰি ল'লে। উপায়ন্তৰ হৈ দেৱতা সকলে মহাকালীৰ শৰণাপন্ন হয়। দেৱতাসকলৰ স্তুতিত সন্তুষ্ট হৈ দেৱীয়ে কুমাৰী ৰূপ ধৰি কোলাসুৰক বধ কৰিব বুলি আশ্বাস দিয়ে। তাৰ পিছত দেৱীয়ে এজনী বিপ্রকুমাৰী ৰূপত কোলাসুৰৰ ওচৰ পায়গৈ, আৰু কোলাসুৰক মোহিত কৰি পেলায়। দেৱীয়ে অসুৰৰ ওচৰত এগৰাকী আশ্রয়হীনা, অসহায় আৰু ভোকাতুৰা ব্রাহ্মণৰ কুমাৰী বুলি নিজকে পৰিচয় দিয়ে আৰু অসুৰৰ ওচৰত খাদ্য বস্তুৰ বাবে কাতৰে প্রার্থনা কৰে। দেৱীৰ চলনা বুজিব নোৱাৰি কোলাসুৰে দেৱীক সাধাৰণ মনুষ্য কুমাৰী বুলি গণ্য কৰে আৰু দেৱীক নিজ অন্তেষপুৰত বহুৱাই লৈ খাদ্য যোগান ধৰিবলৈ লয়। দেৱীয়ে নিমিষতে সকলো খোৱা বস্তু শেষ কৰি পেলায়। অসুৰে আৰু অধিক খোৱাবস্তু কুমাৰীক যোগান ধৰে কিন্তু দেৱীয়ে পুনৰ সকলোখিনি চকুৰ পচাৰতে নাইকীয়া. কৰি পেলায়। দেৱীক খাদ্য দি অসুৰ ভাগৰি পৰিল কিন্তু তেওঁৰ ক্ষুধা নিবাৰণ নহ'ল। শেষত কোলাসুৰে কুমাৰীৰূপী দেৱীক ক্ষুধা নির্বাৰণ নোহোৱা পর্যন্ত যি মন যায় তাকে ভক্ষণ কৰিবলৈ অনুমতি দিয়ে। দেৱীও ইয়াকেই ইচ্ছা কৰি আছিল। অনুমতি পোৱা মাত্রকে অসুৰৰ ৰথ-ৰথী, হাতী-ঘোঁৰা, সৈন্য-সামন্ত, অনুচৰ আৰু অন্তত কোলাসুৰক ভক্ষণ কৰি পেলালে। এনেদৰে দেৱীয়ে দেৱতাসকলক অসুৰৰ উৎপীড়ণৰ পৰা ৰক্ষা কৰিলে। তেতিয়া দেৱতাসকলে সুগন্ধি দ্রব্য, ফুল আদিৰে দেৱীক পূজা-অর্চনা কৰিলে। স্বর্গ ৰাজ্য ঘু�ৰাই পায় সকলো দেৱতাই দেৱীক কুমাৰী ৰূপত পূজা-প্রার্থনা কৰিবলৈ ল'লে।

মহাকালী মহামায়া দেৱী অপ্রসুতি আৰু সদায় কুমাৰী ৰূপত আছিল। মৰতৰ মানৱসকলেও তেতিয়াৰ পৰাই মহাকালী স্বৰূপা দেৱী কুমাৰীক পুজিবলৈ লৈছিল। এনেদৰে তেতিয়াৰ পৰাই কুমাৰী পূজাৰ প্রচলন হৈছিল। প্রাচীন কালৰে পৰা কামৰূপত কুমাৰী পূজাৰ প্রচলন আছে বুলি যোগিনী তন্ত্রত উল্লেখ আছে। কুমাৰী পূজাৰ বাবে অসমৰ নীলাচল পাহাৰস্থিত কামাখ্যা মন্দিৰ ভাৰত বিখ্যাত। বসন্ত কালত অনুষ্ঠিত বাসন্তী পূজা আৰু শাৰদীয় দুর্গা পূজাত সপ্তমী, অষ্টমী আৰু নৱমী তিথিত কুমাৰী পূজা কৰা হয়। কোনো কোনো সম্প্রদায়ৰ লোকে শুক্ল নৱমী তিথি যুক্ত শ্রীশ্রী চণ্ডী পূজাতো কুমাৰী পূজা কৰা দেখা যায়। আকৌ কোনো কোনো ঠাইত বসন্তকালীন আৰু শাৰদীয় দুর্গা পূজাৰ দেৱী পক্ষৰ (শুক্ল পক্ষৰ) প্রতিপদ তিথিৰ পৰা নৱমী তিথিলৈ 'নৱৰাত্র' পূজাতো কুমাৰী পূজা কৰাৰ নিদর্শন আছে। কুমাৰী পূজাৰ বাবে নির্বাচিত কুমাৰীসকলক ষোড়শ ভাগত নামাকৰণ কৰা হৈছে—

একবর্ষা ভবেৎ সন্ধ্যা দ্বি বর্ষা চ সৰস্বতী।
ত্রিবর্ষা চ ত্রিধামূর্ত্তিশ্চতুবর্ষা তু কালিকা।।
সুভগা পঞ্চবর্ষা চ ষড়বর্ষা চ উমা ভবেৎ।
সপ্তভির্মালিনী সাক্ষাদষ্ট বর্ষা তু কুব্জিকা।।
নবভিঃ কালসন্দর্ভা দশভিশ্চা পৰাজিতা।
একাদশে চ ৰুদ্রাণী দ্বাদশাব্দে তু ভৈৰবী।।
ত্রয়োদশে মহালক্ষ্মী দিসপ্তাপীঠনায়িকা।
ক্ষেত্রজ্ঞা পঞ্চদশভিঃ ষোড়শে চাম্বিকাস্মৃতা।।
এবং ক্রমেন সংপূজ্যা যাবৎ পুষ্পং ন বিদ্যাতে।

(১) একবর্ষা কুমাৰী — সন্ধ্যাকুমাৰী।
(২) দ্বিবর্ষা কুমাৰী — সৰস্বতী কুমাৰী।
(৩) ত্রিবর্ষা কুমাৰী — ত্রিধামূর্ত্তি কুমাৰী।
(৪) চতুর্থ বর্ষা কুমাৰী — কালিকা কুমাৰী।
(৫) পঞ্চমবর্ষা কুমাৰী — সুভগা কুমাৰী।
(৬) ষষ্ঠ বর্ষা কুমাৰী — উমা কুমাৰী।
(৭) সপ্তম বর্ষা কুমাৰী — মালিনী কুমাৰী।
(৮) অষ্টম বর্ষা কুমাৰী — কুব্জিকা কুমাৰী।
(৯) নৱম বর্ষা কুমাৰী — কালসন্দর্ভা কুমাৰী।
(১০) দশম বর্ষা কুমাৰী — অপৰাজিতা কুমাৰী।
(১১) একাদশ বর্ষা কুমাৰী — ৰুদ্রাণী কুমাৰী।
(১২) দ্বাদশ বর্ষা কুমাৰী — ভৈৰৰী কুমাৰী।
(১৩) ত্রয়োদশ বর্ষা কুমাৰী — মহালক্ষ্মী কুমাৰী।

(১৪) চতুর্দশ বর্ষা কুমাৰী — পীঠ নায়িকা কুমাৰী।

(১৫) পঞ্চদশ বর্ষা কুমাৰী — ক্ষেত্রজ্ঞা কুমাৰী

(১৬) ষোড়শদশ বর্ষ কুমাৰী — অম্বিকা কুমাৰী।

কুমাৰী পূজা হৈছে কাম্য পূজা। কুমাৰী নির্ণয়ৰ ক্ষেত্রত নীতি-নিয়ম অনুসৰি অগ্রসৰ হ'ব লাগে। কণ্যা সন্তান যেতিয়ালৈকে ঋতুমতী নহয়, ক্রমানুসাৰে সেইসকল কুমাৰীক পূজা কৰাৰ প্রথা প্রচলিত হৈ আছে। বিশেষ সিদ্ধিৰ বাবে শাস্ত্রত কুমাৰী পূজাৰ বিধান আছে। নিৰোগী-নিখুট কুমাৰীক নির্বাচন কৰি সভক্তিৰে পূজা-অর্চনা কৰিলে মনৰ কামনা পূৰণ হয় বুলি কথিত আছে।

পূজাৰ আগদিনাৰ পৰা নির্দ্ধাৰিত নীতি-নিয়মৰ মাজত থাকি পূজাৰ আগমুহূর্তত কুমাৰীক স্নান কৰাই নতুন শাড়ীসহ অন্যান্য বস্ত্র পৰিধান কৰাই, কপালত সেন্দূৰৰ ফোঁট, হাত-ভৰি-কাণ-ডিঙি আৰু নাকত অলংকাৰ পিন্ধাই দেৱীৰ ৰূপত সজাই আমন্ত্রিত পুৰোহিত ব্রাহ্মণৰ দ্বাৰা পূজা কৰা হয়। "ওঁম বালৰূপাঞ্চ ত্রৈলোক্য সুন্দৰীং ৰৰবর্ণিনীম্। নানালংকাৰ ভূষাংগীং ভদ্র বিদ্যা প্রকাশিনীম্।। চাৰুহাসং মহানন্দ হৃদয়ং শুভদাং শুভাম্। ধ্যায়েৎ কুমাৰীং জননীং পৰমানন্দ ৰূপীনীম্।।" — এই ধ্যান মন্ত্রেৰে পুৰোহিতে পূজা কৰে। আসন, বস্ত্র, অলংকাৰ, নৈবদ্য, ফল-মূল, পাদ্য-অর্ঘ্য আদিৰে দেৱীক ষোড়শ উপচাৰে পূজা কৰি কাম্য ফল প্রাপ্তি কামনাৰে সভক্তিৰে দেৱীৰ পূজা কৰা হয়—

"ওঁম নমামি কুলবাসিনীং পৰমভাগ্য সন্দায়িনীং।
কুমাৰী ৰৰচাতুৰীং সকল সিদ্ধিদা নন্দিনীম্।।
প্রবাল গুটিকা স্রজং ৰজতৰাগ বস্ত্রান্বিতাং।
হিৰণ্য কূল ভূষণাং ভূবন ৰূপকুমাৰীং ভজে।।"

প্রণামৰ অন্তত কুমাৰীৰ প্রতি ভক্তিসহ দক্ষিণা অর্পণ কৰি সু-স্বাদু খাদ্য দ্রব্য ভোজন কৰাই, সেৱা জনাই কুমাৰীক নিত্য ঘৰলৈ প্রেৰণা কৰিব লাগে।

এগৰাকী কুমাৰীক পূজা-অর্চনা কৰিলে সকলো দেৱতাকে পূজা কৰা হয়। আকৌ বহুগৰাকী কুমাৰীকে পূজা কৰিলে তিনিওলোকৰ সকলোকে পূজা কৰাৰ সম ফল লাভ কৰিব পাৰি বুলি প্রবাদ আছে। আগতেই উল্লেখ কৰা হৈছে যে, কুমাৰী পূজাৰ বাবে কামাখ্যা মন্দিৰ ভাৰত বিখ্যাত। সেয়েহে দূৰ-দূৰণিৰ পৰা কাম্য ফল প্রাপ্তিৰ বাবে কামাখ্যা মন্দিৰলৈ আহি ভক্তসকলে কুমাৰী পূজা কৰি মনত সন্তুষ্টি লাভ কৰি আহিছে। বর্তমানো কামাখ্যাৰ ব্রাহ্মণসকলৰ কুমাৰী দুহিতাক নীতি-নিয়মৰ মাধ্যমেৰে কুমাৰী পূজাত বহুওৱা দেখা যায়।

কলিকতাৰ 'বেলুড়' মঠত দুর্গা পূজাৰ লগতে স্বামী বিবেকানন্দই প্রথমে কুমাৰী পূজাৰ প্রচলন কৰিছিল বুলি প্রবাদ আছে। সেই মঠত কুমাৰী পূজাৰ সময়ত কুমাৰীৰ দর্শনার্থী ভক্তৰ সমাগম হয়। অসমৰ বাহিৰত নৱৰাত্রি পালনৰ কালছোৱাত প্রতিদিনে কুমাৰী পূজা অনুষ্ঠিত কৰা হয়।

অসমৰ কোনো কোনো ঠাইত দুর্গা পূজাৰ সময়ত নৱমীৰ দিনা কুমাৰী পূজা অনুষ্ঠিত কৰা দেখা যায়। অর্থাৎ, দুর্গতি নাশিনী দেৱী 'আদ্যশক্তি' কুমাৰী ৰূপত মর্ত্ত্যলৈ নামি আহি ভক্তৰ মনোবাঞ্ছা পুৰণ কৰে বুলি হিন্দুসকলৰ মাজত জনবিশ্বাস আছে।❑



লেখক পৰিচিতি ঃ বিশিষ্ট লেখক তথা অৱসৰী বিষয় শিক্ষক, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়



শাৰদীয় শ্রীশ্রী দুর্গাদেৱীৰ মৰতলৈ আগমন-গমন আৰু মৰতত ইয়াৰ প্রভাৱ

উপেন্দ্র নাথ বৰদলৈ

ওঁ সর্ব্বমঙ্গল মঙ্গল্যে শিৱে সর্বার্থসাধিকে।
শৰণ্যে ত্র্যম্বকে গৌৰী নাৰায়ণী নসোহস্তুতে ।।

বর্তমান বছৰৰ ৪ আহিন ইং ২১ ছেপ্টেম্বৰ, ২০২৫, শকাব্দ ১৯৪৭ দেওবাৰে মাতা দুর্গাদেৱীৰ মৰতলৈ আগমন ঘটিব। উক্ত দিনা আংশিক সূর্য্যগ্রহণো লাগিছে। ই মৰতবাসীৰ বাবে শুভ বুলি ক'ব পৰা নাযায়। তাৰ মাজতে সৎ লোক তথা মাতাৰ প্রতি ভক্তি পৰায়ণ ব্যক্তিসকলক মাতাই অৱশ্যে ৰক্ষা কৰিব।

এইবাৰ শাৰদীয় শ্রীশ্রী দুর্গাদেৱী মৰতলৈ আহিব হাতীত। দেৱীৰ গজে আগমনৰ ফল-শস্য পূর্ণা বসুন্ধৰা।

দেৱীমাতাই সিংহ বাহন এৰি মৰতলৈ হাতী, ঘোঁৰা, দোলা আদি ব্যৱস্থাৰ কৰাৰো কিছু কাৰণ আছে। সিংহ অতি খঙাল জন্তু। তাৰ খং উঠিলে দুষ্কৃতিকাৰীক লগে লগে বিনাশ ঘটাব। দেৱী মাতাই সেইটো নিবিচাৰে। সেয়ে মাতা দুর্গাই দেৱৰাজ ইন্দ্রৰ বগা ঐৰাবৎ যাক তেওঁ সমুদ্রমন্থনত লাভ কৰিছিল, দেৱগুৰু বৃহস্পতি আৰু বাবা বিশ্বকর্মাৰ অতি শান্ত ধীৰ-স্থিৰ হস্তীহে ব্যৱহাৰ কৰিছে। ইন্দ্রৰ শুভ্র হাতী ব্যৱহাৰ কৰা মানে যিসকল ব্যক্তি সদায় শুদ্ধ পথত থাকে, দেশৰ প্রধানমন্ত্রী গৃহমন্ত্রী, ৰাজ্যৰ মুখ্যমন্ত্রীয়ে নিষ্ঠাৰে নিজৰ কর্ত্তব্য পালন কৰে সেইসকলক দেৱীয়ে তেৰাৰ অজেয় শক্তি প্রদান কৰে আৰু লক্ষ্যপথ সুগম কৰি দিয়ে। মাতাৰ কৃপাধন্য হৈ বিশ্বত নিজ নিজ সুনাম আর্জন কৰিবলৈ সমর্থ হয়।

১২ আহিন ইং ২৯ ছেপ্টেম্বৰ, ২০২৫ তাং সোমবাৰে দেৱীক স্থাপন কৰি দুর্গাসপ্তমী বিহিত পূজা আৰম্ভ কৰা হ'ব।

১৫ আহিন ইং ০২ অক্টোবৰ, ২০২৫ৰ বৃহস্পতিবাৰে দেৱী গৃহ গমন কৰিব দোলাত। ফল— **দোলায়াং মৰকং ভবেৎ।**

এইবাৰ মাতা দুর্গা অতিকৈ ক্ষোভিত। যিসকলে দেৱ-দেৱীৰ বিগ্রহ ভঙা-ছিঙা কৰা, ধর্ম মন্দিৰৰ বিগ্রহ, ধন, সোণ, বাচন-বর্ত্তন লোট কৰা, মন্দিৰলৈ গো-মাংস, গো-মুণ্ড আদি নিক্ষেপ কৰাসকলৰ নিস্তাৰ নাই। মাতাৰ ক্রোধান্বিত সেইসকলৰ গৃহাদি ধূলিস্যাৎ হ'ব, নিজৰ মাজতে ভাতৃঘাতী সংঘর্ষ লাগি বহু



লোক নিপাত যাব। সেয়ে মাতাৰ চৰণত আটায়ে ভক্তিভাৱে প্রার্থনা জনোৱা উচিত বুলি ভাবোঁ। প্রার্থনাৰ আগত আমি মহালয়া সম্পর্কে কিছু কথা জনা দর্কাৰ।

পার্বণ বিধিৰে ভাদ্র মাহৰ বা আহিন মাহৰ কৃষ্ণ পক্ষৰ প্রতিপদৰ পৰা নৱ দুর্গা পূজা আৰম্ভ হোৱাৰ আগত কৃষ্ণা প্রতিপদৰ পৰা অমাৱস্যালৈ পিতৃপক্ষ আৰম্ভ। পিতৃপক্ষৰ প্রতিপদৰ পৰা অমাবস্যালৈ পার্বণ বিধিৰে কৰা পিতৃ শ্রাদ্ধক মহালয়া শ্রাদ্ধ বোলা হয়। তত্ত্বদর্শী মুনিগণৰ মতে ভাদ মাহৰ পৰা আঘোণ মাহ পর্যন্ত মহালয়াৰ কাল। মহালয়া শ্রাদ্ধ কৰোঁতাজনৰ গৃহলৈ ভূত-প্রেত, পিশাচ আদি অপশক্তি আহিব নোৱাৰে, আহিলেও নিজে নিজে নাশ হৈ যায়।

এই বছৰ দেৱীয়ে দোলাৰে গমন কৰিব। দোলায়াং মৰকং ভবেৎ— ফল স্বৰূপে পৃথিৱীত ৰৌদ্রতাপ, ডাৱৰ বিস্ফোৰণ, প্রবল ধুমুহা-বতাহ, অতিবৃষ্টি, অনাবৃষ্টি, নানা ধৰণৰ দুর্ঘটনা, গৃহদাহ, গোষ্ঠী সংঘর্ষ, শিশু ধর্ষণ, নাৰীদেহ ব্যৱসায়, চুৰি-ডকাইটী, বিমান দুর্ঘটনা, প্রবল ভূমিকম্প, আগ্নেয়গিৰি উদ্গীৰণ, সীমাবিবাদ আদিৰ সূচনা কৰে। এইবিলাকৰ পৰা ৰক্ষা পাবলৈ মাতা দুর্গাদেৱীৰ শ্রীচৰণত ভক্তিভাৱে পুষ্পাঞ্জলি অর্পণ কৰি প্রার্থনা জনাওঁ আহক—

য়া দেৱী-সর্বভূতেষু শক্তিৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমোঃ নমঃ।।
সৃষ্টি স্থিতি বিনাশানাং শক্তিভূতে সনাতনী।
গুণাশ্রয়ে গুণময়ে নাৰায়ণী নমোহস্তুতে।।
শৰণাগত দীনার্ত্ত পৰিত্রাণ পৰায়ণে।
সর্ব্বস্যার্ত্তি হৰে দেৱী নাৰায়ণী নমোহস্তুতে।।
প্রসীদ জগদম্বে প্রসীদ ভক্তবৎসলে।
প্রসাদং কুৰুমে দেৱী দুর্গে মাতা নমোহস্তুতে।।

মাতা দুর্গাদেৱীৰ ভক্তসকলক ব্রাহ্মণ পুৰোহিতসকলৰ দ্বাৰা ৰোগ নিবাৰণৰ বাবে তলৰ মন্ত্রটো আগবঢ়োবা হ'ল। এই মন্ত্রৰ দ্বাৰা একৈশবাৰ পানী কটাৰী এখনেৰে কাটি সেই পানী পান কৰিলে ৰোগ দূৰ হয় আৰু মনৰ পৰা সকলো ভয় ভাব আঁতৰ হয়।

মন্ত্রটো হ'ল—

১) ওঁ হুঁ সং হং সঃ

২) ঐকাহিক জ্বৰ শান্তি

ওঁ বাণযুদ্ধে মহাঘোৰে দ্বাদর্শাক সমপ্রভে।
জাতোহসৌ সুমহাবীর্য্যো মুঞ্চন্তে কাহিকং জ্বৰম।।
লিখেদশ্ব থাপত্রেচ বাহৌ মন্ত্রঞ্চ ধাৰয়েৎ।
ঐকাহিকং জ্বৰংহন্তি পুৰুষো দক্ষিণ কৰে।।

এই মন্ত্রটো আঁহতৰ পাতত লিখি কবচৰ আকাৰে পুৰুষে সোঁহাত আৰু মহিলাই ধাৰণ কৰিলে ঐকাহিক বা এদিন এৰি এদিন হোৱা জ্বৰ দূৰ হ'ব।

ওঁ শ্রীশ্রী শাৰদীয়া দুর্গাদেৱীয়ৈ নমঃ ❑



শাৰদীয় দুৰ্গোৎসৱ, দশহৰা আৰু পৰিৱেশ সজাগতা

ৰুমী শর্মা বৰঠাকুৰ

এয়া শৰৎকাল। অসমৰ প্ৰকৃতিয়েই গ্ৰীষ্মৰ অন্তত শাৰদী ৰাণীক সজাই-পৰাই এক নাতিশীতোষ্ণ পৰিৱেশৰ আগজাননী দিয়ে। যদিও আগৰ দৰে শৰৎকালত নিয়ৰত সেমেকা দূৰৰি দলিছাত শুভ্ৰ শেৱালি সৰি পৰি শৰতক আদৰণি নজনায়, তথাপি আমাৰ মনলৈ শৰৎ অহাৰ দৰেই আহে। এয়া শাৰদীয় দুৰ্গোৎসৱৰ বতৰ। মানুহৰ সন্মুখত দেখা পোৱা যিবোৰ কাৰ্য্যই এক যাদুৰ দৰে ক্ৰিয়া কৰিছিল বা তাৰ সৃষ্টিৰ আঁৰৰ ৰহস্য উদ্‌ঘাটন কৰিব নোৱাৰিছিল, সেয়াই আছিল অদৃষ্ট শক্তিৰ মহিমা। সেই শক্তিৰ কুদৃষ্টিৰ পৰা ৰক্ষা পাবলৈ শক্তিৰ পূজা বা উপাসনা কৰা আৰম্ভ হয়। সেয়েহে বিভিন্ন ক্ষেত্ৰৰ অধিষ্ঠাত্ৰী দেৱ-দেৱীৰ পূজা বহু কল্প কাহিনীৰে সৃষ্টি হয়।

দুৰ্গা পূজা পালনৰো তেনে কিছুমান কল্প কাহিনী আছে। ১৬১৪ খ্ৰীষ্টাব্দত দৰঙৰ ৰজা বলি নাৰায়ণে দুৰ্গা পূজাৰ আয়োজন কৰিছিল। পাছলৈ আহোম ৰজা স্বৰ্গদেউ ৰুদ্ৰ সিংহই গড়গাঁৱত ৰাজকীয়ভাৱে দুৰ্গা পূজা পালন কৰিবলৈ আৰম্ভ কৰে। দুৰ্গা পূজা অসমৰ জাতীয় উৎসৱ নহয় যদিও আহোম ৰাজত্ব কালৰ পৰাই দুৰ্গা পূজাৰ আৰম্ভণি হৈছিল বুলি জনা যায়। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত দুৰ্গা পূজাৰ প্ৰচলন আছে। কলিঙ্গৰ (বৰ্তমান উড়িশা) ৰজা সুৰথে ৰাজ্যধন হেৰুৱাই সমাধি বৈশ্য নামৰ এজন সদাগৰৰ লগ হৈ নদীৰ পাৰত মৃন্ময় মূৰ্তি সাজি দুৰ্গা পূজা পালন কৰে বুলি মাৰ্কণ্ডেয় পুৰাণ মতে জনা যায়। কাহিনী মতে জনা যায় যে তেওঁলোকে মৰতলৈ দেৱী দুৰ্গাক বোধন কৰি আনি পূজা কৰিলে সকলো দুৰ্গতিৰ পৰা মুক্তি পাব। সেই অনুসৰি বসন্ত কালত বাসন্তী দেৱীৰূপে মৰতলৈ আনি পূজা কৰি মনৰ বাঞ্ছা পূৰ্ণ কৰে। বাসন্তী পূজা অসম আৰু পশ্চিম বঙ্গৰ উপৰি স্থান বিশেষে হয় যদিও দুৰ্গা পূজা হিচাপে শৰৎ কালৰ দুৰ্গা পূজা ভাৰতৰ বহু ঠাইত পালন কৰে। আন এক কাহিনী মতে ৰামচন্দ্ৰই ৰাৱণ বধৰ কাৰণে বসন্ত কালৰ পৰিৱৰ্তে অকালতে অৰ্থাৎ শৰৎকালত ১০৮টা নীল পদ্যৰে সাগৰ তীৰত দেৱী দুৰ্গাক পূজা কৰিছিল। সেইবাবে এই পূজাক অকালবোধন বুলিও জনা যায়।

অসমৰ দুৰ্গা পূজা আৰু মহীশূৰৰ দশহৰাৰ মাজত সম্পৰ্ক এয়ে যে— দুয়ো ঠাইতে দুৰ্গা পূজাৰ প্ৰধান উদ্দেশ্য হৈছে মানৱ সমাজত অশুভ শক্তিৰ বিনাশ কৰা। জন বিশ্বাসমতে দুৰ্গাই দৈত্য, বিঘ্ন, ৰোগ, পাপ, ভয় আৰু শত্ৰুৰ পৰা ৰক্ষা কৰে। মহীশূৰৰ দশহৰা দহদিন ধৰি হয় আৰু অসমৰ দুৰ্গা পূজা পাঁচ দিনহে হয়। দশহৰা উৎসৱ আৰম্ভ হয় সাধাৰণতে আহিন মাহৰ শুক্লপক্ষৰ প্ৰতিপদ তিথিৰ পৰা আৰু দশমীত সামৰণি পৰে। দুৰ্গা দেৱীৰ নটা ৰূপৰ প্ৰতিদিনে নৱমীলৈকে পূজা হয় বুলি জনা যায়। দুৰ্গা পূজাত ষষ্ঠীৰ দিনা নৱ-পত্ৰিকা স্থাপন কৰি

ষষ্ঠী পূজা আৰু সপ্তমী, অষ্টমী আৰু নৱমীত দেৱীৰ পূজা কৰা হয়। অষ্টমীৰ সন্ধিক্ষণত শক্তি পূজা অনুষ্ঠিত হয়। নৱমীৰ পাছত দশমী তিথিত দেৱীৰ বিসর্জন কৰা হয়। এই বছৰ দুর্গা পূজা ২৭ ছেপ্টেম্বৰত আৰম্ভ হৈ ২ অক্টোবৰত বিসর্জন বুলি জনা যায়। আনদিশে ২৩ ছেপ্টেম্বৰৰ পৰা দশহৰা উৎসৱ আৰম্ভ হ'ব।

অসমৰ জাতীয় উৎসৱ যিহেতু বিহু আৰু এই বিহুৰ লগত কৃষিৰ এক সম্পর্ক আছে সেয়েহে অসমত দুর্গা পূজা ধুমধামেৰে পালন কৰিলেও এই পূজাত কৃষিজাত শস্যৰ ব্যৱহাৰ কৰাটোও উল্লেখযোগ্য। দুর্গা পূজাত ন-বিধ গছত দেৱী দুর্গাৰ ন-টি ৰূপ কল্পনা কৰি নৱ-পত্রিকাৰে দেৱীৰ বোধন আৰম্ভ হয়। উল্লেখ্য যে বৈষ্ণৱ, শাক্ত, শৈৱ আদি ধর্মীয় ৰীতি-নীতিৰে কৰা পূজা হোম আদি কার্য্যত আম, আঁহত, বট, কঁঠাল, অশোক, পলাশ, সমীৰ, যজ্ঞ ডিমৰু, খাগৰি আদি গছৰ ডাল-পাত ব্যৱহাৰ হয়। আনদিশে তুলসী, দূৰ্বি বন, কুশ নহ'লে কোনো বৈদিক কাম-কাজ সিদ্ধি নহয় বুলি জনা যায়। তেনেকৈ পূজা-পার্বণত আগবঢ়োৱা শৰাইখনত, তামোল-পাণ, বুটমাহ, মগুমাহকে আদি কৰি কল, কুঁহিয়াৰ, চাউল, আদা, নাৰিকল আদি বিভিন্ন প্রকাৰৰ ফলমূল আদি দিয়া হয়। এনেদৰে পূজা-পার্বণত কলগছ অপৰিহার্য্যৰ দৰে শিলিখা, তিল, সৰিয়হ, যৱ, লং, চফ, ইলাচী, ডালচেনি, জাইফল, বেলপাত তথা ফুলৰ আৱশ্যক হয়। অর্থাৎ আমাৰ জীৱন ধাৰণত প্রকৃতিৰ অৱদান অপৰিহার্য্য।

সাম্প্রতিক সময়ত পৰিৱেশ প্রদূষণৰ কথা আমাৰ জীৱন ধাৰণৰ প্রতিটো মুহূর্ততে মনলৈ আহে। সেয়েহে পূজাৰ দৰেই অন্যান্য উৎসৱ উদ্‌যাপন ইয়াৰ পৰা পৃথক নহয়। সভ্যতাৰ বিকাশৰ লগে লগে মানৱ জাতিৰ প্রকৃতিৰ লগত দূৰত্ব বাঢ়ি আহিলেও এই পূজাৰ বিষয়ে আমি কিছু গভীৰতালৈ গৈ যদি অনুসন্ধান কৰোঁ— এটা সময়ত মানৱ জাতিয়ে নিজৰ জ্ঞানেৰে ঢুকি নোপোৱা প্রাকৃতিক দুর্যোগৰ বাবে যেনেকৈ পূজা-অর্চনা কৰিছিল, সেয়া আজিও অন্য ধৰণেৰে বিৰাজমান হৈ আছে বুলি উপলব্ধি কৰোঁ। পূজাৰ অর্থ যদি মানৱ জাতিৰ কল্যাণ সাধন, ইয়ো এক বৃক্ষ পূজাৰ দৰে আমি আমাৰ পৰিৱেশ প্রদূষণ ৰোধ কৰাৰ এক মহান প্রচেষ্টা হিচাপে ভাবিব পাৰোঁ। দুর্গা পূজাৰ নৱ-পত্রিকাত দেৱী দুর্গাৰ ৰূপ হিচাপে— (১) দেৱী ব্রাহ্মণী হিচাপে কলগছ, (২) দেৱী কালিকা হিচাপে ক'লা কচুগছ, (৩) দেৱী দুর্গা হিচাপে হালধি গছ, (৪) কার্তিকী হিচাপে জয়ন্তী ফুলৰ গছ, (৫) শিৱ হিচাপে বেল গছ, (৬) দেৱী ৰক্ত দণ্ডিকা হিচাপে ডালিম গছ, (৭) দেৱী শোক ৰহিতা হিচাপে অশোক ফুলৰ গছ, (৮) দেৱী মহালক্ষী হিচাপে ধান গছ, (৯) দেৱী চামুণ্ডা ৰূপত মান কচুক পূজা কৰা হয়। মহীশূৰৰ দশহৰাত দেৱীৰ এই ন-টা ৰূপক প্রতিপদৰ পৰা নৱমীলৈকে পূজা কৰে। অসমত নৱ-পত্রিকা সাজি ষষ্ঠীৰ দিনা প্রতিষ্ঠা কৰে।

কাহিনী মতে ৰাজপুত বংশৰ ৰজা ৰাৰিঅ'ৰ-১ৰ দিনতে অর্থাৎ ১৬১০ত মহীশূৰত দশহৰা উৎসৱ আৰম্ভ হয় বুলি জনা যায়। প্রথমে কর্ণাটকৰ শ্রীৰঙ্গপাটনাত দশহৰা আৰম্ভ হৈছিল বুলি কথিত আছে যদিও ১৭৯৯ত মহীশূৰ ৰাজধানী হয় আৰু দশহৰা উৎসৱ বহু ধুমধামেৰে পালন কৰে। এই উৎসৱত সমগ্র কর্ণাটকৰ চহকী ঐতিহ্য, সংস্কৃতি, পৰম্পৰাৰ প্রদর্শনৰে সাংস্কৃতিক শোভাযাত্রা হয়। সাংস্কৃতিক শোভাযাত্রাৰ বাবে সৰু-ডাঙৰ হাতীক শিকায়। প্রায় এমাহ আগৰ পৰা এই আখৰা আৰম্ভ হয়। মহীশূৰৰ প্রধান পথত চামুণ্ডেশ্বৰী গোসাঁনীক লৈ সাংস্কৃতিক শোভাযাত্রা কৰে। তেনেদৰে দশহৰাৰ দহদিনত বিভিন্ন সাংস্কৃতিক কার্য্যসূচী— যেনেদৰে প্রদর্শনী, প্রতিযোগিতা জাতীয় নৃত্য-গীত আদি অনুষ্ঠিত হয়। বিশেষকৈ বিজয়া দশমীৰ দিনা সোণৰ হাউদাত চামুণ্ডেশ্বৰীক বহুৱাই শোভাযাত্রা কৰে বুলি জনা যায়। পূজাৰ ভক্তসকলে নতুন কাপোৰ-কানি পৰিধান কৰি নিজ প্রথাগতভাৱে প্রসাদ আগবঢ়াই দেৱী চামুণ্ডেশ্বৰীক পূজা-অর্চনা কৰে। মহীশূৰৰ ৰাজ অট্টালিকা হাজাৰ হাজাৰ বিজুলী বাতিৰে পোহৰাই তোলে। সেইকেইদিন দেশী-বিদেশী পর্য্যটকৰ স্থলী হৈ পৰে মহীশূৰ আৰু এনেদৰে বিশেষ স্থান কিছুমানত ব্যৱসায়-বাণিজ্যৰো পয়োভৰ দেখা যায়।


অসমৰ দৰ্বে দুর্গা পূজা উপলক্ষ্যে বহু হেজাৰ পেণ্ডেল সজাই পূজা পতাৰ ৰীতি মহীশূৰৰ দশহৰাত নাই। প্রত্যেকেই ঘৰে ঘৰে পূজা পাতে। তেনেদৰে দুর্গা পূজাৰ বিজয়া দশমীত গোসাঁনী বিসর্জনৰ ৰীতিও নাই। আনদিশে সৰস্বতী আৰু বিশ্বকর্মা পূজাৰ মূর্তি অসমৰ বাটে-ঘাটে দেখা পোৱাৰ ৰীতিৰে মহীশূৰ সমালোচিত নহয়। অর্থাৎ মহীশূৰ পূজা আদি উৎসৱত পৰিৱেশ প্রদূষণৰ তেনে কোনো অৰিহণা চকুত নপৰে।

অসম তথা ভাৰতৰ বিভিন্ন পূজা-পার্বণত প্রয়োজনীয় ফল-ফুল-পাত আদিৰ বাবে বিভিন্ন গছ সংৰক্ষণ কৰি আওপকীয়াকৈ গছ-গছনি সংৰক্ষণ কৰি পৰিৱেশ প্রদূষণ ৰোধ কৰাত সহায় আগবঢ়াব পাৰে। আনদিশে ষষ্ঠীত প্রতিষ্ঠা কৰা দেৱী দুর্গাৰ মূর্তি দশমীত যেতিয়া বিসর্জন দিয়া হয়, সেই বাবেও অসমৰ বিভাগীয় কর্তৃপক্ষই উপযুক্ত ব্যৱস্থা ল'লে জল-প্রদূষণ আদিত ৰোধ নিশ্চয় হ'ব। এয়া নিশ্চয় সকলোৱে স্বীকাৰ কৰিব যে পূজাৰ অর্থ যদি সকলোৰে মঙ্গল কামনা, পূজা পৰিৱেশ সজাগতা অবিহনে সম্পূর্ণ নহয়। সর্বত্র এনে সমস্যাবোৰৰ সমাধান আশা কৰোঁ। শেষত সকলোকে শাৰদীয় পূজাৰ শুভ কামনা জনালোঁ।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা



শারদ সংখ্যা


GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার



শৰৎ, সৌন্দর্যবোধ আৰু উত্তৰণৰ দায়বদ্ধতা

ড° অমৰজ্যোতি চৌধুৰী

শৰতৰ সময় দৰাচলতে সৰাপাত আৰু শেৱালিৰ সাধনাৰ সময়। মাটিৰ সৈতে মিলিবলৈয়ে যেন এই একান্ত সাধনা। মাটিত পৰিবলৈ লওঁতেও পাতখিনিয়ে অথবা শেৱালিয়ে যেন পোনে পোনে সৰি পৰাৰ সলনি উৰি বতাহত নাচি-বাগি আহে। যেন মাটিৰ সৈতে মিলনক উদ্‌যাপন কৰে। সেয়ে অনেকেই কয়— শৰৎ সাধনাৰ পৰিপূর্ণতাৰ সময়। চঞ্চল কঁহুৱা বনৰো সৌন্দর্য-সাধনাৰ সময় এয়া। সেয়ে শৰৎ হৈছে গভীৰ ৰোমাঞ্চকৰ সময়। সাগৰ যেন লাগে মোৰ শৰতৰ নির্মল আকাশখন। সাগৰৰ দৰে নীলা। পৰিষ্কাৰ নীলা। নির্মলতাৰ যেন বিস্তৃত প্রান্ত। দিনত ৰ'দৰ পোহৰে তিৰ্‌বিৰ্‌ কৰে নীলাৰ পিঠিত। বৈ দিয়ে আকাশৰ গা ঢকা ৰূপালী চাদৰ। ৰাতিৰ আকাশে আকৌ কাপোৰ সলায়। পিন্ধি আহে হালধীয়া জোনটোৱে মেলি দিয়া জোনাকী চাদৰ। গছৰ সেউজীয়া এতিয়া সলনি হয় পাতল মাটিয়া ৰঙেৰে। পুৱাই গান গায় এটা-দুটাকে সৰি থকা সৰাপাতে। শেৱালিয়ে। মাটিত একোটা টিলা হয়গৈ সৰাপাতৰ। কমি যায় গ্রীষ্মৰ প্রকোপ। লাহে লাহে নোহোৱা হয় দীঘল-ঠেঙীয়া বৰষুণ। তাৰ সলনি আহিবলৈ লয় অপৰূপ সৌন্দর্য আৰু লাৱণ্যৰ জীপাল বৰষুণ।

দেখিবলৈ নোহোৱা হয় ক'লীয়া মেঘৰ নাওৰোৰ। পাৰ হৈ থাকে বগা ডাৱৰৰ পালতৰা ডিঙা— সেইখন আকাশ সাগৰেৰে। 'এদিন শৰৎ' নামৰ কবিতাত ৰ'দ শইচৰ কবি হীৰেন ভট্টাচার্যই গাইছিল— 'সুখী শেৱালিৰ উৰণীয়া গোন্ধ, তোমাৰ অমল শৰীৰৰ শৰৎময় সোণোৱালী ছাঁ।' ইংৰাজ কবি জন কীটছে এই স্মৃতিকাতৰ সময়ৰ বন্দনাত গাইছিল— "Season of mists and mellow fruitfulness,/Close bosom-friend of the maturing Sun।" ময়ো মুগ্ধ হৈ চাই থাকোঁ— আকাশত বগা পালতৰা অজস্র নাৱৰ অহা-যোৱালৈ। আকাশৰ সেইখন অসমাপ্ত নাট চাই চাই হেঁপাহ নপলায় সৌন্দর্যপ্রেমী শিল্পীৰ। হৃদয় উপচি থাকে এক সৌন্দর্য চেতনাৰে।

সেই চেতনাৰেই মানুহে নতুন বাট কাটি লৈছে। যুগে যুগে কবিয়ে কবিতা লিখিছে। চিত্রকৰে ছবি আঁকিছে। গোসাঁনী মাটিৰে মূর্তি সাজিছে। পূজা-আৰাধনা কৰিছে। দেৱীবন্দনাৰ শ্লোক গাইছে। মানুহৰ মন জুৰ কৰিছে। মনৰ মাজৰ অসুৰক বধিবলৈ সকীয়াই দিছে। তাৰেই সকলোৰে কুশলৰ বাট পোহৰাই গৈছে এই পৰম্পৰাই। লগতে সমাজত ন্যায় প্রতিষ্ঠাৰ বাটো আঙুলিয়াই দিছে। প্রেম আৰু সমতাৰ সমাজ এখন গঢ়াৰো প্রেৰণা দিছে। শৰতৰ সৌন্দর্যই এনেদৰেই উদ্দীপ্ত কৰিছে শিল্পী-সাহিত্যিক-চিন্তাবিদক।

শৰতৰ মোহনীয়া সময়ত সমাজকো ধুনীয়া কৰাৰ ইচ্ছা পূজায়েই প্রতিফলিত কৰে। প্রতিফলিত কৰে সকলো অশুভ শক্তিৰ অৱসানৰ ইচ্ছা। সেইবাৰেই পৰিস্ফুট হৈ পৰে শাৰদীয় পূজাৰ প্রতি মানুহৰ সমূহীয়া আকর্ষণ। শান্তি-সম্প্রীতিৰ প্রতি এক আকূতি।

কোভিডৰ প্রথম টোৰ সময়তে অকালবোধন হৈছিল শৰতৰ সৌন্দর্যৰ। এইবাৰ শৰৎ আহিছে লাহে লাহে। এই শৰতৰ সৌন্দর্যই অনন্য। শৰতৰ সেই অনন্য সৌন্দর্যই আহি পৰিছিল সময়ৰ আগতেই। ফুলে-গছে ৰমক-জমক হৈ পৰিছিল গুৱাহাটী। আকাশখনো পৰিষ্কাৰ নীলা হৈছিল। ৰাতি তৰাবোৰো উজ্জ্বল হৈ ওলাইছিল। উজ্জ্বল হৈ ওলাইছিল জোন। ঘৰৰ মুখৰে আকাশখনত একেলেথাৰিয়ে কেইবাদিনো আবেলি ধুনীয়াকৈ ৰামধেনুও ওলাইছিল। আটাইতকৈ ডাঙৰ কথা ৰামধেনুৰ গোটেইবোৰ ৰঙেই বৰ পৰিষ্কাৰকৈ ওলাইছিল। বতাহতো ধোঁৱাবোৰ নোহোৱা হৈছিল। উশাহ লৈয়েই আৰাম লাগি গৈছিল। কোভিডৰ দ্বিতীয় টোৰ সময়তো কিছু পৰিমাণে পুনৰাবৃত্তি হৈছিল সেই অকাল বোধনৰ। এতিয়াও শৰতৰ পদধ্বনি শুনিছোঁ। কিন্তু আহিছে মৃদুলয়ত। উপচি গৈছে মন-প্রাণ।

কেইবছৰমান আগতে শৰতৰ সময়তে মই ঘৰলৈ বুলি উভতিছিলোঁ কলকাতাৰ পৰা। উভতি আহিছিলোঁ আকাশীযানেৰে। উৰণৰ আৰম্ভণি পলম হোৱাৰ বাবে আমি আহি গুৱাহাটীত নামিবলৈ লৈছিলোঁ বেলি ডুবাৰ পৰতহে। তেনেকৈয়ে চাবলৈ পাইছিলোঁ শৰতৰ আকাশত মাৰ যোৱা বেলিৰ পোহৰৰ ফাকুখেলা। সেই পোহৰত নৈৰ

পাৰৰ বালিবোৰ হৈছিল হালধীয়া সোণ। নিজকে সুধিছিলোঁ— প্রকৃতিয়ে বোকোচাত কঢ়িয়াই অনা এনে সৌন্দর্য বাৰু মনৰ সৌন্দর্যলৈ ৰূপান্তৰিত কৰিবলৈ আহ্বান জনাই গৈছিল আমাৰ সংস্কৃতিৰ নায়ক জ্যোতিপ্রসাদে। সেই ৰূপান্তৰ সম্ভৱ কৰিবনে কোনোবা নতুন জ্যোতিপ্রসাদে? কোনে ওভোতাই আনিব পাৰিব আর্তজনৰ প্রতি মৰম? অথবা সহায়? ভাৰত বিভাজনৰ সময়ত যেতিয়া সাম্প্রদায়িক সংঘর্ষত দেশ জ্বলিছিল তেতিয়া সেই জুই নুমুৰাবলৈ লৰি গৈছিল মহাত্মা গান্ধী। নিজৰ জীৱন বিপন্ন কৰিও চেষ্টা কৰিছিল সহমর্মিতাৰ মন্ত্র দিবলৈ। ইফালে ৰুগ্ন, দৰিদ্রজনৰ সহায় কৰিবলৈ গৈ অপমানিত হৈছিল মাদাৰ টেৰেছা। এবাৰ এনে ৰুগ্ন, দৰিদ্রজনৰ বাবে সহায় খোজোতে এজন ধনী ব্যৱসায়ীয়ে থুবাই দিছিল তেওঁৰ হাতত। সেইখিনি নিজৰ নীলা পাৰীৰ শাড়ীখনত মচি আকৌ হাতখন আগবঢ়াই দি মাদাৰ টেৰেছাই কৈছিল— 'সেইখিনি বাৰু মোৰ বুলি ল'লোঁ। এতিয়া ৰুগ্ন, দৰিদ্রজনৰ বাবে কিছু দিয়ক।' অনুতপ্ত ব্যৱসায়ীজনে সহায় নকৰাকৈ থাকিব নোৱাৰিলে এইবাৰ। এনেদৰে গান্ধী বা মাদাৰ টেৰেছাৰ পৰম্পৰাই এতিয়াও সমৃদ্ধ কৰি থৈছে আমাৰ সমূহীয়া জীৱন। কিন্তু আহিবনে কোনোবা নতুন গান্ধী বা মাদাৰ টেৰেছা?

সম্প্রতি কিন্তু দূৰদর্শনৰ পর্দাত বা বাতৰিকাকততে প্রতিবিম্বিত এচাম মানুহৰ হিংস্রতা আৰু উদাসীনতাৰ শেহতীয়া নমুনাই ব্রিত কৰিছে অজস্রজনক। তাত ভাহি আহিবলৈ লৈছে এটাৰ পিছত এটাকৈ ভয়ানক দৃশ্য। এজন যুৱকে বাৰে বাৰে ছুৰীৰে হানিছে এগৰাকী যুৱতীক। অথচ সকলো দেখিও সম্পূর্ণ নির্বিকাৰ হৈ আছে কাষৰ মানুহখিনি। ক'ৰবাত এজন বৃদ্ধৰ ওপৰত হিংস্র জন্তুৰ দৰে জঁপিয়াই পৰিছে এজাক যুৱক। আন ক'ৰবাত মহিলাকেই মাৰি মাৰি ধৰাশায়ী কৰিছে মহিলাই। দৰিদ্র, নিশকতীয়াই সহায়ৰ পৰিৱর্তে পাইছে লাঞ্ছনা। দিন-দুপৰতেই ৰাজপথ হৈছে মানুহ মানুহৰ মাজৰ কুৰুক্ষেত্র। নিজকে সুধিবলৈ বাধ্য হৈছোঁ— কি হৈছে সমাজৰ? শৰতৰ প্রথম দিনটোতেই ঘৰলৈ উভতি আহি মই মুখামুখি হৈছিলোঁ এনে এলানি দৃশ্যৰ।

বিশিষ্ট সাহিত্যিক আৰু চিন্তাবিদ বার্নার্ড শ্বই কৈ গৈছে— 'কলাৰ অবিহনে বাস্তৱৰ কর্কশতাই পৃথিৱী অসহ্য কৰি তুলিব।' বিনোদনেৰে জীৱনক সকাহ দিছে। কিন্তু কেৱল সেয়াই নহয়। সমাজৰ কল্যাণৰ প্রতি অহৰহ দায়বদ্ধ হৈ আছে। প্রকৃতিৰ মাজৰ সৌন্দর্য সমাজলৈ লৈ অহাৰ আঁচনি তৰিছে। পৰম্পৰাৰ ভেটিত নতুনৰ নির্মাণৰ ধাৰাটোক এতিয়াও এচাম শিল্পীয়ে দায়িত্বসহকাৰে পালন কৰি আছে।

আমাৰ সংস্কৃতিৰ অন্যতম নায়ক ৰৱূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাদেৱেও সৌন্দর্যৰ চেতনা সমাজৰ গাঁথনিতো প্রয়োগৰ বিভিন্ন চিন্তা-চর্চা কৰি গৈছে। দ্বিধাহীনভাৱে তেখেতেও কৈ গৈছে সংস্কৃতিৰ মূল লক্ষ্য হৈছে মানুহৰ কুশল কল্যাণ। সকলোৰে কুশল কল্যাণৰ এক বিশ্বজনীন উপাদান। যিসকলে অহৰহ লাঞ্ছিত বা শোষিত হৈছে— যিসকলে চকুৰে নেদেখা বিষাণু বা আন বীজাণুৰে আক্রান্ত হৈছে তেওঁলোকৰ কুশল-কল্যাণৰ প্রতি বিশেষ ধ্যান। কবি হীৰেন ভট্টাচার্য ডাঙৰীয়াই এইখিনি মানুহকে আখ্যা দিছে— 'গানহীন মানুহ'। এইসকলৰ প্রতি বিশেষ ধ্যান সেয়ে সংস্কৃতিৰ বিশেষ লক্ষ্য। এইসকলৰ কুশল-কল্যাণ বিঘ্নিত কৰাৰ সকলো প্রয়াসকেই সেয়ে দুষ্কৃতি বুলি অভিহিত কৰি গৈছে ৰূপকোঁৱৰে। এই দুষ্কৃতিৰ বিৰুদ্ধে জাগি উঠাই শিল্পীৰ কর্তব্য বুলি তাহানিয়েই সোঁৱৰাই দি গৈছে আগৰৱালাদেৱে। তেখেতে লিখি থৈ গৈছে— 'আজি সংস্কৃতি ৰক্ষা হ'ব মানুহে কৃষ্ণার্জুন ৰূপে সংগ্রামত প্রবৃত্ত হ'লেহে।'

এটা কথা ঠিক যে অনাদৃত-অৱহেলিত জনগোষ্ঠীবোৰৰ স্থানীয় সংস্কৃতিয়েই কিন্তু প্রাণৱন্ত কৰি আছে এনে 'গানহীন মানুহ'ৰ জীৱন। তেনে সংস্কৃতিয়েই অর্থ দিছে তেওঁলোকৰ স্থানীয় জনগোষ্ঠীয় সংস্কৃতিক তুলি ধৰাটো প্রতিজন শিল্পীৰ অনন্য দায়িত্ব।

উত্তৰ তেনেহ'লে স্পষ্ট। আগতেই কৈ আহিছোঁ— প্রত্যেক শিল্পীৰেই হিয়াত থাকিব লাগিব এক বিশ্বজনীন সুৰ। কিন্তু লগতে থাকিব লাগিব থলুৱা সংস্কৃতিৰ প্রতিও একান্ত দায়বদ্ধতা। জনগোষ্ঠীয় কৃষ্টিৰ প্রতিও আত্ম-উছর্গা। এই দুয়ো সুৰৰ সমলয়েহে একোজন শিল্পীক দিব পৰিপূর্ণতা। শৰতৰ সময় আমাৰ সংস্কৃতিৰে এক জটিল সময়। অসমৰ শিল্পীসমাজৰপৰা এই সংস্কৃতিপ্রেমী ৰাইজে বিচাৰিছে দুষ্কৃতিৰ বিৰুদ্ধে জাগি উঠাৰ সাহ আৰু দক্ষতা।

সঁচা কথা— সংস্কৃতিয়ে গৈ শিল, বালি, আলকাতৰাৰে আলিবাট সাজি মানুহৰ কুশল কল্যাণ নকৰে। কিন্তু মানুহৰ আশা-আকাংক্ষা আৰু কুশল কল্যাণৰ বাটৰ দিগ্দর্শকতো হ'ব পাৰে। কলা-সংস্কৃতিত আমি তাৰেই ঘণ্টাধ্বনি শুনিবলৈ বিচাৰিছোঁ— শৰতৰ এই অপৰূপ সময়ে সেই ইচ্ছাৰেই তীব্রতা বঢ়াই নিছে এশগুণে।

এবাৰ বিশিষ্ট শিল্পী কমল নাৰায়ণ চৌধুৰীয়ে ঘোঁৰা চেকুৰাই গৈছিল এতিয়াৰ মহাত্মা গান্ধী ৰোডেৰে। ঘোঁৰাই চেকুৰিবলৈ লওঁতে তেখেতে চিয়ঁৰি কৈছিল— 'এতিয়া মই সময়ৰো আগত। তথাপি কিন্তু সদায় সমাজৰ লগত।' আজি আমাক লাগে এনে সময়ৰো আগ দেখা বিশ্বজনীন দূৰদৃষ্টি থকা জীৱনশিল্পীৰ— যি নিজেই সমাজৰ কুশল কল্যাণৰ ধ্যান। যি গাঁৱৰ গণ্ডীতো থাকি উপজিয়ে হৈ আহে বিশ্ব নাগৰিক। যি বাট কাটি দিয়ে সভ্যতাৰ উত্তৰণৰ। তেখেতসকলেই এই বিপন্ন সময়ৰ ভৰসা। আজিৰ শাৰদীয় সময়ৰ ভৰসা।

আজি আমি কাণ পাতি ৰৈছোঁ জীৱনৰ এই সৌন্দর্য সাধকৰ পথ-দর্শনলৈ।❑

লেখক পৰিচিতি ঃ বিশিষ্ট সাহিত্যিক তথা ভূতপূর্ব উপাচার্য, তেজপুৰ বিশ্ববিদ্যালয়



শৰতত প্ৰকৃতিৰ সৌন্দৰ্য

বিৰাজ মোহন তালুকদাৰ

"আমোলমোল শেৱালিৰ গোন্ধ
যাওঁ বুলি যাবই নোখোজা চোন"

গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত, প্ৰাকৃতিক পৰিৱৰ্তন অনুসৰি বছৰত ছয় ঋতু। প্ৰত্যেকৰে আছে এক মিঠা অনুভৱ। কিন্তু সৃষ্টিৰ অপূৰ্ব সমাহাৰেৰে শৰৎ ঋতু অনন্য। শৰৎ কালত প্ৰকৃতিৰ সৌন্দৰ্যতাত আমি বিস্ময়াভিভূত হৈ পৰো। নিজস্ব স্বকীয়তাৰে শৰতে সৌন্দৰ্যৰ পোহাৰ মেলে। আহিনৰ নিয়ৰৰ বোকোচাত ভেঁজা দিয়েই শৰতৰ আগমনী। শৰৎ মানেই এটি মিঠা আমেজ, প্ৰস্ফুটিত চৌপাশত শেৱালিৰ আমোলমোল সুগন্ধি, ৰিবৰিব কঁহুৱাৰ বা, নিয়ৰত মুকুতামণি জিলিকে, ধানৰ ফুলি উঠা বগাকৈ গেঁৰ, উৎকট গৰমৰ সমাপ্তি লৈ এই ঋতুৱে আনে সেমেকা আঁচলত প্ৰশান্তিৰ এক মাদকতা। বিনন্দীয়া হৈ পৰা এই ঋতুৱে লৈ আনে মলয়াৰ সুৰভি। এই অপৰূপ সৌন্দৰ্যই সকলোৰে মনত খলকনি তোলে।

শৰতৰ শীতল ৰূপালী জোনাকৰ স্নিগ্ধতাই দেহ-মনত পুলক জগাই তোলে। ডেকা-গাভৰু, বুঢ়া-বুঢ়ী কোনো বাদ নপৰে এই অনুভৱৰ পৰা। হয়তো ক'ব পাৰি স্বৰ্গীয় অনুভূতিৰ সমাহাৰ হৈছে ঋতুৰাণী শৰৎ। জীৱনৰ বাবে সুখৰ সময় হয়তো শৰৎকাল। সেইবাবেই যুগে যুগে বন্দিত হৈ আহিছে শৰৎ। যুগে যুগে শৰতে অনুভৱী হৃদয়বোৰত আলোড়নৰ সৃষ্টি কৰিছে। অপ্ৰমাদী কবি মাধৱ কন্দলিদেৱৰ 'ৰামায়ণ'ৰ চিত্ৰকূট বনৰ বৰ্ণনাতো শৰৎ কালৰ জাতিষ্কাৰ হৈ থকা ফুলৰ মনোৰম ছবি এখন দেখা পাওঁ—

জাই যুতি বকুল বন্দুলি কৰ্ণিকাৰ।
কাঞ্চন তগৰ কুন্দ শেৱালি মন্দাৰ।

শৰৎ মানেই শেৱালি, শৰৎ মানেই কঁহুৱাৰ শুভ্ৰতা। নিয়ৰত তিতি থকা ধৰণী সূৰুযৰ পোহৰত হৈ পৰে মিনাকৰা। কবিৰত্ন সৰস্বতীয়েও 'মহাভাৰত'ৰ দ্ৰোণপৰ্বৰ 'জয়দ্ৰথ বধ'ত হৰৰ কৈলাস পৰ্বতৰ বৰ্ণনা দিছে—

ফুলিল শেৱালি পৰে হালি জালি
ফুলে ভৰে ভাগে ডাল।
হেনয় শোভন বিচিত্ৰ উদ্যান।
ফুলে তথা সৰ্বকাল।

শৰতৰ সৌন্দৰ্যত মোহিত হৈ ৰূপাৱলী জোনাকৰ মাদকতা সানি কবি যেন সৃষ্টিত বিভোৰ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেও ভাগৱতৰ 'দশম স্কন্দ'ত শৰতৰ বৰ্ণনা দি কৈছে—

শৰৎ সমান নাহি সুখ কাল হৰে দুখঃ অনুক্ৰমে।
আকাশত মেঘ যতেক আছিল গুচাইল তাক প্ৰথমে।
শৰৎ কালত সূৰ্য্যৰ তাপত চন্দ্ৰে দূৰ কৰে দুঃখ।
যেন গোপবধু বিৰহ তাপত তৰে দেখি কৃষ্ণ মুখ।

মহাকবি কালিদাসৰ 'মেঘদূত' গীতিকাব্যৰ নায়ক যক্ষই বাৰিষাৰ মেঘ দেখি প্ৰেমিকাই লগ পাবলৈ ব্যাকুল হৈ পৰিছিল আৰু মেঘৰ আগতেই প্ৰিয়তমালৈ মনৰ বতৰা পঠিয়াইছিল। কালিদাসৰ এই প্ৰেমৰ আকুলতা দেখি আমাৰ ডঃ ভূপেন হাজৰিকাদেৱেও গাইছে—

মই এক যক্ষ মহানগৰীৰ
মিছলীয়া মৰমত কাৰাৰুদ্ধ
সোঁৱৰণি শ্ৰাৱণতে আবাদ
নিয়ম চকুৱে আজি চকু টিপিয়াই
শৰৎ সন্ধ্যা মহানগৰী সজায়,
চঞ্চল মেঘে যেন তাকে কঢ়িয়াই।

অসমীয়া সাহিত্যত Wordsworth নামেৰে আমি ৰঘুনাথ চৌধাৰীদেৱক জানো। তেওঁৰ মতে, প্ৰকৃতি মানেই কবিতা, প্ৰকৃতিৰ সকলোবোৰেই একো একোটা ঈশ্বৰৰ অনুপম সৃষ্টি। প্ৰকৃতিয়ে লৈ অনা প্ৰতিটো ঋতুৱে আমাক দি থকাৰ দৰেই শৰৎ অহাৰ অপেক্ষা কৰিছে কবিয়ে। শৰতৰ বৰ্ণনা দি বিহগী কবিজনাই লিখিছে—

আকৌ এদিন আহিব শৰৎ হাঁহিব শেৱালি পাহি
ঠেও ধৰি ধৰি কৰিব নৰ্তন খঞ্জনি পখীটি আহি।
নৈৰ পাৰত হালি-জালি থকা কঁহুৱাই দিয়ে শৰতৰ বতৰা।

চাৰিওফালে প্রকৃতিয়ে সেউজীয়া আভূষণে নিজকে সজাই তোলাৰ দৰেই গা-মন ৰাইজাঁই কৰা শীতল বতাহত উৰি ফুৰা কঁহুৱাই প্রেমিকাৰ মনো মাতাল কৰে। যেন শৰতৰ যুগলবন্ধী ৰাধা-কৃষ্ণহে। চিৰাচৰিত প্রেমৰ বান্ধোন।

শৰতৰ সান্নিধ্যত শুকুলা ডাৱৰৰ বুকুত শান্ত আকাশৰ নীলাই সামৰে। শাৰদীয় শৰতৰ জোনাকী ৰাতিৰ প্রেমত যেন সকলোৱে মতলীয়া হয়। জোনাক ৰাতি জোনালীয়ে আৱেগৰ খেলা কৰে। সকলোৱে হৃদয় ব্যাকুল কৰে। মহান শিল্পী ড° ভূপেন হাজৰিকাদেৱৰ কণ্ঠতো যেন শৰতে প্রাণ পাই উঠে।

কঁহুৱা বন মোৰ অশান্ত মন
আলফুল হাতেৰে লোৱা সাবটি।

আহিনৰ পথাৰৰ দূৰৰিয়ে অথবা ধাননিয়ে নিয়ৰৰ মুকুতামণি পিন্ধা কথাটো পৰম্পৰাগত। কবি চন্দ্রকুমাৰ আগৰৱালাই নিয়ৰৰ বিষয়ে কবিতাৰ মাজেৰে কৈছে এনেদৰে—

"ফুলনিত কোন নিশা নাচিছিল
ছিগি ৰৈ গ'ল মণি,
ৰঙ্গিলীৰ ভাৱ হাঁহি নাচোনৰ
ৰ'ল চিন এইকণি।"

শৰৎ আৰু শেৱালি— যেন আজন্ম মিতিৰালি। শেৱালি নহ'লে শৰতৰ হাঁহি নুফুটে।

চোতালৰ আগৰ নতুবা পদুলিমুখৰ শেৱালি গছজোপা শৰতৰ আগমনৰ লগে লগে ফুলিবলৈ ধৰে। জোনাকৰ পৰশত ফুলা শেৱালিৰ স্নিগ্ধ সুবাস যে জোনাকতেই মিহলি হৈ যায়। কেৱল তলভৰি সৰি পৰি ৰয় মনো�ৰম ফুলবোৰ। সেয়েতো গীতিকবি পার্বতিপ্রসাদ বৰুৱায়ো গীতৰ মাজেদি বর্ণাইছিল আহিনৰ অনুভূতি—

"আহিন মহীয়া শেৱালি সৰিলে
নিয়ৰত তিতিলে বন
জোনাকত ওপঙিল কিহবাৰে ৰাগি
কেনেবা কৰিলে মন।"

শৰতৰ আগমনে প্রকৃতিক পূর্ণগর্ভা কৰি তোলে। মাণিক খচিত গেঁৰ ধৰা ধানৰ বুকুতে কৃষকৰ সপোন লুকাই থাকে। সেউজময় পথাৰখনৰ কৃষকলৈ আশাৰ বতৰা আৰু সাহসৰ মেটমৰা ভাৰখনৰ কথা কঢ়িয়াই আনে। সেউজীয়া পথাৰ আৰু গেঁৰ ধৰা ধাননিৰ গাত লাগি থকা নিয়ৰৰ মুকুতাই সৰগৰ বতৰা দিয়াৰ লগতে শৰতৰ সৌন্দর্যই কবিৰ প্রাণকেই নহয়— সাধাৰণজনৰ হিয়াকো শাঁত পেলায়। এয়াতো সময় সপোন সামৰি সাহসী হোৱাৰ।

গ্রীষ্মৰ উৎকট গৰমে দেওধনী তোলাৰ সময়ত গা-মনক শৰতৰ ক্ষীণ শীতল বতাহজাকে কঁপাহ তোলা সন্ধিয়াবোৰত, ফৰকাল আকাশত সৰুতে দেখা হাতীপটিয়ে তাহানিৰ দৰেই আজিও দৃষ্টি হৰি নিয়ে। তেতিয়াৰ উৎসুকতাবোৰে এতিয়াও মন ভৰায়। শৰতৰ স্নিগ্ধ জোনাকত আগচোতালত বহি তৰাৰ ফুলবছা আকাশত জোনৰ লুকা-ভাকু চোৱাৰ সময়বোৰ কিমান যে আৱেগসনা আছিল। গছৰ ডাল-পাতৰ আঁৰে আঁৰে আধা ছায়া আধা পোহৰ সিঁচি ডাৱৰৰ মাজে মাজে দেখা দিয়া জোনবাইজনীলৈ চাই আওৰাই উঠা 'জোনবাই এ বেজি এটি দিয়া' বুলি বেজি খোজাৰ দিনবোৰ যেন সৌ সিদিনাৰ কথাহে।

শৰতৰ আকাশে কথা কয়। জীৱনৰ কথা, যৌৱনৰ কথা, বৰ মায়াময় শৰতৰ শাৰদী আকাশ। শৰতৰ পূর্ণিমাৰ পূর্ণগর্ভা জোনাক ৰাতিৰ দিন যেন কৰা ৰূপ-লাৱণই কবিৰ কলমৰ কাপেৰে নিগৰাব পাৰে অবুজ প্রেমৰ বিষাদ কিম্বা হেঁপাহৰ গাঁথা। প্রাণ পাই উঠে শৰতৰ আগমনত খনিকৰৰ হাতৰ পৰশত মৃন্ময় মূর্তিত জীৱন্ত ৰূপ। দুর্গতিনাশিনী মহিষমর্দিনীৰ কাজলসনা দুচকুত থাকে আশাৰ বতৰা। শক্তি আৰু সৌম্য ৰূপ। শৰৎ মানেই প্রার্থনাৰ গুঞ্জন আৰু কামনাৰ আশিস।

সম্প্রতি দুর্গা পূজাৰ আধ্যাত্মিকতাৰ সমান্তৰালকৈ সৌন্দর্য আৰু নান্দনিকতাৰ প্রদর্শনো সমানে গুৰুত্বপূর্ণ হৈ পৰা দেখা গৈছে। শৰতৰ বতৰতে শক্তিৰূপিণী মা দুর্গা ধৰালৈ আহে। অসুৰক দমনৰ হেতু মা দুর্গাই ধৰালৈ আহে। চৌদিশে কেৱল আনন্দ উৎসৱৰ বতৰ। ধনী, দুখীয়া, নিবনুৱা, খেতিয়ক সকলোৱে বাবে আনন্দৰ সময়। জাতি, বর্ণ, ধর্ম, ভাষা নির্বিশেষে সকলোৱে একেলগে পালন কৰি সম্প্রীতিৰ এনাজৰীডাল শক্তিশালী কৰি তোলাৰ এখন মঞ্চলৈ পৰিৱর্তিত হৈছে।

শৰৎ আহক আমাৰ পদুলিলৈ এপাহি শুভ্র-সুঘ্রাৰ্ণ শেৱালি হৈ, দুর্গা পূজাৰ আতজবাজিৰ ধোঁৱাময় কোলাহল হৈ নহয়। শৰৎ আহক আমাৰ মনলৈ শান্তি আৰু প্রফুল্লতাৰ এছাটি শীতল বতাহ হৈ বিজুলীবাতিৰ উজ্জ্বল আলোকৰ পোহৰ হৈ, এপাহ সুগন্ধি ফুল হৈ এছাটি শীতল বতাহ হৈ, প্রশান্তিৰ এটি শুভবার্তা লৈ মানুহৰ জীৱনলৈ শৰতে প্রেম, শান্তি, সুখ আনক। সৌন্দর্যৰ পিয়াসী মানুহৰ হৃদয়ত শৰতৰ মনোমোহা সৌন্দর্যই আজীৱন পোখা মেলক।❑

লেখক পৰিচিতি ঃ বিশিষ্ট কবি তথা উপাধ্যক্ষ, অসম শিক্ষা একাডেমী, হাতীগাঁও

কি যে অনুপম শৰৎ ঋতুৰ সৌন্দর্য্য

ৰাণু বালা দেৱী

গ্রীষ্মৰ প্রখৰতাত প্রকৃতি জগতৰ সকলো সৌন্দর্য্য মৰহি যোৱাৰ পিচত শৰতেই ধৰালৈ সৌন্দর্য্যৰ ঢল নমাই আনে। ইতিমধ্যে বর্ষা ঋতুৱেও মেলানি মাগে। শৰৎ মানে অতিশয় শান্ত সমাহিত কঁহুৱাৰ দৰে শুভ্র সুন্দৰ মন-প্রাণ জুৰ পৰা এক বিনন্দীয়া ৰূপৰ অভিনৱ প্রকাশ। শৰৎ হৈছে কোমলতা, স্নিগ্ধতা আৰু শান্তিৰ প্রতীক। শৰৎ আহে উৎসৱৰ বতৰা লৈ, দেৱ-দেৱীৰ বন্দনাৰে মুখৰিত হৈ। অসমত ছয় ঋতুৰ প্রত্যেকৰে আছে সুকীয়া সুকীয়া বৈশিষ্ট্য। তাৰে ভিতৰত শৰতৰ বৈশিষ্ট্য আৰু মায়াময় সৌন্দর্য্য সকলোৰে ওপৰত। সেইবাবে শৰতক শাৰদী ৰাণী নামে আখ্যায়িত কৰা হৈছে। শৰতে যেন আমাৰ ধৰাখন নতুন ৰূপত নিজৰ খেয়ালখুচি মতে মহিমামণ্ডিত ৰূপত এনেদৰে সজাই-পৰাই লয় যাৰ ৰূপ উপভোগ কৰিবলৈ মনুষ্য দূৰৰে কথা স্বয়ং ভগৱানো যেন সৰগৰ পৰা নামি আহে। শৰতৰ এনে অপৰূপ সৌন্দর্য্যত মহাকবি কালিদাসৰ পৰা আমাৰ নিঃকিন কবিলৈকে সকলো বিমুগ্ধ। শেৱালি, কঁহুৱা আৰু দূৰৰি বনত নিয়ৰৰ মুকুতা যেন শৰতৰ মুখ্য অলংকাৰ। শৰতৰ কোমল পৰশত বতাহত হালি-জালি নাচি-বাগি থকা কঁহুৱাৰ ছন্দায়িত নৃত্যই, শেৱালি ফুলৰ আঁৰে আঁৰে জোনাকী পৰুৱাবোৰে পোহৰ বিলাই ফুৰা নৈসর্গিক দৃশ্যই শৰতৰ জেউতি যেন দুগুণে চৰায়। দুপৰীয়া প্রখৰ ৰ'দৰ উষ্ণতা, আনহাতে নিশা মেঘহীন ফৰকাল আকাশৰ শীতল জোনাকী। নির্ম্মল জোনাক ভৰা আকাশখন দাপোণ হৈ জিলিকে আৰু অগণন তৰাই নানা ৰূপ ধৰি মায়াময় ইন্দ্রজালৰ সৃষ্টি কৰে। শেৱালি, খৰিকাজাঁই, ৰজনীগন্ধা আদি শৰতকালীন নানা তৰহৰ ফুলৰ সুগন্ধই পৃথিৱীখন আমোলমোলাই তোলে। শৰতকে ধিয়াই বালিমাহী চৰায়ে উলাহৰ গীত জুৰি নৃত্যৰ মূর্চ্ছনা তোলে। শৰৎ নহয় যেনিবা কোনোবা পৰী সৰগৰ পৰা নামি আহি কুঁৱলী আৰু কঁহুৱাৰ স'তে যেন শাৰদী সন্ধিয়াত জোনাকী মেলহে পাতিছে। আনহাতে এই শৰততে কৃষকৰ দুচকুৰ সপোনবোৰ সেউজীয়া হৈ ধৰাখন মোহনীয়া হৈ পৰে। এনে মনোৰম পৰিৱেশত মানুহৰ মন-প্রাণ আকুল নহৈ পাৰে জানো? বছৰৰ তৃতীয় ঋতু শৰতক দিন লেখাৰে নধৰি প্রকৃতিৰ পৰিবর্তনলৈ লক্ষ্য ৰাখি প্রধানকৈ বর্ষা ঋতুৰ পাছতে ভাদ আৰু আহিন মাহতেই পৰে বুলি ধৰা হয় আৰু এই সময়ছোৱাক অসমত শৰতকাল বুলি ধৰা হয়। অর্থাৎ ইংৰাজী মাহৰ ছেপ্টেম্বৰ অক্টোবৰ মাহজুৰি থাকে শৰতকাল।

পৃথিৱীৰ বিভিন্ন দেশত শৰতকালৰ নাম আৰু সময়ৰ কিছু তৰতম্য পৰিলক্ষিত হয়। আমেৰিকাত শৰৎকালৰ সময়ছোৱাক ফল (Fall) বুলি কোৱা হয়। ইংলেণ্ডত আকৌ শৰৎকাল ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰ মাহৰ শেষলৈকে ধৰা হয়। কেৱল ভাৰতীয় সাহিত্যতেই নহয় পৃথিৱীৰ বিভিন্ন দেশৰ সাহিত্যত শৰৎ ঋতুৰ অপূর্ব বর্ণনা আছে।

শ্রীমন্ত শঙ্কৰদেৱকে আদি কৰি বিভিন্ন সময়ত অসমৰ



কবি-সাহিত্যিকসকলে শৰতৰ এনে মনোৰম অপৰূপ সৌন্দর্য্যৰাজিত বিমুগ্ধ হৈ তেওঁলোকৰ ৰচনাৱলীত শৰৎ বন্দনা কৰিছে। মহাকবি কালিদাসৰ বিখ্যাত গ্রন্থ "ঋতু সংহাৰ"ত শৰৎকালৰ এক অপূর্ব সৌন্দর্য্যৰ বর্ণনা পোৱা যায়। আনহাতে মহাপুৰুষ শঙ্কৰদেৱে দশম স্কন্ধ ভাগৱতত শৰৎকালৰ অতি সুন্দৰ উপমা দাঙি ধৰিছে। ভগৱান শ্রীকৃষ্ণৰ জন্ম এই শৰতৰ অষ্টমী তিথিতে। এই বিশেষ দিনটোত সেয়ে অসমত পালন কৰা হয় জন্মাষ্টমী উৎসৱ। অসমৰ বিভিন্ন প্রান্তত উলহ-মালহেৰে এই উৎসৱ উদ্‌যাপিত হোৱাৰ লগতে পবিত্র ভাদ মাহটোতে নামঘৰসমূহত অগণন ভক্ত আৰু গোপিনীসকলে পৰিৱেশন

কৰা নাম ভটিমাই আকাশ-বতাহ মুখৰিত কৰা অনুপম পৰিৱেশে সকলোৰে মন-প্ৰাণ আকৰ্ষিত কৰি আহিছে। এই শৰৎ কালতেই শ্ৰীৰামচন্দ্ৰই লংকাধিপতি ৰাৱণক নিধন কৰিবলৈ শক্তি লাভৰ উদ্দেশ্যে অকালতে ব্ৰহ্মাৰ হতুৱাই দুৰ্গা দেৱীৰ বোধন কৰাই পূজা কৰাৰ প্ৰবাদ চলি আহিছে। সেয়ে শক্তিৰ উপাসকসকলে আহিন মাহতে শ্ৰীশ্ৰী দুৰ্গোৎসৱ পালন কৰি আহিছে। তদুপৰি শৰৎ কালতেই পালন কৰা হয় কাতি বিহু, লক্ষ্মী পূজা, কালী পূজা আৰু দীপান্বিতা উৎসৱ। আনহাতে অসমীয়া গীতি সাহিত্যৰ মাজতো শৰতৰ বিভিন্ন ছবি পৰিস্ফুট হৈছে। অসমৰ কালজয়ী গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ ৰচনাত এটি অন্যতম মন পৰশা গীত হ'ল—

"বজালে আহিনে বাঁহী নে বীণ
সু�ৰত পালানে চিন?"

লাস্যময়ী-হাস্যময়ী শৰতৰ এই ৰূপ এগৰাকী অপৰূপা ৰমণী গাভৰুৰ ৰূপত কল্পনা কৰিলে সকলোৰে মন ক্ষন্তেকৰ বাবে হ'লেও ৰোমাণ্টিক হৈ পৰে। সেই ৰোমাঞ্চ ভৰা মাদকতাৰ মূৰ্ত্ত প্ৰকাশ ঘটিছিল যুগজয়ী শিল্পী ড° ভূপেন হাজৰিকাৰ এই গীতটিৰ মাজেৰে—

"শাৰদী ৰাণী তোমাৰ হেনো নাম
তুমি মোৰ নিচেই আপোন
সদ্যস্নাতা ৰূপহী মোৰ
পুৱতি নিশাৰ সপোন।"

অসমৰ বিশিষ্ট সাহিত্যিক, সমালোচক তথা কবি মহেশ্বৰ নেওগৰ মনতো শৰৎ ঋতুৱে আলোড়ন তুলিছিল আৰু তাৰেই ফলশ্ৰুতিত সৃষ্টি হৈছিল এই কবিতাটিৰ—

"শুনা হেৰা শুনা চিকুণ পুৱাৰ
বতৰা পালানে নাই
নতুন নিয়ৰে মলচা বাটেদি
আহিছে শাৰদী আই।"

সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য্যদেৱৰ অনেক কবিতাৰ মাজৰে শৰৎকালক লৈ ৰচনা কৰা এটি অনবদ্য কবিতা "এদিন শৰৎ"। কবিতাটিৰ মাজেৰে প্ৰকাশ পাইছে মিঠা শৰতৰ গোন্ধ এনেদৰে—

"সুখী শেৱালিৰ উৰণীয়া গোন্ধ তোমাৰ অমল শৰীৰৰ
শৰৎময় সোণোৱালী ছাঁ, ফটফটীয়া পানীৰ সু-শীতল শব্দ
মোৰ গাৰ কাষেৰে গুচি যায় নিৰ্বিঘ্নে"...।

এই শৰৎকালতেই শৰতৰ অনুভৱ প্ৰকাশ কৰি ৰোমাণ্টিক কবি ৰঘুনাথ চৌধাৰীৰ কলমত প্ৰাণ পাই উঠিছিল এনে এটি কবিতা—

"লুইতৰ পাৰে পাৰে কঁহুৱাৰ ফুল
বতাহত হালি-জালি
ঢৌৱে ঢৌৱে ঢৌ খেলি
তুষাৰ ধবল কান্তি ধৰিছে বিপুল
যেন সুৰ তৰংগিনী পুলকে আকুল।"

শৰতৰ শেৱালিৰ সৌন্দৰ্য্যত মুগ্ধ হৈয়েই বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কলমৰ আগেৰে নিগৰি ওলাইছিল—

"আমৰা বোধেছি কাশেৰ গুচ্ছ আমৰা
গেঁঠেছি শেফালি মালা
নবীন ধানেৰ মঞ্জুৰী দিয়ে
সাজিয়ে এনেছি ডালা।"

অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত শৰতে যেন প্ৰতি বছৰেই আহি এবাৰ ভুমুকিয়ায় আৰু প্ৰকৃতিৰ বুকু শাঁত পেলায়। উল্লেখযোগ্য যে শৰৎ কালৰ পূৰ্ণিমা তিথিত অনুষ্ঠিত ভগৱান শ্ৰীকৃষ্ণৰ ৰাস উৎসৱে শৰৎকালৰ পৰিসমাপ্তি ঘটায়। এইবাৰো ঋতুৰাণী শৰতে যেন কঢ়িয়াই আনক আমাৰ সকলোৰে মাজলৈ প্ৰচুৰ সম্ভাৱনা। প্ৰকৃতিৰ সেৱক মানৱৰ মাজত বৰ্তমান দেখা দিয়া অসূয়া-অপ্ৰীতি, ৰোগ-ব্যাধি আদি সকলো দূৰ কৰি শৰতে আনক কেৱল শান্তিৰ বতৰা। "জীৱতু শৰদঃ শতম্।"❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

শাৰদীয় স্মৃতি

কুন্তলা শইকীয়া চৌধুৰী

শৰৎ। এটি কোমল শব্দ। এক মিঠা অনুভূতি। শৰৎ হ'ল সৌন্দর্যৰ প্রতীক। শৰৎ কালতেই নৈৰ পাৰত কঁহুৱা ফুলে। ধাননিডৰাত নিয়ৰৰ টোপালবোৰে সূর্যৰ পোহৰত তিৰবিৰাই উঠে। লগতে নিশাটোৰ ভিতৰতে ফুলি সূর্য উদয়ৰ আগে আগে সৰি পৰা শেৱালিৰ সুগন্ধই মন মতলীয়া কৰে। প্রকৃতিৰ ৰং-ৰূপে পৃথিৱীখন সজাই তোলে, অতি মোহনীয় কৰি তোলে। জীৱকুল আনন্দত মতলীয়া হৈ চাৰিওদিশে আনন্দৰ পোহাৰ মেলে। শাৰদীয় দুর্গোৎসৱৰ আয়োজন চলে। শক্তিৰ অধিষ্ঠাত্রী দেৱী, দুর্গাৰ আগমনে সকলোকে শ্রদ্ধাশীল কৰি তোলে। কবি, গীতিকাৰেও শৰতৰ বর্ণনাৰে গীত, কবিতাৰ সৃষ্টি কৰে।

বৈষ্ণৱ কবি শ্রীমন্ত শঙ্কৰদেৱে শৰতৰ বর্ণনা দিছে। এনেদৰে—

পুষ্পিত মন্দাৰ কুঞ্জ গন্ধে হুয়া ভোল।
মধুমত্ত অনেক ভ্রমৰে কৰে বোল।।
শৰৎ চন্দ্রৰ কান্তি অতি সুকোমল।
দেখি মহা সন্তোষিত গোপীসকল।।

শৰৎ কালতেই দৈৱকী নন্দন শ্রীকৃষ্ণয়ো যমুনাৰ বালিত জোনাক নিশা গোপীসকলৰ লগত ৰাসক্রীড়া কৰিছিল। ভগৱান শ্রীকৃষ্ণয়ো শৰতৰ সৌন্দর্যত মতলীয়া হৈ তেওঁৰ বাঁহীৰ সু�ৰেৰে গোপীসকলক আকৃষ্ট কৰিছিল। গুৰুজনাই কীর্তন ঘোষাত লিখিছে এনেদৰে—

শৰৎ কালৰ ৰাত্রি অতি বিতোপন।
ৰাসক্রীড়া কৰিতে কৃষ্ণৰ ভৈল মন।।
ভৈলন্ত উদিত চন্দ্র পূর্ব দিশ হস্তে।
কামাতুৰা স্ত্রী যেন সন্তাপ মার্জন্তে।।
বনকো দেখিলে চন্দ্র ৰশ্মি ৰঞ্জিত।
সুস্বৰ মধৰু কৰি হৰি গাইলা গীত।।

শ্রদ্ধাৰ ভূপেনদাৰ গীততো শৰতৰ বর্ণনা অতি কোমল আৰু মনপৰশা—

শাৰদী ৰাণী তোমাৰ হেনো নাম
তুমি মোৰ নিচেই আপোন
সদ্যস্নাতা ৰূপহী মোৰ
পুৱতি নিশাৰ সপোন
শুভ্র নীলা উৰণিখনি
কুঁৱলী সূতাৰে বোৱা
পাতল ৰিহাখনি
থৰ লগা বিলখনি, তোমাৰ শুৱনি দাপোণ।

সঁচাকৈ, প্রকৃতিৰ কি যে এক অপৰূপ চিত্র আঁকিছিল এগৰাকী নাৰীৰ বেশত। গীতটি শুনাৰ লগে লগে কল্পনাৰ জগতত প্রকৃতিৰ সেই মোহনীয় চিত্রখন ভাহি উঠে। আলসুৱা মেঘ, দূবৰিত নিয়ৰৰ টোপাল, নিয়ৰ সনা শেৱালি, কি যে এক মাদকতা।

আকৌ কবি, গীতিকাৰ নির্মলপ্রভা বৰদলৈ ৰচিত আৰু জয়ন্ত হাজৰিকাৰ কণ্ঠৰ সেই গীতটি—

সাৰ পাম মই
পুৱতি নিশাতে
নিয়ৰ যেতিয়া সৰে
বাটৰ শুকান
ধূলিৰ সেমেকা
যিটো প্রহৰে কৰে...

এখন যেন নিভাঁজ প্রকৃতিৰ ছবিয়ে মনৰ আগত অগা-ডেৱা কৰে। এই গীত-কবিতাবোৰে আমাকো যেন বহুত কিবা-কিবি দি থৈছে। তেখেতসকলৰ কাপেৰে নিগৰা প্রতিটো শব্দই প্রতিটো শৰতত আমাৰ শৈশৱ, কৈশোৰ, যৌৱনবোৰত ৰেখাপাত কৰিছিল। সেই সকলোবোৰে আহি মন দাপোণত ভিৰ কৰিছেহি। শৰৎ মানেই দুর্গা পূজা, শৰৎ মানেই শেৱালি, শৰৎ মানেই হিমসনা দূবৰি, সেউজীয়া ধাননি পথাৰ। এখন শান্ত-শীতল পৃথিৱী। আমাৰ শৈশৱত আমাৰ সৰু চহৰখন, সৰু গাঁওখন, অসম দেশখনেই আছিল আমাৰ পৃথিৱীখন।

মনত পৰে, পূজাৰ দহ-বাৰ দিন আগৰ পৰাই এটা উখল-মাখল পৰিৱেশ। সেয়া হৈছে কাপোৰ কিনা। স্কুল ছুটীৰ পিছত লগৰ ইজনী-সিজনীৰ ঘৰলৈ গৈ নতুন কাপোৰ চাই ফুৰা। ৰাতিপুৱা শেৱালি বোটলা। সেই সময়ত প্রতিঘৰ মানুহৰ পদুলিত শেৱালি, হাস্নাহানা, কামিনী কাঞ্চন আদি সুগন্ধি ফুলবোৰ গছবোৰ ৰোৱা


হৈছিল। শৰৎ কালৰ আহিন মাহত ৰাতিপুৱা শোৱাপাটী এৰি তলসৰা শেৱালি বুটলিছিলোঁ। সেই ফুলেৰে মালা গঁথাৰ হেঁপাহ। সদায় মায়ে বেজী-সূতা দিবলৈ মন নকৰে বাবে কুশ বনেৰেই মালাবোৰ গাঁথিছিলো। বগা-কমলা ৰঙৰ সমাহাৰেৰে মালাবোৰ বৰ ধুনীয়া লাগিছিল। সৰু চালনী বা খৰাহি এটাত মালাবোৰ থৈ কোঠা এটাত ৰাখি থৈছিলোঁ। গোটেই ঘৰখন শেৱালি ফুলৰ সুবাসে আমোলমোলাই আছিল। আমোলমোল শেৱালিৰ গোন্ধ। সেইবাবেই হয়তো হীৰুদাৰ গীতত কোৱা হৈছে আমোলমোল শেৱালি গোন্ধ, যাওঁ বুলি যাবই নোখোজে চোন। বাকী ৰোৱা ফুলখিনি মাহঁতে শুকুৰাই খোৱাৰ উপযোগী কৰি ৰাখিছিল। ই এক মহৌষধ। ফুলবোৰ শুকুৰাই বুট দাইলটোৰ সমানকৈ সৰু সৰু বড়ি বনাই থৈছিল। সেই বড়ি খালে হেনো মেলেৰিয়া নহৈছিল। নতুবা মেলেৰিয়া জ্বৰ হ'লে তেনে বড়ি তিনিটামান খালে সোনকালে আৰোগ্য হয়। আনহাতে, কেঁচা ফুলবোৰ পানীত তিয়াই ৰাখি সেই পানীৰে মুখ ধুইছিল। ছালৰ কাৰণে অতি উত্তম বুলি মাহঁতে কোৱা শুনিছিলোঁ। এনেবোৰ ঘৰুৱা যতনো প্ৰাকৃতিকভাৱে সকলোৱে ঘৰে ঘৰে কৰা মনত পৰে।

ইয়াৰ পিছত আহিল পূজা চোৱাৰ পর্ব। সেই সময়তে গুৱাহাটী চহৰত পূজাৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। একেবাৰে অনাড়ম্বৰ পূজা মণ্ডপবোৰত সোমালেই আপোনা-আপুনি ভক্তিৰ ভাব জাগি উঠে। আমি থকা ঠাইখন আছিল ৰূপনগৰ। বর্তমান মেডিকেল কলেজ হাস্পতালৰ নামনিত। তেতিয়া তাত পূজা নাপাতিছিল। (অতি কম জনসংখ্যাৰ লোক থকা বাবে হয়তো)। সেইবাবে আমি দুপৰীয়া ভাত-পানী খাই দুই-তিনিটামান বজাত পূজা চাবলৈ ওলাওঁ। পূজাৰ নতুন চোলা পিন্ধি মই, সৰু বাইদেউ আৰু দাদাৰ লগত ওলাই যাওঁ পূজা চাবলৈ। খোজ কাঢ়ি কাঢ়ি বৰা ছাৰ্ভিচৰ এখন পূজা মণ্ডপত সোমাওঁ। গোসাঁনী দর্শনৰ লগে লগে পূজাৰ খেলনাৰ নামত এটা পিষ্টল কিনো। দাম চল্লিশ পইচামান আছিল হয়তো। সেইটো নল'লে যেন পূজা আধৰুৱা হৈ ৰ'ব। এয়া পূজা উদ্‌যাপনৰ প্ৰথম কার্যসূচী। এই পিষ্টলটো আকৌ প্ৰথমতে ফুটাবলৈ বৰ ভয় কৰিছিলোঁ। সোঁহাতখনত পিষ্টলটো লৈ হাতখন গাৰ পৰা যিমান পাৰো সিমান দূৰলৈ মেলি দিওঁ। সমানে সমানে মূৰটো বিপৰীত দিশলৈ ঘূৰাই লওঁ। প্ৰথমটো গুলি ফুটাৰ লগে লগে কেতিয়াবা হাতৰ পৰা পিষ্টল সৰি পৰে ভয়তে। তেনেকৈয়ে এঢাপ এঢাপকৈ পাকৈত হৈ পৰোঁ এটা সময়ত। এইবাৰ তাৰ পৰা খোজ লওঁ লাচিত নগৰৰ পূজাখনলৈ। বাটাচা, নকুলদানা চোবাই চোবাই এইবাৰ গৈ পাওঁ উলুবাৰী পূজা মণ্ডপ। উলুবাৰী চাৰিআলিৰ বর্তমান শিৱ মন্দিৰটোৰ চৌহদত আগতে গধূলি এখন বজাৰ বহা মনত পৰে। সন্ধিয়া কেৰাচিনৰ চাকিৰ পোহৰত বেপাৰীবোৰে শাক-পাচলি, ফল-মূল, মাছ আদি বেচিছিল।

শৰৎকালত কুঁৱলী মিশ্রিত সেই চাকিবোৰৰ পোহৰৰ লগতে ধূলি-ধোঁৱা মিশ্রিত গোন্ধ এটা যেন এতিয়াও নাকত লাগি আছে। পূজাৰ চাৰিদিন অৱশ্যে বজাৰখন বন্ধ আছিল। হয়তো আন ক'ৰবাত বহিছিল। আমাৰ তিনিজনীয়া দলটো গৈ এইবাৰ সেই পূজাখনত উপস্থিত হওঁ। তাতেই লগ হওঁ শৰণীয়াৰ পৰা অহা শেৱালি বা, মিনতি বা আৰু দিলীপ দা। পূজা মণ্ডপৰ খুঁটাবোৰত ইটোৰ পৰা সিটো ধৰি ধৰি অলপ সময় দৌৰা-ঢপৰা কৰাৰ পাছত আকৌ অভিযান আৰম্ভ হয় মণিপুৰী বস্তিলৈ। তাৰ পৰা পুনৰ খোজ লওঁ নিউফিল্ডলৈ। বর্তমান এই ঠাইডোখৰ চাই, অর্থাৎ Sports authority of Indiaৰ কার্যালয়। তাতেই আমাৰ পূজা চোৱা সামৰণি পৰে। কাৰণ, ইতিমধ্যে সন্ধিয়াও হৈ আহে আৰু ভাগৰো লাগে। কাৰণ এই গোটেই পথছোৱা আমি খোজেই কাঢ়িছিলোঁ। দুই-এপদ খেলনা বস্তু কিনি এইবাৰ পুনৰ মণিপুৰী বস্তিৰ পূজাখনলৈ আহোঁ। তাত পূজাৰীগৰাকীয়ে কৰা সন্ধ্যা আৰতি চাই বৰ ভাল লাগিছিল। ইতিমধ্যে পেটেও ভোকৰ ইঙ্গিত দিয়ে। এইবাৰ আহি লক্ষ্মী কেবিনত চিঙৰা আৰু জিলাপী খাওঁ। লগত পানী এগিলাচ। এখন প্ৰকাণ্ড (তেতিয়া প্ৰকাণ্ড যেনেই দেখিছিলোঁ) পাৰউঠা এলুমিনিয়ামৰ ট্রেত আইনাৰ গিলাচত পানী থৈ দিছিল। তাৰেই একোগিলাছ গলাধঃকৰণ কৰি ভোক মিতাইছিলোঁ। তেতিয়াৰ দিনত আমাৰ বাবে সেয়াই ফাষ্ট ফুড। পানী আছিল দমকলৰ। গিলাচত পানী ভৰাই ট্রেত সজাই যাওঁতে দিওঁতাজনৰ আঙুলি চাৰিটা পানীৰ গিলাচত সোমাই থাকে। কাৰণ কামৰ খৰধৰ লগতে নিপুণতাৰ বাবে দুয়োখন হাতৰ চাৰিটা আঙুলিৰে চাৰিটা গিলাচ একেলগে ধৰি জুবুৰিয়াই অতি খৰধৰকৈ পানীভর্তি গিলাচবোৰ সজাই গৈছিল। আনহাতে, গিলাচ ধোৱাৰ নামতো তেনেধৰণেই চাৰিটা গিলাচ ধৰি মগেৰে ওপৰৰ পৰা পানী ঢালি আওখালি গৈছিল। এনেদৰে বাহিৰত খালে আজিকালিৰ দৰে আমি কোনো চাফ-চিকুণৰ প্ৰতি সজাগ নাছিলোঁ। কিন্তু বেমাৰ-আজাৰো কমেইহে হৈছিল। প্ৰায় নহৈছিলেই। চিঙৰা, জিলাপী খোৱাৰ পাছত এইবাৰ ঘৰমুখী যাত্রা। উলুবাৰীতে শেৱালি বাহঁতৰ পৰা বিদায় লৈ পুনৰ খোজ লওঁ। তাৰ বাহিৰে বিকল্পও নাই। সেইবাবেই হয়তো খোজ কঢ়াটো একো কথা বুলিয়েই ভবা নাছিলোঁ। বৰা ছাৰ্ভিচলৈকে বিজুলী চাকিৰ জাকজমকতাৰ মাজেৰে পাৰ হৈ আহি ৰূপনগৰৰ জোনাক বিধৌত কেঁচা আলিটো পাওঁহি। সঁচাকৈ যেন শাৰদী ৰাণীগৰাকীহে। নিজা ৰাস্তাটোত মাজে মাজে এজাক সেমেকা বতাহ। ৰাস্তাৰ দুকাষৰ ধাননি পথাৰখনত টো খেলোৱা সৌন্দর্যই আজিও মনৰ মাজত টো খেলাই যায়। দুই-এখন চাইকেল পাৰ হৈ যাওঁতে নিয়ৰত ভিজা বালিবোৰৰ ছিটিকনিবোৰ চাইকেলৰ স্পোকত লাগি হোৱা মৃদু ঝংকাৰে জোকাৰি গৈছিল। কি যে এক অপূর্ব অনুভূতি। কবি-গীতিকাৰে শব্দৰে একোখন চিত্র আঁকে আৰু সেই গীত-কবিতাৰ কথাবোৰৰ মাজতেই নিজক বিচাৰি পোৱাৰ যেন এক বুজাব নোৱাৰা অনুভূতিয়ে আজিও জোকাই থৈ যায় এই শাৰদীয় বতৰতে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা


শিল্পিকা


GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার



বালিকা শিক্ষাৰ বৈদিক পটভূমি

ড° নৃপেন্দ্র নাথ শর্মা

সংসাৰখন চলাৰ কাৰণে বেদত দুটা বস্তু অপৰিহার্য্য বুলি কৈছে— জ্ঞান আৰু কর্ম্ম। অকল জ্ঞানৰ দ্বাৰা সংসাৰ নচলে, কর্ম্ম কৰিবই লাগিব। আনহাতে জ্ঞান নহ'লে কি কাম কৰিব লাগে, কি কাম কৰিব নেলাগে মানুহে জানিব কেনেকৈ; তেতিয়া তেওঁ কর্ম্মত প্রবৃত্ত হ'ব নোৱাৰে। আকাশত চৰাইটো উৰিবলৈও দুখন পাখিৰ প্রয়োজন; এখন পাখিৰেতো চৰাইজনী উৰিব নোৱাৰে। ৰে'লখন যাবলৈও লাইন দুডাল লাগিবই। তেনেকৈ সংসাৰখন চলিবলৈও পুৰুষ আৰু স্ত্রী দুয়োজনৰে সমানে প্রয়োজন। এজন শিক্ষিত, ভদ্র হৈ আনজন যদি তাৰ বিপৰীত হয়, তেনেহ'লে ঘৰ-সংসাৰ কেতিয়াও সুপৰিকল্পিতভাৱে চলিব নোৱাৰে। সেয়েহে নিজৰ ঘৰখন-সমাজখন ঠিকমতে চলিবলৈ হ'লে স্ত্রী-পুৰুষ দুয়োজনে সমানে শিক্ষিত বা জনা-বুজা হ'ব লাগিব।

বেদৰ সময়তে তত্ত্বদর্শী ঋষি-মুনিসকলে এই কথা অনুধাৱন কৰিছিল আৰু পুৰুষৰ লগতে মহিলাসকলেও যাতে জ্ঞানৰ অনুশীলন কৰিব পাৰে, সেই দিশত বিশেষ মনোযোগ দিছিল। তেওঁলোকে বুজিছিল যে মহিলাসকল প্রকৃত শিক্ষাৰ আলোকেৰে উদ্ভাসিত হ'লেহে সমাজখন বিকশিত হ'ব। কাৰণ পুৰুষসকল সাধাৰণতে জীৱিকাৰ বাবে বা অন্যান্য নানা কাৰণত দিনটোৰ বেছিভাগ সময় ঘৰৰ বাহিৰতে কটাবলগীয়া হয়। তেতিয়া শিশু অৱস্থাত সন্তানবিলাক বেছিভাগ সময় মাকৰ লগতে থাকিবলগীয়া হয়। গতিকে মাতৃসকলৰ যিখিনি জ্ঞান বুদ্ধিৰ পৰিসৰ সেইখিনিয়েই প্রতিফলিত হয় শিশুৰ প্রাণত। কাৰণ এটি শিশুৰ অন্তৰ এখন বগা কাগজৰ দৰে আৰু সি যিটো পৰিৱেশত ডাঙৰ হয়, তাৰ এটি ছাপ তাৰ ওপৰত পৰি যায়। শিশু কালৰ শিক্ষাৰ ছাপ মানুহৰ অন্তৰত বৃদ্ধ অৱস্থালৈ ৰৈ যায়। আৰু তাৰ প্রভাৱৰ পৰা সি সতকায় মুক্ত হ'ব নোৱাৰে। গতিকে সৰু কালৰ ভাল শিক্ষাৰ ফলত তেওঁ গোটেই জীৱন সুখ, শান্তি, সামাজিক প্রতিষ্ঠা, সম্মান আদি পাব। তেনেকৈ সৰুতেই যদি শিশু বিপথগামী হয়, পিছত তাক ঘূৰোৱাটো কষ্টসাধ্য বা অসম্ভৱ হৈ পৰে। সেয়েহে মাতৃৰ শিক্ষাৰ প্রভাৱ শিশুৰ ওপৰত যথেষ্ট ফলদায়ী।

জ্ঞানীজনে কয়— এজনী বিজ্ঞ মাতৃ নৰ্ব্বেজন শিক্ষকতকৈও ভাল। কাৰণ শিক্ষানুষ্ঠানবিলাকত শিশুসকল থাকে অলপ সময়হে। কিন্তু মাতৃৰ সান্নিধ্য স্থায়ী আৰু সর্বতোমুখী। মাকে শিশুসকলক তেওঁলোকৰ শিক্ষাৰ উপৰি স্বভাৱ-চৰিত্র, নৈতিক, আধ্যাত্মিক, সামাজিক ব্যৱহাৰ, ঘৰুৱা

দিশ আদিৰ ওপৰতো পূৰ্ণোদ্যমে আলোকপাত কৰে, যিটো তেওঁলোকৰ অন্তৰত শিলৰ ৰেখা হৈ ৰৈ যায় চিৰকাল।

সেয়েহে পুৰুষতকৈ স্ত্রী বুদ্ধি সন্তানৰ বিকাশ সাধনত বেছি কার্য্যকৰী। গতিকে এখন সমাজ তথা দেশৰ ভৱিষ্যৎ বহু পৰিমাণে নির্ভৰ কৰে মাতৃৰ শিক্ষা আৰু স্ত্রী মর্য্যাদাৰ ওপৰত।

বৈদিক যুগত স্ত্রী শিক্ষা বহুত আগবঢ়া আছিল। তাৰ ভিতৰত অন্তুণ ঋষিৰ কন্যা বাক্ যথেষ্ট বিদূষী আৰু ব্রহ্মৱাদিনী আছিল। তেওঁ ব্রহ্ম সাক্ষাৎকাৰ লাভ কৰি নিজকেই ব্রহ্মৰ লগত এক বুলি অনুভৱ কৰিছিল। এইটোৱেই জ্ঞানৰ পৰা কাষ্ঠা। মানুহৰ শৰীৰৰ যিকোনো এটা অঙ্গলৈ দেখুৱাই সুধিলে সেই অঙ্গটোৰ নামহে আমি কওঁ, মানুহজনৰ নামটো আমি নকওঁ। কিন্তু আচলতে আটাইকেইটা অঙ্গৰ সমষ্টিটোৱেই হৈছে মানুহজনৰ নামটো। তেনেকৈ বিশ্ব-ব্রহ্মাণ্ডৰ প্রতিটো বস্তুৱেই ভিন্ন ভিন্ন। কিন্তু আটাইখিনি মিলিয়েই ব্রহ্মাণ্ডখন হৈছে। এই সকলোখিনি বাদ দিলে বিশ্বৰ কোনো অস্তিত্বই নেথাকিব। যেনেকৈ মানুহৰ শৰীৰৰ প্রতিটো অঙ্গই মানুহজনৰ নাম, যাদৱ বা অণিমা তেনেকৈ; এই চৰাচৰ বিশ্ব-ব্রহ্মাণ্ডৰ প্রতিটো বস্তুৱেই ঈশ্বৰ; এই জ্ঞান যেতিয়া মানুহৰ হয় আৰু তেওঁ অন্তৰৰ পৰা অনুভৱ কৰে; তেওঁ নিজেই তেতিয়া ঈশ্বৰ সদৃশ হৈ যায়। এই জ্ঞান লাভ কৰিয়েই ঋষি-মুনিসকল তত্ত্বদর্শী আৰু ত্রিকালদর্শী হৈছিল। অন্তুণ ঋষিৰ কন্যা বাকেও সেই জ্ঞান হৃদয়ত উপলব্ধি কৰি নিজকেই পৰম ব্রহ্ম বুলি ঘোষণা কৰিছিল।

ব্রহ্মবিদ্ ঋষি যাজ্ঞবল্ক্যই সন্ন্যাস ল'বলৈ ওলাই পত্নী মৈত্রেয়ীক সুধিলে— মইতো গৃহস্থ ধর্ম্ম এৰি সন্ন্যাস ল'ম; গতিকে যোৱাৰ সময়ত তোমাক কি দি যাম? মাটি, সম্পত্তি, অর্থ, যি লাগে তাকে লোৱা। জীৱনত অসুবিধা নোহোৱাকৈ প্রচুৰ পৰিমাণে দি যাম। দেৱী মৈত্রেয়ীয়ে ধীৰ-স্থিৰভাৱে উত্তৰ দিলে যিবিলাক পার্থিৰ বস্তু অনিত্য ভাৰি আপুনি ত্যাগ কৰি আছে আৰু নিত্য পৰমব্রহ্মৰ জ্ঞানৰ প্রতি ধাৱমান হৈ আছে, সেই অনিত্য বস্তুৰে মই কি কৰিম? মানুহৰ মৃত্যুৰ লগে লগে সকলো পার্থিৱ বস্তুৰ প্রয়োজন শেষ হৈ যায়। কিন্তু উপার্জিত জ্ঞানৰ যাত্রা অবিৰত। পার্থিৱ সুখ-দুঃখ, শীত-গৰম শৰীৰৰ অনুভূত দ্রব্য। মৃত শৰীৰত এইবোৰে প্রতিক্রিয়া কৰিব নোৱাৰে। কিন্তু প্রকৃত জ্ঞান মানুহজনৰ শৰীৰ ত্যাগৰ পিচতো আত্মাৰ লগত অনুগমন কৰে। সেয়েহে আগৰ জন্মৰ জ্ঞানী মানুহজন, পিচৰ জনমত শিশু অৱস্থাৰে পৰা প্রতিভাৱান হৈ উঠে; আৰু আগৰ জন্মৰ তেনেই অশিক্ষিত মানুহজন, পিচৰ জীৱনত আ�ৰম্ভণিৰে পৰা মন্দবুদ্ধি আৰু সংস্কাৰ বিহীন হয়। গতিকে মোক অনিত্য বস্তু নেলাগে নিত্য ব্রহ্মজ্ঞানহে দিয়ক— মৈত্রেয়ীৰ উত্তৰ। সেই মৈত্রেয়ীয়েই স্বামীৰ পৰা ব্রহ্মজ্ঞান লৈ পিচত ব্রহ্মাজ্ঞানী বিদূষী মহিলাৰূপে খ্যাতি লাভ কৰিছিল আৰু পণ্ডিত সমাজত উচ্চ আসন লাভ কৰিছিল।

তেনেকৈ আত্রেয়ী আৰু লোপামুদ্রাই বিদ্যা শিক্ষাৰ জৰিয়তে বিদগ্ধ হৈ সমাজত উচ্চ স্থান লাভ কৰি নাৰী সমাজৰ গৰিমা আজিও উজলাই ৰাখিছে। ঋগ্বেদৰ প্রথম মণ্ডলত যুদ্ধৰতা বিস্পলাৰ কথা বর্ণিত আছে, তেনেকৈ দশম মণ্ডলত মুদ্গলানী নামৰ বীৰ ৰমণী এজনীৰ বীৰত্বৰ কাহিনী বহুত উৎসাহজনক। তেনেকৈ বেদৰ পাতে পাতে বিশ্ববাৰা, ৰোমাশা, অপালা, শ্রদ্ধা, কামায়নী, পৌলমী, জৰিতা, কাক্ষীৰতী, ঘোষা আদি বিদূষী মহিলাৰ পাণ্ডিত্যপূর্ণ কাহিনী আজিও জিলিকি আছে।

পিচৰ যুগতো ঝাঞ্চীৰ ৰাণী লক্ষ্মীবাই, মূলা-গাভৰু, সতী জয়মতী আদিৰ আত্মত্যাগৰ কাহিনী ৰমণী সমাজৰ প্রেৰণাদায়ক। আমাৰ হাত দুখনৰ এখন হাত অকামিলা হ'লে যেনেকৈ এখন হাতেৰে সকলো কাম কৰিব নোৱাৰি, তেনেকৈ সমাজখনৰো সর্বাঙ্গীণ উন্নতি হ'বলৈ হ'লে স্ত্রী-পুৰুষ দুয়ো সমানে শিক্ষিত, জ্ঞানী, সৎ আৰু ক্রিয়াশীল হ'ব লাগিব, তেতিয়াহে উন্নতি সফল হ'ব।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক তথা অৱসৰী অধ্যক্ষ, চৰকাৰী সংস্কৃত মহাবিদ্যালয়

অভিধানত অন্তর্ভুক্ত নামবাচক শব্দ আৰু ইয়াৰ অর্থ

ড° উপেন ৰাভা হাকাচাম

ভাষাবিজ্ঞান (Linguistics)-ৰ আলোচনাত শব্দার্থতত্ত্ব (semantics) বোলা শাখা আছে; য'ত একোটা শব্দৰ অর্থ সময়ৰ সোঁতত বা প্রসংগক্রমে কেনেকৈ সলনি হয় তাৰ বিশ্লেষণ আগবঢ়োৱা হয়। সেই মর্মে অর্থ তিনি প্রকাৰৰ— ক) অর্থ সংকোচন (Contraction of Meaning), খ) অর্থ বিস্তাৰ (Expansion of meaning) আৰু গ) অর্থান্তৰ (Meaning change, Transfer/ Alteration of meaning)। তদুপৰি অর্থ পৰিবর্তন হওঁতে হয় অর্থ-উৎকর্ষ (Upgradation/Elevation of meaning), নহয় অর্থ-অপকর্ষ(Degradion/Degeneration /Pejoration of Meaning) হ'ব পাৰে।[১]

ভাল এখন অভিধানত বিশেষকৈ ব্যুৎপত্তিমূলক অভিধানত (Etymological Dictionary) এনে বিষয়ত গুৰুত্ব প্রদান কৰি শব্দৰ উৎস আৰু প্রয়োগ সম্বন্ধে ব্যাখ্যা দিয়া থাকে। বিশ্বৰ সর্বাধিক জনপ্রিয় আৰু সর্বাধিক সংশোধিত/ সংস্কৰিত **Oxford Dictionary** খনৰ পৃষ্ঠা মেলিলেই পাতে পাতে এনে উদাহৰণ পোৱা যাব। আমাৰ হাতত থকা ছাত্র-ছাত্রীৰ ব্যৱহাৰৰ বাবে অতি সুচল (World's Most Trusted Dictionaries) **New Compact Oxford Dictionary Thesaurus & Word Power Guide**[২] নামৰ অভিধানত অন্তর্ভুক্ত তেনে এটা নামবাচক শব্দৰ উদাহৰণ দিয়া হ'ল—

boycott ●v. refuse to have dealings with (a person, organization, or country) as a punishment or protest. ●n. an act of boycotting. ■ORIGIN from Captain Charles C. *Boycott*, an Irish land agent so treated in 1880 in an attempt to get rents reduced.....

Thesaurus:

boycott ●n. ban, blacklist, embargo, prohibition. ●v. avoid, black, blackball, blacklist, exclude, *informal* give the cold-shoulder to, ignore, make unwelcome, ostracize, outlaw, prohibit, spurn, stay away from.

অর্থাৎ সমার্থক (Synonyms) হিচাপে ইংৰাজীত ইমানবোৰ শব্দ (বিশেষ্য, ক্রিয়া) থকা সত্ত্বেও এজন মানুহৰ কর্ম-কাণ্ড বা কেলেংকাৰীৰ পৰা সৃষ্টি হোৱা boycott শব্দটি অকল ইংৰাজী সাহিত্য বা ইংৰাজীভাষী লোকৰ মাজতেই সীমাৱদ্ধ বা জনপ্রিয় হৈ থকা নাই; ই ভাষা আৰু দেশৰ পৰিধি চেৰাই সাধাৰণ গাঁৱলীয়া আৰু নিৰক্ষৰ মানুহৰ লোকভাষাতো (folk speech) স্থান পাইছে। অসমীয়াত সামাজিকভাৱে বর্জন কৰা, জুই-পানী আলগ কৰা, হোকা-পানী নিষেধ কৰা, এঘৰীয়া কৰা, আলগ কৰা ইত্যাদি অর্থত একমুখে 'বয়কট কৰা' শব্দৰ প্রচলন হৈ আহিছে। আনকি ব্রনচনৰ অভিধানত নথকা এই শব্দটো শেহতীয়াভাৱে **হেমকোষ**তো স্থান পাইছে এই বুলি—

বয়কট্ বি. (ইং) সামাজিকভাৱে কৰা বর্জন, এঘৰীয়া কৰা কার্য, boycott.[৩]

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্রকাশিত অসম সাহিত্য সভাৰ **চন্দ্রকান্ত অভিধান**ত ইয়াক এনেদৰে অন্তর্ভুক্ত কৰা হৈছে—

বয়কট (ইং) বি. বর্জন, ৰাজনৈতিক কাৰণত কৰা অসহযোগ; boycott.[৪]

অসম চৰকাৰৰ চৰকাৰী ভাষা প্রয়োগ সঞ্চালকালয়ৰ পৰা প্রকাশিত আৰু মহেশ্বৰ নেওগৰ মুখ্য সম্পাদনাত প্রস্তুত **চলন্ত অভিধান**ত ই আৰু অধিক স্পষ্ট ৰূপত আছে এইবুলি—

বয়কট [ইং.boycott < Boycott, ব্রিটেইনৰ কাউণ্টি County মেয়ৰ কেপ্টেইন বয়কট, যাক ১৮৮০ চনত ওচৰ-চুবুৰীয়াই সামাজিকভাৱে বর্জন কৰিছিল] বি. বর্জন; boycott[৫]

আনকি কিছু বিতর্কিত আৰু আলোড়ন সৃষ্টিকাৰী অসম জাতীয় প্রকাশনৰ হৈ দ° দেৱব্রত শর্মাৰ দ্বাৰা সম্পাদিত **অসমীয়া জাতীয় অভিধান**খনতো ই দুটা প্রবিষ্টিত সন্নিবিষ্ট হৈ আছে।

বয়কত (ঐ) বি. [ই. boycott] সামাজিকভাৱে কৰা বর্জন, এঘৰীয়া কৰা কার্য।

বয়কোত (ঐ) বি. [ইং boycott] গোৱাল; বর্জন।[৬]

এইদৰে অকল ইংৰাজী বা অসমীয়াকে ধৰি প্রাদেশিক ভাষাৰ অভিধানবোৰৰ উপৰি প্রাচীন সংস্কৃত ভাষা আৰু সাহিত্যতো ব্যক্তিবিশেষৰ বা স্থানবিশেষৰ ঘটনা-পৰিঘটনাৰ ওপৰত নির্ভৰ কৰি সৃষ্টি হোৱা বা নির্মাণ কৰা একো একোটা বহুল সমাদৃত শব্দ বা শব্দগুচ্ছৰ অভিধানসমূহত অন্তর্ভুক্ত হোৱাৰ উদাহৰণ আছে। যেনে—

ব্যাসকূট ঃ ব্যাসদেৱে মহাভাৰতখন গণেশৰ দ্বাৰা প্রতিলিপি

কৰোঁতে চৰ্তমতে জিৰণি ল'ব লাগিলে অর্থৰ দ্ব্যর্থকতা থকা শ্লোক মাতি তাৰ অর্থ হৃদয়ংগম কৰিহে লিখিবলৈ দি কৌশলগতভাৱে নিজ স্বার্থ (কূটনীতি) সিদ্ধি কৰা কার্য। এনে দুর্বোধ্য থকা শ্লোক বা পদকে ব্যাসকূট বোলা হয়। অসমীয়া অভিধান মতে—

ব্যাসকূট ঃ বি. ব্যাসৰ ৰচনাৰ সহজে বুজিব নোৱৰা অংশ; A portion of Vyasa's works which can not be easily understood. (চলন্ত অভিধান, ২০০২, পৃ. ৮১০)

সেইদৰে **ব্যাস-বাক্য** ঃ বি. [ব্যাসৱাক্য] (ব্যাকৰণত) সমাসান্ত পদৰ অর্থ প্রকাশ কৰি সমাসৰ পদসমূহ বিভিন্নকৈ দেখুওৱা বাক্য । (চলন্ত অভিধান, ২০০২, পৃ. ৮১০)

শিখণ্ডী ঃ বি. দ্রুপদ ৰজাৰ কন্যাৰূপে উপজি পিছত তপৰ বলত ৰূপান্তৰিত হোৱা পুত্র-মাক সমুখত ৰাখি অর্জুনে যুদ্ধ কৰাত ভীষ্মই নাৰীৰ বিৰুদ্ধে অস্ত্র নধৰে বুলি অস্ত্র পৰিহাৰ কৰিছিল। ২। যাক সন্মুখত ৰাখি আনে আঁৰৰ পৰা শত্রুতা আচৰণ কৰে তেনে লোক। (চলন্ত অভিধান, ২০০২, পৃ. ৯৯২)

ত্রি.(স)বি.- **ত্রিশঙ্কু** ঃ স্বর্গ আৰু পৃথিৱীৰ মাজপথত স্থাপিত পুৰাণোক্ত এজন সূর্যবংশীয় ৰজা; A king of the solar dynasty described in the Purana as having been established midway between the earth and the heaven (চলন্ত অভিধান, ২০০২, পৃ. ৫২২)

এটা সময়ত হিন্দীভাষী লোকৰ মাজত অন্ধ (ভিখাৰী বা সাধু-সন্ত প্রকৃতিৰ) লোক মাত্রকে 'সুৰদাস' বুলি অভিহিত কৰা হৈছিল। গংগা দেৱীৰ নামেৰে হোৱা 'গংগা' বা 'গাং' বুলিলে গংগা নদীৰ উপৰি অন্যান্য নদীকো সামৰিছিল। এইদৰে হৰিজন সম্প্রদায় (মেতৰ, মুচী আদি দলিত সম্প্রদায়ৰ পৰিৱর্তে), টগলগী কাণ্ড(মহম্মগ বিন টগলগৰ নামেৰে), মীৰজাফৰ, কালাপাহাৰ, বদন (বৰফুকন) আদি শব্দৰ সৃষ্টি হৈছে।

এই প্রসঙ্গত বিৰিঞ্চি কুমাৰ বৰুৱাই 'অসমীয়াত শব্দৰ অর্থ পৰিবর্তন' শীর্ষক নিবন্ধত লিখিছে--" কেতিয়াবা কোনো ব্যক্তিৰ নাম সাধাৰণভাৱে বিশেষণবাচক শব্দৰ দৰে ব্যৱহাৰ হয় হিটলাৰী শক্তি, বিস্মাৰ্কী প্রতিভা, ৰাম-ৰাজ্য, ৰাম-চাগলী, ৰাম-টাঙোন, ৰাম-দা, ভীম-বল, ভীম-টোকা, ব্রহ্ম-দৈত্য, ধর্ম-যুধিষ্ঠিৰ, ঘৰ শত্রু বিভীষণ আদিৰ বিস্তাৰিত অর্থ মন কৰিবলগীয়া।"[৭]

আজিকালি ৰাজনৈতিক সমস্যা বা ৰাজনীতিকৰ আচৰণ বিধি (code of conduct) বুজাবলৈ আমেৰিকাবাসীৰ ইংৰাজীতো (American English) বৰকৈ প্রচলন হ'বলৈ ধৰা অথচ কোনো এখন অসমীয়া অভিধানতে[৮] ঠাই নোপোৱা '**লক্ষ্মণ ৰেখা**' সম্পর্কে হিন্দী, বাংলা আদি অভিধানত বহুলভাৱে উল্লেখিত হৈছে। ইণ্টাৰনেট লব্ধ ইয়াৰ তেনে এটি অর্থ তলত দিয়া হ'ল।

লক্ষ্মণ ৰেখা ঃ ১. মর্যাদা ৰ আচৰণ কী ৰহ সীমা ৰেখা জিচকা ওলংঘন বর্জিত হী । ২. পাৰ ন কৰনে যোগ্য সীমা।

[http://www.hindi2dictionary.com/lakshman-rekha-meaning-eng.html]

লক্ষ্মণ-ৰেখা বি. লক্ষ্মণে ছদ্ম হৰিণ খেদি যোৱাৰ আগতে সীতাৰ সন্মুখত ধনুৰে এডাল আঁচ টানি সেই ৰেখা পাৰ নহ'বলৈ অনুৰোধ কৰিছিল; এতেকে কোনো কার্যৰ সীমাৰেখা। (সামগ্রিক অসমীয়া শব্দকোষ, ২০১৭, পৃ. ১২৫)।

লক্ষ্মণ বি. ৰামায়ণত বর্ণিত ৰামচন্দ্রৰ অনুগত ভাতৃ বিশেষ।। লক্ষ্মণ ৰেখা— লক্ষ্মণে পূর্বতে সীতা দেৱীক পর্ণকুটীৰ পাৰ নহ'বলৈ দিয়া সীমাৰেখা, বর্তমান কোনো অধিকাৰৰ সীমাসূচক বুজাবলৈ ব্যৱহাৰ কৰা হয়। (যেনে— সাংবাদিকে কিমানখিনি ব্যক্তিগত জীৱনৰ কথা প্রচাৰ কৰিব পাৰে তাৰে এটা লক্ষ্মণ ৰেখা থকা উচিত। (সমকালীন অসমীয়া অভিধান, ২০১৩, পৃ. ৭৮৮)।

আনহে নালাগে ইংৰাজীতো Spooner, Malaprop আদি ব্যক্তিনামৰ পৰাই Spoonerism, Malapropism আদি ভাষাতত্ত্বৰ কিছুমান সুকীয়া ধাৰাৰ সৃষ্টি হৈছে।

Malapropism ●/mal-uh-prop-i-zm / (US also malaprop) ●n. the mistaken use of a word in place of a similar sounding one (e.g. 'dance a flamingo' instead of flamenco) ■ORIGIN named after Mrs. Malaprop in Richard Sheridan's play The Rivals. [Compact Oxford Dictionary Thesaurus, 2003, p. 542]

Spoonerism ●a mistake in speech in which the initial sounds or letters of two or more words are accidentally swapped arounds, as in you have hissed the mystery lectures ■ORIGIN named after the English scholar Revd. W. A. Spooner, who is supposed to have made such errors. (ibid, p. 875)

বিশ্বায়নৰ আধুনিক সমাজত দেশ-বিদেশৰ বিভিন্ন পৰিঘটনা আৰু নতুন নতুন পাৰিভাষিক শব্দ অসমীয়াতো সৰ্ববৰহী হৈ সামগ্রিক অসমীয়া শব্দকোষ, সমকালীন অসমীয়া অভিধান বা হেমকোষৰ শেহতীয়া (পঞ্চদশ) সংস্কৰণসমূহত নিগাজীকৈ আসন পাৰি বহিছে। তেনে কিছুমান পাৰিভাষিক বা ৰাজনৈতিক পৰিঘটনা হৈছে—

তালিবান ঃ তালিবানি (হিটলাৰী শাসন/শক্তিৰ বিকল্পে)

জিহাদ/ জেহাদ ঃ মুছলিম জেহাদী, লাভ-জেহাদ, লেণ্ড-জেহাদ

ছুনামি বি. (ইং) সাগৰৰ তলিত উৎপত্তি হোৱা ভূমিকম্প অথবা আগ্নেয়গিৰিৰ উদ্গীৰণৰ প্রভাৱত সৃষ্টি হোৱা বৃহৎ আৰু বিধ্বংসী সামুদ্রিক ঢৌ, tsunami (সমকালীন অসমীয়া শব্দকোষ, 16th edition, 2015, পৃ. ৫২৮)

চুনামি/ছুনামি বি. ঋ. জা. tsunmi— ভূমিকম্পৰ ফলত সাগৰৰ ঢৌৰে প্রলয়ংকৰী ৰূপ ধাৰণ কৰা প্রাকৃতিক পৰিঘটনা। (সমকালীন অসমীয়া অভিধান, ২০২৩, পৃ. ২৫৯)

বর্তমান বৈপ্লৱিক পৰিৱর্তন অর্থত যেনে— নির্বাচনৰ ছুনামিত,

বাংলাদেশ ঃ জয় বাংলা (চকুৰ বেমাৰ), বাংলাদেশী (বহিৰাগত অর্থত)

গান্ধী ঃ গান্ধীগিৰি, গান্ধীবাদী

অসমীয়া ঃ অসমীয়াগিৰি।

বিজ্ঞানৰ কিছুমান নতুন নতুন সূত্ৰ বা উদ্ভাৱনৰ নামকৰণো (য'ত সংশ্লিষ্ট গৱেষক বা বিজ্ঞানীগৰাকীৰ নাম জড়িত হৈ আছে) এই ধৰণৰ পৰম্পৰাই বুলিব পাৰি। উদাহৰণ স্বৰূপে Eureka, Eureka বোলা ধ্বনিটোৰ পৰাই কিবা এটা নতুন আৱিষ্কাৰ হোৱাৰ পিচত আনন্দ-প্ৰকাশ কৰা ধ্বনিটোৰ এইদৰে সৃষ্টি হৈছে।

Eureka ●/you-ree-kuh/ ●exclaim. a cry of joy or satisfaction when one finds or discovers something. ■Origin Greek heurika 'I have found it.' (ibid, p. 302)

এইদৰে **Tantalize** (also tantalise) ●v. tease (someone) with the sight or promise of something that they cannot have. ■ORIGIN from Tantalus in Greek mythology, who was punished by being provided with fruit and water which moved away when he reached for them (ibid, p. 928)

অসমীয়া অভিধানতো ই অন্তর্ভুক্ত হৈছে। টেণ্টালাছ বি. (ইং) গ্ৰীক উপাখ্যানত বর্ণিত এটা চৰিত্ৰ, উপাখ্যানৰ মতে এই টেণ্টালাছে পানীৰ মাজত থিয় হৈ থাকিও পিয়াহত পানী খাব পৰা নাছিল, Tantalus. (হেমকোষ, ষষ্ঠদশ সংস্কৰণ, ২০১৫, পৃ. ৫৯০)।

Adam's apple●n. the projection of cartilage at the front of the neck. ■ORIGIN from the belief that a place of the forbidden fruit became lodgedin Adam's throat.(ibid, p.10)

Adam's bridge আডাম সাঁকো; ৰামসেতু। ভাৰত আৰু শ্ৰীলংকাৰ মাজত থকা প্ৰায় ২৭ কিমি দৈর্ঘ্যৰ শৈলসিৰা। (ক্ষীৰধৰ বৰুৱা ঃ অসমীয়া বৈজ্ঞানিক পৰিভাষা কোষ, সাতসৰী, একাদশ বছৰ, চতুর্থ সংখ্যা, নৱেম্বৰ, ২০১৫, পৃ. ১০২)

Adam's catalyst আডামৰ অনুঘটক। হাইড্ৰ'জেন সংযোজনত ব্যৱহৃত এবিধ প্লেটিনাম অক্সাইডভিত্তিক অনুঘটক। (সদ্যোক্ত)

Adams Ring আডামৰ আঙুঠি। নেপচুন গ্ৰহৰ বহিৰতম আঙঠি। জ্যোতিষবিজ্ঞানী জে ছি আডামছৰ নামানুসাৰে। (সদ্যোক্ত) ইত্যাদি।

Jack.■n. 1. a device for lifting a motor vehicle off the ground. 2. A playing card ranking next below a queen. 3. (Also jack socket) a socket designed to receive a jack plug. 4. The small white ball at which bowls players aim. 5. a small piece of metal used in tossing and catching games. ●V. (jack up) 1. Raise with a jack. 2. informal increase by a large amount. ■ORIGIN from jack, familiar from of the man's name John. (New compact Oxford Dictionary, 2003, p.483).

জেক [ইং jack] বি. গাড়ী আদি গধুৰ বস্তু অলপ ওপৰলৈ তুলি দাঙি ৰাখিব পৰা যান্ত্ৰিক যতন; a jack (চলন্ত অভিধান, ২০০২, পৃ.৪৪৩)।

মনস্তত্ত্ব বা মনৰোগ চিকিৎসাশাস্ত্ৰত অতিকৈ প্ৰচলিত ইডিপাচ কমপ্লেক্স (Oedipus complex) আৰু ইলেক্ট্ৰা কমপ্লেক্স (Electra complex) নাম দুটাও গ্ৰীক পু�ৰাণৰ নামৰ পৰাই লোৱা হৈছে। যেনে—

Oedipus complex/ee-di-puhss/on.(in the theory of Sigmund Freud) the emotions arouse in a young child by an unconscious sexual desire for the parent of the opposite sex. ■ DERIVATIVES ●Oedipal adj. ■ORIGIN from Oedipus in greek mythology, who unknowingly killed his father and married his mother. (New Compact Oxford Dictionary Thesaurus & Word Power Guide, 2023, p.614)

Oedipus complex/i:dop s k mpl ks/ NOUN Psychoan alysis (in Freudian theory) the complex of emotions aroused in young child, typically around the age of four, by an unconscious sexual desire for the parent of the opposite sex and wish to exclude the parent of the same sex. (The term was originally applied to boys, the equivalent in girls being called the Electra Complex). ORIGIN early 20th century : by association with Oedipus. (online Oxford Dictionary).

Electra Complex:

The Electra Complex occurs in the third-phallic stage (ages 3-6) of five psycho sexual development stages: the oral, the anal, the phallic, the latext, and the genital in which the source of libido pleasure is in a different erogenous zone of the infant's body. (https://en.m.wikipedia.org dt-28/12/23 at 8.00 p.m.)

Caesarean section/si-zair-i-uhn/.n. an operation for delivering a child by cutting through the wall of the mother's abdomen. ■ORIGIN from the story that Julius Caesar was delivered by this method. (New Compact Oxford Dictionary, 2013, p.144)

মন কৰিবলগীয়া যে অসমীয়াকে ধৰি ভাৰতীয় ভাষাতো চিজাৰিয়ান অপাৰেচন (Cesarin operation)ৰ ব্যৱহাৰ হৈ আহিছে আৰু অভিধানসমূহতো স্থান পাইছে। যেনে—

চিজাৰিয়ান অপাৰেচন (ইং Caesarin operation) বি. গর্ভৱতী স্ত্ৰীৰ প্ৰসৱৰ ক্ষেত্ৰত জটিলতাৰ সংশয় থকা যেন দেখিলে চিকিৎসকে পেট ফালি সন্তান বাহিৰ কৰি আনিবৰ বাবে কৰা অস্ত্ৰোপ্ৰচাৰ, caesarin operation. (চলন্ত অভিধান, ২০০২, পৃ. ৩৭৫)।

চিজাৰিয়ান অপাৰেচন বি. (ইং) প্রসৱকালত মাতৃৰ অস্ত্রোপচাৰৰ দ্বাৰা সন্তান জন্ম দিয়া কার্য, Caesarian operation. (হেমকোষ, ষষ্ঠদশ সংস্কৰণ, ২০১৫)।

চিকিৎসা শাস্ত্রকে ধৰি পদার্থবিজ্ঞানত (পোহৰ বা ৰশ্মি শাখা) বৰকৈ প্রচলিত তেনে এটা শব্দ হৈছে ৰঞ্জন ৰশ্মি (Rantgen Ray/ X-Ray)। অভিধানসমূহত ই বর্ণিত হৈছে এনেদৰে—

Roentgen/runt-yahn, rernt-yuhn, ront-yuhn/ on. a unit of quantity of ionizing radiation. ■ORIGIN named after the German physicist Wilhelm Conrad Rontgen. (ibid, p.779) rontgen on.var. of ROENTGEN (New compact Oxford Dictionary, 2003, p.780)

Roentgen (unit) The roentgen or rontgen is a legacy unit of measurement for the exposure of X-Ray and gamrna rays, and is defined as the electric charge freed by such radiation in a specified volume of air divided by the mass of that air (statcoulomb per kilogram). In 1928, it was adopted as the first international measurement quantity for ionizing radiation to be defined for radiation protection, as it was then the most easily replicated method of measuring air ionization by using ion chambers. It is named after the German physicist Wilherm Rantgen, who discovered X-Rays and was awarded first Nobel Prize in Physics for the discovery. (https:// en.m.wikipedia.org>wiki).

ৰঞ্জন ৰশ্মি বি. জার্মান বৈজ্ঞানিক উইলিয়াম ৰণ্ট-জেনৰ দ্বাৰা আৱিষ্কৃত ৰশ্মি, যাৰ সহায়ত শৰীৰৰ ভিতৰৰ অস্বচ্ছ পদার্থৰ চিত্র ল'ব পাৰি; এক্স-ৰে'; X-ray. (চলন্ত অভিধান, ২০০২, পৃ. ৯২৬)।

Watt/w t/(abbreviation W) ▶NOUN the SI unit of power euivalent to one joule per second, corresponding to the rate of consumption of energy in an electric circuit when the potential difference is one volt and the current one empire. ■ORIGIN late 19th century : named after James Watt. (ontine Oxford Dictinary of English).

অসমীয়া অভিধান মতে—

ৱাট (ৰাট) বি. ঋ. ইং watt– বিদ্যুতৰ মুঠ energy consumptionৰ একক বিশেষ; যাক সাধাৰণ ভাষাত 'পাৱাৰ' বোলা হয়। যেনে— 60 watt মানে ৬০ পাৱাৰৰ বাল্ব।

স্থান নামৰ ভিত্তিত বহু সাজ-পাৰ বা যন্ত্র-পাতিৰ লগতে জীৱ-জন্তু বা উৎপাদিত সামগ্রীৰ নাম জনপ্রিয় হোৱা দেখা যায়; যি সময়ত অভিধানত স্থান পায়। উদাহৰণ—

Jersey/dzazi/ ■NOUN 1. a knitted garment with long sleevs, worn over the upper body. ■ a distinctive shirt worn by a player or competitor in certain sports.

2 (Jersey) an animal of a breed of light brown dairy cattle from Jersey. ■ORIGIN late 16th century (denoting woollen worsted fabric made in Jersey from Jersey. (online Oxford Dictionary of English).

জার্ছি বি. (১) ফুটবল খেল আদিত খেলুৱৈয়ে পিন্ধা এক বিশেষ ধৰণৰ চোলা। (২) গাখীৰ সৰহকৈ দিয়া উন্নত জাতৰ গৰু। (সামগ্রিক অসমীয়া শব্দকোষ, ২০১৭, পৃ. ৫৯১)

জার্ছি[১] বি.ঋ. ইং jersey– খেলুৱৈসকলৰ বাবে বিশেষ ডিজাইন কৰা টি ছার্ট।

জার্ছি[২] বি.ঋ. ইং (jersey– অধিক গাখীৰ দিয়া বর্ণসংকৰ গাই (Jersey দ্বীপৰ পৰা অনা)। জার্ছি গাই— সদ্যোক্ত। (সমকালীন অসমীয়া অভিধান, ২০২৩, পৃ. ৩০৯)

Bikini/bikini/■NOUN a brief two piece swimming costume worn by women. ORIGIN 1940s : named after Bikini, when an atom bomb was exploded in 1946 (because of the supposed 'explosive' effect created by the garment). (online Oxford Dictionary of English).

বিকিনি বি. জলাশয়, নদ-নদী আদিত তিৰোতাই স্নান কৰোঁতে বা ৰৌদ্রস্নান কৰোঁতে মহিলাই পৰিধান কৰা অতি চুটি পোছাক। (সামগ্রিক অসমীয়া শব্দকোষ, ২০১৭, পৃ. ৯৯০)

বিকিনি/বিকিনী বি. ঋ. ইং bikini— সাঁতোৰা পোছাক হিচাপে পৰিহিত নাৰীৰ দুখণ্ড চুটি পোচাক (বিকিনি টপ আৰু বিকিনি ব্রিফছ নামৰ দুডোখৰ চুটি পোছাকৰ সমষ্টি)। বিকিনি গার্ল (bikini girl)— ফিল্ম জগতত বিকিনি পৰিধানত লজ্জিত বোধ নকৰা নায়িকা। (সমকালীন অসমীয়া অভিধান, ২০১৩, পৃ.৫৮৯)

Guinea pig/gini pig/■ NOUN 1. a tailless south American rodent of the cavy family. Originally raised for food, it no longer occurs in the wild and now typically kept as a pet or for laboratory research.

2. a person or thing used as a subject for experiment. – ORIGIN mid 17th century; from Guinea pig; the term Guinea was probably a designation for an unknown distant country. Use in Guinea pig (sense of the NOUN) arose in the 1920s in reference to the animal's use in laboratory research. (online Oxford Dictionary of English).

গিনিপিগ বি. এবিধ সৰু স্তন্যপায়ী জন্তু; বিলাতী এন্দুৰ বিশেষ; (ভেষজ বিদ্যাৰ পৰীক্ষা-নিৰীক্ষা এইবিধ প্রাণীত কৰা হয় বাবে, আলংকাৰিক অর্থত) পৰীক্ষা-নিৰীক্ষা চলোৱা মানুহ। (সামগ্রিক অসমীয়া শব্দকোষ, ২০১৭, পৃ.৪৩৯)

গিনিপিগ বি. ঋ. ইং ...— বিলাতী এন্দুৰ, বিশেষ প্রথাৰ বলি হ'ব লগা মানুহ বা ঘটনা। গিনিপিগ সজা/হ— বিশেষ প্রথা বা ব্যৱস্থাৰ হ। (সমকালীন অসমীয়া অভিধান, পৃ.২১৫)

Yahoo/jaihu:/■ NOUN informal a rude, noisy, or

violent person, ORIGIN mid 18th century from the name of an imaginary race of frutish creatures in Suift's Gulliver's Travels, 1726).

য়াহু[১] বি. ঋ. ইং yahoo— মানুহৰ আকৃতিৰে এবিধ জন্তু, ইণ্টাৰনেটৰ ভয়ানক মানুহ।

য়াহু.কম বি. ঋ. ইং yahoo.com— email আদিৰ সুবিধা থকা বিভিন্ন তথ্য সৰবৰাহ কৰিব পৰা ইণ্টাৰনেটৰ অতি জনপ্রিয় search engine। তু. gmail.com, rediffmail.com ইত্যাদি। (সমকালীন, অসমীয়া অভিধান, ২০১৩, পৃ.৯২৮)

Facebook/feisbuk/■VERB [no object] spend time using the social media application Facebook.

■ [with object] post information or a piece of data) on Facebook.

■**DERIVATIVES**: Facebooker NOUN ORIGIN early 21st century: from Facebook, the proprietary name of the social media application. (online Oxford Dictionary of English)

ফেইচ (ফেচ)/ইং/ইয়েল সং. ধা. (বি)/বিণ. ঋ. ইং face/ing/ial– সন্মুখীন হ/হোৱা (কাম), মুখ/মুখ সম্বন্ধীয় (মুখত সনা প্রসাধন)। ফেইচ কৰ— প্রত্যাহ্বানৰ সন্মুখীন হ। ফেইচ টু ফেইচ (face to face)– মুখামুখি। ফেইচবুক (facebook)— অতি জনপ্রিয় সামাজিক মাধ্যম বিশেষ। ফেইচবুকত পোষ্ট আদি দি (to facebook)। ফেইচবুকাৰ (facebooker) ফেইচবুকৰ অনুৰাগী। (সমকালীন অসমীয়া অভিধান, ২০০৩, পৃ.৫৩৬)

JCB/dxeisi:bi/■ VERB trademark British English a type of mechanical excavator with a shovel at the front and a digging at the rear. ORIGIN 1960s: the initials of J.C. Bamford, the makers. (online Oxford Dictionary of English)

জে চি বি (JCB) ঃ মাটি খনন কৰা আদি কার্যত ব্যৱহৃত প্রকাণ্ড ট্রেক্টৰ বা বুলড'জাৰ (bulldozer) জাতীয় যন্ত্র। ব্রিটিছ বৈজ্ঞানিক J.C. Bamford (1960)-এ প্রস্তুত কৰিছিল বাবে এই নাম।

ব্রেণ্ডৰ নামেৰে সামগ্রী হিচাপে ব্যৱহৃত কেতবোৰ শব্দৰ উদাহৰণ—

ছার্ফ (surf) ঃ সকলো কাপোৰ ধোৱা গুড়ি জাতীয় পদার্থ (detergent powder)

কলগেট (colgate) ঃ সকলো দন্তমঞ্জনৰ মলম বা গুড়ি পদার্থ (toothpste/powder)

গডৰেজ (godrej) ঃ সকলো ধৰণৰ উন্নত কাৰিকৰী সম্পন্ন আৰু মজবুত আলমিৰা (almirah)

ডেটল (dattol) ঃ সকলো বীজাণুনাশক দ্রব্যৰ নাম (antiseptic liquid)

হোকিন্স (hawkins) ঃ গেচষ্ট'ভত তুলি ভাপত ৰান্ধিব পৰা pressure cookers মাত্রকে বহুতে হোকিন্স বুলিয়ে জানে।

ইংৰাজীত গিনিপিগ (guinea দেশীয় গাহৰি অর্থাৎ বিলাতী এন্দুৰ), হাৱাইন গীতাৰ (Hawaiian guiter): হাৱাই দেশীয় গীতৰ, জার্ছি ইত্যাদিৰ অনুকৰণত অসমীয়া জাছি (Jersey দেশীয় গাই), মার্কিন কাপোৰ (American> মার্কিন দেশীয় কাপোৰ), বোম্বাই (আলু, কুহিয়াৰ), পেটার্ণৰ ঘৰ (RCCৰ মাজেদি কৰিডৰ থকা দুই ফালে আহল-বহল কেবাটাও কোঠালি থকা আধুনিক বিল্ডিং ঘৰ তু. AT): বিলাতী মাটি (cement), বিলাতী আলু, বিলাতী কোমোৰা, বিলাতী বগৰী, বিলাতী বেঙেনা (tomato), মান (ধনীয়া, কচু), মৰাণ (আদা), চুতীয়া (শালিকা), খামটি (দা, মোনা), আহোম (শালি, বগৰী, মিঞা (বেপাৰী, মুর্গী বেপাৰী, মিস্রি, দর্জী), জার্মানী (বন), চীনা (কবি, লাই), কাবুলী (বুট), ভোট (জলকীয়া, এড়া, তাল >ভোৰ, তাল), নগা (টেঙা, তুলসী, ঢাৰি, জিলি, ভেহ, মাকো), মিৰি (মাহ, জিম, আলু), কছাৰী (শালি, ছেও), গাৰো (কচু, আদা, পাণ), পাঞ্জাবী (চোলা, ধাবা), বিহাৰী (চাদা, চবজিৰালা), বঙাল (ঘা, এড়া), বাংলা (পাণ, গান, ঘৰ), নেপালী (দা, টুপি), খাছিয়া (আলু, পাণ, তামোল) আদি জাতিবাচক আৰু জাহাজী (কল), বেনাৰসী (শাড়ী), কলহাপুৰী (জোতা), কাশ্মিৰী (আপেল, শ্বাল), মালদহ (-ৰ আম), নাইনিতাল (-ৰ আলু, পিঁয়াজ), ছিলঙ (-ৰ কবি, নাচপতি, তামোল), শিলিগুৰিৰ (শিঙি/মাগুৰ), সৰভোগৰ (দৈ), বোকাখাতৰ (পেৰা), সর্থেবৰীয়া (লোটা), ধুবুৰীৰ (ইলিচ মাছ), খাৰুপেটীয়াৰ (কবি/মূলা/সবজি), মাণিকাচৰৰ (মুর্গী/ছাগলী), বাংলাদেশী (বনুৰা, নাগৰিক, ইলিচ, চিংড়ি মাছ, ৰূপ চান্দা), দেশী (গাই, ভাষা/গান, ঘি, লিকাৰ, বাবু), বৰপেটীয়া (সোণা, লোটা), এ টি (<Assam Type হ'ল, হোষ্টেল), ডাকবাংলা (<Dak Bunglaw), মণিপুৰী ঘৰ (চাৰিচলীয়া), জয়বাংলা (চকু ৰঙা পৰা ৰোগ), ৰিফিউজি বন (এবিধ মাৰাত্মক লতা), চালানী (মাছ, আম), লকেল (কণী, মাছ, মুর্গী) আদি শব্দ বা নাম এইদৰে সৃষ্টি হোৱা।

পুৰাণ বা ধর্মগ্রন্থত বর্ণিত দেৱ-দেৱী, বীৰ-বীৰাংগনাৰ নামেৰে বহু শব্দ সাধিত হৈছে।[২] সংস্কৃতমূলীয় এনে বহু শব্দগুচ্ছৰ অসমীয়াতো প্রয়োগ হৈ আহিছে। যেনে—

ৰাম[১] বি. (অনু)— ৰামচন্দ্র; অচিনাকি নামৰ লগত ৰাম যুক্ত কৰি হিন্দু ধর্মীয় নাম কৰি লোৱা হয়। উদা.— ঘটিৰাম, বাতিৰাম, টাবুৰাম (টাইড), বেলবুংৰাম (কছাৰী), চেনীৰাম, মিহিৰাম। শব্দৰ আগত বহিলে বৃহৎ, ভয়ংকৰ সূচায়। উদা.— ৰামকল (দামকল) ৰাম চৰ (পূর্ণহতীয়া চৰ), ৰাম ছাগল (এবিধ ডাঙৰ জাতৰ ছাগলী), ৰাম-টাঙোন (ডাঙৰ লাখুটি, মাধ মাৰ ঃ যেনে— ৰাম টাঙোন দি/মাৰ), ৰাম ঠগন (ডাঙৰ প্রতাৰণা), ৰাম ধুলাই (প্রচণ্ড প্রহাৰ), ৰাম পিটন (সদ্যোক্ত), ৰাম বুদ্ধু (অতি বুর্বক), ৰামবেল (সদ্যোক্ত) ইত্যাদি। ৰামধেনু (Rainbow)। ৰামনৰমী— হিন্দুসকলৰ তিথি বিশেষ (শুক্লা নৰমী তিথি)। ৰাম-ৰাজ্য— শান্তিপূর্ণ ৰাজ্য, সুখৰ

সময় (যেনে— ৰামৰাজ্য হোৱা/পোৱা দি— কোনো জঞ্জাল বা প্রতিবাদ নোহোৱাকৈ)।

ৰাম[২] অব্য.— পুতৌবাচক অব্যয় হিচাপে অকলে বা অন্যান্য শব্দৰ লগত প্রয়োগ হয়। উদা.— ইছ ৰাম ! ৰাম ৰাম!

ৰামৰামী বি.— ৰামনৱমী, হাল খাটা, নতুন বছৰৰ হিচাপ খোলা কার্য (দোকানী)। (সমকালীন অসমীয়া অভিধান, পৃ.৭৬২)

ৰাঘৱ (ৰাঘ) ঃ ৰাঘ বৰালি,

ভীম ঃ বিন. ভীমৰ দৰে, প্রকাণ্ড, ভীষণ, ডাঙৰ।। ভীমকল— আঠীয়া কল (কল অতিশয় ডাঙৰ বাবে এই নাম), ভীম-প্রহাৰ, ভীম দর্পে,

চন্দ্র ঃ চন্দ্রবিন্দু, চন্দ্রবন্ধনী, চন্দ্র-সূর্য (ক সাক্ষী কৰ),

যম ঃ যম-দুৱাৰ, যম-লাখুটি (উদ্ভিদ বিশেষ), যম ডাকিনী (চৰাই বিশেষ), যমৰ যাতনা,

বিভীষণ ঃ ঘোৰ শত্রু বিভীষণ

শনি ঃ শনিবাৰ, শনিগ্রহ, শনিৰ দশা, শনি লগা, গাত শনি লম্ভা,

নাৰদ ঃ টুটকীয়া নাৰদ

হৰ-গৌৰী ঃ হৰ-গৌৰী বসতি হ,

সীতা ঃ সাৱিত্রী

বৃহস্পতি ঃ বৃহস্পতিবাৰ, বৃহস্পতি গ্রহ, বুদ্ধিত বৃহস্পতি।

জীৱ-জন্তু, প্রাণীৰ নামবাচক শব্দৰ বাহিৰেও নির্জীৱ বা প্রাকৃতিক বস্তুৰ নামেৰেও বহু শব্দৰ সাধন হৈছে; যিবোৰ গৌণ অর্থত অভিধানত অন্তর্ভুক্ত কৰা হয়। উদাহৰণ—

সিংহ ঃ সিংহ নাদ, সিংহাসন, সিংহ দুৱাৰ, সিংহৰ পোৱালি,

বাঘ ঃ বাঘঢকা, বাগজৰী, বাঘ-চকু, বাঘ-ঢাল (খেল), বনৰ বাঘ, বাঘৰ মাহী (মেকুৰী), বাঘমুই, বাঘে পোৱা,

শিয়াল ঃ শিয়াল টেঙৰ, শিয়াল খেদা বৰযুণ, শিয়ালৰ হোৱা, শিয়ালৰ জাক, নীলা শিয়াল, শিয়াল গলা,

হাতী ঃ বগা হাতী (পোহা), হাতী পটি, হাতী খটুৱা, হাতী খুজীয়া (বাটি), হাতীৰ খাৱন, হাতীৰ বুলন,

ভালুক ঃ জপৰা ভালুক, ক'লা ভালুক, ভালুক-জ্বৰ, ভালুকৰ সাঙী

বান্দৰ ঃ বান্দৰ (দুষ্ট লোক), বান্দৰী (দুষ্টা ৰমণী, অশুৱনী নাৰী), বান্দৰ নাচ, বান্দৰী (তাঁতশালৰ সঁজুলি), বান্দৰ কেঁকোৱা, বান্দৰমূৰীয়া (কচু),

কুকুৰা/কুকুৰণী ঃ কুকুৰৰ পুতেক (গালি), কাঠিৰ/বাটৰ কুকুৰ, কুকুৰ ধূলি জীৱ, কুকুৰ-নোম (ৰঙা নোম),

গাহৰি ঃ খাই গাহৰি, গাহৰি পোৱালি, গাহৰি খুঁটি (চিতাৰ), গাহৰি-পাট (কুঁহিয়াৰ শালৰ),

ছাগ/ছাগলী ঃ অষ্টমীৰ ছাগ, ছাগলী খুঁটি (যঁতৰৰ), ছাগলী খেদা বৰযুণ, ছাগলীসিঙীয়া (বেঙেনী),

ঘোঁৰা ঃ পক্ষীৰাজ ঘোঁৰা, ঘোঁৰা ঘাঁহ কাট, ঘোঁৰা-শলখা, ঘোঁৰা বাগৰ/ঘোঁৰাৰ টোপনি,

গৰু/গাই ঃ গোট গৰু (গালি), উদঙীয়া গৰু, গু-খোৱা গৰু, গৰু চোৰ, গৰু বিহু, নিবোকা গৰু, গাইমুৱা,

কুকুৰা/কুকুৰী ঃ যুঁজৰ কুকুৰা যুঁজত মৰা, কুকুৰী কণা, কুকুৰা ঠেঙীয়া (আখৰ), প্রথম কুকুৰাৰ ডাক,

কাউৰী ঃ কাউৰী টেঙৰ, কাউৰী চকুৱা, কাউৰীয়ে কা নকৰোঁতেই,

বগলী ঃ বগলী ভকত,

ফুল/ফুলি ঃ কলাফুল, কপৌ ফুল, গেজেং ফুল, গেট ফুল, নাগফুল, কাগজৰ ফুল, মাছৰ ফুল, গর্ভৰ ফুল (ফুল পানী), ফুলজালি, নাকফুল, ফুলি, কাণফুলি,

গুটি ঃ বন গুটি, শিলগুটি, কচুগুটি, গুটিফুল (ৰ গামোচা), সোণগুটি, মৌগুটি,

তুলসী ঃ ধোৱা তুলসীৰ পাত, তুলসী জহা, বন তুলসী,

লতা/লতি ঃ মাধৱী লতা, কুঞ্জলতা, লতা পনিয়ল, লতাকটা, কচুলতি,

পাহ/পাহি ঃ পাহ কটা (পাগুৰী), পাহ মেলা (চুপহি), কাণপাহি (মাছৰ), নাকৰ পাহি,

ছাল/ছালি ঃ মাখিছাল, গঁড়ৰ ছাল, গৰুৰ ছাল, ছাল-বাকলি, (গাত নাই ছাল-বাকলি), ছাল ছিগা ভিকহু, তামোল ছালি, দেৱাছালি, ছালি-গামোচা,

বাকলি ঃ মাছৰ বাকলি, বনৰৌৰ বাকলি, গছৰ বাকলি,

গাঁঠি ঃ খাৰুগুটি, ভৰিৰ সৰু গাঁঠি, গাঁঠিৰ ধন (ভাং), গাঁঠিৰ বিষ,

ঘিলা ঃ আঁঠুৰ ঘিলা, কুকুৰা আদিৰ মাংসৰ ঘিলা, ঘিলা-হাঁহ, মাকৰি ঘিলা, ঘিলা-খোপা, ঘিলা চকলীয়া মুঠি,

তৰা ঃ নয়নতৰা, সোণতৰা, থুপিতৰা, ধ্রুৱতৰা,

মণি ঃ লাটুমণি, বৰতমণি, চকুৰ মণি, নয়নৰ মণি, মণিছাল, মণি-হৰি (দোকান),

শিল ঃ শিলগুটি, শিল বৰযুণ, শান-শিল, চূণ শিল, শিলকটীয়া,

মাটি ঃ মাটি কপৌ, মাটি কাদুৰি, মাটিমাহ, মাটিৰ তেল, ৰসাল মাটি, সাৰুৱা মাটি, মাটিৰ মানুহ, মাটিৰ মৰম, মাটি খা, মাটি হ, মাটি কৰ, মাটি দি,

বালি ঃ বালি ভাত/ভোজ, বালি-চাপৰি, মাটি-বালি, বালিচহীয়া মাটি,

বায়ু ঃ জলবায়ু, বায়ু-পানী, বায়ুসেনা, প্রাণ-বায়ু (ওলাই যা), বায়ু বেগেৰে

কাঠ ঃ কাঠ বাঁজী, কাঠ-বিড়ান, কাঠচিতীয়া, চৌকাঠ, কাঠ পেন্সিল, কাঠকটীয়া,

বন ঃ বন-আদা, বন-আমলখি, বন-কল, বন-কুকুৰা, বন-কেছেৰু, বন-গৰু, বন-গুটি, বন-চোম, বন-জালুক, বন-তুলসী, বন-নহৰু, বন-পিঠা (গছ বিশেষ), বন-বগৰী, বন-বিৰালী বন-মলা (গছ), বন-মানুহ, বন-ৰৌ, বন-সোঁৱালু, বন-গীত, বনঘোঁৰা, বন-ব'ৰাগী, বন-ভোজ,

পানী ঃ পানী-আলু, পানী-কাউৰী, পানী কেঁচুৱা, পানী-খুতুৰা, পানী-গামোচা, পানী-চাং, পানী-কামেৰি, পানীটেঙা, পানীপচা/পোতা, পানী পৰুৱা, পানীপিয়া (চৰাই), পানীমড়লী (সাপ), পানী মেটেকা, পানী হিলৈ, পানী জোলা (বন্ধা), পানী লাউ, লাওপানী, চকুপানী, মিঠাপানী, জিভাৰ পানী (পৰ), কচুপাতৰ পানী, পানী কৰ/হ, পানীত পৰ, ফুল পানী (ছিগা), (গর্ভৰ) পানী ভাং, পানী লগা (জ্বৰ),

শৰীৰৰ অংগ-প্রত্যংগৰ নামেৰেও বহু শব্দ সাধন হৈছে।

হাত/হতীয়া ঃ আগহাত, বাঁওহাত, সোঁহাত, হাত খৰা (গেঞ্জী), হাত থকা চকী, হাত ভগা চকী, হাতছাড়া (হোৱা), আওহতীয়া, বাঁওহতীয়া, আনহাতে, ইহাঁত-সিহাত, হাত খৰচ, হাত লৰ, ছহতীয়া, তিনিহতীয়া (দীঘল),

মুখ ঃ মিঠামুখ/মুখীয়া, ফটামুখ, মুখৰোচক (গান), নৈৰমুখ, কলহৰ মুখ, কেটেলি (ৰ মুখত দিয়া পিঠা), পিছমুখ দিয়া, মুখ দেখুৱাব নোৱৰা হ।

দাঁত ঃ হাতী দাঁত, কাঁচি দাঁত/দঁতীয়া, কলতৰ দাঁত, দাঁত কৰচি থাক, দাঁত ভগা (কাচি), দাঁতৰ শূল,

ওঁঠ ঃ ওঁঠ চেপিলে (গাখীৰ ওলা), ওঁঠ চেলেক, দাঁতে-ওঁঠে লগা, ওঁঠৰ তলৰ হাঁহি,

মূৰ/মূৰা ঃ লাওমূৰা, ইমূৰ-সিমূৰ, মূৰে মূৰে, খুটিৰ/লাখুঁটিৰ মূৰ, গজালৰ মূৰ, গাঁৱৰ/ৰাজ্যৰ মূৰ (অসমৰ ইমূৰে-সিমূৰে), বছৰৰ মূৰ (তিনি বছৰৰ মূৰত),

নাক/নকা ঃ নাককটা/কাটী, ফেঁচানকা/নাকী, নাকৰ পাহি, নাকৰ বাৰাণ্ডা, নাকৰ মূৰে মূৰে, নাকৰ পানী,

চকু/চকুৱা ঃ ওপৰচকুৱা আলুৰ চকু, কচুৰ চকু, চকুত পৰা, চকুপানী, চকুমুদা কুলি, চকু চৰহা, চকু ৰঙা পৰা, চকু উঠা, চকু চকু ৰোৱা,

জিভা ঃ আলজিভা, জিভাৰ পানীপৰ, পেঁপাৰ জিভা, কলমৰ জিভা,

কাণ/কণীয়া ঃ কাণকটা, শহাকণীয়া, আওকাণ/কণীয়া, কলহৰ কাণ, কাঁহীৰ কাণ,

ডিঙি ঃ ডিঙি দীঘল/চুটি, ডিঙিৰ মাদুলি, ডিঙিলৈকে (পী), ডিঙি পাত, বটলৰ ডিঙি, চোলাৰ ডিঙি (Color),

পেট/পেটা/পেটীয়া ঃ তলপেট, টেকেলিপেটা/পেটীয়া, পেটকপটীয়া, পেটকুলি, পেটে-ভাতে খা, কলহৰ পেট, নাৰৰ পেট, পেটৰ পোৱালি, পেট মোচা ল'ৰা/ছোৱালী, একেপেটৰ পৰা হোৱা,

পিঠি/পিঠীয়া ঃ কিতাপৰ পিঠি (ইপিঠি-সিপিঠি, সিপিঠিত), পিঠি দিয়া, পিঠিয়া-পিঠি, পিঠিত উঠ (ম'হ বা ঘোঁৰাৰ), বুকুত লৈ ফুৰ,

বুকু ঃ বুকুৰ মৰম, বুকু পাতি ল, বুকুত লৈ ফুৰ, বুকু-চোলা, বুকু ফলা (চোলা), নৈৰ বুকু, পাহাৰৰ বুকু, কালৰ বুকুত, বুকুৰ কুটুম, উমাল/উঠন বুকু,

কপাল ঃ আগকপাল, ফুটা কপাল, কপাল ফুট, কপাল ফুল, কপাল ভাল, কপালত সাধি আহ, কপালত জুই লাগ, কপালিৰ দোষত, কপালৰ জোৰত, কপাল-জেঠী (অলংকাৰ), কপালত থাক/নাই।

চুলি ঃ চুলি-শিপা, চেং-চুলি, আৰ ছিগা চুলি তাৰ ছিগা চুলি, চুলিৰ খোপা, চুলি কাট, মূৰৰ চুলিৰ সমান আয়ুস (হ), চুলি সৰ, পকা চুলি, চুলিত ৰং সান।

কণী ঃ কণীধান, কণীবিহ (ৰ গুটি), কণী যুঁজ, বাওকণী, সৈয়াকণী;

ঠেং ঃ আগঠেং, পিছঠেং, এঠেঙীয়া, দীঘলঠেঙীয়া, চাৰিঠেঙীয়া (জন্তু);

খুৰা ঃ গৰুৰ খুৰা, মেজ-চকীৰ খুৰা, খুৰা ভঙা (পিৰা/খাট/পালেং);

শব্দৰ অর্থান্তৰৰ বহু উদাহৰণ গাঁৰে-ভূঞে, নগৰে-চহৰে, শিক্ষিত-অশিক্ষিত, ব্যৱসায়ী- বনুৱা সকলোৰে মুখত কিছু সীমিত বা বিস্তৃত অর্থত লোকভাষা (বর্গভাষা /Cant, গুপ্তভাষা /argot, বৃত্তিভাষা /jargon) হিচাপে প্রয়োগ হৈ আহিছে। এটা সময়ত গান্ধী টুপি, জহৰ কোট (জৰাহৰলালে পিন্ধা কোট), চেনেল কোম্পানী (গ্রামোফোন), টাটা কোম্পানী (টিন পাত আদিৰ), ঘোষ (পাউদাৰ) তানচেন (গুলী) আদি শব্দ জনসাধাৰণৰ মুখে মুখে আছিল। বর্তমানৰ বজাৰত উপলব্ধ বাটা (জোতা), মোদী (কোট, ৰকেট), বাজাজ (স্কুটাৰ, স্কুটী), গোডৰেজ (আলমিৰা), জনচনচ (বেবী পাউদাৰ) ইত্যাদি শব্দৰ দৰে ৰাজনৈতিক জগততো ইন্দিৰা গান্ধী (আৰাস যোজনা), অটল (পেঞ্চন যোজনা), ৰাজীৰ গান্ধী (নেচনেল স্কলাৰশ্বিপ) আদি সঘনাই উচচাৰিত নাম। তাহানিতে ভলণ্টিয়াৰ বুলিলে অকল গান্ধী ভলণ্টিয়াৰ (স্বাধীনতা সংগ্রামী)-কহে বুজোৱাৰ দৰে বর্তমানো 'সংগঠনৰ পৰা আহিছোঁ' বুলি ক'লে সংযুক্ত মুক্তি বাহিনী বা উগ্রপন্থীৰ (Underground) কোনোবা এটা সংগঠনৰ পৰা অহাকে বুজায়। এইবোৰ অর্থসংশ্লেষৰ একো একোটা সুন্দৰ উদাহৰণ।

ইয়াৰ সমতুল্যভাৱে হেমকোষত (নব্য সংস্কৰণ) অন্তর্ভুক্ত আৰু দেৱব্রত শর্মা সম্পাদিত অসম জাতীয় প্রকাশৰ দ্বাৰা প্রণীত অসমীয়া বিজ্ঞান-প্রযুক্তি জাতীয় অভিধানত (প্রস্তাৱনা সংস্কৰণ, ২০১৫) লাচিত, জয়মতী আদি নতুন ধান বা চাউলৰ নামটোকো সাধাৰণ ৰাইজে গ্রহণ কৰা নাই অর্থাৎ অর্থসংশ্লেষৰ পর্যায় পোৱাগৈয়ে নাই। উদাহৰণ—

লাচিত[১] বি. লাচিত বৰফুকন। ...বিচক্ষণ, সমৰজ্ঞান-সম্পন্ন লাচিত বৰফুকন অসম আৰু অসমীয়াৰ দেশপ্রেম আৰু সাহসৰ গৌৰৱময় প্রতীক আৰু সেয়েহে অসম বুৰঞ্জীৰ এটি চিৰস্মৰণীয় নাম।

লাচিত[২] বি. অসমৰ কৃষি বিজ্ঞানীয়ে মহাবীৰ লাচিতৰ নামেৰে নামকৰণ কৰা এবিধ অধিক উৎপাদনক্ষম ধানৰ নাম। ইয়াক TTB-14 ৰূপে বৈজ্ঞানিক চিহ্নৰে চিহ্নিত কৰা হয়। (হেমকোষ, ২০১৩, পৃ. ১১৮৬)

লাচিত (ঐ) বি. (অ.) উদ্ভিদ বি; আহু ধানৰ এটা জাত। এই জাতটো অর্ধচাপৰ আৰু থিয়, সেউজীয়া পাতযুক্ত। লাচিত ধানৰ চাউল মোটা। A kind of paddy.। (বিজ্ঞান-প্রযুক্তিৰ জাতীয় অভিধান, ২০১৫, পৃ. ৭৩৪)

জয়মতী[১] বি. গদাধৰ সিংহ ৰজাৰ কুঁৱৰী।...তেওঁক শাস্তি দিয়া ঠাইতে তেওঁৰ পুত্র স্বর্গদেৱ ৰুদ্র সিংহই মাক সতীৰ নামে 'জয়সাগৰ' পুখুৰী আৰু মন্দিৰ 'জয়দ'ল' এই দুটি অভগন কীর্তিচিন স্থাপন কৰে, the wife of Raja Gadadhar Singha.

জয়মতী[২] বি. অসম বুৰঞ্জীত আত্মত্যাগেৰে মহীয়নী নাৰীৰূপে চিহ্নিত সতী জয়মতী কুঁৱৰীৰ নামেৰে অসমৰ কৃষিবিজ্ঞানীয়ে উদ্ভাৱন কৰা এবিধ অধিক উৎপাদনক্ষম ধানৰ নাম। ইয়াক TTB-103-2 ৰূপে বৈজ্ঞানিক চিহ্নৰে চিহ্নিত কৰা হয়। (হেমকোষ, ২০১৩, পৃ.৫৪১)

জয়মতী[১] (জয়মতি) বি. (অ) কৃষি বি; জলসিঞ্চনৰ সুবিধা থকা অঞ্চলৰ বাবে উপযুক্ত এবিদ উন্নত মানৰ বৰোধান। সতী জয়মতীৰ নামেৰেই ইয়াৰ এই নাম। A kind of paddy.।

জয়মতী[২] (জয়মতি) বি. (অ) কৃষি বি; অসমত খেতি কৰা এবিধ বর্ণসংকৰ বৰা ধান। সতী জয়মতীৰ নামেৰেই ইয়াৰ এই নাম। A kind of hybrid paddy.। (বিজ্ঞান-প্রযুক্তিৰ জাতীয় অভিধান, ২০১৫, পৃ. ৩৫০)

এটা বর্গভাষাত বা এটা আঞ্চলিক ভাষাত যিকোনো এটা সামগ্রীৰ নামেই হওক, কিম্বা ব্যক্তি বা স্থানৰ নামেই হওক আন এটা বিশেষ অর্থত প্রয়োগ হ'ব পাৰে। কেতিয়াবা মূল অর্থ ক'ৰবাতে থাকে; যেনেকৈ City bus stopage-ৰ বা চাৰি আলিৰ চ'কৰ নামটো গঢ়ি উঠাত সহায় কৰা ব্যক্তিগৰাকী ঢুকালেও বা মূল অনুষ্ঠান-প্রতিষ্ঠানৰ স্থানান্তৰ ঘটিলেও পূর্বৰ নামটোৱে ৰৈ যায়। অকল গুৱাহাটীৰ City bus stopage-ৰ নামবিলাকলৈ চালেই এনে ঘটনাৰ উমান পাব পাৰি। কৈলাসপুৰ (বিৱৰাহৰ তলৰ পৰিবর্তে), ফৰেষ্ট স্কুল, (University) State bank, কাটিয়া দলং, মছজিদ, পেট্রল পাম্প (L.C.B. stopage), নার্চাৰী, কামাখ্যা গেট, ডিছট্রিক লাইব্রেৰী (Museum বা ৰবীন্দ্র ভৱনৰ পৰিবর্তে), গুৱাহাটী ক্লাৰ, চান্দমাৰি কলনি, গৱমেণ্ট প্রেছ, গুৱাহাটী কলেজ (ৰোড), জু-নাৰেঙ্গি (ৰোড), এবিচি (Assam-Bengal Carriers, বর্তমান ৰাজীৰ ভৱন), লাষ্ট গেট, ছার্ভে, ৰাৰলেচ, চাৰাপভাটী, ডিপি আই (DPI: Director of Public Instruction, বর্তমান DHE: Director of Higher Education) ইত্যাদিৰ কেন্দ্রবিন্দু স্বৰূপ একালৰ জনপ্রিয় অনুষ্ঠান-প্রতিষ্ঠানসমূহ বর্তমান সেই সেই অঞ্চলত একেবাৰে অস্তিত্ব বিহীন বা তেনেই অদৰকাৰী হৈ পৰিছে; অথচ নাম স্থায়ীভাৱে ৰৈ গৈছে (তাৰ ওচৰতে পূর্বতকৈ জনপ্রিয় একো একোখন অনুষ্ঠান-প্রতিষ্ঠান গঢ়ি উঠিলেও)।

পাদটীকা আৰু প্রসংগসূচী ঃ

১) গোস্বামী, উপেন্দ্র নাথ ঃ ভাষাবিজ্ঞান আৰু Tarapoewala, IJH : Elements of the Sceince of Language, 1978, p.66-70

২) Indian edition, first published in India, 2003, p.96

৩) দ্বাদশ সংস্কৰণ, ২০০৬, পৃ. ৭৪৬

৪) তৃতীয় সংস্কৰণ, ১৯৮৭, পৃ. ৬৫০

৫) প্রথম সংস্কৰণ, ২০০২, পৃ. ৭৩৪

৬) চতুর্থ খণ্ড, ২০১৩, পৃ. ১৯৭

৭) বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৭১, পৃ. ৬৩

৮) ব্যতিক্রম ঃ অতি সাম্প্রতিক কালত ৰমেশ পাঠক সংকলিত অশোক বুক ষ্টলৰ দ্বাৰা প্রকাশিত সামগ্রিক অসমীয়া শব্দকোষ (প্রথম প্রকাশ, ২০১৭) আৰু একে ভাতৃ প্রকাশনৰ (অশোক পাবলিকেশ্বন) দ্বাৰা প্রকাশিত উপেন ৰাভা হাকাচাম সংকলিত সমকালীন অসমীয়া অভিধান (প্রথম প্রকাশ, ২০২৩)ত শেহতীয়াভাৱে জনপ্রিয় হ'বলৈ ধৰা এনে বহু প্রাচীন শব্দ অন্তর্ভুক্ত হৈছে।

৯) "জীৱ-জন্তুৰ বাহিৰে ব্যক্তিস্থান আৰু অন্যান্য প্রাকৃতিক বস্তুৰ নামেও ভাষাৰ শব্দমালা আৰু বাক্য-ৰীতি সমৃদ্ধিশালী কৰি ভাৱব্যঞ্জনা আৰু অর্থ স্পষ্টীকৰণত বিশেষ সহায়ক হয়। এই বিষয়ত দেৱী-দেৱী আৰু পুৰাণ, আখ্যানৰ নামসমূহৰ বিশেষ প্রাধান্য আছে।" (বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ 'অসমীয়া শব্দ গঠনত নাম বাচক শব্দ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৭১, পৃ.২৯)।

১০) "জীৱ-জন্তুৰ নামে অসমীয়া ভাষাৰ কেৱল শব্দ সম্পদকে বঢ়োৱা নাই, ভাষাৰ প্রকাশ ভংগিমাৰ স্বতঃস্ফূর্ত কৰি সহজে উপলব্ধি কৰিব পৰা কৰি তুলিছে।" (বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ 'অসমীয়া শব্দ গঠনত জীৱ-জন্তুৰ নাম', অসমীয়া ভাষা আৰু সংস্কৃতি, ১৯৭১, পৃ.২৮)

লেখক পৰিচিতি ঃ বিশিষ্ট সাহিত্যিক, গৱেষক তথা ভূতপূর্ব মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

বৈদিক যুগৰ শিক্ষা পদ্ধতি

ড° সুমতি শর্মা

'বেদ' শব্দৰ অর্থ জ্ঞান। সায়ণাচার্য্যৰ মতে 'যি গ্রন্থই বাঞ্ছিত লাভ আৰু অবাঞ্ছিত পৰিহাৰৰ অলৌকিক উপায় জনায়, সেয়ে বেদ।'

'ইষ্টপ্রাপ্তানিষ্টপৰিহাৰয়োৰলৌকিকমুপায়ং যো গ্রন্থো বেদয়তি স বেদঃ।' (তৈত্তিৰীয় সংহিতাৰ ভাষ্যভূমিকা)।

বেদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা প্রাচীন ভাৰতৰ এক ঐতিহ্যপূর্ণ শিক্ষা পদ্ধতিয়েই হ'ল বৈদিক শিক্ষা পদ্ধতি।



শিক্ষার্থীসকলৰ শাৰীৰিক, নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশ ঘটোৱাটোৱেই হৈছে এই শিক্ষাৰ মূল লক্ষ্য। গুৰু আৰু শিষ্যই একেলগে বাস কৰিছিল আৰু তেনেকৈয়ে শিষ্যক শিক্ষা প্রদান কৰিছিল, শিক্ষাৰ প্রাণকেন্দ্র আছিল গুৰুকুল। ব্যৱহাৰিক জীৱন আৰু আধ্যাত্মিক জ্ঞানৰ সমন্বয় আছিল এই শিক্ষা ব্যৱস্থাৰ অন্যতম গুৰুত্বপূর্ণ দিশ।

দিব্যদৃষ্টিসম্পন্ন তপোবাসী ঋষিসকলৰ ধ্যানৰ সময়ত মন্ত্রসমূহ উদ্ভাসিত হৈ উঠিছিল। সেই দিব্যদৃষ্টিসম্পন্ন ঋষিসকলে সহজ-সৰল জীৱন যাপন কৰিছিল, গছৰ ফল-মূল আহাৰ হিচাবে গ্রহণ কৰিছিল আৰু গছৰ বাকলি পৰিধান কৰিছিল। তেওঁলোকে মন্ত্রবোৰ উপলব্ধি কৰি সুৰ সংযোগ কৰি আবৃত্তি কৰিছিল। প্রকৃতি আৰু প্রয়োজন অনুসৰি জন্মলাভ কৰা মানুহে যেতিয়া জ্ঞান আৰু পাণ্ডিত্যৰে আধ্যাত্মিক জন্ম লাভ কৰে তেতিয়া তেওঁ 'দ্বিজ' নাম পায়। উপনয়নৰ দ্বাৰা 'দ্বিজত্ব' লাভ কৰাৰ বিষয়ে 'শতপথ ব্রাহ্মণ'ত কোৱা হৈছে যে— "গুৰুৱে শিষ্যক অপার্থিৱৰ ঐশী শক্তি প্রদান কৰে, শিষ্যৰ শিৰত সোঁহাতখন স্থাপন কৰি। তিনি নিশাৰ ভিতৰতেই গুৰুৰ বীজ অংকুৰিত হয় আৰু শিষ্যই সাবিত্রী দীক্ষা লাভ কৰি প্রকৃত ব্রাহ্মণত্ব প্রাপ্ত হয়। শিষ্য যেন গুৰুৰ মুখৰ পৰা জন্ম হোৱা এটি স্বর্গীয় জীৱ।"

শিক্ষা ব্যৱস্থা ঃ উপনয়নৰ পিছত ছাত্রই আনুষ্ঠানিকভাৱে ঘোষণা কৰিব লাগিব— "মোক ব্রহ্মচর্য্য ব্রত পালন কৰিবলৈ দিয়া, মোক ব্রহ্মচাৰী হ'বলৈ দিয়া।" উপনয়নৰ পাছতহে ছাত্রক বেদ অধ্যয়ন কৰিবলৈ দিয়া হয়। 'শতপথ ব্রাহ্মণ'ত গুৰু শিষ্যৰ গৃহৰ শিক্ষানুষ্ঠানত প্রৱেশ আৰু আচার্য্যৰ প্রাথমিক নির্দেশসমূহ সুন্দৰভাৱে উল্লেখ আছে— "আজিৰ পৰা তুমি ব্রহ্মচাৰী হ'লা, তোমাৰ কর্ত্তব্য পালন কৰিবা; যজ্ঞৰ সমিধৰ যোগান ধৰিবা, কেতিয়াও দিবা নিদ্রাত নিমগ্ন নহ'বা"— এয়াই আছিল প্রাথমিক জ্ঞান বা উপদেশ।

ছাত্র জীৱনৰ নীতি-নিয়ম আৰু কর্ত্তব্যৰ বিষয়ে শতপথ ব্রাহ্মণখনত উল্লেখ আছে। শতপথ ব্রাহ্মণৰ এই অংশটোৰ

সাৰাংশ হৈছে— শিষ্যই গুৰুৰ ওচৰত বৰ নম্ৰ আৰু বিনীতভাৱে আহিব আৰু গুৰুৱে তেওঁৰ নাম আদি সুধি-পুছি শিষ্যৰূপে গ্ৰহণ কৰিব। এক দীঘলীয়া ত্যাগৰ জীৱন হ'ল— ছাত্রজীৱন বা ব্ৰহ্মচর্য্যৰ কালছোৱা আৰু ইয়াকেই 'ছত্র' বোলে। যিজনে ব্ৰহ্মচর্য্য জীৱনত প্ৰৱেশ কৰে তেওঁ এক দীঘলীয়া ত্যাগৰ জীৱন আৰম্ভ কৰে (শতপথ, ১১-৩-৩-২)।

শিষ্যই সদায় বেদাদি অধ্যয়নৰ লগতে অন্যান্য পুথি-পাঁজিও পঢ়িব লাগিব আৰু ইয়াকে 'ব্ৰহ্মযজ্ঞ' বোলে। গুৰুৰ যজ্ঞত সমিধ আদি যোগান ধৰি সহায় কৰিব লাগিব। তেওঁ লাজ নকৰাকৈ ভিক্ষা মাগিবলৈ যাব লাগিব। (শতপথ, ১১-৩-৩-৫)

প্ৰথমতে আচার্য্য পত্নী আৰু তাৰপিছত নিজৰ মাকৰ ওচৰত ভিক্ষা মাগিবলৈ যাব। নম্ৰতাৰ ভাব জগাবলৈকে এইদৰে ভিক্ষাবৃত্তিৰ নিয়ম কৰা হৈছিল। শিষ্যই সমিধ অর্পণ কৰি স্নান কৰে। সেই শেষ স্নানৰ পাছত তেওঁক "স্নাতক" বোলা হয়। এনেদৰে পিতৃ গৃহলৈ উভতি অহাকেই 'সমাবর্তন' বুলি কোৱা হৈছিল। শিক্ষা কালৰ শেষৰ দিনা যেতিয়া গুৰু গৃহৰ পৰা শিষ্যই পিতৃ গৃহলৈ যাত্রা কৰে তেতিয়া তেওঁ গুৰুৰ পৱিত্র যজ্ঞভূমিৰ পৰা প্রজ্বলিত খৰি এডোখৰ লৈ আহি তেওঁৰ ঘৰত পৱিত্র গার্হপত্যাগ্নি প্রতিষ্ঠা কৰে।

পাঠ্যক্রম ঃ- বৈদিক সাহিত্যৰ মন্ত্র, ব্রাহ্মণ, আৰণ্যক উপনিষদ আৰু বেদাঙ্গসমূহেই হৈছে পাঠ্যৰ প্রধান বিষয়। বৈদিক শিক্ষাক 'স্বাধ্যায়' বুলিও কোৱা হয়, আৰু ইয়াক 'ব্ৰহ্মযজ্ঞ' বুলিও জনা যায়।

শিক্ষামূলক বিতর্ক সভা, সভা-সমিতি ঃ- শিক্ষামূলক, আধ্যাত্মিক আৰু উছর্গা বা ত্যাগমূলক বিষয়বস্তুৰ ওপৰত নানান বিতর্ক, আলোচনা-সমালোচনা মাজে মাজে হৈছিল। বিতর্কক 'ব্রহ্মোদ্য' বুলি কৈছিল— ইয়াৰ সংস্কৃত নাম বিদ্যা-বিচাৰ বা বিদ্যা-বিবাদ। বিতর্ক, প্রতিযোগিতা শিক্ষা জীৱনৰ এক নিয়মীয়া অধ্যায় আছিল। কেৱল শিষ্যই নহয় মহা মহা পণ্ডিত গুৰুসকলেও বৰ আগ্রহ আৰু উৎসাহেৰে বিতর্ক সভাত যোগদান কৰিছিল। অৰণ্য বিশ্ববিদ্যালয়, ৰাজসভা আৰু যজ্ঞভূমিয়েই হৈছে শিক্ষাৰ স্থান।

ৰাজসভা শিক্ষাৰ কেন্দ্র ঃ- কাশী ৰাজ্যৰ ৰজাৰ ৰাজসভা শিক্ষাৰ কেন্দ্র আছিল। স্বনামধন্য বালাকি গার্গ্যকে আদি কৰি বহুতো ডাঙৰ ডাঙৰ পণ্ডিত তেওঁৰ ৰাজসভাত গোট খাইছিল। বিদেহ ৰাজ্যৰ প্রখ্যাত ৰজা জনকৰ ৰাজসভাও আছিল শিক্ষাৰ অন্যতম কেন্দ্র। মহাজ্ঞানী ঋষি যাজ্ঞবল্ক্য আৰু বিদূষী নাৰী গার্গীৰ মাজত যিবোৰ তর্ক আৰু বিৰোধিতা হৈছিল সি ভাৰতীয় শিক্ষাৰ অমৰ আৰু অবিস্মৃত অধ্যায় হৈ আছে।

পাঞ্চাল ৰাজ্যৰ ৰজা প্রবহণ জৈবালিৰ ৰাজসভা আন এটি শিক্ষা-সংস্কৃতিৰ কেন্দ্র আছিল।

কেকয়ৰ ৰজা অশ্বপতিৰ ৰাজসভা উত্তৰ ভাৰতৰ এখন সাংস্কৃতিক কেন্দ্র আছিল।

যজ্ঞভূমিয়েই শিক্ষাৰ স্থলী ঃ- যজ্ঞৰ থলীয়েই পিছলৈ শিক্ষা মণ্ডপত পৰিণত হৈছিলগৈ। তেনে এখন দেশ-বিদেশলৈকে খ্যাতি থকা যজ্ঞভূমি হৈছে নৈমিষাৰণ্য। মহাকাব্যৰ যুগত এই নৈমিষাৰণ্যতেই শৌনক মুনিয়ে যজ্ঞ পাতিছিল আৰু বৈশম্পায়নৰ পুত্র সৌতিয়ে যজ্ঞভূমিত সমবেত হোৱা ঋষিসকলৰ আগত সমগ্র মহাভাৰতখন আবৃত্তি কৰি শুনাইছিল।

অনধ্যায় কাল ঃ সাধাৰণতে মেঘাচ্ছন্ন দিনত বা খুব বেছি বতাহ-বৰষুণ হ'লে বেদাধ্যয়ন স্থগিত ৰখাৰ নিয়ম আছিল। মুকলি ঠাইত, গছৰ তলত, গোশালাৰ ওচৰত পঠন-পাঠন নিষিদ্ধ আছিল। অসময়ত বজ্রপাত, অবিৰত বৰষুণ, কুঁৱলী, ধূলিময় প্রভৃতি হ'লে পঠন-পাঠন বন্ধ হয়। শিয়াল, বাঘ, গাধ, কুকুৰ আৰু ফেঁচাৰ মাত শুনিলেও বেদাধ্যয়ন বন্ধ হয়। মনু সংহিতাই কৈছে— অনধ্যায় দিনতো বেদাঙ্গৰ পঠন-পাঠনত বাধা নাই।

গুৰু-শিষ্যৰ সম্পর্ক ঃ- বাধ্যতামূলকভাৱেই শিক্ষা আছিল গুৰুকুল বাসৰ শিক্ষা। আবাসিক শিক্ষা হোৱা হেতুকে পাঠ্যক্রমৰ বাহিৰেও গুৰুৰ প্রাত্যহিক জীৱনৰ আদর্শ আৰু ব্যক্তিত্ব প্রতিফলিত হয় আৰু সেয়া শিষ্যসকলৰ বাবে আদর্শনীয় আছিল।

অবৈতনিক শিক্ষা ঃ- গুৰু গৃহৰ শিক্ষা সম্পূর্ণ অবৈতনিক আছিল। শিক্ষকক কোনো বেতন দিয়া নহৈছিল, বৰঞ্চ ছাত্রসকলক বাসস্থান, খাদ্য, পোছাক প্রভৃতি দি শিক্ষাদান কৰিছিল আৰু সেইটো সামাজিক দায়িত্ব বুলি জ্ঞান কৰিছিল। সেয়ে তাহানিৰ গুৰু-শিষ্যৰ সম্পর্ক অতি মধুৰ আছিল। বিধিবদ্ধ পৰীক্ষাৰ কোনো ব্যবস্থা নাছিল, গুৰুৰ সিদ্ধান্তই চূড়ান্ত আছিল।

সামৰণি ঃ- বৈদিক যুগৰ শিক্ষা পদ্ধতি সর্বতোমুখী আছিল, যি শিক্ষাই ছাত্রৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক বিভিন্ন দিশত উৎকর্ষ সাধন কৰিব পাৰিছিল। গোটেই জীৱনৰে উন্নতি সাধন কৰিছিল। সেই যুগৰ শিক্ষাৰ ধাৰাটোৱেই হৈছে ছাত্র জীৱন, মানে ব্রহ্মচর্য্য জীৱন। ব্রহ্মচর্য্য শব্দৰ প্রকৃত অর্থ হৈছে— ভাব-চিন্তা, কথা-বতৰা, কাম-কাজ সকলোতে সুশৃংখলতা; সেয়ে শাস্ত্রত ইয়াক কোৱা হয় 'মানস তপ', 'বাচিক তপ' আৰু 'কায়িক তপ' বুলি। গুৰুগৃহত থাকি 'স্নাতক' হোৱাৰ পিছত শিষ্যসকলে নিজ নিজ গৃহলৈ উভতি গৈ গার্হস্থ্য জীৱনত সোমাই পৰে, আৰু নৈতিকতাৰ ভেটিত গঢ় লৈ উঠা তেনেকুৱা ছাত্রই সময়ত সমাজৰ আদর্শ পুৰুষ হৈ পৰে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা অৱসৰী অধ্যক্ষা, দিশপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়

সাম্প্ৰতিক প্ৰেক্ষাপটত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰাসঙ্গিকতা

ড° নমিতা ডেকা

১৯৬৯ চনৰ ২০ জুনৰ নিশা ২ বাজি ২০ মিনিট যোৱাত নিষ্প্ৰাণ হৈ পৰিছিল দেশপ্ৰেমেৰে উদ্বেলিত এটি বলিষ্ঠ সত্তা। ১৯ জুনৰ দুপৰীয়া হস্পিটেলত খবৰ ল'বলৈ যোৱা শুভাকাংক্ষীসকলৰ আগত তেওঁ হেনো কৈছিল, "কাইলৈ মৃত্যু দিৱস পাতিব! ৰাইজে স্ফূৰ্ত্তি কৰক।' ৰাইজে কিন্তু স্ফূৰ্ত্তি কৰা নাছিল। চকুলোৰ প্লাৱন নামিছিল; শোকৰ বন্যাত উটি ম্ৰিয়মাণ হৈছিল অসমবাসী। মনত পৰিছে— স্কুলীয়া জীৱনত সেইদিনা আমি ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলেও শোকসভা পাতিছিলোঁ। তেতিয়া ভালদৰে উপলব্ধি কৰিব পৰা নাছিলোঁ ব্যক্তিগৰাকীৰ ব্যক্তিত্বৰ জিলিঙনি। কিন্তু পিছলৈ বুজি পালোঁ— এইজনাই বিষ্ণুপ্ৰসাদ ৰাভা— যাৰ দেহৰ প্ৰতিটোপাল শোণিতত আছিল দেশপ্ৰেম, এটা সাংস্কৃতিক বীজৰ উক্মুকনি, এটা স্বাধীনচিতীয়া ভাবৰ বৈপ্লৱিক চিন্তাধাৰা।

বিষ্ণুপ্ৰসাদ ৰাভা কেৱল এগৰাকী ব্যক্তি নাছিল। আছিল সমাজ জীৱনৰ ত্যাগৰ তেলেৰে কৰ্ম আৰু ন্যায়ৰ বাবে বিপ্লৱৰ শলিতা জ্বলোৱা এগৰাকী আশাৰ প্ৰদীপ। শৈশৱৰ পৰাই তেওঁ আছিল মেধাৱী ছাত্ৰ। দৰং জিলাৰ ভিতৰতে প্ৰথম হৈ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা বিষ্ণুপ্ৰসাদ ৰাভাই কলকাতাৰ ছেইণ্ট পল কলেজ, ৰিপন কলেজ, কোচবিহাৰৰ ভিক্টোৰিয়া কলেজ, পূৰ্ববঙ্গৰ কাৰ্মাইল কলেজ আদিত শিক্ষা গ্ৰহণ কৰিছিল। তেওঁৰ শিক্ষাগত অৰ্হতা, বুদ্ধি-বৃত্তিৰে তেওঁ এগৰাকী হয়তো শিক্ষাবিদ হৈ জীৱন অতিবাহিত কৰিব পাৰিলেহেঁতেন। কিন্তু সেয়া নহ'ল। দেশৰ স্বাধীনতা আন্দোলনে আধা বাটতে শৈক্ষিক জীৱন সামৰি দেশৰ নামত জীৱনৰ নতুন বাটেৰে আগুৱাই যাবলৈ তেওঁক আহ্বান জনালে। বিষ্ণুপ্ৰসাদ ৰাভাই আদৰি ল'লে নতুন পথ। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বাবে দেশখন আছিল নিজ মাতৃস্বৰূপা আৰু দেশৰ সমগ্ৰ জনগণ আছিল নিজ ভাতৃ-ভগ্নীৰ দৰে মৰমৰ পাত্ৰ। জ্যোতিপ্ৰসাদ আগৰৱালা আছিল জনতাৰ শিল্পী; বিষ্ণুপ্ৰসাদ ৰাভা আছিল জন-সংগ্ৰামৰ প্ৰতিনিধি। বিষ্ণুপ্ৰসাদৰ দেশপ্ৰেম আছিল বিপ্লৱৰ সূতাৰে গঁঠা। প্ৰতিজন দেশপ্ৰেমিকে বিভিন্ন প্ৰকাৰে দেশৰ প্ৰতি ভালপোৱা ব্যক্ত কৰে। বিষ্ণুপ্ৰসাদ ৰাভাই সাহিত্যৰ মাজেৰে দেশৰ প্ৰতি ভালপোৱা প্ৰকাশ কৰাৰ লগতে দেহে-কেহে দেশৰ হকে খাটিও দেশৰ প্ৰতি ভালপোৱা আৰু দায়বদ্ধতা প্ৰকাশ কৰিছে। গীত গাই, ছবি আঁকি, অভিনয় কৰিও এইজনা শিল্পীয়ে জনতাৰ হকে সংগ্ৰাম কৰিছে, দেশৰ স্বাধীনতাৰ হকে আন্দোলনত জঁপিয়াই পৰিছে। তাত কোনো ব্যক্তিগত স্বাৰ্থ নাছিল। স্বাৰ্থ এটাই— দেশ আৰু জনগণৰ মঙ্গল সাধন। তেওঁৰ সাহিত্য-সাধনাৰ অন্তৰালতো আছিল জনতাৰ হিয়াৰ খবৰ। তেওঁৰ ভাষাত, "জনতা অফুৰন্ত কলা-শিল্পৰ ভঁৰাল। সেই জনতা, সেই ৰাইজৰ সান্নিধ্য লাভ কৰি তেওঁলোকৰ হিয়াৰ এফাল বুকুৰ জীউ, কলিজাৰ আমঠু হৈ, তেওঁলোকৰ চেনেহৰ, মৰমৰ হিয়া সাগৰত বুৰ মাৰি মই এই শিল্প-সৰস্বতীক লাভ কৰিছোঁ। আজি মোৰ সাৰস্বত আত্মাই বোঁৱতী সুঁতিক বোৱাব খোজোঁ। ই মোৰ নিজৰ গৌৰৱ নহয়। ৰাইজৰ অন্তৰ ফুলনিৰ ফুলে ফুলে উৰি উৰি পৰি পৰি মৌগুটি ভোমোৱাৰ দৰে ৰস শুহি শুহি মই মোৰ হৃদয়ত মৌ-কোঁহ ৰচনা কৰোঁ। সেই ৰাইজৰেই মৌ মই ৰাইজক বিলাওঁ। সি মোৰ কোনো নিজস্ব নহয়। শিল্পীৰ ই ধৰ্ম। মই সেই ধৰ্মকে পালন কৰোঁ।... ৰাইজৰ লগত যে মোৰ এই ঘনিষ্ঠ সম্পৰ্ক, নিৰিড় সম্বন্ধ, তেওঁলোকৰ জীৱনৰ কথা যদি মই নিলিখোঁ বা প্ৰকাশ নকৰোঁ, তেন্তে সি মোৰ মহাপাপ হ'ব। সেই কাৰণে কিছু কিছু গল্প, কবিতা, নাটক, উপন্যাস লিখিছোঁ।" ইয়াত মন কৰিবলগীয়া কথাটো হ'ল— তেওঁ কোনো সম্প্ৰদায়ৰ ধৰ্মৰ কথা কোৱাৰ বিপৰীতে কৈছে শিল্পীৰ ধৰ্মৰ কথা। তেওঁ পালন কৰিছে শিল্পী-ধৰ্ম। সেই কাৰণেই হয়তো ৰাভাৰ কবিতা জনতাৰ সুখ-দুখ, আশা-আকাংক্ষা, আনন্দ-বেদনাৰ এক দলিল স্বৰূপ। তেওঁ আছিল বিপ্লৱী কবি; এই বিপ্লৱৰ মূলমন্ত্ৰ জনসংগ্ৰাম। জনতাৰ হৃদয়ত বিপ্লৱৰ অগনি জ্বলাই তুলিবলৈ তেওঁ উদাত্ত কণ্ঠে সকীয়াই দিছে,

"ৰ'বৰ সময় নাই
ক'বৰ সময় নাই

সময় নাই উভতি চাবৰ
সময় যে এয়া বিপ্লৱৰ।
আৰামৰ সময় নাই
এহতীয়া দলিচাত ভাই
সময় যে এয়া আগুৱাবৰ
সময় যে এয়া খোজ ধৰিবৰ।"

বিষ্ণুপ্রসাদ ৰাভাই জানিছিল— দেশখন ধৰি ৰাখে গাঁৱৰ কৃষক সমাজে। সেয়ে কৃষক সমাজৰ দুখ মোচনৰ বাবে তেওঁ সদায় মাত মাতিছিল। তেওঁ উপলব্ধি কৰিব পাৰিছিল কৃষকৰ 'অহৰহ জ্বলে হৃদয়ত দুখৰে অগনি / পোৰে দুঃখীৰ পেট, লঘোণত ভোকৰ পোৰণি।' সাম্প্রতিক প্রেক্ষাপটতো বিষ্ণু ৰাভাৰ কৃষক শ্রেণীৰ প্রতি শত যুগৰ শিকলি ছিঙি ভাঙি ৰণ দুন্দুভি বজাই আগুৱাই যোৱাৰ আহ্বানৰ প্রাসঙ্গিকতা আছে।

বিষ্ণু ৰাভাৰ জন-সংগ্রামৰ মূল লক্ষ্য আছিল দেশৰ স্বাধীনতা। সেয়ে সময়ৰ বলুকাত দেশমাতৃৰ পদচিহ্ন চুমি তেওঁ আগবাঢ়ি গৈছিল। তাৰবাবে মৃত্যুপণ কৰিছিল। জ্যোতিপ্রসাদ আগৰৱালাই তেওঁৰ জীৱনৰ বেছিভাগ সময়তে কংগ্রেছ দলৰ কর্মী আৰু সক্রিয় নেতা হিচাপে দেশৰ সেৱা কৰিছিল। বিষ্ণুপ্রসাদ ৰাভা আছিল ভাৰতৰ কমিউনিষ্ট দলৰ সক্রিয় কর্মী। ভিন্ন দলৰ কর্মী হোৱা সত্ত্বেও তেওঁলোকৰ লক্ষ্য আছিল এক— দেশমাতৃ আৰু দেশৰ জনগণৰ মঙ্গল সাধন। ড° ভূপেন হাজৰিকাই তেওঁৰ আত্মজীৱনীত এই সম্পর্কে লিখিছে। তেওঁলোকৰ এই আদর্শ আৰু লক্ষ্য বর্তমানৰ প্রেক্ষাপটতো প্রযোজ্য হৈ পৰিছে। কাৰণ, দলগত স্বার্থইহে যেন বিশেষ গুৰুত্ব লাভ কৰিছে বর্তমান সময়ত। ভিন্ন দলত থাকিও যে দেশসেৱা কৰিব পাৰি তাৰ দৃষ্টান্ত ৰাখি থৈ গ'ল বিষ্ণু ৰাভাই। বর্তমানৰ ৰাজনৈতিক ক্ষেত্রখনত এই কথা বোধগম্য হোৱাটো খুবেই দর্কাৰ। উল্লেখযোগ্য যে ৰাভা প্রথমে আছিল দুর্দান্ত জাতীয়তাবাদী। তাৰপিছত যোগ দিয়ে ভাৰতীয় কমিউনিষ্ট দলত। বিধানসভাৰ নির্বাচনত তেওঁ প্রতিদ্বন্দ্বিতা কৰিছিল নির্দলীয় প্রার্থীৰূপে। সাম্প্রতিক কালৰ ৰাজনীতি আৰু ৰাজনৈতিক আচৰণৰ স'তে ৰাভাৰ ৰাজনীতি আৰু ৰাজনৈতিক আচৰণৰ মাজত পার্থক্য বিচাৰি পোৱা যায়। এই পার্থক্যৰ অনুভৱে বিষ্ণুপ্রসাদ ৰাভাক আকৌ যেন পাবলৈ বিচাৰে। যেতিয়া দেশ বিপর্য্যস্ত হয়, নীতি যেতিয়া বিপথগামী হয়, মানুহ যেতিয়া পদদলিত হয়, তেতিয়াই বিষ্ণুপ্রসাদ ৰাভাৰ দৰে ব্যক্তিসকলৰ ব্যক্তিত্ব আৰু কর্মৰাজিয়ে পুনৰাই উদ্বুদ্ধ কৰি তোলে। এটা সময়ত শাসকশ্রেণীয়ে বিষ্ণু ৰাভাক সন্ত্রাসবাদী, দেশদ্রোহী সজাই অপমান কৰিছিল; কিন্তু সময়ৰ বিৱর্ত্তনৰ লগে লগে বিষ্ণুপ্রসাদ ৰাভাক বুজি পালে শাসক তথা অপমান কৰাসকলে, আৰু সাম্প্রতিক প্রেক্ষাপটত বিচাৰ কৰি চোৱা হৈছে তেওঁৰ প্রাসঙ্গিকতা।

দেশৰ স্বাধীনতাৰ আঁৰত কিছু শাসনৰ নামত নিষ্পেষণ লক্ষ্য কৰি ৰাভাই নির্ভীকভাৱে কৈছিল, "য়ে আজাদী ঝুথা হ্যায়।" তেওঁৰ দেশপ্রেমে প্রমাণ কৰে ব্যক্তিগৰাকীৰ ভিতৰত থকা সাহস আৰু দায়বদ্ধতাৰ কথা। বৃটিছৰ শাসনকালত ককায়েক নন্দলাল ৰাভাৰ অনুৰোধত ডি.এছ.পি.ৰ চাকৰিৰ তেওঁ সাক্ষাৎকাৰত অৱতীর্ণ হৈ প্রথম হৈছিল। কিন্তু ৰাভাই হেলাৰঙে সাম্রাজ্যবাদী বৃটিছৰ অধীনত চাকৰি নকৰিবলৈ সিদ্ধান্ত লৈছিল। ৰাভাৰ এই আত্মসন্মানৰ প্রতি থকা সচেতনতা সাম্প্রতিক প্রেক্ষাপটত অতিশয় জৰুৰী।

বিষ্ণুপ্রসাদ ৰাভাই শ্রেণীহীন, বিভেদহীন সমাজৰ পৰিকল্পনা কৰিছিল। সাম্যবাদী সমাজ ব্যৱস্থাত বিশ্বাসী ৰাভাই ভালদৰে উপলব্ধি কৰিছিল যে সমাজ তথা দেশৰ উন্নতি হ'বলৈ হ'লে সকলো জাতি-জনজাতিৰে মঙ্গল সাধন হ'ব লাগিব। সেয়ে তেওঁ লিখিছিল,

"জাগিব লাগিব তই কছাৰী, মিকিৰ,
খাচী, ৰাভা, গাৰো, মিৰি, কুকি, নগা বীৰ
খামটি, মিচিমি, আবৰ, লালুং, লুচাই
চিংফৌ, চিনটেং, মণিপুৰী, টাই,
টিপৰা, ডিমাছা, অঁকা, ডফলা ককাই
চুতীয়া, মদাহী, দেউৰী, টোটোলা, কোচ,
হাজং, বৰাহী
জাগিব লাগিব, তই জাগ।"

বর্তমান জনজাতিকৰণৰ বাবে জনজাতীয় লোকৰ যি আন্দোলন, সি বিষ্ণু ৰাভাৰ এনে উদাত্ত কাব্যোক্তিলৈ মনত পেলায়।

অসমীয়া সমাজ জীৱনত জাত-পাত, বর্ণ-সম্প্রদায়ৰ অৱসান ঘটাই এখন সুস্থ সমাজ গঢ়াৰ প্রচেষ্টা কৰিছিল বিষ্ণু ৰাভাই। এই একে আদর্শ আছিল মহাপুৰুষ শঙ্কৰদেৱৰ। বস্তুবাতী বিশ্বাসী কমিউনিষ্ট হৈও তেওঁ শঙ্কৰদেৱৰ ভাববাদী দর্শনৰ প্রতি আকৃষ্ট হৈছিল। গ্রহণীয় আন দর্শনৰ প্রতি সন্মান জনাব জনা বিষ্ণু ৰাভাৰ এই উদাৰতা আজি সকলোৰে আদর্শ হোৱা উচিত। 'বৈচিত্র্যৰ মাজত ঐক্য' স্থাপন আছিল তেওঁৰ দর্শন। আজিৰ সমাজত বিশ্বাসৰ অভাৱ ঘটিছে; অভাৱ ঘটিছে সুস্থ পৰিৱেশ আৰু শান্তিৰ। এনে অৱস্থাত বিষ্ণু ৰাভাৰ প্রাসঙ্গিকতা নিশ্চয় নোহোৱা নহয়।

বিষ্ণু ৰাভাৰ বিপ্লৱ, সংগ্রাম কেৱল দেশ স্বাধীনতাৰ ক্ষেত্রতে নাছিল। তেওঁ প্রকৃতার্থত আছিল এগৰাকী সাংস্কৃতিক কর্মী। সংগীত আৰু নৃত্যৰ ক্ষেত্র আছিল তেওঁৰ প্রতিভা বিকাশৰ উত্তম স্থল। হৃদয়ত নটৰাজক ধ্যান কৰি তেওঁ প্রশস্তি গাইছিল,

"তাণ্ডৱ ৰত ভোলা শিৱ শঙ্কৰ

বব্ধ বব্ধ বম্ ভোলা বম্ শিৱ শঙ্কৰ
হৰ হৰ বম্ বম্ বম্ হৰ হৰ।
জটা জুট সম্ভ্রামি গঙ্গোর্ম্মি
চঞ্চল বল্লৰী শূন্য চুমি
হৰযে স্পর্শ কৰে ধৰণীৰ বুক।
পৱিত্রা শ্রেষ্ঠা নদী সর্ব পাপভুক্
গঙ্গাৰ স্বামী মহাজন মহেশ্বৰ।"

বৰগীত, বনগীত, বিহুগীত শুদ্ধ ৰূপত গাবলৈ তেওঁ সেইবোৰ ভালদৰে হৃদয়ঙ্গম কৰি লৈছিল। সেইদৰে ভিন্ন জাতি,উপ-জাতিৰ মাজলৈ গৈ, ভাষা আয়ত্ত কৰি গীত গাবলৈ চেষ্টা কৰিছিল। নৃত্যৰ ক্ষেত্রতো সেই কথা প্রযোজ্য। আজিৰ প্রেক্ষাপটত বিষ্ণু ৰাভাৰ এনে আদর্শ আৰু সাধনাৰ প্রাসংগিকতা এই কাৰণেই আহি পৰে যে বর্তমান বেছিভাগ ক্ষেত্রতে সাধনাৰ অভাৱ লক্ষ্য কৰা যায়। সহজতে, আলাসতে গীত-নৃত্যত গ্লেমাৰৰ প্রতি আকৃষ্ট হোৱাই যেন লক্ষ্য। লক্ষ্য নিজকে শিল্পী সজোৱাৰ। বিষ্ণু ৰাভা জাতে-পাতে এগৰাকী শিল্পী। শিল্পী সম্পর্কত তেওঁ কৈছিল, "শিল্পী কথাষাৰ আজিকালি বৰ সহজ হৈ গৈছে। মই ভাবোঁ— শিল্পী হ'বলৈ হ'লে ঝাঞ্জা বিজয়ী আত্মাৰ অধিকাৰী হ'ব লাগিব; প্রশান্ত সাগৰত বুৰ মাৰি অসংখ্য মুকুতা আহৰণ কৰাৰ দুঃসাহস আৰু দুর্বাৰ শক্তি থাকিলেহে আজিৰ আর্টৰ মুকুতা ফলোৱা সম্ভৱ।" এই উক্তি মনত ৰাখিব পাৰিলেহে সাধনাত সফল হৈ প্রকৃত শিল্পী হোৱাৰ বাট প্রশস্ত হ'ব।

সংস্কৃতিৱান বিষ্ণু ৰাভাই অসমীয়া সংস্কৃতি গঢ় দি তোলাত অসমৰ সকলো জনগোষ্ঠীৰ সংস্কৃতিৰ সংমিশ্রণৰ অৱদানৰ গুৰুত্ব প্রদান কৰি কৈছিল, "অসমৰ বুকুত বৈচিত্র্যৰ মাজত ঐক্যৰ ডোলেৰে গাঁথি, দুনাই শক্তিশালী জাতি গঢ়োঁ, শক্তিমান ন-অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন-অসমীয়া সংস্কৃতি ৰচোঁ।" দেখা গৈছে, বর্তমান সংমিশ্রিত সংস্কৃতিৰ ওপৰত গুৰুত্ব দিয়াতকৈ অপসংস্কৃতিক সংস্কৃতিৰ ভিতৰুৱা কৰাৰ প্রৱণতাহে অধিক হৈ পৰিছে। বিষ্ণু ৰাভাৰ চিন্তা-চর্চাৰ প্রতি সন্মান জনাই সকলোৱে অসমীয়া সংস্কৃতিৰ স্বকীয়তা আৰু ঐতিহ্যৰ প্রতি সচেতন হোৱাৰ সময় উপস্থিত। তেওঁ ধনতন্ত্রবাদ আৰু সাম্রাজ্যবাদক অসমীয়া সংস্কৃতিৰ মূল শত্রু বুলি কৈছিল।

ৰাভাই যি 'ভাৰত জননী', 'অসম জননী'ৰ কথা কৈছিল, সেয়া আছিল তেওঁৰ কথা আৰু কামৰ পৰিচয়। অসমৰ বিভিন্ন অঞ্চললৈ গৈ তেওঁ ভাষা আয়ত্ত কৰিছিল। তেওঁ মুঠতে ১৬ টা ভাষা ক'ব পাৰিছিল। কিন্তু মাতৃভাষা হিচাপে তেওঁ অসমীয়া ভাষাকে সাবটি লৈ ভাষাৰ উন্নতিৰ হকে অহোপুৰুষার্থ কৰিছিল। এতিয়া অসমীয়া ভাষা জীয়াই থাকিব নে নাই, তাকে লৈ অসমীয়া ভাষাপ্রেমী প্রতিজনেই চিন্তান্বিত হৈ উঠিছে। ইংৰাজৰ শাসন কালত অসমীয়া ভাষা স্কুল-আদালতৰ পৰা অপসাৰিত হোৱাৰ দৰে এতিয়াও অসমীয়া ভাষাৰ প্রশ্নকাকত উঠাই দিয়া হৈছে, সচিবালয়তো অসমীয়া ভাষাই মুখথেকেচা খাইছে। নতুন প্রজন্মই অসমীয়া ভাষাৰ প্রতি পিঠি দিছে। কিন্তু ইয়াৰ বাবে দায়ী কোন? দায়ী আমি প্রতিজন অসমীয়া। আমি বাৰু বিষ্ণু ৰাভাৰ দৰে মনোবল লৈ অসমীয়া ভাষাক ৰক্ষা কৰিব নোৱাবোঁনে? এইক্ষেত্রত আমাক নিশ্চয় আৰু এজন বিষ্ণু ৰাভাৰ প্রয়োজন।

বর্তমান সর্বত্রে গজি উঠিছে দুর্নীতি, অনিয়মৰ বীজ। ধনৰ বিনিময়ত চাকৰি, শিক্ষা লাভৰ জোৱাৰ উঠিছে। কিন্তু বিষ্ণু ৰাভাই সাম্রাজ্যবাদী বৃটিছৰ অধীনৰ চাকৰি বাবেই ডি.এছ.পি.ৰ চাকৰি প্রত্যাখ্যান কৰিছিল। সুবিধাবাদীৰ সংখ্যা আজিৰ সমাজত বৃদ্ধি পাইছে। তেওঁলোকে 'দেশ চাই ভেশ' গ্রহণ কৰে। সমাজৰ পৰা এইবোৰ আঁতৰ কৰিবলৈ বিষ্ণু ৰাভা আজি প্রাসঙ্গিক হৈ পৰিছে।

সমন্বয় সাধন আৰু সংহতি স্থাপন বিষ্ণুপ্রসাদ ৰাভাৰ জীৱনৰ মূল মন্ত্র আছিল। তেওঁ আছিল ঐক্য, সংহতি, সমন্বয় আৰু মানৱতাবাদৰ প্রতীক। তেওঁ কৈছিল, "কোনো শক্তিয়ে যেনেকৈ মহা ব্রহ্মপুত্রক ভেটিব নোৱাৰে, ঠিক তেনেকৈ কোনো অশুভ শক্তি তথা চক্রান্তকাৰী, ষড়যন্ত্রকাৰীয়ে অসমীয়া কৃষ্টি-সংস্কৃতি, সাহিত্য জগতখনৰ বিনাশ সাধন কৰিব নোৱাৰে। ইয়াৰ অন্যথা কোনোবাই ভেটা দিয়ে, হেঙাৰ দিয়ে, ব্রহ্মপুত্রই সেই ভেটা ভাঙি মহাসাগৰৰ পিনে ঢাল খুৱাবই।" এনে মানসিক দৃঢ়তাৰ দ্বাৰা প্রভাৱান্বিত হোৱা উচিত নৱ প্রজন্ম।

বিষ্ণুপ্রসাদ ৰাভাৰ প্রশান্ত ৰূপৰ অন্তর্ভাগত আছিল সপোনৰ বহ্নিশিখা। তেওঁ আছিল সময় সচেতন; তেওঁৰ ৰচনাৰাজিত অনুভূত হয় ৰেচ্মী কোমল আল্‌ফুলীয়া পৰশ; তেওঁৰ মানসপটত চিৰজাগ্রত হৈ আছিল ৰুদ্র নটৰাজ। ৰাজনৈতিক মতবাদত বিশ্বাসী, চিৰবিদ্রোহী, সুন্দৰৰ পূজাৰী, শিল্প-সাহিত্য-সংস্কৃতিৰ একান্ত সাধক সেই মানুহজনেই হ'ল বিষ্ণুপ্রসাদ ৰাভা। বিষ্ণুপ্রসাদ ৰাভাৰ সংস্কৃতি প্রয়াসী মন তথা সৃষ্টিমুখী জীৱনৰ প্রতি শ্রদ্ধা জনাই তেওঁৰেই উক্তি দাঙি ধৰিছোঁ— "থকা, খোৱা, পিন্ধাৰ কাৰণে ইননি-বিননিয়েই জীৱনৰ প্রেৰণা, যাৰপৰা আজিৰ ৰাজনীতি, অর্থনীতিৰ জন্ম। এই প্রেৰণাই জীৱিকা প্রয়াসৰ অনুভূতি জগায়। প্রকৃতিৰ দাসত্বৰপৰা মুক্তিয়েই হৈছে মানুহৰ সৃষ্টিৰ মূল প্রেৰণা। সেয়েহে পশুত্বৰ পৰা মানৱৰ জনম এই মুকুতিৰ গর্ভত। মানুহৰ এই মুকুতি সাধনাই হৈছে মানুহৰ জীৱিকা প্রয়াস আৰু মানৱৰ এই জীৱিকা প্রয়াসেই হৈছে কৃষ্টি-সংস্কৃতি, কালচাৰৰ মূলতত্ত্ব।"❑

লেখক পৰিচিতি ঃ বিশিষ্ট সাহিত্যিক, গৱেষক তথা মূৰব্বী অধ্যাপিকা, দিশপুৰ মহাবিদ্যালয়



দুর্গা পূজা আৰু ইয়াৰ অর্থনৈতিক দিশ

এটি বিশ্লেষণাত্মক আলোচনা

মুনীন মিশ্র

নীল আকাশত কমোৱা তুলাৰ দৰে উৰি উৰি ঘনে ঘনে ৰূপ সলোৱা শুকুলা মেঘৰ ধেমালি, শৰতৰ স্নিগ্ধতাৰ অনুভৱ আৰু নিয়ৰ সনা দূবৰি দলিচাত তলসৰা শেৱালিৰ সুবাস বিয়পি পৰাৰ লগে লগে আহে সকলোৰে হেঁপাহৰ শাৰদীয় দুর্গোৎসৱ বা দুর্গা পূজা। মূলতঃ ধর্মীয় ভাবাবেগেৰে উদ্ভৱ হোৱা এই মাঙ্গলিক অনুষ্ঠানটোৱে সময়ৰ সোঁতত সাজ সলাই আজি এক সার্বজনীন আনন্দ উৎসৱৰ ৰূপ পৰিগ্রহণ কৰা বুলি ক'ব পাৰি।

দুর্গা পূজা হৈছে পৰিয়াল আৰু বন্ধুবর্গৰ লগত আনন্দেৰে সময় কটোৱা এক উৎসৱ। দুর্গা পূজাক দুর্গোৎসৱ বুলিও কোৱা হয়। ভাৰতৰ প্রধানকৈ পশ্চিমবঙ্গ, অসম, বিহাৰ, ওড়িশাৰ লগতে অন্য ৰাজ্যসমূহ আৰু বাংলাদেশতো পালন কৰা হিন্দুসকলৰ ই এক প্রধান উৎসৱ। এক পৰিসংখ্যা মতে যোৱা ২০২৪ বর্ষত অসমৰ ২২ খন জিলাত ৪৮০৪ খন পূজা অনুষ্ঠিত হৈছিল। অকল গুৱাহাটী মহানগৰতেই ২৬৬ খন পূজা অনুষ্ঠিত হোৱা বুলি এই পৰিসংখ্যাই কয়।

এই শাৰদীয় উৎসৱত অকল ধর্মীয় বা আনন্দ উদ্‌যাপনৰ দিশটোৱে জড়িত হৈ নাথাকে— আপাত দৃষ্টিত দুর্গা পূজা মূলতঃ এক ধর্মীয় অনুষ্ঠান বা উৎসৱ হ'লেও, ইয়ে কিন্তু ব্যৱসায়-বাণিজ্যৰ যোগেদি ৰাজ্যৰ অর্থনীতি বিকাশত প্রভূত অৰিহণা যোগাই আহিছে। দুর্গা পূজা কম দিনৰ বাবে আয়োজিত হ'লেও ইয়াক নিয়োগ সৃষ্টিকাৰী সর্ববৃহৎ এক উৎসৱ বুলি ক'ব পাৰি। এক অর্থনৈতিক পৰিসংখ্যা মতে, এই উৎসৱত আমাৰ ৰাজ্যখনতে প্রায় ২৫০০ কোটি টকাৰ ব্যৱসায় হয় আৰু বিভিন্ন ক্ষেত্রত হাজাৰ হাজাৰ লোকৰ উপার্জন বৃদ্ধিত সহায় কৰে। দুর্গা পূজাই অর্থনীতিত প্রভাৱ পেলাব পৰা যোগাত্মক দিশসমূহ উল্লেখ কৰা হ'ল।

১) সাজ-পোছাকৰ ব্যৱসায় আৰু খুচুৰা বিক্রী ঃ দুর্গা পূজা হৈছে অর্থনৈতিক কার্যকলাপ বৃদ্ধিৰ সময়— কাৰণ ৰাইজে এই সময়ত নতুন কাপোৰ, আনুষঙ্গিক সামগ্রী, জোতা-চেণ্ডেলৰ পৰা উপহাৰ সামগ্রী আদি ক্রয় কৰিবলৈ বজাৰত ভিৰ কৰে। আচলতে সাজ-পোছাক নির্মাতাসকলৰ বাবে দুর্গা পূজাৰ ৪/৫ মাহ আগৰ পৰাই ব্যস্ততা আহি যায়। ৰেডিমেড পোছাক নির্মাণ উদ্যোগসমূহত দুর্গা পূজা

আৰম্ভ হোৱাৰ বহু আগৰ পৰাই উৎপাদনৰ কাম-কাজবোৰ আৰম্ভ হয়। উৎপাদনৰ লগত জড়িত শ্ৰমিক, বিতৰণ বা বিপণনৰ লগত জড়িত শ্ৰমিক-কৰ্মচাৰীৰ লগতে স্থানীয় ব্যৱসায়ীসকলে বিশেষকৈ খুচুৰা বিক্ৰেতাসকলে এই উৎসৱৰ বতৰতে কিছু অতিৰিক্ত উপাৰ্জন কৰিবলৈ সুযোগ পায়। পৰম্পৰাগত সাজপোছাক, গহনা আৰু মনোহাৰী সামগ্ৰীৰ উৎপাদনৰ ক্ষেত্ৰত আগতীয়াকৈ বহু লোক জড়িত হৈ পৰে আৰু উৎপাদনৰ পৰা খুচুৰা ব্যৱসায়লৈকে এই সকলোবোৰ ক্ষেত্ৰতে অতিৰিক্ত উপাৰ্জনৰ পথ মুকলি হয়।

২) শিল্পী আৰু কাৰিকৰ ঃ দুৰ্গোৎসৱৰ কেইমাহমান আগৰ পৰা স্থানীয় শিপিনী আৰু কাৰিকৰসকল ব্যস্ত হৈ পৰে আৰু এই পূজাই এই লোকসকলৰ দক্ষতা প্ৰদৰ্শন আৰু প্ৰস্তুত কৰা সামগ্ৰী বিক্ৰীৰ বাবে এখন মঞ্চ প্ৰদান কৰে। দুৰ্গাৰ প্ৰতিমা নিৰ্মাতাকে আদি কৰি পৰম্পৰাগত শিল্পকৰ্ম বা মাটিচাকি নিৰ্মাণ কৰালৈকে দুৰ্গা পূজাই এই ব্যক্তিসকলৰ বাবে অৰ্থনৈতিক উপাৰ্জনৰ সুযোগ সৃষ্টি কৰে।

৩) নিয়োগৰ সুযোগ ঃ দুৰ্গা পূজাৰ প্ৰস্তুতি আৰু উদ্‌যাপনৰ ফলত বহুসংখ্যক অস্থায়ী কৰ্মসংস্থানৰ সুযোগ সৃষ্টি হয়। ইয়াৰ ভিতৰত পেণ্ডেল নিৰ্মাণ, মূৰ্ত্তি নিৰ্মাতা, সাজসজ্জাকাৰী, নিৰাপত্তাৰক্ষী, বিজুলী যোগান বা কাৰুকাৰ্য, কেটাৰিং আদি সকলো ক্ষেত্ৰতে অতিৰিক্তভাৱে অস্থায়ী কৰ্মসংস্থান সৃষ্টি হয়।

৪) আতিথ্য উদ্যোগ ঃ মিঠাইৰ খুচুৰা দোকান, হোটেল, ৰেষ্টুৰেণ্ট, চানাচুৰৱালা বা ফাষ্টফুড বিক্ৰী কৰা ভেণ্ডৰ আদিকে ধৰি সকলোবোৰ আতিথ্য উদ্যোগত এই পূজাৰ সময়তে ব্যৱসায়ৰ উত্থান ঘটে। থাউকতে খাদ্যসামগ্ৰী প্ৰস্তুত কৰি বিক্ৰী কৰা বহু স্থানীয় পুৰুষ-মহিলাই দুৰ্গা পূজাৰ সময়তে কিছু অতিৰিক্ত উপাৰ্জন কৰাৰ বাবে আশাপালি ৰৈ থাকে। পূজাত ব্যাপক জনসমাগম হোৱাৰ সময়তে প্ৰস্তুত কৰা খাদ্যবস্তুৰ চাহিদা বৃদ্ধি হয় আৰু ইয়েই সৰু সৰু ব্যৱসায়ীসকলৰ বাবে অৰ্থনৈতিক সুযোগ সৃষ্টি কৰে।

৫) পৰ্য্যটন ঃ থলুৱা আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটকৰ বাবে দুৰ্গা পূজা অন্যতম প্ৰধান আকৰ্ষণ। আকৰ্ষণীয় পেণ্ডেল, কলাত্মক সাজসজ্জা, সাংস্কৃতিক অনুষ্ঠান আদিয়ে দৰ্শকক পূজাথলীসমূহলৈ আকৰ্ষণ কৰে। চাকৰিয়ালসকলে দীঘলীয়া বন্ধৰ সুবিধা লৈ পৰিয়ালৰ সৈতে ফুৰিবলৈ যায় আৰু এই সময়ছোৱাতে পৰ্য্যটকৰ থকাৰ ব্যৱস্থা, যাতায়াত, খাদ্য গ্ৰহণ তথা অন্যান্য সেৱাৰ বাবে হোৱা লেনদেনে স্থানীয় অৰ্থনীতিৰ বিকাশত বিশেষ অৰিহণা যোগায়।

৬) বিজ্ঞাপন আৰু পৃষ্ঠপোষকতা ঃ দুৰ্গা পূজা সমিতিসমূহে প্ৰায়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা পৃষ্ঠপোষকতা বিচাৰে। ইয়াৰ দ্বাৰা ব্যৱসায়ীসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উপস্থাপন বা সেৱাসমূহৰ বিজ্ঞাপন আৰু প্ৰচাৰৰ বাবে এক মঞ্চ লাভ কৰে। ইয়াৰ ফলত বহুতো স্থানীয় বিজ্ঞাপন ব্যৱসায়ী— যেনে ফ্লেক্স, হৰ্ডিং বা গেট নিৰ্মাতাসকলৰ কাম-কাজ বৃদ্ধি পায় আৰু অতিৰিক্ত উপাৰ্জনৰ পথ সৃষ্টি হয়। বিগত বৰ্ষৰ গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাত দেশীয় ব্ৰেণ্ডসমূহৰ ভিতৰত ধৰমপাল সত্যপাল, হেভেলচ্, ষ্টেট বেঙ্ক অব ইণ্ডিয়া, ষ্টাৰ চিমেণ্ট, হিন্দুস্তান ইউনিলিভাৰ, এইচ পি, টপচেম চিমেণ্ট, চেম্‌চাং আদিয়ে গেট, বেনাৰ আৰু হৰ্ডিং আদিৰ জৰিয়তে জনসাধাৰণৰ মাজত তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিক্ৰী তথা প্ৰচাৰৰ বাবে গুৰুত্বপূৰ্ণ সুযোগ লাভ কৰিছিল। এইটো এনে এক সুযোগ য'ত উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে লক্ষাধিক লোকৰ সৈতে সহজে সংযোগ স্থাপন কৰিব পৰা যায়।

উপসংহাৰ ঃ এটা সময়ত পূজা কমিটিৰ ভিতৰতে থকা অনেক লোকৰ এক ভ্ৰান্ত ধাৰণা আছিল যে পূজাত দোকানৰ স্থল (ষ্টল) সমূহ ব্যৱসায়িক ভিত্তিত আৱণ্টন হোৱাটো শোভা নাপায়। ২০০৫ চন মানলৈকে আমাৰ গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাথলীত স্থানীয় ব্যৱসায়ীসকলে যিয়ে যেনেকৈ পাৰে দৃষ্টিকটু আৰু বিশৃঙ্খলভাৱে টিন, তাৰপলিন বা প্লাষ্টিক আদিৰে অস্থায়ী স্থল (ষ্টল) সাজি লৈছিল। ২০০৬ চনত প্ৰথমবাৰৰ বাবে পূজা কমিটিয়ে নিজে স্থল (ষ্টল) সাজি দি মাত্ৰ ২০০০ টকাৰ বিনিময়ত স্থানীয় ব্যৱসায়ীসকলক পূজাথলীত ব্যৱসায় কৰাৰ সুযোগ প্ৰদান কৰিছিল। সেই ধাৰা অব্যাহত ৰাখি পূজা কমিটিয়ে অতি পৰিপাটি আৰু সুশৃঙ্খলভাৱে এতিয়াও স্থানীয় ব্যৱসায়ীসকলক ব্যৱসায় কৰাৰ সুযোগ দিয়াৰ লগতে তাৰ পৰা আয় হোৱা ধনখিনি পূজাত সদ্ব্যৱহাৰ কৰি অৰ্থনৈতিকভাৱে উপকৃত হয়।

ওপৰত উল্লেখ কৰা প্ৰতিটো খণ্ডলৈ লক্ষ্য কৰিলে দেখা যায় যে মাত্ৰ ধৰ্মীয় লাভালাভ বা আনন্দ উদ্‌যাপনৰ বাবে নহয়, দুৰ্গা পূজা হৈছে ব্যৱসায়-বাণিজ্য বা এখন ৰাজ্যৰ অৰ্থনৈতিক দিশত ব্যাপক প্ৰভাৱ পেলাবলৈ সক্ষম হোৱা এটা উৎসৱ। যিসকলে অনুভৱ কৰে যে পূজা উদ্‌যাপনৰ নামত পেণ্ডেল, শিল্পসজ্জা আদিত ইমান টকা অপচয় হৈছে, তেওঁলোকৰ বাবে এইটো আঙুলিয়াই দিয়াটো প্ৰাসঙ্গিক যে এই ধন আচলতে অপচয় নহয়, ই শ্ৰমিক, শিল্পী, কাৰিকৰ আদিৰ ঘৰলৈ যায়, তেওঁলোকৰ ক্ৰয় ক্ষমতা বৃদ্ধি পায় আৰু লাখ লাখ লোকৰ জীৱন-জীৱিকা ছমাহতকৈ অধিক সময় ধৰি বৰ্তি থকাৰ সুযোগ দিয়ে। দুৰ্গোৎসৱে লাহে লাহে ভৌগোলিক, ধৰ্মীয় আৰু সম্প্ৰদায়িক সীমা অতিক্ৰম কৰি জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো লোকক ইয়াৰ মহিমা আৰু মাধুৰ্য্যৰ সৈতে সংযোগ কৰি আহিছে আৰু ৰাজ্যৰ অৰ্থনীতিয়ে বিকাশ লাভ কৰাৰ ক্ষেত্ৰত বাৰুকৈয়ে অৰিহণা যোগাইছে।❑

লেখক পৰিচিতি ঃ সুপ্ৰতিষ্ঠিত উদ্যোগী তথা বিশিষ্ট লেখক, বৈকুণ্ঠপুৰ, গীতানগৰ, গুৱাহাটী

জগৎ-সেৱাই ঈশ্বৰ-সেৱা

ড° পৰশমণি দাস

এনে মানুহ বোধহয় ক'তো নাই, যাৰ মনলৈ জীৱনত এবাৰৰ বাবে হ'লেও ঈশ্বৰৰ চিন্তা অহা নাই। আস্তিক, নাস্তিক, অজ্ঞেয়বাদী— সকলোৱে ঈশ্বৰৰ চিন্তা কৰিছে। আস্তিকসকলে বিনাদ্বিধাই ঈশ্বৰক মানি লৈছে। নাস্তিকসকলে ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰিছে। আনহাতে, 'ঈশ্বৰ থাকিবও পাৰে, নাথাকিবও পাৰে; আছে যদিও আমাৰ মগজুৱে এতিয়াও ঢুকি পোৱা নাই' এনে দর্শনত বিশ্বাস কৰি আহিছে অজ্ঞেয়বাদীসকলে।

আস্তিকসকলে ঈশ্বৰক পাবলৈ কিমান যে কি কৰা নাই! ধ্যান-তপস্যাৰ পৰা আদি কৰি নানা কৃচ্ছ্রসাধনা, বলি-বিধান — সকলো কৰি চাইছে ঈশ্বৰক বুজিবলৈ, পাবলৈ। কিন্তু ঈশ্বৰক নাপায়হে নাপায়! মানুহে কোনোপধ্যে সন্তুষ্ট কৰিব নোৱাৰে ঈশ্বৰক। ঈশ্বৰেও বিচৰা বস্তু নিদিয়ে ভক্তক! ঈশ্বৰ কেনেকুৱা, ঈশ্বৰ থাকে ক'ত, ঈশ্বৰক কিহেৰে সন্তুষ্ট কৰিব পাৰি— এনে হাজাৰটা প্রশ্নৰ উত্তৰ বিচাৰি ভাগৰুৱা হৈ পৰে সাধাৰণ মানুহৰ মন-মগজু।

ঈশ্বৰক বিচাৰি যেতিয়া মানুহ বিভ্রান্ত হয়, ঈশ্বৰক বিচৰাৰ নামত যেতিয়া মানুহে অন্য প্রাণীক যাতনা দিয়ে, ঈশ্বৰক পোৱাৰ পথ দেখুওৱাৰ নামত যেতিয়া এজনে আনজনক শোষণ কৰে, অর্থাৎ দুষ্কার্য কৰে— তেনে সময়তে জ্ঞানীসকল আগবাঢ়ি আহে আমাৰ চকু মুকলি কৰি দিবলৈ। জ্ঞানীসকলে কয়— "তোমালোকৰ ঈশ্বৰ প্রাপ্তিৰ পথবোৰতকৈ সহজ, শুদ্ধ, সৰল আৰু নিষ্কলুষ পথ এটি আছে। বিচাৰিলেই পাবা সেই পথটো।"

'মোৰ সত্য অন্বেষণৰ কাহিনী' নামৰ আত্মজীৱনীৰ পাতনিত মহাত্মা গান্ধীয়ে লিখিছে— 'মই যি লক্ষ্য লৈ এই ত্রিশ বছৰে সাধনা কৰি আছোঁ আৰু যাৰ বাবে অতনা দুখ ভুগিছোঁ, সেই লক্ষ্য হৈছে আত্ম-উপলব্ধি, অর্থাৎ ভগৱানক অন্তৰত উপলব্ধি কৰা, অর্থাৎ মোক্ষ লাভ কৰা। মোৰ গোটেই জীৱনটো এই সাধনাতেই নিয়ন্ত্রিত হৈছে।' মহাত্মা গান্ধীৰ নিকট সান্নিধ্য লাভ কৰা বিশিষ্ট লেখক-শিক্ষাবিদ শ্রীমান নাৰায়ণে গান্ধীৰ ঈশ্বৰ-বিশ্বাস সন্দর্ভত এইদৰে লিখিছে— 'গান্ধীজীৰ বাবে ঈশ্বৰ সত্য; আৰু শেষ সিদ্ধান্ত অনুসৰি সত্যই ঈশ্বৰ— যি ঈশ্বৰ পোহৰ (বা জ্ঞান), জীৱন আৰু প্রেমৰ উৎস। এই সর্বশক্তিমানত গভীৰ বিশ্বাস নৰখাকৈ কোনো ব্যক্তিৰ বাবে সত্য



আৰু অহিংসাত সমর্পিত হোৱাটো সম্ভৱ নহয়। তেনে কাৰণতে এগৰাকী সত্যাগ্রাহীৰ বাবে ঈশ্বৰক দৃঢ়ভাৱে বিশ্বাস কৰাটোৱে প্রাথমিক চর্ত বুলি গান্ধীয়ে কৈ গৈছে।'

কোনো কামৰ বাবে ধন সংগ্রহৰ প্রসংগত এবাৰ প্রশ্ন কৰোঁতে শান্তিৰ ন'বেল বঁটা বিজয়ী মাদাৰ টেৰেছাই উত্তৰ দিছিল— "মই কেতিয়াও এই বিষয়ে নাভাবোঁ। ধন নিজে নিজে আহে। ভগৱানে সেয়া পঠিয়াই দিয়ে; কিয়নো আমি তেওঁৰেই কাম কৰোঁ। ঈশ্বৰেই ধন আহৰণৰ পথ দেখুৱায়। যদি কেতিয়াবা ধন হাতত নপৰে তেন্তে বুজি লওঁ যে ঈশ্বৰে সেই কাম কৰাটো বিচৰা নাই।"

মহাত্মা গান্ধী আৰু মাদাৰ টেৰেছাৰ ঈশ্বৰ সম্বন্ধীয় এই

দৃষ্টিভংগী চিন্তাকর্ষক। এই প্রসংগতে লক্ষ্মীনাথ বেজবৰুৱাৰ এফাঁকি গীত মনলৈ আহিছে—

‘গংগা যমুনা স্নানিলোঁ যতনে
গয়া কাশী তীর্থ গৈলোঁ
হিয়াৰে ঈশ্বৰ হিয়াতে আছিলে
ক’ৰবাত বিচাৰি মৈলোঁ।’

মহাত্মা গান্ধীৰ ‘ভগৱানক অন্তৰত উপলব্ধি কৰা’ আৰু বেজবৰুৱাৰ ‘হিয়াৰে ঈশ্বৰ হিয়াতে আছিলে’ সমার্থক। অর্থাৎ মানুহে নিজৰ হৃদয়তে ঈশ্বৰক বিচাৰি পাব পাৰে। কিন্তু তাৰ বাবে মানুহ সত্যৰ পথত থাকিব লাগিব। অসত্যৰ পথত থাকি ঈশ্বৰক বিচৰাটো ফুটা কলহত পানী ভৰোৱাৰ নিচিনা কথা। তেনে কাৰণতে মহাত্মা গান্ধীয়ে কৈছে ঃ ‘সত্যই ঈশ্বৰ’।

মাদাৰ টেৰেছাই সমগ্র জীৱন উছর্গা কৰিছিল আর্তজনৰ সেৱাত, অর্থাৎ মানুহৰ সেৱাত। ‘আমি তেওঁৰেই (অর্থাৎ ঈশ্বৰৰেই) কাম কৰোঁ’ বুলি টেৰেছাই বুজাইছে যে মানুহৰ সেৱাই হ’ল ঈশ্বৰৰ সেৱা। তেনে অর্থতে চন্দ্রকুমাৰ আগৰৱালাই লিখিছে—

‘মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে।’
আৰু
‘মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা পাদ্য অর্ঘ্য লৈ
জয় জয় মানৱ দেৱ।।’

কবিৰ দৃষ্টিত মানুহেই দেৱতা, মানুহেই ঈশ্বৰ। গতিকে মানুহৰ সেৱাতেই আমাৰ জীৱন কটাই দিব লাগে।

উপনিষদৰ ঋষিসকলে আকৌ ঈশ্বৰক বিচাৰি মানৱ সেৱাৰো ঊর্ধ্বলৈ গতি কৰিছে। তেওঁলোকৰ মতে ঈশ্বৰক পাবলৈ হ’লে আমি মানুহৰ লগতে অন্য জীৱৰো, আনকি নির্জীৱ পদার্থবোৰৰো সেৱা কৰিব লাগিব। উপনিষদৰ দর্শনৰ অনুগামী শ্রীমন্ত শঙ্কৰদেৱে লিখিছে—

‘যত জীৱ জংগম কীট পতংগম
অগ নগ জগ তেৰি কায়া।’ (বৰগীত)

(অর্থাৎ, কীট-পতংগকে আদি কৰি যিমান গতিশীল প্রাণী আছে, পর্বত প্রভৃতি স্থিৰ প্রকৃতিৰ যিমান বস্তু আছে সকলো তোমাৰেই কায়া বা শৰীৰ)। এই জগতৰ অর্থাৎ বিশ্বব্রহ্মাণ্ডৰ সকলো জৈৱ-অজৈৱ পদার্থকে ঈশ্বৰৰ অংশ হিচাপে মান্যতা দিবলৈ শংকৰদেৱে আহ্বান জনাইছে। শংকৰদেৱে ভাগৱতত লিখিছে ঃ ‘ওৱা নৱলোক, হৰি ভজিয়োক’। ইয়াৰ অর্থ হ’ল ঃ ‘তোমালোকে হৰিক ভজনা কৰা; অর্থাৎ এই বিশ্বৰ সকলো জৈৱ-অজৈৱ পদার্থকে তুমি শ্রদ্ধা কৰা, সংৰক্ষণ কৰা। কোনো বস্তুৰে তুমি হানি-বিঘিনি নকৰিবা।’ জৈৱ-বৈচিত্র্য সংৰক্ষণৰ বাবে ইয়াতকৈ ভাল আহ্বাননো কি আছে?

মানুহ কেতিয়াও অকলে জীয়াই থাকিব নোৱাৰে। মানুহ আৰু প্রকৃতিৰ উপাদানবোৰৰ মাজত আছে এক জৈৱিক যোগাযোগ (Biotic Communication) আৰু আন্তৰিক সম্বন্ধ (Interrelationship)। প্রকৃতিৰ উপাদান মানে জীৱ-জন্তু, গছ-গছনি, পাহাৰ-পর্বত, নদ-নদী ইত্যাদি। নক’লেও হয়— মানুহৰ স্থিতি, সুখ-স্বাচ্ছন্দ্য, অন্য সকলো অনুভূতি আৰু ধনাত্মক চিন্তাৰ বাবে প্রকৃতিৰ প্রয়োজন সদায় আছে। এই কথা অতীজতেই বুজিছিল মানুহে। উদাহৰণস্বৰূপে গছৰ উপকাৰিতাৰ বিষয়ে ভাগৱতত এইদৰে লিখা হৈছে—

‘এহি বৃন্দাবনে আছে যত তৰুগণ।
দেখা দেখা কিনো মহা সাধুৰ লক্ষণ।।
কৰে পৰ উপকাৰ কিনো কৃপাময়।
পৰৰেসে অর্থে জীয়ে ইটো বৃক্ষচয়।।
থাকৈ সহি ৰহি মহা ৰৌদ্র বৃষ্টিপাত।
আমি সুখে বঞ্চো ৰহি ইয়াৰ ছায়াত।।
পৰ উপকাৰী তৰু জনম সার্থক।
সন্তৰ বিমুখ যেন নুহিকে প্রার্থক।।
বাকলি পল্লৱ মূল পত্র পুষ্প ফল।
যেই যিবা চাৰৈ পাৰৈ বৃক্ষত সকল।।
জীৱনৰ সাফল দেহীৰ এহিমানে।
জীয়ে পৰ উপকাৰ কৰি অর্থে মানে।।’

গছ-গছনিৰ নিচিনাকৈ আমাৰ জীৱনত প্রকৃতিৰ সকলো উপাদানৰে পোনপটীয়া প্রভাৱ আছে। এই সকলো উপাদানৰ স্থায়িত্বই নির্ণয় কৰিব মানুহৰ স্থায়িত্ব। তেনে কাৰণতে প্রকৃতিক অর্থাৎ জগতক ৰক্ষা কৰাৰ বা সংৰক্ষণ কৰাৰ বা সেৱা কৰাৰ প্রয়োজন আছে। ঈশ্বৰ-বিশ্বাসীসকলে যিহেতু প্রকৃতিক বা জগতক ঈশ্বৰৰ অংশ বা শৰীৰ বুলি মান্যতা দিয়ে, তেওঁলোকৰ বাবে সেয়েহে জগৎ-সেৱাই হ’ব ঈশ্বৰ-সেৱা।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক, শঙ্কৰী সাহিত্যৰ গৱেষক তথা মূৰব্বী অধ্যাপক, ৰসায়ন বিজ্ঞান, প্রাগজ্যোতিষ মহাবিদ্যালয়

সাম্প্ৰতিক অসমত ব্যয়বহুল উৎসৱৰ প্ৰাসংগিকতা

বিভাৰাণী দাস

অসমৰ দৰে এখন অৰ্থনৈতিকভাৱে পিছপৰা ৰাজ্যত ব্যয়বহুল উৎসৱৰ প্ৰাসংগিকতা কিমান আমি বাৰু কেতিয়াবা ভাবি চাইছোনে? সৰ্বপ্ৰথমে পূজাৰ প্ৰসংগলৈ অহা যাওক। কেইটামান বছৰ পূৰ্বে অসমীয়া মানুহৰ মাজত জাকজমকতাৰে পূজা পতাৰ হাবিয়াসে গা কৰি উঠা নাছিল। কিন্তু বিগত কেইটামান বছৰৰ পৰা পূজা-পাৰ্বণত জাকজমকতা বাঢ়ি যোৱা বুলি অনুভৱ হৈছে। ইয়াৰ ফলত লক্ষ্মীপূজা, দুৰ্গাপূজা, কালীপূজা, দীপাৱলী আদিৰ নামত কিমান মোটা অংকৰ ধন বহিঃৰাজ্যলৈ নিৰ্গমণ হৈছে সেয়া সহজে অনুমেয়। ইয়াৰ ভিতৰত দুৰ্গাপূজা অন্যতম। বিভিন্ন ঠাইত অনুষ্ঠিত সৰহ সংখ্যক দুৰ্গাপূজাই কেইবালাখটকীয়া। প্ৰায় ১৫ৰ পৰা ২০ লাখলৈকে পূজাৰ বাজেট। প্ৰতিমা, পূজা মণ্ডপত পোহৰৰ খেলা আদিৰ নামত লাখ লাখ টকা খৰচ হয়। কিন্তু ইমানবোৰ টকা আহিছে ক'ৰ পৰা? নিশ্চয়কৈ সৰ্বসাধাৰণ মানুহৰ পৰা আদায় কৰা চান্দা, নহ'লে ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ পৰা আদায় কৰা চান্দা, সেই ব্যৱসায়ীবোৰেই পূজাৰ বতৰত তেওঁলোকৰ পইচা আদায় কৰিবলৈ বস্তু-বাহানিৰ অভাৱনীয় মূল্যবৃদ্ধি কৰে। গতিকে, এই সমস্যাটোৰ পৰা পৰোক্ষভাৱে আমিয়েই ভুক্তভোগী হ'ব লাগে। তদুপৰি কালীপূজা, লক্ষ্মীপূজা, দীপাৱলী আদিৰ নামতো ধনৰ শৰাধ হৈছে। দীপাৱলীত নানান তৰহৰ আতচবাজীৰ নামতো অসমৰ এক বুজন পৰিমাণৰ ধন বহিঃৰাজ্যলৈ নিৰ্গমণ হয়। কিছুপৰিমাণে অৱশ্যে অসমৰ থলুৱা আতচবাজীৰ উদ্যোগসমূহ লাভৱান হৈছে। বৰ্তমান সময়ত সৰস্বতী পূজাও এইসকলোবোৰৰ পৰা ব্যতিক্ৰম নহয়। ইয়াতো যেন পূজাৰ নামত সুন্দৰী প্ৰতিযোগিতাহে পতা হয়। ফলত সৰস্বতী পূজা যি উদ্দেশ্যে অনুষ্ঠিত কৰা হয় সেই উদ্দেশ্যও ব্যাহত হৈছে। কোনে কিমান ৰকমৰ সাজ-পাৰ পৰিধান কৰিব পাৰে তাৰ প্ৰতিহে অত্যধিক আগ্ৰহ দেখা যায়। সৰস্বতী পূজাও যেন হৈ পৰিল সাজ-পাৰৰ জাকজমকতা দেখুওৱাৰ এক ফেশ্বন শ্ব'।

অসমৰ বাপতি সাহোন তিনিটা বিহু। আটাইকেইটাৰ ভিতৰত ৰঙালী বিহু বেছিকৈ অনুষ্ঠিত কৰা যায়। আগৰ দিনত বহুকেইখন গাঁও মিলি মুকলি বিহু অনুষ্ঠিত কৰিছিল। কিন্তু আজিকালি ব'হাগ মাহৰ প্ৰথমৰ পৰা বিহু উৎসৱবোৰ আৰম্ভ হৈ জেঠলৈকে ব'হাগী বিদায় অনুষ্ঠান চলি থাকে। এই বিহু উৎসৱবোৰতো এক অশুভ পৰম্পৰাই গা কৰি উঠিছে। ৰাস্তা- ঘাটৰ বাইক, ট্ৰাক, বাছ আৰু আন আন সৰু যান-বাহনৰ পৰাও জোৰ কৰি আদায় কৰা চান্দা; যিহেতু একেটা অঞ্চলতে বহুকেইখন বিহু উৎসৱ অনুষ্ঠিত হয় গতিকে চান্দাৰ নামত মানুহে বহুত টকা ভৰিবলগীয়া হয়। ৰাস্তা-ঘাটত চান্দা উঠোৱাৰ ফলত বহু সময়ত অপ্ৰীতিকৰ পৰিস্থিতিৰো সৃষ্টি হয়। বিহুৰ সাংস্কৃতিক অনুষ্ঠানবোৰৰ মানো নিম্নগামী হৈছে, কিন্তু সেইবোৰত বহু লাখ টকা অপচয় কৰা হয়। লাখ লাখ টকা খৰচ কৰি অনুষ্ঠানবোৰ পতা হয় ঠিকেই, কিন্তু ইয়াৰ মাজত দেখা যায় অশৃংখলাবদ্ধতা, অনিয়ম আৰু অশ্লীলতা।

আন এটা প্ৰসংগলৈ আহো। অসমৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠান, সংঘ আদিয়ে প্ৰতিবছৰে লাখ লাখ টকা খৰচ কৰি বাৰ্ষিক অধিবেশনৰ লগতে আন বহুতো অনুষ্ঠান অনুষ্ঠিত কৰে। ইয়াৰ ফলত সৰ্বসাধাৰণ মানুহৰ মাজত হোৱা খৰচৰ বোজাৰ মাত্ৰাটো হয়তো সংঘবোৰৰ বিষয়-ববীয়াসকলে ভাবি চোৱা নাই। অৰ্থনৈতিকভাৱে অনুন্নত মানুহৰ ঘৰে ঘৰে গৈ সেই কথাটো অনুধাৱন কৰিব পৰা যাব চাগে, যে তেওঁলোকে এনেকুৱা অনুষ্ঠানবোৰৰ কাৰণে কিমান সমৰ্থ!

এইবোৰ কথাৰ পৰা অনুভৱ হয় যে, উৎসৱৰ প্ৰকৃত তাৎপৰ্য, ঐতিহ্য, পৰম্পৰাৰ পৰা মানুহ বিচ্যুত হোৱাৰ পথত। আমাৰ লেখাৰ উদ্দেশ্য উৎসৱ পতাৰ বিৰোধিতা কৰা নহয়। কিন্তু নিয়ন্ত্ৰিত মাত্ৰাত ধন খৰচ কৰিলে হয়তো আমিয়েই লাভৱান হ'ব পাৰিম। ভগৱানক পূজা কৰিব লাগে কিন্তু লাখ লাখ টকা খৰচ কৰি ঈশ্বৰক সন্তুষ্ট কৰাৰ নামত প্ৰতিযোগিতা কৰিব যোৱাটো উচিত নহয় বুলি ভাবো। অসমৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানবোৰেও তেওঁলোকৰ অনুষ্ঠানৰ সংখ্যা কিছু কম কৰি নিম্নবিত্ত, মধ্যবিত্ত শ্ৰেণীটোক কিছু সকাহ দিব নোৱাৰে জানো? সমাজৰ সকলো লোকে মিলি পূজা, বিহু আৰু আন আন ধৰ্মীয় অনুষ্ঠানসমূহ সামৰ্থ্য অনুযায়ী নাপাতিলে আৰু ভগৱানৰ পূজাৰ নামত অবাধ ধনৰ শৰাধ বন্ধ নকৰিলে হয়তো অদূৰ ভৱিষ্যতৰ এইটো এটা জ্বলন্ত সমস্যাত পৰিণত হ'ব! সেয়েহে সকলো ঐক্যবদ্ধ হৈ এনেবোৰ সমস্যাৰ কলিতে মষিমূৰ কৰা যাওক।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা প্ৰধান শিক্ষয়িত্ৰী, হাজো

শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱৰ বৰগীত এটি আলোচনা

ড° মীনা কলিতা



খ্ৰীষ্টীয় পঞ্চদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষজুৰি ভক্তি আন্দোলন গঢ় লৈ উঠিছিল, বিশেষকৈ নৱবৈষ্ণৱ ধৰ্মৰ আন্দোলনে সমগ্ৰ ভাৰতবৰ্ষতে এক আলোড়নৰ সৃষ্টি কৰিছিল। প্ৰকৃততে নৱবৈষ্ণৱ আন্দোলনৰ সূত্ৰপাত হয় খ্ৰীষ্টীয় সপ্তমৰ পৰা দশম শতাব্দীৰ ভিতৰত দাক্ষিণাত্যৰ তামিলদেশত। ইয়াৰ প্ৰথম গুৰিব'ঠা ধৰিছিল তামিলদেশৰ আলৱাৰ ভক্তসকলে আৰু তেওঁলোকে বিভিন্ন ভক্তিমূলক গীত-পদ ৰচনা কৰি জনসাধাৰণৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে চেষ্টা কৰিছিল। আমাৰ অসমতো, মহাপুৰুষ শঙ্কৰদেৱে গুৰিব'ঠা ধৰি শিষ্যসকলৰ সৈতে সমাজত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱ আৰু তেওঁৰ শিষ্য মাধৱদেৱে বৈষ্ণৱ ধৰ্মমত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিভিন্ন গীত-পদ আৰু নাট-ভাওনাৰ সৃষ্টি কৰিছিল। তাৰেই ফলশ্ৰুতিয়ে হৈছে বৰগীতসমূহ। আধ্যাত্মিক ভাবেৰে পৰিপুষ্ট ৰাগ-তালযুক্ত, ভক্তিৰসপ্ৰধান গুৰু দুজনাৰ দ্বাৰা ৰচিত চৈধ্য প্ৰসংগৰ উপযোগী শ্ৰুতিমধুৰ উচ্চস্তৰৰ গীতসমূহেই বৰগীত। বৰগীতসমূহে ভাৰতীয় সংগীত জগতত এক বিশিষ্ট আসন দখল কৰিবলৈ সক্ষম হোৱাৰ লগতে অসমৰ বৈষ্ণৱ পৰম্পৰা, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত অতি উচ্চ আসনত প্ৰতিষ্ঠিত হৈছে।

বৰগীত সম্পৰ্কে ভাষাবিদ কালিৰাম মেধি, ডিম্বেশ্বৰ নেওগ, ড° মহেশ্বৰ নেওগ, দেবেন্দ্ৰনাথ বেজবৰুৱা, ৰাজমোহন নাথ, ড° বাণীকান্ত কাকতি, সত্যেন্দ্ৰনাথ শৰ্মা, পবিত্ৰপ্ৰাণ গোস্বামী আদি বিশিষ্ট পণ্ডিতসকলে নিজ নিজ মতামত দাঙি ধৰিছে। কালিৰাম মেধিয়ে বৰগীতক 'মহান গীত' বা 'স্বৰ্গীয় গীত' (Great song বা song Celestial) আখ্যা দিছে। অসমীয়া সাহিত্যৰ প্ৰথম বুৰঞ্জী প্ৰণেতা দেবেন্দ্ৰনাথ বেজবৰুৱাই বৰগীতক অসমীয়া ভাষাৰ Holy song বুলি মত আগবঢ়াইছে।

ড° বাণীকান্ত কাকতিৰ মতে— বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত। সেইকাৰণেই এইবোৰক বৰগীত বোলা হয়। আনহাতে ইংৰাজ কবি হেৰিক (Herrick) ৰ আধ্যাত্মিক ভাবৰ কবিতাৰ আৰ্হিত বৰগীতক 'মহৎ বা মহান গীত' (Noble Numbers) বোলা হয়।

সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে— বিষয়বস্তুৰ মহত্ত্ব, ৰচনাভংগীৰ সৌষ্ঠৱ আৰু শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য আৰু কল্পনাৰ সংযমে মহাপুৰুষ দুজনাৰ দ্বাৰা ৰচিত এই গীতসমূহক সমসাময়িক আন শাস্ত্ৰীয় সুৰযুক্ত গীতৰ পৰা পৃথক কৰিছে, সেয়েহে ইয়াক সাধাৰণ গীতৰ বিপৰীতে 'বৰগীত' বোলা হয়।

প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথে বৰগীত নামকৰণত সাংগীতিক দিশৰ পৰা দৃষ্টিপাত কৰি ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ 'বঢ়াগানা' বা বড়া খেয়ালৰ আৰ্হিত বৰগীত নাম দিয়া হ'ব পাৰে বুলি অনুমান কৰিছে।

পবিত্ৰপ্ৰাণ গোস্বামীৰ বিবেচনাত মূলতঃ সংগীত কলাৰ মাধ্যমেৰে অসমত বৈষ্ণ ধৰ্মৰ প্ৰৱৰ্তন কৰোঁতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা খ্ৰীঃ পঞ্চদশ শতিকাৰ শেষ আৰু ষষ্ঠদশ শতিকাৰ আদি ভাগত ৰচিত, শাস্ত্ৰীয় ৰাগ তালত নিবন্ধ ভক্তিমূলক গীতসমূহকে সাধাৰণতে বৰগীত বুলি কোৱা হয়।

অসমীয়া সাহিত্যৰ দ্বিতীয়খন বুৰঞ্জী প্ৰণেতা ডিম্বেশ্বৰ নেওগে শঙ্কৰীযুগৰ বৈষ্ণৱ আৰু অবৈষ্ণৱ সকলো কবিৰে ৰাগ-তালযুক্ত গীত ৰচনাসমূহকো তল পেলাই কেৱল শঙ্কৰদেৱ

আৰু মাধৱদেৱৰ এটি গীতপুঞ্জকহে বৰগীত বুলি দৃঢ়ভাৱে সীমা বান্ধি দিছে। তেওঁৰ মতে ঃ "শঙ্কৰ-মাধৱৰ পুঞ্জীভূত ভক্তিপ্রসূত কল্পনাৰ ভাৱ-ভাষা আৰু সুৰেই যেন মূর্ত্তি ধৰি একোটি বৰগীত হৈছে।"

ড° মহেশ্বৰ নেওগৰ মতে— "বৰগীত বুলিলে শঙ্কৰদেৱ আৰু মাধৱদেৱ ৰচিত, নিৰূপিত ৰাগত পোৱা নকুৰি এঘাৰটি গীতৰ এটি থূলক বুজায়।" তেওঁ আকৌ কৈছে— "সংগীত শাস্ত্রীয় কিছুমান ধৰা-বন্ধা নিয়ম মানি চলিলেই বৰগীত নহয়; বৰগীতৰ আৰু কেইটামান বিশেষত্ব আছে। বৰগীত সাংসাৰিক জগতৰ প্রেম-কাহিনীৰ পৰা সম্পূর্ণ মুক্ত, আধ্যাত্মিক ভাবৰ উপাসনা প্রসঙ্গৰ গীত। তদুপৰি ই মহাপুৰুষ বিৰচিত হ'ব লাগিব। এনে প্রকাৰে বিবেচনা কৰিলে বৰগীতক এটা শ্রেণী নুবুলি এক পুঞ্জ বা থূপ বোলাহে সমীচীন হ'ব যেন লাগে।"

বৰগীত নামটো কেতিয়াৰ পৰা হ'ল সেইটো খাটাংকৈ জনা নাযায়। শঙ্কৰদেৱ-মাধৱদেৱে এই নামটো ক'তো ব্যৱহাৰ কৰা নাছিল। গুৰু দুজনাৰ তিৰোভাৱৰ পিছতহে ভক্তসকলে এই নাম দিয়া বুলি ধৰি ল'ব পাৰি।

মহাপুৰুষ শঙ্কৰদেৱ হৈছে বৰগীতৰ জনক। চৰিতপুথিৰ পৰা জানিব পৰা যায় যে শঙ্কৰদেৱে যেতিয়া প্রথমবাৰৰ বাবে তীর্থ ভ্রমণলৈ যায় তেতিয়া বদৰিকাশ্রমত তেওঁ প্রায় পঞ্চদশ শতিকাৰ শেষভাগত (১৪৯০ খ্রীঃ মানত) "মন মেৰি ৰাম চৰণেহি লাগু তই দেখনা অন্তকে আগু" শীর্ষক প্রথম বৰগীতটো ৰচনা কৰে। চৰিত পুথিৰ পৰা পোৱা তথ্য অনুসৰি শঙ্কৰদেৱে নিজে বাৰকুৰি বৰগীত ৰচনা কৰিছিল, কিন্তু কমলা বায়ন নামৰ ভকত এজনে আওৰাবলৈ নিওঁতে বনপোৱা জুইত ঘৰ পোৱা যোৱাত গীতখিনি পুৰি যায়। পিছত বিভিন্নজন ভকতৰ স্মৃতিৰ পৰা মাত্র ৩৪টা বৰগীতহে উদ্ধাৰ হয়। শঙ্কৰদেৱে পিছত আৰু গীত ৰচনা নকৰি মাধৱদেৱক গীত ৰচিবলৈ কয়। মাধৱদেৱে ১৫৭টা বৰগীত ৰচনা কৰাত বৰগীতৰ সংখ্যা হয়গৈ নকুৰি এঘাৰটা অর্থাৎ ১৯১টা। শঙ্কৰ-মাধৱৰ পিছত গোপাল আতা, ৰামচৰণ ঠাকুৰ, পুৰুষোত্তম ঠাকুৰ আদিয়েও বৰগীতৰ আর্হিত গীত ৰচিলেও সেইবোৰক কিন্তু 'বৰগীত' আখ্যা দিয়া হোৱা নাই।

বৰগীতসমূহ বিভিন্ন বৈশিষ্ট্যৰে সমৃদ্ধ। ড° মহেশ্বৰ নেওগে এই বৈশিষ্ট্যসমূহ বিষয়বস্তু, ভাষা, সুৰ, ব্যৱহাৰ আৰু সীমাবদ্ধ পবিত্রতাৰ ওপৰত নির্দেশ কৰিছে।

বিষয়বস্তুৰ ফালৰ পৰা মন কৰিবলগীয়া যে বৰগীতত আধ্যাত্মিক ভাব, বেদান্তৰ মর্মার্থ, একান্তিকা ভক্তি আৰু শ্রীকৃষ্ণৰ বাল্যকালৰ বিভিন্ন কার্য্যাৱলীৰ বর্ণনা আছে। বিষয়বস্তু পৰিবেশনত গীতিকাৰৰ সংৰক্ষণশীলতা বা সংযমো লক্ষণীয়। তেওঁলোকে পীতাম্বৰ আদি লৌকিক কবিসকলৰ দৰে বৰগীত ৰচোতে শৃংগাৰ বা কোনো লঘু ৰস সৃষ্টি কৰা নাই। বিষয়বস্তু পুৰাণ, ৰামায়ণ আদিৰ পৰা ল'লেও তাত ৰাসক্রীড়া, শচী-সত্যভামাৰ কলহ বা কৃষ্ণ-ৰুক্মিণীৰ প্রেমলীলাৰ নগ্নচিত্র নাই: আছে মাথোঁ পৰমেশ্বৰ কৃষ্ণৰ গুণগান আৰু মহিমা। কিছুমান গীতত 'এভৰ গহন বন' বা 'এভৱসাগৰ'ৰ প্রতি অনাস্থা প্রকাশ কৰি আৰু 'ভার্যা পুত্র ধন সবে অকা�ৰণ' বুলি ভগৱানৰ নামকেই সাৰোগত কৰিবলৈ কৈছে। বৰগীতবোৰৰ বেছিভাগতেই এফালে কৃষ্ণৰ পৰম পুৰুষত্ব আৰু আনফালে মানৱী লীলা প্রকাশ এই দুফলীয়া ব্যক্তিত্বৰ বিকাশ দেখা যায়। ড° বাণীকান্ত কাকতিৰ ভাষাত "ধাতুৰ মুদ্রা এটাৰ এফালে ৰজাৰ চাব আৰু আনফালে মুদ্রাটিৰ বেচফেৰি উল্লেখ থকাৰ দৰে গীতবোৰতো এফালে পৰম পুৰুষৰ মানৱী লীলাৰ ব্যক্তিত্বৰ চাব আৰু আনফালে ভক্তৰ ভাষাত সেই চাবখিনিৰ মূল্যৰ ইংগিত আছে। মাধৱদেৱৰ বৰগীতত সংসাৰৰ নিত্যতা প্রকাশৰ উপৰি ভগৱান শ্রীকৃষ্ণৰ বিশাল পুৰুষত্ব আৰু শিশুকৃষ্ণৰ বাল্যকালৰ বিভিন্ন ৰং-বিৰঙৰ চিত্র অঙ্কিত হৈছে। বৰগীতবোৰত শিশুকৃষ্ণৰ মাখন চুৰি, গৰু চৰোৱা, খেল-ধেমালি আদি কৰাৰ মনোৰম বর্ণনা পোৱা যায়।" ড° মহেশ্বৰ নেওগৰ ভাষাত "বর্ণনা আমোদপ্রিয়, কবিৰ বিলাস মাত্র নহয়, এই বর্ণনাৰ আঁৰত লুকাই আছে এক আধ্যাত্মিক জগত, যাৰ জ্যোতিত প্রতিটি বর্ণনা হীৰাবুলীয়া নিয়ৰৰ দৰে বা সঞ্জীৱনী দীপশিখাৰ দৰে ভাস্বৰ।"

বৰগীতৰ বিষয়বস্তুক ছটা ভাগত ভাগ কৰিব পাৰি— (১) লীলা, (২) বিৰহ, (৩) বিৰক্তি (৪) পৰমার্থ (৫) চোৰ আৰু (৬) চাতুৰি।

লীলাবিষয়ক গীতবোৰ আকৌ চাৰিভাগত বিভক্ত। জাগন, চলন, খেলন আৰু নৃত্য। জাগনৰ গীতত যশোদাই কৃষ্ণক নিদ্রাৰ পৰা জগাই দিয়া, চলনৰ গীতত মাখন ভাত লৈ গৰখীয়াৰ লগত কৃষ্ণ গৰু চাৰিবলৈ যোৱা, খেলন গীতত গোপ শিশু আদিৰ লগত খেলা কৰা আৰু নৃত্য প্রধান গীতত কৃষ্ণই নাচি নাচি গোপীসকলৰ পৰা দৈ, মাখন আদি খোৱাবস্তু আদায় কৰাৰ কথা আছে। ইয়াৰ উপৰি কোটোৱা খেলা, ফাগু খেলা আৰু দোলন বিষয়ক গীতো আছে। কৃষ্ণৰ অনুপস্থিতিত যশোদা আৰু আন আন গোপীৰ বিৰহ-দুখৰ বিৱৰণ পোৱা যায় বিৰহ গীতসমূহত, য'ত আছে বৃন্দাবনৰ অধিষ্ঠাতা দেৱতাস্বৰূপ কৃষ্ণৰ অবিহনে হোৱা বৃন্দাবনবাসীৰ শোকাকুল অৱস্থা। কেৱল মানুহেই নহয়, জীৱ-জন্তু আৰু তৰু-তৃণেও যে বিৰহ অনুভৱ কৰিছিল তাক কবিয়ে প্রাণস্পর্শী ভাষাৰে বর্ণনা কৰিছে—

কি কহবো উদ্ধৱ কি কহবো প্রাণ।
গোবিন্দ বিনে ভয়ো গোকুল উচান।।

শূন্য ভৈল অংগিনা বিৰিন্দা বিপিন।
না শোভে ৰজনী জৈছে চান্দ বিহীন।।
(শঙ্কৰদেৱ)

বিৰক্তি বিষয়ক গীতবোৰত সংসাৰৰ প্রতি কবিৰ অনাস্থা আৰু পৰমার্থ বিষয়ক গীতত পৰমপুৰুষ ভগৱানত আত্মসমর্পণৰ কথা প্রকাশ পাইছে। চোৰ-চাতুৰি বিষয়ক গীতত আকৌ কৃষ্ণই দৈ, মাখন আদি চুৰি কৰি খোৱা, যশোদা, গোপী আদিৰ লগত দুষ্টামি কৰা আদি চিত্র অংকন কৰিছে।



ৰৰগীতৰ আন এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে— ইয়াত ব্যৱহৃত ভাষা। শঙ্কৰদেৱ-মাধৱদেৱে তেওঁলোকৰ গীত আৰু নাটবোৰত এটা কৃত্রিম সাহিত্যিক ভাষা ব্যৱহাৰ কৰিছিল, যিটো ভাষাক ব্রজবুলি, ব্রজ-বোল আৰু অসমত সাধাৰণতে ব্রজাৱলী ভাষা বোলে। এই ভাষা কোনো ঠাইৰ কথিত ভাষা নাছিল, এটা সানমিহলি ভাষাহে আছিল। মৈথিল বা মৈথেলি ভাষাই এই ভাষাৰ ভেটি বুলি পণ্ডিতসকলে কৈছে। অসম, উৰিষ্যা আৰু বঙ্গদেশৰ কবিসকলে পৰস্পৰৰ কিছু সমিল-মিল থকা এটা ভাষাৰ সৃষ্টি কৰি ভাবৰ আদান-প্রদান সহজ কৰি তোলাৰ লগতে বৈষ্ণৱসকলৰ মাজত প্রীতি বঢ়াবলৈ যত্ন কৰা বুলি ড° মহেশ্বৰ নেওগে অভিমত দাঙি ধৰিছিল। শঙ্কৰদেৱৰ দেহাৱসানৰ পিছত অসমত ব্রজাৱলী ভাষাৰ প্রচলনো ক্রমে হ্রাস পাইছিল।

'সুৰ' ৰৰগীতৰ এটা মন কৰিবলগীয়া বৈশিষ্ট্য। বিষয়বস্তু, উদ্দেশ্য আৰু সময় অনুসৰি গুৰু দুজনাই ৰৰগীতবোৰত সুৰ-সংযোজন কৰিছিল। ড° নেওগৰ ভাষাত ৰৰগীতক অসমৰ 'ক্লাছিকেল' বা উচ্চাংগ সংগীত বুলি ক'ব পাৰি।

বিষ্ণুৰ মহিমা প্রচাৰ বা আনন্দ বিনোদনৰ কাৰণেই ৰৰগীতবোৰ গোৱা হয় যদিও চৈধ্য প্রসংগ বা বিভিন্ন সময়ত নির্দিষ্ট ৰাগৰ গীতহে গোৱাৰ নিয়ম। পুৱাৰ প্রসংগৰ আৰম্ভণিতে ৰৰগীতত স্তুতি আৰু তাৰ পাছতহে ভটিমা, কীর্ত্তন আদি গোৱা হয়। এইফালৰ পৰা ৰৰগীতক 'প্রার্থনা-সংগীত' বুলিব পাৰি।

সাহিত্যিক আৰু সাংগীতিক বৈশিষ্ট্যৰ পৰা দেখা যায় যে সংখ্যাত তাকৰ হ'লেও ৰৰগীতবোৰে শঙ্কৰদেৱৰ সাহিত্যিক আৰু সাংগীতিক প্রতিভাৰ উৎকৃষ্ট নিদর্শন দাঙি ধৰিছে। এহাতে যেনেকৈ গীতৰ উপযোগী শব্দ চয়ন, তালৰ উপযোগী ছন্দ, অনুপ্রাসযুক্ত শব্দৰ ধ্বনি-প্রতিধ্বনি আৰু ৰাগভিত্তিক সুমধুৰ সুৰৰ সমন্বয়ত তেওঁৰ ৰৰগীতে সাংগীতিক ৰূপ পাইছে, তেনেকৈ আনহাতে ভক্তি বিগলিত তীব্র অথচ গভীৰ আধ্যাত্মিক অনুভূতিৰ সংযত প্রকাশ ভংগীয়ে গীতবোৰৰ সাহিত্যিক সৌন্দর্য অন্তৰস্পর্শীকৈ প্রকাশ কৰিছে। তেওঁৰ পৰিপদ্ধ সাংগীতিক জ্ঞানে কলা-কৌশলগত বা কাৰিকৰী দিশতো গীতকেইটাক নিখুঁত ৰূপ প্রদান কৰিছে। বিষয়বস্তু অনুসৰি সুৰ সংযোজনাৰ ক্ষেত্রত শঙ্কৰদেৱৰ ৰৰগীতৰ সৰু থূলটো বর্তমান কাললৈকে অসমীয়া কাব্য সংগীতৰ চানেকি স্বৰূপ হৈ আছে বুলি ক'ব পাৰি। সুকুমাৰ কলাসমূহৰ ভিতৰত সংগীতে মানৱ প্রাণক বেছি প্রভাৱান্বিত কৰিব পাৰে। পৃথিৱীৰ বহুতো প্রতিভাশালী ধর্মগুৰুৱে এই কথা উপলব্ধি কৰিছিল আৰু সেয়েহে নিজৰ ধর্মমত বা চিন্তাধাৰা জনসাধাৰণৰ মাজত প্রচাৰৰ কাৰণে সংগীতৰ সহায় লৈছিল। অসমতো তেনে এগৰাকী প্রতিভাসম্পন্ন ধর্মগুৰু আছিল শ্রীমন্ত শঙ্কৰদেৱ। এনেকুৱা বহুমুখী প্রতিভাসম্পন্ন ধর্মগুৰু পৃথিৱীৰ ইতিহাসত বিৰল। সাহিত্যিক সৌন্দর্য্যৰ ফালৰ পৰা লক্ষণীয় যে ৰৰগীতবোৰ ভক্ত কবিৰ অন্তৰৰ গভীৰতম প্রদেশৰ পৰা কাব্যিক ৰূপত ওলোৱা ভাবোচ্ছ্বাস মাথোন, সেয়েহে ৰৰগীতবোৰ শান্তৰস প্রধান। ভক্তিৰস শান্তৰসৰে আন এটি অভিব্যক্তি বুলি কোনো কোনো পণ্ডিতে ক'ব খোজে। এই ৰৰগীতবোৰ দাস্য আৰু বাৎসল্য ভাবত ব্যক্ত হৈছে। দুই-এটি ৰৰগীত বিশেষকৈ কৃষ্ণৰ চোৰ-চাতুৰি বিষয়ক গীতত হাস্যৰস আৰু ৰামায়ণী গীতকেইটাত বীৰৰস সৃষ্টি হৈছে। শঙ্কৰদেৱৰ কৃষ্ণবিৰহৰ গীত, মাধৱদেৱৰ 'ভয়ো ভাই সাৱধান যাৱে নাহি চুটে প্রাণ', 'আলোমাই কি কহব দুখ' আদি গীতত কৰুণ সুৰ ধ্বনিত হোৱা দেখা যায়।

গঠনৰীতিৰ ফালৰ পৰা লক্ষণীয় যে গীতিকবিতাত যিদৰে এটি ভাব, এটি ৰস আৰু অৱস্থাৰ কথা থাকে, ঠিক এই গুণসমূহ ৰৰগীতত থকা বাবে ইয়াক গীতিকবিতা বুলিব পাৰি। প্রতিটো ৰৰগীত দুই অংশত বিভক্ত— ধ্রুব (ধ্রুং) আৰু পদ। ৰৰগীত

গাওঁতে ধ্রুৱৰ কথাখিনি পদৰ মাজে মাজে গোৱা হয়। বৰগীতবোৰ প্রধানকৈ পয়াৰ আৰু ত্রিপদী ছন্দত ৰচিত। চিত্রধর্মিতাৰ ফালৰ পৰা দেখা যায় যে শ্রীকৃষ্ণৰ ৰূপ, বৃন্দাবন আৰু যমুনাতীৰৰ প্রাকৃতিক সৌন্দর্য্য, গোপ-গোপীসকলৰ গৰু চৰোৱা, গাখীৰ মথা আদি কার্য, শ্রীকৃষ্ণৰ চোৰ-চাতুৰি, যশোদাৰ পুত্রস্নেহ আদিৰ চিত্রাংকণত মহাপুৰুষ শঙ্কৰ-মাধৱদেৱে অপূর্ব দক্ষতা দেখুৱাইছে। গুৰু দুজনাই শিশু কৃষ্ণৰ কার্যকলাপসমূহৰ আঁৰত দেখা পোৱা অলৌকিক ৰূপৰো বর্ণনা বৰগীতৰ মাজত স্পষ্টভাৱে দেখুৱাইছে। কবি দুজনাৰ সৰহসংখ্যক গীততে ৰূপক আৰু উপমাৰ ব্যৱহাৰ দেখা যায়। যেনে— 'ভব গহন বন', 'কাল-ব্যাধ', 'কাম ক্রোধ কুত্তা', 'নয়ন পংকজ যোৰ দশন কুন্দেৰ কোৰ কানু মুখ ঐচন সুচান্দ'।


বৰগীতবোৰত তৎসম, তদ্ভৱ আৰু ব্রজাৱলী শব্দৰ প্রয়োগৰ লগতে শব্দ চয়নত কবিৰ দক্ষতা প্রকাশ পাইছে আৰু গীতৰ মাধুর্য্যও বাঢ়িছে।

বৰগীতবোৰক শাস্ত্রীয় সংগীত বুলিও ক'ব পাৰি। কিয়নো, শাস্ত্রীয় সংগীতৰ দৰে সকলো বিধান মানি ব্যাকৰণসন্মতভাৱে আৰু বিজ্ঞানসন্মতভাৱে এই সংগীত চর্চা কৰা হয়। ভাৰতীয় শাস্ত্রীয় সংগীতৰ দুই ধাৰা হিন্দুস্থানী আৰু কর্ণাটকী সংগীতত থকা লক্ষণসমূহ বৰগীতত দেখা যায়। শাস্ত্রীয় গুণ থকা বাবেই শঙ্কৰদেৱ আৰু মাধৱদেৱৰ এই বিশেষ গীতসমূহক 'বৰগীত' বোলা হয়।

শাস্ত্রীয় সংগীতৰ আন আন গুণসমূহ যেনে— 'ৰাগ', 'তাল', ৰাগৰ কাল নিৰূপণ, গুৰু-শিষ্যৰ পৰম্পৰা, প্রবন্ধ গীতৰ লগত সাদৃশ্য, স্বৰ শিক্ষণ আদি আটাইবোৰ বৰগীততো দেখা যায়। সাহিত্যই ধার্মিক, সামাজিক, ৰাজনৈতিক আদি সকলো প্রকাৰৰ আন্দোলনকে সহায় কৰে। ফৰাচী বিপ্লৱক সাহিত্যই সহায় কৰাৰ দৰে অসমৰ বৈষ্ণৱধর্ম আন্দোলনক সাহিত্যই বিশেষভাবে সহায় কৰে। সাহিত্যিকৰ ভাষাত, "পাখিলগা কাঁড়ৰ দৰে শঙ্কৰ-মাধৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল, তাতে নৱ আধ্যাত্মিক ভাৱৰ গুটি সিঁচিছিল।"

মহাপুৰুষ শঙ্কৰদেৱে হিন্দু ধর্মৰ বিভিন্ন পন্থাৰ মাজত সমন্বয় সাধন কৰিবলৈ নৱ বৈষ্ণৱ ধর্মৰ সুঁতিটোলৈ বৰগীতৰ সহায়ত জনসাধাৰণক আকর্ষিত কৰিবলৈ সক্ষম হৈছিল। ভক্তসকল বৰগীতৰ প্রতি অনুপ্রাণিত হোৱাৰ লগতে দুই-এজনে সেই গীত নিজৰ পুথিতো ব্যৱহাৰ কৰিছিল। গোপাল আতাই তেওঁৰ 'উদ্ধৱযান' নামৰ নাটকত কেইবাটাও বৰগীত অন্তর্ভুক্ত কৰিছিল।

বৰগীতসমূহ শঙ্কৰ-মাধৱৰ অমৰ সৃষ্টি। এই গীতবোৰৰ সমাদৰ সদায় অটুট ৰখাটো আমাৰ সকলোৰে কর্তব্য। আমি বৰগীতসমূহক সকলো গীতৰ ঊর্দ্ধত প্রাধান্য দি ইয়াৰ জনপ্রিয়তা অক্ষুণ্ণ ৰখাৰ লগতে আমাৰ সংগীতানুষ্ঠানবোৰ একোটা বৰগীতেৰে শুভাৰম্ভ কৰাটো বাঞ্ছনীয়।❑



লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ, মানৱেন্দ্র শর্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া

অসম ঃ দুঃখৰ দুর্দিনৰ পৰা স্বাধীনতাৰ কাঁচিয়লি ৰ'দলৈ

ডাঃ দুলাল চন্দ্র মেধি

গ্রীক ইতিহাসবিদ হেৰ'ডটাছে লিখিছিল, 'জাতি এটাৰ বুৰঞ্জীত তিনিটা স্তৰ পোৱা যায়— সাফল্য; তাৰ পাচত সাফল্যৰ পৰিণতি স্বৰূপে মদগর্বিতা আৰু অবিচাৰ, আৰু তাৰ পাচত ইয়াৰে পৰিণতি স্বৰূপে অধঃপতন।'

আহোম জাতিৰ ইতিহাসলৈ লক্ষ্য কৰিলে এই বাণীৰ সত্যতা পৰিলক্ষিত হয়। স্বর্গদেউ চক্রধ্বজ সিংহ আৰু উদয়াদিত্য সিংহৰ ৰাজত্বকালত মহাবীৰ লাচিত বৰফুকনৰ সেনাপতিত্বত ১৬৭১ খ্রীষ্টাব্দত শৰাইঘাটৰ নির্ণায়ক নৌযুদ্ধত আহোম সেনাৰ হাতত মোগল সম্রাট ঔৰংজেবৰ মহাপ্রতাপী সেনাধ্যক্ষ ৰামসিংহৰ বিশাল সৈন্যবাহিনী সমূলধ্বে পৰাস্ত হোৱাৰ লগে লগে আহোম জাতি সাফল্যৰ শীর্ষবিন্দুত উপনীত হৈছিল। কৰতোৱাৰ পৰা পৰশুৰাম কুণ্ডলৈকে আহোমশক্তি অপ্রতিদ্বন্দ্বী হৈ পৰিছিল।

মদগর্বিতা আৰু অবিচাৰৰ অবর্ণনীয় অধ্যায়ৰো সূত্রপাত শীঘ্রেই ঘটিল। স্বর্গদেউ উদয়াদিত্য সিংহৰ দিনৰে পৰা ৰাজ পৰিয়ালৰ দুর্বলতাৰ সুযোগ লৈ উচ্চ পদবীধাৰী বিষয়াসকলে অধিক ক্ষমতা আৰু সম্পত্তিৰ লোভত ছল চক্রান্তৰ জাল পাতিলে। বলৰ দর্পত তেওঁলোকৰ পৰস্পৰৰ মাজতো হিংসা, অসূয়া, ছল-কপট, অৰিয়াঅৰিয়ে দেখা দিলে। ফলত ৰাজশক্তিৰ মর্যাদা হ্রাস হৈ শাসনৰ জৰী শিথিল হ'ল আৰু জাতিৰ ঐক্য ধ্বংসৰ মুখত পৰিল। এনে অৱস্থাৰ পৰিণতি স্বৰূপে জয়মতী কুঁৱৰীয়ে স্বামী তথা স্বদেশৰ মগলৰ বাবে অত্যাচাৰী শাসকৰ কুশাসনৰ বলিশালত দুঃখজনকভাৱে আত্মাহুতি দিব লগা হৈছিল।

স্বর্গদেউ গদাধৰ সিংহ আৰু ৰুদ্রসিংহৰ ৰাজত্ব কালত শাসন ব্যৱস্থা সুস্থিৰ অৱস্থালৈ আহিছিল যদিও পৰৱর্ত্তী কালত ৰাজ্যৰ আভ্যন্তৰীণ ক্ষেত্রত বিশৃংখলাই দেখা দিলে। ৰজা আৰু প্রজাৰ মাজত সহযোগিতাৰ বিলুপ্তি ঘটি ৰজাঘৰৰ বিৰুদ্ধে গণবিদ্রোহৰ সূচনা হ'ল। ধর্মীয় ক্ষেত্রতে এই বিশৃংখলাই আত্মপ্রকাশ কৰিলে। স্বর্গদেউ শিৱসিংহৰ প্রধানমহিষী 'ৰৰৰজা' ফুলেশ্বৰী কুঁৱৰীৰ দিনত ৰাজপ্রাসাদত শাক্ত ধর্ম মতে দেৱীপূজা পাতি বৈষ্ণৱ পন্থাৰ মায়ামৰা বা মোৱামৰীয়া মহন্ত আৰু গোসাঁই-ভকতসকলক মতাই অনা হৈছিল আৰু বল প্রয়োগ কৰি তেওঁলোকৰ শিৰত বলি কটা তেজেৰে তিলক আঁকি দি মূর্ত্তিৰ আগত আঁঠু লৈ নির্মালি-প্রসাদ ল'বলৈ বাধ্য কৰোৱা হৈছিল। ৰাজশক্তিৰ এই উৎপীড়নত নিষ্ঠুৰ অপমান পাই মোৱামৰীয়াসকলৰ অন্তৰত অসন্তোষৰ শিখা জ্বলি উঠিল আৰু বিদ্রোহাগ্নিৰ দাবানলৰ সূত্রপাত হ'ল।

ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ আদি নৃপতি আৰু তেওঁলোকৰ প্রধান পৰামর্শদাতা কীর্ত্তিচন্দ্র বৰবৰুৱা আদিৰ অমানৱীয় অত্যাচাৰে এই অশান্তিৰ বন্তিগছিত ঘিউ ঢালিলে আৰু ই বিদ্রোহৰ ৰূপ লৈ দপ্‌দপ্‌কৈ জ্বলি উঠিল। ১৭৬৯ খ্রীঃত ৰাঘ মৰাণৰ নেতৃত্বত প্রথম মোৱামৰীয়া বিদ্রোহ আৰম্ভ হ'ল। গৌৰীনাথ সিংহৰ দিনত তেওঁৰ অত্যাচাৰৰ প্রতিবাদত ১৭৮২ খ্রীঃৰ এপ্রিলত পুনৰ মোৱামৰীয়া বিদ্রোহে দেখা দিলে। ১৭৮৬ খ্রীঃত এই বিদ্রোহে তীব্রৰূপ ধাৰণ কৰিলে। ৰজাই পলাই গৈ আত্মৰক্ষা কৰিলে। ৰাজমন্ত্রী পূর্ণানন্দ বুঢ়াগোহাঞিয়ে কোনোৰকমে বিদ্রোহী দলক ভেটা দি ৰাখিলে।

এই গণবিপ্লৱে অৱধাৰিতভাৱে ৰাজশক্তিৰ মূল গাঁথনিত ভাঙোন আনিলে আৰু আহোম জাতিৰ অধঃপতনৰ চৰম স্তৰ আৰম্ভ হ'ল। ১৭৯২ খ্রীঃৰ ছেপ্টেম্বৰত বৃটিছ সেনানায়ক কেপ্তেইন ৱেলছৰ অসম আগমনে ইয়াৰ প্রথম সাক্ষী দিয়ে। ইতিমধ্যে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ব্যৱসায়ৰ ছলেৰে ভাৰতলৈ আহি দুর্বল দেশীয় ৰাজ্যবোৰৰ মাজত থকা বাদ-বিসম্বাদৰ সুযোগ লৈ সামৰিক শক্তিৰে দেশৰ এক বৃহৎ অংশত অধিকাৰ স্থাপন কৰি বৃটিছ সাম্রাজ্যৰ সীমা বহলাইছিল আৰু চাৰিওকাষৰ স্বাধীন ৰাজ্যবোৰলৈ লোলুপ দৃষ্টি নিক্ষেপ কৰি আছিল। বিদ্রোহী প্রজাৰ দ্বাৰা সিংহাসনচ্যুত হৈ গৌৰীনাথ সিংহই ৱেলছক আমন্ত্রণ জনাইছিল হৃত সিংহাসন প্রাপ্তিত সহায় কৰিবলৈ। এসময়ৰ পৰাক্রমী শক্তিধৰ আহোম ৰজাই কালৰ সোঁতত অন্তর্কলহৰ জালত পৰি শক্তি হেৰুৱাই গৃহবিপ্লৱ দমন কৰিবলৈ বিদেশীৰ ওচৰত হাত

পাতিবলৈকো কুণ্ঠাবোধ নকৰিলে। ৰাজশক্তিৰ এনে অধঃপতন অসমীয়া জাতিৰ বাবে নিয়তিৰ নিষ্ঠুৰ অভিসম্পাত স্বৰূপ আছিল।

এনে সন্ধিক্ষণতে পূবৰ পৰা আহিল এক নিষ্ঠুৰ আঘাত। স্বর্গদেউ চন্দ্রকান্ত সিংহৰ ৰাজত্বকালত ৰাজমন্ত্রী পূর্ণানন্দ বুঢ়াগোহাঞিৰ আৰু বদন চন্দ্র বৰফুকনৰ মাজৰ শত্রুতা আৰু ক্ষমতাৰ অপপ্রয়োগৰ ফলত গৃহকন্দলে চৰমসীমা লাভ কৰিলে। আত্মস্বার্থ পূৰণৰ অর্থে বদনে ব্রহ্মদেশৰ বর্বৰ মানহঁতক নানা প্রলোভন দি আহোম ৰাজ্য আক্রমণ কৰিবলৈ প্ররোচিত কৰি স্বদেশৰ বৰঘৰৰ দুৱাৰডলিলৈ আগবঢ়াই আনিলে। ১৮১৬ খ্রীঃত মান সৈন্যই প্রথমবাৰ আহোম ৰাজ্য আক্রমণ কৰিলে।

মানসৈন্যৰ প্রত্যাৱর্ত্তনৰ পাচত ১৮১৮ খ্রীঃত পুৰন্দৰ সিংহ ৰাজপাটত উঠিল। ১৮১৯ খ্রীঃৰ ফেব্রুৱাৰীত আলি মিংগিৰ নেতৃত্বত মানসৈন্যই পুনৰ অসম আক্রমণ কৰিলে। পুৰন্দৰ সিংহ ক্ষমতাচ্যুত হ'ল। দুঃখৰ বিষয়, ১৮২২ খ্রীঃৰ বসন্তকালত মিংগিমাহা বন্দুলা নামেৰে সেনাপতিৰ নেতৃত্বত এক বৃহৎ মানসৈন্যৰ দলে তৃতীয়বাৰৰ বাবে আহোমৰাজ্য আক্রমণ কৰি এক অৰাজক অৱস্থাৰ সৃষ্টি কৰিলে। প্রায় দহবছৰ কালজোৰা 'মানৰ দিন' আখ্যা ৰে কুখ্যাত এই সময়ছোৱাত মানসৈন্যই অমানুষিক পাশৱিকতাৰ নির্মম চিনাকি দি চৰম অত্যাচাৰেৰে অসমক মৰিশালিত পৰিণত কৰিলে। এই দানৰৰ হেঁচাত অসমীয়া জাতিৰ কঁকাল বাৰুকৈয়ে বেঁকা হ'ল।

অসম হৈ পৰিল বিদেশী শক্তিৰ ভাগ্য পৰীক্ষাৰ লীলাভূমি। মানসৈন্যক খেদি পঠিয়াবলৈ বৃটিছে ১৮২৪ খ্রীঃৰ ১৭ জানুৱাৰীত যুদ্ধৰ সিদ্ধান্ত ল'লে। যুঁজত হাৰি মানৰজাই বৃটিছ শক্তিৰ লগত স্বাক্ষৰ কৰা 'ইয়াণ্ডাবু সন্ধি' মতে ১৮২৬ খ্রীঃৰ ২৪ ফেব্রুৱাৰীৰ পৰা অসম বৃটিছ শাসনৰ অধীন হৈ পৰিল। তেতিয়াৰে পৰা অসম-কামৰূপৰ ইতিহাসত মধ্যযুগৰ সামৰণি পৰা বুলি ক'ব পাৰি।

অতীজৰে পৰা অসম স্বদেশপ্রীতি আৰু স্বাধীনতাস্পৃহাৰ বাবে জনাজাত আছিল। মোগল সাম্রাজ্যৰ অন্তিমকাল পর্যন্ত পৰাক্রমী আহোম জাতিয়ে স্বাধীনতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। ভাৰতবর্ষৰ সৰহভাগ ভূমি বৃটিছৰ অধীন হোৱাৰ পাচতো প্রায় এক শতিকাজুৰি অসম স্বাধীন হৈ আছিল।

মানজাতিক বিতাৰিত কৰাৰ উদ্দেশ্য লৈয়ে ইংৰাজ শক্তিয়ে অসমত প্রৱেশ কৰিছিল। ৰাজ্য স্থাপনৰ কোনো অভিসন্ধি নাই বুলি প্রচাৰ কৰা হৈছিল। ইতিমধ্যে দহবছৰকাল জুৰি আত্মকলহৰ জুই, মানৰ অত্যাচাৰ আৰু পীড়নত অসম ক্লান্ত আৰু অৱসন্ন হৈ পৰিছিল। সেয়েহে ইংৰাজৰ ছত্রছায়াত হৃত গৌৰৱ উদ্ধাৰৰ বাবে অসমবাসীয়ে চেষ্টা চলাইছিল। কিন্তু চতুৰ ইংৰাজে তলে তলে গোজেই গজালি হৈ সমগ্র অসমতে নিজৰ অধিকাৰ প্রতিষ্ঠাৰ অভিসন্ধি চলালে। ব্রহ্মপুত্র উপত্যকাৰ শাসনবাৰ কোম্পানীৰ হাতলৈ আহিল। ৰজাদিনীয়া পাইক প্রথাৰ অৱসান ঘটাই মাটিৰ ওপৰত খাজানা লগাই ক্রমান্বয়ে নিজৰ মনোভাৱ প্রকাশ কৰিবলৈ আৰম্ভ কৰিলে। ইংৰাজৰ অভিপ্রায় বুজি পাই অসমৰ ৰাইজৰ মনত অসন্তোষে গা কৰি উঠিল আৰু ইংৰাজৰ বিৰুদ্ধে প্রতিবাদ আৰম্ভ হ'ল।

১৮২৮ খ্রীঃত গমধৰ কোঁৱৰে সশস্ত্র বিদ্রোহৰ সূচনা কৰিলে। খাচীয়া বীৰ তিৰৎ সিঙে প্রকাশ্যে ১৮২৯ খ্রীঃত বিদ্রোহ ঘোষণা কৰিলে। গোৱালপাৰাৰ মেচপাৰৰ (ৰাজধানী লক্ষীপুৰ) জমিদাৰ ৰণাৰাম চৌধুৰীয়ে গোপনে সশস্ত্র ৰণৰ আখৰা চলালে। সমসাময়িক কালতে কোঙা পিয়লি বৰফুকনে বিদ্রোহাগ্নি প্রজ্বলিত কৰিলে। কিন্তু বিদ্রোহক বাস্তৱ ৰূপ দিয়াৰ আগমুহূর্ততে বৃটিছ সৈন্যৰ হাতত ধৰা পৰি গ'ল। ১৮৩০ খ্রীঃৰ ২৬ জুলাইত যোৰহাটত বৃটিছৰ ফাঁচীশালত নুমাই গ'ল পিয়লিৰ জীৱন বন্তি।

এনেদৰে বিভিন্ন অঞ্চলত বিক্ষিপ্তৰূপত বিদ্রোহৰ জুই জ্বলিল। বিদ্রোহী গোটবোৰৰ মাজত একতা আৰু সমন্বয়ৰ অভাৱ আছিল। এই বিদ্রোহবোৰে বৃটিছ শক্তিৰ বিশেষ ক্ষতি কৰিব নোৱাৰিলে। তথাপি বিদেশী সাম্রাজ্যবাদী শক্তিৰ বিৰুদ্ধে এয়া আছিল স্বাধীনতা প্রিয় অসমীয়াৰ প্রতিবাদৰ সাহসী পদক্ষেপ।

ইমান অসন্তোষৰ উদ্রেক হোৱা দেখি অভিজ্ঞ ইংৰাজ শাসনকর্তা ডেভিদ স্কটে বুজি উঠিল যে ব্রহ্মপুত্র উপত্যকাৰ পৰা বৃটিছ ফৌজ আঁতৰাই নিলে পুনৰ অশান্তি ঘটিব। সেয়ে ভাৰি-চিন্তি পুৰন্দৰ সিংহক উজনি অসমত অধীনৰূপে ৰজা পতা হ'ল। ১৮৩৩ খ্রীঃত যোৰহাটত অভিষেক পাতি তেওঁ সিংহাসনত আৰোহণ কৰিলে। ইন্দ্রবংশী আহোম ৰাজবংশৰ এৰেঁই আছিল অন্তিমজন স্বর্গদেউ। মাথোঁ পাঁচবছৰৰ পাচতে প্রশাসনিক বেমেজালিৰ অভিযোগত ১৮৩৮ খ্রীঃৰ অক্টোবৰত উদ্দেশ্যপ্রণোদিতভাৱে তেওঁক সিংহাসনচ্যুত কৰি আহোমৰাজ্য বৃটিছ সাম্রাজ্যৰ অন্তর্ভুক্ত কৰা হ'ল। চাওলুং চুকাফাই প্রতিষ্ঠা কৰা ছশবছৰীয়া আহোম ৰাজ্যৰ গৌৰৱময় যুগৰ অৱসান ঘটিল।

এনে দমননীতি অসমীয়াই নীৰৱে মানি ল'ব নোৱাৰিলে। পুৰন্দৰ সিংহৰ উত্তৰাধিকাৰী কন্দর্পেশ্বৰ সিংহৰ অধিকাৰ ৰক্ষার্থে আগবাঢ়ি আহিল মণিৰাম দেৱান। ১৮৫৭ খ্রীঃত সমগ্র ভাৰতবর্ষজুৰি বিদেশী শক্তিৰ বিৰুদ্ধে ভাৰতীয় চিপাহীৰ সশস্ত্র সংঘর্ষৰ অগ্নিকণা জ্বলি উঠিছিল। এই সংগ্রামত সঁহাৰি জনাই মণিৰাম দেৱানে অস্ত্রে-শস্ত্রে বিদেশীক বিতাৰিত কৰিবলৈ দৃঢ় প্রতিজ্ঞ হ'ল। কিন্তু চূড়ান্ত মুহূর্তত মণিৰাম বৃটিছৰ হাতত ধৰা পৰিল। অসমৰ ভাগ্যক লৈ পুনৰ ষড়যন্ত্র আৰম্ভ হ'ল। বৃটিছ আদালতত বিচাৰৰ নামত হোৱা ভেঁকোভাওনাত মণিৰামে শিৰ শোধাবলগীয়া হ'ল। ১৮৫৮ খ্রীঃৰ ২৬ ফেব্রুৱাৰীত তেওঁক ফাঁচি দিয়া হ'ল।

মণিৰাম দেৱানৰ মৃত্যু আছিল স্বাধীনতাকামী অসমবাসীৰ

হৃদয়ৰ উদ্‌গীৰণ প্ৰতীক্ষিত ভাৱাবেগৰ লাভাময় আগ্নেয়গিৰি সদৃশ্য ৰূপ। তাৰেই আভাস কবিৰ কাপত জিলিকি উঠিছে—

'মণিৰামক মাৰিলে আঁৰ কাপোৰ তৰিলে
ওপৰে উৰিলে চিলাই
মণিৰামৰ কাম-কাজ কৰিব লাগিব।
আজি হাতে হাত মিলাই।'

ইয়াতে স্বদেশৰ মুক্তিযজ্ঞৰ ওপ নপৰিল। ১৮৬১ খ্ৰীঃত নগাঁৱৰ ফুলগুৰিত কৃষক বিদ্রোহে দেখা দিলে। পুনৰ ১৮৯৪ খ্ৰীঃত দৰঙৰ পথৰুঘাটত আন এক কৃষক বিদ্রোহৰ দাবাগ্নি জ্বলিল। বৃটিছ চৰকাৰে কঠোৰ হাতেৰে এই বিদ্রোহবোৰ দমন কৰিলে।

সময় আগবাঢ়ি গ'ল। ১৯২১ খ্ৰীঃৰ পৰা মহাত্মা গান্ধীৰ নেতৃত্বত দেশজুৰি চলা অহিংস স্বাধীনতা সংগ্ৰামত অসমবাসীয়েও যোগ দিলে। বিয়াল্লিশৰ গণ আন্দোলন আৰম্ভ হ'ল। দেশ মাতৃকাৰ মুক্তিৰ অৰ্থে নিৰ্ভীকভাৱে প্ৰাম আহুতি দিলে 'স্বদেশ মুক্তি ব্ৰতা' মৃত্যুবিজয়ী অসমী গাভৰু কনকলতাই। মাতৃপূজাৰ বেদীত জীৱন উছৰ্গ কৰিলে কুশল কোঁৱৰ, তিলক ডেকা, ভোগেশ্বৰী ফুকননী, হেমৰাম পাতৰ, গুণাভিৰাম বৰদলৈ, কমলা মিৰি, ৰাউতা কছাৰী, আবলী কুচুনী, মনবৰ নাথ, কুমলী দেৰী, ৰতন কছাৰী, মংগল কুৰ্মী, লেৰেলা কছাৰী, মুকুন্দ কাকতি, তিলেশ্বৰী বৰুৱা, খহুলী দেৰী, মণিৰাম কছাৰী, মহীৰাম কোচ, সৰুনাথ চেতীয়া, দয়াল দাস পাণিকা, ঠগী সুত, মদন বৰ্মন আৰু অনেকজন শ্বহীদে।

মুক্তি সংগ্ৰামৰ গতি খৰতৰ কৰি তুলিলে বিপ্লৱী চেতনাৰে উদ্বুদ্ধ কবি-সাহিত্যিকসকলে। ৰূপকোঁৱৰে ৰচিলে মুক্তিযুঁজৰ মহান মন্ত্ৰ। তেওঁৰ 'অগ্নিবীণা'ৰ লহৰত বাজিল প্ৰলয়ৰ সুৰ— সেই সুৰৰ ছন্দত উথলিল 'মুকুতি মেধৰ মহান মেজীৰ নেজাল ফিৰিঙতি ছাই।' দেশমাতৃৰ 'থাপনাত তেজেৰে বন্তি' জ্বলাবলৈ সাজু হ'ল জাকে জাকে লুইতপৰীয়া ডেকা। বিষ্ণু প্ৰসাদে গীত আৰু কথাৰ তীক্ষ্ণ ধাৰেৰে চৌদিশে অগ্নিস্ফুলিংগ ছটিয়াই দিলে। অসমকেশৰীয়ে শুনালে অগণি বৰষা বজ্রকঠোৰ গৰ্জন। অগ্নিকবিৰ কাপত উতলি উঠিল স্বাধীনতা যুঁজৰ অমোঘ মন্ত্ৰ ইত্যাদি।

দেশপ্রেমৰ মন্ত্রেৰে দীক্ষিত হৈ এচাম উগ্র অসমীয়া ডেকাই অহিংসাৰ বাটৰ পৰা ফালৰি কাটি হিংসাৰে বৃটিছক বাধা দিবলৈ চেষ্টা কৰিছিল। বিক্ষিপ্তভাৱে ঘটা তেনে ঘটনাবোৰৰ শীৰ্ষবিন্দুত আছিল বৃটিছৰ সেনা কঢ়িওৱা ৰেলগাড়ী বগৰোৱা ঘটনা। '৪২ৰ ২৪ নৱেম্বৰত গুৱাহাটীৰ কাষৰ পাণবাৰী আৰু পানীখাইতীৰ মাজত সংঘটিত হৈছিল এই ঘটনা— য'ত কেবাশও আমেৰিকান সেনাসহ ৰেল সম্পূৰ্ণৰূপে বিধ্বস্ত হৈছিল আৰু আটাইবোৰ সেনা নিহত হৈছিল। বৃটিছ শক্তিৰ প্ৰতি এয়া আছিল এক মোক্ষম প্ৰহাৰ। এই ঘটনাই লণ্ডনৰ বৃটিছ সংসদ তোলপাৰ লগাই তুলিছিল। অবিভক্ত নগাঁও জিলাৰ এঘাৰজন মুক্তিযোদ্ধাই এই দুৰ্জয় অভিযানত ভাগ লৈছিল। তেওঁলোক আছিল মনহা-মায়ং অঞ্চলৰ মহদানন্দ দেৱগোস্বামী ভোগৰাম ডেকা, দধিৰাম বৰদলৈ, মধু কেওঁট আৰু লয়ৰাম চিকাৰী (মেধি), কামপুৰৰ মণিক বৰা, ধনপুৰ লস্কৰ আৰু ভিবিৰাম বৰা আৰু নগাঁৱৰ পৰা অহা বেণুধৰ ডেকা, কামেশ্বৰ বৰদলৈ আৰু ৰূপৰাম সুত। পৰিকল্পনাত আছিল লক্ষীপ্রসাদ গোস্বামী আৰু সুৰেন্দ্র নাথ হাজৰিকা।

অসমীয়া ভাষাও সংঘাতৰ পৰা হাত সাৰিব পৰা নাছিল। ইংৰাজ শাসনৰ আৰম্ভণিতে অসমৰ স্কুল-আদালতৰ পৰা অসমীয়া ভাষাক বিতাৰিত কৰি বাংলা ভাষা চলোৱা হৈছিল। ১৮৩৭ খ্ৰীঃৰ পৰা ১৮৭৩ খ্ৰীঃলৈ এই দুৰ্দশাৰ মাজেৰে পাৰ হোৱাৰ পাচত আনন্দৰাম ঢেকিয়াল ফুকন আদিৰ আশাশুধীয়া চেষ্টা আৰু আমেৰিকান খ্ৰীষ্টান মিচনেৰী ধৰ্মযাজকসকলৰ যত্নত অসমীয়া ভাষা পুনৰ নিজৰ স্থানত অধিষ্ঠিত হৈছিল।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষৰ অংগৰাজ্যৰূপে অসমে স্বাধীনতা লাভ কৰিলে। স্বাধীনতাৰ কাঁচিয়লি ৰ'দত জিৰণি লোৱা ৰাজ্যখনক নেতৃত্ব দিলে দেশভক্ত তৰুণৰাম ফুকন, লোকপ্রিয় গোপীনাথ বৰদলৈ, কর্মবীৰ নবীন চন্দ্র বৰদলৈ, অমিয় কুমাৰ দাস, বিষ্ণুৰাম মেধি, ফকৰুদ্দিন আলি আহমেদ, বিজয় চন্দ্র ভাগৰতী, বিমলা প্রসাদ চলিহা, মতিৰাম বৰা, মহেন্দ্র মোহন চৌধুৰী, দেৰকান্ত বৰুৱা, শৰৎ চন্দ্র সিংহ আদি সুযোগ্য নেতাই। তেওঁলোকৰ চেষ্টা আৰু পৰিশ্রমৰ ফলতে স্বাধীন অসমে সুস্থিৰতা লাভ কৰি উন্নয়নৰ দিশেৰে এখাজ এখোজকৈ আগবাঢ়ি গ'ল।

অসমৰ প্রথম মুখ্যমন্ত্রী গোপীনাথ বৰদলৈৰ শাসনকালত ১৯৪৮ খ্ৰীষ্টাব্দত গুৱাহাটী বিশ্ববিদ্যালয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয় স্থাপন কৰা হৈছিল। তেওঁৰ দিনতে ১৯৪৭ খ্ৰীষ্টাব্দৰ ৩ নৱেম্বৰত ড্রিব্রুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ে পূর্ণ পর্যায়ৰ প্রতিষ্ঠা লাভ কৰিছিল। বিমলা প্রসাদ চলিহা মুখ্যমন্ত্রী হোৱাৰ পাচত ১৯৬০ খ্ৰীষ্টাব্দত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছিল আৰু অসমীয়া ভাষাই ৰাজ্যভাষাৰ মর্যাদা লাভ কৰিছিল, ১৯৬২ খ্ৰীষ্টাব্দত নুনমাটি তেল শোধনাগাৰ আৰু ১৯৬৬ খ্ৰীষ্টাব্দত শৰাইঘাট দলং নির্মাণ কৰা হৈছিল। ১৯৭০ খ্ৰীষ্টাব্দত মহেন্দ্র মোহন চৌধুৰী মুখ্যমন্ত্রী হোৱাৰ পাচত বঙাইগাঁও পেট্রকেমিকেলচ্, যোগীঘোপা কাগজকল আৰু শিলঘাটৰ মৰাপাটৰ মিল স্থাপন কৰা হৈছিল। শৰৎ চন্দ্র সিংহৰ দিনত ১৯৭৪ খ্ৰীষ্টাব্দত ৰাজধানী শ্বিলঙৰ পৰা দিশপুৰ, গুৱাহাটীলৈ স্থানান্তৰিত কৰা হৈছিল।

উন্নয়নৰ এই ধাৰা আজিকোপতি অব্যাহত আছে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক

ধূপকাঠী প্রস্তুতকৰণত ব্যৱহৃত উদ্ভিদ সম্পর্কে কিছু কথা

ড° অপর্ণা বুজৰবৰুৱা

এই পৃথিৱীত জীৱশ্রেষ্ঠ মানুহৰ পৰা আৰম্ভ কৰি সমগ্র প্রাণীজগত উদ্ভিদৰ ওপৰত নির্ভৰশীল। খাদ্য, বস্ত্র, বিভিন্ন ঔষধ-পাতি, কাঠ, বাঁহ আদি সকলো লাগতিয়াল সামগ্রী উদ্ভিদৰ পৰাই আহৰণ কৰা হয়। হিন্দু ধর্মাৱলম্বী লোকসকলে পূজা-পাতল কৰা ঠাইসমূহ বিভিন্ন উদ্ভিদজাত সামগ্রী, যেনে— অগৰু, কর্পূৰ, চন্দন, ধূপ, ধূনা আদি ব্যৱহাৰ কৰি পৰিৱেশ সুগন্ধময় কৰি তোলে। বৈদিক যুগৰ পৰাই এই সুগন্ধি দ্রব্যসমূহৰ ব্যৱহাৰৰ প্রথা প্রচলিত। কাৰণ দুর্গন্ধ বা অস্বাস্থ্যকৰ পৰিৱেশত ভগৱানক আৰাধনা বা প্রার্থনা কৰা দূৰৰ কথা, অলপ সময়ো শান্তিত থাকিব নোৱাৰি। সুগন্ধই দেহ-মন শাঁত পেলোৱাৰ লগতে স্বাস্থ্যত অতুলনীয় প্রভাৱ বিস্তাৰ কৰে। সেই কাৰণে অন্যান্য ধর্মৰ লোকেও তেওঁলোকৰ নিজ নিজ আৰাধ্য দেৱতাক প্রার্থনা কৰা গৃহলৈ যোৱাৰ সময়ত অগৰু ব্যৱহাৰ কৰা আৰু প্রার্থনা গৃহৰ চৌহদত সুগন্ধৰ বাবে কেতিয়াবা ধূপকাঠী জ্বলোৱা পৰিলক্ষিত হয়।



মহিলা শ্রমিকসকলে 'পেকেটিং' কৰি থকা দৃশ্য।

অগৰু, কর্পূৰ, চন্দন, ধূনা আদি সেই নির্দ্দিষ্ট নামৰ উদ্ভিদৰ পৰা পোনে পোনেই বিশেষ পদ্ধতিৰে আহৰণ কৰা হয়। কিন্তু ধূপ নামৰ কোনো উদ্ভিদ নাই। সেয়েহে ধূপকাঠী কিদৰে তৈয়াৰ কৰা হয় এই প্রবন্ধত উল্লেখ কৰা হ'ল—

ধূপকাঠী তৈয়াৰ কৰিবলৈ প্রয়োজনীয় উপাদানসমূহেই হৈছে উদ্ভিদজাত সামগ্রী। ইয়াৰ বাবে আৱশ্যকীয় ঘাই সামগ্রী হৈছে— (১) মিহি বাঁহৰ কাঠী, (২) কাঠ বা এঙাৰৰ গুৰি, (৩) জিগত গুৰি (Jigat powder), (৪) গছৰ বিভিন্ন অঙ্গৰ পৰা আহৰণ কৰা অত্যাৱশ্যকীয় তেল (Essential oil)। তদুপৰি, উপৰোক্ত বস্তুসমূহ ৰাখিবলৈ বিভিন্ন আকাৰৰ পাত্র আৰু পানীৰ প্রয়োজন।

(১) বাঁহৰ কাঠী ঃ প্রথমতে এক ফুটমান দীঘলকৈ খুব মিহিকৈ বাঁহৰ পৰা কিছুমান শলা বা কাঠী যুগুতাই লোৱা হয়। ধূপকাঠী তৈয়াৰ কৰিবলৈ সাধাৰণতে পাঁচবিধ বাঁহ ব্যৱহাৰ কৰা হয়। সিবিলাক হৈছে— (১) মুলি বাঁহ (Melocanna baccifera), (২) ভলুকা বাঁহ (Bambusa balcooa), (৩) বিজুলী বাঁহ (Bambusa tulda), (৪) জাতি বাঁহ (Bambusa vulgaris) আৰু (৫) ৰুপাই বাঁহ (Dendrocalamus longispathus)। এই কেইবিধৰ ভিতৰত বিজুলী বাঁহ আটাইতকৈ বেছি ব্যৱহৃত হয়; কাৰণ এই বাঁহৰ পাবৰ (internode) দৈর্ঘ্য ধূপকাঠীৰ বাবে উপযুক্ত। আর্দ্রতা (humidity) কম আৰু পাবৰ বেৰখন ডাঠ হোৱাৰ বাবে এটা পাবৰ পৰাই যথেষ্ট কাঠী পাব পাৰি। বাঁহৰ বয়স ১ৰ



বাঁহৰ কাঠীত 'মিশ্রণ' লেপন কৰাৰ দৃশ্য।

পৰা ৩ বছৰৰ ভিতৰত হ'ব লাগে। কেঁচা অৱস্থাতে কাঠীবোৰ তৈয়াৰ কৰি ৰ'দত শুকুৱাই ল'ব লাগে। আজিকালি মেচিনৰ সহায়ত গোল কৰি কাঠী তৈয়াৰ কৰিব পাৰে। হাতেৰে কৰিলে কাঠীবোৰ চাৰিকোণীয়া হোৱাহে দেখা যায়। গোল হ'লে কাঠীবোৰ ঘূৰাই (roll) আন পদাৰ্থৰ লেপন দিয়া হয়। আজিকালি এই কাম মেচিনৰ দ্বাৰাই কৰা দেখা যায়।

(২) কাঠ বা এঙাৰৰ গুৰি ঃ সাধাৰণতে একেচিয়া, মেগ্নলিয়া বা সৰল গছৰ কাঠৰ গুৰি ব্যৱহাৰ কৰা হয়। 'মেক' (Makko) নামৰ গছৰ কাঠৰ গুৰিও বহুলভাবে ব্যৱহৃত হয়। এই গছ দক্ষিণ-পূব এছিয়াত পোৱা যায়। ভাৰতবৰ্ষৰ বহুবিলাক ধূপকাঠী তৈয়াৰ কৰা কাৰখানালৈ পূৰ্ব্বে এই গুৰি আমদানি কৰা হৈছিল। 'মেক' গছৰ বৈজ্ঞানিক নাম Machillus thunbergi। ওপৰত উল্লেখ কৰা গছসমূহৰ কাঠৰ গুৰিৰ সলনি কয়লাৰ গুৰিও ব্যৱহাৰ কৰিব পাৰি। আন যিকোনো কাঠকয়লা ব্যৱহাৰৰ বাবে উপযোগী। কিন্তু কাঠকয়লা আৰু কাঠৰ গুৰি দুয়োটাই ধূপৰ বাবে প্রয়োজন।

(৩) জিগতৰ (Jigat) গুৰি ঃ এইবিধ পদাৰ্থ Litsea glutinosa নামৰ এবিধ উদ্ভিদৰ কাঠৰ পৰা আহৰণ কৰা হয়। ই এবিধ আঠাযুক্ত পদাৰ্থ। সেইকাৰণে কাঠ আৰু কয়লাৰ গুৰি বাঁহৰ কাঠীডালত লাগি ধৰিবৰ বাবে ব্যবহাৰ কৰা হয়।

(৪) আৱশ্যকীয় সুগন্ধি পদাৰ্থ (Essential oil) ঃ উদ্ভিদৰ বিভিন্ন অঙ্গ যেনে, পাত, কাণ্ড, মূল, ফুলৰ পাহি আৰু কিছুমান ফলৰ পৰা পাতন (Distillation) প্রক্রিয়াৰে এই তেল আহৰণ কৰা হয়। পাতৰ পৰা আহৰণ কৰা উদ্ভিদসমূহ হ'ল যেনে— জিৰানিয়াম, চিত্রনেলা, কেতবোৰ ঘাঁহ (e.g. Lemon grass), ইউকেলিপ্টাচ আৰু পাতচৌলি বা পাচৌলি (Pogostemon cablin)।

গোলাপ, তগৰ, পদুম, খৰিকাজাঁই, শেৱালি, ৰজনীগন্ধা, লেভেণ্ডাৰ, চম্পা, ভেনিলা আদি ফুলৰ পাহিৰ পৰা সুগন্ধি দ্রব্য আহৰণ কৰা হয়।

কাণ্ড বা কাঠৰ ভিতৰত চিডাৰ কাঠ (cederwood), চন্দন কাঠ আৰু কর্পূৰ গছৰ কাণ্ড সৰু সৰুকৈ কাটি পাচত টুকুৰাবোৰ গুৰি কৰি সুগন্ধি তেল প্রস্তুত কৰা হয়।

ফলৰ ভিতৰত আম, নাটমেগ, আনাৰস, কমলা, নেমুটেঙা আদিৰ পৰাও সুগন্ধি দ্রব্য আহৰণ কৰা হয়।

সুগন্ধি দ্রব্যসমূহত থকা ৰাসায়নিক পদাৰ্থসমূহ হৈছে— ফিনাইল ইঠাইল এচিতেট্, (Phenyl ethyl acetate), হেক্সিল চেলিচাইলেট (Hexyl salicylate), মিঠাইল বেনজয়েট (Methyl Benzoate), ইথাইল বিউটাইৰেট (Ethyl butyrate) আদি। এইবোৰ উদ্ভিদৰ বিভিন্ন বিপাক কার্য্যৰ ফলত সৃষ্টি হোৱা হাইড্র'কার্বনযুক্ত অতি জটিল পদার্থ।

ওপৰত উল্লেখ কৰা গোটেইখিনি সামগ্রী যোগাৰ হোৱাৰ পাছত কাঠৰ বা এঙাৰৰ গুৰি নির্দিষ্ট অনুপাতত পানীৰ লগত মিহলাই আটা মৰাৰ দৰে কৰিব লাগে। ইয়াৰ লগত সুগন্ধি দ্রব্যও মিহলাই দিয়া হয়। এই মিশ্রণ কিছুমান সৰু কাৰখানাত হাতেৰেই কৰে। কিন্তু ডাঙৰ ডাঙৰ কাৰখানাসমূহত এই সকলো কার্য্য মেচিনৰ সহায়তেই কৰে। ইয়াৰ পাছত আটাৰ দৰে মাৰি লোৱা মিশ্রণটোৰ পৰা সৰু সৰুকৈ ছিঙি এখন মিহি সমান পিৰাত বাঁহৰ কাঠীবোৰ হাতেৰে ঘূৰাই ঘূৰাই লেপন দিয়া হয়। লেপন দিয়াৰ সময়ত জিগত গুৰিও মিহলাই দিয়া হয় যাতে 'লেপন'টো কাঠীডালত আঠা লাগি ৰৈ যায়।

কাঠীত মিশ্রণৰ লেপন দিয়া হোৱাৰ পাছত কোঠাৰ ভিতৰতে কেইদিনমান (৫/৬ দিন) শুকুৱাব লাগে। কাঠীবোৰ শুকুৱাৰ পাছত বজাৰত বিক্রীৰ বাবে 'পেকেটিং' কৰা হয়। সুগন্ধি দ্রব্য ব্যৱহাৰ কৰাৰ ওপৰত নির্ভৰ কৰি ধূপকাঠীৰ পেকেটৰ নাম বেলেগ বেলেগ হয়। একোটা পেকেটত ধূপকাঠীৰ সংখ্যা আৰু দৈর্ঘ্যও ভিন্ন ধৰণৰ হ'ব পাৰে।

মোৰ ছোৱালী বাঙ্গালোৰত থকাৰ বাবে মই প্রায়ে সেই ঠাইলৈ গৈছিলোঁ। বাঙ্গালোৰত ঠায়ে ঠায়ে বহুতো মন্দিৰ আছে। এই মন্দিৰসমূহৰ বিগ্রহ আৰু মণ্ডপ দৈনিক অসংখ্য ৰং-বিৰঙৰ সুগন্ধি ফুলেৰে সজ্জিত কৰি ৰাখে। কোনো কোনো নিবনুৱা লোকে (পুৰুষ, মহিলা উভয়ে) আগদিনাৰ বাহীফুলবোৰ সংগ্রহ কৰি ঘৰলৈ লৈ যায়। তেওঁলোকে সেই ফুলসমূহৰ পাহিবোৰ ছিঙি লৈ ভালদৰে ৰ'দত শুকুৱাই, গুৰি কৰি কয়লাৰ গুৰিৰ লগত মিহলাই পানীৰ সৈতে আটা মৰাৰ দৰে কৰি লয়। এই কার্য্য কৰোতে বজাৰত উপলব্ধ জিগতৰ গুৰিও মিহলাই দিয়ে পদার্থখিনি বান্ধ খাবৰ বাবে। তাৰ পাছত গোটেই মিশ্রণটোৰ



'মিশ্রণ' লেপন কৰা হোৱাৰ পাছত মুঠা কৰি শুকুৱাবলৈ ৰখা হৈছে।

পৰা হাতেৰে টিপি টিপি এক-ডেৰ ইঞ্চি জোখৰ শঙ্কু (cone), পিৰামিড আৰু চিলিণ্ডাৰ আকৃতিৰ কেতবোৰ বস্তু বা সুগন্ধ পদার্থ তৈয়াৰ কৰে। এইবিলাক ধূপ হিচাপে বজাৰত বিক্রী কৰি তেওঁলোকে জীৱন নির্বাহ কৰে।

এইখিনিতে পাঠকসকলক জনাই থওঁ যে বাঁহৰ কাঠী নথকা সুগন্ধি বস্তুকহে ধূপ বোলে। আনহাতে কাঠী থকাসমূহক ধূপকাঠী বা আগৰবাতি বোলা হয়।

ডাঙৰ ডাঙৰ কাৰখানাবোৰত মিশ্রণ তৈয়াৰ কৰা, কাঠীত লেপন দিয়া আদি সকলো কার্য্য মেচিনৰ সহায়তেই কৰে। মই ২০২৪ চনত, বাঙ্গালোৰত ১৯৪৫ চনতেই স্থাপিত হোৱা এটা ধূপকাঠী তৈয়াৰ কৰা কাৰখানা চাবলৈ গৈছিলোঁ। সেই কাৰখানাটোত মিশ্রণসমূহ মেচিনৰ সহায়ত কৰে যদিও বাঁহৰ কাঠীত লেপন দিয়া আৰু সুগন্ধি তেল লগোৱা আদি কার্য্য মানুহৰ দ্বাৰাই কৰে। তেওঁলোকৰ কোম্পানীটোত ৬০০ গৰাকী কর্মচাৰী আছে; তাৰ ভিতৰত শতকৰা ৯০ শতাংশই হৈছে মহিলা। কাঠীত 'লেপন' দিয়া আৰু 'পেকেটিং' কার্য্য মহিলাসকলেই কৰে (চিত্রত দেখুওৱা হৈছে)। কিন্তু বাঁহৰ কাঠী, কাঠৰ গুৰি, জিগতৰ গুৰি অত্যাৱশ্যকীয় বা উদ্যায়ী তেল (Essential oil) আদি তেওঁলোকে বিদেশৰ পৰাই আমদানি কৰে। তেওঁলোকে মাথোঁ মেচিনত মিশ্রণটোহে তৈয়াৰ কৰে আৰু নিজৰ পচন্দ আৰু গ্রাহকৰ চাহিদাৰ ওপৰত ভিত্তি কৰি নিজা কোম্পানীৰ নাম দি ধূপকাঠীসমূহ বজাৰত বিক্রী কৰে। অৱশ্যে 'লেপন' দিয়াৰ আগতে মিশ্রণটো তৈয়াৰ কৰাৰ সময়ত বিভিন্ন পদার্থসমূহৰ অনুপাত আদি কেতিয়াও ব্যক্ত নকৰে। ব্যৱসায়িক গোপনীয়তা সম্পূর্ণ নিজৰ হাতত ৰাখে (Trade secret)। তেওঁলোকে ধূপকাঠীৰ সুগন্ধ বর্দ্ধন কৰিবলৈ কেতিয়াবা মূল তৈলবিধৰ লগত এটা বিশেষ অনুপাতত আন সুগন্ধি তেলো মিহলি কৰে।

কোনো কোনো কাৰখানাত ধূপকাঠীবোৰত 'লেপন' দিয়াৰ পাচত ১০০ ডালমান কাঠী একেলগে মুঠ কৰি লৈ ওলোটাকৈ উদ্যায়ী তেলৰ মিশ্রণত এক মিনিট সময় ডুবাই ৰাখি পুনৰ পাল্টা কৰি কেইমিনিটমানৰ পাছত পেকেটিং কৰাও দেখা পাইছোঁ। তেওঁলোকে উদ্যায়ী তেল 'লেপন' মিশ্রণত নিদিয়ে।

মই দেখা পোৱা কোম্পানীটো এটা আন্তর্জাতিক প্রতিষ্ঠান। তেওঁলোকৰ উৎপাদিত সামগ্রীৰ যথেষ্ট সংখ্যক মেক্সিক', ইউএছএ, ব্রাজিল, স্পেইন, ইউনাইটেড কিংডম, অষ্ট্রেলিয়া আদি দেশলৈ ৰপ্তানি হয়।

ধূপকাঠীৰ বাবে প্রয়োজনীয় গোল বাঁহৰ কাঠীসমূহ সাধাৰণতে কোম্পানীবোৰে চীনদেশ আৰু ভিয়েটনামৰ পৰা আমদানি কৰে। ভাৰতবর্ষই ২০১৯ চনত এনে সামগ্রীসমূহ বাহিৰৰ পৰা অনাটো আইন বলৱৎ কৰি নিষিদ্ধ কৰিছে। নিজৰ দেশতে সকলো তৈয়াৰ কৰাৰ বাবে আইন জাৰি কৰিছে; কাৰণ তেতিয়া কিছুমান নিবনুৱাৰ কর্মসংস্থান হ'ব। বর্তমান আমাৰ দেশ ধূপ বা অগৰবাতি তৈয়াৰ কৰাৰ ক্ষেত্রত ইউএছএ, চীনদেশ আৰু ব্রাজিলক চেৰ পেলাবলৈ সক্ষম হৈছে আৰু বিশ্বৰ ১৫০ খন দেশলৈ ধূপকাঠী ৰপ্তানি কৰিবলৈ লৈছে। ভাৰতবর্ষই বর্তমান বিশ্বৰ ভিতৰতেই সর্ব্বশ্রেষ্ঠ ধূপকাঠী উৎপাদন কৰা দেশ বুলি পৰিগণিত হৈছে আৰু ৰাজ্যসমূহৰ ভিতৰত কর্ণাটকে উচ্চস্থান দখল কৰি আছে।❑



আমদানি কৰি অনা বিভিন্ন সুগন্ধি দ্রব্য জমা কৰি ৰখাৰ দৃশ্য।

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা অৱসৰী অধ্যাপিকা, কটন মহাবিদ্যালয়

অলপ আধ্যাত্মিক

ফণীন্দ্র কুমাৰ দেৱ চৌধুৰী

এইবাৰ পূজাত অলপ আধ্যাত্মিক চর্চাকে কৰোঁ। আধ্যাত্মিকতানো কি? এনেদৰে বুজিব পাৰি নেকি?

এক

মোৰ হাতখনৰ সৈতে পেটটো একে নহয়, পেটটোৰ সৈতে মূৰটো একে নহয়। তথাপি আমি উপলব্ধি কৰোঁ যে এই সকলোবোৰক লৈয়ে মোৰ শৰীৰটো। হাত, ভৰি, পেট, মূৰ যেনেকৈ মোৰ নিজৰ, তেনেদৰে শৰীৰটোও মোৰ নিজৰ। এতিয়া শৰীৰটো বহলাই গৈ থাকক আৰু লাহে লাহে সেই বিশালতাৰ মাজত সকলোকে সামৰি লওক। গছডাল, নৈখন, তৰাটো, আনকি আপোনাৰ সন্তান, প্রতিবেশী, দূৰণিৰ কোনো মানুহ, অৰণ্যৰ কোনো প্রাণী— কোনো আপোনাৰ সৈতে একে নহয়, কিন্তু কল্পনা কৰকচোন আপুনি বহলাই যোৱা আপোন সত্বাৰ বিশাল ৰূপটোৰে সকলোকে সামৰি লৈছে। আপোনাৰ ক্ষুদ্র শৰীৰটোৰ হাত, ভৰিবোৰ যেনেদৰে নিজৰ, তেনেদৰে সেই সকলোকে আপোনাৰ নিজৰ বুলি উপলব্ধি হ'ব। নিজক জানো কোনোবাই ক্ষতি কৰে? আপোনাৰ হাতখনক জানো আপুনি হিংসা কৰিব? কিবা অনিবার্য কাৰণত হাত বা ভৰি এমপুট কৰিবলগীয়া হ'লেও আপুনি দুখত ভাগি পৰিব। কাৰণ সেই হাতখন আপোনাৰ নিজৰ। আধ্যাত্মিকতাই মানুহক এই উপলব্ধিত উপনীত কৰায় যে বিশ্বব্রহ্মাণ্ডৰ সকলো আমাৰ আপোন আৰু সেই বিশ্বব্রহ্মাণ্ডক পূর্ণ ৰূপ দিয়া আমি মাত্র ধূলিকণাতকৈও ক্ষুদ্র একো একোটা কণা। আধ্যাত্মিকতাৰ এই উপলব্ধিয়ে মানুহক অহঙ্কাৰ শূন্য কৰি সকলোৰে প্রতি দায়িত্বশীল কৰি তোলে। সকলোকে সামৰি লোৱা এক আপোনত্বৰ জন্ম দিয়ে। আধ্যাত্মিকতাৰ সেই স্তৰত উপনীত হ'ব পৰা ব্যক্তিৰ বাবে কোনো শত্রু নহয়, যদিও আপোন বুলি ভবাজনেও অপকাৰ কৰিব পাৰে। সেই অপকাৰ প্রতিৰোধৰ প্রধান পথ হ'ল তেওঁৰ অজ্ঞানতা দূৰ কৰা।

আপোনাৰ নতুন ঘৰটো ল'বৰ দিনা আপুনি চাকি এগছি নামঘৰত দিব পাৰে, নিজৰ বিশ্বাস অনুযায়ী পূজা এভাগো দিব পাৰে। এইবোৰ অনিবার্য নহয়। এইবোৰ নকৰাকৈও নতুন ঘৰটো ল'ব পাৰে। আধ্যাত্মিকতাৰ সৈতে কোনোবাই নিজ নিজ বিশ্বাস অনুযায়ী ধর্ম বা ঈশ্বৰক জড়িত কৰিবও পাৰে, কিন্তু সেয়া অনিবার্য নহয়। আস্তিক, নাস্তিক, ধার্মিক, অধার্মিক সকলোৱে আধ্যাত্মিক শিক্ষা লাভ কৰিব পাৰে, কৰা উচিত।

দুই

আজি কেইদিনমান আগতে বাঙ্গালোৰ বিমানবন্দৰত বহি আছোঁ। ফেচবুকত ফটো দেখা এগৰাকী অসমীয়া ভদ্রমহিলা আহি প্রথমতে অসীমাৰ লগত, তাৰপিছত মোৰ লগত চিনাকি হ'ল। তেওঁ মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যক্ষা। লগত চিকিৎসক পুত্র। ক'লৈ আহিছিল বাঙ্গালোৰত? পুত্রৰ সৈতে আধ্যাত্মিকতাৰ শিক্ষা লাভৰ বাবে শ্রীৰবিশঙ্কৰৰ তালৈ আহিছিল। তাতেই আছিল কেইদিনমান। সেইদিনা উভতি যাব। আৰু অসমৰ কোনোবা আছিল নে? মোক আচৰিত কৰি তেওঁলোকে জানিবলৈ দিলে যে এইবাৰৰ আধ্যাত্মিক শিক্ষাদান মূলতঃ উত্তৰ-পূবৰ তৰুণ-তৰুণী আৰু লোকৰ বাবে আছিল। উত্তৰ-পূবৰ ৫০০ লোক আহিছিল। অসমীয়াও বহুত। মই বিস্মিত, লগতে আনন্দিতও হৈছিলোঁ এই ভাবি যে অসমৰ ইমান লোকে, তৰুণ-তৰুণীয়ে আধ্যাত্মিকতাৰ শিক্ষা লাভ কৰিবলৈ আগ্রহী হৈছে, অন্ততঃ মই নজনাকৈয়ে। মই নিশ্চিত তাৰ এক ইতিবাচক প্রভাৱ তেওঁলোকৰ জীৱনত, সমাজত ধীৰে ধীৰে পৰিব। সেইসকল তৰুণ-তৰুণীয়ে হয়তো ধৈর্য সহকাৰে জীৱনৰ সকলো পৰিস্থিতিৰ মোকাবিলা কৰিব পাৰিব, সমাজৰ ক্ষতিকাৰক, আনৰ অনুভূতিক আঘাত দিব পৰা উদ্ভট আচৰণ নকৰিব।

তিনি

অন্য এটা কথাই চিন্তিতও কৰিলে। আধ্যাত্মিক চর্চাৰ সৈতে জড়িত থকা অসমৰ বহু অনুষ্ঠানৰ ভিতৰুৱা কন্দল, কেলেঙ্কাৰী আদিৰ খবৰহে দেখোন কাকতত অধিক ওলায়। অসমৰ বহু তেনে অনুষ্ঠানলৈও দেশ-বিদেশৰ সীমিত সংখ্যক লোক নহা নহয়, কিন্তু নিয়মিতভাৱে দেশ-বিদেশৰ বৃহৎ সংখ্যক লোকক আধ্যাত্মিক শিক্ষাৰ বাবে আকর্ষিত কৰিব পৰা ব্যক্তি/অনুষ্ঠান দেখোন চকুত নপৰে। কাৰণটো কি জানিবলৈ মন যায়।❑

লেখক পৰিচিতি ঃ প্রতিষ্ঠিত সাহিত্যিক আৰু অৱসৰী মহাপ্রবন্ধক, অইল ইণ্ডিয়া লিমিটেড।

অসমৰ ভাওনা সংস্কৃতি— এক চমু পর্যালোচনা

ডাঃ মনোৰঞ্জন শর্মা পাঠক

সংস্কৃতি হ'ল এটা জাতিৰ প্রাণ বা আত্মা স্বৰূপ। ই বোৱতী নদীৰ দৰে প্রৱাহমান তথা ক্রমবিকাশমান। সময়ৰ গতিৰ সৈতে কিছু যোগ-বিয়োগৰ মাজেদি পৰিবর্ত্তনৰ বুকুৰে বাগৰি ই আগবাঢ়ি গৈ থাকে। মহাপুৰুষ শঙ্কৰদেৱৰ যুগান্তকাৰী অৱদান ভাওনা সংস্কৃতি অসমৰ এক আপুৰুগীয়া সংস্কৃতি। শঙ্কৰদেৱে 'চিহ্নযাত্রা' অংকীয়া নাটেৰে ভাওনা সংস্কৃতিৰ সুসংবদ্ধ পাতনি মেলিছিল। অৱশ্যে তাৰ আগতেও অসমত নৃত্য-গীত, ঢুলীয়া ভাওনা, খুলীয়া ভাওনা, দেৱদাসী নৃত্য, দেওধ্বনি, ওজাপালি, কুশান গান আদিৰ প্রচলনৰ কথা জনা যায়। শঙ্কৰদেৱে অসমসহ চুবুৰীয়া ৰাজ্যৰ লোক-কলা আৰু দক্ষিণ ভাৰতীয় লোককলাৰ অনুকৰণতে অসমত নৃত্য, গীত, বাদ্যৰ সংযোজনেৰে ভাওনাৰ এক অভিনৱ ৰূপ প্রদান কৰিলে। অৱশ্যে এই ভাওনা সৃষ্টিৰ মুখ্য উদ্দেশ্যই ধর্ম প্রচাৰ। ধর্ম প্রচাৰৰ বাবে ভাওনা সৃষ্টি কৰাৰ লগে লগে ই সংস্কৃতিৰ বিকাশতো বিশেষভাৱে সহায় কৰে। ভাওনাৰ বাবে প্রয়োজন হোৱা গীত, নাট, বিভিন্ন প্রকাৰৰ বাদ্যযন্ত্র, অভিনয়, মুখা নির্মাণৰ লগতে আনুষংগিক বহুতো দিশৰ বিকাশত ভাওনাই প্রভূত বৰঙণি যোগায়। লগতে ভাওনা সংস্কৃতিয়ে নৱবৈষ্ণৱ আন্দোলন সফল কৰি তোলাত বিশেষভাৱে সহায় কৰে। এই ভাওনা সংস্কৃতিয়ে অসমীয়া সংগীত, নাট, চিত্রকলাৰ এক নতুন দিশ উন্মোচিত কৰিলে। মহাপুৰুষজনাৰ নাট নির্মাণৰ কৌশল আছিল অভিনৱ। সূত্রধাৰ, প্রৰোচনা, প্রস্তাৱনা, শ্লোক আৰু মুক্তিমঙ্গল আদি সংস্কৃত নাটকৰ অনুসৃত হ'লেও মহাপুৰুষগৰাকীৰ মথন আৰু কথনত ই এক যাদুস্পর্শী ৰূপত পৰস্ফুটিত হয়। লগতে ব্রজাৱলী ভাষা ব্যৱহাৰৰ ফলত ভক্তিবাদী নাটে জনসাধাৰণৰ হৃদয় সহজেই জিনিব পাৰিছিল। আনহাতে মহাপুৰুষজনাৰ ভাওনা সৃষ্টিৰ অন্য এক অভিনৱ উদ্দেশ্য আছিল সাকাৰ ৰূপত ভগৱানক প্রত্যক্ষ কৰোৱাই তেওঁৰ মাহাত্ম্যক দর্শকৰ আগত বিভিন্ন কার্য-কলাপৰ মাজেদি প্রতিষ্ঠা কৰোৱা। কোনো পৌৰাণিক অথবা ঐতিহাসিক কাহিনীক নির্দিষ্ট গীত, মাত, নৃত্য আৰু বাদ্যৰ সহায়ত পৰিৱেশন নকৰি পৰিণামসহ এটা নির্দিষ্ট সময়ৰ ভিতৰত উপস্থাপন কৰি দেখুৱাটোৱে ভাওনাৰ উদ্দেশ্য।

শঙ্কৰদেৱে তেওঁ সৃষ্টি কৰা নাটকসমূহক নাট, যাত্রা বা নৃত্য বুলিহে কৈছিল। যদিও শঙ্কৰদেৱৰ উত্তৰসুৰী শিষ্যসকলে বিশেষকৈ ৰামচৰণ ঠাকুৰ, ৰমানন্দ আদিসকলে এইবোৰক অংকীয়া নাট বুলি অভিহিত কৰে আৰু মাধৱদেৱৰ নাটসমূহক ঝুমুৰা আখ্যা দিয়ে। এই ভাওনা সংস্কৃতিয়ে আজিও অসমৰ সমাজ জীৱন বাৰুকৈয়ে প্রভাৱিত কৰি ৰাখিছে।

সাধাৰণতে ভাৱনাৰ পৰাই ভাৱনা-ভাওনাৰ সৃষ্টি হোৱা বুলি ধৰিলেও এই ক্ষেত্রত যথেষ্ট মতানৈক্য দেখা যায়। আন কোনোৰ মতে ই হ'ল এক কলা ভাৱ-ভাও-ভাওনা নামৰ সৃষ্টি। আনৰ চৰিত্র ৰূপায়ণ কৰিবলৈ গৈ যি কলাৰ সহায় লোৱা হয় সিয়েই ভাও। শঙ্কৰদেৱে কেৱল ধর্ম প্রচাৰৰ উদ্দেশ্যেই ভাওনাৰ সৃষ্টি কৰা নাছিল, ধর্ম প্রচাৰৰ লগে লগে মানুহৰ মাজত এক জাগৰণ সৃষ্টিৰো প্রয়াস কৰিছিল। এই জাগৰণ আছিল এক প্রকাৰৰ সাংস্কৃতিক জাগৰণ, সমাজখনক সর্বদিশত আগবঢ়াই নিবলৈ কৰা এক অভিনৱ প্রয়াস, সমাজৰ সংস্কাৰ, সমাজৰ একতা। গুৰুজনাই বিভিন্ন তীর্থভ্রমণ কৰি আহি দক্ষিণ ভাৰতৰ লোক কলা, আৰু সংস্কৃত নাটকৰ আর্হিত প্রথম নাটক 'চিহ্নযাত্রা' লিখি প্রদর্শন কৰিছিল। এই ক্ষেত্রত তেওঁ অন্ধ অনুকৰণৰ পৰিবর্ত্তে স্থানীয় গীত, মাত, বাদ্যযন্ত্র, লোককলা, স্থানীয় সুৰ, পৰিৱেশ আৰু নিজৰ মানুহখিনিৰ আৱেগ-অনুভূতিৰ আধাৰতহে 'চিহ্নযাত্রা' লিখি প্রদর্শন কৰিছিল। স্থানীয় শিপিনীৰদ্বাৰা কাপোৰ বোৱাই বিভিন্ন চিত্র আৰু প্রতীকৰ অংকন কৰি সকলোৰে এটা নৱৰূপ দি নামঘৰৰ মজিয়াত প্রদর্শন কৰিছিল। উপস্থাপনৰ ৰীতি-নীতিও আছিল সম্পূর্ণ স্থানীয়। ভাওনা হ'ল জীৱনক নতুনকৈ চোৱাৰ, নতুনকৈ বুজাৰ এক মাধ্যম।

অংকীয়া নাট আৰু অংকীয়া ভাওনাৰ কিছুমান নির্দিষ্ট সূত্র থাকে আৰু ধৰা-বন্ধা নীতি-নিয়ম থাকে। অংকীয়া নাট এখনৰ পাঁচোটা অংগ থাকে। সেয়া হ'ল— শ্লোক, ভটিমা, কথাসূত্র, গীত আৰু সংলাপ। সূত্রধাৰে এই পাঁচোটা অংগ আৰম্ভণিৰ পৰা শেষলৈকে সূত্র ধৰি যায়। অংকীয়া নাটৰ ভাষা ব্রজাৱলী। বিশেষ কথনভংগী আৰু সুৰে ব্রজাৱলী ভাষাক অতি জনপ্রিয় কৰি তুলিছিল। অংকীয়া ভাওনা একেবাৰে নাট্যধর্মী। ইয়াৰ ৰাগ আৰু তাল-মান বিশিষ্ট গীতৰ লহৰে লহৰে চৰিত্রবোৰৰ প্রৱেশ, চাল-চলন, লয়লাস ভংগী আৰু প্রস্থান ঘটে। গীত আৰু বাদ্যৰ সংযোজন অংকীয়া ভাওনাত বাধ্যতামূলক।

ভাওনা হ'ল মূলতঃ ভক্তিৰস প্রধান। এই ভক্তিৰস ন প্রকাৰৰ। শৃংগাৰ, দাস্য, কৰুণ, ৰৌদ্র, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত ৰস। শঙ্কৰ-মাধৱে এই ন-প্রকাৰৰ ৰসৰ মথনেৰে ভক্তিৰস আৰু সেৱা

ৰসৰ ৰহঘৰা বোৱালে। সেয়ে ভাওনাৰ আধ্যাত্মিকতাৰ দিশটো মন কৰিবলগীয়া। ভাওনাত ব্যৱহৃত প্রত্যেকটো বস্তু বা প্রতীকৰে একোটা বিশেষ আধ্যাত্মিক তাৎপর্য লুকাই থাকে। আঁৰিয়া, অগ্নিগড়, আঁৰকাপোৰ, সৰু ধেমালি, ববধেমালি, গুৰুঘাট, গায়ন-বায়ন, সূত্রধাৰ, ভাৰৰীয়া আদি ভাওনাৰ প্রত্যেকবিধ ভাগতে আধ্যাত্মিক তত্ত্ব নিহিত হৈ আছে। ভাওনা এখন পৰিৱেশন কৰোতে এই আধ্যাত্মিক দিশসমূহ মানি চলা হয়।

ভাওনা এখন পৰিৱেশনৰ পদ্ধতি আৰু নীতি-নিয়মবোৰো বৰ আকর্ষণীয়। ভাওনা এখনৰ নাট মেলাৰ পৰা নাট সামৰালৈকে বিভিন্ন পর্যায়ৰ মাজেদি গতি কৰে। নামঘৰৰ মজিয়াত নাট মেলাৰ দিনাই ভগৱানৰ চৰণত শৰাই সঁফুৰা আৰু গুৰুদণ্ড দি গায়ন-বায়ন আৰু ভাৰৰীয়াসকলে ভগৱানৰ চৰণত সেৱা জনায়। ভাওনাৰ দিনা সন্ধিয়া নামঘৰ সিংহাসনৰ সন্মুখত কলগছৰ মূঢ়া এটা খুলি তাত চাউল-তেল দি চাকি জ্বলোৱা হয়। এয়া হ'ল পূর্ণ ব্রহ্মাৰ প্রতীক। ধেনুভিৰীয়া কাঠ বা কলঠৰ্ৱাৰ দুই মূৰ পুতি তাৰ ওপৰত ন-গছ চাকি জ্বলোৱা হয়। ই হ'ল ন-বিধ ভক্তি ৰসৰ প্রতীক। গায়ন-বায়ন যোৰাই ইয়াৰ তলেৰে গৈ পূর্ববংগে ধেমালি কৰে। এই আহার্যবিধৰ নামেই হ'ল অগ্নিগড়। আঁৰিয়া হ'ল একপ্রকাৰৰ পোহৰ বিলোৱা ব্যৱস্থা, যাক জোঁৰ বুলিও কোৱা হয়। বিয়া হ'ল শ্রৱণ-কীর্ত্তনৰ প্রতীক। দুজন ব্যক্তিয়ে আঁৰিয়া লৈ সিংহাসনৰ চাৰিওফালে '৪' সংখ্যা আকৃতিত সাতবাৰ ঘূৰে। তেওঁলোকৰ পিছে পিছে গায়ন-বায়ন যায়। এই চাৰি সংখ্যাই বৈষ্ণৱ ধর্মৰ নাম, দেৱ, গুৰু আৰু ভকতক বুজায়। অংকীয়া নাটৰ বিভিন্ন অংগবোৰৰ সূত্রধৰি আগুৱাই যায় সূত্রধাৰ। 'আহে সামাজিক লোক' বুলি সূত্রধাৰে আৰম্ভ কৰে। আচলতে ভাওনা এখনৰ আৰম্ভণিৰ পৰা শেষলৈকে সূত্রধাৰেই আটাইতকৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সূত্রধাৰ আৰু কৃষ্ণৰ প্রৱেশৰ সময়ত প্রৱেশদ্বাৰত এখন বগা আঁৰ কাপোৰ টানি ধৰা হয়। বগা আঁৰ দিয়া কাপোৰখন মায়ামোহৰ প্রতীক। মায়ামোহ ত্যাগ কৰি ভক্তি ভাৰত অন্তর্নিহিত হোৱা বুজায়। অংকীয়া নাটৰ সূত্রধাৰ গুৰুজনাৰ এক অনবদ্য সৃষ্টি। সাধাৰণতে ভাওনা নামঘৰৰ মাজ মজিয়াতে প্রদর্শন কৰা হয়। মহাপুৰুষজনাই ত্রিকোণী আৰু চতুষ্কোণী মঞ্চ নির্মাণ কৰি ভাৰৰীয়া আৰু দর্শকৰ মাজৰ দূৰত্ব হ্রাস কৰাৰ ব্যৱস্থা কৰিছিল। সাধাৰণতে ভাওনাসমূহ নান্দী শ্লোকেৰেও আৰম্ভ হয়। সংস্কৃত নাটকত সূত্রধাৰৰ দায়িত্ব প্রস্তাৱনাতে শেষ হয়। কিন্তু গুৰুজনাৰ ভাওনাত সুত্রধাৰৰ দায়িত্ব আৰম্ভণিৰ পৰা শেষলৈকে। সূত্রধাৰে গোটেই নাটখনৰ বিষয়ে দর্শকক আৰম্ভণিৰ পৰা শেষলৈকে গায়ক, নর্ত্তক, পৰিস্থিতিৰ ব্যাখ্যাকাৰী, অভিনয় পৰিচালক আৰু নাটৰ শেষ পৰিণতিৰ বিষয়ে দর্শকক আগত সুললিতভাৱে ব্যাখ্যা কৰি যায়। অংকীয়া নাটৰ সূত্রধাৰে 'আহে সামাজিক লোক... দেখহ, শুনহ, নিৰন্তৰে বৰিহোল হৰি' বুলি সংলাপ নিক্ষেপ কৰে। এই সূত্রধাৰজন সাধাৰণতে সকলো বিষয়তে পার্গত হ'ব লাগে, এক সুদক্ষ নাট্যশিল্পী হ'ব লাগে। অসমীয়া ভাওনাত ভাৰৰীয়াসকলে এক লয়লাস নৃত্য কৰি কৰি প্রৱেশ কৰে, যুদ্ধও কৰে আৰু প্রস্থানো কৰে। খোলৰ চেৰে চেৰে, গায়ন-বায়নৰ তালে তালে ভাৰৰীয়াসকলে লয়লাস নৃত্যৰে কৰা প্রৱেশ, প্রস্থান আৰু যুদ্ধ অতি নয়নাভিৰাম দৃশ্য।

মুক্তিমঙ্গল ভটিমাতেই এখন ভাওনাৰ সামৰণি পৰে। আগৰ ভাওনা অৱশ্যে কল্যাণ খৰমান ৰাগতালৰ গীতেৰে সামৰণি পৰিছিল। আজিকালি ভাওনাত দর্শকৰ মনোৰঞ্জনৰ কাৰণে 'বহুৱা'ৰ চৰিত্র অৱতাৰণা কৰি দেখুওৱা হয়। হাস্যৰসৰ সৃষ্টি কৰাটোৱে এই বহুৱা চৰিত্রৰ মুখ্য উদ্দেশ্য। ভাওনা শেষ হোৱাৰ পিছত কম দিনৰ ভিতৰতে নাট সামৰা নিয়ম পালন কৰি গোটেই পদ্ধতিটোৰ সামৰণি মৰা হয়।

বর্তমান ভাওনাৰ সময়। ভাদমহীয়া বৰসবাহৰ পৰা আৰম্ভ কৰি চ'ত মাহলৈকে এই সময়ছোৱাই ভাওনাৰ বাবে উত্তম সময়। আজিকালি অসম ভিত্তিত ভাওনা প্রতিযোগিতা হোৱাটো আশাৰ বতৰা। অসমৰ সত্রসমূহৰ লগতে উজনি অসমতহে ভাওনাৰ প্রভাৱ বেছি। নামনি অসমত দুই-এখন সত্রতে ভাওনা সীমাবদ্ধ।

অতীজৰে পৰা ভাওনাই সমাজ জীৱনৰ, অসমীয়া সংস্কৃতিত সুদূৰপ্রসাৰী প্রভাৱ পেলাই আহিছে। কিন্তু বর্তমান বিশ্বায়নৰ প্রভাৱ আৰু আধুনিকতাৰ ধামখুমীয়াত, আধুনিক সমাজ জীৱনৰ সকলো বস্তু তেনেই সহজলভ্য হৈ পৰাত, নতুন প্রজন্মই এইবোৰ পুৰণিকলীয়া বস্তু বুলি অনীহা আৰু অৱহেলা কৰা দেখা যায়। আধুনিক প্রযুক্তিয়ে গোটেই পৃথিৱীখন এখন গাঁৱৰ দৰে কৰি পেলোৱাত এনে পৰিবর্ত্তন অৱশ্যে সমগ্র পৃথিৱীতে হৈছে। হ'লেও আমি আধুনিকতাৰ নামত নিজক হেৰুৱাই পেলালে নহ'ব। নিজৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিবলৈ আমাৰ ভাওনা সংস্কৃতিকো ৰাষ্ট্রীয় পর্যায়লৈ উন্নীত কৰিব লাগিব। বিজ্ঞানৰ পৰামর্শ লৈ পৰীক্ষামূলকভাৱে আৰু পর্যায়ক্রমে ভাওনাৰ সংস্কাৰ সাধন কৰি আগবঢ়াই নিব লাগিব। নতুন প্রজন্মক আকর্ষণ কৰিব পৰাকে বর্তমানৰ ভাওনাত নিশ্চৰ সংস্কাৰ সাধনৰ প্রয়োজন আহি পৰিছে। লোক সংস্কৃতিৰ গৱেষক ড° কপিলা বাৎস্যায়নে কৈছিল যে 'সেই সময়ৰ সমাজ আৰু জীৱনৰ প্রতি পূর্ণভাৱে সচেতন আছিল বাবে শঙ্কৰদেৱে অসমত এটা সাংস্কৃতিক নৱজাগৰণৰ সূচনা কৰিব পাৰিছিল।' আমিও বর্তমান আধুনিক যুগ আৰু সমাজ ব্যৱস্থাৰ লগত খাপ খোৱাকৈ ভাওনা সংস্কৃতিক আগবঢ়াই নিব লাগিব। এই ক্ষেত্রত অসমৰ সত্রসমূহে বিশেষ ভূমিকা পালন কৰিব পাৰে। ভাওনাক যথার্থ মূল্যায়ন কৰা বস্তুনিষ্ঠ কৰি ৰূপায়ণ কৰিবলৈ ভাওনাৰ সংস্কাৰ প্রয়োজন আহি পৰিছে। বিশেষকৈ ভাওনা এখন পৰিবেশন কৰিবলৈ উন্নত মানৰ মঞ্চ, ভাৰৰীয়াসকলৰ মুখৰ বচন, সময় সাপেক্ষ বিষয় সংযোজন, যুৱক-যুৱতীসকলৰ প্রশিক্ষণ, ভাওনাৰ বাবে প্রয়োজনীয় মুখাকে ধৰি অন্য সামগ্রী নির্মাণৰ প্রশিক্ষণ, সমাজ জীৱনৰ বিভিন্ন দিশৰ প্রতিফলন আদিবোৰ কৰিব পাৰিলে আমাৰ এই আপুৰুগীয়া ভাওনা সংস্কৃতিৰ প্রসাৰ আৰু প্রচাৰ নিশ্চয় সম্ভৱ হ'ব। লগতে গুৰু দুজনাৰ আত্মায়ো শান্তি পাব।

সহায়ক গ্রন্থ ঃ

১। ভাওনা সংস্কৃতি, ১ম খণ্ড
২। অসমীয়া নাট্য সাহিত্য— ড° সত্যেন্দ্র নাথ শর্মা

লেখক পৰিচিতি ঃ বিশিষ্ট কবি তথা অৱসৰী পশু চিকিৎসক

মানসিক উৎকর্ষ সাধনত যোগ সাধনাৰ ভূমিকা আৰু সাহিত্যত ইয়াৰ প্রভাৱ

বিনীতা গগৈ

ভাৰতবর্ষৰ সভ্যতা সংস্কৃতিত যোগ সাধনাক অতি গুৰুত্বপূর্ণ স্থান দিয়া হয়। ইতিহাসে অতি প্রাচীন কালৰে পৰা ভাৰতবর্ষত যোগ সাধনাৰ সাক্ষ্য দান কৰে। হৰপ্পা মহেঞ্জদাৰোৰ খনন কার্য্যত উদ্ধাৰ হোৱা মোহৰত পোৱা যোগীৰ প্রতিকৃতি আৰু "ব্রহ্মাণ্ড পুৰাণ", "শ্রীমদ্ভগৱদগীতা"ৰ শ্লোকৰ পৰা যোগ চর্চাৰ প্রাচীনতাৰ কথা অনুমান কৰিব পাৰি। প্রাক্ ঐতিহাসিক কালৰ পৰা সাম্প্রতিক কাললৈকে যোগ সাধনাৰ নিৰৱচ্ছিন্ন ধাৰাই ইয়াৰ গুৰুত্ব আৰু ব্যক্তিৰ জীৱনত প্রভাৱৰ কথাকে সূচায়। আশ্চর্য্যজনকভাৱে বিংশ শতিকাৰ মাজভাগৰ পৰা এই চর্চাই ভাৰতবর্ষৰ পৰিসীমা অতিক্রম কৰি পশ্চিমীয়া দেশসমূহতো প্রচুৰ জনপ্রিয়তা অর্জন কৰা দেখা গৈছে। মূলতঃ যান্ত্রিক সভ্যতাই সৃষ্টি কৰা অলস জীৱন, মানৰ সমাজত চলি থকা চিৰকলীয়া অসুখ-অশান্তি, হিংসা-দ্বেষ, উৎকণ্ঠা-নৈৰাশ্য, নিৰাপত্তাহীনতা আদিৰ পৰা পৰিত্রাণ পাবৰ বাবে মানুহৰ ঐকান্তিক ইচ্ছা আৰু নিৰৱিচ্ছিন্ন প্রচেষ্টা এই জনপ্রিয়তাৰ প্রধান কাৰণ।

আধুনিক আৰু আনুষ্ঠানিক যোগৰ মূল প্রবর্তক হিচাপে মহর্ষি পতঞ্জলিৰ নাম প্রণিধানযোগ্য। যোগাসন নাইবা যোগ অথবা যোগবিদ্যা বা যোগাভ্যাস হৈছে এবিধ দৈহিক, মানসিক আৰু আধ্যাত্মিক দিশক সাঙুৰি লোৱা ভাৰতীয় পৰম্পৰাগত মূলৰ ৰীতি। যোগ হ'ল এনে এটা পদ্ধতি যাৰ দ্বাৰা এজন ব্যক্তিৰ আভ্যন্তৰীণ ক্ষমতাসমূহ সামগ্রিকভাৱে বিকাশ ঘটাব পৰা যায় অর্থাৎ ইয়াৰ দ্বাৰা সম্পূর্ণ আত্ম উপলব্ধি অর্জন কৰিব পৰা যায়। সংস্কৃত শব্দ "যোগ"ৰ আভিধানিক অর্থ হ'ল "স্বীকাৰ কৰা", "গভীৰ আৰু বিমূর্ত ধ্যান", "পৰম ব্রহ্মৰ ৰূপ ধ্যান"। যোগ শব্দৰ নানান অর্থ আছে যদিও বর্তমান প্রসঙ্গত 'যোগৰ অর্থ হ'ল জীৱাত্মা আৰু পৰমাত্মাৰ যোগ বা সংযোগ।'

'যোগ শব্দটো সংস্কৃত "যুঁজ" শব্দৰ পৰা আহিছে। যাৰ অর্থ মিলন বা একত্রিকৰণ। ঋগ্বেদত কৈছে— "যুজ্যতে অনেন ইতি যোগঃ" একত্রিকৰণে হৈছে যোগ। ই ব্যক্তিৰ আভ্যন্তৰত আৰম্ভ হৈ ক্রমে পৰিবর্ধিত হৈ বিশ্ব ব্রহ্মাণ্ডত পৰিব্যাপ্ত হয় আৰু ইয়াৰ পৰিসমাপ্তি ঘটে অনন্তত। এক কথাত ক'বলৈ হ'লে আত্মা আৰু পৰমাত্মাৰ একত্র উপলব্ধি ৰূপী মানৰ জীৱনৰ চৰম লক্ষ্যত উপনীত হোৱাকে যোগ বুলি কোৱা হয় আৰু ব্যক্তি এই অৱস্থা পাবলৈ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিকভাৱে প্রস্তুত হয়।

যোগৰ দ্বাৰা সংহতি প্রতিজ্ঞা প্রাপ্তি ঃ

যোগ হৈছে শৰীৰ আৰু মনক প্রণালীবদ্ধভাৱে প্রশিক্ষণ দি শৰীৰ, মন আৰু আত্মাৰ মাজত সংহতি স্থাপন কৰা। এনে জ্ঞান প্রাপ্ত ব্যক্তি দুখতো বিচলিত নহয় আৰু সুখতো উত্রাৱল নহয়। মনোগত সকলো কামনা পৰিত্যাগ কৰি তেওঁ হয় আত্ম পৰিতৃপ্ত লোক। শ্রীমদ্ভগৱদগীতাত এনে অৱস্থা প্রাপ্তিকে যোগ বুলি অভিহিত কৰিছে।

যোগ সাধনাই চিত্তক প্রশান্ত কৰে, মায়া-মোহ বিসর্জন দি অনাসক্তভাৱে নিজৰ কৰণীয় কর্ম কৰিবলৈ মানসিক শক্তি যোগায়। পৰমাত্মাৰ স্বৰূপ উপলব্ধি কৰায়। ইয়াকে "মহানির্বাণ তন্ত্রত" যোগ জীৱাত্মা পৰমাত্মানো ঐক্যম "আৰু" যোগ বশিষ্ঠ ৰামায়ণত যোগ সমতাৱস্থা জীৱাত্মা পৰমাত্মানো বুলি কৈছে। এই অৱস্থা প্রাপ্ত হ'লেই আৰম্ভ হয় কর্ম নিপুণতাৰ কৌশল।

কর্ম দক্ষতাৰ বাবে যোগ সাধনা ঃ

মন স্থিৰ আৰু অবিকৃত হ'লেহে মনোযোগ গভীৰ হয়, সজাগতা আহে সৃষ্টিশীল প্রতিভাৰ বিকাশ হয়। সুস্থ আৰু সজাগ শৰীৰ আৰু মনৰ ব্যক্তিয়ে যি কামতে হাত দিয়ে, সেই কামতেই কৃতিত্ব লাভ কৰে। গতিকে যোগৰ দ্বাৰা মনৰ সুস্থিৰতা অহাত মানসিক উৎকর্ষ সাধন কৰে।

যোগ মন প্রশমনৰ উপায় ঃ

মন প্রশান্ত বা নিশ্চল কৰাটোৱেই হৈছে যোগৰ মূল কার্য। যোগবশিষ্ঠ ৰামায়ণত কৈছে— "মন প্রশমনোপায়ঃ যোগ ইত্যাভিধীয়তে" অর্থাৎ মনক প্রশমন কৰাৰ কৌশলকে যোগ বুলি কোৱা হয়। মন প্রশমনেই হ'ল কর্মত সাফল্য লাভ কৰাৰ মূল চাবি কাঠি। কাম, ক্রোধ আদি ৰিপুসমূহক নিজৰ আয়ত্তলৈ আনি যোগ সাধনাই মানসিক উৎকর্ষ সাধনত অৰিহণা যোগায়।

যোগ চিত্ত বৃত্তি নিৰোধ ঃ

মহর্ষি পতঞ্জলিয়ে কৈছে যে— "চিত্তৰ বৃত্তিসমূহ নিৰোধকৰণেই যোগ"। চিত্ত হৈছে মন, বুদ্ধি আৰু অহংকাৰৰ

সমষ্টিগত ৰূপ। বিভিন্ন কাৰকে চিত্তক বিভ্ৰম বা ক্লেশ যুক্ত কৰি ৰাখে, যাৰ বাবে ব্যক্তিৰ আত্ম উপলব্ধি নহয়। বৃত্তিসমূহ নিৰোধ বা পৰাস্ত কৰি আত্ম উপলব্ধি কৰিলেহে চিত্ত অবিকৃত, তৰঙ্গ শূন্য অর্থাৎ অচঞ্চল আৰু স্বচ্ছ অৱস্থালৈ আহে আৰু মানসিক উৎকর্ষ সাধন হৈ সুস্থ মন আৰু আত্মাৰ গৰাকী হয়।

যোগ সুপ্ত শক্তি আৰু প্ৰতিভা বিকাশৰ প্ৰণালী ঃ

যোগ হৈছে সুষম জীৱন ধাৰণৰ এটি প্ৰণালী। যি প্ৰণালীৰ নিয়মিত নিষ্ঠাপূৰ্ণ অনুশীলনে মানুহৰ আভ্যন্তৰত অন্তর্নিহিত শক্তি আৰু প্ৰতিভাৰ পূৰ্ণ বিকাশ কৰি শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক উৎকর্ষ সাধন কৰি মানৱ জীৱনৰ চৰম লক্ষ্যত উপনীত হোৱাত সহায় কৰে। মানুহ অফুৰন্ত শক্তিৰ আধাৰ। প্ৰত্যেক ব্যক্তিৰ ভিতৰতে ব্ৰহ্মশক্তি সুপ্তভাৱে বিদ্যমান। কম সংখ্যক ব্যক্তিহে এই অনন্ত শক্তিৰ বিষয়ে সচেতন। এই সুপ্ত অসংলগ্ন শক্তিসমূহক যোগাভ্যাসৰ জৰিয়তে সৎ কার্যত পর্য্যবেসিত কৰাই মানসিক উৎকর্ষ সাধন কৰা হয়।

যোগ সাধনাত শৰীৰ আৰু মনৰ গুৰুত্ব ঃ

যোগ সাধনা মানৱ জীৱনৰ আধ্যাত্মিক চৰম প্ৰাপ্তিৰ সাধনা। তত্ত্বদর্শীসকলে কয় যে "যোগ সাধনাৰ পথ ক্ষুৰৰ দৰে তীক্ষ্ণ, অতি দুর্গম আৰু অতি কষ্টৰে অতিক্ৰমণীয়"। এই বিপদ সংকুল সাধনাৰ যাত্ৰা পথৰ মূল বাহন হৈছে শৰীৰ আৰু মন। শৰীৰ আৰু মন সুস্থ-সবল, আয়ত্তাধীন হ'লেহে যোগ সাধনাৰ জৰিয়তে মোক্ষ প্ৰাপ্তিৰ আশা কৰিব পাৰি। যোগ সাধনাত শৰীৰটোক মন্দিৰ আৰু মনক মন্দিৰৰ পূজাৰী ৰূপে গণ্য কৰা হয়। মন্দিৰত পূজা পূজাৰীৰ বাবে নহয়, হয় দেৱতাৰ বাবে। কিন্তু সেই পূজাৰ বাবে মন্দিৰৰ সামগ্ৰিক পৰিবেশ পৰিষ্কাৰ পৰিচ্ছন্নতা, পূজাৰীৰ সততাৰো প্ৰয়োজন। ঠিক সেইদৰে যোগ সাধনাৰ চৰম লক্ষ্য আত্মাৰ স্বৰূপ উপলব্ধি বা ভাগৱৎ উপলব্ধিৰ বাবে শৰীৰ ৰূপী মন্দিৰ আৰু মনৰূপী পূজাৰীৰ সুস্বাস্থ্য, পবিত্ৰতা, আৰু নিয়মানুৱর্তিতা আদি অত্যন্ত প্ৰয়োজনীয়। মানসিক উৎকর্ষ সাধনত যোগাভ্যাসৰ যেনেকৈ নিবিড় সম্পর্ক আছে, ঠিক সেইদৰে যোগ সাধনাও সুস্থ শৰীৰ আৰু সুস্থ মনৰ দ্বাৰাহে সম্ভৱ।

উপসংহাৰ ঃ

ভাৰতীয় মনীষাৰ এক উজ্জ্বল নিদর্শন হ'ল যোগ দর্শন। ইতিহাসে ঢুকি নোপোৱা কালৰ পৰা আমাৰ দেশত যোগ সাধনা চলি আহিছে আৰু সম্প্ৰতি ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰ ব্যাপক ৰূপত বর্দ্ধিত হৈছে। বস্তুবাদী আৰু ভোগ সর্বস্ব জীৱনত মানুহে সুখ ভোগ কৰিবলৈ অসুবিধা পোৱাৰ লগতে মানসিক শক্তিৰ অবিহনে জীয়াতু ভুগিছে। এই মানসিক অশান্তিৰ পৰা মুক্তিৰ পথ বিচাৰি মানুহে যোগাভ্যাস অর্থাৎ যোগ সাধনাৰ আশ্ৰয় লৈছে; কাৰণ যোগাভ্যাসে শৰীৰ, মন আৰু আধ্যাত্মিক ভাবৰ উৎকর্ষ সাধনত সহায় কৰে।

সাহিত্য সাধনাৰ ক্ষেত্ৰত যোগৰ প্ৰভাৱ ঃ

সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতো শৰীৰ আৰু মন সুস্থ সৱল হৈ থকাটো অত্যন্ত গুৰুত্বপূৰ্ণ। সাহিত্য হৈছে ব্যক্তিৰ মানসিক আহাৰ। এই আহাৰে মন প্ৰশমিত কৰি ৰাখে। সুস্থ সবল মনৰ গৰাকীহে সুচিন্তাৰে উৎকৃষ্ট সাহিত্য সৃষ্টি কৰিব পাৰে। প্ৰাচীন ভাৰতীয় মনীষীসকলে নিয়মিত যোগ সাধনা কৰাৰ ফলশ্ৰুতিতে হয়তো বর্তমান সময়তো অতিশয় প্ৰাসঙ্গিক উৎকৃষ্ট সাহিত্যৰাজি সৃষ্টিৰে নিজৰ জ্ঞান গৰিমাৰ নিদর্শন দি যাবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত মহর্ষি পতঞ্জলি, ব্যাস, বাল্মীকিৰ দৰে মনীষীসকলৰ কথা স্মৰণ কৰিব পাৰি।

সৃষ্টিশীল সাহিত্য সৃষ্টিৰ ক্ষেত্ৰতে হওক অথবা চিন্তন, মনন সম্পর্কীয় সাহিত্যৰাজিৰ ক্ষেত্ৰতে হওক শৰীৰ আৰু মন প্ৰশমিত হৈ থকাটো অতি গুৰুত্বপূৰ্ণ। সুস্থ সৱল মনেহে সুস্থ ভাৱ আৰু চিন্তাৰ উদ্ৰেক কৰিব পাৰে। এই ক্ষেত্ৰত সুস্থ শৰীৰেও যথেষ্ট ভূমিকা পালন কৰে। সেয়েহে সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সৱল দেহ-মনৰ গৰাকী হৈ সুস্থ চিন্তাৰে উৎকৃষ্ট সাহিত্য সৃষ্টিৰ দ্বাৰা উত্তৰ পুৰুষৰ মানসিক পৰিপুষ্টিৰ বাবে উত্তম সাহিত্য ৰচনা কৰি সাহিত্যৰ ভঁৰাল চহকী কৰাটো অতি প্ৰয়োজনীয়।

দৰাচলতে, যোগ সাধনাৰ জৰিয়তে শৰীৰ আৰু মনক সুস্থ আৰু প্ৰশান্ত কৰি সুপ্ত শক্তিৰ বিকাশ সাধন কৰিলেই ঈশ্বৰীয় গুণ বিকাশ হৈ সাধক দৈৱিক মানৱলৈ ৰূপান্তৰিত হ'ব তেনে নহয়, শাৰীৰিক আৰু মানসিক বিকাশসমূহ নৈতিকতাৰ দ্বাৰা পৰিচালিত হ'ব লাগিব, তেতিয়াহে যোগ সাধনা বা চর্চা সার্থক হ'ব আৰু ব্যক্তিয়ে সুস্থ দেহ-মনৰ অধিকাৰী হৈ সুস্থ জীৱন যাপন কৰিব পাৰিব। ধন্যবাদ।❑

গ্ৰন্থপঞ্জী ঃ

১। শর্মা, তীর্থনাথ— উপনিষদ অষ্টক (২য় খণ্ড), প্ৰকাশন পৰিষদ, গুৱাহাটী।
২। বিবেকানন্দ, স্বামী— ৰাজযোগ ।
৩। ফুকন, বলী নাৰায়ণ— যোগ বিজ্ঞান পৰিচয় ।
৪। Alter Joseph, S - Yoga in Modern India.

লেখক পৰিচিতি ঃ মূৰব্বী অধ্যাপিকা, গীতানগৰ মহাবিদ্যালয়



নার্ছিং পাঠ্যক্ৰমৰ অধ্যয়ন আৰু ভৱিষ্যৎ

ড° ইনু বড়ো

নার্ছিং হৈছে স্বাস্থ্য সেৱাৰ এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। ৰোগীক যত্ন লোৱা, চিকিৎসকক সহায় কৰা আৰু স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত নার্ছে এক কেন্দ্ৰীয় ভূমিকা পালন কৰে। নার্ছিঙত সহানুভূতি, ধৈৰ্য আৰু নিঃস্বাৰ্থ সেৱা প্ৰধান গুণ হিচাপে গণ্য কৰা হয়। ই সমাজৰ স্বাস্থ্য উন্নয়ন আৰু জীৱন ৰক্ষাত এক মহৎ পেচা। নার্ছিং পেচাটোৱে কেৱল চিকিৎসালয়ত বা হস্পিতালত সীমাবদ্ধ নহয়, ই গৃহচিকিৎসা, স্বাস্থ্য শিক্ষা আৰু সামাজিক সচেতনতা গঢ়ি তোলাতো সমান গুৰুত্বপূৰ্ণ। নার্ছসকল ৰোগীৰ শাৰীৰিক অসুবিধা দূৰ কৰাৰ লগতে মানসিক ভৰসা যোগায়। তেওঁলোকে ৰাতি-দিবা ৰোগীৰ সেৱাত নিযুক্ত থাকি জীৱন ৰক্ষাৰ ক্ষেত্ৰত এক অগ্ৰগণ্য ভূমিকা পালন কৰে। নার্ছিং পেচাই সমাজত সহানুভূতি, সঁহাৰি আৰু মানৱতাৰ এক জ্যোতি প্ৰজ্বলিত কৰি ৰাখিছে।

ফ্লোৰেন্স নাইটিংগলৰ আদৰ্শৰে দীক্ষিত নার্ছিং সেৱাৰ প্ৰাথমিক পাঠ্যক্ৰম হৈছে এ এনএম (Auxilliary Nursing Midwife)। এই পাঠ্যক্ৰম দুবছৰীয়া ডিপ্লমা পাঠ্যক্ৰম। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা বিজ্ঞান, কলা যিকোনো বিভাগৰ শিক্ষাৰ্থীয়ে এই পাঠ্যক্ৰমত নাম ভৰ্ত্তি কৰিব পাৰে। তাৰ উপৰিও তিনিবছৰ জি এন এম (General Nursing & Midwifery) ডিপ্লমা পাঠ্যক্ৰম আছে। এই পাঠ্যক্ৰমত অধ্যয়নৰ বাবেও উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হ'ব লাগে। এই ডিপ্লমা পাঠ্যক্ৰমৰ বাবে তিনি বছৰ লাগে।

বিভিন্ন স্বাস্থ্য সেৱাসমূহত (হেল্থকেয়াৰ চেটিং) স্নাতক ছাত্ৰ-ছাত্ৰীক সাজু কৰিবলৈ এই পাঠ্যক্ৰমৰ জৰিয়তে থিয়োৰিটিকেল জ্ঞান আৰু প্ৰেকটিকেল ট্ৰেইনিং প্ৰদান কৰা হয়।

চাৰি বছৰীয়া বি.এচ.ছি (নার্ছিং) পাঠ্যক্ৰমটোত মুঠ ৮টা সান্মাষিক আছে। এইটো পাঠ্যক্ৰমত নাম ভৰ্তি হ'বৰ বাবে সাধাৰণতে এটা প্ৰৱেশ পৰীক্ষা দিব লাগে, যিটো পৰীক্ষা শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ (Srimanta Sankardeva University of Health Seciences) দ্বাৰা পৰিচালিত কৰা হয়। তাৰ বাবে প্ৰার্থীসকলে ৰাসায়ন বিজ্ঞান, পদার্থ বিজ্ঞান, জীৱ বিজ্ঞান আৰু ইংৰাজী বিষয়ত দ্বাদশ শ্ৰেণী অর্থাৎ উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হ'ব লাগিব। প্ৰৱেশ পৰীক্ষা ৰাজ্য ভেদে NEET, AIIMS Nursing entrance Exam আদি পৰীক্ষা পৰিষদে অনুষ্ঠিত কৰে। অসমত Srimanta Sankardeva University of Health Seciences (SSUHS) শ্ৰীমন্ত শঙ্কৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ে এই প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰে। প্ৰৱেশ পৰীক্ষাৰ দ্বাৰা বাচনি হোৱা শিক্ষার্থীসকলে অসমত চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ (DME) অধীনস্থ ডিব্ৰুগড়, গুৱাহাটী, শিলচৰ, যোৰহাট আৰু কোকৰাঝাৰ আদি বি.এচ.ছি (নার্ছিং) মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰে। আঠটা সান্মাষিকত অধ্যয়নৰত শিক্ষার্থীসকলে চাৰি বছৰত— Anatomy Physiology, Microbiology, Nursing Fundamentals, Medical Surgical Nursing আৰু Pediatric Nursing আদি বিষয়ত অধ্যয়ন কৰিব লাগে। থিয়ৰীৰ সমান্তৰাল

ভাৱে মহাবিদ্যালয় সংলগ্ন চিকিৎসা মহাবিদ্যালয়ত ক্লিনিকেল প্রশিক্ষণ অব্যাহত ৰাখে।

বি.এচ.ছি (নার্ছিং) উত্তীর্ণ শিক্ষার্থীসকলে চিকিৎসা সেৱাৰ বাবে নিয়োজিত চৰকাৰী-বেচৰকাৰী চিকিৎসালয়ত নার্ছিং সেৱাত চাকৰি কৰিব পাৰে।

বি.এচ.ছি (নার্ছিং) পৰৱর্ত্তী উচ্চ শিক্ষা হিচাবে এম.এচ.ছি (নার্ছিং) আৰু গৱেষণা (Ph.D.) কৰিব পৰাৰ ব্যৱস্থা আছে। শিক্ষা সমাপ্ত কৰাৰ পিছত তেওঁলোকে ক্লিনিকেল নার্ছ, নার্ছিং এডুকেটৰ, নার্ছ এডমিনিষ্ট্রেটৰ আৰু Community Health Officer হিচাবে সেৱা আগবঢ়াব পাৰে।

নার্ছিং সেৱাৰ বাবে বৃত্তি হিচাবে বিভিন্ন চিকিৎসালয়ত (১) ষ্টাফ নার্ছ, (২) নার্ছিং চুপাৰভাইজাৰ, মেনেজাৰ আৰু চিকিৎসা শিক্ষা প্রতিষ্ঠানত নার্ছিং বিষয়ত নেতৃত্ব গ্রহণ কৰিব পাৰে, (৩) আইচিইউ নার্ছ আৰু (৪) নার্ছিং শিক্ষা প্রতিষ্ঠানত 'ডেমনষ্ট্রেটৰ', প্রবক্তা, সহকাৰী অধ্যাপক আদি বিদ্যায়তনিক বিষয়ত চাকৰি কৰিব পাৰে।

বর্তমান অসমত পাঁচখন চৰকাৰী বি.এচ.ছি (নার্ছিং) মহাবিদ্যালয় আছে— গুৱাহাটীত ৰিজনেল কলেজ অৱ নার্ছিং, এইখন অসমৰ প্রথমখন চৰকাৰী বি.এচ.ছি (নার্ছিং) কলেজ, স্থাপন হৈছিল ডিচেম্বৰ, ১৯৭৭ চনত আৰু অতি শীঘ্রে মহাবিদ্যালয়খনে ৫০ বছৰ অর্থাৎ সোণালী জয়ন্তী বছৰত ভৰি দিব।

দ্বিতীয়খন হৈছে বি.এচ.ছি (নার্ছিং) কলেজ, ডিব্রুগড় আৰু তৃতীয়খন হৈছে বি.এচ.ছি (নার্ছিং) কলেজ, শিলচৰ। এতিয়া নতুনকৈ দুখন যোৰহাট আৰু কোকৰাঝাৰতো বি.এচ.ছি (নার্ছিং) কলেজ স্থাপন কৰা হৈছে। স্থাপন হোৱা স্নাতকসকলৰ বাবে ভাৰতত ক্লিনিকেল প্রেকটিচৰ পৰা আৰম্ভ কৰি গৱেষণা আৰু উচ্চ শিক্ষালৈকে বিভিন্ন জীৱিকাৰ সুবিধা আছে। শিক্ষার্থীসকলে চিকিৎসালয়ত নার্ছিং ষ্টাফ হিচাপে কাম কৰিব পাৰে। ইয়াৰ উপৰিও কেন্দ্রীয় ভাৱে অনুষ্ঠিত পৰীক্ষাবোৰো দিব পাৰে, যেনে ৰেলৱে, মিলিটাৰী নার্ছিং অফিচাৰ।

বি.এচ.ছি (নার্ছিং) শেষ কৰি এক বছৰ ক্লিনিকেল প্রেকটিছ লৈ শিক্ষার্থীসকলে এম.এচ.ছি (নার্ছিং)ৰ প্রৱেশ পৰীক্ষা দিব পাৰে। পৰীক্ষাত উত্তীর্ণ হ'ব কাৰণে ছাত্রীগৰাকী কোনো এখন প্রতিষ্ঠানৰ পৰা বি.এচ.ছি (নার্ছিং) অথবা পোষ্ট বেচিক বি.এচ.ছি (নার্ছিং)ত উত্তীর্ণ হ'ব লাগিব যিখন ইণ্ডিয়ান নার্ছিং কাউন্সিলৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত। লগতে বি.এচ.ছি (নার্ছিং) শেষ কৰি এক বছৰ ক্লিনিকেল বা প্রশিক্ষণ অভিজ্ঞতা ল'ব লাগিব।

এম.এছ.চি. (ডাব্লুইউ) বিভিন্ন বিষয়ত কৰিব পাৰি, যেনে মেডিকেল চার্জিকেল (এন), অ'এণ্ডজি নার্ছিং, চাইল্ড হেল্‌থ নার্ছিং, মেণ্টেল হেল্‌থ নার্ছিং আৰু কমিউনিটি হেল্‌থ নার্ছিং।

এম.এচ.ছি (নার্ছিং) শেষ কৰাৰ পিছত তেওঁলোকে ক্লিনিকেল নার্ছ, নার্ছিং এডুকেটৰ, নার্ছ এডমিনিষ্ট্রেটৰ হিচাপে কাম কৰিব পাৰে নাইবা উচ্চ শিক্ষাৰ বাবে পি এইচডি কৰিব পাৰে। বি.এচ.ছি (নার্ছিং) শেষ কৰি কমিউনিটি হেল্‌থ অফিছাৰ পদত যোগদান কৰিব পাৰি।

নার্ছিং হৈছে মানৱতা আৰু মানৱ সেৱাৰ ওপৰত নির্ভৰশীল পেচা। নার্ছে ৰোগীক কেৱল চিকিৎসা কৰাই নহয়, মানসিক চাপোর্ট দিয়ে।

নার্ছিং কেৱল এটা চাকৰি নহয়, ই এটা সেৱা, মৰম আৰু দায়িত্বৰ পেচা। এগৰাকী নার্ছে ৰোগীৰ বিছনাৰ কাষত থাকি শাৰীৰিক ভাৱে সান্ত্বনা দিয়াৰ লগতে মানসিকভাৱেও সাহস দিয়ে। নার্ছ হৈছে এনে এগৰাকী ব্যক্তি যিয়ে নিজৰ সময়, শক্তি আৰু মনোযোগ সকলো ৰোগীৰ জীৱন উন্নত কৰাত বিসর্জন দি দিয়ে। নার্ছৰ নীৰৱ পৰিশ্রমে অসংখ্য জীৱনলৈ নতুন আশা আৰু পোহৰ দিয়ে আৰু সেইকাৰণে তেওঁলোক আমাৰ সমাজৰ একো একোজন পৰিশ্রমী নায়ক।❑

লেখক পৰিচিতি ঃ অধ্যক্ষা, আঞ্চলিক নার্ছিং মহাবিদ্যালয়, গুৱাহাটী

স্বাধীনতা আন্দোলনৰ বিভিন্ন পৰ্যায়

অনুবাদ ঃ দুৰ্গেশ্বৰ পাঠক
মূল ঃ দেবব্ৰত বসু

প্ৰথম বিশ্বযুদ্ধৰ বিভীষিকা চলি থকা সময়তে ভাৰতীয় ৰাজনীতিত মহাত্মা গান্ধীৰ আবিৰ্ভাব হয়।

বেহেৰুৱা নীতিৰ ইংৰাজসকলে কৰা অপমান আৰু বিভিন্ন ধৰণৰ অত্যাচাৰত অপদস্থ হৈ গান্ধীয়ে এক অভিনৱ নীতিৰে আন্দোলনৰ সূচনা কৰে, যাক কোৱা হৈছিল অহিংসা নীতিৰ আন্দোলন। সত্যাগ্ৰহৰ অৰ্থ হ'ল— সত্য আৰু ন্যায্য অধিকাৰ সাব্যস্ত কৰা অহিংস দাবী। গান্ধীজীয়ে ব্যাখ্যা কৰা এই সত্যৰ অৰ্থ হ'ল— এই পৃথিৱীত থকা সকলোৰে প্ৰতি প্ৰেম আৰু অহিংসা নীতি অৱলম্বন কৰা।

১৯১৫ চনত গান্ধীজীয়ে উচ্চ শিক্ষা লৈ দক্ষিণ আফ্ৰিকাৰ পৰা নিজ দেশলৈ উভতি আহে। ইতিমধ্যে বৰলাট চেমচ্ ফোৰ্ডে বিপ্লৱী আন্দোলন কঠোৰভাৱে দমন কৰাৰ উদ্দেশ্যে বিচাৰপতি ৰাওলাটৰ নেতৃত্বত এখন কমিটী গঠন কৰি দিয়ে। এই কমিটীৰ পৰামৰ্শ বিধিসমূহক লৈ যি আইন প্ৰস্তুত কৰা হ'ল, তাক 'বৰলাট্ আইন' বুলি জনাজাত।

এই আইনখনৰ ধাৰাৰ নীতিত ব্যতিব্যস্ত হৈ গান্ধীজীয়ে ইয়াৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে ১৯১৯ খ্ৰীষ্টাব্দৰ ১৩ মাৰ্চত 'হৰতাল দিৱস' পালন কৰাৰ বাবে দেশবাসীক আহ্বান জনায়। এই অচিলাতে চৰকাৰে গান্ধীক গ্ৰেপ্তাৰ কৰে। ইংৰাজৰ এই কাৰ্যক গৰিহণা দি সমগ্ৰ দেশতে প্ৰতিবাদৰ জুই জ্বলি উঠিল। আৰু তেওঁক সৰ্বভাৰতীয় নেতাৰ মৰ্যাদা দি আন্দোলনত যোগ দিবলৈ হেজাৰ-বিজাৰ মানুহ ওলাই আহিল। 'ৰাওলাট আইনৰ' তীব্ৰ বিৰোধিতা কৰি উত্তপ্ত জনতাই প্ৰতিবাদ কৰিবলৈ ওলাই আহি পুলিচৰ অত্যাচাৰৰ সম্মুখীন হ'ল। ইপিনে পঞ্জাৱৰ অমৃতসৰৰ শাসনত ন্যস্ত থকা জেনেৰেল ডায়াৰে ইয়াক লৈ এক নিষেধাজ্ঞা জাৰি কৰে যে অনুমতি অবিহনে যিকোনো সভা-সমিতিৰ আয়োজন কৰিব নোৱাৰিব আৰু এই নিষেধাজ্ঞা অমান্য কৰাজনক আইন বিৰোধী বুলি গণ্য কৰা হ'ব।

কিন্তু এই বাধা নেওচি সহস্ৰ জনতাৰে পৰিবেষ্টিত হৈ জালিয়ানাবাগত এখন মহাসভাৰ আয়োজন কৰা হ'ল আৰু এই দিনটো আছিল ১৯১৯ চনৰ ১৩ এপ্ৰিল, যিটো আছিল ভাৰতীয় স্বাধীনতা আন্দোলন ইতিহাসৰ এক ক'লা অধ্যায়। জেনেৰেল ডায়াৰে সভাস্থলীৰ পৰা একমাত্ৰ বহিঃগমন পথটো বন্ধ কৰি দি কোনো আগজাননী বা সতৰ্কবাণী প্ৰেৰণ নকৰাকৈ দহ মিনিট সময় নিৰ্দয়ভাৱে গুলিচালনা কৰিবলৈ নিৰ্দেশ দিয়ে। এই ঘটনাত প্ৰায় এহেজাৰতকৈ অধিক নাৰী-পুৰুষে প্ৰাণ আহুতি দিব লগা হয় যিটো আছিল অতি নিৰ্মম দৃশ্য। ৰবীন্দ্ৰনাথ ঠাকুৰে এই ঘটনাক লৈ অতি ক্ষুব্ধ হৈ পৰে আৰু তেওঁলৈ আগবঢ়োৱা 'নাইট' উপাধি পৰিত্যাগ কৰে।

খিলাফৎ আন্দোলন ঃ তুৰস্ক সাম্ৰাজ্যৰ চুলতানজন সেইসময়ত মুছলমানসকলৰ ধৰ্মগুৰু বা খলিফা, যাক ভাৰতীয় মুছলমানসকলেও ধৰ্মৰ দোহাই দি তেওঁক সমৰ্থন কৰিছিল। তুৰস্কই প্ৰথম মহাযুদ্ধৰ সময়ত ইংৰাজৰ বিৰুদ্ধাচাৰণ কৰি পৰাজিত হয় আৰু খলিকাৰ মৰ্যাদা হানি হোৱাৰ উপক্ৰম হয়। খলিফাৰ প্ৰতি কৰা অন্যায়ৰ প্ৰতিবাদকল্পে ভাৰতীয় মুছলমানসকলে আন্দোলনত জঁপিয়াই পৰে, যাক কোৱা হয়— 'খিলাফৎ আন্দোলন'।

অসহযোগ আন্দোলন ঃ মহাত্মা গান্ধীয়েও খিলাফৎ আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনালে আৰু হিন্দু মুছলমানৰ মাজত এক অভূতপূৰ্ব মিলন সঞ্চাৰ হ'ল। জাতীয় কংগ্ৰেছৰ অধিবেশনত গান্ধীৰ অসহযোগ আন্দোলনৰ প্ৰস্তাব গৃহীত হ'ল, যি আন্দোলনৰ মূল দাবী দুটি আছিল— এবছৰৰ ভিতৰত ভাৰতক স্বৰাজ দান কৰা আৰু 'খিলাফৎ'ৰ দাবী মানি লোৱা। সকলো ক্ষেত্ৰতে ইংৰাজৰ লগত অসহযোগিতা কৰাই আছিল এই আন্দোলনৰ মূল লক্ষ্য। জালিয়ানাবাগৰ হত্যাকাৰী জেনেৰেল ডায়াৰ আৰু মাইকেলক দোষী সাব্যস্ত কৰি উচিত

শাস্তি বিহাৰ বাবেও দাবী উত্থাপন হ'ল। গান্ধীয়ে আহ্বান জনালে যে জাতীয় কংগ্রেছৰ সকলো সদস্যই চর্খাৰে সূতা কাটি কেৱল খদ্দৰৰ বস্ত্রহে পৰিধান কৰা হওক— যাৰ ফলত ভাৰতীয় ইতিহাসত উদ্ভাবন হ'ল 'সর্বোদয় কর্মপন্থা'।

অসহযোগ আন্দোলনে সমগ্র ভাৰততে প্রভাৱ বিস্তাৰ কৰিলে— নিজৰ চাকৰি, আইন জীৱিকা পৰিত্যাগ কৰি সংগ্রামলৈ আগবাঢ়ি আহিল। দেশবন্ধু চিত্তৰঞ্জন, মতিলাল নেহৰুৰ দৰে ব্যক্তিয়ে আইন জীৱিকাৰ চাকৰি পৰিত্যাগ কৰি আন্দোলনত যোগ দিলে।

গান্ধীজীক সহায় কৰিবলৈ আগবাঢ়ি আহিল চিত্তৰঞ্জন দাস, মতিলাল নেহৰু, সুভাষ চন্দ্র বসু, সৰোজনী নাইডু, আব্দুল কালাম আজাদ, জৱাহৰলাল নেহৰু, লালা লাজপৎ আদি। ইমান দিনে কংগ্রেছৰ আন্দোলন কেৱল শিক্ষিত বা উচ্চ শ্রেণীৰ মাজত সীমাৱদ্ধ আছিল, কিন্তু গান্ধীৰ আহ্বানত শ্রমিক-কৃষকে একত্রিতভাৱে কংগ্রেছৰ পতাকা তলত আন্দোলন কৰিবলৈ টঙালি বান্ধিলে। আন্দোলনে তীব্রতৰ ৰূপ ধাৰণ কৰা সময়তে ১৯২২ খ্রীষ্টাব্দৰ ৫ ফেব্রুৱাৰীত উত্তৰ প্রদেশৰ চৌৰিচৌৰাৰ হিংসাত্মক ঘটনাত প্রায় বাইশজন পুলিচৰ লোক নিহত হয়। এই ঘটনাত মর্মাহত হৈ গান্ধীয়ে আন্দোলনৰ কার্যসূচী সাময়িকভাৱে বন্ধ কৰিবলৈ নির্দেশ দিয়ে। অসহযোগ আন্দোলন ভাৰতীয় ইতিহাসৰ এক স্মৰণীয় অধ্যায় এই বাবেই যে গ্রাম্যাঞ্চলৰ জনজাগৰণে সমগ্র দেশ কঁপাই তুলিছিল।

কৃষক-শ্রমিকৰ অংশগ্রহণ ঃ অসহযোগ আন্দোলনে স্বাধীনতাৰ দাবীক এক চেতনাসূচক স্থানত অৱতীর্ণ কৰায়। আন্দোলনক উচ্চ আৰু মধ্য শ্রেণীৰ বৈঠক বা মঞ্চৰ বক্তৃতাৰ পৰিৱর্তে সাধাৰণ শ্রেণীৰ অন্তৰাত্মাই স্পর্শ কৰিলে। মহাজনৰ শোষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে ক্ষোভিত কৃষক সমাজে অসহন কৰ-কাটলৰ বিৰুদ্ধাচৰণ কৰি চেগাচোৰোগাকৈ বিক্ষোভ প্রদর্শন কৰি আহিছিল। উত্তৰ প্রদেশৰ প্রজাস্বত্ব আইনৰ বিৰুদ্ধে এক ব্যাপক আন্দোলন গঢ়ি উঠে। ১৯২১ খ্রীষ্টাব্দত কৃষকসকলে কৰা বিদ্রোহ ৰায়বেৰিলী, ফৈজাবাদ অঞ্চলৰ পৰা গৈ গুজৰাট, পঞ্জাৱ, মাদ্রাজ পর্যন্ত বিয়পি পৰে। গান্ধী আৰু চর্দাৰ বল্লভ ভাই পেটেলে কৃষকসকলক নির্ভীকভাৱে অন্যায়ৰ বিৰুদ্ধে যুঁজ দিবলৈ সঠিক আর্হি দেখুৱালে। কৃষকসকলৰ পূর্ণ সমর্থনত জাতীয় কংগ্রেছে খাজনা দিয়া বন্ধ কৰি সকলো আইন উলংঘা কৰি আত্মনির্ভৰ আদর্শত নিমখ প্রস্তুত কৰিবলৈও আগবাঢ়িল।

কৃষকসকলৰ দৰে শ্রমিকসকলেও যাতনা ভোগ কৰি জর্জৰিত হৈ আহিছিল। ন্যূনতম মজুৰিত কাম কৰি অতি নিম্নমানৰ জীৱন যাত্রাত দিন নিয়াব লগা হৈছিল। মালিক-জমিদাৰৰ অত্যাচাৰত ব্যতিব্যস্ত হৈ পৰিছিল আৰু সেই কাৰণেই কৃষক-শ্রমিক সংগঠনৰ গঢ় লৈ আন্দোলনমুখী হ'বলৈ বাধ্য হৈ পৰিছিল। শ্রমিক নেতা মানবেন্দ্র নাথ ৰায়ৰ নেতৃত্বত বিশেষকৈ কল-কাৰখানা আৰু ৰে'লৰ শ্রমিকক লৈ বৃহৎ সংগঠনৰ সৃষ্টি কৰে। খড়গপুৰ ৰে'লকর্মী, জামছেদপুৰ টাটাৰ কর্মীয়ে বিভিন্ন আন্দোলনৰ কার্যসূচী হাতত লৈ সমগ্র দেশ উত্তপ্ত কৰি তোলে। আহমেদাবাদত গান্ধীয়ে শ্রমিকৰ লগত মিলিত হৈ আন্দোলনৰ নেতৃত্ব দিছিল।

স্বৰাজ দল ঃ অসহযোগ আন্দোলনে বিশেষ ক্রিয়া কৰিব নোৱাৰাত, চিত্তৰঞ্জন দাস, মতিলাল নেহৰু আদিয়ে এটি বিকল্প উপায় চিন্তা কৰিবলৈ ধৰিলে আৰু ফলস্বৰূপে ১৯২৩ খৃষ্টাব্দৰ নির্বাচনত প্রার্থিত্ব দি জয়লাভ কৰে, ফলস্বৰূপে আইন পৰিষদত প্রৱেশ কৰিবলৈ সক্ষম হয়। এইসকলৰ সৃষ্টিৰ 'স্বৰাজ দলে' চৰকাৰী স্বেচ্ছাচাৰিতাক প্রতিক্ষণতে বাধা দিবলৈ আৰম্ভ কৰিছিল যদিও চিত্তৰঞ্জন দাসৰ আকস্মিক বিয়োগত দলটোৰ শক্তি হ্রাস হৈ পৰে আৰু জাতীয় কংগ্রেছৰো অপূৰণীয় ক্ষতি হয়।

চাইমন কমিছন ঃ ১৯১৭ খ্রীষ্টাব্দত প্রথমবাৰৰ বাবে ভাৰতীয় আন্দোলনকাৰীৰ ন্যায্য দাবীৰ তদন্ত কৰিবলৈ বৃটিছে চাইমন কমিছনক নির্দেশ দিয়ে আৰু এটি দল ভাৰতলৈ প্রেৰণ কৰে। কিন্তু এই কমিটিত কোনো ভাৰতীয়ক স্থান নিদিয়া বাবে জাতীয় কংগ্রেছে তেওঁলোকক প্রত্যাখ্যান কৰে।

আইন অমান্য আন্দোলন ঃ ১৯২৯ খ্রীষ্টাব্দত সমগ্র ভাৰতবর্ষতে ভীষণ অর্থ সংকটে দেখা দিয়ে আৰু দৰিদ্র জনতাৰ চৰম দুর্দশা আহি পৰে। আইন অমান্য আন্দোলনৰ বাবে প্রস্তুত কৰা এঘাৰ দফীয়া এক কার্যসূচী বৰলাট 'আৰউইন'ৰ হাতত দাখিল কৰা হয়, কিন্তু সকলো দাবী একেছাতে অগ্রাহ্য কৰে। গান্ধীজীয়ে উপায়হীন হৈ সবৰমতী আশ্রমৰ বাকৰিত অনুষ্ঠিত কংগ্রেছ সভাত নতুন আন্দোলনৰ মতপ্রকাশ কৰে। ১৯৩০ খ্রীষ্টাব্দৰ ১২ মার্চত হেজাৰ-বিজাৰ আন্দোলনকাৰীক একত্রিত কৰি সবৰমতীৰ পৰা পদব্রজে দাণ্ডীযাত্রাৰ কার্যসূচী লয়। গুজৰাটৰ সমুদ্র উপকূলেদি যাত্রা কৰা এই কার্যসূচীত ৭১জন আশ্রমবাসীও সঙ্গ দিছিল আৰু সাগৰৰ পানীৰ পৰা লৱণ প্রস্তুত কৰি আইন অমান্য কৰাৰ উপৰি— সাগৰত স্নান কৰি সকলোৱে ৰামধুন প্রার্থনা কৰিবলৈ লৈছিল। এই ঐতিহাসিক ৬ এপ্রিলৰ দিনটো ভাৰতবাসীৰ স্মৰণীয় দিন। লোণ আইন অমান্য কৰাৰ লগতে মাদক দ্রব্য বর্জন আৰু বিদেশী বস্ত্র ত্যাগ কৰা এক অপূর্ব নিদর্শন দাঙি ধৰিলে জনগণে— যি আছিল এক কঠোৰ প্রত্যাহ্বান। গাঁৱে-ভূঞে নগৰে-চহৰে বিদেশী বস্তু জ্বলোৱা কার্যসূচী— সমগ্র ভাৰততে বিয়পি পৰিল। ভূ-দান যজ্ঞৰ আহ্বানক পূর্ণ সমর্থন দি পুৰুষ-মহিলাই উদাত্তচিত্তে আ-অলংকাৰ দান কৰিবলৈ আগবাঢ়ি আহিল।

বঙ্গদেশত সতীশচন্দ্র দাসৰ নেতৃত্বত মেদিনীপুৰৰ পুৰুষ-মহিলাৰ সমাৱেশত লোণ আইন ভঙ্গ কৰা হয়। গান্ধীজীয়ে

চুৰাট জিলাৰ লোণৰ গুদাম অধিকাৰ কৰিবলৈ গৈ গ্রেপ্তাৰ হ'ল। উত্তৰ-পশ্চিম সীমান্তত খান আব্দুল গফুৰ খানৰ সহযোগী পাঠানসকলেও আন্দোলনত জঁপিয়াই পৰিল। সম্পূর্ণ গান্ধীবাদী এই নেতাজনক 'সীমান্ত গান্ধী' নাম দিয়া হৈছিল। এই আন্দোলনৰ নীতিৰ প্রভাৱত মতিলাল নেহৰু, বল্লভ ভাই পেটেল, জৱাহৰলাল নেহৰু, সুভাষ চন্দ্র বসু কাৰাবন্ধী হ'ব লগা হ'ল। এই সময়তে 'চাইমন কমিছন'ৰ প্রতিবেদন প্রকাশ পালে, কিন্তু কংগ্রেছৰ প্রতিনিধিয়ে লণ্ডনত ঘূৰণীয়া মেজমেলত অংশ ল'ব নোৱাৰা বাবে আলোচনাৰ বিশেষ ফল নধৰিল। বৃটিছ প্রধানমন্ত্রীৰ নির্দেশত মহাত্মা গান্ধীক মুক্তি দিবলৈ বাধ্য হ'ল আৰু বৰলাট আৰউইনৰ লগত এক আপোচ মীমাংসাৰ বাবে (১৯৩১ খ্রীষ্টাব্দ) এক জৰুৰী বৈঠকৰ আহ্বান কৰা হয়। এই আলোচনাৰ ফলশ্রুতি অনুসাৰে বন্দী নেতাসকলক মুক্তি দিয়া হয়। লগতে নেতা-প্রতিনিধিয়ে ঘূৰণীয়া মেজমেলত অংশ লোৱাৰ সুবিধার্থে আইন অমান্য আন্দোলন সাময়িকভাৱে বন্ধ ৰখা হয়। কিন্তু এইবাৰৰ আলোচনাও বিফল হ'ল— কাৰণ মুছলমান সম্প্রদায়ৰ লোকসকলে সাম্প্রদায়িক প্রশ্নৰ অৱতাৰণা কৰিলে। অতি বিফল মনোৰথ লৈ গান্ধীয়ে লণ্ডনৰ পৰা উভতি আহিল।

লণ্ডনৰ আলোচনাৰ পৰা কোনো যোগাত্মক সঁহাৰি নোপোৱা বাবে দেশবাসীয়ে অনিশ্চিত মানসিক ক্রিয়াত ভুগিবলৈ ধৰিলে।

ঠায়ে ঠায়ে হিংসাৰ আশ্রয় ল'লে গান্ধী-আৰউইনৰ চুক্তিক উলংঘা কৰা বাবে। বিভিন্ন ঠাইত বৃটিছে অত্যাচাৰ আৰম্ভ কৰিবলৈ ল'লে। জৱাহৰলাল নেহৰু, আব্দুল গফুৰখানৰ লগতে গান্ধীক কাৰাবাসত আৱদ্ধ কৰা হ'ল আৰু সমস্ত কংগ্রেছক বে-আইনী ঘোষণা কৰিলে।

১৯৩২ খ্রীষ্টাব্দত ম্যাকডোনাল্ডৰ উল্লেখযোগ্য সাম্প্রদায়িক 'বাটোৱাৰা'ৰ প্রধান সূত্রবিলাক প্রকাশ পোৱাত গান্ধীজী অত্যন্ত দুঃখিত হয় আৰু সাম্প্রদায়িক প্রতাৰণা ৰোধ কৰিবলৈ আমৰণ অনশনত বহিবলৈ ল'লে। উচ্চ হিন্দুবর্ণৰ নেতা মদন মোহন মালব্য আৰু তপশীল সম্প্রদায়ৰ নেতা ড° অম্বেদকাৰৰ প্রচেষ্টাত বাটোৱাৰা নীতিৰ কিছু সংশোধন কৰাত গান্ধীয়ে অনশন ব্রত ত্যাগ কৰে আৰু আইন অমান্য আইনৰ প্রয়োজন ৰোধ কৰি ১৯৩৪ চনৰ মে' মাহত প্রত্যাহাৰ কৰাৰ সিদ্ধান্ত লোৱা হয়।

বিপ্লৱী সন্ত্রাসবাদীৰ আন্দোলন ঃ গান্ধীৰ অসহযোগ আন্দোলনক সমর্থন জনাই সকলো বিপ্লৱী আন্দোলনকাৰীয়ে সময়ত এখন বেনাৰৰ তলত থিয় হৈছিল কিন্তু ইয়াক প্রত্যাহাৰ কৰাৰ পিছত বিপ্লৱী সন্ত্রাসবাদীসকলে আকৌ নিজ নিজ দিশত আগবাঢ়িবলৈ লয়। ৰামবিহাৰী বসু, মানবেন্দ্র নাথ ৰায় আদিয়ে বিদেশী অস্ত্রৰ আমদানি কৰাত ব্যস্ত হয়। বঙ্গৰ বিপ্লৱী সূর্য সেনৰ নেতৃত্বত চট্টগ্রামৰ অস্ত্রভাণ্ডাৰত লুণ্ঠন কার্য সংঘটিত কৰে। যাৰ ফলত ১৯৩৪ চনত ফাঁচি হয় সূর্য সেনৰ। ১৯৩০ খ্রীষ্টাব্দত মিডফোর্ডৰ চিকিৎসা বিভাগৰ ছাত্র বিনয় বসুৰে ইন্সপেক্টৰ জেনে�ৰেল 'লোমানক' হত্যা কৰে আৰু পুলিচ চুপাৰিনটেণ্ডেট হড্চনক গুৰুতৰভাৱে আহত কৰে, লগতে দীনেশ গুপ্ত আৰু বাদল গুপ্তৰ সহায়ত ৮ ডিচেম্বৰত ইন্সপেক্টৰ জেনেৰেল 'সিন্পসনক' হত্যা কৰে। পুলিচৰ তৎপৰতাত বাদলে নিজৰ অস্ত্রেৰে আত্মহত্যা কৰে। বিনয় আৰু দীনেশে আত্মহত্যাৰ চেষ্টা কৰিছিল যদিও বিনয়ৰ হাস্পতালত মৃত্যু হয় আৰু দীনেশ গুপ্তক পিছত ফাঁচি দিয়া হয়। পঞ্জাৱৰ ভগৎ সিং, অসমৰ দেশদ্রোহৰ অপৰাধত মণিৰাম দেৱান আৰু ক্ষুদিৰামক ফাঁচি দিয়া হয়।

১৯৩৫ চনৰ ভাৰত শাসন আইন ঃ ১৯৩৫ চনৰ ভাৰত শাসন আইন বৃটিছ ভাৰতৰ ইতিহাসত এটি গুৰুত্বপূর্ণ ঘটনা যি অতি বিশেষভাৱে উল্লেখযোগ্য। এই আইনযোগে যুক্তৰাষ্ট্রীয় তথা প্রাদেশিক স্বায়ত্ত শাসনৰ বাবে চেষ্টা কৰা হৈছিল। কংগ্রেছৰ জাতীয় আন্দোলনৰ বিপৰীতে বামপন্থী আন্দোলনো গঢ় লৈ উঠিছিল। এই আইনেই পৰৱর্তীকালৰ অগ্রগতি হিচাপে ভাৰতীয় স্বাধীনতা আইনৰ মূলভিত্তি ৰচনা কৰে। এই আইনে ভাৰতক সম্পূর্ণ স্বাধীনতা নিদি কেন্দ্রীয় নিয়ন্ত্রণ অটুট ৰাখিলে।

ভাৰত ত্যাগ আন্দোলন ঃ ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন আছিল শেষ গণ আন্দোলন। ইয়াত গান্ধীজীৰ ভূমিকা আছিল অতি গুৰুত্বপূর্ণ। 'কৰেঙ্গে য়্যা মৰেঙ্গে' এই মন্ত্র লৈ ১৯৪২ চনৰ ৮ আগষ্টত কংগ্রেছৰ কার্যনির্বাহকৰ সমিতিত 'ভাৰত ছাড়ো' প্রস্তাৱক আইনগত স্বীকৃতি জনায়। এই আন্দোলনে ভাৰতৰ স্বাধীনতাৰ পথ সুগম কৰি তুলিছিল।

১৯৪৭ চনৰ ১৮ জুলাইত ভাৰতৰ স্বাধীনতা আইনখনে ৰাজকীয় সম্মতি লাভ কৰে আৰু তেনেদৰে ১৫ আগষ্ট তাৰিখে আধুনিক ভাৰত আৰু পাকিস্তান গঠন হয়।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক

শীতকালীন আমেজৰ আন এক নাম বনভোজ

অৰিন্দম তালুকদাৰ



দুর্গা পূজাৰ কিছুদিন পাছতেই আহিব শীতকাল। শীতকালীন সময়ৰ এক অন্যতম আনন্দৰ নাম হৈছে বনভোজ। আজিকালি বনভোজ,বালিভোজ শব্দবোৰতকৈ পিকনিকহে বেছি প্রচলিত শব্দ। সপৰিয়ালে,সবান্ধৱে, সহকর্মীৰ সৈতে অথবা ইষ্ট কুটুম্ব সহিতে প্রাকৃতিক সৌন্দর্যৰে ভৰা মনোৰম পৰিবেশৰ ঠাই এখনলৈ গৈ লগে ভাগে এসাঁজ খোৱাৰ পৰম্পৰাক কেন্দ্র কৰিয়েই এই বনভোজ বা বালিভোজ খোৱা পৰম্পৰাৰ আৰম্ভণি।

ভাৰত বর্ষত বনভোজ খোৱা পৰম্পৰাৰ ইতিহাসৰ পাত লুটিয়ালে আমি শূংগ বংশৰ (খৃঃপূঃ ১৮৫-৭৩) ৰাজত্ব কালৰ কৌসাম্বীত আবিষ্কৃত এটি মৃৎ শিল্প ৰ ভাস্কর্যত এদল মানুহে ৰথত উঠি ভাত, লস্কৰা, পিঠা আদি খাদ্য সামগ্রীৰ সৈতে বনভোজ খাবলৈ যোৱাৰ দৃশ্য খোদিত আছে বুলি বিনোদ চন্দ্র শ্রীবাস্তৱ নামৰ এগৰাকী ইতিহাসবিদৰ ৰচনাত উল্লেখ পাও। আনহাতে বাৎসায়ানৰ কামসূত্রতো অভিজাত লোক সকলে ৰমণী সহিতে 'উদয়নযাত্রা'নামৰ এক যাত্রা কৰি বাগিছা বা উদ্যানলৈ গৈ পিকনিক খাইছিল বুলি উল্লেখ আছে। এনে যাত্রাৰ অন্তত তেওঁ লোকে হেনো স্মৃতি চিহ্ন ৰূপে বাগিছাৰ পৰা গছৰ ডাল, পাত নহ'লেবা ফুল আদি লগত লৈ আহিছিল। চুলতানী আৰু মোগলসকলৰ শাসনকালতো সম্রাট সকলে সাংগোপাংগো সহ ডাঙৰ দলহৈ বনভোজ খাবলৈ যোৱাৰ বর্ণনাৰ লগতে তেওঁলোকে গ্রহণ কৰা বিশাল খাদ্য সম্ভাৰৰ লোভনীয় বিৱৰণ আছে।

ঔপনিৱেশিক শাসন কালত বৃটিছ সকলে ৰাজকীয় আদৱ - কায়দাৰে পিকনিক খাবলৈ যোৱাৰ বিশদ বিৱৰণ খাদ্য ঐতিহাসিকসকলে কেবাখনো গ্রন্থত লিপিৱদ্ধ কৰিছে। অভিজাত বৃটিছসকলে ক'ৰবালৈ পিকনিক খাবলৈ গৈ অস্থায়ী শিবিৰ পাতি থাকি আনন্দ স্ফূর্তি কৰিছিল। তেওঁলোকে ধকধকীয়া ব'গাৰঙৰ মেজ কাপোৰেৰে ঢকা খোৱা মেজত বহি ৰূপৰ চামুচেৰে বিলাসী কাঁহী বাতিত পিকনিকৰ আহাৰ খাইছিল। ইউনিফর্ম পিন্ধা বাহক সকলে তেওঁলোকক আহাৰ পৰিবেশন কৰিছিল। ভাৰতীয় আৰু ইউৰোপীয় খাদ্য সামগ্রীয়ে তেওঁলোকৰ আহাৰ তালিকাত স্থান পাইছিল। ভাৰতীয় পৰঠা, নান, বিদেশী কাটলেট, চচেজ, বিভিন্ন মাংসৰ ব্যঞ্জন আদি তেওঁ লোকে তৃপ্তিৰে খাইছিল।

আমিও তাহানিৰে পৰা জাৰকালি প্রাকৃতিক সৌন্দর্যৰে ভৰা, নদীৰ পাৰ, নিজৰাৰ পাৰ, বনানীৰ কাষত, পাহাৰৰ কিনাৰত বা মুকলি পথাৰত এসাঁজ খাবলৈ বাট চাই থাকো। বনভোজ এতিয়া যেনেকৈ পিকনিক হৈছে ঠিক সেইদৰে এই সামাজিক প্রক্রিয়াটোৰো ৰেহ-ৰূপ সময়ৰ লগে লগে ভালেমান সলনি হৈছে। আমি সেই বোৰ ইয়াত আলোচনা কৰিব খোজা নাই।

ইয়াত আমাৰ বিষয় হ'ল আমাৰ বনভোজৰ খোৱা-লোৱা। আমি সাধাৰণতে সপৰিয়ালে নিজাববীয়াকৈ অথবা সদলবলে বনভোজ খাবলৈ যাওঁ। নিজাববীয়াকৈ সপৰিয়ালে পিকনিকলৈ যোৱাটো সাধাৰণতে মহানগৰীৰ জনসাধাৰণৰ মাজত বেছি দেখা যায়। তেওঁ লোকে খাদ্যসমূহ ঘৰতে ৰান্ধি বাঢ়ি হটকেছত লৈ গৈ ওচৰৰে উদ্যান, নৈৰ পাৰ ইত্যাদিলৈ কঢ়িয়াই লৈ গৈ খায়। এনে খাদ্যত সাধাৰণতে ফল মূল, ব্রেড, কণী,শুকান খাদ্য যেনে লুচি-ভাজি পৰঠা, ফ্রাইড ৰাইচ, পোলাও-মাংস, বিৰিয়ানি, চাওচাও, পিজ্জা, পাস্তা ,কেক মিঠাই, ফলৰ ৰস, কেক, মিঠাই, চকলেট, চিপ্চ আদি লৈ যোৱা হয়। পৰিয়ালৰ জেষ্ঠসকল আৰু শিশু হতঁৰ কথা খাদ্য যোগাৰ কৰোতে বিশেষ গুৰুত্ব দিয়া হয়। মুকলি ঠাইত বহি পেলাই দিব পৰা এককালীন ব্যৱহার্য্য খোৱা পাত, গিলাচ আদি ব্যৱহাৰ কৰি সকলোৱে আনন্দ-স্ফূর্তিৰে খোৱা-লোৱা কৰে। আনহাতে আজিকালি খাদ্য যোগনীয়াৰক আগতীয়াকৈ অর্ডাৰ কৰি খাদ্যৰ টোপোলা লৈ গৈও কিছুলোকে পিকনিক খোৱা দেখা যায়। আন একাংশই মুকলি ঠাইলৈ ফুৰিবলৈ গৈ কোনোবা ৰেষ্টুৰেন্ট, ৰিচর্ট অথবা ধাবা আদি আহাৰ কৰিও আহে। এনেধৰণৰ ৰিচর্ট বোৰত পিকনিকৰ বিশেষ পেকেজেই থাকে। আমি এবাৰ এনেদৰে বন্ধু বান্ধৱীৰ সৈতে

পুণেৰ ওচৰৰ লোনাভ্ লাত বনভোজ খাবলৈ যাওতে পুণেৰ পৰা স্থানীয় ৰেলেৰে গৈ লোনাভ্ লা ষ্টেচনত নামি কিছু দূৰ খোজ কাঢ়ি গৈ পাহাৰৰ কিনাৰত নাচ গান গাই ওভতি আহি লোনাভ্ লাৰ ৰেষ্টুৰেন্ট এখনত মচলা দোচা আদি খাই পিকনিক কৰাৰ কথা মনত পৰে। পিকনিক খোৱাৰ আচল মজা কিন্তু জাৰৰ দিনত বাহিৰলৈ গৈ ৰন্ধা বঢ়া কৰি খোৱাতহে পোৱা যায়। পিকনিকৰ কাৰণে আগতীয়াকৈ আহাৰৰ মেন্যু ঠিক কৰা, বজাৰ কৰা, ৰান্ধনি যোগাৰ কৰা, টেণ্ট হাউচৰ বস্তু বুজি লোৱা, শুকান খৰি বা গেছ চিলিণ্ডাৰ গোটোৱা আদি কামবোৰ কৰি থাকোতে বৰ মজা লাগি থাকে। আজিকালি কিছুলোকে পিকনিকৰ খাদ্য বিশেষকৈ মাছ-মাংসখিনি বনভোজলৈ গৈ থাকোতে বাটৰ হাটতে কিনি লয়। জীয়া মূর্গী, গোটা মাছ লৈ বনভোজ থলীত কটা বচা কৰিয়েই বেছি ভাগেই ৰন্ধা বঢ়া কৰে। ছাগলীৰ মাংস ৰাতিপুৱাই কাটি চচপেন বা বাল্টিত লৈ যোৱা হয়।

পাওৰুটী, মাখন বা জেলি, সিদ্ধ কণী, কল, কমলাটেঙা, আপেল পিকনিকৰ পৰম্পৰাগত ব্রেকফাষ্ট। বর্তমান বিভিন্ন পিঠা, মিঠাই, পৰঠা, পুৰি-তৰকাৰীৰেও কিছুলোকে ব্রেকফাষ্ট কৰা দেখা যায়। সাধাৰণতে বনভোজ থলীত গৈ পায়েই চৌকা জ্বলাই ৰান্ধনিয়ে কেৰাহিতে ৰঙা চাহ কৰে। তেজপাত, আদা আৰু চেনী সৰহকৈ দি কৰা এই ৰঙা চাহ কাপ খাই বৰ মজা লাগে।

ব্রেকফাষ্টৰ পাছতে টেণ্ট হাউছৰ পৰা নিয়া কাপোৰৰ ওপৰত বহি মহিলাসকলে তৰকাৰী কটা, মা মচলা যোগাৰ কৰি দিয়া আদি কামবোৰ কৰি দিয়ে। ডেকা ছাত্র-ছাত্রীহতঁৰ বনভোজ দলত চকুতলগা যুৱতী থাকিলে অলপ মিহি ধৰণৰ ল'ৰা বোৰে তাতে একেলগে বহি নহৰু, মটৰৰ বাকলি গুচাই নহ'লেবা গিলাচেৰে বন্ধাকবি কাটি সহায় কৰি দিবলৈ বেচ আগ্রহ কৰে। উদ্দেশ্য-কামখিনি যাতে সোনকালে হয় আৰু এপাক লগে ভাগে ফুৰি আহিব পাৰে! ৰন্ধা বঢ়া আৰম্ভ হ'লে আৰম্ভ হয় ষ্টার্টাৰ খোৱা পর্ব। গৰম গৰম সৰু, ডাঙৰ মাছ ভাজি, মাংস ভজা, মাছ পোৰা, চুঙাত পুৰি কৰা মঙহ, আলু পোৰা, কাঠ আলু ভাজি, আৰু ক'ত কিমান খানা-পিনা!! দুই একে তৰকাৰী সিজিছে নে নাই চাও বুলি সিদ্ধ আলু বা ফুলকবি এটুকুৰা খাই চায়, এনে কৰি থাকোতে ঠাকুৰে তেনে একোগৰাকী খাদ্য বিশেষজ্ঞক গিলাচত গৰম দাইল অকণ বাকি খাই চাবলৈ দিয়ে। চৌকাত ৰান্ধোতে শুকান খৰি নাথাকিলে ৰান্ধনিৰ বৰ কষ্ট হয়। কিছুমান নৈ পৰীয়া বা হাবিতলীয়া ঠাইত আকৌ ফিৰ্‌ফিৰীয়া বতাহ আহি থাকি জুইকুৰা নুমুৰাই দিয়ে। তেতিয়া চৌকাৰ আগত বাহঁৰ গোজ পুতি স্ক্রীন লগাই দিব লগা হয়। এতিয়া গেছতেই ৰন্ধা বঢ়া কৰা হোৱাৰ পৰা এইবোৰ সমস্যা কমিছে। এনে প্রথম পর্যায়ৰ কামখিনি আগবঢ়াই দি ৰাইজে ভাগে ভাগে ফুৰিবলৈ যায়। দুই এজন খাদ্য বিভাগৰ মানুহে কলৈকো নগৈ ৰান্ধনিৰ লগত বহি থাকি দায়িত্ব পালন কৰে। ডেকা ল'ৰাবোৰে ঘৰত গা নুধুলেও পিকনিকত গৈ হাতত টাৱেল চাবোন লৈ নৈত গাধোৱাৰ তীব্র বাসনাৰে আগবাঢ়ে আৰু লগত কেমেৰা পার্ছন নিবলৈ নেপাহৰে। বনভোজত গ'লে এতিয়া এচামে ফেচবুক, ইনষ্টাগ্রামৰ যুগত আৰম্ভণিৰ পৰা শেষলৈকে কেৱল ফটোকেই উঠি থাকে বা ৰীল বনায় আৰু লাইভো দিয়ে। আন কিছুমানে কেৱল গান বজাই নাচি থাকে। খেলা-ধূলা আজিকালি কম কৰে। দুই এক বন্ধুৰে তাচ খেলে। পার্টি গেমো হয়। বর্তমান পিকনিকবোৰত নৃত্য আৰু গীতক বহু গুৰুত্ব দিয়া চকুত পৰে। ডাঙৰ মিউজিক চিষ্টেম লৈ যাবলৈকে কিছুমানে সুকীয়াকৈ টাটা ম'বাইল জাতীয় গাড়ী ভাৰা কৰে!

লাহে লাহে ভাত আঞ্জা হৈ আহে। ৰান্ধনিয়ে কেৰাহীত ভাত ৰেডি কৰি আন এটা কেৰাহীত পানী গৰম কৰি ৰাখি ভোজনৰ সময় জনাই দিয়ে। ভাত খোৱা ঠাই খিনি সাৰি চাফ- চিকুণ কৰি বিলনীসকলে পাত্রত খোৱা বস্তু বোৰ ভৰাই থাকোতে ৰান্ধনিয়ে বেঙেনা আৰু পাপৰ ভাজিব আৰম্ভ কৰে। আমাৰ দৰে সাধাৰণ নৰ মনিচে যোৱা পিকনিকবোৰত ঘাইকৈ ভাত, মিহলি দাইল, বেঙেনাৰ বড়, সৰু আলু ভাজি, মিহলি পাচলিৰ শুকান ভাজি বা লাব্রা, মাছৰ মূৰৰ মূৰীঘণ্ট,ডাঙৰ মাছেৰে আলুৰ জোল নতুবা চৰ চৰি বা কালিয়া বা বিলাহীৰ টেঙা জোল, ক'লাকৈ ৰন্ধা পঠাৰ মাংস, হাঁহ বা মূর্গীৰ মাংসৰ থুপথুপীয়া আঞ্জা, নিৰামিষসকলৰ বাবে আলু পনীৰ, দুডোখৰমান সৰহকৈ বেঙেনা ভাজি, আন আন পকোৰা, কেচাঁ চালাড আৰু শেষত কিছুমানে মিঠাই খায়। আমি আগতে নেপালী ৰাইজ থকা গাঁওৰ আশে-পাশে পিকনিক খাবলৈ গ'লে ক্রীম-মাখনো ভাতৰ লগত খোৱা মনত আছে। এইদৰে উদৰপূৰাই খাই দিনটো ৰং ধেমালিৰে কটাই ৰাইজ ঘৰলৈ ওভতে। ওভতাৰ বাটত কৰবাত ৰৈ চাহ একাপ খায় আৰু ঘৰত থকা প্রিয়জনৰ বাবে মিঠাই আদি কিনি আনে।

নিজে আয়োজন কৰা ব্যক্তিগত পিকনিক আৰু চৰকাৰী বা বেচৰকাৰী কার্যালয়ৰ বিভাগীয় ভাৱে কৰা আনুষ্ঠানিক পিকনিকৰ কাৰবাৰ ইয়াতকৈ অলপ বেলেগ হয়। কিছুমান কার্যালয় বা বিভাগৰ পিকনিকত আগদিনাই এডভান্স পার্টি যায় নহ'লে পুৰতি নিশাই এটা পার্টি ওলাই যায় আগতীয়াকৈ সকলো যা-যোগাৰ কৰে।

যোৱাবছৰ উৰিষ্যাৰ পুৰীৰ পৰা কোনাৰকলৈ গৈ থাকোতে দুটামান বনভোজ থলী দেখিছিলো যত অজস্র দল সমবেত হৈ গান-নাচত মগ্ন আছিল। সেই ঠাইবোৰৰ কাষৰ সৰু সৰু বজাৰ বোৰত কিছুমান দোকান দেখিছিলো তাত ৰন্ধা-বঢ়াৰ সকলো বাচন-বর্তন, গেছ, চিলিণ্ডাৰ ভাড়াত পোৱা যায় বুলি লিখা আছিল অর্থাৎ খোৱাবস্তু খিনিৰ বাহিৰে বনভোজ দলসমূহে আন একো কঢ়িয়াব নালাগে যি লাগে ভাড়া কৰি ল'লেই হ'ল। মুঠতে জাৰকালি এই দৰে মুকলিলৈ ওলাই গৈ আনন্দ-স্ফূর্তিৰে এসাঁজ খাই এটা দিন কটাই আহিবলৈ গোটেই বছৰটো আমি আশাৰে ৰৈ থাকো।❑

লেখক পৰিচিতি ঃ মূৰব্বী অধ্যাপক, ইতিহাস আৰু পর্য্যটন বিভাগ, ভট্টদেৱ বিশ্ববিদ্যালয়

বিদ্যালয়ৰ শ্রেণীত অনুশাসন

নিৰদা কলিতা

শিক্ষানুষ্ঠানৰ ছাত্র-ছাত্রীৰ উচ্ছৃংখলতা দমন কৰি অনুশাসন ৰক্ষা কৰিব নোৱাৰিলে শিক্ষাৰ উদ্দেশ্য সফল নহয়। বর্তমানৰ ছাত্র-ছাত্রীৰ অনুশাসন হীনতাৰ বাবে আচলতে আমাৰ সমাজ, শিক্ষানুষ্ঠান, শিক্ষা ব্যৱস্থা আৰু শিক্ষক— এই সকলোবোৰেই কম বেছি পৰিমাণে জগৰীয়া। সঁচাকৈয়ে সুস্থ ঘৰৰ, সুস্থ সামাজিক পৰিবেশত ডাঙৰ হোৱা ল'ৰা-ছোৱালীয়ে সাধাৰণতে শিক্ষানুষ্ঠানত আহি অনুশাসন হীনতাৰ আশ্রয় লোৱা দেখা নাযায়। এই ক্ষেত্রত সৰু কালতে লাভ কৰা ঘৰুৱা শিক্ষাৰ প্রভাৱ বিশেষ ভাৱে মন কৰিবলগীয়া। এযাৰ কথা আছে যে, 'ঘৰেই আটাইতকৈ ভাল বিদ্যালয় আৰু মাকেই হৈছে শিশুৰ আটাইতকৈ ভাল শিক্ষক।' অৱশ্যে বিদ্যালয়ত আৱশ্যকীয় পৰিৱেশৰ অভাৱ, শিক্ষকৰ শিক্ষাদানত অপৰাগতা আৰু আসোঁৱাহ পূর্ণ শিক্ষা প্রণালীৰ প্রয়োগ ইত্যাদি নানা কাৰণবশতঃ শিশুৰ মনত নিয়মানুবর্তিতা বা অনুশাসনহীনতাৰ প্রতি আওহেলা জন্মিব পাৰে।

অৱশ্যে এইটো কথা সঁচা যে সময়ৰ পৰিৱর্তনৰ লগে লগে আমাৰ শিক্ষাৰ উদ্দেশ্য, শিক্ষা প্রণালী, শিক্ষা পদ্ধতি লগতে অনুশাসনৰ সংজ্ঞাৰো যথেষ্ট পৰিৱর্তন হৈ আছে। তাহানিৰ গুৰুকুল শিক্ষা ব্যৱস্থাত শিক্ষা পদ্ধতি অনানুষ্ঠানিক ভাৱে প্রচলন হোৱাত বিদ্যার্থীৰ কোনো ৰকমৰ স্বাধীনতা প্রকাশ কৰাৰ সুযোগ নাছিল। সেই সময়ত বিদ্যার্থীয়ে গুৰুৰ একান্ত সহযোগী হিচাবে শিক্ষা গ্রহণ কৰিব লাগিছিল। সময়ৰ সোঁতত গুৰুকুল শিক্ষা পদ্ধতি ক্রমে বিলুপ্তি হোৱাত আনুষ্ঠানিক শিক্ষা পদ্ধতিৰ প্রচলন হ'ল। এই বিধ শিক্ষা ব্যৱস্থাতো শিক্ষানুষ্ঠানৰ অনুশাসন পদ্ধতিত ছাত্র-ছাত্রীয়ে কোনো ধৰণৰ স্বাধীনতা প্রকাশ কৰাৰ সুযোগ নাছিল। সেই সময়ৰ ছাত্র-ছাত্রীয়ে শিক্ষকৰ একান্ত বাধ্য হিচাবে শিক্ষা গ্রহণ কৰিব লাগিছিল আৰু ইয়াৰ বাবে আটাইতকৈ সহজ আৰু সুবিধাজনক ব্যৱস্থা আছিল 'চেকনী' বা 'বেতৰ' ব্যৱহাৰ। সেই সময়ৰ শিক্ষাবিদসকলে বিশ্বাস কৰিছিল যে 'চেকনী'ৰ ব্যৱহাৰ নকৰা মানেই ল'ৰা-ছোৱালীক নষ্ট কৰা। (Spare the rod and spoil the child) অর্থাৎ শাৰীৰিক শাস্তিৰ ভয়তে ল'ৰা-ছোৱালীয়ে পঢ়া-শুনাৰ প্রতি আকৃষ্ট হয় বুলি তেওঁলোকে ধাৰণা কৰিছিল।

শিশু স্বভাৱতে চঞ্চল। চঞ্চল শিশুৰ মাজত নিয়মানুবর্তিতা ৰক্ষা কৰিবৰ কাৰণে বিশেষ আৱশ্যক 'চেকনীৰ আগত বিদ্যা' এই পুৰণি প্রবাদ অনুসৰি আজি কালিও অনেকে ক'ব খোজে যে শিশুক শিক্ষা দিবলৈ আৰু শাসন কৰিবলৈ চেকনীৰে কোবাব বা ভয় খুৱাবই লাগিব। কিন্তু বর্তমান যুগত ভীতি প্রদর্শনৰ দ্বাৰা শিক্ষা দিয়া নীতি বহির্গত। আইনৰ ফালৰ পৰাও নিষিদ্ধ। আধুনিক শিক্ষা ব্যৱস্থাত চেকনীৰ স্থান নাই। চেকনীৰ ঠাই অধিকাৰ কৰিছে মৰম আৰু চেনেহে। গতিকে শিশুৰ মাজত শৃংখলা আৰু নিয়মানুবর্তিতা ৰক্ষাৰ কাৰণে শিক্ষক-শিক্ষয়িত্রীসকলে তলত উল্লেখ কৰা তত্ত্ব কেইটালৈ মনোযোগ দিয়া আৱশ্যক—

১) বিদ্যালয়ৰ পৰিৱেশ অনুকুল হ'ব লাগিব। অর্থাৎ ছাত্র-ছাত্রীৰ বিভিন্ন বুদ্ধি-বৃত্তি, ৰুচি-অৰুচিৰ উপযোগীকৈ বিভিন্ন বিষয় পাঠ্যক্রমৰ অন্তর্ভুক্ত হোৱা উচিত। তেতিয়াহে সকলোৱে এই পাঠ্যক্রমৰ দ্বাৰা সমানে উপকৃত হোৱাৰ সুবিধা পায় আৰু সকলো ছাত্র-ছাত্রী অনুশাসনবদ্ধহৈ পৰে।

২) প্রতিগৰাকী শিক্ষক-শিক্ষয়িত্রীয়ে তেওঁলোকৰ শ্রেণীবোৰৰ বিদ্যার্থীসকলৰ লগত ঘনিষ্ঠ ভাৱে পৰিচিত হোৱা উচিত। বিদ্যার্থীৰ ঘৰুৱা পৰিৱেশ, পৰিস্থিতি আৰু সমস্যাৱলীৰ লগত পৰিচিত হ'লেহে শিক্ষক-শিক্ষয়িত্রীয়ে কার্যকৰী ভাৱে শিক্ষাদান কৰিব পাৰে। সকলো ছাত্র-ছাত্রীকে নাম কাঢ়ি সম্বোধন কৰিলে তেওঁলোকৰ ওপৰত শিক্ষকৰ প্রভাৱ, স্বাভাৱিকতে বাঢ়ে। হেৰা, তুমি কোৱা বা হেৰা, তই ক' বোলাতকৈ 'চন্দন তুমি কোৱা' বা শেৱালী তই ক' বুলি ক'লে ('তই' বুলি মাতিলে শিশুৱে বেজাৰ পায়) শিক্ষকৰ প্রতি চন্দন, শেৱালীৰ আনুগত্য স্বভাবতে বাঢ়িব, ই মনস্তত্ব সম্মত কথা।

৩) শিক্ষকৰ প্রতিগৰাকী ছাত্র-ছাত্রীৰ পিতৃ-মাতৃ বা অভিভাৱকৰ লগত পৰিচয় থকা আৱশ্যক। কিয়নো অভিভাৱকৰ আৰু শিক্ষকৰ সৈতে সম্পর্ক থকা ঘৰৰ শিশুৱে স্বাভাৱিকতে সেই শিক্ষকৰ ওচৰত সজ হ'বলৈ চেষ্টা কৰে। শিক্ষকৰ পৰা বিদ্যালয়ত তেওঁ কৰা পঢ়া-শুনা বা আচৰণৰ বিষয়ে অভিভাৱকে জানিব বুলি এনে শিশু সচেতন হয়।

৪) মৰম, স্নেহ আদিৰে কৰা শাসন সবাতোকৈ শক্তিশালী। গতিকে শিক্ষকে প্রতিগৰাকী বিদ্যার্থীক সমান ভাৱে এনেকৈ মৰম, চেনেহ কৰিব লাগে যাতে সেই মৰম, চেনেহৰ দাবীয়ে বিদ্যার্থীক সজ আচৰণ কৰিবলৈ পৰোক্ষ ভাবে বাধ্য কৰে।

৫) কোনো শিশুক মাত্রাধিক প্রশংসা কৰিলে তেওঁৰ মনত অহংভাৱ বাঢ়িব পাৰে আৰু তীব্র নিন্দা কৰিলেও শিশুজন ক্ষুণ্ণ

হ'ব পাৰে। অৱশ্যে সময় বিশেষে শিশুক ভাল কামৰ বাবে প্রশংসা বা বেয়া কামৰ কাৰণে তিৰস্কাৰ কৰা আৱশ্যক। কিন্তু কোনোটোকে অত্যাধিক ভাৱে কৰা অনুচিত। অপেক্ষাকৃত কম যোগ্যতা সম্পন্ন শিশুক কেতিয়াও তীব্র নিন্দাৰে তেওঁৰ সহপাঠীসকলৰ আগত অসন্মান কৰিব নালাগে। কিয়নো এনেদৰে অপমানিত শিশুৰ মন 'যুদ্ধং দেহি' মনোভাৱ গঢ়ি উঠে আৰু তেওঁ উচ্ছৃংখল হ'বলৈ বিচাৰে। সেই কাৰণে শিশুৰ প্রতি শিক্ষক সদায় সহানুভূতিশীল হ'ব লাগে আৰু সততে তেওঁলৈ অধিক মনোযোগ দিয়া ভাল।

৬) শ্রেণীত শিশুক সদায় কর্মব্যস্ত কৰিব লাগে। কিয়নো শিশু স্বভাবতে চঞ্চল আৰু তেওঁ নিষ্কর্মা হৈ বহি থকা তেওঁৰ স্বভাৱ বিৰুদ্ধ।

৭) শ্রেণীত পাঠদান কৰাৰ সময়ত যিসকল বিদ্যার্থীয়ে পাঠৰ প্রতি অমনোযোগী হৈ বহি থাকে, তেনে বিদ্যার্থীক সঘনে প্রশ্ন কৰিব লাগে। প্রশ্ন কৰাৰ উদ্দেশ্য, অৱশ্যে তেওঁক বিব্রত কৰিবলৈ নহয়, পাঠলৈ তেওঁৰ মনোযোগ আকর্ষণ কৰাটোহে।

৮) শিশুৰ একেটা কামতে বা বিষয়তে একে লেথাৰিয়ে অধিক সময় লাগি থাকিব পৰা ধৈর্য্য নাই। গতিকে পাঠদানৰ সময় (Period) শ্রেণীৰ ছাত্র-ছাত্রীৰ গড় বয়স অনুপাত ধার্য কৰি দৈনিক পাঠদান সূচী (Daily time table) পার্যমানে বৈচিত্রময় আৰু কৌতুহল পূর্ণ কৰিব লাগে।

৯) পাঠ পঢ়াওঁতে সদায় ছাত্র-ছাত্রীয়ে বুজিব পৰাসৰল, শুদ্ধ ভাষা ব্যৱহাৰ কৰা ভাল। বিষয়বস্তু নুবুজিলে শ্রেণীত ছাত্র-ছাত্রীয়ে বিশৃংখলাৰ সৃষ্টি কৰা স্বাভাবিক।

১০) শ্রেণী পাতনৰ (Classroom arrangement) ওপৰত বিদ্যালয়ৰ শৃংখলা বহু পৰিমানে নির্ভৰ কৰে। বিদ্যার্থীক সদায় শিক্ষকৰ দৃষ্টি পৰাকৈ বহুৱাব লাগে। শিক্ষকৰ চাৰিওফালে বা তিনিওফালে বহুৱালে শ্রেণীত সু-শৃংখল বা অনুশাসন ৰক্ষা কৰিবলৈ অসুবিধা হয়, আৰু বিদ্যার্থীয়ে বোর্ড, মেপ, চিত্র, শিক্ষণ সঙ্গুলি আদিৰ উচিত ব্যৱহাৰ কৰিবলৈকো সুবিধা নাপায়।

১১) শিশুৰ অভাৱ অভিযোগ আৰু ব্যক্তিগত সমস্যালৈ সততে দৃষ্টি ৰাখিব লাগে আৰু শৃংখলাৰ মাজেদি শিশুক ৰং ধেমালি কৰিবলৈ সুবিধা দিব লাগে।

১২) 'শিশু ভাৰতী' হৈছে বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ প্রতিনিধিমূলক সভা। শিশু সভাৰ যোগেদি তেওঁলোকে নিজৰ মতামত দাঙি ধৰি নির্ভিকতা সাহসিকতা আৰু একতাৰ ভাৱ প্রকাশ কৰিব পাৰে। ইয়াৰ মাধ্যমেৰে বিদ্যালয়ৰ সাধাৰণ অনুশাসন ৰক্ষাৰ ভাৱ বহু পৰিমানে ছাত্র-ছাত্রীৰ ওপৰত ন্যস্ত কৰি তেওঁলোকক অনুশাসন কেন্দ্রিত কৰিব পৰা যায়।

১৩) ছাত্র-ছাত্রীৰ অসুখ-বিসুখৰ কাৰণে বিদ্যালয়ৰ পৰা অনুপস্থিত থাকিলে শিক্ষকে তাৰ সংবাদ ল'ব। কেতিয়াবা বিদ্যার্থী বিনা কাৰণত অনুপস্থিত থাকিলেও তেওঁৰ চুবুৰীয়া ছাত্র-ছাত্রীৰ জৰিয়তে বা সম্ভৱ অৱস্থাত নিজেই অনুপস্থিত ছাত্র-ছাত্রীৰ ঘৰলৈ গৈ খবৰ কৰিব। এনে কৰিলে অসুখ-বিসুখৰ কাৰণে অনুপস্থিত ছাত্র-ছাত্রী কৃতজ্ঞ হ'ব আৰু তেওঁৰ শিক্ষকৰ প্রতি আনুগত্য বাঢ়িব আৰু বিনা কাৰণত বিদ্যালয়ৰ পৰা অনুপস্থিত থকা ছাত্র-ছাত্রী লাজতে নিয়মিত ভাৱে বিদ্যালয়লৈ আহিব ধৰিব। এনেবোৰ অনুসন্ধানৰ ফলত শিক্ষকে তেওঁৰ ছাত্র-ছাত্রীৰ সমস্যা আদিৰ মূল্যবান সম্ভেদ পাব।

১৪) শিক্ষক-শিক্ষয়িত্রীৰ ব্যক্তিগত যোগ্যতাও শ্রেণী শাসনৰ বাবে অতি প্রয়োজন। শিক্ষকৰ লাগতিয়াল জ্ঞান, অভিজ্ঞতা, গুণ, আগ্রহ আৰু একাগ্রতা নাথাকিলে অনেক সময়ত ছাত্র-ছাত্রীৰ অনুশাসন ৰক্ষাত প্রতিকূল পৰিস্থিতিয়ে দেখা দিয়ে। সেয়ে এই ক্ষেত্রত শিক্ষক-শিক্ষয়িত্রীৰ ভূমিকা অতি গুৰুত্বপূর্ণ।

শেষত শিক্ষকে মনত ৰখা উচিত যে কঠোৰ শাসনৰ দ্বাৰা নিয়মানুবর্তিতা ৰক্ষা কৰাৰ মর্যদাতকৈ স্নেহ আৰু মৰমৰ পৰিৱেশ সৃষ্টি কৰি বিদ্যালয়ৰ নিয়মানুবর্তিতা ৰক্ষা কৰাটোহে অধিক মর্যদাৰ কথা। যি বিদ্যালয়ত শাস্তিৰ বিধান কম বা নাই সেয়া ভাল বিদ্যালয় আৰু তাৰ শিক্ষক-শিক্ষয়িত্রীসকলেহে অধিক প্রশংসাৰ পাত্র। তেনেধৰণৰ বিদ্যালয়ে সমাজত সুমান অর্জন কৰিবলৈ সক্ষম হয়।❑

লেখক পৰিচিতি ঃ প্রধান শিক্ষয়িত্রী, গীতানগৰ হাইস্কুল



নাগাৰা নাম জদো-ভদো হ'ল

ধীৰেন শৰ্মা

নাগাৰা নাম অতি আদৰৰ লোক কৃষ্টি। লোক কৃষ্টি সময়ৰ গতিত পৰিবৰ্তন হয়। কিন্তু বিগত কেইবা দশক ধৰি পৰিবৰ্তনৰ অচিলাৰে নাগাৰা নামক আমি ইমানেই তৰল কৰি পেলালো যে আজি নিয়ন্ত্রণহীন পৰিছে। যাৰ যি মন যায় তাকে কৰিব ধৰিছে। নামৰ শিল্পীসকলে যুক্তি দিব বিচাৰে যে আগৰ দিনৰ নাগাৰা নাম বৰ্তমান কোনেও নুশুনে/নাচায়। এতিয়া ৰাইজে যি বিচাৰিছে তেনেদৰে গোৱা হৈছে। ইয়াৰ মাজাতে নৱ প্রজন্মৰ বহু পাঠকে আক্ষেপ কৰি কয়, আমি যি কৰিছো আগৰবোৰক দেখিহে কৰিছো তথাপি আমাকেহে সমালোচনা কৰে। আমাৰ ভুল ক'ত। একদম স'চা কথা। কিন্তু তেওঁলোকৰ আৰু আমাৰ মাজৰ পাৰ্থক্যটো হ'ল আগৰ সেই মধুৰ আৰু গধুৰ নামবোৰ নবগ্রজন্মই শুনায়ে নাই, গোৱাৰ পদ্ধতিও দেখা নাই। আমি কিন্তু দেখিছো। সেয়ে অনুভাৱ কৰো আৰু বেয়া লগাখিনি আঙুলিয়াই দিব বিচাৰো। এইয়া হৈছে নাগাৰা নাম সমাজখনৰ ভুল ধাৰণা। কাৰণ ৰুচিপূর্ণ দর্শক সৃষ্টি কৰাটো শিল্পীজনৰ দক্ষতা, দায়িত্ব। "দর্শকে শিল্পী সৃষ্টি কৰে" ধাৰণা ভুল।

নাম হৈছে নৱধা ভক্তি মার্গৰ কৃষ্টি। নাগাৰা নাম বীৰ কীর্তনৰ উচ্চাঙ্গ কীর্তন। আৰু গুৰুকেইজনাই দি যোৱা নাম কীর্তন হৈছে দাস্য ভাৱ প্রধান। নাগাৰা নামত মনোৰঞ্জন থাকে যদিও মনোৰঞ্জন ভিত্তিক হ'ব নালাগে। বেছি নাম গাব লাগিব বুলিয়ে সকলো পৰম্পৰা জলাঞ্জলি দিব পৰা নাযায়। আজিও সমাজত কিছু ব্যক্তি আছে যিয়ে নামক হাড়ে-হিমজুৰে ভাল পায়। তেওঁলোকে আজিৰ তথাকথিত নাগাৰা নামৰ পৰিবর্ত্তন দেখি নীৰবে চকুলো টুকিছে। অথচ এইবোৰলৈ নাম গোৱাসকলৰ কোনো কাণসাৰ নাই। সকলোৱে ভো-পণ্ডিত। নাগাৰা নাম মানে তেওঁলোকেহে জানে। আনে একো নাজানে। এতিয়া পুৰুষ পাঠকসকলে সঘনাই আপত্তি কৰিছে মহিলা পাঠকে পুৰুষ পাঠকৰ নাম নোহোৱা কৰিলে। উৎসৱবোৰত মহিলা (ছোৱালী) পাঠককহে নিমন্ত্রণ দিয়ে। পুৰুষসকলৰ তুলনামূলকভাৱে নাম কম। ইমান বছৰে পুৰুষসকলেই বহু নাটক কৰিলে, ভাওনা কৰিলে, পেৰদী গালে, ৰজাৰ বচন আওৰালে। এতিয়া মহিলাসকলেও কিছু কৰক। কেতিয়াবা কেতিয়াবা মনলৈ এনেধৰণৰ চিন্তাও আহে। ভৱিষ্যতে সর্বভাৰতীয় সকলো কৃষ্টি নাগাৰা নামতে দেখিবলৈ পাম যেন লাগিছে। অপৰিপক্ক, নিয়ন্ত্রনহীন পৰিবর্তন, ব'ঠাহীন নাৱৰ নিচিনা। এনে সৃষ্টিয়ে কৃষ্টিৰ অপমৃত্যু ঘটোৱাৰো পূর্ণ সম্ভৱনা থাকে। নাগাৰা নামৰ উত্তৰণ হৈছে নে পশ্চাট গমন হৈছে তাকে লৈ বহু প্রশ্নই আজি উদয় হৈছে।।

মই পাঠক নহয়, নাগৰুও নহয় অথবা পালিও নহওঁ। কথাখিনি এই কাৰণে উল্লেখ কৰিব বিচাৰিলো, বহু পাঠকে মোৰ এই দিশটো লৈ প্রশ্ন উত্থাপন কৰে, এক প্রকাৰ নাগাৰা নাম সম্বন্ধে লিখাৰ অধিকাৰ নাই বুলিয়ে ক'ব বিচাৰে। তথাপি নাগাৰা নামৰ পৰিৰেশ্য দিশটোৰ ওপৰত খবৰ কাকতত, আলোচনীত ধাৰাবাহিকভাৱে লিখি আছো। এইয়া সম্ভব হৈছে নাম চোৱাৰ অভিজ্ঞতাৰ পৰা। হাৰ মনা নাই। কাৰণ অভিনেতা নহ'লেও ড° ভবেন্দ্র নাথ শইকীয়াই বহু কালজয়ী নাটক, চিনেমা ৰাইজক দি থৈ গৈছে। ঐয়াই প্রেৰণা।

বিতর্কই ঘুণীয়া কৰিছে অসমৰ অতি জনপ্রিয় আদৰৰ কৃষ্টি নাগাৰা নামক। যোৱা কেইবাবছৰ ধৰি বাৰুকৈ আক্রান্ত হৈছে নামনি তথা মধ্য অসমৰ স্বভিমান স্বৰূপ নাগাৰা নাম। নাগাৰা নাম যে বিকৃত হৈছে ই ধ্রুৱ সত্য। নাম কৃষ্টিটো অর্থ উপার্জনৰ ব্যৱসায়ত পৰিণত হ'ল। দলবোৰ পেছাদাৰী হ'ল। আজিৰ দলবোৰ পাঠক প্রধান, দলৰ সকলো দায়িত্ব পাঠকজনৰ আৰু পালিবোৰ বেতনভোগী কর্মচাৰী। জোঁৰ পুৰি হাত পালে। এতিয়াহে পাঠকসকলৰ গা লৰিল। তেওঁলোকৰ মাজত বিতর্ক আৰম্ভ হ'ল। অৱশ্যে, তেওঁলোকে নিজেও নাজানে এনে বিতর্কৰ পৰা কি হ'ব, কাৰ লাভ হ'ব। এচামে আকৌ কাৰোবাক বেয়া পাই প্রতিটো কথা-কার্য্যতে বিতর্ক কৰি আহিছে। এনেধৰণৰ বিতর্ক বা আলোচনাৰে নামক শুদ্ধ পথলৈ আনিব পৰা যাব বুলি মোৰ মনে নধৰে। কাৰণ এতিয়াও ৯৫ শতাংশ দলেই বিকৃত কৰি নাম গাই আছে। উপায়হীন হৈ শেহতীয়াকৈ বিতর্কৰ মাজলৈ অসম সাহিত্য সভা, ছাত্র সংগঠন, সাংস্কৃতিক গোষ্ঠী সমূহকো টানি আনিবলৈ বিচৰা হৈছে। কোৱা হৈছে,

এই সংগঠনবোৰে এতিয়াও কিয় নীৰৱে আছে, সংগঠনবোৰে নীৰৱে থাকিলে এদিন নাগাৰা নাম ধ্বংশ হৈ যাব।

জাতীয় সংগঠনবোৰেনো কোনবোৰ বিষয়ৰ ওপৰত আলোচনা কৰিব। কোনোবা জনপ্রিয় পাঠকৰ নামত নাম পাগল দৰ্শকেও নৃত্য কৰিছে। ইয়াৰ ওপৰত জাতীয় সংগঠনবোৰে মাত মাতিব নেকি (জনপ্রিয় অনুষ্ঠানত দেখোন এইবোৰ সদায়ে হয়) নে নামত বিয়াৰ গীত কিয় গাব, নে বিহু নৃত্য পাঠকে নামত কিয় কৰিব, নে বেনপার্টিৰ পেৰদী কিয় কৰিব, ভোৰতাল নৃত্য কৰিবলৈ গৈ ভীমৰ-বকাসুৰৰ যুদ্ধ লেখীয়া কিয় কৰিব। আমাৰ বুজি পোৱাত টান হৈছে কিহক লৈ বিতর্ক চলাই যাব বিচাৰিছো। এইবোৰ কার্য দেখোন নামত কেইবা দশক ধৰি চলিয়ে আছে। নামৰ মূল শিপাডাল দেখোন কাহানিবাই ছিঙি থাকিল। আজিৰ তাৰিখতো বহু জ্যেষ্ঠ পাঠক বা দলে এনেবোৰ কৰি থকা নাই নে? কোনোবা জ্যেষ্ঠ পাঠকে পেটেৰে নৃত্য কৰা নাই জানো? বহু পাঠকে বুঢ়ী তিৰোতাৰ মেখেলা খুলি যোৱা অভিনয় কৰা দৃশ্য নামত সদায়ে দেখা পাই থাকো। পাঠকে তামোল চোবাই চোবাই বিয়াৰ গীত নাগালে জানো নাম হ'ব। এনে ধৰণৰ কার্যই নামক বিকৃত কৰা নাইনে। নাগাৰা নাম কৃষ্টিতো সদায় মধুৰ আৰু গধুৰ হৈ থাকিব লাগে। তাৰ বিপৰীতে আজি নিজৰ নামৰ বজাৰখন গধুৰ কৰিবলৈ নামদলবোৰ নিকৃষ্ট প্রতিযোগিতাত নামি পৰাটোহে বৰ দুখজনক। প্রতিযোগিতা হ'লে কোনোবাই জিকিব-কোনোবাই হাৰিব, তেনেহ'লে বিতর্ক কিহৰ বাবে। কোনোবা ৰঙে-ৰূপে দেখনিয়াৰ গাভৰু পাঠকে চকু টিপিয়াই যুৱ প্রজন্মক নামৰ প্রতি আকর্ষণ কৰিব বিচাৰিছে কঁকাল ঘূৰাই ঘূৰাই বিহু নৃত্য কৰিছে। তাকে ভাল লাগি কোনোবা বুঢ়াৰো গাত তৎ নোহোৱা হৈছে। এইয়া পাঠকজনৰ জনপ্রিয় হোৱাৰ প্রতিযোগিতাৰ কৌশলহে। এনে জনপ্রিয়তাই বজাৰত নিজৰ দৰ-দাম কৰাতহে সহায় কৰে। সমাজমুখী কৃষ্টি হ'ব নোৱাৰে।

সংস্কৃতি প্রৱহমান নিজৰাৰ গতি সদৃশ। নাগাৰা নামেও বহু পৰিক্রমা অতিক্রম কৰি আহি আছে। কীর্তন ঘোষাৰে আৰম্ভ হৈ পুৰাণ-উপ-পুৰাণ গাইছিল। এতিয়া ভক্তিৰসৰ নাম বুলি কৈ কোনে যে কিহৰ কাহিনী গায়। এতিয়া নামৰ কাহিনী সামাজিক হ'ল। সমাজত চলি থকা ঘটনাবোৰ নাগাৰা নাম হ'ল। মোৰ সাধাৰণ জ্ঞানেৰে ভাৰো, নাগাৰা নাম "কলিৰ আগমন" আৰু "ভকতৰ মহিমা" (১৯৯৩-৯৪ চন) নামেই এটা যুগৰ অন্ত পেলালে। তেতিয়ালৈকে নাম ভক্তি ৰস সুলভ আছিল। ইয়াৰ পিচৰ পৰাই যেন নাম তৰল আৰু নিম্নস্তৰলৈ গতি কৰিলে। পৰিবর্তনৰ নতুন ধাৰা আৰম্ভ হ'ল। পৰবর্তী সময়ত এটি নতুন নাম আহিল "জড় ভৰত" নামটো ভাগৰতৰ পৰা লোৱা হৈছিল, নামৰ মূল কাহিনী তত্ত্বগধুৰ, অথচ বহু তৰল ভাবে গোৱা পৰিলক্ষিত হৈছিল। পাঠকে নিজৰ বিষ্ঠা আঙুলিৰে চুই নাক কোঁচাই বীভৎস ৰূপে উপস্থাপন কৰা কৰিছিল। পোলিও (polio) বেমাৰীৰ নিচিনাকৈ জড় ভৰতৰ কৌতুক চৰিত্র ৰূপায়ণ কৰা হৈছিল। চিন্তাশীল ব্যক্তিয়ে জড় ভৰত চৰিত্রটো তেনে নাছিল বুলি মন্তব্য কৰিছিল যদিও তৰল দৰ্শকে নামটোক কল্পনাতীতভাৱে আঁকোৱালি লৈছিল। নাগাৰা নাম দলবোৰে ৰাইজৰ সঁহাৰি দেখি তেনেধৰণে নাম গাবলৈ উঠিপৰি লাগিছিল। এখোপ আগুৱাই ধাৰাবাহিকভাৱে "বৃদ্ধ কইনাৰ বিয়া", "সীতা হৰণ", "মায়াৰ বন্ধন"ত হুবহু হিন্দী গীতৰ পেৰদী সুৰ গোৱা হৈছিল। লাহে লাহে দর্শকৰ ৰুচিও তৰল হৈ আহিছিল। (অর্থাৎ শিল্পীয়েহে দর্শক সৃষ্টি কৰে)। এনেদৰে বহু নামদল এই ধাৰাটোৰ প্রতি প্রভাৱিত হৈছিল। ঠিক তেনে সময়তে নাগাৰা নামক ধ্বংস কৰিবলৈ আন এটা নাম আহিল "ভোকৰা পাঠাৰ বিয়া" যিটো নামে নাগাৰা নাম কৃষ্টিটোকে এক অন্ধকাৰ যুগলৈ টানি লৈ গ'ল। নাম বীভৎস হৈ পৰিল। আজিও প্রায়বোৰ দলেই পুৰুষ বা মহিলা এই ধাৰাতে নাম গাই আছে। এনেবোৰ তৰলতাৰ বাবে প্রকৃত নামৰ দর্শক কমি আহিল আৰু তৃতীয় শ্রেণীৰ দর্শকে নামৰ খলা দখল কৰিলে। গৈ গৈ বর্তমান এনে পৰিস্থিতি পালে ৩০-৩৫ বছৰে নাম গাই ৰাইজৰ প্রশংসা বুটলা দলেও তেওঁলোকৰ ফেৰ মাৰিব নোৱাৰা হ'ল। যিমানেই বিকৃত কৰি নাম গাব পাৰে বজাৰত তেওঁৰেই ওজন বেছি হ'ল। নামত আধুনিক দল আৰু ব্যভিচাৰী দল, দুটা শব্দ প্রয়োগ কৰিব পৰা হ'ল।

২০০৫ চন মানৰপৰা বহু নৱপ্রজন্মৰ পাঠক/দলৰ জন্ম হৈছে। নতুনকৈ ডেকাগাভৰুৱে নাম গাইছে। বি.এ.-এম.এ. পাছ কৰিও বহুতে নামত ব্রতী হৈছে। বেছিভাগৰে কণ্ঠ শুৱলা দেখাত লক্ষ্মী বা কার্ত্তিক। এইয়া অসমৰ ৰাইজৰ বাবে আনন্দৰ খবৰ। দুখৰ বিষয় এইটোহে, স্বইচ্ছাই নাম গাবলৈ আগবাঢ়ি অহা এইসব ডেকা-গাভৰুক তেওঁলোকৰ গুৰুৱে প্রকৃত নাগাৰা নামৰ ধাৰণাটো হয়তো দিব পৰা নাই, নাগাৰা নামৰ উদ্দেশ্য আৰু স্বকীয়তাৰ পাঠ পঢ়াব পৰা নাই। আমি সদায় কৈ আহিছো সংস্কৃতি পৰিবর্তনশীল, ন-পুৰণিৰ সংমিশ্রণ হ'বই। আমি নতুনক আদৰি লোৱা বা নতুনত্বৰ বিৰোধিতা কৰা নাই। কিন্তু নতুনত্বৰ নামত নাগাৰা নাম বাৰেৰহণীয়া কৃষ্টিত পৰিণত হোৱাটোহে নিবিচাৰো। এইবোৰক লৈ নামৰ ওপৰত ১৯৮০ চন মানৰ পৰাই বু-বা আৰম্ভ হৈছিল। তেতিয়াই বাৰাংহাটিৰ বিশিষ্ট পাঠক স্বর্গীয় মহেন্দ্র দাসে কৈছিল, "নাগাৰা নাম জদো-ভদো হ'ল"। তথাপি ধাৰাবাহিকভাৱে নামৰ পৰিবর্তন হৈ থাকিল। ঘাইকৈ পুৰণি চামৰে একাংশই নামক বহু পৰিবর্তন কৰিলে। তেওঁলোকৰ পৰিবর্তনে তৃতীয় শ্রেণীৰ দর্শকক আকর্ষিতও কৰিলে। নাগাৰা

নাম কৌতুক ভাওনাত পৰিণত হ'ব ধৰিলে। ভাওনাৰ তালে তালে দৰ্শকেও ভৰি, কঁকাল, হাত ঘূৰাবলৈ আৰম্ভ কৰিলে। ইয়াকে জনপ্ৰিয় বুলি ভাবি দলবোৰেও এখোপ আগবাঢ়ি গ'ল।

১৯৫০ চনলৈ সকলো নাগাৰা নাম শাস্ত্ৰৰ পদেৰে গাইছিল (মই শুনামতে)— তাৰপিচত ব্ৰজলীলা, হৰগৌৰী লীলা আৰু গোষ্ট লীলা নামে তিনিখন নামৰ কিতাপ লিখি উলিয়ালে দৰঙৰ নৰেশ্বৰ শৰ্মাবৰুৱাই। ইয়াতেই নিজৰ কথিত ভাষাত কাহিনী উপস্থাপন কৰা হৈছিল। পৰবৰ্তী সময়ত ভূমিধৰ বণিয়া পাঠকে শাস্ত্ৰৰ কাহিনী সুন্দৰ সুৰ আৰু ভাষা প্ৰয়োগ কৰি নাম লিখি উলিয়ালে। মাৰ্জিতভাৱে বহু পৰিমাণে নামক নতুন ৰূপ দিলে। প্ৰসংগ সংগতি ৰাখি নামত বিয়াৰ গীতো গালে, ছন্দৰ ৰূপত কথা বা বচন সংগত কৰিলে। এইবোৰ পৰিবৰ্তনৰ পিছতো নামত দাস্য ৰসৰ হৰণ-ভগন হোৱা নাছিল। তেখেতৰ এটি নামত তেতিয়াই সুমধুৰ বিয়াৰ গীত এটি গাইছিল—

ওলাই আহা শ্ৰী-ম-তী হাতে মালা লই।
মনৰ মতন স্বা-মী বৰা সভাৰ মাজে গই ।।

তেখেতৰ চন্দ্ৰহংস নামত প্ৰথমবাৰৰ বাবে এখন চিঠি পঢ়ি শুনোৱা হৈছিল, ছন্দযুক্ত ভাষাত। ৰাইজে বৰ আগ্ৰহেৰে এই নামবোৰ আঁকোৱালি লৈছিল। সংগতিহীনভাৱে কোনো কথা অথবা সুৰ সংযোজন নকৰিছিল। যিটো আজিৰ নামত মানি চলা নহয়।

আজি শুদ্ধভাবে নাম কেইজনে গাইছে। পদচালন, হস্তচালনৰ সাম্যক জ্ঞানকণো আয়ত্ত কৰিব নোখোজে। পুৰণি পাঠকসকলে নাম শিকোতে হেনো গুৰুৱে ভৰিত কোবাইছিল শুদ্ধ পদচালন নহ'লে। আজিৰ নামত আংগিক-বাচিকৰ কোনো তাল-মিল নাই। খোজত বীৰত্ব ভাব অথচ মুখত কৰুণ সুৰ। এনে লাগে যেন কোনোবা অসুৰেহে কান্দিছে। দুবাহু মেলি অদ্ভুত হস্তমুদ্ৰা দেখুওৱা হয়। সেয়ে নৱ প্ৰজন্মক সবিনয়ে অনুৰোধ জনাওঁ যাতে গুৰুকেইজনাই দি যোৱা গধুৰ আৰু মধুৰ নামকৃষ্টিটোৰ উদ্দেশ্য মহান আৰু বিশাল শক্তিমান কৰি ৰাখিবলৈ চেষ্টা কৰা হয়। ইয়াৰ বাবে অভিজ্ঞ গুৰুৰ প্ৰয়োজন। দৰাচলতে, নাগাৰা নাম গুৰু-শিষ্যৰ পৰম্পৰা। নাগাৰা নাম কেতিয়াও অভিনয়ৰ মঞ্চ বুলি ভাবিব নালাগে অথবা নৃত্য প্ৰতিযোগিতাৰ মঞ্চ হ'ব দিব নালাগে। নাগাৰা নামৰ নিজস্বতা আছে। ভূতৰ ওপৰত দানহ পৰাদি অপকৃষ্টিৰ সাধকক কিছুমানে নাগাৰা নামৰ অনভিজ্ঞ, অজ্ঞ ব্যক্তিক (পাঠকক) সমৰ্থন দি ওপৰলৈ তুলি মহা অন্যায় কৰিছে। তেওঁলোকে আজিৰ অজ্ঞ ব্যক্তিক নাগাৰা নামৰ পিতামহ ভীষ্ম, পৰমপিতা, জনক আদি আখ্যা দি হাঁহিয়াতৰ পাত্ৰ হৈছে। আজিৰ নামুৰৈ শিল্পীসকলে নাম পৰিবেশনত আঙ্গিক, বাছিক আৰু আহাৰ্য্য নীতি অনুসৰণ কৰে যদিও বৈয়াকাৰণিক পদ্ধতিৰ লগত অমিল দেখা যায়। সম্প্ৰতি নাগাৰা নামত স্বকীয় বৈশিষ্ট্য নীতি (সুৰ তাল, লয়, আৱাহন, বিসৰ্জন ইত্যাদি) শিল্পীসকলে অনুকৰণ কৰা দেখা নাযায়। আত্মপ্ৰতিষ্ঠাৰ প্ৰতি লক্ষ্য কৰি নিজ ইচ্ছা মতে নাম পৰিবেশন কৰে। যাৰ ফলত দুই-এটা দশকৰ পিছত নাগাৰা নামৰ প্ৰকৃত ৰূপতো কালৰ সোঁততে বিলীন হোৱাৰ অশংকা আহি পৰিছে।

তেতিয়াহে নামৰ পৰা বিতৰ্ক এৰা দিব যেতিয়া নামৰ দৰ্শক/শ্ৰোতাৰ মন আধ্যাত্মিকতাৰে ভৰি পৰিব, পাঠকজনৰ মাজত ৰাম-কৃষ্ণ সুলভ চৰিত্ৰ বিচাৰি পাব। প্ৰতিটো দলেই যদি এনে মনোভাব লৈ নাম গাই তেতিয়াহে নামৰ প্ৰকৃত দৰ্শক পুনৰ ঘূৰি আহিব। আপোনালোকেও নাম গাই আত্মতুষ্টি লাভ কৰিব। নিশা দুপৰলৈকৈ নাম চোৱা ৰাইজ পাব। পাঠকৰ লগত নৃত্য কৰাৰ সাহস দেখুৱাবলৈ দহবাৰ ভাবিব। শুদ্ধভাৱে নাম গালে ৰাইজে তেতিয়াও নাম গাবলৈ নাগাৰা নাম দলবোবকে মাতিব।

নাগাৰা নাম আয়োজক মণ্ডলীসকলেও কৃষ্টিটোৰ খাতিৰত কিছু সাৱধান হ'বৰ সময় হ'ল। কৃষ্টিটো জীয়াই ৰখাৰ দায়িত্ব আমাৰ সকলোৰে। প্ৰথমতে, নামৰ দাতাসকলক নাম মতাৰ দায়িত্ব নিদি অনুষ্ঠানৰ আয়োজক মণ্ডলীয়ে মাতক। নামৰ দৰ্শকৰ সংখ্যা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব দিয়াতকৈ নামক ভক্তি মাৰ্গত ৰাখিবলৈ চেষ্টা কৰক। দলবোৰক বাৰে ৰহনিয়া কৃষ্টি নকৰিবলৈ বাধ্য কৰক। টোকাৰী গীত, বিহু গীত, হিন্দীগীত, ঢুলীয়াৰ ৰং ধেমালি কৰিলে সন্মানীয় ব্যক্তিসকলে শুধৰাই দিয়ক যে এইবোৰ নাগাৰা নামৰ ধাৰ কৰা কৃষ্টিহে। মই ভাবো তেতিয়াহে দলবোৰে শুধৰণি হোৱাৰ সুবিধা পাব।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক

স্মৃতিৰ জলঙাৰে গল্ডী

লনি কলিতা

ইউকেলিপ্‌টাচৰ দৰে ওখ হৈ আকাশ চুব বিচৰা জুবিন গার্গ হঠাৎ নোহোৱা হ'ল। অসম আৰু অসমীয়াৰ হিয়াৰ এফাল জুবিন গার্গে কম সময়তে অসমৰ সঙ্গীত জগতৰ বাবে অকল্পনীয় অবদান আগবঢ়াই গ'ল। জুবিনৰ সৃষ্টিয়ে অসমৰ সঙ্গীত জগতত এক নব্য-ধাৰাৰ সূচনা কৰিলে। আজি অসমৰ সকলো প্রজন্মৰ শ্রোতাই ভক্তিমূলক গীত, বৰগীত, লোক সঙ্গীত, আধুনিক গীত, ৰক সঙ্গীত আদিক আদৰিছে। তেওঁৰ অপ্রত্যাশিত মহাপ্রয়ানত অসমবাসী আজি শোকস্তব্ধ হৈ পৰিছে। অশ্রুসিক্ত নয়নেৰে আমি মৰমৰ গণ্ডীলৈ শ্রদ্ধাঞ্জলী যাচিছোঁ।

জুবিন গার্গ (জুবিন বৰঠাকুৰ)ক আমি গল্ডী বুলি মাতিছিলো। বহু বছৰ আগৰ কথা। মোহিনী মোহন বৰঠাকুৰ বা কবি কপিল ঠাকুৰ (জুবিনৰ পিতৃ) কর্মসূত্রে পৰিয়াল সহ বিজনীৰ বাসিন্দা আছিল। বিজনীত আমাৰ খুড়াৰ ভাৰা ঘৰৰ বাসিন্দা গল্ডী (জুবিন) পঞ্চম শ্রেণী উত্তীর্ণ হৈ বিজনী বান্ধৰ হাইস্কুলত ষষ্ঠ শ্রেণীত নাম ভর্ত্তি কৰিছিল। সেই সময়ত আমি বিজনী ছোৱালী হাইস্কুলৰ ছাত্রী।

জুবিন গার্গৰ দুজনী ভণ্টিৰ ডাঙৰ জনী জংকি আমাৰ সৰু ভণ্টিৰ সহপাঠী আছিল। বিজনীৰ আমাৰ ঘৰখন সাংস্কৃতিক ক্ষেত্রৰ সৈতে সদায় সক্রিয় আছিল বাবে জুবিন গার্গ আমাৰ ঘৰখনৰ লগত ওতঃপ্রোত ভাৱে জড়িত হৈছিল। সেই সূত্রে আমাৰ দুয়োখন ঘৰৰ ল'ৰা-ছোৱালীৰ মাজতো এটা ভাল সম্পর্ক স্থাপন হৈছিল।

জুবিনে প্রায়ে আবেলি পৰত তাৰ ৰঙা চাইকেলখন লৈ আমাৰ চোতালত উমলিছিল। ভনীয়েক জংকিয়েও দিনটোৰ বেছিভাগ সময় আমাৰ ঘৰতে কটাইছিল। সন্ধিয়া সময়ত মাকে টর্চ লাইট লৈ দুয়োকে নিবলৈ আহিছিল।

সেই সময়ত আমি জুবিন আৰু জংকিৰ সৈতে বিজনী সঙ্গীত বিদ্যালয়ৰ শিক্ষক প্রয়াত ৰমনী চাৰৰ ওচৰত শাস্ত্রীয় সঙ্গীত শিকিছিলো।

শংকৰদেৱৰ জন্মোৎসৱত নাচিবলৈ সত্রীয়া নৃত্যৰ আখৰা আমাৰ ঘৰৰ চোতালত আমাৰ ডাঙৰ খুড়াৰ তত্বাবধানত সম্পন্ন হৈছিল। সেই সময়তেই জুবিনে খুড়াৰ ওচৰত খোলবাদন আৰু জংকিয়ে কৃষ্ণ নৃত্য শিকিছিল। সৰু খুড়াৰ ওচৰত আমাৰ লগত দুয়োৱেই গোৱালপৰীয়া নৃত্য, বিহু নৃত্য আৰু আধুনিক নৃত্য শিকি বিজনীৰ ওচৰে পাজৰে বহু অনুস্থানত অংশ গ্রহণ কৰিছিল। এবাৰ আমি বিজনীৰ ওচৰৰ ডাংতল নামৰ ঠাইত ট্রাকত উঠি অনুস্থান কৰিবলৈ যোৱা মনত আছে। সেই ট্রাকৰ যাত্রাত আমি বৰ ফূর্ত্তি কৰিছিলো। প্রায়বোৰ অনুস্থানতে আমাৰ খুড়াহঁতক নেপথ্য সঙ্গীতত সহায় কৰিছিল আমাৰ বাইদেউ, পেহী আৰু জুবিনৰ মাতৃ, ইলি খুড়ীয়ে।

আমাৰ স্কুলত হোৱা বছৰেকীয়া সঙ্গীত প্রতিযোগিতাত মই প্রায়ে ভাগ লৈছিলো। সেই সময়ত জুবিনে মোৰ সৈতে তবলা সংগত কৰিছিল।

বিজনীত তিনি চাৰি বছৰ মান থকাৰ পিছত গল্ডীৰ দেউতাকৰ তামুলপুৰলৈ বদলি হৈছিল। ক্রমে আমাৰ যোগাযোগ কমি যায় যদিও জুবিনে নিজেই আমাৰ সৈতে যোগাযোগ ৰক্ষা কৰিছিল। বিজনীত থকা সময়ৰ সকলোবোৰ কথা, স্মৃতিয়েই জুবিনৰ স্পষ্টভাৱে মনত আছিল। ২০২৫ চনৰ এপ্রিল মাহত এদিন দাদা ঢুকুৰাৰ খবৰ পাই খা-খবৰ ল'বলৈ গৈছিল আমাৰ বিজনীৰ ঘৰলৈ।


আজি জুবিন (গল্ডী) জংকিৰ ওচৰলৈ চিৰ দিনৰ বাবে গুচি যোৱাত আমি মানসিকভাৱে ভাঙি পৰিছো। কিমান বেদনা অনুভৱ কৰিছো তাক বুজাব নোৱাৰো।

'মায়াবিনী ৰাতিৰ বুকুত' গীতেৰে পবিত্র চন্দন কাঠেৰে সজা শয্যাৰ শিখা সাবটি আমাৰ মৰমৰ জুবিন পঞ্চভূতত বিলীন হৈ গ'ল।

কায়িকভাৱে নোহোৱা হ'লেও জুবিন সদায় আমাৰ হৃদয়ত জীয়াই থাকিব। জীয়াই ৰাখিম।।❑

লেখক পৰিচিতি ঃ সমাজসেৱীকা, বৈকুণ্ঠপুৰ, গীতানগৰ




GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার

স কা হ



বকুলী বৈশ্য

দুপৰীয়া ভাতসাঁজ খাবলৈ হোষ্টেললৈ সোমাইআহিল ৰমেন। এইখন হোটেলত সি সদায় দুপৰীয়া ভাত খাই মাহেকীয়া বন্দবস্তিৰে। সি তাৰে নির্দিষ্ট টেবুলৰ কাষলৈ গৈ চকীখনত বহাৰ লগে লগে নৰেন নামৰ ল'ৰাটোৱে হাঁহি মাৰি আগবাঢ়ি আহিল। সি ক'লে— আজি মাছ খাবনে মাংস খাব দাদা? ৰমেনে ক'লে— মাংস আনিবা। বহুদিন মাংস খোৱা নাই। নৰেনে ভাত দিয়াৰ পাছত ৰমেনে ভাত এগৰাহ মুখলৈ নিছিলহে মাথোন তেনেতে দুজনী ছোৱালী হুৰমুৱকৈ সোমাই আহি তাৰ কাষত থিয় হৈ এজনীয়ে ক'লে— ইয়াত এটা বেগ এৰি থৈ গৈছিলোঁ। বেগটো কি হ'ল?

ৰমেনে ক'লে— ইয়াততো বেগ দেখা নাই।

ঃ দেখা নাইনে ক'ৰবাত লুকুৱাই থৈছ? দে বেগটো সোনকালে উলিয়াই দে।

ছোৱালীজনীৰ কথা শুনি হোটেলত ভাত খাই থকা মানুহবোৰে সিহঁতলৈ চালে।

ৰমেনে ক'লে— মই এইমাত্রহে আহিছোঁ। বেগ-চেগ একো দেখা নাই।

ছোৱালীজনীয়ে তাৰ ভাতৰ কাঁহীখনলৈ চাই ক'লে— তই এটা সাধাৰণ শাক বেপাৰী হৈ হোটেলত মাংসৰে ভাত খাবলৈ পইছা ক'ত পালি হাঁ? দে বেগটো দে, তাতে মোৰ ম'বাইল ফোনৰ লগতে চাৰি হাজাৰ টকা আছিল। উঠ উঠ তোৰ তালাচী ল'ব লাগিব।

ঃ কিহৰ তালাচী? মই বেগ দেখাই নাই।

ছোৱালীজনীয়ে তাৰ ছার্টৰ কলাৰত ধৰি থিয় কৰাই লৈ পেণ্টৰ জেপ খুঁচৰিব খোজোঁতে সি তাইক হাতত ধৰি এচাৰ মাৰি দিলে। ছোৱালীজনীয়ে তাৰ গালত এটা পূর্ণহতীয়া চৰ মাৰি ভাতৰ কাঁহী, মাংসৰ বাটি ঠেলামাৰি পেলাই দিলে। পকা মজিয়াত ষ্টীলৰ কাঁহি-বাটি ঝনঝনাই উঠিল। শব্দ শুনি নৰেন আৰু মাধৱৰ লগতে হোটেলৰ মালিকো উঠি আহিল। ছোৱালীজনীয়ে ক'লে— মই ইয়াতে বেগটো ভুলতে এৰি থৈ গৈছিলোঁ। তহঁতে লুকুৱাই থৈছ নেকি? নাই থোৱা যদি ইয়েই নিছে।

হোটেল বয় মাধৱ আৰু নৰেনে ক'লে— নাই, নাই ইয়াত আপোনালোকে বেগ এৰি থৈ যোৱা নাই।

ঃ তহঁতে নিনিয়। কিন্তু ই চবজি বেপাৰীটোৱে মাংস খাবলৈ পইছা ক'ত পালে?

হোটেলৰ মালিকে ক'লে— তুমি সঁচাকৈয়ে বেগ এৰি থৈ গৈছিলানে?

ঃ মিছা কথা কিয় ক'ম? আধাঘণ্টাৰ আগতে আমি ইয়াত পৰঠা খাই উঠি গৈছোঁ। বেগটোত মোৰ চাৰি হাজাৰ টকা আছিল।

তাইৰ কথা শুনি লগত অহাজনীয়ে তাইলৈ ঘোপাকৈ চোৱাত তাই নেদেখাৰ ভাও জুৰিলে।

তাই আকৌ ক'লে— বেগ উলিয়াই নিদিলে মই কিন্তু পুলিচক জনাম।

মানুহবোৰে আধা খোৱাকৈ কাজিয়াখন চাবলৈ ধৰিলে। এজনে আকৌ ম'বাইল ফোনত ৰেকর্ডিং কৰিলে। ৰমেনে মুৰটো তললৈ কৰি থিয় হৈ আছে।

তেনেতে আৰু দুজনী ছোৱালী হোটেললৈ সোমাই আহিল। তাৰে এজনীয়ে ক'লে— আৰে মেঘনা কি হ'ল? কিহৰ কাজিয়া লাগিছে?

মেঘনাৰ লগত থকাজনীয়ে ক'লে— এইৰ বেগটো হেৰাইছে। মানে ইয়াতে এৰি থৈ গৈছিল, এতিয়া নাই। ছোৱালীজনীয়ে ক'লে— তইনো কি কথা কৰ মেঘনা? বেগটো দেখোন মোৰ হাততে দি আহিছিলি। পাহৰিলি? ল' এইটো তোৰ বেগ।

সকলোৱে সিহঁতলৈ চাই থকা দেখি মেঘনা বোলাজনীয়ে ক'লে— ইচ্ মই কথাটো একেবাৰে পাহৰি গৈছিলোঁ। ঠিক আছে, পালোঁ যেতিয়া আৰু চিন্তা নাই। যাওঁ ব'ল।

তাইৰ কথা শুনি হোটেলৰ মালিকে ক'লে— হেৰা মইনা, ক'লৈ যোৱা? তুমি যে বিনাদোষত এই ল'ৰাজনক চৰিয়ালা সেইটো কি হ'ব?

ঃ আই এম্ ছ'ৰী।

ঃ নহ'ব মইনা, ছ'ৰী ক'লে নহ'ব নহয়। এই যে ভাতৰ কাঁহী মজিয়াত সিঁচৰতি কৰিলা, সেইবোৰ কোনে চাফা কৰিব?

ঃ খঙতে পেলালোঁ বুলি চাফাও কৰিম নেকি?

ঃ নিশ্চয় কৰিব লাগিব। নহ'লে ইয়াৰপৰা যাব নোৱাৰিবা।

ঃ আপুনি মোক ধমকি দিছে নেকি?

ঃ নাই দিয়া। ঐ নৰেন, থানালৈ ফোন কৰচোন।

এজনে ক'লে— ছোৱালী হ'ল বুলি এনেয়ে এৰি দিলে ইহঁতে লাই পাই যাব। পুলিচত জনাই দিয়ক হোটেললৈ আহি মাৰপিট কৰিছে বুলি।

মেঘনাৰ লগত অহা ছোৱালীজনীয়ে ক'লে— দাদা পুলিচক নজনাব। আমি চাফা কৰি দিম। মেঘনা চাফা কৰ।

নৰেনে এডাল ব্ৰাছ আৰু জাবৰ উঠোৱা সাজখন আনি মেঘনাক দিলে। দুয়ো বহুত কষ্টৰে চাফা কৰাৰ পাছত যাবলৈ ওলাওঁতে মালিকে ক'লে— ৰ'বা, মাংস-ভাতৰ দামটো দিহে যাব পাৰিবা। টকা পাঁচশ দি যোৱা। মেঘনাই নিমাতে মালিকলৈ চাই থকা দেখি তেওঁ বেগটো লৈ থকা ছোৱালীজনীক ক'লে— হেৰা ভণ্টি এইৰ বেগত চাৰি হাজাৰ টকা আছে নহয়; তাৰপৰা পাঁচশ টকা উলিয়াই দিয়া। নহ'লে কথা বেয়া হ'ব। ছোৱালীজনীয়ে মেঘনাৰ বেগটো খুঁচৰি চাৰিখন এশটকীয়া নোট উলিয়াই আনি ক'লে— বেগত এইখিনিহে আছে দাদা। এটা ম'বাইল ফোনো আছে। তাৰ বাহিৰে আন বস্তু নাই।

ঃ কি কোৱাহে? এই দেখোন বেগত চাৰি হাজাৰ টকা আছে বুলি কৈছিল। কোনোবাই উলিয়াই নিলে নেকি? হেৰা ছোৱালী, চাৰি হাজাৰ টকা ক'লৈ গ'লহে? আনক লুটাৰ ফান্দ পাতিছিলা? মিছা কথা ক'বলৈ লাজ নালাগে? নে তোমাৰ টকাখিনি তোমাৰ বান্ধৱীয়ে নিলেহে? তুমি নিলা নেকিহে?

ঃ মই কিয় নিম? ঐ মেঘনা ব'ল। তোৰ কাৰণে আমি অপমান পাব লগা হৈছে।

ঃ অপমান? কি অপমান কৰিলোঁ। এই মিছলীয়া ছোৱালীজনীয়ে নিৰীহ ল'ৰাটোক চৰিয়ালে, চোৰ বুলি অপমান কৰি মুখৰ আগৰপৰা ভাতৰ কাঁহী দলিয়ালে। তাৰ তুলনাত আমিতো একোৱেই কৰা নাই। দিয়া, টকা চাৰিশ দি যোৱা। কথাখিনি কৈ তেওঁ ছোৱালীজনীৰ হাতৰপৰা টকাখিনি আনিলে।

মেঘনা নিমাত হৈ আছিল যদিও টকাখিনি নিয়াৰ বাবে কৰুণ দৃষ্টিৰে হোটেলৰ মালিকৰ মুখলৈ চালে। তেওঁ আকৌ ক'লে— তোমাৰ মুখখন দেখিয়েই বুজি পাইছোঁ যে তুমি তলি উদি বাল্টি। দুশ টকা লৈ যোৱা। দুশ টকা ভাতৰ নামত কাটি ৰাখিলোঁ। এতিয়া যোৱা। চাৰিওজনী তলমূৰকৈ হোটেলৰ পৰা ওলাই গ'ল। তাত থকা মানুহবোৰে নানা কথা ক'লে। মালিকে নৰেনক ক'লে— ৰমেনক নতুনকৈ ভাত দে।

ৰমেনৰ ভাত খাবলৈ মন নোহোৱা হৈছিল যদিও ভোক লগা বাবে ভাত খালে। তাৰ গালখন চেকচেকাই আছে। দুখ পোৱাতকৈ অপমান পাইছে বেছি। যদিও তাৰ গালত চৰ মাৰিছে তাৰ যেন কান্ধতহে পৰিছে। কান্ধখন তাৰ গধুৰ হোৱা যেন লাগিল। ভাত খোৱাৰ পাছত মালিকে তাক মাতিলে। সি ওচৰলৈ গৈ তলমূৰকৈ থিয় হ'ল। মালিকে ক'লে— আজিৰ ভাত সাঁজৰ পইছা তুমি দিব নালাগে। তোমাক কথা এটা সোধোঁ। তুমিতো কলেজত পঢ়ি থকা বুলিহে কৈছিলা? চবজি বেপাৰ কৰা বুলিতো কোৱা নাছিলা।

ঃ হয় দাদা, মই কলেজত পঢ়াৰ খৰচ উলিয়াবৰ বাবে সন্ধিয়া চব্জিৰ বেপাৰ কৰোঁ। কথাখিনি কৈ সি ওলাই আহিল।

দেওবাৰ কাৰণে আজি ক্লাচ নাই। সি থকা ভাড়াঘৰলৈ বুলি খোজ ল'লে। ভাড়াঘৰটোলৈ গ'লেও সি তাত জিৰণি ল'ব নোৱাৰে। সি যিটো ঘৰত থাকে সেই ঘৰটো আন এজন ল'ৰাই 'টিউচন' কৰিবলৈ ভাড়া লৈছে। দিনত টিউচন কৰে ৰাতি নিজৰ ঘৰলৈ যায়। পাকঘৰসহ এটা কোঠা মাত্ৰ। ৰাতিটোৰ কাৰণে সি তিনিজনক ভাড়া দিছে মাহে আঠশ টকাকৈ। পানী, পায়খানা ব্যৱহাৰ কৰিবলৈ দিলেও পাকঘৰ ব্যৱহাৰ কৰিবলৈ নিদিয়ে। ঘৰৰ মালিক নাথাকে কাৰণে সি এই সুবিধাটো লৈছে। ৰাতি তিনিওটাই শোৱৰ কাৰণে ডেস্ক-বেঞ্চ ব্যৱহাৰ কৰে। পুৱাই বিছনাৰ কাপোৰখিনি জাপি-কুচি পাকঘৰত থয়। তাত থকা এজনে ৰিক্সা চলায় আৰু আনজনে ৰঙৰ কাম কৰে।

ৰমেনৰ অৱস্থা ভালেই আছিল। এখন নৈপৰীয়া গাঁৱৰ ল'ৰা সি। দেউতাকে খেতি কৰে, মাক শিপিনী। আকাল-ভঁৰাল নোহোৱাকৈ চলি থকা এটা সৰু পৰিয়াল। চাৰিবছৰ আগতে বায়েকক বিয়া দিছে। সি প্ৰথম বিভাগত মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডেৰী পাছ কৰাৰ পাছত গুৱাহাটীলৈ আহিল কলেজত পঢ়িবলৈ। হোষ্টেলত থাকি সি পঢ়ি আছিল। হঠাতে অহা দুর্যোগ এটাই সিহঁতৰ সুখৰ সংসাৰখন তচনচ কৰি পেলালে। নৈপৰীয়া গাঁও হ'লেও বানপানী কেতিয়াও হোৱা নাছিল। বাৰিষা নৈৰ পানী পথাৰলৈ আহি পলস পেলাই থৈ যায় বাবে খেতি-বাতি ভাল হয়। পিছে এইবাৰ অভূতপূর্ব বানে মথাউৰি ভাঙি পথাৰৰ লগতে ঘৰ-বাৰী উটুৱাই নিলে। মানুহবোৰ কিবাকৈহে বাচিল যদিও সর্বস্বান্ত হ'ল। ৰমেনৰ কলেজত পঢ়াৰ খৰচ দেউতাকে দিব নোৱাৰা হোৱাত তাক পঢ়া আধকৰা কৰি গুচি আহিবলৈ ক'লে। পিছে সি যিকোনো প্ৰকাৰে ডিগ্ৰী ল'ব বুলি মাকক ক'লে। পিছে হোষ্টেলতো বিনা পইছাত থকা বা খোৱা-লোৱা কৰিব নিদিয়ে। দুমাহমান লগৰ ল'ৰাৰ সাহত তাতে থকাৰ পাছত এদিন ওলাই আহিবলৈ বাধ্য হ'ল। ঘৰলৈ ঘূৰি যাবলৈ তাৰ লগত এপইচাও নাই। লঘোনে-ভোকে ফুটপথত বহি থাকোঁতে সি বাগৰি পৰিল। বাটেৰে বহুত মানুহ অহা-যোৱা কৰি আছে যদিও ঘূৰি চাবলৈ কাৰো সময় নাই। তেনেতে ল'ৰা এজনে তাক তুলি ধৰিলে। ল'ৰাজনক সি পানী খোজোঁতে সি পানী আনি দিয়াৰ লগতে তাক ঘৰলৈ লৈ গ'ল। তাৰ দুখৰ কথা শুনি সি লগতে ৰাখিলে। ল'ৰাজনৰ নাম নৰেন। সি এখন হোটেলত কাম কৰে। নৰেনে ৰমেনক হোটেললৈ নি হোটেলৰ মালিকক তাৰ সম্পর্কীয় মানুহ বুলি কৈ ভাত এসাঁজ খুৱালে। পিছে সদায়তো আৰু বিনা পইছাত খোৱা নাযায়। একো কাম নোপোৱালৈকে সি নৰেনৰ আলহী হৈ থাকিল। নৰেনে তাক পাচলিৰ দোকান দিবলৈ পৰামর্শ দিয়াৰ লগতে মূলধন হিচাপে টকা দুশ দিলে। দোকান দিয়া ঠাই সিয়ে নির্বাচন কৰি দিলে। ওচৰতে হোষ্টেল আৰু বহুতো ভাড়াঘৰ আছে। তাৰ দগা-পাল্লা নোহোৱা কাৰণে শাকৰ বেপাৰ কৰিবলৈ দিহা দিলে। হোলচেল কোম্পানীৰ পৰা শাক কিনি তাৰে সৰু সৰু মুঠি কৰি লয়। দহ টকাত তিনিমুঠিকৈ শাক,

ধনীয়া, পদিনা আদি বিক্রী কৰিলে লাভৰ ঘৰতে থাকে। লাহে লাহে সি নেমু, ঔটেঙা, কলফুল আদিৰে দোকান ভৰাই পেলায়। দিনত কলেজলৈ যায়, সন্ধিয়া দোকান দিয়ে। কলেজলৈ যোৱাৰ আগতে বজাৰলৈ যায়। নৰেনেই তাক ভাড়াঘৰটোও ঠিক কৰি দিলে আৰু মাহেকীয়া বন্দবস্তিৰে হোটেলত দিনৰ ভাত সাঁজৰ ঠিক কৰি দিলে। সময়ত সি নৰেনক সকলো পইচা ঘূৰাই দিলে।

সি দোকান দিয়া তিনিআলিটোত থকা প্রতিখন দোকানৰে বিক্রী ভাল। তাত থকা প্রতিজন হোষ্টেল বা ভাড়াঘৰৰ আৱাসী সিহঁতৰ মুখ চিনাকি। আজি যিজনী ছোৱালীয়ে তাক অপমান কৰিলে তায়ো হয়তো তাৰ দোকানৰ শাক-পাচলি কিনিছিল। সিহে চাগৈ মন কৰা নাছিল।

তাৰ দিনবোৰ তেনেকৈয়ে গৈ আছিল যদিও সিদিনাৰ অপমানৰ কথা সি পাহৰ্ব্বি পৰা নাই। নৰেনৰ জৰিয়তে তাইৰ বিষয়ে সি কিছু কথা জানিব পাৰিলে। তাৰ মনৰ মাজত অপমানৰ জ্বালাইপুৰি মাৰে। প্রতিশোধৰ ভাবনাই কেতিয়াবা অস্থিৰ কৰি তোলে। পঢ়া-শুনা কৰ্ব্বিলৈ মন নোযোৱা হৈ যায়।

বছৰৰ শেষত সি পৰীক্ষা দিলে যদিও সিমান ভাল নহ'ল। মনৰ মাজত টকা-পইছাৰ কথা ভাবি থাকিলে পঢ়েনো কেনেকৈ? দুমাহ বা তিনিমাহৰ মূৰত ঘৰলৈ গৈ এৰাতি থাকিয়ে গুচি আহে। মাকে দুশ বা তিনিশ টকা তাক দিয়ে। দেউতাকে আজিকালি লোকৰ ঘৰত হাজিৰা কাম কৰে। খেতি পথাৰখন বালিয়ে পুতি পেলোৱাৰ পাছত তাত একো খেতিয়েই কৰিব নোৱাৰি। পৰীক্ষা শেষ হোৱাৰ পাছত ৰমেনে পাচলিৰ বেপাৰত ভালকৈয়ে মনোনিবেশ কৰিলে। অকলে এটা ভাড়াঘৰ লোৱাৰ উপৰি দোকান পাতিবলৈ গুমটি এটাও ভাড়ালৈ ল'লে।

কেতিয়াবা বিক্রী নোহোৱা শাকবোৰ নি নৰেনৰ হতুৱাই সেইখন হোটেলত দিছিল। বিনিময়ত মালিকে কেতিয়াবা ৰাতিৰ ভাতসাঁজো খুৱাইছিল। আগতে ৰাতি সি বজাৰ শেষ হোৱাৰ পাছত তাতে থকা চাহৰ হোটেলত শুকান ৰুটি-ভাজিৰে ৰাতিৰ খোৱাৰ পর্ব শেষ কৰিছিল। ভাড়া ঘৰটো লোৱাৰ পাছত সি নিজে ৰন্ধা-বঢ়া কৰি খাবলৈ ল'লে। এতিয়া সি স্বাৱলম্বী হৈ উঠিছে। স্বাৱলম্বী হোৱাৰ বাটটো নৰেনে দেখুৱাই দিয়াৰ বাবে তাৰ ওচৰত ৰমেন সদায় কৃতজ্ঞ।

গোটেই দিনটো সি গুমটিটোতে থাকে। দুপৰীয়াৰ কাৰণে নিজে ৰন্ধা ভাত লৈ যায়। সিদিনাও সি ৰাতি ন বজাত দোকান বন্ধ কৰিলে। বৰষুণ দি থকাৰবাৰে মুকলিতেবহু দোকানীবোৰ কেতিয়াবাইগুচি গ'ল। বৰষুণৰ মাজতে তাৰ বিক্রী হৈথকাবাৰে দোকান বন্ধ কৰা নাই। তাৰ দোকানত এতিয়া প্রয়োজনীয় বহুত বস্তু পোৱা যায়। তাৰ ব্যৱহাৰ ভাল হোৱা বাবে গ্রাহকো বহুত। পিছে তাক অপমান কৰা ছোৱালীকেইজনীকহে সি আৰু লগ পোৱা নাই। লগ নাপালেও পাহৰ্ব্বি পৰা নাই তাক কৰা অপমানৰ কথা।

ন বজাত সি দোকান বন্ধ কৰিলে। বৰষুণ এৰা নাই। সি বন্ধ দোকান এখনৰ বাৰাণ্ডাত থিয় হৈ থাকিল। পাতল বৰষুণ হ'লেই গুচি যাব। সি ৰৈ থাকোঁতে দেখিলে ছোৱালী এজনীয়ে ভিজি ভিজি দৌৰি আহিছে আৰু পিছে পিছে দুটা মাতাল ল'ৰাই তাইক খেদি আহিছে। ছোৱালীজনীয়ে তাৰ কাষলৈ আহি হাতযোৰ কৰি ক'লে— এই গুণ্ডা দুটাৰ পৰা মোক বচাওক দাদা।

ৰমেনে তাইক চাই দেখিলে যে এইজনী দেখোন মেঘনা নামৰ ছোৱালীজনী। সি মুখখন ঘূৰাই দিলে।

ল'ৰা দুজন তাৰ ওচৰলৈ আহি ক'লে—এইটো আমাৰ মাল। তাইক আমাৰ হাতত গতাই দে।

ৰমেনৰ ডেকা তেজ উতলি উঠিল। ল'ৰা দুজনক ক'লে— মদ খাই মাতাল হৈ অসহায় ছোৱালীৰ ওপৰত....

ঃ অই, তই কোন বে? কি হয় তোৰ? বহুদিনৰ পৰা আমি তাইক পিছা কৰি আছোঁ। আজি পাইছোঁ যেতিয়া কিয় এৰি দিম? কথাখিনি কৈ এজনে তাইৰ হাতত ধৰিলে। ৰমেনৰ সহ্য নহ'ল। সি তাৰ হাতখন গঁতা মাৰি দিওঁতে ল'ৰাজন দূৰলৈ ছিটিকি গ'ল। তাকে দেখি ইজনে আগবাঢ়ি অহা দেখি তাকো গঁতিয়াই দি ক'লে— এইৰ গাত হাত লগালে তোৰ হাতখন মই ভাঙি দিম। মই এইৰ কাৰণে ইয়াতে ৰৈ আছোঁ। এই মোৰ ভণ্টি হয়। বুজিলি? আৰু শুন, কেতিয়াবা যদি এইৰ পিছলৰ তেতিয়াহ'লে তহঁতক শুদাই নেৰোঁ।

ল'ৰা দুজন ঢলং-পলংকৈ গুচি গ'ল। বৰষুণ কিনকিনকৈ পৰিয়েই আছে। সি ক'লে— ক'ত থাকা?

ঃ অকণমান আগত থাকোঁ। আগতে এই ফালে আছিলোঁ। কলেজত পঢ়ি থাকোঁতে আমি চাৰিজনী একেলগে পি. জি.ত আছিলোঁ। সিহঁতে পৰীক্ষা পাছ কৰাৰ পাছত ঘৰাঘৰি গুচি গ'ল। মই ইয়াৰে প্রতিষ্ঠান এটাত সোমালোঁ। আঠ বজালৈকে থাকিব লাগে। ৰিক্সাত আহো বা ৰাস্তাত মানুহ থাকিলে খোজেৰে আহো। বৰষুণৰ কাৰণে আজি মানুহ নাই ৰাস্তাত। ৰিক্সা এখনো নাপালোঁ।

ৰমেনে শুনি আছে মাথোন। একো কোৱা নাই। মনৰ মাজত অপমানৰ জ্বালাই ৰমৰমকৈ পুৰিছে। প্রতিশোধৰ তীব্র বাসনা এটা জাগি উঠিছে। তাই কি কৈ আছে সি যেন একো শুনাই নাই। তাই আকৌ ক'লে— মোৰ স্বভাৱৰ কাৰণে মোৰ লগৰবোৰে নমতা হ'ল। ভুলতে সিদিনা আপোনাকো অপমান কৰিলোঁ। ইচ্ছা কৰিলে আপুনি মোক গুণ্ডাৰ হাতৰ পৰা নবচোৱাকৈ থাকিব পাৰিলেহেঁতেন! মোৰ থকা ঠাই পালোঁ। আপোনাক কি বুলি ধন্যবাদ দিম?

হঠাতে ৰমেন ৰৈ গ'ল। সর্বশক্তিৰে ছোৱালীজনীৰ গালত চৰ এটা বহুৱাই দি ক'লে— আজিৰপৰা এনেকৈ ৰাতিখন অকলে অকলে ঘূৰি ফুৰা দেখিলে ইখন গালো চৰ মাৰি ফুলাই দিম। যা ঘৰলৈ যা।

হতভম্ব হৈ ছোৱালীজনীয়ে ক'লে— মইতো ঘূৰি ফুৰা নাই, কামলৈহে গৈছিলোঁ।

তাইৰ কথা শুনিবলৈ ৰমেন ৰৈ থকা নাই। খৰ খোজেৰে গৈ থাকোঁতে সি অনুভৰ কৰিলে যে তাৰ কান্ধখন, বুকুখন যেন পাতল পাতল লাগি গৈছে। মূৰৰপৰা নামি গৈছে অপমানৰ বোজাটো। সকাহ এটা পাই তাৰ ওঁঠৰ মাজেৰে হাঁহি এটা বিয়পি পৰিল।❑

লেখক পৰিচিতি ঃ বিশিষ্ট সাহিত্যিক তথা সমাজসেৰীকা

আলোকৰ আৱর্তত কেইটামান চৰিত্র আৰু এটা ভাটৌ চৰাই

দিলীপ কুমাৰ শর্মা



প্রস্তাৱনা

হঠাৎ মনঃচক্ষুৰ সন্মুখত উদ্ভাসিত হ'ল কেইটামান দৃশ্য— যেন একো একোখন ত্রিমাত্রিক তৈলচিত্র, জল্-জল্, পট্-পট্, প্রাঞ্জল। দৃশ্যকেইটাৰ সমাহাৰত সৃষ্টি হ'ল কাহিনীৰ, কাহিনীৰ কুঁকিত আকৌ দোৱোলখাই ৰ'ল কেতবোৰ চিনাকি পৰিৱেশ— কেতিয়াবা গাঁৱৰ, কেতিয়াবা চহৰৰ। কাহিনীৰ অঙ্গে অঙ্গে পুষ্প-মালাৰ পুষ্পৰ দৰে গ্রথিত হ'ল গাঁৱে-চহৰে লগ পোৱা কেতবোৰ চৰিত্র— শতৰূপা, সুভদ্রা, বলোভদ্র, বৃন্দাবন, কৃপাঞ্জলি ইত্যাদি।

প্রথম দৃশ্য

বোৱাৰী পুৱাতে চোতালৰ পৰা শালিকাৰ খৰিয়াল আঁতৰাই প্রতিটো দিনতে শতৰূপাই চোতালখন চিকুণকৈ সাৰি থৈ যায়। মন্দিৰৰ সন্মুখৰ পৰা একেবাৰে পদুলি মুখৰ শেৱালি জোপাৰ তললৈকে, গোহালি ঘৰটোৰ কাষৰ পৰা ৰান্ধনি ঘৰৰ দাঁতিত থকা নলীনাদটোৰ কাষলৈকে, সেইখন যেন এখন চোতাল নহয় যেনিবা সেইখন এখন বিস্তীর্ণ টকলা পথাৰ। মূৰ নোতোলাকৈয়ে শতৰূপাই সেইখন চোতাল নিমিষতে বাঢ়নীৰে সাৰি চিকুণ কৰি পেলায়।

শতৰূপাৰ প্রাত্যহিক কামৰ আৰম্ভণি হয় ঠিক এনেদৰেই। পিছে, শতৰূপাৰ প্রতিটো কামতে খুত, অপৈণত হেনো তাইৰ কাম-কাজ, তাতে আকৌ কামত গাফিলতি কৰাৰ অক্ষমণীয় দোষ। ৰাতিপুৱাৰে পৰাই শাহুৰেক সুভদ্রাই শতৰূপাৰ প্রতি নিক্ষেপ কৰে জাউৰিয়ে জাউৰিয়ে গালি-শপনি। প্রতিটো ৰাতিপুৱাতে শোৱাপাটী এৰিয়েই পোনছাতে বাৰাণ্ডালৈ আহি সুভদ্রাই চিঞৰিব— "সেই কঠনা ফুলজোপাৰ তলত সেইসোপা দেখোন ধূলি, ছেঃ, সেইবোৰ দেখোন ৰৈয়েই গ'ল তাত। সেই ধূলিখিনিও বাঢ়নীৰ আগত নগ'লনে?" অথবা, "সৌ যে গছৰ শুকান পাত কেইটা, কাৰ বাবে এৰিলা সেইকেইটা? সোঃ, একো কামৰ মানুহ নহয় অ' এইজনী। সেইজনী মধুমীতাৰ বোৱাৰীয়েক, তাইৰ ৰূপৰেই কথা ক'বা নে গুণৰেই কথা ক'বা, গুণতো লখিমী তাই, ৰূপতো সৰস্বতী। সেইজনীয়ে সাৰি থৈ যোৱা চোতালখনত গচক্ এটা পৰিলেও মনটো বেয়া লাগি যায়। ...কিনো বোৱাৰী আনিলো অ' এইজনী"

দ্বিতীয় দৃশ্য

বৰ বেছি দিনৰ কথা নহয়, দেৰ-দুমাহমানৰ আগৰ কথা। শতৰূপা ঘৰত নাছিল, মাত্র চাৰিটা দিনৰ বাবে মাকৰ ঘৰলৈ গৈছিল। মাত্র চাৰিটা দিনৰ ভিতৰতে ঘৰখনৰ বয়-বস্তুবোৰৰ থানথিত নোহোৱা হ'ল, ক'ৰ বস্তু ক'লৈ গ'ল তাৰ একো ঠিকনা নোহোৱা হ'ল।

শতৰূপা মাকৰ ঘৰৰ পৰা ঘূৰি আহিল মুখ-আন্ধাৰি বেলিকা, ৰাতিটো শুয়েই থাকিল, ৰাতিপুৱা প্রভাতী অর্চ্চনালৈ বুলি মন্দিৰলৈ যাওঁতে মন্দিৰৰ সন্মুখৰ চোতালখন দেখিহে বিচুর্তি খাই উঠিল শতৰূপা। সেইখন চাৰিটা দিনৰ আগৰ মন্দিৰৰ সন্মুখৰ চোতালখনেই নে কাৰোবাৰ ঘৰৰ পাছফালৰ জাবৰ-জোঁথৰ পেলোৱা জাবৰণি এখন- তাক তলকিবই নোৱাৰা অৱস্থা। চোতালখনত শোটা কানি, ভগা ঢাৰি, কঁকাল ভঙা বাঢ়নী, কাষৰ ভঁৰালঘৰটোৰ পৰা পোহনীয়া মেকুৰীজনীয়ে ধৰি আনি মাৰি এৰি থৈ যোৱা মৰা নিগনি, ভঁৰাল ঘৰটোৰ পাছফালে থকা কঁঠাল

গছজোপাৰ পৰা উৰি আহি পৰি ৰোৱা দুই-এটা শুকান পাত। আৰু যে কত কিঙ্গ

ছেঃ, বৰ বেয়া কথা হ'ল, বৰ বেয়া কথা হ'ল। শতৰূপা হাতে-কামে লাগি গ'ল। শেষত যেতিয়া আৰৰ্জনাৰে পাহাৰ হোৱা মন্দিৰৰ সন্মুখৰ চোতালখন শতৰূপাই সাৰি-মচি চিকুণাই দিলে, তেতিয়াহে পবিত্ৰ-মূৰ্ত্তি শাহুৰেক সুভদ্ৰাৰ মৰা নিগনিৰ গোন্ধত ওকালি আহিব খুজিলে, চোতালখনৰ পৰা উৰি অহা ধূলি-মাকতি গাত লাগিলে গা অশুচি হোৱাৰ ভয়ত ঘৰৰ ভিতৰৰ পৰা সন্মুখৰ বাৰাণ্ডাখনলৈকে ওলাই আহিব নোৱোৰা হ'ল। "শুকান পাতবোৰ নি ধর্মেশ্বৰহঁতৰ বাৰীৰ পাছফালে থকা গাঁতটোত পেলোৱা, সৌ যে মৰা নিগনিটো, সেইটো হাতেৰে নুচুবা, বাঁহৰ কাঠী দুডাল লৈ সেই দুডালেৰে সেইটো চেপা মাৰি ধৰিবা" এইবুলি ঘৰৰ ভিতৰৰ পৰাই চিঞৰি চিঞৰি সুভদ্ৰাই শতৰূপাক উপদেশ, পৰামর্শ দিবলৈ ধৰিলে।

তৃতীয় দৃশ্য

ধলপুৱাতে শেতেলি এৰি পুৱাৰ নিত্য কর্তব্য সমাপন কৰি শতৰূপা মন্দিৰত সোমাল। মন্দিৰৰ ভিতৰৰ বিষ্ণুমূর্ত্তিৰ সন্মুখৰ দীপাধাৰত সৰিয়হ তেলৰ চাকি এগছি জলাই যথাভক্তিৰে শ্ৰীবিষ্ণুৰ প্ৰতি সেৱা জনাই শতৰূপা মন্দিৰৰ পৰা ওলাই আহিল।

মন্দিৰৰ পৰা বাহিৰ ওলোৱা মাত্ৰকে শতৰূপাৰ কাণত পৰিল পোহনীয়া ভাটৌ চৰাইটোৰ মাত- "শতৰূপা", "শতৰূপা"। ভঁৰালঘৰটোৰ চালৰ পানীপাচৰ তলফালে ওলোমাই থোৱা লোৰ সঁজাটোৰ ভিতৰৰ পৰা মাত দিছে ভাটৌ চৰাইটোৱে। শতৰূপা ঠাইতে ৰৈ গ'ল।

শতৰূপা আহি ন-ঘৰখনত ন-কইনা হৈ সোমোৱাৰ পাছত এদিন শতৰূপাৰ দেওৰেক সনাতনে বৰঘৰটোৰ পাছফালৰ তামোলনিখনৰ পশ্চিমৰ এৰাবাৰীখনত থকা নাহৰ গছ এজোপাৰ পৰা ভাটৌ চৰাইৰ পোৱালী এটা ধৰি আনিলে। পাছত কোমল কোমল পাখিৰে গেৰ নসৰা পেটৰ পোৱালী ভাটৌ চৰাইটো লোৰ সঁজা এটাত ভৰাই সনাতনে সেইটো শতৰূপাক উপহাৰ হিচাপে দিলে।

পোহনীয়া ভাটৌ চৰাইটোৱে এইবাৰ ঢপ্‌ঢপ্‌কৈ ডেউকা কোবাই উঠিল। ভাটৌ চৰাইটোৰ ডেউকাৰ ঢপ্‌ঢপ্‌ শব্দ শুনিলে শতৰূপাৰ অন্তৰত বেজাৰে উক্‌মুকাই, তেওঁৰ মনটোৱে কান্দে। সেই শব্দ শুনিলে শতৰূপাৰ এনে লাগে যেন সি সঁজাৰ বন্দীত্বৰ পৰাহে মুক্ত হ'ব বিচাৰিছে, মুক্ত হৈ এনেদৰে ডেউকা কোবাই সীমাহীন বিস্তৃতিময় এখন উন্মুক্ত আকাশলৈ উৰি যাব খুজিছে।

লোৰ সঁজাটোৰ ৰূঢ় আৱেষ্টনীৰ মাজতেই ঢপ্‌ঢপ্‌কৈ ডেউকা কোবাই উৰিব খোজা ভাটৌ চৰাইটো দেখি শতৰূপাৰ মনঃচক্ষুৰ সন্মুখত সততে ভাঁহি উঠে আকাশৰ ইপিনে-সিপিনে আপোনমনে ঘূৰি ফুৰা ভাটৌ চৰাইটোৰ এক উৎফুল্ল উৰণীয়া ৰূপ। তেতিয়াই, ঠিক তেতিয়াই শতৰূপাৰ মনটোৱেও উৰণীয়া ভাটৌ চৰাইটোৰ দৰে উৰন্ত পখী এটি হৈ প্ৰাণহেন আপোন মাক-দেউতাকৰ সতে তাহানিতে এৰি অহা সোণাময় দিনবোৰ বিচাৰি যায়। এৰা, কিমান যে মনোলোভা আছিল সেই দিনবোৰ, কিমান যে মনোমোহন, কিমান যে মোহনীয়াঙ্গ সেই মধুভৰা দিনবোৰত শতৰূপাৰ মনৰ আকাশত দোৱোল খাই আছিল বহুতো বর্ণৰ বহুতো মেঘৰ বর্ণিল বিন্যাস, বহুতো আভাৰ সীমাহীন বিচ্ছুৰণ। তেতিয়া শতৰূপাৰ অন্তৰত এধানমানো বিষণ্ণতা নাছিল, চকু-মুখত বেজেৰুৱা মনৰ লেখমানো অভিব্যক্তি নাছিল, আ!াদ-আপ্লুত হৃদয়ৰ কুঠৰিত আছিল মাথোঁ দেও দি দি নচা সপোনৰ কত যে টল্‌বল্‌ নাচ। পিছে এতিয়া যেন শতৰূপা এক সহ্যাতীত মানসিক যন্ত্ৰণাৰ দুষ্কৰভেদ্য কঠিন লৌহ সঁজাত বন্দী।

হঠাৎ ভাটৌ চৰাইটোৱে পুনৰ ঢপ্‌ঢপ্‌কৈ ডেউকা কোবাই "শতৰূপা" "শতৰূপা" বুলি চিঞৰি উঠিল। ঠিক তেনেতে হৃদয়হীনা সুভদ্ৰাই ৰান্ধনি ঘৰৰ পৰা এলোটা দুর্গন্ধময় লেতেৰা পানী উলিয়াই আনি সেই পানী সঁজাৰ ভিতৰত থকা নিমাখিত ভাটৌ চৰাইটোৰ গাত সজোৰে সিচি দি প্ৰায় চিঞৰাৰ দৰে কৈ উঠিল— "মাত, মাত, তোৰ মৰমৰ শতৰূপাকে মাত, মোকতো তই আজিলৈকে মাতিবলৈকে নিশিকিলি।"

চতুর্থ দৃশ্য

মাঘ বিহুৰ বতৰৰ এটা দিনত দূৰণিত চাকৰি কৰি থকা ঠাইৰ পৰা সুভদ্ৰাৰ পুতেক বলোভদ্ৰ আহি ঘৰ পোৱাৰ তিনি দিন পাছতেই জীয়েক কৃপাঞ্জলি আৰু জোৱায়েক বৃন্দাবনো আহি পালে।

সুভদ্ৰাৰ জীয়েক-জোৱায়েক চহৰত থাকে। চহৰত তেওঁলোকৰ কেইবাবিঘাও মাটি, প্ৰাসাদোপম ঘৰ, অত্যাধুনিক মডেলৰ বিলাসী গাড়ী। বেংকত তেওঁলোকৰ অজস্ৰ টকা, ঘৰত অগাধ সম্পত্তি।

বহু মানুহেৰে সৈতে বৃন্দাবনৰ হলি-গলি, চা-চিনাকি, দিনটোৰ সৰহখিনি সময়েই নহয়, এনেকি ৰাতি বাৰ বজালৈকেও হৰেক ৰকমৰ মানুহেৰে ঠাহ খাই থাকে তেওঁলোকৰ চহৰীয়া দালান। বৰ শক্তিশালী মানুহ বৃন্দাবন। তেওঁ মন্ত্রী নহয়, কিন্তু মন্ত্রীতকৈও যেন এখোপ চৰা। কোনোবা কেবিনেট মন্ত্রীৰ একেবাৰে খাচ মানুহ তেওঁ, দিওঁ বুলিয়েই কোনোবা নিবনুৰাক চাকৰি এটা দিব পাৰে, কৰো বুলিয়েই কোনোবা চাকৰিয়ালক এঠাইৰ পৰা আন এঠাইলৈ বদলি কৰাব পাৰে।

সোণ-বৰণ পাট কাপোৰৰ পাইজামা-পাঞ্জাবি পিন্ধি বৃন্দাবনে কেতিয়াবা বৰঘৰটোৰ ইটো কোঠাৰ পৰা সিটো কোঠালৈ, কেতিয়াবা দীঘল বাৰাণ্ডাখনৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ, আকৌ

কেতিয়াবা বহল চোতালখনৰ ইফালৰ পৰা সিফাললৈ বৰ গহীন-গম্ভীৰ ভাৱে অকাৰণতে খোজ কাঢ়ি ফুৰে। কৃপাঞ্জলিয়ে দিনটোত কেইবাবাৰো সাজ সলায়, প্রত্যেকবাৰতে নকৈ ধুনীয়া সাজ পিন্ধে, বাৰীৰ ভিতৰৰ পৰা জেটুকাৰ পাত ছিঙি আনি হাত আৰু ভৰিৰ আঙুলিৰ নখত ৰহণ সানে।

সুভদ্রাৰ আদেৰী জীয়েক কৃপাঞ্জলি মাকৰ আতোলতোল, আলাসৰ লাডু। সৰুতে তাইৰ বাপেকজন ঢুকাল, বাপেকী মৰম নোপোৱা জীয়েকজনীক, এনেকি তাইৰ বিয়াৰ পাছতো, ক'ত থওঁ ক'ত ৰাখো এই মনোভাৱ সুভদ্রাৰ, বোলে মূ�ৰত ল'লে তাইক ওকণিয়ে খায়, মাটিত থলে তাইক পৰুৱাই খায়।

পঞ্চম দৃশ্য

(মাঘ বিহুৰ দুদিনমান আগৰ এটা দিন)

গাঁৱৰ সূর্যমুখী প্রগতিশীল চেমনীয়া সংঘৰ দুজন সক্রিয় সদস্যই হাতত বৰঙণি সংগ্রহৰ বহী লৈ শতৰূপাহঁতৰ পদুলি মুখতে ৰ'লহি। সূর্যমুখী প্রগতিশীল চেমনীয়া সংঘৰ সদস্যসকলে মাঘ বিহুৰ লগত সংগতি ৰাখি গাঁৱত সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিছে, সদস্যদুজনে সেইখন সাংস্কৃতিক সন্ধিয়াৰ সাহায্যার্থে বৰঙণি সংগ্রহৰ বাবে আহিছে।

ঠিক পদুলিমুখতে বৃন্দাবনৰ সৈতে সদস্যদুজনৰ ভেঁটা-ভেঁটি হ'ল। তেওঁলোক কোন, কিয় আহিছে- বৃন্দাবনে তেওঁলোকৰ পৰা সবিশেষ জানিব বিচাৰিলে। অতি বিনম্রভাৱে সদস্য দুজনেও বৃন্দাবনৰ আগত তেওঁলোক অহাৰ উদ্দেশ্য ব্যাখ্যা কৰিলে। সদস্য দুজনৰ মুখত বৰঙণি খুজিবলৈ অহা বুলি শুনি সদস্য দুজনক বৃন্দাবনৰ ডালদৰিদ্র যেন লাগিল, পৰম বিতৃষ্ণাত ভ্রূ কোঁচ খুৱাই ততাতৈয়াকৈ বৃন্দাবন পদুলি মুখৰ পৰা চোতালৰ ফালে আঁতৰি আহিল।

ঘৰৰ কাঁথিত বহি কি জানো কৰি আছিল সুভদ্রাই, তাৰে পৰাই তেওঁৰ দৃষ্টিগোচৰ হ'ল সদস্য দুজন। সুভদ্রাই লক্ষ্য কৰিলে তেওঁলোকৰ এজনৰ হাতত সেয়াচোন বৰঙণি সংগ্রহৰ বহী। কিহৰবা বৰঙণি লগা হ'ল তেওঁলোকক—সুভদ্রাৰ গাটো বিছাই ডকাদি ডাকিবলৈ ধৰিলে, বুকুখনৰো কোনোবাখিনি ধৰ্‌ফৰাই উঠিল। হঠাৎ কৈ উঠিল সুভদ্রাই— "এয়া টকাৰ খঁক্, টকাৰ খঁক্।" চিলনীয়ে চোঁ মাৰি আকাশৰ পৰা তললৈ নামি অহাদি সুভদ্রাও বাৰাণ্ডাখনৰ পৰা চোতালখনলৈ সাউৎকৈ নামি দুখোজক এখোজ কৰি কোবাকুবিকৈ গৈ পদুলি মুখ পাই তাতে সদস্য দুজনক আগ ভেটি ধৰিলে। পিছে, সুভদ্রাই তেওঁলোকক খঙেৰে নহয়, নৰম সুৰত সুধিলে এইবুলি— "অ' কণপাইহঁত দেখোন, কিবা চাঁদা তুলিবলৈ আহিলা হ'বলা? পিছে হেৰি নহয়, এতিয়া মাঘ বিহুৰ সময় দেখোন, একেবাৰে লখিমীয়ে ভৰ দিয়া সময়। এই সময়ত এনেদৰে দান-বৰঙণীৰ নামত কাকো পা-পইচা দিব নাপায় নহয়, তোমালোকে দেখোন জানাই। গতিকে...।"

বিফল মনোৰথ হৈ সদস্য দুজন অহা বাটেদি পুনৰ উভতি গ'ল।

ষষ্ঠ দৃশ্য

(মাঘ বিহুৰ প্রথম দিনটোৰ দুপৰীয়া)

অ' বৃন্দাবন, আহিছা, আহা আহা। বহা, বলোভদ্রৰ কাষতে বহা।" —এইবুলি সুভদ্রাই গাৰ কাষতে থকা চকীখন কেৰ্ কেৰ্‌কৈ কিঞ্চিৎ চোঁচৰাই টানি নি বলোভদ্রৰ একেবাৰে কাষ চপাই দিলে। বৃন্দাবন তাতে বহিল। এইবাৰ সুভদ্রাই ৰান্ধনিঘৰটোৰ সিকাষৰ বাৰাণ্ডাখনত পাইচাৰী কৰি থকা কৃপাঞ্জলিক মাতিলে— "আইজনীঅ' তুমিও আহা।" কৃপাঞ্জলি আহিল। কৃপাঞ্জলিয়ে গিৰীয়েক বৃন্দাবনৰ কাষৰ চকীখনত এক বিশেষ ভঙ্গীত সোঁভৰিখন তুলি দি তাত বহি পৰিল। এইবাৰ সুভদ্রাই গর্বিনী মালিকনীৰ ভঙ্গীত থিয় দি কিঞ্চিত ৰূঢ় ভাৱে শতৰূপাক মাত লগালে— "হেৰি নহয় বোৱাৰী, তুমিনো তিনিজন মানুহৰ ভাত বাঢ়ি উলিয়াই আনোতে ইমান দেৰি কৰিব লাগেনে?"

ক্ষন্তেক পাছতেই সুভদ্রাই পূর্বাধিক ৰূঢ়ভাৱে পুনৰ শতৰূপাক সুধিলে— "তুমিনো চুৰুণী মেকুৰীয়ে ভজা মাছ চুৰ কৰিবলৈ আহি চৰুৰ ঢাকনীত খটং খটং শব্দ কৰাদি কি শব্দ কৰি আছা ইমান পৰে? (শতৰূপা নিমাত) সোনকালে ভাত লৈ আহা। ছেঃ, কি ধোদৰ পচলা বোৱাৰী চপাই আনিলোঁ অ' এইজনী।"

সপ্তম দৃশ্য

অৱশেষত গাওঁ বুলিলেই নাক কোঁচ খুৱাই নিয়া কৃপাঞ্জলিয়ে চহৰ এৰি গাঁৱতেই সোমাবলগীয়া হ'ল।

কৃপাঞ্জলিৰ শাহুৰেকৰ স্নায়ুৰ বিকাৰজনিত ৰোগ, ভৰি-হাতত কঁপনি, শৰীৰ অত্যন্ত দুর্বল। ঘৰখনৰ সমুদায় কাম-কাজ চম্ভালি থকা মানুহজনীয়েই যেতিয়া এনে নৰিয়াত পৰিল, কৃপাঞ্জলি গাঁৱৰ সেইখন ঘৰলৈ যাবই লগীয়া হ'ল।

এদিন শহুৰ-শাহুৰেকৰ পৰা নির্দেশ পালে কৃপাঞ্জলীয়ে বোলে অতি সোনকালে তেওঁ গাঁৱৰ ঘৰলৈ যাব লাগে। গাঁৱৰ পৰা শহুৰ-শাহুৰেকৰ নির্দ্দেশ পাই কৃপাঞ্জলীৰ মূৰ ঘূৰাল, চকুৰে ধোঁৱা-কোঁৱা দেখিলে, কিবা এটা সদ্ উত্তৰ পোৱাৰ আশাত সকৰুণ দৃষ্টিৰে বৃন্দাবনৰ মুখলৈ চাই তেওঁ ক'লে— "তুমি কিবা এটা নকৰা কিয়, মই এতিয়া কিদৰে গাঁৱলৈ যাওঁ?" বৃন্দাবনে কৃপাঞ্জলীৰ কথা শুনি ততালিকে মূৰ তল কৰিলে, পাছত তেওঁ অস্ফুত স্বৰেৰে ক'লে— "মা-দেউতাই মাতিলে যেতিয়া মোৰ কোনো উপায় নাই, মইনো কৰিম কি?"

গতিকে এতিয়া আৰু কোনো উপাই নাই। এদিন বৃন্দাবনে কৃপাঞ্জলিক গাঁৱৰ ঘৰলৈ নি মাক-দেউতাকৰ লগত এৰি থৈ আহিল।

এই আপদীয়া (অন্ততঃ সুভদ্রাৰ দৃষ্টিত) খবৰটো পাই সুভদ্রাৰ মূৰত যেন বিনা মেঘে বজ্রপাত হ'ল। হে হৰি, হে হৰি, এইবাৰ একেবাৰে বেমাৰী খেংখেঙীয়া স্বভাৱৰ শাহুৰেকজনীৰ হাততে পৰিলগৈ আলসুৱা জীয়েকজনীঙ্গ বিয়াৰ আগতে এইখন ঘৰত থাকোতে কামৰ নামত তেওঁ কুটা এডালো ইফাল-সিফাল কৰা নাই, বিয়াৰ পাছতে পোনছাটে চহৰতে থাকিলগৈ তেওঁ। এতিয়া সেই ঘোকোট গাঁওখনৰ একেবাৰে অপৰিপাটি ঘৰখনত, তাতে আকৌ সেইহেন খঙাল শাহুৰেকজনীৰ লগতে থাকিবলগীয়া হ'ল। সর্বনাশ হ'ল, সর্বনাশ হ'ল।

কথাবোৰ ভাবি-চিন্তি মূৰটো গৰম কৰি সিদিনাখন ৰাতি ভাত-পানী নোখোৱাকৈয়ে সুভদ্রা বিছনাত উঠিল, ওৰেটো ৰাতি তেওঁৰ টোপনি নাহিল, বিছনাতে চেঙালুটি পাৰি ধৰফৰাই থাকিল।

পিছদিনাখন ৰাতিপুৱা। কাউৰীয়ে কা নৌকৰোতেই সুভদ্রাই শোৱাপাটি এৰিলে, বাহীমুখ ধুবলৈ কুহুমীয়া পানীটোপা নহ'লেই নোহোৱা মানুহজনীয়ে ঠাণ্ডা পানী এলোটাৰেই মুখখন পখালি আতুৰ-বিতুৰকৈ গৈ মন্দিৰৰ সন্মুখত উবুৰি খাই পৰিল। পাছত সুভদ্রাই মন্ত্র মতাদি ভুন্‌ভুন্‌কৈ ক'বলৈ ধৰিলে—"হে শ্রীবিষ্ণু, জগতৰ ঈশ্বৰ, তুমি সকলোবোৰ দেখি আছা। মোৰ ছোৱালীজনী বৰ আজলী, তুমি তাকো দেখি আছা। মই কাকো কেতিয়াও দুর্ব্যৱহাৰ কৰা নাই প্রভু। কৃপাঞ্জলিকো তুমি কাৰোবাৰ দুর্ব্যৱহাৰৰ পৰা সদায় নিলগত ৰাখিবা প্রভু। হে প্রভু জগন্নাথ, তোমাৰ শ্রীচৰণ চুই তোমাক শতবাৰ কাকুতি কৰিছোঁ।"

"মা।"

সুভদ্রাই উচপ্‌খাই মূৰ তুলি চালে, দেখিলে সন্মুখত শতৰূপা।

"এই ৰাতিপুৱাঙ্গ মা আপুনি....?" শতৰূপাৰ হাতত চোতালসৰা বাঢ়নী, তেওঁ নিত্য-নৈমিত্তিক কর্তব্য কৰাৰ বাবে সাজু।

সুভদ্রাই খক্‌মক্‌কৈ মাটিৰ পৰা উঠি শতৰূপাৰ হাতৰ বাঢ়নীডাল নিজৰ হাতলৈ নি চেনেহ বিগলিত কণ্ঠেৰে কৈ উঠিল—"যা আই শতৰূপা, তুমিও মোৰ ছোৱালীৰ দৰেই, অলপ শুয়েই লোৱাগৈ যোৱা। ময়েই চোতালখন সাৰি পেলাম, দিনৰ দিনটো কামে-কাজে লাগি থাকোতে তোমাৰো কম কষ্ট হয়নে বাৰু? যোৱা আই, যোৱা।"

শাহুৰেকৰ ব্যতিক্রমী আচৰণটো দেখি শতৰূপা পৰম আশ্চর্যত হতবাক হ'ল।

তেনেতে লোৰ সঁজাটোৰ ভিতৰৰ পৰা সুভদ্রাক উদ্দেশ্যি পোহনীয়া ভাটৌ চৰাইটোৱে "মা" "মা"কৈ চিঞৰি উঠিল।

অষ্টম দৃশ্য

(সূর্যমুখী প্রগতিশীল চেমনীয়া সংঘৰ আলোকসজ্জিত মঞ্চ)

কাহিনীৰ উপসংহাৰ-ক্ষণ, এয়াই শেষ দৃশ্য। শেষ দৃশ্যটোত কাহিনীৰ সদৌটি চৰিত্র দৃশ্যমান হ'ল একেখন মঞ্চত। চৰিত্রবোৰৰ প্রত্যেকৰে হাতত দপ্‌দপ্‌কৈ প্রজ্বলিত আৰিয়া একোটা। বিভিন্ন দিশৰ পৰা একেটা কেন্দ্রবিন্দুত মিলিত হ'বলৈ চৰিত্রবোৰ মাৰ্‌মাৰ্‌কৈ আগবাঢ়ি আহিল। মুহূর্তত ভিতৰতে চত্রিবোৰৰ হাতৰ আৰিয়াৰ একত্রিত আলোকে সৃষ্টি কৰিলে এটা অত্যুজ্বল আলোকৰ আৱর্তৰ। এটা সময়ত একেটা উমৈহতীয়া আলোকৰ আৱর্তৰ মাজত সোমাই পৰিল মঞ্চৰ চৰিত্রবোৰ— সুভদ্রা, শতৰূপা, বলোভদ্র, বৃন্দাবন, কৃপাঞ্জলি, সনাতন ইত্যাদি নামৰ সদৌটি চৰিত্র।

মঞ্চৰ সন্মুখভাগত দোদুল্যমান এটা লোৰ সঁজা, সঁজাটো মঞ্চৰ চিক্‌মিক্‌ আলোকেৰে জল্‌মল্‌।

লাহে লাহে লোৰ সঁজাটোৰ দুৱাৰ মুকলি হ'ল, তাৰ পৰা লচ্‌পচ্‌কৈ ওলাই আহিল কৃপাঞ্জলিহঁতৰ সেই পোহনীয়া ভাটৌ চৰাইটো। ভাটৌ চৰাইটোৱে মঞ্চৰ আলোকত জোবো�ৰা মাৰি পাখিত আলোকৰ ঝিলিক লৈ মঞ্চৰ পৰা ওলাই আহিল আৰু "শতৰূপা" "শতৰূপা" "মা" "মা" সুৱদী সুৱদী মাত দুটি অ'ত-ত'ত সিচি সিচি উৰি গ'ল চিকুণ নীলিম পলসত গজালি মেলা শোণিমা তৰাৰে ভৰুণ সন্মুখৰ আকাশখনলৈ— যিখন আকাশৰ চৌদিশ উন্মুক্ত আৰু সীমাহীন, যিখন আকাশ সুন্দৰৰ কান্তিময় প্রভাৰে দেদীপ্যমান।

লগে লগে মালিন্যবিহীন সুন্দৰ মনৰ বর্ণময় প্রদীপ্তিৰে সুৰঞ্জিত হৈ পৰিল মঞ্চৰ প্রতিটো চৰিত্র। চৰিত্রবোৰ মঞ্চৰ গোটমৰা আলোকৰ মাজেদি ক্রমাৎ আগবাঢ়িল সন্মুখনৰ পৃথিৱীখনলৈ, সুন্দৰৰ সুবিমল জেউতিৰে সুশোভন সেই ৰমণীয় পৃথিৱীখনলৈ, শান্তি-সম্প্রীতি-প্রেম-মমতাৰে ভৰপূৰ মানৱতাৰ সেই লাৱণ্যময় পৃথিৱীখনলৈ।❖

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক তথা ভূতপূর্ব অভিযন্তা, অসম গড়কাপ্তানি বিভাগ



ডেউকা মেলি

ৰুমী তালুকদাৰ

আজি স্কুললৈ আহিবলৈ একান্তই মন নাছিল কুঁহিৰ। মাকে কেতিয়াও স্কুল খতি কৰিবলৈ নিদিয়ে কাৰণেই মাজে মাজে সমস্যা হয় তাইৰ। কেতিয়াবা অসুখ বেছি হ'লেহে তাইৰ স্কুললৈ অহাটো বন্ধ হয়। তাৰ বাহিৰে স্কুললৈ নহাকৈ থকাৰ কুঁহিৰ কোনোপধ্যে উপায় নাথাকে। অৱশ্যে স্কুললৈ আহিবলৈ তাই ভালেই পায়। কাচিৎ কেতিয়াবা বিশেষ কামৰ কাৰণে তাই খতি কৰিব খোজে বা কৰিবলগীয়া হয়। কুঁহি পঢ়া স্কুলখনতে মাকেও চাকৰি কৰে। অৱশ্যে সিহঁতৰ ক্লাছত পঢ়াবলৈ নাপায় তেওঁ। ওপৰ ক্লাছতহে পঢ়ায় কাৰণে তাই ৰক্ষা পৰিছে। নহ'লে কুঁহিয়ে একো তুৰি-মুৰিয়ে কৰিব নোৱাৰিলেহেঁতেন। পঢ়িবলৈ মন নাথাকিলেও বা লিখি লিখি হাতখন বিষাইছে বুলি ক'লেও মাকজনীয়ে অকণমানো ৰেহাই নিদিয়ে তাইক।

আজি শনিবাৰ। সোনকালেই স্কুল ছুটী হ'ব। সেয়েহে কুঁহিয়ে ভাবি থকা কামখিনি কৰিবলৈ বেছি একো অসুবিধা নাপাব। তাকে ভাবি মনৰ অশান্তি আঁতৰাই থৈ তাই ছুটীৰ সময়লৈ অপেক্ষাত ৰ'ল। প্রথম পিৰিয়ড শেষ হোৱাৰ পাছতেই সিহঁতৰ ক্লাছলৈ আহিল জাহ্নৱী মিছ। সকলোবোৰ ছোৱালীয়েই এই মিছগৰাকীক ভাল পায়, কাৰণ তেওঁ কেতিয়াও কাকো খং নকৰে। কুঁহিকতো আৰু বেছি মৰম কৰে; মাকৰ লগত বিশেষ বন্ধুত্ব থকা কাৰণেই চাগে। কিন্তু সকলোৰে আগত তেওঁ তেনেকুৱা ভাব নেদেখুৱায় কেতিয়াও। অন্য সময়ত লগ পালে বা ঘৰত লগ পালে জাহ্নৱী মিছে মৰম কৰি তাইক পঢ়া-শুনাৰ কথা, ছবি আঁকাৰ কথা সোধে।

ক্লাছত সোমোৱা জাহ্নৱী মিছক দেখি তেওঁ পঢ়াবলগীয়া কিতাপ-বহীবোৰ উলিয়াবলৈ সকলোৱে খচমচ লগালে। মিছে জনালে যে আজি তেওঁ নপঢ়ায়। সকলোৰে মাজত ছবি আঁকা প্রতিযোগিতা এখন হ'ব তাকে ক'বলৈহে আহিছে তেওঁ। তাৰ বাবে সকলোৱে হললৈ যাব লাগে। প্রতিযোগিতা পাতিছে 'প্রকৃতি' নামৰ বেচৰকাৰী অনুষ্ঠান এটাৰ সদস্যসকলে। বঁটা বিতৰণো আজিয়েই কৰিব তেওঁলোকে। কথাখিনি কৈ মিছে ছবি আঁকা ছোৱালীবোৰৰ নামবোৰ লিখি গ'ল এটা এটাকৈ। লিখা হ'লত তেওঁ ওলাই যাবলৈ খুজি ক্লাছটোলৈ চকু ফুৰাই চাই দেখিলে কুঁহিক। তেওঁ তাইলৈ চোৱা দেখি বুজি পালে এতিয়া কিবা ক'ব তাইক। মুখ মেলিলে মিছে—

ঃ অংশুলেখা ফুকন, কি হ'ল? নাম দিয়া নাই যে। ছবি আঁকিবলৈ একেবাৰে বাদ দি দিলা নেকি?

থিয় হৈ সেমেনা-সেমেনিকৈ থকা কুঁহিক দেখি মিছে অনুমান কৰিলে যে কিবা অজ্ঞাত কাৰণত তাই আজি নাম দিব খোজা নাই।

তেওঁ আকৌ ক'লে—

ঃ তোমাৰ নামটো লিখিছোঁ দেই। শাৰী পাতি হললৈ যোৱাগৈ এতিয়া।

এইবাৰ কুঁহিয়ে উপায় বিচাৰি পালে যেন।

ঃ মিছ, মই আজি বেগত পেঞ্চিলডাল ভৰাবলৈ পাহৰি গ'লোঁ। সেই কাৰণে...

মিছে মনোযোগেৰে তাইলৈ চালে এক মুহূর্তৰ বাবে। তাৰ পাছত ক'লে—

ঃ হ'ব, সেইডাল ময়ে যোগাৰ কৰি দিম বাৰু। এতিয়া তালৈকে যোৱাচোন।

উপায় নোহোৱা হ'ল কুঁহিৰ। যিমানেই ভাবিছে স্কুলৰ বান্ধোনৰ পৰা সোনকালে মুক্তি পোৱাৰ কথা, সিমানেই লেঠাবোৰ বাঢ়িবলৈহে লৈছে তাইৰ বাবে। স্কুলত তাই আছে যদিও মনটো আছে অন্য ক'ৰবাত। আজিৰ দিনটোৰ বাবে কিমান কি যে কৰিব লগীয়া আছে তাইৰ। বিৰক্তিৰে ভৰি পৰা মনটো লৈ কুঁহি হল ঘৰলৈকে বুলি খোজ ল'লে।

ছবি আঁকিবলৈ ল'লে যদিও গোটেই সময়খিনিতে কুঁহিৰ মনলৈ আহি থাকিল দুদিনমানৰ আগৰ ঘটনাবোৰ।

ডাঠ বকলাৰ ডাঙৰ ঘৰ এটাত কুঁহিয়ে পৰিয়াল এটা প্রতিপালন কৰি আহিছে বহুদিন আগৰে পৰাই। সিহঁতৰ চুবুৰিতে

থকা একে সমনীয়া পৰীয়ে তাইৰ পৰিয়ালৰ ছোৱালী এজনী পছন্দ কৰি থৈছে নিজৰ তোলনীয়া ল'ৰাটোলৈ বুলি। বিয়াৰ তাৰিখটো ল'ব পৰা নাছিল, কাৰণ কুঁহিৰ মাক ঘৰত নথকা দিনটোৰ বাবে বাট চাব লগা হৈছিল। দৰা পাৰ্টী লৈ বিয়া কৰাবলৈ আহিব যেতিয়া পৰীৰ বাবে কোনো অসুবিধা নাই। অসুবিধা কুঁহিৰহে। লগৰ বহুতকে নিমন্ত্ৰণ দিলে কুঁহিহঁতৰ ঘৰত হুলস্থূল নিশ্চয় হ'ব আৰু তেতিয়া তাইৰ মাকৰ খং উঠিব। কাৰণ মাকজনীৰ সদায়ে স্কুল থাকে কাৰণে বন্ধৰ দিনবোৰত অন্য কাম কৰিবলগীয়া থাকে বা অলপ নিৰিবিলিকৈ থাকিবলৈ বিচাৰে। গতিকে বন্ধৰ দিনটোত কুঁহিৰ বাবে এইবোৰ অসুবিধা থাকেই। কাৰোবাৰ ঘৰৰ খালী কোঠা এটাও পাবলৈ নাই। এইবোৰেই সমস্যা সিহঁতৰ বাবে। বিয়াখন পতা মানে হুলস্থূল হোৱাটো স্বাভাৱিক কথা। পৰী, বাৰ্বী, মুন্নী, ৰিকি, মিঠু আৰু সিহঁত দুজনীমানৰ ভায়েক বা ভনীয়েককেইটা লগত আহিব খুজিলে সিহঁতক এৰাই আহিবও নোৱাৰে। হাওহাওকৈ মুখকেইখন মেলে বাবে মাকহঁতে লৈ আহিবলৈ কয় সিহঁতকেইটাক।

অৱশেষত ঠাই ওলাল। কুঁহিহঁতৰে ভাড়া ঘৰ এটা খালী হোৱাত ভগৱানকে ধন্যবাদ দিলে তাই। তাতে আকৌ আগদিনাই মাকে কুঁহিক কৈ থৈছে যে তেওঁ তাইৰ ভায়েক কুকুক লৈ আগবেলাতেই ফাঁচী বজাৰলৈ যাবগৈ। মালতী বাইৰ স'তে তাই ঘৰতে থাকিব লাগিব। কুঁহিৰ বাবে এয়া যেন গাখীৰতে ম'হৰ খুঁটি। কাৰণ কুকু ঘৰত নথকা মানে শান্তিৰে সময়খিনি পাৰ কৰিব পাৰিব সিহঁতে।

মাক আৰু ভায়েক ওলাই যোৱাৰ পাছতে কুঁহিৰ তোলনীয়া কইনাজনীৰ বিয়াৰ আয়োজন চলিল। মালতী বাইক কুটুৰি কুটুৰি লুচী এখৰাহি ভজাই লোৱাৰ লগতে বুট দাইলো ৰন্ধালে কুঁহিয়ে। ঘৰত আনি থোৱা মিঠাই কেইটামান ফ্ৰিজতে থোৱা আছিলেই। দেউতাকেও কেতিয়াবা ভাল মিঠাই পালে তেনেকৈ আনি থয়। কুঁহিৰ লগৰবোৰক খুৱালে অৱশ্যে মাক-দেউতাকে একো বেয়া নাপায়। কেৱল মালতী বায়েহে মাকৰ খং উঠে বুলি মিছাতে ভয় খাই প্ৰথমতে অলপ আপত্তি কৰিছিল।

বান্ধৱীবোৰ আহিলত কইনাক গা ধুৱাই পাটৰ কাপোৰ পিন্ধাই সজাই-পৰাই উলিয়ালে। ময়ূৰ নীলা ৰঙৰ নতুন পাটৰ কাপোৰৰ গুণাৰ বুটা বছা সৰু টুকুৰা এটা কুঁহিক মাহীয়েকে দি থৈছিল কেতিয়াবাই। গতিকে তাৰে মালতীৰ হতুৱাই মেখেলা-চাদৰ চিলাই লৈছিল কুঁহিয়ে। কইনাৰ দীঘল চুলিকোছা ফণিয়াই খোপা বান্ধি দিছিল বাৰ্বী, মুন্নী, মিঠুহঁতে। আজি সিহঁতৰ লগত ভায়েক-ভনীয়েককেইটা অহা নাই। সেয়েহে সিহঁতে শান্তিৰে বিয়াৰ কামত লাগিব পাৰিছে। কইনাজনীক সজাই-পৰাই তোলাৰ কিছু পৰৰ পাছতে জোতাৰ বাকচৰ গাড়ীত উঠি দৰা পাৰ্টী আহি গ'ল। আটাইবোৰকে ভাগে ভাগে বহুৰাই দি বিয়াৰ কাম সম্পন্ন কৰাত সিহঁতকেইজনী ব্যস্ত হৈ পৰিল। তাৰ মাজতে দুখনকৈ ফুলা লুচী, বুটৰ দাইল আৰু মিঠাইৰে অতিথিসকলক আপ্যায়ন কৰিলে মালতী বায়ে। কোমল, বগা, ফটা কাপোৰৰ কইনাজনীৰ হাত-ভৰি সাজি, নাক-মুখ সুন্দৰকৈ নিৰ্মাণ কৰি থৈছিল কুঁহিয়ে। মূৰত কপালৰ আগৰ পৰাই ক'লা টাকুৰীৰ সূতা, বেজীৰে সী দি দীঘল চুলি গজাব পৰা বিদ্যাটো তাই শিকি লৈছিল ভালদৰেই। তাইৰ ঘৰটোৰ কেইবাহালো মানুহ তেনেধৰণেই নিৰ্মাণ কৰা। বগা, কপাহী, কোমল কাপোৰ হস্তগত কৰাৰ লগতে ক'লা টাকুৰীৰ সূতা সাং কৰা বিশ্বকৰ্মাৰূপী কুঁহিৰ কৰ্ম-কাণ্ডবোৰ মাকৰ চকুত পৰা নাই কেতিয়াও। দেখিলে খং কৰিব নিশ্চয় মাকে। কিনিবলৈ পোৱা পুতলাবোৰ বৰ বেলেগ ধৰণেৰে সাজে। দৰা-কইনাৰ জোখেই নিমিলে। বহুতকেইটা কিনিবও নোৱাৰি। পূজাৰ কেইদিনত মাক-দেউতাকক কুটুৰি থাকি কিবাকৈ এটা এটা পুতলা আদায় কৰিব পাৰে সিহঁতে। এনেকৈ কিনা আটাইকেইজনীৰে পুতলাবোৰ কাৰোবাৰ যদি কইনাজনী বহুত ডাঙৰ থাকে, তেন্তে কোনোবাজনীৰ দৰাটো তেনেই চুটি-চাপৰ হয়। সেয়ে সিহঁতৰ দৰা-কইনাবিলাকৰ বিয়া পতাটো বৰ অসুবিধাজনক হয়। কুঁহিৰ মুখৰ পৰা এই কথা জানিব পাৰি এদিন আইতাকে তাইক ফটা কোমল কাপোৰৰ পুতলা সাজি হাতত তুলি দিছিল। আইতাকজনী সেইবাৰ কেইদিনমান থকাকৈ সিহঁতৰ ঘৰত আছিল বুলিহে ডাঙৰ সমস্যাটোৰ সমাধানৰ উপায় বিচাৰি পাইছিল তাই। কুঁহিৰ পৰাই পৰী, বাৰ্বীহঁতে এইটো কায়দা শিকি লৈ এনেদৰে দুই-তিনিটা পৰিয়াল ৰখা কৰিছে ডাঠ কাগজৰ আৰ চি চি ঘৰবোৰত। বিয়াবোৰত প্লাষ্টিকৰ অকণমানি চৰু-হাড়ীবোৰো কামত লাগে বাবে সেইবোৰৰো যোগাৰ ৰাখে সিহঁতকেইজনীয়ে।

বিভিন্ন কথা-বতৰাৰ মাজেৰে আটাইবোৰে খোৱা-বোৱা কৰাৰ পাছত জোতাৰ বাকচৰ গাড়ীত দৰাই কইনাক লৈ যাবলৈ ওলাল। তেতিয়াই পৰী আৰু কুঁহিয়ে কথা পাতি ঠিক কৰি লৈছিল আঠমঙলাৰ দিনটো। শনিবাৰে অৰ্থাৎ আজিৰ দিনটোতে সুবিধা হ'ব বুলি ভাবি আটাইবোৰে সাজু হৈ আছিল।

ইয়াৰ মাজতে কুঁহিৰ ভায়েকটোৱে ডাঙৰ অঘটন এটা ঘটালে। কিবা কথাত তাইৰ লগত কাজিয়া লাগি খঙৰ ভমকত কইনাজনীক থোৱা বাকচটোৰ পৰা থাপ মাৰি নি একেদৌৰে গৈ নলাত পেলাই দিলেগৈ। ধুনীয়া কইনাজনী নৰ্দমাৰ লেতেৰা

পানীত ওপঙি থাকিল। পিছে পিছে দৌৰি যোৱা কুঁহিয়ে ঘটনাৰ আকস্মিকতাত কান্দোনত গছৰ পাত সৰাব যেন কৰিলে। কাৰণ কইনাজনী নিবলৈ আহিলে তাই কাক পঠিয়াব? চকুৰ পচাৰতে আঠ বছৰীয়া ভায়েকটোৱে অঘটনটো ঘটোৱাত মাকেও তাক বৰকৈ খং কৰিলে। শেষত মাকৰ দিহামতে ওচৰৰে মালা বায়েকৰ ঘৰলৈ গৈ তাই কথাখিনি জনোৱাত মালা বায়েকৰ পৰা আশ্বাস পালে যে নতুনকৈ এজনী ধুনীয়া কইনা সাজি দিব অতি সোনকালে। নৱম মানত পঢ়ি থকা মালা বায়েকজনী তাইৰ বাবে বহুত কথাতে ত্রাণকর্তা যেন। ফটা কাপোৰেৰে সজা দৰা-কইনাকে ধৰি মাক-বাপেক, ভায়েক-ভনীয়েকবোৰৰ মূৰত চুলি গজোৱা আৰু নাক-মুখবোৰ সুন্দৰকৈ আঁকা বিদ্যাটো কুঁহিক মালা বায়েকেই শিকাই দিছিল। মালা বায়েকজনীয়ে বহুত কিবাকিবি জানে। এনেয়েও কেতিয়াবা এইজনী বায়েকৰ ওচৰলৈ আহি কুঁহি আজৰি পৰত বহি থাকেহি। তেতিয়াই মালা বায়েকৰ ছবি আঁকা, সজাবলৈ তৈয়াৰ কৰা বিভিন্ন বস্তু চাই থাকেহি। বুঢ়া তামোলৰ বাকলি শুকান গছৰ ডালত বিশেষ কায়দাৰে ফুলৰ আকৃতিত সজোৱা আদি কামবোৰ চাই থাকি কুঁহিৰ বৰ ভাল লাগে। অলাগতিয়াল বস্তুবোৰেৰে মালা বায়েকে নতুন নতুন ৰূপত এনেকৈ তৈয়াৰ কৰে যে নক'লে ধৰিব নোৱাৰি প্রকৃততে সেয়া কি আছিল। বালিবোৰ ধুই ৰ'দত শুকুৰাই লৈ তাত ৰং সানি ৰাজস্থানী পুৰুষ-মহিলাৰ আঁকি লোৱা ছবিখনত আঠাৰে বালিবোৰ লগাই দিয়ে। এখন সুন্দৰ ফটো নির্মাণ হৈ যায়। এইবোৰ কৰি থকাৰ মাজতে তাইক নৃত্যও শিকায় কেতিয়াবা। কুঁহিজনীৰ বাবে মালা বায়েকজনী বান্ধৱীহে যেন।

তাই চাই থাকোঁতেই কথা পাতি থকা বায়েকজনীয়ে এজনী ধুনীয়া কইনা তৈয়াৰ কৰি তাইৰ হাতত তুলি দিলে। এইজনী আগৰজনীতকৈও বেছি ধুনীয়া হোৱাত কৃতজ্ঞতাত মালা বায়েকৰ ওচৰত কুঁহি গদগদ হৈ পৰিল যেন। ইমান ডাঙৰ বিপদ এটাৰ পৰা যে বায়েকজনীয়ে উদ্ধাৰ কৰিলে তাইক। পুতলাটো আলফুলে আনি বাকচটোত থ'লে তাই। এইবাৰ গোটেই বাকচটো নি এনেকুৱা ঠাইত থ'লেগৈ যাতে ভায়েকটোৱে সহজতে বিচাৰি নাপায়। সেইদিনা কুঁহিয়ে স্বস্তিৰে উশাহ ল'ব পাৰিছিল। তাইৰ মূৰৰ পৰা গধুৰ বোজা এটাহে নামি গৈছিল যেন। শনিবাৰৰ দিনটোলৈ অপেক্ষা কৰি ৰৈছিল কেৱল।

আজি কুঁহিৰ মনত সেইটো চিন্তাই খোপনি পুতি আছে। কাৰণ কুকুটোৰ মতলব ধৰিব নোৱাৰি। ঘৰটো আলমাৰীৰ ওপৰত উঠাই কাপোৰ এখনেৰে ঢাকি থৈ আহিছে যদিও চকী-মুঢ়া জোৱা দি সি নমাই আনে বুলিয়েই তাইৰ মনৰ আশঙ্কা গুচা নাই। কিবাকৈ পৰীৰ দৰাৰ লগত বিদায় দিব পাৰিলেই ৰক্ষা পৰে তাই।

অঁকা ছবিখন জমা দি আটাইবোৰ নিজৰ নিজৰ কোঠালৈ আহে মানে ইতিমধ্যে বঁটা বিতৰণৰ বাবে মঞ্চত সকলোবোৰ ঠিক-ঠাক কৰা হৈ গৈছে। কুঁহিয়ে ভাবিলে কিছু সময়ৰ বাবে মাত্র ধৈর্য ধৰিব লাগিব। এইকণ সময় পাৰ হ'লেই হয় যেনে-তেনে। ছবি অঁকা প্রতিযোগীসকলক উদ্দেশ্যি উদ্যোক্তাসকলৰ ফালৰ পৰা দুজনে কিবাকিবি কৈ গ'ল যদিও কুঁহিৰ কাণত একো নোসোমাল। কিছু পৰৰ পাছতে এজন লোকে শেষৰ ফালৰ কেইবাটাও বঁটা ঘোষণা কৰিলে লগতে প্রতিযোগীসকলকো মঞ্চলৈ মাতি পঠিয়ালে গ্রহণ কৰিবলৈ। ওপৰ শ্রেণীৰ ছোৱালীবোৰৰ দুই-তিনিজনীমানে বঁটা লৈ নামি আহিল একাদিক্রমে। একেবাৰে শেষত ঘোষণা কৰিলে প্রথমগৰাকী বিজয়ী প্রতিযোগীৰ নাম। নিজৰ কাণকে যেন বিশ্বাস হোৱা নাই তাইৰ; কাৰণ সেয়া যে তাইৰ নাম কৈ আছে বাৰে বাৰে। সকলোৱে চাইছে 'অংশুলেখা ফুকন' বোলাজনী ক'ত সোমাই আছে। ৰূপালীমে তাইক হেঁচুকি দিয়াত তাই উঠি গ'ল মঞ্চলৈ। পুৰস্কাৰ হাতত তুলি দিয়াৰ আগেয়ে এজনে ছবিখন দাঙি ধৰিলে সকলোৰে সন্মুখত। এটা ময়ূৰ চৰায়ে বৰযুণত তিতি এখন ভৰি দাঙি পেখম মেলি নৃত্যৰ তালত ৰৈ আছে যেন।

তাৰ মানে কি? মানুহজনে সোধাত কুঁহিয়ে ক'লে যে ময়ূৰ চৰায়ে বৰষুণ বৰ ভাল পায়। বেছি জোৰত বৰষুণ পৰিলে বৰষুণৰ তালে তালে ময়ূৰে ৰঙতে নৃত্য কৰিবলৈ পেখম ধৰে আৰু নৃত্যৰ তালো খৰতকীয়া হয় বৰষুণৰ টোপালৰ তালে তালে। সেই কাৰণেই ময়ূৰটোৱে এখন ভৰি দাঙি আছে তেনেকৈ। এইখন ছবিকে আঁকিবলৈ কিয় বাছি ল'লে সোধাত তাই ক'লে যে নিজৰ ভাললগা কাম মানে সিহঁতেও খেলা-ধূলা আদি কৰিবলৈ পালে ময়ূৰ চৰাইটোৰ দৰে অতিশয় ৰং পাব। কিন্তু তেনেকৈ মুকলি পৰিৱেশ কুঁহিহঁতে বিচাৰি নাপায় সহজতে।

তাইৰ কথা শেষ হ'বলৈকে নাপালে, জাউৰি জাউৰি হাতচাপৰিৰ শব্দত গোটেইখন তাল মাৰি ধৰাত কুঁহি তাৰ পৰা দৌৰি আহিবলৈ লৈছিল। মানুহ এজনে হাতখনত থাপ মাৰি ধৰাত কুঁহি ৰৈ গ'ল ঠাইতে। মানুহবিলাকে কুঁহিক গালে-মুখে হাত ফুৰাই মৰম কৰি পুৰস্কাৰৰ সামগ্রীসমূহ হাতত তুলি দিলে। তাৰ পাছতেই তাৰ পৰা তাই ভিৰাই লৰ মাৰিলে নিজৰ ঠাইলৈ বুলি। কিবা ভুলকৈ ক'লে বুলি ভাবটো মনলৈ অহাত লাজে যেন আৱৰি ধৰিলে কুঁহিক।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

কাতি মাহৰ পুৱাটো প্রসন্ন বৰুৱাৰ বৰ ভাল লাগে। গাত এটা হাফ চুৰেটাৰ আৰু এখন গলাবান মেৰিয়াই সদায় প্রাতঃভ্রমণৰ বাবে ওলাই যায়। পুৱাৰ সময়খিনিত তেওঁৰ সম্পূর্ণ অধিকাৰ আছে। আজি কিছুদিনৰ পৰা বৰুৱাৰ দেহাটো সিমান ভাল নহয়। বয়স বেছি নহ'লেও মধুমেহ বেমাৰটোৱে বৰুৱাক বৰকৈ কষ্ট দিয়ে।

প্রসন্ন বৰুৱাৰ দুটা ল'ৰা আৰু এজনী ছোৱালীৰে এখন সুখৰ সংসাৰ আছিল। জীয়েক হিমাশ্রীয়ে দেউতাকৰ প্রতি অশেষ যত্ন লৈছিল। বিয়াৰ পাছতো দেউতাকক ঔষধ-পাতি খোৱা আৰু স্বাস্থ্যজনিত সকলো বিধি মানিবৰ বাবে বাৰম্বাৰ সকীয়াই দিছিল। দুজন পুতেকক বিয়া পাতি দিয়াৰ পাছতো ঘৰৰ প্রায় সকলো দায়িত্ব বহন কৰিব লগা হৈছিল। মুঠতে ল'ৰাতকৈ জীয়েকৰ যেন দেউতাকৰ প্রতি কর্তব্য অসীম আছিল। বৰুৱাই প্রাতঃভ্রমণত বহু লোকৰ লগত নানান ধৰণৰ আলোচনাত ভাগ লৈ সুখ অনুভৱ কৰিছিল।

'অ' তুমি মাধুর্য নহয়নে? তুমি গুৱাহাটীতে আছা নেকি? বাপ্‌ৰে, তোমাক যে হঠাতে লগ পাম ভবাই নাছিলোঁ।'— বৰুৱাই মাধুর্যক হঠাতে লগ পাই আচৰিত হৈ কথাখিনি কৈ উঠিল।

বেদনাশ্রু

ৰীণা ভৰালী বৰা

'হয়, মইমাধুর্য। পিছে তুমি বৰুৱা নহয়নে? তোমাক কিন্তু মইএকেবাৰে চিনি পোৱা নাছিলোঁ। তোমাৰ স্বাস্থ্য কিন্তু বহুত বেলেগ হৈ গ'ল। কিবা অসুখ-বিসুখ হৈছিল নেকি?'—মাধুর্যই একে উশাহতে কথাখিনি কৈ একালৰ বন্ধু বৰুৱাৰ ওচৰলৈ আহি কান্ধত হাতখন থৈ পুনৰ ক'লে— 'এৱা, এটা সময়ত প্রসন্ন বৰুৱা বুলিলে বিশ্ববিদ্যালয়ত নাম আছিল কিন্তু। সুঠাম দেহা, বহল বুকু, হৃষ্ট-পুষ্ট বৰুৱাক যে কিমান ছোৱালীয়ে...!'

'এহ্ ৰ'বা, তুমি যে আগৰ সেই মাধুর্য হৈয়ে আছা দেই। মুখ খুলিলে ৰখাওঁতা নাই। পিছে ডেকা হৈ আছাতো। আমাৰ দৰে বেমাৰী মানুহক এতিয়া চাওঁতাই নাই বুজিছা। পিছে তোমাৰ কথা কোৱাচোন। লগ পাইবৰ ভাল লাগিল। অন্ততঃ তোমাৰ লগত সময় কটাব পাৰিম।'— কথা পাতি পাতি দুই বন্ধুৱে ৰাস্তাৰ কাষৰ এখন চাহৰ দোকানৰ ফালে যাবলৈ ধৰিলে।

'ঔ ল'ৰা, ধুনীয়াকৈ আদা দি চাহ দুকাপ দে। গৰু গাখীৰ আছে নে নাই? নাই যদি ৰঙা চাহ দিবি।'— কথাষাৰ কৈ বৰুৱাই দোকানৰ সম্মুখত থকা বেঞ্চখনত মাধুর্যক বহিবলৈ দি নিজেও বহি পৰিল।

'পিছে মাধুর্য কোৱাচোন তোমাৰ খবৰ-খাতি। বিয়া-বাৰু পতা হ'লনে নাই? বর্তমান গুৱাহাটীৰ কোন ঠাইত আছা?'— বৰুৱাই মাধুর্যৰ মুখলৈ চাই ৰ'ল।

'এৱা মোৰ ঘৰ-সংসাৰ বুলি একো নাই বুজিছা। ঘৰ এখন বুলিলে মা-দেউতা, দাদা, ভণ্টীহঁতেৰে ঠাহ খাই থকা ঘৰখনৰ কথাহে মনত পৰে। মই বিয়া-বাৰু নকৰালোঁৰেই। অর্থাৎ সংসাৰ পতাই নহ'ল। বিয়া পাতিবলৈ সময় পালোঁ ক'ত! তোমাৰ নিশ্চয় মনত আছে দেউতাই মোৰ মৃৰত এৰি থৈ যোৱা সংসাৰৰ বোজা বহন কৰোঁতে কৰোঁতে বৰকৈ ভাগৰি পৰিলোঁ। নিজৰ বাবে চিন্তা কৰাৰ অৱকাশ সেয়েহে নাপালোঁ বুজিছা।'— মাধুর্যই কথাখিনি কৈ যেন ভাগৰি পৰিল, এনে অনুমান হ'ল।

'খুব ভাল কাম কৰিলা মাধুর্য। তুমি বৰ বুধিয়কৰ কাম কৰিলা। বাস্তৱ জীৱনত কিছুমান সুখৰ মুখ নেদেখিলা যদিও সংসাৰ পাতি দুখৰ বোজা বহন কৰাটোযে অতি ভয়াৱহ তাৰ পৰাতো ৰেহাই পালা। তোমাক মই কেনেকৈ ধন্যবাদ দিওঁ তাকেহে ভাবিছোঁ।'— বৰুৱাৰ অন্তৰখন দুখেৰে ভৰি পৰিল। চকু চলচলীয়া হ'ল। আনে নেদেখাকৈ মুখখন ৰুমালেৰে মচি ল'লে। মাধুর্য হঠাতে বিমোৰত পৰিল। বৰুৱাৰ হাতখন ধৰি মাধুর্যই বিচলিত নহ'বৰ বাবে অনুৰোধ কৰিলে। ইতিমধ্যে হোটেলৰ ল'ৰাজনে দুকাপ গাখীৰ চাহ দি গ'ল। দুয়ো নিমাতে চাহ খাবলৈ ধৰিলে। পৰিৱেশটো নীৰৰ হৈ গ'ল। ছল বুজি মাধুর্যই বৰুৱাক ক'লে— 'জীৱনত সকলোৰে সুখ-দুখ আছেই। মই ভাবোঁ তুমিতো বহুত সাহসী আছিলা। মন সবল কৰা বৰুৱা।'

'নক'বা মাধুর্য, পৰিস্থিতিয়ে দুর্বল কৰি পেলায়। সংসাৰ পাতি অর্জা পাপৰ বোজা কঢ়িয়াব পৰা নাই। সেয়ে প্রাতঃভ্রমণৰ সময়খিনি মোৰ বাবে অতি সুখৰ। সেই যে ঘৰ সোমাম, এটাৰ পাছত এটা বাক্যবাণে মোক থকা-সৰকা কৰি দিয়ে। সমাজত থাকি নিজৰ মান-ইজ্জত ৰক্ষাৰ হেতু মুখেৰে মাতিব নোৱাৰি নিজে নিজে দহি মৰোঁ। অহৰহ একুৰা জীয়া জুই বুকুৰ মাজত জ্বলি থাকে, মৰিবও নোৱাৰোঁ বুজিছা।'

'কি যে কোৱা বৰুৱা, বিলেক্স। এতিয়া ময়োতো তোমাৰ ওচৰ পালোঁহি। তোমাৰ দুখৰ ভাগ মোকো ভাগ কৰি দিবা। উঠা এতিয়া, তোমাক সদায় লগ পাই থাকিম। মই অহা আজি এমাহ হৈছে। কৃষ্ণ নগৰৰ এ এছ ই বি কলনীত থাকোঁ। ঘৰৰ নং - ২০৯। লগত মোৰ ভাত-পানী ৰন্ধাকৈ ল'ৰা এজন থাকে। তোমাক মোৰ ঘৰত এদিন লৈ যাম বাৰু। পিছে তুমি. ক'ত থাকা নক'লা যে?'

'অ' মোৰ ঘৰ সৌ চাৰিআলিৰ কাষতে এটা শিৱমন্দিৰ আছে নহয়, তাৰ তেনেই কাষতে ২৫ নম্বৰ ঘৰটোতে থাকোঁ। তুমিও আহিবা। পিছে মাধুর্য আজি যাওঁ দেই।'— পুনৰ কাইলৈ লগ পোৱাৰ মানসেৰে দুয়ো বেলেগ বেলেগ ৰাস্তাৰে ঘৰমুৱা হ'ল। বৰুৱাৰ মনটো কিছু ফৰকাল লাগিল। আজি কিমান দিনৰ মৃৰত অন্ততঃ এজন বন্ধুক লগ পালে। ভাবি-গুণি আহি থাকোঁতে ঘৰ পালেহিয়েই।

'অ' দেউতা আপুনি ইমান দেৰি কিয় কৰিলে? বিহানক বহু দেৰিৰ পৰা উলিয়াই মই ৰৈ আছোঁ। বাছ আজি পায় নে নাপায় ঠিকনা নাই।'— বোৱাৰী অনিন্দিতাই পুনৰ সময়ৰ মূল্য নুবুজাৰ বাবে মুখৰ ভিতৰতে ভোৰভোৰালে। বৰুৱাই বিহানক হাতত ধৰি কিছু খৰখেদাকৈ বাছষ্টেণ্ডলৈ যাবলৈ ধৰিলে।

'ককা, তুমি আজি কিয় ইমান দেৰি কৰিলা? মায়ে জানা তোমাক যে কিমান গালি পাৰি আছে। তুমিতো আজি মর্নিং টি নাখালাই। কোৱাচোন ককা, তুমি বহু দূৰলৈ গৈছিলা নেকি আজি?'— বিহানে ককাকৰ মুখলৈ চাই থাকোঁতে ৰাস্তাত উজুটি খাই পৰিব খুজিছিল। বৰুৱাই বিহানক ক'লে— 'নহয় বোপাই, মোৰ এজন বহু পুৰণা ভাল বন্ধুক লগ পাই, কথা পাতি থাকোঁতে সময়ৰ কথা পাহৰিয়ে গ'লোঁ।'

'সঁচা ককা! মোৰ দৰে তোমাৰো বন্ধু আছিল নেকি? নাম কি

তেওঁৰ ? মোক লগ পোৱাই দিবানা। তোমাৰ বন্ধু নিশ্চয় বৰ মৰমিয়াল হ'ব, ঠিক তোমাৰ দৰে, নহয় জানো ?'

ইতিমধ্যে বাছখন আহি ষ্টপেজ পালেহি। বিহানে 'ককা বাই বাই' বুলি বাছখনত উঠি বহিল। বাছখন যোৱাৰ ফালে কিছু সময় একেথৰে চাই বৰুৱাৰ মনটো সেমেকি উঠিল। এটা কথাই তেওঁৰ অন্তৰখনত দোলা দি গ'ল— 'তোমাৰ বন্ধু নিশ্চয় বৰ মৰমিয়াল হ'ব, ঠিক তোমাৰ দৰে।'....

গেটখন খুলি বৰুৱাই আগফালে শাৰী শাৰীকে ৰুই থোৱা শেৱালি, তগৰ, হাছ্নাহানাৰ গছকেইজোপাত হাত বুলালে। মনত পৰিল এৰি অহা দিনবোৰৰ স্মৃতি। কিমান সুখ আৰু আনন্দৰ আছিল এৰি অহা দিনবোৰ। গছবোৰ যেনেকৈ ফলে-ফুলে জাতিষ্কাৰ আছিল মানুহৰ মনবোৰো ভৰি আছিল মানৱীয়তাৰ গুণেৰে ভৰপূৰ হৈ। এদিন এদিনকৈ বৰুৱাৰ চকুৰ আগতেই মাক-দেউতাক এইখন ঘৰৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল সকলোকে কন্দুৱাই। ভনীয়েক বৰুৱাৰ অতি মৰমৰ আছিল। তায়ো গুচি গ'ল অন্য এখন ঘৰলৈ। যাক জীৱনৰ সংগী বুলি ভাবি বৰুৱাই সংসাৰ গঢ় দিছিল সেই সত্যসন্ধ্যাই এদিন সাধাৰণ বেমাৰতে তেওঁৰ হৃদয়ত অত্যন্ত দুখৰ বোজা জাপি দি অনন্তধামলৈ গতি কৰিলে।

এতিয়া বৰুৱাই দুটা ল'ৰাক বিয়া পাতি দিলে। এটা চাকৰিৰ তাগিদাত চহৰত থাকিবলৈ ল'লে আৰু সৰু পুতেকৰ লগতেই পো-বোৱাৰী-নাতিৰ সৈতে বৰুৱা নিজৰ ঘৰত আছে। মাক-দেউতাক আৰু সত্যসন্ধ্যা আৰু ভনীয়েক যোৱাৰ পাছত সেই ঘৰখনৰ পৰা শ্ৰদ্ধা-ভক্তি, নিয়ম-নীতি, মৰম-স্নেহ, ভালপোৱা, আচাৰ-ব্যৱহাৰ সকলো অন্তৰ্ধান হ'ল। কেৱল ভুক্তভোগী বৰুৱাই নীৰৱে সহ্য কৰি কৰি সোণ পুৰি পুৰি উজ্জ্বল হোৱাৰ দৰে কটু কথা, দুৰ্ব্যৱহাৰ, অসহ্যকৰ পৰিৱেশে তেওঁক অভিজ্ঞতাত উজ্জ্বল কৰি তুলিছে।

'দেউতা, কি কৰি আছে বাহিৰত ? অনিন্দিতাই কৈছে নহয়, বিহানে বোলে কিবা কৰিহে যাব পাৰিছে। সময়ৰ কথা কিয় পাহৰি যায় আপুনি ? এ এছ ই বিৰ বিলখন আজি দিবলৈ নাপাহৰিব। পানীৰ বিলখন দিলেনে নাই দেউতা ?' বৰুৱাই পুতেক সঞ্জীৱলৈ চাই লাহেকৈ ক'লে— 'দিম বাৰু।'

বৰুৱাই জানে তেওঁৰ পেন্সনৰ টকাকেইটা লৈ পো-বোৱাৰী সদায় সচেতন। সত্যসন্ধ্যাৰ বেমাৰৰ বাবে তেওঁ চাকৰি কাল পাঁচ বছৰ থাকোঁতেই স্ব-ইচ্ছাই অব্যাহতি ল'লে। এতিয়া তেওঁ বয়সতকৈ বেছি দুৰ্বল আৰু মানসিকভাৱে ভাগি পৰা এজন ব্যক্তি। বহু কথাত পো-বোৱাৰীৰ ব্যৱহাৰত মাত মাতিবৰ মন গ'লেই মৃত্যুৰ সময়ত সত্যসন্ধ্যাই কৈ যোৱা কথাখিনিয়ে তেওঁক সদায় বাধা দিয়ে। তেওঁ কৈছিল— 'মোৰ মৃত্যুৱে আপোনাৰ জীৱনলৈ অশেষ দুখ-কষ্ট কঢ়িয়াই আনিব, সেই কথা মই জানো। তথাপি আপুনি ধৈর্য ধৰিব, অন্যথা মোৰ আত্মাই শান্তি নাপাব।'— বৰুৱাই কথাবোৰ ভাবি ভাবি ভিতৰলৈ যাবলৈ লওঁতেই ঘৰৰ ভিতৰৰ পৰা বোৱাৰী অনিন্দিতাই ক'ব ধৰিলে— 'দেউতা, আপোনাৰ পেন্সনৰ টকাখিনি পালেনে ?' অনিন্দিতাই কিছুসমীহ কৰি কথাখিনি ব্যক্ত কৰিলে। এৰা, বিহানৰো এইমাহতে ফিজখিনি সম্পূৰ্ণ কৰি দিব লাগিব। তাইৰ ভনীয়েকৰো বিয়া, ঘৰৰ প্ৰায় তিনি বছৰৰ গোট খাই থকা টেক্সখিনিও দিব লাগিব। গতিকে অলপ সৰহকৈ এইমাহত টকাৰ দৰকাৰ। পাৰিলে আজিয়েই টকাখিনি উলিয়াই বোৱাৰীয়েকৰ হাতত দিয়ে যেন। লগতে ঘৰখনত বজাৰো কৰিব লাগে... ইত্যাদি ইত্যাদি। বৰুৱাই চাই লওঁ বুলি ভিতৰ সোমাই গ'ল।

অনিন্দিতা, ভিতৰ সোমাই চিৰঞ্জীৱক উদ্দেশ্যি ক'বলৈ ধৰিলে— 'হেৰা বুঢ়াক আজি টকা অলপ দিবলৈ কৈছোঁ। এনেকৈ কোনে বহুৱাই খুৱাবহে। ভাল আপদটো আমাৰ জীৱনলৈ আহিল। ক'তো দুদিন থকাকৈ ফুৰিবলৈ যাব নোৱাৰোঁ। মোৰ লগৰবিলাকে কিমান ধাবা-ৰেষ্টুৰেণ্টত জুতি লৈ ফুৰে। মোৰহে পোৱা কপাল বুজিছা। তোমাৰ দাদা-নবৌহঁতেও কিমান আনন্দ-ফূৰ্তিত আছে। মোৰহে টেঁটুত এই মৰিব নধৰা বুঢ়াটো লম্ভিলে। পেন্সনৰ টকাকেইটা এইবাৰ যদি মোৰ হাতত নিদিয়ে তুমি চাই থাকিবা মই কি কৰিম।'— অনিন্দিতাই চিৰঞ্জীৱক কথাখিনি কৈ উছাট মাৰি আঁতৰি গ'ল। চিৰঞ্জীৱে কেৱল অনিন্দিতা যোৱাৰ ফালে চাই থাকিল।

কাতি মাহত আবেলি হ'লেই সন্ধ্যা লগাৰ দৰে এটা ভাব হয়। প্ৰসন্ন বৰুৱাই ওচৰৰে সাপ্তাহিক বজাৰৰ ফালে বহু দেৰিকৈ ওলাই গ'ল। বৰুৱাই জানে বেপাৰীবিলাকে যাবৰ সময়ত বহু বস্তু কম দামতে দি যায়।

দেওবাৰৰ দিনটো ঘৰত থাকি মাধুৰ্যৰ আমনি লাগিল আৰু সেয়েহে বৰুৱাক লগ পাবৰ বাবে ঘৰৰ পৰা ওলাই বৰুৱাৰ ঘৰৰ ফালে আগবাঢ়িল।

২৫ নং ঘৰটোত কলিং বেলটো বজাই মুখেৰেও তেওঁ মাত দিলে— 'বৰুৱা, ঘৰত আছেনে ? মই মাধুৰ্য আহিছোঁ।'

'অ' আপুনি ক'ৰ পৰা আহিছে ?' ঘপহকৈ দৰ্জাখন খুলি অনিন্দিতাই কিছু খং ভাবেৰে কথাষাৰ সুধিলে— 'মইতো আপোনাক আগেয়ে দেখাও নাই আৰু চিনিও পোৱা নাই।'

'এইটো প্ৰসন্ন বৰুৱাৰ ঘৰ নহয় জানো ?'— মাধুৰ্যই কিবা কাৰণত ভুলতে সোমাল বুলি প্ৰশ্ন কৰিলে।

'এইটো চিৰঞ্জীৱ বৰুৱাৰ ঘৰ। প্ৰসন্ন বৰুৱা তেওঁৰ দেউতাকহে। পিছে তেওঁ ঘৰত নাই। কিবা সকাম থাকিলে পিছত আহিব।'

'বৰুৱাৰ আপুনি কোন হয় ?'

'মই কোন হয় আপোনাক কিয় লাগে। ঘৰৰ দুৱাৰ খুলি কোনে দিব পাৰে— আপুনি নাজানে ? যদি নাজানে তেন্তে শুনক— মই এই ঘৰৰ মালিকনী।'— অনিন্দিতাই দুৱাৰখন বন্ধ কৰি সোমাই গ'ল। মাধুৰ্যই শিলপৰা কপৌৰ দৰে বহু সময় তাতে থিয় হৈ থাকি লাহে লাহে গেটখন খুলি যাবৰ বাবে উদ্যত হওঁতেই দুই হাতে দুটা বেগ লৈ আহি থকা বৰুৱাই মাধুৰ্যক দেখি আচৰিত হৈ সুধিলে— 'অ' মাধুৰ্য, তুমি কেতিয়া আহিলা ? মই অলপ বজাৰ কৰিবলৈ গৈছিলোঁ। ব'লা ব'লা বহাহি আহা।' মাধুৰ্যই মনৰ ভাব প্ৰকাশ নকৰি কেৱল বৰুৱাক ক'লে— 'মই বহু সময় বহিলোঁ বৰুৱা, পিছে-পৰে আহিম। তুমি কাইলৈ মোক চাহৰ দোকানতে পুৱা লগ ধৰিবা।' মাধুৰ্য ঘৰমুৱা হ'ল।

বৰুৱাই ভিতৰ সোমাই বেগকেইটা থৈ কি কৰিম, কি নকৰিম ভাবেৰে দুই-তিনিবাৰ অনিন্দিতাক সুধিম বুলি ভাবিও একো কথা মুখৰ পৰা নোলাল। তেওঁ সুধিম বুলি ভবা কথাকেইটা আছিল— মাধুৰ্যক একাপ চাহ খুৱালেনে ? বহিবলৈ দিলেনে ? নে মাধুৰ্যক ক'ম বুলি ভবা কথাখিনি অনিন্দিতাৰ ব্যৱহাৰতেই কোৱা হৈ গ'ল। বৰুৱাৰ বুকুখন হম্হমাই গ'ল। চ'ৰাঘৰৰ চোফাখনতে বৰুৱাই অৱশ দেহাটো এৰি দিলে। উহ ! কি বেদনা বাৰ্ধক্যৰ ! নিঃসংগতাৰে প্ৰভু কিমান দিন আৰু এনেদৰে... ! অজানিতে বৰুৱাৰ দুচকু ভৰি পৰিল তপত চকুলোৰে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা, নাৰিকলবাৰী, গুৱাহাটী

নাৰী অৱহেলিত নহয়



বিনীতা নাথ

নৱমী বৰা। এটা অতি পৰিচিত নাম। এটা অঞ্চলৰ লেখত ল'বলগীয়া নাম। অতি ধৈর্য্যৰে, অতি কষ্ট কৰি বহু সাধনাৰ ফলত নৱমীয়ে তেওঁৰ নামটো তেওঁ নিজেই বিখ্যাত কৰি তুলিছে, লগতে ছোৱালী হিচাবে তেওঁক জন্ম দিয়া লাঞ্ছিতা, অৱহেলিত মাককো সমাজত, পৰিয়ালত সন্মানেৰে ওপচাই পেলাইছে।

এসময়ত মানুহৰ মনত অগাধ বিশ্বাসেৰে গঢ় লোৱা সমাজত বংশ ৰক্ষাৰ বাবেই হওক বা ঘৰখনৰ সকলো দিশৰ স্বাৱলম্বিতাৰ বাবেই হওক বিবাহিত মহিলাই ল'ৰা সন্তান জন্ম দিলেহে পৰিয়ালৰ পৰা ঘৰখনৰ মানুহজনৰ পৰা ভাল বোৱাৰীৰূপে মৰম, সন্মান আহৰণ কৰিব পাৰিছিল। ইফালে আকৌ ছোৱালী সন্তান জন্ম দিয়া বোৱাৰীজনীয়ে বহুতো লাঞ্ছনা-গঞ্জনাৰে প্রতাৰিত হোৱাৰ উদাহৰণো আমি সময়ে সময়ে পাই আহিছোঁ।

এখন গাঁৱত এটা যৌথ পৰিয়ালত দুজনী বোৱাৰী একেলগে নিজৰ বাই-ভনীৰ দৰে মিলা-প্রীতিৰ মাজেৰে হাঁহি-ফূর্ত্তিৰে দিন কটাইছিল। এসময়ত দুয়োজনীয়ে গর্ভৱতী হ'ল। ঘৰখনত যেন চাৰিওফালৰ পৰা স্ফূর্ত্তিৰ জোৱাৰহে বৈছিল। সময়ত ডাঙৰ বোৱাৰীয়ে এজনী বৰ মৰমলগা ছোৱালী জন্ম দিলে আৰু সৰু বোৱাৰীয়ে যমজ ল'ৰা দুটা জন্ম দিলে। পৰিয়ালবর্গই ছোৱালীজনীৰ নাম ৰাখিলে নৱমী। কাৰণ তাইৰ জন্ম দুর্গা পূজাৰ নৱমীৰ দিনা হৈছিল। ইফালে আকৌ ল'ৰা দুজনৰ নাম ৰাখিলে কমল আৰু বিমল।

ছোৱালী সন্তান জন্ম দিয়া বাবে ডাঙৰ বোৱাৰীক শহুৰ-শাহুৰ লগতে গিৰীয়েক আৰু ঘৰখনৰ অইন সদস্যবোৰেও কুলক্ষিণীস্বৰূপা জ্ঞান কৰি কথাই কথাই প্রতাৰণা কৰিবলৈ ধৰিলে। আনফালে সৰু বোৱাৰীৰ লগতে ল'ৰা সন্তান দুটিক যিমান পাৰে মৰমেৰে ওপচাব ধৰিলে।

সময় বাগৰি গৈ থাকিল। লাহে লাহে সন্তানকেইটাৰ স্কুললৈ যোৱাৰ বয়স হোৱাত পৰিয়ালবর্গই ছোৱালী নৱমীক চৰকাৰী স্কুলত আৰু কমল-বিমলক নামভর্ত্তি কৰি দিলে সেই অঞ্চলৰ নামজুলা ইংৰাজী মাধ্যমৰ স্কুলত। নৱমীৰ প্রতি কৰা অন্যায়বোৰ আৰু নিজৰ ওপৰত কৰা অত্যাচাৰবোৰ ডাঙৰ বোৱাৰীয়ে সহ্য কৰিব নোৱাৰি মনে মনে কোনেও নেদেখাকৈ চকুলো টুকি থাকে। তেওঁ আছিল "মা দুর্গা"ৰ পৰম ভক্ত। তেওঁ সময় পালেই ঘৰৰ নাতিদূৰৈত থকা "মা দুর্গা"ৰ মন্দিৰলৈ গৈ চাকি-বস্তি লগাই সেৱা কৰি মাৰ ওচৰত চাদৰৰ আঁচলখন পাতি কান্দি কান্দি ভিক্ষা মাগে— "মা তুমিও নাৰী। মোৰ আৰু মোৰ ছোৱালী নৱমীৰ ওপৰত পৰিয়ালে কৰা অত্যাচাৰবোৰৰ তুমি বিচাৰ কৰি মোৰ লাজ ৰাখিবা মা। মোৰ অৱহেলিত ছোৱালীজনীক তোমাৰ শক্তিৰে ডাঙৰ-দীঘল কৰি সমাজত মান-সন্মানেৰে প্রতিষ্ঠা কৰিবা মা।"

নৱমীয়ে জনা-বুজা হোৱাৰে পৰা পৰিয়ালবর্গৰ

লগতে দেউতাকে তাইৰ প্ৰতি, তাইৰ মাকৰ প্ৰতি কৰা অনাদৰ, অৱহেলাই তাইৰ মনটো দৃঢ় কৰি তুলিলে আৰু তাই মনে মনে প্ৰতিজ্ঞা কৰিলে যে ভালদৰে পঢ়া-শুনা কৰি মাকৰ নাম সমাজত উজলোৱাৰ লগতে মাকক ঘৰখনে মৰমৰ চকুৰে চাবলৈ বাধ্য কৰোৱাব।

এই সংকল্প লৈ তাই আগবাঢ়ি যাব ধৰিলে। অৱশেষত এনেকুৱা এটা সময় আহিল যে নৱমীয়ে পৰীক্ষা অনায়াসে উত্তীৰ্ণ হৈ ভাৰতীয় সেনাবাহিনীৰ এজন উচ্চপদস্থ বিষয়াৰূপে নিযুক্তি পাই ঘৰলৈ উভতিল। গোটেই অঞ্চলৰ মানুহে লগতে নানান বিভাগৰ বিষয়াবৰ্গই একেলগে ঢোলে-ডগৰে জাপি-গামোছা-শৰাইৰে আদৰণি জনাই সভা পাতি অভিনন্দনেৰে ওপচাই পেলালে। নৱমী বৰা সমাজৰ, দেশৰ গৌৰৱ বুলি গুণ বখানিলে। নৱমীৰ উত্থান দেখি মাকৰ চকুত হেঁপাহৰ চকুলো নিগৰি আহিল। সমাজে ক'বলৈ বাধ্য হ'ল যে সন্তান হ'লে নৱমীৰ দৰে সন্তান হ'ব লাগে, যাৰ বাবে দেশেও গৌৰৱ কৰিব পাৰে।

নাম থকা বিখ্যাত ইংৰাজী স্কুলত পঢ়িও সৰু বোৱাৰীৰ ল'ৰা কমল আৰু বিমলে উচ্চ শিক্ষাৰে শিক্ষিত হ'ব নোৱাৰিলে। টকা-পইচাৰ মূল্য বুজি নোপোৱা কমল আৰু বিমলে জুৱা, মদ, ড্ৰাগছ এইবোৰতে বেছিকৈ মনোযোগ দিয়াৰ বাবে হায়াৰ চেকেণ্ডাৰী শ্ৰেণীৰ ডেওনা বহুবাৰ পৰীক্ষা দিও সফল হ'ব নোৱাৰি মদাহী, জুৱাৰী লগতে চৰিত্ৰবো স্খলন হোৱাত সমাজত লেই লেই, চেই চেই চাৱনিৰ, ব্যৱহাৰৰ সন্মুখীন হোৱাৰ কাৰণে মাক-বাপেকৰ উপৰি ঘৰখনৰ আন আন পৰিয়ালবৰ্গও মানুহৰ মাজত লজ্জিত হ'ব লগা হ'ল। ঘৰখনৰ অতিপাত মৰমে কমল আৰু বিমলৰ জীৱনক অইন দিশে গতি কৰোৱালে। মান-সন্মান কি বস্তু এইবোৰ সিহঁতে বুজি নোপোৱা হ'ল। ডাঙৰক কেনেধৰণেৰে ব্যৱহাৰ কৰিব লাগে সেয়াও ঘৰখনৰ আদৰ-যত্নৰ ফলত ভৰিৰে মোহাৰি পেলালে। ইহঁত দুজনৰ অসভ্য আচৰণৰ বাবে সমাজে মেল পাতি ঘৰখনক জবাবদিহি কৰিলে। সন্তানক ভাল আচৰণ শিকাব নোৱাৰিলে সন্তান জন্ম দিব নালাগে বুলিও ক'লে মাক-দেউতাকক।

এখন ঘৰৰে দুটা দিশ। এখন ঘৰৰ পৰিৱেশে সৃষ্টি কৰে সংস্কাৰ। এই সংস্কাৰৰ আধাৰতেই ডাঙৰ-দীঘল হয় সন্তান-সন্ততি। সৰু কালৰে পৰা নৱমীক মাকজনীয়ে সু-সংস্কাৰেৰে ডাঙৰ-দীঘল কৰাৰ লগতে মনত যি সাহস আৰু ধৈর্য্যৰে আগুৱাই যাবলৈ প্ৰেৰণা দি আহিছিল; এটা সময়ত সেয়াই গৌৰৱৰ স্তম্ভ হৈ মুখত হাঁহি বিৰিঙাইছিল অৱহেলিত মাকৰ মুখত। গতিকে, সমাজেই হওক বা ঘৰখনৰ মানুহেই হওক নাৰীক বা নাৰীশক্তিক কেতিয়াও অৱহেলা কৰিব নেপায়। নাৰীয়ে সদায় সকলোৰে বাবে অশেষ ত্যাগ স্বীকাৰ কৰি নিজৰ সুখ-দুঃখৰ কথা নেভাবি অইনৰ মুখত হাঁহি বিৰিঙাব চেষ্টা কৰে। কিন্তু যদি কিবা কাৰণত অপমানিত হৈ হৃদয়ত প্ৰতিহিংসাৰ দাবানল জ্বলে; তেন্তে নিস্তাৰ নাই।

"মা দুর্গা" হ'ল নাৰী শক্তি। নৱমীৰ মাকে তেওঁৰ সকলো দুঃখ-দুর্দশা "মা দুর্গা"ৰ ওচৰত সমর্পণ কৰিছিল আৰু দেৱী মায়ে অৱশেষত নৱমীৰ ৰূপত আহি নিজৰ কর্ম্মৰে সকলোৰে দর্প চূর্ণ কৰিছিল। সেয়েহে ল'ৰাইহে বংশ উদ্ধাৰ কৰিব পাৰে বুলি যি প্ৰবাদ আছে সেইয়া নৱমী বৰাই মিছা বুলি প্ৰমাণ কৰি দেখুৱালে।

ল'ৰা-ছোৱালীৰ মতভেদ আজি কালিৰ সমাজে মানি নলয়। এই কলিযুগত ল'ৰাৰ উদ্ভণ্ডালি-আচৰণত অতিষ্ঠ হৈ জন্ম দিয়া পিতৃয়ে ত্যাজ্যপুত্ৰ কৰি ঘৰৰ পৰা উলিয়াই দিয়াৰ উদাহৰণো নথকা নহয়। বহুতো পুৰুষে নাৰীক অত্যাচাৰ কৰি নিজেই মৃত্যু মুখলৈ ঠেলি দি আত্মহত্যাৰ ৰূপ দিয়াও দেখা যায়। তাৰ ফলত বহুতো মেধাসম্পন্ন ছোৱালীয়েই হওক বা বোৱাৰীয়েই হওক অকালতে মাক-বাপেকক এৰি বুকু শুদা কৰি পৃথিৱীৰ পৰা বিদায় মাগিবলগীয়া হয়।

সেয়েহে নাৰীক সন্মান কৰি সমাজত নাৰী শক্তিক ভাল কামত লগালে উন্নতিৰ পথত ভালদৰে আগবাঢ়িব পৰা যাব। "জয় নাৰীশক্তিৰ জয়, জয় মা দুর্গাৰ জয়।"❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা সমাজসেৱীকা, নাৰিকলবাৰী, গীতানগৰ



কইনা

অপর্ণা চহৰীয়া ডেকা

আগৰাতি জিৰজিৰকৈ বৰষুণ পৰিছিল। খেৰৰ ছালত পৰা বৰষুণৰ মাত, প্ৰহ্লাদে কাৰোবাক কিবা এযাৰ কোৱা গলগলীয়া মাতযাৰ, জীয়ৰী-বোৱাৰী দুজনীমানৰ নিষিদ্ধ আলোচনাৰ চেপা চেপা মাত আৰু পাকঘৰৰ খুটুং-খাটাং শুনি তাইৰ ৰ-লাগি টোপনি আহোঁ আহোঁ যেন কৰিছিল। দিনটোৰ ভাগৰ, কান্দোনে বোবা কৰি তোলা মনটো আৰু মূৰ্চ্ছিত অৱস্থাতে এৰি থৈ অহা মাকজনীৰ ক্ষীণ অৱয়বটোৱে বাৰে-বাৰে তাইক আহুকালত পেলাইছিল। এই চকুহাল মোহাৰিলেহে! এই আকৌ চকুপানী ওলালেই।

কোঠাটোত বহি বহি তাইৰ বৰ অস্বস্তি লাগিছিল। শীতল পাটীখনৰ শিতানৰ গাৰুটোত মূৰ থ'লেও তাইৰ টোপনি অহাৰ আশা নাছিল। নতুন বিছনাখন কোঠাটোত সুমুৱাবই পৰা নাই। মজিয়াতে শোৱাৰ বাদে গত্যন্তৰ নাই।

কাপোৰ-কানিবোৰো খুলি-খালি থ'ব পাৰিলেহে যেন ভাল আছিল! খোপাটোৰ পৰাও ওহোমা-ওহোম গোন্ধ এটা ওলাইছে। তিতা চুলি বান্ধিলে ওলোৱা গোন্ধ। মূৰটোও যেন কামুৰিছে।

এবাৰ তাই অনুভৱ কৰিলে, মাকৰ অৱয়বটো যেন লাহে লাহে অস্পষ্ট হৈ হৈ গৈ আছে।

তাই খকা-মকাকৈ উঠি বহিল।

উস্ তাইৰ তেনে চিলমিলকৈ টোপনি আহিছিল?

চুবুৰীয়া বোৱাৰীহঁত যাবলৈ ওলাল। তাইক মাত লগাই ধেমালি কৰি থৈ গ'ল, "আজি বৰষুণ ন ছোৱালী, শুই ভাল পাবা।"

প্ৰহ্লাদ বহুত পলমকৈ শুবলৈ আহিছিল। তাই ভয়ে ভয়ে এটা চকু সৰুকৈ মেলি তালৈ চাইছিল।

সি এবাৰ তাইৰ পিনে চালে আৰু মজিয়াত পৰি থকা তাইৰ চেলেংখন আলনাত তুলি থ'লে।

তাৰ পাছত সি আকৌ তাইলৈ চালে।

এসময়ত সি কেৰাচিনৰ চাকিটো নুমুৱাই দি বাঁহৰ খুঁটাটোত মূৰ থৈ নিঃশব্দে কান্দিলে। তাই এবাৰ উঠি আহিব খুজিছিল। কিন্তু অদৃশ্য কিহবাই তাইক যেন বান্ধি থ'লে।

তাই যেন নিজকে বুজালে, সি কান্দক। কন্দা উচিত।

এই নিমাত ৰাতিৰ একান্ত প্ৰহৰকণ অকল প্ৰহ্লাদৰহে!

তাইৰ নহয়, সিহঁত দুয়োটাৰো নহয়।

এসময়ত তাইৰ চুলিত সি খুব সাৱধানে হাত বোলাই দিলে।

তাই যাতে সাৰ নেপায়, তেনেকৈ।

অথচ তাই সাৰে আছিল।

নতুন কথা, নতুন ৰাতি এটা আৰু নতুন মানুহ এটাৰ সান্নিধ্যত সম্ভৰ হ'ব পৰা সকলো উত্তেজনাৰ বাবে তাই গোটেই মানুহজনীয়েই যেন সাৰ পাই উঠিছিল।

এনেকৈ সাৰ পোৱাক কি কয়, তাই বুজাৰ সাধ্য নাছিল।

প্ৰহ্লাদ তাইৰ কাষতে শুলে।

তাই ওৰে ৰাতি নুশুলে।

ৰাতিপুৱা খকামকাকৈ উঠি তাই দেখিলে, পৃথিৰীজুৰি বৰষুণ মুখৰ ৰ'দ।

মাকে কৈ পঠিয়াইছিল, উঠিয়েই বাহীচোতাল সাৰিবি।

তাই ইপিনে-সিপিনে চাই বাঢ়নীটোঁৰ বিচাৰিলে।

দেখিলে, হাতত বাঢ়নীটোঁৰ লৈ শাহুৱেকে পদূলিটো সাৰি উভতি আহিছে।

তাইৰ বৰ বেয়া লাগিল।

পিছনিশাহে তাইৰ টোপনি ধৰিছিল।

সেই গুণেহে উঠাও পলম!

শাহুৰেকে একো যেন হোৰাই নাই তেনে ভাবত পিৰালিত ৰৈ থকা তাইক ক'লে, "যা, গাটো ধুই ল' গৈ। পানী তুলি থৈছো।" তাই গা ধুই চাহ বাকিবলৈ পাকঘৰত সোমাব খুজিলে। শাহুৰেকে ক'লে, "চাহ হ'লেই। তইয়ো খা। দেউতাৰকো দে গৈ।"

তাই ভাতসাজকে ৰান্ধো বুলি ভাবিলে।

শাহুৰেকে ক'লে, "ভাত হ'লেই। খাই ল'চোন তই। ৰঙালাউৰ আগ ভাজিছিলো। ভাল পাবি জানো? কণী এটা গোটাভজাকৈ থৈছো। দিওঁ ৰহ সেইটোকে।"

তাই চুৰা বাচনবোৰ ধুব খুজিলে।

শাহুৰেকে কোনোবা আইটিক চিঞৰি মাতিলে, "যাচোন, এইখিনি ধুই আনগৈ। বৌৰেৰজনী ভাগৰে-জুগৰে আছে। পাছত তহঁতকে ৰান্ধি-বাঢ়ি খুৱাব লাগিব। কষ্ট নিদিবি এতিয়া।"

তাই আইটিক পাকঘৰতে এৰি নিজৰ কোঠাত সোমালগৈ। নিমজকৈ মচা বেৰখনত লাৰুৱা গোপালৰ ছবি এখন। আধা এৰ খাই থকা ছবিখন তাই আগদিনা মনেই নকৰিলে। কোনোবাই গোবৰ মাটিৰে বেৰখন লেপিবৰ পৰত চাগৈ ছবিখন এৰুৱাই গৈছিল। এঠা এৰ খাই আছে।

"বেলৰ এঠাকে লগাম" বুলি মনতে ভাবি তাই ছবিখন এৰুৱাই আনিলে।

খিৰিকীৰ সিটোপাৰে চাঙত লাও, কোমোৰা, কেৰেলা দুজোপামান বগাইছে। লাগিছেও দুই-এটা।

তাই মাটিৰ মজিয়াত পৰা বিছনাতে বহিল। বিয়া সোমাই তাইৰ ভাল লাগিছেনে? তাই নিজকে বাৰে বাৰে সুধিলে।

"নেজানো" বুলি তাইৰ মনটোৱে যেতিয়া তাইকেই উত্তৰটো দিলে, তেতিয়া শাহুৰেক তাইৰ কোঠালৈ আহিল। তেওঁৰ কোলাত দুদঁতীয়া লাৰুৱা গোপাল। তেওঁৰ চকু চলচলীয়া।

দুদঁতীয়া লাৰুৱা গোপালটি কোন তাই নুসুধিলে। তাই তাক মাতিলে, "আহাঁ সোণটো, মই লওঁ আহা।" সি এবাৰ তাইলৈ ৰ লাগি চালে। তাৰ পাছত সি হাউলি তাইৰ গাতে পৰোঁ যেন কৰিলে। তাই তাক কোলালৈ আনি মূৰটো শুঙিলে। তাই যেতিয়া তাক হাত দুখনেৰে দাঙি ওপৰলৈ তুলি ধৰিলে, সি হাঁহিলে। খুব হাঁহিলে।

শাহুৰেকে তাইৰ হাতখনত ধৰি যেন মিনতি কৰিলে, "ইয়াক সদায় লৈ থাকিবিনে আই?"

শাহুৰেকে কান্দিছিল। গোটেই গাটো তেওঁৰ জিকাৰ খাই উঠিছিল।

"বিয়াঘৰত আলৈ-আথানি হ'ব বুলি মামীয়েকে লৈ গৈছিল। এতিয়া থৈ গৈছেহি। তই ৰাতি নল'লেও হ'ব। দিনত যেনে তেনে!"

তেওঁ যেন কৈফিয়ৎ দিব খুজিছিল।

তেওঁ যেন বাট এটা কাটিব খুজিছিল।

তাই অকণমানিটোক কোলাত লৈ খিৰিকী কাষলৈ গ'ল।

খিৰিকীৰে ৰভাৰ খুঁটা খুলি থকা দুজনমান আৰু প্ৰহ্লাদক দেখি।

তাই অকণমানিটোক আঙুলিয়াই দেখুৱালে—

"ধুনুমানু চোৰা, সৌৰা চোৰা দেউতা।"

শাহুৰেকে কোঠাটোৰ পৰা ওলাই গৈ নিজৰ কোঠাত সোমাই হেঁপাহ পলুৱাই কান্দিলে।

সাজ লগাৰ পৰত যেতিয়া লেম-চাকিবোৰ জ্বলি উঠিল, ধুনুমানু তেতিয়া প্ৰহ্লাদৰ কোলাত টোপনিত লালকাল।

সি মাকৰ কোঠালৈ যাব খুজিলে।

তাত আঠুৰা তৰাই থাকে।

তাতে ধুনুমানু শুব। সদায় শোৱে।

ধুনুমানু! কইনাই দিয়া নাম।

তাই নিজৰ কোঠাৰ দুৱাৰডলিৰ পৰাই প্ৰহ্লাদক দেখিছিল। ধুনুমানু সাৰ নোপোৱাকৈ ডাঙৰ অথচ চেপা মাতেৰে তাই তাক ক'লে, "ক'লৈ নিছে তাক? ইয়ালৈ লৈ আনক। সি আমাৰ লগত শুব।"

"আমাৰ লগত" বুলি কওঁতে তাইৰ অকণমান লাজো কৰিলে।

প্ৰহ্লাদ মন্ত্ৰমুগ্ধৰ দৰে তাইৰ পিনে আগুৱাই গ'ল।

সি অনুভৱ কৰিলে, কালি কইনা হৈ অহা মানুহজনী এইখন ঘৰত সদায় আছিল।

তাই সদায় ইয়াত থাকিবও।

ধুনুমানুক কোলালৈ আনিবৰ পৰত তাৰপিনে নোচোৱাকৈয়ে তাই ক'লে, "সৰিয়হ অলপ আনি দিবচোন! ইয়ালৈ গাৰু এটা বনাব লাগিব নহয়?"

প্ৰহ্লাদ বাহিৰলৈ ওলাই আহিল।

আকাশত জোনাক।

চোতালত তৰাৰ ৰভা।

সি গান এটা গাব পাৰে দেখোন....!❑


লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা শিক্ষয়িত্ৰী, প্ৰাগজ্যোতিষ জাতীয় বিদ্যালয়, গীতানগৰ

মা

মনমোহন বৈশ্য

দোকমোকালিতে সদায় সাৰ পোৱাৰ দৰে আজিও তাই সাৰ পাই উঠিল। বিছনাৰ পৰা উঠিব খুজিও কিবা এটা এলাহে তাইক আৱৰি ধৰিছে। উস্। পুহ মাহৰ এই ঠাণ্ডাটোৱে যেন তাইক গিলিহে পেলাব। টোপনি ভাগিলেও তাই যেন নিহালিৰ উমকণক লৈ আৰু অকণমান দেৰিলৈকে বিছনাত পৰি থাকিব। নাই, এনেকৈ এলাহ কৰি থাকিলে নহ'ব, তাই একেজাঁপে বিছনাৰ পৰা উঠি আহিছিল। পানী এক কেটলি জুইত বহুৱাই ততাতৈয়াকৈ প্ৰাতঃ কৰ্ম কৰি গাটো ধুই আহে মানে সিফালে চিঞৰ আৰম্ভ হৈছিলেই।

ৰুণুবা চাহ হ'লনে?



শিক্ষক হৰেন তালুকদাৰৰ তিনিটা সন্তান, তাই হৈছে সকলোতকৈ ডাঙৰ, তাৰ পাছত অৰূপ আৰু মেঘালী। ক'বলে যদিও তিনিটা, তেওঁৰ ঔৰসজাত সন্তান কিন্তু অৰূপ আৰু মেঘালীহে, ৰুণু হৈছে তেওঁলোকৰ তোলনীয়া ছোৱালী। তথাপি নজনা লোকে তেওঁৰ তিনিটা সন্তান বুলিয়েই কয়।

তাই গা ধুই তিতা চুলিখিনি গামোচাৰে পাকেৰে খোপাটো বান্ধিয়েই লৰা-লৰিকৈ পাকঘৰত সোমাই পৰিছিল। চাহ বনোৱা, ব্ৰেক ফাষ্ট তৈয়াৰ কৰা, ভাত বনোৱা— উস্, তাই যে থৰকাছুটি হেৰ্ৱাই পেলাব। অকণমান দেৰিলৈকে শোৱাৰ কাৰণেহে এনে উথপথপ হ'বলৈ পালে। তাইৰ নিজৰ ওপৰতেই খং উঠিল।

শিক্ষক হৰেন তালুকদাৰে অৱসৰ গ্ৰহণ কৰাৰ পাছতো বৰ্তমান এখন ব্যক্তিগত খণ্ডৰ জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কাম কৰি আছে। ল'ৰা অৰূপে জুনিয়ৰ ইঞ্জিনীয়াৰ আৰু সৰু ছোৱালী মেঘালী এইবাৰ বিএ ফাইনেল ইয়েৰত। তেওঁৰ পত্নী অলকা বাতবিষ ৰোগী। তেনেকে কাম-কাজ কৰ্ব্বি নোৱাৰে। তাই ভাজিবলৈ আলু, গাজৰ কাটিবলৈ লৈছিলহে, এনেতে— ৰুণু মোৰ গা ধোৱা পানী গৰম হ'লনে? দেউতাকে মাতিলে। এয়া দিছো দেউতা। তাই খৰখেদাকৈ গৰম পানীৰ পাত্ৰটো লৈ যায়। ভাজিখন কেৰাহীত বহুৱাই তাই ৰুটি বেলিবলৈ লয়। এনেতে অৰূপে চিঞৰে— "ৰুণুবা, মোৰ গেঞ্জীটো ক'ত থ'লি? বিচাৰি পোৱা নাই।" ৰুটিখন তেৰাত দিয়েই তাই দৌৰ মাৰি আহি আলনাডালৰপৰা গেঞ্জীটো বিচাৰি দিয়ে। ঘূৰি আহি পাকঘৰ পোৱাৰ লগে লগে ৰুণুবা আহাচোন মোৰ বেণীডাল গুঁঠি দে হি। সেয়া মেঘালীয়ে চিঞৰিছে।

গৈছো ৰহ— বুলি তাই ৰুটিখিনি হটকেছত ভৰাই মেঘালীৰ চুলিখিনি গুঁঠি দিয়ে।

ৰুণু মোৰ দৰবটো দেচোন। দিছো মা।

হৰেন তালুকদাৰ আৰু তেওঁৰ পত্নী অলকাই বিবাহিত জীৱনৰ আঠোটা বছৰৰ পাছতো কোনো সতি-সন্তান নোহোৱাত তেওঁলোকে চাৰি বছৰীয়া ৰুণুক অনাথালয়ৰ পৰা তুলি লয়। ৰুণুৰ অতীতৰ সীমাবদ্ধতা ইয়াতেই। ৰুণুক তুলি লোৱাৰ তিনিটা বছৰ পূৰ্ণ নহওঁতেই আচৰিতভাৱে তেওঁলোকৰ প্ৰথম সন্তান অৰূপৰ জন্ম। তাৰ কেইবছৰমান পাছত পুনৰ কন্যা সন্তান মেঘালীৰ জন্ম হ'ল। অৰূপ মেঘালীক লৈ তালুকদাৰ পৰিয়ালত তিনিটা সন্তানেৰে এখন ভৰা সংসাৰ আৰম্ভ হয়। ৰুণুৰে মেট্ৰিকৰ ডেওনা পাৰ হোৱাৰ পাছতে মাক অলকা বাত বিষত আক্ৰান্ত হয়। ঘৰৰ ডাঙৰ বুলিয়েই তাই পাকঘৰৰ দায়িত্ব ল'ব লগা হয়। কণমানি মেঘালীসহ ঘৰখনৰ প্ৰায় সকলোবোৰ কাম কৰিবলগীয়া হোৱাত তাই বাৰুকৈয়ে গম পাইছিল যে তাইৰ আৰু পঢ়া নহ'বগৈ। কোনো কথা নাই, ঘৰখনৰ জঞ্জালবোৰতকৈ তাইৰ পঢ়াটো জানো ডাঙৰ হ'ব পাৰে? তাইৰ সৰল মনোভাবেৰে বিনাবাক্যই কথাযাৰ উপলব্ধি কৰি মানি লৈছিল। আৰম্ভ হৈছিল অলকা তালুকদাৰৰ অসম্পূৰ্ণ স্থানডোখৰত তাইৰ ব্যস্ততাৰে ভৰা এটি জীৱন।

ঘৰখনৰ দায়িত্ববোৰ পালন কৰি থাকোঁতেই কেনেকৈ যে তাইৰ শৰীৰে ২৯টা বসন্ত পাৰ কৰিলে তাই গমকেই নাপালে। সকলোকে নিজৰ নিজৰ কামলৈ পঠিয়াই অকণমান আজৰি হৈ তাই দৈনিক বাতৰি এখন মেলি লয়। কিন্তু সেইখন পঢ়া নহয়, লাহে লাহে টোপনিয়ে তাইক হেঁচি ধৰে। বাতৰিখন মেলা অৱস্থাতেই তাই টোপনি যায়। ৰুণু অ' ৰুণু— সেয়া অলকা তালুকদাৰে কেঁকাই কেঁকাই মাতিছে। খপ্জপকৈ তাই সাৰ পায়। গৈছো মা...

অৱসাদ ভৰা শৰীৰটোৰে তাই তেওঁৰ কাষত থিয় হয়, তুলি লয় জৰাই অনা তেলৰ বাটিটো, লাহে লাহে মালিচ কৰি দিয়ে, বাত বিষত আক্ৰান্ত হৈ ফুলি উঠা গাঁঠি, হাত-ভৰিবোৰ। তাই কৰা মালিচেৰে আৰাম পোৱা অলকা লাহে লাহে টোপনিৰ কোলাত ঢলি পৰে আৰু তাই মাথোঁ মাকক মালিচ কৰি যায় একান্ত মনে, আলফুলে, মৰমেৰে অতি সাৱধানেৰে।

এনেকুৱা সময়তে ৰুণুৰ বাবে এক বিয়াৰ প্ৰস্তাৱ আহে। ধনী ঘৰৰ একমাত্ৰ ব্যৱসায়ীৰ পুত্ৰ ভাস্কৰ দেখনিয়াৰ। ৰুণুক চাবলৈ অহাৰ আগতেই সৰু জীয়ৰী কম বয়সীয়া মেঘালীক দেখুওৱা হৈছিল আৰু ৰুণুৰ বিষয়ে

কিবা প্ৰশ্ন উত্থাপন হোৱাৰ আগতেই অতি কমদিনৰ ভিতৰতে মেঘালীৰ সৈতে তেওঁৰ বিয়া হৈ গৈছিল। এৰা, যাৰ কইনা তাৰ বিবাহ বুলি সান্ত্বনা লোৱা ৰুণুৰে গমেই নাপালে যে তাইলৈ অহা প্ৰস্তাৱটিক এক প্ৰকাৰ ছলনাৰে আঁতৰাই তাৰ ঠাইত মেঘালীক যাচি দিছিল তাইৰেই ঘৰৰ আপোন মানুহবোৰে। মেঘালীৰ বিয়া হৈ যোৱাৰ পাছত পোন প্ৰথমবাৰৰ বাবে তাই অনুভৱ কৰে, তাই যেন অকলশৰীয়া, তাইৰ মনেও যেন বিচাৰে এজন সংগী, যিজনে বুলাব পাৰে তাইৰ শিৰত সেন্দূৰীয়া ৰং, পূৰাব পাৰে তাইৰ একান্তপ্ৰয়োজন আৰু যিজনে দিব পাৰে তাইক এক বিশেষ পৰিচয়। তাই মাথোঁ অপেক্ষা কৰে নীৰৱে অনাগত সেই পৰিচয়লৈ বুলি।

মেঘালীৰ বিয়াৰ পাছত তাই ভাবিছিল হয়তো এইবাৰ তাইৰ বিয়া হ'ব। কিন্তু এদিন দুদিনকৈ পাৰ হৈ যায় আৰু কেইটামান বছৰ। এই কেইবছৰতেই যেন বহুত কিবা কিবি সলনি হৈ যায়। কেইবছৰমান পাছতে একমাত্ৰ ভাতৃ অৰ্ধপেও বিয়া পাতি বোৱাৰী আনিলে। আনফালে মেঘালী সন্তানৰ মাক হ'ল। ইফালে মাক অলকাৰ মৃত্যু হয়। এৰা চকুৰ আগতেই বহুত পৰিৱৰ্তন ঘটে। কিন্তু সলনি নহ'ল মাথোঁ ৰুণুৰ জীৱনৰ ইতিবৃত্ত। ৰৈ যায় তাই মাথোঁ অলকা তালুকদাৰবিহীন সেই খালী ঠাইডোখৰ যেন সম্পূৰ্ণ কৰিবলৈ বুলি। সকলোবোৰ ব্যস্ত হৈ পৰে নিজ নিজ সংসাৰখনৰ সৈতে। পিতৃ হৰেনে তেনেকৈ আগৰ দৰে ফুৰা-চকা কৰিব নোৱাৰে বার্ধক্যজনিত ৰোগৰ কাৰণে ।

এনেবোৰ সময়তে তাইৰ মনত পৰে মেখেলা-চাদৰ পিন্ধি যোৱা স্কুলৰ সেই দিনবোৰলৈ। মনত পৰে পৰা-জুঁপৰা চুলিৰে, সদায় তাইলৈ বুলি ৰৈ থকা, সমবয়সীয়া মৰম লগা মুখখনৰ ল'ৰাটোলৈ। কি নাম আছিল বাৰু তাৰ? তাই মনত পেলাবলৈ চেষ্টা কৰে। সি যে এদিন তাই স্কুললৈ অহাৰ বাটত চিঠি এখন তাইলৈ বুলি আগবঢ়াই দিছিল। ভয়তে আৰু শিক্ষক দেউতাকৰ প্ৰতি সম্মান ৰাখিবলৈ তাৰ হাতখন জোৰেৰে আছাৰ মাৰি দি খৰ খোজেৰে তাই আঁতৰি গৈছিল। তেতিয়াৰ পৰা সম্পূৰ্ণৰূপে পাহৰি গৈছিল তাইলৈ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়োৱা প্ৰেমিকজনৰ কথা। কিয় জানো আজি তাইৰ তালৈ মনত পৰিছে। বৰকৈ মনত পৰিছে। ক'ত আছে বাৰু সি? আজি এইবোৰ কথাই বৰকৈ সোঁৱৰাই দিছে তাই বর্তমান কি কৰিছে কি হৈছে? মাথোঁ তাই দৌৰি ফুৰে মৰুভূমিত সেই মৰীচিকাটোৰ পিছে পিছে আৰু এটা সময়ত ক্লান্ত হৈ ৰৈ যাব লগা হয় চিৰ পৰিচিত ৰান্ধনিশালৰ সঁজুলিবোৰৰ লগতে বার্ধক্যই ৰুগ্ন কৰা দেউতাকৰ শুশ্ৰূষাৰ সীমাবদ্ধতাৰ মাজত।

ভাই বোৱাৰী আৰু ভতিজাকেইটাৰে ভৰি থকা ঘৰখনত তাইৰ যেন বয়সতকৈ দায়িত্ব আৰু ব্যস্ততা বহু বেছি বাঢ়ি যায়। নির্জু মুখখনেৰে তাই সকলোকে যেন আন্তৰিকতাৰে বুৰাই ৰাখিবলৈ বিচাৰে। এনেকৈ ঘৰখনৰ কথা ভাবি কাম কৰি থাকোঁতে এদিন হঠাৎ দেউতাক হৰেন তালুকদাৰৰ মৃত্যু হ'ল। দিন-ৰাতি এক কৰি শুশ্ৰূষা কৰা সেই মৃত শৰীৰটোলৈ তাই মাথোঁ চাই ৰৈছিল একেথৰে অকণো পলম নকৰাকৈ।

দেউতাকৰ মৃত্যুৰ পাছত সকলো প্ৰেতকর্ম শেষ কৰি এমাহ পাছত জী-জোঁৱাই নিজৰ ঘৰলৈ গ'ল। তাৰ কিছুদিন পাছত ভাই-ভাইবোৱাৰী আৰু সিহঁতৰ ল'ৰা-ছোৱালীক লগত লৈ চাকৰি কৰা ঠাইলৈ গুচি গ'ল। ঘৰখনত অকলশৰীয়া হৈ ৰুণু থাকিল।

ৰুণুবাক এতিয়া ৰাখিব কোনে? আধুনিকতাৰ নামত বোৱাৰীহঁতৰ বাবে তাইৰ দৰে অশিক্ষিতা এজনী যেন এক বোজাস্বৰূপ হৈ পৰিছে। কিন্তু তায়ে জানো সিহঁতক তুলি-তালি ডাঙৰ-দীঘল কৰা নাছিল। তাইৰ শিক্ষাখিনিক আধৰুৱা কৰিব লগা হোৱা নাছিল সিহঁতৰ বাবে। তাই এজনী অনাথকেন্দ্ৰৰ পৰা তুলি লোৱা দুর্ভগীয়া ছোৱালী, যাৰ কোনো সন্ধান নাই জন্মদাতা পিতৃ-মাতৃৰ। বুকুখনত তাই ক্ৰমে অনুভৱ কৰে এটা বিষ, অসহ্য বিষ। এদিন ৰুনুৰে আৱিষ্কাৰ কৰিছিল তাইৰ প্ৰতিবিম্বটোৰ কপালত কেইডালমান ক্ৰমে বগা হ'বলৈ ধৰা চুলি। লাহে লাহে তাই চুলিবোৰ মেলি দিছিল। এডাল, দুডালকৈ গণিব নোৱাৰা কেইবাডালো পকা চুলি। চুলিত ৰূপালী ৰং লাগিছে, লাগিবলৈ দিয়া। তাইৰ বেয়া লগা নাছিল। একেথৰে চাই ৰৈছিল দাপোণত প্ৰতিফলিত হোৱা নিজৰ সেই অচিনাকি যেন লগা ৰুণুবাৰ কায়াটোলৈ বুলি আৰু আজি তাই ওলাই আহিছে অকলে। লগত দুখনমান কাপোৰৰ সৰু বেগ এটা লৈ বাছ ষ্টেণ্ডলৈ আহিব লগা নির্দিষ্ট বাছখনলৈ বুলি।

সদায় নিজতকৈও বহুত বেছি ভালপোৱা আপোন মানুহখিনিৰ পৰা পোৱা অনাদৰ, অৱহেলা আৰু বিশ্বাসহীনতাই তাইক ক্লান্ত কৰি তুলিছে। কিয় বাৰু তাইৰ কাকো আপোন বুলি ভবাৰ অধিকাৰ নাই? কিয় কোনেও তাইক নিজৰ বুলি গ্ৰহণ কৰিব নোৱাৰিলে? কি ভুল আছিল তাইৰ? হাজাৰটা প্ৰশ্নই তাইক বাউলী কৰি তুলিছিল। তাৰ বাবে তাই কাকো দোষ দিব নোখোজে, কাকো জগৰীয়া নকৰে। তথাপি ভুক্তভোগীয়েহে জানে শাৰীৰিক আঘাতকৈ মানসিক আঘাতৰ ঘা যে বহুত গভীৰ হয়। সেয়ে তাই সিদ্ধান্ত লৈছিল যাতে তাইৰ দৰে কোনো সন্তান পৰিচয় বিহীন বুলি অৱহেলিত হ'ব লগা হয়। আপোনজনৰ মৰমৰ পৰা বঞ্চিত নহয়। কোনোৱে যাতে আপোনজনক বিচাৰি হাবাথুৰি খাব লগা নহয়। তাই ইতিমধ্যে এখন অনাথ শিশুসকলৰ মাতৃ পদৰ বাবে আবেদন কৰিছিল। আবেদনখন মঞ্জুৰ কৰি মাতৃ পদৰ বাবে তাইক বিবেচিত কৰি আহ্বান জনাইছিল অনাথ শিশু আশ্ৰমখনে।

এনেতে নির্দিষ্ট বাছখন আহি বাছষ্টেণ্ড পালে। কাপোৰৰ বেগটো হাতত লৈ ৰুণুৰে বাছখনত উঠাৰ মুহূর্ততে শেষবাৰৰ কাৰণে ঘূৰি চাইছিল আপোন মানুহবোৰৰ কাৰোবাক কিজানি দেখা পায়। কিন্তু নাই, কোনো অহা নাছিল, তাই একেবাৰে যাবগৈ বুলি জানিও। কিবা এটাই তাইৰ বুকুখন হেঁচা মাৰি ধৰিছিল। তাই উঠি গৈ খালী হৈ থকা আসন এখনত বহিছিল। পুনৰ বাছখন চলিবলৈ ধৰিছিল।

এটা শূন্য দৃষ্টিৰে পাৰ হৈ যোৱা গছ-গছনিবোৰ চাই চাই তাই ভাবি গৈছিল আজিৰ পৰা তাইৰ এটা নতুন পৰিচয় হ'ব। তাইৰ সেই 'ৰুণুবা' সম্বোধনটো হেৰাই গৈ হয়তো এটা নতুন মমতাৰে ভৰা এটি পৱিত্ৰ সম্বোধনেৰে পৰিচিত হ'ব। এৰা, তাই যে অনাথ শিশুৰ মাতৃ হ'ব, বুকুৰ উমেৰে সিহঁতক আঁকোৱালি ল'ব। গৌৰৱান্বিত হ'ব পৃথিৱীৰ শ্ৰেষ্ঠ সম্বোধন 'মা' নামকৰণেৰে। আৱেগত তাই চকুযুৰি মুদি দিছিল।●

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক

ফেঁচাৰ কুৰুলি

বিনয় কুমাৰ শর্মা

১২ বাজিবলৈ মাত্র আৰু আধাঘণ্টা সময়হে আছে। দৌৰাদৌৰিকৈ পিন্ধি থকা কাপোৰযোৰ সলাই অঞ্জন যাবলৈ ওলাল। মাকক মাত লগাই এখন অট'ত সি বাছষ্টেণ্ড পালেগৈ। টিকট আগতে কাটি থোৱা আছিল। তাৰ আসনখন খিড়িকীৰ কাষত থকা বাবে ভালেই পালে। অন্ততঃ বাছ চলি থকা সময়খিনি সি বাহিৰৰ দৃশ্য উপভোগ কৰিব পাৰিব।

১২.০৫ মিনিট যোৱাত বাছখনে যাত্রা আৰম্ভ কৰিলে। ইতিমধ্যে বাছৰ আসনবোৰ পূৰ হৈছিল। তাৰ কাষত এজন বয়সস্থ লোক বহি ছিল। কিছু সময় মানুহজনৰ লগত এনেয়ে দুই-এষাৰ কথা পাতি সি বাহিৰলৈ চকু দিলে। বহুত বছৰৰ মূৰত সি গাঁওলৈ যাবলৈ আহিছে। ষষ্ঠ শ্রেণীত পঢ়ি থাকোঁতেই দেউতাকৰ চাকৰি বদলি হোৱা বাবে সিহঁতৰ পৰিয়ালটো চহৰলৈ গুচি আহিছিল। গাঁৱৰ লগত লাহে লাহে যোগাযোগ কমি আহিছিল। তাৰ শৈশৱৰ নলে-গলে লগা বন্ধু অনিলক কিজানি সি চিনিয়েই নাপাব। মনৰ ভাববোৰ জোকাৰি সি এইবাৰ বাছৰ খিড়িকীৰে বাহিৰৰ দৃশ্য চোৱাত মন দিলে। পথৰ দুয়োকাষে সেউজীয়া ধাননি পথাৰ। কিছু সময় যোৱাৰ পিছত তাৰ চকুৱে মনৰ লগত সহযোগ নকৰা হ'ল। অতীতৰ কথাবোৰে তাৰ মনটোক হেঁচা মাৰি ধৰিলেহি।

সোণতলী গাঁও। গাঁৱৰ কাষেৰে বৈ গৈছে নদীখনি। সেই নদীতে সিহঁতে সাঁতুৰি-নাদুৰি ফুৰিছিল। গৰু চৰাবলৈ গৈ বতৰৰ ফল হেঁপাহ পলুৱাই খাইছিল। বাৰিষাৰ দিনত স্কুলৰ পৰা আহি কিবা এটা খাই বৰশী বাবলৈ লৰ ধৰিছিল। কেইবাদিনো সি দেউতাকৰ মাৰ খাব লগা হৈছিল। সিহঁতে কমনো দুষ্টালি কৰিছিলনে! এতিয়াও তাৰ মাজে মাজে মনত পৰি হাঁহি উঠে। এবাৰৰ এটা দুষ্টালি তাৰ বেছি ভালকৈয়ে মনত আছে।

সিহঁতৰ সম্বন্ধীয় খুড়াক এজন সিহঁতৰ লগতে থাকে। খুড়াকে গাঁৱৰ এমূৰত থকা জানকী নামৰ ছোৱালী এজনীক ভাল পায়। ছোৱালী বুলিলে অৱশ্যে ভুল হ'ব। তাইক বিয়া দিছিল, কিন্তু তাইৰ মুখখনৰ বাবে গিৰীয়েকে তাইক উলিয়াই দিছিল। গতিকে তাই পুনৰ মাকৰ ঘৰলৈকে ঘূৰি আহিছিল। তাই কিন্তু অঞ্জনৰ খুড়াকক ভালপোৱাৰ কথা কেতিয়াও কোৱা নাছিল। অর্থাৎ খুড়াকৰ একপক্ষীয় প্রেম। এদিন অঞ্জনে সহপাঠী এজনৰ হতুৱাই জানকীয়ে দিয়া হিচাপে এখন প্রেম-পত্র লিখাই খুড়াকে সহজতে পোৱা ঠাইত থৈ দিছিল। খুড়াকে সেইখন পাই সাজি-কাছি জানকীহঁতৰ ঘৰ পাইছিলগৈ। তাইৰ ককর্থনা শুনি খুড়াকে বুজি উঠিছিল যে তেওঁক কোনে ঠগালে। অঞ্জনে ভাবিছিল হয়তো খুড়াকে তাক কিলাব। কিন্তু তাক আচৰিত কৰি খুড়াকে তাক মাতি নি কৈছিল, 'কিছুমান ধেমালি যাৰে তাৰে লগত কৰিব নালাগে।' সেইদিনাৰ পৰা সি আৰু তেনেকুৱা ধেমালি কৰা নাই।

বাছখন এঠাইত বৈ দিয়াত সি বাস্তৱলৈ ঘূৰি আহিল। বাছখন ইয়াত কিছুসময় ৰ'ব। অইন যাত্রীৰ লগত সিও বাছৰ পৰা নামি চাহ খাবলৈ সোমাল।

বিশ মিনিটমান পিছত বাছখনে পুনৰ গতি কৰিলে। অঞ্জনে ওচৰত বহি অহা মানুহজনৰ পৰা বাতৰি কাকতখন আনি মেলি ল'লে। ৰাতিপুৱা অৱশ্যে সি মুখ্য বাতৰিকেইটাত চকু ফুৰাইছিল। মাজৰ পৃষ্ঠাবোৰ চোৱা নাছিল। এতিয়া মাজৰ পৃষ্ঠাকেইটা লুটিওৱাত এখন ছবিৰ ওপৰত তাৰ চকু নিবদ্ধ হ'ল।

যোৱা পৰহিৰ ঘটনা। ঘৰৰ সকলোৰে লগত অঞ্জনো ভাতৰ পাতত। হঠাতে কর্কশ শব্দৰে ফোনটো বাজি উঠিল। বনকৰা ছোৱালীজনীয়ে ফোনটো ধৰি তাক মাতি ফোনৰ ৰিছিভাৰটো তাৰ হাতত তুলি দিলে। আনটো মূৰৰ পৰা তাৰ ওপৰৰ অফিছাৰৰ মাত ভাঁহি আহিছিল। তেওঁৰ নির্দেশত সি সেই ৰাতি লগত একডজন আৰক্ষী লৈ উগ্রপন্থীৰ সন্ধানত ঘৰ এটা ৰেইড কৰিছিল। গোপন সূত্রৰ পৰা পোৱা তথ্যমতে সিহঁতে সেই ঠাইলৈ গৈছিল। তথ্যৰ সত্যতা প্রমাণ কৰি সিহঁতৰ ওপৰত ঘৰটোৰ ভিতৰৰ পৰা গুলীবর্ষণ হ'বলৈ ধৰিলে। নিমিষতে সিহঁতে পজিচন লৈ ওলোটাই আক্রমণ চলালে। এটা সময়ত বিপক্ষৰ গুলীবর্ষণ বন্ধ হোৱাত সিহঁতে সন্তর্পণে ঘৰটোত প্রৱেশ কৰিলে। প্রৱেশ কৰিয়েই সিহঁতে এজন উগ্রপন্থীক মৃত আৰু এজনক গুৰুতৰভাৱে আহত অৱস্থাত দেখিলে। আহতজনৰ ওচৰলৈ অঞ্জন আগুৱাই যোৱাত সি মূৰ তুলি চালে। চকুত তাৰ জিলিকি উঠা উজ্জ্বলতাখিনি অঞ্জনৰ চকুত ধৰা নপৰাকৈ নাথাকিল। হঠাৎ সি তর্কিৰ পৰাৰ আগতে উগ্রপন্থীজনে ৰিভলভাৰ তালৈ টোঁৱালে। অঞ্জনে ঠাইতে বৈ দিলে। উগ্রপন্থীজনৰ ওঁঠত এটা অবুজ হাঁহি ফুটি উঠিছিল। পিছমুহূর্ততে উগ্রপন্থীজনে নিজৰ মূৰত ৰিভলভাৰৰ নলী ৰাখি ট্রিগাৰ টিপি দিলে। অঞ্জনহঁতে একো কৰিবই নোৱাৰিলে। শৰ দুটা পোষ্টমর্টেম কৰিবলৈ নির্দেশ দি সি গুচি আহিছিল। কিন্তু কিয় জানো মনটো অস্থিৰতাই জোকাৰি গৈছিল বাৰে বাৰে। উগ্রপন্থীজনৰ চকুৰ চাৱনি তাৰ যেন চিনাকি।

সি ইচ্ছা কৰা হ'লে অঞ্জনক হত্যা কৰিব পাৰিলেহেঁতেন, কিন্তু সেইটো সি কিয় নকৰিলে। কথাবোৰ ভাবি ভাবি সি ঘামি উঠিল। কাষৰ যাত্রীজনে তাক সুধিলে, 'আপুনি অসুস্থ অনুভৱ কৰিছে নেকি?' 'নাই নাই'। সি অপ্রস্তুত হৈ উঠি উত্তৰ দিলে। ভালদৰে চকু দুটা মোহাৰি সি ঘড়ীটোলৈ চালে। ৩.৩০ মিনিট আৰু আধাঘণ্টাৰ পিছত তাৰ গন্তব্য স্থান পাবগৈ। সি কাষৰ যাত্রীজনৰ লগত কথা পতা আৰম্ভ কৰি দিলে।

ঠিক চাৰি বজাৰ লগে লগে বাছখন সোণতলী গাঁৱৰ চ'ক আহি পালে। সি বাছৰ পৰা নামিল। চাৰিওফালে এবাৰ চকু ফুৰাই চাই দেখিলে তাহানিৰ সেই পৰিৱেশ নাই। চ'কটোৰ চাৰিওফালে দোকানেই দোকান। সিহঁতৰ গাঁৱলৈ সোমাই যোৱা পথটোৰ দুয়োকাষে থকা প্রকাণ্ড বকুল দুজোপা কিন্তু এতিয়াও আছে। তাৰ আকৌ সৰুকালিৰ কথা মনলৈ আহিল। এই বকুলৰ ফুল বুটলিবলৈ সিহঁত সদায় ৰাতিপুৱা আহিছিল। চ'কটোৰ পৰা সিহঁতৰ ঘৰ বেছি দূৰৈত নহয়। পথটোৰে অলপ সোমাই গ'লেই এটা কেঁকুৰি পোৱা যায়। কেঁকুৰিটো পাৰ হ'লেই সিহঁতৰ ঘৰ। বৰ্তমান সিহঁতৰ সম্বন্ধীয় খুড়াকজন সিহঁতৰ পুৰণি ঘৰত থাকে। ৰাতি সি আজি তাতেই থাকিব। খুড়াকে আজি নিশ্চয় আচৰিত হ'ব তাক দেখি। আগতে একো খবৰো দিয়া নাই। খুড়াক মাজে মাজে সিহঁতৰ বৰ্তমানৰ ঘৰলৈ গৈ থাকে। তাৰপৰাই সি গাঁৱৰ খবৰবোৰ পাই থাকে। তাৰ বন্ধু অনিলৰো খবৰ সি পাই আছে।

অনিল আৰু অঞ্জন দুয়ো শৈশৱৰ নলেগলে লগা বন্ধু। পঢ়াতো দুয়ো ভাল। সি চহৰলৈ যোৱাৰ পিছত দুয়োৰো মাজত দেখাদেখি নাই যদিও চিঠিৰ আদান-প্রদান চলি আছিল। আজি তিনিবছৰমানৰ পৰা চিঠিৰ সংখ্যা কমি আহিছে। খুড়াকৰ জৰিয়তে কিছু কথা গম পাইছিল। বৰ্তমান অঞ্জন এখন থানাৰ ভাৰপ্রাপ্ত বিষয়া আৰু সি গম পোৱামতে অনিলে স্নাতক হৈ গাঁৱৰে অপ্রাদেশীকৃত বিদ্যালয় এখনত শিক্ষকতা কৰি আছে।

এটা সময়ত সি খুড়াকৰ ঘৰ পালেগৈ। তেতিয়া খুড়াক ঘৰত নাছিল। খুড়ীয়েকে তাক দেখি আচৰিত হ'ল। আথে-বেথে তাক বহিবলৈ দি হাত-মুখ ধোৱাৰ বাবে পানী আনি দিলে। লগত অনা মিঠাইৰ টোপোলাটো খুড়াকৰ ল'ৰাজনৰ হাতত দি, মুখ-হাত ধুই চাহ খাই সি অনিলহঁতৰ ঘৰলৈ বুলি খোজ ল'লে।

দুৱাৰত টোকৰ দিয়াৰ লগে লগে অনিলৰ দেউতাকে দুৱাৰ খুলি দিলে। তাক চিনি নোপোৱা দেখি সিয়ে নিজৰ চিনাকী দিলে। "অ' আহা আহা, ভিতৰলৈ আহা।"

সি গৈ ভিতৰ সোমাল। এখন ছোফাত সি বহি পৰিল। দেউতাকৰ লগত ইটো সিটো কথা পতাৰ পিছত মানুহজন ভিতৰলৈ গৈ দুই মিনিটমান পিছতে ঘূৰি আহি পুনৰ তাৰ সম্মুখত বহি পৰিল। অ' অনু দা। আজি কেনেকৈ গাঁৱলৈ মনত পৰিল? কথাখিনি কৈ ৰুমী অর্থাৎ অনিলৰ ভনীয়েক তাৰ ওচৰতে বহি পৰিল। 'তোমালোকক চাওঁ বুলিয়েই আহিলো।' অঞ্জনে তাইৰ ফালে চাই মিছিকিয়াই হাঁহি ক'লে। ইতিমধ্যে অনিলৰ মাকে চাহ আৰু কিবাকিবি লৈ আহি তাৰ সন্মুখৰ মেজখনত থৈ ক'লে, 'খোৱা বাপু। ইমান বছৰ তোমাক দেখাই নাই। এখেতে নক'লে হয়তো তোমাক চিনিয়েই নাপালো হেঁতেন।' মই কিন্তু পালোহেঁতেন। ৰুমীয়ে তপৰাই ক'লে। 'কেনেকৈ?' মই যেতিয়া ইয়াৰ পৰা যাওঁ তুমি দেখোন একেবাৰে সৰু আছিলা।' অঞ্জনে সুধিলে। 'দাদা, ভনীয়েকে যদি দাদাকক চিনি নাপায় তেন্তে কোনে পাব? আৰু তাতে তোমাৰ হাতত থকা এই চিনটো মই ভালদৰে মনত ৰাখিছিলো।' 'বাঃ তোমাৰ স্মৃতি শক্তি অতি প্রখৰ দেখোন।' অঞ্জনে ক'লে।

চাহ খোৱাৰ পিছত অঞ্জনে অনিলৰ খবৰ ল'লে।

অনিলৰ দেউতাকে তাক অনিলৰ বিষয়ে কৈ গ'ল। কথাৰ সাৰমর্ম এয়ে যে অনিলে স্নাতক ডিগ্রী লৈ গাঁৱৰ ৰাইজে পতা স্কুলখনত শিক্ষকতা কৰি আছে। ঘৰৰ অৱস্থা ভাল বাবে সি চৰকাৰী চাকৰি নিবিচাৰিলে। আজি তিনিবছৰ মান আগতে সমাজ সেৱাৰ সংগঠন এটাত যোগ দিছে। সংগঠনৰ কামত কেতিয়াবা সি কেইবা ৰাতিও ঘৰলৈ নহাকৈ থাকে। দেউতাকে সুধিলে কয় যে কামৰ ভিৰ বাঢ়িছে। আজি চাৰিদিন হ'ল সি কিবা কামত গৈ আজিলৈ ঘৰলৈ অহা নাই। হয়তো দুই-এদিনতে পাবহি। তুমিতো দুদিনমান থাকিবাই। তাক লগ পাবা।" দেউতাকে ক'লে। সি কিবা এটা ক'বলৈ ওলোৱাৰ লগে লগে ৰুমীয়ে ভাত খাবলৈ মাতিলে। সি ক'লে, "খুড়ীয়ে ভাত ৰান্ধিব, আজি নাখাওঁ দিয়া।" যেন বৰলৰ বাহতহে সি জুই দিলে। আগ্নেয়গিৰিৰ অগ্ন্যুৎপাত হোৱাৰ দৰে তাই গুজৰি উঠিল। 'নহ'ব'। আজি আমাৰ তাত ভাত খাবই লাগিব।' উপায় নাপাই সি সন্মতি দিলে।

ভাত খাই উঠাৰ পিছতে ৰুমীয়ে তাক অনিলৰ কোঠালৈ লৈ গ'ল। সি বিছনাখনত বহি চাৰিওফালে চকু ফুৰালে। মেজৰ ওপৰত এখন ফটো দেখি সি ভালকৈ চাই চিৎকাৰ কৰি উঠিল। 'ৰুমী এইখন কাৰ ফটো?' কিয় নিজৰ বন্ধুক ইমান সোনকালে পাহৰিলেনে? ৰুমীয়ে হাঁহি ক'লে। ৰুমীৰ পিছৰ কথাখিনি অঞ্জনৰ মূৰত নোসোমাল। সি একেথৰে ফটোখনৰ ফালে চাই ৰ'ল। তাৰ সেই দৃশ্যটোলৈ মনত পৰিল। তালৈ ৰিভল্‌ভাৰ টোঁৱাই মিচিকিয়াই হঁহা ল'ৰাজন....। সি আৰু ভাবিব নোৱাৰিলে।

দূৰৈত ফেঁচা এটাৰ কর্কশ শব্দই পৰিৱেশটো আৰু জয়াল কৰি তুলিলে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক তথা প্রধান শিক্ষক, নিউ গুৱাহাটী আদর্শ বিদ্যালয়

ঃ অ' মাজনী, পেপাৰখন পঢ়া হৈছে নে? গাঁৱৰে বসন্ত ঠাকুৰীয়া নামৰ ব্যক্তিজনে ৰাতিপুৱা এইদৰে মাত দিয়া সময়খিনিৰ ঠিক আগে আগেহে সাধাৰণতে তায়ো পেপাৰখন হাতত লৈ খিৰিকীমুখত বহি লয়। কিন্তু তেওঁ মাতিলে ধৃতিয়ে তাইৰ পঢ়া নহ'লেও পেপাৰখন হাতত লৈ বাৰাণ্ডালৈ বুলি ওলাই যায়। মানুহজনৰ মাতযাৰ বা তাত থকা আপোনত্বৰ ভাবটো তাই ভাল পায়। তেওঁ ৰাশিফল পঢ়ি ভাল পায়। এক কথাত ৰাশিফল চাই তেওঁৰ উক্ত দিনটো কেনেকুৱা হ'ব নিজৰ মাজতে জুকিয়াই লয়।

সিহঁতৰ সৰু গাঁওখনত আঠ ঘৰমান মানুহেহে দৈনিক বাতৰিকাকতখন ৰাখে। বহুতে আকৌ পঢ়ি ভাল পালেও খৰচৰ বাবে কাকতখন ৰাখিব নোৱাৰে। তেনে মানুহবোৰে সাধাৰণতে আনৰ পৰা অলপ সময়ৰ বাবে খুজি লৈ হ'লেও বাতৰিকাকতখন পঢ়ি নিজৰ মনৰ হেঁপাহ পূৰণ কৰে। কেতিয়াবা ধৃতিয়ে কিছুসংখ্যক ব্যক্তিয়ে বাতৰিকাকতখন বহুকেইটা ভাঁজ কৰি লৈ একেবাৰে প্ৰতিটো শাৰী খুব মনোযোগেৰে পঢ়ি থকা দেখিলে তেওঁলোকলৈ চাই ৰয়। তাই সাধাৰণতে কম সময়তে সম্পূৰ্ণ হোৱাকৈ প্ৰধান বাতৰিকেইটা পঢ়িহে বেছি ভাল পায়। দেওবৰীয়া পৰিপূৰিকাখনত থকা বিভিন্ন শিতানবোৰ মনোযোগেৰে পঢ়াৰ কথা বাৰু অলপ সুকীয়া!

সাম্প্রতিক

হর্ষিতা কলিতা

ঃ অ' মাজনী, কি ভাবি আছানো? ৰাশিফলটো চাই দিয়াচোন। পেপাৰখন হাতত লৈ আকাশ-পাতাল ভাবি থকাত বসন্ত ঠাকুৰীয়াই তাইক মাত লগালে। মানুহজনে চকুৰে ভালদৰে আখৰবোৰ মণিব নোৱাৰে। তেওঁ প্ৰায়ে চশমা এযোৰ লোৱাৰ কথা ভাবে যদিও টকাৰ অভাৱত সেয়া হৈ নুঠে। সেয়ে সদায় ৰাশিফলটো ধৃতিয়েই তেওঁক পঢ়ি শুনাই দিয়ে।

"তীর্থ ভ্ৰমণ হ'ব পাৰে। ব্যৱসায়-বাণিজ্যত সফলতা। স্বাস্থ্যৰ প্ৰতি যত্ন ল'ব। সৎ ব্যক্তিৰ সান্নিধ্য লাভ কৰিব। শুভ সংখ্যা ৬। শুভ ৰং বগা।" ৰাশিফলটো মাতি দি ধৃতিয়ে তেওঁলৈ চাই কয়, "খুৰা, আপোনাৰ আজি তীর্থ ভ্ৰমণৰ যোগ আছে দেই।"

ঃ তাকেহে মাজনী। আমাৰ দৰে মানুহেনো ক'ত বেলেগকৈ তীর্থ ভ্ৰমণলৈ ওলাবা! য'ত কাম কৰি দুবেলা দুমুঠি মিলাই আছোঁ সেই ঠাইখনেই আমাৰ বাবে তীর্থৰ লেখীয়া! ধৃতিৰ কথাত বসন্ত ঠাকুৰীয়াই ক'লে।

ঃ বহুত ডাঙৰ কথা এটা কৈ দিলে খুৰা।

ঃ ৰাশিফলত শুভ ৰং বগা বুলি আছে ন মাজনী। আজি বগা ৰঙৰ কাপোৰো পিন্ধি আহিছো ভালেই হ'ল দিয়া। এইদৰে কৈ কৈ তেওঁ কামলৈ ওলাই যায়।

বসন্ত ঠাকুৰীয়াই চাইকেল চলাব নাজানে। সেয়েহে তেওঁ খোজকাঢ়িয়েই কামলৈ ওলাই যায়। ঠাকুৰীয়াই তেওঁলোকৰ ওচৰৰ গাঁওখনত থকা কাঠৰ আচবাব সজা প্ৰতিষ্ঠান এটাত বহু বছৰ ধৰি কাম কৰি আছে। ঘৰৰ পৰা ওলাই দিনটোৰ ৰাশিফল শুনি লাহে লাহে খোজকাঢ়ি গৈ প্ৰতিষ্ঠান পোৱালৈ তেওঁৰ কেতিয়াবা ৰাতিপুৱা ন বাজি যায়। তেওঁ নিজে দেৰি কৰিব নোখোজে যদিও ভৰিখনৰ বিষৰ বাবে জোৰেৰে খোজকাঢ়িব নোৱাৰাত সময়মতে গৈ পোৱাটো হৈ নুঠে। গৈ পোৱাৰ পাছত মালিকজনে শুনোৱা কথাখিনি তেওঁ নীৰৱেই হজম কৰি থয়। দিনটো ৰাণ্ডা মাৰি মাৰি মানুহজন কেতিয়াবা ভাগৰি যায়। দিনটো কাম কৰি সন্ধিয়া মজুৰিটো লৈ ঘৰ আহি পোৱালৈ আন্ধাৰেই হয়। ঘৰ পোৱাৰ পাছতে পুনৰ দৈনন্দিন বজাৰ কৰিবলৈ তেওঁ দোকানলৈ ওলাই যায়। এইদৰেই সামান্যতম মজুৰিৰে জীৱনৰ চাহিদা পূৰণ কৰাৰ চেষ্টা কৰি বসন্ত ঠাকুৰীয়া পত্নীৰে সৈতে টুক-টাককৈ চলি থাকে।

ঃ মেডিকেল টেষ্টত আপোনাৰ সকলো নৰ্মেলেই আছে। ভৰিৰ বিষ আপোনাৰ নাৰ্ভৰ দুৰ্বলতা নাইবা শৰীৰত কেলচিয়ামৰ অভাৱৰ বাবে হৈছে। মই ঔষধখিনি লিখি দিছোঁ। আপুনি এমাহ খাই চাওক। ভৰিৰ বিষটো ক্ৰমান্বয়ে বাঢ়ি যোৱাত বসন্ত ঠাকুৰীয়া দুদিন কামলৈ যাব নোৱাৰি তৃতীয় দিনা চিকিৎসালয়লৈ যাবলৈ বাধ্য হ'ল। চৰকাৰী চিকিৎসালয়খনত মানুহৰ অসংখ্য ভিৰ। চিকিৎসক অহাৰ দুই-তিনি ঘণ্টা আগত উপস্থিত হৈ টিকট নকৰিলে তাত কাৰো বেমাৰ দেখুওৱাৰ সাধ্য নাই। বসন্ত ঠাকুৰীয়াৰ এনেকুৱা লাগিল যে চিকিৎসালয়খনত আহিলে বেমাৰ নোহোৱা মানুহৰো ঠাইখনৰ পৰিৱেশৰ বাবে বেমাৰ হোৱাটো খাটাং। মানুহবোৰে য'তে-ত'তে থু-খেকাৰ পেলাই লেতেৰা কৰি থোৱা পৰিৱেশটো দেখি তেওঁৰ ওকালিয়েই অহা যেন হ'ল। বসন্ত ঠাকুৰীয়াই প্ৰথমদিনা চিকিৎসকক দেখুৱাই পৰীক্ষাবোৰ কৰি দ্বিতীয়দিনা পুনৰ ৰিপ'ৰ্ট দেখুৱাবলৈ আহিল। ভাগ্যে, চৰকাৰী চিকিৎসালয়খনত আটাইকেইটা মেডিকেল টেষ্ট বিনামূলীয়াকৈ কৰাৰ সুবিধা আছিল! চিকিৎসকৰ পৰামর্শ শুনাৰ পাছত তেওঁ প্ৰেচক্ৰিপচনখন ঔষধ কাউণ্টাৰত দেখুওৱাত তেওঁলোকৰ তাত মজুত নথকাৰ বাবে প্ৰয়োজনীয় ঔষধকেইটা বাহিৰৰ ফার্মাচীৰ পৰা ল'বলৈ ক'লে। বাহিৰৰ ফার্মাচীত গৈ ঔষধৰ মূল্য শুনাৰ পাছতহে বসন্ত ঠাকুৰীয়াৰ চকু কপালত উঠিল। অধিক মূল্যৰ বাবে তেওঁ কেৱল দুবিধ ঔষধহে ল'বলৈ পাৰিলে।

চিকিৎসালয়ৰ পৰা অহাৰ দুদিন পাছলৈও শৰীৰটো দুর্বল হৈ থকাত তেওঁ কামলৈ যাবলৈ নোৱাৰিলে।

ঃ বসন্ত, তুমি এইকেইদিন কামলৈ অহা নাই যে?

ঃ দাদা, এইকেইদিন চিকিৎসালয়লৈ গৈ গৈ আহৰিয়েই পোৱা নাই। আকৌ, বিষটোও ভালেই পোৱা নাই নহয়। কাইলৈৰ পৰা নিশ্চয় যাম। বসন্ত ঠাকুৰীয়াৰ কথা শেষ নহওঁতেই মালিকজনে ফোনটো কাটি দিলে। ৰুগীয়া শৰীৰ, কাম কৰিবলৈ নোযোৱা বাবে হোৱা টকাৰ অভাৱ, ৰাশিফল চাব নোপোৱাৰ দুখ এই আটাইবোৰে

লগ লাগি বসন্ত ঠাকুৰীয়াক বাৰুকৈয়ে আৱেগিক কৰি তুলিলে।

"মাৰ্ক্সবাদৰ মতে পুঁজিবাদী সমাজ ব্যৱস্থাত বুৰ্জোৱা আৰু সৰ্বহাৰা দুইধৰণৰ শ্ৰেণী থাকে। কাৰ্লমাৰ্ক্সৰ মতে সমাজত উৎপাদনৰ আহিলাসমূহ কিছুসংখ্যক বুৰ্জোৱা শ্ৰেণীৰ ব্যক্তিৰ হাতত একীকৃত হৈ থাকে আৰু গৰিষ্ঠসংখ্যক শ্ৰমিকেই সৰ্বহাৰা শ্ৰেণীৰ অন্তৰ্গত। এই বুৰ্জোৱা শ্ৰেণীটোৱে সাধাৰণতে উৎপাদনৰ আহিলা আৰু শ্ৰমিকসকলক নিয়ন্ত্ৰণ কৰে। এই দুই শ্ৰেণীৰ মাজৰ সম্পৰ্কক শোষণকাৰী আৰু শোষিতৰ মাজৰ সম্পৰ্ক বুলি অভিহিত কৰা হয়। পৰৱৰ্তী সময়ত শোষিতসকল জাগ্ৰত হ'ব আৰু মাৰ্ক্সৰ মতে পুঁজিবাদী শাসন ব্যৱস্থা সৰ্বহাৰাৰ বিপ্লৱৰ দ্বাৰা ধ্বংসৰ মুখলৈ আহিব। তেতিয়াই ৰাষ্ট্ৰ ব্যৱস্থা নিশ্চিহ্ন হৈ এখন শ্ৰেণীহীন সমাজ গঠিত হ'ব।" ধৃতিয়ে ৰাতিপুৱা জোৰে জোৰে পাঠ্যক্ৰমত থকা মাৰ্ক্সবাদৰ ধাৰণাৰ বিষয়ে পঢ়িলে। মাৰ্ক্সবাদ পঢ়িলেও তাই শ্ৰেণীহীন সমাজৰ ধাৰণাটো কেতিয়াবা বাস্তৱত পৰিণত হ'ব নে নহয় ভাবি নাপায়।

ঃ মাজনী, পেপাৰখন আনিবাচোন। বাহিৰৰ পৰা বসন্ত ঠাকুৰীয়াৰ মাত শুনি তাই পঢ়া মেজৰ পৰা দৌৰি বাহিৰলৈ ওলাই আহিল। কেইদিনমান ধৰি ৰাশিফল শুনিবলৈ ঠাকুৰীয়া নহা বাবে তাইৰো যেন ভাল লগা নাছিল।

ঃ খুৰা, এইকেইদিন ৰাশিফল শুনিবলৈ অহা নাছিল যে? ধৃতিয়ে প্ৰথমে তেওঁক সুধিলে।

ঃ এইকেইদিন চিকিৎসালয়লৈ গৈ থাকোঁতেই গ'ল অ' মাজনী। যিহে ভৰিৰ বিষ!

ঃ এতিয়া ভাল পাইছেনে অলপ?

ঃ অলপ পাইছোঁ। পাছে ভাল নাপালেও কামলৈ আহিব লাগিবই। নহ'লে ঘৰেই নচলিব। বাৰু, এতিয়া ৰাশিফলটো শুনাই দিয়াচোন।

ঃ স্বাস্থ্যৰ উন্নতি। কৰ্মত সফলতাৰ যোগ। নতুন ব্যক্তিৰ সান্নিধ্য লাভ কৰিব। শুভ সংখ্যা ২। শুভ ৰং নীলা। ধৃতিয়ে ৰাশিফলটো পঢ়ি শুনাই দিয়ে।

ঃ স্বাস্থ্যৰ উন্নতি! দুটা ঔষধেৰেই ভৰিৰ বিষটো ভাল হ'লেই ৰক্ষা। নহ'লে ঔষধৰ যিহে জুই-ছাই দাম। আমাৰ দৰে খাটিখোৱা মানুহৰ বাবে জীয়াই থকাই দিগদাৰ হৈছে। এইবুলি কৈ কৈ তেওঁ কৰ্মস্থলীলৈ বুলি বাট পোনায়।

বসন্ত ঠাকুৰীয়াই কাম কৰা প্ৰতিষ্ঠানটো পায়েই প্ৰথমে দিনটো ভালে-কুশলে যাবলৈ ঈশ্বৰক স্মৰণ কৰিলে। এইটো তেওঁৰ বহুদিনীয়া অভ্যাস। ভিতৰলৈ গৈয়েই তেওঁ মালিকজনৰ সৈতে মুখামুখি হ'ল।

ঃ আজিহে কামলৈ আহিবলৈ সময় পালা?

ঃ দাদা, মই আপোনাক ফোন কৰি গোটেই কথাখিনি কৈছোঁৱেই যে অসুখৰ বাবেহে মই আহিব পৰা নাছিলোঁ। এইবুলি কৈ তেওঁ নিজৰ ভাগৰ কামখিনি কৰিবলৈ সাজু হ'ল।

ঃ ৰ'বা, ৰ'বা। কি কৰিছা? তুমি এতিয়া এইবোৰ কৰাৰ প্ৰয়োজন নাই।

ঃ দাদা! মালিকজনৰ কথা শুনি বসন্ত ঠাকুৰীয়াই আচৰিত হৈ তেওঁলৈ চালে।

ঃ তোমাক আমাৰ প্ৰতিষ্ঠানৰ কামৰ পৰা অব্যাহতি দিয়া হৈছে। এই বিয়াৰ বতৰত ইমান অৰ্ডাৰ পৰে, গতিকে এনেকুৱা সময়ত তোমালৈ ৰৈ থাকিব নোৱাৰোঁ নহয়। তোমাৰ ঠাইত বেলেগ মানুহক লৈছোঁ। তুমি এতিয়া যাব পাৰা।

মালিকজনৰ কথা শুনি ঠাকুৰীয়াৰ ভৰিৰ তলৰ মাটি হেৰোৱাৰ উপক্ৰম হ'ল। শেষ উপায় হিচাপে তেওঁ এবাৰ মালিকক কাকুতি-মিনতি কৰি চালে যদিও কোনো কামত নাহিল। অৱশেষত উপায়বিহীন হৈ বসন্ত ঠাকুৰীয়াই প্ৰতিষ্ঠানটোৰ পৰা ওলাই আহিল। শেষবাৰৰ বাবে তেওঁ গোটেই ঠাইটুকুৰা এবাৰ সিক্ত নয়নেৰে চাই লৈ ঘৰলৈ বুলি বাট পোনালে।

এটা অনিশ্চিত ভৱিষ্যৎ সন্মুখত লৈ বসন্ত ঠাকুৰীয়া খোজকাঢ়ি ঘৰলৈ গৈ থাকিল। গোটেই বাটছোৱা তেওঁ ৰাশিফলত থকা 'কৰ্মত সফলতাৰ যোগ' বাক্যশাৰী ভাবি থাকিল। সেই সময়তেই তেওঁ এটা সিদ্ধান্ত লৈ পেলালে। ৰাশিফলত অশুভ কথা থাকিলেও সেয়া শুভ কৰিবলৈ সমাজৰ মালিক শ্ৰেণীৰ মানুহৰ দৰে হাতৰ গোটেইকেইটা আঙুলিতে আঙঠি পিন্ধিবলৈ সক্ষম নোহোৱা ঠাকুৰীয়াৰ দৰে মানুহৰ বাবে ৰাশিফলৰ কোনো মূল্য নাই বুলি তেওঁ নিজেই ভাবি ল'লে। পিছদিনাৰ পৰা বসন্ত ঠাকুৰীয়াই ধৃতিহঁতৰ ঘৰলৈ ৰাশিফল শুনিবলৈ নগ'ল। তাৰপাছতো আৰু কোনো দিনেই তেওঁক ৰাশিফল শুনিবলৈ যোৱা দেখা নগ'ল! কেৱল ধৃতিয়ে কেতিয়াবা বসন্ত ঠাকুৰীয়াৰ কথা ভাবি ভাবি মাৰ্ক্সবাদৰ বিষয়ে পৰীক্ষা নোযোৱালৈকে পঢ়ি অথবা মুখস্থ কৰি থাকিল। ৰাশিফল আৰু বসন্ত ঠাকুৰীয়াৰ মাজৰ সম্পৰ্কৰো তাতেই সমাপ্তি ঘটিল। সেয়া বিফল নে কৰুণ সমাপ্তি বসন্ত ঠাকুৰীয়াই নিজেও ভাবি উলিয়াব নোৱাৰিলে! অথবা ভবাৰ চেষ্টা নকৰিলে!❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা গৱেষিকা, গুৱাহাটী বিশ্ববিদ্যালয়

অভিমান

জ্যোতি কলিতা ডেকা

আজি কিছুদিনৰ পৰা কল্যাণীৰ ভায়েক কংকনলৈ খুব মনত পৰি আছে। কিয়নো, জীয়েক মধুস্মিতাই উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ৰিজাল্ট দিয়া এমাহ হৈ গ'ল। তাইৰ ৰিজাল্ট খুব ভাল হৈছে। যুটীয়াভাৱে অষ্টম স্থানত তাইৰ নামটো আহিছে। সেইবাবে সাংবাদিককে ধৰি আজি এমাহে ঘৰখনত মানুহৰ ভিৰ। ক'ত মানুহে খবৰ লৈছে। কল্যাণীয়ে যদিও মানুহবোৰক আদৰ সাদৰেৰে অভ্যর্থনা কৰিছে তথাপি তাইৰ মনটো কিবা এটা দুখেৰে ভৰি আছে।

মানুহে কয় মনলৈ যাৰ কথা বেছিকৈ আহি থাকে, তেওঁ হেনো মনত পেলায়। তেনেহ'লে... "তাৰ কিয় মনত পৰা নাইঙ্গ এবাৰ কিয় ফোন নকৰে সি ভাগিনীয়েকৰ পৰীক্ষাৰ খবৰ ল'বলৈ। এবাৰো মন যোৱা নাইনে তাৰ?" কল্যাণীয়ে ৰান্ধনি ঘৰত এফালে দাইলখনত তেলনি মাৰি আনফালে তৰকাৰীখিনি লাৰি-চাৰি থাকোতে ভায়েক কংকনৰ কথা ভাবি থাকিল। "কাৰনো কাজিয়া নালাগে, কাৰনো মান-অভিমান নহয়। ইমানো অভিমান হ'লনে তাৰ। থাক নালাগে দে খবৰ ল'ব।" মুখেৰে ভোৰভোৰাই থাকিল তাই।

"মা, অ' মা। মাকক মাতি মাতি পুতেক স্বপ্নীল দৌৰি আহিল। হাতত তাৰ মাকৰ ফোনটো। ফোনটো ৰিং কৰি আছে।

মা হো ল' তোমাৰ ফোন আহিছে।" কথাখিনি কৈ পুতেকে মাকৰ হাতত ফোনটো দিলে।

"কাৰনো ফোনঙ্গ" কথাখিনি ভালকৈ শেষ নৌহওঁতেই ফোনটোত চকু পৰিল কল্যাণীৰ। হা যি ভাবি আছিল সেয়ে হৈছে দেখোন। আঢ়ৈ বছৰৰ মূৰত ভায়েক কংকনে ফোন কৰিছে।

মা, কি ভাবি আছাঙ্গ ৰিচিপ নকৰা কিয়? মামাই ফোন কৰি আছে। কথাখিনি কোৱাৰ লগে লগে স্বপ্নীলৰ মুখেৰে এটা শান্তিৰ ঢৌ খেলি গ'ল।

অ' বুলি মাক কল্যাণীয়ে ফোনটো ৰিচিপ কৰিলে।

হেল্ল'ঙ্গ ভায়েক কংকনৰ ফোনত মাত শুনাৰ লগে লগে কল্যাণীৰ হৃদয়ৰ পৰা ডিঙিলৈ কান্দোনৰ ঢৌ এটা উঠি আহি ৰৈ গ'ল।

"হেল্ল'ঙ্গ শুনিছনে হেল্ল'।" পুনৰ সিফালৰ পৰা মাত ভাহি আহিল।

"অ'ঙ্গ শুনিছো ক। আজি আঢ়ৈটা বছৰৰ মূৰত মনত পৰিলনে তোৰ মধুৰ পৰীক্ষাৰ ৰিজাল্ট দি গ'ল। ইমান মানুহে খবৰ কৰিলে, শুভেচ্ছা জনালে, অভিনন্দন জনালে। তোৰ অকনো মনত নপৰিলনে খবৰ এটা ল'বলৈ, সৰুৰে পৰা লৈ থৈ ডাঙৰ কৰা ভাগিনীয়েৰা দুটাক ইমান সোনকালে পাহৰিলি নে তইঙ্গ" চকুৰে বাগৰি অহা পানীখিনি মচি মচি কথাকেইটা ক'লে কল্যাণীয়ে।

"কিয় মনত নপৰিব বাইদেউ। বিশ্বাস কৰ এই এমাহে মই ভালদৰে টোপনি মাৰিব পৰা নাই। ৰাতি পুৱালেই সদায় অপেক্ষা কৰো তহঁতৰ ফোন এটা আহক। ৰাতিও ভাবি থাকো। কিন্তু নাই, তহঁতে ফোন নকৰিলি।"

মই গম পাওঁ বাইদেউ। সৰুৰে পৰা তই এনেকুৱা। জেদটো এৰি তই কেতিয়াও সৰু নহ'ব।

"তই সৰু হৈছনে? তইতো মোতকৈ কত সৰু। তই কিয় আগতে ফোনটো নকৰিলি। আজি দুবছৰ ধৰি মই এটা ফোনৰ বাবে কত অপেক্ষা কৰিলো।"

আৰু দুখ নকৰিবি। ৰত্নায়ো কৈ আছে আমি এবাৰ যাওঁ ব'লা। জান বাইদেউ তাই এতিয়া সম্পূর্ণ বেলেগ হৈ গ'ল। তাইও মান-অভিমান সকলো বাদ দিছে। ৰত্না কংকনৰ ঘৈণীয়েক।

"মুকু এতিয়া কিমান ডাঙৰ হ'ল। কি শ্রেণীত পালে সি"— কল্যাণীয়ে সুধিলে।

"কেজি পাইছে সি।"

এতিয়া আৰু কথা নাপাতো বাইদেউ, মোৰ অফিচত যাবৰ সময় হ'ল। আমি অহা দেওবাৰে তহঁতৰ ঘৰলৈ যাম। কথাটো ক'বৰ বাবে ফোনটো লগালো।"

কথাষাৰ শুনাৰ লগে লগে খং, অভিমান থকা কল্যাণীৰ মনৰ পৰা সকলো দূৰ হ'ল। গোটেই মুখমণ্ডল এটা উজ্জ্বল আভাই আগুৰি ধৰিলে তাইৰ।

অ' আহিবি। মুকুক খুব চাওঁ চাওঁ লাগি আছে। মুকু হ'ল কংকনৰ ল'ৰা মানৰ। মৰমতে কল্যাণীহঁতে তাক মুকু বুলি মাতে। ফোনটো কটা গ'ল।

কল্যাণী গেছটো অফ কৰি ফোনটো থবৰ বাবে যাবলৈ মূবটো ডঙাত তাই দেখিলে গিৰীয়েক, পুতেক, জীয়েক তিনিওৰে ৰান্ধনিশালৰ দুৱাৰমুখত ৰৈ তাইৰ কথা-বতৰা শুনি আছে। তাইক মূৰ তোলা দেখি তিনিও তাৰ পৰা আঁতৰিল। কল্যাণীৰ চকুৰে চকুৰে পৰাত গিৰীয়েক ৰবীনে ক'লে— মই বজাৰলৈ যাওঁ দিয়া কণী, মাছ, মাংস অলপ লৈ আহো।" গিৰীয়েক ৰবীনে ঘৈণীয়েক কল্যাণীক অকণি বুলি মাতে।

"কিয়, মোৰছোন ভাত প্রায় হ'লেই"— কল্যাণীয়ে ক'লে।

"আজি দুবছৰে আমাৰ বিশেষকৈ তোমাৰ অন্তৰত পুহি ৰখা ক্ষোভ, অভিমান এইবিলাকো অলপ আগতে নগ'ল জানো।"

'এ হ'ব দিয়া'— কল্যাণীয়ে ক'লে।

"হয়নে নহয় মধু, চুমু। জীয়েক মধুস্মিতা আৰু পুতেক স্বপ্নীলৰ সঁহাৰি বিচাৰিলে দেউতাকে।

"হয়, হয় আজি পাৰ্টী হ'ব লাগে।" জীয়েক মধুৰে ক'লে।

এ এ.... পুতেক স্বপ্নীলে চিঞৰ এটা মাৰিল।

কল্যাণী আৰু কংকন সম্পর্কত বায়েক ভায়েক।

কংকনতকৈ কল্যাণী চাৰি বছৰে ডাঙৰ। দেউতাক কামেশ্বৰে খেতি-বাতি কৰি ঘৰখন চলাইছিল। মাক মাধুৰীয়ে সুন্দৰ পৰিপাতিৰে সংসাৰখন

চন্তালি আছিল। কল্যাণী আৰু ৰবীনৰ ঘৰ গাঁওখনৰ ইমূৰে সিমূৰে। ৰবীনে গেলামালৰ দোকান দিয়ে। কল্যাণীহঁত স্কুললৈ গ'লে ৰবীনৰ দোকানৰ আগেৰে যাব লাগে। এনেদৰে দোকানৰ আগেদি অহা-যোৱা কৰোতে ৰবীনৰ লগত কল্যাণীৰ প্ৰেম হয়। পিছত কথাটো মাক-দেউতাকে ঘৰত গম পালে। তেতিয়া কল্যাণী উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী। কিছুদিন পিছতেই কল্যাণীৰ ফাইনেল পৰীক্ষা হ'ল। পৰীক্ষাত তাই দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'ল। সেই বছৰেই কল্যাণীৰ মাকে ৰবীনৰ ঘৰত কথাটো জনালে। অৱশ্যে ৰবীনৰ মাক দেউতাকে কিছুদিন আগৰ পৰাই কথাটো জানিছিল। দুয়োঘৰৰ সন্মতিত ৰবীন আৰু কল্যাণীৰ বিয়া হৈ যায়। ৰবীন ঘৰৰ একমাত্ৰ ল'ৰা। কল্যাণীয়ে গিৰীয়েকৰ লগতে শাহুয়েক শহুৰেকৰ লগত খুব সুন্দৰভাৱে ঘৰখন আগবঢ়াই নিলে।

শাহুয়েক শহুৰেকেও কল্যাণীৰ কোনো কথাতে আপত্তি নকৰে বা কৰিবলগীয়া হোৱা নাই। দুয়োকে খুব সন্মান আৰু শুশ্ৰূষা কৰে তাই। বিয়াৰ দুটা বছৰ যোৱাৰ পিছতেই জন্ম হয় মধুস্মিতাৰ। তাইৰ জন্মৰ লগে লগে ঘৰখন আনন্দৰে ভৰি পৰে। মধুস্মিতাৰ চাৰি বছৰ হোৱাৰ পিছত জন্ম হয় পুতেক স্বপ্নীলৰ। কল্যাণী ৰবীনহঁতৰ দুয়োখন ঘৰতেই আনন্দৰ ঢৌ বাগৰে। স্বপ্নীলৰ চাৰিমাহ হৈছে মাত্ৰ।

"বাইদেউ, অ' বাইদেউ"— চিঞৰি চিঞৰি কংকন কল্যাণীৰ ঘৰ পালেহি।

কি হ'ল অ' ইমান উধাতু খাই আহিছ যে।

"বাইদেউ মাৰ খুব পেট বিষাইছে। হস্পিতাললৈ নিব লাগিব।"

অ' তেনেহ'লে তই দোকানলৈ যা। ভিনীয়েৰকে কগৈ দোকানখন বন্ধ কৰি মনোজৰ অট'খন লৈ আহিবলৈ।

মনোজ হ'ল গাঁৱৰে ল'ৰা। তাৰ অট' এখন আছে, ভাড়া মাৰে।

হ'ব বুলি কৈ কংকনে দৌৰ মাৰিলে।

মাকক হস্পিতাললৈ নিয়া হ'ল। গ'ষ্ট্ৰাডাৰ হৈছে। দহদিন পিছত অপাৰেচন হ'ল। অপাৰেচন ঠিকে-ঠাকে হ'ল যদিও ঘৰলৈ অনাৰ পিছত মানুহজনী শুকাই-ক্ষীণাই যাবলৈ ধৰি আৰু এদিন ঢুকাই থাকিল। মাক ঢুকোৱাৰ এবছৰ পাৰ হৈছিলহে মাত্ৰ। দেউতাকৰো প্ৰেচাৰ ষ্ট্ৰোক হ'ল। হস্পিতাললৈ নিলে হয়, নাবাচিল।

মাক-দেউতাক ঢুকোৱাৰ পিছত কংকনৰ লগত দুমাহমান ভিনীয়েক ৰবীন ৰাতি থাকিল। ভাত-পানী ঘৰতে বনাই কল্যাণীয়ে টিফিনত ভৰাই পঠাই দিয়ে। দুমাহমাহ পিছত এদিন কল্যাণী আৰু মাক-দেউতাকক আচৰিত কৰি কংকনক নিজৰ ঘৰলৈ লৈ আহিল ৰবীনে।

"ভালেই হ'ল দে। তহঁত তাতে থাকিলে আমাৰো বেয়া লাগি থাকে।" ক'লে ৰবীনৰ দেউতাকে। মাকে একো নক'লে।

কল্যাণীয়ে একো নক'লে যদিও হৃদয়খন তাই শান্তিৰে ভৰি উঠিল। অৱশ্যে কল্যাণীয়েই নহয় মাক-দেউতাকেও ৰবীনৰ কথাত দোষ ধৰিবলগীয়া একোৱেই বিচাৰি নাপালে।

স্বপ্নীলৰ ডেৰ বছৰ হ'ল। বায়েক মধুস্মিতাৰ পাঁচ বছৰ। তাইক গাঁৱৰে জাতীয় বিদ্যালয়খনত নাম লগাই দিয়া হৈছিল। যিখন বিদ্যালয়ত কংকন পঢ়ে। সি তেতিয়া নাইন পাইছিল।

কল্যাণীয়ে কথাবোৰ মনত পেলাব ধৰিলে। তাইবাৰাণ্ডাৰ খুটাটোতে আউজি থিয় হৈ আছিল।

"কি ভাবি থিয় দি আছাহে। ভায়েৰ আহিব বুলি কোৱাৰ পৰা এই দুদিন দেখিছো তুমি অ'ত-ত'ত থিয় দি কিবা ভাবি থাকা।"

"নাই, একো ভবা নাই।" গিৰীয়েক ৰবীনৰ কথাৰ উত্তৰ দি কল্যাণী ভিতৰলৈ গ'ল। দুবছৰ হ'ল কল্যাণীৰ শহুৰেক ঢুকোৱাৰ। শাহুয়েকক তাই একো কাম কৰিব নিদিয়ে। শাহুয়েকে নিজে উপযাচি ইটো-সিটো কৰে। অৱশ্যে শাক-পাচলিখিনি শাহুয়েকক বাচিবলৈ দিয়ে তাই। শাহুয়েকে কল্যাণীক বৰ মৰম কৰে।

ৰবীনে খুলশালীয়েক কংকনক নিজৰ ল'ৰাৰ দৰে মৰম কৰিছিল। পঢ়া-শুনাত অসুবিধা হয় বুলি বেলেগে এটা ৰুমত পঢ়িবলৈ দিছিল। যাতে পুতেক স্বপ্নীল আৰু জীয়েক মধুস্মিতাই তাক অসুবিধা নিদিয়ে। পঢ়া-শুনাত অৱশ্যে আগৰ পৰাই কংকন ভাল। মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত সুনামেৰে উত্তীৰ্ণ হ'ল সি। তাৰ পিছত কটন কলেজৰ পৰাই অৰ্থবিজ্ঞানত অনাৰ্চ লৈ বি.এ. আৰু তাৰ পৰাই এম.এ. প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। এম.এ. পাছ কৰা এবছৰ নৌহওঁতেই সি ষ্টেট বেংকত চাকৰি পালে গুৱাহাটীতে। গুৱাহাটীত ভাড়াঘৰ এটা ল'লে সি।

"তোমাৰ বিয়াখন পাতো দিয়া কংকন"— এদিন ভিনীহিয়েক ৰবীনে কৈছিল।

"ছোৱালী বিচাৰো নে তুমি চাই থৈছা"— ৰবীনে পুনৰ সুধিলে।

কংকনে একো নামাতিলে যদিও সি যে একেলগে চাকৰি কৰা ছোৱালী এজনী ভাল পাইছে সেই কথা বায়েক কল্যাণীৰ আগত ক'লে।

বায়েক-ভিনীহিয়েকৰ ঘৰৰ পৰাই ধুমধামেৰে ৰবীনৰ বিয়া হৈ গ'ল। ছোৱালীৰ ঘৰ গুৱাহাটীতে খানাপাৰাত। বিয়াৰ পিছত কংকনহঁতে ফ্লেট এটা লৈ গুৱাহাটীতে থাকিব ল'লে। দুবছৰ পিছত সিহঁতৰ এটা ল'ৰাও জন্মিল।

কংকনৰ বিয়াৰ এবছৰ পিছতেই স্বপ্নীলে মেট্ৰিক পাছ কৰিলে। আটাইকেইটা বিষয়ত লেটাৰ পালে সি। তাৰ পিছত উচ্চতৰ মাধ্যমিক পৰীক্ষাতো পাঁচটা বিষয়ত লেটাৰসহ বিজ্ঞান বিভাগত উত্তীৰ্ণ হ'ল সি।

ভাত হ'লনে। গিৰীয়েক ৰবীনৰ মাতত কল্যাণী ভাৱনাৰ পৰা ঘূৰি আহিল। কি যে ভাবি আছো— নিজকে ক'লে তাই।

অ' হৈছে ৰ'বা। ততাতৈয়াকৈ গিৰীয়েকৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ লগে লগে ৰান্ধনি ঘৰ পালেগৈ কল্যাণী। সকলোকে ভাত বাঢ়ি দিলে, তাই নিজেও খালে।

ভায়েক কংকনৰ ফোন অহাৰ পাছৰে পৰা পুৰণি কথাবোৰে বাৰে বাৰে কল্যাণীৰ মনলৈ আহি থাকিব ধৰিলে।

স্বপ্নীলে যেতিয়া JEE পৰীক্ষাত উত্তীৰ্ণ হৈ NEET শিলচৰত ছিট্ পাইছিল সেই সময়ত ৰবীনৰ দোকানখনৰ বেচা-কিনা অলপ ডাউন হৈছিল। তেতিয়া ৰবীনেই কল্যাণীক কৈছিল— "অকণি, কংকনকে অলপ পইচাৰ কথা কোৱা নেকি? বাবুৰ এড্‌মিচনৰ কাৰণে।" যিহেতুকে প্ৰায় ডেৰ লাখ টকাই লাগিব।"

হ'ব দিয়া। ময়ে তাৰ ঘৰলৈ যাম। সিনো কিয় সহায় নকৰিব?"

দেওবাৰ এটাত স্বপ্নীলক লৈ কল্যাণী ভায়েক ৰবীনৰ তাললৈ গ'ল।

বাইদেৱেক যোৱাত ৰবীন খুব আনন্দ পালে।

স্বপ্নীলক সাৱটি ধৰি ৰবীনে ভিতৰলৈ লৈ গৈছিল।

"কোৱাচোন ভাগিন কেনে খবৰ?" ভালে বেয়াই মামা— স্বপ্নীলে কৈছিল।

"কিয় ইমান সুন্দৰ খবৰৰ পিছত কি বেয়া থাকিল।"

অলপ পইচাৰ দৰকাৰ হৈছে অ' কন (কংকন) ভিনীহিয়েৰাৰ দোকানখনত বেছিকৈ মাল ভৰাব পৰা নাই। তোৰ বিয়াৰ পিছৰ পৰা যি ডাউন হ'ল, এতিয়াও বিক্ৰী-বাত্তা বঢ়া নাই। বাবুৰ এড্‌মিচনৰ বাবে ডেৰ লাখ টকা লাগে। ভাবিলো তোৰ পৰাই অলপ যদি ধাৰে লওঁ। কথাখিনি কৈ কল্যাণীয়ে চাৰি বছৰীয়া কংকনৰ ল'ৰা মুকুক কোলাত বহুৱাই ল'লে।

ঠিক সেই মুহূৰ্ততে কংকনৰ পত্নী মানসী আহি কথাখিনি শুনিলে।

"নাইবাইদেউ, এওঁৰ হাতত এতিয়া একেবাৰে পইচা নাই। গুৱাহাটীত অলপ মাটি পালো, সেয়ে আমি দুয়োৱে বেংকৰ পৰা প্ৰাইভেট লোন লৈ মাটিখিনি কিনিলো। এতিয়া আমাৰো অলপ অসুবিধাই হৈছে।" কথাখিনি কৈ মানসী ৰন্ধাৰ কামত লাগিলগৈ।

কথা শুনি কল্যাণী আৰু স্বপ্নীলৰ লগতে কংকনেও একো মাতিব নোৱাৰিলে। চাওঁ ৰচোন বাইদেউ, মই যোগাৰ কৰি দিব পাৰো নেকি?

নালাগে দে কন আমি ক'ৰবাৰ পৰা সংগ্ৰহ কৰিব পাৰোনে ঘৰলৈ উভতি গৈ চাব লাগিব।

প্ৰথমতে থাকো বুলি আহিছিল যদিও দুপৰীয়া ভাত-পানী খোৱাৰ পিছত কল্যাণীহঁত যাবলৈ ওলাল।

"আজি থাকি যা বাইদেউ"— কংকনে কৈছিল।

"নাথাকো দে অ'। নলবাৰীলৈ বেছি সময় নালাগে নহয়। অহৰহ বাছবোৰ চলিয়েই থাকে।"

কল্যাণী আৰু স্বপ্নীল ঘূৰি আহিল ঘৰলৈ। অ'ৰ-ত'ৰ পৰা ধাৰ লৈ স্বপ্নীলক নামভৰ্তি কৰি দিয়া হ'ল। পোন্ধৰ দিন পিছত শিলচৰ NITত ৰবীনেই লগত গৈ স্বপ্নীলক হোষ্টেলত থৈ আহিছিলগৈ।

দহদিনমান পিছত কংকনৰ ফোন আহিছিল। "বাইদেউ, পইচাৰ যোগাৰ হ'লনে?"

'হ'ল দে' বুলি কল্যাণীয়ে ফট্‌কৈ ফোনটো কাটি দিলে।

তাৰ পিছত ৰিং হৈ থাকোতে কল্যাণীয়ে ফোনটো দাঙি পুনৰ ক'লে — "বাবাক এডমিচন দিলো দে।" পুনৰ ফোনটো কাটি দিলে তাই।

দুটা বছৰ পাৰ হৈ গ'ল। কল্যাণী আৰু কংকনৰ অভিমান আৰু জেদে দুয়োৱে মাত-বোল, অহা-যোৱা বন্ধ কৰি দিছিল।

ভায়েক কংকনৰ ফোনটো পোৱাৰ পিছৰে পৰা কল্যাণীয়ে অধৈৰ্যৰে দেওবাৰটো অহালৈকে বাট চাই থাকিল। অৱশেষত দুদিনৰ মূৰত সেই দিনটো পালেহি।

"অকণী বজাৰৰ পৰা আহোগৈ দিয়া। মাছ, মাংস কি কি আনিম লিষ্ট বনাই দিয়া।"

গিৰীয়েক ৰবীনৰ কথামতে তাই মাছ, মাংসকে আদি কৰি বিভিন্ন বস্তুৰ লিষ্ট বনাই ৰবীনৰ হাতত দিলে। লিষ্টখনত কংকনৰ পুত্ৰ চাৰি বছৰীয়া মানস (যাক কল্যাণীহঁতে মুকু বোলে)ৰ বাবে এযোৰ দামী কাপোৰ বুলি লিখি দিলে।

দুপৰীয়া কল্যাণীৰ ভাত প্ৰায় ৰন্ধা হ'লেই। স্বপ্নীল আৰু মধুস্মিতাই মাজে মাজে বাটলৈ গৈ মামাকহঁত আহিছেনে চাইছেগৈ। এই মাহটো ফৰ্থ চেমিষ্টাৰ হৈ যোৱা বাবে স্বপ্নীলো ঘৰতে আছে।

প্ৰায় একমান বজাত এখন গাড়ী গেটেৰে সোমাই আহি সিহঁতৰ চোতালত ৰ'লহি।

প্ৰথমতে কংকন নামি দুৱাৰ খুলি দিলে। তাৰ পিছত মুকু আৰু মামীয়েক নামি আহিল। মুকুক মধুৱে কোলাত তুলি লৈ দুটামান চুমা খালে।

"এইটো লোৱা মধু।" মামীয়েকে ধুনীয়া ঘড়ী এটা বক্সেৰে সৈতে মধুস্মিতালৈ আগবঢ়াই দিলে। মধুৱে হাত পাতি লৈ পিন্ধি চালে।

এইটো চুমু (স্বপ্নীল)ৰ আন এটা ঘড়ী উলিয়াই মামীয়েকে স্বপ্নীলক মাতিলে।

দুপৰীয়া ভাত-পানী খোৱা হোৱাৰ পিছত মামাক কংকনহঁতে অলপ জিৰালে। তাৰ পিছত যাবলৈ ওলাল। কল্যাণীহঁতে তেওঁলোকক থাকিবলৈ যোৰ কৰিলে যদিও মুকুৰ পিছদিনা স্কুল থকা বাবে থাকিব নোৱাৰে।

যাবৰ সময়ত মামীয়েকে বাৰাণ্ডাত মাকৰ সৈতে কথা পাতি আছিল। মামাকে মধু আৰু চুমুক ভিতৰলৈ হাতত ধৰি লৈ গ'ল। "মধু এইখন লোৱা। তহঁত দুয়োৰে বাবে কিবা এটা দিছো। আমি যোৱাৰ পিছত মাৰাক দিবা।" কথাখিনি কৈ মামাকে মধুস্মিতাৰ হাতত খাম এটা দিলে।

"খামটো এতিয়া থৈ দিয়া।" আহা, আমাক আগবঢ়াই থোৱাহি বুলি মামাক বাহিৰলৈ ওলাই আহিল। লগে লগে স্বপ্নীলো।

মধুৱে খামটো গাৰু এটাৰ তলত থৈ বাহিৰলৈ আহিল। মামাকহঁত গ'লগৈ।

স্বপ্নীল আৰু মধুস্মিতাৰ মন খুদুৱাই আছিল। দুয়ো দৌৰ মাৰি গৈ খামটো চালেগৈ। খামৰ ভিতৰত এখন দুই লাখ টকাৰ চেক্ আৰু এখন সৰু কাগজ। চিঠিখনত লিখা আছিল— "বাইদেউ, মধু আৰু চুমুৰ বাবে কিবা এটা দিছো। তই খং নকৰিবি। মধুস্মিতাই মাকক চিঠিখন দিলে।

চেক্‌খন আৰু চিঠিখন চাই দিনৰ দিনটো উজ্জ্বল হৈ থকা কল্যাণীৰ মুখখন ডাৱৰে আ�ৱৰি ধৰিলেহি। "কিয় বাৰু সি এইটো কৰিলেঙ্গ কিয় ভাবিলে সি পইচাৰ বাবে তাক এতিয়াও বেয়া পাই আছো। কল্যাণীৰ মনটো পুনৰ অস্বস্তিৰে ভৰি পৰিল।" হৃদয়খনত দিনটো তল-ওপৰ হৈ থকা, শান্তিৰ টোটো যেন লাহে লাহে নোহোৱা হৈ গ'ল। পুনৰ অভিমানেৰে তাইৰ মনটো ভৰি পৰিল।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা অধ্যাপিকা, অসম শিক্ষা একাডেমী

শেষ ঠিকনা

জয়শঙ্কৰ পাটৰ

পুৱা সাত বাজিল মানেই মাধৱীলতাৰ দিনটোৰ কাম আৰম্ভ। আচলতে তেওঁ শোৱাপাটী এৰে পুৱা পাঁচ নাবাজোতে আৰু শোৱাপাটী ল'ব পাৰে ৰাতি এঘাৰ বজাৰ পাছত। একমাত্ৰ উপাৰ্জনৰ সম্বল চাহৰ দোকানখন গিৰীয়েক গিৰিধৰৰ লগত পুৱাৰ পৰা সন্ধিয়ালৈ চলায়।

হাঁহিবলৈ হয়তো পাহৰিছে মাধৱীলতাই। দেখিলে তেনে লাগে। চিন্তাক্লিষ্ট মানুহজনীয়ে গ্ৰাহককো নেদেখুৱায় বিশেষ আগ্ৰহ। অন্তৰখন অৱশ্যে কোমল। পৰিপাটীকৈ সাজপাৰ পৰিহিতা মাধৱীলতাই মূৰৰ বাঁওফালেৰে সেওতা ফালি সেন্দূৰ লয়। কামত পিছে বেছ পাকৈত তেওঁ। পিঠিৰ ৰাজহাড় বেঁকা হৈ মূৰটো হাউলি বুকুৰ সমান হৈ পৰা গিৰিধৰৰ খোজ আগতকৈ ঢিলা হৈছে। কামো ধীৰ হৈছে। বয়সে নাটানে মানুহজনক। মাধৱীলতাই মনত পেলাই দিয়ে তেওঁক— "তালুকদাৰৰ দোকানত চাহ দিলানে? সাংগাৰিয়াৰপৰা আজি চাহৰ হিচাপ দি টকাখিনি ল'বা।"

দহটামান দাঁত থকা গিৰিধৰে তামোল পাগুলি পাগুলি লোহাৰ খুন্দনাত আদা, লং বা ইলাচী খুন্দি খুন্দিয়ে কয়— "মজুমদাৰে কেইদিনমান দোকান খোলা নাই। চাহৰ কাপ শঙ্কৰ যাদৱৰ পৰাই আনিব লাগিব।" নিমকি, বিস্কুট, চুজিৰ লাড়ুৰ পেকেটবোৰ বাঁহৰ মাৰিত ওলোমাই থকা মাধৱীলতাই গিৰীয়েকলৈ কেৰাহিকৈ চায়। মুখৰ ভিতৰতে ভোৰভোৰায়— "চাহৰ কাপৰ কথাহে ক'লোনে মই। ময়ে কৰিব লাগিব যেন পাইছো সকলোখিনি।"

সময় বাগৰাৰ লগে লগে গ্ৰাহকৰ ভিৰ হয়। মাধৱীৰ তৰণি নোহোৱা হয়। কোনোবা এজনে চাহ আৰু চুজি লাড়ু এটা খাই এশটকীয়া নোট এখন যদি দিয়ে মাধৱীৰ মুখৰ অভিব্যক্তি সলনি হৈ পৰে। মুখখন এক বিশেষ ভংগিমাৰে কয়— "হুম্ ম্ ম। খুচুৰা নাই নেকি? ক'ৰপৰা দিওঁ মই? গোটেই নস্বৰীমখা দি আছে আজি। চোৱাচোন চোৱা, খুচুৰা আছে নেকি।" পইচা থোৱা সৰু টিনৰ বাকচটোত দুবাৰমান হাতখন ভৰায় কথাখিনি কৈ কৈ।

মহানগৰৰ ব্যস্ত পথ এটাৰ ফুটপাথৰ ওপৰতে একাষৰীয়াকৈ মাধৱীলতাহঁতৰ দোকানখন। দোকান বুলিবলৈ তিনিখলপীয়া এটি পুৰণি আলমাৰী। তিনিবৰণীয়া এটা ডাঙৰ ছাতি মেলি থৈ দিয়ে ৰ'দ-বৰষুণৰ পৰা হাত সাৰিবলৈ। দুডাল বাঁহৰ কামি যতনাই লৈছে। তাতে ৰাখে নিম্‌কি, চুজি লাড়ুৰ পেকেটবোৰ ওলোমাই। কাৰিকৰী সেৱা কেন্দ্ৰ এটাৰ সন্মুখৰ পাঁচ ফুট ওখ দেৱালখনৰ গাতে দোকানখন। দেৱালখনৰ বাবেও সুবিধা হৈছে।

বহুসংখ্যক স্থায়ী গ্ৰাহক দিনকদিনে বাঢ়িছে। মাধৱীলতা আৰু গিৰিধৰক বহুতে মামী, মামা বুলি সম্বোধন কৰে। দুই-চাৰিজনৰ লগত ঘৰুৱাৰ দৰে কথা পাতে মাধৱীলতাই। গিৰিধৰ মিতভাষী। ৰূপালী বৰণৰ হাতঘড়ীটো বাওঁহাতত সদায় দেখিবলৈ পোৱা যায়। বহু লোকৰ প্ৰশ্নৰ উত্তৰ তেওঁ প্ৰায় মূৰ দুপিয়াই দিয়ে।

মাধৱীলতাহঁতৰ চাহৰ দোকানৰ কাষত থকা ব্যক্তিগত প্ৰতিষ্ঠান এটিত এবছৰমান ধৰি হীৰকজ্যোতি শইকীয়াই কৰ্মৰত হৈ আছে। দোকানখনৰ সন্মুখেৰে দৈনিক অহা-যোৱা হীৰকজ্যোতিৰ। কেতিয়াবা চাহ খায় মাধৱীলতাৰ দোকানত। কিন্তু ক্ৰীম বন বা চুজি লাড়ু প্ৰায়ে কিনি নিয়ে অফিচত চাহৰ লগত খাবৰ বাবে।

হীৰকজ্যোতিৰ মনত কৌতূহল ওপজাত এদিন সুধিলে মাধৱীলতাক— "আপোনালোকৰ ঘৰ ক'ত খুড়ী?"

ৰং নোহোৱা কেমিকেলৰ খাৰু দুপাট চুই চুই হীৰকৰ মুখলৈ চাই ইঙ্গিত দি ক'লে— "সেইখিনিতে থাকো। সেই বিল্ডিংটোৰ পিছফালে।"

সোধো-নোসোধোকৈ হীৰকে সুধিলে— "আপোনালোকৰ ল'ৰা-ছোৱালী নাই নেকি?"

হাঁহি এটি সৰকি গ'ল মাধৱীলতাৰ। আদা খুন্দি থকা গিৰিধৰৰ খুন্দনাত হাত থমকি ৰৈ গ'ল। কৈ গ'ল মাধৱীলতাই— "তিনিজন ল'ৰা, ছোৱালী এজনী। ছোৱালী বিয়া হৈছে। জোঁৱায়ে ভাল কাম কৰে। নাতি ল'ৰা এটিও আছে। একোৰে অভাৱ নাই সিহঁতৰ।"

"আৰু ল'ৰাকেইজন!" হীৰকে কাষতে থকা প্লাষ্টিকৰ টুলখনত বহি সুধিলে। গিৰিধৰে কেইকাপমান চাহ বাকি ট্ৰেখনত উঠাই লৈ কোনোবা এখন দোকানত দিবলৈ গ'ল।

মাধৱীয়ে পুনৰ ক'লে— "ল'ৰাহঁতো বিয়া-বাৰু কৰাই নিজা নিজাকৈ ভাড়াঘৰত থাকে। নিজৰ নিজৰ সংসাৰক লৈ ব্যস্ত থাকে।"

এইবাৰ অলপ কঁপা মাতেৰে ক'লে— "আমি দুয়ো ইয়াতে থাকো। আগতে একো সমস্যা নাছিল। এতিয়া ডাঙৰ আৰু মাজুটো ল'ৰাক মাজে-সময়ে টকা দিব লাগে। ইফালে ঘৰৰ ভাড়াও বঢ়াই থাকে। এই চাহৰ দোকানখনৰ উপাৰ্জন যি হয়, সিহঁতকে দিবলগীয়া হয়। এওঁৰো বেমাৰ-আজাৰ নুগুচা হৈছে। ভালদৰে খোৱা-লোৱা কৰিব নোৱাৰে জানানে। কেতিয়াবা বৰ চিন্তা হয় মানুহজনক লৈ। মোৰ যে কি কপাল এইখন!"

সেমেকি উঠা চকুযুৰি সকলোৰে অলক্ষিতে যেন মচি ল'লে মাধৱীলতাই। হীৰকৰ বাহিৰে কোনো নাই অৱশ্যে কাষত। হীৰকে চুজি লাড়ু এটা নিজে উলিয়াই লৈ কিছু সান্ত্বনাৰ সুৰত কৈ উঠিল— "বেছি চিন্তা কৰি নাথাকিব খুড়ী। ভগৱান আছে নহয়, সকলো ঠিক হৈ যাব। আপুনি খোৱা-বোৱা ঠিকমতে কৰিব। খুড়াৰো যত্ন ল'ব লাগিব আপুনি।"

হীৰকে চাহ আৰু চুজি লাড়ুৰ হিচাপৰ টকা দি অফিচলৈ বুলি খোজ ল'লে। কি যে অবোধ্য জীৱনগাথা মাধৱীলতাৰ। কিমান বা আছে অব্যক্ত কৰুণ জীৱন কাহিনী গিৰিধৰৰ। গাৰ ছাল শোঁটো�ৰা, দাঢ়ি-চুলি পকা গিৰিধৰৰ আজিকালি আনন্দৰ ৰেঙনি মুঠেই দেখা নাযায়। বেছি কুঁজা হৈ পৰিছে মানুহজন। কি অসুখত ভুগি আছে নিজেই নাজানে। মাধৱীলতায়ো নাজানে। চিত হৈ শুব নোৱৰা মানুহজনৰ মাজে-সময়ে ৰাতি উশাহ ঘন হয়। মাধৱীলতাৰ গাত তত্ নোহোৱা হৈ কঁপি উঠে। বুকুত মালিচ কৰা, হাত-ভৰি টানি দিয়া, মূৰে-গালে তেল সানি দিয়াত ব্যস্ত হৈ পৰে। লাহে লাহে এইবোৰ নৈমিত্তিক কাম হৈ পৰিছে মানুহজনীৰ। ৰাতি এপৰ হৈ যায় গিৰীয়েকক শুশ্ৰূষা কৰি থাকোঁতে। আজিকালি প্ৰায়ে ৰাতি ৰন্ধা ভাত-আঞ্জাকে দোকানলৈ আনি দুপৰীয়া খায়। পুতেকহঁত

আহি হাজাৰ হাজাৰ টকা বিচাৰি ডাবি-ধমকি দি হ'লেও লৈ যায়। সিহঁতৰ বহুত সমস্যা হেনো। কেতিয়াবা কোনোবাই টকা এনেদৰে দিবলৈ মাধৱীলতাহঁতক মানা কৰিলে সাদৰী মাকজনী হৈ কয়— "নিজৰে সন্তান। সিহঁতৰ কাৰণে দিনটো খাটি থাকো। নিয়ক, বেলেগক দিয়া নাই নহয়। চহৰত ল'ৰা-ছোৱালী ডাঙৰ কৰা মুখৰ কথানে আৰু!"

দেহি মাধৱীলতা মানুহজনী। শোকগ্রস্তা মানুহজনীয়ে কেনেকৈ জানো কথাখিনি কয়। ক'বই লাগিব। উপায়নো আছে কি? ডাবি-ধমকি দি টকা নিবলৈ আহিলেও পুতেকহঁতক মাজে সময়ে যে দেখা পায় তেও। কেতিয়াবা নাতিয়েকহঁতকো একোলা ল'ব যে পাৰে বেচেৰী দুখুনী মানুহজনীয়ে সেয়াই তেওঁৰ বাবে আনন্দ।

জীৱনৰ বহু আশা, হেঁপাহ মোহাৰি পেলাইছে মানুহ হালে। গিৰিধৰৰ কথা তথাপি মানি বাৰু ল'ব পাৰি। কিন্তু মাধৱীলতা! এই নির্মল মনৰ আপোনভোলা মানুহজনীয়ে এইকণ আশাও নকৰে নে যে পুতেকহঁতে কেতিয়াবা ক'ব— "মা, দেওবাৰে দোকান নোখোলা নহয়, দেউতাৰ লগত আমাৰ তাতে যাবা। ভাত এসাঁজ খাই আহিবা।" দূৰ সম্পর্কীয় আলহীৰ দৰেই মাতক লাগিলে। নাই তেওঁ সেই আশাও কৰিব নোৱৰা হৈছে। একো আশা কৰিব নোৱৰা মানুহজনীয়ে সকলো সমস্যাক অভ্যাসত পৰিণতি কৰিবলৈ শিকিছে মাথোন। তথাপি লোকৰ আগত পুতেক-জীয়েকহঁতৰ দোষ গাই নুফুৰে।

হীৰকজ্যোতিয়ে এদিন সুধিয়ে পেলালে— "খুড়ী, আপোনালোকে ল'ৰাহঁতক এতিয়াও ইমান ভালদৰে গ্রহণ কৰি থাকে কিয়? তেওঁলোকে দেখোন আপোনালোকৰ বাবে কোনো চিন্তাইনকৰে।" দুয়োখন হাত দুগালে ৰাখি মাধৱীলতাই ক'লে— "মাকৰ বাবে ল'ৰা-ছোৱালী সদায় আপোন। সিহঁতে আমাৰ সকলো। সিহঁতৰ সুখেই আমাৰ আনন্দ। আমাৰ কিবা এটা হ'লে সিহঁতেই চাব। আৰুনো কোন আছে আমাৰ সংসাৰত।"

নিৰুত্তৰ হৈ উঠি যায় চাহকাপ খাই হীৰকজ্যোতিয়ে।

কামৰপৰা অৱসৰ লৈ নাতি-পুতিৰ লগত সময় কটোৱাৰ সময়ত দিনজোৰা ব্যস্ততা উপার্জনৰ নামত মানুহহালৰ।

বেয়া লাগে হীৰকজ্যোতিৰ। চুজি লাড়ু বা ক্রীম বন এটা বেছিকৈ সেয়েহে তেওঁ কিনে। ভৰ গৰমত দগ্ধ হৈ কেনেকৈ যে মুখমেলি বহি থাকে বৃদ্ধ দম্পতী চাহ বেচাৰ আশাত। হয়তো এক অপ্রাপ্তিৰ বেথাত।

আশা মাজে-সময়ে এতিয়াও নকৰা নহয় তেওঁলোকে। ডাঙৰ পুতেক আহিলে মাধৱীলতাই মৰমেৰে কয়— "ডাঙৰ বাবা, সৰুধনক দেখানে কেতিয়াবা? লগ পালে আহিব ক'বাচোন। মই মাতা বুলি ক'বা।"

কেতিয়াবা উৎসৱ-পার্বণৰ সময়ত কয়— "ডাঙৰ বাবা এইবাৰ বিহুত আমাৰ লগতে ভাতসাঁজ খাবাহি অ'। গোটেইকেইটাই আহিবা।"

ইস ৰাম! ডাঙৰ পুতেকৰ পৰা মিছাকৈও যদি শুনিবলৈ পালেহেঁতেন মাধৱীলতাই 'হ'ব মা' বুলি।

নাই। একো উত্তৰ নাপায়। বিহুত যা-যোগাৰৰ খৰচৰ হিচাপ দি মাকৰ পৰা টকা লৈ আঁতৰি যায়। মানুহজনীৰ অন্তৰখনৰ পৰাহে আঁতৰাই পঠিয়াব পৰা নাই পুতেক-জীয়েকহঁতক।

পাৰ কৰিছে বহুদিন হা-হুমুনিয়াহৰ মাজেৰে। কটাইছে বহু বিনিদ্র ৰজনী সত্তৰোর্দ্ধৰ মাধৱীলতাই।

ডাঙৰ পুতেক, মাজু পুতেক আহিলে কাতৰে কয়— "দেউতাৰক এবাৰ হাস্পতালত নি ডাক্তৰক দেখুৱাব লাগিছিল। মানুহজন বৰকৈ শুকাই গৈছে।"

পুতেকহঁতৰ মুখলৈ বহুপৰ চাই ৰয়। আগৰদৰে এতিয়া তেওঁৰ গাত শক্তি নাই কৰো বুলি কিবা কৰাৰ বাবে। হাস্পতাললৈ তেওঁ আগতে নিজেই নিছিল গিৰিধৰক। এতিয়া নোৱাৰা হৈছে। গা এৰা কথা কৈ পুতেকহঁত চকুৰ আগৰপৰা নোহোৱা হয়।

শিৰৰ সেন্দূৰকণ বচাবলৈকে মানুহজনীৰ যতমানে ব্যস্ততা। কষ্টসহিষ্ণু তেওঁ।

এসপ্তাহমান হ'ল মাধৱী মামীৰ চাহৰ দোকান বন্ধ হৈ থকাৰ। ইজনে-সিজনে মামা-মামীৰ খবৰ সোধা-পোছা কৰিছে যদিও গুৰুত্বসহকাৰে কোনেও খবৰ লোৱা নাই। ব্যস্ত মহানগৰৰ ব্যস্ত মানুহৰ সময় নিমিলে।

কি হ'ল বৃদ্ধ মানুহহালৰ। কিয় বা ইমানদিন দোকান খোলা নাই। হীৰকজ্যোতিয়েও অফিচলৈ আহোঁতে দোকানখনৰ ফালে মাথোঁ চাই যায়। সন্মুখত কাৰোবাক দেখিলে সোধে— "এওঁলোকৰ দোকান কিয় খোলা নাই?"

কোনোবাই কয়— বুঢ়াৰ বেমাৰ হৈ থাকে নহয়। ডাক্তৰৰ তালৈ গৈছে চাগে। কোনোবাই কয়— এইবাৰ পুতেকহঁতে লৈ গ'ল নেকি! আকৌ কোনোবাই কয়— কিজানি জীয়েক-জোঁৱায়েকহঁতে লৈ গ'ল আহি।

এদিন সন্ধিয়া মাধৱীলতাহঁত থকা ঘৰৰফালৰ পৰা হায়ৈ-বিয়ৈ শুনিবলৈ পোৱা গ'ল। ক্রন্দনৰ ৰোল ক্রমাৎ বাঢ়ি আহিল। সেয়া মাধৱীলতাই বেদনা উজাৰিছে, হিয়া ঢাকুৰিছে।

হীৰকজ্যোতিয়ে অফিচ ছুটী কৰি আহে মানে মাধৱীলতাৰ কান্দোন বন্ধ হৈছিল।

মাধৱী মামীৰ সৰু পুতেক বুলি পৰিচয় পোৱা যুৱকজনে বাৰে বাৰে কৈ আছে— "জীয়াই থাকোঁতে দেউতাৰ এষাৰ মাত নাপালো, মৃত্যুৰ পিছত কি কৰিম মই। মোক একো খবৰ-খাতি নিদিলে কোনেও।"

ডাঙৰ পুতেকে কাৰোবাক কাৰোবাক কৈছে— "বেমাৰ হৈ আছিল বুলি আমাকো কোৱা নাছিল নহয়। আমি কিমানদিন ক'লো, একেলগে থকাৰ কথা। পুতেক-বোৱাৰীয়েকহঁতৰ লগত নাথাকে।"

পুতেকহঁতৰ লগত মাধৱী মামীয়ে একো কথা পতা নাই। কন্দাও নাই।

স্বর্গৰথ এখন আহি ৰ'লহি।

গোট খোৱা মানুহবোৰে মাধৱী মামীৰ ফালে চাই ৰ'ল। বহু সময় ধৰি মানুহজনীৰ এষাৰো মাত নাই। গিৰীয়েকৰ কাষতে বহি মূৰত হাত থৈয়ে বহু সময় একেদৰে আছে। হীৰকজ্যোতি আৰু দুজনমান আগবাঢ়ি গ'ল নিথৰ হৈ থকা মানুহজনীৰ কাষলৈ দুখ মনেৰে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক

তলসৰা শেৱালিৰ সুবাস...

ৰুমা গোস্বামী শর্মা

সোণালী জয়ন্তী বর্ষ উদযাপন কৰা স্থানীয় দুর্গা পূজা সমিতিখনে আজি বিয়লি অনুষ্ঠিত কৰিব লগা সম্বর্ধনা অনুষ্ঠানখনত উক্ত পূজাভাগৰ জন্ম লগ্নৰে পৰা ওতঃপ্রোতভাৱে জড়িত ব্যক্তিসকলক বিশেষভাৱে সম্বর্ধনা জনোৱাৰ উদ্দেশ্যে এখনি মুকলি সভাৰ আয়োজন কৰিছে আৰু অনুষ্ঠানখনত সেই নির্দিষ্ট ব্যক্তিসকলক নাইবা তেওঁলোকৰ অবর্তমানত পৰিয়ালটোৰ কোনোবা এজন সদস্যক উপস্থিত থাকিবৰ বাবে আয়োজক সমিতিৰ তৰফৰ পৰা ঘোষকে বাৰে বাৰে কৰি থকা অনুৰোধৰ ঘোষণাটি শুনি অৱশেষত মণিকা বৰুৱা সভাখনত উপস্থিত হোৱাৰ বাবে সাজু হ'ল। দীপক ৰঞ্জন বৰুৱা বর্তমান সোণালী জয়ন্তী বর্ষ উদ্‌যাপন কৰি থকা এই পূজাভাগৰ গুৰি ধৰোঁতাসকলৰ মাজৰ অন্যতম। সেয়ে তেওঁৰ ভক্তিক সন্মান জনাই তেখেতৰ উত্তৰসূৰী ৰূপে মণিকা চলিহাই সভাখনত উপস্থিত থাকিবলৈ যেন বাধ্য।

উজনি অসমৰ তিনিচুকীয়া জিলাৰ এটা ভিতৰুৱা অঞ্চলৰ এজন সফল চাহ খেতিয়ক হিচাপে দীপক ৰঞ্জন বৰুৱাৰ কথা সমাজত নতুনকৈ কিবা কোৱাৰ প্রয়োজন নাই। সেইসময়ৰ প্রৱল প্রতাপী মৌজাদাৰৰ কৃষি স্নাতকোত্তৰ ডিগ্রীধাৰী পুত্র দীপক ৰঞ্জন বৰুৱাই ঘৰখনৰ প্রৱল বাধা নেওচি দেউতাকৰ পৰা উত্তৰাধিকাৰী সূত্রে পোৱা মাটিখিনিকে মূলধন হিচাপে লৈ আৰম্ভ কৰা চাহ বাগিচাখন সেই সময়ত জনবসতিশূন্য আওহতীয়া এলেকা হোৱাৰ বাবেই দেউতাকৰ অনুমতি সাপেক্ষে বাগিচাৰ এলেকাৰ ভিতৰতে নিজৰ বাবে অফিচৰ লগতে আটোমটোকাৰিকৈ সৰুকৈ এটা চাংবঙলা সজাই লৈছিল আৰু কালক্রমত লাহে লাহে ঠাইখন বসতিপূর্ণ হৈ উঠাৰ লগতে বাগিচাখনেও ঠন ধৰি বৰুৱা টি ইষ্টেট হৈ উঠাৰ পিছত দেউতাকৰ অবর্তমানত সেইটোৱে তেওঁৰ স্থায়ী ঠিকনা হৈ পৰিছিল। পৰৱর্তীকালত পৰিয়ালৰ সুবিধার্থে চহৰত ঘৰ-মাটি সজাই পৰিয়ালৰ সৈতে চহৰতে বাস কৰিবলৈ লৈছিল যদিও প্রতি বছৰে বাগিচাৰ ফেক্টৰীত অনুষ্ঠিত কৰি অহা বিশ্বকর্মা পূজাভাগৰ কাৰণে বাগিচাৰ বাংলোলৈ যোৱা বৰুৱাৰ পৰিয়ালে বাগিচাতে দুর্গা পূজা শেষ কৰিহে পুনৰ চহৰ অভিমুখে ৰাওনা হৈছিল।

অতীজৰে পৰাই দুর্গাপূজা বুলিলেই দীপক ৰঞ্জন বৰুৱাৰ বাগিচাত বিশ্বকর্মা পূজাৰ পিছৰ পৰাই তত্ নোহোৱা হয়। বাগিচাৰ মজদুৰ-বনুৱাখিনি দুর্গাপূজাৰ আনন্দত মতলীয়া হৈ পৰে আৰু তাৰ লগতে তাল মিলাই বাবু, মহৰী সকলোবোৰৰ সৈতে বৰুৱাৰ বাগিচাৰ বাংলোতো পূজাৰ খদমদম আৰম্ভ হৈ যায়। কামৰ তাগিদাত বিভিন্ন ঠাইৰ পৰা আহি এই আওহতীয়া হাবিতলীয়া বাগিচাখনত একগোট হৈ বসতি কৰি থকা বনুৱা-কর্মচাৰীখিনিৰ আনন্দৰ অর্থে বৰুৱাই অনুষ্টুপীয়াকৈ দুর্গা পূজা এভাগ আয়োজন কৰাৰ বাবে সেই অঞ্চলৰ স্থানীয় ৰাইজৰ লগত আগ-ভাগ লৈ বাগিচাৰ মুকলি ফিল্ডখনতে সৰুকৈ আৰম্ভণি কৰা দুর্গা পূজাভাগে কালক্রমত সেই অঞ্চলটোৰ সার্বজনীন পূজাৰূপে গজগজীয়া হৈ পৰিছিল।

লগতে তাৰে সমান্তৰালভাৱে নতুনকৈ সাংসাৰিক হোৱা বৰুৱাৰ বঙলাতো পূজাৰ আয়োজন আড়ম্বৰপূর্বক হৈ উঠিছিল। পূজাৰ আটাইকেইদিন পিন্ধিব লগা কানি-কাপোৰৰ বজাৰৰ লগতে ঘৰখনৰ পর্দা, বেডকভাৰ আদিৰ পৰা আৰম্ভ কৰি ঘৰ চাফা কৰা, ঘৰ সজোৱা, ভাগে ভাগে বনুৱা-কর্মচাৰীৰ আটাইকে দিবলৈ বুলি বোনাচ আৰু উপহাৰৰ টোপোলাৰ বজাৰ আদিৰ আয়োজনে ঘৰখনত নতুনকৈ মূৰ দাঙি উঠিছিল। মুঠতে পূজা বুলিলেই সিহঁতৰ বাগিচাৰ ঘৰখনত চাৰিওফালে কাম আৰু কাম আৰু শেষত পূজাৰ কেইদিন আলহী-অতিথিৰ লগতে পূজাভাগৰ পুৰোহিতক আপ্যায়ন কৰিবলৈ ঘৰখনত বিভিন্ন তৰহৰ নিজ হাতেৰে তৈয়াৰ কৰা থলুৱা লাড়ু পিঠাৰ খাদ্যসম্ভাৰ। অৱশ্যে এই আয়োজনত বাগিচাৰ পৰিয়ালবোৰৰ পৰা যিয়ে যেনেকৈ পাৰে সকলোৱে হাতে-পাতে লাগি একেলগে কৰি সহায়ৰ হাত আগবঢ়াইছিল। আচলতে বৰুৱাৰ হাঁহিমুখীয়া সৰবৰাহী পত্নী মূর্চনা বাগিচাত সকলোৰে বৰ আদৰৰ। চহৰৰ পৰা নতুনকৈ যোৱা বৰুৱাৰ পত্নী মূর্চনায়ে বাগিচাৰ এই পৰম্পৰাক অন্তঃকৰণৰে আঁকোৱালি লৈছিল। পূজাভাগ প্রতিষ্ঠা হোৱা প্রথম বছৰতে নৱমী পূজাৰ দিনা দীপক ৰঞ্জন বৰুৱাই দেৱীৰ চৰণত হাঁহ আৰু কোমোৰা উছর্গা কৰা প্রথাৰ আৰম্ভণি কৰিছিল। পৰিয়ালৰ অঙহী-বঙহীৰ উপৰি বৰুৱাৰ বন্ধুবর্গ, আত্মীয়-স্বজন সকলোৱে সেই দিনটোত সিহঁতৰ বাগিচাৰ ঘৰখনত একেলগে হাঁহৰ মাংসৰে ভাত খোৱাটো এক অলিখিত নিয়ম হৈ পৰিছিল। প্রতিবছৰে ৰান্ধি ৰান্ধি পাকৈত হৈ পৰা মূর্চনাৰ হাতৰ সেই সুস্বাদু তেলাল হাঁহৰ মাংসকণৰ জুতিয়ে প্রতিবছৰেই নৱমী দিনাৰ ভাতসাঁজ পৰিয়ালটোৰ আটায়ে একেলগে বৰুৱাৰ বাগিচাৰ ঘৰখনতে খাবলৈ বাধ্য কৰিছিল। পূজাৰ কেইদিন সদায় গোসাঁনী সেৱা কৰিবলৈ যাওঁতে পূজাৰ মণ্ডপৰ চৌদিশে ৰং-বিৰঙৰ বেলুন, মিঠাপাণ, চকলেট-মর্টন, খেলনা বস্তুৰ দোকানবোৰত ভিৰ কৰি থকা বাগিচাৰ কণ কণ ল'ৰা-ছোৱালীবোৰক মূর্চনায়ে বেলুন, জেলেপী কিনি দি এক সুকীয়া মাদকতা লাভ কৰিছিল।

বছৰ বছৰ ধৰি বৰুৱাৰ বাগিচাত উলহ-মলহেৰে চলি অহা দুর্গাপূজাৰ এই উদ্যম দীপক ৰঞ্জন বৰুৱাৰ পৰিবাৰৰ হঠাতেই গা-

বেয়া হৈ তেজ বমি কৰা লগে লগেই স্তিমিত হৈ গৈছিল। ঠিক সেই সময়তে দীপক ৰঞ্জন বৰুৱা আৰু মূর্চনা বৰুৱাৰ একমাত্র পুত্র অলকেশ বৰুৱাই এক বিশেষ জলপানি লাভ কৰি তিনি বছৰৰ বাবে উচ্চ শিক্ষা আহৰণ কৰাৰ অর্থে বিদেশলৈ ৰাওনা হোৱাৰ দ্বিতীয় বছৰতে মাকৰ গা বেয়া হোৱাত পুতেকৰ শিক্ষা আহৰণত কেণা নালাগক বুলিয়ে মূর্চনায়ে প্রথম অৱস্থাত পুত্রক খবৰ দিবলৈ বৰুৱাক হাক দিছিল আৰু প্রথমবাৰৰ বাবে সেই বছৰ বৰুৱাৰ বাগিচাৰ ঘৰখনত দুর্গাপূজাৰ বা বলা নাছিল। বাগিচাৰ পূজাভাগৰ মর্যাদা বাহাল ৰাখি বাগিচাত আটাইৰে বাবে আগৰ দৰে দুর্গা পূজাৰ আয়োজন হৈছিল কিন্তু সেইবাৰ নৱমী পূজাৰ হাঁহৰ মাংসখিনি মূর্চনাৰ তদাৰকত বাগিচাৰ মেনেজাৰৰ জীয়াৰী মণিকাইহে সকলোকে ৰান্ধি-বাঢ়ি খুৱাইছিল।

বৰুৱা টি ইষ্টেটৰ লগত জন্মলগ্নৰে পৰা জড়িত হৈ থকা বৰুৱাৰ বিশ্বাসী শুভাকাংক্ষী দয়ানন্দ চলিহাৰ অহোপুৰুষার্থতে আচলতে বৰুৱা টি ইষ্টেটৰ ভেটি গজগজীয়াকৈ গঢ় লৈ উঠিছিল। সেয়ে বৰুৱাৰ বাবে চলিহাই বাগিচাৰ মেনেজাৰৰ পদবীতকৈ তেওঁৰ জীৱনত বন্ধুত্বৰ অভাৱহে পূৰণ কৰি আহিছিল। চলিহাৰ জীয়াৰী মণিকা আৰু বৰুৱাৰ পুত্র অলকেশ বাগিচাত থকা সময়খিনিত দুয়ো দুয়োৰে খেলাৰ লগৰী। মণিকা বয়সত অলকেশতকৈ পাঁচ বছৰমান সৰু। ছোৱালী নোহোৱা বৰুৱাৰ ঘৰখনত তাই মূর্চনাৰ ছাঁ। সৰুৰে পৰাই ছোৱালীজনী বৰ বুজন। চকুমুদি মূর্চনাক অনুসৰণ কৰা মণিকাৰ বৰুৱাৰ ঘৰখনত চৌদিশতে অবাধ অধিকাৰ। পঢ়া-শুনাৰ খাতিৰত বৰুৱা পৰিয়ালৰ গৃহ চহৰতে নতুনকৈ হোষ্টেলত থাকিবলৈ লোৱা মণিকাই মূর্চনাৰ তাগিদাত প্রায়ে আজৰি সময়ত বৰুৱাৰ বাসগৃহত গৈ মূর্চনাৰ লগত সময় পাৰ কৰি আহে। ইতিমধ্যেই মূর্চনাৰ বেছিকৈ বেয়া হৈ অহা শাৰীৰিক অৱস্থাটোৰ সৈতে মোকাবিলা কৰিবলৈ দীপক ৰঞ্জন বৰুৱাই অকণো কার্পণ্য নকৰাকৈ মূর্চনাৰ চিকিৎসা আৰম্ভ কৰি দিছিল। কিন্তু দিনে দিনে বেয়ালৈ ঢাল খোৱা মূর্চনাৰ অৱস্থা দেখি ডাক্তৰৰ পৰামর্শ মতে বৰুৱাই মূর্চনাৰ সকলো বাধা নেওচি বিদেশত থকা পুতেকলৈ খবৰ পঠিয়াই জৰুৰীকালীনভাৱে ঘৰলৈ মাতি পঠিয়াবলৈ বাধ্য হৈছিল আৰু ঘৰলৈ আহিয়েই মাকৰ স্বাস্থ্যৰ এনে অভাৱনীয় পৰিস্থিতি দেখি অলকেশ শোকত ভাঙি পৰিছিল। সেই সময়ত নিজৰ পঢ়া-শুনালৈ সম্পূর্ণভাৱে পিঠি দি দিন-ৰাতি একাকাৰ কৰি মূর্চনাৰ শুশ্রূষাত ব্যস্ত মণিকাই অলকেশৰ কান্ধতো সাহসৰ হাত থৈছিল। দিনে দিনে বেয়ালৈ ঢাল খোৱা স্বাস্থ্যৰ প্রতি লক্ষ্য ৰাখি মাক মূর্চনায়ে পুত্রক আকৌ বিদেশলৈ উভতি নগৈ মণিকাক বিয়া পাতি ঘৰখন গতি লগোৱাৰ প্রস্তাৱ দিয়ে। মাকৰ শাৰীৰিক অসুস্থতাৰ পৰিপ্রেক্ষিতত অলকেশে মাকক দেউতাকৰ লগত অকলে এৰি যাব নোৱৰা সময়তে মাকৰ প্রস্তাৱটোৱে অলকেশক নতুন আশাৰ বাট দেখুৱাইছিল। সেই সময়ত মাকে বিচৰা ধৰণে সি মণিকাক আঙঠি পিন্ধাই আনুষ্ঠানিকতা কৰি থৈ পুনৰ সোনকালেই পঢ়া সম্পূর্ণ কৰি আহিহে সম্পর্কটো স্থায়ী কৰাৰ সিদ্ধান্ত লয় আৰু তেতিয়ালৈকে এই সময়খিনিত মাকৰ দায়িত্ব ল'বলৈ কৰা অনুৰোধ অগ্রাহ্য কৰিব নোৱাৰি অলকেশৰ বুজনিত মণিকাই কিংকর্তব্যবিমোৰ হৈ এই প্রস্তাৱত মান্তি হ'বলৈ বাধ্য হৈছিল। অতি কম সময়ৰ ভিতৰতে মূর্চনাই বিচৰাৰ দৰেই একেবাৰেই সাধাৰণকে মাত্র পৰিয়ালৰ মানুহখিনিৰ উপস্থিতিত অনুষ্ঠুপীয়াকৈ আঙঠি পিন্ধোৱাৰ নিয়মটো কৰি খুব সোনকালেই একেবাৰে ঘৰলৈ উভতি অহাৰ কথা দি অলকেশ অহা বাটেৰে পুনৰাই উভতি ঘূৰি গ'ল।

মূর্চনাৰ মনৰ আশা পূর্ণ কৰি থৈ যোৱা অলকেশে উভতি আহি মণিকাক বিয়া পতালৈকে অপেক্ষা কৰিবলৈ মূর্চনাৰ আৰু সময় নহ'ল। অলকেশ যোৱাৰ পিছতে ঘৰৰ চাবি-কাঠি মণিকাৰ হাতত চমজাই হ'বলগীয়া শহুৰ দেউতাকক কেতিয়াও অকলশৰীয়াকৈ এৰি নিদিবলৈ বাৰম্বাৰ সকীয়াই থকা মূর্চনা এদিন হঠাতেই কোনেও নেদেখা বাটেৰে সকলোকে কন্দুৱাই কেতিয়াও উভতি নহা বাটেৰে একেবাৰেই গুচি গ'ল। বৰুৱায়ো জীৱনৰ আটাইতকৈ কঠিন সময়খিনি বৰ কষ্টৰে পাৰ কৰি সময়ৰ সুঁতিত আকৌ গতানুগতিকতাৰে আগবাঢ়িবলৈ আৰম্ভ কৰিলে। কিন্তু অলকেশৰ ব্যস্ততাহে কমক ছাৰি দিনকদিনে বাঢ়িয়ে থাকিল। পঢ়া-শুনা সম্পূর্ণ কৰিয়ে উভতি অহা ল'ৰাটো পিছে মাকৰ অন্তিম অনুষ্ঠানৰ সময়তো আহিব নোৱাৰিলে। বিভাগীয় কর্তৃপক্ষই ইমান কম সময়ৰ ভিতৰত দুবাৰকৈ আহিবলৈ অনুমতি নিদিয়ে। মণিকাই অনুভৱ কৰিবলৈ ধৰিলে— তাই যেন অলকেশক বিশ্বাস কৰি পুনৰ বিদেশলৈ পঠিয়াই বৰ ডাঙৰ ভুল কৰিলে। মণিকাৰ সৰলতাৰ সুযোগ লৈ আচলতে অলকেশে বৰ ডাঙৰ খেল এখন খেলি গ'ল। তাইৰ চৌপাশে যেন অলকেশে এক অদৃশ্য চক্রবেহু ৰচনা কৰি থৈ গ'ল। মাকৰ মৃত্যুৰ সময়ত ঘনাই অহা ফোনবোৰ সময়ৰ লগত মিলাই লাহে লাহে কমি আহিল। মণিকাই কৰা ফোনবোৰতো ব্যস্ততাৰে ভৰা দুই-এটা কথাৰে সামৰণি মৰা অলকেশৰ কথাত লাগি তাই কি পাকচক্রত পৰি হাবু-ডুবু খাব লগা পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে সেয়া ভুক্তভোগী হিচাপে একমাত্র তাইহে অনুভৱ কৰিব পাৰিছে। সমাজত কেনিও ক'তো ওলাব-সোমাব নোৱাৰে। ঘৰে-বাহিৰে সকলোতে মাত্র এটাই প্রশ্ন— অলকেশ কেতিয়া আহিব আৰু সিহঁতৰ বিয়া কেতিয়া হ'ব...।

পত্নীৰ বিয়োগৰ পিছত মানসিক ভাৰসাম্য হেৰুৱাৰ উপক্রম হোৱা দীপক ৰঞ্জন বৰুৱা মণিকাৰ শুশ্রূষাত লাহে লাহে প্রকৃতিস্থ হৈ পুত্রৰ বিশ্বাসঘাতকতাৰ অনুশোচনাত বন্ধু দয়ানন্দ চলিহাৰ সৈতে আলোচনা কৰি আইনগতভাৱে মণিকাক নিজ পুত্রী আখ্যা দি বৰুৱা টি ইষ্টেটৰ উত্তৰাধিকাৰী মণিকা চলিহাক কৰি ল'লে। লগতে মূর্চনাৰ মৰমৰ উচিত মর্যাদা দি মণিকাক ঘৰৰ স্থায়ী

সদস্যৰূপে আঁকোৱালি ল'লে আৰু বৰুৱাৰ তাগিদাতেই কালক্ৰমত মণিকাই নিজৰ আধাখনীয়া পঢ়া-শুনা সম্পূৰ্ণ কৰি বাগিচাৰ দাঁতিকাষৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰীৰূপে নিজকে নিয়োজিত কৰিবলৈ সক্ষম হ'ল। দুৰ্গা পূজাৰ দিনকেইটাত মণিকাই সৰুৰেপৰা দেখি অহাৰ দৰে আকৌ বৰুৱাৰ বাগিচাৰ বাংলোত উলহ-মালহেৰে দুৰ্গাপূজা উদ্‌যাপন কৰিবলৈ ধৰিলে। বৰুৱাই জীৱনৰ শেষ সময়ছোৱাত মণিকাক কন্যাদান কৰি থৈ যোৱাৰ সুযোগ বিচাৰি অনুৰোধ কৰিছিল। পিছে নাই, নাই এতিয়া মণিকা পৰিস্থিতিয়ে জুৰুলা কৰা এগৰাকী কম বয়সীয়া আজলী ছোৱালী নহয়। কম বয়সতে জীৱনে তাইক বহুত শিকালে। এতিয়া মণিকা জীৱনৰ অভিজ্ঞতাৰে পৰিপুষ্ট এগৰাকী পৰিপক্ক মহিলা। নিজৰ জীৱনটো লৈ তাইৰ কোনো খেদ নাই। খেদ মাত্ৰ মাকৰ কথা ৰাখিবলৈকে সিহঁতৰ আঙঠি পিন্ধোৱাৰ অনুষ্ঠানটো যে নাটকহে আছিল তাকে মাকৰ মৃত্যুৰ পিছত কোৱাতকৈ যদি অলকেশে তাইকো অভিনয় কৰিবলৈ এবাৰ পোনপটীয়াকৈ আগতেই কৈ দিলেহেঁতেন। মাত্ৰ পঢ়া সম্পূৰ্ণ কৰি আহিবলৈ দুবছৰৰ সময় বিচাৰি সি উভতি নহালৈকে মাক-দেউতাক দুয়োৰে সম্পূৰ্ণ দায়িত্ব ভাৰ তাইক দি থৈ তালৈ অপেক্ষা কৰি ভাগৰি পৰা সময়ত এদিন হঠাতেই অলকেশে মণিকালৈ ফোন কৰি সি নিজৰ পছন্দ মতে তাতে পোৱা চাকৰিটো লৈ তাতেই বিয়া পাতি নিগাজি হোৱাৰ সিদ্ধান্ত লোৱাৰ লগতে তাইকো নিজৰ পছন্দ মতে জীৱন সংগী বিচাৰি লৈ জীৱনটো সুখত পাৰ কৰা উচিত বুলি বুজনি দিছিল। অলকেশৰ মতে সিহঁতৰ সম্বন্ধটো সেই সময়ত পৰিস্থিতি সাপেক্ষে মাকৰ সুখৰ বাবে নাটকীয়ভাৱে লোৱা এটা সৰু ঘটনা। অলকেশৰ মতে মানুহৰ জীৱনত এনে ধৰণৰ বহুত সৰু-সুৰা ঘটনা ঘটে। তাকে খামুচি ৰৈ গ'লে জানো হ'ব। অলকেশৰ কথাবোৰে মণিকাক জীৱনত আকৌ এবাৰ কোনো বিশেষ এজন মানুহক বিশ্বাসত ল'ব নোৱৰা কৰি পেলালে। অলকেশৰ লগত পাৰ কৰি অহা সম্বন্ধটোৰ পিছতে মণিকাই আৰু জীৱনৰ এই দিশটোৰ প্ৰতি আকৰ্ষণ একেবাৰেই হেৰুৱাই পেলাইছিল। পুতেকৰ কৰ্মকাণ্ডত লজ্জিত হৈ জীয়াই থকা অৱস্থাত পুত্ৰৰ মুখ নাচাওঁ বুলি সিদ্ধান্ত লোৱা বৰুৱাৰ শেষ সময়ত মণিকাৰ এটা ফোনকলত পুনৰ জৰুৰীকালীনভাৱে ঘৰলৈ বুলি বহু বছৰৰ পিছত আহি হোটেলত থাকি অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ কৰা অলকেশে বিদেশী পত্নীৰ আগত মণিকাক সহজভাৱে ভনীয়েক বুলি চিনাকি কৰাই দিছিল।

মণিকাই বৰুৱা টি ইষ্টেটৰ মালিকীস্বত্বৰ সকলো কাগজ-পত্ৰ অলকেশৰ আপত্তি আওকাণ কৰি আকৌ তাৰ নামলৈ হস্তান্তৰ কৰি তাক অৰ্পণ কৰি স্বত্বিৰ নিশ্বাস এৰিছিল। এসময়ত অলকেশে তাইৰ কান্ধত দি থৈ যোৱা গধুৰ দায়িত্ব তাই নিষ্ঠা সহকাৰে সম্পূৰ্ণ কৰি বৰুৱা টি ইষ্টেটৰ সকলোধৰণৰ দায়িত্বৰ পৰা স্থায়ীভাৱে অব্যাহতি মাগিছিল। বৰ্তমান অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মণিকা চলিহাই আজিও দুৰ্গাপূজাভাগ উলহ-মালহেৰে উদ্‌যাপন কৰি আহিছে। দীপক ৰঞ্জন বৰুৱাৰ পিছত এতিয়া মণিকাই নৱমী পূজাত দেৱীৰ চৰণত হাঁহ আৰু কোমোৰা উছৰ্গা কৰি আহিছে আৰু এতিয়াও নৱমীৰ দিনাৰ দুপৰীয়া মণিকাই ৰন্ধা হাঁহৰ মাংসৰ জুতি ল'বলৈ বৰুৱাৰ পৰিয়ালৰ ভাগিন-ভতিজা সকলোবোৰে আহি মণিকাই দেউতাকৰ ঘৰৰ লগতেই নিজৰ বাবে সাজি লোৱা ঘৰখনত ভিৰ কৰেহি। আগতে মূৰ্চনাৰ দৰে মণিকাও এতিয়া সকলোৰে বৰ আদৰৰ। আজিও সকলোবোৰ আকৌ আগৰ দৰে নিয়মমাফিক চলি আছে।

মাত্ৰ অলকেশেহে মাকৰ কথা নাৰাখি মণিকাৰ লগত ছলনা কৰাৰ দৰে দেউতাকৰ মৰমৰ বৰুৱা টি ইষ্টেটখনো লগত ৰাখিব নোৱাৰিলে। দীপক ৰঞ্জন বৰুৱাৰ মৰমৰ বৰুৱা টি ইষ্টেটখনো কোনোবা বণিয়া গোষ্ঠীৰ হাতত বিক্ৰী কৰি দিছিল। আৰু আজি সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰি থকা বৰুৱাৰ বাগিচাৰ ফিল্ডত প্ৰতিষ্ঠা পোৱা পূজাভাগৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈও অলকেশ বৰুৱা সক্ষম নহ'ল। কালি মণিকাৰ ম'বাইলত অহা ইণ্টাৰনেচনেল ফোনকলটো দেখিয়ে কিবা এটা অনুমান কৰিব পাৰিছিল তাই। এৰা... অলকেশৰ পত্নীৰ ফোন অলকেশৰ প্ৰেচাৰ ষ্ট্ৰোক হৈ হাস্পিতালৰ জৰুৰী বিভাগত ভৰ্তি হৈ আছে। অৱস্থা খুবেই সংকটজনক। বাগিচাৰ পূজাখনৰ পৰা নিমন্ত্ৰণ পোৱাৰ পিছতেই মানুহটো কিবা চিন্তাত মন মাৰি থকা হৈছিল বোলে। কি হৈছে সুধিলেও একো নকয়। মাত্ৰ তাৰ কেতিয়াবা কিবা হ'লে মণিকাক এবাৰ জনাবলৈ কৈ থোৱাৰ বাবে তাইক খবৰ দিছে। ফোনটো কাটিয়ে মণিকাই নম্বৰটো ব্লক কৰি দিলে। হ'ব ইমানেই যথেষ্ট তাইৰ বাবে আৰু নালাগে তাইক অলকেশৰ খবৰ। তাই যে আজিও ইয়াতকৈ বেছি অলকেশৰ আৰু কিবা হোৱাটো সহ্য কৰিব নোৱাৰিব...।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা, নাৰিকলবাৰী, গীতানগৰ, গুৱাহাটী

এক নতুন দিগন্তলৈ

বিভা ডেকা তালুকদাৰ

ফুটপাথত বহি থকা মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা মানুহজনক দেখি অহাৰ পৰাই বাসৰীয়ে ঘৰলৈ আহি শান্তিত থাকিব পৰা নাই। অথচ ঘৰত আজি আনন্দমুখৰ পৰিৱেশ। কাৰণ বাসৰী এতিয়া আইতাক হ'ল। বাসৰীয়ে সেই আনন্দত অংশগ্রহণ কৰিবলৈ নগৈ নিজৰ কোঠাৰ দুৱাৰ বন্ধ কৰি হুকহুকাই কান্দি আছে। বাসৰীৰ মন পঁচিশ বছৰ আগলৈ উৰা মাৰিলে—

"প্রেমসূত্রে বাসৰ আৰু বাসৰীৰ মন্দিৰত বিয়া হৈছিল। হৰ-পার্বতীক সাক্ষী কৰি অনাথ বাসৰীক পত্নীৰ মর্য্যাদা দিছিল। মাক-দেউতাক নোহোৱা অনাথ বাসৰীয়ে বাসৰৰ মাক-দেউতাকক নিজৰ মাক-দেউতাক বুলিয়ে শ্রদ্ধা, ভক্তি আৰু মৰম কৰিছিল। শহুৰ-শাহুৰেকেও তাইক নিজৰ ছোৱালীৰ দৰে মৰম কৰিছিল। বাসৰীৰ গুণ-গৰিমাত বাসৰৰ মাক-দেউতাক পঞ্চমুখ হৈ পৰিল। সৰল, শান্ত স্বভাৱৰ ছোৱালী বাবে পৰিয়ালৰ লগতে ওচৰ-চুবুৰীয়ায়ো বাসৰীক খুব মৰম আৰু আদৰ-সাদৰ কৰিছিল।

এনেদৰেই বাসৰ আৰু বাসৰীৰ সংসাৰখন সুন্দৰকৈ চলি থাকিল। সিহঁতৰ বিয়াৰ এবছৰৰ পিছত সিহঁতৰ প্রেমৰ সাক্ষী হিচাপে বাসৰী অন্তঃস্বত্বা হ'ল। সিহঁতৰ ঘৰত আনন্দৰ জোৱাৰ উঠিল। বাসৰীক শাহুৰেকে একোকে কৰিবলৈ নিদিয়ে। সকলো কাম শাহুৰেকে কৰে।

দিন বাগৰি গৈ আছে। অৱশেষত সকলোৰে অপেক্ষাৰ দিনটো আহি পালে। বাসৰীক মেডিকেলত ভর্তি কৰালে। কিছুসময় পিছত নার্ছ এগৰাকী ওলাই আহি খবৰ দিলে যে বাসৰীৰ এজন পুত্র সন্তান উপজিছে। কথাটো শুনাৰ লগে লগেই বাসৰৰ লগতে মাক-দেউতাকৰো আনন্দৰ সীমা নাই।

তিনিদিন মেডিকেলত থকাৰ পিছত বাসৰীক ঘৰলৈ লৈ গ'ল। ককাক-আইতাক এতিয়া নাতিক লৈয়ে ব্যস্ত। এনেকৈ সকলোৰে মৰমত অভিনৱ (ঘৰত 'অভি' বুলি মাতে) পাঁচ বছৰত ভৰি দিলেহি। 'অভি' ডাঙৰ হৈ অহা বাবে বাসৰ আৰু বাসৰীয়ে দ্বিতীয় সন্তানৰ পৰিকল্পনা কৰিলে আৰু কিছুদিন যোৱাৰ পিছত বাসৰী দ্বিতীয়বাৰ মাক হ'বলৈ ওলাইছে। এইবাৰ বাসৰীৰ শাহুৰেকৰ দায়িত্ব বেছি হ'ল। কাৰণ বাসৰীৰ যতন লোৱাৰ উপৰি 'অভি'ৰো যতন ল'ব লগা হৈছে। অভিয়ে এতিয়া মাক-দেউতাকৰ সলনি ককাক-আইতাকৰ লগত শোৱে।

মাহ বাগৰাৰ লগে লগেই বাসৰীক মেডিকেলত ভর্তি কৰালে। বাসৰীক অপা�ৰেচন কক্ষলৈ লৈ যোৱা হ'ল আৰু পৰিয়ালৰ সকলোৱে অপাৰেচন কক্ষৰ বাহিৰত ৰৈ থাকিল। প্রায় ডেৰঘণ্টা অপেক্ষা কৰাৰ পিছত নার্ছ এগৰাকীয়ে ক'লে যে ঘৰলৈ লখিমী আহিছে। সকলোৰে মন আনন্দেৰে ভৰি পৰিল। অভিৰো মনত কিমান যে আনন্দ। ভনীয়েকৰ নাম ৰাখিলে নিমি।

বাসৰী এতিয়া নিজৰ সন্তান দুটি, শাহু-শহুৰৰ আলপৈচান ধৰাতেই ব্যস্ত। বাসৰীৰ ওপৰত ঘৰখনৰ সমস্ত দায়িত্ব আহি পৰিল। অভি আৰু নিমিৰ পঢ়া-শুনাৰ দায়িত্ব, বজাৰ-সমাৰ কৰাৰ দায়িত্ব বাসৰীৰ ওপৰতেই পৰিল।

বাসৰৰ আকৌ ঘৰৰ, ল'ৰা-ছোৱালীৰ প্রতি একো দায়িত্ব নোলোৱা হ'ল। বাসৰীয়ে মাজে মাজে বাসৰক কয়— "তুমি এতিয়া মোক অলপো গুৰুত্ব নিদিয়া, ঘৰৰ একো কামতে সহায় কৰি নিদিয়া। মা-দেউতা আৰু অভি, নিমিকো মাতবোল নকৰা হৈছা কিয়?

বাসৰে উত্তৰত কৈছিল— "অফিচত কামৰ বোজা বাঢ়িছে বাবে সময় দিব নোৱাৰা হৈছো।" বাসৰীয়েও তাকে সঁচা বুলি ভাবি সকলো দায়িত্ব নিয়াৰিকৈ পালন কৰি গ'ল।

এদিন ৰাতিপুৱা অহা ফোন এটিয়ে বাসৰীৰ সংসাৰ ভাঙি চূৰমাৰ কৰি পেলালে। বাসৰীয়ে তেতিয়াহে বুজি পালে যে বাসৰে ঘৰৰ প্রতি কিয় মনোযোগ দিয়া নাছিল। বাসৰী বাকৰুদ্ধ হৈ পৰিল। ইমানদিনে যিটো মানুহক দেহে-মনে ভাল পাইছিল, বিশ্বাস কৰিছিল তেৱেঁই বিশ্বাস ভাঙি পেলালে।

বাসৰীয়ে অনুসন্ধান কৰি গম পালে যে বাসৰৰ অফিচৰে এজনী কর্মচাৰীৰ লগত তাৰ অবৈধ সম্পর্ক। তাই মুছলিম সম্প্রদায়ৰ, নাজমা বেগম।

বাসৰীয়ে সকলো গম পোৱাৰ পিছত শহুৰ-শাহুক সকলোবোৰ কথা ক'লে। মাক-দেউতাকে বাসৰৰ স্বভাৱ দেখিয়েই বুজি পাইছিল। বাসৰীয়ে সকলো জনাৰ পিছত বাসৰৰ অত্যাচাৰ বাঢ়ি গ'ল। দিনে-নিশাই মদ খাই আহি বাসৰীৰ ওপৰত অত্যাচাৰ কৰে। অৱশেষত উপায় নাপাই অভি আৰু নিমিক লগত লৈ ঘৰ এৰি যাবলৈ ওলাল। বাসৰীৰ লগত বাসৰৰ মাক-দেউতাকো যাবলৈ ওলাল। বাসৰীয়ে প্রথমতে নিবলৈ মন কৰা নাছিল। কাৰণ বাসৰীৰ থকা-লোৱা, খোৱাৰ একোৰে ব্যৱস্থা নাছিল। শহুৰ-শাহু নাচোৰবান্দা। বাসৰীৰ লগতেই যাব। অৱশেষত বাসৰীয়ে তেওঁলোকক লগত লৈ গ'ল। বাসৰীয়ে দুটি সন্তান আৰু শাহু-শহুৰক লগত লৈ গ'ল। লক্ষ্যস্থান ক'ত, ক'লৈ গৈ আছে— তাই নাজানে। এনেদৰে গৈ গৈ এখন আশ্রম পালে। আশ্রমত দুদিনমান থকাৰ পিছত খবৰ পালে এখন ব্যক্তিগত বিদ্যালয়ত এজনী সহায়িকাৰ আৱশ্যক। কিছুদিন বিদ্যালয়খনত কাম কৰাৰ পিছত বাসৰীৰ ব্যৱহাৰ-পাতি দেখি প্রধান শিক্ষয়িত্রীগৰাকীয়ে সুধিলে— "তুমি কিমানলৈ পঢ়িছা?" তেতিয়া বাসৰীয়ে এম. এ. পাছ কৰা বুলি কোৱাত তাইক

সেই পদৰ পৰা অব্যাহতি দি শিক্ষয়িত্রী পদত নিযুক্তি দিলে। শিক্ষয়িত্রী হোৱাৰ পিছত বাসৰীয়ে ভাড়া ঘৰ এটি ল'লে। অভি আৰু নিমিকো তাই কাম কৰা স্কুলখনতে নাম লগাই দিলে। কাৰণ অভি আৰু নিমিৰ পঢ়াৰ খৰচ-পাতি বিদ্যালয়ৰ পৰা বিনামূলীয়াকৈ দিলে। বাসৰীয়ে তাৰ ফলত বহুখিনি সকাহ পালে। বাসৰীয়ে স্কুল ছুটীৰ পাছত টিউচন দুটামানো কৰিলে। টিউচন কৰাৰ উপৰি বাসৰীয়ে নিজে ঘৰতে তৈয়াৰ কৰা আচাৰ আদি দোকানত বিক্রী কৰিও টকা উপার্জনৰ পথ মোকলাই লৈছিল।

আনফালে প্রেমত হাবু-ডুবু খাই পৰা বাসৰে নাজমাৰ উপৰি আন এজনী ছোৱালীৰ প্রেমত পৰিছিল। দুয়োৰে লগত টকা পানীৰ দৰে উৰুৱাই, সকলো সম্পত্তি ধ্বংস কৰি সিহঁত দুজনী বেলেগৰ লগত বিয়া হৈ গৈছিল।

বাসৰক এৰি অহাৰ পিছত বাসৰীয়ে এদিনো বাসৰক লগ পোৱা নাছিল। কিন্তু এদিন হঠাৎ দূৰৰ পৰা দেখা পালে— শুকাই-খীনাই যোৱা মলিন দেহ। বাসৰক দেখি বাসৰীৰ চকুলো বৈ আহিল। সেয়াই শেষ দেখা। তাৰ পাছত আৰু কোনোদিন দেখা নাই বাসৰক।

এনেকৈ বহু বছৰ পাৰ হৈ গ'ল। বাসৰীৰ শহুৰ-শাহুও ঢুকাল। বাসৰীয়ে শহুৰ-শাহুৰ মুখাগ্নি পুত্র অভিৰ দ্বাৰাই কৰালে। অভি এতিয়া চফল ডেকা। অভিনৰ বৰুৱা (অভি) এজন প্রফেচাৰ আৰু নিমিশা বৰুৱা (নিমি) এগৰাকী সুদক্ষ অভিযন্তা। বাসৰীহঁতে এতিয়া ভাড়া ঘৰত নাথাকে। অভি আৰু নিমিয়ে লগ লাগি গুৱাহাটীতে মাটি কিনি ঘৰ সাজিছে। অভি আৰু নিমিয়ে এতিয়া মাকক একো কষ্ট কৰিবলৈ নিদিয়ে। ঘৰৰ কাম-বন কৰাৰ বাবেও মানুহ ৰাখি দিছে। মাকে সিহঁতৰ বাবে কিমান কষ্ট কৰিছে, কিমান নিশা উজাগৰে কটাইছে, সিহঁতক নেদেখাকৈ চকুপানী টুকিছে সেয়া সিহঁতে জানে। সেয়ে এতিয়া মাকক যিমান পাৰি সিমান সুখত ৰাখিবলৈ চেষ্টা কৰিছে।

বাসৰীয়ে অভিৰ বাবে ছোৱালী আৰু নিমিৰ বাবে ল'ৰা চোৱাত ব্যস্ত। অভি আৰু নিমিৰ বিয়া হৈ গ'ল। বোৱাৰী পংখী বৰ মৰম লগা ছোৱালী। পংখীয়েও অতি কম দিনৰ ভিতৰতে ঘৰখনৰ সকলো দায়িত্ব মূৰ পাতি ল'লে। নিমিৰ স্বামী ধ্রুৱ প্রতীম বৰুৱাও অভিযন্তা। নিমি আৰু ধ্রুৱ দুলীয়াজানতে থাকে। নিমিৰ বিয়াৰ পিছত ঘৰখন উকা উকা লাগিল। বোৱাৰী পংখীয়ে মাকক বৰ আদৰ-সাদৰ কৰে। ঘৰত কাম কৰা মানুহ থকা বাবে শাহুৰেক বোৱাৰীয়েকে কেতিয়াবা কথা-বতৰা, কেতিয়াবা গান শুনি আৰু কেতিয়াবা বজাৰ কৰিয়েই সময়বোৰ কটায়। বাসৰী আৰু পংখী যেন দুয়ো দুয়োৰে ভাল বান্ধৱীহে। ইমান অন্তৰংগ হোৱাৰ পিছতো কিন্তু পংখীয়ে বাসৰীক এবাৰো শহুৰেক বাসৰৰ কথা সোধা নাছিল।

অভি আৰু পংখীৰ বিয়া হোৱা দুবছৰে হ'ল। সিহঁতৰ জীৱনলৈ নতুন অতিথিৰ আগমন হ'ব। বাসৰীৰ গাত তত নাইকিয়া, কাৰণ তেওঁ আইতা হ'ব ওলাইছে। আনফালে খবৰ পালে নিমিও এজনী ধুনীয়া ছোৱালীৰ মাক হৈছে। বাসৰীয়ে নিমিৰ ওচৰলৈ যাবলৈ পৰা নাই কাৰণ পংখীৰো গা বেয়া হৈ আছিল। নিমিৰ সকলো দায়িত্ব বাসৰীয়ে নিমিৰ শাহুৰেককে অর্পণ কৰিলে। বাসৰীয়ে এতিয়া সকলো সময় পংখীৰ ওচৰতে কটায়। পংখীৰ বাবে নিজেই ৰন্ধা-বঢ়া কৰে। আজি ৰাতিপুৱাৰে পৰা পংখীৰ গা বেয়া। পেটৰ বিষ। মাকৰ কথামতে অভিয়ে পংখীক মেডিকেললৈ লৈ গ'ল আৰু ভক্তিৰে পংখীক ভর্তি হ'বলৈ দিলে। ভর্তি হোৱাৰ কিছু সময় পিছত পংখীক লেবাৰ ৰুমলৈ লৈ গ'ল। কিছু সময় পিছত নার্ছ এগৰাকীয়ে খবৰ দিলে যে পংখীৰ এজন পুত্র সন্তান জন্ম পাইছে। ঘৰত এতিয়া আনন্দমুখৰ পৰিৱেশ। পংখীক মেডিকেলত চাৰিদিন ৰখাৰ পিছত ঘৰলৈ আহি থাকোঁতে বাসৰীয়ে ক্ষীণকায় দেহ, মলিন বস্ত্র আৰু মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা বাসৰক দেখিলে। ঘৰ আহি পোৱাৰ পিছত বাসৰীয়ে দুৱাৰ বন্ধ কৰি বহুত সময় কান্দি আছিল। বাহিৰৰ পৰা অভিয়ে মতাতহে বাসৰী বাস্তৱলৈ ঘূৰি আহিল। মাকৰ চকুত চকুপানী দেখি অভিয়ে কি হৈছে বুলি সোধাত মাকে সকলো বিৰৰি ক'লে। অভিয়ে মাকক পিছদিনা তালৈ লৈ যাম কৈছিল। সন্ধিয়া পৰত নিমি, ধ্রুৱ আৰু ভাগিনীয়েক আহিল। তেওঁলোককো অভিয়ে মাকৰ কথাবোৰ ক'লে। সকলোৱে ৰাতিপুৱা যাবলৈ ওলাল। নাৱেংগী অভিমুখে গাড়ী গৈ আছে। কাৰো মুখত মাত নাই। কিছু সময় পিছত নাৱেংগী পালে। গাড়ীৰ পৰা নামিয়েই বাসৰী ফুটপাথৰ ফালে দৌৰি গ'ল। বাসৰীৰ পিছে পিছে বাকীবোৰেও গ'ল। ফুটপাথত বহি থকা মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা বাসৰৰ ওচৰত বহি বাসৰী কান্দি উঠিল। নিমিয়ে দাদাকক সুধিলে দেউতাকৰ এই অৱস্থা কেনেকৈ হ'ল। তেতিয়া দাদাকে কৈছিল— "ঠগ, প্রৱঞ্চক এজনক ভগৱানে উচিত শিক্ষাই দিছে। সিহঁত আটায়ে যাবলৈ ওলাল। ঠিক তেনেতে বাসৰে বাসৰীৰ হাতখনত ধৰি অস্পষ্ট শব্দৰে কিবা এটা শব্দ কৈ ৰাস্তাৰ সিটো পাৰে যাবলৈ দৌৰ মাৰিলে। ঠিক তেনেতে এখন তীব্র বেগেৰে অহা ট্রাকে বাসৰৰ দেহটো বহু দূৰলৈ মহটিয়াই লৈ গ'ল। হঠাৎ এনেকুৱা এটা ঘটনা হ'ব বুলি কোনেও কল্পনায়ে কৰা নাছিল। বাসৰীয়ে বাসৰৰ ওচৰলৈ দৌৰি গ'ল আৰু তেজেৰে লুতুৰি-পুতুৰি বাসৰে দুয়োখন হাত যোৰ কৰি এটা শব্দ 'ক্ষমা' বুলি কৈ শেষ নিশ্বাস ত্যাগ কৰিলে। অভিয়ে মাটিত বহি কান্দি থকা মাকক উঠাই আনি ক'লে— "মা নাকান্দিবা, এই মানুহজনৰ বাবে তুমি বহুতো কষ্ট কৰিছা, বহু নিশা কান্দি কটাইছা। ভগৱানে এওঁৰ উচিত বিচাৰ কৰিছে। ঠগ, প্রৱঞ্চক, লম্পট চৰিত্রৰ এই মানুহজনৰ এয়াই কৰুণ শেষ পৰিণতি।"

বাসৰীয়ে অলপ সময় ৰৈ চকুপানী মচি পেলালে। মাকে অভিক ক'লে— "তুমি ঠিক কথাই কৈছা অভি। এই মানুহজনক মই হিয়া উজাৰি ভাল পাইছিলো। তথাপি এই মানুহজনে কোনোদিনে মোৰ প্রেমৰ মূল্য বুজি নাপালে।" ঠিক তেনেতে অভিয়ে নিজ পুত্র আৰু ভাগিন প্রীতক মাকৰ কোলাত দি দিলে। বাসৰীয়ে দুই নাতিক বুকুৰ মাজত সুমুৱাই ল'লে আৰু নাতি দুটিক লৈ আগবাঢ়িল এক নতুন দিগন্তৰ পথেৰে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা শিক্ষয়িত্রী, প্রাগজ্যোতিষ জাতীয় বিদ্যালয়

ৰতনপুৰৰ ৰতন

কমলেশ্বৰ কলিতা

সন্ধিয়া সাতমান বজাত হঠাতে জপনাখন খোলা শব্দ হ'ল। শব্দ শুনা মাত্রকে পোহনীয়া কুকুৰ টমীয়ে ভুকিবলৈ আৰম্ভ কৰিলে। তেনেতে ৰতনীয়ে পঢ়া টেবুলৰ পৰা মাকক মা মা বুলি চিঞৰি ঘৰৰ জপনা খুলি কোনোবা অহাৰ কথা ক'লে। সেই সময়ত ৰতনীৰ মাক বন্দনাই পাক ঘৰত সন্ধিয়াৰ জলপান সাজু কৰাত ব্যস্ত আছিল। ৰতনীৰ দেউতাক অভিযন্তা ৰতনলাল চৌধুৰীয়ে পুৱা দহ বজাতে যি অফিচত সোমাল আৰু ওলাই নাহে। তেওঁ দিনটো অফিচৰ পৰা ওলাই আহিবলৈ আহৰিকে নাপায়। গড়কাপ্তানী বিভাগৰ ৰাস্তা বনোৱা, ঘৰ বনোৱা আদি অন্তহীন কামৰ বোজা সামৰি কোনোমতে ৰাতি সাত মান



বজাতহে ঘৰ সোমায়হি। চৌধুৰীয়ে অন্য দিনৰ দৰে সেইদিনাও অফিচৰ পৰা আহি গা ধুবলৈ বাথৰুমত সোমাইছে। জীয়েক ৰতনীৰ চিঞৰ শুনি বন্দনাই ততাতৈয়াকৈ গেছটো বন্ধ কৰি যেনেকৈ আছিল ঠিক তেনেকৈ বাৰাণ্ডালৈ ওলাই আহি বাহিৰলৈ জুমি চালে। অতি সাধাৰণ মলিয়ন কাপোৰ পৰিহিতা এজন বয়োজ্যেষ্ঠ লোকে জপনাখন খুলি ঘৰৰ দুৱাৰৰ ফালে আহি থকা দেখা পালে। ইতিমধ্যে গিৰীয়েককো চাহ-জলপান দিয়াৰ সময় হৈছে। বন্দনাই সন্ধিয়া সময়ত মানুহজনক অনাহকতে অহা বুলি ভাবি একো নমতাকৈয়ে বিৰক্তিৰ ভাবতে ঘৰৰ দুৱাৰখন জোৰেৰে বন্ধ কৰি পুনৰ পাক ঘৰত সোমাল। চৌধুৰীয়ে গা-পা ধুই আহিল। বন্দনাই চাহ-জলপান সজাই আনি আগত দিলে। চাহ-জলপান খাই উঠি ঘৈণীয়েক বন্দনাক সুধিলে অলপ আগতে কোনোবা এজন ঘৰলৈ অহা যেন পাইছিলো। মানুহজন কোন আছিল আৰু ক'লৈ গ'ল বাৰু? বন্দনাই শুনা-নুশুনাকৈ অৱজ্ঞাৰ সুৰত ক'লে— কোনোবা এজন গাঁৱলীয়া বৃদ্ধ আহি বাৰাণ্ডাত বহি আছে, মৰম লাগিছে যদি চোৱাগৈ। চৌধুৰীয়ে ভিতৰৰ পৰা ওলাই আহি বাৰাণ্ডাত চাই কোনো মানুহ দেখা নাপালে। কিন্তু তেওঁৰ মনটোত কিবা এটা অচিন চিন্তাই প্ৰৱেশ কৰা যেন অনুভৱ কৰিলে। এই গধূলি সময়ত কোন মানুহ আহিছিল? কিয় আহিছিল? কিয় একো নোকোৱাকৈ কলৈ গুচি গ'ল? ইত্যাদি ইত্যাদি নানা ভাৱনাৰ মাজেৰে চৌধুৰীয়ে ৰাতিৰ আহাৰ খাই শুই থাকিল।

ৰাতিপুৱা সোনকালে শুই উঠি চৌধুৰীয়ে পোহনীয়া কুকুৰ টমীক ৰছীডালত ধৰি ৰাস্তাত অলপ ঘূৰাই ফুৰাই আনি থৈ বাৰাণ্ডাতে বহিলে। ঘৈণীয়েক বন্দনাই ৰঙা চাহ একাপ আনি দিলেহি। চাহ খাই থকা সময়তে হকাৰে দৈনিক বাতৰি কাকতখন দূ�ৰৈৰ পৰা দলি মাৰি দি থৈ গ'ল। চৌধুৰীয়ে বাতৰিখন বুটলি আনিবলৈ হাত মেলোতে চোতালৰ এচুকত এটা সৰু পুৰণি বেগ দেখা পালে। বেগটো হাতত তুলি লওঁতে তেওঁৰ গাটো শিয়ঁৰি উঠিল আৰু সোতৰ বছৰ অতীতলৈ মনটো ঘূৰি গ'ল। চৌধুৰীয়ে স্মৃতি ৰোমন্থন কৰিলে যে এই বেগটোতে দেউতাক কনকলাল চৌধুৰীয়ে ধন সাঁচি ৰাখি নিজৰ পৰিয়ালটো বিশেষকৈ তেওঁৰ ভাই-ককাই তিনিজনক ভৰণ-পোষণ দিয়াৰ লগতে উপযুক্ত শিক্ষা প্ৰদান কৰি যথাযোগ্য কৰ্মসংস্থান দিছিল। অথচ অত বছৰে তেওঁ সেই দেউতাকজনৰ এবাৰ এটা খবৰো কৰা নাছিল কিয় বুলি নিজকে প্ৰশ্ন কৰিলে। নিজৰ দেউতাকৰ প্ৰতি অলপো দায়িত্ববোধ নহ'ল কিয়? মোৰ দ্বিতীয় ভাতৃ জয়ন্ত বিশ্ববিদ্যালয়ৰ অধ্যাপক হৈ সিও দেউতাৰ বিশেষ অলপো যত্ন লোৱা নাছিল। আজিৰ পৰা দহ বছৰ আগতে মাৰ মৃত্যুৰ পিছৰে পৰা কনিষ্ঠ ভাতৃ বিজনেও দেউতাৰ ওপৰত অকথ্য নির্যাতন চলাই দেউতাৰ নিজৰ গাঁওবুঢ়া পদটো কাঢ়ি লৈছিল বুলি মই আনৰ মুখৰ পৰা জানিব পাৰিছিলো। তথাপি মই মোৰ দেউতাৰ এবাৰ খবৰ ল'বলৈ আহৰি উলিয়াব নোৱাৰিলো। কেৱল মোৰ পৰিয়াল আৰু অফিচৰ কামতে ইমান দিন ব্যস্ত থাকিলো। দেউতাই মোৰ জন্ম গাঁও ৰতনপুৰৰ প্ৰতিজন মানুহৰে শিক্ষা,

স্বাস্থ্য আৰু আর্থিক উন্নতিৰ বাবে দিনে-ৰাতি অহোপুৰুষর্থ কৰিছিল, যাৰ বাবে গাঁওখনৰ প্রতিজন মানুহে উন্নতিৰ জখলাত বগাই ৰাজ্যৰ ভিতৰতে এখন আদর্শ ৰতনপুৰ গাঁও হিচাপে প্রতিষ্ঠিত হ'বলৈ সমর্থ হৈছিল। দেউতাই গাঁওখনক ইমানে ভাল পাইছিল যে নিজৰ প্রথম সন্তানৰ নাম (মোৰ নাম) গাঁওখনৰ নামেৰে ৰতনলাল চৌধুৰী ৰাখিছিল। অকল গাঁৱৰ নামেৰে মোৰ নাম ৰাখিয়ে ক্ষান্ত হোৱা নাছিল, আমাৰ ভাই-ককাই তিনিওজনকে উচ্চ শিক্ষাৰে শিক্ষিত কৰিছিল। ইয়াৰ সমান্তৰালকৈ গাঁওখনৰ প্রতিজনৰে সর্বতোপ্রকাৰ উন্নতিৰ পৰিকল্পনা কৰি দিছিল। সেয়েহে ৰতনপুৰৰ প্রতিজনে দেউতাৰ সিদ্ধান্ত অবিহনে একোকে কৰিবলৈ আগ বঢ়া নাছিল। দেউতাই নিজৰ পৰিয়ালৰ লগতে গাঁওখনৰ প্রতিঘৰৰে উন্নতিৰ বাবে বিভিন্ন প্রচেষ্টা হাতত লৈছিল। আনহাতে মই মোৰ পত্নী আৰু একমাত্র কন্যা সন্তানৰ ভৰণ-পোষণতে ব্যস্ত থাকি মোৰ জন্মদাতা পিতৃ-মাতৃ আৰু জন্মৰ গাঁওখনৰ বাবে একোকে কিয় কৰিব নোৱাৰিলো। ধিক মোৰ জীৱন... ইত্যাদি।

এইদৰে বেগটো হাতত লৈ এশ-এবুৰি ভাৱনা ৰোমন্থন কৰি থাকি বেগটোৰ চেইনডাল খোলো-নোখোলোকৈ খুলি চাই দেউতাকৰ হাতৰ আখৰৰ এখন চিঠি আৰু এটা টোপোলা দেখিবলৈ পালে। চিঠিখন মেলি চাই তেওঁ হতভম্ব হৈ পৰিল। তাত লিখা আছিল— "মৰমৰ ডাঙৰ বোপা ৰতন, মোক ভুল নুবুজিবা। সৰু ভায়েৰা বিজনৰ অত্যাচাৰত মই এতিয়া গাঁৱত থাকিব নোৱাৰা হ'লো। সেয়েহে মোৰ নামত থকা খেতিৰ মাটি সম্পত্তিখিনি লাটমণ্ডলৰ দ্বাৰা তোমালোক তিনিজনৰ মাজত ভগাই দিছো আৰু মাৰাৰ মৃত্যুৰ পিছত মাৰ সোণৰ অলংকাৰখিনি তোমাৰ বাবে আনি তোমাৰ লগতে জীৱনৰ বাকী দিনকেইটা থাকিম বুলি আহিছিলো। বিজনেই তোমাৰ ঘৰৰ জপনাৰ মুখতে নমাই দি ঘৰলৈ উভতি গুচি গ'ল। কিন্তু তোমাৰ ঘৰত সোমাই তোমাৰ বোৱাৰীৰ ব্যৱহাৰত অত্যন্ত দুখ পালো। তেওঁতো মোক আগতেও কোনোদিনেই এযাৰো মাতো লগোৱা নাছিল। গতিকে মই জপনাখন লাহেকৈ খুলি প্রায় তিনি কি. মি. মান দূৰৈৰ নাৰেঙ্গী ৰেলষ্টেচনতে ৰাতিটো কটোৱাৰ বাবে তালৈ ৰাওনা হ'লো। তোমালোক সুখেৰে থাকা...। চিঠিখন পঢ়া শেষ নহওঁতে ৰতনৰ দৈনিক অসম কাকতখনৰ হেড লাইনৰ ওপৰত চকু পৰিল। দেখা পালে যে "৭৫ বছৰীয়া বয়োজ্যেষ্ঠ কনকলাল চৌধুৰীয়ে যোৱা কালি সন্ধিয়া প্রায় দহ বজাত নাৰেঙ্গী ষ্টেচনৰ ৰেলৰ আগত পৰি স্ব-মৃত্যুক সাবটি লয়। উল্লেখ থাকে যে অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ কার্যবাহী অভিযন্তা ৰতনলাল চৌধুৰী মৃত কনকলাল চৌধুৰীৰ জ্যেষ্ঠ পুত্র। পুত্রৰ বিবেকহীন সিদ্ধান্তৰ বাবে আদর্শ গাঁও ৰতনপুৰৰ গাঁওবুঢ়া স্বনামধন্য কনকলাল চৌধুৰীয়ে অপমৃত্যুক সাবটি ল'বলৈ বাধ্য হয়া। তেখেতৰ মৃত্যুত স্থানীয় ৰাইজৰ মাজত গভীৰ শোকৰ ছাঁ বিয়পি পৰিছে।" স্থানীয় সংবাদ দাতা, 'দৈনিক অসম'।

বাতৰিটো পঢ়ি ৰতন চৌধুৰীৰ মূৰৰ ওপৰত আকাশখন ভাঙি পৰা যেন অনুভৱ হ'ল আৰু পত্নী আৰু কন্যাক মাত নিদিয়াকৈ তৎক্ষণাত গাড়ীখন লৈ দেউতাকৰ ডেড্-ব'ডিটো পোষ্ট মর্টেমৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ ৰাওনা হ'ল। তাৰ পিছত ৰতনলাল চৌধুৰী ঘৰলৈ ঘুৰি নাহিল। আনহাতে বন্দনাই নিজৰ দোষৰ হাত সাৰিবলৈ আৰু স্বামীৰ উচিত অনুসন্ধানৰ বাবে ওচৰৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিলে। কিন্তু কোনেও ইয়াৰ সন্ধান দিব নোৱাৰিলে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক তথা অধ্যক্ষ, এছ আৰ একাডেমী, নাৰেঙ্গী



নৈপৰীয়া সপোন...

ৰেখা মহন্ত ডেকা

ফৰকাল ৰাতিৰ আকাশ। মালতীয়ে ফুট্ গধূলিতে ৰাতিৰ সাঁজ ৰান্ধি অটালে। তাইৰ এবছৰীয়া কণল'ৰাই থেনথেনাই থকাত ভাত কেইতেপামান ফুচুলাই ফুচুলাই খুৱাই চোতালত তাক কোলাত লৈ পীৰা এখন পাৰি বহিলহি। এনেই ভাদমহীয়া গৰম। গা চিত্‌চিতাই থাকে। ইমান পৰে ক'লীয়া মাৰোৱাৰী গোলাৰ পৰা আহিবলৈ হোৱাই নাই। ইফালে বেলি মাৰ যাওঁ নেযাওঁ হওঁতেই মালতীহঁতৰ নৈপৰীয়া গাঁওখন ৰিঙা ৰিঙা লাগে। তাই আকাশলৈ চাই কিবা কিবি কথা ভাবি থাকোঁতেই ক'লীয়াই জপনাখন খোলাৰ শব্দত তাইৰ কল্পনাজগতখনৰ পৰা বাস্তৱলৈ ঘূৰি আহিল। ক'লীয়াই তাৰ হাতৰ সৰু টোপোলাটো মালতীৰ ফালে আগবঢ়াই দি সি বাহিৰে বাহিৰে খালৰ পাৰলৈ গ'ল। 'ভাতকেইটা বাঢ়োনে?' মালতীয়ে ক'লীয়াক সুধিলে। 'ৰহ্ গাটো তিয়াই লওঁ। বৰ গৰম। ঘামত গাটো তিতি গৈছে।" কথাকেইটা কৈ ক'লীয়াই পিন্ধি থকা কাপোৰবোৰ সলাবলৈ ধৰিলে। মালতীয়েও বাঢ়িবলৈ লোৱা ভাতৰ বতুৰাটো পুনৰ ঢাকোন মাৰি ক'লীয়ালৈ গামোচা আৰু তিয়নীখন আগবঢ়াই দিলে। "আজি কি ৰান্ধিলি? কণল'ৰা শুলে নে?" ক'লীয়াই গামোচাৰে গাটো মচি মচি মালতীক সুধিলে। "এ কিনো ৰান্ধিম? ভাতত আলুগুটি দুটা দিছো আৰু গৰৈমাছ পুৰিছোঁ।" মালতীৰ কথা শুনি যেন ক'লীয়াৰ ভোকটোৱহে উজান উঠিল। "হ'ব দে ভাতকেইটা বাঢ়।" মালতীয়ে আথেবেথে ক'লীয়াক ভাত সাঁজ বাঢ়ি দি নিজলৈও ল'লে। ভাত খাই থাকোঁতে চাকিৰ পোহৰত ক'লীয়াৰ মুখখন চিক্‌চিকাই উজলি উঠিল। মালতীৰ তিনিবছৰৰ আগৰ ক'লীয়াক প্ৰথম দেখা দিনটোলৈ মনত পৰি গ'ল। মালতীহঁতৰ দেউতাকৰ সৰিয়হনীডৰা ৰাতি উদঙীয়া গৰুৱে তহিলং কৰোতে হেমাই বেজৰ পুতেক ক'লীয়াই ৰাতিয়েই খবৰ দিবলৈ বুলি মালতীহঁতৰ ঘৰলৈ গৈছিল। লেমৰ পোহৰত ছেগাচোৰোকাকৈ তেতিয়াই মালতীয়ে ক'লীয়াক দেখা পাইছিল। লেমৰ পোহৰত ক'লীয়াৰ মুখখন জিলিকি উঠিছিল। মালতীয়ে এপলক দৃষ্টিৰে ক'লীয়ালৈ চাই পঠিয়াইছিল। তাৰ পিছৰ পৰা মালতীৰ চকুহালে ক'লীয়াকে বিচাৰি ফুৰা হ'ল। তেতিয়া আছিল ভৰা মাঘ। মাঘৰ ন-খোৱাৰ আগত ৰাইজে লগ হৈ মাছমৰা উৎসৱ পাতে। তেনে এটি দিনতে ক'লীয়া আৰু মালতীৰ দেখা-দেখি হ'ল। সেই চাৰি চকুৰ মিলনেই দুয়োকে একেবাৰে কাষ চপাই আনিলে। "কি চাই আছ অ' ইমান পৰে দেওলগা মানুহৰ নিচিনাকৈ?" ক'লীয়াৰ কথাত মালতীৰ মুখখন লাজত ৰঙা-ছিঙা পৰি গ'ল।

পুৱতি নিশা চাইকেলৰ টিলিঙাৰ শব্দত মালতী সাৰ পালে। 'ঐ ক'লীয়া, উঠিলিনে?' ক'লীয়ায়ো সাৰ পালে। মহাজনৰ ডাকোৱাল। কি বা খবৰ আনিছে! "ৰ তই শুই থাক। মই চাওঁগৈ ৰ।" এই বুলি ক'লীয়াই বাঁহৰ দুৱাৰৰ দাংডাল খুলি কাণিদুৱৰীকৈ চালে। "ঐ ক'লীয়া তোক আজি মহাজন দেউতাই মাতিছে। কিবা কামৰ কথা পাতিব। তই যাবি কিন্তু। মই অলপ দূৰণিলৈ ওলাইছোঁ।" মহাজনৰ আলধৰীয়া ফটিকে পুনৰ চাইকেলেৰে ঢাপলি মেলিলে। পুনৰ দুৱাৰত দাংডাল দি ক'লীয়া মালতীৰ ওচৰলৈ আহিল। মালতীজনীলৈ তাৰ বৰ মৰম জাগিল। দিনৰ দিনটো তাইৰ কামৰ আহৰি নাই। ভালকৈ এসাঁজ খাবলৈও সিহঁতৰ টনাটনি লাগে। বিনয় মাৰোৱাৰীয়ে জুখি-মাখিহে পইছাকেইটা দিয়ে। তাকো কিবা অজুহাতত পইছাকেইটা কাটো কাটোকৈয়ে থাকে। খেতিৰ মাটি বুলিবলৈ ক'লীয়াহঁতৰ একোৰেই নাই। সকলো বানে উটুৱাই নদীতে সামৰি থ'লে। "এতিয়াবা মহাজনৰ আকৌ কি কাম ওলাল!" ক'লীয়াই মুখৰ ভিতৰতে ভোৰভোৱালে। ইমান পৰে মালতীয়ে টলকামাৰি সকলোবোৰ শুনি আছিল। মনৰ ভিতৰতে তাই কথাকেইটা জুকিয়াই চালে। 'হয়তো, মাৰোৱাৰীৰ গোলাত থকাতকৈ মহাজনৰ কামত লগাই ভাল। মালতীয়ে তাইৰ মনৰ

কথাটো ক'লীয়াক ক'লে। ক'লীয়ায়ো তাইৰ কথাত হয়ভৰ দিলে। পুৱাৰ জলপানমুঠি খাই ক'লীয়াই মহাজনৰ ঘৰৰ ফালে বাট বুলিলে।

দুপৰীয়া নৌহওঁতেই সূর্য্য দেৱতাৰ খাওঁ খাওঁ ৰূপ। নৈপৰীয়া গাঁওখনত অৱশ্যে মাছৰ আহুকাল নাই। ভাতৰ চাউল মুঠিৰ অভাৱ হ'লেও গোটাচেৰেক গৰৈ, পুঠিয়ে সকলোৰে চৰু শুৱনি কৰি ৰাখে। মালতীহঁতৰ ঘৰৰ পাছফালে বাঁহৰ হেন্দালিত কোমোৱা এজোপা লহপহকৈ বগাই দুই-এটা জালি পেলাইছে। তাৰ কাষতে থকা অমিতাজোপাও লমা লমে লাগিছে। কোমোৱা হেন্দালিত মালতীয়ে পুঠি মাছ কেইটামান চালনীত দি শুকুৱাইছে। অমিতাজোপাৰ পৰা ডাহেচীয়া অমিতা এটা মালতীয়ে দুপৰীয়া ৰান্ধিবলৈ বুলি পাৰি আনিলে। তাৰে এআঙুল মান কাটি কণল'ৰাৰ হাতত দিলে। ক'লীয়া উভতি অহালৈ বাট চাই চাই আখলত চৰু পাতিলে। এনেতে ক'লীয়া আহি পালে। ক'লীয়াৰ মুখত এমোকৰা সুখৰ হাঁহি জিলিকি উঠিছে। ঘামত তিতা ক'লীয়াৰ কপাহী চোলাটোৰ মাজেৰে সুঠাম বুকুখনে ভুমুকি মাৰিলে। 'কিনো ঠেৰেঙা লাগিলি? পানী এঘটি দে আকৌ।" অহ্ ৰ'। ক'লীয়াৰ মাতত উপচ্ খাই মালতীয়ে পানী এঘটিৰ লগত মিঠে এটুকুৰা তাৰ হাতত তুলি দিলে। মিঠেকণত একামো�ৰ মাৰি পানীঘটি ঢক্ ঢক্‌কৈ খাইহে যেন ক'লীয়াৰ জীৱটো ঘূৰিল। সি বৰ মৰমেৰে মালতীলৈ চালে। 'বোলো মহাজনে কিয় মাতিছিল?" মালতীৰ কথাত ক'লীয়াই ভাৰ সাগৰৰ পৰা এভুমুকি মাৰি আহিল। 'মোক তেওঁৰ দোকানখন চলোৱাৰ দায়িত্ব দিছে।' ক'লীয়াই হাঁহি এটা মাৰি ক'লে। 'সৰুকণৰ মুখত বোলে মোৰ কথা শুনি আছিল। সেয়ে তেওঁ বৰ বিশ্বাসত এই কামৰ দায়িত্ব দিলে। এতিয়া অকণমান সকাহ পাম অ' মালতী। কণ ল'ৰাও ডাঙৰ হৈ আহিছে।" ধনৰ দুখীয়া হ'লেও ক'লীয়াৰ এটা কর্মঠ মন আছে। সি কিবা এটা কৰি খুৱাব-পিন্ধাব পাৰিব বুলিয়েই মালতীয়ে ঘৰৰ অমতত ক'লীয়াৰ লগত পলাই আহিল।

সুখে-দুখে, অভাৱ-অনাটনে আৱৰি থকা সংসাৰখন লৈ মালতীৰ অলপো দুখ নাই। তাইৰ মতে এনেকৈও শান্তিত থাকিব পাৰি। আইধানহঁতৰ পৰা আধিলৈ লোৱা ছাগলীজনীও গাভিনী হৈছে। দুমাহমানৰ পিছতে পোৱালি দিব। মহাজনৰ বৰ পুতেকৰ টান নৰীয়া হৈ সিপুৰীয়া হোৱাৰ বাবে দোকানৰ দায়িত্ব দিবলৈ এজন বিশ্বাসী মানুহ বিচাৰি ক'লীয়াক পালে। ক'লীয়া দোকান চলোৱাত পটু। মালতীয়ে আকাশখনলৈ চাই সকাহৰ নিশ্বাস এৰিলে।

ভাতকেইটামান খাই মুখত তামোল এখন গুঁজি ক'লীয়া নতুন কামলৈ ওলাল। মালতীয়ে পদুলিলৈকে আগবঢ়াই দিলে। ভিতৰলৈ আহি বাটি এটাত থৈ দিয়া ভাতৰ নিসনিকণ ছাগলীজনীক খাবলৈ দিলে। গৰমত কিজানি তাইৰ ডিঙিটো শুকাই গৈছে। 'মালতী নবৌ, অ' মালতী নবৌ।' পদুলিৰ পৰা চিঞৰি চিঞৰি সুভদ্রা সোমাই আহিল। 'ক'লীয়া কাইদেউৰে হেনো নতুন কাম পাইছে?' পুনৰ সুভদ্রাৰ প্রশ্ন। 'এৰা অ' 'আজি গৈছেহে। কি বা হয়।' বৰ সৰলতাৰে মালতীয়ে ক'লে। 'আমাৰ নগেন ককাইদেউকো মাতিছিল। পিছে সি নগ'ল। বৰ খটুৰাই হেনো।' চকুকেইটা জোখতকৈ বেছি ডাঙৰকৈ মেলি সুভদ্রাই ক'লে। সুভদ্রাৰ কথাকেইটা মালতীৰ ভাল নালাগিল। তথাপি তাইৰ মনত অলপ চিন্তাও লাগিল। গধূলি হোৱাত ক'লীয়া ঘৰলৈ আহিল। মহাজনৰ বোৱাৰীয়েকে ক'লীয়াক বৰ আদৰ-সাদৰ কৰিলে। আহোতে ক'লীয়াৰ হাতত বাৰীতে পকা সোন্দাকল একাশী, ভজা চাউল কেইটামান আৰু ম'হৰ গাখীৰৰ দৈ আধাসেৰ দি পঠালে। ক'লীয়াৰ হাতৰ টোপোলাটো দেখি মালতীৰ ভোকে জিভা মেলি আহিল। তাই উথপ্‌থপ্‌কৈ ক'লীয়াক ম'হৰ গাখীৰেৰে চাহ এবাটি মিঠে অকণৰ সৈতে দিলে। কিমান দিনযে এইবোৰ বস্তু খাবলৈ পোৱা নাই। তাই ভজা চাউল এমুঠি গৰম পানীত তপতাই সোন্দাকল আৰু দৈৰে সানি-পুতকি গো গ্রাসে গিলি গ'ল। কণল'ৰাকো কল অকণ পিটিকি খুৱালে। 'মহাজনৰ বৰবোৱাৰীজনী ইমান ভাল। বেচেৰীজনী পাট গাভৰু বয়সতে বিধৱা সাজ পিন্ধিবলগীয়া হ'ল।' মালতীয়ে মহাজনৰ বোৱাৰীৰ প্রতি সহানুভূতি জনালে। সেইদিনা ৰাতি দুপৰলৈকে ক'লীয়াৰ টোপনি নাহিল। ক'লীয়াই তাৰ কাষতে শুই থকা মালতীৰ উজ্জ্বল মুখখনলৈ ৰ লাগি চালে। কিবা এটা অচিনাকি ভাৱনাই তাৰ মনটো চঞ্চল কৰি তুলিলে।

আকৌ পুৱা ক'লীয়া কামলৈ ওলাল। সদায় দিয়াৰ দৰে মালতীয়ে ক'লীয়াক পদুলিলৈকে আগুৱাই দিলে। ক'লীয়াৰ বুকুত এবুকু আশাই বাহ সাজিবলৈ কুটা কঢ়িয়াইছে। ঠিক ভাদৰ মাহৰ নৈখনৰ দৰে আশাৰে ভৰুণ হ'ল মালতীৰ মন। তাইৰযে কিমান সপোন। কণল'ৰা ডাঙৰ হ'ব। তাক ইস্কুলত নাম লগাব। ছাগলীজনীৰ পোৱালি জগিব। পোৱালি ডাঙৰ হ'লে তাকে বেছি আৰু কিবা-কিবি কৰিব। ইত্যাদি ইত্যাদি। ভদীয়া নৈৰ মহিমা

বুজিবই নোৱাৰি। কেতিয়াবা সকলোৰে আশাৰ কঠীয়া সিঁচে আকৌ কেতিয়াবা চকুৰ টোপনি কাঢ়ে। অৱশ্যে এয়ে নৈপৰীয়া জীৱন।

গধূলি ক'লীয়া কামৰ পৰা আহে। মালতীয়েও কোনো কার্পণ্য নকৰাকৈ ক'লীয়াৰ শুশ্রূষা কৰে। মাজে মাজে ক'লীয়াই মহাজনৰ বৰ বোৱাৰীৰ কথা কৈ থাকে। কৈ যায় কেনেকৈ তাইৰ ওপৰত দেওৰেক আৰু শাহুৰেকে অমানৱীয় অত্যাচাৰ চলায়। ক'লীয়াৰ তাইলৈ বৰ পুতৌ ওপজে। ইমান মৰমিয়াল তাই। পিছে তাইৰ বাবেহে ভাবোতা নাই। একমাত্র শহুৰেকটোৱেহে যি অলপ মৰম কৰে।

লাহে লাহে মালতীৰ সংসাৰখনত সুখে পোখা মেলিবলৈ ধৰিলে। দিন গ'ল, মাহ উকলিল। ক'লীয়াৰ কামৰো ওৰ নপৰা হ'ল। আগতে গধূলি ঘৰলৈ ওভতা ক'লীয়া এতিয়া ৰাতিলৈকে ঘৰলৈ নহা হ'ল। কেতিয়াবা মহাজনৰ ঘৰৰ ৰখীয়াও হ'ব লগা হ'ল। অৱশ্যে মহাজনৰ বৰবোৱাৰীৰ চেনেহৰ টোপোলাটি দিনকদিনে শকত হৈ আহিবলৈ ধৰিলে। এতিয়া মালতীৰ মনৰ বুজ ল'বলৈ ক'লীয়াৰো সময় নোহোৱা হ'ল। মালতীয়েও কথাটো মন নকৰা নহয়। সুভদ্রাৰ কথাকেইটা যে সঁচা হ'বলৈ ধৰিলে।

আজি ক'লীয়া কামৰ পৰা সোনকালে ঘূৰিল। কণল'ৰাৰ কাষতে ক'লীয়া শুই পৰিল। ঢকুৱাৰ বিচনী এখনেৰে মালতীয়ে ক'লীয়াক বা দি দি তাৰ মুখখনলৈ চালে। কামৰ ভৰত ভাগৰিছে যদিও তাৰ মুখত ভাগৰৰ চিন লেশমানো নাই। মালতীৰ ক'লীয়ালৈ বৰ মৰম উপজিল আৰু অলপ কায চাপি ক'লীয়াৰ গাটোত তাই মৰমেৰে হাত বুলাই থাকিল। সিদিনা মালতীৰ মনৰ আকাশখন যেন বৰ উজ্জ্বল হৈ উঠিল। ক'লীয়াৰ কাষতে মালতীয়ে মন আকাশৰ তৰা লেখি লেখি টোপনি গ'ল। পিছদিনা পুৱা ক'লীয়াই কামলৈ বুলি জপনা ডেওতেই বৰ বেয়াকৈ উজুটি খালে। মালতী লৰ মাৰি আহি দেখে যে ক'লীয়াৰ সোঁ ভৰিৰ বুঢ়া আঙুলিটো তেজেৰে তুমৰলি হ'ল। মালতীয়ে হালধি এগাঠি থেতালি তাইৰ পুৰণা চাদৰ এখনৰ আঁচলটো ফালি থেতেলিয়াই লোৱা হালধিখিনি তেজ ওলোৱা ঠাইখিনিত দি টানকৈ গাঁঠি মাৰি দিলে। 'চাই বুজি খোজ কাঢ়িব নোৱাৰ নেকি? যদি বেছিকৈ টনটনাইছে তেতিয়াহ'লে আজি ঘৰতে থাক।" মৰম আৰু খং মিহলি সুৰত মালতীয়ে ক'লে। ক'লীয়াই মালতীৰ কথা আওকাণ কৰি মহাজনৰ ঘৰলৈ বুলি খোজ দিলে। আজি মালতীৰ আধিলৈ লোৱা ছাগলীজনীয়ে সময়তকৈ আগতে পোৱালি এটা দিলে। কিন্তু পোৱালিটো বেছি সময় বাচি নাথাকিল। কি বা হ'ল ছাগলীজনীৰ! মালতীৰ মনৰ ডেউকা এখন যেন ভাঙি গ'ল। কণল'ৰাৰো গাটো ভাল নহয়। লাহে লাহে গধূলি হৈ আহিল। গধূলি হৈ আহিল নৈপৰীয়া গাঁওখনলৈ। বতৰ বৰ বেয়া। ৰাতিলৈ ধুমুহা আহিব কিজানি। ইফালে ক'লীয়াও আহি পোৱা নাই। এবাৰ মালতী জপনামুখলৈ যায় এবাৰ ভিতৰত শুই থকা কণল'ৰাক চায়। এইবোৰ কৰি থাকোতে মালতীৰ ৰন্ধা-বঢ়াও কৰা হোৱা নাই। হঠাৎ জপনাৰ শব্দ। 'ক'লীয়া আহিছে।' মালতীয়ে নিজকে নিজেই ক'লে। হয়, হয়। কোনোবাই জপনাখন খুলিছে। একো দেখা নাপায়। বাহিৰত ঘোৰ অন্ধকাৰ। মালতীয়ে চাকিটো হাতত লৈ চোতালৰ ফালে গ'ল। এয়া কি? ক'লীয়া দেখোন জপনামুখত ৰৈ আছে। তাৰ হাতত কিবা এটা ওলমি আছে। আৰু অলপ ওচৰ চাপি যাওঁতে দেখা পালে ক'লীয়াৰ হাতত এটা টিঙৰ পেৰা আৰু পিছফালে কোনোবা থিয় হৈ আছে। 'কোন সেয়া?' কঁপা কঁপা মাতেৰে মালতীয়ে সুধিলে। তাই আৰু ওচৰলৈ যাবলৈ কিবা ভয় ভয় লাগিছে। ভৰিখনে যেন তাইক পাছলৈহে টানিছে। তথাপি তাই ক'লীয়াৰ ওচৰ পালেগৈ। "এয়া লখিমী, মহাজনৰ বৰবোৱাৰী মালতী। আজিৰ পৰা তায়ো মোৰ লগতে থাকিব।" ক'লীয়াৰ কথাকেইটা এপাট তপত কাঁড়ৰ দৰে মালতীৰ কাণেৰে সোমাই গোটেই শৰীৰ, মন-মগজু চিৰাচিৰ কৰি দিলে। জোৰকৈ খোপনি পুতিও ভৰিৰ তলৰ মাটিবোৰ যেন বাৰিষা নৈৰ গৰা খহাদি খহি গ'ল। প্রস্তৰ মূর্তিৰ দৰে মালতী জঠৰ হৈ পৰিল। তাইৰ গাৰ কাষেৰেই ক'লীয়া আৰু মহাজনৰ বৰবোৱাৰী সর্পিল গতিৰে ভিতৰলৈ সোমাই গ'ল। আহিব খোজা ধুমুহাজাকো তাতেই থমকি ৰ'ল। ঠিক মালতীৰ দৰে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট কবি তথা শিক্ষয়িত্রী, প্রাগজ্যোতিষ জাতীয় বিদ্যালয়

ভোক

অনামিকা মজুমদাৰ

লাইন বাছখনৰ শেষৰ ছিটটো এৰি তাৰে আগৰ এটা দুজনীয়া ছিটত হীৰাক বহুৱাই হাইদৰে ড্রাইভাৰৰ পিছৰ ছিটটোত বহি ল'লে। হীৰাৰ কোলাত পলিথিনৰ এটা টোপোলা। মাক জানকীয়ে তাইৰ দুটামান চোলা ভৰাই দিছে। যোৱা পৰহিৰ পৰাই তাই একো খোৱা নাই, পেটৰ ভোকটো ক্রমাৎ উজাই আহিল। আহিবৰ পৰত জানকীয়ে সান্দহগুড়ি অলপ পানীত গুলি তাইক খাবলৈ দিছিল যদিও তাইহে খাব নোৱাৰিলে। চকুপানী, নাকৰ পানীৰে তাইৰ গাল-মুখ তিতি আছিল, মুখলৈ সান্দহগুড়িখিনি নিও তাই গিলিব নোৱাৰিলে। বাছখন লাহে লাহে গৈ হাটখোলাৰ পাগলাদিয়া নৈৰ ওপৰৰ কাঠৰ দলংখন পাৰ হোৱাৰ পাছত ড্রাইভাৰে বাছখনৰ গতিবেগ বঢ়াই দিলে। পুৰণি হিন্দী গীতৰ কলি এটি বাজি উঠিল। মানুহবোৰ নিজম হৈ পৰিল। নিজা নিজা ভাবত বিভোৰ হৈ পৰিল। থুঁতৰিটো বাছৰ খিৰিকীত গুঁজি তায়ো হেৰাই গ'ল এৰি অহা দিনবোৰৰ মাজলৈ। তাই আহিবৰ পৰত মাকে তাইৰ চোলাৰ পিঠিত পিন এটা মাৰি দি থাকোঁতে ফেঁকুৰি উঠিল— "মান্নাইমাৰা মৰিল না তৰিল, আমাক খালত ফেলে থৈ গেল এনকে... উ... উ... উ... উ..." জানকীয়ে মদাহী গিৰীয়েকক মৰাৰ পাছতো গালি পাৰিব এৰা নাই। কষ্ট পালেই গালি-শপনি পাৰি বুকুখন পাতলায়।

ৰাতি চোতালত ধেকুৰাকেইটাই ৰাউচি জুৰি থাকিল বহু পৰলৈ। দুবছৰীয়া ভায়েকে মাকৰ বুকুত সোমাই লালকাল দি শুইছে, তাইহে শুব পৰা নাই। মাকৰ পিঠিত মুখ গুঁজি তাই মাকৰ গাৰ গোন্ধটো নাকেৰে উজাই ল'ব খুজিও ৰৈ গ'ল। মাকে কান্দিছে, গাৰু ভিজাই কান্দিছে। হীৰাৰ মনত আছে এনেকে আৰু এবাৰ মাকে কান্দিছিল, মণ্ডলৰ মাকৰ সকামৰ দিনা। সিদিনা পুৱা ৪ মান বজাতেই জানকীয়ে মণ্ডলৰ ঘৰৰ বাহীবন কৰিবলৈ আহিছিল। আগদিনাই মণ্ডলনীয়ে জানকীক দায়িত্ব দি থৈছিল। গোহালিৰ গোবৰ পাচিত ভৰাই জানকীয়ে পুঁজিৰ পিছফালে পূর্বতে দ'মাই থোৱা গোবৰৰ দ'মৰ ওপৰতে গোবৰ নি দ'মাই থাকোঁতে পুঁজিৰ পিছফালে খাপ পিটি ৰৈ থকা সদা মাষ্টাৰে তাইক পিছফালৰ পৰা সাবট মাৰি ধৰি কাণৰ কাষত ফুচ-ফুচাই কিবা কৈছিল। একে আছাৰে তাই তাৰ হাতখন এৰুৱাবলৈ খুজিও পৰা নাছিল। পেটৰ ওপৰত সদাৰ বলিষ্ঠ হাতখনৰ জোৰ তাই এৰুৱাব পৰা নাছিল। সি যেন এটা ভোকাতুৰ চিকাৰী বাঘ আৰু তাই নির্বোধ হৰিণী। ক্ষন্তেক সময় এখন তয়ামেয়া যুঁজ। তাইৰ পিঠিত তাৰ কেঁচা-পকা দাঢ়িবোৰে হুলে বিন্ধাদি বিন্ধিছিল। তাইৰ ভৰি দুখন মাটিৰ পৰা কিছু ওপৰত ওলমি ৰৈছিল। এখন যুঁজ। লাজ-অপমানৰ যুঁজ। ভোকৰ যুঁজ। এনেতে মণ্ডলৰ গলখেকাৰি আৰু ভৰিৰ হাৰাই চেণ্ডেলৰ শব্দ শুনা গ'ল। লগে লগে ভোকাতুৰ বাঘটোৰ হাতৰ মুঠি ঢিলা হৈ পৰিল। তাইৰ ভৰি দুখনে মাটি চুলে। একে আছাৰে তাই তাৰপৰা ফৰিং ছিটিকাদি ছিটিকি মজিয়া পালে। মণ্ডলৰ চকুত তাইৰ পিঠি ফটা ব্লাউজটো আৰু পুতেক সদাৰ উপস্থিতিয়ে কিবা এটা সমীকৰণ তৈয়াৰ নিশ্চয় কৰিছিল। বয়স আৰু জীৱনৰ অভিজ্ঞতাৰে পুষ্ট মণ্ডলৰ মগজুত কেমেৰাৰ ৰীলৰ দৰে 'খেচেক্'কৈ কিবা এটা আৰাজ হৈছিল। ঢেৰ ইষ্ট-কুটুম, গাঁৱৰ মানুহেৰে সকামখন সুন্দৰভাৱে পাৰ হৈ গ'ল, দূৰৰ পৰা অহা কুটুম্ববোৰ দুদিনমান থাকিহে যোৱাৰ কথা। ঘৰ ভৰি মানুহ আছে। সাজ লাগিছিল। জানকীয়ে বাৰীৰ পিছৰ চোতালত কেৰাহী ধুই আছে। এনেতে সদা মাষ্টৰে জনকীৰ পিঠিখন পিহি ব্লাউজৰ পিছফালেদি টকা ২০টা সোমাই দি খৰখেদাকৈ তাৰপৰা আঁতৰি যাব লওঁতে জানকী ছাই লগা হাতেৰে তাৰ পিঠিত পৰাকৈ ২০ টকাটো দলি মাৰি দিলে। তাই জানে ২০ টকা কিয় দিছে, সেয়া আগধন। মণ্ডলৰ পথাৰত ভূঁই ৰুই থকা জয়মতী, দময়ন্তী, কামিনী সকলোৱে জানে সদাৰ কথা। কিবা নহয় কিবা বাহানা কৰি সিহঁতৰ গা চুই যোৱা স্বভাৱটো জানকীয়েও জানে। অকালতে বিধৱা হোৱা জানকীৰ বয়স ত্রিশ-পঁইত্রিশতকৈ বেছি নহয়। সদাই দিয়া পইচাকেইটা আৰু তাইৰ উদং পেটটোৰ মাজত একুৰা জুইহে যেন জ্বলিল। তাইৰ চকুৰ গুৰিত যেন তেজ জমা হৈছে। দুদিন ধৰি লঘোণে আছে তাই, পেটৰ তাড়নাত মণ্ডলৰ চুৰা ধুই হ'লেও কিবা নহয় কিবা ঘৰলৈ নিব, দুটা সন্তান আছে ঘৰত। ভাতৰ ভোক কি সদা মাষ্টৰে নাজানে। প্রচণ্ড পাক এটা মাৰি পেটটো তাইৰ গেঙনি মাৰি উঠিল। তাই কঁপিছে খণ্ডত, ক্ষোভত। ৰাতিপুৱাৰ ঘটনাটো আৰু এতিয়াৰ ঘটনাটো মিলি তাইৰ শৰীৰ, আত্মা অগ্নিদগ্ধ কৰিছে। তপত চকুলো এধাৰি তাইৰ গালৰ ওপৰেদি বৈ আহিল। কাঁথিত তামোল-পাণৰ বঁটাখনত এখন চোকা ছুৰী। আগটো জোঙা, ধাৰাল। তাইৰ খোপাটো খুলি পিঠিখনত সাপ এডালৰ দৰে ভাঁজ লাগি পৰিছে। অসংযত চুলিবোৰ মুখৰ চাৰিওফালে উৰিছে। ক'ব নোৱাৰাকৈ তাই আগবাঢ়ি গ'ল বঁটাখনলৈ। ছুৰীখন হাতত লৈ তাই সদা মাষ্টৰক বিচাৰিবলৈ লাগিল। আলহী ভৰা ঘৰ। জানকীয়ে তাক বিচাৰি অলি-গলি সৰতে চাই ফুৰিছে, ছুৰীখন তাৰ বুকুত সুমুৱাই ইফাল-সিফাল কৰি দিব আজি। তাই ফোঁপাইছে, হাতৰ মুঠিটো আৰু বেছি টান হৈ আহিছে। তাক বিচাৰি জানকীয়ে চোতালৰ মাজেৰে কেইবাবাৰো অহা-যোৱা কৰিছে। কঁকালৰ খোচনিৰ পৰা চাদৰখন খুলি মাটিত চুঁচৰি গৈছে তাইৰ অজ্ঞাতে। এনেতে মণ্ডলৰ চকুত তাইৰ উদ্ভ্রান্ত ৰূপ ধৰা পৰিল। আৰামী চকীত বহি হোকা টানি থকা মণ্ডলে গোসাঁনীক চকুৰে ইংগিত দি কিবা ক'লে। তেওঁৰ কথা গাঁৱৰ কোনেও অমান্য নকৰে। গোসাঁনী দেখাত বেছ ওখ, সুস্বাস্থ্যৱতী, এক মজবুত খোপা, শকত বৈ পৰা এযোৰ ধেনুভিৰীয়া চেলাউৰি, গৌৰবর্ণা। দেখিলেই ভক্তি জাগে। তাহানিৰ এম ভি পাছ। নামঘৰৰ কীর্ত্তন পাঠ তেৱেঁ কৰে। গাঁৱৰ তিৰী-চলি সকলো তেওঁৰ পিছফালে বহি নাম-কীর্ত্তন কৰে। চিলনীয়ে থাপ মৰাদি গোসাঁনীয়ে আহি একে পাকত তাইক হাতত ধৰি পুঁজিৰ পিছফালে লৈ গ'ল। তাই তর্কিবই নোৱাৰিলে। হাতৰ পৰা ছুৰীখন

কাঢ়ি নি খালত দলি মাৰি দিলে। পুঁজিৰ পিছফালে লোৰ বাল্টি এটাত পানী দেখা পাই তাৰে এচলু তাইৰ গায়ে-মূৰে ছটিয়াই দিলে।

"কি হৈছি এ মাই তোৰ, ঠাণ্ডা হও ঠাণ্ডা হও মাই, ইংকে সংসাৰ তৈৰাবী? গিৰি নহ তিৰী, জেউৰা নহ ঘৰ, সক্‌লে গা চুবা আহে, মই জানো এ মাই চব জানো, উপাই নাই মাই ডাঙাৰ মান্‌হুৰ লগত যুদ্ধ কৰ্‌বা নৰা মাই নৰা, চলি দুটাৰ মুখ চাই যৰে কথা ততে থাপি-থুপি থৌ। মোৰ কথা শুন্‌বি মাই। এক জানকী আছিল জনক ৰাজাৰ জী, এক জানকী তই ডাকাল বান্দী। দুয়োৰো একেই দশা। ৰূপে খাই দুয়োকে। ভাল মানুহৰ বেটাও ৰাৱণ ৰূপী ৰাক্ষস হৈ উঠে। সতীৰ গতি নাই মাই, সতীৰ গতি নাই। সমাজত পুৰুষে আকো পৰীক্ষা দিবা নাল্‌গে, কিন্তু পৰীক্ষা দিবা লাগে সতী। অগ্নি পৰীক্ষা। অ, অগ্নি পৰীক্ষা। পুৰুষৰ গাত কোনো চেক নাই, চেকে ধৰবো তোক। তল পৰি মল খাই থাক মাই, মাথা নুতুলবি"।

তাই মাটিৰ মূর্তিৰ দৰে থিয় হৈ থাকিল পুঁজিৰ পিছফালে বহু পৰ। পেটৰ ভোক আৰু জীয়াই থকাৰ স্বার্থত তাই বোবা হ'ব আজি, বোবা। হীৰা আৰু পুতেকৰ কাৰণে প্লাষ্টিকৰ ঠোঙাত ভাত-দাইল-তৰকাৰী মিহলি কৰি সোমাই দিছে গোসাঁনীয়ে। সিদিনা জানকীয়ে কান্দিছিল— এনেকৈয়ে কান্দিছিল। আজি যেনেকৈ ফেঁকুৰি ফেঁকুৰি কান্দিছিল তাই আহোঁতে। পুতেকক কঁকালৰ খেপত লৈ তাইক বাছ ষ্টেণ্ডলৈ আগবঢ়াই থ'বলৈ আহিছিল। কিনকিনীয়া বৰষুণজাক তেতিয়াও দি আছিল। বকুলজোপাৰ তলত সিহঁতে বাছখন অহালৈ ৰৈ আছিল। ঢেৰ বকুল ফুল সৰিছে বৰষুণ পৰি। বকুলজোপাৰ পৰা অলপ আঁতৰত লক্ষ্মী পঢ়া পাঠশালাখন। লক্ষ্মী পাঠশালাত যেতিয়া পঢ়িবলৈ বহে হীৰাই তেতিয়া বকুলজোপাৰ তলত বকুল বুটলি সৰু সৰু মালা গুঁঠে। লক্ষ্মী পাঠশালাৰ পৰা ওলালে তাই লক্ষ্মীৰ সৰু হাত দুখনত মালা দুডাল মেৰাই দিয়ে। নিজৰ হাততো নিজেই পিন্ধি লয়। বকুলজোপা তাইৰ বৰ ভাল লাগে। গোন্ধটো তাইৰ কিমান যে আপোন আপোন। তাইৰ ক'লা হাত-ভৰি দুখন ধূলিৰ চাপ লাগি ধৰে। তাইৰ সেইবোৰলৈ ভ্রূক্ষেপ নাই। লক্ষ্মীৰ লগত তাই ৰং খেলে। নঙলাত কুস্তি মাৰা আৰু গাঁওখনৰ ইঘৰ-সিঘৰৰ বাৰীৰ লেটেকু-জামু বুটলি ফুৰা, ডিম্বেশ্বৰৰ পুখুৰীত গা ধোৱা আৰু মহীপাল দর্জীৰ পেলনীয়া কাপোৰবোৰ আনি চাংগলীত কইনা-দৰা বেজী-সূতাৰে গাঁঠি কইনাজনী লক্ষ্মীৰ, দৰাটো তাইৰ এনেকৈ ভগাই লৈ পিছদিনা বিয়া বিয়া খেলা... সেই একে লগৰ লক্ষ্মীৰ ধুৰেনি। অ, লক্ষ্মীৰ ধুৰেনি। চৈঠাদিনাৰ কথা। মণ্ডলৰ ঘৰৰ চাৰিওফালে ৰঙা-সেউজীয়া ৰঙৰ চামিয়ানা দি ঘেৰ দিছে। মণ্ডলৰ অঙহী-বঙহীৰে ৰভাঘৰ উদুলি-মুদুলি। হিন্দী গীতৰ বাজনা, মানুহৰ কথাৰ গুমগুমনি, আৰু... আৰু... দাইলত মৰা চম্ভাৰৰ গোন্ধটো আহি হীৰাৰ নাকত বিন্ধিছে। লক্ষ্মীক চাবলৈ তাইৰ বৰ মন গৈছে, বৰ মন... কি ৰঙৰ বা মেখেলা-চাদৰ পিন্ধিছে, কপালত জোনালীৰ দৰে টুপ্ টুপকৈ চেলাউৰিৰ ওপৰেৰে আঁকিছে নে নাই বা আৰু হাতত খাৰু-মণি পিন্ধিছে নে নাই তাইৰ চাবলৈ যে কিমান মন গৈছে। কিন্তু তাই নাযায় আজি। সদা মাষ্টৰলৈ ভয় লাগে তাইৰ। সদা হেড পণ্ডিত পাঠশালাৰ। মণ্ডলৰ দুই নম্বৰ পুতেক। দাইলৰ গোন্ধটো আকৌ বতাহত উৰি আহিছে। এখোজ-দুখোজকৈ কেতিয়ানো তাই গৈ চোতালত পাৰি থোৱা ডেস্ক-বেঞ্চ পালে তাই ক'বই নোৱাৰিলে। ডেস্ক-বেঞ্চবোৰ তাই চিনি পাইছে, সেইবোৰ পাঠশালাৰপৰা আনিছে। প্রথমখন বেঞ্চত কোনো বহা নাই। পিছৰবিলাকত গাঁৱৰ দুই-এজন ল'ৰা বহি কথাত মচগুল। তাই ডেস্কখন হাতেৰে ঘঁহি ঘঁহি পাঠশালাত চলিমখাই মাষ্টৰ নাহিলে কিবাকিবি কৰাৰ দৰে কৰি থাকিল। হাঁহি-ফূর্তিৰে ৰভাঘৰ মচগুল। গাঁৱৰ দুজনীমান তিৰোতাই বিয়া গীত জুৰিছে, বিয়া ঘৰ গপ্‌গপীয়া হওক বুলি... "ও ৰে অৱলা সোণাৰ বালা, কি নো চচী দেৱী স্বামী পালা.." জয়মতীৰ খং উঠিল এইবাৰ— কি গীদ দিলা হা কি গীদ? ধুৰেনি-বিয়াত ইগিলা গীদ দেই না কিবা, নেদে আই চিকো.. ধুৰেনিত এইগিলাহে গীদ দেই... "আজিৰ পৰা মইনা তুমি গা..ভৰু হ'লা, গা...ভ...ৰু হ'লা, ঘৰৰ পৰা ওলালে মইনা মাৰাক ক'বা, খোজ কটল চিকুণকৈ দিবা মইনা চিকুণকৈ দিবা"...

গিলাচ দিব লাগিল গাঁৱৰ মোহনে। পাত দিব লাগিল গজেনে। ক'ব নোৱাৰাকৈ তাইৰ ভৰি দুখন বেঞ্চৰ তলত নাচি উঠিল। তাই মাছ-মাংস ভাল নাপায়। তাৰ সোৱাদ তাই ভালকৈ বুজিব পৰা হোৱা নাই। মাহীয়েকৰ বিয়াত তাই দালি দি ভাত খাইছিল। সেইখন দালিৰ গোন্ধ আৰু আজিৰ দালিৰ গোন্ধটো প্রায় একে। তাইৰ মনটো কিবা এটা ভাল ভাল লাগিল। ভায়েকক লৈ আনিব নেকি বাৰু এবাৰ ভাবিলে তাই। এহ নাল্‌গে নাল্‌গে, কি বা কৰে আৰু মণ্ডলৰ পুতাকহাতে। এনেতে ক'ৰ পৰা জানো সদা মাষ্টৰে তাইৰ বাহুত ধৰি প্রায় থপিয়াই তাইক একপ্রকাৰ উৰুৱাই নি দমকলৰ পাৰ পালে। কটকটীয়া হাতৰ মুঠিত তাইৰ হাতখন কান্ধৰ পৰাই যেন ছিগি যাব এতিয়া। দমকলৰ পাৰত তাইৰ হাতখন মুটকী সদাই তাইক চকু ডাঙৰ কৰি ক'লে— "আগ বেঞ্চিত বহা আপী, আগবেঞ্চিত? আগবেঞ্চি তোক লেগিন পাৰি থৈছোঁ নেউলী? দেখা নাই কিমান মান্‌হু খাবা আছে, আগোত মাৰা, আলহী-অতিথি যাৱাৰ পিছত খাবা পাবি না নাই? আৰু... আৰু ৰহ তোক কৈছিলোঁ না যে আমাৰ লক্ষ্মীৰ লগ নহবি। তে তই আৰু কিয়া পিছে পিছে মৰা..."

ঃ এৰি দা হা, আৰ নহওঁ দা লগ, বিঁহেছি হা হাতখান উ...উহ্...উ....

ঃ আগে কওঁ লক্ষ্মী কুনি? কাৰ ঘৰৰ?

ঃ মণ্ডল থেৰ...

ঃ মণ্ডলৰ কি?

ঃ নাইতাক...

ঃ লক্ষ্মীৰ বাপাকে কি কৰে?

ঃ চাকৰি কৰে... হেড পণ্ডিত...

ঃ তোৰ বাইপে?

ঃ পৰশু (পৰশুৰাম)

ঃ পশু...ৰ চলি হমম...

ঃ পখুই কি কৈচ্ছিল ?

ঃ হাইজৰা...

ঃ তে... তে তই কি ভাবি লক্ষ্মীৰ লগ হ ? আজি এৰি দিলোঁ যা, আৰু যদি দেখা পাওঁ তাইৰ লগত তোৰ চামৰা উল্টি যাবো... কৈ থলু।

আছাৰ মাৰি তাইৰ হাতখন সি এৰি দি চোতাল পালে।

সিদিনা আৰু তাইৰ ভাত খোৱা নহ'ল। হাতখনত সদা মাষ্টৰৰ হাতৰ চাপ ৰৈ গৈছিল।

লাইন বাছখনৰ হর্ণৰ বিকট শব্দত তাইৰ তন্দ্রা ভাঙিল। উচাপ খাই উঠাৰ দৰে উঠিল তাই। খিৰিকীৰে কোবাই থকা বতাহে তাইৰ চুলিবোৰ আউল লগালে। সেইবোৰলৈ তাইৰ অকণো ভ্রূক্ষেপ নাই, ডিঙি মেলি হাইদৰলৈ চালে— সি আছে নে নাই। আছে, সি একেটা ভাঁজতে বহি আছে। তাইৰ ভোক লগা পেটটোৱে আৰু যেন একো বাহনা মানি নল'ব, তাই সামান্য থিয় হোৱাৰ দৰে হৈ হাইদৰক উদ্দেশ্যি কিছু ডাঙৰকৈ ক'লে— "কাকা, ভখ লাগ্‌চি"...

হাইদৰে তাইলৈ চাই আগত বাছখন ৰখালে কিবা খুৱাব বুলি কৈ সান্ত্বনা দিলে। মানুহবোৰে দুয়োৰে ফালে ঘূৰি চাইছে। চাওক, চাই থাকক, পেটৰ ভোক সিহঁতে কি জানে। হীৰাই পুনৰ খিৰিকীত হাতখন থৈ চাই গ'ল গছ, পথাৰ, বাঁহনি, খাল, বিল, ধানৰ ডাঙৰি, কাষত কলহ লৈ গৈ থকা তিৰী-আপীৰ জাক, চাইকেলেৰে পাৰ হৈ যোৱা মানুহ, সৰু সৰু গুমটি দোকান, ৰাস্তাত এৰি দিয়া ছাগলীৰ জাক, আৰু কঁকালৰ খেপতে চলি লৈ নঙলাত কাৰোবাৰ মাকবোৰ.... মাক... মাক.. মাকৰ মুখখন ঘপহকৈ চকুৰ আগত ভাঁহি আহিল, হঠাতে চকুৰ পতা তাইৰ সেমেকি উঠিল, তাইৰ সব দুখ-যন্ত্রণা মাকৰ বুকুৰ মাজতে হেৰাই পেলায়। খাৰ নাপালেও মাকৰ বুকুৰ উম তাইৰ কাৰণে আছিল এক বিৰাট সাহসৰ সৌধ।

এই বাদাম বাদাম বাদাম, টেঙা মর্টন, মিঠা বগৰী, এই বা.. দা.. ম...।

বাছখন সামান্য ৰখাৰ দৰে কৰিছিল আৰু সেই তেতিয়াই এটা সৰু ল'ৰাই হাতত খাৰুৰ দৰে এপাট ৰিঙত বাদাম-মর্টনৰ পেকেটবোৰ আঁৰি বাছত উঠি লৈছিল। প্রত্যেকটো ছিটৰ কাষে কাষে সি সুধি গৈছিল লাগে নেকি বাদাম বাদাম... হীৰাই ডিঙি মেলি আকৌ চালে হাইদৰক... নাই সি আগফালে চাই আছে। এবাৰ ঘূৰি চোৱাহেঁতেন তাই বাদাম এক পেকেট ল'ব পাৰিলেহেঁতেন। এনেতে ল'ৰাটো পিছফালৰ দর্জাখনেৰে নামি গ'ল। বাছখন তীব্র বেগে চলিবলৈ লাগিল। ক'ব নোৱাৰাকৈ তাইৰ চকুহাল জাপ খাই আহিল।

আদাবাৰী, আদাবাৰী বুলি গলগলীয়া মাতেৰে কণ্ডাক্টৰজনে তাইৰ কাণৰ কাষত চিঞৰি দিয়া যেন পাই তাই উচাপ খাই উঠিল। মানুহবোৰ নামিব লাগিছে। হাইদৰ নামিছে। খপ্‌জপকৈ তায়ো নামিল। ভৰিৰ হাৰাই চেণ্ডেলযোৰৰ ফিটা দুডাল তাইৰ ভৰিৰ জোখতকৈ ডাঙৰ, দাং খাই থকা। লৰক-ফৰককৈ তাই আগবাঢ়িল হাইদৰৰ পিছে পিছে। হাইদৰ বহু আগত আৰু তাই বহু পিছত... এনেদৰে কিছুদূৰ যোৱাৰ পাছত এখন ৰিক্সাত হাইদৰ উঠিল। তায়ো উঠি ল'লে। আগে-পিছে তাই ৰিক্সাত উঠি পোৱা নাই। য'ত যায় খোজকাঢ়িয়ে যায় মাকৰ লগত। কিছুদূৰ গৈ ৰিক্সাখন ৰ'ল। হাইদৰে ১০ টকা দি ৰিক্সাখন এৰিলে। দুয়ো পুনৰ গুৱাহাটীৰ ৰাস্তাত খোজকাঢ়ি গৈ থাকিল। গাড়ী-মটৰৰ শব্দ আৰু গাৰ কাষেৰে পাৰ হৈ যোৱা মটৰ চাইকেলবোৰ দেখি তাইৰ এধানিমান বুকুখন কঁপি উঠিল। "কাকা আৰু কিমান দূৰ হা" বুলি তাই হাইদৰক সুধিলে। "পালোৱে দে আৰ বেছি দূৰ নাই" বুলি কৈ সি এখন গুমটি দোকানত ৰ'ল। তাইক এটা পপ আৰু একাপ চাহ খাবলৈ দি সি দোকানৰ পিছলৈ গৈ চিগাৰেট এটা জ্বলালে। কিছুপৰ ৰৈ দুয়ো সৰু গলি এটাৰে আগবাঢ়িল। এটা দুমহলীয়া ঘৰ। গেটখন খুলি দুয়ো সোমাই গ'ল। বাৰাণ্ডাখনত হাইদৰে বেল বজাই দিয়াত শকত মানুহ এজনী ওলাই আহিল কোলাত বগা কুকুৰ এটা লৈ।

ঃ ও হাইদৰ আহিছ, আহ ইয়াতে বহ। মানুহজনীয়ে বেটৰ মুঢ়াটো আগবঢ়াই দি তাইলৈ চালে।

ঃ হেঃ কি পেন্দুকনা ছোৱালী আনিছ ও এইজনী, কি কামত আহিব ক', ইমান সৰু ছোৱালী মোক নালাগে হাইদৰ নাঃ... নাঃ... তই বেলেগ আনি দে...।

ঃ তাই সদায় সৰু হৈ নেথাকে বাইদেউ, আপী চলি পৰপৰকৈ বাঢ়ি যাব। দুই দিন... দুই দিনমান ভালকৈ খোৱা-বোৱা কৰিলেই হ'ল। বৰ গৰিব মানুহ, তাইক ৰাখিলে পুণ্য হ'ব। ৰাখক বাইদেউ, আৰ বেলেগ নাই কোনো গাঁৱত, কায়ো নাহে বাইদেউ।

হীৰাৰ ফালে চাই হাইদৰে ক'লে,— মাই তই ভালকে কাম বন কৰ্‌বি। বাইদেউ যি কয় শুন্‌বি।

মানুহজনীয়ে তাইৰ ফালে কিছু নিৰীক্ষণ কৰি ভিতৰ সোমাল। হাইদৰ আৰু তাই বাৰাণ্ডাখনতে ৰৈ থাকিল। কিছু সময় পাছত মানুহজনী ওলাই আহি হাইদৰক কেইটকামান দি বিদায় দিলে। হাইদৰ যাবলৈ ওলাল। কাঠৰ গেটখন খুলি সি এবাৰ ঘূৰি চালে। হীৰা তাৰ পিছে পিছে গেটখনলৈ গৈ তাৰ মুখলৈ চাই কিবা ক'ব খোজা যেন পাই সি তাইৰ মূৰটো পিহি দি "যাওঁ দে মাই তই থাক, নাকেনবি, মই আহি থাকিম মাজে মাজে।" তাইৰ নির্জীৱ শুকান মুখখন দাঙি তাই অস্পষ্টভাৱে ক'লে— "মোক ভাত খাবা দিবো না কাকা..... মই চব কাম কৰিম দা, চব কাম। মই ৰং নেখ্‌লাও, বকুলৰ মালাও নুগুঁঠো, পেটৰ বিষ বুলিও নকওঁ... মাইক লগি মনত পইল্লিও না....কা....ন্দু.....

পাগলাদিয়াৰ ধল তাইৰ চকুৰ পাৰ ভাঙি দুগালেৰে বৈ আহিল।

অদূৰত মগৰীবৰ আজান দিছে। হাইদৰৰ বুকুত যেন নামঘৰৰ দবাৰ কোব পৰিছে। অ দবাৰ কোব, দবাৰ কোব ! !❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা

ভকত সেৱা

ভাৰতী দাস মোদক

নীলাই গিৰীয়েক প্রিয়মক বজাৰৰ লিষ্টখন দি ক'লে— হে'ৰা, এইখন লোৱাচোন তুমি এই বস্তুখিনি মোক আনি দিবা। প্রিয়মে লিষ্টখন চাই ক'লে— কিবা পাতিছা নেকিহে মাছ, মাংস, কণী, দৈ, মিঠাই, পাচলি ইমানবোৰ বস্তু লাগে যে কোনোবা আলহী আহিব নেকি? ও আহিব। মই কাইলৈ ভকত সেৱা এভাগ পাতিব লৈছো। নীলাই গিৰীয়েকৰ মুখলৈ নোচোৱাকৈয়ে কথাকেইটা ক'লে। ভকত সেৱা? প্রিয়ম আচৰিত হ'ল আৰু ক'লে— নীলা, তোমাৰ এই ভকত কেইজনে মাংসও খাব নেকি? 'অ' খাব। সেৱা ভাগ ল'ম বুলি ভাবিছোঁ যেতিয়াই সকলো ৰান্ধিম। তুমি কেৱল বজাৰখিনি কৰি দিবা। বাকী সকলো মই কৰিম। এই বুলি কৈ নীলাই কামত লাগিল। নীলাৰ এই ভকত সেৱা আয়োজন কৰা কথাটো প্রিয়মে বৰ এটা ভাল নাপালে যদিও মানাও নকৰিলে আৰু লিষ্টখন সামৰি থ'লে।

দেওবাৰৰ দিনটো কেৱল শুবলৈয়ে নহয় দেই। শোৱাৰ বাহিৰেও আৰু বহুত কাম থাকে। উঠা উঠা দেৰি হ'ব এতিয়া। ভকত পাবহিয়ে এতিয়া। নীলাৰ চিঞৰত প্রিয়ম শোৱাৰ পৰা উঠি বহিল। চাহকাপ খাই লৈ কলপাত কাটিলে। ভকত বহা ৰূমটো চাই আহি ক'লে— নীলা তুমি ইমান শক্তি ক'ত পোৱাহে চকী, টেবুল সকলো অকলেই বাহিৰলৈ আনিলা। মানিছো দেই তোমাক। নীলাই ক'লে— শুনাচোন, মোৰ ডালি, ভাজি, মাছৰ আঞ্জা হ'লেই। মাংস আৰু ভাতকেইটা হ'লেই হ'ব। তুমি ভকত বহা ৰূমটোত পাটী আৰু কঠকেইখন পাৰি দিয়া আৰু ভকতক ভৰি ধুৱাবলৈ পদূলিত পানীৰ বাল্টিটো আৰু গামোছাখন সাজু কৰি থৈ গা-টো ধুই আহাগৈ। মাইনাও হোষ্টেলৰ পৰা আহি পাবহি। কথাখিনি কৈ কৈ নীলাই পাগঘৰলৈ সোমাই গ'ল। প্রিয়মে পানীৰ বাল্টিটো দাঙি পদূলি মুৰত থ'বলৈ গ'ল। গেটখন খুলিয়ে প্রিয়মে দেখিলে জীয়েক পল্লৱীয়ে ৰিক্সাৰ পৰা নামিয়ে দেউতা বুলি মাতিলে। অ' তই আহি পালিয়ে, আহ আহ বুলি কৈ তাইৰ হাতৰ পৰা বেগটো লৈ দুয়ো ভিতৰলৈ সোমাই গ'ল।

নীলাই খৰখেদাকৈ কামবোৰ কৰি আজৰি হ'ল। পল্লৱীয়েও মাকক কামত সহায় কৰি দিলে। নীলাই শৰাইখন সজাই চাকি-বন্তি জ্বলাই দিলে। এজন এজনকৈ তিনিজন ভকত আহি পালেহি। তিনিজনৰ এজনী মহিলা। বয়স প্রায় ষাঠিৰ ডেওনা পাৰ হৈছে। এজনৰ পঞ্চলিছমান হ'ব আৰু আনজনৰ সত্তৰ মানৰ ওচৰা-উচৰি হ'ব। নীলাই তিনিওজনকে পদূলিত ভৰি ধুৱাই ভিতৰলৈ আদৰি আনি বহিব দিলে। প্রিয়মে ডিঙিত এখন গামোছা লৈ ভকতকেইজনক মাত লগাবলৈ গ'ল। এনেতে মহিলাগৰাকীয়ে প্রিয়মক দেখি মাত দিলে। দাদা ভালনে? প্রিয়মে মুখৰ ফালে চাই আচৰিত হ'ল। 'অ' নানী দেখোন, ইমান বছৰৰ মূৰত? আজিকালি তই ক'ত থাক? দাদা, আজিকালি মই কাম নকৰো নহয়। ল'ৰাই চাকৰি কৰে। মই তাৰ লগতে সোণাপুৰত থাকো। খবৰটো শুনি বৰ ভাল পালো নানী। তই যে ইমান কষ্ট কৰি ল'ৰাটো মানুহ কৰিলি। প্রিয়মে নানীৰ লগতে বাকী দুজনকো নমস্কাৰ জনাই বহিবলৈ কৈ ভিতৰলৈ গ'ল। নীলাই বটাত তামোল-পাণ আৰু অৰিহণা দি ভকতৰ ওচৰত আঁঠু লৈ প্রার্থনা এফাঁকি গালে। আটাইকেইজনে লগ হৈ জনাই-নজনাই কেইফাঁকিমান ঘোষা গালে। নাম গোৱা শেষ হোৱাৰ পাচত নানীয়ে প্রসাদ বিলাই দিলে। নীলাই ভিতৰলৈ গৈ তিনিওজনলৈ খোৱাৰ যোগাৰ কৰিলে। খাবলৈ দি পল্লৱীকো মাতি তিনিওজনে ভকতৰ ওচৰত আঁঠু লৈ সেৱা কৰিলে। ভকতেও তেওঁলোকক সুন্দৰকৈ আশীর্বাদ দিলে। পৰম তৃপ্তিৰে তিনি ভকতে খাদ্য গ্রহণ কৰিলে। নীলাই তিনি ভকতৰ বাবে আনি থোৱা সাজকেইযোৰ হাতে হাতে তুলি দিলে। কিছু পইচাও খামত ভৰাই তিনিজনকে দি বিদায় সেৱা ল'লে। নীলাই ভকতকেইজনক পদূলিলৈ আগবঢ়াই দি মাজে-সময়ে আহি থাকিবলৈও ক'লে। ইমান বছৰৰ মূৰত ভাবি থোৱা কামফেৰা সুকলমে হৈ যোৱাত নীলাই বৰ সুখ অনুভৱ কৰিলে।

প্রিয়মৰ কিন্তু এই তিনি ভকতৰ কথা জানিবলৈ বৰমন গৈ আছিল। সেয়েহে সি নীলাক কথাটো সুধি পেলালে— নীলা তোমাৰ তিনি ভকতৰ বিষয়ে অলপ ক'বা নেকি? মই একো বুজিব পৰা নাই। তেওঁলোকৰ বাবে তুমি এইখিনি কৰাৰ কাৰণ কি? এনেতে পল্লৱীয়েও কাষতে আহি বহিলহি— অ' মা, ময়ো একো বুজি পোৱা নাই। বৰমাহঁতৰ ঘৰত 'ভকত সেৱা' বহুত বেলেগকে কৰে। ভকতে নাম গায়, খোল বজায়, বৰ তাল বজায়। আমাৰ ঘৰত সেইবোৰ একো নকৰিলে দেখোন। নীলাই ক'লে— শুনা তেনেহ'লে মই এই তিনিজনক মোৰ মনত কিয় ভকতৰ স্থান দিছো। এই যে মহিলাজনী দেখিলা তাই এগৰাকী মানুহৰ ঘৰত কাম কৰা মহিলা আছিল। মাজনী তুমি যেতিয়া সৰু আছিলা তোমাক এই নানীৰ লগতে এৰি থৈ মই স্কুললৈ গৈছিলোঁ। তাই তোমাক খোৱাইছিল, ধুৱাইছিল, শুৱাইছিল, তোমাৰ লগত তাই বহুত কষ্ট কৰিছিল। মোক তাই বিশ্বাস দিছিল। মই তোমাক তাইৰ ওচৰত নিৰাপদে এৰি গৈছিলোঁ। তাইৰ অন্তৰত মই মানৱতা দেখা পাইছিলোঁ। এই গুণখিনিৰ বাবেই মোৰ মনত এক বিশেষ স্থান পাইছে।

দ্বিতীয় ভকতজন হৈছে এজন ৰিক্সাচালক। তেওঁৰ নাম কি মই নাজানো। প্রায় বিশ বছৰমান আগতেই তেওঁক মই লগ পাইছিলোঁ। ডিঙিত এখন গামোছা লৈ থাকে বাবে প্রায় মানুহে তেওঁক ভকত বুলিয়েই মাতিছিল। তেওঁৰ ব্যৱহাৰ নম্ৰ, ভদ্ৰ আৰু অমায়িক আছিল। সেয়েহে ময়ো তেওঁক ভকত বুলিয়ে মাতিছিলোঁ। হয়তো তেওঁ মোৰ বাবেই ৰৈ থাকে। শুনা মাইনা, এবাৰ তোমাৰ টাইফয়দ হৈছিল। তোমাক মেডিকেলত ভর্তি কৰিছিলোঁ। দেউতা তেতিয়া চাকৰি সূত্রে বাহিৰত আছিল। মোক সহায় কৰিবলৈ কোনোৱে নাছিল। ডাক্তৰে লিখি দিয়া ঔষধ, চেলাইন আদি আনি দিবলৈ মানুহ বিচাৰি পোৱা নাছিলোঁ। তোমাক এৰি মই বাহিৰলৈ ওলায়ো আহিব নোৱাৰো। কি কৰিম নকৰিম ভাবি থাকোঁতেই এনেতে দেখিলো ভকতে এজন ৰোগীক ধৰি ধৰি লৈ মেডিকেলৰ ভিতৰলৈ সোমাই আহিছে। মই ভকতক দেখি হাততে স্বর্গ ঢুকি পোৱা যেন পালো। তেওঁ নিজেই আগবাঢ়ি আহি মাত দিলে— কাৰ অসুখ বাইদেউ? মোৰ অসুবিধাখিনি বুজি ভকতে ঔষধৰ কাগজখন লৈ ওলাই গ'ল। আধাঘণ্টামানৰ পাচত ভকত আহিল আৰু মোক ঔষধৰ টোপোলাটো হাতত দি ক'লে— বাইদেউ, অলপ দেৰি হ'ল ঔষধখিনি ওচৰত নাপালো বাবে। সেই সময়ত ভকতক কি বুলি কৃতজ্ঞতা জনাম কি ক'ম ভাবি কেৱল কান্দিছিলোঁ। সি ঔষধৰ টোপোলাটো দি আঁতৰি গৈছিল। সেই দিনটোৰ কথা মনত পৰিলে আজিও চকুলো ওলায়। কি জানা প্রিয়ম যদিও মই ভাবিছিলো ভকত গুচি যোৱা বুলি কিন্তু সি যোৱা নাছিল। অলপ পিচতে এটা গিলাচত মোৰ বাবে চাহ আৰু বিস্কুট এপেকেট লৈ আহিছিল। মোৰ এনে লাগিছিল সি যেন মোৰ কোনোবা জনমৰ ভাই। যাবৰ সময়ত সি মোক কৈছিল— বাইদেউ, চিন্তা নকৰিব। মই এইফালে ভাড়া লৈ আহিলে মাইনাৰ খবৰ লৈ যাম। মই ভকতক কেতিয়াও সুধা নাছিলোঁ তাৰ ঘৰ ক'ত বুলি। ভকতক বিচাৰোতে মোৰ বহু বছৰ লাগিল। অসমীয়া ৰিক্সাচালক পালেই মই ভকতৰ কথা সোধো। অৱশেষত সৌ সিদিনা এজন পু�ৰণা ৰিক্সাচালকৰ যোগেদি ভকতৰ লগত যোগাযোগ হ'ল। কথা কৈ থাকোঁতে নীলাৰ চকুলো বৈ আহিছিল। চকুপানী দেখি পল্লৱীয়ে ক'লে— মা নাকান্দিবা না। নহ'লে ময়ো কান্দি দিম। প্রিয়মৰ উৎকণ্ঠা বাঢ়ি গ'ল। ইমান সময়ে নীলাৰ কথা মনে মনে শুনি থকা প্রিয়মে কৈ উঠিল— কোৱা নীলা কোৱা। তিনি নম্বৰ ভকতজন কোন? মোৰ জানিবলৈ বৰ মন গৈছে।

নীলাই কৈ গ'ল— সেইয়া আছিল কভিডৰ সময়। লকডাউন চলি আছিল। প্রিয়মে ক'লে— অ' তেতিয়াতো মই হাস্পতালত আছিলোঁ। নীলাই ক'লে— তুমি আইচিইউত আছিলা। মহামাৰীৰ সময়ত সকলো মানুহ ঘৰৰ ভিতৰতে আছিল। গাড়ী-মটৰো চলা নাছিল। তেনে সময়তে তোমাক তেজৰ প্রয়োজন হৈছিল। হাস্পতালৰ বাৰাণ্ডাত বহি মই তেজ কেনেকৈ যোগাৰ কৰিম চিন্তাত বুৰ গৈ আছিলোঁ। তেতিয়াই মই এইজন ভকতক লগ পাইছিলোঁ। তেওঁৰ নাম আবেদুৰ ৰহমান। আবেদুৰে তাৰ মাকক চিকিৎসাৰ বাবে ভর্তি কৰিছিল। মোৰ সমস্যাৰ কথা শুনি তেওঁ তোমাক তেজ দিবলৈ সাজু হ'ল। জানা প্রিয়ম, সেই সময়ত আবেদুৰক মোৰ ভগৱানৰ দূত যেন লাগিছিল। যিজনৰ তেজৰ বিনিময়ত মই মোৰ কপালৰ সেন্দূৰকণ আজিও আঁকি আছোঁ সেইজনক মই কেনেকৈ পাহৰিম কোৱা। প্রিয়ম, আবেদুৰে মোক কি কৈছিল জানা? খুড়ী, তেজৰ কোনো জাত নাথাকে তেজৰ গ্রুপহে বেলেগ বেলেগ থাকে। তেওঁ পেছাত এজন ৰং মিস্ত্রি। কোনোদিনে লগ নোপোৱা এজন ল'ৰাই তোমাক ৰক্তদান কৰি তোমাৰ জীৱনটো ৰক্ষা কৰি যি মহানুৱতাৰ নিদর্শন দাঙি ধৰিলে তেওঁ মোৰ মনত এজন সঁচা ভকত। মাকৰ কথাবোৰ শুনি এইবাৰ পল্লৱীৰ চকুপানী ওলাই আহিল।

প্রিয়মে নীলাৰ মূৰটো বুকুৰ মাজত সুমুৱাই লৈ মৰমেৰে ক'লে— তুমি আজি এটা বহুত মহান কাম কৰিলা নীলা। মই বৰ লজ্জিত। কিয়নো আজি মই এওঁলোকক দেখি মনতে এটা ভুল ধাৰণা লৈ আছিলোঁ। সেয়েহে তোমাক কৈছিলোঁ ভকত বিচাৰি নাপালে আৰু। ইমানবোৰ কথা তুমি মোক কেতিয়াও জনোৱা নাছিলা। মোতকৈ তোমাৰ চিন্তাধাৰা বহু ওপৰত। মোক ক্ষমা কৰি দিবা। সঁচাকৈয়ে নিঃস্বার্থভাৱে এই তিনিওজনে আমাৰ পৰিয়ালটিৰ বাবে যিখিনি কৰিছে তাৰ বিনিময়ত আমি আজি তেওঁলোক একো দিব নোৱাৰিলোঁ।

প্রিয়মে অনুভৱ কৰিলে যে, যাৰ অন্তৰত দয়া-মৰম, মহানুৱতা, মানৱতাৰ সাগৰ থাকে তেওঁলোকেই সঁচা অর্থত ভকত। কর্মৰ দ্বাৰাই মানুহে উচ্চ আসন পায়, মানুহৰ অন্তৰত স্থান পায়। নীলা তুমি আজি মোৰ চকু মুকলি কৰিলা। তোমাক লৈ মই গৌৰৱ অনুভৱ কৰিছোঁ।


তিনিওজনে বুজাব নোৱাৰা এক প্রাপ্তিৰ আনন্দ ভগাই ল'লে।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা শিক্ষয়িত্রী, গীতানগৰ হাই স্কুল



ব্যঙ্গ লেখা




GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার

কাণ্ড পপুলেছন

ড° ৰতিকান্ত পাঠক



"লেণ্ড অব্ ৰাইজিং ছান"— মানে সূর্য উঠা দেশখনত হঠাতে এটা ডাঙৰ সমস্যাই দেখা দিলে। সমস্যাটো পশুপালন অর্থাৎ ভেটেৰিনাৰী ডিপার্টমেন্টৰ। এই বিভাগৰ মিনিষ্টাৰক হঠাতে এটা ডাটা লগা হ'ল। তাকো দুদিনৰ ভিতৰত। ডাটাও বেলেগ নহয়, গৰুৰ। কাণ্ড পপুলেছনৰ। হামিয়াই, হিকটিয়াই পিছফালে বহি থকা বিৰোধীপক্ষৰ এম এল এ এজনে ইলেকছনৰ আগে আগে তেওঁৰ নামটো কাগজত, টি. ভি. ৰেডিঅ'ত ওলাওক বুলিয়ে হ'বলা হঠাতে এছেম্বলীত প্ৰশ্ন তুলিলে— মিল্ক প্ৰডাক্ছনৰ নামত, গৰুৰ চিকিৎসা, উন্নয়নৰ নামত যে কোটি কোটি টকা খৰচ হয়, ৰাজ্যখনত প্ৰকৃততে কিমানটা গৰু আছে? একোটা গৰুৰ নামত বছৰি কিমান টকা চৰকাৰে খৰচ কৰে?

একেবাৰে গছত গৰু উঠা টাইপৰ প্ৰশ্ন। মিনিষ্টাৰো বিপদত পৰিল। এইখন ৰাজ্যত মানুহৰ হিচাপ ৰখাটোৱে টান হৈ পৰিছে। কোনোবা আহে লুঙি-দাঢ়ি লৈ, কোনোবা আহে গাখীৰৰ জগ লৈ। আহেহে আহে, ওলাই নাযায়। হিচাপটো কাৰো তাত নাথাকে। এতিয়া গৰুৰ হিচাপ কেনেকৈ ক'ৰ পৰা দিয়ে। কিবা এটা ফিগাৰ এছেম্বলীত দাঙি নধৰিলে গা সাৰিব নোৱাৰি। তেওঁ নিজে পশুধন মানে জীৱ-জন্তু বিভাগৰ মিনিষ্টাৰ। মান-ইজ্জতৰ প্ৰশ্ন আছে। ছেক্ৰেটাৰীৰ এভাইছ মতে লগে লগে ভেটেৰিনাৰীৰ ডাই�ৰেক্টৰলৈ মেছেজ দিয়া হ'ল, ই-মেইল পঠোৱা হ'ল। ম'বাইলেৰে পার্চনেল কনটেক্ট কৰা হ'ল। এছেম্বলীৰ প্ৰশ্ন। দুদিনৰ ভিতৰত ডাটা লাগে। ম'ষ্ট আৰ্জেণ্ট।

মেছেজ, ই-মেইল, ফোন পাই বেচেৰা ভেটেৰিনাৰীৰ ডাইৰেক্টৰৰ সুখনিদ্রা হৰিল। তেওঁৰ বাৰ, তেৰ, চৈধ্য বাজি গ'ল। মিনিষ্টাৰৰ ছেক্ৰেটাৰীৰ ম'বাইলৰ ৰিংটোনটোৱে বুকুত প্ৰচণ্ড খুন্দা এটা মাৰিলে। গৰুৰ হিচাপ ৰাখিবলৈ, গৰুৰ নামত হোৱা খৰচৰ হিচাপ ৰাখিবলৈ তেওঁ ইমান মূৰ্খ, কিবা বোলে গৰু নেকি? জিলাইজিলাই এখন ডিছপেনছেৰী আছে, ডাক্তৰ আছে, কম্পাউণ্ডাৰ আছে, চকিদাৰ আছে, কো�ৰাৰ্টাৰ আছে, গাড়ী আছে, ট্ৰাৰ আছে, মিটিং আছে, ছেমিনাৰ আছে, টিএ, ডিএ আছে। এইবিলাকৰ নামত যি খৰচ হয় সেইখিনিয়ে গো উন্নয়নৰ খৰচ। মিনিষ্টাৰে এই চিম্পল কথাটো জানিও নজনাৰ, দেখিও নেদেখাৰ ভাও জুৰিছে কিয়? ক'ত কেইটা গৰু আছে, কেইটা গৰু কাঁইটীয়া তাঁৰৰ বেৰ পাৰ হৈ সিপাৰৰ দেশখনলৈ গ'ল, গৰুৰে দানা, খেৰ নে ঘাঁহ খাইছে, নে শুদা পেটে থাকি লেৰেলা-চেপেটা হৈছে, চৰকা নে ডিছেণ্ট্রি হৈ মৰিছে, নে বানপানীত উটি গৈছে, হাল টানিছে নে গাখীৰ দিছে— এইবোৰৰ হিচাপ ৰাখি মাথা খাৰাব কৰিবলৈ ডাইৰেক্টৰ, জইণ্ট ডাইৰেক্টৰ, এছিছটেণ্ট ডাইৰেক্টৰে নিজে একো একোটা গৰু হ'লেহে হ'ব। উপায় নাই। মিনিষ্টাৰৰ অর্ডাৰ। ডাটা এটা দিবই লাগিব। নহ'লে এক্ছন ল'ব। ট্ৰেন্সফাৰ অর্ডাৰ হ'ব, ছাচপেন হ'ব। পিছত গৰুক এৰি মানুহক সেৱা-শুশ্ৰূষা কৰি, ভাৰভেটি দি অর্ডাৰ কেনছেল বা ষ্টে কৰাব লাগিব। বৰ ঝামেলা। একেবাৰে লেতেৰা। মাথা গৰম হোৱা কাৰবাৰ। ডাউন হৈ থকা ব্লাডপ্ৰেছাৰ আৰু ছুগাৰ লেভেল আপ্ কৰা কথা।

ভেটেৰিনাৰী ডিপার্টমেন্টৰ হেড্ অফিছত, ডাইৰেক্টৰৰ ছেম্বাৰত ইমিডিয়েটলি এখন ত্ৰিকোণীয় বৈঠক কল কৰা হ'ল। ডাইৰেক্টৰ, জইণ্ট-ডাইৰেক্টৰ আৰু এছিছটেণ্ট ডাইৰেক্টৰ ন বজাতে অফিছত আহি হাজিৰ। লগত আছে কম্পিউটাৰ অপাৰেটৰ আৰু পিয়ন এজন। দেওবাৰ। ইমার্জেন্সী কামত ছেটাৰডে, ছানডে বোলা কোনো কথা নাথাকে। মিছেছৰ বার্থডে, মেৰেজ এনিভাৰছেৰী, পুত্ৰ-কন্যাৰ দিল্লী-বাংগালুৰুত এডমিছন, হেলথ্ ছেকআপ, কনফাৰেন্স, ট্যুৰ আদি কাৰণত তেওঁলোকে অফিছ কৰিব নোৱাৰে। সেইবোৰ নর্মেল কথা। আজিৰ কথাটো এব্নৰমেল। ব্যতিক্ৰম।

তিনিওজনে তিনিখন চকীত বহি মূৰে-কপালে হাত দি আছে। ডাইৰেক্টৰ দত্তৰ খংটো মিনিষ্টাৰৰ ওপৰত নহয়, সেই এম এল এজনৰ ওপৰতহে। শুই বাগৰি থকা সেই গাধটোক গৰুৰ হিচাপ বিচাৰিবলৈ কিহে পাইছে? খোজে যদি বাংলাদেশীৰ হিচাপ খোজক। অসম চুক্তি কৰি বত্ৰিশ বছৰত কেইটা বাংলাদেশী খেদিলে তাৰে হিচাপ লওক। ইমান হট ন'টিছত তেওঁ এতিয়া নথকা বস্তু এটাৰ হিচাপ ক'ৰ পৰা কেনেকৈ দিয়ে।

মূৰৰ পাছফালে হাত এখন নি ডাই কৰা ক'লা-বগা চুলিখিনিত হাত ফুৰাই জইণ্ট ডাইৰেক্টৰ শইকীয়াই মাত লগালে, "ছাৰ, আমাৰ ষ্টেটৰ এভ্রি ডিষ্ট্রিকত থকা ভেটেৰিনাৰী ডিছপেনছেৰীবোৰৰ লগত কনটেষ্ট কৰিলে কিবা এটা ডাটা পোৱা যাব নেকি?"

"আপোনাৰো যে আৰু কথা। আপুনি কেতিয়াবা সেই ডিপেনছেৰীৰোৰলৈ গৈ পাইছেনে? ভাত ডাক্তৰ থাকেনে? কোৱার্টাৰৰোৰৰ অৱস্থা দেখিছেনে। মানুহে তালৈকে গৰু-ছাগলী আনি মাৰিলেহে হ'ব। মেডিছিন, ইনজেক্ছন নে কিবা ইনষ্ট্রুমেণ্ট আছে? আৰু ডাক্তৰে গাঁৱে গাঁৱে ঘূৰি গৰুৰ ছাৰ্ভে কৰিব নেকি? নাই, কনটেক্ট কৰি একো লাভ নহ'ব। 'ডাই�ৰেক্টৰ' দত্তই ছিগাৰেট হুঁপি হুঁপি এক নিৰাশাজনক উত্তৰ দিলে।

"ছাৰ, মই এটা কথা ভাবিছো।" এইবাৰ এছিষ্টেণ্ট ডাই�ৰেক্টৰ বৰুৱাই মুখ খুলিলে। দত্ত আৰু শইকীয়াই মূৰ তুলি চালে।

"আমাৰ ষ্টেটত নেপালীৰ খুঁটি কিমান আছে আৰু সেই ফার্মৰোৰত কিমানটাকৈ গৰু আছে তাৰ হিচাপটো পালেই প্ৰব্লেম চ'লভ হ'ব ছাৰ। কাৰণ অসমীয়া মানুহে মোটামুটিভাৱে গৰু পুহিবলৈ এৰিছেইবুলিব পাৰি। দুই-চাৰিটা লেৰেলা-চেপেটা যি 'দেচী' গৰু আছে সেইখিনি প্লাছ কৰি দিলেই হ'ল। এতিয়া গৰু বিহু পাতিবলৈকো নেপালীৰ পৰা টেণ্ট হাউছৰ বস্তু অনাদি গৰু ভাড়া কৰি আনিবলগীয়া হৈছেগৈ।"

"চাওক বৰুৱা। অসমীয়া মানুহে গাইনুপুহিলেও হালৰ গৰু হালতো পোহে। হালবোৱা যি এমুঠিমান অসমীয়া আছে সিহঁতৰ ঘৰত আধামৰা, ছাল-বাকলি যোৱা টাইপৰ হ'লেও গৰু কিছু আছে। দুই-এজনী গাই, দমৰা, দামুৰি, ছেউৰী জাতীয় কিবা কিবিও নিশ্চয় আছে। চৰ-চাপৰিত থকা মানুহবোৰৰো গৰু আছে। সেই হিচাপখিনিও লাগিব। ক'ত পায় কওকচোন। সেইখিনিহে আচল আই মিন লোকেল গৰু।" ডাইৰেক্টৰ দত্তই কথাখিনি ক্লিয়াৰ কৰি দিলে।

"তেন্তে আমি এইবাৰ ডাটা-ছাটাৰ কথা বাদ দি এছেম্বীলত কুৰেশন কৰা সেই এম এল এটোকে দেখা কৰা ভাল হ'ব নেকি ছাৰ। তাক কিবাকৈ মেনেজ কৰিব পাৰিলে সি নিজেই প্ৰশ্নটো উঠাই ল'ব। আজিকালি এম এল এ, এম পি এইবোৰ বজাৰত কিনা-বেচা হৈ থকা বস্তু। হৰ্ছ ট্ৰেডিং, বাফেলো ট্ৰেডিং, গোট ট্ৰেডিং কত কি চলি আছে। আমি নহ'লে কাও ট্ৰেডিঙকে কৰো।"

বৰুৱাৰ কথাত আটাইকেইজনে ৰস পালে যদিও শুকান পাহাৰত দুটোপালমান বৰষুণ পৰাৰ দৰেহে হ'ল। ডাইৰেক্টৰ দত্তই ক'লে— "নাযাব। এনেবোৰ ইছ্যুত এম এল এ কিনা নাযায়। ইম্পছিবল্। আৰু কিনিবলৈ ইমানবোৰ টকা পাব ক'তহে। দামী হোটেলত ৰাখি, গাড়ীত তুলি নিজে চলাই আহি সেই এম এল এটোক এছেম্বীলত থৈ আহিব পাৰিব? ঘৈণীয়েক, পুত্ৰ-কন্যাৰ নামত গাড়ী উপহাৰ দিব পাৰিব? নাই, নাই, এইবোৰ ৰিস্ক ল'ব নোৱাৰি। বাদ দিয়ক। অন্য কিবা আইডিয়া আছে যদি কওক।"

সময়বোৰ পাৰ হৈ গৈ আছে। তিনিওৰে মাজে সময়ে একেলগে "খানা" আৰু "পীনা" কৰাৰ অভ্যাস আছে। অৰ্ডাৰ মতে পিয়ন বৰ্মনে এটা ফুল চাইজৰ ডাইৰেক্টৰ স্পেচিয়েল আনি তিনিটা গিলাচ, পানী আৰু কিবা কিবি ফ্ৰাইৰ টোপোলাটো টেবিলত ৰাখি দুৱাৰখন বন্ধ কৰি থৈ গ'ল। এনেধৰণৰ টেনছন, ইয়াৰ এণ্ডিং, ফেষ্টিভেল আদি আহিলে তিনিও দিন-ৰাতিৰ সীমা পাৰ হৈ গোলাপী নহ'লেও ছিজনফ্লাৰাৰৰ নিচাত ডুব যায়।

তিনিও কথাবোৰ ভাবি আছে। সূর্য উঠা দেশত কিমানখন গাঁও আছে, এখন গাঁৱত কিমান মানুহ থাকে, প্ৰতিঘৰত বছৰত কেইটা গৰু জন্মে। কেইটা মৰে। কেইটা বিক্ৰী কৰে? গৰুৰে হাল বায় নে ট্ৰেক্টৰ চলায়। পাহাৰৰ জিলা দুখনত শিল, জংঘলৰ মাজত গৰু ৰাখে নে নাৰাখে। ইমানবোৰ ডাটা পাবলৈ ছেন্ছাছ্ কৰিব লাগিব। প্ৰজেক্ট বনাব লাগিব। বাজেট লাগিব। মেনপাৱাৰ লাগিব। কম্পিউটাৰত ক্লিক্ কৰিলেই ডাটা নোলায়। আৰু সেই এম এল এটোক হঠাতে গৰুৰ ডাটা লগা হ'লনো কিয়? সি গোপনে কিবা কনট্ৰেক্ট কৰে নেকি? গৰৰ দানা, গৰুৰ ঔষধ ছাপ্লাইৰ নামত মিনিষ্টাৰ আৰু নিজৰ পকেটৰ, বেংক একাউণ্টৰ, গুপ্ত ধনৰ ছাপ্লাই বঢ়োৱাৰ ধান্দা নেকি? এল অ' চি কেলেংকাৰীৰ আঠা লগাই সিও মুনমোহন, উৎফুল্ল, লালুহঁতৰ লিষ্টত নাম সুমুৱাব খুজিছে নেকি?

হঠাৎ দুৱাৰত টোকৰ পৰিল। স্পেছিয়েলটো শেষ হৈছিল। "ইয়েছ, কাম ইন্" ডাইৰেক্টৰৰ মাতত ব'হাগৰ বৰদৈচিলাৰ সুৰ। লগে লগে ভয়ে ভয়ে কম্পিউটাৰ অপাৰেটৰ কাকতি সোমাই আহি পোনে পোনে ক'লে, "ছাৰ, বেয়া নাপায় যদি আপোনালোকৰ প্ৰব্লেমটো ছ'লভ কৰিবলৈ মই কিবা হেল্প কৰিব পাৰোনে?"

"তুমি হেল্প কৰিবা? কিন্তু কেনেকৈ? তোমাৰ হাতত কিবা মেজিক ষ্টীক আছে নেকি?" ডাইৰেক্টৰ চাহাবে ধেমালিৰ সুৰত ক'লে।

"একপ্ৰকাৰ মেজিক বুলিয়ে ধৰক ছাৰ। মোৰ ৰিকুৰেষ্ট, প্লীজ আপোনালোকে পিছফালৰ খিৰিকীখনেৰে এবাৰ বাহিৰলৈ চাওকচোন।"

তিনিও বহাৰ পৰা উঠি খিৰিকীখনৰ কাষত থিয় হ'ল। অফিছৰ পাছফালে কিছু মুকলি ঠাই আছে। তাত ঘাঁহ-বন গজিছে। কাকতিয়ে ক'লে, "ছাৰ, দেখিছোনে তাত তিনিটা গৰুৰে ঘাঁহ খাই আছে। মাটি আনুমানিক এৰিঘামান হ'ব। কাম এটা কৰিলে কেনে হয় ছাৰ। ৰেভিনিউ ডিপার্টমেণ্টৰ পৰা ষ্টেটখনত থকা মাটিৰ ডাটাটো আনক। তাৰ পিছত মুঠ এৰিয়াক মানে যিমান বিঘা মাটি আছে সেই ফিগাৰটোক তিনিৰে মাল্টিপ্লাই কৰি দিওঁ। বচ। অংকটো একেবাৰে ইজি। এক বিঘা মাটিত যদি তিনিটা গৰু থাকে, তেন্তে—।"

"এক্সিলেণ্ট আইডিয়া। ফাইন। মিৰাকুল।" দত্ত, শইকীয়া, বৰুৱা তিনিও একেলগে আনন্দত আৰ্কিমিডিছে বিজ্ঞানৰ সূত্ৰ আৱিষ্কাৰ কৰি জঁপিয়াই উঠাৰ দৰে হাঁহি হাঁহি কাকতিলৈ হাতকেইখন আগবঢ়াই দিলে। কৰমৰ্দন কৰি পুনৰ চকীত বহি লৈ ডাইৰেক্টৰ চাহাবে ক'লে, "মিঃ কাকতি। তুমি অলপ সময় ৰেট কৰা। মাটিৰ হিচাপটো তোমাক এতিয়াই দি আছো। আৰু শুনা, তুমি এটা কাম কৰিবা। অংকটো কৰি গৰুৰ টোটেল ফিগাৰ যিটো পাবা তাৰ লগত আৰু তিনিটা প্লাছ কৰি দিবা। ফিগাৰটো ৰিয়েলিষ্টিক যেন লাগি যাব।"

"অকে ছাৰ। কিন্তু থ্ৰী প্লাছ কৰাৰ অৰ্থটোহে নুবুজিলো ছাৰ।" কাকতিয়ে কথাটো ক্লীয়াৰ হোৱাৰ বাবে সুধিলে।

"চিম্পল। যোৱা দুদিন ধৰি গৰুৰ হিচাপটোকে উলিয়াব নোৱাৰিলো যেতিয়া আমাৰ তিনিওজনকে গৰুৰ লগত ইনক্লুড কৰিব খুজিছো। বচ্ ইমানেই।" ডাইৰেক্টৰে ক'লে।

"কিন্তু ছাৰ, একেটা অফিছতে আছো যেতিয়া মোকনো কিয় বাদ দিয়ে? ফ'ৰ প্লাছ কৰি দিম নেকি ছাৰ?"

"নাই নালাগে। কাও পপুলেছনত তোমাৰ স্থান নাই। এনাদাৰ প্ৰব্লেম নহালৈকে তুমি হিউমেন পপুলেছনতে থাকাচোন। যোৱা। ডাটাৰ ফৰমেটটো ৰেডী কৰা।❑

লেখক পৰিচিতি ঃ বিশিষ্ট সাহিত্যিক তথা অৱসৰী অধ্যাপক, গুৱাহাটী কমার্চ কলেজ

এক আছিল বুঢ়া-বুঢ়ী

ডাঃ ভৃংগেশ্বৰ শর্মা

এক আছিল বুঢ়া-বুঢ়ী, নাছিল সিহঁতৰ ল'ৰা-লুৰী

কথাই কথাই এদিন সিহঁতৰ, লাগি গ'ল বৰ হুৰাহুৰি।

হওঁতে আমাৰ ল'ৰা-লুৰী এহাল আছে। পিছে কথাই কথাই হুৰাহুৰিখন সদায়েই লাগে। হুৰাহুৰিৰ মাজতেই পূজা বুলি পাটৰ মেখেলা-চাদৰ এযোৰ আনি শ্রীমতীক দিছিলোঁ। মুখত কোনো ভাবান্তৰ নাই। ভাল পালে নে বেয়া পালে বুজি নাপালোঁ।

"হেৰা শুনিছানে?" — বাহিৰৰ বাৰাণ্ডাৰ পৰা ভিতৰলৈ চাই চিঞৰিলোঁ। শ্রীমতীৰ মাত-বোল নাই।

"বোলোঁ শুনিছানে?" —নাই সাৰ-সুৰেই নাই। কেইবাবাৰো মতাৰ পাছতো শ্রীমতীৰ মাত-বোল নাই, দেখাদেখি নাই। অলপ সময় বাট চালোঁ। নাই। কি হ'ল জানো! খেংখেঙাই খেদি আহিলেও ভাল লাগে। একেবাৰে মাত-বোল নকৰাকৈ থকাতকৈ গালি কেইটামান পাৰিলেও ভাল লাগে। লাহেকৈ ভিতৰলৈ উঠি গ'লোঁ। ইফালে-সিফালে চাই শোৱনি কোঠাত সোমাবলৈ লৈ ৰৈ গ'লোঁ। শ্রীমতী ব্যস্ত। মোৰ ফালে মনেই কৰা নাই। তিনিটা আলমাৰি খুলিছে। ভিতৰত ঠাক ঠাক কাপোৰ। কাপোৰবোৰ আলফুলে উলিয়াই বিছনাত থৈছে। শোৱনি কোঠা নহয় যেনিবা এখন পাট-মুগাৰ বস্ত্রালয়হে। লাহেকৈ সুধিলোঁ— "মে আই কাম ইন মেডাম?"

"ঠাট্টা নকৰিবা। এনেয়ে মূৰডাল গৰম হৈ আছে।"

"কিহৰ কাৰণে জানিব পাৰোঁনে? পিছে ইমানসোপা কাপোৰ তোমাৰেইনে?"

"ইমানসোপা?"

মই ভালদৰে চালোঁ। সৰু-সু�ৰা বস্ত্রালয়ত ইয়াৰ আধাও কাপোৰ নাথাকে। পিছে ক'ব যে নোৱাৰি। লাহেকৈ ক'লোঁ— "নহয় মানে মাত্র এইখিনি কাপোৰ তোমাৰেইনে?"

"এৰা, এই অভাগিনীৰেই।"

"অভাগিনী বুলি ক'লা যে? মনে মনে কাপোৰৰ দোকান দিম বুলি ভাবিছা নেকি? দিলে ক'বা। দোকানখনৰ নামটো ময়েই দিম। শুৱালকুছি পাট-মুগা বস্ত্রালয়।"

শ্রীমতী দাং খাই উঠিল। ক'লে— "শুৱালকুছিৰ নাম নল'বা মোৰ আগত। মিছা কথাতো সদায়েই কোৱা। আজি অন্ততঃ এটা সঁচা কথা কোৱাচোন।"

"কি?"

"মোক যে ছমাহে-বছৰেকে মন ভুলাবলৈ পাট-মুগাৰ মেখেলা-চাদৰ দি থাকা, সেইবোৰ ক'ৰপৰা আনা?"

"কিয়, খাঁটি শুৱালকুছিৰ পাট-মুগা।"

"মই ঠিক সন্দেহ কৰিছিলোঁ। তোমাৰ ওপৰত মোৰ সন্দেহ এটা আগৰপৰাই আছিল। আজি খাটাং হ'লোঁ। তুমি মানুহজনেই দুই নম্বৰী।"

"হেৰা কি কোৱাহে?"

"এই যে শুৱালকুছি বুলি ক'লা, মই গম পাই গ'লোঁ। শুৱালকুছিৰ পাটৰ কাপোৰ বুলি তুমি মোক ঠগি আহিছা। এইবোৰ সব বেনাৰসী পাট।"

"ইচ ইচ ইচ, কি কথা কোৱা! বেনাৰসী পাট? মইনো কেনেকৈ জানিম।"

"এহ তুমি মনে মনে থাকাহে।"

মই মনে মনে থাকিলোঁ। শ্রীমতীয়ে চকুপানী টুকি টুকি কাপোৰবোৰলৈ চাই থাকিল। শুৱালকুছিৰ বুলি যদি কোনোবাই বেনাৰসী পাট বিক্রী কৰে, মইনো কেনেকৈ জানিম! মোৰ গাত কি দোষ?

কিন্তু যত দোষ নন্দ ঘোষ।

ঘৰখন কেনেকৈ চলাই আছোঁ মইহে জানো। দলৰ সকলো সদস্যৰ পৰা সহযোগিতা নাপালে যেনেদৰে চৰকাৰ চলোৱা সহজ কথা নহয়, তেনেদৰে ঘৰৰ সকলো সদস্যৰ পৰা সহযোগিতা নাপালেও ঘৰ চলোৱাটো সহজ কথা নহয়। মোৰ ঘৰখন এতিয়া বিসম্বাদীৰ ঘাটি। ল'ৰা-ছোৱালীহাল হ'ল বিসম্বাদী। শ্রীমতী হ'ল বিসম্বাদীৰ লিডাৰ। এতিয়া ঘৰখনত মোৰ নেতৃত্বক লৈয়ে শঙ্কা। ল'ৰা-ছোৱালীহাল ডাঙৰ হ'ল। সিহঁতৰ দিনে দিনে বেলেগ বেলেগ ডিমাণ্ড। শ্রীমতীৰতো ডিমাণ্ড আছেই। সকলোৰে সকলো ডিমাণ্ড পূৰণ কৰা সম্ভৱ নহয়। শ্রীমতীয়ে মুখৰ আগতে কয়— "তুমি কি জানা?" ল'ৰা-ছোৱালীহালে মুখৰ পৰা অলপ আঁতৰত কয়— "বুঢ়াই কি

জানে?"

শ্রীমতীয়ে সিহঁতক উচটায়— "সব বাপেৰৰ কাৰণে হৈছে।"

ল'ৰা-ছোৱালীবোৰ সৰু হৈ থকালৈকে ভাল। ডাঙৰ হৈ আহিলেই বিপদ। পৃথিৱীৰ সকলো ল'ৰা-ছোৱালীয়েই ভাবে— সিহঁতৰ বাপেকটোৱেই পৃথিৱীৰ আটাইতকৈ বেছি বুৰবক আৰু অপদার্থ। যিবোৰ বাপেকৰ পৰা সহজে টকা সৰকাব নোৱাৰি, সেইবোৰ বাপেক হৈছে পৃথিৱীৰ আটাইতকৈ কৃপণ বাপেককেইটা। বাপেক মানে হৈছে লাগ বুলিলেই টকা যোগান ধৰা এটিএম। লাগ বুলিলেই টকা যোগান ধৰা বাপেকটো হৈছে ভাল বাপেক। আৰু যোগান ধৰিব নোৱৰাটো হৈছে বেয়া, কৃপণ বুঢ়া।

মোকো মোৰ ল'ৰা-ছোৱালীহালে বুৰবক আৰু অপদার্থ বুলি ভাবে। সিহঁতৰ মতে বাপেকবোৰৰ যথেষ্ট টকা থাকিব লাগে, কিন্তু চকু আৰু কাণ থাকিব নালাগে। সিহঁতে ধৰিয়েই লয়— বাপেকটোৰ বয়স হৈছে যেতিয়া চকুৰে ভালদৰে নেদেখে, কাণেৰে ভালদৰে নুশুনে। পুতেকে বাইকৰ পিছফালে গাভৰু এজনী উঠাই লৈ গ'লেও বাপেকে দেখা নাই, আনৰ আগত 'আমাৰ বুঢ়াটো' বুলি ক'লেও কাণেৰে শুনা নাই। জীয়েকেও কোনোবা দাদাৰ বাইকৰ পিছফালে বহি কঁকালত খামুচি ধৰি ৰাস্তাইদি পাৰ হৈ যাওঁতে বাপেকে দেখিলে মুখখন ঘূৰাই দিলেই হ'ল, বাপেকে যেন একো দেখাই নাই।

মোৰো অৱস্থা এতিয়া তেনেকুৱাই। ল'ৰাৰ কি চেহেৰা। এখন কাণত কাণফুলি। চুলিবোৰ থিয়। চুলিবোৰনো এনেদৰে কিয় থিয় হৈ থাকে তাৰ ৰহস্য ভেদ কৰিবলৈ এদিন তাৰ মূৰত হাত দি আশীর্বাদ দিয়াৰ ছলেৰে চুই চালোঁ। মই বোলোঁ— "আয়ুষ্মান ভৱ। পিছে তোৰ চুলিবোৰ ইমান ঠৰঙা কিয় পুত্র?" সিও কম নহয়। বাপেকৰহে পুতেক। বাপেক ডালে ডালে, পুতেক পাতে পাতে। ক'লে— "বুদ্ধি কৰি চুই চাব নালাগে পিতৃদেৱ। জে'ল লগাই থিয় কৰাই থৈছোঁ।" সিদিনাহে গম পালোঁ থিয় চুলিৰ ৰহস্য। ফণীৰ দৰকাৰ নাই। দুটা হাতৰ দহো আঙুলিয়েই ফণী। পেণ্টটোও চাবলগীয়া। আমি পেণ্টটো টানি টানি ওপৰলৈ পিন্ধো। তাৰ পাছতো কঁকালত বেল্ট। কেনেবাকৈ সৰি পৰিলে লাজৰ কথা হ'ব। সি আকৌ পেণ্টটো টানি টানি তললৈ পিন্ধে। প্রতিটো খোজতেই যেন পেণ্টটোৰে কয়— পৰোঁনে? পৰোঁনে সৰি? সি খোজ কাঢ়িলেই মোৰ ভয় লাগি আহে— এইবাৰ পৰিব... এইবাৰ পৰিবই...। কিন্তু নপৰে। আচৰিত এনেদৰে পেণ্ট এটা পিন্ধিব পৰাটোও আচলতে এটা আর্ট।

তাৰ পাছতেই আহিল বাইক। বাইক এখনেই যদি নাথাকিল, সেইটো জীৱন হ'লনে? লগৰ আটাইৰে বাইক আছে, তাৰহে নাই। বাইক এখনৰ বাবেই ঘৰখনত আৰম্ভ হ'ল আন্দোলন। ছবছৰীয়া অসম আন্দোলনৰ দৰে আন্দোলন শেষ নহয়হে নহয়। দুদিন যদি সত্যাগ্রহ, দুদিন অনশন, দুদিন পিকেটিং, দুদিন অসহযোগ, আইন অমান্য, শ্রেণী বর্জন ইত্যাদি। অহিংস আন্দোলনৰ মাজতে নেলী, গহপুৰ আদিত ঘটা দুই-এটা হিংসাত্মক ঘটনাৰ দৰে ঘটনাও ঘটিল— চাহৰ গিলাচ, ভাতৰ থাল দলিওৱা। চলি থাকক। এইবোৰ সৰু-সুৰা আন্দোলনত কেন্দ্রীয় চৰকাৰে খাতিৰ নকৰাৰ দৰে ময়ো নকৰোঁ। যি কৰ কৰি থাক। কেতিয়াবা কওঁ— "বাইক নহ'লে কলেজলৈ যাব নোৱাৰি নেকি?"

শ্রীমতীয়ে টেপেৰকৈ মাত দিলে— "ৰাজ্যৰ ল'ৰাই বাইক লৈ কলেজলৈ যায়, তাৰ লাজ নালাগিবনে? ঘৰৰ পৰা কলেজলৈ ইমান দূৰ ৰ'দে-বৰষুণে।"

"ৰ'বাহে, তুমি মনে মনে থাকা। হুঁহ, ৰ'দে-বৰষুণে...। আমেৰিকাতো ৰ'দ দিয়ে। আমেৰিকাতো বৰষুণ দিয়ে। তাৰ ল'ৰা-ছোৱালীয়ে বাইক নহ'লে কলেজলৈ নাযায় নেকি?" তাৰ পাছত তাক কওঁ— "আমি জানো বাইক নোহোৱাকৈ কলেজলৈ যোৱা নাছিলোঁ পুত্রধন?"

বিসম্বাদীয়ে ভুল ধৰোঁ ধৰোঁকৈ থাকেই। সি টপৰাই মাত দিয়ে— "তোমাৰ বাপ জনমত বাইক দেখিছিলা জানো পিতৃদেৱ। তেতিয়া বাইকৰ জামানা নাছিল আৰু তুমি জানো বুকুত হাত থৈ ক'ব পাৰিবা। পিতাশ্রী, তুমি তোমাৰ পিতৃদেৱতাক মানে মোৰ পিতামহক এখন নতুন চাইকেলৰ বাবে ব্যতিব্যস্ত কৰা নাছিলা?"

মই চুপ হৈ যাওঁ। বিসম্বাদীৰ লিডাৰ শ্রীমতীৰ ব্রহ্মাস্ত্র— "মনে মনে থাক বাচা, টোকোনাৰ বংশত জন্মিলে এনেকৈয়ে চলিব লাগিব।"

ছোৱালীও ডাঙৰ হ'ল। ম'বাইলটো কাণত লৈ কাৰ সৈতে ইমান কথা পাতে জানো! সৰু সৰু কথা, মিচিকীয়া হাঁহি, মাজতে খং, কেতিয়াবা অভিমান। ইফালে লগৰ ছোৱালীৰ বার্থডে'। ইমাননো লগৰ ছোৱালী আছেনে যে সদায় বার্থডে' হয়। নে এজনী ছোৱালীয়ে বছৰত দহদিনমানকৈ বার্থডে' পাতে? পার্টিলৈ ওলাই যোৱা ড্রেছো চাবলগীয়া। তাকেই কওঁ শ্রীমতীক— "বোলোঁ বুজিছা আমি নোৱাৰিলোঁ। জাতিৰ পিতাক আমি সন্মান জনাব নাজানিলোঁ। আমাৰ নতুন চামে যে গান্ধীজীক জীয়াই ৰাখিছে সেইটোহে ডাঙৰ কথা।"

শ্রীমতীয়ে মোৰ মুখলৈ চায়। মই বোলোঁ— "নহয় মানে আমাৰ ছোৱালীহঁতে যে আঁঠুৰ ওপৰত চুৰিয়া পিন্ধিছে, কম কথা নহয় দিয়াচোন।"

এইবোৰ কথা ক'লে বিপদ। পৃথিৱীৰ সকলো ল'ৰা-ছোৱালীৰ মতে বাপেকবোৰ, ঘৈণীয়েকসকলৰ মতে গিৰীয়েকবোৰ অর্থাৎ ঘৰৰ মতা মানুহবোৰ হ'ব লাগে বলদ গৰুৰ দৰে। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে হাল বাবা, মৈ দিবা, গাড়ী টানিবা, মৰণা মাৰিবা, দৰকাৰ হ'লে কুঁহিয়াৰো পেৰিবা, কিন্তু মুখেৰে নামাতিবা।

মাতো কাৰণেই বিপদ। চাৰিওফালে বিসম্বাদ। পুত্ৰ-কন্যা বিসম্বাদী। শ্রীমতী বিসম্বাদীৰ লিডাৰ।

ময়ো সহজে এৰা ভকত নহয়। মই বোলোঁ— "খবৰদাৰ, লক্ষ্মণৰেখা অতিক্রম নকৰিবা, কৈ দিলোঁ।"

শ্রীমতী দাং খাই আহে— "থোৱা থোৱা তোমাৰ লক্ষ্মণৰেখা। আমি তোমাৰ লক্ষ্মণৰেখা-ৰামৰেখাক খাতিৰ নকৰোঁ, কৈ দিলোঁ।"

বেছিকৈ কৈ থাকিলে ভয়ো লাগে। ঠিকতো নাই। বিসম্বাদীৰ কথা। সকলো যদি একগোট হৈ যায়। কেতিয়াবা বগৰাই দিব। সেই কাৰণে বিসম্বাদীৰ সঘন বৈঠক অনুষ্ঠিত হোৱা যেন অনুভৱ কৰিলে পাতলাই কৈ থওঁ— "হেঃ হেঃ হেঃ, নহয় মানে মোৰ লক্ষ্মণৰেখাডালৰ পৰিধিটো অলপ ডাঙৰতো, হেঃ হেঃ হেঃ হেঃ।"

কোনোমতে লক্ষ্মণৰেখাৰ বৃত্তটোৰ পৰিধি বহল কৰি কৰি চলি আছিলোঁ। ল'ৰা-ছোৱালী এতিয়া বাহিৰত। তেহেলৈ ৰক্ষা। ঘৰখনত এতিয়া আমি দুয়ো বুঢ়া-বুঢ়ী।

বাৰাণ্ডাতে বহি বাতৰিকাকতখন পঢ়ি আছিলোঁ। সেই সময়তেই ৰাস্তাইদি বেপাৰীকেইটা বস্তু বিক্রী কৰিবলৈ আহে। সদায় আহোঁতে আহোঁতে মুখ চিনাকি হৈ গৈছে।

"লাগে.... মাছ লাগে...?" মোক দেখি মাছৰ বেপাৰীটো গে'ট খুলি ভিতৰলৈ সোমাই আহিল।

"কি মাছ আছে অ'? ভাল মাছ কি আনিছ?"

"সব ভাল মাছ ছাৰ। ৰৌ, বাহু কি লাগে? একদম তাজা।"

"তোৰ তাজা মাছ বাদ দে। লোকেল মাছ কি আছে ক।"

"ৰৌ, বাহু সব লোকেল।"

"দেখাততো লোকেল যেন নালাগে। ক'ৰ মাছ?"

"একদম লোকেল ছাৰ, অন্ধ্রৰ।"

মই আচৰিত হৈ তাৰ ফালে চালোঁ। তাৰ পাছত ক'লো— "ঐ, অন্ধ্র কেতিয়াৰ পৰা লোকেল হ'ল অ'?"

মই যিমান আচৰিত হৈছিলোঁ তাতোকৈ বেছি আচৰিত হৈ সি ক'লে— "কি কথা কয় ছাৰ! এইকেইটা মাছ অন্ধ্রত থাকোঁতেতো লোকেলেই আছিল। এইখিনি দূৰ আহোঁতেই সেইবোৰ চালানী হৈ গ'ল নেকি? বেয়া হৈ গ'ল নেকি? আমাৰ অসমৰ পৰাও দেখোন জাকে জাকে ল'ৰা গৈ অন্ধ্রত চাকৰি কৰিছে। সিহঁতক যদি তাত চালানী বুলি কয় আমি জানো ভাল পাম?"

মই শুনি থাকিলোঁ। একে আষাৰে তাৰ কথা মিছা বুলি উৰুৱাই দিওঁ কেনেকৈ? সি কৈ গ'ল— "আৰু ছাৰ আজিকালি লোকেল, চালানী এইবোৰ শব্দ অচল হৈ গ'ল। এই আমাৰ বিহুটোকেই চাওকচোন— গামোচা, শৰাই সকলো দেখোন বাহিৰৰ পৰাই আহে। খোপাত পিন্ধা কপৌফুল, হাতত পিন্ধা গামখাৰু সকলো দেখোন বাহিৰৰ। আমি জানো চালানী গামোচা বুলি ডিঙিত নোলোৱাকৈ আছোঁ? খোৱা-পিন্ধা সকলো বস্তু দেখোন বাহিৰৰ। ব্যৱহাৰ নকৰাকৈ আছোঁ জানো?"

মোৰ মুখৰ মাত হৰাৰ দৰে হ'ল।

"ছাৰ কথা এটা কওঁ?"

"সোনকালে ক।"

"ছাৰ ভাত খাবৰ সময়ত আপুনি কেতিয়াবা সুধি চাইছে জানো— লোকেল দাইল নে চালানী দাইল? চাহকাপ খোৱাৰ সময়ত সুধিছে জানো— লোকেল চেনিৰ চাহ নে চালানী চেনিৰ চাহ? সুধিলে দেখোন চাহ-ভাত একো খাবই নোৱাৰিব। এতিয়া গৈ মাছটোতহে লোকেল-চালানীৰ কথা আহিল?"

"সোনকালে আধাকিলো' মাছ দে আৰু যা। তই মোৰ ক্লাছ ল'ব নালাগে।"

লেতেৰা দাঁতকেইটা উলিয়াই হাঁহি এটা মাৰি সি আধাকিলো মাছ জুখি দি গ'ল।

সি কৈ যোৱা কথাবোৰ মিছা বুলিনো কেনেকৈ কওঁ!

এনেতে ৰাস্তাত পাচলিৰালাৰ চিঞৰ— "লাগে... চবজি লাগে....?"

"ঐ, এইফালে আহ।"

সি সোমাই আহিল। মই বোলোঁ— "ৰাতিপুৱাই ৰাতিপুৱাই ৰাস্তাত চিঞৰটো মাৰ চবজি বুলি। তোৰ এই চবজিটো কি বস্তু অ'? তহঁতৰ মুখত শুনি শুনি আমাৰ ল'ৰা-ছোৱালীবোৰে পাচলি বুলি ক'লে বুজি নোপোৱা হ'ল।"

"হেঃ হেঃ হেঃ হেঃ..."

"নাহাঁহিবি, বুজিছ নাহাঁহিবি। কি কি পাচলি আছে ক।"

"সব আছে ছাৰ। মেঘালয়ৰ বন্ধাকবি আৰু মূলা, দার্জিলিঙৰ স্কোৱাচ, নাইনিতালৰ আলু, নাচিকৰ পিঁয়াজ....।"

"হ'ব হ'ব, তই আৰু এখোপ চৰা। আমাৰ লোকেল মানে একেবাৰে স্থানীয় কি আছে ক।"

"একেবাৰে স্থানীয় বুলিলে ছাৰ ভেদাইলতা আৰু ৰেল লাইনৰ কাষত জৈৰিক সাৰ দি কৰা ঢেঁকীয়া।"

"ভেদাইলতা এমুঠিকে দে আৰু যা। মাছেৰে জোল খাবলৈ

ভাল হ'ব। আজিকালি পিছে ভেদাইলতাবোৰো ভেজাল হ'ল। আগৰ সেই হেৰি হেৰি গোন্ধটো নোহোৱা হ'ল।"

পাচলি বেপাৰীটো যোৱাৰ পাছত আকৌ বাতৰিকাকতখন মেলি ল'লোঁ। আজিকালি বাতৰিকাকতখন আগত ল'লেই টোপনি অহাৰ দৰে হয়। চকু দুটা মুদ খাই আহে। কি হৈছে জানো!

লাগে... লাগে...

ৰাস্তাইদি বেপাৰী এজন আহিছে। কি আনিছে জানো! আগে-পিছে দেখা মনত নপৰে। নতুন বেপাৰী চাগে। লাগে লাগে বুলি চিঞৰি আহিছে।

"বোলোঁ কি আনিছা?"— মই সুধিলোঁ।

সুবিধা পাই সি ভিতৰলৈ সোমাই আহিল। ওচৰত থিয় হৈ সুধিলে— "লাগে নেকি দাদা?"

"ফুচফুচাই কি কোৱাহে? বুজিবই পৰা নাই। ডাঙৰকৈ কোৱা।"

"ডক্টৰেট লাগে নেকি দাদা?"

"ডক্টৰেট? লোকেল নে চালানী?"

"লোকেল বুলিয়েই ধৰক। মেঘালয়ৰ।"

"দাম একা?"

"টোটেল ডেৰ লাখ। পঞ্চাছ হাজাৰ এডভান্স। এমাহ পাছত ছার্টিফিকেট হাতত পৰাৰ সময়ত নগদ এক লাখ।"

"কি বিশ্বাসত তোমাক মানুহে পঞ্চাছ হাজাৰ এডভান্স দিব?"

"বিশ্বাস নাথাকিলে নল'ব। আমি একো জোৰ কৰা নাই ল'বলৈ। যাৰ বিশ্বাস আছে সি লৈয়েই আছে আৰু এইবিলাক কামত বিশ্বাসেই মূল কথা। আপুনি মার্কেটত ট্রাই কৰি চাব পাৰে। ইয়াতকৈ সস্তাত যদি ভাল মাল পায় তাতেই ল'ব।"

"হেঃ হেঃ হেঃ হেঃ, তুমি বৰ চালুহে। ব্যৱসায়ত উন্নতি কৰিব পাৰিবা।"

"হেঃ হেঃ হেঃ হেঃ...."

"হেঃ হেঃ হেঃ হেঃ...."

"হেঃ হেঃ হেঃ হেঃ...."

"হে মোৰ গোসাঁই..."— কাষত শ্রীমতীৰ চিঞৰত খকমককৈ সাৰ পালোঁ। মোৰ ফালে চাই শ্রীমতীয়ে চিঞৰিছে— "বোলোঁ অসমত এইপাটৰ হ'ল কি? সপোন দেখি অকলে অকলে হেঃ হেঃকৈ হাঁহি আছে দেখোন। এই অসময়ত সপোন দেখিব লাগেনে? তাতে আকৌ বাৰাণ্ডাত বহি বহি। ইফালে হাতত বাতৰিকাকত। মোৰ গোসাঁই।"

মই ইফালে-সিফালে চালোঁ। ওচৰত আন কোনো নাই। মনত পেলাবলৈ চেষ্টা কৰিলোঁ— প্রথমে মাছ কিনিছিলোঁ। তাৰ পাছত পাচলি। তাৰ পাছত— তাৰ পাছত। তাৰ পাছত তাৰ মানে মই সপোন দেখি আছিলোঁ। লাহেকৈ ক'লোঁ— "হেৰা, সপোন দেখা নাইহে। চকু দুটা মুদি পুৰণি নাটকৰ ডায়লগ এটা মুখস্থ মাতিছিলোঁ।"

"আ হা হা, মিছা মাতিবলৈ মানুহ নাপালা। মোক ইমান বুৰবক বুলি নাভাবিবা। বহুত সময় ধৰি মন কৰি আছোঁ। কাম নাই বন নাই বাৰাণ্ডাত চকী পাৰি বহিবা। বাতৰিকাকত এটা বাহানা। কেৱল ৰাস্তাত চকু, কোন গৈছে, কোন আহিছে। ৰাস্তাৰ পৰা মানুহ মাতি আনি লেকচাৰ। কাকো নাপালে মাছৰ বেপাৰী, পাচলিৰ বেপাৰীৰ লগত মুখ চুপতি। সিহঁতকো নাপালে সপোনতে কথা, হাঁহি। অভ্যাস ক'ত যাব।"

"হেৰা, কাম-বন নাই বুলি নক'বা দেই কৈ দিলোঁ। ঘৰখনৰ সমস্ত কাম ময়েই কৰোঁ।"

"কি ক'লা? চকুৰ আগতে ইমান জীয়া ফাকি নামাৰিবা। এতিয়া মই মৰিছোঁ গেলা গৰমত চাহ-ভাতৰ যোগান ধৰি। তুমি আৰামত বহি বহি সপোন—"

"আৰামত বুলি নক'বা দেই। মোৰ কামত কিমান কষ্ট মইহে জানো।"

"জানো জানো। গোটেই দিনটোত কিডালনো কাম কৰা?"

"কি ডাল? হেৰা তুমিনো কিডাল কৰা?"

"চাহ-ভাতৰ যোগাৰ কোনে কৰে? সৰা-মচা..."

"থোৱা থোৱা। সেইবোৰ কাম হ'ল নেকি? তোমালোক মহিলাসকলৰ এই ৰন্ধা-বঢ়া, সৰা-মচা, বাচন ধোৱা, কাপোৰ ধোৱা— এইবোৰ কিবা কাম হ'ল নেকি? আৰামত ঘৰতে সোমাই থাকি সেইবোৰ কৰিব পাৰি। বোলোঁ—

শুনিছনে হঞে ঘুগুলী বুঢ়ী
সাদিনত তই যিমান কৰ, এদিনত মোৰ কাম।
মিছা কৈছোঁ যদি অমুকা বুঢ়াৰ সলাই থ'বি নাম।"

ক'বলৈহে পালোঁ। শ্রীমতী উঠিল দাং খাই— "কাইলৈ বাৰু প্রমাণ চাম
ছিলিণ্ডাৰ লৈ ময়েই যাম
তই হ'বি ঘৰৰ ঘৈণী, হাঁহ-পাৰবোৰ চাবি
আছে মানে ঘৰৰ কামত মনোযোগ দিবি।
কাপোৰ ধুবি, ভাত ৰান্ধিবি, আৰু সৰা-মচা
তেতিয়াহে বুলিম তোক বৰ মতা।"

পাছদিনা ৰাতিপুৱা পাঁচ বজাতেই সাৰ পালোঁ। শ্রীমতীয়ে বাগৰ সলাই ক'লে— "ঘৰৰ সৰা-মচা হোৱাৰ পাছত ব্রেকফাষ্ট তৈয়াৰ কৰিবা। মই এতিয়া অলপ শুম। সাত বজাত মাতিবা।" মই সুৰসুৰকৈ বিছনাৰ পৰা নামি আহিলোঁ।

মুখ-হাত ধুই কামত লাগিলোঁ। ঝাৰুডাল বিচাৰোঁতেই দহ মিনিট গ'ল। ক'ৰ দুৱাৰৰ পিছফালে ওলমাই থয় জানো। ঝাৰু থিয় হৈও দিব নোৱাৰি, হাউলিও দিব নোৱাৰি। আঁঠু বিষাই যায়। কোনোমতে বহি বহি ঝাৰু দিলোঁ। তাৰ পাছত আকৌ মচা। সেইখিনি কৰোঁতেই আধামৰা হোৱাৰ দৰে হ'লো। তাৰ পাছত দৌৰাদৌৰিকৈ গাটো তিয়াই ব্রেকফাষ্টত লাগিলোঁ। ব্রেড আছিল। তাকেই সেকিলোঁ। চেনি-চাহপাতৰ টেমাবোৰ ক'ত থাকে? এফালৰ পৰা টেমাবোৰ ঢাকনি মেলি মেলি চাব লগা হ'ল। পানী, গাখীৰ, চেনি, চাহপাতৰ অনুপাত...। কিবা এবিধ হ'ল।

ইতিমধ্যে শ্রীমতী বিছনাৰ পৰা নামি আহি মুখ-হাত ধুই চাহ খাবলৈ বহিল। চাহ খাই উঠি যাওঁতে কৈ গ'ল— "আজিৰ পৰা চেনি কমাই দিবা।"

মই বাচন-বর্তন ধুবলৈ পাকঘৰলৈ গ'লোঁ। শ্রীমতী বাতৰিকাকতখন লৈ বাৰাণ্ডাত বহিল। মূৰৰ চুলি থিয় হৈ আহিব খোজে। একো ক'বও নোৱাৰোঁ।

ৰাস্তাইদি মাছৰ বেপাৰীটো গ'ল। শ্রীমতীয়ে তাক মাতি আনি মোৱা মাছ আধাকিলো কিনিলে। পাকঘৰত মাছৰ টোপোলাটো দি ক'লে— "দুপৰীয়া মোৱা মাছৰ জালুকীয়া ৰান্ধিবা।"

আকৌ শ্রীমতী বাৰাণ্ডাত। ৰাস্তাইদি যাওক বৰুৱানী। ভিতৰলৈ মাতি আনি বাৰাণ্ডাত বহি কথাৰ মহলা। এপাকত শ্রীমতী ভিতৰলৈ আহি মোক ক'লে— "বৰুৱানীক চাহ একাপ দিবাচোন। মোকো অলপ দিবা।" মই তেতিয়া মোৱা মাছৰ পেটু গুচোৱাত ব্যস্ত। সেইখিনি আধাতে সামৰি চাহ দুকাপ কৰিলোঁ। বৰুৱানীয়ে আচৰিত হৈ মোৰ মুখৰ ফালে চালে।

ময়ো শুদাই এৰা ভকত নহয়। বৰুৱানী যোৱাৰ পাছত শ্রীমতীক ক'লোঁ— "গেছৰ ছিলিণ্ডাৰটো আনাগৈ। আহোঁতে লাইটৰ বিলখন দি আহিবা। টেলিফোন অফিছত খবৰ এটা কৰিবা। টেলিফোনটো কেইবাদিনো ডেড হৈ আছে। পানীৰ টেপটোৱেদি পানী লিক কৰে। পাৰিলে পাইপ মিস্ত্রি এজনো আনিবা। হাজিৰা কৰা মানুহ এজনো চাবা। বাঁহ দুডালো আনিবা। আগফালৰ জেওৰাখন ভাগি আছে।"

অলপ পাছতে শ্রীমতী ঘৰৰ পৰা ওলাই গ'ল। যাওঁতে ৰিক্সা এখনত খালী ছিলিণ্ডাৰটো।

আঃ কেনে মজা।

শ্রীমতী ওলাল পোন্ধ মাৰি, লগত ছিলিণ্ডাৰ লৈ
মই থাকিলোঁ সেইদিনা ঘৰৰ ঘৈণী হৈ।

ক'ৰ পৰা আৰম্ভ কৰোঁ। ৰাশ্বিং মেছিনটোত ধুব লগীয়া কাপোৰ এসোপা সুমুৱাই থোৱা আছিল। অনুমানতে ডিটাৰজেণ্ট পাউডাৰ কেইচামুচমান দি মেছিনটো চলাই দিলোঁ। তাৰ পাছতে দিনৰ সাঁজৰ যোগাৰত লাগিলোঁ। চাউল, দাইল, নিমখ, হালধিৰ টেমা বিচাৰোঁতে আধাঘণ্টা গ'ল। কিমান চাউলত কিমান পানী? কিমান দাইলত কিমান নিমখ? আলুৰ বাকলি গুচাওঁতে আঙুলিৰ এবখলা গ'ল। ভাতৰ কুকাৰটো গেছত উঠাই পাঁচটামান হুইছেল মৰাই দিলো। মোৱা মাছখিনি কেৰাহীত বহুৱাই জালুকৰ গুৰি আৰু পানী দি উতলাই দিলোঁ। তাৰ মাজতে ধোৱা কাপোৰখিনি ৰ'দত শুকাবলৈ মেলি দিলোঁ।

দাইল পনীয়া হ'ল। তৰকাৰী ভালদৰে নিসিজিল। ভাতখিনি লুথুৰীৰ দৰে হ'ল। মাছৰ জালুকীয়াখনৰ মাছ মাছ, কেচেমা কেচেম গোন্ধ। ঘামি-জামি মই লেবেজান।

কেতিয়ানো এক বাজি গ'ল গমেই নাপালোঁ। কলিংবেলৰ শব্দত বাহিৰলৈ আহি চাওঁ, শ্রীমতী ঘামি-জামি, ৰঙা-চিঙা পৰি আহি বাহিৰৰ চকীখনতে থপচকৈ বহিছে। মুখেৰে মাত নোলায়। কোনোমতে সেহাই সেহাই ক'লে— "ঠাণ্ডা পানী এগিলাচ.."

শ্রীমতী আহিল বজাৰৰ পৰা, দুখে ভাগৰে আধা মৰা
তায়ো পালে সেকা পালি, মুখেৰে নোলায় মাত।
গিলাচে গিলাচে পানী খাইহে তৎ আহিল গাত।

মই পানী এগিলাচ আনি হাতত দি সুধিলোঁ— "ছিলিণ্ডাৰটো নানিলা?"

"নাপালোঁ। লাইনত দুঘণ্টা থিয় হৈ আগবাঢ়ি গৈ গৈ কাউণ্টাৰৰ ওচৰ পাওঁতেই গেছ শেষ হ'ল। কাইলৈ যাবলৈ কৈছে।"

"লাইটৰ বিল দিলা?"

"দিয়া নহ'ল। মহিলাৰ লাইনটো বেছি দীঘল।"

"টেলিফোনৰ খবৰ কৰিলা?"

"হে ৰ'বাহে, মনে মনে থাকা। ম'বাইলডাল আছে নহয়, সেউডালেৰে চলিবা।"

শ্রীমতীৰ অৱস্থা দেখি মোৰ নিজৰ কষ্ট অলপ কমি যোৱা যেন লাগিল। ভাত খাবলৈ মাতিলোঁ। ভাতৰ পাতত বহি ভাত-আঞ্জা পিটিকি শ্রীমতীয়ে ক'লে— "এইবোৰ কাৰ মূৰ ৰান্ধিছা?"

মই বোলো— "মোৰেই মূৰ, খোৱা।"

দুগৰাহমান মুখত ভৰাই উঠি গ'ল। চিধাই গৈ বিছনাত পৰিল। আকৌ বাচন-বর্তন ধোৱাৰ পাল। ৰান্ধিবও পাৰি। কিন্তু বাচন-বর্তন ধোৱা, বিশেষকৈ কেৰাহী আৰু কুকাৰ ধোৱাৰ সমান বিৰক্তিকৰ কাম নাই। উপায়তো নাই। পাকঘৰৰ পৰা ওলাওঁ মানে শ্রীমতীয়ে এঘুমটি মাৰিলে। মোৰ আকৌ কাম শেষেই হোৱা নাই। ৰ'দত দিয়া কাপোৰ-কানিবোৰ আনি জাপি-মেলি ভালদৰে থোৱা...। আবেলি হ'ল।

শ্ৰীমতী বিছনাৰ পৰা উঠি বাৰাণ্ডাৰ চকীত। এইবাৰ আবেলিৰ চাহৰ যোগাৰ। চাহৰ লেঠা শেষ হয় মানে গধূলি। শ্ৰীমতীয়ে ক'লে— "ঘৰত ধূনা অলপ দিবা।"

হে ভগৱান, নাৰিকলৰ জাবৰ ফুৰাই ফুৰাই....।

ৰাতিলৈ মোৰ অৱস্থা কাহিল। সৰ্বশৰীৰ বিষত জৰ্জৰিত। ভাত-পানী ৰান্ধি, খোৱা-বোৱা হোৱাৰ পাছত বাচন-বৰ্তন ধুই-মেলি উঠোঁ মানে মোক ভাগৰে হেঁচা মাৰি ধৰিলে। পোনেই গৈ বিছনাত উঠিলোঁ। শ্ৰীমতীক ক'লো— "হেৰা, সোনকালে বিছনাত উঠি লাইটডাল অফ কৰিবা। শুব লাগে।"

অলপ পাছত শ্ৰীমতী বিছনাত উঠিল। বুজিলোঁ, শ্ৰীমতীৰো ভাগৰ লাগিছে।

কিছু সময় কাৰো মুখত মাত-বোল নাই। কেতিয়াবা বেছিকৈ ভাগৰ লাগিলেও টোপনি নাহে। ভাগৰত মোৰ মুখেৰে হয়তো অলপ কেঁকনি ওলাইছিল। শ্ৰীমতী ওচৰ চাপি আহিল। সুধিলে— "হেৰা, কষ্ট পালা নেকি?"

"নাই পোৱা, আৰাম পাইছোঁ।"

"এতিয়া বুজি পালা?"

"তুমি পিছে কেনে পালা?"

"বৰ সহজ কাম নহয়। বজাৰ কৰা, লাইটৰ বিল দিবলৈ থিয় হৈ থকা, গেছৰ ছিলিণ্ডাৰ অনা— এইবোৰ কামতো কষ্ট আছে। একো কাম-বন নকৰাকৈ গোটেই আবেলিটো বাৰাণ্ডাৰ চকীখনত বহি থাকিবলৈও ধৈর্য লাগে।"

"ঠাট্টা কৰিলা?"

"নাই কৰা। সঁচা কথা কৈছোঁ। তুমি পিছে কেনে পালা?"

মইনো মিছা কথা কি স'তে কওঁ।

লাহেকৈ ক'লোঁ— "তোমালোকৰ কামত কষ্ট বেছি। দিনৰ দিনটো এনেদৰে চাহ-ভাতৰ যোগাৰ কৰা, সৰা-মচা, কাপোৰ ধোৱা কিমান যে কাম। নাই নাই বুলিও অজস্ৰ কাম। সকলো কাম কৰিও ঘৰখন পৰিপাটিকৈ ৰখা, চম্ভালি ৰখাটো কম কথা নহয়। আলহী-অতিথি আহিলেতো আৰু বিপদ। দেখাত বেছি কাম নোহোৱা যেন লাগে। কিন্তু আজৰিও নাই। ৰাতিপুৱা বিছনাৰ পৰা উঠাৰ পৰা ৰাতি বিছনাত পৰালৈকে ঘৰখনত আচলতে কিমান কাম ঘৰৰ মানুহজনীয়েহে জানে।"

"এতিয়া বুজি পালা?"

"পালোঁ। দেখাত কাম নাই, কিন্তু আজৰিও নাই।"

অ' মোৰ ঘৰৰ ঘৈণী, ঘৰৰ লখিমী তই
তোৰ কামো নহয় ঢিলা, প্ৰমাণ মাথোঁ চালো
নলগা জেঙাত লগাৰ ফল হাতে হাতে পালোঁ।"

"গাটো অলপ পিটিকি দিম নেকি?"

"নালাগে। তোমাৰো কষ্ট হৈছে।"

"আচলতে কাৰো কামেই সহজ নহয়। তোমালোকৰ কামবোৰো আমাৰ বাবে সহজ নহয়। আমাৰ কামবোৰ তোমালোকৰ বাবে। গেছৰ ছিলিণ্ডাৰৰ বাবে লাইনত থিয় হওঁতে হওঁতে ভৰিত বিষ উঠি গৈছে। এতিয়া টনটনাইছে।"

"পিটিকি দিম নেকি?"

"আ হা হা, বৰ একেবাৰে পিটিকি দিয়াজন।"

"কোনেও নেদেখে।"

"নালাগে। মই তোমাৰ আঙুলিকেইটা টানি দিম, শুই থাকা।"

"এৰা, সোনকালে শুই থকাই ভাল। ৰাতিপুৱা উঠি আকৌ চাহ যোগাৰ কৰা..."

"থোৱা থোৱা, সোনকালে উঠি চাহৰ যোগাৰ কৰিব নালাগে। মই কৰিম।"

মই শ্ৰীমতীৰ ফালে চালোঁ। লাইটটো অফ কৰি শ্ৰীমতী ওচৰ চাপি আহিল। মই বোলোঁ— "ইমান ওচৰলৈ কিয় আহিছা?"

শ্ৰীমতীয়ে মোক দেখোন কিবা মৰম কৰাৰ দৰে কৰিলে। তাৰ পাছত ক'লে—

"অ মোৰ লাপুং বুঢ়া
মিছা নকওঁ এক কড়া
ছিলিণ্ডাৰ অনা নহয় তিৰীৰ কাম, মতাৰ ৰন্ধা-বঢ়া।
বুজিলো দুয়ো দুয়োৰে দুখ, ভালদৰে আজিৰ পৰা।"❑

লেখক পৰিচিতি ঃ প্ৰতিষ্ঠিত ব্যঙ্গ লেখক তথা চিকিৎসক

বেজীৰ কথা

মূল ঃ শংকৰ পুণতাম্বেকৰ
অনুবাদ ঃ ড° ভূষণ চন্দ্র পাঠক

অফিচ এটাত এদিনাখন বেজীৰ প্রয়োজন হ'ল। বেজী ষ্টেচনাৰীৰ শাৰীত নপৰে। সেয়ে সেইটো অফিচত নাছিল। বেজীটো লিপষ্টিকো নহয় যে কাৰোবাৰ ভেনিটি বেগত পোৱা যাব।

টেবুলত ওলাই থকা গজাল এটাত লাগি বৰবাবুৰ ছার্টটো ফাটিল।

এতিয়া তেওঁ ফটা ছার্টেৰে কাম কৰে কেনেকৈ? ছার্টটো ইন্ কৰি পিন্ধিবলৈও চেষ্টা কৰিছিল। কিন্তু প্র'ব্লেমটো ছ'লভ্ নহ'ল।

কাৰো লগতেই বেজী নাপাই বৰবাবুৰে অফিচাৰৰ টেবুললৈ গ'ল। একপ্রকাৰৰ ডিমাণ্ডৰ সুৰতেই তেওঁ ক'লে— 'ছাৰ, বেজী এটা লাগে। মোৰ ছার্টটো টেবুলৰ গজালত লাগি ফাটিল।'

অফিচাৰে ক'লে— 'নাই, বেজীৰ বাবে আমাৰ তেনে কোনো প্র'ভিজন নাই, ফটা ছার্টেৰেই কাম কৰা। উপায় নাই।'

বৰবাবুৰ মনটো বেয়া লাগিল। তেওঁ ক'লে— 'মই কেৱল বেজীটোহে বিচাৰিছোঁ, ছার্টৰ ক্ষতিপূৰণতো বিচৰা নাই।'

তাকে শুনি অফিচাৰে ক'লে— 'ইয়েছ, তুমি ক্ষতিপূৰণ বিচৰা, তাৰ প্র'ভিজন আছে। কিন্তু বেজী দিব পৰা নাযায়।'

বৰবাবুৰে ক্ষতিপূৰণ পালে। ওপৰৰ পৰা ছেংক্শ্বন হৈ আহিল।

কিছুদিন পিছত টেবুলৰ গজালটোৱে অফিচৰে আন এজন কর্মচাৰীৰ ছার্টত এটেক্ কৰিলে।

অফিচাৰে সেইজনকো ক্ষতিপূৰণ বিচাৰি দৰখাস্ত দিবলৈ ক'লে।

কর্মচাৰীজনে ক'লে— 'ছাৰ, ক্ষতিপূৰণতো পাম। কিন্তু ফটা ছার্টেৰে দিনৰ দিনটো কাম কৰোঁ কেনেকৈ? এনেধৰণৰ সমস্যাৰ মোকাবিলা কৰিবলৈ অফিচত বেজী থকাটো নিতান্তই প্রয়োজনীয়।'

ওপৰৰ পৰা ক্ষতিপূৰণ মঞ্জুৰ হৈ আহিল। বেজীৰ প্রপ'জেলটোহে ৰিজেক্ট হ'ল।

তৃতীয়বাৰ গজালটোৱে এটেক্ কৰিলে। এইবাৰ স্বয়ং অফিচাৰকেই। ছার্টটো ফাটি অৱস্থা নোহোৱা হ'ল।

অফিচটোত হুলস্থূল লাগিল। ইমূৰৰ পৰা সিমূৰলৈ কাম বন্ধ। আলোচনাৰ বিষয়বস্তু মাথোঁ এটাই— ছাৰৰ ছার্ট। 'ছাৰে ফটা ছার্টেৰেই কাম কৰিব নেকি? কি যে চৰকাৰ! কাটিবলৈ ছুৰীৰ প্র'ভিজন আছে, কিন্তু জোৰা লগাবলৈ বেজী দিয়া নাই।'

অফিচাৰে ছার্টটোৰ ফাটি যোৱা অংশটো হাতেৰে ঢাকি অফিচৰ পৰা বাহিৰলৈ ওলাল আৰু গাড়ীত উঠি চিধাই ঘৰ পালেগৈ।

তাকে দেখি অফিচৰ কর্মচাৰীসকলে গজালটোক ধন্যবাদ দিলে।

পিছদিনাখন অফিচাৰেও ক্ষতিপূৰণ বিচাৰিলে। বৰবাবুক মাতি আনি গজালটো কি কৰিব পৰা যায়, সেই বিষয়ে আলোচনাও কৰিলে।

'এইটোক হাতুৰীৰে কোবাই দিয়া যাওক।' —বৰবাবুৱে ক'লে।

'এইটো উপায় নোহোৱা নহয়। কিন্তু ইয়াৰ বাবে প্র'ভিজন নাই।'

সঁচাকৈয়ে জটিল সমস্যা। ঘৰত ভাতৰ পাতত বহি অফিচাৰে শ্রীমতীক অফিচৰ সমস্যাটোৰ কথা ক'লে। শ্রীমতীৰ চিধা কথা — 'প্র'ভিজনৰ কি কথা আছে? পিয়ন-চকীদাৰ এজনক কৈ গজালটো কোবাই দিয়া। লেঠা শেষ।'

অফিচাৰে চকীদাৰ এজনক কামটো কৰিবলৈ ক'লে। চকীদাৰজনৰ স্পষ্ট কথা — 'এইটো মোৰ কাম নহয়। মই নকৰোঁ।'

চকীদাৰজন এলা-পেচা বিধৰ নহয়। ওপৰৰ ছিফাৰিশত অহা। স্বয়ং অফিচাৰেই সমীহ কৰি চলে।

চাওঁতে চাওঁতে গজালটোৱে এদিন টাইপিষ্টৰ শাড়ীখনকেই ধৰিলে।

ঘটনাটোৱে অফিচটোৰ পৰিৱেশেই সলনি কৰি দিলে। কাম-ধাম একেবাৰে বন্ধ। সকলোৰে মুখত একেটাই কথা — টাইপিষ্টৰ শাড়ী। 'গজালটোক মজনু যেন লগা হ'ল। কাৰ বা হৃদয় আহি গজালটোত সোমাইছেহি!' — মুঠৰ ওপৰত সৰৰ আলোচনা।

লাহে লাহে বেজীৰ প্রয়োজনীয়তাই আন্দোলনৰ মুড্ ল'লে। ঊর্ধ্বতন মহল উপায়হীন হ'ল। তেওঁলোকে অফিচটোৰ বাবে বেজী এটা মঞ্জুৰ কৰিলে।

আন্দোলনৰ সময়ত বিৰোধী পক্ষই চৰকাৰক ক'লে— 'সমস্যাৰ স্থায়ী সমাধান হ'বলৈ হ'লে গজালটোৰ ওপৰত হাতুৰীৰ প্রহাৰ হ'ব লাগে। বেজীটোতো খন্তেকীয়া সমাধান। গজালটোৰ প্র'ব্লেমটো বেজীৰে ছ'লভ নহয়। গজালটোৱে মূল্যবৃদ্ধিৰ দৰে হাৰাশাস্তি দিয়েই থাকিব আৰু বেজীটোৱে মূল্যবৃদ্ধিৰ সময়ত ভাট্টা দিয়াৰ দৰেহে কাম দিব।'

কিন্তু চৰকাৰে বিৰোধীৰ কথাক পাট্টাই নিদিলে। তেওঁলোকৰ মতে হাতুৰী হিংসাৰ প্রতীক।

এতিয়া বেজীৰ বাবে টেণ্ডাৰ কৰা হ'ল।

বেজীটো আছিল এটকাৰ, সিপিনে আকৌ টেণ্ডাৰ ফর্মৰ দাম এশ টকা।❑

লেখক পৰিচিতি ঃ বিশিষ্ট অনুবাদক তথা অধ্যক্ষ, বি এইচ কলেজ, হাউলী



BজনেS

বাণীকান্ত মেধি

মহাদেৱ কাকতিৰ ঘৰত দুটা টিভি। এটা ঘৈণীয়েকৰ নামত আনটো কাকতিৰ নিজৰ নামত। ল'ৰা-ছোৱালীহালৰ নামত নাই। সিহঁত দুয়োটাও বৰ টেঙৰ। কেতিয়াবা বাপেকৰ লগত আৰু কেতিয়াবা মাকৰ লগত বহি টিভি চায়। দুয়োফালে তাল মিলাই চলি থাকে। কাকতিৰ ঘৈণীয়েকে ৰাতিপুৱা চাহ কাপ হাতত লৈয়ে কালিৰ কিবা ছিৰিয়েল চাব থাকি গ'লে চাই লয়। নহ'লে গা-মন একেবাৰে বেয়া হৈ যায়। মুঠতে বৰলাকাই, ভাড়াঘৰ, বেহাৰবাৰী আউটপোষ্ট, অপৰূপা, কর্ণ, আৰাধনা, চচুলাল ছিমৰকা, বালিকা বধু, নাগিন, সগুণ, চিয়া ৰামকা কোনো এখনো বাদ যাব নোৱাৰে। দেওবাৰটোত আকৌ ৰিপিট টেলিকাষ্ট। সপ্তাহটোৰ গোটেই খণ্ডকেইটা বন্ধবাৰটোত একেবহাই চাই ল'ব লাগিব। আনফালে, কাকতিৰ টিভিত বাজি থাকে টক্‌ছ শ্ব', ব্রেকিং নিউজ, এক্সক্লুছিভ নিউজ আদি। তাৰ মাজতে কাকতিয়ে দেশৰ দুর্নীতি আদি সহ্য কৰিব নোৱাৰি দুই-এটা কবিতা লিখে। আজিও কাকতিয়ে এটা কবিতা লিখি উলিয়াইছে। কবিতাটো নিজে প্রথমে দুবাৰ মান চিঞৰি চিঞৰি পঢ়িলে।

দিছপুৰ দিছপুৰ দাগীমন্ত্রীৰে ভৰপূৰ
দালালক লগ দিলেই হয়
লাখে লাখে টকা দিলে নানাধৰণৰ চাকৰি মিলে
জয় আজি গণতন্ত্রৰ জয়
দুর্নীতিত নাই লাজ ভয়।
ৰজা আছে আইন নাই ৰাজ্য আছে সীমা নাই
ৰাজসভা জলমল কৰে
কতজনে আহে যায় কতজনে ঠগ খায়
দালালেই সব কাম কৰে
দিছপুৰ বজাৰৰ দৰে।
ওলট পালট দেশ কথাৰ নহয় শেষ
জাতি-জনগোষ্ঠী ভাগ ভাগ হ'ল
বিদেশীৰ উচ্চ শিৰ স্বদেশীৰ চকু থিৰ
দুর্নীতিত দেশ তল যায় যায়
অসম শ্মশান নোহে কেনে কয়?
কাজিৰঙাত বাংলাদেশী গঁড় মাৰে দিনে-ৰাতি
দেও লগা মন্ত্রী ঘূৰে তাত
দুপৰ নিশাটো সেয়ে চোৰাং চিকাৰী ঘূৰি ফুৰে
দিছপুৰৰ আছে হেনো হাত
ৰামৰাজ্য চলি আছে তাত।।

কবিতাটো লিখি মহাদেৱ কাকতিয়ে প্রথমে ঘৈণীয়েকক শুনাব বুলি ভাবিও নুশুনালে। কিয়নো কবিতা শুনাব গ'লে ঘৈণীয়েকে গেৰ-গেৰাই উঠিব— 'আপোনাৰ কাম নাই? কবিতা লিখি কিমানজনে ভাত খাব পাৰিছে? এনেকৈ ঘৰত বহি কবিতা লিখাতকৈ বিজনেছ নকৰে কিয়?' আৰু বহুত কিবা কিবি। গতিকে কবিতাটো ৰাস্তাৰ মানুহকে মাতি আনি শুনাব বুলি মনতে পাঙি ঘৰৰ বাৰাণ্ডাত আৰামী চকী এখনত বহি ল'লে। বহু সময় গ'ল। কোনো সুবিধাজনক মানুহ পোৱা নাই। অৱশেষত কাকতি ডাঙৰীয়াই বিজনেছৰ কথাকে ভাবিবলৈ আৰম্ভ কৰিলে। ঘৰলৈ কেইটামান টকা আনি ঘৈণীজনৰ হাতত দিব পাৰিলে অলপ শান্তি! মহাদেৱ কাকতিৰ মন বিজনেছৰ ফালে গুচি গ'ল—

পূজা, বিহু আৰু নির্বাচন একেলগে আহিলে বৰ ভাল হয়। বহুতৰে বাবে গাখীৰতে ম'হৰ খুঁটি। এই সময়ত কিবা এটা

বিজনেছ কৰিব পাৰিলে, ভাল লাভ কৰিব পৰা যাব। কাততিৰ মনলৈ প্ৰথমে অসমীয়া গামোচাৰ কথা মনলৈ আহিল। ৰাজনৈতিক নেতাবোৰৰ ডিঙিৰ পৰা গামোচা নুগুছেই। তাৰ উপৰি আমাৰ দিল্লীৱালাবোৰবোৰ এইকেইদিন আহ-যাহ বেছি। এজনক এশ-দুশমানকৈ গামোচা দিয়ে। আৰু বেচেৰাহঁতবোৰ ডিঙিত গামোচা নল'লে উপায় নাই, মিডিয়াই থেকেচি পেলাব। নির্বাচনত জিকাবোৰকটো হাজাৰ হাজাৰ গামোচা দিব। তাতে আকৌ ব'হাগ বিহুত গামোচাৰ প্ৰয়োজন হ'ব। অকল ব'হাগতেই বিহু নচলে নহয়। ব'হাগত আৰম্ভণি, জেঠত ব'হাগী বিদায়, আহাৰ-শাওনত ব'হাগী ৰেঙণি, কাতিত উভতনি, মাঘত ঢেৰেকনি, ফাগুনত ব'হাগী আদৰণি, চ'তত ব'হাগী গোজৰণি এইবোৰ হৈয়েই থাকিব। গতিকে গামোচাৰ বিজনেছটোৱে শ্ৰেষ্ঠ হ'ব। কিন্তু আমাৰ অসমৰ শিপিনীয়ে গামোচা ব'ব এৰি দিছে। অৱশ্যে ইলেকচনৰ বতৰত পাঁচ বছৰে শুই-বহি থকাবোৰে সূতা বিলোৱা দেখিছোঁ। সূতাৰ কাৰণে বহুত তিৰোতাৰ মাজত দুর্বাদল কাজিয়াও দেখিছোঁ। সেই সূতাবোৰেৰে গামোচাই ব'ই নে কি কৰে নাজানো। শিপিনীবোৰে তাঁতশাল এৰি দিয়া বাবে আমাৰ আগৰ হাঁহিৰাম ছাৰে বিৰোধীমখাক গালি পাৰি পাৰি কৈছিল — এইবোৰে প্ৰমাণ কৰে আমাৰ অসমখন কিমান উন্নতিৰ ফালে আগবাঢ়ি গৈছে!

হায়.. হায়... ! আমাৰ গামোচা দেখি জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল — "যি অসমীয়া নাৰীয়ে কাপোৰত ফুল তুলিব পাৰে, সেই নাৰীয়ে স্বাধীনতা আন্দোলনত লাগি নিশ্চয় দেশ ৰক্ষা কৰিব পাৰিব।" এতিয়া আমাৰ অসমত গামোচাৰ অভাৱ, মানে শিপিনীৰ অভাৱ!

অসমীয়া জাতিৰ জীৱন ধাৰাত
গামোচাই ৰাখিছিল মান
অসমীয়াৰ প্ৰাণ মাদ্ৰাজী গামোচাই
গাব অসমীয়াৰ গান।

গতিকে মাদ্ৰাজৰ পৰা গামোচা আনি অসম ভৰাই পেলাব লাগিব। কিন্তু কেনেকৈ সম্ভৱ হ'ব? মূলধন বহুত লাগিব। সদ্যহতে মোৰ ইমান টকাও নাই। গতিকে এই বিজনেছটোত সহজে হাত দিব পৰা নাযাব।

তেন্তে কি বিজনেছ কৰা যাব? ইনভেষ্টমেণ্ট কম হ'ব লাগিব। আন্দোলনঙ্গ এৰা আন্দোলনঙ্গ যদি যিকোনো সমস্যা এটাক লৈ আন্দোলন ঘোষণা কৰোঁ, তেতিয়া নিশ্চয় মৃত্যুৰ দিনলৈ দুবেলা দুমুঠি খাব পাৰিম। লগতে মই নেতা হ'ব পাৰিম। বহুত সহজ-সৰল হোজা মানুহ মোৰ লগত থাকিব। হাতত টকা নপৰালৈকে চৰকাৰক গালি পাৰিম আৰু টকা হাতত পৰাৰ লগে লগে মনে মনে থাকিম। 'আন্দোলন বিজনেছ'টোৰ জৰিয়তে মই চি এম ছাৰক বাধ্য কৰাম— 'মোক তেল ডিপো খোলাৰ বাবে পার্মিট দিয়ক, মোক বিলাতী মদৰ পার্মিট দিয়ক, মোক ৰেস্তোৰাঁ-বাৰ আদি খোলাৰ বাবে পার্মিট দিয়ক, কয়লা-চিমেণ্টৰ ছিণ্ডিকেট খোলাৰ বাবে পার্মিট দিয়ক, মোক গুৱাহাটীৰ মাজ মজিয়াত এটুকুৰা মাটি দিয়ক।' মজা হ'বঙ্গ অসমত এই বিজনেছটোৰ নিচিনা লাভজনক বিজনেছ নাই। এই বিজনেছটো প্ৰথমে আৰম্ভ কৰোতে কেইটামান টায়াৰ আৰু কেইজনমান সহজ-সৰল হোজা মানুহ লাগিব। পথ অৱৰোধ, লগে লগে টিভিৰ চেনেলবোৰে নিজৰ টি আৰ পি বঢ়াবলৈ আগুৰি ধৰিব। তাৰ পিছত টিভিত উদাত্ত কণ্ঠেৰে ভাষণঙ্গ লগে লগে আন্দোলনে এক গতি ল'ব। আৰু কি লাগেঙ্গ

মহাদেৱ কাকতিয়ে এনেদৰে ভাবিব ধৰিলে— যেন তেওঁ বিজনেছটো আৰম্ভ কৰিয়েই দিছে। মুখত আনন্দৰ বন্যা। এইখিনি সময়তে ঘৈণীয়েকে চাহ একাপ আনি কাকতিৰ সন্মুখত দাঙি ধৰিলে। কাকতিৰ ততেই নাই। মাজে মাজে মুখেৰে শব্দ ওলাই আহিছে — মজা ! মজা ! কিছু সময় ঘৈণীয়েকে চাহকাপ লৈ থাকিব লগা হোৱাত বিৰক্ত হৈ চিঞৰি দিলে — ঃ হেৰি, কি হৈছে? মজা মজা কৈ চিঞৰি আছে যে?

ঃ হেৰা, বিজনেছ পাই গ'লো। আন্দোলন !

ঃ বিজনেছ পাই গ'ল। আন্দোলন !

ঃ অ' মই আন্দোলন কৰিম।

ঃ আগতে চাহ কাপ লওক। তাৰ পিছত কি আন্দোলন কৰে, চান্দোলন কৰে কৰি থাকিব।

ঃ হেৰা, আন্দোলনৰ নিচিনা কিবা ভাল বিজনেছ থাকিব বুলি মই ভাবিবই পৰা নাছিলো। মই আৰম্ভ কৰিমেই।

ঃ আপোনাৰ পুত্তলিকা দাহ কৰিব। আজিকালিৰ মানুহ ইমান বুৰবকো নহয়। অলপ বেয়া কাম কৰিলে আপোনাৰ জুমুঠি বনাই জুই দিব, চেণ্ডেল লাঠিৰে কোবাব, লঠিয়াব।

ঘৈণীয়েকে ভোৰ ভোৰাই বকি যোৱাৰ পিছত মহাদেৱ কাকতিয়ে অলপ মৌন হৈ ভাবিবলৈ ধৰিলে— থিক, থিক। বৰ ডাঙৰ বিজনেছৰ কথা মনত পেলাই দিলে। জুমুঠিৰ বিজনেছ। সাংঘাতিক বিজনেছ হ'ব। আন্দোলনৰ প্ৰধান অস্ত্ৰবিধেই দেখোন জুমুঠি। টিভি চেনেল চাবই নোৱাৰি, সদায় মন্ত্ৰী, এম.এল.এ, ডাঙৰ ডাঙৰ পালিনেতা, বিষয়া আদিৰ জুমুঠি দাহ হয়। ৰাতিপুৱাৰ বাতৰি কাকতখনো মেলি ল'লে দেখা যায় জুমুঠি দাহৰ দৃশ্য। আমাৰ হাঁহিৰামৰ পোন্ধৰ বছৰে কিমান হাজাৰ হাজাৰ জুমুঠি জ্বলিল তাৰেই দেখোন লেখ-জোখ নাই। পিছে, কামতে অহা নাই। জুমুঠি জ্বলিলেও কয়— 'বাদ দিয়া হে।' জুমুঠি জ্বলাই কিডাল কৰিব। জুমুঠি সৰু মানুহৰ নজ্বলাই নহয়। জুমুঠি জ্বলোৱা মানেই ডাঙৰ মানুহ। গতিকে মই ডাঙৰ মানুহ। হয় নে নহয়?

বাতৰি কাকতত কভাৰেজ, টিভিত কভাৰেজ। গতিকে মই গৌৰৱবোধ কৰো।

হে হৰিঙ্গ গৌৰৱবোধ কৰে? হিন্দু ধর্ম মতে এনেদৰে জুমুঠি জ্বলোৱাৰ নিয়ম নাই। নাপায়, নাপায়ঙ্গ দেখদেখকৈ জীৱন্ত মানুহক জ্বলাব নাপায়। কোনো কাৰণত এজন মানুহৰ মৃত্যু ঘটিলে আৰু তেওঁৰ শৱ বিচাৰি নাপালে জুমুঠি জ্বলাই সৎকাৰ কৰা নিয়ম নিশ্চয় আছে। কিন্তু মানুহজন জীয়াই থাকোতে এনেদৰে....। ছেঃ এনেদৰে জ্বলোৱাৰ পিছতো গৌৰৱবোধ কৰে?

থিক্, এই বিজনেছটোৱে মজা হ'ব! বহুত লাভৱান হ'ব পাৰিম। আমাৰ সোণৰ অসমখনত যিমান জুমুঠি জ্বলে সেইবোৰক চাই প্রতিদিনে বিশ-ত্রিশ হাজাৰ টকা লাভ হ'ব। গাঁৱৰ পৰা খেৰৰ পুজি আনি দিনে হাজিৰা চিষ্টেমত জুমুঠি বনাব দিলে খেলা খতম। অৱশ্যে প্রথমে এটা নাম দিব লাগিব, বাতৰি কাকতত এড্‌ভাৰটাইজ দিব লাগিব। তাৰ পিছত...., শৱৰ দৰে লৈ যোৱা জুমুঠিৰ দাম হাজাৰ টকাতকৈ বেছি দামত বিক্রী কৰিব পাৰিম। টিকাত বাঁহ বান্ধি থোৱা পুত্তলিকাৰ দাম পাঁচশমান কৰিলেও কোনেও আপত্তি নকৰিব। ভাল, ভাল হ'ব। এইটোৱে কৰিব লাগিব। প্রথমে গুৱাহাটীত ফেক্টৰী, তাৰ পিছত অসমৰ বিভিন্ন ঠাইত শাখা বিক্রী কেন্দ্র। মই বছৰৰ ভিতৰতে কোটিপতি হ'ব পাৰিম। কোটি কোটি টকা দামৰ দুখন তিনিখনকৈ গাড়ী হ'ব...।

মহাদেৱ কাকতিয়ে বিজনেছৰ কথা ভাবি থাকোতে কাষৰে হৰমোহন কলিতা আহি ওলাল। কাকতিয়ে কলিতাক বহিবলৈ চকী এখন দি নির্বাচনত কোনটো দলক ভোট দিয়া ভাল হ'ব বুলি সোধাৰ লগে লগে কলিতাই আৰম্ভ কৰিলে —

কাকনো দিবাহে ভোট
বহুতৰে আছে জোট
কিছুমানৰ আছে ফোঁট
সঘনে সলাই মোট।
কিমান দেখিবা দল
আছে আৰু উপদল
নির্দলীয়ৰো আছে গোট
জিকিলে মাৰে ফুট।
হে... হে.. হে...।

মহাদেৱ কাকতিয়ে কলিতাৰ কবিতাসদৃশ কথাখিনি শুনি হাতত লৈ থকা কবিতাটো আওৰাব খুজিছিল, কিন্তু নাই, কবিতাটো পকেটত থৈ কলিতাক ক'ব ধৰিলে —

উন্নয়ন হ'ব ক্ষিপ্র
দুর্নীতি নহ'ব তীব্র
দুখীয়াৰ গুচিব দুখ
সকলোৰে হ'ব সুখ
সকলোৱেই পাব প্রাপ্য
দেশত হ'ব ৰামৰাজ্য।

হে.... হে..... হে.... কৈ দুয়োৱে অন্তৰ খুলি হাঁহিলে। কাকতিয়ে কলিতাক ক'লে আমাৰ পার্টীৰ কথা নাই। আমাৰ চুবুৰীটোৰ যুৱক জগত দাসকে ভোট দিয়াটো ভাল হ'ব। জিকিলে আমাৰ অঞ্চলটোৰ উন্নতি অলপ কিজানি হয়েই।

ঃ আপুনি কোন ৰাজ্যত আছে হে?

ঃ কিয়?

ঃ জগতে নির্বাচন নেখেলে।

ঃ কি কয় হে? ইমান দিনে লাগি লাগি নির্বাচন নেখেলে?

ঃ জগতে ডাঙৰ বিজনেছ এটা কৰিলে।

ঃ বিজনেছ?

ঃ অ', এটা ৰাতিৰ ভিতৰতে কোটিপতি। এজন প্রার্থীৰ পৰা পাঁচ কোটি টকা লৈ নির্বাচন নেখেলো বুলি যোৱাকালি ঘোষণা কৰিলে।

ঃ সেই টকা দিয়া প্রার্থীজন কোন?

ঃ কিয়, আমাৰ বুঢ়া বয়সলৈকে 'পঢ়া নেতা' হৈ থাকি দুজনমানে ৰাজনীতিত নমা নাই জানো। তাৰে এজনে দিলে।

ঃ ইমান টকা ক'ত পালে?

ঃ ক'ত পালে মানে। ৰইনাৰে ধান চপোৱাৰ দৰে টকা চপাইছে। এই চান্দা তোলা সংগঠনৰ নেতা হৈ থকাটো ডাঙৰ কথা। বহুত ভাল বিজনেছ কৰিব পাৰে। নমিনেশ্বন দিয়াৰ দিনা টকাৰ হিচাপ দিলে নহয় তেওঁ। নিবনুৱা নেতাজনৰ বহুত কোটি কোটি টকা বেংকত জমা আছে। গুৱাহাটীত বহুত মাটি। গাঁৱত প্রায় এশ বিঘা মাটি।

কাকতি, আপুনি বহক। মই এটা ফ্লায়িং বিজনেছ কৰি আহো, মানে আজিৰ হাজিৰাটো উলিৱাওঁ। প্রচেশ্বনত যাম বুলি পাঁচশ টকা ল'ম। ইতিমধ্যে তিনিজন প্রার্থীৰ পৰা পাঁচশকৈ লৈছোৱেই। এইকেইদিন অলপ বিজনেছ কৰি লওঁ, মই আপোনাক এৰিছো।


মহাদেৱ কাকতি বহুত সময় মৌন ৰৈ ৰ'ল।❑

লেখক পৰিচিতি ঃ বিশিষ্ট ব্যঙ্গ লেখক তথা অংকশাস্ত্র শিক্ষক



স্মৃতিচাৰণ




GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাৰ ইতিবৃত্ত
(মোৰ স্মৃতিৰ পটৰ পৰা)

হলিৰাম ডেকা

বছৰ বাগৰাৰ লগে লগে গীতানগৰ অঞ্চলতো পৰিবৰ্তন আহিল। ৰাস্তা-ঘাট বহল হ'ল, ৰাস্তা পকা কৰা কাম আৰম্ভ হ'ল, বিজুলীবাতি আহিল, ঘৰে ঘৰে বিজুলীবাতি জ্বলিল। গাড়ী, মটৰ, চাইকেল, ৰিক্সা, অটো, ট্ৰেকাৰ, চিটি বাছ, স্কুল বাছ দিনৰাতি চলা হ'ল। নানা অনুষ্ঠান-প্ৰতিষ্ঠান যেনে, স্কুল-কলেজ, হস্পিতাল হ'ল। দোকান-পোহাৰ, বজাৰ, ৰেস্তোৰা-বাৰ, ক্লাব ঘৰ, মিনি ষ্টেডিয়ামৰ জন্ম হ'ল। ঘৰ-দুৱাৰ প্ৰায়ে পকা হ'ল। নতুন নতুন কেবামহলীয়া ফ্লেট হ'ল। মুঠৰ ওপৰত গুৱাহাটীৰ পূৱ প্ৰান্তত অৱস্থিত এই গীতানগৰ অঞ্চল গুৱাহাটীৰ ভিতৰতে শ্ৰেষ্ঠ আবাসিক অঞ্চলৰূপে জনাজাত হ'ল।

এতিয়া আহিছো গীতানগৰ সাৰ্বজনীন পূজাৰ বিষয়ে। ১৯৭৫ চনৰ কথা। বৰ্তমানৰ বৈকুণ্ঠপুৰৰ বাসিন্দা স্বৰ্গীয় ভোলানাথ শৰ্মা, স্বৰ্গীয় কানুৰাম কলিতা, স্বৰ্গীয় নাৰায়ণ শৰ্মা আৰু শ্ৰীনাৰায়ণ গোস্বামী আদিয়ে অনুৰাধা চিনেমা হলৰ ফালে আবেলি, সেই বছৰৰ দুৰ্গা পূজাৰ প্ৰতিমা বিসৰ্জনৰ শোভাযাত্ৰা চাবলৈ গৈছিল। তাৰ পৰা ঘূৰি আহোঁতে বাটে-বাটে হাতীগড় প্ৰাইমাৰী স্কুলৰ খেলপথাৰত এখন দুৰ্গা পূজা পাতিব পাৰি নে নোৱাৰি এই বিষয়টো আলোচনা কৰি আহিছিল। পিছদিনা মোৰ লগতো সেই বিষয়ে আলোচনা কৰিছিল। কথাটো শুনি ভালেই পালো— কাৰণ এই অঞ্চলৰ মানুহখিনিয়ে পূজাই হওক, বিহুয়েই হওক আন ঠাইলৈ যেনে— চান্দমাৰী, নুনমাটি, পাণবজাৰ, ফাঁচীবজাৰ ইত্যাদি ঠাইলৈ গৈ বিহু-পূজা উপভোগ কৰিব লাগিছিল। যান-বাহনৰ অসুবিধাৰ বাবে সেইবোৰ ঠাইলৈকে যাবলৈও অসুবিধা আছিল। গতিকে এই বিষয়টো আমি উপযুক্ত সময়ত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব বুলি পিছলৈ থৈ দিলো।

১৯৭৬ চনৰ দুৰ্গা পূজা ছেপ্টেম্বৰ মাহত। পূজাৰ আগেয়ে আমাৰ চুবুৰিৰ ওপৰত উল্লেখ কৰা ব্যক্তিসকলৰ লগতে ময়ো চুবুৰিত বাস কৰা আন আন লোকৰ লগতো আলোচনা কৰি হাতীগড় প্ৰাইমাৰী স্কুল প্ৰাঙ্গণত এখন সাধাৰণ সভা আহ্বান কৰা হ'ল। ১৯৭৬ চনৰ জুলাই মাহ। দিন-বাৰ মনত নাই। এই উপলক্ষে এই অঞ্চলৰ সমূহ ৰাইজৰ ঘৰে ঘৰে গৈ, সভাত উপস্থিত থাকি পূজা উদ্‌যাপনৰ বাবে দিহা-পৰামৰ্শ দিবলৈ আহ্বান জনোৱা হ'ল। লগতে ১৯৭৫ চনত প্ৰথমে যিসকল ব্যক্তিয়ে বি.এছ.এফ. কেম্পৰ ওচৰত দুৰ্গা পূজা আৰম্ভ কৰিছিল সেইসকল ব্যক্তিকো মতা হ'ল। সেই সভাত ৰাইজৰ উপস্থিতি আৰু আনখন দুৰ্গা পূজা উদ্‌যাপন কৰা বিষয়-ৰবীয়াসকল অনুপস্থিত নথকাত আন এখন ৰাজহুৱা সভা সেই ঠাইতে আহ্বান কৰা হ'ল। আন আন ঠাইৰ পৰা অহা ৰাইজৰ বাহিৰেও বি.এছ.এফ. কেম্পৰ কাষৰ জু-নাৰেঙ্গী পথৰ দুৰ্গা পূজাৰ কেইজনমান বিষয়-ৰবীয়া যেনে— শ্ৰীমাণিক চন্দ্ৰ ৰৱঠাকুৰ, স্বৰ্গীয় খগেন সৰকাৰ, স্বৰ্গীয় গিৰীন ডেকা আদি কৰি কেইজনমান উপস্থিত আছিল। সভাত তেওঁলোকৰ পূজাভাগ আৰু আমাৰ এই ফালৰ প্ৰস্তাৱিত পূজা-ভাগ লগ লগাই এখন পূজা এই অঞ্চলৰ মধ্যস্থান স্কুলৰ খেল পথাৰত পাতি উদ্‌যাপন কৰাৰ বিষয়ে আলোচনা-বিলোচনা কৰা হৈছিল। কিন্তু জু-নাবেঙ্গী পথ দুৰ্গা পূজা কমিটিৰ সদস্যসকল এই প্ৰস্তাৱত মান্তি নহ'ল। তেওঁলোকে স্পষ্টকৈ কৈ দিলে—তেওঁলোকে সেই ঠাইতে অহা বছৰলৈকো দেৱীক আমন্ত্ৰণ জনাইছে। গতিকে তেওঁলোকে সেই ঠাই এৰি অন্য ঠাইলৈ যাব নোৱাৰে। আমাৰ ফালৰ ৰাইজে হাতীগড় প্ৰাইমাৰী বিদ্যালয় প্ৰাঙ্গণত এই বছৰ ১৯৭৬ চনৰ পৰা এখন নতুন দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰি সেইদিনাই এখন কাৰ্য্যকৰী সভা গঠন কৰে। পূজা কমিটিৰ নাম দিয়া হ'ল— গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতি। প্ৰথমখন কাৰ্য্যকৰী সমিতি আছিল এনে ধৰণৰ—

সভাপতি	ঃ	শ্ৰীহলিৰাম ডেকা
উপ-সভাপতি	ঃ	শ্ৰীভোলা নাথ শৰ্মা
		শ্ৰী কানুৰাম কলিতা
সম্পাদক	ঃ	শ্ৰীনাৰায়ণ শৰ্মা
যুটীয়া সম্পাদক	ঃ	শ্ৰীসুৰেশ চন্দ্ৰ ডেকা
		শ্ৰীদেবেন্দ্ৰ নাথ শৰ্মা

কোষাধ্যক্ষ ঃ শ্রীনাৰায়ণ গোস্বামী
উপদেষ্টা ঃ শ্রীকল্পকান্ত হাজৰিকা
সদস্যসকল ঃ সর্বশ্রী নগেন্দ্র কুমাৰ চমুৱা, সিদ্ধিনাথ বৰুৱা, দ্বাৰিকা নাথ বৈশ্য, প্রবীণ বংজাং, ৰামচন্দ্র ডেকা, প্রভাত বর্মন, জগন্নাথ দাস, অৰনী কুমাৰ ডেকা, গোপী ৰহাং, নগেন কলিতা, শৰৎ চন্দ্র বৰকাকতী, শিৰ ৰাম দাস আৰু ঘনকান্ত চেতীয়া।

১৯৭৬ চনৰ ছেপ্টেম্বৰ মাহৰ ২৯ তাৰিখে পূজা আৰম্ভ। সাধাৰণ সভা হৈ যোৱাৰ দিনৰে পৰা পূজালৈ মাত্র ডেৰ মাহ বাকী আছিল। এই সময়ছোৱাৰ ভিতৰতে আন এখন পূজা কমিটি, কার্যকৰী কমিটিৰ সিদ্ধান্ত মর্মে বৰঙণি তোলাৰ বাবে ৮০টা ২৫ পাতৰ ৰচিদ বহী আৰু ২০০০খন নিমন্ত্রণী চিঠি ছপাই আনি ধন সংগ্রহৰ বাবে মানুহৰ ঘৰে ঘৰে, দোকানে-পোহাৰে যোৱাৰ কাম আৰম্ভ কৰা হ'ল। কার্য্যকৰী কমিটিৰ সদস্যসকলৰ বাহিৰেও, চুবুৰিত থকা ব্যক্তিসকলো, প্রায়ে ওলাই আহি ধন-সংগ্রহ কৰাৰ বাহিৰেও পূজাৰ লাগতিয়াল বস্তু-বাহানি সংগ্রহ কৰাৰ কামত লাগি দিলেহি। আমি সকলোৰে পূজাভাগ যাতে সুকলমে নিয়াৰিকৈ চলাই সাফল্যমণ্ডিত কৰিব পাৰো তাৰ বাবে উঠি-পৰি লাগিছিলো। কমিটিৰ বাহিৰত থাকিও সকলো কামতে সহায় কৰি দিয়া ব্যক্তিসকল আছিল শ্রীদয়ানন্দ হাজৰিকা, স্বর্গীয় ভুবন চন্দ্র কলিতা, শ্রীহৃদয় চন্দ্র ডেকা, শ্রীদেবেন্দ্র চন্দ্র চৌধুৰী ইত্যাদি। পূজাৰ চান্দা/বৰঙণি কাম এফালেদি চলি থাকিল আৰু আন ফালেদি পূজাৰ ৰভা, মণ্ডপ, ভোগঘৰ সজাৰ কাম, টিনপাত, বাঁহ, পূজাৰ সামগ্রী যেনে, শৰাই, কাহী, বাটি, শঙ্খ, ঘণ্টা, তামি কোষা অর্থ আদি যোগাৰ কৰাৰ কাৰণে কাম ভগাই দিয়া হ'ল। ব্রাহ্মণ-পুৰোহিত চণ্ডী-পাঠক, ওজাপালি, ঢুলীয়া ইত্যাদিও সকলো ঠিক-ঠাক কৰা হ'ল। পূজাৰ ব্যৱহাৰৰ কাৰণে চন্দ্রতাপ, আঁৰ কাপোৰ চিলাই কৰি অনা হ'ল। দুর্গা প্রতিমা সজাবলৈ পাণবজাৰত দিয়া হ'ল। পূজা আৰম্ভ হৈছিল ২৯ ছেপ্টেম্বৰ (১৩ আহিন) ১৯৭৬ ষষ্ঠী পূজা। সেইদিনা পুৰাৰ ভাগত দেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ— গধূলি দেৱীৰ বোধ, আমন্ত্রণ আৰু অধিবাস। পুৰণি হাইস্কুলৰ ঘৰৰ কাষত এজোপা বেলগছ আছিল। আগবেলা গছৰ গুৰিৰ ঠাইখিনি চাফ-চিকুণ কৰি, গোবৰ পানীৰে মচি ধূপ-ধুনা, চাকি জ্বলাই যুগ্ম বেলযুক্ত এটা ডাল কাটি আনি স্থাপন কৰা হ'ল। সেইদিনাই পূজাৰী, তেখেতৰ সতীর্থসকল চণ্ডী পাঠক, ওজাপালি, ঢুলীয়া, ভোগ ৰান্ধনি আহি সকলো হাজিৰ হ'ল। গধূলি পাণবজাৰৰ পৰা দুর্গা প্রতিমা আনি মণ্ডপত স্থাপন কৰা হ'ল। গধূলি পূজাৰী শ্রীঅভিনাথ শর্মাদেৱে শঙ্খ, ঘণ্টা, ঢোল-বাদন আৰু ওজাপালিৰ বন্দনাৰ মাজেৰে, গছৰ গুৰিত পূজা ভাগ সমাপ্ত কৰি যুগ্ম বেলৰ ডালটো চোৰৱেৰে বৰি আনি মণ্ডপৰ যথাস্থানত স্থাপন কৰি দেৱীৰ বোধন কৰিলে। তাৰ পিছত দেৱীৰ আমন্ত্রণ আৰু অধিবাস সম্পন্ন কৰাৰ পিছত ষষ্ঠী পূজাৰ অন্ত পৰে। ৰাইজৰ মাজত প্রসাদ বিতৰণ কৰা হয়।

৩০ ছেপ্টেম্বৰ (১৪ আহিন) ১৯৭৬ চন— সপ্তমী পূজা। প্রথমে দেৱীৰ নৰ পত্রিকা প্রৱেশ। এইদিনা দেৱীক নৰ পত্রিকা বাসিনী হিচাবে এডাল কল গছত পূজিতা হয়। তাতে হালধি, বেলৰ ডাল ও যুগ্ম বেল, ডালিম, কলাকচু, মানকচু, অশোক, জয়ন্তী একেলগে বান্ধি কলগছত বগা অপৰাজিতাৰ লতাৰে আগুৰি ৰঙা পাৰিৰ বগা শাড়ীৰে ঢাকি দি কলা বৌ সজাই গণেশ মূর্তিৰ সম্মুখত দক্ষিণ-পশ্চিমমুৱাকৈ স্থাপন কৰি স্নান কৰাই, দেৱী দুর্গাক প্রতীক বুলি কল্পনা কৰি তিনিওদিন পূজা কৰা হয়। পূজাৰ শেষত ভক্তসকলে দেৱীলৈ অঞ্জলি প্রদান কৰে। পিছত পূজাৰ শেষত প্রসাদ ও ভোগ বিতৰণ কৰা হয়। গধূলি আৰু ১ অক্টোবৰ (১৫ আহিন) ১৯৭৬ চন যথা ৰীতি, যথা সময়ত অষ্টমী পূজা আৰম্ভ হয়। আগৰ দৰে অঞ্জলি প্রদান, প্রসাদ ও ভোগ বিতৰণ কৰা হয়। সেইদিনাই সন্ধি পূজাও হয়। গধূলি আৰতি।

২ অক্টোবৰ (১৬ আহিন) ১৯৭৬ চন। সেইদিনাও পূজাৰীয়ে যথাৰীতি নৰমী পূজা, পূজাৰ পিচত হোম, হোমৰ পূর্ণাহুতিৰ পিচত ভক্তসকলৰ দেৱীলৈ অঞ্জলি প্রদান। ভক্তসকলক শান্তি আৰু নির্মালি প্রদান কৰে। তাৰ পিছত প্রসাদ ও ভোগ বিতৰণ। গধূলি আৰতি।

৩ অক্টোবৰ (১৭ আহিন) ১৯৭৬। দেৱীৰ দশমী বিহিত পূজা সেইদিনাও আগৰদৰে শঙ্খ, ঘণ্টা, উৰুলিৰ দেৱী বন্দনাৰে পূজা আৰম্ভ হ'ল। সেইদিনাৰ পূজাৰ শেষত দুর্গা দেৱীক বিসর্জন দিয়াৰ আগেয়ে কমিটিৰ সদস্য আৰু ৰাইজৰ ফালৰ পৰাও কেইজনমান মণ্ডপলৈ গৈ দেৱীৰ বাঁও ভৰিত ধৰি প্রণাম কৰি, অহা বছৰলৈকো নিমন্ত্রণ জনায়— ইয়াৰ পিছত দেৱীৰ বিসর্জন আৰু তাৰ পিছতে অপৰাজিতা পূজা শেষ কৰি পূজাৰ প্রসাদ আৰু বলয় ধাৰণ কৰি ৰাইজ বিষণ্ণ বদনে ঘৰমুৱা হয়।

পূজাৰ আটাইকেইদিন পূৰোহিতৰ মন্ত্রৰ ধ্বনি, চণ্ডী পাঠ, আয়তীসকলৰ উৰুলি আৰু নাম, ওজাপালিৰ বন্দনা, শঙ্খ-ঘণ্টা, বৰকাঁহৰ বাজনা, ঢোল-তালৰ শব্দই পূজাৰ ৰভাঘৰৰ ভিতৰে-বাহিৰে মুখৰিত হৈ যি আনন্দৰ আৰু আকর্ষণীয় পৰিবেশৰ সৃষ্টি হৈছিল সেই সকলোৰোৰ নিষ্প্রভ হৈ পৰিল।

সেইদিনাই আবেলি ব্রাহ্মণ বিদায় দিয়াৰ উপলক্ষে এটি প্রীতি ভোজনৰ আয়োজন কৰা হয়। ইয়াত পুৰোহিত আৰু তেওঁৰ সতীর্থসকলৰ, ওজাপালি, ঢুলীয়া, পূজা কমিটিৰ সকলো বিষয়-ববীয়া আৰু কর্ম-কর্তাসকলক আৰু পৃষ্ঠপোষক দাতাসকলক প্রীতি ভোজেৰে আপ্যায়িত কৰা হয়। ভোজনৰ শেষত পূজাৰীসকলক দান-দক্ষিণা, ওজাপালি, ঢুলীয়া সকলোকে নিজৰ প্রাপ্ত মাননি দি বিদায় দিয়াৰ লগতে অহা বছৰেকত আহিবলৈ অনুৰোধ জনোৱা

হয়। এই প্রীতি-ভোজ উপলক্ষে প্রায় ৭/৮ বছৰমানলৈ বেণুধৰ কলিতাই লাগতিয়াল মাছৰ যোগান ধৰিছিল।

ভাটিবেলা ৩/৪ মান বজাত দেৱীৰ প্রতিমা ট্রাকত তুলি লৈ নগৰ ভ্রমণ কৰি গধূলি কাছাৰীঘাটত বিসর্জন দিয়ে। বিসর্জন দিবলৈ যোৱা ব্যক্তিসকলক পূজাৰস্থলীত ৰাতি প্রসাদ মিঠাইৰে আপ্যায়িত কৰি বিদায় দিয়া হয়।

ইয়াৰ পিছত নির্দিষ্ট দিনত শ্রীশ্রীলক্ষ্মীপূজা কৰা হয়। পূজা হোমযজ্ঞৰে সমাপন কৰি প্রসাদ আৰু ভোগ বিতৰণ কৰি সেই বছৰলৈ পূজাৰ সমাপ্তি কৰা হয়।

এনেকৈয়ে পূজা শুভাৰম্ভ কৰি বছৰে বছৰে পূজা উদ্‌যাপন কৰি আহি আমি ৫০ বছৰত ভৰি দিছোহি। ২০০০ চনত ২৫ বছৰ পূর্ণ হোৱাৰ বাবে পূজাভাগ ৰূপালী জয়ন্তী বর্ষ হিচাবে উদ্‌যাপন কৰা হৈছিল। পূজাৰ আন আন কার্যসূচীৰ বাহিৰেও বিস্তৃত কার্যসূচীৰে। ষষ্ঠী পূজাৰ ৩/১০/২০০০ তাৰিখে পুৱা ৯ বজাত সভাপতি শ্রী হলিৰাম ডেকাৰ দ্বাৰা পূজাৰ পতাকা উত্তোলন, তাৰ পিছতে হৰেন্দ্র নাথ ভট্টাচার্য্য দেৱে শ্বহীদ বেদীত তর্পণ কৰিছিল। সপ্তমী ৪/১০/২০০০ তাৰিখে আবেলি পূজাৰ স্মৃতিগ্রন্থ 'ভৱানী' উন্মোচন কৰিছিল ডঃ প্রমোদ চন্দ্র ভট্টচার্য্যই। এই বছৰতেই আমাৰ দুর্গা পূজাৰ পহিলাবাৰৰ বাবে স্মৃতিগ্রন্থ প্রকাশ কৰি ইয়াৰ পিছৰ বছৰৰ দুর্গা পূজাবোৰতো স্মৃতিগ্রন্থ প্রকাশ কৰি অহা হৈছে। ৰাতি ৮ বজাত মহিলাসকলৰ দুর্গা গোসাঁনীৰ নামৰ প্রতিযোগিতা আৰম্ভ হৈছিল। ১ম, ২য় আৰু ৩য় হোৱা দলবিলাকক নগদ ধনেৰে পুৰস্কৃত কৰা হৈছিল। ৭/১০/২০০০ তাৰিখে আবেলি ৩ বজাত ধর্মালোচনি সভা ডাঃ গোলোক চন্দ্র গোস্বামীয়ে সঞ্চালক হিচাবে সভাপতিত্ব কৰিছিল। আলোচক আছিল ডাঃ কিৰণ শর্মা, ড° থানেশ্বৰ শর্মা, শ্রীকনক চন্দ্র শর্মা, শ্রীঅতুলানন্দ গোস্বামী আৰু ড° নৃপেন্দ্র নাথ শর্মা। পূজা আৰম্ভৰ পৰা আজি ৩৩ বছৰৰ ভিতৰত এই অঞ্চলৰ বহুত পৰিবর্তন হ'ল। জনবসতিৰ সংখ্যা বাঢ়িল। ৰাইজৰ পৰা সকলো ধৰণৰ সহায়-সহযোগ বাঢ়ি আহিল। আগতে আমি ৰাইজৰ ওচৰলৈ প্রতিমা দাতা, ভোগদাতা, বস্ত্রদাতা আদি বিচাৰি যাব লাগিছিল। এটাই আজি আমাৰ আনন্দৰ কথা যে, দাতাসকলে আজি স্বইচ্ছাই প্রতিমা, ভোগ, বস্ত্র আদি দিবলৈ আগবাঢ়ি আহিছে। অকল সেয়ে নহয়, পূজাৰ সকলো লাগতিয়াল সামগ্রী— যেনে দেৱীৰ বস্তু, চণ্ডী পাঠৰ খৰচ, বেদ পাঠৰ খৰচ আনকি ফুল আদি খৰচো দিবলৈ আগবাঢ়ি আহিছে। তেখেতসকলৰ তেনে আগ্রহ দেখি আমাৰ পূজাৰ কর্ম-কর্তা, বিষয়-ববীয়াসকলৰো উৎসাহ-উদ্দীপনা বাঢ়িছে। ইয়াৰ কাৰণ প্রধানতঃ ৰাইজৰ ধনৰ সতব্যৱহাৰ আদিৰ বাবে আৰু হিচাব সময়মতে দাঙি ধৰা। তদুপৰি পূজাৰ অটাইকেইটা দিনত যিসকল ভক্তিপ্রাণ লোক পূজাত উপস্থিত হয়হি সেই সকলো লোকক মাত আষাৰ দিয়াৰে পৰা সেৱা-সৎকাৰ আগবঢ়োৱা, অভ্যর্থনা আদিৰ কাৰণে।

দান-বৰঙণি সংগ্রহ ঃ

পূজাৰ প্রথম ৫/৬ বছৰ মানলৈ আমি কমিটিৰ সভ্যসকলে একেলগ হৈ চান্দা/বৰঙণি আদায় কৰিবলৈ ওলাই গৈছিলো। বন্ধৰ দিনত পুৱা-গধূলি আৰু অফিচ আদি থাকিলে মাত্র গধূলিহে গৈছিলো। আমাৰ লগত এই অঞ্চলৰে আন আন ব্যক্তিকো লগত লৈ গৈছিলো। অময়াপুৰৰ নেপালীবস্তি (তেতিয়া অসমীয়া মানুহ তাত নাছিল), গীতামন্দিৰৰ পাহাৰৰ ওপৰত থকা সূৰুয নগৰ, কুশল নগৰ, বামুণীমৈদাম, ৰেলওৱে কলনী বজাৰ, অনুৰাধা চিনেমা হ'লৰ কাষত থকা দোকান-পোহাৰ, চান্দমাৰী ৰাজহুৱা নামঘৰৰ কাষত থকা দোকান-পোহাৰ, ৰাজগড় জু-ৰোডৰ কেইঘৰমান নির্দিষ্ট লোকৰ ঘৰ, জু-নাৰেঙ্গী তিনিআলিৰ চাহেব টিলা, মণিপুৰী বস্তি, হেমবৰুৱা পথ, মনালিছা পথ, অম্বিকাগিৰী নগৰ, আমাৰ পথ, চিনাকী পথ, ভাস্কৰ নগৰ, হাতীগড় আৰু আমাৰ বৈকুণ্ঠপুৰ এইবোৰ স্থানৰ পৰা দান/বৰঙণি সংগ্রহ কৰা হৈছিল। প্রথম বছৰত কমিটিৰ সভ্যসকলৰ বৰঙণি ৩০ টকাৰ পৰা ৫০ টকালৈ নির্দ্ধাৰণ কৰা হৈছিল আৰু ৰাইজৰ ফালৰ পৰা ২ টকাৰ পৰা ১১ টকালৈ নির্দ্ধাৰণ কৰা হৈছিল। প্রথম বছৰত মুঠ জমা প্রায় ৭,৫০০ টকা। সেইখিনি সুন্দৰকৈ, সুচাৰুৰূপে পূজাভাগ সম্পন্ন কৰা হৈছিল। সেই সময়ত এখন প্রতিমাৰ দাম আছিল মাত্র ৩০০ টকা। আজি ৫০ বছৰৰ ভিতৰত বহুত পৰিবর্তন হ'ল, জনবসতি বাঢ়িল, ৰাইজৰো পূজাৰ প্রতি ধাউতি বাঢ়িল, চান্দা/বৰঙণিৰ পৰিমাণ বৃদ্ধি হ'ল। প্রতিমাৰ দামো আগৰ ৩০০ টকাৰ পৰিবর্তে ৩০,০০০/৪০,০০০ টকালৈকে উঠিল— সেই অনুপাতে সকলো বস্তু-বাহানিৰ দামো উঠিল। যোৱা বছৰত পূজাৰ সংগৃহীত ধনৰ পৰিমাণ আছিল ৩,৭১,০০০ টকা আৰু খৰচ হৈছিল ৩,০৫,৭০০ টকা, হাতে ৰাহি ধন ৬৫,৩০০ টকা।

পূজাৰী আৰু তেওঁৰ সতীর্থসকল

পূজাৰ প্রথম বছৰৰ পৰা অর্থাৎ ১৯৭৬ চনৰ পৰা ১৯৯৯ চনলৈ মাজতে ১৯৭৯ আৰু ১৯৮০ চনৰ বাহিৰে শ্রদ্ধেয় স্বর্গীয় অভিনাথ শর্মাই প্রধান পূজাৰী হিচাবে দেৱী দুর্গাৰ পূজাভাগ ৰাইজৰ হৈ চলাই আহিছিল। তেখেতৰ পৰিবাৰ ঢুকোৱা বাবে ১৯৭৯ আৰু ১৯৮০ চনত অহা নাছিল, সেই দুবছৰ স্থানীয় এজন পূজাৰীৰ দ্বাৰা পূজাভাগ সম্পন্ন কৰা হৈছিল। প্রথম ৩ বছৰৰ বাবে স্বর্গীয় বংশীবদন আছিল বিধি পাঠক। পিচলৈ স্বর্গীয় শর্মাদেৱৰ জোঁৱায়েকক বিধি পাঠক হিচাপে লগত লৈছিল। চণ্ডী পাঠক আছিল কৈঠালকুছিৰ স্বর্গীয় শর্মা (নাম মনত নাই) তেখেতে ১৯৯৯ চনলৈ শ্রীশ্রীচণ্ডীৰ সেৱাভাগ চলাই আহিছিল আৰু অসুখৰ কাৰণে বিদায় লৈছিল। স্বর্গীয় শর্মাৰ পূজাৰীদেৱে তেওঁৰ লগত দুজন পৰিচাৰক আনিছিল আৰু আমাৰ ফালৰপৰা তিনিজন পৰিচাৰক দিছিলো। তেখেতেও ১৯৯৯ চনতেই আমাৰ পৰা বিদায় মাগিছিল। তেখেতৰ উপস্থিতিত পূজাৰো শোভাবর্দ্ধন হৈছিল আৰু

ৰাইজেও তেখেতৰ কামত সন্তুষ্টি লাভ কৰিছিল। ২০০০ চনত আমাৰ পূজাখনৰ ২৫ বছৰ পূর্ণ হোৱা বাবে সেই বছৰত পূজাভাগ ৰূপালী জয়ন্তী বর্ষ হিচাবে পালন কৰিবলৈ স্থিৰ কৰিছিল। সেই বছৰৰ পূজাৰ কাৰণে পুৰোহিত বিচাৰি আমাৰ সদস্য দুজন হাজোলৈ গৈ শ্রদ্ধেয় শ্রীসন্তনাথ শর্মাক লগ ধৰি পূজাৰী হিচাবে বন্দোবস্ত কৰি নিমন্ত্রণ কৰি আহিল। লগতে তেখেতক বিধি পাঠক আৰু চণ্ডী পাঠক আৰু দুই-তিনিজন পৰিচাৰকক লগত লৈ যথাসময়ত পূজাত উপস্থিত হ'বলৈ কৈ আহিল। ২০০০ চনৰ পৰাই দেৱীৰ পূজাভাগ তেখেতে চলাই আহিছে। সেই বছৰতেই স্বর্গীয় অভিনাথ শর্মাদেৱক গাড়ীৰে ঘৰৰ পৰা আনি আমাৰ পূজাস্থলীত সম্বর্দ্ধনা জনাই দান-বৰঙণি দি বিদায় দিয়া হয়।

ভোগ ৰান্ধনি

নলবাৰীৰ ওচৰৰ কটপুহ গাঁৱৰপৰা শ্রীঅনন্তনাথ শর্মাক পূজাৰ ভোগ ৰন্ধা-বঢ়াৰ কাৰণে নিযুক্তি দিয়া হয়। কেইবছৰমান পিছত আমাৰ পৰা বিদায় লোৱাত তেওঁৰ ককায়েক শ্রীদুর্গানাথ শর্মাক নিয়োগ কৰা হয়। যোৱা ২০০০ চনৰ পূজাৰ পিচতে তেওঁৰ পুত্র শ্রীৰুচিনাথ শর্মাক লোৱা হয়।

দেৱীৰ বস্ত্রদান

পূজা আৰম্ভ হোৱাৰ ৩/৪ বছৰ মানলৈ পূজাৰ লাগতিয়াল বস্তু যেনে ধুতি, শাড়ী, বগা কাপোৰ ইত্যাদি পূজা কমিটিৰ পইচাৰে কিনা হৈছিল। তাৰ পিছত স্বর্গীয় চন্দ্রধৰ বৰবৰুৱাৰ পৰিবাৰে ৮/৯ বছৰলৈ ১০ খন ধুতি আৰু ১০ খন শাড়ী দান দি আহিছিল। বাকী কাপোৰ আমি কিনিছিলো। যোৱা কেইবছৰমানৰ পৰা ২০০৫ চনলৈ দাতা শ্রীপ্রকাশ কলিতাই সমস্ত কাপোৰ, বৰণৰ ধুতিৰে পৰা আদি কৰি বলয় ধাৰণৰ কাপোৰলৈকে দান দি আহিছে। ২০০৬ চনত শ্রীনয়ন কুমাৰ দাসে আৰু ২০০৭ চনত শ্রীবিজয়া কাকতিয়ে সকলো বস্ত্র দান দিয়ে।

প্রতিমা দাতাসকল

১৯৭৬ চনৰ পৰা ২০০০ চনলৈ এই ২৫ বছৰত তলত নাম দিয়া দাতাসকলে প্রতিমা দান দি আহিছে তেওঁলোক হ'ল— ১। শ্রীবিমান চন্দ্র বৰুৱা, ২। স্বর্গীয় বন্তি বৰুৱা (২ বাৰ), ৩। শ্রীহলিৰাম ডেকা, ৪। স্বর্গীয় নৃতেন্দ্র নাথ খাউণ্ড, ৫। শ্রীঅজয় ৰয়, ৬। শ্রীমৃদুল কুমাৰ ভট্টাচার্য্য, ৭। শ্রীভূপেন ডেকা, ৮। শ্রীদীপাঙ্কৰ শর্মা, ৯। ডাঃ নগেন্দ্র নাথ বুজৰবৰুৱা, ১০। ভূবন চন্দ্র কলিতা, ১১। স্বর্গীয় প্রদীপ কুমাৰ গোস্বামী, ১২। শ্রীদেবেশ্বৰ কলিতা, ১৩। শ্রীকেশৰ চন্দ্র দাস, ১৪। শ্রীবিবেকানন্দ নাথ আৰু ১৫। শ্রীযোগেন চন্দ্র কলিতা। কোনে কোন চনৰ বাবে প্রতিমা দান দিছিল তাৰ নথি-পত্র নাই। প্রায় ৪ বছৰমানৰ কাৰণে পূজা কমিটিৰ ফালৰ পৰাও কিনা হৈছিল।

২০০১ চনত শ্রীৰাজীৰ কলিতা, ২০০২ চনত শ্রীনয়ন কুমাৰ দাস, ২০০৩ চনত ধৰণীধৰ ডেকা, ২০০৪ চনত ডাঃ সুভাষ শর্মা, ২০০৫ চনত শ্রীবিপুল শর্মা, ২০০৬ চনত শ্রীপ্রদীপ আগৰৱালা, ২০০৭ চনত শ্রীহেমন্ত কুমাৰ শর্মা আৰু ২০০৮ চনত শ্রীদ্বীপেন ভট্টাচার্য্যই প্রতিমা দান দিয়ে। এইবাৰ শ্রীনয়ন কুমাৰ দাস ডাঙৰীয়ই ২য়বাৰৰ বাবে প্রতিমা আগবঢ়াইছে।

দেৱীৰ ভোগ-দাতাসকল

পূজাৰ আৰম্ভণিৰ পৰা যিবিলাক ভক্তিপ্রাণ দাতাই পূজাৰ যিকোনো এটা দিনৰ বাবে ভোগ আগবঢ়াইছিল সেইসকলৰ বেছিভাগৰে নাম মনত নপৰে। আগৰ পূজাৰ কার্যবিৱৰণীৰ বহী সম্পাদকৰ প্রতিবেদনত ইত্যাদিও পোৱা নগ'ল। যিসকল দাতাৰ নাম ইয়াত অক্লান্ত আৰু নিঃস্বার্থ পৰিশ্রম লগতে ভক্তিপ্রাণ ৰাইজ, দাতা, পৃষ্ঠপোষকসকলৰ সহায়, সহযোগ আৰু অকুণ্ঠ সমর্থন। বছৰে বছৰে মা মঙ্গলাময়ীৰ বছৰেকীয়া পূজাভাগ আৰু শ্রীশ্রীলক্ষ্মীপূজাৰ পূজাভাগ সাফল্যমণ্ডিতভাৱে আৰু সুপৰিকল্পনা মতে চলাই প্রথম বছৰৰ পৰা চলাই অহা ব্যক্তিসকলৰ নাম উল্লেখ কৰাটো উচিত হ'ব। সেইসকল হ'ল— পুৰণি চামৰ স্বর্গীয় ভোলানাথ শর্মা, স্বর্গীয় নাৰায়ণ শর্মা, স্বর্গীয় সিদ্ধিনাথ বৰুৱা, স্বর্গীয় সুৰেশ ডেকা, স্বর্গীয় ভুবন কলিতা, স্বর্গীয় শিৰ ৰাম দাস, স্বর্গীয় গোবিন্দ মল্ল বৰুৱা, শ্রীনগেন কলিতা, স্বর্গীয় কানুৰাম কলিতা, স্বর্গীয় ৰজনী শর্মা, অচ্যুৎ বৰৱা, শ্রীদ্বাবিক্য নাথ বৈশ্য, শ্রীপ্রভাত কলিতা, স্বর্গীয় প্রবীণ বংজাং, শ্রীৰাম চন্দ্র ডেকা, শ্রীপ্রভাক্ত বর্মন, শ্রীঅৰনি কুমাৰ ডেকা, শ্রীদেবেন্দ্র নাথ শর্মা, শ্রীশৰৎ চন্দ্র বৰকটকী, শ্রীঘনকান্ত চেতিয়া, স্বর্গীয় ভবেন ডেকা, শ্রীহৃদয় চন্দ্র ডেকা, শ্রীনাৰায়ণ চন্দ্র গোস্বামী, শ্রীদেবেন্দ্র চন্দ্র চৌধুৰী আৰু লেখক। ইয়াৰ পিছৰসকল হ'ল— স্বর্গীয় হৰেন্দ্র নাথ ভট্টাচার্য্য, শ্রীঅম্বিকা নাথ ভট্টাচার্য্য, শ্রীলোহিত চন্দ্র মেধি, শ্রীঅনিল গোস্বামী, স্বর্গীয় পানীৰাম ডেকা, শ্রীনীৰেন ভট্টাচার্য্য, শ্রীশিৱনাথ শর্মা, শ্রীতাৰিণী কান্ত বর্মন, শ্রীনাৰায়ণ কলিতা, শ্রীনিৰঞ্জন ভট্টাচার্য্য, শ্রীনৃপেন বৈশ্য, শ্রীসুখেশ্বৰ ডেকা, শ্রীবিমল পাটোৱাৰী, শ্রীৰমেন পাঠক, শ্রীসুৰেন্দ্র নাথ বৈশ্য, শ্রীপ্রমোদ চন্দ্র ডেকা, শ্রীঅমূল্য তালুকদাৰ, শ্রীৰাজেন শর্মা, শ্রীশিৰ কৃষ্ণ ফুকন, শ্রীদেবেন্দ্র নাথ শর্মা (এছবিআই)। বর্তমান যুৱচামৰ সর্বশ্রী— দিলীপ চন্দ্র কলিতা, ৰাজীৰ কলিতা, প্রকাশ কলিতা, দীপাঙ্কৰে শর্মা, ধীৰাজ বৰুৱা, লাচিত দাস, নৱজ্যোতি কলিতা, প্রশান্ত হাজৰিকা, দ্বীপেন ভট্টাচার্য্য, ৰমেন শর্মা, দীপক দাস, মুনীন মিশ্র, অকণ কলিতা, চন্দন ডেকা, হৰ কুমাৰ ডেকা, অমৰজ্যোতি কলিতা, অমৰ বেজবৰুৱা, বিমল চৌধুৰী, পোনা ডেকা, দিলীপ শর্মা ইত্যাদি।

প্রসীদ জগৎদম্বে ভক্তবৎসলে।
প্রমাদং কুৰুমে দেবি দুর্গে দেৱি নমস্তুতে।।❑

গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ প্রতিষ্ঠাপক সভাপতি।

ইতিহাসৰ জলঙাৰে গীতানগৰ সাৰ্ব্বজনীন দুৰ্গা পূজা

নাৰায়ণ চন্দ্ৰ গোস্বামী

সৰ্ব্বমঙ্গল মঙ্গল্যে শিৱে সৰ্বাৰ্থ সাধিকে।
শৰণ্যে ত্ৰ্যম্বকে দেৱী নাৰায়ণী নামস্তুতে।।
শৰণাগত দীনাৰ্ত্ত পৰিত্ৰাম্ব পৰায়ণে।
সৰ্বস্যাৰৰ্ত্তি হৰে দেৱী নাৰায়ণী নমোৎস্তুতে।।

প্ৰথমতে মাতৃস্বৰূপা, জ্ঞানদায়িনী, শক্তিৰূপিণী, শৰণাগত দীনাৰ্ত্তৰ পৰিত্ৰাণকাৰী, সিংহ বাহনী, মহিষাসুৰমৰ্দ্দিনী, দশভূজা মা মহামায়া দুৰ্গাদেৱীক ভক্তিভৰা প্ৰণিপাত জনাইছোঁ।

প্ৰস্তাৱনা ঃ ১৯৯৮ শকাব্দ (ইং ১৯৭৬ খ্ৰীষ্টাব্দ) আহিন মাহৰ ১৩ তাৰিখে (ইং ২৯ ছেপ্টেম্ব)ৰ হাতীগড় প্ৰাথমিক বিদ্যালয় চৌহদত (পথাৰত বৰ্তমানৰ গীতানগৰ হাইস্কুল খেলপথাৰত) আৰম্ভ কৰা গীতানগৰ সাৰ্ব্বজনীন দুৰ্গা পূজাভাগ একে ঠাইতে ৪৯ বছৰ ধৰি উদ্‌যাপিত হৈ আহিছে। এই বছৰ সোণালী জয়ন্তী অৰ্থাৎ ৫০তম্‌ উদ্‌যাপনৰ বাবে এখন শক্তিশালী পূজা পৰিচালনা সমিতি গঠন কৰা হৈছে। আমি গীতানগৰ সাৰ্ব্বজনীন দুৰ্গা পূজাৰ ইতিহাস আৰু অন্যান্য বিষয়ে আলোচনা কৰাৰ আগেতে যি ঠাইত যোৱা ৪৯ বছৰে পূজাভাগ উদ্‌যাপিত হৈ আহিছে সেই ঠাই অৰ্থাৎ বিদ্যালয় আৰু বিদ্যালয়ৰ খেলপথাৰৰ বিষয়ে কিছু ইতিহাস সম্বলিত বিৱৰণ আগবঢ়াব খুজিছোঁ।

আগকথা ঃ এয়া ১৯৬২ খ্ৰীষ্টাব্দৰ কথা। মই আৰু মোৰ বন্ধু অনন্ত নাথ ডেকা তেতিয়া নৱগ্ৰহ শ্মশানৰ পূৱফালে কম্বাচলত থাকোঁ। তাত থাকোঁতে দুয়োৰে গুৱাহাটী তেল শোধনাগাৰত কৰ্ম্মৰত কানু ৰাম কলিতাৰ সৈতে চিনাকি হয়। কলিতাই জনোৱা মতে আমি তিনিও আৰু দয়ানন্দ হাজৰিকা বৰ্ত্তমানে আমি বসবাস কৰি থকা মাটিখিনি চাই মালিক জিৰণ মিকি�ৰৰ লগত কথা পাতো। মাটি কিনাৰ বন্দবস্ত হ'ল আৰু সেই বছৰতে ক্ৰয় কৰা হ'ল। সেই সময়ত ইয়াৰ পৰা চিৰিয়াখানালৈ সম্পূৰ্ণ উদং পথাৰ। নাৰিকলবাৰীত কেইঘৰমান কাৰ্বি লোকেহে বসবাস কৰি আছিল। তাত থকা ওখ-চাপৰ নাৰিকল গছবোৰে প্ৰতিপন্ন কৰিছিল যে তেওঁলোক পুৰুষানুক্ৰমে ইয়াত বসবাস কৰি আছিল। ঠাইডোখৰ তিনিখন গাঁৱত বিভক্ত আছিল— হাতীগড়, নগাঁও আৰু ভলুকাচুক। প্ৰত্যেকখন গাঁৱতে একোজনকৈ গাঁওবুঢ়া আছিল। তেখেতসকলৰ লগত চা-চিনাকি হ'লো।

আমি গাঁওবুঢ়াসকলৰ পৰা গম পালো যে বৰ্তমানৰ গীতানগৰ হাইস্কুল আৰু খেলপথাৰ, বিষ্ণুজ্যোতি কলাকেন্দ্ৰ, সাহিত্য সভা, গীতানগৰ মহাবিদ্যালয় (পূৰ্বৰ কন্যা মহাবিদ্যালয়) চৌহদৰ কিয়দংশ সামৰি প্ৰায় ছয়-সাত বিঘা চৰকাৰী ভূমি স্কুল আৰু পুথিভড়ালৰ বাবে আবাদ কৰি ৰখা হৈছে। আমি পাঁচঘৰে (দয়ানন্দ হাজৰিকা, কানু ৰাম কলিতা, অনন্ত নাথ ডেকা, মই আৰু মোৰ দাদা আদ্য নাথ গোস্বামীয়ে) মাটিৰ সীমা চমজি লৈ উত্তৰ ফালৰ লুংলুঙীয়া বাটটো সজাই ল'লো। কাৰ্বি লোকসকল সহজ-সৰল, সাধাৰণভাৱে জীৱন নিৰ্বাহ কৰে।

১৯৬৮ খ্ৰীষ্টাব্দৰ প্ৰথমাৰ্দ্ধৰ ভিতৰত ভোলানাথ শৰ্মা, কানু ৰাম কলিতা, সুৰেশ চন্দ্ৰ ডেকা, সিদ্ধিনাথ বৰুৱা আৰু মই ইয়াত ঘৰ সাজি বসবাস কৰিবলৈ ল'লো। শিৱৰাম দাসে মাটি কিনি ঘৰ সাজিছিল যদিও নিজে চৰকাৰী আবাসতহে আছিল। আমাৰ পৰা চাৰি ঘৰমান পশ্চিমে কীৰ্ত্তি নাথ শৰ্মাৰ ঘৰ। আগৰে পৰাই হয়তো পুৰুষানুক্ৰমে ইয়াত কাৰ্বি লোক কেইঘৰমান আছিলেই।

আমি বসবাস কৰি থকা সময়তে ১৯৬৮ খ্ৰীষ্টাব্দৰ শেষাৰ্দ্ধত শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ (মাজুলী) শাখা সত্ৰ স্থাপনৰ বাবে ২৫ বিঘা চৰকাৰী ভূমি আবণ্টন দি তাৰ সীমা চমজাই দিছিল। কাৰ্বিসকলে ইতিমধ্যে আবাদ কৰি ৰখা (স্কুল আদিৰ বাবে) ছয়-সাত বিঘা মাটিও এই ২৫ বিঘা মাটিৰ অন্তৰ্ভুক্ত হ'ল।

এই কথা গম পাই স্থানীয় কার্বি লোকসকলে পূর্বতে স্কুল আদিৰ বাবে আবাদ কৰি ভূমিত নলা খান্দি কলপুলি পুতি সেই মাটি পুনৰ দখল কৰিলে।

সেই সময়ত এই অঞ্চলটো পূব গুৱাহাটী সমষ্টিৰ অন্তর্গত। এই সমষ্টিৰ বিধায়ক তেতিয়া মাননীয় মহেন্দ্র মোহন চৌধুৰী, ৰাজহ মন্ত্রী। স্কুলৰ বাবে ভূমি আবণ্টন দিয়াৰ কাৰণে ৰাজহুৱা আবেদন লৈ কার্বিসকলৰ তিনিজন ওলাল শ্বিলঙলৈ ৰাজহ মন্ত্রীক লগ ধৰিবলৈ। তেতিয়া অসম ৰাজ্যিক পৰিবহন নিগমৰ গুৱাহাটীৰ পৰা শ্বিলঙলৈ ভাড়া আছিল তিনি টকা। আমি কীর্ত্তি নাথ শর্মা, কানু ৰাম কলিতা আৰু মই প্রত্যেকে ২০ টকাকৈ দিলো তেওঁলোকৰ যোৱা-অহা আদি খৰচৰ বাবে। তেওঁলোকে মন্ত্রী মহোদয়ক আবাসতে লগ পাই আবেদন দি সকলো ক'লে। মন্ত্রী মহোদয়ে তেওঁলোকক স্কুলৰ বাবে ভূমি আবণ্টন দিব বুলি আশ্বাস দি পঠিয়ালে।

সেই সময়ৰ হাতীগড়, ভলুকাচুক, নগাঁও অঞ্চল পৰৱর্ত্তী সময়ত হাতীগড় অঞ্চল একে নামেই থাকিল, নগাঁও অঞ্চল ৰংকিমি, ভলুকাচুক অঞ্চল নাৰিকলবাৰী হিচাবে জনাজাত হ'ল। বাকী অঞ্চল গীতানগৰ, অম্বিকাগিৰী নগৰ আদি নামেৰে নামাংকন হ'ল। নাৰিকলবাৰী, বৈকুণ্ঠপুৰ, চিনাকিপথ, আমাৰ পথ, অৰুণোদয় পথ, ভগদত্ত পথ, অনুপম পথ আদি গীতানগৰৰ একোটা অংশ বিশেষ।

বৈকুণ্ঠপুৰ চুবুৰিৰ ভোলা নাথ শর্মা, সুৰেশ চন্দ্র ডেকা, কানু ৰাম কলিতা, নাৰায়ণ চন্দ্র গোস্বামী আৰু সিদ্ধি নাথ বৰুৱাৰ উদ্যোগত চৰকাৰী ভূমি প্রায় এক বিঘা আবাদ কৰি, কীর্ত্তি নাথ শর্মা, শিৰৰাম দাস আদিৰ সহযোগত সৰু দুচলীয়া টিনৰ ঘৰ এটা সাজি ১৮৯১ শকাব্দৰ (ইং ১৯৬৯ চনৰ) মাঘ বিহুৰ দিনা নৈবেদ্য, লাৰু-পিঠা, পৰমান্ন আদি আগবঢ়াই সংস্কৃত গীতা পাঠ আৰু নাম-প্রসঙ্গেৰে নামঘৰৰ শুভাৰম্ভণি কৰা হ'ল। নাম ৰখা হ'ল বৈকুণ্ঠপুৰ সার্ব্বজনীন নামঘৰ।

হাতীগড় (তৰুণৰাম ফুকন) প্রাথমিক বিদ্যালয় ঃ

১৯৬৯ খ্রীষ্টাব্দত সুৰেশ চন্দ্র ডেকাৰ খেৰী ঘৰটোৰ চাল উঠাই টিন লগোৱাত কার্বিসকলকে ধৰি স্থানীয় ৰাইজে আলোচনা ক্রমে ডেকাৰ ঘৰৰ খেৰৰ চাল দুখন আনি এটা ঘৰ সাজি এখন প্রাথমিক বিদ্যালয়ৰ ঘৰ সজাৰ সিদ্ধান্ত ল'লে। সেই সময়ত কার্বিসকলৰ কিছুমানৰ ঘৰত বাঁহ আছিল। খুঁটা, মাৰলি, বেৰ আদিৰ বাবে তেওঁলোকে বাঁহ দিলে। কার্বিসকলে দখল কৰি থকা মাটিৰ দক্ষিণ-পশ্চিমত বিদ্যালয়ৰ ঘৰ নির্মাণ কৰা হ'ল। সর্বসম্মতিক্রমে স্কুলৰ নাম দিয়া হ'ল 'তৰুণৰাম ফুকন প্রাথমিক বিদ্যালয়'। স্থানীয় লোকসকলৰ ঘৰে ঘৰে গৈ তেওঁলোকৰ ল'ৰা-ছোৱালীৰ নামভর্ত্তি কৰাৰ ব্যৱস্থা কৰা হ'ল। ছাত্র-ছাত্রী 'ক' শ্রেণীৰ পৰা প্রথম, দ্বিতীয়মানলৈ ৪০টা মান হ'ল। ১৯৭০ খ্রীষ্টাব্দৰ গণতন্ত্র দিৱস ২৬ জানুৱাৰীৰ দিনা বিশিষ্ট সমাজকর্মী কল্পকান্ত হাজৰিকাদেৱৰ দ্বাৰা প্রথমবাৰৰ বাবে অঞ্চলটোত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰাই স্কুলৰ পাঠদানৰ শুভাৰম্ভ কৰা হ'ল।

আমি— ভোলানাথ শর্মা, সুৰেশ চন্দ্র ডেকা, কানু ৰাম কলিতা আৰু মই পূব শৰণীয়াত থকা স্কুলসমূহৰ উপ-পৰিদর্শকক লগ ধৰি আবেদন এখন দিলো। সেই সময়ত বর্তমান আদৰণী সংঘ থকা ঠাইত হাতীগড় প্রাথমিক বিদ্যালয়খন আছিল, কালী প্রসাদ বৰুৱাৰ মাটিত। উপ-পৰিদর্শকে দিয়া নির্দ্দেশ অনুসৰি সহকাৰী পৰিদর্শক এজনে দুয়োখন স্কুল পৰিদর্শন কৰি প্রতিবেদন দাখিল কৰিলে। সহকাৰী পৰিদর্শকৰ প্রতিবেদনক ভিত্তি কৰি দিয়া উপ-পৰিদর্শকৰ হুকুম মতে হাতীগড় প্রাথমিক বিদ্যালয় আমি স্থাপন কৰা স্কুলৰ স্থানলৈ স্থানান্তৰ কৰা হ'ল। সেয়ে নামটো হাতীগড় প্রাথমিক বিদ্যালয় হৈয়ে থাকিল। স্থানীয় বাসিন্দাসকলে প্রাথমিক বিদ্যালয় এখন পাই উৎফুল্লিত হ'ল। তেতিয়া স্কুল ঘৰটো (বর্তমানৰ বিষ্ণু-জ্যোতি কলা কেন্দ্রৰ পিছফালে) মূল ৰাস্তালৈ যোৱা এটা সৰু কেঁচা পথ আছিল।

১৯৭১ খ্রীষ্টাব্দত স্কুলৰ নামত ভূমি আবণ্টনৰ চৰকাৰী হুকুম আহিল। ১৯৭২ খ্রীষ্টাব্দৰ সাধাৰণ নির্বাচনৰ আগত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত উপস্থিত থাকি পূব গুৱাহাটী সমষ্টিৰ বিধায়ক তথা ৰাজহ মন্ত্রী মাননীয় মহেন্দ্র মোহন চৌধুৰীদেৱে ঘোষণা কৰিলে যে প্রাথমিক বিদ্যালয়ৰ স্থায়ী গৃহ নির্মাণৰ বাবে চৰকাৰৰ পৰা ১২,০০০ টকা অনুদান দিব আৰু সভাত উপস্থিত থকা ড্রাগ্‌ছ ইণ্ডিয়াৰ স্বত্বাধিকাৰ দ্বিজেন ফুকনদেৱক স্কুলৰ গৃহ নির্মাণৰ বাবে ৮,০০০ টকাৰ দান আগবঢ়াবলৈ অনুৰোধ জনালোঁ। মুঠ ২০,০০০ টকাৰে সন্মুখত আহল-বহল বাৰাণ্ডাৰে সৈতে এটা দুচলীয়া টিনৰ ঘৰ নির্মাণ হৈ উঠিল। ৰাইজে স্থাপন কৰা খেৰীঘৰটোৰ পৰা স্থায়ী ঘৰলৈ বিদ্যালয় স্থানান্তৰিত হ'ল। পুৰণা স্কুলঘৰটোৰ দক্ষিণফালৰ মাটি (বর্তমানৰ নবীন এনক্লেভ স্থাপিত স্থান) কোনোবা উচ্চপদস্থ চৰকাৰী বিষয়া এজনক বিক্রী কৰাত স্কুল ঘৰটোৰ পিছফালৰ ৰাস্তা বন্ধ কৰি আগফালে ৰাস্তা কৰাত পুৰণা স্কুলঘৰটো এফলীয়া হ'ল। এই ঘৰটোতে ১৯৭৬ খ্রীষ্টাব্দত বিষ্ণু-জ্যোতি কলা-কেন্দ্র

স্থাপন কৰা হ'ল।

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা ঃ

ইং ১৯৭৫ চনৰ ১৪ অক্টোবৰ, ২৭ আহিন, মঙ্গলবাৰ, তিথি বিজয়া দশমী। বতৰ ফৰকাল। বৈদিক ৰীতি মতে দশমী বিহিত পূজা দেৱী বিসর্জনতে অপৰাজিতা পূজাৰ শেষত আবেলি পূজাৰ সংগঠকসকলে দেৱী প্রতিমা বিসর্জনৰ বাবে শোভাযাত্রা কৰি ব্রহ্মপুত্রৰ ঘাটলৈ লৈ যায়। সেই সময়ত গুৱাহাটীৰ জনবসতি বহু কম আৰু পূজাৰ সংখ্যাও যথেষ্ট কম আছিল। আমাৰ চুবুৰিৰ ভোলানাথ শর্মা, কানুৰাম কলিতা, নাৰায়ণ চন্দ্র শর্মা আৰু মই আবেলি নিমজ্জনৰ বাবে প্রতিমা লৈ যোৱা শোভাযাত্রা চাম বুলি অনুৰাধা চিনেমা হলৰ ফালে গ'লো। কিছু সময় ৰৈ থাকি শোভাযাত্রা চাই ভাল লাগিল। তাতে হাতীগড় প্রাথমিক বিদ্যালয়ৰ পথাৰত এখন দুর্গা পূজা উদ্যাপনৰ বিষয়ে আলোচনা হ'ল আমাৰ মাজত। বাটে বাটেও কথাটো আলোচনা কৰি অহা হ'ল। পিছদিনা চুবুৰিৰ লোকসকলৰ লগতে অন্যান্য কেইজনমানৰ লগত কথাটো আলোচনা কৰা হ'ল। সকলোৱে আমাৰ লগত সহমত প্রকাশ কৰিলে। কথাটো নতুনকৈ ওচৰতে গৃহ নির্মাণ কৰা হলিৰাম ডেকাকো জনোৱা হ'ল, তেখেত ভালেই পালে।

চাওঁতে চাওঁতে সময় বাগৰিল। ইং ১৯৭৬ চনৰ জুলাই মাহত চুবুৰিৰ বাসিন্দাসকলৰ লগতে হলিৰাম ডেকা আৰু অন্যান্য লোকৰ লগত পুনৰ কৰা আলোচনা মর্মে গোটেই অঞ্চলৰ লোকসকলৰ ঘৰে ঘৰে গৈ হাতীগড় স্কুল চৌহদত (পথাৰত) দুর্গা পূজা উদ্যাপনৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে এখন ৰাজহুৱা সভা আহ্বান কৰা হ'ল। ইতিমধ্যে গীতানগৰৰ সীমা সুৰক্ষাবল ছাউনীৰ ওচৰত জু-নাৰেঙ্গী পথ পূজা মণ্ডপ পূজা সমিতিৰ উদ্যোগত দুবছৰ আগতে ১৯৭৪ খ্রীষ্টাব্দত দুর্গা পূজা আৰম্ভ কৰা হৈছিল। সেইখন পূজাৰ উদ্যোক্তাসকলৰ কোনো উপস্থিত নথকাত আৰু সভাত উপস্থিতিৰ সংখ্যা অলপ কম হোৱাত পৰৱর্ত্তী সভাৰ বাবে ১৫ আগষ্টৰ আগতে দিন এটা ধার্য্য কৰি সিদিনাৰ সভা স্থগিত কৰা হ'ল। পৰৱর্ত্তী সভাত জু-নাৰেঙ্গী পথ পূজা মণ্ডপ পূজা সমিতিৰ কেইজনমান কর্মকর্ত্তা উপস্থিত থাকিল। তদুপৰি ৰাইজৰ উপস্থিতিও যোৱা সভাতকৈ বেছি হ'ল। এক সৌহার্দ্যপূর্ণ পৰিবেশত সভাৰ কাম আগবাঢ়িল। ইং ১৯৭৪ চনৰ পৰা উদ্যাপন কৰি অহা পূজাখনৰ কর্মকর্ত্তাসকলে জনালে যে যোৱা দুটা বছৰে যি ঠাইত তেখেতসকলে পূজা উদ্যাপন কৰি আহিছে সেই ঠাইত মণ্ডপ, পূজাঘৰ আদি নির্মাণ কৰি স্থায়ীভাৱে পূজাভাগ উদ্যাপন কৰিব। তেখেতসকলে আৰু জনালে যে এই বছৰো দেৱীৰ পূজা-সেৱা সেই স্থানতে কৰিব বুলি যোৱা বছৰেই দেৱীক আমন্ত্রণ কৰিছে। উপস্থিত সকলো লোকেই সেই বছৰৰ পৰাই হাতীগড় প্রাথমিক বিদ্যালয় পথাৰত শ্রীশ্রী দুর্গা পূজা আৰু শ্রীশ্রী লক্ষ্মী পূজা কৰাৰ সর্বসন্মতিক্রমে সিদ্ধান্ত গ্রহণ কৰে।

সভাৰ সর্বসন্মত সিদ্ধান্ত অনুসাৰে পূজাভাগৰ নামকৰণ কৰা হ'ল "গীতানগৰ সাৰ্বজনীন দুর্গা পূজা"। নিম্নোক্ত বিষয়ববীয়া আৰু সদস্যৰে পূজা পৰিচালনা সমিতি এখন গঠন কৰা হ'ল। শ্রীশ্রীদুর্গাপূজা আৰু শ্রীশ্রী লক্ষ্মী পূজাভাগ অনুষ্ঠিত কৰাৰ দায়িত্ব পৰিচালনা সমিতিৰ ওপৰত ন্যস্ত হ'ল। শিলং ওকলেণ্ডৰ দুর্গা পূজা পৰিচালনা সমিতিৰ ১৯৭১, ১৯৭২ আৰু ১৯৭৩ খ্রীষ্টাব্দৰ সম্পাদক হিচাবে থকা অভিজ্ঞতা আৰু জ্যেষ্ঠতা (বয়স)ৰ ভিত্তিত হলিৰাম ডেকাক সভাপতিৰ দায়িত্ব দিয়া হ'ল। উজানবজাৰ বাৰোৱাৰী নামঘৰত উদ্যাপিত শ্রীশ্রী দুর্গা পূজাত সক্রিয়ভাৱে অংশগ্রহণ কৰা অভিজ্ঞতাৰ ভিত্তিত নাৰায়ণ চন্দ্র শর্মাক সম্পাদকৰ দায়িত্ব দিয়া হ'ল। পূজা পৰিচালনা সমিতিখন আছিল এনে ধৰণৰ—

উপদেষ্টা ঃ কল্পকান্ত হাজৰিকা

সভাপতি ঃ হলিৰাম ডেকা

উপ-সভাপতি ঃ ভোলানাথ শর্মা, কানুৰাম কলিতা

সম্পাদক ঃ নাৰায়ণ চন্দ্র শর্মা

যুটীয়া সম্পাদক ঃ সুৰেশ চন্দ্র ডেকা, দেবেন্দ্র নাথ শর্মা

কোষাধ্যক্ষ ঃ শ্রী নাৰায়ণ চন্দ্র গোস্বামী

সদস্যসকল ঃ নগেন্দ্র কুমাৰ চমু�ৰা, সিদ্ধি নাথ বৰুৱা, দ্বাৰিকা নাথ বৈশ্য, প্রবীণ বংজাং, ৰাম চন্দ্র ডেকা, প্রভাত চন্দ্র বর্মন, অবনী কুমাৰ ডেকা, জগন্নাথ দাস, নগেন কলিতা, গোপী ৰহাং, শৰৎ চন্দ্র বৰকটকী, শিৰ ৰাম দাস, ঘনকান্ত চেতিয়া।

পূজা পৰিচালনা সমিতিৰ প্রথম কাম আহিল পূজাৰী, বিধিপাঠক, চণ্ডী পাঠক, সহায়ক, ওজাপালি, ঢুলীয়া নিমন্ত্রণ কৰা, লগতে ভোগ ৰান্ধনী। বিশেষ অভিজ্ঞতা সম্পন্ন পূজাৰী অভিনাথ শর্মাদেৱক পূজাৰী হিচাবে নিমন্ত্রণ কৰি, বিধি পাঠক, চণ্ডী পাঠক আদি ঠিক কৰাৰ বাবে তেখেতক অনুৰোধ কৰা হ'ল— তেখেত মান্তি হ'ল। ওজাপালি, ঢুলীয়া আৰু ভোগ ৰান্ধনী নিমন্ত্রণ কৰা হ'ল। প্রতিমাৰ বন্দবস্ত কৰা হ'ল।

নিমন্ত্রণী পত্র, ৰচিদ বহী আদি চপাই আনি সোনকালেই একোটা পাঁচ-ছয়জনীয়া দল গঠন কৰি ধন সংগ্রহ আৰম্ভ কৰা

হ'ল। পূজা পৰিচালনা সমিতিৰ ব্যক্তিসকলৰ লগতে আন কোনো কোনোৱেও সহযোগিতা কৰিলে। প্ৰাক্তন শিক্ষাধিকৰ্ত্তা গোপাল চন্দ্ৰ শৰ্মা বৰুৱাৰ পৰামৰ্শ মতে তেতিয়াৰ অতিৰিক্ত শিক্ষাধিকৰ্ত্তাৰ পৰা যথা সময়ত স্কুল চৌহদত (পথাৰত) পূজা অনুষ্ঠিত কৰাৰ বাবে অনুমতি লোৱা হ'ল।

সেই সময়ত পূজাৰ মণ্ডপ-ৰভা টিনৰ চালিৰে বনাব লাগিছিল। তেতিয়াৰ গড়কাপ্তানী (বৰ্তমানৰ লোকনির্মাণ) বিভাগৰ পথ আৰু গৃহ পৃথক নাছিল—একেলগে আছিল। চৰকাৰী গৃহ নির্মাণৰ বাবে বিভাগৰ পৰাই চিমেণ্ট, টিনপাট আদি যোগান ধৰা হৈছিল। গড়কাপ্তানী গৃহ শাখাৰ কার্যালয়ত আবেদন কৰি পূজা মণ্ডপ, ৰভা, ভোগ ঘৰ আদি নির্মাণৰ বাবে টিনপাট সংগ্ৰহ কৰা হৈছিল। খুঁটাৰ বাবে ভলুকা বাঁহৰ প্ৰয়োজন হৈছিল। স্থানীয় কার্বিসকলৰ কোনো কোনোৰ বস্তিত বাঁহ আছিল। তেওঁলোকৰ পৰা সংগ্ৰহ কৰাৰ উপৰিও অনুৰাধা চিনেমা হলৰ ওচৰৰ দোকানৰ পৰাও বাঁহ কিনা হৈছিল। বনুৱাই কিছুদিন আগৰ পৰাই কাম কৰি শুক্লা পঞ্চমী তিথিৰ দিনাই সকলো কাম সম্পূর্ণ কৰিছিল। পূজাখন সাফল্যমণ্ডিত কৰাৰ বাবে পূজা পৰিচালনা সমিতিৰ লগতে অঞ্চলৰ অন্যান্য লোকেও অশেষ উৎসাহ-উদ্দীপনাৰে সকলো কাম আগবঢ়াই নিয়াত সহযোগিতা আগবঢ়াইছিল।

পূজাৰ বস্ত্ৰকে ধৰি সকলো প্ৰয়োজনীয় সামগ্ৰীৰ তালিকা এখন পূজাৰীৰ পৰা লোৱা হ'ল। সভাপতি, সম্পাদক আৰু অন্য কেইজনমানে আলোচনা কৰি পূজা উদ্‌যাপন সংক্ৰান্তৰ অন্যান্য সামগ্ৰীৰ তালিকা এখন প্ৰস্তুত কৰিলে। সেই সময়ত পূজাৰ বাবে প্ৰয়োজনীয় বস্ত্ৰ, ফল (কুঁহিয়াৰকে ধৰি) আৰু অন্যান্য সামগ্ৰী ফাঁচী বজাৰত পোৱা গৈছিল। সম্পাদক শৰ্মা, মই, পূজা সমিতিৰ আন এজন আৰু বনুৱা এজনক লৈ সকলো বজাৰ ফাঁচী বজাৰত কৰা হ'ল। ফুল শুক্ৰেশ্বৰৰ পৰা অনা হ'ল।

১৩ আহিন, ২৯ ছেপ্তেম্বৰ (১৯৭৬) বুধবাৰ, দুর্গাষষ্ঠী। ৰাতিপুৱা গা-পা ধুই হাতীগড় প্ৰাথমিক বিদ্যালয়ৰ উত্তৰ ফালে থকা ডাঙৰ বেল গছজোপাৰ তল চাফ-চিকুণ কৰি সুন্দৰকৈ মচি থোৱা হ'ল। সেই গছজোপাৰ পৰাই যুগ্ম বেলযুক্ত ডাল এটা কাটি আনি গছজোপাৰ গুৰিত স্থাপন কৰা হ'ল। গধূলি তাল, বৰকাঁহ, ঘণ্টা, শঙ্খ ধ্বনিৰ মাজেৰে পূজাৰী মাননীয় অভিনাথ শৰ্ম্মাদেৱে যথাবিধি পূজা-অর্চনা কৰিলে। ঢোল বাদন, ঘণ্টা, বৰকাঁহ, শঙ্খ ধ্বনি আৰু ওজাপালিৰ দেৱী বন্দনাই সকলোৰে মন-প্ৰাণ পুলকিত কৰা এটা পৰিৱেশত যুগ্মবেলযুক্ত ডালটো বৰি আনি পূজাৰীয়ে যথা ৰীতি পূজা মণ্ডপৰ নির্দিষ্ট স্থানত স্থাপন কৰিলে। পিচত দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস সম্পন্ন কৰা হ'ল। ষষ্ঠী পূজাৰ অন্তলৈকে থাকি ভক্তসকলে প্ৰসাদ গ্ৰহণ কৰি পূজাৰ স্থান এৰিলে।

১৪ আহিন, ৩০ ছেপ্তেম্বৰ (১৯৭৬) বৃহস্পতিবাৰ—সপ্তমী তিথি ৰাতিপুৱা আইসকলে যথাৰীতি কুঁৱাৰ পৰা পানীতুলি আনিলে। তাৰ পিচত দেৱীৰ নৱপত্ৰিকা প্ৰৱেশ, আমন্ত্ৰণ আৰু অধিবাসৰ কার্যসূচী। দেৱী প্ৰতিমাৰ ওচৰত গণেশৰ মূর্ত্তিৰ সোঁফালে নাতিদূৰৈত নিখুঁত কলগছ এডাল স্থাপন কৰা হ'ল। পশুদেৱতা পূজাৰ পিচত ধ্যানৰ অন্তত হালধি, জয়ন্তী, ষষ্ঠী পূজাৰ দিনা পূজাৰীয়ে মণ্ডপত স্থাপন কৰা যুগ্মবেলযুক্ত ডালটো, ডালিম, অশোক, মানকচু, ধান আৰু বগা অপৰাজিতাৰ ডাল ডাঙৰ চৰিয়া এটাত পানী লৈ এই গোটেইকেইটা দ্ৰব্য মন্ত্ৰ-পূর্বক স্থান কৰোৱা হ'ল। স্নানান্তত দ্ৰব্যকেইবিধ বগা অপৰাজিতাৰ ডালেৰে মেৰিয়াই কলগছত বন্ধা হ'ল। পিচত কলগছডাল এখন দীঘল শাড়ীৰে মেৰিয়াই দেৱী প্ৰস্তুত কৰা হ'ল। কলগছকে ধৰি বাকী আঠবিধ পত্ৰিকা লগ লগাই নৱপত্ৰিকা স্থাপন কৰা হ'ল। সেয়ে দেৱীক নৱপত্ৰিকা বাসিনী দুর্গা বুলিও কোৱা হয়। ইয়াৰ পিচত শাড়ী আৰু অন্যান্য সামগ্ৰী দেৱীৰ চৰণত অর্পণ কৰি যথাবিধি পূজা কৰা হ'ল। ইয়াৰ পিচতে ঘট স্থাপন কৰি মূল পূজাৰ কার্যসূচী আৰম্ভ কৰা হ'ল। নৱপত্ৰিকা পূর্বাহ্নত স্থাপন কৰা শুভকাৰক, মঙ্গলজনক। যদি সপ্তমী তিথি দুদিন থাকে দ্বিতীয় দিনা পূর্বাহ্নত নৱপত্ৰিকা স্থাপন কৰাটোহে শুভকাৰক। পূজাৰ গোটেইকেইদিন নৱপত্ৰিকা বাসিনী দুর্গাদেৱীক নিয়মিতভাৱে পূজাৰীয়ে পূজা কৰিছিল।

নৱপত্ৰিকাত ব্যৱহাৰ হোৱা সামগ্ৰী (পত্ৰিকা)সমূহ ব্যৱহাৰৰ তাৎপর্যপূর্ণ অর্থ আছে। দেৱীয়ে ৰম্ভাৰূপে শান্তি স্থাপন কৰিছিল বাবে ৰম্ভা (কলগছ) নৱপত্ৰিকাত ব্যৱহাৰ হয়। শিৱৰ ভার্য্যা উমাই হৰিদ্ৰাৰূপ ধাৰণ কৰিছিল বাবে হৰিদ্ৰা নৱপত্ৰিকাৰ এটা দ্ৰব্য। শুম্ভ আৰু নিশুম্ভৰ যুদ্ধৰ সময়ত জয়ন্তী পূজা কৰিছিল বাবে জয়ন্তী আন এটা দ্ৰব্য। বেলগছ মহাদেৱ; বাসুদেৱ আৰু পার্বতী (শিৱানীৰ) অতি প্ৰিয়— বেলগছ আন এক দ্ৰব্য। ৰক্তবীজৰ যুদ্ধৰ সময়ত উমাৰ (দেৱী পার্বতীৰ) ডাড়িমী (ডালিম) সহায়ক হৈছিল বাবে আন এক দ্ৰব্য ডালিম। অশোক ফুল মহাদেৱ আৰু দুর্গাদেৱীৰ প্ৰিয় আৰু ই শোক নাশক বুলি জনা যায়— আশাক আন এক দ্ৰব্য। মানকচুৰ পাতত দেৱীয়ে অধিষ্ঠান কৰে বাবে মানকচু আন এক দ্ৰব্য। ব্ৰহ্মাই হেনো

জীৱকুলৰ প্ৰাণ ৰক্ষাৰ বাবে ধান সৃষ্টি কৰিছিল। সেয়ে নৱপত্ৰিকাত ধানৰ প্ৰয়োজন।

১৫ আহিন, ১ অক্টোবৰ, শুক্ৰবাৰ—মহাষ্টমী পূজা যথাবিহিত বিধি অনুসাৰে সম্পন্ন হ'ল। ১৬ আহিন, ২ অক্টোবৰ শনিবাৰ মহানৱমী পূজা। পূজাৰ অন্তত যথাবিধি হোম-যজ্ঞ সম্পাদন কৰা হ'ল। পিচত অঞ্জলি প্ৰদান, শান্তি-নিৰ্মালি আৰু পৱিত্ৰ হোমৰ চাইৰ ফোঁট লৈ মনত সন্তুষ্টি লাভ কৰিলে ভক্তসকলে। প্ৰথম বছৰত অকল অষ্টমী আৰু নৱমী পূজাৰ অন্ততহে সাধাৰণভাৱে খিচিৰি, পায়স, ভোগৰ ব্যৱস্থা কৰা হৈছিল।

১৭ আহিন, ৩ অক্টোবৰ, দেওবাৰ— বিজয়া দশমী। যথাবিধি দশমী বিহিত পূজা সমাপন কৰাৰ পিচত দেৱী বিসর্জন দিয়া হ'ল। তাৰ পিচত অপৰাজিতা পূজাৰ শেষত বলয়ধাৰণ কৰিলে উপস্থিত ভক্তসকলে। কিন্তু পূজাভাগে থৈ গ'ল ভক্তসকলৰ মাজত এটি অনাবিল আনন্দ, ঐক্য, সম্প্ৰীতি, প্ৰেম, ভাতৃত্ববোধ আৰু এক সুস্থিৰ বাতাৱৰণ। পূজাৰ কেইদিনৰ ধূপ-ধুনাৰ সুবাস, আয়তীসকলৰ দুৰ্গা গোসাঁনীৰ নাম পৰিৱেশন, ওজাপালিৰ দেৱী বন্দনা, তাল, শঙ্খ, ঘণ্টা, বৰকাঁহৰ বাদ্য ধ্বনি, ঢুলীয়াৰ ঢোল বাদন, পূজাৰীৰ মন্ত্ৰোচ্চাৰণ আদিয়ে মন-প্ৰাণ পুলকিত কৰা পৰিৱেশ এটা বিৰাজ কৰিছিল গোটেইকেইদিন। বিজয়া দশমীৰ সকলো কাৰ্যক্ৰমণিকাৰ শেষত আহিল পূজাৰী বিদায় পৰ্ব— অৰ্থাৎ পূজালৈ আমন্ত্ৰণ কৰি অনা পূজাৰী, ওজাপালী, ঢুলীয়াসকলোৰে বিদায় পৰ্ব। পূজাৰী বিদায়ৰ লগত সংগতি ৰাখি পূজাৰীসকল, ওজা-ঢুলীয়াৰ লগতে পূজা পৰিচালনা সমিতিৰ লোকসকল আৰু পৃষ্ঠপোষকসকলক নিমন্ত্ৰণ কৰি প্ৰীতি আমিষ ভোজনৰ ব্যৱস্থা কৰা হ'ল। ভোজনৰ অন্তত আমন্ত্ৰিত পূজাৰীসকলক দক্ষিণা, ওজাপালি, ঢুলীয়াসকলোক তেখেতসকলৰ দক্ষিণা/মাননি দি পিচৰ বছৰলৈকো নিমন্ত্ৰণ জনাই বিদায় দিয়া হ'ল। এক পৱিত্ৰ পৰিৱেশ সৃষ্টি হৈছিল।

প্ৰথম বছৰ পূজাৰ দেৱী, ঘট আদি বিসর্জন দিয়া হৈছিল হাতীগড় চাৰিআলিৰ মাননীয় দাস ডাঙৰীয়াৰ (নামটো মনত নাই) ঘৰৰ সন্মুখত থকা পুখুৰীটোত, দাস ডাঙৰীয়াৰ অনুমতিক্ৰমে। অৱশ্যে, দেৱী (কল গছ), ঘট আদি বিসর্জনৰ পিচত পাৰত তুলি ৰখা হৈছিল। সেইবাৰ প্ৰতিমা ব্ৰহ্মপুত্ৰৰ ঘাটলৈ নি বিসর্জন দিয়া হোৱা নাছিল। গীতামন্দিৰৰ তলৰ পথৰ দাঁতিৰ এটা খাল সদৃশ যথেষ্ট দ পানী থকা হোলাত দেৱীমূৰ্ত্তি নিমজ্জন কৰা হৈছিল। দেৱী প্ৰতিমা লৈ যোৱাৰ পিচত বহুতো ভক্তৰ চকু সেমেকি উঠিছিল— যেন তেওঁলোকৰ ভগ্নী বা কন্যাকহে বিয়া দি উলিয়াই দিছে।

অতি বিজ্ঞ, শান্ত, সমাহিত মুখ্য পূজাৰী প্ৰয়াত অভিনাথ শৰ্মাদেৱ প্ৰথম পূজা— সপ্তমী পূজাত বহাৰ লগে লগে যেন এটা পৱিত্ৰ পৰিৱেশৰ সৃষ্টি হৈছিল। প্ৰথম বছৰ পূজাৰ পৰাই (৩য় আৰু ৪র্থ বছৰ তেখেতৰ পত্নী বিয়োগ আদিৰ বাবে অনুপস্থিত থকাৰ বাদে) পঞ্চবিংশতিতম (ৰূপালী জয়ন্তী)লৈকে তেখেতে মুখ্য পূজাৰী হিচাবে, তাৰ পিচত তেখেতৰ পৰামৰ্শমতেই প্ৰয়াত শম্ভুনাথ শৰ্মা পূজাৰী হ'ল।

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা আৰু গীতানগৰ এম ই স্কুল।

প্ৰথম বৰ্ষৰ গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাক গীতানগৰ এম.ই. স্কুলৰ জন্মদাতা বুলি ক'লেও ভুল নহ'ব। পূজাৰ শেষত টিনপাট আদি ঘুৰাই দি বনুৰাৰ দ্বাৰা ৰভাৰ খুঁটা, মাৰলী আদি খুলি হাতীগড় প্ৰাথমিক বিদ্যালয় চৌহদত (পথাৰত) দ'ম কৰি ৰখা হ'ল। প্ৰশ্ন হ'ল— বাঁহবোৰ কি কৰা যায়? পূজা পৰিচালনা সমিতিৰ কেইজনমানে আলোচনা কৰিলে খুঁটা, মাৰলী আদিৰ বাবে বাঁহ আছেই। চালৰ কাৰণে খেৰ, তর্জাৰ বেৰ কিনি এম.ই. স্কুল এখন আৰম্ভ কৰিব পাৰি। কথাটো অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিত্ত সচিব আই. এ. এছ (অৱসৰপ্ৰাপ্ত) বিষয়া প্ৰয়াত গণেশ চন্দ্ৰ ফুকনদেৱৰ লগতো আলোচনা কৰা হ'ল। তেখেতে সহমত প্ৰকাশ কৰিলে। এই বিষয়ে আলোচনা কৰিবলৈ এখন ৰাজহুৱা সভা আহ্বান কৰা হ'ল। সভাত সর্বসম্মতিক্ৰমে আগন্তুক ১৯৭৭ ইং বৰ্ষৰ পৰাই এম.ই. স্কুল আৰম্ভ কৰাৰ সিদ্ধান্ত কৰি গণেশ চন্দ্ৰ ফুকনদেৱক সভাপতি আৰু কানুৰাম কলিতাক সম্পাদক হিচাবে লৈ এখন গৃহ নিৰ্মাণ আৰু পৰিচালনা সমিতি গঠন কৰা হ'ল। জাতি বাঁহৰ গুৰিৰ পৰাই বাটি ৰুৱা তৈয়াৰ কৰা হ'ল। মাৰলী, কামি আদিৰ বাবে বাঁহ আছেই। ৰাইজৰ দান-বৰঙণিৰে, চাৰি কোঠাৰ ঘৰ সাজি চকী, মেজ, টেবুল-বেঞ্চ আদিৰ ব্যৱস্থা কৰা হ'ল। এতিয়া কথা আহিল প্ৰধান শিক্ষক হিচাবে এজন অভিজ্ঞ ব্যক্তিৰ প্ৰয়োজন। ইতিমধ্যে খবৰ পোৱা হ'ল যে উজানবজাৰৰ এম.চি (মাণিক চন্দ্ৰ বৰুৱা) এম.ই স্কুলৰ কৃতী শিক্ষক হিচাবে ৰাষ্ট্ৰপতিৰ স্বীকৃতি/মানপত্ৰ লাভ কৰা অভিজ্ঞ আৰু অতি যোগ্য প্ৰধান শিক্ষক প্ৰয়াত ভৰত চন্দ্ৰ শৰ্মাদেৱে অৱসৰ পাইছে। আমি কানুৰাম কলিতা, নাৰায়ণ চন্দ্ৰ শৰ্মা আৰু মই তেখেতক চেনিকুঠিৰ ঘৰত লগ ধৰি আমাৰ অনুৰোধ ব্যক্ত কৰিলো। তেখেতে আমাৰ অনুৰোধ ৰক্ষা কৰি

কেতিয়াৰ পৰা আহিব লাগিব জনাবলৈ ক'লে। ডিচেম্বৰ মাহৰ পৰাই ছাত্র-ছাত্রী গোটোৱা কাম আৰম্ভ হৈছিল— কেইজনমান অভিভাৱকৰসন্মতি পোৱা গ'ল। সময়মতে স্কুলৰ পাঠদান আৰম্ভ হ'ল। কিন্তু দুর্গা-লক্ষ্মী পূজাভাগ আৰম্ভণিৰ পৰা একেঠাইতে উদ্‌যাপিত হৈ থাকিল।

চতুর্বিংশতিতম বর্ষ (১৯৯৯ খ্রীষ্টাব্দ)— পূজা পৰিচালনা সমিতিৰ সভাপতি মই আৰু দিলীপ (দিলীপ চন্দ্র কলিতা) সম্পাদক। সেইবাৰ সন্ধিপূজা শেষ ৰাতি তিনি বজাৰ পৰা। মই সন্ধিপূজাৰ বৰণ দিলীপক দিব ক'লো। গধূলি দেৱী আৰতিৰ পিচত বৰ ডাঙৰ ধুমুহা-বৰষুণ, বিদ্যুৎ বিচ্ছিন্ন হ'ল। বনুৱাকেইটাই মণ্ডপ আৰু ৰভাৰ ভিতৰত যাতে পানী নোসোমায় তাৰ বাবে চা�ৰিওফালে মাটিৰ আলি দিয়াত ব্যস্ত। দিলীপে বিদ্যুতৰ কিবা ব্যৱস্থা কৰিব পাৰি নেকি চাবলৈ ওলাল— মোক সন্ধি পূজাৰ বৰণ দিব ক'লে। গোটেই ৰাতি সৰুৰ পৰা মজলীয়া বৰষুণ। পূজাৰী মাননীয় অভিনাথ শর্মাদেৱক সৰু ল'ৰা ৰঞ্জনে ঘৰলৈ লৈ গ'ল। ৰাতি যথাসময়ত তেখেত আৰু মই পূজাস্থলী পালো। অতি নিজম নিটাল শান্ত পৰিবেশ। যথাসময়ত সন্ধি পূজা আৰম্ভ হ'ল। আধ্যাত্মিকতাৰে কৰা পূজাৰীৰ মন্ত্রোচ্চাৰণ খুব আধ্যাত্মিকতাৰে কৰা কাণত বাজি থাকিল। অতি পৰিৱেক্ষণ। সহায়ক এজনে পূজা পৰিচালনা সমিতিৰ হৈ ১০৮ গছি মিঠাতেলৰ বস্তি প্রজ্জ্বলন কৰিলে। তেতিয়ালৈ সন্ধি পূজাত ভক্তসকলৰ পৰা সমূহীয়া বস্তি প্রজ্জ্বলন কৰা হোৱা নাছিল। এতিয়াৰ দৰে তেতিয়া এজাক বৰষুণতে গুৱাহাটীৰ বাট-পথত যাতায়াত বন্ধ হৈ যোৱা অৱস্থা নাছিল বাবেই গোটেই ৰাতিৰ নেৰানেপেৰা বৰষুণ স্বত্ত্বেও পূজাৰী ৰুক্মিণীগাঁৱৰ পৰা আহিব পাৰিছিল। ৰাতি শেষৰ ফালে বিজুলীৰ সংযোগো হ'ল। ৰভা-মণ্ডপ পোহৰ হ'ল।

পঞ্চবিংশতিতম্ (ৰূপালী জয়ন্তী) উদ্‌যাপন (ইং ২০০০ চন)। সাধাৰণ সভাত প্রতিষ্ঠাপক সভাপতি হলিৰাম ডেকাক সভাপতি, তাৰিণীকান্ত বর্মনক সাধাৰণ সম্পাদক হিচাবে লৈ এজন কার্যকৰী সভাপতি, উপ-সভাপতি সাতজন, যুটীয়া সম্পাদক সাতজন, কোষাধ্যক্ষ আৰু ২৮ জন সদস্যকে ধৰি মুঠ ৪৬ জনীয়া পূজা পৰিচালনা সমিতি এখন গঠন কৰা হয়। তদুপৰি এজন মুখ্য উপদেষ্টা আৰু ছজন উপদেষ্টাও আছিল।

যোৱা ২৪ টা বর্ষৰ পূজা উদ্‌যাপনৰ গতানুগতিক কার্যসূচীৰ উপৰি ৰূপালী জয়ন্তী (২৫ তম্) উদ্‌যাপনত দুটা বিশেষ কার্যসূচী ৰখা হৈছিল। প্রথমবাৰৰ বাবে এখন স্মৃতিগ্রন্থ 'ভৱানী'ৰ প্রকাশ আৰু ধর্মালোচনা সভা। স্মৃতিগ্রন্থ 'ভৱানী'ৰ সম্পাদনা সমিতিত আছিল— উপদেষ্টা ড° প্রমোদ চন্দ্র ভট্টাচার্য্য আৰু অতুলানন্দ গোস্বামী, সভাপতি শ্রীনাৰায়ণ চন্দ্র গোস্বামী, সম্পাদক শ্রীনগেন্দ্র চন্দ্র কলিতা, সদস্যসকল— দেবেন্দ্র নাথ শর্মা, নৃপেন্দ্র নাথ শর্মা, প্রমোদ চন্দ্র ডেকা। ১৭ আহিন, ৪ অক্টোবৰ— সপ্তমী তিথিৰ দিনা আবেলি পাঁচ বজাত স্মৃতিগ্রন্থ 'ভৱানী' উন্মোচন কৰে ভাষাবিদ, শিক্ষাবিদ ড° প্রমোদ চন্দ্র ভট্টাচার্য্যদেৱে। ২০ আহিন, ৭ অক্টোবৰ— মহানৱমী তিথি আবেলি চাৰি বজাৰ পৰা অনুষ্ঠিত হয় ধর্মালোচনা সভাৰ। সঞ্চালনা কৰে অধ্যাপক ড° গোলোক চন্দ্র গোস্বামীদেৱে। আলোচকসকল আছিল ড° কিৰণ চন্দ্র শর্মা, ড° থানেশ্বৰ শর্মা, শ্রী কনক চন্দ্র শর্মা, অতুলানন্দ গোস্বামী আৰু ড° নৃপেন্দ্র নাথ শর্মা।

২১ আহিন, ৮ অক্টোবৰ— বিজয়া দশমী। দেৱীৰ দশমী বিহিত পূজাৰ অন্তত অপৰাজিতা পূজাৰ শেষত ভক্তসকলৰ বলয় ধাৰণপর্ব। ওজাপালি, ঢুলীয়া আদিৰে সৈতে পূজা পৰিচালনা সমিতিৰ কেইজনমান ভক্তই দেৱী, ঘট আদি পাণবজাৰৰ ব্রহ্মপুত্রৰ ঘাটত বিসর্জন দি আহিল। দেৱীৰ প্রতিমা ট্রাকত উঠাই লৈ গৈ ব্রহ্মপুত্রৰ ঘাটত নিমজ্জন কৰা হ'ল।

প্রথম বছৰৰ পৰা চতুর্বিংশতিতম্ বর্ষলৈ বিভিন্ন বর্ষৰ পৃষ্ঠপোষকসকলৰ তালিকা সংলগ্ন কৰা হ'ল—

শ্রীবিমান চন্দ্র বৰবৰা
শ্রীপ্রীতম বৰুৱা
শ্রীমতী বন্তি বৰুৱা
শ্রীফণী শর্ম্মা
শ্রীদেবেন্দ্র নাথ ভট্টাচার্য্য
শ্রী পি. এন. শর্ম্মা
শ্রীদ্বিজেন ফুকন
শ্রীপ্রবীণ দত্ত
শ্রীদ্বীপেন বৰুৱা
শ্রীপ্রদীপ দত্ত
শ্রী পুলিন্দ্র খাউণ্ড
শ্রীপৰন কুমাৰ শর্ম্মা
শ্রীৰত্নহাস গোস্বামী
শ্রীসুধীন্দ্র চন্দ্র বৰুৱা
শ্রীবৰদা চৰণ মেধি
শ্রীচন্দ্র নাথ বৰুৱা
শ্রীপল্লৱ বৰুৱা
শ্রীহেম ৰাম কেওট
শ্রীৰবীন্দ্র নাথ বৰুৱা
শ্রীমতী সন্ধ্যা দেৱী
শ্রীজগৎ প্রসাদ বৰুৱা
শ্রীলক্ষণ প্রসাদ গুপ্তা
শ্রীপ্রণৱ কুমাৰ দে
শ্রীথিৰমল তালুকদাৰ
শ্রীফুনু হাজৰিকা
শ্রীভূবন চন্দ্র কলিতা
ডাঃ জনার্দ্দন বেজবৰুৱা
শ্রীদেবেন দাস
কর্ণেল এচ. চক্রবর্ত্তী
শ্রীভাৰত চন্দ্র দাস
শ্রীপবীন্দ্র ডেকা
শ্রীনীল শর্ম্মা
শ্রীপ্রসন্ন কুমাৰ শর্ম্মা
শ্রীপ্রদীপ বৰদলৈ

শ্রীনন্দেশ্বৰ বৰঠাকুৰ	শ্রীসুবোধ চন্দ্র গোস্বামী
শ্রীদেবেন্দ্র নাথ গোস্বামী	শ্রীবিনোদ শর্ম্মা
শ্রীজয়ন্ত ফুকন	শ্রীসুশীল সিংহী
শ্রীজ্যোতি ভূঞা	শ্রীসুভাষ অধিকাৰী
শ্রীনিৰোদ চন্দ্র দাস	শ্রীপ্রবাল কুমাৰ বৰুৱা
শ্রীহেমেন্দ্র লাল বৰুৱা	শ্রীপ্রশান্ত ফুকন
ডাঃ ৰামদত্ত বুজৰবৰুৱা	শ্রীহেম চন্দ্র গোস্বামী
শ্রীসুৰেন্দ্র চৌধুৰী	শ্রীহেমেন্দ্র নাথ বৰঠাকুৰ
শ্রীপবিত্র কুমাৰ দাস	শ্রীতপন বৰুৱা
শ্রীচাৰু চন্দ্র গোস্বামী	শ্রীশঙ্কৰ সৰকাৰ
শ্রীমতী নির্মালি বৰুৱা	শ্রীবিপুল পাঠক
শ্রীমতী ডলী বৰা	শ্রীতীর্থ বৰকটকী
শ্রীকুমুদ দাস	শ্রীপ্রভাত চন্দ্র ডেকা
শ্রীপ্রতাপ চন্দ্র শর্ম্মা	শ্রীদিলীপ বৈশ্য
ডঃ অমল কুমাৰ বৰপূজাৰী	শ্রীতাৰিণী শর্ম্মা
শ্রীমতী মহামায়া দেৰী	শ্রীপ্রৱাল বৰুৱা
শ্রীগকুল শর্ম্মা	শ্রীঅৰবিন্দ বৰুৱা
শ্রীকুলেন্দ্র কুমাৰ দাস	শ্রীধীৰেন সোণোৱাল

একে ঠাইতেই গীতানগৰ স্কুল খেলপথাৰত সুন্দৰকৈ, অতি কৃতকার্যতাৰে বিধিগত নীতি-নিয়ম মানি পূজা দুভাগ উদ্‌যাপিত হৈ থাকিল। পূজাৰ আৰম্ভণিৰ তৃতীয় বছৰ মানৰ পৰাই স্থানীয় বিষ্ণু-জ্যোতি কলাকেন্দ্রৰ শিল্পীসকলৰ দ্বাৰাই নাট অভিনয় কৰা হৈছিল। পিচলৈ যাত্রা (অপেৰা) পার্টিৰ দল আমন্ত্রণ কৰি আনি নাট প্রদর্শন কৰোৱা হৈছিল। চতুর্ত্রিংশতিতম বর্ষ মানলৈকে পূজা জাকজমকতাবিহীনভাৱে উদ্‌যাপন কৰা হৈছিল। পিচত উদ্যোক্তাসকলে দেৰী পূজা দুভাগ যথাবিধি কৰাৰ লগতে কিছু জাকজমকতা আৰম্ভ কৰিলে। বর্ত্তমানে গুৱাহাটী মহানগৰৰ ভিতৰত গীতানগৰ সার্বজনীন দুর্গা পূজা এখন লেখত ল'বলগীয়া পূজা হৈ পৰিছে। এই বছৰ সোণালী জয়ন্তী বর্ষ উদ্‌যাপনৰ বাবে এখন শক্তিশালী পূজা পৰিচালনা সমিতি গঠন কৰি বিস্তৃত কার্যসূচী হাতত লোৱাৰ ব্যৱস্থা কৰিছে।

উপসংহাৰ ঃ গীতানগৰ সার্বজনীন দুর্গা পূজাৰ সোণালী জয়ন্তী উদ্‌যাপনৰ শুভ মুহূর্তত বিঘ্ন বিনাশিনী, দুষ্কৃতিনাশিনী, জ্ঞানদায়িনী, শান্তি প্রদায়িনী মহামায়া জগৎজননী দুর্গা দেৰীৰ ওচৰত কাতৰ প্রার্থনা যাতে মমতাময়ী মাতৃয়ে ভক্ত/সেৱকসকলৰ প্রতি সন্তুষ্ট হৈ অসুৰৰূপী সমাজৰ অনিষ্টকাৰী, ভেদাভেদৰ সৃষ্টিকাৰী, কলুষতা, নিন্দা, ঈর্ষা সৃষ্টিকাৰী, সমাজৰ অনিষ্টকাৰীসকলক উৎসতেই বিনাশ কৰি কাম, ক্রোধ, লোভ, মোহ, অহঙ্কাৰ, ঈর্ষা, দ্বেষ জয় কৰি, জ্ঞান, বুদ্ধিৰে জগৎজননীৰ ঈশ কৰুণা লাভ কৰাৰ শক্তি প্রদান কৰে আৰু সমূহীয়া প্রচেষ্টাৰে সমাজত ধর্ম, ঐক্য, শান্তি-সম্প্রীতি, ভাতৃত্ববোধ স্থাপন কৰাৰ বাবে কৃপা বৰিষণ কৰে।

গীতানগৰ সার্বজনীন দুর্গা পূজাৰ সোণালী জয়ন্তী উদ্‌যাপনৰ পূর্ণ সফলতা কামনাৰে—

প্রসীদ জগতদম্বে প্রসীদ ভক্তবৎসলে
প্রসাদং কুৰু মে দেৰী দুর্গে দেৰীনমোস্তুতে।

গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ প্রতিষ্ঠাপক কোষাধ্যক্ষ।

গীতানগৰ সার্বজনীন দুর্গা পূজা— এটি ৰোমন্থন

অভিনাথ শর্মা

ইং ১৯৭৬ চনৰ আগষ্ট মাহ। গীতানগৰবাসী শ্রীযুত হলিৰাম ডেকা, নাৰায়ণ শর্মা, ভোলানাথ শর্মা আৰু শ্রীযুত নাৰায়ণ গোস্বামী নামৰ লোককেইগৰাকীৰ সৈতে মোৰ দেখাদেখি হয়। তেখেতসকলৰ দুর্গাপূজা পাতিবলৈ বৰ আগ্রহ। মোক ক'লে— 'আমি এইবাৰ দুর্গাপূজা পাতো আৰু তেনেকৈয়ে আলোচনাৰ মাজত ১৯৭৬ চনৰ আগষ্ট মাহত গীতানগৰ স্কুল প্রাংগণত সু-পৰিৱেশত মহামায়াৰ পূজা সু-সম্পন্ন হ'ল। ভক্তিপ্রাণ ৰাইজৰ মনত পূজাৰ প্রতি বৰ আগ্রহ জন্মিল আৰু সেইদৰেই প্রতি বছৰে দুর্গাপূজা আড়ম্বৰেৰে চলিবলৈ আৰম্ভ কৰিলে।

প্রথম বছৰৰ পূজাৰ সভাপতি আছিল শ্রীযুত হলিৰাম ডেকা, উপ-সভাপতি স্বর্গীয় ভোলানাথ শর্মা, সম্পাদক স্বর্গীয় নাৰায়ণ শর্মা আৰু বিধি পাঠক আছিল স্বর্গীয় বংশীবদন শর্মা।

লাহে লাহে পূজাৰ অবয়ব বাঢ়িল আৰু ভক্তৰ সংখ্যাও যথেষ্ট বৃদ্ধি হ'ল। বিশেষকৈ ভক্তবৃন্দই প্রতিদিনেই চাকি-বস্তি আৰু শৰাই আদি আগবঢ়ায়। আয়তীসকলে দেৱীৰ মহিমা পূজা মণ্ডপত সু-ললিত সুৰে গুণানুকীর্তন কৰে।

চতুর্থ বছৰৰ পূজাত এটা অলৌকিক ঘটনা ঘটিল। অষ্টমী পূজাৰ দিনা বহুসংখ্যক শৰাই ৰাইজে নিবেদন কৰিলে আৰু প্রতিখন শৰাই নাম-গোত্র উচ্চাৰণ কৰি দেৱীক নিবেদন কৰা হৈ আছে। এজন সদাশয় দেৱীৰ ভক্ত গোবিন্দমল্ল বুজৰবৰুৱাই দেৱীৰ ওচৰত নিবেদন কৰা নৈবেদ্যবোৰ প্রতিজন ভক্তৰ হাতত ঘুৰাই দি আছে। তেতিয়া সময় দিনৰ প্রায় ১২.৩০ মান হৈছে। হঠাতে এজন প্রায় চাৰে ছয় ফুটমান ওখ বিৰাট পুৰুষ, পৰিধানত এখন গামোচা, গাত কোনো বস্ত্র নাই, আধাপকা চুলিবোৰ চুটিকৈ কটা। ভক্তবৃন্দৰ মাজেৰে দেৱীৰ সম্মুখত থকা ডেওনাখন পাৰ হৈ মণ্ডপৰ সম্মুখত থকা মূল শৰাইখনৰ পৰা আপেল এটা হাতত লৈ সেইটো কামুৰি কামুৰি পুনৰ ভক্তৰ মাজত অন্তর্ধান হ'ল। এই দৃশ্য দেখি ভক্তবৃন্দ অতি আচৰিত হ'ল। সকলোৱে ভাবিলে ই এটা দেৱীৰেই মহিমা।

তাৰ পাছত ১৯৮০ আৰু ১৯৮১ চনত ডুমডুমালৈ যোৱাত পূজাৰ পূজাৰী, বিধিপাঠক, চণ্ডীপাঠক আৰু নতুন পণ্ডিতেৰে গীতানগৰ পূজাৰ কার্যাদি পৰিচালিত হ'ল। তাৰ পাছত '৮২ চনৰ পৰা দেৱীপূজাৰ এই মহাভাৰ এই নিঃকিনৰ ওপৰতে পৰিল। ৰাইজৰ আশীর্বাদ, ভক্তিপ্রাণ কার্যবাহী সমিতিৰ আদেশ শিৰোধার্য কৰি পুনৰাই গীতানগৰ দুর্গাপূজাৰ গুৰুভাৰ মূৰ পাতি পঞ্চবিংশতিতম বছৰলৈ বহন কৰিবলগীয়া হ'ল।

দুর্গাপূজা তথা কালীপূজা কৰা মোৰ মাতৃৰ নিষেধ আছিল। মোক মায়ে কৈছিল— 'তই সংস্কৃত টোলত পঢ়া নাই। অন্য পূজা কৰ মোৰ আপত্তি নাই, কিন্তু দুর্গাপূজা আৰু কালীপূজা নকৰিবি।' দেৱীৰ ছালনাত মাতৃ আজ্ঞা লংঘন কৰি উক্ত দুয়োভাগ পূজাতেই বহিবলগীয়া হ'লো। এদিন মায়ে মোক খং কৰি সুধিলে— 'দুর্গাপূজা কৰিলি?' মই মাক ক'লো— 'মা মই যদি তোমাৰ চৰণত ফুল এপাহ দিওঁ তুমি বেয়া পাবা নেকি?' মায়ে একো নামাতিলে, ময়ো স্বস্তিৰ নিশ্বাস কাঢ়িলো।

গীতানগৰ দুর্গাপূজাৰ কলেবৰ বহুত বাঢ়িল। ভক্তৰ সংখ্যা বহুত বৃদ্ধি হ'ল। কিছুসংখ্যক ভক্তই ১৯৯০ চনত গীতানগৰৰ ওচৰৰ হাতীগড়ত শ্রীযুত অনিল গোস্বামী, শ্রীযুত ৰামচন্দ্র ডেকা প্রমুখ্যে ভক্তবৃন্দই আৰু এখন দুর্গাপূজা নতুনকৈ স্থাপন কৰিলে। এই পূজাভাগো এতিয়ালৈ সুকলমে পৰিচালিত হৈ আছে।

তাৰ পাছত আকৌ পূর্বোক্ত গোবিন্দমল্ল বুজৰবৰুৱাৰ উদ্‌গনিত হাতীগড় চাৰিআলি পথত মহামায়া শ্যামাকালী পূজা আৰম্ভ কৰিলে। মোৰ পিতৃপুৰুষে মোৰ শিশু কালতে এজন মানুহক কৈছিল যে যি ঠাইত তিনিবাৰ আদ্যাশক্তি মহামায়াৰ পূজা কৰা হ'ল সেই স্থান পীঠস্থানত পৰিণত হয়। এই গীতানগৰ স্কুলীয়া দেৱীৰ প্রভাৱ পৰিল।

১৯৯৫ চনৰ ষষ্ঠীৰ বেলবৰণৰ সময়ত গধূলি সময়ত ক'ৰবাৰ পৰা এজনী মানসিক বিকাৰগ্রস্তা মহিলা আহি পূজা বেদীত সোমাল। তাকে দেখি পূজা কমিটীৰ এজন সদস্যই

মহিলাজনীক খেদি দিলে। তাই গুচি নগ'ল। সপ্তমী, অষ্টমী পূজা হৈ গ'ল। অষ্টমীৰ দিনা ধাৰাসাৰ বৰষুণ। ৰভাৰ তলতো ঠায়ে ঠায়ে পানী জমা হৈছে। মই ৰাতিপুৱা সোনকালে আহি কর্মকাৰক যোগাৰীসকলক জগাই দিওঁ আৰু ঢুলীয়াবোৰকো জয়ঢোল কোবাব দিওঁ যাতে সকলোবে উঠি পূজাথলীলৈ আহে। নৱমী পূজাৰ দিনা ঠিক সেইদৰেই মই গৈ পাঁচমান বজাত পূজা মণ্ডপত সোমাইছো। গৈ দেখিলো পূজাৰ ৰভাৰ তলত সেই পাগলীজনী বনৰ ওপৰত বহি আছে। সম্মুখত এছলা পানী। কমলা শর্মা নামৰ এজন যোগাৰীয়ে যা-যোগাৰ কৰিবলৈ আৰম্ভ কৰিছে। মই চকী এখন আনি পাগলীৰ পিছফালে বহিলো। তাই উলঙ্গ, মাত্র ডেৰহাতমান এখন বস্ত্র গুপ্তাঙ্গ ঢাকি আছে। গোটেই গাতে শেলুৱৈ আৰু ছাই। তাইক দেখি মোৰ বৰ বেয়া লাগিল। মনতে ভাবিলো এই সভ্য সমাজত দুর্গা দেৱীৰ আগমনত সকলোৰে নতুন সাজ-পাৰ লৈছে। কিন্তু এই উলঙ্গ গাভৰুজনীৰ প্রতি কাৰো দৃষ্টি নহ'ল।

ইতিমধ্যে সেই বছৰৰ পূজা মুখ্য উপদেষ্টা শ্রীযুত হলিৰাম ডেকা অলপ আঁতৰত বহি আছিল। পূজাৰ চণ্ডীপাঠক শ্রীযুত হৰমোহন শর্মাকে আদি কৰি প্রায় ৫/৬ লোক সমবেত হ'ল। মই ডেকাক ক'লো— 'ডেকা! এইক এখন কাপোৰ দিব নোৱাৰিনে?' ডেকাই ক'লে— 'নিশ্চয় পাৰি।' তেতিয়া মই যোগাৰী এজনক আধিবাসৰ শাড়ীখন আনি তাইক দিবলৈ ক'লো। পাগলীয়ে শাড়ীখন বৰ আগ্রহেৰে লৈ মোৰ পিছলৈ গৈ পিন্ধি ল'লে। তাৰ পাছত মই এজন পৰিচালকক তাইক অধিবাসৰ দেৱীৰ প্রসাধনৰ সামগ্রীবোৰ দি দিবলৈ ক'লো। পাগলীয়ে কপালত সেন্দূ�ৰৰ ফোট লৈ মূৰ আচুৰিলে। তেতিয়া তাইৰ দিব্যৰূপ। গাত শেলুৱৈ নোহোৱা হ'ল। ২২/২৫ বছৰীয়া গাভৰু কন্যা। মূৰত সৰু সৰু প্রায় ২০/২৫টা মান জঁটা। তাকে দেখি শ্রীযুত হৰমোহন শর্মাই ক'লে— পাগলী ভাল হ'ব। ইতিমধ্যে পূজাৰ যোগাৰ হৈ উঠাত মই মণ্ডপত সোমালো আৰু পাগলীজনী প্রায় ১০/১২ জন মানুহৰ সম্মুখতে অন্তর্ধান হ'ল। দেৱী মহামায়াৰ অপূর্ব মহিমা বুজিবলৈ বৰ কঠিন।

দুর্গা পূজা কেৱল পূজাই নহয়। এটি উৎসৱো। কালী, লক্ষ্মী, সৰস্বতী পূজা, ৰাসযাত্রা, দৌলযাত্রা। কিন্তু দুর্গা পূজা পূজাৰ লগতে উৎসৱো। বর্ষাকালৰ সকলো কলুষতা নোহোৱা হৈ শৰৎ কালৰ শাৰদীয় জোনৰ পোহৰ, গছে গছে ফল-ফুল, সেউজীয়া ধাননি পথাৰ, নদীৰ পানী স্বভাৱতে নির্মল। দুর্গাপূজাৰ আনন্দ এটি অনুভূতি। তাক মুখেৰে ব্যক্ত কৰিবলৈ আমি সমর্থ নহয়।

আজি অসমীয়া সমাজৰ ধর্মপ্রাণ মানুহৰ মাজত বহু বিভেদৰ সৃষ্টি হৈছে। এজনে কয়, মই পূজা নামানো, আনজনে ক'ব মূর্ত্তিকো নাচাবা, প্রসাদো নাখাবা, ধর্ম হ'ব ব্যভিচাৰ আৰু এঠাইত ক'ব মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ এতেকে মুকুতি পাইবা কহিলো স্বৰূপ। মুখেৰে বাৰু ৰাম বুলিলো, কিন্তু মূর্ত্তিটো নেদেখিলে ৰূপটো কেনেকৈ ধাৰণা কৰিম? গতিকে মূর্ত্তি লাগিব। সম্মুখত এটি মূর্ত্তি নাইবা এটা অবয়ব নাথাকিলে মানুহৰ মন আকৃষ্ট নহয়। আকৌ আমাৰ মাজত এটা সম্প্রদায় আছে মাতৃপূজা নকৰা। যি মাতৃৰ অনুগ্রহত আমি এই বিশ্বৰ পোহৰ দেখিবলৈ পাইছো সেই মাতৃক পূজা কৰা আমাৰ কর্তব্য। বৈষ্ণৱসকলে কৃষ্ণ পূজা কৰে, কিন্তু সম্মোহিনী তন্ত্রত স্বয়ং সদাশিৱে পার্বতীৰ আগত কোৱা কথা ৰাধাক পূজা নকৰি কৃষ্ণক পূজা কৰিলে মহাপাতকী হয়।

গৌৰতেজেবঃ বিনা যস্তু শ্যামতেজঃ সময়ে।
জপেদ্বা ধ্যায়তে বাপি সভবেৎ পাতকী শিৱে।।
সব্রহ্মাহা সুৰাপী চ স্বর্ণ স্তেয়ী চ পঞ্চমঃ।
এতৈ দোষৈর্বিলিপ্যেত তেজো ভেদান মহেশ্বৰী।।
তস্মাজ্যোতিৰভুদ দ্বেধা ৰাধা মাধৱ ৰূপকম্।
তস্মাদিদং মহাদেৱী গোপালেনৈব ভৱিষ্যতম্।।

গতিকে ভেদ-ভাব পৰিহাৰ কৰি একনিষ্ঠ মনে মহামায়াৰ পদতলত শৰণাপন্ন হ'লে পুত্রভাবত তেওঁ সকলোকে প্রতিপালন কৰে।

কলি কালত মানুহৰ মন মায়া-মোহে আবৃত, নানা বাধা। গতিকে তপস্যা-ধ্যান আৰাধনা পূজাদিত মানুহৰ মন নবহে। সম্মুখত কিবা বিগ্রহ থাকিলেহে মন আকৃষ্ট হয়। অতত্রব মানুহৰ মনত সনাতন ধর্মীসকলে বিদ্বেষ ভাব পৰিহাৰ কৰি সকলো প্রকাৰে দেৱ-দেৱীৰ প্রার্থনাত মিলিত ব্রহ্মাময়ীৰ প্রতি অনুৰক্ত হোৱাই কাম্য।

সুদীর্ঘ পথত ত্রিশংতিতম বছৰে গীতানগৰবাসী ভক্তসকলে এই পুণ্যতীর্থ বিদ্যা মন্দিৰ প্রাংগণত 'মহামায়াৰ' পূজা-আর্চনা কৰে। ময়ো তাতে যোগদান কৰিবলৈ সুবিধা পাই নিজকে কৃতার্থ কৰিলো। ধর্মপ্রাণ দেৱী ভক্তসকলৰ মোৰ প্রতি জনোৱা দয়া-মৰম মই জীৱনত পাহৰিব নোৱাৰিম।

সদৌ শেষ মহামায়াৰ পদত শতকোটি প্রণাম জনালো আৰু লগতে যদি মোৰ আচৰণত কিবা ত্রুটি-বিচ্ছতি হৈছে তাৰ বাবে নবৰূপী নাৰায়ণৰ ওচৰত ক্ষমা মাগি সামৰিছো।❑

গীতানগৰ সার্বজনীন দুর্গা পূজাৰ অতীত ৰোমন্থন

প্রভাত চন্দ্র বর্মন

জগত জননী মহাশক্তি ৰূপিনী মহালক্ষ্মী দুর্গতি নাশিনী মা শ্রীশ্রীদুর্গাদেৱীৰ শ্রীচৰণত প্রণতি জনাই বৃহত্তৰ গীতানগৰবাসী ৰাইজৰ ওচৰত কৃতজ্ঞতা ৰাখি গীতানগৰ সার্বজনীন দুর্গা পূজাৰ সোণালী জয়ন্তী বর্ষত সতীর্থ সহযোগী সহযোদ্ধা যিসকল ইহজগতত নাই তেওঁলোকলৈ মই সশ্রদ্ধ প্রণিপাত জনাই সোঁৱৰিছো।

সেয়া আছিল ১৯৭৬ চনৰ শৰতৰ কোনোবা এটা দিন। সঠিকভাৱে তাৰিখটো মনত নাই যদিও ভক্তপ্রাণ কেইজনমান সদাশয় ব্যক্তিৰ উদ্যোগত অনুষ্ঠিত হৈছিল গীতানগৰবাসীৰ লগতে ওচৰ-চুবুৰীয়া অম্বিকাগিৰী (নগাওঁ) আদি কৰি অঞ্চল নিবাসী সকলক লগত লৈ এখন সাধাৰণ সভা। উদ্দেশ্য 'মা ভৱানী শ্রীশ্রীদুর্গাদেৱী'ৰ পূজাভাগৰ আয়োজন কৰা। উপস্থিত ৰাইজৰ মাজত সপক্ষে বিপক্ষে বিশদভাৱে আলোচনা হ'ল। অৱশেষত সিদ্ধান্তত উপনীত হ'ল যে, দুই বছৰ আগতে বি.এচ.এফ কেম্পৰ সহযোগত মানিক বৰঠাকুৰ, খগেন চৰকাৰ আদিৰ উদ্যোগত আৰম্ভ কৰা পূজাভাগ হাতীগড় প্রাথমিক বিদ্যালয় প্রাঙ্গনলৈ স্থানান্তৰিত কৰা হওক। স্থানান্তৰৰ উদ্দেশ্য আছিল বিদ্যালয় প্রাঙ্গন হ'ল এক অনুকুল পৰিবেশ সৃষ্টি কৰিব পৰাকৈ আহল বহল নিৰাপদ প্রাকৃতিক সৌন্দর্যৰে ভৰপূৰ এখন মনো�ৰম ঠাই। পিছে এই খিনিতেই লাগিল লেঠা। বৰঠাকুৰ, খগেন চৰকাৰ, গিৰিন ডেকা আদি কৰি কেইজনমানৰ আপত্তি। কাৰণ যিহেতু সেই অঞ্চলৰ ৰাইজ তথা বি.এচ.এফৰ চাউনিৰ সহযোগত পূজাভাগ ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু লগতে পৰৱর্ত্তী বছৰৰ বাবে মা ভৱানীক আমন্ত্রণ কৰা হৈছে গতিকে স্থানান্তৰ কৰাটো সমীচীন নহব। অৱশেষত দুয়োঠাইতে দুভাগ পূজা সমিল মিলেৰে পাতিবলৈ সিদ্ধান্ত লোৱা হ'ল। তেতিয়ালৈ হাতীগড় প্রাথমিক বিদ্যালয় গঢ় লৈ উঠিছে যদিও মজলীয়া আৰু উচ্চ ইংৰাজী বিদ্যালয় স্থাপন হোৱা নাই। সকলো দিশ সামৰি "গীতানগৰ সার্বজনীন দুর্গা পূজা" নামাকৰণেৰে পূজাভাগ পৰিচালনা কৰিবলৈ কার্য্যকৰী কমিটি এখন গঠন কৰা হ'ল। সভাপতি- হলিৰাম ডেকা, সম্পাদক- নাৰায়ন শর্মা, কোষাধ্যক্ষ-শ্রীনাৰায়ন গোস্বামী, উপ-সভাপতি- ভোলা শর্মা আৰু কানুৰাম কলিতা। সদস্য- শ্রীৰামচন্দ্র ডেকা, শ্রীপ্রভাত চন্দ্র বর্মন, শ্রীঅৰনী ডেকা, দ্বাৰিকা বৈশ্য, নগেন চন্দ্র কলিতা (১), শৰৎ বৰকাকতি, ঘন চেতিয়া, প্রবীন বংজাং, শ্রীগোপী ৰহাং, সিদ্ধি বৰুৱা, সুৰেশ ডেকা আৰু দেৱেন শর্মা। এনেভাৱে উলহ-মালহেৰে পূজাভাগ আয়োজিত হৈ ২৪ টা শৰৎ অতিক্রমি ২৫তম শৰতৰ আগমন হ'ল। গীতানগৰ সার্বজনীন দুর্গা পূজাভাগৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰা হ'ল। বেছি জাকজমক নকৰি আধ্যাত্মিকতা বজাই ৰাখি সাত্বিকতাৰে প্রথম পূজাৰী অভি শর্মাদেৱৰ অ-বর্তমানত হাজোৰ হয়গ্রিৱ মাধৱৰ লগত ওতপ্রোতভাবে জড়িত শম্ভু দত্ত শর্মা দেৱৰ পৌৰহিত্যত গীতানগৰবাসী ন-পুৰণি ভক্তপ্রাণ ৰাইজৰ উৎসাহ উদ্দীপনাৰে ৰূপালী জয়ন্তী পালন কৰা হ'ল। সেয়া আছিল ২০০০ চন। সময় বাগৰিল। কালৰ গতিত একালত তেনেই অনুষ্টুপীয়াকৈ আধ্যাত্মিকতা বজাই ৰাখি সাত্বিকতাৰে আৰম্ভ কৰা পূজাভাগিলৈ আধুনিকতা আৰু প্রতিষ্ঠাৰ মাধুর্য্য আহিল। এনেকৈয়ে দিন মাহ বছৰ বাগৰি আহি আহি ২০২৫ ত উপনীত হ'ল। এই চনটোতেই লুকাই আছিল অঞ্চলবাসী ভক্তপ্রাণ ৰাইজৰ এক পৰম আকাঙ্খিত ক্ষণ। আমাৰ আটাইৰে বুকুলৈ গর্বৰ অনুভৱ কঢ়িয়াই আনিবলৈ সোণালী জয়ন্তী বর্ষৰ এক থৌকি-বাথৌ মন। সোণালী জয়ন্তী পালনৰ বাবে গীতানগৰবাসী ৰাইজৰ সহযোগত শ্রীদিলীপ চন্দ্র কলিতাৰ সভাপতিত্বত সম্পাদক ৰিতুমনি কলিতা, কোষাধ্যক্ষ ৰাজীৰ কলিতা আৰু মুখ্য উপদেষ্টা প্রভাত চন্দ্র বর্মনৰ সৈতে অন্যান্য সদস্য সদস্যাক লগত লৈ অতি জাকজমকতাৰে সোণালী জয়ন্তী পালন কৰিবলৈ আগবঢ়াৰ প্রাকক্ষণতে অতীতলৈ মনটোৱে ঢাপলি মেলিছে। আজি এই শুভ লগনত

সোণালী জয়ন্তীৰ উলহ মালহৰ পয়োভৰত মনত পৰিছে আমাৰ মাজৰ পৰা হেৰাই যোৱা প্ৰতিষ্ঠাপক সভাপতি, অতি উৎসাহি হলিৰাম ডেকাদেৱলৈ। মনত পৰিছে সতীৰ্থ সহযোগী সহযোদ্ধা বন্ধুসকললৈ। মনত পৰিছে গহীন গম্ভীৰ প্ৰতিষ্ঠাপক সম্পাদক নাৰায়ন শৰ্মাদেৱলৈ। আজিও মানস পটত দেখা পাও স-হাস্য বদনে মুখত এমোকো�ৱা তামোল চোবাই চোবাই কাষলতিৰ তলত কাগজৰ নুৰা এটা লৈ বৈকুণ্ঠপুৰৰ বৈকুণ্ঠধামৰ পৰা শৰ্মা আহি আছে। মাজতে থমকি ৰৈ যেন "অ বৈশ্য" বুলি মাত দি সুধিছে— "কি কৈচ্চে হে?" অলপ আগবাঢ়ি অলপ ৰৈ পূৱে পশ্চিমে নিৰীক্ষণ কৰি ডেকাক যেন মাতিছে "অ অৱনী, আজি অফিছ আছে নেকি হা"। মনত পৰিছে সুৰেশ ডেকালৈ, ভৰিত এযোৰ সোলোক ঢোলোক চেণ্ডেল পিন্ধি পুৰনা চাইকেলখন ঠেলি ঠেলি যেন ওলাই আহিছে স্কুলৰ ফালে পূজাস্থলীলৈ। মনত পৰিছে কথাৰ সাগৰ ৰসিক ভলভলীয়া ভোলানাথ শৰ্মাদেৱলৈ। সাহসৰ প্ৰতীক যেন লগা মানুহজন। অক্লান্ত পৰিশ্ৰমিক। আজিও মনত পৰে "বৰ্মন, চিন্তা কৰিছা নেকি? কিমান টকা লাগিব হে, ওলাবা মোৰ লগত। টিনপাত, টকা মই যোগাৰ কৰিম"। সঁচাকৈয়ে মানুহজনৰ কিবা এটা শক্তিয়ে সকলোকে মোহিত কৰিব পাৰিছিল। আৰু মনত পৰিছে সোঁহাতত লাখুটি, বাওঁহাতত টৰ্চ লাইট এটা লৈ অলৌ-টলৌকৈ মানুহৰ সুখ-দুখৰ ভাগি হ'বলৈ, মনত উৎসাহ যোগাবলৈ ঘুৰি ফুৰা কল্পকান্ত হাজৰিকাদেৱলৈ। মনত পৰিছে নিৰ্ভিক স্পষ্টবাদী কানু কলিতাদেৱলৈ, যিজনে জীৱিত কালত সভাই সমিতিয়ে স্পষ্ট মতামত ব্যক্ত কৰাত কোনো দিনে কাৰো লগত আপোচ কৰা নাছিল। মনত পৰিছে দপদপাই ঘুৰি ফুৰা সিদ্ধি বৰুৱাদেৱলৈ আৰু গহীন গম্ভীৰ সদালাপি ভুৱন কলিতাদেৱলৈ। মানসপটত উদ্ভাসিত হৈছে "ৰামনামী" পৰিধান কৰি পূজা মণ্ডপৰ পূজাৰীৰ লগত অহৰহ লাগি থকা, পূজাৰ নামত ঘৰ সংসাৰ বাদ দিব পৰা সেইজন ব্যক্তি, বন্ধুবৰ গোবিন্দ মল্ল বুজৰবৰুৱা আৰু সহজ সৰল, মানুহক আপ্যায়ন কৰি ভালপোৱা মহেন্দ্ৰ কলিতাদেৱলৈ।

হে সতীৰ্থ সহযোদ্ধা সহকৰ্মী বন্ধু শৰৎ বৰকাকতি, নগেন চন্দ্ৰ কলিতা, নগেন চমুৱা, জগন্নাথ দাস, শিৱ দাস, আপোনাসৱ আমাৰ মাজত আজি সো-শৰীৰে নাই যদিও আপোনাসৱৰ কৰ্মপ্ৰেৰণাই আজিও প্ৰেৰণা যোগাই উৎসাহিত কৰি গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাভাগ আধ্যাত্মিকতা বজাই ৰাখি সাত্বিকতৰে পালন কৰিবলৈ উদগনি যোগাই আহিছে। আপোনাসৱৰ আশীষেৰেই চালুকীয়া ৰূপৰ পূজাভাগ আজি এক লেখতলবলগীয়া সৰ্বাঙ্গসুন্দৰ পূজাত পৰিণত হৈছে। আজি এই সোণালী জয়ন্তী অতি ধুমধামেৰে পালন কৰিবলৈ ওলোৱা ক্ষণত আপোনালোকৰ বিদেহী আত্মাক 'মা ভৱানী'য়ে শান্তিত ৰাখি এই ধৰা ধামত সকলো ভক্তৰ অপায় অমঙ্গল দূৰ কৰি শান্তি বিৰাজ কৰক ইয়াকে কামনা কৰিছো। লগতে সময়ৰ অভাৱত অতি তৰাহুৰাকৈ কলম ল'বলৈ গৈ বাৰ্দ্ধক্যজনিত স্মৃতি বিভ্ৰাটৰ বাবে অজানিতে স্মৰণৰ বাহিৰত ৰৈ যাব পৰা সেই সকলো পূণ্যাত্মাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি আটাইকে সশ্ৰদ্ধ ভাৱে পুনৰবাৰ সোঁৱৰিছো। আপোনালোকৰ প্ৰেৰণাই নৱ-প্ৰজন্মৰ পথেয় হওক।❑

মুখ্য উপদেষ্টা, গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতি

গীতানগৰ দুর্গা পূজাভাগৰ পাঁচ দশকজোৰা পৰিক্রমা— এক অৱলোকন

ৰাজীৱ কলিতা

‘গীতানগৰ সার্বজনীন দুর্গা পূজা’— আজি অসমৰ ৰাইজৰ এক পৰিচিত নাম হৈ পৰিছে। আজিৰ পৰা সুদীর্ঘ পঞ্চাশ বছৰ পূর্বে ১৯৭৬ চনৰ জুলাই মাহৰ এক শুভক্ষণত গীতানগৰৰ ভক্তিপৰায়ণ ৰাইজৰ আন্তৰিক প্রচেষ্টাত জন্ম লাভ কৰা গীতানগৰ সার্বজনীন দুর্গা পূজা নামৰ ৰাজহুৱা ধর্মানুষ্ঠানটিয়ে এই বছৰ ২০২৫ চনত ইয়াৰ সোণালী জয়ন্তী উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ সক্ষম হৈছে।

গীতানগৰ সার্বজনীন দুর্গা পূজাৰ বিগত পাঁচটা দশকৰ সফল পৰিক্রমা তথা উত্তৰণৰ এই লেখকো এজন প্রত্যক্ষ সাক্ষী হিচাবে মোৰ স্মৃতিৰ মণিকোঠাত থুপ খাই থকা ডুখৰীয়া সজীৱ স্মৃতিৰ প্রতিফলন এই লেখাত সামৰিব খোজা হৈছে। হাতী মাৰি ভুৰুকাত ভৰোৱা বিধৰ এই লেখাটোৰ জৰিয়তে গীতানগৰ সার্বজনীন দুর্গা পূজাৰ তথ্য সম্বলিত পৰিবর্দ্ধনৰ দস্তাবেজ উপস্থাপনৰ চেষ্টা কৰা হৈছে।

১৯৭৬ চনত মই হাতীগড় প্রাথমিক বিদ্যালয়, আজিৰ গীতানগৰ হাইস্কুলৰ চতুর্থ শ্রেণীৰ ছাত্র। ইতিমধ্যে শাৰদীয় দুর্গা পূজাৰ নিয়ৰ সিক্ত শেৱালি সৰা বতৰ, গীতানগৰ স্কুল খেলপথাৰত দুর্গা পূজাৰ আয়োজন চলিছে। বাঁহ, টিনপাতৰ দ্বাৰা নির্মাণ কৰা ৰভা আৰু পূজা মণ্ডপৰ কাম তেতিয়া আৰম্ভ হৈছিল। আমি কিশোৰ চেমনীয়াসকলৰ মনত অপাৰ আনন্দ। ছেপ্টেম্বৰ মাহৰ কোনোবা এটা দিনত পূজা আৰম্ভ হোৱাৰ স্মৃতি আজিও সজীৱ হৈ আছে। সেই কালত ষষ্ঠী পূজাৰ আবেলি পৰত স্থানীয় আইমাতৃসকলে পূজা মণ্ডপলৈ গৈ মাহ-প্রসাদৰ বাবে অনা বুট-মণ্ড আৰু ভোগৰ বাবে অনা চাউল, দাইল জাৰি-মেলি চাফ-চিকুণ কৰাত আগ্রহেৰে ভাগ লৈছিল। এই কার্য আৰম্ভণিৰ পৰা পৰৱর্তী কিছু বছৰলৈ অব্যাহত আছিল। আমি সমবয়সৰ চেমনীয়াসকলে পূজাৰ কেইদিনত মাহ-প্রসাদ, খিচিৰি-ভোগ বিতৰণকে ধৰি কামবোৰত স্বেচ্ছাসেৱকৰ ৰূপত অংশগ্রহণ কৰিছিলোঁ। পিছলৈ ডাঙৰ আৰু বুজন হোৱাত এসময়ত আমি স্বেচ্ছাসেৱকসকলেই পূজা উদ্‌যাপন সমিতিৰ একনিষ্ঠ সদস্য হৈ পৰিলোঁ। সেই সময়ত পূজাৰ সময়ত সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত নাট্যাভিনয় অনুষ্ঠিত কৰা হৈছিল। নিয়ৰ সিক্ত আহিনৰ নিশা গৰম কাপোৰ পিন্ধি নাট্যাভিনয়, যাত্রা-পার্টিৰ অভিনয় উপভোগ কৰি আপ্লুত হৈছিলোঁ। আজিকালি বতৰৰ ভালেখিনি পৰিৱর্ত্তন হ’ল। সেয়েহে পূজাৰ বতৰত পূর্বৰ দৰে শীত অনুভৱ নহয়। যথেষ্ট গৰম থাকে বাবে পুৰণি দিনৰ দৰে পুলক অনুভৱ কৰা নাযায়।

অষ্টম শ্রেণীত পঢ়ি থকা সময়ত আমি কান সমনীয়াসকলে দুর্গা পূজাত এখন একাংকিকা নাটকত অভিনয় কৰিছিলোঁ। গীতানগৰ দুর্গা পূজাৰ সাংস্কৃতিক সন্ধিয়াত স্থানীয় চেমনীয়া কিশোৰ-কিশোৰীসকলে এটি সমবেত সঙ্গীত (কোৰাছ) পৰিৱেশন কৰিছিল। সেই সমবেত সঙ্গীতটোৰ স্রষ্টা আছিল, গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ প্রতিষ্ঠাপক সম্পাদক প্রয়াত নাৰায়ণ চন্দ্র শর্মা। তেখেতেই প্রথম তিনিবছৰ (একেধাৰে)সহ সর্বমুঠ ছয় বছৰ গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ সাধাৰণ সম্পাদকৰ পদ অলংকৃত কৰিছিল। সুৰ দিছিল বিষ্ণুজ্যোতি কলাকেন্দ্রৰ সদস্য শ্রীৰমণীকান্ত শীলদেৱে। উক্ত সমবেত সঙ্গীতটোৰ এতিয়াও ৰিণি ৰিণি মনত থকা পংক্তি দুফাঁকি—

‘জয় দুর্গা জগদম্বা জগতজননী,
হে নাৰায়ণী নমঃস্তোতে।
দুর্গা দেৱী দশভুজা দুর্গতি নাশিনী
দানব দলনি মহিষ মর্দিনী।’

.....

বিহঙ্গম দৃষ্টিত আমাৰ পূজাভাগৰ বিশেষত্ব ঃ

ৰভা আৰু মণ্ডপ ঃ

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাভাগৰ ৰভা আৰু মণ্ডপ নিৰ্মাণৰ ক্ষেত্ৰত আৰম্ভণিৰ পৰ্য্যায়ত বাঁহৰ খুঁটা, লোৰ পাইপ আৰু টিনপাত ব্যৱহাৰ কৰা, মূল মণ্ডপত প্ৰতিমাৰ ওপৰত এখন চন্দ্ৰতাপ আঁৰি দিয়া আৰু পিচলৈ প্ৰতিমাৰ পিছফালে গছ-বিৰিখৰ ডাল-পাতৰ দ্বাৰা প্ৰাকৃতিক দৃশ্যপট সজোৱা হৈছিল। ১৯৯৩ চনত প্ৰথমবাৰৰ বাবে কেৱল মূল মণ্ডপভাগ টেণ্ট হাউচৰ দ্বাৰা সজোৱা হৈছিল। ৰভাখন টিন আৰু বাঁহেৰেই নিৰ্মাণ কৰা হৈছিল। সেইটো বছৰত স্থানীয় ব্যৱসায়ী ভূপেন ডেকাই প্ৰতিমা দান কৰাৰ লগতে মণ্ডপ নিৰ্মাণৰ খৰচো বহন কৰিছিল। পৰৱৰ্তী বছৰ ১৯৯৪ চনত কাৰ্যনিৰ্বাহক সভাই বাণিজ্যিক প্ৰতিষ্ঠান টেণ্ট হাউচক ৰভা মণ্ডপ নিৰ্মাণৰ দায়িত্ব দিছিল। (বাঁহ, লোৰ পাইপ, টিন অনা আৰু বনুৰাৰ খৰচ মিলাই টেণ্ট হাউচৰ খৰচৰ সমান হয় বাবেই) সেইটো বছৰত ৰভা মণ্ডপ নিৰ্মাণৰ খৰচ ৭,০০০ টকা ব্যয় হৈছিল। সেই তেতিয়াৰে পৰা ৰভা মণ্ডপ নিৰ্মাণৰ বাবে টেণ্ট হাউচ আৰু ডেকৰেটৰক দায়িত্ব দিয়া হৈ আহিছে। প্ৰথম পূজাৰ সময়ৰে (১৯৭৬ চন) পৰা ২০০৮ চনলৈ মূল মণ্ডপ আৰু ৰভা ঘৰৰ মাজত দুফুটমান ওখ বাঁহৰ কাঠিৰে এখন জেওৰা দিয়া মনত আছে। জেওৰাখনৰ এমূৰত বাঁহৰ সৰু এখন জপনা আৰু ৰভা ঘৰটোৰ বাকী অংশ উন্মুক্ত ৰখা হৈছিল। ২০০৯ চনৰ পৰা ৰভা আৰু মণ্ডপৰ মাজৰ সীমাৰেখা স্বৰূপ বাঁহৰ জেওৰা অন্তৰ্ধান হ'ল। মূল মণ্ডপটো দুফুটমানৰ ওখ কাঠৰ মজিয়াত নিৰ্মাণ কৰাৰ ব্যৱস্থা তেতিয়াৰ পৰা প্ৰৱৰ্ত্তন হ'ল। ৰভা আৰু মণ্ডপৰ মাজত টিনেৰে নিৰ্মিত প্ৰণামীৰ বাবে নিৰ্দ্দিষ্ট বাকচ ৰখা হৈছিল। সেই তেতিয়াৰে পৰা ৰভাৰ সন্মুখভাগ বিশেষ প্ৰাসাদ মঠ-মন্দিৰৰ আৰ্হিত আকৰ্ষণীয়ভাৱে নিৰ্মাণ কৰাৰ ব্যৱস্থা প্ৰচলিত হৈ আহিছে। সেই অনুসাৰে—



২০০৯ চনত — কোঁচবিহাৰৰ ৰাজপ্ৰাসাদ
২০১০ চনত — কৰ্ণাটক ৰাজ্যৰ বিধান সৌধ
২০১১ চনত — গুজৰাটৰ সোমনাথ মন্দিৰ
২০১২ চনত — নতুন দিল্লীৰ পুৰণি সংসদ ভৱন
২০১৩ চনত — গুহা সজ্জিত পাহাৰ
২০১৪ চনত — মায়াপুৰৰ ইস্কন মন্দিৰ
২০১৫ চনত — কাল্পনিক মন্দিৰ
২০১৬ চনত — বিখ্যাত কার্টুন চিত্ৰকথা ঢোলকপুৰ
২০১৭ চনত — ছিকিমৰ শিৰডী সাই মন্দিৰ
২০১৮ চনত — কলকাতাৰ বেলুৰ মঠ
২০১৯ চনত — কলকাতাৰ দক্ষিণেশ্বৰ মন্দিৰ
২০২০-২০২১ চনত — ক'ভিড অতিমাৰীৰ বাবে অনুষ্ঠুপীয়া পূজা
২০২২ চনত — পৰিৱেশ সচেতনতা সম্পৰ্কীয়
২০২৩ চনত — বুদ্ধ মন্দিৰ
২০২৪ চনত — মহীশূৰৰ ললিতা মহল
২০২৫ চনত — থাইলেণ্ডৰ অৰুণ মন্দিৰ।

স্থানীয় শিল্পী হৰকুমাৰ ডেকা আৰু ধীৰাজ বৰুৱাৰ তত্ত্বাৱধানত ১৯৯৫ চনৰ পৰা ২০০৭ চনৰ ভিতৰত আমিও কেইটামান বৰ্ষত মণ্ডপৰ সাজসজ্জাৰ কামত আগভাগ লৈছিলো। ২০০৫ চনত মাজুলীৰ শিল্পীৰ দ্বাৰা সংলগ্ন পাহাৰৰ মাটিত কটা বিশাল আকৃতিৰ শিৱ মূৰ্ত্তি দৰ্শনাৰ্থীৰ আকৰ্ষণৰ কেন্দ্ৰ আছিল।

আমাৰ দৃষ্টিত গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাৰ আৰ্হি সম্পৰ্কত চাৰিটা ভাগত ভগাব পৰা যায়। ১৯৭৫ চনৰ পৰা ১৯৯২ চনলৈ, ১৯৯৩ চনৰ পৰা ২০০০ চনলৈ, ২০০১ চনৰ পৰা ২০০৮ চনলৈ আৰু ২০০৯ চনৰ পৰা বৰ্তমান পৰ্য্যন্ত।

মুখ্য পুৰোহিত ঃ

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাভাগত ১৯৭৬ চনৰ প্ৰতিষ্ঠা কালৰ পৰা ১৯৯৯ চন পৰ্য্যন্ত গুৱাহাটী মহানগৰীৰ ৰুক্মিণীগাঁও নিবাসী প্ৰয়াত অভিনাথ শৰ্মাদেৱ মুখ্য পুৰোহিত আছিল (মাতৃ বিয়োগৰ বাবে দুবছৰ অহা নাছিল)। ২০০০ চনৰ পৰা ২০১৬ চনলৈ হাজো মাধৱ মন্দিৰৰ দলৈ প্ৰয়াত শম্ভু দত্ত শৰ্মাদেৱে একেধাৰে ষোল্ল বছৰ মুখ্য পুৰোহিত হিচাবে অৰিহণা আগবঢ়াইছিল। ওপৰোক্ত দুয়োগৰাকী মুখ্য পুৰোহিতেই যথেষ্ট গুণী-জ্ঞানী আছিল। প্ৰয়াত অভিনাথ শৰ্মাৰ মুখনিসৃত বহু সাধু আখ্যান শুনি সৰুতে অভিভুত হৈছিলোঁ। ২০১৭ আৰু ২০১৮ চনত কামৰূপ জিলাৰ চাংসাৰীৰ ওচৰৰ বোৰ্কা পানীটেমাৰ ওচৰৰ (কমলপুৰৰ) কুসুমপুৰ গাঁৱৰ পুৰোহিত জনৈক শৰ্মা উপাধিৰ (নাম মনত নাই) পুৰোহিতে মুখ্য পুৰোহিত হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল। ২০১৯ চনৰ পৰা ২০২৪ চনলৈ স্থানীয় খগেন (বিটু) শৰ্মাই গীতানগৰ পূজাভাগত মুখ্য পুৰোহিতৰ দায়িত্ব সম্পাদন কৰিছিল।

এইবেলি ২০২৫ চনৰ পূজাভাগ সম্পন্ন কৰাৰ বাবে পূজা সমিতিৰ আমন্ত্ৰণক্ৰমে নলবাৰী জিলাৰ জানিগোগ নিবাসী

গৌতম মিশ্রই মুখ্য পুৰোহিতৰ গুৰুদায়িত্ব সম্পাদন কৰিব।

পূজাৰ ভোগ আৰু ভোগ ৰান্ধনি ঃ

আৰম্ভণিতে ভোজ পাতেৰে নির্মিত সৰু সৰু বাটিত খিচিৰি ভোগ বিতৰণ কৰা হৈছিল; মাত্র এবাৰেই। পিচত বিচাৰিলেও পোৱা নগৈছিল। সেইদিনত ৰভা ঘৰৰ ভিতৰত বহি থকা আসনতে ভোগ প্রসাদ বিতৰণ কৰা হৈছিল। পায়স, ভোগ দিয়া হৈছিল একেবাৰে কম পৰিমাণে (হেতাখনৰ ওলোটা ফালেৰে)। পিচলৈ হাতীগড় প্রাথমিক বিদ্যালয়ত বহি ভোগ খোৱাৰ ব্যৱস্থা কৰা হৈছিল। তলত ৰন্ধা ভোগ ওপৰলৈ কঢ়িয়াই আনি বিলোৱা পর্বটো কষ্টসাধ্য হোৱা হেতু পৰৱর্তী দিনত স্কুলত ভোগ বিতৰণ বন্ধ কৰা হৈছিল। এইবোৰ নষ্টালজিয়া হিচাবে উল্লেখ কৰিলোঁ।

ইতিমধ্যে গীতানগৰৰ পৰিসৰ বৃদ্ধি হৈছিল। জনবসতিও পূর্বৰ তুলনাত বহুখিনি বাঢ়িল। সেই অনুপাতে ভোগদাতাৰ সংখ্যাও বৃদ্ধি পালে। সেইবাবে আজিকালি স্কুল খেলপথাৰত ৰভাৰ ওচৰতে সুকীয়াকৈ নির্মাণ কৰা ভোগঘৰত ভোগ বিতৰণ কৰা ব্যৱস্থা কৰা হ'ল। আৰম্ভণি কালৰ পৰা আমাৰ দুর্গা পূজাত কেৰল খিচিৰি ভোগ আৰু পায়সভোগ বিতৰণ কৰা হৈছিল। ১৯৯৫ চনত সেই সময়ত শ্বিলঙৰ বাসিন্দা প্রয়াত ডাঃ অর্পণা বৰকটকীয়ে খিচিৰিৰ সৈতে তৰকাৰী দান কৰিছিল। সেয়েহে খিচিৰিৰ সৈতে তৰকাৰীও বিতৰণ কৰা হৈছিল। কিন্তু ২০০৯ চনৰ পৰা পূজা সমিতিয়ে খিচিৰিৰ সৈতে আনুষ্ঠানিকভাৰে তৰকাৰী সংযোগ কৰিলে। ২০১০ চনৰ পৰা দুবছৰমান এৰি ২০১৯ চনলৈ বিলাহীৰ ৰন্ধা চাটনিও পৰিবেশন কৰিছিল। ২০২০ চনৰ ক'ভিড অতিমাৰীৰ সময়ৰ পৰা উক্ত ব্যঞ্জনৰ বিতৰণ পৰিহাৰ কৰা হয়।

পূজাৰ আৰম্ভণিৰ সময়ৰে পৰা তাকৰীয়া ভক্তৰ উপস্থিতি হেতু পূজা সমিতিৰ সদস্যসকলে ভোগ বিতৰণ কৰিছিল। আমি সৰু থাকোতে গীতানগৰ মধ্য ইংৰাজী বিদ্যালয়ৰ চতুর্থবর্গৰ কর্মচাৰী অমূল্য তালুকদাৰে (কাকা) অকলেই ভোজপত্রৰ বাটিত ভোগ বিতৰণ কৰা আজিও মনত পৰে। ক্রমাগতভাৰে পূজা ভাগৰ বিস্তাৰিত ৰূপ আৰু বর্দ্ধিত ভক্তিপ্রাণ ৰাইজৰ মাজত সদস্য আৰু স্বেচ্ছাসেৱকসকলে ভোগ বিতৰণ কৰাটো অসাধ্য হৈ পৰিল বাবে ২০০৮ চনত প্রথমবাৰৰ বাবে পেছাদাৰী ভোগ বিতৰক নিয়োগ কৰা হয়। এই ব্যৱস্থা এতিয়াও অব্যাহত আছে।

আৰম্ভণিৰ পৰা কিছু বছৰলৈ পূজাৰ দাতা আৰু পৃষ্ঠপোষকসকলৰ ঘৰে ঘৰে পূজা সমিতিৰ সদস্যসকলে ভোগ বিতৰণ কৰিছিল। এই কামৰ বাবে এখন বিক্সা ব্যৱহাৰ কৰা হৈছিল। ২০০৮ চনৰ পৰা দাতা আৰু পৃষ্ঠপোষকসকলে কুপনৰ জৰিয়তে সমিতিৰ বাচনত (প্লাষ্টিকৰ) ভোগ নিব পৰা ব্যৱস্থাৰ প্রচলন কৰা হ'ল।

ভোগৰান্ধনি ঃ পূজাৰ আৰম্ভণি কালত নলবাৰীৰ নিকটৱর্তী কটপুহা গাঁৱৰ প্রয়াত অনন্ত নাথ শর্মাক ভোগৰান্ধনি হিচাবে নিয়োগ কৰা হৈছিল। পৰৱর্তী সময়ত তেখেতৰ জ্যেষ্ঠ ভাতৃ প্রয়াত দুর্গানাথ শর্মাক নিযুক্ত কৰা হয়। পাছত দুর্গানাথ শর্মাৰ অসুস্থতা হেতু তেখেতৰ পুত্র ৰুচিনাথ শর্মাক নিয়োগ কৰা হৈছিল। ২০১২ চনত তৎকালীন ভোগ ৰান্ধনিৰ দলটোৱে কৰা এটা অনৈতিক কামৰ বাবে ২০১৩ চনৰ পৰা নলবাৰীৰ ওচৰৰ চতমা গাঁৱৰ দ্বিজেন ভট্টই আজি পর্য্যন্ত উক্ত দায়িত্বভাগ সুকলমে সম্পন্ন কৰি আহিছে।

সন্ধিপূজা ঃ

সৰুতে আমি শ্রীশ্রী দুর্গা পূজাৰ অষ্টমী তিথিত অনুষ্ঠিত সন্ধি পূজাৰ গুৰুত্ব আৰু মাহাত্ম্য উপলব্ধি কৰিব পৰা নাছিলো। সপ্তমী, অষ্টমী আৰু নৱমী তিথিৰ পূজা সম্পন্ন হোৱাৰ অন্তত পুষ্পাঞ্জলিটোকেই মূল বুলি গণ্য কৰিছিলো। শ্রীশ্রী দুর্গা পূজাত গোসাঁনীক কুমাৰী পূজা, সন্ধি পূজা, অর্ধৰাত্রি বিহিত পূজা (সাধাৰণতে দেৱালয়ত পতা পূজাতহে হয়) আদি কেইবাধৰণে পূজা-অর্চনা কৰা হয়। অষ্টমী আৰু নৱমী তিথিৰ সন্ধিক্ষণত কৰা পূজাভাগকেই সন্ধি পূজা হিচাবে অভিহিত কৰা হয়। এই সন্ধিক্ষণত হেনো দেৱী দুর্গাই মহিষাসুৰক বধ কৰিছিল। এই সময়ত ব্রত (উপবাস) পালন কৰি ১০৮ গছি চাকি জ্বলাই দেৱীক আৰাধনা কৰিলে মানস কৰা ফল ভোগ সম্ভৱ হয় বুলি লোকবিশ্বাস আছে।

পূর্বৰে পৰা ৰূপালী জয়ন্তী বর্ষলৈ ৰাজহুৱা পূজাভাগত সন্ধি পূজাৰ সময়ত সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকে ৰাইজৰ হৈ পূজা মণ্ডপৰ ভিতৰত ১০৮ গছি চাকি জ্বলাইছিল। ২০০১ চন মানৰ পৰা সাধাৰণ ভক্তিপ্রাণ ৰাইজেও ১০৮ গছিকৈ চাকি জ্বলোৱা আৰম্ভ কৰিছিল। পূজাভাগ প্রসাৰিত হোৱাৰ পিচত ভক্তৰ সংখ্যা বৃদ্ধি হোৱা হেতু সন্ধি পূজাৰ চাকি জ্বলোৱা পর্বৰ ফলত এবাৰ মণ্ডপৰ ভিতৰত শ্বাসৰুদ্ধ পৰিবেশ সৃষ্টি কৰিছিল। ইয়াৰ পিচৰ বছৰ ২০১০ চনৰ পৰা ৰভা ঘৰৰ বাহিৰত মুকলি আকাশৰ তলত চাকি জ্বলোৱাৰ ব্যৱস্থা কৰা হয়। ২০২০ চনৰ ক'ভিড অতিমাৰীৰ পৰৱর্তী সময়ত, ভক্ত বৃদ্ধিৰ সুবিধাৰ বাবে ৰভা মণ্ডপৰ বাহিৰত প্রতিগৰাকী ভক্তৰ বাবে ৯ গছিকৈ চাকি জ্বলোৱাৰ অনুমতি দিয়ে। সন্ধি পূজাৰ ভক্ত (চাকি জ্বলোৱা) প্রতি বছৰে বাঢ়িয়েই আছে।

নাট্যাভিনয় যাত্রাভিনয় ঃ

গীতানগৰ সার্বজনীন দুর্গা পূজা স্থাপন হোৱা বছৰটোতে ১৯৭৬ চনত স্থানীয় যুৱক-যুৱতীসকলৰ প্রচেষ্টা আৰু উদ্যোগত কলাগুৰু বিষ্ণু প্রসাদ ৰাভা আৰু ৰূপকোঁৱৰ জ্যোতি প্রসাদ আগৰৱালাৰ পবিত্র স্মৃতিত 'বিষ্ণু জ্যোতি কলা কেন্দ্র' প্রতিষ্ঠা

কৰা হৈছিল। গীতানগৰ দুৰ্গা পূজাৰ কেইদিনত ১৯৭৮ চনৰ পৰা বিষ্ণুজ্যোতি কলাকেন্দ্ৰৰ সদস্যসকলে একোখনকৈ পূৰ্ণাঙ্গ নাট মঞ্চস্থ কৰাটো এক প্ৰকাৰ নিয়মত পৰিণত হৈছিল। সেই সময়ত মঞ্চস্থ কৰা নাটসমূহ যথেষ্ট অৰ্থৱহ আৰু ৰুচিপূৰ্ণ আছিল। পৰৱৰ্তী কালত ১৯৮৭ আৰু ১৯৮৮ চনত বামুণীমৈদাম ৰে'লৱে কল'নিস্থিত অনিল বৰা সোঁৱৰণী সংঘৰ সদস্যসকলেও নাট পৰিবেশন কৰে। অনিল বৰা সোঁৱৰণী সংঘৰ নাটসমূহো যথেষ্ট উচ্চমান বিশিষ্ট আছিল। তেতিয়া প্ৰতিবাৰ পূজাতে দুদিনীয়াকৈ নাট মঞ্চস্থ কৰাটো ১৯৮৮ চনপৰ্যন্ত অব্যাহত আছিল। ১৯৮৯ চনত যাত্ৰাপাৰ্টিৰ আগমন ঘটিল। ১৯৯৮ চনলৈ যাত্ৰাপাৰ্টিৰ ধাৰা অবিৰতভাৱে চলি থাকিল। তাৰপিচত ১৯৯৯, ২০০১, ২০০২ আৰু ২০০৯ চনত এনিশা নাট্যাভিনয় আৰু পৰৱৰ্তী নিশা যাত্ৰাভিনয় প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল। ২০১০ চনত এখন শিশু নাট মঞ্চস্থ কৰা হৈছিল। ২০০৩ চনৰ পৰা ২০১৪ চনলৈ পুনৰ যাত্ৰাপাৰ্টিৰ দ্বাৰা পৰিবেশিত নাট মঞ্চস্থ কৰা হৈছিল। ২০১৫ চনত দুৰ্গা পূজা চলি থকা তিনিটা দিনত প্ৰজাপতি ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ ভগ্নীসকলৰ দ্বাৰা পৰিবেশন কৰা জীৱন্ত দুৰ্গা মূৰ্তি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল। ২০১৬ চনৰ পৰা ২০১৯, ২০২২ আৰু ২০২৪ চনত তিনিদিনীয়াকৈ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল।

ক'ভিড অতিমাৰীৰ প্ৰাদুৰ্ভাৱৰ হেতুকে ২০২০ আৰু ২০২১ চনত অনুষ্টুপীয়াকৈ দুৰ্গা পূজা অনুষ্ঠিত কৰা হৈছিল। সেই দুটা বছৰত কোনো সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হোৱা নাছিল।

গীতানগৰ মধ্য ইংৰাজী বিদ্যালয়ৰ জন্মগাঁথা ঃ

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাভাগ এতিয়াৰ দৰে ১৯৭৬ চনৰ পৰাই গীতানগৰ স্কুল খেলপথাৰত অনুষ্ঠিত কৰা হৈ আহিছে। সেই সময়ত বাণিজ্যিক ৰভা মণ্ডপ সজা প্ৰতিষ্ঠান নাছিল। বাঁহ, টিনপাত আৰু লোহাৰ পাইপ সংগ্ৰহ কৰি পূজা মণ্ডপ নিৰ্মাণ কৰা হৈছিল। বাঁহবোৰ কিনি অনাৰ লগতে দান হিচাবেও অনা হৈছিল। টিনপাত অনা হৈছিল তেতিয়াৰ গড়কাপ্তানী (এতিয়া লোকনিৰ্মাণ গৃহ) বিভাগৰ পৰা আৰু লোহাৰ পাইপ অনা হৈছিল জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা। টিনপাত আৰু পাইপবোৰ পূজাৰ শেষত ঘু�ৰাই দিব লাগিছিল। কিন্তু বাঁহবোৰ পূজা সমিতিৰ হাতত জমা আছিল। ১৯৭৬ চনৰ পূজাভাগ সম্পন্ন হৈ যোৱাৰ পিচত ৰভা মণ্ডপৰ ৰৈ যোৱা বাঁহবোৰ সৎ কামত ব্যৱহাৰ কৰাৰ বাবে পূজা সমিতিয়ে চিন্তা কৰিলে। অৱশেষত সমূহ ৰাইজৰ সৈতে আলোচনা মৰ্মে এটা বাঁহ-খেৰৰ গৃহ নিৰ্মাণ কৰা হয় আৰু এই গৃহতে গীতানগৰ মধ্য ইংৰাজী বিদ্যালয় স্থাপন কৰা হ'ল। এই নিৰ্মাণ কাৰ্য্যত প্ৰথম পূজাৰ পৰা ৰাহি হোৱা ধনৰ একাংশৰ সৈতে ৰাইজৰ পৰাও দান-বৰঙণি সংগ্ৰহ কৰা হৈছিল। গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাই পৰৱৰ্তী কেইবাবছৰ ধৰি পূজাৰ ৰাহি ধন এই বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্যৰ বাবে আগবঢ়াই আছিল। তদুপৰি বিদ্যালয়খনৰ নিয়মীয়া মেৰামতিৰ কাম-কাজ পিচতো পূজা সমিতিয়ে নিয়মীয়াকৈ কৰি আহিছিল।

গীতানগৰ দুৰ্গা পূজাৰ দায়িত্বত নৱপ্ৰজন্ম ঃ

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাভাগে ২০০০ চনত ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰে। উলহ-মালহেৰে ৰূপালী জয়ন্তী বৰ্ষৰ পূজাভাগৰ বাবে ব্যাপক আয়োজন কৰা হৈছিল। ১৯৭৬ চনৰ পূজাভাগৰ চফল ডেকা অৱস্থাৰ আয়োজকসকল যেতিয়া আদহীয়া আৰু বয়োবৃদ্ধ হ'ল, তেতিয়াই নতুন প্ৰজন্মৰ হাতত পূজাভাগৰ দায়িত্ব হস্তান্তৰৰ চিন্তা-চৰ্চা চলিল। নতুন প্ৰজন্মৰ সন্ধান কৰা হ'ল। ১৯৭৬ চনত বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰসকল ২০০০ চনত চফল ডেকা হ'ল। ২০০১ চনত অনুষ্ঠিত দুৰ্গা পূজা আয়োজনৰ সাধাৰণ সভাত সৰ্বসন্মতিক্ৰমে ৰাইজে নৱ প্ৰজন্মৰ হাতত দায়িত্ব অৰ্পণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসাৰে শ্ৰীদ্বীপেন ভট্টাচাৰ্য্যক সাধাৰণ সম্পাদক আৰু এই লেখকক কোষাধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰা হয়। সভাপতিৰ দায়িত্ব বয়োজ্যেষ্ঠৰ হাততে থাকিল। পৰৱৰ্তী বৰ্ষত ২০০২ চনত আমি (এই লেখক) প্ৰথমবাৰৰ বাবে গীতানগৰ পূজা সমিতিৰ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰো। এইভাৱে বিগত ২৫টা বছৰে (এই বৰ্ষ সহিতে) একাধিকবাৰ সাধাৰণ সম্পাদক, কোষাধ্যক্ষ আৰু স্মৃতিগ্ৰন্থ 'ভৱানী'ৰ সম্পাদক হিচাবে কাৰ্য্যনিৰ্বাহ কৰাৰ পৰম সুযোগ লাভ কৰি ধন্য হৈছো। এয়া গীতানগৰবাসী ৰাইজৰ আমাৰ প্ৰতি আশীষ নিৰ্মালিৰূপে গ্ৰহণ কৰিছোঁ।

মুখপত্ৰ 'ভৱানী' ঃ

ভক্তগণৰ আন্তৰিকতা আৰু আধ্যাত্মিকতাসহ দুৰ্গা পূজাভাগ সম্পন্ন কৰা হয়। ১৯৯৯ চন পৰ্য্যন্ত সাধ্য অনুসাৰে গীতানগৰবাসী ৰাইজে শ্ৰীশ্ৰী দুৰ্গা পূজা বিৰতিহীনভাৱে পাতি আহিছে। ২০০০ চনত গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাই ২৫ বছৰত ভৰি দি ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা সময়ত বিগত বৰ্ষসমূহৰ সকলো তথ্য সম্বলিত এখন স্মৃতিগ্ৰন্থ মুখপত্ৰ হিচাবে প্ৰকাশ কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰা হ'ল। পূজা সমিতিৰ সেই বছৰৰ কাৰ্যনিৰ্বাহক সভাই সৰ্বসন্মতিক্ৰমে 'ভৱানী' নামেৰে মুখপত্ৰখন প্ৰকাশৰ যো-জা চলালে। অনিবাৰ্য কাৰণত ২০০১ আৰু ২০০২ চনত 'ভৱানী' প্ৰকাশ হোৱা নাছিল। দ্বিতীয় প্ৰকাশ ২০০৩ চনত। তেতিয়াৰ পৰাই নিয়মীয়াকৈ 'ভৱানী' প্ৰকাশ হৈ আহিছে। ধূমধামেৰে অনুষ্ঠিত পূজাভাগৰ তথ্য আৰু স্মৃতি যুগমীয়া কৰি ৰখাৰ বাবেই স্মৃতিগ্ৰন্থৰ গুৰুত্ব অপৰিসীম।

আৰম্ভণিতে 'ভৰানী' তেনেই কম পৃষ্ঠা সম্বলিত হোৱাৰ বিপৰীতে পৰৱর্তী কালত যথেষ্ট পৰিবর্দ্ধিত ৰূপত 'ভৰানী' প্রকাশ কৰা হৈ আহিছে। আৰম্ভণিতে কেৱল তথ্যসমৃদ্ধ হাতপুথিৰ আকাৰৰ 'ভৰানী'খন বর্তমান তিনিশ (৩০০)ৰো অধিক পৃষ্ঠাৰ বৃহত্তৰ গীতানগৰবাসীৰ লেখা প্রকাশৰ মাধ্যম ৰূপে চিহ্নিত হৈছে। ২০১০ চনত আমাৰ 'ভৰানী'খনক গুৱাহাটী জিলা পুথিভঁৰালত ৰখাৰ ব্যৱস্থা কৰা হ'ল। বর্তমান 'ভৰানী' বহুজন বিশিষ্ট বুদ্ধিজীৱী, পণ্ডিতৰ বহুমূলীয়া লেখাৰে সমৃদ্ধ। বেদ-পুৰাণৰ বহু মূল্যৱান আধ্যাত্মিক তথ্যসমৃদ্ধ লেখাসমূহ 'ভৰানী'ত যতনেৰে সন্নিবিষ্ট কৰা হৈছে। গুণী-জ্ঞানী পণ্ডিতৰ লেখা সমৃদ্ধ 'ভৰানী'খন সম্প্রতি গৱেষকৰ বাবেও সমল ৰূপে গণ্য হৈছে। তেনেই চালুকীয়া আৰু ক্ষুদ্র অৱস্থাৰ পৰা বর্তমানৰ পৰিবর্দ্ধিত ৰূপলৈ পর্যবসিত হোৱা উত্তৰণত মুষ্টিমেয় কিছু সদাশয় ব্যক্তিৰ একাগ্রতা আৰু শ্রম অবিহনে হয়তো 'ভৰানী'ৰ আজিৰ ৰূপ সম্ভৱ নহ'লহেঁতেন।

এই ছেগতে আমি সেইসকলক শ্রদ্ধাৰে সোঁৱৰিছোঁ। প্রয়াত শংকৰ দাস, প্রয়াত দীপক গগৈ, প্রয়াত প্রাক্তন অধ্যক্ষ ড° ৰীণাৰাণী বৰদলৈ আৰু বর্তমানৰ হৰ কুমাৰ ডেকা, দিলীপ কুমাৰ শর্মা, বিৰাজ মোহন তালুকদাৰকে আদিকৰি কেবাজনো সদস্যৰ নিৰৱচ্ছিন্ন চেষ্টাত 'ভৰানী'ৰ শ্রীবৃদ্ধি হৈছে। এইসকল আটাইৰে প্রতি আমাৰ কৃতজ্ঞতা আৰু শ্রদ্ধা নিবেদিছোঁ।

বঁটা-প্রশস্তি ইত্যাদি ঃ

গীতানগৰ সার্বজনীন দুর্গা পূজাভাগ প্রতিষ্ঠাকালৰ পৰাই সভাপতি-সাধাৰণ সম্পাদক-সদস্যসকলৰ অহোপুৰুষার্থ শ্রমৰ বাবে সফল ৰূপায়ণ হৈ আহিছে। কালৰ কোবাল গতিত নতুন ধ্যান-ধাৰণা আৰু সেই সময়ৰ উপলব্ধ সমলৰ আধাৰত গীতানগৰ পূজাভাগে নৱৰূপত উদ্ভাসিত হৈ আহিছে। বিভিন্নজনৰ উৎসাহী নেতৃত্বত পূজাভাগে আধুনিক ৰূপ পৰিগ্রহ কৰিবলৈ সক্ষম হৈছে। ২০০৮ চনলৈ দুর্গা পূজাভাগৰ নিয়মীয়া নৱমীৰ ভোগ দাতা প্রয়াত নয়ন কুমাৰ দাসক ২০০৯ চনত পূজা সমিতিৰ উপ-সভাপতি হিচাবে নির্বাচিত কৰে। ২০১১ চনৰ পৰা ২০১৪ চনলৈ আৰু ২০১৬ চনত প্রয়াত নয়ন কুমাৰ দাসে ৰাইজৰ বিপুল দাবীত গীতানগৰ সার্বজনীন দুর্গা পূজাৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। তেখেতৰ কার্য্যকালৰ (২০০৯ চন) পৰাই গীতানগৰ দুর্গা পূজাই আধুনিক ৰূপ পৰিগ্রহ কৰি বৃহত্তৰ গুৱাহাটীবাসী ৰাইজৰ মনোযোগ আকর্ষণ কৰে আৰু পূজাভাগে নতুন মাত্রা লাভ কৰিবলৈ সক্ষম হয়। তেতিয়াৰে পৰা বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানে আয়োজন কৰা শ্রেষ্ঠ প্রতিমা, শ্রেষ্ঠ মণ্ডপ, শ্রেষ্ঠ পাৰিপার্শ্বিক প্রতিযোগিতাৰ প্রথম আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰি পূজাভাগৰ গৰিমা আৰু সৌষ্ঠৱ বৃদ্ধি কৰি আহিছে। দুর্ভাগ্যবশতঃ ২০১৭ চনত হৃদৰোগত আক্রান্ত হৈ তেখেতে আমাৰ মাজৰ পৰা চিৰ বিদায় লয়। এই ছেগতে তেখেতৰ পবিত্র স্মৃতি সোঁৱৰণ কৰি শ্রদ্ধা নিবেদিছোঁ।

গীতানগৰ দুর্গা পূজাই পোৱা বঁটাসমূহ—

বর্ষ	পুৰস্কাৰ	উদ্যোক্তা
২০০৯ চন	শ্রেষ্ঠ প্রতিমা	টেলিগ্রাফ আৰু বিস্কন
	প্রতিমা	টাইমছ অৱ ইণ্ডিয়া
২০১০ চন	২য় শ্রেষ্ঠ পেণ্ডেল	টাইমছ অৱ ইণ্ডিয়া, টপচেম
	প্রকৃতি বঁটা ২০১০	ইক' ট্যুৰিজিম ছ'চাইটী অব নর্থ ইষ্ট ইণ্ডিয়া আৰু ৰেডিঅ উ লা লা
	সুৰক্ষা পুৰস্কাৰ	কামৰূপ মহানগৰ (জিলা) প্রশাসন
২০১১ চন	শ্রেষ্ঠ প্রতিমা	টাইমছ অৱ ইণ্ডিয়া, টিস্কন
২০১২ চন	প্রকৃতি বঁটা	
২০১৩ চন	শ্রেষ্ঠ পূজা	টাইমছ অৱ ইণ্ডিয়া, টপচেম
	শ্রেষ্ঠ স্মৃতিগ্রন্থ	গীতানগৰ সার্বজনীন দুর্গা পূজা কমিটি
২০১৪ চন	শ্রেষ্ঠ পূজা	টাইমছ অৱ ইণ্ডিয়া, টপচেম
২০১৫ চন	বিচাৰকৰ শ্রেষ্ঠ বঁটা	টাইমছ অৱ ইণ্ডিয়া, টপচেম
	শ্রেষ্ঠ স্মৃতিগ্রন্থ	গীতানগৰ সার্বজনীন দুর্গা পূজা কমিটি
	শ্রেষ্ঠ পেণ্ডেল	টাইমচ অৱ ইণ্ডিয়া আৰু টপচেম
২০১৬ চন	২য় শ্রেষ্ঠ স্মৃতিগ্রন্থ	গীতানগৰ সার্বজনীন দুর্গা পূজা কমিটি
২০১৭ চন	২য় শ্রেষ্ঠ স্মৃতিগ্রন্থ	গীতানগৰ সার্বজনীন দুর্গা পূজা কমিটি
২০২২ চন	২য় শ্রেষ্ঠ আলোকসজ্জা	ডি ৰাই ৩৬৫ আৰু কিৰোইয়ং
২০২৩ চন	২য় শ্রেষ্ঠ প্রতিমা	নিউজ ১৮ অসম
	মণ্ডপ নিচুকনি বঁটা	নিউজ ১৮ অসম
২০২৪ চন	শ্রেষ্ঠ পেণ্ডেল	নিউজ ১৮ অসম

পূজাভাগৰ আয়-ব্যয় ইত্যাদি ঃ

গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ প্রতিষ্ঠাকালৰ সভাপতি প্রয়াত হলিৰাম ডেকাৰ কার্য্যকালত ৰাইজৰ দান-বৰঙণিৰ জৰিয়তে সর্বমুঠ ৭,৫০০ টকা সংগৃহীত হৈছিল বুলি তেখেতৰ পৰা জানিব পৰা যায়। ১৯৭৭ চনৰ পৰা ১৯৮১ চন পর্য্যন্ত দুর্গা পূজাৰ আয়-ব্যয়ৰ লিখিত খতিয়ান (তথ্য) পোৱা নগ'ল। ১৯৮২ চনৰ পৰা পোৱা তথ্য অনুসৰি আয়-ব্যয়ৰ তথ্য সম্বলিত তালিকা উদ্ধৃত কৰা হ'ল—

সংখ্যক	বর্ষ	আয় (টকা)	ব্যয় (টকা)
৭	১৯৮২	১১৩৬৩	১১৩৩৩
৮	১৯৮৩	১১৩৫২	১০৯৭২
৯	১৯৮৪	১৫৮৭২	১৫১৭৯
১০	১৯৮৫	২৩৬৯৯	২৪২৭৪
১১	১৯৮৬	১৮০৪৫	১৭৬০৬
১২	১৯৮৭	২৪৪৫০	২৪০৩০
১৩	১৯৮৮	২৫১৪২	২১১৪৭
১৪	১৯৮৯	৪৩০৩১	৪৩৫৩৬
১৫	১৯৯০	৪২৮৭৭	৪০৮৪৮
১৬	১৯৯১	৪৪৭৬৬	৪৩৭৬৬

১৭	১৯৯২	৫১৩৬৭	৫১৬৩৯
১৮	১৯৯৩	৪৯০৪৫	৪৮১২০
১৯	১৯৯৪	৬৩৯০১	৬৩৮৮৬
২০	১৯৯৫	৮৩৬৪৩	৭৭৮৭৫
২১	১৯৯৬	১১৩৮৭২	১১৪৭৫৮
২২	১৯৯৭	১০১৬৫৭	৯৯৩৭৭
২৩	১৯৯৮	১২৭১৮৫	১২৭৩০৩
২৪	১৯৯৯	১২৯৯৯৫	১২৫১৫৯
২৫	২০০০	১৮১৬৮০	১৮২৪৩৮
২৬	২০০১	১৯৪৭৫১	১৩৮৯৭৩
২৭	২০০২	১৮৬৭৮৪	১৬২২৩৪
২৮	২০০৩	১৪৬০২৯	১৪২৪৩৭
২৯	২০০৪	১৭৩৩৯৫	১৭০০৫০
৩০	২০০৫	১৭১৩৫৮	১৬৪১৩২
৩১	২০০৬	১৬৩৭২২	১৬২৮৩০
৩২	২০০৭	১৯৯৩২০	১৯৫৮৬৯
৩৩	২০০৮	৩৭১০৭৮	৩০৫৭১৯
৩৪	২০০৯	৬৯৭০৪৭	৫৭০২২৮
৩৫	২০১০	১১৩৫৩৫০	১০৫২৭৯৯
৩৬	২০১১	১৩৮৫১২৫	১৩৭৯৫৬৮
৩৭	২০১২	১৮৭০৭০৮	১৫০৩৯৬৬
৩৮	২০১৩	১৮৭৯৮০৯	১৭৫৫৩৪০
৩৯	২০১৪	২৩৯৩০২৩	২০৪২৫৫১
৪০	২০১৫	২২৭৯১১৭	২২৫৬৫০৫
৪১	২০১৬	২১৯৩৩৭০	২১৭৩১৪৫
৪২	২০১৭	২৩৪১৪০৫	২৩১৭৪৪৪
৪৩	২০১৮	২৪১৫০৭৩	২৩১০৪৮০
৪৪	২০১৯	২৫৬২১৫৬	২৪৩৫৬৯৭
৪৫	২০২০	২০৩৯৬১	৩০৫৬৫৭
৪৬	২০২১	৬৬৯০০৪	৪৪৬৮৫৮
৪৭	২০২২	২৬৪৩৪৮৬	২৪১২৪৯২
৪৮	২০২৩	২৫৯৩৪৫২	২৪৬০৫৮৫
৪৯	২০২৪	২২৭৬২১৩	২৬১১৩৯২

উপসংহাৰ ঃ

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাৰ বিগত ৫০ বছৰীয়া পৰিক্ৰমাত আমি পূজাভাগৰ বিস্তৃতি আৰু উত্তৰণ তথা উৎকৰ্ষ লক্ষ্য কৰিছোঁ। পূজাখন পাতিবলৈ যাওঁতে এশ-এবুৰি সমস্যাৰ সন্মুখীন হোৱাও দেখিছোঁ, যেনে— বিত্তীয় (আৰ্থিক) সংকট, বতৰজনিত অসুবিধা, লোকসমাগমৰ ব্যৱস্থা, সুৰক্ষা সম্পৰ্কীয় সমস্যা আদি। কিন্তু এনেধৰণৰ সকলো সমস্যা সকলোৱে একেলগে মিলি সমাধানে কৰিছে। এই একতা, ধৈর্য্য আৰু নিষ্ঠাই গীতানগৰৰ দৰ্গা পূজা এক বৃহৎ পৰিসৰলৈ লৈ গৈছে। অত্যন্ত সাধাৰণ পৰিসৰত পতা গীতানগৰ দুৰ্গা পূজাভাগ অতি সম্প্ৰতি বৃহত্তৰ গীতানগৰ অঞ্চলৰ অন্যতম চকুত লগা ধৰ্মীয় উৎসৱত পৰিণত হৈছে। পূজাভাগৰ আলংকাৰিক দিশ, আলোকসজ্জা, মূৰ্তি নিৰ্মাণ, ব্যতিক্ৰমধৰ্মী ৰভা মণ্ডপ, সাংস্কৃতিক দিশ আৰু ভোগ বিতৰণৰ বৈশিষ্ট্য লক্ষণীয়। তদুপৰি পূজাস্থলীত শৃংখলিত ৰূপত গঢ় লোৱা মেলাখনৰ জৰিয়তে এক সুস্থ অৰ্থনীতি গঢ়ি উঠা বিষয়টো অন্যতম লক্ষণীয় দিশ। এই বছৰ, পূজাভাগৰ সোণালী জয়ন্তী বৰ্ষ। গীতানগৰ পূজাভাগে সম্প্ৰতি আধুনিক ৰূপ পৰিগ্ৰহ কৰি, মহানগৰীৰ লগতে ৰাজ্যৰো সৰ্বজনৰ আদৰ বুটলিবলৈ সক্ষম হোৱাৰ বাবে আমি গৰ্বিত অনুভৱ কৰিছোঁ। চমক সৃষ্টি কৰা বিধৰ উত্তৰণ ঘটিলেও কিন্তু গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাভাগৰ আধ্যাত্মিকতা পূৰ্বৰ ৰূপত অক্ষুণ্ণ ৰখা হৈছে। সন্ধি পূজাৰ অনুষ্ঠানটো গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাভাগৰ অন্যতম আকৰ্ষণ হিচাবে বিগত বৰ্ষসমূহত প্ৰতিভাত হৈছে।

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাৰ ইতিহাস আৰু ঐতিহ্য তথা উৎকৰ্ষৰ বিষয়ে লিখিবলৈ গ'লে ঠাইৰ অকুলন হ'বৰ ভয়ত এইখিনিয়ে দোহাৰিছোঁ। জন্মলগ্নৰে পৰা পূজাখনত ঐকান্তিক আৰু কায়িকভাৱে জড়িত থকা মহাপ্ৰাণ অগ্ৰজসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিলোঁ। পূজাভাগৰ সৈতে নিবিড় সম্পৰ্ক ৰক্ষা কৰি পূজাভাগক মহীয়ান কৰা প্ৰয়াত অগ্ৰজসকলৰ প্ৰতি কৃতজ্ঞতা আৰু শ্ৰদ্ধাঞ্জলি যাচিছোঁ। গীতানগৰ দুৰ্গা পূজালৈ দিহা-পৰামৰ্শৰে উপকৃত কৰা ভক্তিপৰায়ণ দাতা, পৃষ্ঠপোষকসকলক অন্তঃকৰণেৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই সোণালী জয়ন্তীৰ শুভক্ষণত আগন্তুক সময়ত বৃহত্তৰ গীতানগৰবাসীৰ ভক্তিপৰায়ণ ৰাইজৰ বিশেষকৈ নতুন প্ৰজন্মৰ সৰ্বাত্মকৰণ অংশগ্ৰহণ আশা কৰিলো, যাতে পূজাভাগৰ ঐতিহ্য, মান-মৰ্য্যাদা, গৰিমা অটুট থকাৰ ক্ষেত্ৰত সহায়ক হয়। গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাভাগ সদা-সৰ্বদা গীতানগৰবাসীৰ লগতে মহানগৰবাসীৰ বাবেও গৌৰৱৰ থল হওক তাকেই কামনা কৰিলোঁ।❑

পঞ্চাশ সংখ্যক গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ কোষাধ্যক্ষ।

আপুৰুগীয়া স্মৃতিৰ পূজা, নাটক ইত্যাদি

নাৰায়ণ চন্দ্ৰ কলিতা

আজি কিছুদিনৰ পৰা আমাৰ চকুৰ আগতে জন্ম হোৱা দুটামান অনুষ্ঠানে সোণালী জয়ন্তী বর্ষত ভৰি দিয়া বুলি শুনি কিছু আনন্দ আৰু আৱেগ মিশ্রিত ভাবেৰে মনটো ভৰি পৰিছে। এৰা, সময়বোৰচোন পাখি লগা কাঁড়। যেন আঢ়ৈ কুৰি বগলীৰহে জাক। বগা ডেউকা মেলি নীলিম আকাশেদি নিমিষতে পাৰ হৈ গ'ল। অতীতৰ বহু কথা বিশৃঙ্খলভাৱে মনলৈ আহি থাকিল। পৃথিৱী বিখ্যাত বৈজ্ঞানী, এছ. চন্দ্রশেখৰে এষাৰ বৰ তাৎপর্য্যপূর্ণ কথা কৈছিল— "The feet of an Indian are rooted deep in the past. The future beekons (হাত বাউলি মতা) him but the past holds him back."

ক'ব খুজিছো গীতানগৰ সার্বজনীন দুর্গা পূজাভাগৰ কথা। স্থাপিত ১৯৭৬ চনত। এইবেলি "সোণালী জয়ন্তী" বর্ষত ভৰি দিছেহি। মনলৈ আহিছে বহুবোৰ পুৰণা স্মৃতি। সেই পুৰণা স্মৃতিৰ কিছু খণ্ডিত চিত্র দাঙি ধৰিবলৈ প্রয়াসহে কৰিছো। ভুল-ত্রুটি থাকি যাব পাৰে। আগতীয়াকৈ ক্ষমা বিচাৰি ল'লো।

কথাবোৰ স্মৃতিচাৰণ কৰিবলৈ যাওঁতে মনলৈ যি আহিছে তাকেই লিখিবলৈ প্রয়াস কৰিছো। সময়ৰ ক্রম ৰক্ষা কৰিব পৰা নাই। অলসভাৱে অতীতৰ পৃষ্ঠাবোৰ লুটিয়াই চাইছো। কিছুমান পৃষ্ঠা অস্পষ্ট। গতিকে লেছেৰি বোটলা ধৰণেহে লিখি যাবলৈ যত্ন কৰিছো। হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে।

প্রসঙ্গক্রমে সেই সময়ৰ অর্থাৎ ১৯৭৭ চনৰ (মোৰ আগমনৰ সময়) গীতানগৰ অঞ্চলৰ এটি সম্যক ভৌগোলিক পৰিচয় দাঙি ধৰিব খুজিছো। সেই সময়ত এই সুবৃহৎ অঞ্চলটোত জনগাঁথনি আছিল তেনেই সেৰেঙা। নাৰেঙ্গীৰ পৰা জু-ৰোড তিনিআলিলৈ অহা-যোৱা কৰা পথটোৰ বাহিৰে বাকীবোৰ পথ আছিল কেঁচা। পথটো আছিল মাত্র দহ ফুটমানহে বহল। বেছিভাগ ঠাই উন্মুক্ত। মাটিৰ গৰাকীসকলে আগতে কিনি থৈ দিয়া নিজৰ নিজৰ প্লটবোৰ ফটো ফ্রেমৰ আর্হিত দুশাৰীমান ইটা গাঁঠি সংৰক্ষিত কৰি ৰাখিছিল। হাতীগড় চাৰিআলিৰ পৰা অম্বিকাগিৰী নগৰলৈ যোৱা লুংলুঙীয়া পথটোৰ দুয়োপাৰ আৰু নাৰিকলবাৰীৰ বৃহৎ অঞ্চলটো ধাননি পথাৰেৰে আবৃত। চাৰিআলিত আছিল মাত্র তিনি-চাৰিখনমান দোকান।

গীতানগৰ সার্বজনীন দুর্গা পূজাভাগৰ আৰম্ভণিনো কেনেকৈ হৈছিল তাৰ বিষয়ে দুষাৰ লিখিবলৈ যত্ন কৰিছো। ১৯৭৫ চন। বিজয়া দশমীৰ দিন। অক্টোবৰ মাহৰ ১৪ তাৰিখ। বাৰটো মঙ্গলবাৰ। সংগৃহীত তথ্য মতে বৈকুণ্ঠপুৰ নিবাসী স্বর্গীয় কানুৰাম কলিতা, স্বর্গীয় নাৰায়ণ শর্মা, স্বর্গীয় ভোলানাথ শর্মা, শ্রী নাৰায়ণ গোস্বামীদেৱে আবেলি সময়ত সেই বছৰৰ প্রতিমা বিসর্জনৰ শোভাযাত্রা চাবলৈ অনুৰাধা চিনেমা হলৰ ফালে গৈছিল। উভতি আহোঁতে আমাৰ ইয়াতো এখন পূজা পাতিব পৰা যায় নেকি কথাখিনি আলোচনা কৰি আহিছিল। প্রকৃততে সেইদিনাৰ পৰাই আমাৰ পূজাভাগৰ বীজ অঙ্কুৰিত হৈছিল বুলি ক'ব পাৰি। অঞ্চলটোৰ মুখিয়ালসকলৰ মাজতো আলোচনা চলিল। সকলোৱে দুগুণ উৎসাহেৰে ইতিবাচক সঁহাৰি জনালে।

১৯৭৬ চন। জুলাই মাহ। দেশত প্রৱর্ত্তিত হৈ থকা জৰুৰীকালীন অৱস্থাৰ পয়োভৰ। তেনে দ্বিধা-সংকোচৰ মাজতে জুলাই মাহত এখন ৰাজহুৱা সভাই ১৯৭৬ চনৰ পৰাই দুর্গা পূজাভাগ গীতানগৰ স্কুল খেলপথাৰত অনুষ্ঠিত কৰিবলৈ অনুমতি প্রদান কৰিলে। সভাৰ সিদ্ধান্তমর্মে এখন সমিতি গঠন কৰি সেই সমিতিখনৰ নামকৰণ কৰা হ'ল "গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতি"।

প্রথমখন কার্য্যকৰী সমিতি গঠন কৰা হৈছিল এনেদৰে—

সভাপতি ঃ হলিৰাম ডেকা।

উপ-সভাপতিদ্বয় ঃ ভোলানাথ শর্মা, কানুৰাম কলিতা।

সম্পাদক ঃ নাৰায়ণ শর্মা।

যুটীয়া সম্পাদকদ্বয় ঃ সুৰেশ চন্দ্র ডেকা, দেবেন্দ্র নাথ শর্মা।

কোষাধ্যক্ষ ঃ নাৰায়ণ গোস্বামী।

উপদেষ্টা ঃ কল্পকান্ত হাজৰিকা।

সদস্যসকল আছিল— নগেন্দ্র কুমাৰ চমুৱা, সিদ্ধিনাথ বৰুৱা, দ্বাৰিকানাথ বৈশ্য, প্রবীণ বংজাং, ৰামচন্দ্র ডেকা, প্রভাত বর্মন, জগন্নাথ দাস, অৰনী কুমাৰ ডেকা, গোপী ৰহাং, নগেন কলিতা, শৰৎ চন্দ্র বৰকাকতী, শিৰৰাম দাস আৰু ঘনকান্ত চেতিয়া। কমিটিৰ বাহিৰত থাকিও সকলো কামতে দেহে-কেহে লাগি দি সহায় কৰা ব্যক্তিসকল আছিল— দয়ানন্দ হাজৰিকা, ভূৰন চন্দ্র কলিতা, হৃদয় চন্দ্র ডেকা, দেৱেন্দ্র চন্দ্র চৌধুৰী ইত্যাদি।

আন আন ব্যৱস্থাসমূহ এনদৰেই কৰা হৈছিল— প্রতিমা অনা হৈছিল পাণবজাৰৰ পৰা। মূল্য আছিল ৩০০ টকা। সমিতিৰ সদস্যসকলৰ বৰঙণি নির্দ্ধাৰণ কৰা হৈছিল ৩০ টকাৰ পৰা ৫০ টকালৈ। বাইজৰ ফালৰ পৰা বৰঙণি নির্দ্ধাৰণ কৰা হৈছিল দুই টকা, পাঁচ টকা আৰু ১১ টকালৈ। ভোগ ৰান্ধনি অনা হৈছিল নলবাৰীৰ কটপুহা গাঁৱৰ অনন্ত নাথ শর্মাক। মুঠ পৃষ্ঠপোষকৰ সংখ্যা আছিল মাত্র সাতগৰাকী। প্রধান পুৰোহিত আছিল অভিনাথ শর্মা। মুঠ ধন সংগৃহীত হৈছিল ৭,৫০০ টকা।

এনেদৰেই প্রথম বছৰৰ পূজাভাগ পুৰোহিতৰ মন্ত্রধ্বনি, আয়তীসকলৰ মঙ্গল উৰুলি, ঢোল, তাল, পেঁপা, শঙ্খ, ঘণ্টাৰ সম্মিলিত এক নান্দনিক পৰিবেশৰ মাজেৰে দ্বিতীয় বছৰ অর্থাৎ ১৯৭৭ চনৰ ১৮-১১-১৯৭৭ তাৰিখ, (ষষ্ঠী) মঙ্গলবাৰৰ পৰা আৰম্ভ হোৱা পূজাভাগৰো সুন্দৰভাবেই পৰিসমাপ্তি ঘটিছিল।

এতিয়া আহিছো সেই সময়ত অর্থাৎ আৰম্ভণিৰ কেইবছৰমানত পূজাখন চলাই নিয়াৰ পৰিকল্পনা কেনেধৰণে কৰা হৈছিল সেই বিষয়ে দুআষাৰ জনাবলৈ। প্রথম অৱস্থাত পূজা বিষয়ক সভা-সমিতিসমূহ হাতীগড় এল. পি স্কুলতে বহিছিল। তেতিয়া মধ্য ইংৰাজী বিদ্যালয়খন অর্থাৎ ১৯৭৭ চনত বাঁহ, তর্জাৰে অসম্পূর্ণভাৱে নির্মিত অৱস্থাত। পিছলৈ অৱশ্যে এই বিদ্যালয়খনতো মাজে-সময়ে সভা-সমিতিবোৰৰ কাম-কাজ নচলা নহয়।

পূজা মণ্ডপটো সজোৱা ঠাইখিনিও আছিল চলমান। কেতিয়াবা পূবফালে থকা চিৰিবোৰৰ তলৰ অংশত আৰু কেতিয়াবা আকৌ উত্তৰফালে থকা বর্তমানৰ টিনপাতেৰে নির্মিত মঞ্চখনৰ ওচৰতে। তেতিয়া এই মঞ্চখন নির্মিত হৈ উঠা নাছিল। আনুমানিক ১৯৯৫ চনমানত ৰমেন শর্মাৰ উদ্যোগত এটি এম. পি. ফাণ্ডৰ অনুদানেৰে সেই মঞ্চখন তৈয়াৰ কৰা হৈছিল। এই টিনৰ মঞ্চখনৰ ওচৰতে বহু বছৰলৈ নাটক আৰু সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ বাবে প্রতি বছৰে আছুতীয়াকৈ মাটিৰে অস্থায়ী মঞ্চ একোখন তৈয়াৰ কৰি থকা হৈছিল।

পূজালৈ দহ দিনমান থকা সময়ৰ পৰাই ৰভা মঞ্চৰ কামবোৰ আৰম্ভ কৰা হৈছিল। নির্দ্দিষ্ট এটি দেওবাৰ লৈ প্রায়বোৰ সদস্য খেলপথাৰত উপস্থিত হৈ ৰভা মঞ্চ নির্মাণত লাগি দিছিল। ইতিমধ্যে এম. ই. স্কুলৰ চৌকিদাৰ অমূল্য তালুকদাৰে দুজনমান বনুৱাৰে সৈতে দা, কোৰ, চিপ্ৰাং আদি লৈ খেলপথাৰত হাজিৰ হৈছিল। ইয়াতে প্রায়ে ঘটিছিল আমোদজনক ঘটনা। ডেকাদাই জোখ-মাপৰ বাবে অনা দীঘল ফিটাডালৰ প্রথম কিছু অংশ ছিঙি যোৱা। প্রতিবাৰে দীঘ-বাণি বা কেঁচিয়াকৈ (Diagonally) ৰভাখনৰ আকৃতি নিমিলে। ইয়াৰ বাবে ডেকাদাই সকলোবোৰ দোষ ঠেলি দিছিল অমূল্য তালুকদাৰলৈ।

পূজাৰ প্রয়োজনীয় টিনপাতখিনি দর্খাস্ত কৰি অনাইছিল জু-ৰোড তিনিআলিত অৱস্থিত "মেঘালয় ষ্টোৰ" নামৰ এটি প্রতিষ্ঠানৰ পৰা। এই ব্যৱস্থাটো বর্তি আছিল বহু বছৰ ধৰি। ধন সংগ্রহ কৰা হৈছিল ভালেমান অঞ্চলক সামৰি। যেনে বৈকুণ্ঠপুৰ, বি.এছ.এফ. নাৰিকলবাৰী, হাতীগড় চাৰিআলি, ষ্টেট বেংক, ৰিজার্ভ বেংক আৱাসিক অঞ্চল, চাহাবটিলা, অম্বিকাগিৰী অঞ্চল ইত্যাদি। আনকি চান্দমাৰি, অনুৰাধা চিনেমা হলৰ আশে-পাশে থকা দোকানসমূহৰ পৰাও ধন সংগ্রহ কৰা হৈছিল। প্রতিটো অঞ্চলক সামৰি একো একোটা ধন সংগ্রহকাৰী দল গঠন কৰি দিয়া হৈছিল।

বিজয়া দশমীৰ বিষয়ে দুআষাৰ নিলিখিলে লেখাটো আধৰুৱা হৈ ৰ'ব। যিহেতু পূজাৰ সকলোবোৰ কাম-কাজ সমিতিৰ সদস্যসকলে নিজ হাতে কৰিছিল সেইবাবে বিজয়া দশমীৰ দিনালৈ সদস্যসকলৰ দেহ-মন ক্লান্তিৰে ভৰি পৰিছিল। মনবোৰ হৈ পৰিছিল বিষাদেৰে আচ্ছন্ন। সেইদিনাই দশমীৰ যথা বিহিত পূজাৰ অন্তত "ব্রাহ্মণ বিদায়" পর্ব নামেৰে এটি প্রীতি ভোজৰ আয়োজন কৰা হৈছিল। মনত পৰে বেণুধৰ কলিতাই প্রীতি ভোজত প্রয়োজন হোৱা মাছখিনি বহু বছৰ ধৰি যোগান ধৰি আহিছিল। প্রতিমা বিসর্জন দিয়াৰ ব্যৱস্থা কৰা হৈছিল বটগছৰ ওচৰৰ দেৱেন দাসৰ পৰা অনা এখন ট্রাকৰ যোগেদি। লক্ষণীয়ভাৱে সেই ট্রাকখনত হলিৰাম ডেকাদেৰে বহু বছৰ ধৰি আগৰ আসনত বহি লৈ প্রতিমা বিসর্জনৰ নেতৃত্ব গ্রহণ কৰিছিল। বিসর্জনৰ অন্তত ডেকা ল'ৰাবিলাকক দুই কেজিমান জিলেপী খাব দিয়া হৈছিল। আজিও মনত পৰে অনিৰুদ্ধ বৰুৱাই কেনেদৰে দেৱীৰ হাতৰ পৰা ত্রিশূল খড়্গ, ধনুকাঁড়, চুলি, বস্ত্র আদি আঁজুৰি আনি নিজে সেইবোৰ পৰিধান কৰাৰ লগতে জিভাখন আগলৈ উলিয়াই দি ট্রাকৰ হুদটোৰ ওপৰত বহি লৈ নানা ভঙ্গিমা প্রদর্শন কৰাৰ কথা।

এই প্রসঙ্গতে স্থানীয় বিষ্ণু-জ্যোতি কলা কেন্দ্র আৰু পূজাভাগৰ লগত থকা নিৰিড় সম্পর্কৰ এটি চমু আভাস দিব খুজিছো। যিহেতু দুয়োটা অনুষ্ঠানে সমকালীন অর্থাৎ ১৯৭৬ চনতে প্রতিষ্ঠিত আৰু ইয়াৰ আগত জড়িত ব্যক্তিসকলো প্রায় একেখিনিয়েই সেইবাৰে অনুষ্ঠান দুটাৰ সম্পর্কও আছিল স-

প্রতীভ। পার্থক্য আছিল মাত্র আক্ষৰিক অর্থতহে।

পূজাৰ নতুন সমিতিখন গঠনৰ পিছতে কলাকেন্দ্রক এদিন নাটক মঞ্চস্থ কৰাৰ আৰু এদিন স্থানীয় শিল্পীৰ দ্বাৰা এখন সাংস্কৃতিক অনুষ্ঠান পতাৰ বাবে পূজা সমিতিয়ে দায়িত্ব অর্পণ কৰিছিল। ন্যূনতম যিখিনি ধনৰ প্রয়োজন হয় সেইখিনি দিয়াৰ এটি বন্দবস্ত আগতীয়াকৈ কৰি থোৱা হৈছিল। মনত পৰে সেই সময়ত কলাকেন্দ্রটিত প্রায় ২০/২১ বছৰ বয়সৰ একুৰিমান ডেকা ল'ৰাই নিতৌ গধূলি সময়ত উপস্থিত হোৱাটো এটা নিয়মত পৰিণত হৈছিল। ২/৩ জনৰ বাহিৰে বাকীবোৰ চাকৰিৰ অপেক্ষাত।

নাটকৰ প্রস্তুতি পূর্ণোদ্যমে চলিল যদিও বহু প্রত্যাহ্বান আহিব ধৰিলে। যেনে নাট নির্বাচন কৰা, বিশেষকৈ মহিলা অভিনেত্রী বিচাৰি উলিওৱা ইত্যাদি। কিয়নো নাটকখন পছন্দ হয় কিন্তু চৰিত্রবোৰ খাপ নাখায়। সেই সময়ত শ্রীমতী স্মৃতিৰাণী বৰুৱা (চিচি)ৰ বাহিৰে পৰিপক্ক বয়সৰ ছোৱালী চকুত পৰা নাছিল। উপায়হীন হৈ শিলপুখুৰী আৰু জ্যোতিনগৰৰ ওচৰৰ পৰা তিনিগৰাকীমান ছোৱালী বন্দবস্ত কৰি আনিব লগা হৈছিল। সমস্যা বাঢ়িল ৰিহার্চেলৰ অন্তত ৰাতি ৮/৯ মান বজাত অকলে খোজকাঢ়ি গৈ তেওঁলোকক ঘৰত থৈ আহিব লগাত। মনত পৰে সেই সময়ত, ১৯৭৯ চনত কলাকেন্দ্রক দিয়া আৱণ্টিত ধনৰ পৰিমাণৰ কথা। নাটক আৰু সাংস্কৃতিক অনুষ্ঠান চলোৱাৰ বাবদ দিয়া হৈছিল যথাক্রমে ৫৫০ টকা আৰু ৩৭৫ টকা। তাৰোপৰি পূজাৰ অন্তত ৰভা-মঞ্চখন আমিবোৰে ভাঙি দিয়া বাবদ পাইছিলো মাত্র ৮০ (আশী) টকা। পৰৱর্ত্তী সময়ত দ্বিপেন, লাচিত, ধীৰাজ, দীপাঙ্কৰ, নৰ, ৰাজীৱহঁত আগাপিছাকৈ ওলাই অহাত নাটকৰ কিছু সমস্যাৰ ওৰ পৰিছিল। তেতিয়া ১৯৮১ চনমানত তেওঁলোক আনুমানিক ১৬/১৭ বছৰত ভৰি দিছিল।

এনেদৰেই সকলো প্রকাৰৰ অগাডেৱা অতিক্রম কৰি কলাকেন্দ্রৰ নেতৃত্বত ১৯৭৭ চনত প্রথমখন নাটক মেলা হৈছিল "দেউতা" আৰু পৰৱর্ত্তী সময়ত অর্থাৎ ৭০ দশকৰ শেষৰ ফালৰ পৰা ৯০ দশকৰ শেষলৈকে ভালেমান নাটক, যেনে— কালীয় দমন, বিচাৰ লাগে, এক দুই তিনি, মায়ৰী লগ্ন, ৰূপহী নদীৰ ঘাট, মই ভিক্ষাৰী, চেতনা, তিমিৰ নাশি, ফোপোলা চুঙা, প্রতিঘাট, ফৰিয়াদ, অৱক্ষয়, বলিয়া হাতী, চিৰাজ আদি কৰি কেইবাখনো নাটক মঞ্চস্থ কৰা হৈছিল। উল্লেখযোগ্য যে দেশৰ দুখনমান নাটকৰ বাহিৰে বাকীকেইখন নাটকৰ পৰিচালক হিচাবে আছিল সুদক্ষ অভিনেতা ভূপেন গোস্বামী। লগতে মই আৰু নাট্যকাৰ, সু-অভিনেতা, জ্যোতিষ ডেকাই নাটককেইখন আগুৱাই নিয়াত পার্য্যমানে সহায়-সহযোগিতা আগবঢ়াইছিলো। সঙ্গীত ব্যৱস্থাপনাত আছিল— জয়হৰি দাস, ৰমণীকান্ত শীল, বিশ্ব মোহন গোস্বামী, বাঁহীবাদক বসুমতাৰী (নামটো পাহৰিলো) আৰু শ্রী বদন দেৱ বর্মন আদি। নাটকত ব্যৱহার্য্য ৰাজকীয় প্রসাধন সামগ্রী (make-up) যেনে— মণি, মুক্তা, চুলি, দাড়ি, সাজ-পোছাক আদি ভাড়া দি অনা হৈছিল এ.টি. ৰোডত থকা এখন প্রতিষ্ঠানৰ পৰা। সেই নাটকবোৰৰ অভিনৱ অনুভৱ আজিও অনুৰণিত হৈ আছে শ্রোতা-দর্শকৰ বুকুৰে বুকুৰে।

সাংস্কৃতিক অনুষ্ঠানবোৰ জাক-জমকতাপূর্ণভাৱে পতা নহৈছিল। কলাকেন্দ্রৰ সেই সময়ছোৱাত গীত গোৱা বা বাদ্য-যন্ত্র বজোৱা ভালেমান সদস্য আছিল। তেওঁলোক আৰু স্থানীয়ভাৱে উপলব্ধ শিল্পীসকলক লৈয়ে সাংস্কৃতিক অনুষ্ঠানসমূহ পতা হৈছিল। দুই-তিনিগৰাকীৰ বাহিৰে আনসকলক শিল্পী মাননি দিয়া নহৈছিল। আজিও মনত পৰে প্রতিষ্ঠাপক সম্পাদক নাৰায়ণ শর্মাই দুর্গা দেৱীৰ বিষয়ে ৰচনা কৰা সেই সুন্দৰ ভক্তিমূলক গীতটিৰ কথা, সুৰ— "জয়দুর্গা জগদম্বা, জগত জননী...।" এই গীতটি স্থানীয় ছোৱালীবোৰে বহু বছৰ ধৰি কো�ৰাছ হিচাবে পৰিৱেশন কৰি আহিছিল।

লিখিবলৈ আৰু বহু কথাই থাকি গ'ল। কলেৱৰ গধুৰ হোৱাৰ শঙ্কাত ইমানতে অন্ত কৰিব খুজিছো। তথাপি অতীতৰ স্মৃতিবোৰে বিশৃঙ্খলভাৱে মনটোকচোন খুন্দিয়াব ধৰিলে। সঁচাকৈয়ে আমি অতীতক পাহৰি যাব নোৱাৰো। চীনা দার্শনিক কণফুচিয়াচৰ এটি উক্তি মনলৈ আহিল— "Study the past if you define the future."

শেষত ক'ব খুজিছোঁ যে আপততঃ গীতানগৰ অঞ্চলটোৰ যিদৰে দৈর্ঘ্য, প্রস্থ আৰু উচ্চতাও বাঢ়ি গৈছে ঠিক তেনেদৰে আমাৰ পূজাভাগেও বিশেষকৈ ২০১১ চনৰ পৰা গুৱাহাটী মহানগৰীৰ ভিতৰতে এখন উচ্চ প্রশংসিত উন্নত পূজাস্থলী বুলি খ্যাতি লাভ কৰি আহিছে। ইয়াৰ বাবে পূজাৰ কর্মকর্ত্তাসকল নিশ্চয় প্রশংসাৰ যোগ্য।

সদৌ শেষত আজিৰ এই সোণালী জয়ন্তী বর্ষৰ সোণালী মুহূর্তত আমাৰ মাজৰ পৰা বিদায় লোৱা যিসকল পূর্বজ আৰু উত্তৰসুৰীসকলে দেহে-কেহে লাগি দি আমাৰ এই পূজাভাগক থিয়-দঙা দিয়াত সহায় আগবঢ়ালে তেখেতসকলৰ প্রতি শ্রদ্ধাঞ্জলি যাঁচিলো।

"সোণালী জয়ন্তী বর্ষ" সফল হওক— এই কামনাৰে।

(প্রথম বছৰৰ তথ্যখিনি সংশ্লিষ্ট পূজা সমিতিখনৰ প্রতিষ্ঠাপক সভাপতি শ্রদ্ধেয় প্রয়াত হলিৰাম ডেকাদেৱৰ এটি লেখাৰ পৰা সংগৃহীত)

পঞ্চাশ সংখ্যক গীতানগৰ সার্বজনীন দুর্গা পূজা সমিতিৰ উপদেষ্টা।

গীতানগৰৰ দুর্গা পূজা আৰু সৰুকালিৰ সেই দিনবোৰ

ডাঃ বর্ণালী শর্মা

গীতানগৰত দুর্গা পূজাৰ আয়োজন দেখা পোৱাৰ লগে লগে মনটো কিছু নষ্টালজিক হৈ পৰে। মনটো মোৰ সৰু কালৰ সেই দিনবোৰলৈ উৰা মাৰে। ১৯৭৫ চনত প্রথম দুর্গাপূজা আৰম্ভ হৈছিল। মাহঁতে কোৱা শুনিছিলো স্থানীয় ৰাইজে লগ হৈ প্রথম দুর্গাপূজাখন ঘট প্রতিষ্ঠা কৰি উদ্‌যাপন কৰিছিল, তেতিয়া প্রথম প্রতিষ্ঠাপক সম্পাদক স্বর্গীয় নাৰায়ণ চন্দ্র শর্মাকে আদি কৰি প্রয়াত হৰেন্দ্র নাথ ভট্ট, হলি ডেকা, ভুৱন কলিতা, শিৱ শর্মা, কানুৰাম কলিতা, কল্প হাজৰিকা, ভোলা শর্মা, অবনী ডেকা, অনন্ত ডেকা, পাখি ৰাম ডেকা, নগেন কলিতা আদি বহুতো ব্যক্তিয়ে ইয়াত আগভাগ লৈছিল। অৱনী ডেকা, প্রমোদ ডেকা, প্রভাত বর্মন, প্রফুল্ল শর্মা, ভূপেন গোস্বামী, দ্বাৰিকা বৈশ্য, অমূল্যকা, ভূঞা খুৰা, মেধি খুৰা, গোস্বামী খুৰা আদিয়ে দেহে-কেহে পূজাৰ চাৰিওটা দিন খাটিছিল। প্রথমবাৰ পূজালৈ আহোতে আমি মাৰ কোলাত উঠি পূজা চাবলৈ আহিছিলো। লাহে লাহে বছৰ পাৰ হ'ল, আমিও ৮/৯ বছৰীয়া হ'লো। দুর্গাপূজা অহাৰ লগে লগে আমাৰো উছাহে নধৰা হ'ল। পূজা অহাৰ প্রায় এমাহ আগতে আমি নতুন কাপোৰ-কানি কিনি আজৰি হওঁ। আৰু ইঘৰে সিঘৰৰ নতুন কাপোৰ চাবলৈ যাওঁ। এবাৰ মনত আছে পূজাৰ কাপোৰ কিনি থৈ আমি ফুৰিবলৈ গৈছিলো। আহি দেখা পাওঁ সিন্ধি খান্দি চুৰে গোটেইবোৰ লৈ গ'ল।

পূজাৰ সময়ত বেলবৰণৰ দিনাৰ পৰা সম্পূর্ণ সাত্ত্বিক নিয়মেৰে সপ্তমীৰ পৰা দশমীলৈ মা দুর্গা পূজাভাগ কৰা হৈছিল। যিমান দূৰ মনত আছে সকলো ৰাইজে মা দুর্গাৰ আগত আঁঠুকাঢ়ি বহি পূজাৰ নির্মালি গ্রহণ কৰিছিল। পূজাৰী অভি শর্মা খুৰাৰ দুর্গাৰ মন্ত্র উচ্চাৰণ, আয়তীৰ নামেৰে গোটেই পূজাথলীখন পবিত্র হৈ উঠিছিল। সন্ধিয়া সাংস্কৃতিক সন্ধিয়াত আমি যেতিয়া নাচিবলৈ সাজু হৈছিলো তেতিয়া মৃদু বাইদেউ, মিতু বা মইনা বাইদেউ, শেৱালি বাইদেউৰে আমাক সজাই দিছিল। সাংস্কৃতিক সন্ধিয়াৰ প্রথম সমবেত সঙ্গীতটো আমাৰ অগ্রজসকল অনামিকাবা, ভনবা, ইলাবা, নিৰাবা, ৰাণু, জয়মতী আদিয়ে গাইছিল। স্বর্গীয় নাৰায়ণ শর্মা ৰচিত 'জয় দুর্গা জগ দম্ভা জগত জননী'ৰে সন্ধিয়াটো মুখৰ হৈ উঠিছিল। দীলিপদা, ঋতুদা, মুকুলদা, কৃষ্ণদা আদিয়ে বাদ্যযন্ত্রত অংশগ্রহণ কৰিছিল। যদিও আমি সৰু আছিলো অষ্টমীৰ দিনাখন আমাৰ অগ্রজ বাইদেউহঁতৰ লগত মিলাই চাদৰ-মেখেলা পিন্ধি পূজালৈ গৈছিলো। সন্ধিপূজা আজিকালিৰ দৰে সেই সময়ত ইমান আড়ম্বৰপূর্ণ নাছিল। ওচৰৰে মা, পেহী আদি কেইগৰাকীমান মহিলাই লগ হৈ সন্ধিপূজাৰ এগছিকৈ চাকি জ্বলাইছিল। নৱমীৰ দিনাখন আমি প্রত্যেকগৰাকী দেৱ-দেৱীৰ বাবে ফুল, বেলপাত লগ কৰি দীঘল মালা গাঁঠিছিলো। দুর্গামাৰ মালাডালত লকেট হিচাপে এটা ৰক্তজবা দিয়াৰ নিয়ম আছিল। দশমীৰ দিনাখনলৈ আমাৰ ব্যস্ততাৰ সীমা নোহোৱা হৈছিলো। বেল বৰিবলৈ যাবৰ সময়ত আমিও পূজাৰ ফুল, তুলসী আদি গোটাই পূজাৰীৰ পিছে পিছে যাওঁ। সেইদিনাই সন্ধিয়া আমাৰ ঘৰত সত্যনাৰায়ণ পূজাপতাৰ নিয়ম আছিল। পূজা হোৱাৰ পিছত সকলোৱে পূজাৰ ভোগ ল'বলৈ আহিছিল। সেই সময়ত সপ্তমী পূজাৰ দিনা আমি মানে বানু, মণি, জিতু, উৎপল, ভনী, কবিতা, ৰুণজুন, ৰূপা আদি সকলোৱে হাতত একোটা খৰাহী লৈ আমাৰ ঘৰৰ সম্মুখত থকা চোতালখনৰ শেৱালিজোপাৰ পৰা ফুল বুটলিবলৈ আহিছিল। আমি ফুল বুটলি থকা সময়ত সন্ধিয়া হ'বলগীয়া আৰতি প্রতিযোগিতা তথা সাংস্কৃতিক সন্ধিয়াৰ বিষয়ে আলোচনা কৰি সকলো ঠিক-ঠাক কৰিছিলো। তাৰ মাজতে চুনু, ভন, ভনী, ৰূপা, আইজনীহঁতে শৰতৰ ঠাণ্ডাত (তেতিয়া পূজাৰ সময়ত ঠাণ্ডা পৰিছিল) নাকৰ পানী উজাই আহি আমাৰ আলোচনাত ভাগ লৈছিল।

দুর্গাপূজাত মুখ্য পুৰোহিত অভি শর্মাদেৱে আমাক সদায়ে পূজাত ফুলৰ মালা দিবলৈ পৰামর্শ দিছিল। আমি কেতিয়াবা এই মালাবোৰ একেলগে লগ হৈ গাঁঠিছিলো। চিন্তু আৰু মিন্তুও পূজাৰ সময়ত উৎপলহঁতৰ ঘৰলৈ নলবাৰীৰ পৰা আহিছিল। অৰূপেও আমাক সহায় কৰিছিল।

তাহানিৰ দুর্গাপূজাখন আজিকালিৰ দৰে ইমান জাক-জমকতাপূর্ণ নাছিল। নৱমীৰ দিনা সন্ধিয়া আমাৰ অগ্রজ ভাইসকলে সন্ধিয়া নাট মঞ্চস্থ কৰিছিল। এবাৰ দীপাংকৰদা, নৱদা, দীপেনদা, দুলুদা, বিশ্বদা, লাচিতদা, পিয়লীদা, স্মৃতিবা, কল্পনাবা আদিয়ে চিৰাজ নাটকখন কৰি ভূয়সী প্রশংসা লাভ কৰিছিল। আমি স্থানীয় বাকী ল'ৰা-ছোৱালীবোৰে মিলি ঝুমুৰ নৃত্য পৰিবেশন কৰিছিলো। মোৰ ৰিণি ৰিণি মনত আছে আমি নৱম-দশম শ্রেণীত পঢ়া অবস্থাতো একেলগে গীত-নৃত্য পৰিবেশন কৰিছিলো। পিছলৈ আমাৰ অগ্রজসকলৰ পঢ়াৰ বোজা বাঢ়ি অহাত পলাশবাৰী, হাজো আদিৰ পৰা যাত্রাভিনয় নিমন্ত্রণ কৰি আনিছিল। সেইদিনাখন আমি সন্ধিয়া হুইচেল, বেলুন আদি কিনি খুব স্ফূর্তি কৰিছিলো। এবাৰ আমি তামোল-পাণৰ দোকান দিছিলো। সেইবাৰ আমাৰ অনভিজ্ঞতাৰ বাবে গোটেই কটা তামোলবোৰ পানী পৰি ৰঙা পৰি গৈছিল। পূজাৰ কেইদিন ৰাতি কমিটিৰ মানুহবোৰে পূজাৰ গৃহত পাল পাতি পহৰা দিছিল কোৱা মনত আছে, সেই সময়খিনিত বহুতো অলৌকিক ঘটনা দেখিবলৈ পাইছিল।

মুঠতে সেই সময়ৰ পূজা আৰু আজিৰ পূজাৰ মাজত আকাশ-পাতাল পার্থক্য দেখিবলৈ পাওঁ। সময়ৰ লগে লগে এই পৰিবর্ত্তন আৱশ্যম্ভৱী। লাহে লাহে ইয়াৰ সকলো ছোৱালীৰে বিয়া হৈ ওলাই গ'ল। প্রত্যেক ঘৰতে বোৱাৰী আহিল, খুৰা-খুৰী, মা-পেহীহঁতে আগৰ দৰে পূজাত লাগিব নোৱাৰা হ'ল। পূজাৰ দায়িত্ব পিছৰ চামে ল'লে। বহুতো ফ্লেটৰ সৃষ্টি হ'ল। গীতানগৰৰ পুৰণি ৰূপ নোহোৱা হ'ল। মানুহৰ সংখ্যা বঢ়াৰ লগে লগে পূজাৰ সংখ্যাও বাঢ়িল। ৪০ৰ ডেওনা পাৰ হোৱা গীতানগৰৰ পূজাখনে প্রতিযোগিতাৰ বাবে ফেৰ মাৰি পুৰস্কাৰ পোৱাৰ যোগ্য হ'ল। গোটেই অসমৰ পৰা প্রশংসা বুটলিবলৈ সক্ষম হ'ল। এতিয়া ষষ্ঠীপূজাৰ পৰা নৱমীলৈ ঠাইখন লোকে লোকাৰণ্য হৈ পৰে। এতিয়া পূজাৰ সময়ত মাৰ ঘৰলৈ সন্ধিয়া আহিলে পুলিচে কয় ইফালে গাড়ী নোসোমাব। মোৰ ল'ৰা দুটাই সোধে মা আগতেও এনেকুৱা আছিলনে?

এতিয়াও অষ্টমীত সন্ধিপূজা হয়। সন্ধিপূজাৰ ১০৮ গছি চাকি দিবলৈ মানুহৰ মাজত হেতা-ওপৰা লাগে। স্থানীয় বোৱাৰীসকলে লঘোণ খাটে সন্ধিপূজাৰ চাকি দিবলৈ। বোৱাৰী নাতিসকলে শাহু-আইতা, ককাহঁতক লগত লৈ আহে চাকি দিবলৈ সেৱা জনাবলৈ পূজালৈ লৈ আহে।

দশমীৰ দিনা আগতে বলয় বিতৰণৰ পিছত মাহঁতে ঘৰত পায়স বনাইছিল। আমি চিঠি লিখিছিলো দুর্গামাক— "যা দেৱী সর্বভূতেষু..."। ১০৮ বাৰ মন্ত্রটো লিখি দিয়া সকলো ছাত্র-ছাত্রীৰে নিয়ম আছিল।

দশমীৰ দিনা এতিয়াও বলয় বিলায়, মিঠাই খুৱায়। সেন্দূৰৰ ফোট দি সেন্দূৰৰ খেল খেলে। ফটো উঠি ফেচবুকত দিয়ে, টিভি চেনেলবোৰে ভিৰ কৰে। এই সময়খিনিত পুৰণি মানুহ বহু গুচি গ'ল। এতিয়া পূজাত লাখ লাখ টকা খৰচ হয়। ভিৰ ঠেলি পুৰণি চাম অহাৰ সাধ্য নোহোৱা হয় সন্ধিয়া পূজা চাবলৈ। তথাপি ভাল লাগে ল'ৰা, বোৱাৰীসকলে তেওঁলোকক আগ্রহ কৰি পূজা চাবলৈ অনা দেখিলে। নতুন চামৰো মিল অপ্রতিম। ডাঙৰক শ্রদ্ধা, সৰুক মৰম এই সকলোখিনি সংস্কাৰ যেন এই অঞ্চলতে দেখিবলৈ পোৱা যায়। এই ভাতৃত্ব আগতেও আছিল এতিয়াও আছে।

ভগৱানৰ ওচৰত প্রার্থনা এই সংস্কাৰ মৰম ভালপোৱা ভাতৃত্ববোধ লৈ গীতানগৰ সার্বজনীন দুর্গা পূজাখন ভাৰতবিখ্যাত হওক এই কামনাৰে—❑

*(বিঃদ্রঃ এই শিতানটো লিখোতে কেতিয়াবা কাৰোবাৰ নাম বাদ পৰি গৈছে বা কিবা লিখাত ভুল হ'ব পাৰে। সেই ভুলৰ ত্রুটি মার্জনাৰ বাবে। — **লেখিকা**)*

স্মৃতিৰ পাপৰি

মেঘালী শৰ্মা অধিকাৰী

আহিন মাহ বুলিলে শেৱালিৰ সুবাস, মৃদু মৃদু বতাহ, মহালয়াৰ স্তোত্ৰ ধ্বনি.... সকলো দিশে শ্ৰীদেৱীৰ আগমনৰ বতৰা।

গীতানগৰ দুৰ্গা পূজাখন মোৰ অতিকৈ প্ৰিয়, কিয়নো এইখন পূজা মই শৈশৱৰ দিনৰ পৰা উপভোগ কৰি আহিছো। আমাৰ দেউতা আৰ.বি.আই.ত কৰ্মৰত হোৱাৰ বাবে আমি ১৯৮৬ চনত হাতীগড় চাৰিআলিত থকা আৰ.বি.আই. আৱাসত থাকিবলৈ আহিছিলো। সেই সময়ত গীতানগৰৰ পূজাখন পূব দিশে স্থাপন কৰি উদ্‌যাপন কৰা হৈছিল। সৰু এখন পূজাস্থলী, সেইদিন কেইটাত গোটেই পৰিৱেশটোৱেই বসন্তৰ সুবাসে আৱৰি ৰাখিছিল। মনবোৰ ফূৰ্তিৰে ভৰি আছিল। পুৱাই গা ধুই নতুন কাপোৰ পিন্ধি মা-দেউতাৰ লগত আমি পূজাস্থলীলৈ যাওঁ। চাকি-ধূপ জ্বলাই দেৱীক আৰাধনা কৰো আৰু তাৰ পিছত পূজাস্থলীত বহি প্ৰসাদ, ভোগ গ্ৰহণ কৰি ঘৰলৈ ওভতো। আবেলি আকৌ ওলাই আহিছিলো। বেলুন-পেঁপা কিনিবলৈ, জেলেপি খাবলৈ। বিভিন্ন ধৰণৰ খেলা বস্তু যেনে— পিষ্টল, গুলী, সৰিয়হ ভৰাই দিয়া বেলুনবোৰ, পেঁপা ইত্যাদি— ওফ কিযে সুন্দৰ আছিল, সেই দিনবোৰ— মোৰ বাবে আজিও বহুতো সুন্দৰ স্মৃতিৰে ভৰা।

যদিও আমি দেউতাৰ অৱসৰৰ পাছত আৱাস এৰি নিজৰ ঘৰলৈ গ'লো তথাপি প্ৰত্যেক বছৰে গীতানগৰ পূজাখনলৈ আহিছিলো। কিন্তু ভগৱানৰ কি ইচ্ছা.... মই বিয়া হৈ আকৌ গীতানগৰৰে বাসিন্দা হৈ পৰিলো। চাগে মাৰ আশীৰ্বাদে মোক তেখেতৰ ওচৰলৈ লৈ আনিলে। মনত বহুত আনন্দ। এযাৰ কথা আছে যে.... শৈশৱৰ স্মৃতিয়ে হেনো এজন ব্যক্তিৰ মনত বহুতো পাহৰিব নোৱাবাকৈ সাঁচ বহুৱাই যায়। মোৰ লগতো তেনেকুৱাই হৈছে। সৰু কালৰ পূজাৰ সেই ধুনীয়া স্মৃতিবোৰ আজি মোৰ জীৱনৰ এক পাহৰিব নোৱাৰা স্মৃতি। আজি ভাবিলে আচৰিত লাগে— কেনেকৈ সময়ৰ গতিত লাহে লাহে প্ৰত্যেক বছৰে আমাৰ পূজাখন ডাঙৰ হৈ আজি বিখ্যাত হৈ পৰিছে। এই পৰিৱৰ্তন আৰু উন্নতি সম্ভৱ হৈছে গীতানগৰ পূজা সমিতিৰ সমূহ সদস্যৰ একাগ্ৰতা, পৰিশ্ৰম আৰু আপোন ভাবেৰে পূজাখনৰ লগত একাত্মতাৰে নিজকে বিলীন কৰি দিয়াবাবে।

আমাৰ গীতানগৰৰ পূজাখনৰ এক বিশেষ আকৰ্ষণ হৈছে—সন্ধি পূজা। আগৰ দিনত সন্ধি পূজা দেখা বিশেষ মনত নপৰে। মায়ে কৈছিল যে দুৰ্গা পূজাৰ এক অপৰিহাৰ্য্য অংশ হৈছে—সন্ধি পূজা, কিন্তু ২০০৬ চন মানৰ পৰাহে মই সন্ধি পূজা দেখি আহিছো। ইয়াতে সন্ধি পূজাৰ যি বিশাল আয়োজন হয়, গুৱাহাটীৰ আন কোনো ঠাইত এনে ধৰণৰ পৰিৱেশ হয়তো খুউব কমহে আছে। তেতিয়াৰে পৰা মই নিজেও এই সন্ধি পূজাত অংশগ্ৰহণ কৰি আহিছো। বন্তি-প্ৰজ্বলন, শংখ ধ্বনি, পূজাৰীৰ মন্ত্ৰ উচ্চাৰণৰে দেৱীক আৱাহন সেই ক্ষণৰ সমূহ পৰিৱেশ হৈ পৰে স্বৰ্গীয়, যাক ভাষাৰে বৰ্ণনা কৰা কঠিন। মোক যেতিয়া কোনোৱে কয় যে গীতানগৰ দুৰ্গা পূজাৰ আয়োজন অতি বিশাল তেতিয়া মই নিজকে অতি গৰ্বিত অনুভৱ কৰো।

সময়ৰ গতিত তাহানিৰ সেই সৰু পূজাখন আজি গুৱাহাটীৰ অন্যতম বৃহৎ আৰু ব্যয়বহুল পূজালৈ ৰূপান্তৰিত হ'ল। মোৰ জীৱনৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ বহু স্মৃতি এই পূজাখনৰ সৈতে জড়িত হৈ আছে। যাক কেতিয়াও পাহৰিব নোৱাৰো। গীতানগৰ দুৰ্গাপূজাখন ভৱিষ্যতে বৃহৎ পৰিসৰ আৰু সফলতাৰে অনুষ্ঠিত হৈ থাকক তাকেই কামনা কৰিলো।❑

মনলৈ উভতি আহে...

স্মৃতি ৰাণী বৰুৱা

দুৰ্গা পূজা যদিও এক আনন্দৰ উৎসৱ আৰু পৰিয়ালৰ তথা সামাজিক মিলনৰ এক বিশেষ অনুভূতি বুলি ধৰা হয়, ই মাথো এটা উৎসৱেই নহয়। ই মা দুৰ্গাৰ জৰিয়তে শক্তি, ন্যায় আৰু জ্ঞানৰ পূজাহে প্ৰতিফলিত কৰে।

গীতানগৰ সাৰ্বজনীন দুৰ্গা পূজাই এই বছৰ সোণালী জয়ন্তী বৰ্ষ পালন কৰিবলৈ ওলাইছে। এই গৌৰৱময় শুভক্ষণত পূজা সমিতিলৈ মোৰ আন্তৰিক শুভকামনা যাচিছো আৰু আশা ৰাখিছো যাতে মা দুৰ্গাৰ আৰাধনাৰ জৰিয়তে তেখেতসকলে মানুহৰ সাহস, সততা আৰু জ্ঞানৰ জয়গান গায় ; সমাজৰ অসূয়া-অপ্ৰীতি আতৰোৱাত সহায়ক হয় ; সামাজিক মিলন, ঐক্যৰ গুৰুত্বৰ বাণী কঢ়িয়াই আৰু বহুদূৰ আগুৱাই যায়।

অতীতৰ ইমানকেইটা বছৰ সুকলমে গৰকি আহি আজি এই পূজাখন ৫০ বছৰীয়া হ'ল- কথাটো ভাবিলেই দেখোন মোৰো মনটো ভাল লাগি যায়, আৰু ভাল নালাগিবই বা কিয়? এইখন পূজাৰ লগত জড়িত শৈশৱ কালৰ বহুতো মধুৰ স্মৃতি এতিয়াও যে মোৰ মনত প্ৰতিপালিত হৈ আছে।

মনত পৰে - প্ৰথম যেতিয়া গম পাইছিলো যে দেউতাহঁতে আমাৰ স্কুল ফিল্ড (গীতানগৰ স্কুল ফিল্ড)ত দুৰ্গা পূজা পতাৰ যো-জা চলাইছে, আমাক কোনে পায় আৰু ? ঘৰতে আমাৰ চাৰিওটাৰ মাজত মেল আৰম্ভ হ'লেই। তাৰ পিছত চুবুৰীৰ আটাইজাক ল'ৰা-ছোৱালীৰ মাজতো সেই একেই -- কেৱল পূজা আৰু পূজাৰ কথা।

আৰম্ভণিৰ বছৰটোত পিছে পূজাখন অলপ অনুষ্ঠুপীয়াকৈয়ে আয়োজন কৰা হৈছিল। লাহে লাহে ৰাইজৰ সহযোগত আৰ্থিক ভাৱে স্বচ্ছল হৈ উঠাত পূজাখন ভালকৈয়ে পাতিব পৰা হ'লগৈ। আৰু এনেকৈয়ে আগবাঢ়ি আহি আজিৰ পৰ্য্যায় পালেহি।

আগতে পূজাৰ গোটেই মণ্ডপটো সাধাৰণভাৱেই বনোৱা হৈছিল। কোনো বিশেষ মঠ, মন্দিৰ বা ভৱনৰ আৰ্হিত বনোৱা হোৱা নাছিল। কেৱল বাহেঁৰে সজা মণ্ডপটোৰ ওপৰভাগত প্ৰয়োজন অনুসৰি তিৰপাল, টিনপাত আদি ব্যৱহাৰ কৰা হৈছিল। পোহৰৰ ব্যৱস্থা বুলিবলৈ টিউব লাইট আৰু বেছি পাৱাৰৰ লাইট কিছুমান মূল মণ্ডপ আৰু তাৰ আশে পাশে ব্যৱহাৰ হৈছিল। আজিকালিৰ দৰে আটকধুনীয়া আলোকসজ্জাৰ পয়োভৰ নাছিল। যিমানে পূজাৰ মণ্ডপটো সম্পূৰ্ণ হৈ উঠে আৰু লাইটবোৰ বেছিকৈ জ্বলি পোহৰ হৈ উঠে আমাৰ মনবোৰ আনন্দত নাচি উঠে। কেতিয়ানো দুৰ্গামাৰ প্ৰতিমা আনিব, পূজা আৰম্ভ হ'ব তাৰ বাবে ৰৈ থাকো। আকৌ পূজাত পিন্ধা ফ্ৰকৰ কথাটো আছেই। সেইকেইটা সময়ত ৰেডি কৰি দিবলৈ মায়েও ব্যস্ত হৈ পৰিছিল। আমাৰ তিনিজনী বাইভনীৰ ফ্ৰক মায়ে নিজে চিলাই দিছিল। তাৰোপৰি ঘৰলৈ অহা আলহীক চাহৰ লগত দিবলৈ খুৰ্মা, নিম্‌কী আৰু লাৰু বনাই ভাগে ভাগে থৈ দিছিল। পিছে আলহীতকৈও আমাৰ কেইটাৰ পেটতহে সেইবোৰ বেছিকৈ সোমাইছিল। পূজা আৰম্ভ হোৱাৰ পৰা প্ৰত্যেক দিনা পুৱাই সোনকালে উঠি গা-পা ধোওঁ। পূজাৰ বাবে ফুল গোটাওঁ। বেছি পলম নকৰো। নতুন কাপোৰ পিন্ধি পূজালৈ ওলাৱেই আৰু। ৰবলৈ সময় নাই। লগত লৈ যাওঁ ৰাতিপুৱা যোগাৰ কৰি থোৱা ফুলৰ টোপোলাটো। প্ৰায় একেসময়তে সমনীয়া আটাইবিলাক ল'ৰা-ছোৱালী আহি পূজাথলী পায়হি। লাহে লাহে ঢোল-তালৰ শব্দ, পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ, আয়তীৰ নাম, ওজাপালি আদিৰে পূজাথলী মুখৰিত হৈ পৰে। কি যে মন ভৰাই তোলা এটা পৰিবেশ। পূজাৰ শেষত আমি সকলোৱে একেলগ হৈ পুষ্পাঞ্জলী দিওঁ, সেৱা কৰো আৰু নিৰ্মালী লওঁ। তাৰ পিছত আহে পূজাৰ প্ৰসাদ আৰু ভোগ খোৱাৰ পাল। ইমান ভাল লাগে। এদিনো বাদ নিদিওঁ। কেতিয়াবা যদি দেৰি হয় তথাপিও ৰৈ থাকো।

এইবোৰৰ উপৰিও আমাৰ অন্য এক আকৰ্ষণৰ থল আছিল পূজা মণ্ডপৰ চাৰিওফালে এক নিৰ্দিষ্ট দূৰত্বত দিয়া দোকান-পোহাৰবোৰ। তাত শিশুসকলৰ বাবে লোভনীয় সকলো

বস্তুৰে সমাহাৰ ঘটিছিল। নানা ধৰণৰ ৰঙ-বিৰঙী বেলুন, খেলনা, পিষ্টল আৰু মিঠাই খাই ভাল-পোৱা সকলৰ বাবে জিলাপী, খুৰ্মাকে ধৰি বিভিন্ন মিঠাইৰ দ'ম। বুট ভজা, ঘুগুনী, পকৰিৰ দোকানৰতো কথাই নাই যাৰ আগেৰে পাৰ হৈ গ'লে মলমলাই থকা গোন্ধটো আজিও নাকত লাগি আছে। আমি আটায়ে লগ হৈ দোকানবোৰৰ মাজত ঘূৰি পকি যাৰ যি মন যায় তাকেই কিনিছিলো, খাইছিলো। মুঠতে সেইকেইটা দিন পূজাথলীৰ পৰা ঘৰলৈ যাবলৈ মনেই যোৱা নাছিল।

আগতে পূজাত সাংস্কৃতিক সন্ধিয়াৰো আয়োজন কৰা হৈছিল। তাত বিষ্ণু-জ্যোতি কলা কেন্দ্ৰৰ সৌজন্যত পূৰ্ণাংগ নাট, একাংকিকা নাট, গীত, নৃত্য আদি বিভিন্ন ধৰণৰ অনুষ্ঠান পৰিবেশন কৰা হৈছিল। ভাগে ভাগে সকলো সদস্যই ইয়াত অংশগ্ৰহণ কৰিছিল। পূজাৰ প্ৰায় ডেৰ-দুমাহ আগৰ পৰা আমি সকলোৱে নাচ-গান, নাটকৰ ৰিহার্চেলত ব্যস্ত হৈ পৰিছিলো। কেতিয়াবা এনেকুৱাও হৈছিল যে -- দলীয় নৃত্য এটা নাচিবলৈ লৈছো, নাচিবলৈ ল'ৰা নাই। আমিয়েই কেইজনীমানে ল'ৰাৰ বেশ লৈ নাচটো নাচিছিলো। এৰি দিয়া নাছিলো। ভাল লাগে মনত পৰিলে। আমাৰ পূজাথলীত মাজে সময়ে বাহিৰৰ পৰা আমন্ত্ৰণ কৰি অনা যাত্ৰা দলেও নাট পৰিবেশন কৰিছিল। আমি সকলোৱে একেলগে বহি বহু ৰাতিলৈ সেয়া নাটো উপভোগ কৰিছিলো। লক্ষ্মী পূজাৰ দিনাখনো কেতিয়াবা কেতিয়াবা ফিল্ডত ডাঙৰ পর্দা লগাই চিনেমা দেখুৱাইছিল। সেইটোও আমাৰ বাবে আমোদজনক আছিল।

পূজাৰ সময়ত কেতিয়াবা আমাৰ তালৈ মামাহঁতৰ আইতাও আহিছিল। আইতাই ওজাপালি চাবলৈ ভাল পাইছিল। আবেলি ছেগ বুজি মইও আইতাৰ লগত পূজাথলীলৈ গৈছিলো ওজাপালি চাবলৈ। ওজাপালিৰ শিল্পীসকলে পৰিবেশন কৰা গীত, কাহিনী মই সিমান ভালকৈ বুজি পোৱা নাছিলো আৰু বুজিবলৈ চেষ্টাও কৰা নাছিলো। কিন্তু সেইবোৰ চলি থকাৰ মাজতে তেওঁলোকে বিভিন্ন অঙ্গী-ভঙ্গী দি এনেকুৱা কিছুমান ধেমেলীয়া কথা কৈছিল যে নাহাঁহি থাকিব নোৱাৰিছিলো। মই আচলতে সেইটো মজা ল'বলৈহে তাত বহি আছিলো।

এনেকৈয়ে আমাৰ আনন্দ-ফূৰ্তিৰ মাজেৰে পূজাৰ প্ৰথম দিনকেইটা পাৰ হৈ গৈছিল। তাৰ পিছত যেতিয়া দশমীৰ দিনটো আহে, তেতিয়াহে মনবোৰ একেবাৰেই বেয়া লাগি গৈছিল। কাৰণ ধৰি লৈছিলো যে দশমী মানে পূজাও শেষ আৰু আমাৰ আনন্দ-ফূৰ্তিও শেষ। আৰু আন এটা বেয়া লগাৰ কাৰণ হ'ল - দেৱীৰ বিসর্জনক লৈ। ইমান মৰম লগা মা দুর্গা, লক্ষ্মী আৰু সৰস্বতীৰ মুখ কেইখন। সদায় পূজাথলীত গৈ ৰ' লাগি চাই ৰওঁ। সেই দেৱীমাৰ প্ৰতিমাকেই কেনেকৈনো নদীত উটুৱাই দিব ভাবি মনতে কষ্ট পাইছিলো। চকুহাল সেমেকি উঠিছিল।

যা হওক, মনৰ বেজাৰ মনৰ মাজতে থৈ দেৱী বিসর্জনত ভাগ লৈছিলো। পূজাৰ সকলো নীতি-নিয়ম পালন কৰি মাৰ জয়ধ্বনিৰে মুখৰিত সুন্দৰ এটি পৰিবেশৰ মাজেৰে প্ৰতিমাখনি নৈত বিসর্জন দিয়া হৈছিল। কেইবাদিনলৈ আমাৰ মনবোৰ উৰুঙা উৰুঙা লাগি আছিল।❑

শৈশৱৰ দুর্গা পূজা আৰু বর্ত্তমানৰ দুর্গা পূজাৰ এটি মিঠা অনুভৱ

বর্ণালী তালুকদাৰ

দুর্গা পূজা বুলি ক'লে শৈশৱলৈ মনত পৰে। আজিৰ পৰা ৭০ৰ দশকলৈ উভতি যাব লাগিব। সেইখিনি সময়ত উজানবজাৰৰ বাসিন্দা আছিলো। উজানবজাৰখন গুৱাহাটীৰ বহুতো প্ৰভাৱশালী মানুহৰ বাসস্থান। উজানবজাৰত কেইবাখনো ব্যক্তিগত পূজা হয়। বিশেষকৈ ক্ষীৰদা বিষয়াৰ ঘৰৰ পূজাখন আৰু নদীৰ পাৰৰ শুভ বৰুৱাৰ ঘৰৰ পূজাখন এতিয়াও চকুৰ আগত ভাঁহি উঠে। আমাৰ ঘৰৰ ওচৰতে এখন পূজা হয় যিখন আছিল এখন ৰাজহুৱা পূজা। এই পূজাখনেই হ'ল বাৰোৱাৰীৰ পূজা। এই পূজাখনত উজানবজাৰ, মানুহেৰে ভৰি থাকে। বাৰোৱাৰী পূজাখন অতি পুৰণি। এই পূজাখনৰ ইতিবৃত্ত ৰাজবাৰীৰ ওচৰত থকা লগৰ ছোৱালীৰ পৰা জানিব বিচাৰিছিলো আৰু তেওঁলোকৰ পৰা বহুত কথা জানিলো।

ৰাজবাৰীৰ যুৱৰাজ ঘনকান্ত সিংহই আয়োজন কৰা দুর্গা পূজাখনেই গুৱাহাটীৰ প্ৰথমখন দুর্গাপূজা। এইখন তেতিয়া ৰাজপৰিয়ালৰ মাজতে আৱদ্ধ হৈ আছিল। পিছলৈ ৰাজবাৰীৰ পূজাখনেই ৰাজবাৰীৰ পৰা স্থানান্তৰিত হৈ বাৰোৱাৰীলৈ গ'ল। বাৰোৱাৰীৰ দুর্গাপূজাৰূপে এক নতুন ৰূপত পৰিচিত হ'ল। বাৰোৱাৰীৰ পূজা সম্পূৰ্ণকৈ বৈদিক নীতি-নিয়মৰে পালন কৰা হয়। বাৰোৱাৰীৰ পূজাত বলিবিধান নাই। দশমীৰ দিনা পৰম্পৰা অনুসৰি পঁইতাভাত, শ'ল মাছ পোৰা, বেঙেনা পোৰা, আলু পোৰা আদিৰে ভোগ দিয়ে।

উজানবজাৰৰ বাৰোৱাৰীৰ পূজা মণ্ডপৰ দুর্গা পূজাৰ ষষ্ঠী দিনাৰ পৰা ঢুলীয়া, কালিয়া আৰু ওজাপালিৰ আয়োজন কৰিছিল। বাৰোৱাৰী পূজাৰ ৰাতি ৰাতি যাত্ৰা পার্টিৰো আয়োজন কৰিছিল। উজানবজাৰৰ গণ্যমান্য লোকসকলে মিলি সুন্দৰ সুন্দৰ নাটকো প্ৰদর্শন কৰিছিল। বাৰোৱাৰী পূজাখনৰ পিছত গুৱাহাটীৰ বিভিন্ন ঠাইত পূজা পাতিবলৈ ল'লে। হৰিসভাত, কুমাৰপাৰাৰ শান্তি সভাত, পৰৱর্তী সময়ত ভৰলুমুখৰ থানাৰ সন্মুখৰ দুর্গা মন্দিৰতো পূজা পাতিবলৈ ধৰিলে। এনেকৈ গুৱাহাটীত ৰাজহুৱা পূজাৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। পূজাৰ পেণ্ডেলৰ সন্মুখত শাৰী শাৰী দোকান বহিছিল, দোকানবোৰত জিলাপী, খুৰমা, কাঁটা নিমকি, বুণ্ডিয়া বেচিছিল আৰু কিছুমান দোকানত বেলুন, পুতলা পিষ্টল, পুতলা, খেলাৰ সামগ্ৰী বেচিছিল।

এতিয়া আহো শৈশৱৰ দুর্গাপূজালৈ। আহিন মানেই আমাৰ মনত আহে দুর্গাপূজাৰ কথা। আমি সৰু থাকোঁতে আমাৰ ঘৰৰ ওচৰৰ বাৰোৱাৰীৰ পূজাখন আছিল আমাৰ কাৰণে ঘৰুৱা পূজা, এই পূজাখনৰ প্ৰতি বিশেষ আকর্ষণ আছিল। পূজাৰ কেইদিন আহিনৰ কুঁৱলী নেওচি ঘৰৰ মানুহবোৰে শুই উঠাৰ আগতে লগৰ বান্ধৱীৰ লগত শেৱালি ফুল বুটলিব যাওঁ। শেৱালিফুল বুটলি কৰণিত ভৰাওঁ ওচৰৰ ঘৰৰ পৰা ৰঙা জবা চুৰ কৰো। দেৱীক ৰঙা জবাৰ মালা গাঠি দিওঁ। গা ধুই উঠি নতুন কাপোৰ পিন্ধি মা, খুড়ী, পেহীহঁতৰ লগত পূজা মণ্ডপলৈ পাওঁ। পূজা মণ্ডপত সোমাই পূজাৰীৰ হাতত ফুল আৰু মালা আগবঢ়াই দিওঁ। তাৰ পিচত মাহঁতে দেৱীৰ ওচৰত চাকি আৰু ধূপ জ্বলাই দিয়ে। তাৰ পিচত আমি আটায়ে সেৱা জনাই ক্ষীৰদা বিষয়া ঘৰৰ পূজা চাবলৈ যাওঁ। তেওঁলোকৰ পূজাখন ঘৰুৱা পূজা যদিও তাত ঢুলীয়াই ঢোল বজাই থাকে। আমি চকীত বহি সেইবোৰ উপভোগ কৰিছিলো। তাৰ পৰা খোজকাঢ়ি ওচৰৰ পূজাবোৰ চাইছিলো। তেতিয়া গাড়ী-মটৰ কম আছিল। সেইকাৰণে খোজ কাঢ়িবলৈ অসুবিধা নাছিল; পূজাবোৰ চাই চাই আকৌ বাৰোৱাৰীলৈ আহো। তাত আমি অঞ্জলি লওঁ। তাৰ পিচত তাত প্ৰসাদ বিতৰণ কৰে, সেয়া গ্ৰহণ কৰো। মাহঁতে পূজা চাবলৈ হাতত ৫০ পইচা দিছিল। মাহঁতক খুজি আৰু এটা ৫০ পইচা লৈ পেণ্ডেলৰ বাহিৰত দিয়া দোকানৰ পৰা ভজা বুট, লুজেন কিনি খাওঁ; আকৌ মণ্ডপত বহি ওজাপালি চাইছিলো। ল'ৰাবোৰে খুব পিষ্টলেৰে গুলি ফুটাইছিল। আমি হুইচেল বজাই সৰুবোৰক শাসন কৰিছিলো। পূজা মণ্ডপৰ পৰা ওলাই আহোঁতে মাহঁতে গৰম গৰম জিলাপী কিনি আনে। আহোতে উগ্ৰতাৰা মন্দিৰত সোমাই আহো, তাত আমাৰ ওচৰ-চুবুৰীয়াসকলক লগ পাই মাহঁতে অলপ দেৰি বহে। উগ্ৰতাৰালৈ নগ'লে আমাৰ দুর্গাপূজা অসম্পূৰ্ণ হোৱা যেন লাগে। তাত নৱমী পূজা খুব ডাঙৰকৈ হয়। উগ্ৰতাৰাত বলিও হয়, পূজাৰ মাদকতাই বেলেগ।

আবেলি আকৌ পূজা চাবলৈ খোজ কাঢ়ি কাঢ়ি যাওঁ, লগত জেঠাই, মাহী, লগৰবোৰ উপৰি অভিভাৱক হৈ দাদা, মামাহঁত যায়।

আমি উজানবজাৰৰ পৰা খোজকাঢ়ি পাণবজাৰ হৰিসভা, নিউফিল্ড, শান্তিপুৰলৈ যাওঁ। তেতিয়া পূজাত ইমান ভিৰ নাছিল। বেছিভাগ মানুহে খোজকাঢ়ি পূজা চাইছিল। হাতত বেলুন, মুখত পেঁপা— কি যে ভাল লাগিছিল পূজা চাই। ৰাতি প্ৰায় ৯টা মান বাজে, খোজকাঢ়ি কাঢ়ি ভাগৰি যাওঁ। এনেকৈ সপ্তমী, অষ্টমী আৰু নৱমীৰ পূজা উপভোগ কৰো। নৱমী পূজাৰ দিনাখন কুমাৰী পূজা হয়। সেইদিনা অকুমাৰী ছোৱালীবোৰক পূজা কৰে; কুমাৰী পূজাৰ কথা ভাবিলে নষ্টালজিক হৈ পৰো।

তাৰ পিচত আহি পৰে বিজয়া দশমী। বিজয়া দশমীৰ মাদকতাই বেলেগ। বিজয়া দশমীৰ দিনা কাছাৰীঘাটত এখন ডাঙৰ মেলা বহে। তালৈ গোটেই গুৱাহাটীৰ মানুহৰ উপৰি গাঁও অঞ্চলৰ পৰাও বহুত মানুহ গুৱাহাটীলৈ আহে। বিভিন্ন পূজা মণ্ডপৰ পৰা ট্ৰাকেৰে প্ৰতিমাবোৰ আনি জজ ফিল্ডত জমা কৰে।

তাৰ পৰা এখন এখনকৈ কাছাৰীঘাটলৈ নিয়ে। তাৰ পিছত প্ৰতিমাবোৰ নাওত তুলি ব্ৰহ্মপুত্ৰত ফুৰায়। ৰাতি ৮ টা মান বজাত প্ৰতিমাবোৰ উটুৱাবলৈ ধৰে। বিজয়া দশমী চাবলৈ লুইতৰ পাৰত বহুত মানুহৰ সমাগম হয়। গাঁওৰ পৰা অহা মানুহখিনিয়ে মেলাখন খুব উপভোগ কৰে। বিভিন্ন ধৰণৰ বস্তু ঘৰলৈ কিনি লৈ যায়। ক্ষীৰদা বিষয়াৰ ঘৰৰ মানুহখিনিয়ে বিজয়া দশমীৰ দিনা আতচবাজীৰ পোহাৰ মেলে। আতচবাজীবোৰ কলিকতাৰ পৰা আনিছিল। তেওঁলোকে প্ৰতিমাও কলিকতাৰ পৰা আনিছিল।

আমাকো দাদাহঁতে লগৰ ছোৱালীবোৰৰ লগত বিজয়া দশমী দেখুৱাবলৈ লৈ যায়। প্ৰথমতে উজানবজাৰৰ পৰা খোজকাঢ়ি দীঘলীপুখুৰীৰ পাৰলৈ যাওঁ, তাত কিছু সময় বাটৰ দাঁতিত থিয় হৈ ট্ৰাকত অনা প্ৰতিমাবোৰ চাওঁ। কিছুমানে ট্ৰাকৰ পৰা চাউল ছটিয়ায়। ট্ৰাকত যোৱা মানুহখিনিয়ে দেৱীৰ আগত ধুনাৰদানী ঘূৰোৱা দৃশ্য চাবলৈ খুব ভাল লাগিছিল। তাৰ পিছত পাণবজাৰৰ ফালে আগবাঢ়ো। দাদাহঁতে কিবা খুৱাবলৈ গুৱাহাটী ডায়েৰীলৈ লৈ যায়। তাত আমি সকলোৱে চিংৰা আৰু সন্দেশ খাওঁ। তাৰ পৰা আকৌ আমি মেলা চাবলৈ যাওঁ। মেলাত মানুহৰ ভিৰৰ কাৰণে আমি ওলাই আহি কাছাৰীঘাটত থিয় হৈ দেৱীক উটাই দিয়া চাওঁ। বিজয়া দশমী উপভোগ কৰি ৰাতি ৮টামান বজাত ঘৰ সোমাও। বৰ্ত্তমান এনেকুৱা পৰিবেশ নাই। মুকলি মূৰীয়াকৈ পূজা উপভোগ কৰিব নোৱাৰি। পূজাৰ পিচত এখন বিয়া ভঙা যেন লাগিছিল। সেইকেইদিন ঘৰত মানুহেৰে ভৰি আছিল। শৈশৱৰ পূজাৰ কথা ভাবি এতিয়াও নষ্টালজিক হৈ পৰো।

এতিয়া আহো বৰ্ত্তমানৰ পূজালৈ। বৰ্ত্তমানৰ পূজাত জাকজমকতা বেছি। পূজাথলীবোৰত ব্যহ্যিকতা বহুত বেছি হৈছে। বৰ্ত্তমান গুৱাহাটীত মানুহ, গাড়ী সকলো বাঢ়িছে। সেইকাৰণে মানুহে পূজা ভালদৰে উপভোগ কৰিব নোৱাৰে। বৰ্ত্তমান বহুত ক্ষেত্ৰত শালীনতাও কমি গৈছে। এইবোৰৰ ব্যতিক্ৰম বৰ্ত্তমান আমাৰ ঘৰৰ ওচৰৰ গীতানগৰৰ পূজাখন। চাকৰিসূত্ৰে অসমৰ বিভিন্ন ঠাইত থাকি আহি শেষত গীতানগৰত থিতাপি ল'লো। বৰ্ত্তমান গীতানগৰৰ বাসিন্দা। ইয়াত থকাৰ পৰা গীতানগৰৰ পূজাখনৰ লগত জড়িত হৈ পৰিলো। আমাৰ ল'ৰা অৰিন্দম তালুকদাৰো পূজা কমিটিৰ লগত জড়িত হৈ পৰিল। প্ৰত্যেক বছৰে গীতানগৰ পূজাখনৰ মণ্ডপটো বেছ আকৰ্ষণীয় হয়। ইয়াত একোটা সুন্দৰ আৰ্হিৰে এমাহমান আগৰ পৰা মণ্ডপ তৈয়াৰ কৰে। প্ৰতিমাজনীও খুব চকুত লগা। পূজাখনৰ চাৰিওফালে পৰিষ্কাৰ-পৰিচ্ছন্নতা দেখিলে মন ভৰি যায়। পূজাখনত আধ্যাত্মিকতাক খুব গুৰুত্ব দিয়ে। পূজাখনৰ লগত গীতানগৰৰ মানুহখিনি ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে। সকলো কামেই সুন্দৰভাৱে পৰিচালনা কৰে। ৰাতিপুৱাৰ পৰা পূজা মণ্ডপত ঢাকীসকলে ঢোল বজায়। ওচৰৰ আয়তীসকলে গোসাঁনী নাম গাবলৈ লয়। আঠটা মান বজাৰ পৰা মানুহবোৰ সেৱা কৰিবলৈ আহে। হাতত ধূপ, চাকি নৈবেদ্য লৈ আহে। এখন বেঞ্চ পাৰি কমিটিৰ মানুহ ১০ জন মান বহি লয়। শৰাই দিবলৈ অহাসকলে শৰাইবোৰ আগবঢ়াই দিলে তাত সুন্দৰকৈ নম্বৰ দি দিয়ে, যাতে হেৰাই নাযায়। যাত্ৰীসকলে ভোগৰ কাৰণে দিয়া পইচাৰ কাৰণে ৰচিদবোৰ লগে লগে দি যায়। মণ্ডপত বহিবলৈ সুন্দৰ ব্যৱস্থা কৰে। মানুহবোৰে তাত বহি পূজা উপভোগ কৰে। মানুহখিনিক চাহ-জলপানেৰে আপ্যায়ন কৰে। দুপৰীয়া ১২.৩০ বজাত অঞ্জলি দিয়ে। এক বজাত ভোগৰ আয়োজন কৰে। ওচৰৰ প্ৰায়বোৰ ঘৰৰ মানুহে ভোগ খাবলৈ যায়। যিসকলে নাযায় তেওঁলোকে ঘৰলৈ লৈ যায়। তেওঁলোকক কাগজৰ পেকেটত ভৰাই দিয়ে। কোনো বিশৃংখলতা নাথাকে। মণ্ডপৰ বাহিৰতো বহুতো খোৱাৰ দোকান থাকে। তেওঁলোকে কিন্তু লেতেৰা কৰিব নোৱাৰে। বহুতো ওচৰৰ ল'ৰাই ভলণ্টিয়াৰৰ কাম কৰে। সন্ধিয়া পূজামণ্ডপত বহি আৰতি উপভোগ কৰো। প্ৰায় এঘণ্টামান আৰতি হয়, লগে লগে ঢাকীসকলে ঢোল বজায়। বিভিন্ন ঠাইৰ পৰা বহুতো মানুহ পূজা চাবলৈ আহে। গধূলি বহুত ভিৰ হয় কাৰণে দিনতো বহুত মানুহ আহে। পূজা কমিটিয়ে প্ৰত্যেক বছৰে একোখন "ভৰানী" নামেৰে মুখপত্ৰ উলিয়ায়। পূজাখনৰ সকলো খতিয়ান মুখপত্ৰখনত পোৱা যায়। গীতানগৰৰ পূজাখনে বিভিন্ন শিতানত পুৰস্কাৰ বুটলি আনিবলৈ সমৰ্থ হৈছে। মুখপত্ৰ, মণ্ডপ, গোসাঁনী, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ পুৰস্কাৰ পাইছে। গীতানগৰৰ পূজাখন এখন লেখত ল'বলগীয়া পূজা। বৰ্ত্তমানৰ পূজাবোৰত বাহ্যিকতা আছে যদিও আধ্যাত্মিকতা শেষ হৈ যোৱা নাই। এতিয়াৰ পূজাবোৰ খোজকাঢ়ি চাবলৈ যাব নোৱাৰি, কাৰণ গাড়ী মটৰ বহুত বেছি হ'ল। বৰ্ত্তমান পূজাত অতীতৰ দৰে লগে ভাগে খোজকাঢ়ি পূজা চোৱাৰ মাদকতা নাই। বৰ্ত্তমান পূজাৰ যদিও বাহ্যিকতা আছে তাৰ মাজতে সোমাই আছে আয়তীসকলৰ গোসাঁনীৰ নাম, ঢাকী সকলৰ ঢোলৰ মাত, উৰুলি, শংখধ্বনি আৰু পূজাৰীসকলে কৰা আৰতি। দেৱীৰ ওচৰত প্ৰাৰ্থনা কৰিছো দেৱীয়ে যেন সমাজৰ কলুষতা নাইকিয়া কৰি সমাজলৈ নতুন পোহৰ কঢ়িয়াই আনে।❑

গীতানগৰ দুর্গা পূজা ঃ ঐতিহ্যৰ পথৰ পৰা সোণালী বর্ষলৈ

হীৰেণ কুমাৰ ভট্টাচার্য্য

"শক্তিৰূপা জননী,
তুমিতো ভক্তিৰ দীপশিখা;
তোমাৰ নামত উজ্জ্বল হয়,
একত্রিত হৃদয়ৰ দিগন্ত।"

গুৱাহাটীৰ কোলাহলৰ মাজত গীতানগৰ দুর্গাপূজা আজি এক সোণালী অধ্যায়ত পদার্পণ কৰিছে। ১৯৭৬ চনত প্রতিষ্ঠিত এই দুর্গাপূজাই ২০২৫ চনত সম্পূর্ণ কৰিব ৫০ বছৰ, অর্থাৎ সোণালী বর্ষ। অতি সৰল ব্যৱস্থাপনা, সীমিত সঁজুলি আৰু সীমিত ধনেৰে আৰম্ভ হোৱা এই দুর্গাপূজা আজিৰ দিনত গুৱাহাটী মহানগৰৰ অন্যতম আকর্ষণীয় আধ্যাত্মিক উপাসনা, সামাজিক-সাংস্কৃতিক উৎসৱত পৰিণত হৈ উজলি উঠিছে।

১৯৭৬ চনত গীতানগৰ বাসিন্দাৰ কিছুমান উৎসাহী লোকে একত্রিত হৈ আৰম্ভ কৰিছিল গীতানগৰ দুর্গাপূজা। মাটিৰ প্রতিমা, অতি সাধাৰণ মণ্ডপৰ সাজ-সজ্জা, এইবোৰৰ মূলতে আছিল আৰু ৰাইজৰ আন্তৰিক উৎসাহ-উদ্দীপনা। গীতানগৰ দুর্গা পূজাই আৰম্ভণিৰ পৰাই সমাজৰ সকলো স্তৰৰ মানুহক একেলগ কৰি ধর্ম-সংস্কৃতিৰ জৰিয়তে ঐক্য স্থাপন কৰাৰ মূল লক্ষ্য স্থিৰ কৰিছিল বুলি আমি অনুভৱ কৰিছো।

১৯৮০ আৰু ১৯৯০ দশকত গীতা নগৰৰ দুর্গাপূজাই জনপ্রিয়তা লাভ কৰি গীতানগৰৰ পৰিসৰ অতিক্রম কৰি গুৱাহাটী মহানগৰৰ এক আকর্ষণৰ কেন্দ্রবিন্দু হৈ পৰিছে। ২০০০ দশকত পূজাই পালে আধুনিক ৰূপ। শৈল্পিক প্রতিমা, থিমেটিক পেণ্ডেল, আলোকসজ্জা এইবোৰে পূজাক এক অনন্য উচ্চতালৈ লৈ গ'ল। পূজাৰ লগত বিভিন্ন সাংস্কৃতিক কার্যসূচীয়েও নতুন গতি লাভ কৰিলে।

১৯৮৮ শকৰ পৰা প্রকাশ হৈ অহা 'ভৱানী' আলোচনী আজিৰ সময়ত সাহিত্য, সমাজ-সংস্কৃতিৰ এক দলিল ৰূপে পৰিগণিত হৈ আহিছে। ইয়াত কবিতা, গল্প, প্রবন্ধ, স্মৃতিচাৰণ, সমাজসেৱামূলক লেখাই স্থান পাই আহিছে। আগশাৰীৰ লেখক, কবি, সাহিত্যিকৰ উপৰি নতুন প্রজন্মৰ সৃষ্টিৰে আলোচনীখন সমৃদ্ধ। সোণালী বর্ষৰ 'ভৱানী' বিশেষ সাক্ষী হ'ব বুলি আমি আশাবাদী।

আমি শৈশৱৰ পৰাই গীতানগৰ দুর্গাপূজা চাবলৈ পাইছোঁ। এসময়ৰ সৰু পৰিসৰৰ পূজা আজিৰ দিনত গর্বেৰে বৃহৎ ৰূপত পৰিণত হোৱা দৃশ্য আমাৰ চকুৰ আগতেই ঘটিছে। পূজাৰ সময়ত গধূলি পেণ্ডেলৰ ভিতৰত সোমাই এচুকত বহো আমাৰ পৰিয়াল। অতি শৃংখলাৱদ্ধভাৱে হোৱা পূজাৰ সকলো কার্যসূচী আমি পার্য্যমানে উপভোগ কৰো। মনটো ভৰি উঠে। 'ভৱানী' আলোচনীত লিখিবলৈ সুযোগ পোৱাটো মোৰ বাবে এক বিশেষ সৌভাগ্য। পূজা সম্বন্ধে বিভিন্ন সময়ত ভৱানীৰ পাতত লিখি আহিছোঁ। আজিৰ সোণালী বর্ষৰ শুভ ক্ষণত উদ্যোক্তাসকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।❑

বিশিষ্ট লেখক তথা সমাজসেৱক, মঠঘৰীয়া, গুৱাহাটী।

'ভৰানী' সম্পাদনা সমিতিৰ হৈ আমি সভাপতি, মুখ্য সম্পাদক আৰু সাহিত্য সম্পাদকে তিনিগৰাকী বৰীয়ান জ্ঞানজ্যেষ্ঠ, ধৰ্মশীল ব্যক্তিৰ কায চাপিছিলোঁ সাক্ষাৎ গ্ৰহণ কৰাৰ বাবে।

(ক)
শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গোস্বামীদেৱৰ সাক্ষাৎকাৰৰ সময়ত আমাৰ প্ৰশ্ন আৰু তেখেতৰ উত্তৰ—

১নং প্ৰশ্ন ঃ আপুনি গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজাৰ আৰম্ভণি ক্ষণত এই পূজাখনৰ সৈতে কেনেভাবে জড়িত আছিল?

উত্তৰ ঃ ইং ১৯৭৫ চনৰ দুৰ্গাপূজাৰ দেৱী বিসৰ্জনৰ পিছত প্ৰতিমা লৈ কৰা শোভাযাত্ৰা চাবলৈ গৈ ভোলা নাথ শৰ্মা, কানু ৰাম কলিতা, নাৰায়ণ চন্দ্ৰ শৰ্মাৰ লগত অনুৰাধা চিনেমা হ'লৰ সন্মুখত পৰৱৰ্তী বছৰৰ পৰা আমাৰ ইয়াত দুৰ্গাপূজা উদ্‌যাপনৰ বিষয়ে আলোচনা কৰাৰ পৰা, অঞ্চলৰ ৰাইজৰ পৰামৰ্শ গ্ৰহণ কৰা, সভা আহবান কৰা, পূজাৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰা পূজাৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ আদিকে ধৰি পূজা শেষ হোৱালৈকে কাম সমূহ পৰিচালনা কৰা ব্যক্তিসকলৰ অন্যতম হিচাবে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলো।



২নং প্ৰশ্ন ঃ পূজাখনৰ আৰম্ভণিৰ সেই সময়খিনিত গীতানগৰ অঞ্চলৰ সামাজিক বাতাবৰণ তথা জনগাঁঠনিৰ বিষয়ে দুআষাৰ ক'ব নেকি?

উত্তৰ ঃ সেই সময়ত জনবসতি বৰ পাতল আছিল। উদং পথাৰত কাৰ্বিসকলৰ লগতে জমিদাৰৰ মাটি আছিল। কাৰ্বিসকলৰ কোনো কোনোৱে হাল বাই খেতি কৰিছিল। কাৰ্বিসকল বৰ সহজ-সৰল লোক।

পৰৱৰ্তী সময়ত ছিলঙৰ পৰা ৰাজধানী গুৱাহাটীলৈ অহাত চৰকাৰী চাকৰীয়াল সকল, গুৱাহাটীলৈ ভিন ভিন ঠাইৰ পৰা, আনকি অসমৰ বাহিৰৰ পৰা অহা ব্যৱসায়ীসকল, ভিন ভিন ঠাইৰ পৰা কৰ্ম সংস্থাপন বিচাৰি আহি বসবাস কৰিবলৈ লোৱা লোকসকলৰ বাবে জনবসতি আৰু জনগাঁঠনিৰ সম্পূৰ্ণ পৰিৱৰ্তন হ'ল।

হাতীগড়-কাৰ্বিপথ, নাৰিকলবাৰী (বড়গছতল) আৰু ৰংকিমিত পূৰ্বৰে পৰা একোটাকৈ দেওঁহাল থান আছিল। থানসমূহত ফাগুণ মাহৰ প্ৰথমটো মঙলবাৰে দেওঁহাল পূজা উদ্‌যাপন কৰিছিল। পাতলীয়া জনবসতিৰে পূৰ্ণ অঞ্চলটোত সুস্থ বাতাৱৰণে বিৰাজ কৰিছিল। কাৰ্বি-অনাকাৰ্বি সকলৰ মাজত মিলা-প্ৰীতি আৰু শান্তিপূৰ্ণ পৰিৱেশ আছিল।

কাৰ্বিসকলৰ দেওঁহাল থানৰ লগে লগে হাতীগড়-ৰে'লৱে ক'লনী পথত অলখ নিৰঞ্জন শিৱমন্দিৰ, অম্বিকাগিৰীনগৰত শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ প্ৰতিষ্ঠা কৰা হয়। ইং ১৯৭৫ চনত গীতা মন্দিৰৰ আধাৰশিলা স্থাপন কৰে পঞ্জাৰৰ তদানিন্তন মুখ্যমন্ত্ৰী জ্ঞানী জাইল সিং আৰু ৰাজ্যপাল অসম সন্তান মহেন্দ্ৰ মোহন চৌধুৰীয়ে, এই মন্দিৰ ইং ১৯৮১ চনত উদ্বোধন কৰে চৌধুৰীদেৱে। পৰৱৰ্তী সময়ত বৈকুণ্ঠপুৰত এটা ৰাজহুৱা শিৱ মন্দিৰ আৰু শিৱাচল শিৱাশ্ৰমত শ্ৰীশ্ৰী মহাকাল মহাভৈৰৱী মন্দিৰ প্ৰতিষ্ঠা কৰা হয়। এই মন্দিৰ সমূহত বছৰেকীয়া পূজা অৰ্চনাৰ উপৰিও ঠায়ে ঠায়ে শ্ৰীশ্ৰীশিৱ মন্দিৰ আৰু শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ প্ৰতিষ্ঠা হৈছিল।

৩নং প্ৰশ্ন ঃ পূজাখনৰ প্ৰাক্‌ক্ষণত পূজাখনৰ প্ৰতি ভক্তপ্ৰাণ

ৰাইজৰ সহাৰি তথা সহযোগ কেনেকুৱা আছিল, তেখেতসকলৰ পৰা দান-বৰঙণি-চাঁদা সংগ্রহ কিদৰে কৰা হৈছিল, পূজাৰ মণ্ডপ কিদৰে নির্মাণ কৰা হৈছিল— এইবোৰ আলোকপাত কৰি অলপমান ক'ব নেকি?

উত্তৰ ঃ পূজাখনৰ প্রতি ভক্তপ্রাণ ৰাইজৰ সঁহাৰি সন্তোষজনক আৰু সহযোগ উৎসাহজনক আছিল। পূজা পৰিচালনা সমিতি গঠনৰ পিছত নিমন্ত্রণী চিঠি আৰু ৰচিদ বহী ছপাই ঘৰে ঘৰে গৈ পূজালৈ নিমন্ত্রণ কৰাৰ লগতে চাঁদাৰ দান-বৰঙণি সংগ্রহ কৰা হৈছিল। বন্ধৰ দিনত পুৱা-গধূলি আৰু খোৱা দিনত গধূলি সদস্যসকল হাতিগড় প্রাথমিক বিদ্যালয় চৌহদত লগ লৈ কমপক্ষেও চাৰি-পাঁচজনীয়া দুটা গোটত বিভক্ত হৈ বেলেগ বেলেগ অঞ্চললৈ যোৱা হৈছিল— পূজালৈ নিমন্ত্রণ জনাই চাঁদা, দান-বৰঙণি সংগ্রহ কৰিবলৈ। মণ্ডপ আৰু সভাঘৰ টিনৰ চালিৰে নির্মাণ কৰা হৈছিল। ডাঙৰকৈ নির্মাণ কৰা টিনৰ চালিৰ পূবফালে ঠাই এৰি মণ্ডপ আৰু সভাঘৰৰ মাজত জেওৰা এখন দিয়া হৈছিল। সেই জেওৰাই মণ্ডপ আৰু সভাঘৰ পৃথক কৰাৰ লগতে পূজা সমিতিৰ ফালৰ পৰা মণ্ডপৰ দায়িত্বত থকা ব্যক্তিসকলৰ বাবে আন ব্যক্তি সোমাব নোৱৰাৰ ব্যৱস্থাও হৈছিল।

৪নং প্রশ্ন ঃ সেই সময়ত ৰাইজৰ পূজাভাগৰ প্রতি যি ভক্তিভাব আছিল সেয়া বর্তমান সময়তো অটুত আছে বুলি আপুনি ভাবেনে?

উত্তৰ ঃ যিসকল ভক্তই পূজা ভাগৰ প্রতি আস্থা, শ্রদ্ধা, ভক্তি সহকাৰে বিশুদ্ধ অন্তৰ লৈ অংশগ্রহণ কৰে সেই সকলৰ সদায় সেই ভক্তিভাৱ অটুত থাকিব আৰু তেনে ব্যক্তিৰ অভাৱ নাথাকিব।

৫নং প্রশ্ন ঃ এই পূজাখনৰ প্রতি নতুন প্রজন্ম কিমান গভীৰভাৱে আকৃষ্ট বুলি আপুনি ভাবে? ঐতিহ্যমণ্ডিত গীতানগৰৰ এই পূজাখনৰ স্বকীয় বৈশিষ্ট অটুত ৰাখি ইয়াৰ উত্তৰোত্তৰ উন্নতিৰ বাবে নৱ প্রজন্মলৈ আপোনাৰ দিহা-পৰামর্শ, উপদেশ আদি?

উত্তৰ ঃ পূজাভাগৰ লগত জড়িত নৱপ্রজন্মৰ সকলোৱেই গভীৰভাৱে আকৃষ্ট নহ'বও পাৰে বা হয় তাক কোৱা টান। কিন্তু তাৰ ভিতৰত কিছুসংখ্যক গভীৰভাৱে আকৃষ্ট, শ্রদ্ধাৱান বাবেই পূজাভাগ নিৰৱচ্ছিন্নভাৱে সফলতাৰে উদ্‌যাপিত হৈ আহিছে।

পূজা আধ্যাত্মিকতাপূর্ণ এক পবিত্র অনুষ্ঠান। ইয়াৰ আধ্যাত্মিকতা, পৱিত্রতা আৰু স্বকীয়তা অক্ষুণ্ণ ৰাখিব লাগিব। এনেকুৱা অনুষ্ঠানৰ অংশীদাৰ হ'বলৈ নিজৰ মনৰ পৰা ভেদভাৱ, কলুষতা আদি সম্পূর্ণভাৱে আতৰ কৰিব লাগিব। ঐক্য, শান্তি-সম্প্রীতি, ভাতৃত্ববোধ আদি এনাজৰীৰে সমাজক বান্ধি ৰাখিবৰ বাবে পূজাৰ নিচিনা পৱিত্র অনুষ্ঠান উদ্‌যাপন কৰা হয়। পূজা উদ্‌যাপনৰ বাবে আগবাঢ়ি অহা নৱপ্রজন্মৰ সকলোৱে আন্তৰিক শ্রদ্ধা ভক্তি সহকাৰে ভেদ ভাৱ আদি পৰিহাৰ কৰি শুদ্ধ চিত্তে অংশ গ্রহণ কৰিব লাগিব। প্রয়োজন সাপেক্ষে অভিজ্ঞতাপূর্ণ জ্যেষ্ঠসকলৰ পৰা উপদেশ, দিহা-পৰামর্শ লৈ কামত আগবাঢ়িব লাগিব।

৬নং প্রশ্ন ঃ বর্তমানৰ পূজাস্থলিত প্রয়োজনতকৈ অধিক উৎসৱমুখৰ পৰিৱেশ সৃষ্টিৰ প্রৱণতা দেখা যায়— বহু পূজা কমিটি/সমিতি বা উদ্যোক্তাৰ মাজত। এনে প্রৱণতাই পূজাখনৰ সামগ্রিক মাঙ্গলিক বাতবৰণটো কিছু পৰিমাণে হ'লেও বিনষ্ট কৰা বুলি আপুনি নাভাবেনে?

উত্তৰ ঃ পূজাভাগৰ প্রাধান্য কমাই অধিক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰাৰ প্রৱণতা সমর্থনযোগ্য হ'ব নোৱাৰে। এনেকুৱা বাতাৱৰণে মাঙ্গলিক পৰিৱেশ লাঘৱ কৰাটো স্বাভাৱিক। পূজা উদ্‌যাপনৰ প্রথম আৰু প্রধান উদ্দেশ্য হ'ল বিধিমতে সম্পূর্ণ নীতি-নিয়ম মানি পূজাভাগ সুসম্পন্ন কৰা। পূজাৰ লগত সংগতি ৰাখি কোনোৱাই বিভিন্ন প্রকাৰে উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰিবও পাৰে, কিন্তু সততে সতর্ক হ'ব লাগিব যাতে বিধিগতভাৱে পূজাভাগ সুসম্পন্ন কৰাত কোনো ত্রুটি-বিচ্যুতি নহয়। উৎসৱমুখৰ পৰিৱেশ পূজাৰ অপৰিহার্য অংগ নহয়। আৰতি, দুর্গা গোসানীৰ নাম, দিহা-নাম, নাগাৰা নাম আদি আমাৰ কৃষ্টি-সংস্কৃতিৰ অবিচ্ছেদ্য অংগ এই বিলাকৰ প্রতিযোগিতা অনুষ্ঠিত কৰি পূজাৰ সৌষ্ঠৱ বৃদ্ধি কৰিব পাৰি।

(খ)
শ্ৰীযুত প্ৰভাত চন্দ্ৰ বৰ্মনদেৱৰ সাক্ষাৎকাৰৰ সময়ত আমাৰ প্ৰশ্ন আৰু তেখেতৰ উত্তৰ—

১নং প্ৰশ্ন ঃ আপুনি গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজাৰ আৰম্ভণি ক্ষণত এই পূজাখনৰ সৈতে কেনেভাবে জড়িত আছিল?

উত্তৰ ঃ ১৯৭৪ চন, দুৰ্গাপূজাৰ দশমীৰ অন্তত প্ৰতিমা ভাসানী। এই ভাসানীৰ শোভাযাত্ৰা চাবলৈ যোৱা বৈকুণ্ঠপুৰ নিবাসী স্বৰ্গীয় কানু কলিতা, স্বৰ্গীয় ভোলা শৰ্মা, স্বৰ্গীয় নাৰায়ণ শৰ্মাৰ লগতে শ্ৰীনাৰায়ণ গোস্বামীদেৱৰ মনত এটি ভাৱৰ বুৰবুৰণিৰ সৃষ্টি হ'ল যে হাতীগড় প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত দুৰ্গাপূজা এখন পাতিব পৰা যায় নেকি। গ'ল কথা গুচিল। ১৯৭৬ চনৰ জুলাই মাহৰ কোনোৱা এটি দিনত এই সদাশয় ব্যক্তিসকলে ওচৰৰে দুই চাৰিজন নেত্ৰীস্থানীয় ব্যক্তিৰ লগত আলোচনা কৰি ৰাজহুৱা সভা পাতি পূজা পতা সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিলে। সিদ্ধান্তমৰ্মে সভা আহ্বান কৰা হ'ল। সভাত উপস্থিতি সেৱেঙা হোৱাৰ উপৰিও ইতিমধ্যে প্ৰতিষ্ঠিত পূজা ভাগৰ কোনো প্ৰতিনিধি উপস্থিত হোৱা দেখা নগ'ল। সেয়েহে পুনৰ ৰাজহুৱা সভা পতাৰ সিদ্ধান্ত হ'ল, লগতে ইতিমধ্যে প্ৰতিষ্ঠিত পূজা ভাগৰ কমিটিৰ লগত যোগাযোগৰ দায়িত্ব অৰ্পণ কৰিলে নাৰিকলবস্তিৰ ২নং উপপথ নিবাসী স্বৰ্গীয় খগেন গোস্বামীদেৱক আৰু মোক। আমি কমিটিৰ নেত্ৰীস্থানীয় ব্যক্তি স্বৰ্গীয় মাণিক বৰঠাকুৰ, স্বৰ্গীয় খগেন সৰকাৰ আৰু স্বৰ্গীয় গিৰিণ ডেকাৰ লগত আলোচনাত বহিলো যদিও তেখেতসকলে ইতিমধ্যে প্ৰতিষ্ঠিত পূজা ভাগৰ স্থান সলনি কৰাৰ ক্ষেত্ৰত অপাৰগতা প্ৰকাশ কৰিলে— এই কাৰণে যে ইতিমধ্যে পূজাভাগ পৰৱৰ্তী বছৰৰ বাবেও নিমন্ত্ৰণ কৰা হৈছে। দ্বিতীয়খন সভাত উপস্থিত থাকিবলৈ আহ্বান কৰি আহি আমাৰ উদ্যোক্তাসকলক জনালে। দ্বিতীয় ৰাজহুৱা সভা অনুষ্ঠিত হ'ল। জু-নাৱেঙ্গী পূজাৰ প্ৰতিনিধি আহি তেখেতসকলৰ লগত সমিলমিলেৱে আৰু এখন পূজাৰ বাবে সভাৰ আহ্বান জনালে।



অৱশেষত উক্ত সভাতে গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজা নামাকৰণেৱে গীতানগৰ স্কুল খেলপথাৰত পূজা পতাৰ সিদ্ধান্ত লৈ এখন পূজা পৰিচালনা সমিতি গঠন কৰা হয়। পাছত ১৯৭৬ চনৰ ছেপ্টেম্বৰ মাহৰ ১৯ তাৰিখৰ পৰা পূজাৰ আৰম্ভ। সাধাৰণ সভা অনুষ্ঠিত কৰা দিনৰ পৰা পূজাভাগলৈ মাত্ৰ ডেৰ মাহ বাকী। আমি সকলো সদস্যই সৰু সৰু দলত বিভক্ত হৈ চাৰিও দিশে চাৰিটা দলে প্ৰতিৱেশী ৰাইজৰ ঘৰে ঘৰে গৈ দান-বৰঙণি সংগ্ৰহত ব্যস্ত হৈ পৰিছিলো।

২নং প্ৰশ্ন ঃ পূজাখনৰ আৰম্ভণিৰ সেই সময়খিনিত গীতানগৰ অঞ্চলৰ সামাজিক বাতাবৰণ তথা জনগাঁঠনিৰ বিষয়ে দুআষাৰ ক'ব নেকি?

উত্তৰ ঃ পূজাভাগৰ আৰম্ভণি বৰ সুখকৰ বুলি অনুভৱ কৰিব পাৰিছিলো। মাত্ৰ কেইজনমান ব্যক্তিৰ চিন্তাধাৰাক ৰাইজৰ মাজত ব্যক্ত কৰি সমূহীয়াভাৱে দুৰ্গাপূজা পতাৰ সিদ্ধান্তত উপনীত হোৱা বাবে। অৱশ্যে সেই সময়ৰ জনগাঁঠনি বৰ সেৱেঙা আছিল। বৰ্তমানৰ বৈকুণ্ঠপুৰ, কাৰ্বি পথৰ বাহিৰে হাতীগড়, বলুকাচ'ক, নাৰিকলবস্তি, নগাঁও আদি অঞ্চলৰ ৰাস্তা-ঘাট উন্নত নাছিল। সেই সময়ত কেইঘৰমান মানুহ লগ লাগি একোটা চুবুৰী গঠন কৰি কাৰ্বি জনগোষ্ঠীয় সমাজ গঠিত হৈছিল। লাহে লাহে ইয়াত বিভিন্ন অসমীয়া খিলঞ্জীয়া জনগোষ্ঠীৰো বসতি আৰম্ভ হ'বলৈ ধৰিছিল।

এই বৃহৎ অঞ্চলত কোনো বিশেষ পূজা-পাতল আৰম্ভ হোৱা নাছিল। কিয়নো ইয়াত জনবসতি একেবাৰে সেৱেঙা আছিল। ছিলঙৰ পৰা ৰাজধানী গুৱাহাটীলৈ নামি অহাৰ লগে লগে সুবিশাল খেতি-পথাৰৰ মাজে মাজে দুই এঘৰকৈ মানুহৰ বসতি হ'বলৈ ধৰিছিল যদিও ই সংগঠিত সমাজৰ ৰূপ পোৱা নাছিল। বৰ্তমানৰ গীতানাগৰৰ অন্তৰ্গত বৈকুণ্ঠপুৰ নামৰ ঠাইখন এটা সময়ত কিছু পৰিমাণে সুসংগঠিত ৰূপত গঢ় লৈ উঠিছিল।

হাতীগড় প্রাথমিক বিদ্যালয়ৰ নামত চৰকাৰে চাৰি বিঘা মাটিৰ আৱণ্টত দিয়াত স্কুলখনৰ লগতে এখন আহল বহল খেলপথাৰৰো সৃষ্টি হ'ল। সেইসময়ত ৰে'লৱে ক'লনিৰে গুৱাহাটী ৰিফেইনেৰী আদিৰ কার্যালয়লৈ অহা-যোৱা কৰিবলগীয়া পথৰ সূচলৰ অভাৱত হাতীগড় চাৰিআলিৰ পৰা বামুণীমৈদাম সংযোগী পথটোৱেই আছিল একমাত্র পথ যিপথ আছিল পাহাৰীয়া, দুর্গম।

৩নং প্রশ্ন ঃ পূজাখনৰ প্রাক্ক্ষণত পূজাখনৰ প্রতি ভক্তপ্রাণ ৰাইজৰ সহাৰি তথা সহযোগ কেনেকুৱা আছিল, তেখেতসকলৰ পৰা দান-বৰঙণি-চাঁদা সংগ্রহ কিদৰে কৰা হৈছিল, পূজাৰ মণ্ডপ কিদৰে নির্মাণ কৰা হৈছিল— এইবোৰ আলোকপাত কৰি অলপমান ক'ব নেকি?

উত্তৰ ঃ আৰম্ভণিৰে পৰা বিভিন্ন জনগোষ্ঠীৰে গঠিত সমাজ তথা ৰাইজৰ পৰা পোৱা সঁহাৰিত বৈদিক নীতি-নিয়মেৰে আধ্যাত্মিকতা বজাই ৰাখি দান-বৰঙণিসমূহ, পূজাৰ বাবে প্রয়োজনীয় সমগ্রী আদি আহৰণ কৰাত অসুবিধাৰ সন্মুখীন হ'ব লগা হোৱা নাছিল। সেই সময়ত পূজাৰ বাজেট তেনেই সীমিত আছিল। প্রথম পূজাখনত বাজেট নির্ধাৰণ কৰা হৈছিল মাত্র সাত হাজাৰ টকা। কার্যকৰী সমিতিৰ বৰঙণি হিচাপে ধার্য্য কৰা হৈছিল ত্রিশ টকাৰ পৰা পঞ্চাশ টকা পর্যন্ত। ভক্তপ্রাণ ৰাইজৰ প্রতি কোনো বৰঙণি ধার্য্য কৰা হোৱা নাছিল। যিয়ে নিজ ইচ্ছাৰে যি দান-বৰঙণি আগবঢ়াইছিল তাকেই আনন্দেৰে গ্রহণ কৰা হৈছিল।

পূজাৰ মণ্ডপটো ত্রিশ ফুট দীঘল আৰু বিশ ফুট বহলকৈ টিনৰ চালিৰে বনোৱা হৈছিল। বেৰবোৰ তর্জাৰে সজা হৈছিল।

৪নং প্রশ্ন ঃ সেই সময়ত ৰাইজৰ পূজাভাগৰ প্রতি যি ভক্তিভাব আছিল সেয়া বর্তমান সময়তো অটুত আছে বুলি আপুনি ভাবেনে?

উত্তৰ ঃ হয়, অটুত আছে। আপোনালোকে নিশ্চয় দেখিবলৈ পাইছে যে বর্ত্তমান সপ্তমীৰ পৰা দশমীলৈ ভক্তপ্রাণ ৰাইজৰ ক্রমবর্ধমান উপস্থিতি আৰু মা দুর্গাদেৱীলৈ আগবঢ়োৱা নৈবদ্য, শৰাইৰ ক্রমবর্ধমান অপ্রতিৰোধ্য প্রয়োভৰ।

৫নং প্রশ্ন ঃ এই পূজাখনৰ প্রতি নতুন প্রজন্ম কিমান গভীৰভাৱে আকৃষ্ট বুলি আপুনি ভাবে? ঐতিহ্যমণ্ডিত গীতানগৰৰ এই পূজাখনৰ স্বকীয় বৈশিষ্ট অটুত ৰাখি ইয়াৰ উত্তৰোত্তৰ উন্নতিৰ বাবে নৱ প্রজন্মলৈ আপোনাৰ দিহা-পৰামর্শ, উপদেশ আদি?

উত্তৰ ঃ আমি যিদৰে ভক্তপ্রাণ ৰাইজৰ সহযোগত পূজাভাগ বৈদিক প্রথাৰে আধ্যাত্মিকতা বজাই ৰাখি আৰম্ভ কৰিছিলো তেনেদৰেই ২০০০ চনত অনুষ্ঠিত ৰূপালী জয়ন্তী বর্ষলৈকে ক্রমবর্ধমান গতিত পূজাখন চলি আছিল যদিও প্রায় ২০০৭-২০০৮ চনৰ পৰা আমাৰ দ্বিতীয় পুৰুষৰ তত্বাৱধানত, স্বর্গীয় নয়ন কুমাৰ দাসৰ নেতৃত্বত বছৰে বছৰে তীব্রগতিত ইয়াৰ শ্রীবৃদ্ধি হ'বলৈ ধৰিলে আৰু স্বর্গীয় দাসদেৱ স্বর্গগামী হোৱাৰ পাছতো সেই গতি অব্যাহত আছে, যাৰফলত সাত হাজাৰ টকাৰ বাজেটেৰে আৰম্ভ কৰা পূজাভাগ আজি সোণালী জয়ন্তী বর্ষত কোটি টকাৰ বাজেটৰ পূজালৈ ৰূপান্তৰিত হৈছে। গতিকে মই নিশ্চিন্ত যে এই নৱ প্রজন্মৰ পুৰুষে এই পূজাক উদ্গতিৰ এক উচ্চ শিখৰলৈ আগবঢ়াই লৈ যাবলৈ সক্ষম হ'ব। গীতানগৰ সার্বজনীন দুর্গাপূজাখনৰ আলৌকিক মাহাত্ম্য আছে। যাৰফলত সগৌৰৱেৰে উৎকৃষ্টতাৰ দিশত পূজাভাগৰ প্রসাৰণ ঘটিছে। জয়তু নৱ প্রজন্ম।

৬নং প্রশ্ন ঃ বর্তমানৰ পূজাস্থলিত প্রয়োজনতকৈ অধিক উৎসৱমুখৰ পৰিৱেশ সৃষ্টিৰ প্রৱণতা দেখা যায়— বহু পূজা কমিটি/সমিতি বা উদ্যোক্তাৰ মাজত। এনে প্রৱণতাই পূজাখনৰ সামগ্রিক মাঙ্গলিক বাতবৰণটো কিছু পৰিমাণে হ'লেও বিনষ্ট কৰা বুলি আপুনি নাভাবেনে?

উত্তৰ ঃ চাওঁক, গীতানগৰ সার্বজনীন দুর্গাপূজা ভাগ যে অলৌকিক শক্তি সম্পন্ন পূজাত পৰিণত হৈছে ইয়াৰ প্রসাৰতাই ইয়াক প্রমাণ কৰে। বর্তমান এই পূজাভাগৰ সমীপত দুই-তিনিখনকৈ নতুন পূজাৰ জন্ম দিয়াৰ পাছতো আমাৰ পূজাখনৰ গতি ৰুদ্ধ হোৱা নাই অথবা ইয়াৰ জনপ্রিয়তা ম্লান পৰা নাই, বৰং বাঢ়িছেহে। বর্তমান বিভিন্ন কোম্পানী আদিয়ে দুর্গাপূজা বিষয়ক অনেক প্রতিযোগিতা পতা দেখিছো। এই প্রতিযোগিতা সমূহত আমাৰ পূজাখনে প্রতি বছৰে কিবা নহয় কিবা এটা হ'লেও পুৰস্কাৰ পাবলৈ সক্ষম হৈছে। হয়, উদ্যোক্তা কমিটিসমূহৰ অহেতুক উৎসৱমুখৰ প্রৱণতা গা কৰি উঠা দেখা যায়। আমাৰ উদ্যোক্তাসকলে এনে ক্ষেত্রত পূজাখনৰ সামগ্রিক মাঙ্গলিক বাতাবৰণ বিনষ্ট হ'বলৈ দিয়া নাই। পূজাভাগ সম্পূর্ণ বৈদিক নীতি-নিয়মৰ মাজেৰে পালন কৰি অহা হৈছে। এয়া মোৰ পঞ্চাশ বছৰৰ অভিজ্ঞতাৰ পৰাই আশ্বস্ত হ'ব পাৰিছো।

আপোনালোকে ইমান সময় ধৈর্য্য ধৰি মোৰ কথাবোৰ শুনি থাকি মোক চমুকৈ হ'লেও পূজাখনৰ ইতিহাস বর্ণনা কৰিবলৈ দিয়া বাবে আপোনালোকক মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

(গ)
শ্ৰীযুত অৰনী কুমাৰ ডেকাদেৱৰ সাক্ষাৎকাৰৰ সময়ত আমাৰ প্ৰশ্ন আৰু তেখেতৰ উত্তৰ—

১নং প্ৰশ্ন ঃ আপুনি গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজাৰ আৰম্ভণি ক্ষণত এই পূজাখনৰ সৈতে কেনেভাবে জড়িত আছিল?

উত্তৰ ঃ যোৱা ১৯৭৬ চনত গীতানগৰ অঞ্চলৰ অন্তৰ্গত বৈকুণ্ঠপুৰৰ কেইজনমান ভক্তপ্ৰাণ ৰাইজৰ প্ৰচেষ্টাত আলোচনা কৰি ৰাইজৰ মতামত লৈ এখন ৰাজহুৱা মিটিং আহ্বান কৰি দুৰ্গাপূজা পতাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই কমিটিত ময়ো অন্তৰ্ভুক্ত হৈ পূজাৰ সকলো কামতে সহায়-সহযোগ কৰিছিলো। প্ৰথম পূজাত আমি টিনৰ চালিৰ দাৰা মণ্ডপ আৰু টিঙৰ ৰভা সজাইছিলো। সম্পূৰ্ণ বৈদিক আৰু সাত্বিকভাবে পূজা ভাগ সম্পন্ন কৰা হৈছিল। গীতানগৰবাসীৰ আগ্ৰহ আৰু ভক্তিভাৰ পূজাস্থলিত দেখিবলৈ পোৱা গৈছিল আৰু এটা কথা মনত পৰিছে— প্ৰথম পূজাত পূজা কমিটিৰ অনুমতি লৈ প্ৰচাৰৰ বাবে, দুখন বেনাৰ 'গীতানগৰ সাৰ্বজনীন দুৰ্গাপূজা, স্থাপিত ১৯৭৬ বুলি লিখি এখন হাতীগড় চাৰিআলি আৰু এখন গীতানগৰ হাইস্কুলৰ ফিল্ডৰ সন্মুখৰ ৰাস্তাত আৰি দিছিলো।



ইয়াৰোপৰি পূজাৰ তিনি দিন ৰাতি ৰাতি যাত্ৰা পাৰ্টীৰ দ্বাৰা যাত্ৰাভিনয়ৰ আয়োজন কৰা হ'ব বুলি বোৰ্ডত চক্ পেঞ্চিলেৰে লেখি ৰাইজক জনোৱা হৈছিল।

২নং প্ৰশ্ন ঃ পূজাখনৰ আৰম্ভণিৰ সেই সময়খিনিত গীতানগৰ অঞ্চলৰ সামাজিক বাতাবৰণ তথা জনগাঁঠনিৰ বিষয়ে দুআষাৰ ক'ব নেকি?

উত্তৰ ঃ গীতানগৰ নামটো প্ৰকাশ পোৱাৰ আগতে এই অঞ্চলটো ভলুকাচুক, নগাঁও আৰু ৰংকিমিনগৰ নামেৰে জনাজাত আছিল। সমগ্ৰ অঞ্চল প্ৰধানকৈ জনজাতীয় লোকৰ বাসস্থান আছিল— যেনে বড়ো, কাৰ্বি, নেপালী ইত্যাদি। তেওঁলোকৰ জীৱিকাৰ প্ৰধান উৎস খেতি-বাতি আৰু নেপালী ভাই বন্ধুৰ খৰি কাটি আনি বিক্ৰী কৰা আৰু গাখীৰৰ ব্যৱসায়। সেইসময়ত যাতায়তৰ বিশেষ সুবিধা নাছিল আৰু শিক্ষা দিক্ষাও সিমান নাছিল। ১৯৭০ চনৰ আগতে স্থাপন কৰা হাতীগড় প্ৰাথমিক বিদ্যালয় নামৰ স্কুলখন গীতানগৰ ফিল্ডত স্থাপন কৰা হৈছিল। পূজা-পাতলো তেওঁলোকৰ নিয়ম-নীতি অনুসাৰেই পালন কৰিছিল।

৩নং প্ৰশ্ন ঃ পূজাখনৰ প্ৰাক্ক্ষণত পূজাখনৰ প্ৰতি ভক্তপ্ৰাণ ৰাইজৰ সহাৰি তথা সহযোগ কেনেকুৱা আছিল, তেখেতসকলৰ পৰা দান-বৰঙণি-চাঁদা সংগ্ৰহ কিদৰে কৰা হৈছিল, পূজাৰ মণ্ডপ কিদৰে নিৰ্মাণ কৰা হৈছিল— এইবোৰ আলোকপাত কৰি অলপমান ক'ব নেকি?

উত্তৰ ঃ আমাৰ গীতানগৰ দুৰ্গাপূজাৰ প্ৰতি ভক্তপ্ৰাণ ৰাইজৰ সঁহাৰি তথা সহযোগ আগৰ নিচিনাকৈ পোৱা গৈছিল। কমিটিয়ে ৰছিদ বহী ছপা কৰি আৰু সেই বহীৰ জৰিয়তে ৰাইজৰ ওচৰলৈ গৈ কমিটিয়ে নিৰ্ধাৰণ কৰি দিয়া মতে চাঁদা, বৰঙণি আদায় কৰিছিল। ইয়াৰোপৰি কমিটিৰ বাহিৰৰ পৰাও পৃষ্ঠপোষক তথা বিজ্ঞাপন আদিৰ পৰাও মোটা অংকৰ ধন আদায় কৰা হৈছিল।

প্ৰথম পূজা আৰম্ভণিৰ সময়ত কমিটিয়ে জু-ৰোড

তিনিআলিত থকা মেঘালয় অফিচৰ ষ্টোৰৰ পৰা ৰভাৰ বাবে টিনপাত আৰু বামুণীমৈদামৰ পাব্লিক হেল্‌থ অফিচৰ পৰা পাইপ আনি ইয়াতে কিনা বাহেৰে ৰভা আৰু মণ্ডপ বনাইছিলো। কিছুবছৰ পিছত আমাৰ গীতানগৰৰ পূজাৰ পৰিবর্তন দেখা গ'ল, কলিকতাৰ পূজাৰ আর্হিত মণ্ডপ আৰু ৰভা সজোৱা দেখিবলৈ পোৱা গ'ল। ইয়াৰ ফলত অৱশ্যে আমাৰ গীতানগৰ পূজাৰ মণ্ডপ আৰু ৰভা অতি উন্নত মানৰ হ'ল যাৰ বাবে কেইবাবাৰো পূৰস্কাৰ পাবলৈ সক্ষম হ'ল।

৪নং প্রশ্ন ঃ সেই সময়ত ৰাইজৰ পূজাভাগৰ প্রতি যি ভক্তিভাব আছিল সেয়া বর্তমান সময়তো অটুত আছে বুলি আপুনি ভাবেনে?

উত্তৰ ঃ প্রথম অৱস্থাত পূজাৰ প্রতি ভক্তপ্রাণ ৰাইজৰ যি উচাহ উদ্দীপনা দেখিবলৈ পোৱা গৈছিল ঠিক তেনেকৈ এতিয়াৰ পূজা ভাগতো ভক্তিভাব দেখিবলৈ পোৱা যায়। তদুপৰি উর্ছগা কৰা শৰাই, খিচিৰি ভোগ আদি আগৰ তুলনাত বেছিহে দেখিবলৈ পোৱা যায়।

ইয়াৰোপৰি বর্তমান সময়ত সৰহ সংখ্যক ভক্তপ্রাণ ৰাইজৰ মহালয়াৰে পৰা নৱৰাত্রিলৈ এই ন-দিন লঘোণে থাকি দেৱী আইৰ আশীর্বাদ পোৱাৰ বাবে ব্রত পালন কৰি থকা দেখা পোৱা যায়।

৫নং প্রশ্ন ঃ এই পূজাখনৰ প্রতি নতুন প্রজন্ম কিমান গভীৰভাৱে আকৃষ্ট বুলি আপুনি ভাবে? ঐতিহ্যমণ্ডিত গীতানগৰৰ এই পূজাখনৰ স্বকীয় বৈশিষ্ট অটুত ৰাখি ইয়াৰ উত্তৰোত্তৰ উন্নতিৰ বাবে নৱ প্রজন্মলৈ আপোনাৰ দিহা-পৰামর্শ, উপদেশ আদি?

উত্তৰ ঃ আমাৰ গীতানগৰ সার্বজনীন দূর্গাপূজা প্রথম যেতিয়া আৰম্ভ হৈছিল ১৯৭৬ চনত, তেতিয়া সীমিত সংক্ষ্যক বয়োজ্যেষ্ঠ লোকৰ দ্বাৰাই পূজা ভাগ পৰিচালনা কৰিছিল। সেইসময়ত আমাৰ ল'ৰা-ছোৱালীবোৰো সৰু আছিল। বর্তমান সময়ত বয়োজ্যেষ্ঠ লোকৰ সংখ্যা কমি যোৱাৰ লগে লগে সৰুবোৰেও ডাঙৰ হৈ পূজা পৰিচালনা কৰিব পৰা হ'ল।

পূজাভাগৰ প্রতি বয়োজ্যেষ্ঠসকলে যি ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল সেইধৰণে নতুন প্রজন্মই মনত ভক্তিভাব অটুত ৰাখি ন-উদ্যমেৰে পূজাখনত মনোনিৰেশ কৰিবলৈ অধিক আগ্রহী হ'ব বুলি মই আশা ৰাখিছো।

অৱশেষত মোৰ পিনৰ পৰা নৱ-প্রজন্মলৈ আন্তৰিক শুভেচ্ছা আৰু হিয়া ভৰা মৰম থাকিল।


৬নং প্রশ্ন ঃ বর্তমানৰ পূজাস্থলিত প্রয়োজনতকৈ অধিক উৎসৱমুখৰ পৰি�ৱেশ সৃষ্টিৰ প্রৱণতা দেখা যায়— বহু পূজা কমিটি/সমিতি বা উদ্যোক্তাৰ মাজত। এনে প্রৱণতাই পূজাখনৰ সামগ্রিক মাঙ্গলিক বাতবৰণটো কিছু পৰিমাণে হ'লেও বিনষ্ট কৰা বুলি আপুনি নাভাবেনে?

উত্তৰ ঃ প্রয়োজনতকৈ অধিক উৎসৱমুখৰ পৰিৱেশ সৃষ্টিৰ প্রৱণতাই পূজাসমূহৰ বাতাৱৰণটো কিছু পৰিমাণে হ'লেও বিনষ্ট কৰিছে বুলি অনুমান কৰিছো। ইয়াৰ কাৰণ হ'ল মই সৰুৰে পৰা দেখি অহা পূজাবোৰত পূজা ভাগ চলি থকা সময়ত অলপ সময়ৰ বাবে ওজা আৰু ঢুলীয়াই অনুষ্ঠান পৰিৱেশন কৰে। কিন্তু এতিয়া অসমৰ পূজাবোৰত দেখিবলৈ পোৱা অসমৰ বাহিৰৰ পৰা আগমন ঘটা ঢাক পৰিৱেশনে আমাৰ অসমৰ পূজাৰ পৰিৱেশটো কিছু পৰিমাণে বিনষ্ট কৰিছে বুলি মই ব্যক্তিগতভাৱে অনুভৱ কৰোঁ।

দ্বিতীয়তে পূজা মণ্ডপৰ ভিতৰত নানান ধৰণৰ লাইটেৰে চমক সৃষ্টি, এনেকি কোনো কোনো পূজা মণ্ডপত হিন্দী গানৰ পৰিৱেশন কৰাও দেখা পোৱা যায়, যিটো পূজাৰ মাঙ্গলিক পৰিৱেশৰ সৈতে খাপ খোৱা বিধৰ নহয়।

আজি-কালিৰ পূজা কমিটিৰ লোকৰ উপৰিও আন বাহিৰৰ লোকেও লং-পেণ্ট পিন্ধি পূজা মণ্ডপৰ ভিতৰত প্রৱেশ কৰা দেখা পোৱা যায়। এনে প্রৱণতাই পূজাখনৰ সামগ্রিক মাঙ্গলিক বাতাৱৰণটো কিছু পৰিমাণে হ'লেও বিনষ্ট কৰা বুলি মই অনুভৱ কৰোঁ।




GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার



শুকুলা বৰফৰ দেশত

জয়শ্ৰী দাস

ভ্ৰমণ মোৰ প্ৰিয় নিচা। গতিকে সময় আৰু সুবিধা পালেই ওলাই যাওঁ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ বিশেষ ঠাইলৈ। এইবাৰ মই মোৰ ছোৱালী পূজাৰ লগত প্ৰাকৃতিক সৌন্দৰ্য্যৰে পৰিপূৰ্ণ ফিনলেণ্ডলৈ যোৱাৰ সিদ্ধান্ত ল'লো। পূজাই অনলাইনত সকলো বুকিং কৰি যোৱাৰ তাৰিখ ঠিক কৰিলে। ইতিমধ্যে চীন দেশত ক'ভিডৰ সন্ত্ৰাস আৰম্ভ হৈছিল। সেয়েহে আমি সাৱধান হৈ লগত ফেচমাস্ক আৰু ছেনিটাইজাৰ লৈ গৈছিলো। নিৰ্দিষ্ট দিনা আমি উৰাজাহাজেৰে আমাৰ লক্ষ্যস্থানলৈ উৰা মাৰিলো। নীলা আকাশৰ শুকুলা মেঘ ভেদি উৰি যোৱা বিমানৰ বুকুত বহি খিৰিকীৰ বাহিৰৰ শূন্যতাত চকু থৈছো— তলত পাৰাপাৰহীন শুকুলা মেঘৰ মহাসমুদ্ৰ। মনৰ ভিতৰত আশাই পূৰ্ণতা পোৱাৰ এক ৰোমাঞ্চকৰ আনন্দ, লগতে এক সীমাহীন উৎকণ্ঠা। মাইনাচ ১৭ ডিগ্ৰী চেলচিয়াছতকৈ অধিক ঠাণ্ডাত আমি বাৰু ভ্ৰমণৰ আনন্দ উপভোগ কৰিব পাৰিমনে! তথাপি যেন বৰফাবৃত ৰাণী হিমানীৰ দেশে মোক হাত বাউলি মাতিছে। মেঘৰ মাজে মাজে আমাৰ উৰাজাহাজ তীব্ৰ গতিত আগবাঢ়িছে। মাটিৰ পৃথিৱী আমাৰ দৃষ্টিৰ পৰা বহু আঁতৰত। আমাৰ মুগ্ধ দৃষ্টিত ধৰা দিছে নীলা আকাশত কমোৱা তুলা সদৃশ বগা মেঘৰ সমাহাৰ।

দিল্লীৰ পৰা প্ৰায় ৮ ঘণ্টা উৰি আহি আমি যেতিয়া ইউক্ৰেইনত অৱতৰণ কৰিলো তেতিয়া ৰাতিপুৱা ৬টা বাজিছিল। ইয়াত আমি প্ৰায় ৩ ঘণ্টা ৰ'ব লাগিব। আমি বিমানৰ পৰা নামি হাত-মুখ ধুই বিমানবন্দৰত থকা এখন কফি শ্বপৰ পৰা একাপ একাপ কফি লৈ এখন চোফাত আৰামৰে বহি ল'লো। বিমানত আমাক ব্ৰেকফাষ্ট দিছিল। গতিকে কফিকাপ খাই দীঘলীয়া সময় বহি অহা দেহৰ অৱসাদ দূৰ কৰাৰ চেষ্টা কৰিলো। কিছু সময় বহি আমি দুয়ো বিমান বন্দৰত থকা দোকানবোৰৰ মাজেৰে আগুৱাই গ'লো। বত্ৰিশ নম্বৰ গেটৰ কাষ পাই আমি তাৰেই এখন চোফাত বহি আমাৰ পৰৱৰ্তী বিমানলৈ অপেক্ষা কৰিলো। ন বজাত আমি পুনৰ ইউক্ৰেইনৰ পৰা হেলচিংকিলৈ উৰা মাৰিলো। নীলা আকাশৰ বগা মেঘ ফালি আমাৰ বিমান আগুৱাই গ'ল। দুপৰীয়া এক বজাত আমি হেলচিংকিত উপস্থিত হ'লো। আমি ফিনলেণ্ডৰ সময়ৰ লগত আমাৰ ঘড়ীৰ সময় মিলাই ল'লো। ইমিগ্ৰেচন, চিকিউৰিটি চেক আদি যাৱতীয় কাৰ্য্য সমাপ্ত কৰি, আমি আমাৰ বেগ, চুটকেচ আদি নিৰ্দিষ্ট বেল্টৰ পৰা লৈ বাহিৰলৈ ওলাই আহিলো। বিমানবন্দৰৰ বাহিৰত আমাৰ বাবে হোটেলৰ পৰা পঠোৱা গাড়ীচালকজনে টেবলেটত আমাৰ নাম লিখি লৈ অপেক্ষা কৰি আছিল। আমি তেওঁৰ কাষলৈ আগবাঢ়ি যোৱাত তেওঁ আমাক অভিবাদন জনাই আমাৰ হাতৰ পৰা আমাৰ বেগ, চুটকেচ লৈ গাড়ীত উঠাই দিলে। বাহিৰত প্ৰচণ্ড শীত। আমাৰ সৰ্বশৰীৰ এই অকণমান সময়ৰ ভিতৰতে জঠৰ হৈ পৰিছিল। আমি লৰালৰিকৈ গাড়ীত উঠি বহিলো। শীততাপ নিয়ন্ত্ৰিত যানখনে আমাৰ দেহালৈ প্ৰাণ ফিৰাই আনিলে। বাহিৰৰ প্ৰচণ্ড শীতল বতাহজাকে যেন আমি পিন্ধা গৰম কাপোৰযোৰক উপলুঙাহে কৰিছিল।

হেলচিংকি বিমানবন্দৰৰ পৰা আমি হোটেল অভিমুখে আগবাঢ়িছিলো। আহল-বহল, পৰিষ্কাৰ, মসৃণ পথেৰে দুৰন্ত গতিত আমাৰ গাড়ী আগবাঢ়িছিল। ইউৰোপৰ বাকী মহানগৰৰ তুলনাত ইয়াৰ জনসংখ্যা যথেষ্ট কম বাবে পথত যান-বাহনৰ সংখ্যা একেবাৰে সীমিত। আলিবাটৰ কাষৰ পদপথসমূহত খোজকাঢ়ি চলাচল কৰা মানুহ ক'ৰবাত দুই, এজনহে আছে। পথৰ দুয়ো কাষত থকা ছবিৰ দৰে ঘৰবোৰৰ সৌন্দৰ্য্যত মুগ্ধ হৈ পৰিছো। ক'তো একো বিশৃংখলা নাই। যেন এখন সপোনপুৰীৰ মাজেৰেহে আমি গৈ আছো। অচিনাকি চহৰখনৰ সৌন্দৰ্য্য উপভোগ কৰি কেতিয়াযে এঘণ্টা পথ অতিক্ৰম কৰি আহিলো গমেই নাপালো। হোটেল পাইহে সম্বিত ঘূৰাই পালো। আমি গাড়ীৰ পৰা নামি হোটেললৈ সোমাই গ'লো। ৰিছেপচনত থকা ছোৱালীজনীক গৈ আমাৰ অনলাইন বুকিঙৰ ৰিচিপ দেখুওৱাৰ লগে লগে আমাক ৰুম খোলা কার্ডখন দি ৰুমৰ নাম্বাৰটো কৈ দিলে। আমি আমাৰ বেগ, চুটকেচ লৈ ৰুমলৈ আগবাঢ়িলো। ৰুমত সোমাই গা ধুই বিচনাত অলপ জিৰণি ল'লো। আমি বিমানত দুপৰীয়াৰ আহাৰ খায়ে আহিছিলো। গতিকে কোঠাত থকা ইলেকট্ৰিক কেটলিত চাহ বনাই একাপ একাপ খাই, ওলাই যাবলৈ সাজু হ'লো। শীততাপ নিয়ন্ত্ৰিত কোঠাত থাকি বাহিৰৰ

প্রচণ্ড ঠাণ্ডাৰ কথা পাহৰিয়ে গৈছিলো। যদিও হেলচিংকিত বৰফ পৰা নাছিল, হু হুৱাই বলি থকা শীতল বতাহজাকে হাড়লৈকে কঁপাই তুলিছিল। বান্দৰ টুপী, মাফলাৰ, হাতমোজা, অভাৰকোটে সেই ঠাণ্ডা প্রতিৰোধ কৰিব পৰা নাছিল। কিন্তু তথাপি আমি ৰৈ ৰৈ বাহিৰৰ সৌন্দর্য্য উপভোগ কৰিছিলো। ঘড়ীত তেতিয়া আবেলি ৫ বাজিছিল। বাহিৰত আন্ধাৰ হোৱা নাছিল যদিও কুঁৱলীৰ বাবে সূর্য্যৰ পোহৰ ম্লান হৈ পৰিছিল। পথত দুই-এখন গাড়ী চলি আছিল যদিও খোজকাঢ়ি চলাচল কৰা মানুহ নগণ্য সংখ্যকহে আছিল। আমি সেয়েহে দূৰলৈ নগৈ ওচৰতে থকা এটা শ্বপিংম'ললৈ গ'লো। মাত্র ১০ মিনিট খোজকাঢ়ি গৈ আমি শ্বপিংম'লটো পালো। তাত ঘূৰি ফুৰি বিভিন্ন সামগ্রী চাই ডেৰঘণ্টামান সময় অতিবাহিত কৰি, ম'লটোত থকা এখন ৰেষ্টুৰেণ্টত ৰাতিৰ আহাৰ খাই আমি যেতিয়া হোটেললৈ উভতি আহিলো তেতিয়া প্রায় ৮ বাজিছিল। কাপোৰ সলাই মুখ-হাত ধুই বিচনাত শুই পৰিলো।



পাছদিনা ৰাতিপুৱা শুই উঠিয়েই গা-পা ধুই দুয়োজনী সাজু হৈ ল'লো। আজি আমি ৰোভেনিয়ামিলৈ যাম। উভতি আহোঁতে হেলচিংকিত আকৌ থাকিম। তেতিয়াহে আমি হেলচিংকিখন ভালকৈ ফুৰিম। আমি ৰেষ্টুৰেণ্টত গৈ ব্রেকফাষ্ট খাই, বেগ-চুটকেচ লৈ বাহিৰলৈ ওলাই আহিলো। হোটেলৰ গাড়ীয়ে আমাক বিমানবন্দৰত নমাই থৈ গ'ল। আমি দুপৰীয়া ১১ বজাৰ বিমানেৰে ৰোভেনিয়ামিলৈ উৰা মাৰিলো। ৰোভেনিয়ামিৰ বিমানবন্দৰত বিমান অৱতৰণ কৰাৰ পাছত আমি যেতিয়া বাহিৰলৈ ওলাই আহিলো, আমি মন্ত্রমুগ্ধ হৈ পৰিলো। কি যে অপৰূপ সৌন্দর্য্যৰে পৰিপূর্ণ সপোন সপোন যেন লগা দেশ। দূৰ-দূৰণি লৈ দিগন্ত বিস্তৃত বৰফৰ ঢৌ খেলা সাগৰ। আমি অলপ সময় ৰ লাগি চাই থাকিলো। বিমানবন্দৰৰ বাহিৰত আমাৰ বাবে ভ্রমণ সংস্থাই পঠিওৱা গাড়ী ৰৈ আছিল। আমি লাহে লাহে বাহিৰলৈ ওলাই আহিলো। প্রচণ্ড ঠাণ্ডাত আমাৰ গাৰ কঁপনি উঠিছিল। এজন গাড়ী চালকৰ হাতত আমাৰ নাম লিখা কার্ড দেখা পাই আমি তেওঁৰ কাষলৈ আগবাঢ়ি গ'লো। চালকজনে আগু�ৱাই আহি আমাক অভিবাদন জনাই গাড়ীৰ দুৱাৰ খুলি দিলে। আমাৰ বয়-বস্তু তেওঁ ডিকিত উঠাই লৈ গাড়ী চলাবলৈ আৰম্ভ কৰিলে। আমাৰ গাড়ী শুকুলা বৰফেৰে ঢাক খোৱা পথেৰে, পথৰ দুয়ো কাষত থকা বৰফাবৃত গছৰ মাজেৰে, বৰফেৰে ঢাক খাই থকা দলং পাৰ হৈ একা-বেঁকা পথেৰে ৰেনোৱালৈ আগবাঢ়িল। দূৰ-দূৰণিলৈ বিয়পি আছে এখন বগা দলিচা। তুষাৰ কণিকাৰ বৰষুণত আকাশৰ নীলাভ পোহৰ পৰি সৃষ্টি হৈছে অপৰূপ এক মায়াময় সৌন্দর্য্যৰ। জনশূন্য পথ। নীৰৱ, নিটাল।

আমি যেন মায়াবৃত্তৰে আৱৰা সপোনপুৰীত প্রৱেশ কৰিছো। যদি লগ পাই যাওঁ ৰাণী হিমানীৰ দেশৰ ফিন তিৰোতা আৰু লেপ তিৰোতাক। ধেৎ কিযে অদ্ভুত চিন্তা কৰিছো। আমি যোৱা পথৰ দুয়োকাষে ক'তো কোনো জনবসতি চকুত পৰা নাছিল। এনেয়ে ফিনলেণ্ডৰ জনসংখ্যা যথেষ্ট কম। গোটেই ফিনলেণ্ডৰ জনসংখ্যা ৫.৫ মিলিয়ন মাত্র। ৰাজধানী হেলচিংকিৰ জনসংখ্যা মাত্র ১.৬ মিলিয়ন। শীতকালত ৰোভেনিয়ামিৰ জনসংখ্যা ৬৪ হাজাৰ হোৱাৰ বিপৰীতে গ্রীষ্মকালত এক লাখ হয়। ফিনলেণ্ড হ'ল উত্তৰ-পশ্চিম ইউৰোপৰ বাল্টিক সাগৰৰ উপকূলত অৱস্থিত এখন ৰাষ্ট্র। ইয়াৰ এক তৃতীয়াংশ অঞ্চল সুমেৰু বৃত্তৰ উত্তৰত অৱস্থিত। ইয়াত ৰাতি এঘাৰ বজাত সূর্য্য অস্ত যায় আৰু ৰাতিপুৱা তিনি চাৰি বজাত সূর্য্যোদয় হয়।

ৰোভেনিয়ামিৰ পৰা ৮১ কিলোমিটাৰ দূৰত্ব এঘণ্টা পোন্ধৰ মিনিটত অতিক্রম কৰি আমি যেতিয়া ৰেনোৱা পালো তেতিয়া ঘড়ীত দুপৰীয়া এক বাজিছিল। হোটেল পাই প্রথমতে আমি ৰিচেপচনত গৈ আমাৰ অনলাইন বুকিঙৰ ৰিচিপখন তেওঁলোকক দেখুৱালো। আজি আমি "Arctic Fox Igloos"ত থাকিম। তেওঁলোকে আমাক ইগলোৰ দুৱাৰ খোলা কার্ড আৰু চুটকেচ, বেগ উঠাই নিবলৈ এখন বৰফত টানি নিয়া গাড়ী দি কোন দিশে যাব লাগিব বুজাই দিলে। যিহেতু এইবোৰ দেশত কোনো সহায়ক পোৱা নাযায়, সেয়েহে সকলো কাম নিজে কৰিব লাগে। আমি গাড়ী চালকজনক বিদায় দি বয়-বস্তুবোৰ টনা গাড়ীখনত উঠাই ল'লো আৰু আমাৰ আজিৰ ঠিকনালৈ আগবাঢ়ি গ'লো। চাৰিওফালে কেৱল বৰফ। গছ, বন, ঘৰ সকলো বৰফেৰে ঢাক খোৱা। বতাহত বৰফৰ কণিকাবোৰ উৰি ফুৰিছে। ঠাণ্ডাত আমি কঁপি কঁপি আগবাঢ়ি গৈছো। অনুভৱ হৈছে গাৰ তেজবোৰ যেন গোট মাৰি আহিব ধৰিছে। লৰালৰিকৈ খোজ দিবলৈ গৈ বিফল হৈছো। ইফালে সাৱধান নহ'লে কোমল বৰফত পিছল খাব

লাগে। বৰফ পৰি ঠাইখন ক'ৰবাত চাপৰ ক'ৰবাত ওখ হৈ আছে। পথটো আগত অলপ এঢলীয়া হৈ তললৈ নামি গৈছে। কোমল বৰফত বাৰে বাৰে ভৰি সোমাই যায়। পথটোৰে নামি তললৈ আহি আমি সোঁফালে ঘূৰাৰ লগে লগে শাৰী শাৰীকৈ থকা ইগলোবোৰ দেখা পালো। মনটো আনন্দত মতলীয়া হৈ পৰিল। প্ৰকৃতিৰ কিযে অন্তহীন সৌন্দৰ্য্য। বগাৰ বাহিৰে কোনো ৰঙৰে অস্তিত্ব নাই। অলপ সময়ৰ বাবে হিম শীতল বতাহজাককো সপোনপুৰীৰ যাদুকৰী স্পৰ্শৰ দৰেই অনুভৱ হ'ল। গ্লাচেৰে সজা ইগলোকেইটাই সপোনপুৰীৰ সৌন্দৰ্য্য দুগুণ বঢ়াইছে। সেই নির্জন প্ৰান্তত আমাৰ বাহিৰে আৰু কোনো মানুহৰ অস্তিত্ব আমি দেখা পোৱা নাছিলো। ইগলোবোৰৰ ভিতৰত যদি কোনোবা আছিল সেইটো নাজানো। তুষাৰ আবৃত সীমাহীন বগাৰ মাজেৰে আমি আগবাঢ়িছো, আমাৰ বাবে নির্দিষ্ট হৈ থকা ইগলোটোলৈ। ইগলোত উপস্থিত হৈ দুৱাৰ খুলি ভিতৰত সোমাই মই স্তব্ধ হৈ গ'লো। কিযে সুন্দৰ দুটা শোৱনী কোঠা, আইনাৰ ওপৰত থকা পর্দা আঁতৰাই দিয়াৰ লগে লগে বাহিৰৰ সুকোমল বগাই যেন দুবাহু মেলি আমাক সাবটি ধৰিলে। শীততাপ নিয়ন্ত্রিত কোঠাত সোমাই আমি আমাৰ গৰম কাপোৰ খুলি থ'লো। এখন মাত্র আইনাৰ সিপাৰে মাইনাচ ১৭° চেলচিয়াচ ঠাণ্ডা। মই ক্লান্ত শৰীৰৰ অৱসাদ দূৰ কৰিবলৈ সৰু অকণমানি পাগঘৰটোলৈ গৈ দুকাপ কফি বনাই বিস্কিট, কেকৰ সৈতে লৈ আনি আইনাৰ সন্মুখত থকা চকীত বহি বাহিৰলৈ দৃষ্টি নিক্ষেপ কৰিলো। পূজাই ইতিমধ্যে কেমেৰাৰ লেঞ্চত বাহিৰৰ সৌন্দৰ্য্য বন্দী কৰাত ব্যস্ত হৈ পৰিছে। চাহকাপত চুমা দি মই অসীমৰ সীমাত য'ত নীলা আকাশে আহি শুকুলা বৰফৰ কোলাত মিলনৰ হাঁহি মাৰিছে আৰু কুঁৱলী ফালি ওলাই অহা বেলিৰ পোহৰে তাত হেঙুলি ৰহন ওপচাই দিছে সেই স্বর্গীয় সৌন্দৰ্য্যত দৃষ্টি নিক্ষেপ কৰি কিমান সময় যে আপোন পাহৰা হৈ আছিলো নাজানো, পূজাৰ মাততহে দিঠকলৈ উভতি আহিলো।

লাহে লাহে সন্ধিয়া নামি আহিছিল। আমি আমাৰ বেগ, চুটকেচবোৰ ভালকৈ থৈ, ইগলোৰ ভিতৰত কেইখনমান ফটো উঠিলো। প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ বহু ঠাইত মই গৈছো, কিন্তু ৰেনোৱাৰ এই সৌন্দৰ্য্যৰ বর্ণনা দিবলৈ মোৰ কলমৰ আগত ভাষাৰ অভাৱ হৈছে। চকুৰে দেখিলেহে সেই অপৰূপ সৌন্দৰ্য্য হৃদয়ঙ্গম কৰিব পাৰি। তদুপৰি ইগলোৰ ভিতৰখন অতি উচ্চ প্ৰযুক্তিৰে নির্মিত। অত্যাধুনিক বাথৰুমটোত সকলো সুবিধা থকাৰ উপৰি ষ্টীমবাথৰ ব্যৱস্থাও আছে। মই শুই শুই আইনাৰ মাজেৰে বাহিৰৰ বৰফৰ বৰষুণ চাই চাই হিমানীৰ দেশৰ অপৰূপ সৌন্দৰ্য্য উপভোগ কৰি আছো। হঠাৎ ইণ্টাৰকাম ফোনটো বাজি উঠিল। ৰিচেপচনৰ পৰা ফোন কৰি ৮ বজাৰ ভিতৰত ৰাতিৰ আহাৰ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। আমি দুয়োজনীয়ে পুনৰ অভাৰকোট, মাফলাৰ, টুপী, হাতমোজা, সকলোবোৰ পিন্ধি ৰেষ্টুৰেণ্টলৈ ওলাই গ'লো। বাহিৰত ওলোৱাৰ লগে লগে শীতল বতাহজাকে হাড়লৈকে কঁপাই তুলিছিল। সৰু সৰু হিম কণিকাবোৰ উৰি উৰি গায়ে-মুখে পৰিছিল। কোমল বৰফত বাৰে বাৰে ভৰি সোমাই গৈছিল। এক অনামী শিহৰণে মনটো ৰোমাঞ্চিত কৰি তুলিছিল। আমি ৰেষ্টুৰেণ্টত গৈ ৰাতিৰ আহাৰ গ্ৰহণ কৰি লৰালৰিকৈ উভতি আহিলো। ইতিমধ্যে তুষাৰপাত বেছিকৈ হ'বলৈ আৰম্ভ কৰিছিল। ঠাণ্ডাৰ প্ৰকোপ আগতকৈ বেছি হৈছিল। কোঠাত সোমায়েই আমি কাপোৰ সলাই বিচনাত শুই পৰিলো। সুকোমল বিচনাখনত বাগৰি দিয়াৰ লগে লগে দিনটোৰ ভাগৰুৱা হৈ থকা দেহাটোক টোপনিয়ে হেঁচা মাৰি ধৰিলে। ৰাতিপুৱা উঠিয়েই পর্দাখন আঁতৰাই বাহিৰলৈ চালো। নিশাৰ তুষাৰপাতৰ ফলত বাহিৰত কোমল বৰফ স্তূপীকৃত হৈ চাৰিওফালে ভৰি পৰিছে। মিঠা ৰ'দজাক আহি তাত পৰি সোণালী আভা সিঁচৰতি কৰি দিছে। মই দুকাপ চাহ বনাই আনি পূজাক টোপনিৰ পৰা জগাই দিলো। দুয়ো বাহিৰৰ অপৰূপ ৰূপ সুধা পান কৰি চাহৰ পর্ব শেষ কৰি গা ধুই সাজু হ'লো। দুৱাৰ খুলিবলৈ গৈহে উপলব্ধি কৰিব পাৰিলো যোৱা ৰাতি হোৱা তুষাৰপাতৰ বাবে বাহিৰত বৰফৰ দ'ম হৈ আছে আৰু দুৱাৰ খোলাত অসুবিধা হৈছে। দুয়ো ঠেলি ঠেলি কোনোমতে দুৱাৰখন অলপ ফাঁক কৰি বাহিৰলৈ আহিলো যদিও যোৱা পথটোত কোমল বৰফ দ'ম হৈ আছে। সেইফালে গ'লে আঁঠুলৈকে পোত খাই যায়। হঠাৎ ইগলোৰ কাষত এখন বৰফ আঁতৰাব পৰা কোৰৰ দৰে সঁজুলি দেখা পালো। পূজাই সেইখনেৰে বৰফবোৰ গুচাই যাবলৈ এটা পথ উলিয়াই ল'লে। আমি লাহে লাহে ৰেষ্টুৰেণ্টলৈ আগবাঢ়িলো। এইডোখৰ পথত যথেষ্ট সাৱধানে আগবাঢ়িলো। মাজে মাজে পিছল বৰফত ভৰি পিছল খাই যায়। ইমানবোৰ গৰম কাপোৰ পিন্ধিও ঠাণ্ডাক প্ৰতিৰোধ কৰিব পৰা নাছিলো। কিন্তু সেই ঠাণ্ডাক প্ৰত্যাহ্বান জনাই আমি বৰফৰ মাজত ৰৈ ৰৈ ফটো উঠিব এৰা নাছিলো।

আমি ৰেষ্টুৰেণ্টত গৈ ব্ৰেকফাষ্ট খাই ওলাই আহোঁতে ৰিচিপচনিষ্টগৰাকীক লগ পালো। তেওঁ আমাক অভিবাদন জনাই সুধিলে যে আমি ৰাতিপুৱা চুইমিং পুললৈ গৈছিলো নে নাই। আমি নাই যোৱা বুলি কৈ চুইমিং পুল ক'ত আছে সুধিলো। তেওঁ আমাক এক নম্বৰ ইগলোটো দেখুৱাই ক'লে যে তাৰ কাষেৰে যিটো পথ গৈছে সেই পথেৰে অলপ দূৰ গ'লেই চুইমিং পুলটো পাম। ইতিমধ্যে আমাৰ বুক কৰি থোৱা কাৰখন আহি পোৱাত আমি তাত উঠি বহিলো। গাড়ী বৰফ আবৃত পথেৰে আগবাঢ়িব আৰম্ভ কৰিলে। আমি আজি ৰেনোৱাৰ জু চাবলৈ

যাম। আমি প্রায় এঘাৰ বজাত নির্দিষ্ট স্থানত উপস্থিত হ'লো। গাড়ীখনে আমাক নমাই থৈ গুচি গ'ল। আমি প্রথমতে সন্মুখত থকা জু-ৰ অফিচ ঘৰটো লৈ গ'লো। আমি তাত গৈ অনলাইন টিকেটৰ ৰিচিপখন দেখালো। তেওঁলোকে আমাক এখন জু-ৰ মানচিত্র দিলে আৰু কেনেকৈ কোনফালে যাব লাগিব বুজাই দিলে। আমি মেপ চাই আগবাঢ়ি গৈ আছো। চাৰিওফালৰ সৌন্দর্য্যই আমাক আপোন পাহৰা কৰি তুলিছিল। সৰু সৰু একাবেঁকা পথ। গছবোৰ এনেকৈ বৰফেৰে ঢাক খাই আছে যে বৰফেৰে তৈয়াৰী গছ যেন লাগে। মাজে মাজে কোনোবা এটা বৰফৰ গুহাত বগা ভালুক, ক'ৰবাত সজাত ধকধকীয়া বগা ৰাজহাঁহ। আমি চাই চাই গৈ আছো। কিন্তু অলপ দূৰ যোৱাৰ পাছতে ঠাণ্ডাৰ বাবে আগু�ৰাই যাব নোৱাৰা পৰিস্থিতি হ'ল। বৰফৰ পথেৰে খোজকাঢ়ি আমাৰ ভৰি দুখন অচল হৈ আহিব ধৰিলে। প্রচণ্ড হাড় কঁপোৱা ঠাণ্ডাই আমাক যেন তুষাৰ মূর্তিলৈহে ৰূপান্তৰিত কৰিব। হঠাৎ সন্মুখত এখন খুব ধুনীয়া দোকান দেখা পালো। আমি দৌৰ মাৰি গৈ তাত সোমালো। ইয়াত যিহেতু সকলো ঘৰেই শীততাপ নিয়ন্ত্রিত গতিকে দোকানত সোমালে অন্তত ঠাণ্ডাৰ পৰা ৰক্ষা পাম। আমাৰ ভাগ্য সুপ্রসন্ন আছিল। দোকানখনৰ এফালে গৰম কফিৰ ব্যৱস্থা থকাৰ লগতে আনফালে গৰম কাপোৰ বিক্রীৰ কেন্দ্র এটা আছে। আমি দুকাপ কফি আৰু ফ্রেঞ্চফ্রাই লৈ চকীত বহি শৰীৰলৈ উত্তাপ ফিৰাই অনাৰ চেষ্টা কৰিলো। আমি দোকানত থকা লোকজনক ক'লো যে আমাৰ বৰ ঠাণ্ডা লাগিছে, গতিকে আমি ইয়াত অলপ সময় বহিব বিচাৰিছো। তেওঁ আমাক ক'লে আমি যিমান সময় বহিব বিচাৰিছো বহিব পাৰো। কিন্তু আমাৰ মোজাযোৰে ইয়াত কাম নিদিব। গতিকে কাষৰ দোকানখনত থকা হিটহল্ডাৰ মোজা এযোৰ কিনি পিন্ধি ল'বলৈ উপদেশ দিলে। ভৰিখন গৰম হ'লেহে গালৈ গৰম আহিব। গতিকে বৰফত যিহেতু বহু দূৰ খোজকাঢ়িব লাগিব সেইযোৰ নিপিন্ধিলে কষ্ট হ'ব। আমি তেওঁৰ উপদেশ মতে লগে লগে হিটহল্ডাৰযোৰ কিনি পিন্ধি ল'লো। সঁচাই অলপ পাছতে শৰীৰলৈ উত্তাপ উভতি আহিল। আমি তেওঁক ধন্যবাদ জ্ঞাপন কৰি বাহিৰলৈ ওলাই আহিলো। আমি মেপখন উলিয়াই লৈ পুনৰ এফালৰ পৰা জুখন চাই যাব ধৰিলো। এইবাৰ কিন্তু বৰফত খোজকাঢ়িও ভৰি ঠাণ্ডা হৈ পৰা নাই। পোন্ধৰশ টকাৰ মোজাই এইবাৰলৈ আমাক বৰফলৈ ৰূপান্তৰিত হোৱাৰ পৰা বচালে। বগা বৰফত বহি থকা বগা পাণ্ডাটো দূৰৰ পৰা বৰফ বুলিয়েই ভাবিছিলো। বগা ফেঁচাটো এনেকৈ লৰচৰ নকৰাকৈ বহি আছিল। মই সেইটো টান বৰফত কটা মূর্তি বুলি ভুল কৰিছিলো। বগা ৰাজহাঁহকেইটা কিযে ধুনীয়া আছিল ভাষাৰে বর্ণনা কৰিব নোৱাৰি। দুই-এটা জন্তুহে বেলেগ ৰঙৰ আছিল। আমি ওখ-চাপৰ পথ বগাই একা-বেঁকাকৈ পিঞ্জৰাৰ মাজেৰে আগু�ৰাই গৈ এখন দলং পালো । দলঙৰ বহু তলত কেইটামান পোলাৰ বিয়েৰে খেলি আছিল। আমি যেন চিত্রকাৰে আঁকা এখন চিত্রৰ সন্মুখতহে থিয় হৈ আছো। দলঙৰ সিটো পাৰে এটা বৰফেৰে নির্মাণ কৰা ইগলো। আমি গৈ তাৰ ভিতৰত সোমালো। সেইখন আচলতে এখন ৰেষ্টুৰেণ্ট। টান বৰফত কটা টেবুল আৰু কাষত সজাই থোৱা বৰফত কটা মূর্তিবোৰ চাই আচৰিত হৈ গ'লো। বৰফৰ পথেৰে আহি, বৰফৰ দলং পাৰ হৈ, বৰফৰ ইগলোত, বৰফৰ টেবুল ওপৰত লৈ খোৱা কফিকাপৰ কথা জীৱনত কেতিয়াও পাহৰিব নোৱাৰিম।

ফিনলেণ্ডত সকলো ঠাইতে মানুহ একেবাৰে কম। গতিকে জু চাবলৈ অহা মানুহৰ সংখ্যাও নগণ্য। ইয়াৰ কর্মচাৰীসকলো অত্যন্ত ঠাণ্ডাৰ বাবে অফিচৰ ভিতৰতেই থাকে। ইতিমধ্যে তিনিটা বাজি গৈছিল। যিকেইগৰাকী দর্শনার্থী আহিছিল তেওঁলোকো বোধকৰো উভতি গৈছিল। আমি প্রায় অকলশৰীয়া হৈ গৈছিলো। আমি লৰালৰিকৈ ওলাই যোৱা পথৰে বাহিৰলৈ আহিবলৈ ধৰিলো। আমি জু-ৰ পৰা ওলাই সন্মুখত থকা বাছষ্টপৰ সৰু আইনাৰে আবৃত আৰু শীততাপ নিয়ন্ত্রিত অপেক্ষা গৃহটোৰ চকীত বহি অনলাইন বুক কৰি থোৱা বাছখনলৈ অপেক্ষা কৰিলো। ক'তো এটাও জনপ্রাণী চকুত পৰা নাই। পূজাৰ অলপ সন্দেহ হ'ল। এইটো বাছষ্টপ নহয় নেকি। তাই মোক অলপ সময় তাত অপেক্ষা কৰিবলৈ কৈ দৌৰি জুৰ ভিতৰত থকা অফিচটোলৈ গ'ল। জনমানৱহীন নির্জন প্রান্তত ৰৈ অনুভৱ কৰিলো, মানৱহীন প্রান্তৰ সৌন্দর্য্যই আমাক দুদিন আকৃষ্ট কৰিব। কিন্তু আমাৰ দেশৰ সেই ভিৰ, গাড়ীৰ হর্ণৰ শব্দ, ঠেলা-হেঁচা, চিঞৰ-বাখৰ, যানযট লগতে অসংখ্য মানুহৰ সান্নিধ্য অবিহনে আমাৰ জীৱন বৃথা। মানুহ লাগিবই, লাগিলে বহি বহি কাজিয়াই নকৰো কিয়। ইফালে পূজা আহি নাপাই যেন লাগিল। অৱশেষত পূজা আহি পোৱাতহে মনটো শান্ত হ'ল। তাই ক'লে বাছ ইয়াতেই আহিব। সঠিক সময়ত বাছখন আহি উপস্থিত হ'ল। বাছৰ চালকজনে আমাক অভিবাদন জনাই গাড়ীৰ দু�ৱাৰ খুলি দিলে। অত্যাধুনিক অতি সুন্দৰ বাছখনত এজনো মানুহ নাছিল। আমিও চালকজনক অভিবাদন জনাই বাছত বহিলো। এনেতে এজনী সৰু ছোৱালী লগত লৈ এগৰাকী মহিলা আহি, চালকজনক অলপ আগলৈ লৈ যাবলৈ অনুৰোধ কৰিলে। চালকজনে আমাৰ অনুমতি বিচৰাত আমি আচৰিত হ'লো। কিয়নো ইমান ডাঙৰ বাছখনত আমাৰ বাহিৰে আন কোনো নাই। তেওঁলোকক নিলে আমাৰ অসুবিধা হোৱাৰ প্রশ্নই নুঠে আৰু চালকজনে নক'লে আমি গমেই নাপালোহেঁতেন যে তেওঁলোকৰ টিকেট নাই। ফিনলেণ্ডত এতিয়ালৈকে যিকেইজন লোকক লগ পাইছো তেওঁলোক সঁচাই বৰ ভদ্র আৰু বিনয়ী। অলপ দূৰ আহি মাক আৰু ছোৱালীজনীয়ে আমাক ধন্যবাদ জনাই নামি গ'ল। আমি

এঘণ্টা পথ সেই বাছখনত অকলে আহিলো। সিদিনা বোধকৰো আৰু কোনেও টিকট বুক কৰা নাছিল। কিন্তু আমাৰ আচৰিত লাগিছিল কেৱল আমাৰ বাবে চালকজনে ইমান ডাঙৰ বাছখন সঠিক সময়ত অনাৰ উপৰিও আমাক, আমাৰ হোটেলৰ সন্মুখত নমাই থৈ গৈছিল। বোধকৰো এই কর্তব্যপৰায়ণতা তেওঁলোকৰ প্রধান গুণ। তেওঁলোকৰ সৌজন্যতা, সুন্দৰ এই ব্যৱহাৰে আমাক মুগ্ধ কৰিছিল। এইবোৰ গুণৰ কাৰণেই বোধকৰো ফিনলেণ্ড সুখী মানুহৰ দেশ হিচাবে পৰিচিত। আমি বাছৰ পৰা নামি অলপ খোজকাঢ়ি আহি ৰিচেপচনত প্রৱেশ কৰিলো। তাত থকা ৰিচিপচনিষ্টগৰাকীয়ে আমি ক'ত ক'ত ঘূৰিলো সুধিলে। লগতে আকৌ এবাৰ ক'লে আমি যেন ইয়াত থকা চুইমিং পুলটোলৈ যাওঁ। আমাৰ ভাগৰ লাগিছিল আৰু ৰাতি তেতিয়া আঠ বাজিবৰ হৈছিল, এইবোৰ ঠাইত মানুহ এনেয়ে কম। তাতে আঠটা বজাত ক'তো জনপ্রাণী এজনো নাছিল। মাত্র হোটেলৰ দুজনমান কর্মচাৰীৰ বাহিৰে। গতিকে আমি নিশাৰ আহাৰ খাই ৰূমলৈ উভতি আহি কাপোৰ সলাই শুই পৰিলো।

ৰাতিপুৱা উঠি আমি একাপ একাপ চাহ হাতত লৈ ইগলোৰ ভিতৰৰ পৰাই বাহিৰৰ সৌন্দর্য্য উপভোগ কৰিলো। তাৰ পিছত আমি চুইমিং পুলটো চাবলৈ সাজু হৈ বাহিৰলৈ ওলাই আহিলো। আজিও আমি আইচ কাটাৰডালেৰে বৰফ কাটি বাহিৰলৈ আহিব লগা হ'ল। প্রচণ্ড শীতক আওকাণ কৰি আমি এক নম্বৰ ইগলোটোৰ কাষলৈ আগবাঢ়ি গ'লো। এক নম্বৰ ইগলোটোৰ কাষেৰে সোঁফালে ঘূৰি অলপ দূৰ আহিয়েই দেখা পালো দুজনমান চাহাবে সম্পূর্ণ বৰফে আগুৰি থকা একেবাৰে সৰু পুখুৰী এটাত খালী গাৰে সাঁতুৰি আছে। সেইটোক চুইমিংপুল বুলি কোৱাতকৈ বৰফকুণ্ড বুলি ক'লেহে ঠিক হ'ব। এই পাৰাপাৰহীন বৰফৰ মাজত এই ঘূৰিবলৈ ঠাই নথকা পুখুৰীটোত উদং গাৰে সাঁতুৰিব কিহে পাইছে এইকেইটাক। পুখুৰীৰ পানীত আকৌ বৰফো উপঙি আছে। নিশ্চয় এইকেইটা অলপ পাগল। হোটেলৰ ৰিচিপচনিষ্টজনে ভাল আমাক সাঁতুৰিব পঠাইছিল। মুখৰ ভিতৰতে তাক দুটামান গোৱালগালি দিলো। এই গাৰ তেজ গোট মৰা ঠাণ্ডাত ইয়াত গা ধুই সিপুৰী পালেহে হ'ব। বৰফকুণ্ড দর্শন অভিযানৰ অন্ত পেলাই, আমি দুয়ো আমাৰ কোঠালীলৈ উভতি আহিলো। গা-পা ধুই কানি-কাপোৰ সামৰি চুটকেচত ভৰাই আমি যাবলৈ সাজু হ'লো।

বৰফত টনা গাড়ীখনত আমাৰ বয়বস্তু ভৰাই সেইখন বৰফৰ ওপৰেৰে চলাই আগুৱাই গৈ ৰেষ্টুৰেণ্টত সোমালো। তাত ৰাতিপুৱাৰ জলপান খাই ৰিচেপচনত গৈ দুৱাৰৰ লকখোলা কার্ডখন ওভতাই দি তেওঁলোকৰ পৰা বিদায় লৈ বাহিৰত ৰৈ থকা কাৰত উঠি পুনৰ আমি যাত্রা কৰিলো ৰেভোনিয়ামিলৈ। বাহিৰৰ প্রকৃতিৰ নয়নাভিৰাম সৌন্দর্য্য চাই কেতিয়া যে দীঘলীয়া পথ অতিক্রম কৰি আহিলো গমেই নাপালো। হোটেল পাওঁতেহে বাস্তৱলৈ উভতি আহিলো। আমি গাড়ীৰ পৰা নামি চালকজনক ধন্যবাদ জনাই বিদায় দিলো। চুটকেচকেইটা টানি টানি আমি ৰিচেপচনলৈ গৈ আমাৰ বুকিং কৰা ই ৰিচিপখন দেখুৱালো। তেওঁলোকে লগে লগে আমাক কটেজৰ নাম্বাৰ আৰু চাবি দি কোনফালে যাব লাগিব বুজাই দিলে। আগতেই কৈছো ইয়াত মানুহৰ সংখ্যা যিদৰে কম ভ্রমণকাৰীৰ সংখ্যাও সীমিত। সেয়েহে তেওঁলোকে হোটেলৰ গ্রাহকসকলক বৰ সুন্দৰভাৱে আপ্যায়ন কৰে। আমি যদিও সকলো অনলাইন বুকিং কৰিছিলো ক'তো অকণো অসুবিধা পোৱা নাছিলো। গাড়ী, ট্রেইন আদিৰ বাবে ক'তো সময় নষ্ট হোৱা নাছিল। ইয়াত কিন্তু নিজৰ বয়-বস্তু নিজে কঢ়িয়াই লৈ যাব লাগে আৰু আমি মহিলাখিনিয়ে travel light কথাষাৰ একেবাৰেই গুৰুত্ব নিদিওঁ। চুটকেচকেইটা একঠা মাটিৰ সমান ডাঙৰ হ'লে নহ'ব। এবিঘা মাটিৰ সমান হ'ব লাগিব। নালাগে কি— মুখশুদ্ধিৰ পৰা, জোতামোচা কাপোৰখনো সুমুৱাই ল'ম। ৰিচেপচনৰ পৰা আমাৰ কটেজটোৰ দূৰত্ব আধা কিলোমিটাৰতকৈ বেছি। এনেয়ে ওখো�ৰা-মোখোৰা বৰফৰ পথ। ঠাণ্ডাত গাত কঁপনি উঠিছে। পিঠিত বেগ, হাতত মস্ত চুটকেচটো বৰফৰ ওপৰেৰে টানি টানি গৈ আছো আৰু মনতে শপত লৈছো, ইয়াৰ পাছত ফুৰিব আহিলে বেগত এযোৰে কাপোৰ লৈ আনিম। পূজাৰ অৱস্থা আৰু বেয়া। তাইৰ গলত মস্ত কেমে�ৰাৰ বেগটো। বৰফৰ ওপৰে ওপৰে খুব সাৱধানে আগবাঢ়ি গ'লো। তুষাৰপাতৰ ফলত পথৰ ওপৰত পৰা বৰফবোৰ দুজনমান লোকে আঁতৰাই আছে। কিন্তু পথৰ দুয়োকাষে বৰফে দ'ম বান্ধিছে। কিছুসময় খোজ কঢ়াৰ পাছত আমি আহি আমাৰ কটেজটোত উপস্থিত হ'লো। মুগ্ধ হৈ চাইছো। এখন বিশাল কেনভাচত আঁকা এখন অপূর্ব চিত্র। বিশাল বৰফাবৃত এলেকাটোত থকা সুন্দৰ কটেজবোৰ যথেষ্ট দূৰে দূৰে সিঁচৰিত হৈ আছে আৰু সৰু সৰু বৰফৰ টিলাৰ মাজে মাজে যোৱা বৰফ আবৃত পথবোৰ। বৰফ পৰি বগা হৈ থকা গছবোৰ— এয়া যে মোৰ কল্পনাৰ ৰাণী হিমানীৰ দেশ।

দুৱাৰ খুলি ভিতৰলৈ সোমায়েই মনটো আনন্দত ভৰি উঠিল। সন্মুখত চাহ, কফি বনাই খাব পৰাকৈ সুন্দৰ ব্যৱস্থা আছে। এটা কাঠেৰে বনোৱা চিৰিৰে ওপৰলৈ যাব পাৰি। ভিতৰত সোমাই গৈয়ে সুন্দৰকৈ সজাই থোৱা বহা কোঠালীটো। বহা কোঠালীৰ সোঁফালে শোৱনী কোঠা। শোৱনী কোঠাত সোমাই পর্দাবোৰ আঁতৰাই দিলোঁ। বাহিৰৰ দৃশ্য দূৰ দূৰণিলৈ দেখা যায়। বাহিৰত আকৌ তুষাৰপাত আৰম্ভ হৈছে। সূর্য্যৰ পোহৰ বৰফৰ উৰি থকা কণিকাত পৰি নীলাভ ৰং এটা বিচ্ছুৰিত হৈছে। এয়া যেন মায়াময় জোনালী ধৰাৰ অন্য এটা ৰূপ। এনেকুৱা সুন্দৰ

দৃশ্য উপভোগ কৰিবলৈ একাপ চাহৰ নিতান্তই প্ৰয়োজন। মই চাহ বনাবলৈ গ'লো। পূজাই বাহিৰৰ সৌন্দৰ্য্য কেমেৰাৰ লেঞ্চত বন্দী কৰাত ব্যস্ত হৈ পৰিল। চাহৰ কাপ লৈ আমি দুয়ো ওপৰৰ কোঠালীটোলৈ গ'লো। চাৰিওফালে আইনাৰে নিৰ্মিত কোঠালীটোৰে বাহিৰৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যই মোক মন্ত্ৰমুগ্ধ কৰি তুলিছে। চাহকাপ লৈ চোফাখনত বহি ল'লো। কটেজবোৰৰ টিঙৰ ওপৰত এক ফুটমান ওখকৈ বৰফৰ স্তৰ। ইয়াত বগাৰ বাহিৰে কোনো ৰং নাই। দূৰৰ পৰ্বত, ওচৰৰ ঘৰৰ টিনপাত, সন্মুখৰ গছ সকলো বগা, মাথোন বগা। কিমান সময় যে সপোনপুৰীত বিচৰণ কৰিছিলো নাজানো। লাহেকৈ তললৈ নামি আহিলো। এইবাৰ দুৱাৰ খুলি বাহিৰৰ বাৰাণ্ডালৈ ওলাই আহিলো। ঘৰৰ পৰা বাহিৰলৈ অহাৰ লগে লগে ঠাণ্ডাত গোটেই শৰীৰ কঁপি উঠিল। ভিতৰত সোমাই থাকিলে বাহিৰৰ ঠাণ্ডাৰ উমানে পোৱা নাযায়। ঠাণ্ডাক প্ৰত্যাহ্বান জনাই বাৰাণ্ডাৰ পৰা নামি আহি বৰফৰ ওপৰত নানান পজ দি ফটো উঠিলো। সৰু ল'ৰা-ছোৱালীৰ দৰে বৰফেৰে স্নোমেন বনালো। ইজনীয়ে সিজনীক বৰফ দলিয়াই খুব হাঁহিলো। শেষত যেতিয়া হাত ঠাণ্ডাত ঠেৰেঙা লাগিল লৰালৰিকৈ ভিতৰলৈ সোমাই গৈ কম্বল উৰি বিচনাত শুই গ'লো। কোঠালীৰ উত্তাপে দেহালৈ পুনৰ উত্তাপ ফিৰাই আনিলে।

অলপ সময় জিৰণি লৈ আমি পুনৰ ৰিচেপচনলৈ আহিলো। তাত থকা ৰেষ্টুৰেণ্টত অলপ কিবা খাই, গাড়ী অহালৈ তাত অপেক্ষা কৰিলো। সন্ধিয়া ছটা বজাৰ লগে লগে গাড়ী আহিল। আমি প্ৰথমতে এই গাড়ীখনেৰে শান্তাপোৰ্টচত থকা ভ্ৰমণ সংস্থাটোৰ অফিচলৈ গ'লো। ইয়াৰ পৰা আজি ৰাতি আমি 'Northern lights' চাবলৈ যাম। ইতিমধ্যে তাত প্ৰায় ত্ৰিশগৰাকীমান মানুহ গোট খালে। বিভিন্ন দেশৰ, বিভিন্ন বয়সৰ পুৰুষ-মহিলাই আজি একেলগে এক বিৰল ঘটনাৰ সাক্ষী হ'বলৈ যাব। আমাক এজন গাইডে আহি ঠাণ্ডা প্ৰতিৰোধ কৰিবলৈ এযোৰ বিশেষ ধৰণে তৈয়াৰী পোছাক পৰিধান কৰিবলৈ দিলে। আমি আমাৰ পোছাকৰ ওপৰত সেই পোছাকযোৰ পিন্ধি বাহিৰত ৰৈ থকা অত্যাধুনিক শীততাপ নিয়ন্ত্ৰিত বাছত উঠি মাজ ৰাতিৰ আকাশত মায়াময় পোহৰৰ খেলা চাবলৈ যাত্ৰা আৰম্ভ কৰিলো। ৰাতি আঠ বজাত এঘণ্টা পথ গাড়ীৰে গৈ প্ৰায় ২০ মিনিট সময় বৰফৰ পথেৰে খোজকাঢ়ি আমি যেতিয়া টিলাটোৰ ওপৰ পাইছিলো তেতিয়া সময় হৈছিল ৯.৩০ আৰু বতৰৰ উত্তাপ আছিল মাইনাচ ১৭ ডিগ্ৰী চেলচিয়াছ। সেই প্ৰচণ্ড ঠাণ্ডাত আমি অপেক্ষা কৰিছিলো ৰাতিৰ আকাশৰ যাদুকৰী পোহৰৰ খেলা চাবলৈ। কিন্তু সেই পোহৰৰ খেলা চাবলৈও বোলে ভাগ্য সুপ্ৰসন্ন হ'ব লাগে। সময় আগবাঢ়িছিল। ঠাণ্ডাত হাত-ভৰি জঠৰ হৈ আহিছিল। দলটোত আমি দুজনীয়েই ভাৰতীয় আছিলো আৰু সকলোতকৈ বয়সস্থ ময়েই আছিলো। আমাৰ লগত অহা এগৰাকী গাইডে বৰফৰ গোল ওপৰৰ ফালে জোঙা ঘৰ, যাক তেওঁলোকৰ ভাষাত টিপি বুলি কয়, তাত একুৰা জুই জ্বলাই নিশাৰ আহাৰ খাবলৈ নিমন্ত্ৰণ জনালে। খাই উঠি পুনৰ অপেক্ষা। অৱশেষত নিশা এটা বজাত নিৰাশ হৈ উভতি আহিব ওলালো আৰু ঠিক সেই সময়তে আকাশত আৰম্ভ হ'ল ছাঁ-পোহৰৰ খেলা। উশাহ-নিশাহ বন্ধ কৰি চাইছো সেই অপূৰ্ব পোহৰৰ মেলা। পাহৰি গৈছো গভীৰ নিশাৰ হিম চেঁচা বতৰৰ কথা। উভতি আহোতে হৃদয়ত সঞ্চিত কৰি আনিছো সেই ৰোমাঞ্চকৰ অভিজ্ঞতা। উভতি আহি হোটেল পাওঁতে ৰাতিপুৱা চাৰিটা বাজিল। আমি হোটেল পাই অলপ সময় শুই ল'লো। আঠটা বজাত উঠি গা ধুই সাজু হৈ ৰেষ্টুৰেণ্টলৈ আহি ব্ৰেকফাষ্ট খাই ল'লো। কেইটামান দৰকাৰী ফোন কৰিবলৈ আছিল। ফোনকেইটা কৰি ল'লো।

আমি আজি Arctic Circle চাবলৈ যাম। আমাৰ গাড়ী সঠিক সময়ত আহি উপস্থিত হ'ল। আমি ধৰাৰ হিমশীতল ঠাইবোৰৰ ভিতৰত অন্যতম, যাক পৃথিৱীৰ মেৰু বুলি কোৱা হয় সেই ঠাইলৈ গৈ আছো। আমি শুকুলা হিমানী পথেৰে আহি শুকুলা দলিচা পাৰ হৈ অন্য এক পৃথিৱীৰ প্ৰান্তত উপস্থিত হ'লো। গাড়ীৰ পৰা নমাৰ লগে লগে হিমশীতল বতাহজাকে আমাৰ তেজ চলাচল বন্ধ কৰি দিয়াৰ উপক্ৰম কৰিলে। সন্মুখত থকা ঘৰটোত দৌৰ মাৰি গৈ সোমালো। ঘৰটোৰ সন্মুখত লিখা আছে Visit lapland. ঘৰটোত সোমোৱাৰ লগে লগে এজন গাইড আহি আমাক আমাৰ বুকিং কৰা ৰিচিপ চাই, কাষৰ ৰূমটোত থকা মিউজিয়ামলৈ লৈ গ'ল। ফিনলেণ্ডৰ পুৰণি বহুতো সামগ্ৰী ইয়াত সংৰক্ষিত হৈ আছে। লগতে ৰেইন ডিয়েৰৰ ছালেৰে তৈয়াৰ কৰা কম্বল, জেকেট আদি বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰা আছে। আমি তাৰপাছত গাইডৰ নিৰ্দেশ মতে আন এটা ৰূমলৈ গৈ তাত থকা ঠাণ্ডা প্ৰতিৰোধক এযোৰ বিশেষ ধৰণে তৈয়াৰী পোছাক পিন্ধি ল'লো। কাৰণ এতিয়া আমি খোজকাঢ়ি ঘূৰিব লাগিব আৰু বাহিৰত বৰ্তমান ঠাণ্ডা মাইনাচ ২৪° চেলচিয়াচতকৈও বেছি। কাপোৰযোৰ পিন্ধি নিজকে Eskimo যেন লাগিছিল। আনফালে ভৰিত হিটহোল্ডাৰ পিন্ধি এযোৰ বুটজোতা পিন্ধি ল'লো।

বাহিৰলৈ আহি আমি প্ৰথমতে কেবাখনো ফটো উঠিলো। ঠাণ্ডা প্ৰতিৰোধক কাপোৰযোৰ পিন্ধি বহুখিনি সকাহ পাইছো। আমি অলপ আগুৰাই গৈ Arctic Circleৰ চিন স্বৰূপে সোঁমাজত থকা ওখ পিলাৰটোৰ কাষত ৰৈ ফটো উঠিলো। মন-প্ৰাণ হৰি নিয়া সৌন্দৰ্য্য চাই চাই আমি আগুৰাই গ'লো। অলপ দূৰ আহি দেখিলো শ্লেজগাড়ী। লগে লগে উভতি গ'লো শৈশৱৰ সেই

সোণালী দিনলৈ। এণ্ডাৰছনৰ সাধুবোৰৰ মাজলৈ। লগে লগে পূজাক ক'লো, "ব'লা তাতে উঠোঁ।" দুয়ো গৈ টিকট ঘৰৰ পৰা টিকট কিনি শ্লেজৰ কাষত থিয় হ'লো। আৰামী চকীৰ দৰে হেলান দি শুই যাব পৰা শ্লেজখনত কোমল গাদী পাৰি তাৰ ওপৰত ৰেইনডিয়েৰৰ নোমাল ছালৰ কম্বল পাৰি দিয়া আছে। চালকজনে আহি আমাক তাতে শুই যাব ক'লে। আমি দুয়ো তাত শোৱাৰ লগে লগে আমাক এখন কম্বল উৰাই দিলে। চালকজনে শ্লেজৰ নির্দিষ্ট ঠাইত থিয় হোৱাৰ লগে লগে ৰেইনডিয়েৰটোৱে গাড়ীখন বৰফৰ ওপৰেৰে টানি নিবলৈ ধৰিলে। সেই সময়ত নিজক ৰাণী যেন অনুভৱ হৈছিল। বৰফাবৃত ঠাইখনৰ স্বর্গীয় সৌন্দর্য্যত আপোন পাহৰা হৈ গৈছিলো। এয়া যে দূৰ সুদূৰৰ তুষাৰ আবৃত মৰুপ্রান্ত। বগাৰ লহৰ, বগাৰ সাগৰ। গোটেই ঠাইখন এপাক মাৰোতে এঘণ্টা লাগিল। আমি ইয়াত প্রায়বোৰ চাবলগীয়া ঠাই শ্লেজৰ পৰাই চালো। শ্লেজৰ পৰা নামি আমি অলপ দূৰ খোজকাঢ়ি আহিলো। এঠাইত কেইবাটাও সৰু সৰু ঘৰ দেখা পালো। তাতে এখন ৰেষ্টুৰেণ্টো আছিল। আমি তাত বহি একাপ কফি আৰু এটা পেষ্টি খালো। তাৰপাছত লাহে লাহে প্রথমতে সোমোৱা অফিচটোলৈ আহিলো। অফিচটোক শান্তাক্লোজৰ অফিচ বুলি কোৱা হয়। তাত আহি আমি পিন্ধি যোৱা ড্রেচযোৰ ওভতাই দিলো। তেওঁলোকে আমাক Arctic Circle পাৰ হোৱা প্রমাণ প্রত্র আৰু শ্লেজ চলোৱা লাইচেন্স প্রদান কৰিলে। মনটো অজান আনন্দত পুলকিত হৈ উঠিল। আমি শান্তাৰ অফিচত বিক্রী কৰা সৰু সৰু কেইটামান সজোৱা বস্তু স্মৃতিৰ কাৰণে কিনি ল'লো। আজি আমাৰ গাড়ী বাহিৰত ৰৈ আছিল। গতিকে বাহিৰ ওলাই আমি আহি গাড়ীত বহিলো। চালকজনে আমাক আজি ৰোভেনিয়ামিৰ দর্শনীয় ঠাইসমূহ দেখুৱাব। প্রথমতে আমাক তেওঁ এটা পুৰণি গীর্জা ঘৰ দেখুৱাবলৈ গ'ল। চালকজনে গীর্জা ঘৰটোৰ পুৰণি ইতিহাস কোৱাৰ উপৰি ঠাইখনৰ সকলো পুৰণি ইতিহাস সুন্দৰকৈ বর্ণনা কৰিলে। তেওঁ এজন ভাল গাইডো আছিল। এটা বৰফে ঢকা টিলাৰ পৰা আমাৰ গাড়ীখন বৰফৰ আঁকোৱা পকোৱা পথেৰে নামি আহিছে। এই টুকুৰা ঠাইত কোনো ঘৰ-দুৱাৰ চকুত নপৰিল। আনকি গছ-গছনিও নাই। বগা বৰফৰ



চাদৰ উৰি গুৰু গম্ভীৰ হৈ ৰৈ আছে এক সুবিশাল উপত্যকা আৰু সেই সুবিশাল উপত্যকাৰ মাজেৰে অকলে আমাৰ গাড়ীখন গৈ আছে। আন কোনো গাড়ী বা মানুহ আমি দেখা নাই। চালকজনে আমাক ঠাইবোৰৰ নাম আৰু ইতিবৃত বর্ণনা কৰি গৈছিল। চহৰখনৰ প্রায়বোৰ দর্শনীয় স্থান চাই আমি আহি হোটেলত উপস্থিত হ'লো। পূজাই টান বৰফেৰে কাটি গঢ়া বিভিন্ন মূর্তি সজাই থোৱা মিউজিয়ামটো চাব যাব খুজিছিল যদিও দেৰি হোৱা বাবে আমি তালৈকে নগ'লো। চালকজনক বিদায় দি আমি ৰুমলৈ আহি, হাত-মুখ ধুই অলপ জিৰণি ল'লো। কিছুসময় পিছত আমি ৰেষ্টুৰেণ্টলৈ ওলাই গ'লো। নিশাৰ আহাৰ খাই আমি যেতিয়া উভতি আহিলো তেতিয়া ৰাতি ৮.৩০ বাজিছিল। আমি শুবলৈ বিচনাত উঠিলো। কাৰণ কাইলৈ ৰাতিপুৱা আঠ বজাতে আমি বিমানবন্দৰ পাব লাগে। ১০ বজাত আমাৰ বিমান হেলচিংকিলৈ ৰাওনা হ'ব। সপোন সুন্দৰ দেশখনৰ কথা ভাবি থাকোতে টোপনিৰ কোলাত ঢলি পৰিলো।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখিকা তথা সমাজসেৱিকা, নাৰিকলবাৰী, গীতানগৰ



কেউলাদেৱ ৰাষ্ট্রীয় উদ্যান দর্শন

ইন্দ্রজিৎ দত্ত

হেজাৰ হেজাৰ পৰিভ্রমী আৰু স্থানীয় পক্ষীৰ বিচৰণ থলী হিচাপে প্রখ্যাত কেউলাদেৰ ৰাষ্ট্রীয় উদ্যানখন চাবলৈ বহুদিনীয়া হেঁপাহ এটা আছিল। দিল্লীৰ পৰা ২২২ কিলোমিটাৰ, আগ্রাৰ পৰা মাত্র ৫৬ কিলোমিটাৰ আৰু জয়পুৰৰ পৰা ১৭২ কিলোমিটাৰ দূৰত্বত থকা পক্ষী উদ্যানখনলৈ যাবলৈও বিশেষ অসুবিধা নাছিল। যি কি নহওক ২০২২ চনৰ মার্চ মাহত জীয়ৰী জুৰিৰ জয়পুৰৰ ঘৰত এমাহমান থকাকৈ যাওঁতে জুৰিৰ উৎসাহতে এদিন নাতি জয় আৰু জ্বলিৰ সৈতে আটায়ে উদ্যানখন চাই আহিলোগৈ। উদ্যানখন আগৰ ভৰতপুৰ প্রিন্সলী ষ্টেটৰ ব্যক্তিগত মৃগয়াৰণ্য আছিল। মৃগয়াৰণ্য বুলি কৈছো যদিও দৰাচলতে ডাক শ্বুটিং প্রিজার্ভহে আছিল। বহুৰি হেজাৰ-বিজাৰ পক্ষীৰ কাকলিৰে মুখৰিত মৃগয়াৰণ্যখনত ঋতুৰ নির্দিষ্ট একোটা দিনত ৰজন্যবর্গই হেজাৰৰ সংখ্যাত বিভিন্ন পক্ষী গুলীয়াই হত্যা কৰিছিল। হাঁহ জাতীয় বিভিন্ন প্রজাতিৰ জলজ পক্ষী নিধন আৰু বাঘ হাতী আদি চিকাৰ ভাৰতৰ সামন্ত ৰজা-মহাৰজাসকলৰ এক বিশেষ সন্মানীয় দস্তুৰ আছিল। আভিজাত্যৰ কি নৃশংস আমোদ-প্রমোদৰ বেহা আছিল এইবোৰ। এই ক্ষুদ্র ক্ষুদ্র ৰাজ্যবোৰ ভাৰতৰ লগত চামিল হোৱাৰ পিছত আৰু ঘাইকৈ ১৯৭২ চনৰ বন্যপ্রাণী সংৰক্ষণ আইনখন চালু হোৱাত এতিয়া পৰিস্থিতি যথেষ্ট উন্নত হ'ল।

উদ্যানত পক্ষীৰ সমাৰোহ উপভোগ কৰিবলৈ পুৱা আৰু আবেলিৰ ভাগত ভাল। বিশেষকৈ পুৱাবেলা। সেয়ে আমি পুৱা ৬ বজাতে গাড়ীৰে জয়পুৰৰ পৰা যাত্রা কৰি ৯ বজাত ভৰতপুৰ পালোগৈ। উদ্যানখন চহৰৰ একেবাৰে গাতে লগা। উদ্যানৰ ভিতৰলৈ গাড়ী যোৱা নিষেধ। চাইকেল, ৰিক্সা, ঘোঁৰা-গাড়ী আদি ভাড়াত পোৱা যায়। আমি ঘোঁৰা গাড়ী এখন তিনি ঘণ্টাৰ বাবে বন্দবস্ত কৰি উদ্যান দর্শন আৰম্ভ কৰিলো। উদ্যানৰ গেটৰ কেইমিটাৰমান দূৰৰ পৰাই চৰাইৰ জাকবোৰ চকুত পৰে। চিধা ৰাস্তাটোৰ ৩/৪ কিলোমিটাৰমান দুয়োকাষৰ ভূমি দৃশ্য আৰু পক্ষীৰ জাকবোৰ চাই আগুৱাই গৈ ঘূৰি আহিব লাগে। দেখিলো, বহুতে খোজ কাঢ়ি লাহে-ধীৰে গৈ আছে। বহুতে বাটৰ কাষত গছৰ তলত থিয় দি বা ঘাঁহনিত বহি পক্ষী-সমাৰোহ উপভোগ কৰিছে।

আমাৰ ঘোঁৰাবাগীখনৰ চহিচজন বেছ তজবজীয়া আৰু কথকী। জয়-জ্বলিহঁতক নানা তৰহৰ কথা কৈ সিহঁত দুটাৰ মনবোৰ উদ্যানখনৰ প্রতি আগ্রহী কৰি তুলিছিল। জয়ৰাম নামৰ চহিচজনৰ নখ-দর্পণতে যেন উদ্যানখন। জয়-জ্বলিয়ে প্রথমবাৰ ঘোঁৰাবাগীত উঠি বেছ স্ফূর্তি পাইছে। বাগীখনৰ ঘোঁৰাটোৱেও যেন সিহঁতৰ স্ফূর্তি দেখি আহ্লাদিত হৈ পৰিল। উদ্যানৰ ভিতৰলৈ আগবাঢ়ি যাওঁতে পানীত, পানীৰ কাষত বা গছত সৰহীয়াকৈ চৰাই পৰি থকা দেখিলে সি নিজে নিজে ৰৈ গৈছে। ঘোঁৰাটো

ৰ'লেই চহিচ জয়ৰাম তাৰ পক্ষীজ্ঞান জাহিৰ কৰাত লাগি যায়। উদ্যানখনৰ বিষয়েও নানা তথ্য-পাতি দি যায়। তাৰ কথা শুনিবলৈ আৰু দুই-এখন ফটো তুলিবৰ বাবে ময়ো বাগীৰ পৰা নামি জয়ৰামৰ লগে লগে যাবলৈ ধৰিলো। উদ্যানখনৰ বিষয়ে মই ইতিমধ্যে তথ্যপাতি সংগ্ৰহ কৰিছিলো। ২৮.৭৩ বৰ্গকিলোমিটাৰ আয়তনৰ মানৱ-সৃষ্ট উদ্যানখনৰ আৰম্ভণি হৈছিল ভৰতপুৰৰ মহাৰজা সুৰথমলৰ বুদ্ধিদীপ্ত প্ৰচেষ্টাত। গাম্ভীৰ আৰু বানগংগা নামৰ দুখন নৈয়ে বানপানীৰ সৃষ্টি কৰা অঞ্চলটোৰ উন্নয়নৰ বাবে দুয়োখন নৈৰ সংগমস্থলত ১৭২০ চনত এটা বান্ধৰ কাম আৰম্ভ কৰে। কেইবছৰমান পিছত বানপানীৰ প্ৰকোম শাম কটাত এই দ অঞ্চলটোৰ জলাহ, পিটনি আৰু এইবোৰৰ কাষে কাষে থকা কিছু ওখ মাটিত হোৱা ঘাঁহনি আৰু আৰ্দ্ৰভূমিপ্ৰিয় গছ-গছনি আৰু জলজ উদ্ভিদৰ দ্বাৰা সৃষ্টি হোৱা এক বিশেষ বৈশিষ্ট্যপূৰ্ণ ভূমি দৃশ্যই বিভিন্ন পশু-পক্ষীক আকৰ্ষণ কৰিলে। বিশেষকৈ বৈশিষ্ট্যপূৰ্ণ চৰাইৰ স্থায়ী আৰু অস্থায়ী আৱাস, সুৰক্ষিত বিচৰণ ভূমি, প্ৰচুৰ খাদ্য আৰু পক্ষীকুলৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি হোৱাত হাজাৰ-বিজাৰ পৰিভ্ৰমী চৰাইৰ আগমন ঘটিল।



স্থানীয় চৰাইবোৰ ইয়াৰ স্থায়ী বাসিন্দা হৈ পৰিল।

১৯৫৬ চনত ভৰতপুৰ পক্ষী অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ পিছৰে পৰা পক্ষীপ্ৰেমীসকলৰ আগমন ঘটিল। কেইবছৰমানৰ ভিতৰতে এখন জাকত জিলিকা পক্ষী অভয়াৰণ্য গঢ় লৈ উঠিল। উদ্যান কৰ্তৃপক্ষ আৰু স্থানীয় লোকৰ মাজতে সংঘাতৰো সম্মুখীন হৈছিল। কাষৰীয়া গাঁওকেইখনৰ মানুহে অভয়াৰণ্যখন গোচৰণীয়া পথাৰ হিচাপেও ব্যৱহাৰ কৰিছিল। তেওঁলোকেই অভয়াৰণ্যখন ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰাত মন্দিৰটোৰ নামেৰে ইয়াৰ নাম কেউলাদেৱ ৰাষ্ট্ৰীয় উদ্যান নামকৰণ কৰা হয়। পিছে এই সময়তে উদ্যানত ঘৰচীয়া জীৱ-জন্তু চৰোৱা নিষিদ্ধ কৰিলে। চৰণীয়া গৰু আৰু ঘোঁৱা কেইটামান পিছত উদ্যানতে ৰৈ গ'ল। বংশবৃদ্ধি হৈ এইবোৰ এতিয়া আধাবনৰীয়া হিচাপে উদ্যানৰ জীৱ-জন্তুৰ লগত চামিল হৈ পৰিল।

১৯৮৫ চনত উদ্যানখনক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে ঘোষণা কৰা হয়। ৩৭৫টা পৰিভ্ৰমী আৰু স্থানীয় চৰাইৰ লীলাভূমিৰ উপৰিও উদ্যানখনত ৩৭৯টা পুষ্প প্ৰজাতি, ৫০টা বিভিন্ন মাছৰ প্ৰজাতি, ১৩টা ভিন ভিন সাপৰ প্ৰজাতি, ৫টা জেঠীৰ প্ৰজাতি, ৭টা কাছৰ প্ৰজাতিৰে সমৃদ্ধ হৈ আছে। উদ্যানখনত জৈৱ বৈচিত্ৰ্যৰ সন্তুলিত খাদ্য-চক্ৰৰ এটা ভাল অধ্যয়ন কেন্দ্ৰ হোৱাৰ প্ৰভূত থল আছে।

২০০৫ চনত উদ্যানখনক Ramsor Site হিচাপেও স্বীকৃতি দিয়া হৈছে। এই ক্ষেত্ৰত উদ্যানখনৰ বিষয়ে দিয়া লিখিত মন্তব্যত পালো— It is the wintering ground for the rare Siberian Crane and habitat for large numbers of resident birds. The Park contains the most important and significant natural habitats for in-site conservation and biological diversity, including those containing universal value from the point of view of Science and Conservation.

এনে এখন গুৰুত্বপূৰ্ণ তথা প্ৰখ্যাত উদ্যানত এবেলা কটাবলৈ পাই আৰু জাক জাক ভিন ভিন পক্ষীৰ উপস্থিতিত অভিভূত হৈ পৰিছিলো। পৰ্যটকৰ ভিৰ দেখিও আশ্চৰ্য্য অনুভৱ কৰিছিলো। চাইকেল, ৰিক্সা, ঘোঁৱা গাড়ীত যিয়ে যেনেকৈ পাৰিছে উদ্যানত ভিৰ কৰিছেহি। খোজকাঢ়ি অহাসকলৰ আনন্দ উচ্ছ্বাসো শলাগিবলগীয়া আছিল। উদ্যানখনলৈ আজিকালি বছৰি প্ৰায় ২ লাখমান পৰ্যটক আহে। বহুতে ৰাতি হোটেলত থাকি পুৱা সূৰ্য উদয়ৰ লগে লগে উদ্যান খোলাৰ সময়তে পক্ষী নিৰীক্ষণৰ বাবে উদ্যানত সোমায়।

ৰজা-মহাৰজাৰ দিন অন্ত পৰাৰ লগে লগে শুটিঙৰ দৰে আমোদ-প্ৰমোদৰ ব্যৱস্থাও শেষ হ'ল। তেওঁলোকে প্ৰতিষ্ঠা কৰা সংৰক্ষিত বনানীবোৰ এতিয়া অভয়াৰণ্য বা ৰাষ্ট্ৰীয় উদ্যানলৈ ৰূপান্তৰিত কৰা হ'ল। তথাপি পুৰণি ৰেকৰ্ড কিছুমান পঢ়িলে চকু কপালত উঠে। এইখন ভৰতপুৰ অৰণ্যতে ভৰতপুৰৰ মহাৰাজে ১৯৩৮ চনত আয়োজন কৰা ডাক্-শুটিঙত ভাৰতৰ তেতিয়াৰ ভাইচ্ৰয় লৰ্ড লিলিথগোৱে ৪২৭৩টা বিভিন্ন জাতৰ হাঁহ একেদিনাই গুলীয়াই নিধন কৰিছিল। তেতিয়াৰ সেই গৌৰৱৰ কাহিনীক এতিয়া সকলোৱে ধিক্কাৰ দিয়ে।

কিছুদূৰ গৈ এঠাইত ৰাস্তাৰ দাঁতিত বহি চৰাইৰ লীলা-




খেলা চাই থাকোঁতে জুৰিহঁতক আগৰ দিনত ৰজা-মহাৰজাবিলাকে হাজাৰ হাজাৰ পক্ষী নিধন কৰাৰ কাহিনী কওঁতে জয় আৰু জ্বলিয়ে শুনি বৰ বেয়া পাইছিল। জয়ে, হিন্দী চিনেমাৰ জনপ্রিয় নায়ক ছলমান খানে কৃষ্ণ গাই গুলিয়াই জেললৈ যোৱাৰ কথা উনুকিয়াই দিছিল। ৰাজস্থানৰ সাধাৰণ লোকে বন্য-প্রাণী হত্যা কৰাৰ কথা ভাবিবলৈকে টান পায়। এয়া তেওঁলোকৰ সংস্কৃতিৰ বা সামাজিক কানুনৰ বাহিৰত।

তিনি কিলোমিটাৰমান গৈ আমি ঘোঁৰাবাগীৰ পৰা নামি ৰাস্তাৰ দাঁতিত পৰি থকা গছ এডালতে আটাইকেইটা বহিলো। জুৰিয়ে ঘৰৰ পৰা লৈ যোৱা টিফিন বক্স দুটা খুলিলে। চহিচ্ জয়ৰামৰ সৈতে আমি সকলোৱে ব্রেকফাষ্ট কৰিলো। গছডালৰ কাষতে পানী যুঁৱলিৰ ফালে ডুৰাকাছৰ শুকান চলং এখন পৰি থকা দেখি জ্বলিয়ে বুটলি আনিলে। চাৰি ইঞ্চিমান দীঘল চলংখনৰ শুকান বোকাখিনি মোহাৰি দিলত চলংখন চকচকীয়া হৈ পৰিল। জ্বলিয়ে ক'লে— এইখন মই ঘৰলৈ লৈ যাম। আচলতে অভয়াৰণ্য বা ৰাষ্ট্রীয় উদ্যানৰ পৰা একো বস্তু নিব নোৱাৰি বুলি তাক কোৱাতো সি সৈমান নহ'ল। ময়ো আৰু হকা-বাধা নকৰিলো।

জুৰিয়ে জয়ৰ বাবে সৰু ন'ট বুক এখন লৈ গৈছিল। মই সিহঁতকেইটাক মই জনা কেইবিধমান চৰাইৰ নাম কৈ চিনাকি কৰি দিওঁতে জুৰিয়ে নামবোৰ লিখি গৈছিল। ন'ট বুকটো মেলি মই আকৌ এবাৰ নামবোৰ মাতি গ'লো। আৰু কেইটামান যোগ দিলো। ইংৰাজী নামবোৰো লিখি দিলো। বেলেগ বেলেগ ধৰণৰ আকাৰ, পাখিৰ ৰং, গঢ় আদি লক্ষ্য কৰি সিহঁত দুটাও বেছি কৌতূহলী হৈ পৰিছিল। কিছু সময় তাতে জিৰণি লৈ আমি ওভতনি যাত্রা আৰম্ভ কৰিলো। মই পুনৰ বাগীখনত নুঠি জয়ৰামৰ সৈতে খোজ কাঢ়ি, মাজে মাজে দুই-এখন ফটো তুলি আহি থাকিলো। দহমান বজাত আমাৰ উদ্যান দর্শন শেষ হ'ল। জয়ৰামক বিদায় দি আমি লৈ যোৱা ভাড়া গাড়ীখনত বহিলোহি। হিয়াত বান্ধি আনিলো এখন প্রখ্যাত পক্ষী উদ্যানৰ সুন্দৰ অভিজ্ঞতা। বিশেষকৈ নাজি, জয় আৰু জ্বলিৰ বাবে আছিল এটা অপূর্ব অভিজ্ঞতা।❑

লেখক পৰিচিতি ঃ বিশিষ্ট লেখক তথা অৱসৰী সঞ্চালক, ভূমি সংৰক্ষণ বিভাগ, অসম



ছিংগাপুৰত এখন্তেক

জোনা শৰ্মা

কুৱালালামপুৰৰ পৰা বাছেৰে আমি ছিংগাপুৰলৈ আহিছিলো। ছিংগাপুৰ সোমোৱাৰ আগতে আমাক চেকপোষ্টত পাচপোৰ্ট দেখু�ৱাৰ পিছতহে যাবলৈ দিছিল ছিংগাপুৰলৈ। দক্ষিণ-পূব এচিয়াৰ মালয় উপদ্বীপৰ দক্ষিণ প্ৰান্তত অৱস্থিত দ্বীপ ৰাষ্ট্ৰ ছিংগাপুৰ। ১৯৪২ চনৰ পৰা ১৯৪৫ চনলৈ ছিংগাপুৰ জাপানৰ দখলত আছিল। ১৯৬৪ চনৰ ৯ আগষ্টত ছিংগাপুৰ পৃথক স্বাধীন ৰাষ্ট্ৰত পৰিণত হয়। ছিংগাপুৰ বিশ্বৰ চহকী দেশসমূহৰ ভিতৰৰ এক সন্মানিয় স্থান দখল কৰি আছে।

ছিংগাপুৰৰ আৰিষ্কাৰৰ কেইবাটাও প্ৰবাদ পোৱা যায়। ছিংগাপুৰৰ লোক বিশ্বাস মতে প্ৰাচীনকালত কোনো এজন পুৰুষে সিংহৰ ৰূপ লৈ ৰাজ্য পাতিবলৈ বিচাৰি এই দ্বীপটো পাই ইয়াৰ সৌন্দৰ্য্য দেখি ইয়াতে ৰাজ্য পাতিবলৈ লৈছিল। কোৱা হয় যে ছিংগাপুৰৰ পূৰ্বপুৰুষসকল পূৰ্বতে মাছমৰীয়া আছিল বাবে সিংহৰ ওপৰচোৱাৰ লগত মাছৰ আৰ্হিসংযুক্ত মাৰলায়ন তেওঁলোকে দেশৰ প্ৰতীক ৰূপে গণ্য কৰি আহিছে। ছিগাপুৰৰ এসময়ৰ নাম আছিল টেমাচেক। চতুৰ্দ্দশ শতিকাৰ শেষৰফালে টেমাচেক নামৰ এজন হিন্দু ৰাজকুমাৰে মুছলমান ধৰ্ম গ্ৰহণ কৰি চুলটান হুছেইন শ্বাহ নাম লৈ ৰাজপাটত বহে। ১৮১৯ চনতহে বৃটিছ বিষয়া ছাৰ ষ্টাম ফোৰ্ড ৰাফেল অহাৰ পিছত ছিংগাপুৰ নাম হয়। প্ৰায় ১৪৬ বছৰ বৃটিছৰ অধীনত আছিল। আৰু এক প্ৰবাদ মতে সাংনীলা উটমা নামৰ এজন মানুহে অৰণ্যৰ মাজত এটা সিংহৰ আকৃতিৰ জন্তু দেখা পাইছিল। আৰু এই জন্তুক মালয় ভাষাত ছিংহাপুৰা বুলি কোৱা হয়। সেয়েহে ছিংগাপুৰ নামে নামাংকিত কৰা হয়। ছিংগাপুৰ মালছিয়াৰ দক্ষিণত অৱস্থিত। এখন নদীয়ে মালছিয়া আৰু ছিংগাপুৰক পৃথক কৰিছে। ৯ আগষ্ট ১৯৬৫ চনত মালেছিয়াৰ পৰা পৃথক হৈ স্বাধীন ৰাজ্য স্থাপন কৰে। সেয়ে ৯ আগষ্ট স্বাধীনতা দিৱস হিচাপে পালন কৰে। ছিংগাপুৰৰ স্থায়ী বাসিন্দা হৈছে— মালয়, চিনা, তামিল। আৰু ভাষা হৈছে— তামিল, মানকাৰিন আৰু ইংলিছ। ছিংগাপুৰৰ বাট-পথবোৰ চাৰিৰ পৰা আঠলাইন যুক্ত পৰ্যবেসিত। কোনো গাড়ী হৰ্ণ শুনা নাযায়। অতি প্ৰয়োজন নহ'লে হৰ্ণ বজোৱা নিষেধ। গাড়ীৰ পৰা ধোৱা নিৰ্গত হৈ বাহনৰ শব্দই যাতে পৰিৱেশ দূষিত নকৰে। অসংখ্য লোকৰ সমাগম এই পৰ্যটনস্থলী কোনো হাই উৰুমী নাই শান্ত সমাহিত পৰিৱেশ।

সাগৰৰ পাৰত প্ৰথমে আমাক লৈ যায় ড'লফিন শ্ব'ৰ বাবে। শাৰি শাৰিকৈ সজাই থোৱা চকিত বহি ড'লফিন'ৰ খেল চাবৰ বাবে অপেক্ষা কৰিছিলো। বিভিন্ন খেল দেখুৱাৰ


লগে লগে সংগীতৰ তালে তালে মূৰ দাঙি সুন্দৰ ভংগীমা প্ৰদৰ্শন কৰিছিল। সকলো যাত্ৰীয়ে হাত চাপৰিৰে অভিবাদন জনাই। দৰ্শকৰ মাজৰ পৰাও কোনো লোকক লৈ গৈ ড'লফিনক স্পৰ্শ কৰিব দিয়ে। সেইদিনাই গধুলী সাত বজাৰ সাগৰৰ সংগীত চাবলৈ গৈছিলো। এই অনুষ্ঠানটোক ওৰাটাৰ লেজাৰ শ্ব' বুলি কোৱা হয়। এগৰাকী নিদ্ৰামগ্ন সুন্দৰী ৰাজকুমাৰীৰ টোপনী ভঙাৰ এক কাহিনীক কেন্দ্ৰ কৰি সংগীতৰ তালে তালে অপূৰ্ব কৌশলেৰে প্ৰদৰ্শন কৰে। এই শ্ব'টো প্ৰায় এক ঘণ্টাকৈ প্ৰদৰ্শন কৰে। অতি সুন্দৰ দৰ্শনী তাক নিজ চকুৰে নেদেখিলে অনুভৱ কৰিব নোৱাৰি। ৰাতিৰ আহাৰ বাহিৰতে কৰিছিলো।

ছিংগাপুৰত দ্বিতীয় দিন। বিখ্যাত চেণ্টোচা দ্বীপলৈ ওলাইছিলো। ৰাতিপুৱাৰ আহাৰ হোটেলতে কৰি প্ৰথমে বাছেৰে আমি ৰ'পৰে ষ্টেচনলৈ যাও আৰু তাৰ পৰাই আমি ৰ'পৰে (Rope way)ত উঠি সাগৰৰ একাংশৰ ওপৰেৰে যাও, সেই স্থানতে তললৈ চাই দেখিছিলো সাগৰ, জাহাজ আৰু বৃহৎ তেল ৰিফাইনেৰী আনন্দত আত্মহাৰা হৈ পৰিছিলো সেই দৃশ্য দেখি। চেণ্টচা দ্বীপ পোৱাৰ পিছত প্ৰথমে সোমাও সেই দ্বীপৰ বিখ্যাত পানীৰ তলৰ পৃথিৱীত (Under Water World) আইনাৰে এটা সুৰঙ্গৰ সৃষ্টি কৰি (Water World) আইনাৰে এটা সুৰঙ্গৰ সৃষ্টি কৰি একুৱিয়াম বনাইছে। সুৰগংত বিভিন্ন সাগৰীয় মাছ সংৰক্ষণ কৰি ৰখা হৈছে। সুৰংগৰ আৰম্ভণিৰ পৰা চলন্ত সমতল এচকেলেটৰ (Plane Escaltor) সুৰঙ্গৰ তলেঃ ওপৰে দুয়ো কাষে আইনাৰ ভিতৰত অসংখ্য মাছ দেখা যায়। তাৰে ভিতৰত তৰা মাছো বহু দেখিবলৈ পাইছিলো। বিভিন্ন সাগৰীয় জলচৰ প্ৰাণী চাই চাই হেপাহ নপলাই এই একুৱিয়ামৰ উন্নত প্ৰযুক্তি দেখি আচৰিত হোৱাৰ লগতে অভিভূত হৈ পৰিছিলো। ২০০৫ প্ৰজাতিৰ সাগৰীয় জীৱ আনি ১৯৯০ চনত এই একুৱিয়ামত সংৰক্ষিত কৰি ৰখা হৈছিল। পানীৰ পৃথিৱীৰ পৰা ওলাই আহি ওপৰত থকা আৰু দুটামান আইনাৰ একুৱিয়ামত সাগৰীয় মাছ চাই আমি দুপৰীয়াৰ আহাৰ চেণ্টাচা দ্বীপতে কৰিছিলো। এই দ্বীপতে আছে এটা ঘূৰণীয়া স্তম্ভ। ওপৰত গোলাকাৰ কৈ চকি পাৰি থোৱা আছে। এই চকৰিত উঠি চকিত বহি লৈ গোটেই ছিংগাপুৰখনৰ মোহনীয়া দৃশ্য উপভোগ কৰিব পাৰি। মই আৰু প্ৰাৰ্থনাই দুটা টিকট লৈ ওপৰলৈ উঠি যাওঁ খট-খটিৰে। গোলাকাৰ স্তম্ভৰ চকিত ভালদৰে বহি লৈ উপভোগ কৰো সাগৰৰে সৈতে ছিংগাপুৰৰ প্ৰতীক সিংহৰ চিষ্ট মাৰলায়নক। সন্ধিয়া নামি অহাৰ লগে লগে সিংহৰ প্ৰতীকৰ চাৰিওফালে লাইটৰ পয়োভৰৰ লগতে সুৰৰ মূৰ্চনা আৰম্ভ হয়।

১ আগষ্ট আজিৰ দিনটো আমাৰ শেষ দিন ছিংগাপুৰত। ৰাতিপুৱাৰ আহাৰ হোটেলত কৰি আমি ওলাইছিলো ছিংগাপুৰৰ বিখ্যাত লিটিল ইণ্ডিয়ালৈ। এই অঞ্চলত প্ৰধানকৈ ভাৰতীয় মূলৰলোক সকলে বসবাস কৰে লগতে দোকান পোহাৰো আছে। সেয়ে এই অঞ্চলক লিটিল ইণ্ডিয়া বুলি কোৱা হয়। ইয়াতে থকা বৃহৎ শ্বপিং মল হ'ল বিখ্যাত মুস্তাফা কমপ্লেক্স। ভাৰতীয় সাজ-পাৰৰ পৰা আদি কৰি সোণৰ আৰু বিভিন্ন আ-অলংকাৰ পোৱা যায়। ইয়াতে থকা হোটেলবোৰত উত্তৰ আৰু দক্ষিণ ভাৰতীয় বিবিধ আহাৰ পোৱা যায়। এই অঞ্চলত থাকিলে ভাৰতত থকা যেন লাগে। লিটিল ইণ্ডিয়াৰ মুস্তাফা মলত সোমাই দুই এপদ বস্তু লৈছিলো। বৃহৎ বজাৰখন ভালদৰে চাবলৈ সময় নহ'ল, দুপৰীয়াৰ আহাৰ লিটিল ইণ্ডিয়াতে কৰি সন্ধিয়া আমি গৈছিলো নাইট চাফাৰীলৈ।

সন্ধিয়া ছিংগাপুৰৰ বিখ্যাত নাইট চাফাৰীলৈ গৈ আমি যোৱা বাছখনৰ পৰা নামি টিকট লৈ লাইন পাতিছিলো। এখন এখন কৈ খোলা ট্ৰাম গাড়ী লাইন পাতি আহি থাকে, সকলোৱে নিজৰ নিজৰ নিৰ্দিষ্ট আসনত বহি লয়। চিৰিয়াখানাখনৰ মাজেৰে থকা অকোঁৱা পকোৱা বাটেৰে লৈ গৈছিল। আমি উঠা গাড়ীখনৰ চালিকা এগৰাকী মহিলা। আমাৰ গাইড নেইনাৰ লগত আৰু এগৰাকী ছিংগাপুৰৰ মহিলা গাইডে আমাক নাইট চাফাৰীৰৰ বৰ্ণনা কৰি গৈছিল। ইয়াত জন্তুবোৰক খোলাকৈ ৰখা হয়। ট্ৰামখন খুব লাহে লাহে চলিছিল। জীৱ-জন্তুই যাতে শব্দ প্ৰদূষণৰ বাবে দূৰলৈ আঁতৰি নাযায়। অলপ পোহৰ অলপ এন্ধাৰৰ মাজেৰে দুয়োফালে মুকলি ট্ৰামখন আগবাঢ়ে। বিভিন্ন জীৱ-জন্তু তাৰে ভিতৰত হৰিণ, বাঘ, সিংহক ধৰি হাতীকো দেখা যায়। মনতে মাজে মাজে ভাব আহে খোলা গাড়ী তাতে গাড়ীখন একেবাৰে চাপৰ যদি বাঘ বা কুকুৰনেচীয়া আহি আক্ৰমণ কৰে কিন্তু তেনে একো হোৱাৰ ভয় নাই গাড়ীৰ চালক আৰু গাইদেও জানে কেনেদৰে আগবাঢ়িব লাগে জংঘলৰ মাজত। ভাবি আচৰিত লাগে এই ধৰণৰ প্ৰকল্প কেনেকৈ যে নিখুতভাৱে পৰিচালনা কৰিছে। আজি আমাৰ শেষ নিশা ছিংগাপুৰত। পিছদিনা ৰাতিপুৱা ন বজাত চাংগি বিমান বন্দৰলৈ বাছত উঠো। ছিংগাপুৰৰ এই চাংগী বিমান বন্দৰ বিশ্বৰ শ্ৰেষ্ঠ বিমান বন্দৰৰ ভিতৰত অন্যতম। সুবৃহৎ বিমান বন্ধৰৰ পৰিৱেশ অতি সুন্দৰ। ভ্ৰমণ সময়ছোৱাত লগ পোৱা নানা ঠাইৰ পৰা অহা ভ্ৰমণকাৰীসকলক এৰি মনটো সেমেকি উঠিছিল এই কেইটা দিনতে আমি যেন একেটা পৰিয়ালেৰে তেনে অনুভৱ হৈছিল। বিশেষকৈ প্ৰাৰ্থনা আৰু গুণাজীৰ পৰিয়ালটো বৰ আপোন হৈ পৰিছিল। অনবৰতে লগ দিয়া প্ৰাৰ্থনালৈ অশেষ ধন্যবাদ জনাই বিদায় মাগিছিলো কলিকতা বিমান বন্দৰত।❑


পূজা


GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার

❑ ড° পূর্ণ ভট্টাচার্য

প্রেমৰ নিয়ৰত

প্রেমৰ নিয়ৰত
শৰৎ ডুবিছে
টোপনিতে হালিছে দূবৰি।
মাটিলৈ বুলি নকওঁ
আকাশখনকে চোৱা
বেলিটোৰ পৰাও টোপ্ টোপ্ কৈ
সপোনৰ নিয়ৰ সৰিছে।
প্রেম বোলে গৰখীয়াৰ মাত
ম'হৰ পিঠিৰ গুৱাল
ম'হ পেঁপা হৈ কাৰোবাক মাতে।
আৰু পথাৰৰ পৰা উঠি আহে
সদ্যস্নাতা গাভৰুৰ খিল্‌খিল্ হাঁহিৰ মাত!
মাততে সকলো
হিৰন্ময় হৈ উঠে নদী
পথাৰৰ শইচ।
মাতত মাত দিবলৈ উঠি আহে সাগৰ
আৰু মোহনামুখত কথা পাতে,
আৱাহনী সন্ধিয়া এটা হাতীৰ খোজত
উঠি আহে
আৰু বিসর্জনী আবেলিটোত কলিজাৰ দোলাত
ধোঁৱা বৰণীয়া সন্ধিয়াত মিলি যায়!
মাতত মাত ফুটে
উঠে বেলি
উঠে জোন
ডুবে বেলি
ডুবে জোন।
মাত কৰুণাময়
মাত সুগন্ধিময়
ভক্তি সাগৰৰ প্রেমৰ সন্ধানী মাত।
প্রেমৰ নিয়ৰত শৰৎ ডুবিছে।



❑ যোগেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী

পোহৰ বাটেৰে

এদিন
আন্ধাৰবোৰক মই সুধিছিলো
পোহৰৰ বাট কেনি?
উত্তৰত ক'লে ঃ
আমিও পোহৰ প্ৰয়াসী
বিচাৰি আছো পোহৰৰ বাট
জিলিৰ মাতে গহীন কৰি তুলিছে
গভীৰ ৰাতিৰ নিৰ্জনতা
নিৰ্জনতাই—
আন্ধাৰ ৰাতিৰ দুখবোৰক
আবদাৰ কৰি ক'লে
ৰাতি যিমানে গভীৰ হ'ব
সিমানে তেজাল হৈ
ফুলি উঠিব পূৱাৰ সূৰ্য্যমুখী
ৰাতি পোহৰ হ'বলৈ কিমান পৰ?
আমি দিশহাৰা পথিকৰ দল
আন্ধাৰৰ মাজতে হঠাৎ শুনিলো
পোহৰৰ শব্দ
এচেৰেঙা পোহৰ আহি চুকত পৰিল
আকাশত চপৰা মেঘবোৰ জ্বলি জ্বলি
ক্ৰমশঃ উজ্জ্বল হৈ উঠিছে
পৃথিৱীলৈ নামি আহিছে পোহৰৰ ঢল
আমি বিচাৰি পালো পোহৰৰ বাট
দৈনন্দিন কাৰ্য্যসূচীৰে আৰম্ভ হ'ল জীৱন
এনেকৈয়ে আন্ধাৰৰ পিছত পোহৰ
পোহৰৰ পিছত আকৌ আন্ধাৰ
জগতৰ চিৰন্তন নিয়ম
আশা-প্ৰত্যাশা
আনন্দ-নিৰানন্দ
চলি থাকে
আন্ধাৰ আৰু পোহৰৰ আৱৰ্ত্তত
পাৰ্থিৱ লোভ-মোহ
আৰু প্ৰলোভনে
আমাক লৈ যায়
সত্যৰ পৰা অসত্যলৈ
ন্যায়ৰ পৰা অন্যায়লৈ
মানুহৰ পৰা অমানুহলৈ
আন্ধাৰে প্ৰশস্ত কৰে এই যাত্ৰাপথ
আন্ধাৰ এই পথৰ সহযাত্ৰী
হে পোহৰৰ দেৱতা
আমাক লৈ যোৱা
পোহৰ বাটেৰে অন্য এক
পোহৰৰ দেশলৈ
আছে য'ত
মনোৰম সৰগীয় ফুলৰ উদ্যান
সেউজীয়া বিৰিখৰ ছাঁ
পক্ষীৰ কোমল কণ্ঠ
হৃদয় জুৰোৱা গান

❑ অচ্যুত তালুকদাৰ

শৰতৰ প্ৰত্যুষকাল

শৰতৰ আগমনৰ বতৰা
সময় প্ৰত্যুষকাল
বাহিৰৰ আকাশ ৰঙচুৱা বোল লগা
কজলা হৈ পৰিছে।
শেষ নিশাৰ বৰষুণ সামৰি
আহো নাহোকৈ থকা
মেঘালীৰ মৃদু পদচালনা।
বৰষুণে ধুৱাই নিয়া
বকুলৰ ৰিঙা ৰিঙা গোন্ধ
আমোলমোলাই আছে
স্থিতপ্ৰজ্ঞ ধৰণীৰ বুকু।
বগলী বৰণৰ চাদৰ লৈ
শেৱালিজোপাই
মাৰিছে ভুমুকি
সূৰুযে হেঙুলীয়া দলিচা পাৰা
প্ৰভাতৰ পদূলিত।
নিশাৰ বৰষুণৰ উমাল টোপালবোৰ
সপ্তৰঙী মুকুতাৰ দৰে জিলিকি আছে
শ্যামলী দূৰৰিৰ বুকুত
অৰুণৰ কোমল কিৰণ পাই।
ৰঙা-নীলা চৰাইৰ সুৱদি মাতত
সাৰ পাই উঠে
বৰষুণে ধোৱা
সেউজীয়া বিৰিখৰ পাত
লহৰ তোলে ৰিব্ ৰিব্
শীতল বতাহজাকৰ পৰশ পাই।
নিশাৰ নিৰ্জনতাত সৰীসৃপৰ দৰে
পৰি থকা ৰাজপথে
জীৱনমুখী উজ্জ্বলতাৰে সজীৱ হৈ পৰি
প্ৰাত ভ্ৰমণৰত
চিন নিচিন অনেক পথিকৰ
ৰাজহংস বুলীয়া গমনত।



❑ পুলকেশ ৰায় বৰুৱা

গৈ থাকা, ৰৈ নাথাকিবা

দুপৰ নিশাৰ নিঃসীম শূন্যতা
কিম্বা পকা ৰ'দৰ জ্বলি-পকি মৰা উচপিচ গৰমৰ নিদান
খেনোৱে কয় গৈ থাকা, ৰৈ নাথাকিবা

টানি-টুনি চলাই থকা
জোৰা-টাপলিৰে সী থকা
নিঃস্ব-আর্তজনৰ সংসাৰৰ বক্ষস্থলতো যেন একেই নীতি
গৈ থাকা, ৰৈ নাথাকিবা

হেজাৰ প্রতিশ্রুতিৰ বৰণীয়া মালা পিন্ধাই প্রেমিকাই প্রেমিকক দিয়া আশ্বাস
নিঃশ্বাস নোযোৱালৈ প্রেমিকাই দি থকা অংগীকাৰৰ বর্ণমালাবোৰ
সময় পাকচক্রত পৰি মুখ থেকেচা
খুৱাই প্রেমিকাই সন্তর্পণে যেতিয়া প্রেমিকক এৰি গুচি যায় আন কোনো ন-প্রেমিকৰ ওচৰলৈ
তেতিয়াও যেন সেই একেই সান্ত্বনাবাণী
গৈ থাকা, ৰৈ নাথাকিবা

চিন্তা-চেতনা বিষময় হৈ
মোলান পৰাৰ দুর্বিষহ পৰ নতুবা
হতাশাই কুৰুকি কুৰুকি কাৱোবাৰ
মনৰ ভিতৰখন পোতাশাল কৰি দিয়াৰ জীয়া বাস্তৱতো একেই ভাব-ভাষা
জীৱনটো গৈ থাকিব দিয়া, ৰ'ব নিদিবা

মুঠতে
গৈ থকাৰ স্বৰলিপি
জীৱন জিনাৰ সোপান
ৰৈ থকাৰ বিধিলিপি
যমালয় যোৱাৰ বিধান

অলপ ৰৈ আৰু কিছু গৈ
কিছু গৈ আৰু অলপ ৰৈ
এনে তালমিল দর্শনত বিশ্বাসীসকলৰ জীৱন হয় সেন্দূৰীয়া

পাদটীকা ঃ
হে নমস্য সুহৃদ— গৈ থাকা
হে পৰম হিতৈষী— ৰৈ নাথাকিবা।



❑ বর্ণালী বৰা বৈশ্য

নমো দেৱী নাৰায়ণী

মহাশক্তি জগত জননী
শক্তিৰ আধাৰ মহামায়া
দুর্গতি নাশিনী তুমি
সমগ্র বিশ্বৰ মাতা
সৃষ্টি
স্থিতি
আৰু বিনাশ
তিনিশক্তিৰ অধিকাৰিণী
শৰতৰ অধিষ্ঠাত্রী দেৱী
মাতা তুমি শাৰদা
যুগে যুগে
ন ন ৰূপে
অপাৰ মহিমা ভক্তিৰসে
বিলাইছা জ্যোতি
ভক্তগণৰ প্রাণে প্রাণে।
দশভুজা দেৱী আই
তুমিয়েই মহিষমর্দিনী,
অসুৰ দানৱক দমন কৰি
অন্যায়, অত্যাচাৰ বিনাশ কৰি
ত্রিভুৱনত কৰিলা তুমিয়েই
শান্তি স্থাপন
শংখ, ঘণ্টা, উৰুলি
আৰু হিয়াৰ নৈবদ্যৰে
সর্বশুদ্ধ পুজাস্থলীত
কৰযোৰে ভক্তগনে
কৰে তোমাক মিনতি
"নমো দেৱী নাৰায়ণী'

❑ মদন চন্দ্ৰ মেধি

থোৰ মেলা পথাৰৰ গান

থোৰ মেলা
পথাৰৰ গান
সভ্যতাৰ আঁচলত ধৰি
ৰিতুৰ জখলা বগাই
আহিব দিয়া
আপদীয়া শাওণৰ বৰষুণজাক
স্পন্দিত ছন্দেৰে
শাওণৰ বৰষুণ
চিকুণ বাটেৰে
তুমিয়েতো
যুগমীয়া সুৰ এটি লৈ
কৃষকৰ সোণালী সপোনৰ
মাটি খামুচি ধৰা
কুমলীয়া ধানৰ শিপাক
সতেজ সজীৱ কৰিবলৈ অহা
শৰতৰ ভৰ যৌৱনা বুকুলৈ
সুখৰ হাঁহিৰ তৃপ্তিৰে তুমি
গৰ্জন কৰা

আছে আমাৰ চন্দ্ৰমাৰ ফৰকাল আকাশ
গুপত গঙ্গাটোপটো হৈ
উটুৱাই নিনিবা চিনাকি সুগন্ধিৰ
তলসৰা শেৱালি চোতাল
আমি যে ভাল পাওঁ
ভাদৰ প্ৰথম বৰষুণজাক
তুমিয়েতো জাগি উঠিব দিয়া
সেউজীয়া পুৱাৰ পথাৰ
তেতিয়াহে পথাৰৰ
পাতল পাতল লগা মনত
ধ্বনিত হ'ব
সজীৱ নিৰ্ভীক
দেৱীৰ পদধ্বনি



❑ বন্দনা গোস্বামী

শাৰদী নিশা

এটি সপোন দেখিছিলো...
সোণালী বালিত,
হীৰাৰ সাজ খটোৱা
প্ৰজ্ঞাৰ প্ৰাসাদ সজাৰ!
তেতিয়া প্ৰথম প্ৰহৰ আছিল।
.....
দ্বিতীয় প্ৰহৰত দেখিলো...
সেয়া হীৰা নাছিল!
আইনাৰ ভগা টুকুৰাই,
আঘাত কৰা সোঁহাতৰ,
বুঢ়া আঙুলিত,
বিশল্যকৰণী বান্ধি ল'লো।
....
চিপ্ চিপীয়া বৰষুণত,
প্ৰীতিৰ পথাৰত সৃষ্টিৰ,
বীজ সিচিব লওঁতেই
ধুমুহা আহিল....
তৃতীয় প্ৰহৰ হ'ল!
.....
এখন চিঠি লিখিলো...
আটিলকৈ পিন্ধা সাজযোৰে,
মোক আৰু নুশুৱায় অ' আই!
তহঁতৰ খামুচীয়া কঁকালৰ মেঠনিত,
স্বাধীনতাৰ লক্ষ্য বান্ধি ৰাখিবি।
দুভৰিত শালচখুৰা ওলালেও,
খোজবোৰ নিজৰ হওঁক।
নিপুণ শৈলীৰে,
সৃষ্টিৰ পথাৰত দক্ষতাৰ বীজ সিঁচিবি।
সততাৰ আলিৰে আৱেগবোৰ
ভগাই ল'বি।
.....
কুঁৱলীৰ জাল ফালি
ৰ'দালিয়ে হাঁহিলে।
উৰুখা পঁজাত , ৰ'দ-বৰষুণৰ
নিঃসংকোচ প্ৰৱেশ!!



❑ মৃদুল গোস্বামী

বৰষা

কি হ'ল তোমাৰ চোন খবৰেই নাই?
শাওণৰ পথাৰত নাই
আশাৰ সেউজীয়াবোৰ!
কপালৰ ঘাম মাটিত পেলাই
অথলে নিয়াবা নেকি
কৃষকৰ শ্রম?
চৌফালে দেখোন পথাৰত ছিৰাল ফাট।
পঞ্জিকাত বোলে
মঙলৰ দশা।
কি কৰি পাৰ কৰিম ভৰিষ্যৎ আমাৰ?
দেউতাৰ নৰীয়া দেহা
পোনাকেইটাৰ
অভাৱবোৰ বাৰু কেনেকৈ
নিবাৰণ কৰিম।
তেল চাবোন নিমখকণ
চিলিণ্ডাৰ লাইটৰ বিল?
কিনো দোষ কৰিলো প্রভু
তোমাৰ সেৱাত!
বিপাঙত পৰিছো বৰষা
কাকূতি শুনিবা আশাৰ।

❑ ৰমাকান্ত দাস

মন বিৰিণাৰ কঁহুৱা

এই শৰততে আহিবা তুমি
আঁজলি ভৰাই ৰাখিছোঁ শেৱালি পাহি।
মন বিৰিণাত কঁহুৱা ফুলিছে
দিনে নিশাই তোমাৰ কথাই
আমনি কৰিছে।
হিয়াৰ দলিচাত নিয়ৰ সৰিছে
হেৰুৱাৰ বেদনাত কলিজা দহিছে।
নীলিম আকাশত উৰিছে
মন পখীটি,
কিনো ভাৱত জানো জুৰ পৰে দেহাটি।
শুভ্র জোনাকত জিলিকে শুকুলা ডাৱৰ,
একেডাল ৰেখাতে মিলিব আমাৰ অবুজ ভাৱৰ।



❑ উত্তম কাকতি

দুর্গা পূজা

তুমি শক্তি-মহাশক্তি
মৃন্ময় আদ্যা
এন্ধাৰ বিনাশিনী
তুমি পোহৰ
মানুহবোৰে আঁঠু লয়
মূৰ দোঁৱায়
ফটো উঠে ৰিল বনায়
হাঁহিৰ লহৰ তোলে
মার্জিত-অমার্জিত কাপোৰ
খায় খাদ্য-অখাদ্য
পূজা আহে সংস্কৃতি গঢ়ে
মদ-ড্রাগচত ডুব যায় নিশা
হত্যা-ধর্ষণৰ বজাৰ বহে অত-ত'ত
দেৱীয়ে ভাৱে ঃ ইবোৰ চোন মহিষাসুৰ
দুর্গা পূজা আহে
চৌপাশে এন্ধাৰৰ আখৰা
হৃদয়ত বজা নাই
স্তুতি-বন্দনা-আৰতি
ঢাক-ওজাপালিৰ ঝন্‌ঝননিত
পুৰোহিতৰ মন্ত্রোচ্চাৰণত
বয় জানো পোহৰৰ নিজৰা
জ্ঞানবোৰ-গুণবোৰ
কেতিয়া ফুল হৈ ফুলিব
পদূলিত—
মনত—
কর্মত—
কেতিয়া????

❑ গীতিকা দাস হালৈ

সিপাৰলৈ আৰু ৰ'ব নোৱাৰো

সুখ-দুখৰ তুলাচনীৰ ভৰত মোৰ কলিজাখন
দোঁ খাই খহি খহি বাগৰিব ধৰিছে
বিশাল ডাৱৰে ঢকা আকাশখনত
তোৰ উশাহবোৰে মোক থকাসৰকা কৰিছে বৰ
জানো মই নিশ্চিত এই জনমৰ সিপাৰ ইপাৰ
প্রতিটি জীৱন ঘাট
পল অনুপল কৰি বাগৰিছে
সপোনৰ দস্তাবেজৰ খিলাবোৰো।
টিক টিক ঘড়ীৰ কঁটাৰ শব্দত
ঘড়ীৰ দণ্ডকিডালেও মোক ইতিকিং
কৰা যেন লাগিছে অবিৰাম গতিত।
তোৰ উৰলা কামিজটোত গোন্ধৰ ভাৱত
সাৰ পাই উঠা কলিজাখনো
চিৎকাৰ কৰিছে
চুটি চুটিকৈ লোৱা উশাহৰ
আকাৰহীন অম্লজানৰ ভৰত।
সিপাৰৰ জনমে জনমে লগ হ'ব বুলিলেও
মই ৰ'ব নোৱাৰো আৰু
মোৰ আঁচলৰ জাপটোত
মকৰাক বাহ ল'ব দিব নোৱাৰো
তুমি মুখগুঁজি পুনৰ লগ হোৱাৰ আনন্দত
অশ্রু নিগৰাৰ আগতেই।
জীৱনে জোৰকৈ দৌৰিছে
বিচাৰি বিচাৰি সুখৰ বন্দৰ।
বিশ্বাস কৰা, শেষ হৈও শেষ নোহোৱা ৰাত্রিবোৰ
উজাগৰে পাৰ কৰিছো
মই ভাগৰিছো বহুত
অস্থিৰ আৰু অসুস্থও হৈছো
সিপাৰলৈ আৰু ৰ'ব নোৱাৰো মই
জীয়াই থাকোঁতেই...।।



❑ ৰূপশ্রী শর্মা ডেকা

মা ভৱানী

যা দেৱী সর্বভূতেষু
মাতৃ ৰূপেণ সংস্থিতা
নমস্তস্যৈ, নমস্তস্যৈ, নমস্তস্যৈ
নমোঃ নমঃ
তুমি দেৱী দুর্গতি নাশিনী
দূৰ কৰা জীৱনৰ যত যন্ত্রণা
বধ কৰা অসুৰৰ বাসনা
তুমি শাকম্ভৰী
তুমি ক্যাত্যায়নী
ৰক্ষা কৰা তুমি জগতজননী
তুমি মহামায়া, জগতমায়া
কালজয়ী শক্তিৰূপা
তুমি সর্বসিদ্ধি দাত্রী, বিশ্বৰূপিণী
হিংসাৰ অসুৰ নাশা
শক্তি মহিষমর্দ্দিনী
বিশ্বব্রহ্মাণ্ডৰ সমস্তশক্তিৰ
তুমিয়েইতো মাতা ভৱানী।

❑ ৰিবি হাজৰিকা

শৰৎ

তুমি আহিবা বুলি
শৰৎ
ৰাগ পঞ্চমীৰ আলাপেৰে
হিল্লোলিত কৰোঁ
চৌদিশ

এচোতাল শেৱালি ফুলাই
তুমি আহিলা

হিমকণা ছটিয়াই
কেতিয়া পাৰি দিবা ধৱলী দলিচা মোৰ চোতালৰ
দুৱৰিডৰাত

ঊষা কালতে
দি যাম এখোজ দুখোজকৈ
ধৱলী দলিচাত খোজ

তোমাৰ শীতল হিমকণাৰ
স্পর্শই
অন্তৰিন্দ্রিয় মোৰ
প্রশান্তিত ভৰি পৰি
তোমাতেই বিলীন হ'ব।



❑ মিনু পাটগিৰী

তমসোঃ মাঃ জ্যোতির্গময়ঃ

পথাৰৰ সেউজীয়া গচকি
শাওলাই উলাহত ছটিয়াই যায়
বাখৰুৱা মণি...।
মলয়াৰ স্বৰধ্বনিত সাৰ পায়
আধাফুলা চুপহি...।
ঋতুৰে গছে গছে পাতে পাতে
জনায় তেওঁ অহাৰ খবৰ...।
উৎকণ্ঠাত ভৰি পৰে সেউজৰ প্ৰাণ...।
পকা হালধীয়া পাতৰ মাজেৰে সৰি পৰে
বেলিৰ হাঁহি...।
বতাহে সুহুৰিয়াই মানুহক কয়...
আহিনৰ বুকু হেনো তপত খলা...
তৃষ্ণাতুৰ পথাৰৰ আৰতিত খহি পৰে...
কৃষকৰ সপোনৰ সৌধৰ বেৰ...।
তথাপি শৰতৰ সভা উথপ্‌থপ্‌...।
মাটিৰ তলত শিপাৰ প্ৰার্থনা...
শব্দবোৰে কৰে বোধনৰ আখৰা...
এটি ভাল সময়ৰ অপেক্ষাত
মানুহে শাৰদীক জনায় আমন্ত্রণ...
সময়ে সলায় সাজ...
শীতলতাৰ গর্ভত জুইৰ বৰষুণ নামিছে
হৃদয় মন্দিৰৰ দয়া, ক্ষমা, প্ৰেম কিম্বা
ভাতৃত্ববোধ নামৰ অলঙ্কাৰবোৰ
খহি পৰিছে.....
কাক ক'ব কোনে, সকলো একে শইচৰ সঁচ
মাথোন অনাগত দিনত জীয়াই থকাৰ বাসনাত
ৰক্ষাকবচৰ বাবে ওপৰলৈ হাত তুলি
কৰুণাময় মাৰ স্তুতি বন্দনাত মুগ্ধ প্ৰাণী
অসতো মা সদগাময়,
তমসোঃ মাঃ জ্যোতির্গময়....
মৃত্যুৰা অমৃতং গময়ঃ
ওঁম শান্তি।

❑ বিপুল গগৈ

শৰতৰ আগমণত...

এন্ধাৰ খুটি খোৱা
প্ৰভাতী পখীৰ কাকলিয়ে
বতৰা দি গ'ল.....
শাৰদী কোমল আৱেশত
জোন গ'লা আহিনত
নিয়ৰৰ জুনুকা পিন্ধি
উন্মনা কুঁৱলীৰ আঁহে আঁহে
স্নিগ্ধ শৰৎ অহাৰ।
পূৱৰ সেওতা ফালি
উদিত সূৰুযেও
গুজি দিব খুজিছে
সীমাহীন উজ্জ্বলতা
আহিনৰ সেউজবুলীয়া
গেঁৱধৰা পথাৰত
প্ৰাণোচ্ছল কৰিবলৈ
মন-প্ৰাণ দোলায়িত কৰিবলৈ
প্ৰতিজন চহা খেতিয়কৰ।
জীৱন দ্ৰৱন্তীৰ
ৰূপালী পানচেয়ে
সৰগীয় জোনাক ৰাশিক
আলফুলে বুকুত সাৱটি
নিৰিবিলি ৰজনীৰ
আঁহ ফালি ফালি
অনিন্দ্য শৰতৰ
নান্দনিক সৌন্দর্যৰ
অনুপম পৰিতৃপ্তি লৈ
ধীৰে ধীৰে আগুৱাই
বৈচিত্র্যময় জীৱনৰ
সোণালী পমখেদি।



❑ দীপাঙ্কৰ শর্মা

জগদম্বা

মা, জগদম্বা
মা, দুর্গা
তোমাৰ আশিস আৰু বৰদানেৰে
আমি পুণ্য আত্মা
অসম ভূমিৰ।
তোমাৰ, পুণ্য ঠাই
মা কামাখ্যা
আমি শয়নে সপোনে
চিৰন্তন চিন্তাৰে
মা
তুমি জগদম্বা মা দুর্গা
তুমিয়েতো দিছিলা ঠাই
গুৱাহাটী পূর্বদিশত
গীতানগৰত।
তোমাৰ ভজন কীর্ত্তন আৰু
পূজাৰ বাবে
এটি ঠাই
গীতানগৰ সার্বজনীন দুর্গা পূজা
তোমাৰ ৰূপ আৰু পূজা অর্চনাৰে
আমি মা
তোমাৰ সন্তান
দিবা মা আশীর্বাদ
সকলোৱে যাতে
শান্তি সম্পত্তি আৰু সুস্থতাৰে
জীয়াই থাকিব পাৰে
বাৰে বাৰে তোমাৰ পূজাৰ বাবে
পুষ্পার্ঘ যাচিছো মা।

❑ ৰুমী ভূঞা

শৰতৰ আগমন

প্রকৃতিৰ বুকুলৈ শৰৎ আহিছে
শেৱালি, খৰিকাজাই, অপৰাজিতাই
দশোদিশ আমোল মোলাই
শৰতক জনাইছে স্বাগতম।
শৰৎ মানে ব'গা দলিচা,
তলসৰা শেৱালিৰ সুবাস
বুকুত আমোলমোল
শৰৎ গভীৰ অনুভূতিৰ শীতল বতাহ।
শৰৎ আহিছে কঁহুৱাই নাচিছে
ৰিব্ৰিব্ মলয়াই বুকু সাৱটি
পাতিছে ৰঙৰ মেলা,
শৰৎ নিয়ৰৰ মুকুতামণি
নীলা আকাশত শুকুলা মেঘৰ
নান্দনিক লুকাভাকু,
স্নিগ্ধ জোনাকৰ কোমল পৰশত
তৰাভৰা বিশাল আকাশ
শৰৎ মানেই মা দুর্গাৰ আগমন।
ধৰাৰ বুকুলৈ নমাই আনে
এগালমান সুখৰ বতৰা।
ভক্তপ্রাণ ৰাইজলৈ মা দুর্গাই
পৃথিৱীৰ আন্ধাৰ নাশি পোহৰ বিলাই
মুখৰ এমোকোৱা হাঁহিৰে
লৈ আহে বহুত কিবাকিবি।
অপাৰ সুখৰ বতৰাৰ মাজত
অসুৰ সংহাৰি প্রতিষ্ঠা কৰিলে
মা দুর্গাই নাৰীৰ অপাৰ শক্তি।



❑ নগেন চন্দ্ৰ শৰ্মা

দেৱী দুৰ্গা

আহিনৰ অমাৱস্যা আহি পায় মহালয়া
এৰি আহে দেৱী স্বৰ্গলোক,
দেৱলোক শূন্য কৰি বসুধা সমৃদ্ধ কৰি
পৰিয়ালসহ দেৱী আহে মৰ্ত্যলোক।
নৱদুৰ্গা নৱৰাত্রি ভক্ত থাকে ফল ভক্ষি
ভক্তাধীন আই ভগৱতী,
মেধস মুনিৰ বাণী সুৰথ যে মহাজ্ঞানী
সাজিছিল মৃন্ময় মূৰ্ত্তি।
বসন্ত কালৰ পূজা আত্মহাৰা ৰজা প্ৰজা,
পালে যত হেৰোৱা সম্পতি,
প্ৰাচীন যুগৰ পৰা বাৎসাৰিক পূজাকৰা
ৰীতি-নীতি ৰ'ল ধৰাধামে,
ৰাৱণ বধৰ বাবে অকাল বোধনে ৰামে
পূজা কৰে নীল নলিনী সমে।
চতুৰ্দিশে ফল-ফুল মন্ত্ৰত নাথাকে ভুল,
চৰণত থয় শাৰী শাৰী,
নৱৰসে আহে ভক্তা ধূপে দীপে অনুৰক্তা।
উৰুলিৰে মুখৰিত কৰে যতনাৰী।
ছিন্নমস্তা দশভুজা যথাৰীতি কৰে পূজা
তুষ্ট কৰে আই আদ্যা শক্তি,
দিবা-নিশি পূজা কৰি হাতে হাতে পূজ্য ধৰি
উপবাসে থাকি কৰে ভক্তি।
মহাবলী ৰম্ভা পুত্ৰ মহীষে এৰিলে অস্ত্ৰ
দুৰ্গা কৰে কাটি থান-বান
দেৱীৰ ৰূপত মুগ্ধ অগত্যা কৰিছে যুদ্ধ
ক্ৰোধে দৈত্য কৰিলে নিধন।
মৃত্যু যন্ত্ৰণাত থাকি আই মাতৃ বুলি মাতি
বিচাৰে পূজাৰ ভাগ,
দেৱী পাছে ভাবি-গুণী পুত্ৰৰ ৰূপত চিন্তি
মুক্ত হস্তে দিলে দান পূজাৰ এভাগ।
মহীষ নিধন পাছে দশমীৰ পূজা যাচ্ছে
দেৱী এৰি গুচি গ'ল মৰ্ত্য ধাম,
ভগ্নী পুত্ৰ সমন্নিতে আনন্দেৰে স্বৰ্গপথে
দেৱৰ পুৰীত গৈ লাগে ধুম-ধাম।
পুষ্প বৃষ্টি কৰে দেৱে শ্ৰদ্ধাসহ সবে সেৰে
স্বৰ্গপুৰী হ'ল নিষ্কন্তক,
ব্যাকুলিত দেৱগণে কৃতঞ্জলি দিলে ফুলে জলে
সবাকে সেবিলে দেৱী হৈ নত মস্তক।



❑ প্রণতি বৰুৱা

সতীৰ দেহ ত্যাগ

দক্ষ ৰজাৰ কন্যা সতী।
আছিল অগাধ ভক্তি শিৱৰ
পতি ৰূপে সতীয়ে কৰে
পাতি লৈ স্বয়ম্বৰ
দক্ষ ৰাজ হ'ল ক্ষোভিত
তুমি হ'লা পাগল নাৰী
মোৰ কন্যা হৈ ভূত প্রেতক কৰিলা বৰণ।
শিৱ নিন্দা শুনি সতীয়ে পালে মহাদুখ,
শোকে জর্জৰিত
সতীয়ে স্বামীৰ গৃহ কৈলাশলৈ কৰিলে গমন।

দক্ষ ৰজাই জোঁৱাই কন্যা অনুপস্থিতিত পাতে মহাযজ্ঞ
নাৰদৰ মুখে সংবাদ শুনি,
পিতৃ গৃহত যাবলৈ ইচ্ছা হ'ল সতীৰ,
শিৱই বোলে গৌৰী তোমাৰ মিলিব জজাল,
নিমন্ত্রণ নকৰিলে পিতৃ গৃহত পাবা অপমান।

শিৱৰ বিনা অনুমতিত সতী হ'ল ক্রোধান্বিত,
কালীৰ ভয়ঙ্কৰ বেশত সতীৰ অগ্নি উঠিল জ্বলি ত্রিনয়নত,
সতীয়ে দশৰূপ কৰিলে ধাৰণ।

সতীৰ মোহত মোহিত মহাদেৱে
যি ইচ্ছা কৰা বুলি দিলে আজ্ঞা,
পিতৃ গৃহত যজ্ঞস্থলীত
দক্ষৰাজৰ মুখেৰে শিৱৰ নিন্দা শুনি,
হে পিতৃ মোৰ স্বামীক ৰিজালা ভিক্ষাৰীৰ লগত,
স্বামী মোৰ অনাথৰ নাথ শিৱ ত্রিলোচন।

যজ্ঞস্থলীত শিৱৰ নিন্দা শুনি
সতীয়ে কুণ্ডত দিলে জাঁপ,
সতীৰ প্রাণত্যাগৰ বার্তাই শিৱই কৰিলে উগ্র মূর্তি ধাৰণ।
যজ্ঞকুণ্ডৰ পৰা সতীৰ দেহ ল'লে কান্ধত তুলি,
দক্ষ মুণ্ড ছিণ্ডি হৰই যজ্ঞত দিলে আহুতি,
দক্ষ পত্নীৰ প্রার্থনাত
ছাগলৰ মুণ্ড আনি দক্ষৰ স্বন্ধত দিলে
তুলি, সমূলি দক্ষ যজ্ঞ কৰিলে নাশ
মহাদেৱে সতীৰ নিথৰ দেহ কান্ধত তুলি তাণ্ডৱ লীলাৰে
সতীক বিচাৰি ত্রিভুৱন কৰিলে ভ্রমণ।

বিপদৰ উদ্ধাৰ, সৃষ্টিৰ ৰক্ষা কৰোঁতা ব্রহ্মা আদি দেৱগণ,
শিৱৰ ভয়ত হ'ল কম্পমান,
জগতৰ পালনকর্তা বিষ্ণুক কৰে স্তুতি
বিষ্ণুৱে নিজে চক্রৰে খণ্ড খণ্ডকৈ কৰে সতীৰ দেহ
য'ত সতীৰ দেহ পৰিল ছিটিকি
সেই স্থান হ'ল একোখনকৈ একান্ন
দেৱীপীঠৰ তীর্থস্থান।
সৃষ্টিৰ আদ্যা শক্তি ৰূপিণী মাতৃ
দেৱী দুর্গাৰ সতীৰ মুখ্য অঙ্গৰ যোনিপীঠ
কামৰূপৰ নীলাচল পাহাৰত।
মা কামাখ্যা মন্দিৰ বিখ্যাত তীর্থস্থান ৰূপে
পৃথিৱীত হ'ল জনাজাত,
দেৱীৰ চৰণযুগলত, নিতৌ হাজাৰ হাজাৰ দর্শনার্থীয়ে
দর্শন কৰি, কৰিছে পুণ্য অর্জন।
হে দেৱী মহামায়া প্রণতি কৰো
তোমাৰ দুখনি চৰণত
নাভি ৰূপে স্থিতি দেৱী উগ্রতাৰা হৈ আছা বিৰাজমান।
প্রতিবছৰে দেশ-বিদেশৰ হাজাৰ হাজাৰ তীর্থযাত্রী
দেৱীৰ ৰজস্বলা অম্বুবাচী উৎসৱত দেৱীৰ নিবৃত্তিৰ
দিনা হয়হি আগমন,
মা কামাখ্যা দেৱীৰ জাগ্রত শক্তি পীঠস্থলত।

❑ দীপালী চক্রৱর্তী

শাৰদী ৰাণী!
ৰৈ আছো তোমালৈ

তাপিত ধৰাৰ বুকুলৈ নামি আহক শীতলতা

ৰিমঝিম, ৰিমঝিম
টোপ টোপ বৰষুণৰ শীতল পৰশ
উফৰি-ছিটিকি
পৰক
গালে মুখে...

শাঁত পৰক দেহ-মন আত্মা, হৃদয়...

সেউজী লিহিৰি পাতৰ বুকুৰে ৰৈ আহক ৰিব-ৰিব মলয়া বতাহ
বতাহত ভাঁহি আহক চিনাকি, অচিনাকি ফুলৰ মিঠা সুবাস
হেঙুলী আকাশ মুখৰিত হওক নীড়মুখী
পক্ষীৰ কলৰবত....

মেঘৰ শব্দৰে গুঞ্জৰিত হওক আকাশ বতাহ.....
ৰৈ যে
আছো চাবলৈ!!!!
নীলাৰ বুকুত
উৰি ফুৰা শুকুলা ডাৱৰৰ লুকাভাকু...
লহিয়লি বেলিয়ে পশ্চিম আকাশত সিঁচি দিয়ক
সপোন সপোন লগা
ৰঙীন আবিৰে
আঁকা অলেখ ছবি....

হালিজালি নাচি উঠক
হেজাৰ কঁহুৱা বন
পাৰ উপচি
টোৰে টোৰে
লহৰ তুলি
নাচি নাচি
ৰৈ যাক নদী নিজৰা

পূর্ণিমা নিশাৰ জোনাক-কুঁৱলীৰ আলিংগনত
ফুলি উঠক হেজাৰ
শুভ্ৰ শেৱালি
মোৰ খিৰিকীৰে
ৰৈ আহক সুগন্ধি বা
সেই কোমল সুবাসত মতলীয়া হওক
মোৰ মন প্রাণ

মহালয়াৰ দেৱীস্তুতিৰ
মঙ্গল ধ্বনিৰে সঞ্চাৰিত হওক যোগাত্মক
ধিয়ান ধাৰণাৰ
আশাবোৰ
উজলি উঠক চৌদিশে
পুৱতি নিশাৰ দূৱৰিৰ বুকুৰ নিয়ৰ কণিকাত আঙুলি
বোলাম.....
আছো যে ৰৈ
কোঁচ ভৰি
বুটলিবলৈ কণ কণ
শত শুভ্ৰ শেৱালি...

নামি অহা হে শাৰদী ৰাণী
প্রকৃতিৰ বিশাল সেউজীয়াত বুৰ যাওঁ
শৰতৰ ৰাগিৰে
পুনৰ হওঁ
মতলীয়া
নিজৰ মাজতে
নিজেই
হৈ ৰওঁ
আপোন পাহৰা,

এইয়া!!!
শৰৎ যে সমাগত!!!

❑ ডেনিচ হাজৰিকা

মনোহাৰিণী শাৰদী

নিলীয়মান বৰষাৰ পদুলি
শুনিলোঁ কাৰ নূপুৰৰ শব্দ

সৰাপাতৰ ওপৰেদি
কোমল খোজৰ টুপ টুপ শব্দত
পুৱাতে সাৰ পাই দেখোঁ
তোমাক

কুঁৱলীৰ চাদৰেৰে শুভ্ৰ হৈ
দুগালত সানি লৈছা
হেঙুলী আভা!

ওৰে ৰাতি
তোমাৰ ললিতা ৰাগিণীত
নাচি বাগি
ভাগৰি পৰা শেৱালিক
দেখিলোঁ
মোৰ চোতালত

শুভ্ৰ কুঁৱলীৰ
চাদৰৰ আঁৰত
গোপনে আনিছা মোলৈ
সৰিয়হৰ হালধীয়া সুবাসিত
এসোপা ফুল

কি মনোহাৰিণী

দুচকু মুদি
তোমাৰ প্ৰেমৰ
শীতল পৰশ লওঁ
শাৰদী।

❑ চন্দনা কাকতি

শূন্যতা

শাওণৰ চিপ চিপ বৰষুণজাকে
গছ বন লতাই জুবুৰিয়াই
পেলালে। তাৰ মাজতে স্তব্ধতাৰ
নির্জন অন্ধকাৰত অর্থহীন
লেমৰ পোহৰগছি।
ধন মান সোণৰেও আঁজুৰিব নোৱাৰা
শূন্যৰে আৱৰা নীলিম স্তব্ধ
আকাশখন।
লগতে লৈ লৈ পৰিছো ভাগৰি
এই নিশ্বাসৰ দৰে নিশব্দে বিচাৰি
ফুৰা শব্দ বর্ণ আৰু
পোহৰৰ উৎস।
প্ৰাণৰ বালিত যিদৰে মৰহি পৰে,
আলফুলে সাঁচি ৰখা ঐশ্বর্য বিভূতি
যেন তেনেদৰে ম্লান হৈ পৰে
এটি অসমাপ্ত স্বপ্নৰাজি।

❑ দীপামণি কলিতা

শাৰদী মন

আহিনৰ পথাৰত সেউজীয়া দলিচা
প্ৰভাতী নিয়ৰে গাঁঠে আশাৰ মালিতা।
হেঙুলী ৰহণ সানি চিকমিক কৰে
ধানৰ পাতত বহি সোণগুটিৰ সপোন ৰচে

শাৰদী কোমল বতাহজাকে
শেৱালিৰ সুৱাস বিলাই ফুৰে
পুলকিত মনটোৱে ঠন ধৰি উঠে।

তাকে দেখি কঁহুৱাবনে মতলীয়া হৈ পৰে
শুভ্ৰতাৰ আঁচল উৰুৱাই ঢৌ তুলি নাচে।

নিয়ৰসিক্ত দূৰৰিয়ে প্ৰাণভৰি হাঁহে
শাৰদী মনটোৱে যেন
সপোনৰ পৃথিৱীত ওমলে।

❑ আনন্দ ৰহাং

জগত জননী মাতা ভৱানী



নিজম নিটাল প্রকৃতি
আকাশে-বতাহে কুঁৱলীৰ মৃদু মাদকতা
আহিনৰ চোতালত শেৱালি বিলাই
নিয়ৰৰ মুকুতা পিন্ধি শাৰদী ৰাণীৰ আগমন,
শুভ্রতাৰ আঁচলত ধৰি
শৰতে আনিলে অমিয়া মাধুৰী।
হেমা! জগত জননী
চৌদিশে মুখৰিত শঙ্খ, ঘণ্টা, বৰকাঁহ ধ্বনি
দুর্গতি নাশিনী মহামায়া
যুগে যুগে অৱতাৰী অসুৰ বিনাশকাৰী
মহাশক্তিৰ অধিষ্ঠাত্রী দেৱী
সর্ব মংগলা আবির্ভাৱ হোৱা কল্যাণময়ী নাৰায়ণী।
তোমাৰ কৃপাতে পাওঁ
শক্তি, সিদ্ধি, ধন, বুদ্ধি
বিশ্বব্রহ্মাণ্ডৰ পালন কাৰিণী
আদি শক্তি দশভুজা, তুমিয়েই মাতা ভৱানী
কালজয়ী শক্তি ৰূপা নাৰীময়ী ৰূপ
সর্ব সিদ্ধি দায়িনী, দেৱী পৰম যোগৰূপিণী।
তুমি অবিনাশী কালৰ বুকুত
চণ্ডিকা ৰূপ লৈ কৰিবা সংহাৰ
অন্যায় অবিচাৰ নাশ কৰি
ঐশ্বর্য্য বিভূতিৰে সোণোৱালী কৰা
তুমিয়েই দিয়া মানৰ জাতিক
এন্ধাৰৰ অজ্ঞানতাৰ অফুৰন্ত জ্ঞান
আঁজলিয়ে আঁজলিয়ে আঁচল ভৰাই
আনন্দত পুলকিত কৰা সকলোৰে মন প্রাণ।

❑ নীলোৎপল বকতিয়াল

শূন্যতা কঢ়িয়াই ফুৰা মানুহবোৰ

ধাননি কঁপাই বৈ যোৱা
বতাহজাকৰ দৰে
সাংঘাতিক সুখী
শূন্যতা কঢ়িয়াই ফুৰা মানুহবোৰ।

আপুনি যদি শূন্যতাৰ প্রেমত পৰিছে
বুজিব, আপুনিও সুখী হ'বলৈ আৰম্ভ কৰিছে
জীৱনৰ তিতা মিঠা আৰু বিষণ্ণতাবোৰ
শূন্যতাৰে এখন দীঘলীয়া চিঠি
শেষ হৈও শেষ নহয় কোনোদিন।

অসমাপ্ত কথাবোৰ
অপূর্ণ সপোনবোৰ
শূন্যতাতে বিলীন হয় এদিন।

শূন্যতা কঢ়িয়াই ফুৰা মানুহবোৰ
সাংঘাতিক সুখী।

❑ কবিতা কলিতা

সোণোৱালী সপোনৰ মা দুর্গা

দিন বাগৰিল বছৰো বাগৰিল
আহিছে পূজা, গৈছে পূজা
কত যে মনৰ মাজত সাঁচি থোৱা
ভাৰি ভাৰি ওৰ নপৰা জল্পনা-কল্পনা
ভবা কথা যে নহয় সিদ্ধি
বাটত আছে কণাবিধি
এই শ্লোকটি আগত ৰাখি
জীৱনত কি পালো কি কৰিলো
সময় গতানুগতিকভাৱে
অতীতক উভতি চালে মন ভাগৰি পৰে।
সময়ৰ টিকনি আগফালে উৰে
সময়ে বাট দেখুৱাই নি আছে
আমিও ব্যস্ততাৰ মাজত জুৰুলি-জুপুৰি
জীৱনটোৰ যেন একোৱে নাই।
কত আত্মীয় চকুৰ পচাৰতে
বুকু শুদা কৰি পৃথিৱীৰ বাহিৰলৈ গ'ল
মনবোৰ কতোৱে নবহা হ'ল।
বিধিৰ বিধান মানিবতো লাগিবই
পূজা পূজা লগা মনটোক
হাত বাউলি দি মাতিছো
আহিবা বুলিয়ে আছো আমি উজাগৰী
সোঁৱৰণি হৈ মাজ নিশাৰ সপোনত
সপোন মায়া হৈ নাহিবা
আহিবা হিয়াৰ দাপোণ হৈ
দিঠকত সকলোৰে আশা পূৰণ কৰিবলৈ
এনেকৈয়ে বছৰ বছৰ মা দুর্গাৰ
পদধূলি লৈ...
ৰূপোৱালী নৈ সোণোৱালীত দিলে ভৰি
বয়সকো আমি এক, দুই, তিনি কুৰি
গণ্টি কৰি থ'ম আমি লুকুৱাই
মনৰ মোনাখনত ভৰাই
গাঁঠি মাৰি কোনোৱে নেদেখাকৈ।

❑ দীপালি তালুকদাৰ

সোঁৱৰণি

সময়ৰ বোকোচাত উঠি
ওভতনি যাত্রা
য'ত জীৱনৰ যোগ-বিয়োগ
তিতা-মিঠা স্মৃতিয়ে
সেউজীয়া হৈ ধৰা দিয়ে
স্মৃতিৰ দাপোণত শৈশৱৰ ধেমালি
ধূলিয়ৰি পথত দৌৰি ফুৰা মনৰ
অস্পষ্ট খোজ
সপোনতো দেখো
মোৰ ফুটফুটীয়া ৰঙা চোলা
বতাহে উৰুৱাই নিব খোজে
মোৰ শুকান চুলিকোছা
নিয়ৰসিক্ত দূবৰিত সৰু সৰু ভৰিৰ
খোজ পেলাই
হাতে হাত ধৰি আমিযে
শেৱালি বুটলিছিলো
আহ... কি মিঠা স্মৃতি
ভাবিলেই মন ভৰি যায়,
উশাহ হৈ পৰে পূর্ণ
সোঁৱৰণি... কি মিঠা অনুভূতি।

❑ ভূপেন শর্মা

অনুভূতি

গালে মুখে বয়সে আঁচুৰি যোৱা
শুকান নিজৰা যোৰ
থৰক বৰক দেহা
ভৰসা ঠেলা গাড়ী।
যাত্রা তেওঁৰ সাপ্তাহিক হাটলৈ
কেইমুঠিমান খৰি
বিনিময়ত এমুঠি অন্ন
চকুত সমাজলৈ
এটি প্রশ্নবোধক চাৰনি।

❑ পলাশ কুমাৰ ডেকা

শব্দ

মাৰ আঁচলেৰে ঢাকি ৰখা শব্দবোৰ
আজি ভাষা হ'ল।
এই শব্দবোৰে কেতিয়াবা বৰ
জটিলতাৰ সৃষ্টি কৰে
শব্দবোৰ কেতিয়াবা
ৰঙা, বগা আৰু
কেতিয়াবা সেউজীয়া হয়
মোৰ অনুভৱৰ পথাৰত শব্দই খেলা কৰে
ভাবনাৰ চোতালত
আৰু বিচাৰৰ বোকোচাত উঠি
শব্দবোৰ কেতিয়াবা, কেতিয়াবা
বিদ্রোহী হৈ উঠে
শব্দই শব্দই আজি অনেক খেলা
এই শব্দই কেতিয়াবা
বিস্ফোৰণ
নহয় নহয়
মহা বিস্ফোৰণ ঘটাব,
এই শব্দই এদিন খুলি দিব
কিছুমানৰ মুখাৰ আঁৰৰ মুখ।



❑ শিখা দাস

হে মা

তল সৰা শেৱালীয়ে আনে তোমাৰ বতৰা
হে মা তুমিটো এক নাৰীৰে ৰূপধাৰী
ঢাক-ঢোলেৰে অর্চনা-আৰতিৰে
ৰহণীয়া পৃথিৱীত হোৱা আৱির্ভাব
তোমাৰ সূতাডাল হাতত নাবান্ধিলেও
ভক্তিখিনি মনৰ দাপোনত ৰাখিছো যতনে।
যদি এডাল সূতাৰে ইমান শক্তি
কিয় নাথাকে নাৰীৰ প্রতি ভক্তি?
প্রতিদিনে ধর্ষণ, হয় নাৰী ব্যৱসায়
অন্নপূর্ণ, পার্বতী, কালি, ৰণচণ্ডী, মহিষাসুৰমর্দিনী
অন্তহীন যাৰ ৰূপ অৱতাৰ।
মা আহিলে, সকলোৰে হয় মন ৰাঙলী
নিতাল নিশব্দ মন পৰশা দৃষ্টিত মন মুগ্ধ হেজাৰ জনতা।
পৰে পৰে মনত তোমালৈ হে মা।
যাৰ তুলনাবিহীন ত্রিভুৱন, কত যে মনৰ অলীক কল্পনা
কলিজা বিদাৰিত যন্ত্রণাৰ জখমবোৰ আজিও কেঁচা,
তথাপিও তোমাক আদৰাৰ দুর্বাৰ হেঁপাহ।
তোমাৰ নির্মালি হৈ আহক আগন্তুক দিনবোৰ।।

❑ চন্দন কুমাৰ বর্মন

গুণ গুণ এটি সুৰ বাজিছে

গুণ গুণ এটি সুৰ বাজিছে
মোৰ কেঁচুৱাই কান্দিছে
আজি জীৱন বীণাত এটি সুৰৰ লহৰ উঠিছে
মাৰ জীৱন নাটে হঠাতে আজি সুঞ্জঁতি সলাইছে
যেন.. যেন.. এক ন-দিগন্তৰ দিশে গতি কৰিছে।

বহু আকাংক্ষিত সুৰ এটি বাজিছে
যি সুৰত এগছি আশাৰ প্রদীপ জ্বলিছে
এতিয়া মোৰ বুকুৰ ধপ ধপনি উশাহ-নিশাহ সকলোতে
সেই সুৰৰ লহৰ উঠিছে।

হয়!!! হয়!!
হাস্পতালৰ বেদত
মোৰ কেঁচুৱাই কান্দিছে।
প্রসৱ বেদনাৰ পৰা মুক্ত হৈ মানুহজনীয়ে মোলৈ চাই হাঁহিছে
প্রাপ্তিৰ হাঁহিটি আজি যেন তেওঁৰ মুখত সূর্যমুখী হৈ
ফুলিছে।
গুণ গুণ এটি সুৰ বাজিছে
মোৰ কেঁচুৱাই কান্দিছে।
গুণ গুণ এটি সুৰ বাজিছে
মোৰ কেঁচুৱাই কান্দিছে।

❑ কবিতা ভাগৱতী

কবিতা

তেওঁৰ বোলে জুহালখন হেৰাল
লগতে
লাও-কোমোৱাবোৰ যে শুকুৱাইছিল
ধোঁৱাচাংখননো ক'লৈ নিলা?
তেওঁৰ জুই চাং,
বৰচাং,
কিয়, পানীচাংখনৰ কথা পাহৰিলাইনে?
উৎকট গৰমত পঢ়াশালিৰ পৰা উধাতু খাই আহি
উবুৰি খাই পৰা পানীচাঙৰ পেটুৱা কলহটো!!
তেওঁৰ বোলে পেৰাটোও হেৰাল
পৰিপাটিকৈ জাপি ৰখা আশীসূতাৰ চাদৰকেইখন,
কত লাম-লাকটুৰে ভৰা
মায়াসনা বিহাৰে পৰা পাতৰ চেলেংখনলৈকে...
কিয় বাৰু আতাৰি কৰিলা
ক'ত বিচাৰি যাওঁ তেওঁৰ আটকীয়া স্মৃতিৰ সুৰভি?
হেৰাল হেৰাল
হেৰাল তেওঁৰ কাঠি, মহুৰা
আৰু গৰকা-মাৰী
তুমি লুকুৱাই থ'লা নেকি
অতীতৰ ভাঁজে ভাঁজে
মিঠা অনুভৱৰ কৰণী ভৰোৱা সঁচা মৰমৰ সঁফুৰাটো
বাৰিৰ ঢাপৰ পৰা বুটলি অনা
চজিনাকেইপাহ, আৰু খুতুৰাকেইডাল
তোমাৰ জানো সময় হ'ব
পদূলি মূৰৰ বাঁহৰ চাঙত বহি
গধূলিৰ জাক দিবলৈ
আৰু উটুৱাই দিবলৈ সময় নদীত পানচৈ...?



❑ বুলু মিশ্ৰ

মিনতি

অষ্টমীৰ পূৱা
হাতত শৰাই লৈ
ভক্তৰ ভিৰ ঠেলি
আগবাঢ়ে মানুহগৰাকী।

দোকানৰ পৰা ধূপ-চাঁকি
ধূসৰিত হৈ থকা
সৰু সৰু সপোনবোৰ
বুকুত সাৱটি।

এইবাৰ পথাৰত কঠিয়াৰ উল্লাস
বাজি থাকিব সোণালী গানৰ সুৰ
পথাৰবোৰ সেউজীয়া
শষ্য শ্যামলা ধৰিত্ৰী।

কৈলাশৰ পৰা বিচ্ছুৰিত
ৰশ্মিৰ স'তে
নামি আহে এটি হাতী
উঠি আহিছে হেনো দেৱী।

ৰূপান্তৰিত বাস্তৱৰ আশাৰে
হাতযোৰ কৰি প্ৰাৰ্থনা
ভাঁহি থাকে সপোনবোৰ
বুকুত সাৱটি।

❑ পংকজ মেধি

প্ৰাৰ্থনা

জ্ঞান মন্দিৰৰ দুৱাৰ খুলি
আহা হে পূজাৰী গণ,
জ্বলোৱা প্ৰদীপ, আৰতি বোধন
কৰাহে অগ্নি পণ।

অমানিশাৰ বেদনা হৰি
পূৱ আকাশৰ সেন্দুৰী কিৰণ,
জীৱনালোকৰ শুভ কামনাৰে
আইৰ পূজাবেদী কৰিছোঁ স্থাপন।

ধৰালৈ বোৱাই আনা
ন-ভাৱনাৰ ঢল, দিয়া প্ৰেৰণা
আঁতৰাই নিয়া কলুষতা
দিয়া সুভাশিষ প্ৰগতিৰ চেতনা।
সমৰ্পিত হৈছোঁ আজি তোমাৰ শ্ৰীচৰণত,
উজ্জ্বলি উঠক ঐক্য সংহতিৰ বৰঘৰ
অনাগত ভৱিষ্যতত।।



❑ হেমন্ত কুমাৰ দেৰ চৌধুৰী

জুবিন নিজেই আছিল এক শিল্প




সঙ্গীত শিল্পী নহয়
তেওঁ নিজেই আছিল সঙ্গীত
তেওঁৰ সঙ্গীত শুনি থাকিলে
শ্রোতাও হৈ পৰে সঙ্গীত ।
ধুমুহা কৰল তেওঁৰ নাচোনৰ সঙ্গী নাছিল
তেওঁ নিজেই আছিল ধুমুহা ।
সাগৰ তলিত শুৱলৈ বিচৰা দুঃসাহসী ডেকাই নাছিল তেওঁ
তেওঁ নিজেই আচিল এখন মহাসাগৰ
সুবিশাল হৃদয়
বুকুত হেজাৰ ধুমুহাৰ অস্থিৰতা।
পাখি লগাই আকাশলৈ উৰি যাব খোজা এটি বিহঙ্গই নাছিল তেওঁ
তেওঁ নিজেই আছিল মহাকাশ।
কাঞ্চনজংঘাৰ দৰে সুউচ্চ হৈ থকাৰ হাবিয়াস নাছিল তেওঁৰ
তেওঁ নিজেই আছিল কাঞ্চনজংঘা
বিপদসংকুল হৈ থিয় হৈ থকা শৃঙ্গ
তলৰ সংকীর্ণতাই ঢুকি নোপোৱা।
তেওঁ অকল আৱেগিকেই নাছিল
তেওঁ নিজেই আছিল আৱেগৰ মূর্ত ৰূপ,
এক শক্তি আৱেগ
যাৰ বিনাশ নাই
জুবিন আছিল সেই শক্তি
অবিনাশী।
যি আৱেগেৰে মাইকেল এঞ্জেলোই নির্মাণ কৰিছিল শিল্প,
যি আৱেগেৰে ভেন গঁগে অংকন কৰিছিল চিত্র,
যি আৱেগেৰে চে গুৱেভাৰাই ভাল পাইছিল নিজ মাতৃভূমিক
সহায় কৰিছিল দুখীয়া নিছলাক
যি আৱেগেৰে কাফ্কাই লিখিছিল The Trial, ছার্ত্রেই লিখিছিল Being and Nothingness,
যি আৱেগেৰে মাইকেল জেকছন, ষ্টিং, ব'ব ডিলান, চাকিৰাই পৰিৱেশন কৰে সঙ্গীত,
যি আৱেগেৰে ৰবীন্দ্রনাথে লিখিছিল গীতাঞ্জলি
নীলমণিয়ে লিখিছিল সাগৰতলিৰ শংখ,
যি আৱেগেৰে এনি ফ্রাংকে লিখিছিল ডায়েৰী
যি আৱেগেৰে মার্টিন লুথাৰে দিছিল ভাষণ
তেনে এক আৱেগ আছিল জুবিন।
ধোৱা মাটি ছাই হৈ গলেও
জীয়াই থাকিব চিৰদিন
পর্বতৰ চূড়া হৈ
আকাশৰ আলোক হৈ
আকাশে বতাহে কম্পন হৈ।
সেই আৱেগ
পানী হৈ বৈ থাকিব ব্রহ্মপুত্রৰ বুকুত,
সেই চিতাৰ জুইৰ ফিৰিঙতিক
উজ্জ্বল কৰি জীয়াই ৰাখিব লাগিব অসমীয়াই বুকুত।
হয় অসমীয়া আৱেগিক জাতি
বিশ্বক জনাই দিব লাগিব আমি
সেই আৱেগেই আমাৰ শক্তি,
সেই আৱেগেৰেই আমি জীয়াই ৰাখিব খোজোঁ মানৱতা
ভালপোৱা
সৃষ্টি সংস্কৃতি
শিল্প সাহিত্য প্রকৃতি,
জুৰিনৰ দৰেই।



ইংৰাজী বিভাগ




GOLDEN JUBILEE YEAR
সোণালী জয়ন্তী বর্ষ
GEETANAGAR SARBAJANIN DURGAPUJA SAMITI
গীতানগর সার্বজনীন দুর্গাপূজা সমিতি
৫০ সংখ্যক বর্ষ
১৯৪৭ শকাব্দ। ২০২৫ খ্রীষ্টাব্দ
স্থাপিত। ১৮৯৮ শকাব্দ। ১৯৭৬ খ্রীষ্টাব্দ
Bhawani
ভবানী
ত্রয়োবিংশতম প্রকাশ
স্থান ঃ গীতানগর হাইস্কুল খেল পথার

The Divine Power of Durga : A Journey through Mythology, Symbolism and Tradition

Guptajit Pathak

Goddess Durga is the epitome of divine strength and protection in Hindu mythology. As a representation of Shakti (the divine feminine power), Durga embodies the universal force that creates, sustains, and destroys the world. Her origins are deeply rooted in ancient Hindu scriptures such as the Yajur Veda and Vajasaneyi Samhita, where she is revered as the supreme cosmic power. Durga's mythology is rich with tales of her victory over evil, most famously her battle against the demon Mahishasura, symbolizing the triumph of good over evil. Her depiction, with ten arms holding various weapons, represents her ability to confront and destroy all forms of evil, from physical threats to the inner demons of ignorance and fear. Durga is not just a warrior goddess; she embodies every aspect of life, from creation to destruction, showcasing the cyclical nature of existence.

The symbolism of Durga extends beyond her form as a fierce warrior. The lion on which she rides represents courage and valor, while her ten hands, each holding a different weapon, signify her versatility in overcoming any obstacle. These weapons, gifted by various gods, are not just tools for battle but symbols of divine attributes such as wisdom, power, and protection. Durga is also a goddess of fertility and abundance, with names like Annapurna (goddess of food) and Jagadhatri (nurturer of the world). Her many forms, from Sati (the embodiment of life) to Basanti (the harbinger of spring), reflect the diverse roles she plays in the cosmic order, ensuring the balance between life, death, and rebirth. Her worship is a celebration of these qualities, invoking her blessings for strength, wisdom, and prosperity.

Durga Puja, the grand festival in her honor, has evolved from a regional celebration to a global event. It is observed with immense devotion in the autumn, marking the victory of Durga over Mahishasura and symbolizing the victory of good over evil. The festival is not just a religious event but a cultural phenomenon that unites people across India and the world. The elaborate rituals, artistic idol-making, vibrant processions, and festive feasts offer a sense of community and belonging. Beyond its religious significance, Durga Puja has come to represent the power of Shakti in contemporary society, especially in its growing emphasis on women's empowerment and societal transformation. As Durga continues to inspire devotion, the festival serves as a reminder of the enduring relevance of her divine power, encouraging individuals to overcome their personal



struggles and rise above adversity.

Goddess Durga, a revered figure in Hindu mythology, is celebrated as the embodiment of Shakti, the divine feminine power that sustains the cosmos. The complexity of her iconography and the myriad of legends surrounding her worship invite deep contemplation into her significance. Durga is not merely a goddess; she is a symbol of the eternal power that governs creation, protection, and destruction in the universe. The Durga Puja, an annual festival celebrating her victory over the demon Mahishasura, is a manifestation of this supreme force, uniting millions in worship and reverence across India and abroad.

The name **Durga** in Sanskrit means "fortress" or "invincible," reflecting her role as an impenetrable defense against evil. She is also known as **Durgatinashini**, meaning "the one who removes sufferings," which aligns with her role in alleviating the pain of her devotees. Durga is often depicted as a goddess with ten arms, each holding a different weapon, symbolizing her omnipotent power to combat various forces of evil. Riding a lion, a symbol of courage and strength, Durga stands as an unwavering force of justice, wielding her weapons to restore balance to the world.

Durga's many forms represent various aspects of life and nature. She is **Bhawani**, the source of life; **Sati**, the embodiment of death; **Basanti**, the herald of spring; **Amba**, **Jagadhatri**, **Tara**, **Ambika**, and **Annapurna** each name denotes a different attribute of the goddess. These diverse identities signify that Durga is not confined to one form; she embodies all that is powerful, nurturing, and protective in the universe. Her multiple faces remind us of the ever-changing nature of existence creating, preserving, and ultimately dissolving the world.

Durga's worship dates back to the earliest scriptures of Hinduism. References to her power can be found in the **Yajur Veda**, **Vajasaneyi Samhita**, and **Taittiriya Brahmana**, among others. In these texts, she is celebrated as the supreme force that controls the order of the universe. Historically, the worship of Durga was not confined to one period but evolved over centuries. Her rituals and festivals grew in prominence, reflecting the changing dynamics of society and the evolving nature of Hinduism.

The most widely known and celebrated festival in her honor is **Durga Puja**, which culminates in the grand **Vijayadashami**. The festival, typically observed during the month of **Ashwin** (September-October), celebrates Durga's victory over the buffalo demon **Mahishasura**, symbolizing the triumph of good over evil. The festival is marked by days of elaborate worship, processions, music, dance, and feasts. Devotees prepare for the event by buying new clothes, sweets, and decorations, creating an atmosphere of vibrant celebration and collective joy.

The Durga Puja is not merely a religious event but a cultural extravaganza that brings people together in celebration of life, victory, and renewal. The festival spans **ten days**, beginning with **Sasthi** and culminating on **Vijayadashami** (Dashami). On the seventh day, the idols of Durga and her divine family **Lakshmi** (goddess of wealth), **Saraswati** (goddess of wisdom), **Kartik** (god of war), and **Ganesh** (god of intellect) are installed in elaborately decorated pandals. Over the next few days, prayers and rituals are performed, offering flowers, sweets, and chanting sacred verses from texts like the **Chandi Path**.

The idols are then immersed in water on the final day, symbolizing Durga's return to her celestial abode. This marks the end of the festival and is a bittersweet moment for devotees who have eagerly awaited her arrival. During the immersion, communities come together, and large processions are held, filling the streets with music, chanting, and joy. The immersion ritual symbolizes the cyclical nature of life birth, existence, and eventual dissolution.

The day of **Vijayadashami** is one of the most auspicious days in the Hindu calendar. It is celebrated as a day of victory over evil, over ignorance, and over adversity. Various mythological stories associate this day with the triumph of good over evil. According to one legend, it is on this day that **Lord Rama** defeated the demon **Ravana**, after performing a special Durga Puja to seek her blessings. Another legend tells of the demon **Mahishasura**, who was defeated by Durga's divine powers, restoring order to the cosmos.

In some regions, particularly in North India, **Ramlila** a theatrical representation of Lord Rama's victory is performed, culminating in the symbolic burning of Ravana's effigy. This act signifies the destruction of evil and the restoration of righteousness. The day is also important for the business community, who consider it

the start of their financial year, marking new beginnings and prosperity.

While Durga Puja is primarily celebrated in **West Bengal**, the festival has spread across India and beyond, thanks to migration and the global Indian diaspora. Regions such as **Assam**, **Tripura**, **Odisha**, **Jharkhand**, and **Manipur** also observe this grand festival with much fanfare. The Bengali diaspora around the world has carried the tradition of Durga Puja to countries like the United States, the United Kingdom, Canada, and Australia, where it is celebrated in the same spirit of unity and joy.

In addition to the grand autumn festival, there is another form of Durga Puja observed in the **Chaitra month**, also known as **Basanti Puja**, celebrated in the spring. While not as widely known as the autumn Durga Puja, it holds cultural significance in regions like Bengal, where it is celebrated as a smaller version of the grand festival, marking the arrival of the goddess during the rejuvenating time of spring.

In contemporary times, Durga Puja has transcended its religious significance, becoming a festival that celebrates culture, art, and community. The creation of the idols, with their intricate craftsmanship, has become a form of artistic expression. Pandals are often designed with themes ranging from traditional motifs to modern concepts, such as environmental sustainability, women's empowerment, and social issues, making Durga Puja a platform for addressing contemporary concerns.

The festival also serves as a reminder of the power of **Shakti**, the divine feminine energy, which is increasingly relevant in today's world where discussions around gender equality, women's empowerment, and the breaking of societal norms are gaining momentum. Goddess Durga, in her various forms, symbolizes not only the destruction of evil but the empowerment of the marginalized, the voiceless, and the oppressed.

Durga Puja is more than a religious celebration it is a time for reflection, renewal, and a celebration of the forces of good. It brings together communities, families, and individuals, united in the belief that despite the trials and tribulations of life, the power of righteousness, wisdom, and compassion will always triumph. As the goddess of strength, wisdom, and protection, Durga reminds us to fight against the evils that threaten peace and harmony, while also embracing the nurturing and protective aspects of the divine feminine that empower us to face life's challenges.

In essence, Durga Puja is a celebration of life in all its aspects the struggles, the victories, and the transcendence over evil bringing joy and hope to countless people around the world. ●



Author : HoD, Dept. of History, Geetanagar College

Gayatri Mantra : The Light of Wisdom

Sarmistha Mahanta

One of the most sacred and powerful Vedic Mantra (Hymn) as per Hindu religious beliefs is the "Gayatri Mantra". In Hinduism Gayatri mantra is often chanted for spiritual growth, mental clarity and protection. Gayatri Manta is seen by most Hindus as a heavenly awakening of the individual intellect and sole – the waking of the Atman. In Bhagwat Gita:: Chapter 10.35 – Lord Krishna is there present if someone chants (listen) Gayatri Mantra and God himself recites in this Mantra. Sri Krishna says: I am Brihat Sama Mantra; I am Gayatri Mantra among all Veda Mantrs. The Gayatri Mantra's potency is thought to be as close to approaching God as one can get. It is believed that if a person chants this Mantra with pure soul and a definite goal/objectives in mind, it will guide them to that goal. Reciting the Gayatri Mantra not only decontaminates the chanter but the listener as well.

This Gayatri Mantra was first recorded in the Rig Veda specifically in Mandala3, Hymn 62, Verse 10. This Gayatri Mantra was written in Sanskrit language around 2500 to 3500 years ago in the period of "Satya Yuga" (age of Truth). This Mantra is found in all the other Vedas and also in Upanisada. Gayatri Mantra is called as "savitri mantra". This Gayatri Mantra comprises 24 (Twenty Four) syllables, organized inside triplet of eight syllables.

The Gayatri Mantra :

ॐ भूर् भुवः स्वः ।
तत्सवितुर्वरेण्यं ।
भर्गो देवस्य धीमहि ।
धियो यो नः प्रचोदयात् ॥
(Om bhûr bhuvah svah)
tat savitur vareGyam
bhargo devasya dhîmahi
dhiyo yo nah pracodayât)

Gayatri Mantra English Translation :

We mediate on the glory of the creator, who has created the universe;

Who is worthy of Worship;

Who is the embodiment of knowledge and light; who is remover of all sin and ignorance,

May he lighten our intellect.

The word by word meaning of the Gayatri Mantra :

1. ॐ (Om) – The primordial sound, symbol of the Absolute, the eternal source of all existence.
2. भूर् (bhûr) – The earthly plane, physical existence.
3. भुवः (bhuvah) – The mental world, the atmosphere, the subtle realm.
4. स्वः (svah) – The celestial world, higher spiritual realm.

{These three together (bhûr, bhuva%, sva%) represent the three planes of existence and remind us that the mantra is universal}.

5. तत् (tat) – "That" (referring to the Supreme Divine reality).
6. सवितुः (savitur) – The Divine Sun, not the physical Sun, more like the divine light of knowlwdge and discerning the animating impetus for everything.
7. वरेण्यम् (vareGyam) – Adorable, worthy of worship.
8. भर्गः (bhargah) – Divine radiance, pure spiritual light that removes ignorance.
9. देवस्य (devasya) – Of the Divine (God).
10. धीमहि (dhîmahi) – We meditate upon.
11. धियः (dhiyo) – Intellects, understanding, thoughts.
12. 1 2. यः (yah) – Who.
13. नः (nah) – Our.
14. प्रचोदयात् (prachodayât) – May inspire, guide, and direct

The Gayatri Mantra has 3 parts – (i) Mediation on the glory of God as the illumination immanent in the three words - upper, middle and lower (Om Bhur Bhiva Suvaha; Tat Savitur Varenyam); (ii) Smarana or picturization of the Grace (Bhargo Devasya Dhimahi) and (iii) Prarthana, prayer (Dhiyo Yonah Prachodayat) for the compassion for the sake of liberation, through awakening of intelligence that pervades the entire universe, no to any particular name or form of that intelligence; and so all can use it regardless of caste, creed and race and be saved by it.

The Vyahritis (Bhur, Bhuvah, Suvaha) which represents the three realms of existence: Earth, atmosphere and heaven. Bhur, Bhuvah and Sevaha in the Gayatri Mantra refers to the body (Materialization), the life force (Vibration) and the soul (Radiation). Bhur means the Earth, which is nothing but the combination of materials. This mainly refers to the human body, which is also a combination of materials and after the death of the body it remains with the mother Earth. Bhuvah means to the life force, which makes the body vibrate. Suvaha refers to Pranjnana-shakti, which sustains the Bhuvah i.e. life force. This Pranjnana-shakti is known as radiation. All these three forms i.e. materialization, vibration and radiation are present in every human being if we saw it in a deeper meaning we can find these in our body as physical body; i.e. whom you think you are, the one that others think who you are (Mental body) and the one you really are(Atma). Thus the Gayatri Mantra unites the physical, mental and spiritual planes into harmony bringing inner balance, sharpens intellect and elevates consciousness. In essence, the mantra asks for the divine light to spread throughout all realms, remove ignorance and inspire the intellect with wisdom and knowledge.

Guide to Chant Gayatri Mantra :

If we chanted Gayatri Mantra correctly, it is believed to be very effective. This Mantra can be chanted by anyone, anywhere and at any time. For optimal benefits, chant it during dawn or dusk (Prataha time, i.e. 4 am to 8 am and Sandhya time 4 pm to 8 pm) facing the Sun if possible. According to Vedas, time has three qualities : Satva, Ragas and Tamas (purity, passion and inaction). 4 am to 8 am have the Satvic quality 8 am to 4 pm are Rajasic and 8 pm to 4 am are Tamasic. Satva is the best time to chant the Gayatri Mantra. Hence, the Gayatri Mantra should be recited between 4am to 8am and 4 pm to 8 pm. By using a Tulsi or Rudraksha rosary is more traditional and very auspicious. Beginners can start with 108 repetitions using a mala. The chanter must focus on pronunciation and intention. Mantras are meant for pronunciation, as every word of a mantra carries an unique energy

and meaning for itself. So, while chanting the Gayatri manta, one should focus on every words, pronounciate it clearly and correctly to get its full benefits. Throughout chanting, close the eyes and try to visualize the Sun's energy flowing into the body and mind. Let this energy purify and uplift focus and intention. It can also be recited silently (Manasik Japa) for deeper meditation or allowed for vibrational effects. Consistency and sincerity are key to experiencing its full significance.

Benefits of Chanting Gayatri Mantra :

